মহাৰজত জয়ন্তী স্মৃতিগ্ৰন্থ

# নগাঁও মহাবিদ্যালয়

*পঁইসত্তৰ বছৰৰ*

# বৰ্ণিল দস্তাবেজ


সম্পাদক

দীপক কুমাৰ বৰা

ড° লক্ষ্যজ্যোতি বৰঠাকুৰ

**MOHARAJAT JAYANTEE SMRITIGRANTHA**
**NOWGONG MOHAVIDYALAY**

A Platinum Jubilee Souvenir of Nowgong College, Nagaon, Assam, 2018-19, Published by Principal Dr. Sarat Borkakoti, Secretary, Platinum Jubilee Celebration Committee, Nowgong College and Edited by Dipak Kr. Bora & Dr. Lakhya Jyoti Borthakur.

**ISBN** 978-96-85310-70-6 Price ₹500/-

## সম্পাদনা সমিতি

**সভাপতি**
নৱ কুমাৰ মহন্ত

**উপ-সভাপতি**
মিহিৰ দেউৰী

**সম্পাদক**
দীপক কুমাৰ বৰা
ড° লক্ষ্যজ্যোতি বৰঠাকুৰ

**প্ৰকাশক**
ড° শৰৎ বৰকটকী, অধ্যক্ষ
সম্পাদক, নগাঁও মহাবিদ্যালয় মহাৰজত জয়ন্তী উদ্‌যাপন সমিতি

**মূল্য** - ৫০০.০০ টকা মাত্ৰ

**মুদ্ৰক**
গিগাবাইট্‌চ প্ৰেছ এণ্ড পাব্লিকেশ্যন
মিলনপুৰ, নগাঁও

# উছৰ্গা

যিসকল
মহৎ ব্যক্তিৰ
ত্যাগ আৰু অক্লান্ত শ্ৰমত
নগাঁও মহাবিদ্যালয়ে আজিৰ
এই অৱস্থাত উপনীত হৈছে,
তেখেতসকলৰ
প্ৰতি
পৰম
শ্ৰদ্ধাৰে
এই স্মৃতিগ্ৰন্থখনি
নিৱেদন কৰা হ'ল।

সম্পাদক



# শ্ৰদ্ধাঞ্জলি

মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তী উৎসৱৰ আৰম্ভণিৰপৰা বৰ্তমানলৈকে আমাৰ দেশ তথা ৰাজ্যখনৰ প্ৰয়াত গুণী-জ্ঞানী ব্যক্তিসকল, মহাবিদ্যালয় পৰিয়ালৰ শিক্ষক-অনাশিক্ষক, কৰ্মচাৰীসকল, মহাৰজত জয়ন্তীৰ লগত বিশেষভাৱে জড়িত ব্যক্তিসকলৰ সজল স্মৃতিত একোপাহি গন্ধপুষ্প আগবঢ়ালোঁ।

**- সম্পাদক**

# মহাবিদ্যালয় সঙ্গীত

**গীতিকাৰ-সাহিত্যাচাৰ্য যজ্ঞেশ্বৰ শৰ্মা**
**সুৰকাৰ - যজ্ঞ বেজবৰুৱা**

অ.... অ.... অ....
আ.... আ.... আ....
গাওঁ আহা সমনীয়া এহে
গাওঁ আহা লগৰীয়া
গাওঁ আহা সমনীয়া এহে
গাওঁ আহা লগৰীয়া
সুৰৰ লহৰ তুলি
পোহৰৰ গীত গাই
পবিত্ৰ কৰো আমি চিত
গাওঁ সবে আদৰণি গীত
গাওঁ সবে আগমনি গীত
গাওঁ সবে আদৰণি গীত
গাওঁ সবে আগমনি গীত
পোহৰৰ ঢৌৰে ঢৌৰে দেশ-দেশান্তৰে
আকাশ-মহাকাশে জ্ঞান-বিজ্ঞানেৰে
পোহৰৰ ঢৌৰে ঢৌৰে দেশ-দেশান্তৰে
আকাশ-মহাকাশে জ্ঞান-বিজ্ঞানেৰে
বৰষিছে ধৰণীত কতনা অমৃত
আজি, মন-প্ৰাণ কৰি আলোকিত
এহ হে, মন-প্ৰাণ কৰি আলোকিত
সুৰৰ....
অজ্ঞনতা দানৱৰ নাগ-পাশ ছিঙি-ভাঙি
নাগ-পাশ ছিঙি-ভাঙি
অজ্ঞনতা দানৱৰ নাগ-পাশ ছিঙি-ভাঙি
এন্ধাৰক কৰো বিতাৰিত
কালজয়ী মানৱৰ সুন্দৰৰ বন্দনা
জীৱনৰ বিজয়ী সংগীত
এহে জীৱনৰ বিজয়ী সংগীত
সুৰৰ....

# জ্ঞান-দাতৃ আই

## মহেন্দ্রনাথ মৈহেংদাং ডেকাফুকন

ধন্য মহাবিদ্যালয় নগাঁও কলেজ,
নোহোৱা সামান্য তুমি শিক্ষা প্রতিষ্ঠান।
স্থাৱৰ সম্পদ ৰূপে ছদ্মবেশী আই,
অকাতৰে যৌৱনক বিতৰিছা জ্ঞান।। ৪
তোমাৰ কোলাতে বহি ডেকা-গাভৰুৰে,
জন্মভূমি-মাতৃভাষা-সেৱা শিক্ষা লৈ।
আনন্দে সাধনা কৰে জ্ঞান কৰ্ম যোগ,
এলাহ-বিলাহ এৰি স্থিতপ্ৰজ্ঞ হৈ।।৮

তোমাৰ কোলাতে বহি অধ্যক্ষ মহান,
অধ্যাপক অধ্যাপিকা বিজ্ঞ প্রিয়জন।
ত্যাগৰ মন্ত্ৰেৰে দীক্ষা দিয়ে যৌৱনক,
শিক্ষা দিয়ে জিনিবলৈ জীৱনৰ ৰণ।।১২
ধন্য তুমি সত্য তুমি জ্ঞান-দাতৃ আই।
তোমাৰ মহিমা যাওঁ মুক্তকণ্ঠে গায়।।১৪

---

মহেন্দ্ৰনাথ মৈহেংদাং ডেকাফুকন (১৯০৩-১৯৭৩) বিংশ শতিকাৰ নগাঁৱৰ এগৰাকী বিশিষ্ট কবি-সাহিত্যিক, শিল্পী-অভিনেতা, বুদ্ধিজীৱী আৰু সমাজ সংস্কাৰক আছিল। ১৯৭০-৭১ বৰ্ষৰ নগাঁও কলেজ ছাত্ৰ একতা সভাৰ অনুৰোধত তেখেতে এই প্ৰশস্তিমূলক গীতটো ৰচনা কৰিছিল।

— xxx —

सत्यमेव जयते

भारत के उपराष्ट्रपति

VICE-PRESIDENT OF INDIA



**MESSAGE**

I am happy to know that the closing ceremony of the platinum jubilee celebrations of Nowgong College, Nagaon, Assam is being held in the last week of September, 2019.

The college which began functioning in August 1944, has steadily grown in stature and has established itself as an important educational institution in the North East of India.

I am happy to know that during the course of its long journey of 75 years, the college has produced several eminent personalities who have been serving the country in diverse fields. I am sure that the college will keep up its relentless quest for quality education and will do its best to facilitate the all round development of its students.

My best wishes to the Platinum Jubilee Celebration Committee, management, teachers, staff members and all the students of the college on the occasion of platinum jubilee celebrations.

**(M. Venkaiah Naidu)**

**New Delhi**
**2nd July, 2019.**

सत्यमेव जयते

प्रधान मंत्री
**Prime Minister**



**MESSAGE**

It is heart-warming to learn that Nowgong College, Nagaon, is celebrating its Platinum Jubilee and publishing a souvenir to commemorate the occasion.

Since the earliest times, ours has been a land blessed with a culture of education. We must strive, individually and collectively to enrich and deepen this culture of learning. Nowgong College is one of the unique educational institutions that had been established before independence. Over the last 75 years, it has been nurtured by generations of teachers, scholars and academic experts to create an enabling environment of imparting knowledge and learning to transform the College into an institution of excellence.

Today, the College must encourage the habit of research and innovation among the students and instill excellence in them as a habit. Education must build the character of youth and ensure a harmonious, balanced growth of every student and connect them with the collective aspirations of the nation.

The journey of the College over the last seven-and-a-half decades must surely have been an exhilarating one for its teachers, students and alumni. The Platinum Jubilee celebrations are an ideal occasion to celebrate the achievements and instilled pride and inspiration among those associated with the College. It is also an occasion to prepare a futuristic roadmap to take the institution to loftier heights.

May the Platinum Jubilee celebrations be a huge success. I hope that the students will also sharpen their skills by contributing to the popularity of the unique souvenir.

**(Narendra Modi)**

New Delhi
भाद्रपद 8, शक संवत् 1941
30th August, 2019

RAJ BHAVAN
GUWAHATI

**Prof. Jagdish Mukhi**



## MESSAGE

I am immensely happy to learn that Nowgong College, Nagaon has completed 75 years of its services and the closing ceremony of Platinum Jubilee celebration is going to be held during the last week of September, 2019. A souvenir is being published to mark the occasion.

I am happy that Nowgong College for the last 75 years has been spreading the seeds of knowledge throughout the district and creating an intellectually imbued society. I hope in the coming years also the college continues its hallowed services in enlightening the society and creating good human resources for the service of the state as well as the nation.

I convey my best wishes to the entire family of Nowgong College and the editorial team of the souvenir all success in their endeavour.

May your stature grow in the march towards academic excellence!

**(Prof. Jagdish Mukhi)**
**Governor of Assam**

**Dated : June 26, 2019**

**শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী**
অধ্যক্ষ
অসম বিধান সভা
দিশপুৰ, গুৱাহাটী-৬

ফোন নং ঃ ২২৬১৩৭১/২২৩০০৬৪ (কাৰ্য্যালয়)
২২৬০১০৬/২৭৩৩৭১৭ (বাসভৱন)
০৩৬১২২৬০৫৬৫ (ফেক্স)
hndgoswami@yahoo.com
ala.speaker.ps@gmail.com



# শুভেচ্ছাবাণী

ৰাষ্ট্ৰীয় মূল্যায়ণ আৰু স্বীকৃতি পৰিষদ (নাক)ৰ দ্বাৰা 'এ' গ্ৰেড স্বীকৃতিপ্ৰাপ্ত অসমৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰত ভূমিকা গ্ৰহণ কৰি অহা নগাঁও মহাবিদ্যালয়ে ২০১৮-১৯ বৰ্ষটি মহাৰজত জয়ন্তী বৰ্ষ হিচাপে পালন কৰিছে বুলি জানি সুখী হৈছো। প্ৰতিষ্ঠা কালৰে পৰা উচ্চ শিক্ষাৰ ক্ষেত্ৰত মহাবিদ্যালয়খনে আগবঢ়াই অহাচ্ছ অৱদানৰ লগতে এই শুভক্ষণত মহাবিদ্যালয়খন স্থাপনৰ সময়ত জড়িত প্ৰতিজন বিদ্বানক মই শ্ৰদ্ধাৰে সুঁৱৰিছো।

উদ্‌যাপন সমিতিয়ে আগন্তুক ছেপ্টেম্বৰ মাহৰ শেষৰ ফালে বৰ্ণাঢ্য কাৰ্য্যসূচীৰে আয়োজন কৰা মহাৰজত জয়ন্তী বৰ্ষৰ সামৰণি অনুষ্ঠানৰ লগত সংগতি ৰাখি এখন স্মৃতিগ্ৰন্থ প্ৰকাশৰ যো-জা কৰাটো এটা প্ৰশংসনীয় পদক্ষেপ। স্মৃতিগ্ৰন্থখনত প্ৰকাশ পাবলগীয়া লিখনীসমূহত নগাঁও মহাবিদ্যালয়ে উচ্চ শিক্ষাৰ ক্ষেত্ৰত আগবঢ়াই অহা অৱদানসমূহৰ এখন স্বচ্ছ প্ৰতিচ্ছবি প্ৰতিফলন ঘটাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক আৰু মানসিক উৎকৰ্ষ সাধনত সহায়ক বিষয়সমূহ প্ৰতিফলিত হ'ব বুলি আশা ৰাখিলো।

মহাবিদ্যালয়খনৰ মহাৰজত জয়ন্তী বৰ্ষৰ সামৰণি অনুষ্ঠানৰ সমূহ কাৰ্য্যসূচীৰ সফল ৰূপায়ণ কামনা কৰিলো। নগাঁও মহাবিদ্যালয়ৰ উত্তৰোত্তৰ কামনা কৰাৰ লগতে মহাৰজত জয়ন্তী উদ্‌যাপন সমিতি, ছাত্ৰ-ছাত্ৰী আৰু স্মৃতিগ্ৰন্থ প্ৰকাশৰ লগত জড়িত সমূহ বিষয়ববীয়ালৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলো।

(হিতেন্দ্ৰ নাথ গোস্বামী)

সৰ্বানন্দ সোণোৱাল

সত্যমেব জয়তে

মুখ্যমন্ত্রী, অসম
গুৱাহাটী

দিছপুৰ
২৭-০৭-২০১৯



# শুভেচ্ছাবাণী

নগাঁও মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তী উৎসৱৰ সামৰণি অনুষ্ঠান বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত কৰাৰ বাবে প্ৰস্তুতি চলোৱা হৈছে বুলি জানিবলৈ পাই মই অতিশয় সুখী হৈছো। এই মহাৰজত জয়ন্তীৰ সামৰণি অনুষ্ঠানৰ লগত সংগতি ৰাখি মহাবিদ্যালয়খনৰ গৰিমামণ্ডিত ইতিহাসৰ আলোকপাতেৰে এখন স্মৃতিগ্ৰন্থ প্ৰকাশৰ দিহা কৰাটো নিতান্তই প্ৰশংসনীয়।

শিক্ষানুষ্ঠান হৈছে জ্ঞান আৰু প্ৰজ্ঞাৰ সাধনাৰ স্থলী। মানৱ সমাজৰ উত্তৰণৰ প্ৰক্ৰিয়াত শিক্ষাই সদায়ে সৰ্বাত্মক ভূমিকা পালন কৰি আহিছে। সমাজ এখনক আলোকৰ বাটেৰে আগুৱাই নিয়াৰ ক্ষেত্ৰত শিক্ষাৰ ভূমিকা অপৰিসীম। সামাজিক স্তৰ নিৰূপণ আৰু বিকাশৰ গতি ত্বৰান্বিত কৰাৰ ক্ষেত্ৰত শিক্ষাই শক্তিশালী পৰিকাঠামো নিৰ্মান কৰাৰ লগতে সৃজনীশীল চিন্তাধাৰাৰ উন্মেষ ঘটোৱাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। নগাঁও মহাবিদ্যালয়ে ইয়াৰ জন্মলগ্নৰে পৰা শিক্ষাৰ উৎকৰ্ষ সাধনৰ বাবে নিৰলস প্ৰয়াস চলাই অহাটো আশাপ্ৰদ দিশ। নগাঁও মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তী উৎসৱৰ সামৰণি অনুষ্ঠানে শৈক্ষিক বাতাবৰণ গঢ়ি তোলৰ দিশত অধিক উৎসৰ্গিত মনোভাৱৰে আগবঢ়াৰ বাবে সকলোকে প্ৰেৰণা প্ৰদান কৰিব বুলি আশা কৰিলো।

নগাঁও মহাবিদ্যালয় মহাৰজত জয়ন্তী উৎসৱৰ সামৰণি অনুষ্ঠানৰ সকলো কাৰ্যসূচীৰ সফলতা আন্তৰিকতাৰে কামনা কৰাৰ লগতে এই উপলক্ষে প্ৰকাশ পাবলগীয়া স্মৃতিগ্ৰন্থখন সৰ্বাংগসুন্দৰ ৰূপত প্ৰকাশৰ কামনা কৰিলোঁ।

(সৰ্বানন্দ সোণোৱাল)

**DR. HIMANTA BISWA SARMA**, Ph.D., LL B
Minister, Assam

Finance, Transformation & Development,
Health & Family Welfare and
Public Works Department.

सत्यमेव जयते



## Message

It gives me immense pleasure to know that in consonance with the closing ceremony of the Platinum Jubilee celebrations scheduled to be held during the last week of September,2019 Nowgong College, Nagaon is going to publish a souvenir.

It is said that education is the foundation on which the towering aspirations of a society are born. Father of the Nation Gandhiji opined that true education must correspond to the surrounding circumstances or it is not a healthy growth. With the change in time and advancement of science and technology the methodologies of teaching too have evolved manifold. The need of the hour is to strive for such quality education which can develop in our learners the capacities for making some original and meaningful contribution to the task of nation building.

I would like to convey my heartiest best wishes for the closing ceremony of the Platinum Jubilee celebrations as well as the forthcoming publication and hope that Nowgong College will continue its noble mission for enriching the academic environment of the state in the days to come.

(HIMANTA BISWA SARMA)

स्वच्छ भारत
एक कदम स्वच्छता की ओर

E-Block, 3rd Floor, Assam Secretariat, Dispur, Guwahati - 781 006, Assam
Tel. No. : 0361-2237315, Fax : 0361-2237012
e-mail : himantab@hotmail.com / himantabsarmaoffice@gmail.com

সিদ্ধার্থ ভট্টাচার্য্য
**Siddharth Bhattacharya, MA. LLB**
**Cabinet Minister**
Department of Education
Guwahati Development Department
Department of Law and Justice
Government of Assam

Block-D, 4th Floor
Assam Secretariat, Dispur
Guwahati-781006, Assam
Tel. No. 0361-2237267
Mobile No. 94350-10789
e-mail:siddharthabhatta@gmail.com
ministeredu26@gmail.com



# MESSAGE

It gives me immense pleasure to know that a premier institution of higher education of North East India Nowgong College completes its vibrant 75 years and is going to celebrate its closing ceremony of the platinum jubilee celebration from 20th December to 22nd December, 2019. Accredited with 'A' grade by NAAC for consecutive two terms for its standard education and good infrastructure, Nowgong College has generated productive human resources from decades.

I am also happy to know that in this auspicious occasion of closing ceremony, the college fratemity is publishing a souvenir reflecting the instituion's progress in the academic and socio-cultural field of the region and the Assamese society at large.

I take the opportunity to extend my best wishes and gratitude to the platinum Jubilee Celebration Committee and wish all success of the programme.

**(Siddhartha Bhattacharya)**

**Keshab Mahanta**

MINISTER
Science & Technology and
Water Resources
Govt. of Assam
Dispur, Guwahati- 781006

सत्यमेव जयते



# শুভেচ্ছাবাণী

নগাঁও জিলা তথা সমগ্ৰ মধ্য অসমৰ উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ স্বৰূপ নগাঁও মহাবিদ্যালয়ে ৭৫ সংখ্যক গৌৰৱোজ্জ্বল বৰ্ষ গৰকাৰ খবৰে মোক আপ্লুত কৰিছে। ৭৫ বছৰীয়া এই শুভক্ষণত নগাঁও মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তী উদ্‌যাপন সমিতিয়ে ৭ আগষ্ট ২০১৮ ৰ পৰা আৰম্ভ কৰা বৰ্ষজোৰা বৰ্ণাঢ্য কাৰ্য্যসূচীৰ ২০,২১ আৰু ২২ ডিচেম্বৰ ২০১৯ ত সামৰণি অনুষ্ঠানৰ আয়োজনৰ যি দিহা কৰিছে সেয়াও অতি আদৰণীয়।

অবিভক্ত নগাঁও জিলাত নগাঁও মহাবিদ্যালয়ে এক ঐতিহাসিক গুৰুত্ব লাভ কৰি আহিছে। যোৱা শতিকাৰ চতুৰ্থ দশকত জন্ম লাভ কৰা দিন ধৰি এই সাতটা দশকত নগাঁও মহাবিদ্যালয়ে জিলাৰ পৰিধি ভাঙি সমগ্ৰ ৰাজ্য তথা দেশতে শৈক্ষিক আৰু বৌদ্ধিক উন্নয়নত সবল ভূমিকা গ্ৰহণ কৰি আহিছে। নগাঁও মহাবিদ্যালয়ে "নাক"ৰ পৰা ক্ৰমাগত ভাবে দুটা বছৰ "এ" গ্ৰেড লাভ কৰাৰ উপৰিও ভাৰত চৰকাৰৰ বায়'টেক্‌ন'লজি বিভাগৰ পৰা "ষ্টাৰ কলেজ"ৰ স্বীকৃতি লাভ কৰিছে। মহাৰজত জয়ন্তীৰ এই শুভক্ষণত মহাবিদ্যালয়খনৰ এই স্বীকৃতি প্ৰতিজন ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়ত্ৰীৰ বাবে নিশ্চিতভাবে উৎসাহজনক বতৰা।

নগাঁও মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তী উদ্‌যাপন সমিতিয়ে বৰ্ষজোৰা কাৰ্য্যসূচীৰ লগত সংগতি ৰাখি এখন "স্মৃতিগ্ৰন্থ" প্ৰকাশৰ বাবে যি দিহা কৰিছে সেয়া অতি প্ৰশংসনীয়। "স্মৃতিগ্ৰন্থ"ত প্ৰকাশ পাবলগীয়া লেখা সমূহে নগাঁও মহাবিদ্যালয়ৰ অতীত গৰিমা চৌ-দিশে বিয়পাই দিয়াৰ লগতে শিক্ষক সমাজ আৰু ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতৰ বাবে এক নতুন বাটৰ সন্ধান দিব বুলি মই আশাবাদী। "স্মৃতিগ্ৰন্থ"খনে ৰাইজৰ ব্যাপক সমাদৰ লাভ কৰাৰ লগতে আগন্তুক দিনৰ বাবে গ্ৰন্থখন হ'ব তথ্যৰ আধাৰ।

১৯৪৪ চনত অংকুৰিত হোৱা নগাঁও মহাবিদ্যালয় আজি জ্ঞানৰ মহীৰুহ ৰূপে বিকশিত হৈছে। মহাৰজত জয়ন্তীৰ এই পবিত্ৰ ক্ষণত যি সকলৰ মহান আৰু দূৰদৃষ্টিত এই মহাবিদ্যালয়ে প্ৰাণ পালে তেখেত সকলক শ্ৰদ্ধাৰে প্ৰণাম জনাই সোঁৱৰণ কৰিছো। মহাৰজত জয়ন্তীৰ লগত জড়িত সমূহ বিষয়ববীয়াকো শুভেচ্ছা জনাই নগাঁও মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ সৰ্বাংগীন সফলতা কামনা কৰিলোঁ।

(কেশৱ মহন্ত)

গুৱাহাটী বিশ্ববিদ্যালয়
GAUHATI UNIVERSITY

**Prof. Pratap Jyoti Handique**
**Vice Chancellor**
Phone : +91-361-2570412 (O); 2570408 (R)
Fax : +91-361-2675515
E-mail ID : vc@gauhati.ac.in
pjhandique@rediffmail.com



# MESSAGE

It gives me immense pleasure to know that Nowgong College, Nagaon is going to celebrate its closing ceremony of Platinum Jubilee from 20th December to 22nd December, 2019.

I appreciate the decision of the organizing committee to bring out a Souvenir on the occasion. Besides adding more value to the celebration, this Souvenir will hopefully carry ideas and opinions that will enlighten and influence the readers in a positive way. Moreover, I hope that the publication will offer a platform for expressing diverse thoughts and presenting creativity at its best.

I wish all success in their mission and hope the Souvenir will be well accepted by the readers.

P. J. Handique
**(P.J. Handique)**

Date : 14.11.2019

**Address :** Gopinath Bardoloi Nagar
Jalukbari, Guwahati-781014
Assam:India

**Phone :** 0361 257 0412

**Web :** www.gauhati.ac.in

Rupak Sarmah
Member,
Assam Legislative Assembly
86, Nagaon Sadar LAC

सत्यमेव जयते

Residence :
Guwahati : Old MLA Hostel
Assam Sachibalaya,
Qtr. No. 89. Dispur, Ghy.-6
E-mail : rupaksarmah1@gmail.com
Nagaon : P. S. Road, Amolapatty, Nagaon-782003
Mobile No. : 99540 50021



## শুভেচ্ছাবাণী

অসমৰ অন্যতম ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠান নগাঁও মহাবিদ্যালয়ে বিগত বৰ্ষৰ পৰা পালন কৰি অহা মহাৰজত জয়ন্তীৰ সামৰণি অনুষ্ঠানভাগ তিনিদিনীয়া বিস্তৃত কাৰ্যসূচীৰে অহা ইং- ২০, ২১ আৰু ২২ ডিচেম্বৰত আয়োজন কৰাত আনন্দিত হৈছো।

এই অনুষ্ঠানৰ লগত সংগতি ৰাখি এখনি স্মৃতিগ্ৰন্থ প্ৰকাশ কৰিবলৈ লোৱাটো অতি আনন্দৰ বিষয়। স্মৃতিগ্ৰন্থখনিত মহাবিদ্যালয়ৰ গৌৰৱময় ইতিহাসবোৰৰ লগতে সাম্প্ৰতিক সময়ৰ পৰিবেশ আৰু জাতীয় জীৱনৰ ৰূপৰেখা প্ৰতিফলিত হোৱাৰ উপৰিও সামাজিক সমস্যা সমূহ সমাধানৰ পথ প্ৰশস্ত কৰি ৰাইজৰ মনোগ্ৰাহী হৈ প্ৰকাশ পাব বুলি আশা ৰাখিছো।

স্মৃতিগ্ৰন্থখনি সৰ্বাঙ্গসুন্দৰকৈ প্ৰকাশ হওঁক, তাৰ বাবে সম্পাদক, প্ৰকাশকৰ লগতেই য়াৰ লগত জড়িত সকলোটিলৈকে মোৰ আন্তৰিক অভিনন্দন যাঁচিলো।

(শ্ৰীৰূপক শৰ্মা)
বিধায়ক,
নগাঁও সদৰ বিধানসভা সমষ্টি

## আলিমুজ জামান
**সভাপতি**
**নগাঁও মহাবিদ্যালয় পৰিচালনা সমিতি**



# শুভেচ্ছাবাণী

অসমৰ উচ্চশিক্ষা ক্ষেত্ৰখনৰ অন্যতম অগ্ৰনী অনুষ্ঠান নগাঁও মহাবিদ্যালয়ে ২০১৮ চনৰ ৭ আগষ্ট তাৰিখৰ পৰা বছৰযোৰা কাৰ্য্যসূচীৰে মহাৰজত জয়ন্তী অনুষ্ঠানটি আড়ম্বৰপূৰ্ণ ভাৱে অনুষ্ঠিত কৰিছে। ২০১৯ চনৰ ২০, ২১ আৰু ২২ তাৰিখে অনুষ্ঠিত হ'বলগীয়া মহাৰজত জয়ন্তীৰ সামৰণি অনুষ্ঠানৰ লগত সংগতি ৰাখি এখনি স্মৃতিগ্ৰন্থ প্ৰকাশৰ দিহা কৰিছে বুলি জানিব পাৰি আনন্দিত হৈছোঁ। আশাকৰিছোঁ স্মৃতিগ্ৰন্থখনি নগাঁও মহাবিদ্যালয় বৰ্ণিল ইতিহাসৰ এক দলিল হিচাপে চিহ্নিত হ'ব।

নগাঁও তথা অসমৰ সাম্প্ৰতিক জীৱনৰ বিভিন্ন দিশত স্মৃতিগ্ৰন্থখনিয়ে যথোপযুক্ত আলোকপাত কৰিব বুলি আশা থাকিল।

স্মৃতিগ্ৰন্থখনি সৰ্বাংগসুন্দৰ ভাৱে প্ৰকাশ হওঁক তাৰ কামনা কৰাৰ লগতে ইয়াৰ লগত জড়িত সকলো ব্যক্তিক আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ।

"জয়তু নগাঁও মহাবিদ্যালয়।"

**( আলিমুজ জামান )**
মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি

# কৃতজ্ঞতা



নগাঁও কলেজৰ মহাৰজত জয়ন্তী উপলক্ষে প্ৰকাশিত 'স্মৃতিগ্ৰন্থ'খনিলৈ অসম বিধান সভাৰ মাননীয় অধ্যক্ষ শ্ৰীযুত হিতেন্দ্ৰ নাথ গোস্বামীদেৱে আগবঢ়োৱা আৰ্থিক অনুদানৰ বাবে মহাৰজত জয়ন্তী উদ্‌যাপন সমিতিৰ তৰফৰ পৰা আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰা হ'ল।



# মহাৰজত জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতিৰ একাষাৰ

'Any place that anyone can learn something useful from someone with exprience is an educational institution.'

ভাৰতীয় দৰ্শনত শিক্ষানুষ্ঠানক জ্ঞান মন্দিৰ হিচাপে গণ্য কৰা হয়। মানুহে নিজৰ ইষ্ট দেৱতাক উপাসনাৰ বাবে যেনেদৰে ধৰ্মৰ মন্দিৰলৈ যায়, তেনেদৰে মন-মগজুৰ বিকাশ আৰু জ্ঞান-শিক্ষা অৰ্জনৰ বাবে শিক্ষানুষ্ঠানলৈ যায়। মানুহৰ মনত শিক্ষানুষ্ঠানৰ প্ৰতি মন্দিৰৰ দৰে ভক্তিৰ ভাব ৰোপণ হয় বাবেই আমাৰ পুৰণি স্কুল-কলেজ সমূহৰ গৃহৰ প্ৰৱেশ পথ মন্দিৰৰ আৰ্হিত নিৰ্মিত। প্ৰাচীন কালৰে পৰা ভাৰতবৰ্ষত গুৰু-শিষ্য সম্পৰ্ক গভীৰ আৰু অতি মধুৰ। এই মধুৰ সম্পৰ্কই শিক্ষানুষ্ঠানসমূহক দীপ্তিমান কৰি ৰাখিছে।

স্বাধীনোত্তৰ কালত কলং-কপিলী উপত্যকাক আধুনিক উচ্চ শিক্ষাৰ পোহৰেৰে উজলাই তোলা নগাঁও মহাবিদ্যালয়ে গৌৰৱেৰে ৭৫টা বছৰ অতিক্ৰম কৰিলে। অসমৰ শৈক্ষিক বিকাশৰ ক্ষেত্ৰত একপ্ৰকাৰ নতুন ইতিহাস ৰচনা কৰিলে এইখন মহাবিদ্যালয়ে। নগাঁও মহাবিদ্যালয়ৰ পঁয়সত্তৰটা বছৰ অতিক্ৰমৰ ধাৰা যদি উভতি চাওঁ তেন্তে দেখা পাম, সেয়া কেৱল গৌৰৱ, প্ৰাপ্তি আৰু খ্যাতিৰ ইতিহাস। ভাৰতবৰ্ষত যেতিয়া স্বাধীনতা আন্দোলনে চূড়ান্ত ৰূপ লাভ কৰিছিল আৰু দ্বিতীয় বিশ্বযুদ্ধৰ প্ৰচ্ছায়াই দেশসমূহ আৱৰি পেলাইছিল, সেই সময়ত কলংপৰীয়া চহৰ নগাঁৱৰ বুকুত এখন উচ্চ শিক্ষাৰ অনুষ্ঠান প্ৰতিষ্ঠাৰ স্বপ্নই প্ৰাণ পাই উঠিছিল। ঊনবিংশ শতিকাত অসমৰ মেধা ছাত্ৰসকল উচ্চ শিক্ষা গ্ৰহণৰ বাবে কলিকতালৈ যাবলগীয়া হৈছিল। ১৯০১ চনত গুৱাহাটীত কটন কলেজ প্ৰতিষ্ঠাৰ পিছত অসমৰ একাংশ মেধাৰী ছাত্ৰৰ উচ্চ শিক্ষা আহৰণৰ সপোন সাৰ্থক হ'ল। কিন্তু যোগাযোগ ব্যৱস্থা সুচল নোহোৱা বাবে উজনি আৰু মধ্য অসমৰ বহু ছাত্ৰৰ উচ্চ শিক্ষা গ্ৰহণৰ সপোন অপূৰণ হৈ ৰয়। উজনিৰ ছাত্ৰসকলৰ বাবে যোৰহাটত এখন মহাবিদ্যালয় স্থাপনৰ বাবে আৰম্ভ হোৱা চিন্তাৰ ফলশ্ৰুতিত ১৯৩০ চনত জগন্নাথ বৰুৱা মহাবিদ্যালয় স্থাপন হয়। ১৯৪৪ চনত নগাঁও মহাবিদ্যালয় আৰম্ভ হয় যদিও এইখন শিক্ষানুষ্ঠান স্থাপনৰ চিন্তা-চৰ্চা তাৰ আগৰটো দশকতে আৰম্ভ হৈছিল। এই সম্পৰ্কত নগাঁও মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ যজ্ঞেশ্বৰ শৰ্মাদেৱে এনেদৰে উল্লেখ কৰি থৈ গৈছে, 'প্ৰায় ১৯৩৮ চনত মই এবাৰ নগাঁৱলৈ আহোতে এদিন খুব সম্ভৱ ৰাজহুৱা লাইব্ৰেৰীত সেই সময়ৰ নগাঁৱৰ নেতা মতিৰাম বৰা

প্ৰভৃতি কেইজনমান লোকক দেখা হয়। তেওঁলোকে মোক সুধিলে, ‘আমি নগাঁৱত এখন কলেজ স্থাপন কৰিব খুজিছোঁ। আপুনি আহি পাতি দিব পাৰিবনে?’ নগাঁৱত এখন কলেজ হোৱাৰ কথা মোৰ মনত আলাসত চাং পতা যেন লাগিছিল। মই উত্তৰ দিলো, ‘বাৰু আপোনালোকে পাতকচোন।’

ভাৰত ত্যাগ আন্দোলনৰ আৰু দ্বিতীয় বিশ্বযুদ্ধৰ বিভীষিকাময় পৰিস্থিতিৰ বাবে নগাঁৱত কলেজ স্থাপনৰ প্ৰচেষ্টাত সামান্য স্থবিৰতা আহিলেও উদ্যমী লোকসকল পিছহুঁহকি নাহিল। নগাঁৱত এখন কলেজ স্থাপনৰ সিদ্ধান্তৰে ৰায় বাহাদুৰ বৃন্দাবন গোস্বামীক সভাপতি, ৰায় বাহাদুৰ ভদ্ৰেশ্বৰ বৰুৱাক উপ-সভাপতি, মতিৰাম বৰা আৰু প্ৰিয়নাথ সেনগুপ্তক যুটীয়া সম্পাদক হিচাপে লৈ প্ৰস্তাৱিত শিক্ষানুষ্ঠানখনৰ পৰিচালনা সমিতি গঠন কৰা হয়। এই সমিতিয়ে কলা শাখাৰ কেইটামান বিষয় লৈ আই এ শ্ৰেণী খোলাৰ বাবে কলিকতা বিশ্ববিদ্যালয়ত আবেদন কৰি অনুমতি আনে। যোৰহাটৰ জগন্নাথ বৰুৱা কলেজৰ অধ্যাপক যজ্ঞেশ্বৰ শৰ্মাক অধ্যক্ষ আৰু ছগৰাকী শিক্ষক নিযুক্তি দি নগাঁও মহাবিদ্যালয় আৰম্ভ কৰা হয়। প্ৰথম অৱস্থাত ডচন স্কুলত ৰাতিপুৱা পাঠদানেৰে শ্ৰেণীসমূহ আৰম্ভ হয়। প্ৰতিষ্ঠাৰ দিন ধৰি মধ্য অসমৰ ছাত্ৰ-ছাত্ৰীৰপৰা ব্যাপক সহাঁৰি লাভ কৰে শিক্ষানুষ্ঠানখনে।

১৯৫২-৫৩ চনত নগাঁও কলেজত অধ্যাপক হিচাপে নিযুক্তি পোৱা কমল চন্দ্ৰ গোস্বামীদেৱে এটা প্ৰবন্ধত সেই সময়ৰ শিক্ষানুষ্ঠানখনৰ শিক্ষকসকলৰ ত্যাগ আৰু দায়িত্ববোধৰ কথা এনেদৰে উল্লেখ কৰিছে, ‘গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা ওলাই অহা অৰ্হতাসম্পন্ন অধ্যাপকসকলৰ যোগদানে কলেজখনৰ বিভিন্ন বিভাগত পুষ্টিসাধন কৰিবলৈ সমৰ্থ হয়। ইয়াৰ আগতে আনকি অধ্যক্ষ শৰ্মাদেৱে ইংৰাজী আৰু উপাধ্যক্ষ গোস্বামীদেৱেও অসমীয়া বিভাগত পাঠদান কৰিবলগীয়া হৈছিল। লগতে উল্লেখ কৰা উচিত হ’ব যে সংস্কৃত বিভাগৰ অধ্যাপক দীনেশ দত্তই অসমীয়া আৰু ফণীন্দ্ৰলাল দত্তয়ো বাংলা পঢ়ুৱাবলগীয়া হৈছিল কেইবা বছৰ ধৰি। স্বয়ং অধ্যক্ষ-উপাধ্যক্ষকে ধৰি সীমিতসংখ্যক স্থায়ী-অস্থায়ী অধ্যাপকৰ একনিষ্ঠ সেৱাই যেন কলেজখনক এক গহীন-গাম্ভীৰ্যপূৰ্ণ এখন উচ্চমানৰ শিক্ষানুষ্ঠান ৰূপে ভিতৰে-বাহিৰে প্ৰসিদ্ধি লাভ কৰাত প্ৰভূত অৱদান আগবঢ়াইছিল। এইক্ষেত্ৰত কলেজখনৰ ছাত্ৰ-ছাত্ৰীবৃন্দৰ আগ্ৰহ আৰু একাগ্ৰতাই বিশেষ মাত্ৰা প্ৰদান কৰে। তাৰে মাত্ৰ এটা উদাহৰণ দিওঁ। প্ৰায় ১৯৬০ চন মানলৈকে কলেজত বিজুলী সংযোগ নাছিল। গ্ৰীষ্ম-বৰ্ষাকালৰ উত্তাপ সহ্য কৰিয়েই পাঠদান গ্ৰহণ চলি থাকে; হাতে টনা পাংখাও নাই। ৰাতিৰ বাণিজ্য শাখাত পেট্ৰ’মাক্স লাইটৰ সহায়ত ক্লাছবোৰ চলে, কেতিয়াবা এই লাইটেও আমনি কৰিলে মমবাতি লগায়ো ক্লাছ কৰা দেখা গৈছিল।

আজি নগাঁও মহাবিদ্যালয়ৰ ওখ ওখ সুন্দৰ ঘৰবোৰ, শীতাতপ নিয়ন্ত্ৰিত কোঠাৰ ভিতৰত বহি প্ৰতিষ্ঠা কালৰ এনে সংগ্ৰামৰ কথা কল্পনাই কৰিব নোৱাৰি। শিক্ষানুষ্ঠানখনে গৌৰৱেৰে ৭৫ বছৰ পাৰ কৰাৰ পিছত এই কথাখিনি উল্লেখ কৰা কাৰণ হৈছে যি সকল মহান ব্যক্তি, শিক্ষক, ছাত্ৰৰ একাগ্ৰতা-নিষ্ঠাৰ বাবে নগাঁও মহাবিদ্যালয় আজিৰ অৱস্থাত উপনীত হ’ল তেওঁলোকক এই মুহূৰ্তত শ্ৰদ্ধাৰে স্মৰণ কৰিব বিচাৰিছোঁ। নগাঁও মহাবিদ্যালয়ে বিগত সময়ত আমাৰ সমাজ জীৱনলৈ, মানৱ সভ্যতালৈ কি দিলে সেয়া সীমিত সময় বা পৰিসৰত আলোচনাৰে অন্ত কৰিব নোৱাৰি। ক’ব পাৰি শৈক্ষিক, সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক আদি কোন ক্ষেত্ৰত নগাঁও মহাবিদ্যালয়ৰ অৱদান নাই। নগাঁও মহাবিদ্যালয়ৰপৰা গৈ বহু ছাত্ৰ বিজ্ঞানী হৈছে, চিকিৎসক-অভিযন্তা-অধ্যাপক হৈছে। নগাঁও মহাবিদ্যালয়ৰ তিনিগৰাকী অধ্যাপক— প্ৰাক্তন ছাত্ৰ অসম সাহিত্য সভাৰ সভাপতি হৈছে, বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হৈছে, ৰাজ্যৰ মুখ্য মন্ত্ৰীৰ উপৰি সাংসদ, মন্ত্ৰী-বিধায়ক হৈছে, ক্ৰীড়াবিদ হৈছে। এয়া জানো এখন শিক্ষানুষ্ঠানৰ ৭৫ বছৰত কম অৱদান? তদুপৰি নগাঁও মহাবিদ্যালয়ৰ ছাত্ৰই অসমৰ জাতীয় সমস্যাজনিত বিষয়ত হোৱা কেইবাটাও আন্দোলনত ৰাজ্যক নেতৃত্ব দিছে। এয়া এখন শিক্ষানুষ্ঠানৰ বাবে জানো কম গৌৰৱৰ বিষয়?

নগাঁও, অসমীয়া জাতিৰ প্ৰাণ প্ৰতিষ্ঠাতা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মভূমি। সপ্তদশ শতিকাত নগঞা শইকীয়া ভোটাই ডেকাই অত্যাচাৰী লালুক বৰফুকনক হত্যা কৰি অসমক চৰম সংকটৰ পৰা ৰক্ষা কৰিছিল। অষ্টাদশ শতিকাত সিন্ধুৰা হাজৰিকাৰ নেতৃত্বত পলৰীয়া ৰজা গৌৰীনাথ সিংহক নগঞাসকলে খেদি পঠিয়াই বুৰঞ্জীত 'ৰজা খেদা নগঞা' অভিধা লাভ কৰিছিল। ঊনবিংশ শতিকাত নগাঁৰৰ ফুলগুৰিত খাটি খোৱা কৃষকে বিদেশী বৃটিছ শাসকৰ বিৰুদ্ধে প্ৰথম কৃষক বিদ্ৰোহ কৰিছিল। এনেধৰণৰ বহু ঐতিহাসিক ঘটনাৰ স্মৃতিৰে উজ্জীৱিত নগাঁও জিলাৰ বাসিন্দা হিচাপে আমি সদায় গৌৰৱবোধ কৰি আহিছোঁ। একেদৰে বহু প্ৰতিভাৱান, মেধা, কৃতিমান, সাহসী ছাত্ৰ জন্ম দিয়া নগাঁও মহাবিদ্যালয়ৰ এসময়ৰ ছাত্ৰ হিচাপে আজিও আমি গৌৰৱ কৰোঁ।

নগাঁও মহাবিদ্যালয়ে ২০১৮ চনত গৌৰৱেৰে ৭৫ বছৰত পদাৰ্পণ কৰিলে। তাৰ পূৰ্বেই মহাৰজত জয়ন্তী উদ্‌যাপনৰ উদ্দেশ্যেৰে দেশে-বিদেশে থকা প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলক একগোট কৰাৰ লক্ষ্যেৰে 'এলুমিনি এছ'চিয়েশ্যন' গঠন কৰি আমাক সভাপতিৰ দায়িত্ব অৰ্পণ কৰা হৈছিল। পৰৱৰ্তী সময়ত প্ৰাক্তন ছাত্ৰ-নাগৰিক, শিক্ষকসকলৰ সভাত মহাৰজত জয়ন্তী উদ্‌যাপন সমিতিৰো আমাক সভাপতিৰ দায়িত্ব দিয়া হয়। আমি অতি নিষ্ঠাৰে দুই দায়িত্ব পালনৰ চেষ্টা কৰি আহিছো। ২০১৮ চনৰ আগষ্ট মাহত সফলভাৱে নগাঁও মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ আৰম্ভণি অনুষ্ঠান অনুষ্ঠিত হয়, য'ত দেশ-বিদেশত থকা প্ৰাক্তন ছাত্ৰ-ছাত্ৰী উবুৰি খাই পৰে। বৰ্তমানৰ আৰু প্ৰাক্তন শিক্ষক-কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী, বিদ্বৎ সমাজ আদি সকলোৰে সহায়-সহযোগত নগাঁও মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তী সমাৰোহ স্মৰণীয় হৈ ৰ'ল। এই সমাৰোহ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, সহপাঠী, শিক্ষকৰ প্ৰকৃতাৰ্থত মহামিলনৰ অনুষ্ঠানত পৰিণত হয়। উক্ত অনুষ্ঠান মহিমামণ্ডিত কৰি তোলাৰ বাবে সকলো নিমন্ত্ৰিত অতিথি, মহাবিদ্যালয় অধ্যক্ষ তথা মহাৰজত জয়ন্তী উদ্‌যাপন সমিতিৰ সম্পাদক ড° শৰৎ বৰকটকীকে প্ৰমুখ্য কৰি সকলো শিক্ষক-কৰ্মচাৰী, বৰ্তমান আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকলোলৈকে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

মহাৰজত জয়ন্তী উপলক্ষে নগাঁও মহাবিদ্যালয়ৰ শিক্ষকসকলে নিজাববীয়াকৈ মহাবিদ্যালয়খনৰ ব্যয়বহুল মূল তোৰণটি নিৰ্মাণ কৰিছে। প্ৰাক্তন ছাত্ৰ গোটে মহাবিদ্যালয় চৌহদৰ পিছফালৰ প্ৰৱেশ পথৰ তোৰণৰ লগতে দুগৰাকী শ্ৰদ্ধাৰ শিক্ষক তথা অসমীয়া সাহিত্যৰ কাণ্ডাৰীৰ আৱক্ষ মূৰ্তি নিৰ্মাণ কৰিছে। এয়া এখন শিক্ষানুষ্ঠানৰ প্ৰতি কৰ্মৰত শিক্ষক আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ এয়া গভীৰ অনুৰাগৰ নিদৰ্শন। যিসকল শুভাকাংক্ষীয়ে মহাৰজত জয়ন্তী সফল কৰি তোলাত সৰ্বতোপ্ৰকাৰৰ সহযোগ আগবঢ়ালে, সেইসকলৰ প্ৰতি কৃতজ্ঞতা জনালোঁ।

মহাৰজত জয়ন্তীৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ত বিভিন্ন একাডেমিক অনুষ্ঠান অনুষ্ঠিত হৈ আহিছে। ২০১৯ বৰ্ষৰ ডিচেম্বৰ মাহত মহাৰজত জয়ন্তীৰ সামৰণি সমাৰোহৰ প্ৰস্তুতি চলিছিল যদিও সেইসময়ত সৃষ্টি হোৱা অস্থিৰ পৰিৱেশৰ বাবে অনুষ্ঠান স্থগিত ৰাখিবলগীয়া হয়। পৰৱৰ্তী সময়ত বিশ্বজুৰি হোৱা ক'ভিড ১৯ অতিমাৰীৰ বাবে মহাৰজত জয়ন্তীৰ সামৰণি সমাৰোহ অনুষ্ঠিত কৰিব পৰা হোৱা নাই। আশা কৰা হৈছে পৰিস্থিতি স্বাভাৱিক হ'লে এই অনুষ্ঠান আগন্তুক তিনি-চাৰি মাহৰ ভিতৰত অনুষ্ঠিত কৰিব পৰা যাব। মহাৰজত জয়ন্তীয়ে নিশ্চিতভাৱেই নগাঁও মহাবিদ্যালয়ক নতুন শক্তি প্ৰদান কৰিছে আৰু সেই শক্তিৰেই অনন্ত কাললৈ বিৰতিহীন যাত্ৰা অব্যাহত ৰাখিব। এয়েই আন্তৰিক কামনা কৰিলোঁ।

**ৰূপক শৰ্মা**
সভাপতি
মহাৰজত জয়ন্তী উদ্‌যাপন সমিতি তথা
বিধায়ক, নগাঁও সদৰ সমষ্টি



# মহাৰজত জয়ন্তী উদ্‌যাপন সমিতিৰ সাধাৰণ সম্পাদকৰ কলম

জয়জয়তে নগাঁও কলেজৰ মহাৰজত জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতিকে প্ৰমুখ্য কৰি সমিতিৰ সমূহ বিষয়ববীয়া প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, কৰ্মচাৰী, শিক্ষকবৃন্দ আৰু ৰাইজক মই ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছোঁ। আপোনাসবৰ অকুণ্ঠ সমৰ্থন আৰু সক্ৰিয় অংশগ্ৰহণেৰে নগাঁও কলেজৰ ৭৫ বছৰ পথ পৰিক্ৰমা উপলক্ষ্যে মহাৰজত জয়ন্তী অতি সফলভাৱে উদ্‌যাপিত হৈছে। যিসকল শিক্ষানুৰাগী ব্যক্তি, অধ্যাপক, ছাত্ৰ-ছাত্ৰীৰ অশেষ ত্যাগৰ বিনিময়ত ৭৫ বছৰৰ আগেয়ে, অৰ্থাৎ ১৯৪৪ চনৰ ৭ আগষ্ট তাৰিখে এই কলেজখন প্ৰতিষ্ঠা হৈছিল আৰু ৰাষ্ট্ৰীয় পৰ্যায়ৰ এখন উচ্চ শিক্ষানুষ্ঠান হিচাপে আজি স্বীকৃতি লাভ কৰিছে, সেইসকলৰ ত্যাগক মই শ্ৰদ্ধা সহকাৰে সুঁৱৰিছোঁ। ১৯৪৪ চনৰ ৭ আগষ্টৰ সেই পুলিটো আজি ডালে-পাতে ফুলে-ফলে জাতিষ্কাৰ হৈ মহীৰূহ হৈছে।

নগাঁও কলেজ ইতিহাস আৰু উত্তৰণ বিচাৰ কৰিলে কিমানজনৰ আশা উদ্দীপনা, হেঁপাহ কলেজখনৰ বুকুত সোমাই আছে, সেয়া এক দীঘলীয়া কাহিনী হ'ব। প্ৰাক্-স্বাধীনতাৰ সময়ৰ নগাঁও জিলাৰ আৰ্থিক আৰু বিদ্যায়তনিক ক্ষেত্ৰখন অনগ্ৰসৰ আছিল। মধ্য অসমৰ প্ৰথম উচ্চ শিক্ষাৰ পোহৰ বিলোৱা এই কলেজখন প্ৰতিষ্ঠা কৰাত যিদৰে আশাশুধীয়া প্ৰচেষ্টাৰে পৰিচালনা সমিতিৰ সদস্য, অধ্যক্ষ, অধ্যাপকসকলে মনোনিবেশ কৰিছিল, সি অসমৰ বিভিন্ন প্ৰান্তত থকা উচ্চ শিক্ষাৰ বাবে ব্যাকুল এজাক যুৱক-যুৱতীৰ মনত আশাৰ সঞ্চাৰ কৰিছিল।

বুৰঞ্জীৰ এক বিশেষ সময়ত ঐতিহ্যমণ্ডিত নগাঁও কলেজ প্ৰতিষ্ঠা হৈছিল। এফালে স্বাধীনতা সংগ্ৰামৰ জোৱাৰ, আনফালে দ্বিতীয় মহাযুদ্ধৰ ৰণ-দুন্দুভি। এনে সন্ধিক্ষণতে নগাঁও কলেজ জন্ম হৈছিল। দেশৰ ৰাজনৈতিক অস্থিৰতাৰ মাজত ১৯৪৪ চনৰ ৭ আগষ্ট তাৰিখে জন্ম লাভ কৰিছিল মধ্য অসমৰ এইখন কলেজে। নগাঁও কলেজৰ প্ৰতিষ্ঠাৰ লগত জিলাখনৰ তথা ৰাজ্যখনৰ অৰ্থনৈতিক, সামাজিক, ৰাজনৈতিক দিশটোও স্বতঃস্ফূৰ্তভাৱে সাঙোৰ খাই পৰে। ১৯৪৪ চনত নগাঁও জিলাত মাধ্যমিক শিক্ষাৰ প্ৰসাৰ আছিল সীমাবদ্ধ। তেনে সময়তে উচ্চ শিক্ষাৰ বন্তি জ্বলাই আৰম্ভ হৈছিল নগাঁও কলেজ। জ্ঞানৰ বটবৃক্ষস্বৰূপ এই কলেজখনৰ বীজ ৰোপণ কৰাৰ আঁৰত আছিল বিভিন্ন জনগোষ্ঠী, বিভিন্ন সম্প্ৰদায়ৰ জনসাধাৰণৰ আকূতি আৰু

ৰাজনৈতিক নেতাৰ বলিষ্ঠ পদক্ষেপ। মধ্য অসমৰ সকলোৰে উঠি-পৰি লাগিছিল এই কলেজখন স্থাপন কৰিবলৈ আৰু ইয়াৰ নেতৃত্ব দিছিল প্ৰয়াত মন্ত্ৰী মতিৰাম বৰা আৰু এদল শিক্ষাপ্ৰেমী ৰাইজে।

শিক্ষাৰ প্ৰসাৰৰ বাবে গাঁৱে-চহৰে হাইস্কুল স্থাপন হোৱাত মেট্ৰিকুলেচন পাছ কৰা বহুতো ল'ৰা-ছোৱালী কলেজীয়া শিক্ষা ল'ব পৰা হৈছিল যদিও তেওঁলোক উচ্চ শিক্ষাৰপৰা বঞ্চিত হৈছিল। তদুপৰি দ্বিতীয় বিশ্বযুদ্ধয়ো সমস্যাৰ সৃষ্টি কৰিছিল। এইবোৰ কাৰণতে সেই সময়ত ৰাইজে বিভিন্ন স্থানত কলেজ স্থাপনৰ চেষ্টা কৰিবলৈ ধৰিলে। এই উদ্যোক্তাসকলৰ ভিতৰত নগাঁৱা ৰাইজো আছিল। নগাঁৱত এজন চাউল ব্যৱসায়ীয়ে কলেজ স্থাপন হ'লে ২০ (বিশ) হেজাৰ টকা দিবলৈ গাত লৈছিল আৰু দিছিল। এইদৰে পোৱা টকা প্ৰায় ৪০-৫০ হেজাৰ হ'ল। এই সাহসতে নগাঁৱা ৰাইজে কলেজ এখন স্থাপন কৰিবলৈ আগবাঢ়িলে। তেওঁলোকে এখন কলেজ প্ৰতিষ্ঠা সমিতি পাতিলে। তাৰ সভাপতি হ'ল ৰায়বাহাদুৰ বৃন্দাবন গোস্বামী, উপ-সভাপতি ৰায়বাহাদুৰ ভদ্ৰেশ্বৰ বৰুৱা আৰু যুটীয়া সম্পাদক হ'ল মতিৰাম বৰা, প্ৰিয়নাথ সেনগুপ্ত। এই পৰিচালনা সমিতিৰ ভিতৰত নগাঁৱৰ ভালেখিনি লোক আছিল। যথা সময়ত সমিতিয়ে কলিকতা বিশ্ববিদ্যালয়ৰপৰা ১৯৪৪ চনৰ শিক্ষা বছৰৰপৰা ইংৰাজী, অসমীয়া, বাংলা, সংস্কৃত, আৰবী, গণিত, বুৰঞ্জী, চিভিক্স আৰু ল'জিক বিষয়ত আই এ শ্ৰেণী খুলিবৰ কাৰণে অনুমতি বিচাৰি আৱেদন জনালে। কলেজৰ নিজা ঘৰ হয় মানে কলিকতা বিশ্ববিদ্যালয়ে অস্থায়ীভাৱে নগাঁৱত ডচন স্কুলত আই এ ক্লাছ কৰাৰ অনুমতি দিলে। মন কৰিবলগীয়া যে, যিটো সময়ত নগাঁৱত কলেজ স্থাপন কৰিবলৈ মধ্যবিত্তৰ একাংশই উঠিপৰি লাগিছিল, তাৰ বিপৰীতে অসমৰ অন্য ঠাইত কেতবোৰ বুদ্ধিজীৱীয়ে কলেজ নালাগে বুলি মত প্ৰকাশ কৰিছিল।

নগাঁও কলেজৰ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰীসকলে ২০১৭ চনৰ ২৩ ছেপ্টেম্বৰ তাৰিখে এখন সভা পাতি সিদ্ধান্ত গ্ৰহণ কৰিছিল যে ২০১৮ চনৰ পৰা যিহেতু নগাঁও কলেজে ৭৫ বছৰত ভৰি দিব আৰু সেয়েহে মহাৰজত জয়ন্তী উদ্‌যাপন কৰা হওক। সেই সভাতেই এখন ৰাজহুৱা সভা পতাৰ সিদ্ধান্ত কৰা হৈছিল। এই সভাৰ প্ৰস্তাৱ অনুসৰি ২০১৭ চনৰ ২৪ ডিচেম্বৰ তাৰিখে এখন ৰাজহুৱা সভা অনুষ্ঠিত হৈছিল আৰু সেই সভাতে স্থানীয় বিধায়ক তথা কলেজখনৰ প্ৰাক্তন ছাত্ৰ শ্ৰীযুত ৰূপক শৰ্মাক পৰিচালনা সমিতিৰ সভাপতি, শ্ৰীযুত আলিমুজ জামান আৰু জ্যেষ্ঠ অধিবক্তা শ্ৰীযুত আলোক গোস্বামীক কাৰ্যকৰী সভাপতি হিচাপে আৰু কলেজৰ অধ্যক্ষ ড° শৰৎ বৰকটকীক সাধাৰণ সম্পাদক হিচাপে লৈ মহাৰজত জয়ন্তী উদ্‌যাপন সমিতি গঠন কৰা হয়।

মহাৰজত জয়ন্তীৰ উদ্‌যাপনৰ মূল শক্তি হ'ল বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীসকল আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকল। এই প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে প্ৰায় ২৩ লাখ টকা সংগ্ৰহ কৰি জয়ন্তীৰ মূল কাৰ্যসূচী ৰূপায়ণত এক বিশেষ বৰঙণি আগবঢ়ায়। প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ অবিহনে জয়ন্তী উদ্‌যাপন কৰাটো বৰ সহজ কাম নাছিল। সকলো উবুৰি খাই পৰিছিল নগাঁও কলেজৰ চৌহদত। মৰমৰ কলেজখনক আকৌ এবাৰ চোৱাৰ দুৰ্বাৰ হেঁপাহেই আছিল জয়ন্তী উদ্‌যাপনৰ মূল শক্তি।

যোৱা ২০১৮ চনৰ ৭ আগষ্ট তাৰিখে নগাঁও কলেজৰ মহাৰজত জয়ন্তীৰ শুভাৰম্ভ হৈছিল। মহাৰজত জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি তথা সদৰ সমষ্টিৰ বিধায়ক শ্ৰীযুত ৰূপক শৰ্মাকে ধৰি ৭৫ গৰাকী বিশিষ্ট ব্যক্তি, প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা পতাকা উত্তোলনৰ জৰিয়তে মহাৰজত জয়ন্তী উদ্‌যাপনৰ প্ৰথম দিনাই অসমৰ বিভিন্ন উচ্চ শিক্ষাৰ কেন্দ্ৰ স্বৰূপ কলেজসমূহত নগাঁও কলেজৰ মহাৰজত জয়ন্তী উপলক্ষে একোজোপা গছ পুলি ৰোপণ কৰি বৃক্ষৰোপণৰ এক বিশাল কাৰ্যসূচী আয়োজিত হৈছিল। ইয়াৰ শুভাৰম্ভ ঘটাইছিল অসম কলেজ শিক্ষক সংস্থাৰ সাধাৰণ সম্পাদক শ্ৰীযুত হিমাংশু মৰলে। ইয়াৰ লগতে প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন ঠাইত গছপুলি ৰোপণ কৰিছিল। পৰিৱেশ ৰক্ষা কৰাৰ সংকল্পেৰে মহাৰজত জয়ন্তীৰ কাৰ্যসূচীত সন্নিৱিষ্ট হোৱা বৃক্ষৰোপণৰ কাৰ্যসূচীত বিশেষভাৱে অৰিহণা আগবঢ়াইছিল অসম কলেজ শিক্ষক সংস্থাই। তদুপৰি

গুৱাহাটী, কলিকতা, বাংগালোৰু আদিত থকা প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে ৰাজহুৱা স্থানত নগাঁও কলেজৰ বেনাৰ লৈ বৃক্ষৰোপণ কৰিছিল। সুদূৰ চুইডেনত থকা কেইজনমান প্ৰাক্তন ছাত্ৰয়ো সেইদিনা বৃক্ষৰোপণ কৰা ফটো আমালৈ প্ৰেৰণ কৰিছিল। ইয়াৰ লগতে প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন ঠাইত গছ পুলি ৰোপণ কৰিছিল। বিশিষ্ট সাহিত্যিক তথা পৰিচালনা সমিতিৰ অন্যতম সদস্য ড° নৰেন কলিতাই গ্ৰন্থমেলা আৰু প্ৰদৰ্শনীৰ দ্বাৰ মুকলি কৰিছিল। মহাৰজত জয়ন্তীৰ মূল উদ্বোধনী অনুষ্ঠান মুকলি কৰিছিল অসমৰ মাননীয় ৰাজ্যপাল অধ্যাপক শ্ৰীযুত জদগীশ মুখীদেৱে। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা মন্ত্ৰী শ্ৰীযুত কেশৱ মহন্ত, মাননীয় শিক্ষা মন্ত্ৰী শ্ৰীযুত সিদ্ধাৰ্থ ভট্টাচাৰ্যই এই অনুষ্ঠানত অংশগ্ৰহণ কৰিছিল। মহাৰজত জয়ন্তী উদ্‌যাপনৰ উদ্বোধনী অনুষ্ঠানত কলেজ পৰিচালনা সমিতিৰ সভাপতি শ্ৰীযুত আলিমুজ জামানদেৱে স্মৃতি তৰ্পণ আৰু অসম কলেজ অধ্যক্ষ পৰিষদৰ সেই সময়ৰ সভাপতি ড° হিৰণ্য চলিহাই মহাৰজত জয়ন্তীৰ মুকলি স ভাত স্মৃতি তৰ্পণ অনুষ্ঠান আৰম্ভ কৰিছিল।

উক্তদিনাই মহাৰজত জয়ন্তীৰ মুকলি সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিছিল অসমৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰীযুত সৰ্বানন্দ সোণোৱালদেৱে। নগাঁও কলেজৰ প্ৰাক্তন অধ্যক্ষ শ্ৰীযুত মহেন্দ্ৰ আহোম, ড° খৰ্গেশ্বৰ ভূঞাদেৱে কৃতী ছাত্ৰ-ছাত্ৰী বঁটা প্ৰদান অনুষ্ঠানত ভাগ লৈছিল। পৰিচালনা সমিতিৰ অন্যতম সদস্য, জ্যেষ্ঠ অধিবক্তা শ্ৰীযুত আলোক গোস্বামীয়ে পৰিচালনা কৰা এই সভাত ৰাজ্যখনৰ লগতে দেশৰ বিভিন্ন প্ৰান্তত থকা ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিছিল। অৱসৰপ্ৰাপ্ত কৰ্মচাৰী সদ্য প্ৰয়াত ফণী শৰ্মা সন্ধিয়াৰ বন্তি প্ৰজ্বলন অনুষ্ঠানৰ মূল প্ৰজ্বলক আছিল। ৮ আগষ্ট তাৰিখে মহাৰজত জয়ন্তীৰ লগত সংগতি ৰাখি এখন চলচ্চিত্ৰ মহোৎসৱৰ আয়োজন কৰা হৈছিল। যশস্বী অভিনেতা কুলদা কুমাৰ ভট্টাচাৰ্যই উদ্বোধন কৰা এই মহোৎসৱৰ মূল কাৰ্যসূচী সঞ্চালনা কৰিছিল প্ৰাক্তন ছাত্ৰ তথা ৰাষ্ট্ৰীয় বঁটা প্ৰাপক চলচ্চিত্ৰ পৰিচালক শ্ৰীযুত অৰূপ মান্নাই।

৯ আগষ্ট তাৰিখে কলেজ চৌহদত আৰম্ভ হৈছিল গুৰু প্ৰণাম অনুষ্ঠান। প্ৰাক্তন ছাত্ৰ তথা প্ৰাক্তন মুখ্যমন্ত্ৰী শ্ৰীযুত প্ৰফুল্ল কুমাৰ মহন্তই উদ্বোধন কৰা আৰু সাংবাদিক তথা প্ৰাক্তন ছাত্ৰ শ্ৰীযুত প্ৰকাশ মহন্তই সঞ্চালনা কৰা এই অনুষ্ঠানত ৩২ গৰাকী অধ্যাপক-অধ্যাপিকাক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। মূল অনুষ্ঠান কৃতী অধ্যাপক স্বৰ্গীয় কমল গোস্বামীৰ ভাষণেৰে আৰম্ভ হৈছিল। তদুপৰি একেদিনাই সদৌ অসম ভিত্তিত কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল। ১০ আগষ্ট তাৰিখে নৱাগত আদৰণি সভাত শ্ৰীযুতা সংযুক্তা দত্ত আৰু শ্ৰীযুতা চুইটী বেজবৰুৱাই মুখ্য বক্তা হিচাপে অংশগ্ৰহণ কৰিছিল। সাংস্কৃতিক অনুষ্ঠান মুকলি কৰিছিল বিশিষ্ট সাংবাদিক পৰাগমণি আদিত্যই। ১০ আগষ্ট তাৰিখে আয়োজিত বিশাল সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰিছিল প্ৰাক্তন ছাত্ৰ তথা বিশিষ্ট গল্পকাৰ, সাংবাদিক শ্ৰীযুত মনোজ কুমাৰ গোস্বামীয়ে। প্ৰাক্তন মুখ্যমন্ত্ৰী শ্ৰীযুত প্ৰফুল্ল কুমাৰ মহন্ত, চলচ্চিত্ৰ অভিনেতা শ্ৰীযুত যতীন বৰাকে ধৰি অগণন প্ৰাক্তন আৰু বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীয়ে এই সাংস্কৃতিক শোভাযাত্ৰাত অংশগ্ৰহণ কৰিছিল। দুপৰীয়া প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সন্মিলন মুকলি কৰিছিল অসম চৰকাৰৰ মাননীয় বিত্ত মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। সাংবাদিক শ্ৰীসুনীল বৰাই আঁত ধৰা এই অনুষ্ঠানত পৌৰোহিত্য কৰিছিল মহাৰজত জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি শ্ৰীযুত ৰূপক শৰ্মাই। ১২ আগষ্ট তাৰিখে 'উত্তৰ পূৰ্বাঞ্চলৰ লঘু উদ্যোগ আৰু বহনক্ষম উন্নয়ন' শীৰ্ষক আলোচনাচক্ৰত মুখ্য বক্তা হিচাপে প্ৰাক্তন ছাত্ৰ বিশিষ্ট বিজ্ঞানী ড° ত্ৰিদিপ গোস্বামীয়ে মনোজ্ঞ বক্তৃতা প্ৰদান কৰিছিল। সন্ধিয়া শিল্পী জুবিন গাৰ্গৰ বৰ্ণময় গীতেৰে সাংস্কৃতিক অনুষ্ঠান সামৰণি পৰিছিল।

এই মহাৰজত জয়ন্তীৰ লগত ৰজিতা খোৱাকৈ পুৰণিগুদামৰ ৰাধাকান্ত বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ৯ আগষ্ট তাৰিখে এখন গ্ৰাম্য বিজ্ঞান মেলা অনুষ্ঠিত হয়। প্ৰাক্তন ছাত্ৰ তথা গুৱাহাটী উচ্চ ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ বিচাৰক শ্ৰীযুত প্ৰশান্ত শইকীয়াই উদ্বোধন কৰা এই গ্ৰাম্য বিজ্ঞান মেলাত পৰিচালনা সমিতিৰ সভাপতি শ্ৰীযুত আলিমুজ জামান আৰু শ্ৰীযুত আলোক গোস্বামী উপস্থিত থাকে।

মহাৰজত জয়ন্তীৰ উদ্‌যাপনৰ আনন্দৰ লগতে কেইবাটাও গুৰুত্বপূৰ্ণ দায়িত্ব পালন কৰিলে প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে। ১৯৮৭-১৯৯৩ বৰ্ষৰ ছাত্ৰ-ছাত্ৰীসকলে কলেজৰ চৌহদত প্ৰতিষ্ঠাপক অধ্যক্ষ সাহিত্যাচাৰ্য যজ্ঞেশ্বৰ শৰ্মাৰ প্ৰতিমূৰ্তি স্থাপন কৰে। ১৯৯৮-২০০৩ বৰ্ষৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে কলেজৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক তথা সাহিত্যাচাৰ্য মহিম বৰাৰ প্ৰতিমূৰ্তি স্থাপন কৰে। তদুপৰি ছাত্ৰ একতা সভাৰ প্ৰাক্তন বিষয়-ববীয়াসকলে বৃহৎ আকাৰৰ পিতলৰ শৰাই এখনো কলেজলৈ আগবঢ়ায়। কলেজৰ ১৯৮২-৮৭ বৰ্ষৰ ছাত্ৰ-ছাত্ৰীসকলে কলেজৰ দক্ষিণ দিশে ৩৬ নং ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত এখন সুন্দৰ তোৰণ নিৰ্মাণ কৰে। ১৯৯৪ বৰ্ষৰ উচ্চতৰ মাধ্যমিকৰ ছাত্ৰ-ছাত্ৰীসকলে এটা বৃহৎ আকাৰৰ স্তম্ভঘড়ী দান কৰে। মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ উদ্‌যাপন উপলক্ষে ছাত্ৰ একতা সভাৰ প্ৰাক্তন উপ-সভাপতি আৰু সাধাৰণ সম্পাদকসকলে ৯০ হাজাৰ টকাৰে উদ্‌যাপনৰ কাৰ্যসূচীত ডিজেল জেনেৰেটৰৰ যোগান ধৰে। তিনিখন গ্ৰন্থ প্ৰকাশৰ বাবে শ্ৰীযুতা চুইটি বেজবৰুৱা, শ্ৰীযুতা পম্পী বৰা আৰু ২০০০-২০০৫ বৰ্ষৰ ছাত্ৰ-ছাত্ৰীসকলে নগদ ধন আগবঢ়ায়।

কলেজৰ বৰ্তমান কৰ্মৰত শিক্ষকসকলে নিজৰ বৰঙণিৰে কলেজৰ মূল তোৰণখন আটকধুনীয়াকৈ নিৰ্মাণ কৰি উলিয়ায়। মহাৰজত জয়ন্তীৰ উদ্‌যাপনৰ বাবে লাগতিয়াল গামোচা, শৰাই, শীতলীকৰণ যন্ত্ৰ, ডাষ্টবিন আদি বিভিন্ন লাগতিয়াল সম্পদ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে দান কৰিছে। উল্লেখযোগ্য যে কলেজৰ প্ৰাক্তন ছাত্ৰ শ্ৰীযুত লীলা শইকীয়াই কলেজৰ সন্মুখত সৌন্দৰ্যবৰ্ধনৰ বাবে এটা পানীৰ ফাউণ্টেন নিৰ্মাণ কৰি প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ কামটো শুভাৰম্ভ কৰিছিল। ১৯৯১ বৰ্ষৰ উচ্চতৰ মাধ্যমিকৰ ছাত্ৰ-ছাত্ৰীসকলে নিয়মীয়াভাৱে অসম ভিত্তিত কুইজ প্ৰতিযোগিতা পাতি উল্লেখযোগ্য বৰঙনি আগবঢ়াই আহিছে। উল্লেখযোগ্য যে কলেজৰ প্ৰাক্তন ছাত্ৰ সন্মিলনৰ সভাপতি তথা বিধায়ক শ্ৰীযুত ৰূপক শৰ্মাৰ উদ্যোগত আৰু প্ৰাক্তন সাংসদ শ্ৰীযুত ৰাজেন গোহাঁইৰ সমষ্টিৰ উন্নয়ন পুঁজিৰে কলেজৰ শ্বহীদ অনিল বৰা প্ৰেক্ষাগৃহটি কেন্দ্ৰীয়ভাৱে শীতাতপ নিয়ন্ত্ৰিত কৰা হয় আৰু ২৩০ কে ভিৰ এটা ডিজেল জেনেৰেটৰ নুমলীগড় শোধনাগাৰৰপৰা আবণ্টনৰ ব্যৱস্থা কৰে। এইখিনিতে উল্লেখ কৰিব বিচাৰিছোঁ যে নগাঁও কলেজখন আগতে জিলা প্ৰশাসনে নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ সদায় অধিগ্ৰহণ কৰি শৈক্ষিক পৰিৱেশ বিনষ্ট কৰিছিল। ২০১৭-১৮ চনত পঞ্চায়ত নিৰ্বাচনৰ বাবে কলেজখন অধিগ্ৰহণ কৰাত শ্ৰদ্ধেয় ছাত্ৰ তথা উচ্চ ন্যায়ালয়ৰ অধিবক্তা শ্ৰীযুত প্ৰণৱ শৰ্মাৰ ৰিট-পিটিছনৰ ভিত্তিত উচ্চ ন্যায়ালয়ে কিছু সকাহ দিছিল যদিও পুনৰ সংসদীয় নিৰ্বাচনত নগাঁও কলেজ অধিগ্ৰহণ কৰাত, কলেজৰ প্ৰাক্তন ছাত্ৰ তথা পৰিচালনা সমিতিৰ সভাপতি শ্ৰীযুত আলোক গোস্বামীয়ে উচ্চ ন্যায়ালয়ত গোচৰ তৰে। মাননীয় উচ্চ ন্যায়ালয়ে নিৰ্বাচনৰ কামত কলেজ চৌহদ আৰু শ্ৰেণীকোঠা অধিগ্ৰহণৰ ক্ষেত্ৰত বাধানিষেধ কৰি কলেজৰ সপক্ষে ৰায়দান কৰে। এই ঐতিহাসিক ৰায়টো 'Google'ত বিচাৰিলে আজিও পোৱা যায়।

মহাৰজত জয়ন্তীৰ উদ্‌যাপন উপলক্ষে প্ৰকৃতি-প্ৰেমী ড° প্ৰবীণ শইকীয়াক মহাৰজত জয়ন্তী বঁটা প্ৰদান কৰাৰ ব্যৱস্থা কৰা হৈছে।

নগাঁও কলেজখনে ৭৫ বছৰত ভৰি দি এখন 'অট'নমাচ কলেজ' হিচাপে স্বীকৃতি পাবলৈ সংকল্প গ্ৰহণ কৰিছিল। কলেজখনৰ প্ৰতিষ্ঠাপক অধ্যক্ষ পণ্ডিত যজ্ঞেশ্বৰ শৰ্মা ছাৰে এঠাইত কৈছিল, শিক্ষানুষ্ঠান এখনৰ গৰিমা ডাঙৰ ভৱন, ডাঙৰ পুথিভঁৰাল, পৰিচালনা সমিতি আদিয়ে যিমান আগবঢ়াব পাৰে, তাতকৈ গৰিমা বেছি হয় যদি ব্যক্তিত্বসম্পন্ন শিক্ষক আৰু কৃতী ছাত্ৰৰ দল থাকে। আমাৰ নগাঁও কলেজৰ পৰিয়ালৰ সদস্যই সেই কথাষাৰ বিশ্বাস কৰে।

এফালে স্বাধীনতা আন্দোলনৰ ভৰপক, আনফালে ইংৰাজ চৰকাৰৰ উচ্চশিক্ষাৰ বাবে কলেজ স্থাপনৰ অনীহা তথা সুদূৰ কলিকতা বিশ্ববিদ্যালয়ৰপৰা স্বীকৃতি বিচৰা আদি নানান জটিল সন্ধিক্ষণত শ্ৰদ্ধাস্পদ মতিৰাম বৰা, ৰায় বাহাদুৰ বৃন্দাবন গোস্বামী, ভদ্ৰেশ্বৰ বৰুৱা, প্ৰিয়নাথ সেনগুপ্ত আদিকে ধৰি বহু শিক্ষানুৰাগী ব্যক্তিৰ প্ৰচেষ্টা আৰু যজ্ঞেশ্বৰ শৰ্মাৰ দৰে বিশাল

পাণ্ডিত্যৰ অধিকাৰী অধ্যক্ষৰ তৎপৰতাত প্ৰতিষ্ঠা হোৱা নগাঁও কলেজে ৭৫ বছৰ নানান সমস্যাৰ মাজত থাকিও জিলিকি উঠিছে।

প্ৰতিষ্ঠাপক অধ্যক্ষ যজ্ঞেশ্বৰ শৰ্মা ছাৰৰ মতে — "মহাবিদ্যালয় মাথোঁ এখন সৰু বিশ্ববিদ্যালয়।" সেই হিচাবে বৰ্তমান নগাঁও কলেজত ৮টা বিষয়ত স্নাতকোত্তৰৰ নিয়মীয়া শ্ৰেণী চলি আছে। বিষয়কেইটা হৈছে — বিজ্ঞান শাখাত উদ্ভিদ বিজ্ঞান, প্ৰাণী বিজ্ঞান আৰু ৰসায়ন বিজ্ঞান। কলা শাখাত অসমীয়া, ইংৰাজী, শিক্ষাবিজ্ঞান, দৰ্শন আৰু বুৰঞ্জী। তদুপৰি ডিগ্ৰী ভকেশ্বনেলত বি ভক (B.Voc.), মেডিকেল টেকন'লজি, হস্পিতেল মেনেজমেণ্ট আৰু ফাৰ্মাচিউটিকেল কেমেষ্ট্ৰি আৰম্ভ হৈছে। বি এড পাঠ্যক্ৰম খুলিবলৈ অসম চৰকাৰে অনুমতি প্ৰদান কৰিছে। এতিয়া NCTE ৰ পৰিদৰ্শন হৈছে। 'নাক'ৰ দ্বাৰা দুবাৰকৈ 'এ' গ্ৰেড লাভ কৰা নগাঁও কলেজে অসমৰ ভিতৰত সৰ্বোচ্চ চিজিপিএ (CGPA) ৩.২৭ লাভ কৰাত 'মেনটৰিং কলেজ' হিচাপে বিশ্ববিদ্যালয় অনুদান আয়োগে স্বীকৃতি দিছে। কলেজৰ ভিতৰত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ উদ্যোগত লোকসেৱা আয়োগৰ বাবে প্ৰশিক্ষণ দিয়াৰ এটি ক'চিং চেন্টাৰ খোলা হৈছে। আটকধুনীয়া ইনড'ৰ ষ্টেডিয়াম, ব্যায়ামাগাৰ, নিৰ্মাণ কৰা হৈছে।

অসম বিধান সভাৰ মাননীয় অধ্যক্ষ শ্ৰীযুত হিতেন্দ্ৰনাথ গোস্বামীদেৱে নগাঁও কলেজৰ মহাৰজত জয়ন্তীৰ স্মৃতিগ্ৰন্থখন প্ৰকাশৰ বাবে নগদ এক লাখ টকা আগবঢ়াইছে। এইখিনিতে মহাৰজত জয়ন্তী উদ্‌যাপন সমিতি আৰু স্মৃতিগ্ৰন্থ সম্পাদনা সমিতিৰ হৈ অসম বিধান সভাৰ মাননীয় অধ্যক্ষ শ্ৰীযুত হিতেন্দ্ৰনাথ গোস্বামীলৈ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মহাৰজত জয়ন্তী সামৰণি অনুষ্ঠান কেইবাটাও কাৰণত বহল ভিত্তিত পাতিব পৰা নাই। কভিড-১৯ মহামৰীয়ে সকলো কাৰ্যসূচী সংকুচিত কৰিলে। তাৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ। মহাৰজত জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি শ্ৰীযুত ৰূপক শৰ্মাকে ধৰি উদ্‌যাপন সমিতিৰ প্ৰতিজন বিষয়ববীয়াক আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। কলেজখনক আৰু আগুৱাই নিবলৈ সকলোৰে পৰা আশীৰ্বাদ আৰু শুভেচ্ছা বিচাৰি সামৰণি মাৰিছোঁ।

জয়তু নগাঁও কলেজ।

**ড° শৰৎ বৰকটকী**
অধ্যক্ষ তথা সাধাৰণ সম্পাদক
মহাৰজত জয়ন্তী উদ্‌যাপন সমিতি
নগাঁও কলেজ

 

# সম্পাদকৰ মেজৰ পৰা

নগাঁও এক বৈচিত্ৰ্যময় বিতোপন ঠাই। অসমৰ জাতীয় জীৱন তথা সভ্যতা-সংস্কৃতিত প্ৰাগৈতিহাসিক যুগৰেপৰা নগাঁৱে এক গুৰুত্বপূৰ্ণ স্থান দখল কৰি আহিছে। প্ৰসঙ্গক্ৰমে এইক্ষেত্ৰত ডবাক ৰাজ্য, কদলি ৰাজ্য, প্ৰমীলা ৰাজ্য, ব্ৰহ্মপুৰ (বঢ়মপৰ) ৰাজ্য আদিৰ কথা ক'ব পাৰি।

নগাঁও নামটো অৱশ্যে আপেক্ষিকভাৱে পৰৱৰ্তী কালৰ। এই নামটো স্বৰ্গদেউ প্ৰতাপ সিংহৰ (১৬০৩-৪১ খ্ৰীঃ) দিনৰ। বুঢ়ালুইত, কলং, কপিলী, যমুনাৰে পৰিৱেষ্টিত এই চিৰসেউজ শস্য-শ্যামলা ভূমিভাগ ৰাজনৈতিকভাৱেও অধিক সুবিধাজনক হোৱাৰ বাবে সুদক্ষ মোমাই তামুলী বৰবৰুৱাই নতুনকৈ পাতে। বৰবৰুৱাই প্ৰশাসনৰ সুবিধাৰ বাবে ঠাইখন কলিয়াবৰৰপৰা কাজলীমুখলৈকে কলিয়াবৰ, হাটবৰ, চামধৰা, শিলঘাট, ধিং, বৰঘাট, ৰহা, জাগী আৰু কাজলীমুখ নামে নটা প্ৰধান ভাগত বিভক্ত কৰিছিল। ইয়াৰ ফলত অঞ্চলটোৰ গাঁও সংগঠন আৰু প্ৰশাসনীয় ব্যৱস্থা ত্বৰান্বিত হয়। তেতিয়াৰপৰাই এই বৃহৎ অঞ্চলটো নগাঁও নামেৰে বিশেষভাৱে পৰিচিত হৈ পৰে।

ইংৰাজসকলৰ ৰাজত্বৰ প্ৰাৰম্ভতে নগাঁৱক দৰং আৰু কামৰূপৰ লগত লগলগাই নামনি খণ্ড হিচাপে শাসন কৰা হৈছিল। কিন্তু ১৮৩৩ খ্ৰীঃত ইয়াক সুকীয়া জিলাৰূপে ঘোষণা কৰি উত্তৰে ব্ৰহ্মপুত্ৰ নদ, দক্ষিণে জয়ন্তীয়া পৰ্বত, পূবে ধনশিৰি আৰু পশ্চিমে ডিমৰীয়ালৈকে সীমা নিৰ্ধাৰণ কৰা হয়। তেতিয়া জিলাখনৰ সদৰ আছিল ধনশিৰি। ১৮৩৪-৩৫ খ্ৰীঃত জিলাৰ সদৰ হয় ৰঙাগড়া আৰু তাৰ এবছৰৰ পিছত পুনৰ পুৰণিগুদামলৈ স্থানান্তৰ হয়। অৱশেষত পুৰণিগুদামৰপৰাও ১৮৩৯ খ্ৰীঃ জিলাৰ সদৰ বৰ্তমানৰ নগাঁৱলৈ তুলি আনে। তেতিয়া নগাঁৱত তাহানিৰ মিকিৰপাহাৰ, নগাপাহাৰ আৰু উত্তৰ কাছাৰৰ কিছু অংশ সংযোগ হৈ আছিল যদিও ১৮৬৭ খ্ৰীঃ নগাপাহাৰ আৰু মিকিৰ

পাহাৰ আঁতৰি যায়। অৱশ্যে ১৮৯৮ খ্ৰীঃ মিকিৰ পাহাৰ নগাঁও জিলাৰ লগত লগ লাগি ১৯৫১ খ্ৰীঃলৈকে থাকে আৰু পিছত সুকীয়া জিলালৈ পৰিণত হয়। সেইদৰে নগাঁৱৰ পশ্চিম সীমান্ত সংকুচিত হৈ জাগীৰোডৰ ওচৰ পায়হি। ১৯৮৯ খ্ৰীঃত নগাঁৱক পুনৰ দুভাগ কৰি পশ্চিম অংশত মৰিগাঁও জিলা গঠন কৰা হয়। সদ্যহতে ২০১৮ খ্ৰীঃ নগাঁৱৰ দক্ষিণ অংশটোক হোজাই জিলা হিচাপে নামকৰণ কৰে।

যি হওক এই ঐতিহাসিক পটভূমিতেই ১৯৩৯ খ্ৰীঃ দ্বিতীয় বিশ্বযুদ্ধ আৰু ১৯৪২ খ্ৰীঃত ভাৰত ত্যাগ আন্দোলনৰ ধামখুমীয়াত এচাম শিক্ষানুৰাগী লোকৰ প্ৰচেষ্টাত নগাঁও জিলাত এখন উচ্চশিক্ষাৰ অনুষ্ঠান তথা মহাবিদ্যালয় প্ৰতিষ্ঠাৰ সপোন গঢ় লৈ উঠে। এই স্বপ্নদ্ৰষ্টাসকলৰ ভিতৰত আগৰণুৱা নমস্য ব্যাক্তি আছিল মতিৰাম বৰা। এই উদ্দেশ্যে তেওঁ চন্দ্ৰকান্ত ফুকন, মহীচন্দ্ৰ বৰা, বিমলা বৰা, প্ৰিয়নাথ সেনগুপ্ত, জগবন্ধু দাস, ইদ্ৰিছ আলী, সূৰ্যকুমাৰ ভূঞা আদি স্বনামধন্য ব্যক্তিসকলৰ লগত আলোচনা কৰি নগাঁও চহৰত এখন মহাবিদ্যালয় স্থাপনৰ প্ৰস্তাৱ গ্ৰহণ কৰে। এই প্ৰস্তাৱত নগাঁৱৰ ৰাইজে পূৰ্ণ সমৰ্থন আগবঢ়ায়। যথাসময়ত মহাবিদ্যালয়খন স্থাপনৰ বাবে এখন সমিতি গঠন হয়। সমিতিখনৰ সভাপতি আছিল ৰায়বাহাদুৰ বৃন্দাবন গোস্বামী, উপ-সভাপতি ৰায়বাহাদুৰ ভদ্ৰেশ্বৰ বৰুৱা আৰু যুটীয়া সম্পাদক ৰূপে আছিল মতিৰাম বৰা আৰু প্ৰিয়নাথ সেনগুপ্ত। সমিতিয়ে ১৯৪৪ খ্ৰীঃ শিক্ষাবৰ্ষৰপৰাই মহাবিদ্যালয়খনৰ শুভাৰম্ভ কৰিবৰ বাবে কলিকতা বিশ্ববিদ্যালয়ৰ অনুমতি বিচাৰি আবেদন কৰে। এই আবেদন মৰ্মে সেই বছৰ জুন মাহত বিশ্ববিদ্যালয়ে দুজন শিক্ষাবিদক চৰজমিন তদন্তৰ বাবে নগাঁৱলৈ পঠায়।

এইখিনিতে উল্লেখনীয় যে মতিৰাম বৰাৰ নেতৃত্বত মহাবিদ্যালয় স্থাপনৰ বাবে পুঁজি সংগ্ৰহ অভিযান ত্বৰান্বিত হোৱাত ইতিমধ্যে প্ৰায় ৫০-৬০ হাজাৰ টকা সংগ্ৰহ হৈছিল। তদুপৰি গোপীনাথ বৰদলৈদেৱেও গুৱাহাটী বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ বাবে পুঁজি সংগ্ৰহ কৰি উজনিৰপৰা আহি নগাঁৱত ৰৈ এই মহাবিদ্যালয়খনৰ বাবে সংগৃহীত পুঁজিৰপৰা চাৰিহাজাৰ টকা আগবঢ়ায়। অন্যহাতে সমিতিৰ নিজা গৃহ নহ'লেও নগাঁও ডচন হাইস্কুলতে শ্ৰেণীসমূহ আৰম্ভ কৰিব পৰা হ'ব বুলি এই কথাখিনি সমিতিয়ে পৰিদৰ্শকদ্বয়ক অৱগত কৰাত তেওঁলোক সন্তুষ্ট হৈ কলিকতা বিশ্ববিদ্যালয়ে আই, এ (I.A.) শ্ৰেণী খোলাৰ বাবে অনুমতি দিব বুলি জনায়।

এইদৰেই ১৯৪৪ খ্ৰীঃৰ ৭ আগষ্টৰ এক মাহেন্দ্ৰ ক্ষণত নগাঁও মহাবিদ্যালয়ৰূপী জ্ঞানৰ বন্তিগছি প্ৰজ্বলিত হয়। এই বন্তিগছিৰ মূল দায়িত্ব দিবলৈ যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ বিচক্ষণ অধ্যাপক যজ্ঞেশ্বৰ শৰ্মাদেৱক সমিতিয়ে মনোনীত কৰে।

নগাঁও মহাবিদ্যালয়ত নামভৰ্তি কৰা প্ৰথমজন ছাত্ৰ আছিল চাৰিঙৰ চিকন চন্দ্ৰ কাকতি। প্ৰথমটো বছৰতে মহাবিদ্যালয়খনত ১৪১ জন বিদ্যাৰ্থীয়ে নামভৰ্তি কৰিছিল। ইয়াৰে অৱশ্যে ১৮ গৰাকী ছাত্ৰী আছিল। এইখিনিতে উল্লেখনীয় যে এই প্ৰথম বৰ্ষতে 'কাঠনিবাৰী ঘাট'ৰ স্ৰষ্টা সাহিত্যচাৰ্য, পদ্মশ্ৰী মহিম বৰাই নামভৰ্তি কৰিছিল। প্ৰথমবাৰ উত্তীৰ্ণৰ হাৰ আছিল পঞ্চাশ শতাংশ। উল্লখযোগ্য যে এয়া বিশ্ববিদ্যালয়খনৰ উত্তীৰ্ণৰ হাৰতকৈ বেছি আছিল।

১৯৪৬ খ্ৰীঃত মহাবিদ্যালয়খনত স্নাতক শ্ৰেণীসমূহ আৰম্ভ হয়। স্নাতক মহলাত প্ৰথমে ইংৰাজী, অসমীয়া, বাংলা, সংস্কৃত, অৰ্থনীতি, বুৰঞ্জী আৰু দৰ্শনৰ শ্ৰেণীসমূহ চলে। ১৯৪৮ খ্ৰীঃত গুৱাহাটী বিশ্ববিদ্যালয় স্থাপন হোৱাত মহাবিদ্যালয়খন কলিকতা বিশ্ববিদ্যালয়ৰপৰা এই বিশ্ববিদ্যালয়ৰ

অধীনলৈ আহে। ইয়াৰ পিছত ১৯৫০ খ্ৰীঃত মহাবিদ্যালয়ত বাণিজ্য আৰু ১৯৫৯ খ্ৰীঃত বিজ্ঞান শাখাৰ স্নাতক শ্ৰেণী প্ৰৱৰ্তন হয়।

কলঙৰ বুকুৰে অনেক পানী বৈ যোৱাৰ দৰে এই মহাবিদ্যালয়খনেও অগ্ৰগতিৰ বাট বুলি ২০১৮ চনৰ ৭ আগষ্টত গৌৰৱময় ৭৫ বছৰীয়া মহাৰজত জয়ন্তী বৰ্ষত ভৰি দিলে। এই দীঘলীয়া পৰিক্ৰমাত মহাবিদ্যালয়খনে বিভিন্নক্ষেত্ৰত অনেক কীৰ্তিমান তথা গুণী-জ্ঞানী ব্যক্তি সৃষ্টি কৰিবলৈ সক্ষম হৈছে আৰু তেওঁলোকে দেশে-বিদেশে সুনাম অৰ্জন কৰিছে। বিশেষকৈ স্বাজোত্তৰ কালৰপৰা অদ্যাৱধি মহাবিদ্যালয়খনে নগাঁৱত এক বৌদ্ধিক পৰিমণ্ডল ৰচনা কৰি ৰাজনীতি, শিক্ষা, সাহিত্য, সঙ্গীত, নাট্য, ক্ৰীড়া, সাংবাদিকতা আৰু সংবাদপত্ৰ, চলচ্চিত্ৰ আদি সকলোতে স্বাক্ষৰ ৰাখিবলৈ সক্ষম হৈছে। এইখিনিতে পদ্মশ্ৰী মহিম বৰা আৰু পদ্মশ্ৰী ৰংবং তেৰাংদেৰৰ নাম উল্লেখনীয়। এয়া নিশ্চয় গৌৰৱৰ কথা। সেয়ে মহাৰজত জয়ন্তী বৰ্ষত আমি মহাবিদ্যালয়খন স্থাপনত আগ-ভাগ লোৱা পৰম শ্ৰদ্ধাৰ ব্যক্তিসকলৰ লগতে বিভিন্নধৰণেৰে উত্তৰোত্তৰ উন্নতিত অৰিহণা আগবঢ়োৱা শ্ৰদ্ধেয় ব্যক্তিসকল আৰু ৰাইজলৈ সেৱা নিবেদন কৰিছোঁ।

মহাসমাৰোহেৰে উদ্‌যাপন হোৱা এই অনুষ্ঠানটোৰ জৰিয়তে পিছলৈ ঘূৰি চোৱাৰ যি সুযোগ ওলাইছে, তাৰ চিন স্বৰূপেই এই স্মৃতিগ্ৰন্থ প্ৰকাশৰ দিহা কৰা হৈছে।

অৱশ্যে এনে এখন স্মৃতিগ্ৰন্থ সৰ্বাঙ্গসুন্দৰভাৱে সম্পাদনা কৰি উলিওৱা বৰ সহজ কথা নহয়। আমাৰ নিজৰ ওপৰতে এই বিষয়ে সন্দেহ আছে। তথাপি এই দায়িত্ব বহন কৰিবলৈ দিয়া মহাৰজত জয়ন্তী উদ্‌যাপন সমিতিক আমি কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

এইখিনিতে এই স্মৃতিগ্ৰন্থখনিলৈ শুভেচ্ছাবাণী পঠাই আমাক উৎসাহ আৰু অনুপ্ৰেৰণা যোগোৱা বাবে সন্মানীয় —

মহামহিম উপৰাষ্ট্ৰপতি শ্ৰীযুত এম ভেংকায়া নাইডু মহোদয়
মহামহিম প্ৰধানমন্ত্ৰী শ্ৰীযুত নৰেন্দ্ৰ মোডী ডাঙৰীয়া
মহামহিম ৰাজ্যপাল অধ্যাপক শ্ৰীযুত জগদীশ মুখী ডাঙৰীয়া
অসম বিধান সভাৰ অধ্যক্ষ মাননীয় শ্ৰীযুত হিতেন্দ্ৰ নাথ গোস্বামী ডাঙৰীয়া
মাননীয় মুখ্যমন্ত্ৰী শ্ৰীযুত সৰ্বানন্দ সোণোৱাল ডাঙৰীয়া
মাননীয় বিত্তমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া
মাননীয় শিক্ষামন্ত্ৰী শ্ৰীযুত সিদ্ধাৰ্থ ভট্টাচাৰ্য্য ডাঙৰীয়া
মাননীয় বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা মন্ত্ৰী শ্ৰীযুত কেশৱ মহন্ত ডাঙৰীয়া
মাননীয় গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° প্ৰতাপজ্যোতি সন্দিকৈ ডাঙৰীয়া
মাননীয় সদৰ সমষ্টিৰ বিধায়ক তথা মহাৰজত জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি শ্ৰীযুত ৰূপক শৰ্মা ডাঙৰীয়া
মাননীয় মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি শ্ৰীযুত আলিমুজ জামান ডাঙৰীয়া

আৰু বিভিন্ন প্ৰকাৰে সহায় কৰা মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ মাননীয় অধ্যক্ষ, মহাৰজত জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি শ্ৰীযুত ৰূপক শৰ্মা আৰু সমিতিৰ সন্মানীয় সদস্যসকল,

মহাবিদ্যালয়ৰ প্ৰাক্তন আৰু বৰ্তমান অধ্যাপক-অধ্যাপিকাসকল, কৰ্মচাৰীসকল আৰু স্মৃতিগ্ৰন্থ সম্পাদনা সমিতিৰ সভাপতি শ্ৰীনৰ কুমাৰ মহন্ত আৰু সদস্যবৰ্গক কৃতজ্ঞতা জনাইছোঁ। এই আপাহতে স্মৃতিগ্ৰন্থৰ লেখক-লেখিকাসকলক জনাইছোঁ অশেষ ধন্যবাদ, কাৰণ তেওঁলোকৰ লেখাই হ'ল ইয়াৰ অলঙ্কাৰ। তদুপৰি লেখা সংগ্ৰহত আমাক বিশেষভাৱে সহযোগ কৰা ড° প্ৰদ্যুম্ন গোস্বামীলৈ থাকিল সাধুবাদ। স্মৃতিগ্ৰন্থৰ বেটুপাতৰ শিল্পীগৰাকীলৈ ধন্যবাদ জ্ঞাপন কৰা হ'ল। তদুপৰি বিশেষ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনালোঁ দাতা সদস্যসকল আৰু মহাবিদ্যালয়ৰ অনেক উন্নয়নমূলক কাম কৰা বিভিন্ন শিক্ষাবৰ্ষৰ প্ৰাক্তন সতীৰ্থসকলক।

পৰিশেষত গিগাবাইট্‌চ প্ৰেছ এণ্ড পাব্লিকেশ্যনে স্মৃতিগ্ৰন্থখন অতি সুন্দৰকৈ ছপাই পাঠকৰ হাতত তুলি দিয়া বাবে প্ৰেছৰ স্বত্বাধিকাৰী শ্ৰীকঙ্কন গোস্বামী ডাঙৰীয়াকে ধৰি সকলো সহযোগীৰে শলাগ ল'লো।

সামৰণিত আমাৰ অযোগ্যতাৰ হেতু স্মৃতিগ্ৰন্থখনৰ সকলোবোৰ দোষ-ত্ৰুটিৰ বাবে ৰাইজৰ ওচৰত ক্ষমা বিচাৰিছোঁ।

**দীপক কুমাৰ বৰা**
**ড° লক্ষ্যজ্যোতি বৰঠাকুৰ**

# সূচী

■ **স্মৃতিৰ সুবাস**


✦ নমো নমো নগাঁও কলেজ ❖ **ড° ৰামচন্দ্ৰ ডেকা**।। ৩
✦ সুৰভিত সময়ৰ অন্য এক আলসুৱা স্মৃতিত— নগাঁও কলেজ ❖ **ড° লিলি ৰাজবংশী**।। ৮
✦ কলেজীয়া জীৱনৰ মধুৰ স্মৃতি ❖ **ৰুমু বেগম**।। ১০
✦ এক ৰোমন্থন ঃ মই পঢ়া কলেজখনৰ ❖ **ৰাজেন বৰকাকতী**।। ১২
✦ নগাঁও মহাবিদ্যালয় আৰু মই ❖ **ড° নৰকান্ত বৰদলৈ**।। ১৭
✦ উভতি চাওঁ ❖ **অপৰাজিতা তামুলী ফুকন**।। ২০
✦ স্মৃতি বিজড়িত নগাঁও মহাবিদ্যালয় ❖ **ৰেখা শৰ্মা**।। ২৩
✦ স্মৃতিৰ জলঙাইদি নগাঁও কলেজৰ চাৰিটা শিক্ষাবৰ্ষ (১৯৬৯-১৯৭৩) ❖ **গুণীন্দ্ৰ গায়ন**।। ২৬
✦ বয়সৰ হাতোৰাত নগাঁও মহাবিদ্যালয় আৰু মহাবিদ্যালয়ৰ আলোচনীখন ❖ **মুৰুলী কুমাৰ শৰ্মা**।। ৩৮
✦ তাহানিৰ আমাৰ কলেজ ❖ **বিজয় কুমাৰ মঙ্গলুনিয়া**।। ৪০
✦ সোণালী সোঁৱৰণি ❖ **প্ৰিয়ম্বদা কাকতী বৰা**।। ৪২
✦ মোৰ নগাঁও কলেজৰ চাৰিটা বছৰ ❖ **ড° যোগমায়া শইকীয়া**।। ৪৫
✦ স্মৃতিৰ মণিকোঠাত চাৰিটা সোণোৱালী বছৰ ❖ **চাৰুপ্ৰভা কাকতি**।। ৪৭
✦ নগাঁও মহাবিদ্যালয় পঁইসত্তৰ বছৰীয়া আলোকময় যাত্ৰা ❖ **বসন্ত বৰঠাকুৰ**।। ৫১
✦ নগাঁও কলেজৰ সোণালী স্মৃতি ❖ **জয়ন্ত কুমাৰ বৰা**।। ৫৫
✦ সপোন পোহা পুখুৰী ❖ **ড° সোমনাথ বৰা**।। ৬২
✦ নগাঁও কলেজৰ বৰ্তমান আৰু অতীতলৈ এগছি পৱিত্ৰ বন্তি ❖ **মাধৱ চন্দ্ৰ শৰ্মা**।। ৭০
✦ ডুখৰীয়া স্মৃতি, বাখৰুৱা অনুভৱ ❖ **প্ৰকাশ মহন্ত**।। ৭২
✦ মহাৰজত জয়ন্তীত নগাঁও মহাবিদ্যালয় ঃ কিছু আৱেগ, কিছু অনুভৱ ❖ **ড° দেৱাশিস বৰুৱা**।। ৭৬
✦ নগাঁও মহাবিদ্যালয়— নগাঁৱৰ শিক্ষাৰ আকৰ ❖ **দ্যোতিভা বৰা**।। ৮০
✦ গুণ-গৰিমা ❖ **মোহন চন্দ্ৰ তামুলী**।। ৮৩
✦ My Stay at Nowgong College : The Golden Part of my life ❖ **K.P. Chowdhuri**।। ৮৪


■ **শ্ৰদ্ধাৰ বৰশৰাই**


✦ স্বপ্নদ্ৰষ্টা মতিৰাম বৰা ❖ **ঋত্বিক মজুমদাৰ**।। ৯৩
✦ সাহিত্যাচাৰ্য যজ্ঞেশ্বৰ শৰ্মাৰ বিষয়ে আৰু অলপ ❖ **উপেন্দ্ৰ বৰকটকী**।। ১০৯
✦ দাৰ্শনিক পণ্ডিত মহেশ চন্দ্ৰ দেৱগোস্বামী ঃ নগাঁও মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তী বৰ্ষৰ শ্ৰদ্ধাৰ্ঘ ❖ **ড° নৱ প্ৰসাদ নাথ**।। ১১২
✦ মোৰ পিতৃ যজ্ঞেশ্বৰ শৰ্মা আৰু নগাঁও কলেজ ❖ **ডাঃ প্ৰমেশ কুমাৰ শৰ্মা**।। ১১৯
✦ অধ্যক্ষ মুহিৰাম শইকীয়া ছাৰৰ সান্নিধ্যৰ সুবাস ❖ **হলিৰাম হাজৰিকা**।। ১২২
✦ সাহিত্যিক অধ্যক্ষ প্ৰদীপ শইকীয়া ❖ **ড° শৰৎ কুমাৰ দত্ত**।। ১২৮

✦ ৰাজগুৰু ছাৰৰ সোঁৱৰণত ❖ **ৰূপাঞ্জলি দেৱী**।। ১৩২
✦ অধ্যাপক ললিত শইকীয়াৰ 'কবিতা কুঞ্জ' — এটি অৱলোকন ❖ **চন্দ্ৰমোহন কাকতি**।। ১৩৬
✦ নগাঁও মহাবিদ্যালয়ৰ সাহিত্যিক অধ্যক্ষসকল ❖ **ধনদা দেৱী**।। ১৪২

■ **ঐতিহ্যমণ্ডিত নগাঁও**

✦ অসমৰ সামাজিক আৰু সাংস্কৃতিক বুৰঞ্জীত নগাঁৱৰ স্থান ❖ **ড° সৰ্বেশ্বৰ ৰাজগুৰু**।। ১৪৯

■ **নগাঁও মহাবিদ্যালয় বিশেষ**

✦ নগাঁও কলেজৰ উন্নয়নৰ কিয়দংশ — ২০০৪ ৰপৰা ২০১১ চনলৈ ❖ **ড° খৰ্গেশ্বৰ ভূঞা**।। ১৬১
✦ সংস্কৃত শিক্ষাৰ প্ৰসাৰ-প্ৰচাৰ আৰু নগাঁও কলেজৰ সংস্কৃত বিভাগ ❖ **গুণ শইকীয়া**।। ১৭০
✦ নগাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগ — এক ৰেঙণি ❖ **দীপক কুমাৰ বৰা**।। ১৭৪
✦ ১৯৮৪ৰ পিছৰ 'নগাঁও মহাবিদ্যালয়' ❖ **ড° দিলীপ শৰ্মা**।। ১৭৮
✦ ছাত্ৰ আন্দোলন— নেতৃত্বৰ পৃষ্ঠভূমি নগাঁও মহাবিদ্যালয় ❖ **মানস কুমাৰ মহন্ত**।। ১৮৩
✦ শ্বহীদ অনিল বৰা ❖ **প্ৰীতি ৰেখা বৰা**।। ১৮৭
✦ স্মৃতি আৰু ৰূপান্তৰৰ বৰ্ণিল যাত্ৰাত 'নগাঁও মহাবিদ্যালয়' ❖ **ড° প্ৰদ্যুম্ন গোস্বামী**।। ১৯০
✦ মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী সংখ্যা আলোচনীৰ কথাৰে নগাঁও মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তী ❖ **শিৱানন্দ কাকতি**।। ১৯৪
✦ সাহিত্য, ছাত্ৰ আন্দোলন, ৰাজনীতি আৰু নগাঁও মহাবিদ্যালয় ❖ **শৈলেন শইকীয়া**।। ১৯৯
✦ নগাঁও মহাবিদ্যালয়ত নাটক ঃ কিছু আভাস ❖ **সপোনটি বৰদলৈ**।। ২০৩

■ **সমাজ-সাহিত্য-ইতিহাস আৰু অন্যান্য প্ৰসঙ্গ**

✦ ভৱিষ্যতৰ দৃষ্টিৰে শিক্ষা ❖ **ড° নগেন শইকীয়া**।। ২১১
✦ বিশেষ সাক্ষাৎকাৰত সাহিত্যাচাৰ্য মহিম বৰা "ছাত্ৰ অবিহনে শিক্ষক হ'ল পানীৰপৰা তোলা মাছ"।। ২১৯
✦ মহিম বৰা ছাৰৰ আবক্ষ প্ৰতিমূৰ্তি উন্মোচনী ভাষণ ❖ **ৰংবং তেৰাং**।। ২২৩
✦ ভক্তি আন্দোলন শ্ৰীমন্ত শঙ্কৰদেৱ আৰু সমাজ-সংস্কৃতি ❖ **তিলকচন্দ্ৰ মজুমদাৰ**।। ২২৫
✦ অসম বুৰঞ্জীৰ উৎস স্বৰূপে যোগিনীতন্ত্ৰ আৰু কালিকাপুৰাণ ❖ **ড° ৰক্তিম ৰঞ্জন শইকীয়া**।। ২৩০
✦ মহিম বৰা সম্পাদিত 'অৰুণাচল' সম্পৰ্কে কিছু কথা ❖ **কল্পনা হাজৰিকা গায়ন**।। ২৩৬
✦ দেৱকান্ত বৰুৱাৰ কবিতাত 'কলং' ❖ **ড° বিপুল মালাকাৰ**।। ২৪২
✦ মহাত্মা গান্ধীৰ দৃষ্টিত হিটলাৰ ❖ **ময়ূৰ বৰা**।। ২৪৪
✦ ডিব্ৰুগড়ৰ দুটা ছপাখানা ❖ **ড° সঞ্জীৱ পল ডেকা**।। ২৪৯
✦ অমিতাভ ঘোষৰ নৱতম উপন্যাস গান আইলেণ্ড ঃ এক আলোচনা ❖ **লক্ষীপ্ৰিয়া গগৈ**।। ২৫২
✦ ছাত্ৰ-ছাত্ৰীৰ কেৰিয়াৰ গঠনত ছাত্ৰ সংগঠন, শিক্ষক আৰু অভিভাৱকৰ ভূমিকা ❖ **ড° বুলজিৎ বুঢ়াগোহাঁই**।। ২৫৫
✦ বৈজ্ঞানিক মানসিকতাৰ সৃজন, সংবৰ্ধন আৰু সংৰক্ষণ ❖ **ড° পল্লৱী গোস্বামী**।। ২৬৫
✦ অভ্যাসৰ গঠন, পুনৰ গঠন আৰু আত্মোৎকৰ্ষৰ সাধনা ❖ **ড° নিৰ্মলা দেৱী**।। ২৬৮
✦ সত্ৰ আৰু ঔপনিৱেশিক যুগৰ অসমীয়া সমাজ ❖ **ড° মিলন নেওগ**।। ২৭১
✦ নিদ্ৰাহীনতা ❖ **ডাঃ পাৰ্থসাৰথি ভূঞা**।। ২৭৯

■ **বিহঙ্গম দৃষ্টিত বিভাগীয় বতৰা**।। ২৮১ - ২৯২

■ **মহাবিদ্যালয় কাৰ্যালয় সেৱা**

✦ নগাঁও মহাবিদ্যালয় আৰু অনাশিক্ষক-কৰ্মচাৰী ❖ **সোণাৰাম শইকীয়া**।। ২৯৫
✦ ক্ৰমবিৱৰ্তনত নগাঁও মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰ ঃ এটি অৱলোকন ❖ **কুলৰঞ্জন ভূঞা**।। ৩০০

■ **মহাবিদ্যালয় প্ৰশাসন**

✦ নগাঁও মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষসকল।। ৩০৭

✦ নগাঁও মহাবিদ্যালয় পৰিচালনা সমিতিৰ মাননীয় সভাপতি আৰু সম্পাদকসকল।। ৩০৮

✦ বৰ্তমান পৰিচালনা সমিতিৰ সদস্যসকল।। ৩০৮

✦ নগাঁও মহাবিদ্যালয় শিক্ষক পৰিষদৰ সভাপতি আৰু সম্পাদকসকল।। ৩০৯

✦ নগাঁও মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত/অব্যাহতি লোৱা অধ্যাপক/অধ্যাপিকাসকল।। ৩১১

■ **মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা**

✦ নগাঁও মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ উপ-সভাপতিসকল।। ৩১৪

✦ নগাঁও মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সভাপতিসকল।। ৩১৫

✦ নগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকসকল।। ৩১৬

■ Platinum Jubilee Celerabration Committee, Nowgong College।। ৩১৮

■ List of Donars and Amount of Donation for Celebration of Platinum Jubilee।। ৩২৯

■ **আলোকচিত্ৰৰ সঁফুৰা**।। ৩৩১-৩৪৪

# স্মৃতিৰ সুবাস

# নমো নমো নগাঁও কলেজ

ড° ৰামচন্দ্ৰ ডেকা

**আ**মি নগাঁও কলেজৰ ১৯৬২-১৯৬৬ৰ ছাত্ৰ। তেতিয়া কলেজৰ বয়স ১৮ বছৰ। সাবালক হৈছে। আমাৰ সৌভাগ্য যে আমি কলেজৰ প্ৰতিষ্ঠাতা অধ্যক্ষ পূজ্য যজ্ঞেশ্বৰ শৰ্মা ছাৰক পাইছিলোঁ। লগতে পাইছিলোঁ সুদৰ্শন পুৰুষ মহেশচন্দ্ৰ দেৱগোস্বামী ছাৰক উপাধ্যক্ষৰূপে। অৱশ্যে এইগৰাকী ছাৰৰ সৈতে আমাৰ দূৰ-সম্পৰ্ক। পিন্ধনত শিৰত সত্ৰীয়া গোসাঁইৰ পাগ, ধকধকীয়া বগা ধুতী, চোলা আৰু অভেদ্য গাম্ভীৰ্য্যৰ উপাধ্যক্ষ ছাৰ আমাৰ বাবে অন্ততঃ মোৰ বাবে— এক অনন্য ব্যক্তিত্ব। আমাৰ গাঁৰৰ (দক্ষিণপাট কছাৰী সত্ৰ) পুথিভঁড়ালত থকা "বিহলঙনী" আলোচনীৰ "মধুসূদন"গৰাকী যে এইগৰাকী ছাৰে, সেইয়া কলেজলৈ আহি জনা আৰু দেখাৰ পিছত ছাৰৰ প্ৰতি ভক্তি আৰু কৌতূহলৰ বাদে অন্য একো নাছিল। 'বিহলঙনী' ঘৰলৈ আনি মনে মনে (মানে ফুটাই নপঢ়ি) পঢ়ি হাঁহিলে মায়ে কৈছিল— ফুটাই পঢ়চোন, আমিও শুনো। মায়ে লিখিব নাজানিছিল— পঢ়িব জানিছিল। অৱশ্যে সেইয়া পঢ়া কীৰ্ত্তন, নামঘোষা, সীতাৰ বনবাসতে আবদ্ধ আছিল। মায়ে সীতাৰ বনবাস সুৰ লগাই পঢ়িছিল। দুলড়ীখিনি পঢ়ি মায়ে কান্দিছিল। ময়ো। দেউতাই মোক ইংৰাজী পঢ়িবলৈ কৈছিল। দেউতাৰ মতে ইংৰাজী লিখা আৰু পঢ়া সহজ। তাত আ-কাৰ ই-কাৰবোৰ নাই যে।

অধ্যক্ষ ছাৰৰ সৈতে দেখা-সাক্ষাৎ হয়। ছাৰৰ ঠিকনা কলেজ চৌহদ আছিল। গতিকে তেখেত কলেজত অনবৰত উপলব্ধ আছিল। আমি বিজ্ঞান শাখাৰ ছাত্ৰ আছিলোঁ। সেই সময়ত বিজ্ঞানৰ শিক্ষকৰ নাটনি আছিল। আমাৰ পি ইউ (এবছৰীয়া) শ্ৰেণীটোৰ ছাত্ৰসংখ্যা বেছি আছিল বাবে শ্ৰেণীৰ স্থায়ী ঠিকনা আছিল ৰূম নং ১ (গেলেৰী থকা একমাত্ৰ শ্ৰেণীকোঠা)। পদাৰ্থ বিজ্ঞানৰ শিক্ষক নাই। শ্ৰেণীত হঠাৎ অধ্যক্ষ ছাৰ সোমালহি। আমি আটায়ে ঠিয় হ'লো। গেলেৰীৰসকল ঠিয় নহ'লেও চলে, বা ঠিয় নহয়ো। ছাৰে কি বিষয়ৰ ক্লাছ সুধি ল'লে। ক'লে— 'ৰ'বা। মই ফুচুলাইছোঁ। আহিব।' ছাৰ গ'ল। ফুচুলাইছোঁ শব্দটো হৃদয়ত ৰৈ গ'ল। ছাৰৰ ফুচুলনিয়ে কাম দিলে। পদাৰ্থ বিজ্ঞান বিভাগলৈ আহিল নগাঁও পলিটেক্নিকৰপৰা অধ্যাপক বিমল বৰা ছাৰ। তেখেত আহিয়ে মুৰব্বী অধ্যাপক হ'ল। গণিতৰ এগৰাকী আহিল তাৰে পৰা, অধ্যাপক চৌধুৰী ছাৰ। এইগৰাকী ছাৰৰ উপাধি এটা হৈছিল স্প্ৰিং ছাৰ। পঢ়াওঁতে এঠাইত

থিত লাগি নাথাকেই। ছাৰক পৰৱৰ্তী কালত মই গুৱাহাটীত লগ পাইছিলোঁ। তেখেতৰ মানসিক অশান্তি দেখি, মোৰ (ভাড়া) ঘৰলৈ মাতি ছাৰক সামান্য শুশ্ৰূষা কৰিছিলোঁ। বিমল বৰা ছাৰে ভেটা ভাঙি দিয়াৰ নিচিনা হ'ল। তেখেতৰ বিভাগলৈকে আহিল অধ্যাপক উমেশ শৰ্মা ছাৰ আৰু অধ্যাপক গণেশ বৰুৱা ছাৰ। উমেশ শৰ্মা ছাৰ মানেই লাইট অধ্যায়। তেখেতৰ পাঠত পোহৰৰ আৰু জ্যামিতিৰ অংগাংগী সম্বন্ধ দেখি বিষয়টোৰ প্ৰতি আকৃষ্ট হৈছিলোঁ। গণেশ বৰুৱা ছাৰৰ বিষয় চুম্বক। তাৰৈ আকৰ্ষণ চুম্বকীয় আছিল। কোনোবা খেপত অধ্যাপক মোহন বৰা ছাৰ আহিল। ছাৰৰ সৈতে সান্নিধ্য বাঢ়িল। মোৰ চাকৰিৰ কালতো গৈ ছাৰৰ বিয়াত উপস্থিত হৈছিলোঁ। সেই সময়ত বিজ্ঞান বিভাগত ডেমনষ্ট্ৰেটৰ পদ আছিল। ওখ-পাখ-লাহি গাৰে তৰুণ শৰ্মা ছাৰ সেই পদত সোমাই পিছত অধ্যাপক হৈছিল।

ৰসায়ন বিভাগৰ পহিলা ক্লাছ লৈছিল অধ্যাপক মোহন সিং ছাৰে। মজবুত বপুৰ সিং ছাৰে টেষ্টটিউব আৰু কিছু সৰঞ্জাম লৈ শ্ৰেণীকোঠাত সোমাই ৰসায়নৰ বিষয়ে এক থূলমূল পৰিচয় দি, কিছু ৰসায়নৰ ৰঙৰ খেলা দেখুৱাই, হঠাৎ ৰং পানীখিনি সন্মুখৰ বেঞ্চলৈ ছটিয়াই দিলে। সন্মুখত ছাত্ৰীসকল বহা নিয়ম। এক প্ৰকাৰ কম'চন (Commotion)। ছাৰে কৈছিল সেয়া ৰসায়নৰ এবিধ দ্ৰৱৰ 'ভেনিছিং ৰং'। তেখেতে কয় মানে ৰং উঠিল। ছাৰে 'চেঁচাজুই'ও দেখুৱাইছিল। তেখেতৰ ভাষণত ছাত্ৰ-ছাত্ৰীৰ মাজত ৰসায়ন অধ্যয়নৰ স্পৃহা জাগিছিল। ছাৰৰ সময়তে আহিল অধ্যাপক আলম ছাৰ। তেখেতে মুৰব্বী অধ্যাপক হৈহে এৰিলে। আলম ছাৰৰ মাত ইমান মধুৰ আৰু পেনিট্ৰেটিং যে, তেখেতৰ শ্ৰেণীত পিন্ ড্ৰপ চাইলেন্স। মোহন সিং ছাৰে ৰাছিয়াত উচ্চশিক্ষাৰ বাবে গৈ ঘূৰি আহি ডিব্ৰুগড় বিশ্ববিদ্যালয়ত যোগদান কৰিছিল। তাতে ছাৰক লগ পাইছিলোঁ। ছাৰ তেতিয়া মনা (কেশ নৰখা শিখ) হৈছিল। ছাৰে পোনেই মোক মাত লগোৱাত, মই মাতত চিনিছিলোঁ (১৯৭০)। মোৰ নিয়োগ (প্ৰাগজ্যোতিষ কলেজ)ৰ কথাত ছাৰে সন্তোষ প্ৰকাশ কৰিছিল।

জীৱ বিজ্ঞান বিভাগৰ অধ্যাপক গোস্বামী ছাৰ, অধ্যাপক গোহাঁই ছাৰ আৰু অধ্যাপক আব্দুল হেকিম ছাৰ মনত থকাকৈ গুণী শিক্ষক। গোস্বামী ছাৰৰ সুৰীয়া লয়ৰ পাঠদান (গুটিটো জাইগ'ট, গছজোপা জাইগ'ট্প'ৰ) সদা স্মৰণীয়।

ভূগোল বিভাগৰ অধ্যাপক কমল গোস্বামী ছাৰ পিন্ধন-উৰণে, খোজে-কাটলে শুধ গোসাঁই পৰিৱেশত থাকে।

ইংৰাজী বিভাগৰ অধ্যাপক ৰহমান ছাৰৰ ইংৰাজী কবিতা পঢ়ুওৱাৰ ধৰণেই সুকীয়া আছিল। ছাৰে আমাক ৰীপাৰ (অসমীয়া ভাঙনি কৰিছে কোনোবাই) পঢ়াইছিল। ছাৰে শুদ্ধ উচ্চাৰণেৰে বাচক শিল্পীৰ দৰে কবিতাটো আদ্যোপান্ত পঢ়ি দিছিল দুবাৰ। তাৰ পিছতহে ব্যাখ্যা। সেই বিভাগৰ অধ্যাপক ৰবীন বৰা ছাৰে গদ্যভাগ পঢ়াইছিল। বিভাগত আৰু দুগৰাকী অধ্যাপক আছিল। এগৰাকী ছাৰে ইংৰাজী ব্যাকৰণ পঢ়াইছিল। তেখেতে একেষাৰ কথাকে (It carries six marks) বাৰে বাৰে কৈছিল।

আমি পৰৱৰ্তী জীৱনত শিক্ষক হৈ বুজিছো ছাৰৰ দ্বিৰুক্তিৰ মূল্য। পৰীক্ষা গৃহত ৰুদ্ৰমূৰ্ত্তিৰ ছাৰ ৰূপে সেই সময়ত বিখ্যাত আছিল ইংৰাজীৰে অধ্যাপক জগত শৰ্মা। অসমীয়া বিভাগৰ মহিম বৰা ছাৰক দূৰৰ পৰাহে চাইছিলোঁ। তেখেতক চোৱাৰ কাৰণ আছিল— আমি আমাৰ গাঁৱৰ পুথিভঁড়ালত পঢ়া তেখেতৰ 'কাঠনিবাৰীৰ ঘাট' গল্প আৰু বিশেষকৈ আমাৰ গাঁৱক লৈ লিখা তেখেতৰ এটা গল্প (কক্ষচ্যুত)। গল্পত ল'ৰাই চাইকেল চলাই ছোৱালী চাবলৈ গ'ল। কলঙৰ দাঁতিৰে দক্ষিণপাট সত্ৰত সোমায়ে দুজোপা নাৰিকল গছ থকা ঘৰেই ছোৱালীৰ ঠিকনা। সেইমতে ল'ৰা সোমাল। মিঠাই টোপোলা ভিতৰ পালেগৈ। পিছত উৰহীৰ ওৰ ওলাল। সেয়ে

গল্প। ছাৰৰ কলমত নিটোল গল্প। আমি গাঁৱত সঁচাসঁচিকৈ মিলাই চালোঁ। নিৰ্দিষ্ট ঘৰটো লস্কৰ পৰিয়ালৰ আৰু কক্ষচ্যুত হৈ সোমোৱা ঘৰটো শৰ্মা পৰিয়ালৰ।

অসমীয়াত আমাক পাঠদান কৰা ছাৰ আছিল অধ্যাপক দীনেশ দত্ত। ছাৰৰ পাঠদানৰ এটা চানেকি। শ্ৰেণী 'গোপীনাথ বৰদলৈ হল'। পাঠত ওলাল 'ফল্গুনদী।' ছাৰে প্ৰশ্ন এৰিলে- "ক'ত আছে ফগ্লু নদী, কোৱা। পাঁচটকা বকচিছ।" ছাৰৰ কথাত নলবৰীয়া সুৰ। অতি স্পষ্ট ভাষাত তেখেতৰ পাঠদান।

গণিতৰ এগৰাকী ছাৰৰ কথা ক'লোৱেই। আমি গণিত বিভাগৰ মুৰব্বী হিচাবে পালো কামাখ্যা কমল পণ্ডিত ছাৰক। তেখেত নলবাৰী কলেজত গণিত বিভাগৰ প্ৰতিষ্ঠাপক অধ্যাপক আছিল (১৯৪৮)। হয়তো অধ্যক্ষ ছাৰৰ সেই বিখ্যাত ফুচুলনি মন্ত্ৰই ফল পালে, যাৰ লাভ আমি পালোঁ, পালে কলেজখনে। শ্ৰীযুতা চন্দ্ৰপ্ৰভা দেৱী আৰু নেপাল বণিক আন দুগৰাকী অধ্যাপক এই বিভাগৰ।

স্নাতক পঢ়াকালত পুৰণি প্ৰশ্নকাকতৰ প্ৰশ্ন সমাধান কৰি আনিছিলো বণিক ছাৰৰপৰা, তেখেত ত্ৰিপুৰালৈ যোৱাত, পণ্ডিত ছাৰৰ ঘৰৰপৰা। চূড়ান্ত বৰ্ষত মোৰ ভাড়াঘৰ আছিল দক্ষিণ হয়বৰ গাঁৱত, খেৰৰ ঘৰ, বাঁহৰ বিছনা, লেমৰ পোহৰ, ভাড়া মাহে আঠ নে দহ টকা। কলং নৈত গা ধোৱা। ঘাটৰ সিপাৰে পণ্ডিত ছাৰৰ ঘৰ।

বুদ্ধ প্ৰসাদ চেতিয়া (পিছলৈ ড° বুদ্ধ প্ৰসাদ চেতিয়া, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক, মোৰ ভাৰতীয় গণিত ইতিহাসৰ ইতিবৃত্ত গৱেষণা গাইড) ছাৰে পি ইউত আমাক পঢ়াইছিল। তেখেতে কটন কলেজত চাকৰি পালে। কিন্তু আমাৰ ক্ষতি নহ'বৰ বাবে গৰম বন্ধৰ মাহটোত অংক শিকাই থৈহে নতুন নিয়োগলৈ আহিল। (এক বিৰল নিদৰ্শন— সকলোৰে বাবে, সকলো সময়ৰ বাবে।)

ৰাজনীতি বিভাগৰ অধ্যাপক তগৰ বৰা ছাৰক আমি কিছু গৌৰৱ বোধেৰে চাইছিলোঁ। কাৰণ তেখেত আমাৰ গাঁৱতে লাগি থকা বৰজহাৰ লোক। তেখেতৰ দাদাক কলেজৰ পুথিভঁৰালী ৰেৱ বৰা ছাৰকো লৈ গৌৰৱ কৰিছিলোঁ। তগৰ বৰা ছাৰ উচ্চৈশ্ৰৱা। তেখেতৰ শ্ৰেণীৰ পাঠদান শ্ৰেণীকোঠাৰ বাহিৰলৈ স্পষ্টকৈ শুনি। (বৰজহা কমিউনিষ্ট নেতা ফণী বৰাৰো গাঁও, সেই লৈয়ো আমাৰ আনন্দ।)

কলেজত পঢ়াৰ আনন্দ বুলি লিখিব পৰা সমল আছিল। মোৰ কলেজীয়া সময়, 'পঢ়ে পঢ়ায় ৰুৱে পাণ, এই তিনি নিচিন্তে আন'ৰ নিচিনা। পি ইউ পাছ কৰি শিক্ষক (বেবেজীয়াৰ কনকচন্দ্ৰ শৰ্মা হাইস্কুল ১৯৬৪)। বি এচ চি প্ৰথম ভাগ দি শিক্ষক (কাকী হাইস্কুল), বি এচ চি দিয়াৰ মাজতে আৰু পিছত শিক্ষক (উজৰা গাঁও শংকৰদেৱ হাইস্কুল) আকৌ এম এছ চি পঢ়িবলৈ আহিও শিক্ষক (গুৱাহাটীৰ, কামৰূপ একাডেমী, ১৯৬৭)। গতিকে শিক্ষকতাৰে জীৱন হ'ল পূৰ্ণ।

মেট্ৰিক (১৯৬২) ৰ ৰিজাল্ট ভাল। কলেজত পঢ়িব লাগিব। মোৰ ধন সিমান নাই। মোৰ স্কুল (দক্ষিণপাট হাইস্কুল, এতিয়া হায়াৰ)ৰ প্ৰধান শিক্ষক পূজ্য গৌৰীকান্ত কটকী ছাৰে স্কুলৰ ছাত্ৰ-ছাত্ৰীৰ এখন পত্ৰেৰে প্ৰত্যেককে চাৰি অনাকৈ বৰঙণি দিবলৈ লিখিলে। সকলোৰে দিলে— মোৰ কলেজ প্ৰৱেশ হ'ল। সেই সময়ৰ সকলো অনুজ ছাত্ৰ-ছাত্ৰীৰ ওচৰত মই কৃতজ্ঞ আৰু ঋণী হৈ থাকিলোঁ। নামহে লগালোঁ। থকা ঠাই ? গাঁৱৰ নাতিদূৰৰ তুলসীমুখ দেউৰীগাঁৱৰ হাতীধনী শৰ্মা বৰুৱা পৰিয়ালৰ মাটি আছে কচলুখোৱাত। তাতে আমাৰ স্কুলৰ ছাৰ ৰামেশ্বৰ শৰ্মা বৰুৱাৰ ভাগৰ মাটিত ঘৰ সজাৰ অনুমতি পালোঁ। পানী-দুনি কাষৰ ডিম্বেশ্বৰ শৰ্মা বৰুৱা দাদাৰ ঘৰৰপৰা হৈ যাব। বোৰ্ডিং ঘৰ সাজিবলৈ চাৰিজন লগ হ'লোঁ। বালিগাঁৱৰ বলীন চুবেদাৰ (বাণিজ্য পঢ়িব), ঘাঁহীৰ ধৰ্মেশ্বৰ বৰা (কলা পঢ়িব) আৰু পলাশনি কৰৈয়নীৰ মিত্ৰ বৰা (মোৰ সৈতে বিজ্ঞান)। গাঁৱৰ হলিৰাম

ককাইদেউৰ গৰুগাড়ীখন আৰু এটা গৰু, ধৰ্মেশ্বৰৰ এটা গৰু, ঘৰৰ পুৰণি চালি, মৰাঠাৰি বালি গাঁৱৰ, শৰণখেৰ, ঘৰচোৰা মানুহ পলাশনিৰ। গাৰোৱান মই। আমাৰ ফালৰ বস্তু গোটাই গাড়ীৰে কচলুখোৱালৈ যাত্ৰা। নতুন পথ। গৰু আগ নাবাঢ়ে। দূৰত্ব দহ কিঃমিঃ হ'ব। সন্ধিয়াৰ আগে আগে গন্তব্য স্থান। গাড়ী ঘূৰালোঁ। জোনাক নিশা। শিয়ালমাৰীৰ পৰা গৰু হালে যি দৌৰ আৰম্ভ কৰিলে— কেনেকৈ ঘৰ পালোহি— গমকে নাপালোঁ।

সেয়া চীনাযুদ্ধৰ সময়। মিত্ৰক মাক-দেউতাকে নপঠিয়ালে। ধৰ্মেশ্বৰে আধাতে এৰিলে। ৰ'লো আমি দুই। ঘৰৰ নাম দিলো ৰণস্তম্ভ (চীনক ভয় খুৱাবলৈ?)।

পি ইউ ৰিজাল্ট দিলে (১ আগষ্ট) আৰু দেউতা ঢুকাল ৫ আগষ্টত। পঢ়াৰ চিন্তা থাকিল। একাধিক টিউচন কৰি ধন গোটালোঁ। তাৰে পুনঃ কলেজত প্ৰৱেশ। ধনৰ টকাৰে এখন ৰ'ভাৰ চাইকেল কিনিলো, ১৯০ টকাত। তাৰে দক্ষিণপাট-নগাঁও অহা-যোৱা-ঘূৰি যাওঁতে বাটতে এটা টিউচন। ঘৰলৈ ঘূৰোতে ভোক লাগিলে (লাগিবই) বৰজহাত ক্ষীৰ বৰুৱাহঁতৰ বা ঘাঁহীৰ ধৰ্মেশ্বৰৰ ঘৰত সোমালে কিবা খাবলৈ দিয়েই। হৈ যায়।

চাইকেলৰ সময় চল্লিছ মিনিট। শ্ৰেণীত সন্মুখৰ বেঞ্চখনৰ এখন আসন খালী কৰি থয় লগৰ প্ৰেম বৰা (কাঠকটীয়া, যমুনামুখ) আৰু শৰত কাকতিয়ে, (মৰিগাঁও, হাবি বৰঙাবাৰী)। প্ৰেমই ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ কাম কৰিছিল। সি মোক নি দেখুৱালে— পিছত যি প্ৰৱেশ হ'ল— সি 'ওৱান ওৱে' ৰ দৰে থাকি গ'ল। (পৰৱৰ্তী কালত জৰুৰী-কালীন অৱস্থাত জে'লভাত খুৱাই চাপ মোহৰ মাৰি দিলে। বি এছ চি পৰীক্ষা দিলোঁ। কাষৰ ঘৰৰ ৰেডিঅ' (গাঁৱৰ প্ৰথম ৰেডিঅ') শুনিলোঁ, ৰিজাল্ট দিলে। তেতিয়া ৰিজাল্ট টেলিফ'ন এক্সেঞ্জত দিয়ে। পিছদিনাহে দৈনিক অসম, ট্ৰিবিউনত। ৰাতিয়েই তিনি কিলোমিটাৰ আঁতৰৰ মহমৰীয়ালৈ গ'লোঁ। তাত এগৰাকী এক্সেঞ্জৰ চাকৰিয়াল আছিল। তেখেতে দেখা পায়েই মোক ক'লে— "অ' ৰামচৰণ (চন্দ্ৰটো ঘপকৰে নাহে), তোমাৰ ডিষ্টিংচন"। ডিষ্টিংচন শব্দটো প্ৰথম শুনিলোঁ। তাৰ অৰ্থ জানিবলৈ এদিন লাগিল।

চাইকেলখন ডেৰশ টকাত আৰু মাৰ মৰমৰ গৰুজনী বেচি সেই মূলধনেৰে গুৱাহাটী। তাৰপিছত এয়া।

নগাঁও কলেজত পঢ়া কালত, সেৱা কৰিহে কলেজৰ বাৰাণ্ডাত উঠিছিলোঁ। চাকৰিকালত (প্ৰাগজ্যোতিষ মহাবিদ্যালয়, এ ডি পি কলেজ) তাৰ ব্যতিক্ৰম হোৱা নাছিল। আৰু দুটা সেৱাৰ কথা উল্লেখ কৰিবলৈ পালে আনন্দ পাম। অধ্যক্ষ যজ্ঞেশ্বৰ শৰ্মা ছাৰৰ গা-বেয়া আৰু বিছনাতে থাকে বুলি জানি, সপত্নী ছাৰক দেখা কৰিবলৈ গ'লোঁ। সভক্তিৰে চৰণ স্পৰ্শ কৰিলোঁ। মোৰ পৰিচয় ছাৰৰ মনত নাছিল (নাথাকিবৰে কথা)। পত্নীয়ে নাম কওঁতেই চিনিলে - তুমি জুৰীয়াৰ নিৰুপমা নহয়নে? এওঁ শলাগিলে আৰু ছাৰক সেৱা কৰিলে। ছাত্ৰী অৱস্থাত গৃহলক্ষ্মীয়ে ছাৰক এক বিশেষ সম্বন্ধ (পেহা) ধৰি মাতিছিল। আৰু এটা সেৱা হ'ল পণ্ডিত ছাৰক। পণ্ডিত ছাৰে শ্ৰেণীত ৰসিকতা কৰিছিল আৰু পৰৱৰ্তী সময়ত ছাৰে মোক সেই গুণ অনুকৰণ কৰিবলৈ কৈছিল (বিভিন্ন শিক্ষক প্ৰশিক্ষণত লগ হওঁতে, যেনে শিলচৰ, দুধনৈ)। গতিকেও ছাৰৰ প্ৰতি এক টান আছিল। ছাৰৰ নিজা ঘৰ হৈছিল। মই ছাৰক ঘৰতে দেখা আৰু সেৱা কৰিলোগৈ। আশীৰ্বাদ দিলে আৰু ক'লে, "আহিলা ভাল পালো, (হাতেৰে দেখুৱাই) ওপৰলৈ যাবৰ হ'লেই।" হয়। এই দেখাৰ ১০-১২ দিনৰ পিচতে ছাৰ ঢুকোৱা খবৰ পালোঁ।

মই এডিপিত থাকোতে অধ্যক্ষ তগৰ (চন্দ্ৰ) বৰা G Bৰ সদস্য আছিল। পৰৱৰ্তী সময়ত মই নগাঁৱলৈ গ'লেই কলেজত এভুমুকি মাৰো। সেইদিনা গ'লো। কলেজৰ (তাহানিৰ) গে'টত এখন ট্ৰাক আহি

ৰ'ল। তাত বৰা ছাৰৰ নশ্বৰ দেহ। মই এপাহি ফুলেৰে তেখেতৰ স্মৃতিত সেৱা জনালোঁ। আৰু এক অন্য প্ৰকাৰৰ সেৱা। এডিপিত অধ্যক্ষ পৰীক্ষাত উত্তীৰ্ণ হ'লো। মোক G Bয়ে ক'লে ছমাহমানৰ পাছত গ'লে ভাল। তেতিয়া দায়িত্বত থকাজনৰ চাকৰিকাল পূৰ্ণ হয়। মই ক'লো তথাস্তু। তাৰপিছত আকৌ নিৰ্বাচিত হ'লো। এইবাৰ দায়িত্বত ৰবীন বৰা ছাৰ। ছাৰ আমাৰ ঘৰলৈ (গুৱাহাটী) আহিল। ক'লে মাৰ্চলৈকে ৰ'বানে? নিশ্চয়। সেইমতে মাৰ্চৰ একত্ৰিছ তাৰিখে ছাৰক বিদায় দি তেখেতৰ গাড়ীত তুলি দিলোগৈ। সেই মূহুৰ্তত মইহে আছিলোঁ।

এইদৰে কলেজৰ শিক্ষা গুৰুসকললৈ যৎসামান্য সেৱা আগবঢ়াইছিলোঁ।

কলেজৰ বাকৰিত শুনা এযাৰি সাৰুৱা কথা। ৰাছিয়াৰ এটা সাংস্কৃতিক দল কলেজলৈ আহিছিল, কিছু কাৰুকাৰ্য্য দেখুৱাইছিল। তাতে এজনে কৈছিল - The more we learn, The more we become foolish। এনে বাক্য ৰচনাত আমাৰ অধ্যক্ষ চাৰ অনন্য। (আমাৰ গাঁৱৰ দোকান এখনত আঁৰি থোৱা বাক্য - দিন যায় কথা থাকে।

কলেজৰ সোণালী জয়ন্তীত গৈছিলোঁ। আমাৰ বিজ্ঞান বেটচৰ দহজন মানক লগ পালোঁ। ভাবিছিলোঁ সভাত দুআষাৰ ক'ম। শ্ৰদ্ধেয় গণেশবৰুৱা ছাৰে পালে। টানিছে 'উঠা কিবা এটা খাই লোৱাগৈ।' ছাৰৰ মৰম আদেশস্বৰূপ। কি খালো সেইটো বৰ কথা নহয়, চাৰে কি আদৰেৰে খুৱালে, সেইটোহে আচল।

**কাকতালীয়** - কোনোবা এটা সময়ত 'আলোক'ত মোৰ এটা প্ৰবন্ধ ছপা হৈছিল— মালিকৰ পয়গম আৰু পয়গমৰ মালিক। মালিক মানে প্ৰফেছাৰ চৈয়দ আব্দুল মালিক ছাৰ। 'পয়গম' তেখেতে সম্পাদনা কৰা এখন আলোচনী (১৯৪৬-৪৭)। বহু বছৰৰ পিছত শুনিছিলোঁ— প্ৰবন্ধ ওলোৱা সময়ত তেখেত নগাঁও কলেজৰ অধ্যক্ষ নিৰ্বাচিত হৈ আছিল।

**মধুৰেণ** - নগাঁও কলেজত মই শেহৰ বছৰৰ সৰস্বতী পূজাত সেৱা লৈছোঁ। কলেজ এৰিম। সেৱা থলীত এফালে ল'ৰাবোৰ, আনফালে ছোৱালীবোৰ। ক'ব নোৱাৰো মনত ক'ৰ পৰা ভাব আহিল— বিয়া হ'লে যেন সৰস্বতী আয়ে এইসকলৰপৰাই দিয়ে আৰু লগতে দিয়াৰ চিন। 'হম দো হমাৰে দো', দো মতে পৰিয়াল বাঢ়িল। তৃতীয় সন্তান কন্যা, মাকৰ দৰে দীপ্তি দেখি নাম থ'লোঁ বেলি। পেটমোচা কন্যা সন্তান। নাম আপোনা আপুনি হ'ল সৰস্বতী - 'মা'ৰ আশীৰ্বাদৰ চিন।

সেই যে কলেজ সাবালক হ'ল, ক্ৰমে সোণালী, হীৰক পাৰ হৈ বৰ্দ্ধিত গৌৰৱেৰে শতাব্দীৰ ফালে যাব। সেই সময়ৰ ভাগ্যৱান উদ্যোক্তাসকললৈ অভিনন্দন জনাই থ'লোঁ এফাঁকি ইংৰাজী কবিতাৰে—

Since I cannot see you by face
and connot shake you by hand,
I send my soul
Through time and space
To greet you, you will understand
(James Ellary Flerkas)
নমো নমো নগাঁও কলেজ, নমো পুনৰপি।।❑

লেখক - নগাঁও কলেজৰ প্ৰাক্তন ছাত্ৰ, প্ৰাক্তন অধ্যাপক, উপাধ্যক্ষ প্ৰাগজ্যোতিষ কলেজ, অধ্যক্ষ এ ডি পি কলেজ, বৰ্তমান সভাপতি অসম গণিত শিক্ষায়তন, মুখ্য সম্পাদক আলোক (সাপ্তাহিক)।

# সুৰভিত সময়ৰ অন্য এক আলসুৱা স্মৃতি— নগাঁও কলেজ

**ড° লিলি ৰাজবংশী**

**অ**সমৰ বুকুৰ এখন স্মৃতি বিজৰিত ঠাই নগাঁও, নগাঁও জিলা। সেই নগাঁও বা নগাঁৱৰ মাজেদি কোনোবা ঠাইলৈ গ'লেই যাব লগা হয় এখন কলেজৰ সন্মুখেদি, যিখন নগাঁও কলেজ নামে আজিও বিখ্যাত হৈ আছে।

গুৱাহাটীৰ পাণবজাৰ স্কুলখনৰ হোষ্টেল এৰি এদিন গৈ ভৰ্তি হৈছিলোগৈ সেই নগাঁও কলেজতে। যাৰ কথা মনলৈ আহিলে আজি প্ৰায় তিনিকুৰি মান বছৰৰ আগৰ স্মৃতিয়ে মনটো উখল-মাখল কৰি ক'ৰবাত যেন আলসুৱাকৈ খামুচি ধৰে। আছেনে আগৰ দৰেই এই কলেজখন ?— আছেনে আগৰ সেই আমাৰ অতি শ্ৰদ্ধাৰ শিক্ষকসকল ?

নাই; নাই। সময়ৰ পৰিৱৰ্তনে সেইবোৰ কিছু নিঃশ্চিহ্ন কৰিলে, এক নতুন ভাবমূৰ্তিৰে এতিয়া সকলো নতুনকৈ সজল হৈ উঠিছে!

সিদিনা বৃহস্পতিবাৰ চৈধ্য নৱেম্বৰ! মোৰ দুজনী ভতিজা মৃণালিনী আৰু স্বপ্নামণিৰ লগত গৈ সেই নগাঁও কলেজত সোমালোগৈ। লগ পালো নতুন প্ৰিন্সিপাল উদ্যোগী, শৰৎ বৰকটকীদেৱক। মানুহজনক আগতে লগ নাপালেও কেতিয়াবা কেতিয়াবা তেখেতৰ লেখা কবিতা পঢ়িছিলোঁ। সেয়ে বুকুত উৎসাহ গোটালোঁ, 'এইজন মানুহক মই চিনি পাওঁ, গতিকে নিশ্চয় অবাঞ্চনীয় ব্যৱহাৰ নাপাম।' মোৰ ধাৰণা ঠিকেই আছিল। সুন্দৰ আৰু সৎ ব্যক্তি শৰৎ বৰকটকী। এই কলেজ যাত্ৰাত মোৰ অন্য এটা স্বাৰ্থও আছিল, মোৰ সকলো লেখা গোটাই এখন গ্ৰন্থ কৰিছিলোঁ; নাম দিছিলোঁ 'সাহিত্য সঞ্চয়ন', তাৰে অন্ততঃ এটা কপি হ'লেও এই মোৰ নিজৰ ঠাইখনৰ নিজে পঢ়া কলেজখনত স্মৃতি হিচাপেই থৈ যোৱাৰ মানস। প্ৰিন্সিপাল বৰকটকীয়ে তিনিখন কিতাপ ৰাখিলে, কলেজৰ 'প্লেটিনাম জুবিলি'ৰ কথা ক'লে। গৌৰৱ আৰু আনন্দত বুকু ভৰি পৰিছিল। এৰা! এইখনেই আমাৰ কলেজ! তাহানিৰ প্ৰিন্সিপাল যজ্ঞেশ্বৰ শৰ্মাদেৱলৈ মনত পৰিছিল। মনত পৰিছিল আমাৰ শিক্ষাগুৰু কমল গোস্বামী, বসন্ত ভূঞা, মহিম বৰা আৰু বহুতলৈ। আমাৰ ছোৱালী কমন ৰুমৰ কাষতে আছিল শিক্ষকসকলৰ জিৰণি কোঠা! দুলালী ভূঞা প্ৰয়াত হলধৰ ভূঞাদেৱৰ ছোৱালী, অঞ্জলি বৰুৱা আৰু মই লিলি শইকীয়া, আমি তিনিও অভিন্ন আত্মাৰ বান্ধৱী। শিক্ষকসকলৰ বাবে আমি সৰু ছোৱালী! অফ পিৰিয়ড হ'লেই আমি তিনিওজনী ওলাই যাওঁ ৰাস্তাত কিবা কিবি কিনি খাওঁ। কেতিয়াবা

দুলালীৰ চিনাকিবোৰে এনেয়ে দিয়ে। আমি তাৰে কিছু লৈ তেখেতসকলক দি আহোঁগে। আমাৰ কমন ৰূমৰ নিকুঞ্জ মহন্ত বাইদেউ আৰু আভা বৰুৱা বাইদেউকো কেতিয়াবা ভাগ দিওঁ! এইবোৰ কৰি থাকোতেই ক্লাছৰ কিছু সময় যায়গৈ। দেৰিকৈ গৈ ক্লাছত সোমাবৰ বাবে ছাৰৰ পাৰমিছ্ন বিচাৰো। ইচ্ছা কৰিয়েই ছাৰে আমাক কিছু সময় বাহিৰত আৰু কিছুসময় ক্লাছত ঠিয় হৈ থাকিবলৈ কয়। আমি বেয়া নাপাওঁ কাৰণ আমি জানো তেখেতসকলে আমাক কিমান মৰম কৰে। আমাক এজনীকো নাম ধৰি নামাতি 'লি' প্ৰত্যয় নামেৰেহে মাতিছিল। মাজে মাজে মাতি নি তেখেতসকলৰ ভাগৰ টিফিনো আমাক খাবলৈ দিছিল। সেই বছৰ কলেজ আলোচনীৰ শ্ৰদ্ধেয় মহেশ চন্দ্ৰ দেৱগোস্বামী ছাৰ সভাপতি, কেশৱানন্দ দেৱ গোস্বামী সম্পাদক, দুজন ল'ৰা (নাম পাহৰিছোঁ) আভা বৰুৱা বাইদেউ আৰু মই সদস্যা আছিলোঁ। কেশৱানন্দ দেৱ গোস্বামীয়ে মেট্ৰিক পাছ কৰি কেবাবছৰৰ পাছতহে আহি আমাৰ লগত পঢ়িছিলহি। সেই কেশৱানন্দ দেৱ গোস্বামী এতিয়া নাই, মহিমা বৰা ছাৰ, বসন্ত ভূঞা ছাৰ আৰু কমল গোস্বামী ছাৰেও অলপতে এই পৃথিৱী এৰিলে। আমাৰ মাজৰপৰা চিৰদিনলৈ 'লি' প্ৰত্যয়ৰ দেওনা ভাঙি গুচি গ'ল দুলালী ভূঞাও (পিছলৈ দাস)। এতিয়া অঞ্জলি বৰুৱা, আঞ্জলি বৰকাকতি হৈ গোলাঘাটত, আৰু মই লিলি শইকীয়া লিলি ৰাজবংশী হৈ গুৱাহাটীতে আছোঁ। আমাৰ লগতে পঢ়া তোষপ্ৰভা কলিতাও গুৱাহাটীতে আছে। অঞ্জলি আহিলে প্ৰায়ে মোৰ ওচৰলৈ আহে। দুয়োজনীয়ে কথা পাতো, পাৰ নভঙা অনেক কথা। পুৰণা দিনবোৰৰ কথা, নিজৰ নিজৰ সংসাৰৰ কথা, নগাঁও কলেজৰ কথা, আমাক নিজৰ ভনীৰ দৰে মৰম কৰা ছাৰসকলৰ কথা, সেই সুমধুৰ স্মৃতি লাহে লাহে মৰহি আহিলেও নগাঁৱলৈ গ'লে কলেজখন দেখিলেই সেইবোৰ স্মৃতি যেন জীৱন্ত হৈ পৰে। মনে পিটপিটাই ফুৰে— ক'ত আছিল ছোৱালী কমন ৰূমটো? ক'ত আছিল ছাৰসকল বহা কোঠাটো? ক'ত আছিল আমি দুষ্টামী কৰি শাস্তি খোৱা সেই ক্লাছৰ কোঠাবোৰ? তোষপ্ৰভা কলিতাক লগ পালেও প্ৰায়ে কলেজৰ কথা ওলায়— তাই কয়— দুলালী গ'ল, ছাৰসকলো বহুত গ'ল, আমিও এতিয়া মৃত্যু পথৰ যাত্ৰী! তথাপি প্ৰায়ে নগাঁও কলেজখনলৈ মনত পৰে— লেখিবলৈ বহুত থাকিলেও আৰু বহুত লেখি আমনি নিদিওঁ। প্ৰাক্তন ছাত্ৰী হিচাপে এই মুহূৰ্তত আমি এৰি অহা স্মৃতি বিজড়িত এই নগাঁও কলেজখন যাতে আৰু উল্লেখনীয় উন্নতিৰে সাফল্যমণ্ডিত হৈ উজলি থাকিব পাৰে, সেয়াই পৰম জনৰ ওচৰত প্ৰাৰ্থনা।❑

লেখিকা - প্ৰাক্তন ছাত্ৰী আৰু বিশিষ্ট লেখিকা



# কলেজীয়া জীৱনৰ মধুৰ স্মৃতি

**ৰুমু বেগম**

**মা**নুহৰ জীৱনৰ আটাইতকৈ মধুৰতম, আনন্দৰ সময় কলেজীয়া জীৱন। পঢ়া-শুনা, জীৱনৰ লক্ষ্যত উপনীত হোৱাৰ চেষ্টা, তাৰ মাজতে থাকে কলেজীয়া হাঁহি-আনন্দ, কলেজ-সপ্তাহ, নানা অনুষ্ঠান, প্ৰদৰ্শনী, পিক্‌নিক, এক্সকাৰশ্বন, তাৰোপৰি কলেজীয়া আড্ডা। এই সকলো মিলি কলেজ প্ৰাঙ্গণ মুখৰ — যি আজিও আছে।

মোৰ এই চুটি লেখাত আছে মোৰ ভাল লগা কেইটামান ঘটনা, মধুৰ স্মৃতি যি আজিও জীৱনৰ বিয়লি বেলাত হৃদয়ত সোণাৰুৰ দৰে হালি-জালি আছে। ১৯৬২ চনত মেট্ৰিক পৰীক্ষা পাছ কৰি ৰঙীণ স্বপ্ন বুকুত সাৰটি নগাঁও কলেজত প্ৰথম প্ৰৱেশ। আমি বি এ পঢ়োতে আমাৰ ছোৱালীৰ সংখ্যা বৰ কম আছিল, ছোৱালী এঘাৰ গৰাকী, অসমীয়া ক্লাছত আমি তিনিগৰাকী, ভূগোলত মই, মোৰ বান্ধৱী লিলি।

এতিয়া আহো দল বান্ধি কৰা আনন্দৰ কথা, যি অন্তৰত শীতৰ জুহালৰ জুইকুৰাৰ দৰে উম দিয়ে। কলেজ সপ্তাহৰ খেলসমূহ জুবিলি পথাৰ (বৰ্তমান নুৰুল আমিন ষ্টেডিয়াম)ত হৈছিল। ছোৱালীবিলাকে মেখেলা-চাদৰ পিন্ধি দৌৰিছিল। তেতিয়া পোৱা চাৰ্টিফিকেট এতিয়া জীৱনৰ বিয়লি বেলাত ভাল লগা স্মৃতি। আমি কলেজত পঢ়োতে বিজ্ঞান আৰু কলা শাখাৰ ছোৱালীসকল মিলি পিকনিকলৈ গৈছিলোঁ, লগত দুই-তিনিজনমান আমাৰ ভাললগা অধ্যাপক। তেতিয়া ৰান্ধনী নিয়াৰ প্ৰশ্নই নুঠে, সকলোৰে মিলিজুলি ৰন্ধা-বঢ়া কৰিছিল। এতিয়াও মনত পৰে, তগৰ ছাৰে এডোখৰ শিলৰ ওপৰত বহি মাংস কাটিছিল, হৰেশ্বৰ বৰুৱা ছাৰে সিজোৱা কণীৰ বাকলি এৰুৱাইছিল। সেই সময়ৰ অধ্যাপক আৰু আমাৰ মাজৰ সম্বন্ধ ভাদ মাহৰ প্ৰখৰ ৰ'দৰ দৰে নহয়। বহু বছৰৰ পিছত কেমিষ্ট্ৰি পঢ়োৱা আলম ছাৰে, পুত্ৰ ইঞ্জিনিয়াৰ আৰু মোক দেখি কৈছিল, "ৰুমুক দেখিলে এতিয়াও পিক্‌নিক যাবলৈ মন যায়।" বহু সময় গ'ল, বহুত বতাহ বলিল, অধ্যাপকসকলে স্বৰ্গত থিতাপি ল'লে। মোৰ ওচৰত ৰৈ গ'ল কলেজৰ পিক্‌নিকৰ ফটো, এলবামত স্মৃতিৰ সঁফুৰা হৈ আজিও জিলিকি আছে।

মোৰ ভূগোল বিষয় থকা বাবে এক্সকাৰচন গৈছিলোঁ। আটাইকেইটা বৰ্ষ মিলাই পাঁচজনী ছোৱালী, ফাইনেল ইয়েৰৰ ১১ জনমান ল'ৰা। ধ্ৰুৱ বৰুৱাই সৰু ভায়েকক লৈ গৈছিল, বৰ্তমান বিখ্যাত উকিল নিৰঞ্জন শৰ্মা। আমি কলিকতা আৰু দীঘা চাইছিলোঁ। আমি ৰে'লত গৈছিলোঁ, হাঁহি, গান স্ফূৰ্তি কৰি যোৱা, থকা, ৰে'লগাড়ীৰ ভাড়া ইত্যাদি খৰচৰ বাবে আমাৰ তত্বাৱধায়ক হিচাবে যোৱা অধ্যাপক

মুৰুলী নাথ ছাৰক ৮০.০০ টকা জমা দিছিলোঁ। সকলোতকৈ মজাৰ কথা, উভতি আহি ছাৰে টকাৰ হিচাপ দেখুৱালে। আমাক প্ৰত্যেকগৰাকীক ৮ টকা ফিৰাই দিলে। এনে সুন্দৰ অভিজ্ঞতা কাৰোবাৰ হৈছে নে? টকা ফিৰাই দিয়া অধ্যাপকো পাইছিলোঁ, কেনে সুন্দৰ মানসিকতা। কলেজৰ খেল-ধেমালি, কলেজ সপ্তাহত পোৱা চাৰ্টিফিকেটসমূহ এতিয়া বিয়লি বেলাত ভাল লগা বস্তু।

এতিয়া আহোঁ, মোৰ ভাললগা ভূগোল ক্লাছৰ কথালৈ। আমি দুজনী, মই আৰু বান্ধৱী লিলি খানম, ল'ৰা ১১ জন; আমি সংখ্যাত কম হোৱা বাবে, সকলো ভাল বন্ধু আছিলোঁ। মই সেই সময়ত লগ পোৱা কমল গোস্বামী ছাৰ, মোৰ দৃষ্টিত কেনে আছিল তাকেই লিখিবলৈ চেষ্টা কৰিলোঁ। সেই সময়ত ছাৰৰ শৰীৰত উদ্যম, মনত বল, অফুৰন্ত শক্তি আছিল। ১৯৬৩-৬৪ বৰ্ষৰ কথা। সেই সময়তে প্ৰথম ভূগোল বিষয়টো খোলা হৈছিল। ভূগোলৰ প্ৰেক্টিকেল ক্লাছৰ বাবে ডাঙৰ টেবুলখন, ট্ৰেচিং কৰিবৰ বাবে আইনা লগোৱা, সুন্দৰ বাকচ থকা টেবুলবিলাক আনিছিল। টেবুলবিলাক পৰিষ্কাৰ কৰি ৰাখিবৰ বাবে সাৱধানবাণী শুনাইছিল। গোস্বামী ছাৰে আমাক সুন্দৰকৈ পঢ়াবোৰ বুজাই, ব'ৰ্ডত টোকা দিছিল। কাৰণ আমাৰ কাৰো কিতাপ নাছিল। সেই সময়ত আজিকালিৰ দৰে কিতাপ বজাৰত উভৈনদী নাছিল। গোস্বামী ছাৰে ইমান সুন্দৰকৈ পঢ়াইছিল যে আমি কিতাপৰ অভাৱ অনুভৱ কৰা নাছিলোঁ। আমি যেতিয়া প্ৰেক্টিকেলৰ মেপ অঁকা আদি কাম কৰিছিলোঁ আমি দুজনী বান্ধৱীয়ে কথা পাতিছিলোঁ, ল'ৰা বন্ধুসকলেও যোগ দিছিল। সুখ-দুখৰ লগৰী আছিলোঁ। ছাৰে কেতিয়াবা আমাৰ লগত কথাৰ ভাগ লৈছিল, কৈছিল শৈশৱৰ কথা, মাজুলীৰ কথা, কলেজত কেনেকৈ পঢ়িছিল ইত্যাদি। এদিন ক্লাছত কথাৰ মাজতে লিলিয়ে ক'লে, "মোৰ জীৱনত আটাইতকৈ দুখ মই কেতিয়াও কাকো আব্বা (দেউতা) বুলি মতা নাই।" ছাৰে কথাটো শুনাৰ লগে লগে ক'লে 'মোকেই আব্বা বুলি মাতিবি।' তেতিয়া ছাৰৰ ডেকা বয়স। ছাৰৰ মহানুভৱতা প্ৰকাশ পাইছিল— এদিন ছাৰক ক'লো যে আমাৰ লগত একেলগে পঢ়া সোণতৰা মহন্ত (ভূগোল নাছিল) বঢ়মপুৰৰ ওচৰৰ এখন গাঁৱৰপৰা আহে। তাই ঘৰৰপৰা বহুদূৰ খোজকাঢ়ি আহি বাছত উঠে। সেই সময়ত এতিয়াৰ দৰে বাছ, নানা গাড়ীৰ সুবিধা নাছিল। সেয়ে সোণতৰাই মাজে মাজে সুবিধামতে আহি ক্লাছ কৰি বি এ পঢ়িছিল। সেইসময়ত ছোৱালীয়ে হোটেলত গৈ খোৱা, নাইবা ইমান দূৰৰ পৰা টিফিন লৈ অনা সম্ভৱ নাছিল। কলেজলৈ আহিলে লঘোণ দিব লগা হয়। আমি ছাৰক তাইৰ দুখৰ কথা ক'লো, সহানুভূতি দেখুৱালে। সোণতৰা মহন্তক ছাৰৰ লগত চিনাকি কৰি দিলোঁ, কথা-বতৰা পাতিলে। সোণতৰাৰ লগত কথা-বতৰা পাতি ছাৰৰ ঘৰতে ভাত খোৱাৰ ব্যৱস্থা কৰিলে। মানুহ কিমান কোমল হৃদয়ৰ হ'লে এনে মহানুভৱতা প্ৰকাশ পায়! মানুহৰ অন্তৰত কোমল অনুভূতি, মৰম-চেনেহ, সহানুভূতি থাকিলেহে অচিনাকি এজনী ছোৱালীক বিনিময়ত একো নোপোৱাকৈ অন্ন দিব পাৰে। অন্তৰ আত্মা পৱিত্ৰ হোৱাৰ বাবেই, সাংসাৰিক জীৱনৰ সুখ-দুখ দুয়োজনেই সমানে ভাগ কৰিছিল বাবেই জী, পুত্ৰ, জোঁৱাই সকলোকে লৈ ঈশ্বৰৰ আশীৰ্বাদত ভৰা ছাৰৰ শান্তিৰ সংসাৰখন।

ভূগোল বিষয় শিকোতে, সেই সময়ৰ বৰুৱা ছাৰৰ সহায়-সহযোগ পাইছিলোঁ। সেইসময়ৰ সকলো অধ্যাপকক আজিৰ এই লেখনীৰ জৰিয়তে শ্ৰদ্ধা অৰ্পণ কৰিলোঁ। যিসকলে আমাক আন্ধাৰ জগতৰপৰা জ্ঞানৰ পোহৰৰ সন্ধান দিলে, নীলা আকাশখন চাবলৈ শিকালে, তেওঁলোক সদায় নমস্য।❑

লেখিকা - প্ৰাক্তন ছাত্ৰী




# এক ৰোমন্থন ঃ মই পঢ়া কলেজখনৰ

**ৰাজেন বৰকাকতী**

১৯৪৪ চনৰ ৭ আগষ্ট তাৰিখটো নগঞাৰ কাৰণে এটা স্মৰণীয় আৰু উল্লেখনীয় দিন। কাৰণ এই তাৰিখ তথা দিনটোতে নগাঁও ডচন উচ্চ ইংৰাজী বিদ্যালয়তে জন্ম লাভ কৰে গুৱাহাটী কটন কলেজৰ পিছতে অসমৰ অন্যতম অগ্ৰণী উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান নগাঁও মহাবিদ্যালয়ে। নগাঁও চহৰেই নহয় সমগ্ৰ নগাঁও জিলাখনতে এখনো উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান নথকা হেতুকে উচ্চ শিক্ষা আহৰণত ছাত্ৰ-ছাত্ৰীসকলে সন্মুখীন হোৱা অসুবিধাৰ প্ৰতি লক্ষ্য ৰাখি সেই সময়ৰ নগাঁও চহৰৰ অন্যতম শিক্ষানুৰাগী ব্যক্তি তথা সেই সময়ৰ অসমৰ অন্যতম জনপ্ৰিয় আৰু ক্ষমতাশালী মন্ত্ৰী প্ৰয়াত মতিৰাম বৰাদেৱৰ লগতে কেইবাগৰাকী শিক্ষানুৰাগী লোকৰ প্ৰচেষ্টাত এই মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰা হৈছিল। এই নগাঁও মহাবিদ্যালয়খন ৭/৮/৪৪ তাৰিখৰপৰা প্ৰথমে ডচন হাইস্কুলত পুৱা বেলাত শিক্ষাদান আৰম্ভ হয়। নৱপ্ৰতিষ্ঠিত এই মহাবিদ্যালয়খনৰ প্ৰথমে অধ্যক্ষৰ দায়িত্বত অবৈতনিক আৰু অস্থায়ীভাৱে আছিল মতিৰাম বৰাদেৱৰ ভাতৃ শ্ৰীদেবেন বৰা। কিছুদিনৰ পিছত তেখেত আৰক্ষী বিভাগত এটি উচ্চ পদবী পোৱাত অধ্যক্ষৰ পদ এৰি যাবলগীয়া হয়। তেখেতৰ পিছতে মহাবিদ্যালয় পৰিচালনা সমিতিয়ে যজ্ঞেশ্বৰ শৰ্মাদেৱক স্থায়ীভাৱে অধ্যক্ষৰ পদত নিযুক্তি দিয়ে। তাৰপিছতে কলেজখনৰ খনিকৰ শ্ৰদ্ধেয় মতিৰাম বৰাদেৱে নগাঁও চৰকাৰী হাইস্কুলৰ অসম টাইপ দীঘল ছাত্ৰাবাসটো চৰকাৰৰ জৰিয়তে অধিগ্ৰহণ কৰি তাতে নৱপ্ৰতিষ্ঠিত নগাঁও মহাবিদ্যালয়খন স্থায়ীভাৱে প্ৰথম স্থাপন কৰে। তাৰ পিছতে নিচেই কাষতে থকা তেতিয়াৰ ডাকবঙলাটো আৰু ডাকবঙলাৰ নামত থকা মাটিখিনি চৰকাৰীভাৱে নগাঁও মহাবিদ্যালয়ৰ নামত অধিগ্ৰহণ কৰি সেই ঠাইত প্ৰথমে গোপীনাথ বৰদলৈ নামকৰণেৰে এটা হল নিৰ্মাণ কৰি তাত ছাত্ৰ-ছাত্ৰীক পাঠদান কৰা হয়। এই সকলোখিনি কামো সেইসময়ৰ আধুনিক নগাঁৰৰ নিৰ্মাতা অসম চৰকাৰৰ জনপ্ৰিয় ৰাজহ আৰু বিত্ত বিভাগৰ মন্ত্ৰী তথা মহাবিদ্যালয়খনৰ সঁচা কথাত খনিকৰ স্বৰূপ মতিৰাম বৰাদেৱৰ প্ৰচেষ্টাতে হৈছিল বুলি আমি জানো। সঁচা কথাত ক'বলৈ গ'লে মহাবিদ্যালয়খন তেখেতৰ প্ৰাণস্বৰূপ আছিল। শ্ৰদ্ধেয় মতিৰাম বৰাদেৱে মহাবিদ্যালয়খনৰ ক্ষেত্ৰত আন্তৰিকতাৰে আগভাগ লৈ সা-সুবিধা কৰি দিয়াৰ কাৰণেই আজি অসমৰ ভিতৰতে নগাঁও মহাবিদ্যালয়খন এখন প্ৰথম শ্ৰেণীৰ মহাবিদ্যালয় হিচাপে প্ৰতিষ্ঠিত হৈছে আৰু আজি মহাবিদ্যালয়খনৰ মহাৰজত জয়ন্তী পালন কৰিবলৈ সক্ষম হৈছোঁ। গতিকে এই সুযোগতে নগঞাৰ ৰাইজৰ হৈ আমি এই মহা শিক্ষানুৰাগী ব্যক্তিগৰাকীক শ্ৰদ্ধাসহকাৰে স্মৰণ কৰাৰ লগতে কৃতজ্ঞতা জনাইছোঁ।

এইখিনিতে নগাঁও মহাবিদ্যালয়ৰ পৰিচালনা

সমিতি আৰু অধ্যক্ষ ড° শৰৎ কটকীদেৱক অনুৰোধ জনাওঁ যাতে মহাবিদ্যালয়খনৰ চৌহদত সহজে চকুত পৰা এঠাইত (মহাবিদ্যালয়খনৰ সন্মুখত) এইজন মহান ব্যক্তিৰ এটি প্ৰতিমূৰ্তি স্থাপন কৰাৰ ব্যৱস্থা কৰে। মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰা দিনৰে পৰা প্ৰয়াত মহেশ চন্দ্ৰ দেৱগোস্বামীয়ে শিক্ষকতা কৰাৰ উপৰি শিক্ষানুষ্ঠান প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰতো তেখেতৰ অৱদান আমি সুঁৱৰিব লাগিব।

আমি এই কলেজৰ ছাত্ৰ হিচাপে শিক্ষা আহৰণ কৰা সময়ত বৰ্তমান আমাৰ মনত পৰা শিক্ষক তথা অধ্যাপকসকল আছিল মহেশ চন্দ্ৰ দেৱগোস্বামী, কে পি চৌধুৰী, নিৰ্মল চন্দ্ৰ চামাদ্দাৰ, কমল চন্দ্ৰ গোস্বামী, চক্ৰৱৰ্তী ছাৰ, আব্দুল হাই, শৰৎ চন্দ্ৰ শৰ্মা, ললিত শইকীয়া ছাৰ আদি। আন শিক্ষাগুৰুসকলৰ নাম মনত নথকাৰ বাবে উল্লেখ কৰিব নোৱাৰাৰ বাবে আমি সঁচাকৈয়ে দুঃখিত। উল্লেখযোগ্য কলেজখন ডচন হাইস্কুলৰপৰা বৰ্তমান স্থানত প্ৰতিষ্ঠা কৰাৰ সময়তে পণ্ডিত যজ্ঞেশ্বৰ শৰ্মাদেৱক কলেজৰ অধ্যক্ষ হিচাপে নিযুক্তি দিছিল। সেই সময়ত কলেজৰ চৌহদৰ ভিতৰত অধ্যক্ষৰ বাবে কোনো আবাস গৃহ নথকাৰ হেতুকে ঋষিতুল্য এই মহান পণ্ডিত শিক্ষাগুৰুজন আমাৰ নতুন আমোলাপট্টিতে এটা খেৰত ঘৰত সাধাৰণভাৱে বাস কৰিছিল। এইখিনিতে এটা কথা উল্লেখ কৰো যে আমি এই কলেজত পঢ়াৰ সময়ত ছাত্ৰ-ছাত্ৰীসকলে সঁচা কথাত অনুশাসন মানি চলিছিল আৰু নিজ নিজ শ্ৰেণীত সময়মতে উপস্থিত হৈছিল আৰু আমাৰ শিক্ষাগুৰুসকলো সময়ত সেইমতে উপস্থিত হৈছিল।

এটা কথা, আজি ৮৭ বছৰ বয়সতো কলেজখনৰ মোহ এৰিব পৰা নাই। অতীতৰ কলেজীয়া জীৱনৰ সকলো কথা মানসপটত আহি আছে। এদিন আমাৰ লজিকৰ ক্লাছ আৰম্ভ হৈছে। কিছু দেৰিকৈ এজন ছাত্ৰ শ্ৰেণীৰ পিছফালৰ দুৱাৰেদি ক্লাছলৈ সোমাবৰ কাৰণে May I come Sir বুলি অনুমতি বিচাৰোতে শিক্ষাগুৰু মহেশ চন্দ্ৰ দেৱগোস্বামীদেৱে ছাত্ৰজনক উদ্দেশ্য কৰি অতি গুৰু গম্ভীৰভাৱে প্ৰশ্ন কৰিছিল, 'For which class are you coming ? If you are coming for this class it is too late and if you are coming for the next class it is too early. You may go now' বুলি পুনৰ পাঠদান আৰম্ভ কৰে। তেতিয়াৰ দিনত কলেজৰ নিয়মানুৱৰ্তিতা এনে আছিল। ছাত্ৰসকলেই কেৱল নহয় শিক্ষাগুৰুসকলেও সময়মতে শ্ৰেণীলৈ পাঠদান কৰিবলৈ আহিছিল। তেতিয়া শিক্ষকে কৰা পাঠদানৰ পাঠটো ভালকৈ লিখি পিছত আমি দেখুৱাব লাগিছিল আৰু শিক্ষকে ভুলখিনি শুধৰাই দিছিল। এনেকৈয়ে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰুসকলে শিক্ষাগ্ৰহণ আৰু শিক্ষাদান কৰিছিল। আমাৰ দিনত শিক্ষক ছাত্ৰ-ছাত্ৰীৰ মাজত সম্পৰ্ক অতি মধুৰ আছিল কিন্তু ছাত্ৰ-ছাত্ৰীয়ে শিক্ষাগুৰুসকলক সন্মান আৰু মান্য কৰি চলিছিল। সেই সময়ত আমাৰ ইতিহাস তথা বুৰঞ্জীৰ শিক্ষক আছিল অধ্যাপক আব্দুল হাই ছাৰ। তেখেতে কোৱা কথা আজিও আমাৰ মনত আছে। তেখেতে ছাত্ৰসকলক উদ্দেশ্য কৰি প্ৰথম দিনাই ক্লাছতে কৈছিল one who want to learn English he should take History, শ্ৰদ্ধেয় হাই ছাৰৰ কথাষাৰ এশ শতাংশই শুদ্ধ বুলি মই বিবেচনা কৰো।

এই কলেজৰ ছাত্ৰ-ছাত্ৰীসকল খেলা-ধূলাত অতি ভাল আছিল বিশেষকৈ ফুটবল, ভলীবল, ক্ৰিকেট, জিম্‌নাষ্টিক্স আৰু এথেলেটিক্‌চত সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছিল। আন্তঃজিলা ফুটবল আৰু আন্তঃকলেজ ক্ৰিকেট প্ৰতিযোগিতা যথাক্ৰমে দৰং কলেজৰ লগত তেজপুৰত আৰু শ্বিলঙত যোগদান কৰি বিজয়ী হ'বলৈ সক্ষম হোৱাৰ কথা যোগদান কৰা এজন খেলুৱৈ হিচাপে আজিও মনত আছে। আমাৰ লগত মেনেজাৰ হিচাপে শিক্ষাগুৰু আব্দুল হাই গৈছিল।

উল্লেখযোগ্য যে খেলা-ধূলাৰ ক্ষেত্ৰত অসমৰ

ভিতৰতে অগ্ৰণী এই নগাঁৰতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ২৬ তম আন্তঃ মহাবিদ্যালয় ক্ৰীড়া সমাৰোহ ৮৬-৮৭ বৰ্ষৰ বাবে ৫, ৬, ৭ জানুৱাৰী, ১৯৮৭ তাৰিখে তিনিদিনীয়া কাৰ্যসূচীৰে সাফল্যতাৰে অনুষ্ঠিত হৈছিল। এই ক্ৰীড়া সমাৰোহ সুচাৰুৰূপে অনুষ্ঠিত কৰিবৰ কাৰণে এখন বহলভিত্তিক অভ্যৰ্থনা সমিতি আৰু বিভিন্ন বিভাগবোৰৰ একোখন উপসমিতি গঠন কৰি দিয়া হয়।

| | |
|---|---|
| সভাপতি | : অধ্যক্ষ প্ৰদীপ শইকীয়া |
| কাৰ্যকৰী সভাপতি | : অধ্যাপক হৰেশ্বৰ বৰুৱা |
| সাধাৰণ সম্পাদক | : প্ৰদীপ শৰ্মা |
| কোষাধ্যক্ষ | : চেনীৰাম বৈদ্য |

ইয়াৰ উপৰি ক্ৰীড়া সমাৰোহখন সুচাৰুৰূপে পৰিচালনাৰ অৰ্থে ২৩ খন উপসমিতিও গঠন কৰা হৈছিল।

এই ২৬ তম আন্তঃ মহাবিদ্যালয় ক্ৰীড়া সমাৰোহ ৮৬-৮৭ৰ লগত সংগতি ৰাখি এখন স্মৰণিকাও প্ৰকাশ কৰা হৈছিল। সম্পাদনা কৰিছিল অধ্যাপক শৰৎ বৰকটকী আৰু দেৱজিৎ বৰাই। এই স্মৰণিকাখনত 'অসমৰ ক্ৰীড়া জগত' ৰাজেন বৰকাকতী, ক্ৰীড়া পৰিৱেশ আৰু ক্ৰীড়া সাহিত্য — শৰৎ বৰকটকী, নগাঁৰৰ খেলপথাৰ — জয়ন্ত কুমাৰ বৰা, যৌগিক ব্যায়াম — ড° জীৱন কৃষ্ণ দেবনাথ, অসমৰ নাওখেলৰ ক্ষেত্ৰত প্ৰবীণ চন্দ্ৰ দাসে আৰু দুই এজনে লিখে।

ক্ৰীড়া সমাৰোহ উপলক্ষে প্ৰকাশিত স্মৰণিকাত শুভেচ্ছাবাণী দিয়ে সেই সময়ৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক অধ্যাপক ডি পি বৰুৱা, মুখ্য মন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্ত, দীগেন বৰা (প্ৰয়াত মন্ত্ৰী)কে ধৰি বিভিন্নজনে।

এইখিনিতে উল্লেখ কৰিব খোজোঁ যে ১৯৪৪ চনত প্ৰতিষ্ঠিত মধ্য অসমৰ অগ্ৰণী শিক্ষানুষ্ঠান নগাঁও কলেজে ৭৫ বছৰত পদাৰ্পণ কৰা উপলক্ষে চলিত ২০১৮ চনৰ ৭ আগষ্টৰপৰা বছৰজোৰাকৈ মহাৰজত জয়ন্তী পালনৰ অৰ্থে ইতিমধ্যে মহাৰজত জয়ন্তী উদ্‌যাপন সমিতি গঠন কৰি জয়ন্তীৰ সকলো কাৰ্যসূচী সফল কৰি তুলিবলৈ সকলোৰে সকলোধৰণৰ প্ৰচেষ্টা চলাইছে।

নগাঁও কলেজখনৰ মহাৰজত জয়ন্তী ২০১৮ চনৰ ৭ আগষ্টৰপৰা পালনৰ অৰ্থে বিধায়ক ৰূপক শৰ্মা আৰু অধ্যক্ষ ড° শৰৎ বৰকটকীক সম্পাদক হিচাপে লৈ সকলো প্ৰাক্তন ছাত্ৰ-ছাত্ৰী-অধ্যাপককে ইতিমধ্যে বহল ভিত্তিত গঠিত মহাৰজত জয়ন্তী উদ্‌যাপন সমিতিয়ে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰিছে আৰু ইতিমধ্যে ২০ মে' তাৰিখে কলেজৰ ছাত্ৰ একতা সভাৰ প্ৰাক্তন সভাপতি, উপসভাপতি, সাধাৰণ সম্পাদকসকলৰ এখন সভা প্ৰাক্তন উপসভাপতি ধৰ্ম ভট্টাচাৰ্যৰ সভাপতিত্বত অনুষ্ঠিত হয়। সভাত প্ৰাক্তন উপসভাপতি তথা সাংবাদিক সুশীল বৰাই বন্তি প্ৰজ্বলন কৰে আৰু সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে ছাত্ৰ একতা সভাৰ সম্পাদক দীপাংকৰ দাসে আৰু সভাত কলেজৰ প্ৰাক্তন অধ্যক্ষ ড° খৰ্গেশ্বৰ ভূঞা, অধ্যাপক অৰুণ বৰ্মন, আব্দুল হেকিম, বিপুল বৰকটকী, চন্দ্ৰ প্ৰভা দেৱী, ড° বিভা গোস্বামী, অপৰাজিতা তামুলী ফুকন আৰু ড° গিৰিকান্ত গোস্বামীক সম্বৰ্ধনা জ্ঞাপন কৰে।

অভিজিৎ শৰ্মাই আঁত ধৰা এই সম্বৰ্ধনা গ্ৰহণ কৰি প্ৰাক্তন অধ্যাপক অৰুণ বৰ্মনে শিক্ষাদান কৰি পোৱা বিমল আনন্দৰ কথা সোঁৱৰণ কৰে আৰু তেওঁৰ এমাহৰ দৰমহা ৰজত জয়ন্তী পুঁজিত দান কৰে। ছাত্ৰ একতা সভাৰ প্ৰাক্তন সাধাৰণ সম্পাদক তথা বৰ্তমান কলেজখনৰ অধ্যক্ষ ড° শৰৎ বৰকটকীয়ে সকলোকে আদৰণি জনায় আৰু মহাৰজত জয়ন্তীসমূহ কাৰ্যসূচীতে সহায়-সহযোগিতা কামনা কৰে। নগাঁও কলেজৰ প্ৰাক্তন সতীৰ্থ সন্মিলনীৰ সাধাৰণ সম্পাদক ড° চিন্তামণি শৰ্মাই মহাৰজত জয়ন্তীৰ প্ৰাক মুহূৰ্তত সতীৰ্থ সংস্থাই লোৱা কৰ্মসূচীৰ বিষয়ে আলোকপাত কৰে। আনহাতে কলেজখনত শিক্ষাগ্ৰহণ কৰা প্ৰাক্তন

ছাত্ৰসকলে জীৱনৰ মধুৰ স্মৃতি ৰোমন্থন কৰে। এই প্ৰাক্তন ছাত্ৰসকলৰ ভিতৰত আছিল প্ৰাক্তন মন্ত্ৰী গৌতম বৰা, লীলাকান্ত কাকতী, ভুবন চন্দ্ৰ কাকতী, প্ৰবোধ বৰা, (জ্যেষ্ঠ ক্ৰীড়া সংগঠক আৰু জ্যেষ্ঠ সাংবাদিক ৮৭ বছৰীয়া) ৰাজেন বৰকাকতী, বিভু ভড়ালী, পীতাম্বৰ শইকীয়া, বিজয় বৰঠাকুৰ, বিমল দেউৰী, ৰঞ্জিৎ নাথ, দীপু হাজৰিকা, মৌচম দাস, অভিজিত বৰা, ৰাহিদুজ জামান, পবিত্ৰপ্ৰাণ শৰ্মা, ত্ৰিলোচন বৰা, লক্ষ্যজ্যোতি শইকীয়া, মুন কুমাৰ বৰা, বিৰিঞ্চি কুমাৰ বৰা, অক্ষয় কটকী, মহেন্দ্ৰ কোঁৱৰ, ড° বেদব্ৰত শৰ্মা, সূৰুয ফুকন, হীৰক জ্যোতি বৰাকে ধৰি বহুজন। গৌতম বৰাই (প্ৰাক্তন মন্ত্ৰী) কলেজীয়া জীৱন স্মৃতি ৰোমন্থন কৰি আৱেগিক হৈ পৰে আৰু শিক্ষানুষ্ঠানৰ পৱিত্ৰতা সদায় ৰক্ষা কৰি ৰাজনীতিৰ ঊৰ্দ্ধত থাকিব লাগে বুলি কয়।)

আনহাতে গুৱাহাটীত বসবাস কৰি থকা নগাঁও কলেজৰ প্ৰাক্তন ছাত্ৰ সন্মিলনে মহাৰজত জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি বিধায়ক শ্ৰীৰূপক শৰ্মা, মহাবিদ্যালয়খনৰ অধ্যক্ষ তথা সম্পাদক ড° শৰৎ বৰকটকী আৰু মহাবিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলনৰ সম্পাদক ড° চিন্তামণি শৰ্মাক ধৰি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত এখন সভাত মহাৰজত জয়ন্তী সফলতাৰে অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত সৰ্বতোপ্ৰকাৰে সহায়-সহযোগিতা আগবঢ়াব বুলি প্ৰতিশ্ৰুতি দিয়ে।

আনহাতে ৪ মে’ তাৰিখে ১৯৯১ চনৰ একসংখ্যক প্ৰাক্তন ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকে পঢ়া কলেজখনৰ মহাৰজত জয়ন্তী উপলক্ষে কলেজখনত একত্ৰিত হৈ অতীত স্মৃতি ৰোমন্থন কৰাৰ লগতে অৱসৰপ্ৰাপ্ত ৫ গৰাকী শিক্ষাগুৰুক সম্বৰ্ধনা জনাই আৰু “গুৰুপ্ৰণাম” অনুষ্ঠান অনুষ্ঠিত কৰে।

উল্লেখযোগ্য যে অসমৰ বিভিন্ন ঠাইত থকা কলেজখনৰ ১৯৯১ চনৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে সেইদিনা পুৰা ভাগতে এই কলেজৰপৰা অৱসৰ গ্ৰহণ কৰা অধ্যাপক হলিৰাম হাজৰিকা, বিজয়া ৰায়চৌধাৰী, কামাখ্যা প্ৰসাদ চৌধুৰী, চেনীৰাম বৈদ্য আৰু আব্দুল মান্নান ফাৰুকীক সম্বৰ্ধনা জনায়। সম্বৰ্ধনাৰ উত্তৰত অধ্যাপিকা বিজয়া ৰায়চৌধুৰীয়ে কয় যে কলেজখনৰ শিপাৰ সন্ধান কেৱল মানৱীয় জন সম্পৰ্ক থকা ব্যক্তিয়েহে কৰিব পাৰে। তেখেতে আৰু কয় প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকল নিজে পঢ়া কলেজখনলৈ অহাৰ মূল অৰ্থ হ’ল এৰি অহা শিপাৰ সন্ধান কৰাৰ লগতে শিপাডালৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰা।

উল্লেখযোগ্য যে এই অনুষ্ঠানতে কলেজৰ ৯১ চনৰ প্ৰাক্তন ছাত্ৰী দাদা চাহেব ফাল্কে উৎকৰ্ষ বঁটাপ্ৰাপক সংযুক্তা দত্তক কলেজৰ তৰফৰপৰা সম্বৰ্ধনা জনোৱা হয়। আনোৱাৰ পাৰভেজ আৰু জুপিতৰা বৰা গায়নে আঁত ধৰা এই অনুষ্ঠানত আদৰণী ভাষণ দিয়ে ড° পাৰ্থসাৰথি ভূঞাই। আনহাতে নগাঁও কলেজৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলনৰ সাধাৰণ সম্পাদক ড° চিন্তামণি শৰ্মাই বছৰজোৰা মহাৰজত জয়ন্তীৰ বিষয়ে অৱগত কৰে। অনুষ্ঠানত সকলো প্ৰাক্তন ছাত্ৰ-ছাত্ৰীয়ে সক্ৰিয়ভাৱে সহায়-সহযোগ কৰিব বুলি প্ৰতিশ্ৰুতি দিয়ে। সঁচা কথাত ক’বলৈ হ’লে শিক্ষানুষ্ঠানসমূহ হ’ল শিক্ষিত সু-নাগৰিক গঢ় দিয়া একোখন কমাৰশাল।

আনহাতে গুৰু বন্দনা আৰু বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ফেশ্বন ডিজাইনাৰ সংযুক্তা দত্ত, ডাঃ প্ৰাঞ্জল দত্ত, চুইটি বেজবৰুৱা, ডাঃ দ্বিবন বৰা, সন্দীপন শৰ্মা, ঋতুপৰ্ন নাথ, ডাঃ মৃন্ময় বৰা, বিমান হাজৰিকাকে ধৰি আদি বহু প্ৰাক্তন ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। এই সভাতে চুইটি বেজবৰুৱাই মহাৰজত জয়ন্তী উপলক্ষে প্ৰকাশ কৰিবলৈ লোৱা কলেজ আলোচনীৰ নিৰ্বাচিত গল্প সংকলন প্ৰকাশৰ দায়িত্ব লয়। শেষত, প্ৰাক্তন ছাত্ৰী জিন্নত আখতাৰ বৰবৰাই শলাগৰ শৰাই আগবঢ়ায় আৰু আনহাতে কলেজৰ ৪ৰ্থ শ্ৰেণীৰ কৰ্মচাৰী ভৱ কৈৱৰ্তক এখন ফুলাম গামোচাৰে সম্বৰ্ধনা জনায়।

নগাঁও কলেজৰ ক্ৰীড়াক্ষেত্ৰৰ বিষয়ে উল্লেখ

কৰোতে ক'ব লাগিছিল যে, সৰ্বভাৰতীয় প্ৰতিযোগিতা হিচাপে স্বীকৃতি পোৱা নগাঁও ক্ৰীড়া সংস্থাই পৰিচালনা কৰি অহা সৰ্বভাৰতীয় স্বাধীনতা দিৱস কাপ ফুটবল প্ৰতিযোগিতাৰ সৰ্বপ্ৰথম ১৯৫৮ চনত অনুষ্ঠিত হোৱা খেলৰ ফাইনেল খেলখনত তেতিয়াৰ বাছ ছিণ্ডিকেট চূড়ান্ত বিজয়ী হৈ কাপ লাভ কৰিছিল; আনহাতে আমাৰ নগাঁও কলেজ দলে দ্বিতীয় স্থান অধিকাৰ কৰি ৰাণাৰ্চ আপ কাপ অৰ্জন কৰিবলৈ সক্ষম হৈছিল।

মুঠতে আজি ৮৭ বছৰ বয়সত কলেজৰ এজন প্ৰাক্তন ছাত্ৰ হিচাপে বহু কথাই মনলৈ আহিছে। তাকে প্ৰায় ৰোমন্থন কৰি এক অনাবিল আনন্দ উপভোগ কৰো।

এইখিনিতে উল্লেখ কৰো যে ২০১৬ চনৰ ৭ আগষ্ট তাৰিখে পালন কৰা কলেজখনৰ ৭২ তম প্ৰতিষ্ঠা দিৱসৰ মুকলি সভাত মুখ্য অতিথি হিচাপে দিয়া ভাষণত উল্লেখ কৰিছিলোঁ যে অসমৰ ভিতৰতে প্ৰথম শ্ৰেণীৰ কলেজ হিচাপে আজি পৰিগণিত হোৱা নগাঁও কলেজৰ জন্মলগ্ন বা কেনেকৈ, কেতিয়া, ক'ত আৰু কোনে প্ৰতিষ্ঠা কৰিছিল। এই অভাজনে বিস্তাৰিতভাৱে কোৱাতহে কলেজখনৰ অধ্যক্ষ ড° শৰৎ বৰকটকীকে ধৰি শিক্ষাগুৰুসকলৰ লগতে ছাত্ৰ-ছাত্ৰী আৰু উপস্থিত বিশিষ্ট ব্যক্তিসকলে জানিবলৈ সক্ষম হৈছিল। মই নিশ্চিতভাৱে ক'ব পাৰো যে নগাঁৱৰ বৰ্তমানৰ প্ৰজন্মই এই ঐতিহ্যমণ্ডিত নগাঁও কলেজখনৰ জন্মলগ্নৰ কোনো কথাই নাজানে বা অৱগত নহয়। সেই অনুষ্ঠানতে অধ্যক্ষ ড° শৰৎ বৰকটকী আৰু এসময়ৰ মোৰ সৰু জীয়ৰী ৰ'দালী বৰকাকতীৰ লগত সুনিপুণ বাস্কেটবল খেলুৱৈ, বৰ্তমান নগাঁও কলেজৰ অধ্যাপক ড° চিন্তামণি শৰ্মাই কলেজখনৰ বিষয়ে অনুৰোধ কৰা মতে কলেজখনৰ মহাৰজত জয়ন্তীক উপলক্ষ্য কৰি কলেজখনৰ প্ৰতিষ্ঠাৰ বিষয়ে মই যত দূৰ জানো, এই লিখনীৰে অৱগত কৰিলোঁ আৰু ভুল-ত্ৰুটিৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰিলোঁ।

আমি পঢ়ি অহা মৰমৰ কলেজখনৰ কথা আজি আৰু বহুত আছে। কিন্তু লেখনী দীঘল হোৱাৰ বাবে অনিচ্ছাসত্বেও সামৰিবলৈ নিজেই বাধ্য হৈছোঁ।

এই সুযোগতে আমি কলেজখনৰ প্ৰয়াত প্ৰাক্তন শিক্ষাগুৰু আৰু প্ৰয়াত ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰীসকলৰ আত্মাৰ সদ্‌গতিৰ বাবে পৰমজনৰ ওচৰত প্ৰাৰ্থনা জনালোঁ। লগতে বৰ্তমানে কৰ্মৰত আৰু জীৱিত প্ৰাক্তন শিক্ষাগুৰুসকল আৰু ছাত্ৰ-ছাত্ৰী লগতে কৰ্মচাৰী সকলোৰে প্ৰতি মোৰ শুভেচ্ছা আৰু শ্ৰদ্ধাসহ সেৱা জনালোঁ।

অধ্যক্ষ ভাতৃপ্ৰতিম ড° শৰৎ বৰকটকীৰ নেতৃত্বত শিক্ষাদানৰ কমাৰশাল স্বৰূপ নগাঁও কলেজখনৰ মানদণ্ড যাতে উন্নত হয় তাকে প্ৰভু ভগৱন্তৰ ওচৰত প্ৰাৰ্থনা জনাই লেখনি সামৰিলোঁ আৰু অনিচ্ছাকৃত ভুল-ভ্ৰান্তিৰ বাবে পুনৰবাৰ ক্ষমা প্ৰাৰ্থনা কৰিলোঁ।❑

লেখক - প্ৰাক্তন ছাত্ৰ আৰু বিশিষ্ট ক্ৰীড়া সংগঠক

# নগাঁও মহাবিদ্যালয় আৰু মই

**ড° নৰকান্ত বৰদলৈ**

**ম**ই ১৯৬১ চনৰপৰা ১৯৬৫ চনলৈ নগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ আছিলোঁ। ১৯৪৪ চনত স্থাপন হোৱা কলেজখন তেতিয়াও চালুকীয়াই আছিল। মেট্ৰিকত প্ৰথম বিভাগ পোৱাত শিক্ষক, মিতিৰ-কুটুম, শুভাকাঙ্খীয়ে ঠেলি-হেঁচি বিজ্ঞান শাখাত মোৰ নামভৰ্তি কৰি দিয়ালে। তেতিয়া অধ্যক্ষ আছিল যজ্ঞেশ্বৰ শৰ্মা, উপাধ্যক্ষ আছিল চুটি-চাপৰ মূৰত সূত্ৰধাৰৰ দৰে পাগুৰি মৰা মহেশচন্দ্ৰ দেৱগোস্বামী — May their soul rest in peace। ইংৰাজীৰ অধ্যাপকৰ অভাৱ, আহে আৰু যায়। অধ্যক্ষ যজ্ঞেশ্বৰ শৰ্মা ছাৰে চেঙেল চোঁচৰাই চোঁচৰাই বাৰাণ্ডাইদি যায়। ক্লাছত অধ্যাপক নথকা দেখি ক্লাছত সোমাই যায়। আমি থিয় হওঁ। কি আছে? আমি বোলো ইংৰাজী, Golden Treasury খন ছাৰৰ মুখস্থ, Open at page .... ক'ত কিতাপ মেলো, কিতাপেই নাই। Back pocket ত (পেণ্টৰ) এখন Exercise Book দুভাঁজ কৰি সুমুৱাই কলেজলৈ যাওঁ। কিতাপ আছে নাই খবৰ নাই। ছাৰে মুখতে Golden Treasury on first looking into Champ man's Homer যিকোনো কবিতা এটা পঢ়ুৱাই যায়। পণ্ডিত মানুহ কোনো ego নাই। তেখেতৰ chamber ৰ দুৱাৰমুখত কিবা কামত গৈ চুচুক-চামাক কৰি থাকিলে কয় —কিহৰ চুচুক-চামাক? সোমাই আহা। ভয়ে ভয়ে কথা কওঁ। তেখেতৰ অভিধানত 'না', 'নহ'ব' শব্দ নাই, সকলো আবেদন মঞ্জুৰ। মহেশচন্দ্ৰ দেৱগোস্বামী ছাৰৰ কোঠাত সোমাবলৈ বুকুত সাহস লাগে। মুখ্য কাৰ্যালয় সহায়ক গদাধৰ নে গদাৰাম— আমি গদা শইকীয়া বুলি জানো। চকুত ডাঠ চেলাউৰি। গুৰু-গম্ভীৰ মানুহ। আনন্দ কাকতি দ্বিতীয় সহায়ক। ছাত্ৰ বৃত্তিৰ কাম কৰে। সকলো ছাত্ৰ-ছাত্ৰীকে আচৰিতভাৱে নামে-ধামে চিনি পায়। স্কলাৰচিপ আহিলেই কয় নৰ স্কলাৰচিপ লৈ যাবা। ৰেভিনিউ টিকট এটা আনিবা। তেখেতে চেক দিয়ে। আমি গৈ হয়বৰগাঁৱত থকা State Bank of India ৰ শাখাত লাইন ল'ব লগা হয়।

আমাৰ দিনত ১৯৬৫ চনত আমি সোমাওঁতে খগেন মহন্ত আৰু দীনেশ দাসৰ শেষৰ বছৰ। কলেজৰ ফাংচনত ৰাতি সাংস্কৃতিক অনুষ্ঠানত খগেন মহন্তই গান গায়। গোপীনাথ বৰদলৈ হলত

বিৰ দি বাট পাবলৈ নাই। তেখেতে তেতিয়াই ‘কলৰে পাততে কাউৰী পৰে’ গীতটো গায়। আমি নিতান্ত উলাহেৰে শুনো আৰু চিঞৰো, খগেন দা আৰু এটা। একাংকিকাৰ এতিয়াৰ নামজাদা খলনায়ক (নাটকতহে জীৱনত নহয়) দীনেশ দাসে ধেমেলীয়া ভাও কৰে। আঁঠুৰ তলত পৰা এটা খাকী হাফপেণ্ট, কলাফুলৰ আধাখৈলেকে অহা এযোৰ জোতাৰে ভাও কৰি দীনেশ দাসে আমাক হুহুঁৱাই পেটৰ নাড়ী ডাল ডাল কৰে। খগেন মহন্তই আমাক এৰি সিপুৰীলৈ গুচি গৈছে, তেখেতৰ আত্মাই চিৰশান্তি লাভ কৰক। দীনেশ দাস আৰু বহুত দিন বাচি থাকক।

আনৰ হেঁচা-ঠেলাত বিজ্ঞান শাখাত নাম (I.Sc. Fist year) লগাই লৈ মোৰ মহা পয়মাল। বিজ্ঞানৰ শিক্ষক নাই, কলকাতাৰ বিভিন্ন কলেজ-বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষকক আনি ক্লাছ কৰায়। Physics ৰ দাড়ি থকা শিক্ষকজনে গোটেই বাৰাণ্ডাত জোতা চোঁচৰাই ক্লাছত সোমায়। কি পঢ়ুৱায় একো বুজি নাপাওঁ। অংকৰ বঙালী শিক্ষকজনে পঢ়ুওৱা Cos Theta, Cosec Theta সেইবোৰহে মনত আছে। Practical Classঅত বহুত সামগ্ৰীৰ অভাব। Chemistry ৰ বাহিৰে বাকী Practical একো বুজি নাপাওঁ। লাভ হ’ল, বিজ্ঞানৰ বহুত শব্দ এতিয়াও মনত আছে — Charles Law, Doyle's Law, Avagrado's Hypothesis, Valency, $H_2SO_4$ এইবোৰ মই এতিয়া কাৰোবাক শিকাব পাৰিম। Arts ৰ ল’ৰা-ছোৱালীক আমনি দিয়াৰ বাবে $H_2S$ অৰ নলাটো খুলি থওঁ।

দুটা বছৰ কেনি গ’ল, ক’বই নোৱাৰোঁ। ফাইনেল পৰীক্ষা আহি পালে, পৰীক্ষাত বহিলোঁ। ৰিজাল্ট চিটত নাম নাই। তাৰ মানে I.Sc. ফেইল মাৰিলোঁ, সেই বছৰতে মানে ১৯৬৩ চনত গুৱাহাটী বিশ্ববিদ্যালয়ে Three Year Degree Course খুলিছে আৰু I.A., I.Sc. বেয়া কৰা সকলোকে 3 year degree course অত নামভৰ্তিৰ সুবিধা দিছে আৰু ৰ’বলৈ নাই। Three year degree course B.A. 1st Year অত নাম লগালো। Good Bye Science বিজ্ঞানী নহওঁ। ইংৰাজী আৰু Pol. Science অত Terminal অত Highest Mark পাওঁ। English অৰ হবিবুৰ ৰহমান ছাৰ আৰু Pol. Science অৰ তগৰ বৰা ছাৰে বহীবোৰ বিলায় কয় — Highest Mark পাইছে নৰকান্ত বৰদলৈয়ে। মই Back Bencher ল’ৰা-ছোৱালীবোৰৰ মাজেদি পৰীক্ষাৰ বহী ছাৰৰ হাতৰপৰা সংগ্ৰহ কৰিবলৈ ছাৰৰ টেবুললৈ যাওঁতে খোজ থৰক-বৰক হয়। তিনি বছৰৰ প্ৰতিটো Terminal ত ইংৰাজী আৰু ৰাজনীতি বিজ্ঞানত হয় Highest নহয় 2nd Highest Mark পাওঁ। এনেকৈয়ে তিনিটা বছৰ পাৰ হ’ল। ১৯৬৫ চনত বি এ ফাইলেন পৰীক্ষাত অৱতীৰ্ণ। সেই বছৰ নগাঁও কলেজত ৰেকৰ্ড কৰি বি এ পৰীক্ষাত আমি পাঁচজনে ডিষ্টিংচন পালোঁ। সেই বছৰ Honours খুলিছে মাত্ৰ M A পঢ়িবলৈ গৈ বিমোৰত পৰিলোঁ — Which subject to choose ইংৰাজী আৰু Pol. Science।

ৰাজনীতি বিজ্ঞানত কেইটামান নম্বৰ বেছি ইংৰাজীতকৈ। নাম লগালোঁ ৰাজনীতি বিজ্ঞানত। ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী পণ্ডিত Dr. V. Venkata Rao ছাৰে ল’ৰা যেতিয়াই নাহক নামভৰ্তি কৰি দিয়ে, ক্লাছত বহিবলৈ ঠাই নাই সেইবোৰলৈ ছাৰৰ ভ্ৰূক্ষেপ নাই। পূজাৰ বন্ধ পালেহি — মোৰ লাগিল চিন্তা — এমখা ছাত্ৰ-ছাত্ৰীয়ে যদি ৰাজনীতি বিজ্ঞানত এম এ পাছ কৰে, চাকৰি পাব ক’ত? পূজাৰ পিছত শ্ৰেণী খোলাত ভয়ে ভয়ে এদিন ইংৰাজী বিভাগৰ মুৰব্বী অমৰেশ দত্ত ছাৰক লগ কৰি ভয়ে ভয়ে ক’লোঁ— ছাৰ মই বিভাগ সলাই ইংৰাজীলৈ আহিব খোজোঁ, তেখেতে গুৰু-গম্ভীৰ স্বৰত ক’লে বহুত দেৰি হ’লহে। এতিয়া পাৰিবা জানো। ইংৰাজীত কিমান নম্বৰ আছিল। মই ক’লোঁ। তেখেতে ক’লে যদি ড° ৰাওৱে তোমাক বিভাগ এৰিবলৈ সন্মতি দিয়ে মই এডমিশ্বন দিম বাৰু। ৰাও ছাৰ আপোন ভোলা মানুহ।

মোৰ দৰ্খাস্থ লগতে Allow বুলি চহী এটা মাৰি দিলে, মই ইংৰাজী বিভাগৰ ছাত্ৰ হৈ পৰিলোঁ আৰু দুবছৰৰ মূৰত ইংৰাজীত এম এ ডিগ্ৰী লৈ পাছ কৰিলোঁ। ৰিজাল্ট নিদিওঁতেই পুৰণিগুদামৰ Dr. B K Baruah কলেজলৈ জোৰ কৰি লৈ গ'ল। তাতেই অধ্যাপনা জীৱন আৰম্ভ। তাৰপিছতহে গৃহ জিলা মৰিগাঁও কলেজ।

নগাঁও কলেজ ১৯৪৪ চনত স্থাপিত হৈছে, নগৰৰ মাজমজিয়াত ঘাই ৰাস্তাৰ কাষতে। জিলাখনৰ ভিতৰত এখনেই কলেজ আমাৰ দিনত। গতিকে ছাত্ৰ-ছাত্ৰী উপচি পৰে। নগাঁও কলেজত মই চাৰি বছৰৰ ঠাইত বিজ্ঞানী হ'বলৈ গৈ পাঁচ বছৰ থাকিলোঁ। অধ্যক্ষ যজ্ঞেশ্বৰ শৰ্মা। মোৰ মনত চাপ বহুওৱা অধ্যাপক মহিম বৰা, ৰবীন্দ্ৰ চন্দ্ৰ বৰা, হবিবুৰ ৰহমান, বিনয় শইকীয়া, আব্দুল হেকিম, মাণিক বৰা, ৰাজগুৰু ছাৰ, মোহন সিং, তগৰ বৰা, ললিত শইকীয়া, আব্দুল হাই/চামাদ্দাৰ ছাৰে হাততে লাও এটা, বা অমিতা এটা, বা কচু এটুকুৰা লৈ নগৰৰ মাজেদি খ্ৰীষ্টানপট্টিত থকা ঘৰলৈ যায় ৰহমান ছাৰৰ Pestilence stricken multitude, shelley in an unaffectual angel beating in the void his luminous wings in vain (Arnold) আজিও মনত আছে। জগত কটকী ছাৰ অৰ্থনীতিৰ। ভগৱান বৰুৱা অৰ্থনীতিৰ ছাৰ। ওখ-পাখ দেখাত ধুনীয়া মানুহ আৰু বহুত ছাৰৰ নাম এতিয়া স্মৃতিৰপৰা হেৰাই গৈছে।

১৯৪৪ চনত স্থাপন হোৱা নগাঁও কলেজে এইবাৰ হীৰক জয়ন্তী বৰ্ষ উদ্‌যাপন কৰিবলৈ লৈছে। মোৰো জন্মৰ তাৰিখ ১/৮/১৯৪৪। ময়ো জীৱনৰ হীৰক জয়ন্তীত। কিমান synhronise হৈ গৈছে। মই লগ পোৱা বহুত শ্ৰদ্ধেয় শিক্ষক আৰু ছাত্ৰ বন্ধু বহুত এতিয়া নাই। মাননীয় ৰবীন্দ্ৰ চন্দ্ৰ বৰা আৰু মই একেখন কাকতত লেখো। কি অপূৰ্ব যোগসূত্ৰ। এতিয়াৰসকল সকলোৰেই অচিনাকি অধ্যক্ষ বৰকটকীৰ বাদে। জনা-নজনা সকলো শিক্ষক-শিক্ষয়িত্ৰীলৈ মৰম শ্ৰদ্ধা জনালোঁ। শতবৰ্ষ দেখিবলৈ নাপাম সেই আক্ষেপ থাকি যাব।❑

---

লেখক - প্ৰাক্তন ছাত্ৰ আৰু মৰিগাঁও মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক।

# উভতি চাওঁ

**অপৰাজিতা তামুলী ফুকন**

১৯৪৪ চনত আৰম্ভ হোৱা মধ্য অসমৰ অগ্ৰণী শিক্ষানুষ্ঠান নগাঁও মহাবিদ্যালয়ে ৭৫ বছৰ সম্পূৰ্ণ কৰিলে। এই ঐতিহ্যমণ্ডিত মহাবিদ্যালয়খনত অধ্যাপনা কৰাৰ সূত্ৰে আজিৰ এই মহাৰজত জয়ন্তী সমাৰোহৰ অংশীদাৰ হ'বলৈ পাই নিজকে পৰম সৌভাগ্যৱতী বুলি গণ্য কৰিছোঁ।

প্ৰায় ৩৭ বছৰকাল এইখন মহাবিদ্যালয়ৰ সংস্কৃত বিভাগত শিক্ষাদান কৰাৰ পিছত (শেষৰ দুবছৰ উপাধ্যক্ষা হিচাবে কাৰ্যনিৰ্বাহ কৰি) ২০১৭ চনৰ ২৮ ফেব্ৰুৱাৰীত অৱসৰ গ্ৰহণ কৰিলোঁ। মহাৰজত জয়ন্তীৰ উখল-মাখল পৰিৱেশত মনটো ঘনাই অতীতলৈ উৰা মাৰিছে — এৰি অহা দিনবোৰলৈ এবাৰ উভতি চাবলৈ মন গৈছে।

১৯৭৯ চন। অসম আন্দোলন। নগাঁও কলেজত সংস্কৃতৰ পদ এটাৰ বিজ্ঞাপন দেখি মই আৱেদন কৰিলোঁ। সেই বছৰৰে এপ্ৰিল মাহত মোৰ এম এ পৰীক্ষাৰ ফলাফল ওলাইছিল আৰু খুব সম্ভৱ মে'/জুন মাহ মানৰ ভিতৰত মই আৱেদন কৰিছিলোঁ। মোক সাক্ষাৎকাৰলৈ মতা হ'ল। সাক্ষাৎকাৰৰ বাবে আহিছিলোঁ মোৰ মাহীৰ লগত। মাহীৰ অন্তৰংগ বান্ধৱী আছিল দীপ্তি বাইদেউ — শ্ৰদ্ধেয় মহিম বৰা ছাৰৰ সহধৰ্মিনী। দীপ্তি বাইদেউ শ্বিলঙৰ লেডীকিন কলেজত মোৰ দেউতাৰ ছাত্ৰী আছিল। মই আহি ছাৰৰ ঘৰত থকা সময়তে প্ৰয়াত বিশিষ্টা লেখিকা স্বৰ্ণ বাইদেউক লগ পালোঁ। বাইদেৱে মোৰ অহাৰ উদ্দেশ্যৰ কথা গম পাই ক'লে যে নগাঁও কলেজৰ এই পদটো কলেজৰে প্ৰাক্তন ছাত্ৰ এগৰাকীয়ে পাব। কথাটো শুনি মোৰ মন একেবাৰে হতাশ হৈ পৰিল। দীপ্তি বাইদেৱে মোক বুজাই-বঢ়াই উদ্‌গনি দিলে। মই ইণ্টাৰভিউ দিলোঁ আৰু পিছত স্বৰ্গীয় প্ৰফুল্ল কটকী (বাণিজ্য) ছাৰে দীপ্তি বাইদেউক মোৰ ইণ্টাৰভিউ বৰ ভাল হোৱা বুলি কৈছিল। যি নহওক চাকৰিটো ময়েই পালোঁ। মোৰ কলেজখনৰ প্ৰতি খুব শ্ৰদ্ধাৰ ভাব এটা জাগি উঠিল ইয়াকে ভাবি যে ইয়াত মেধাকহে অগ্ৰাধিকাৰ দিয়া হয়। যিগৰাকী প্ৰাৰ্থীয়ে ইয়াত চাকৰি পাব বুলি কথা ওলাইছিল তেওঁতকৈ মোৰ একাডেমিক কেৰিয়াৰ বেছি ভাল আছিল।

চাকৰিত যোগদান কৰিবলৈ আহিছিলোঁ মাৰ লগত (যিহেতু মোৰ দেউতা সেই সময়ত অসুস্থ আছিল)। তেতিয়া আমি পৰিবহণ নিগমৰ বাছেৰে অহা-

যোৰা কৰিছিলোঁ আৰু বাছত আমাৰ এজন সহযাত্ৰীয়ে যেতিয়া গম পালে যে মই নগাঁৱত চাকৰি কৰিবলৈ ওলাইছোঁ তেওঁ মাক ক'লে — "আপুনি ছোৱালীজনীক কিয় নগাঁৱলৈ পঠিয়াইছে? নগাঁও কলেজততো এতিয়া জুই জ্বলিছে।" অসম আন্দোলনৰ ভৰপক সময় তেতিয়া। এইখন কলেজৰ অধ্যক্ষ স্বৰ্গীয় মুহিৰাম শইকীয়া ছাৰৰ নেতৃত্বত কাৰ্ফিউ ভংগ কৰিবলৈ সমূহ ৰাইজ ৰাজপথলৈ ওলাই আহিছিল।

তথাপিতো আহি চাকৰিত যোগদান কৰিলোঁ ১৯৭৯ৰ ১২ চেপ্তেম্বৰত। বৰ্তমানৰ শিক্ষকৰ ভৱনটো তেতিয়া নাছিল। সমুখৰ পুৰণি ভৱনটোৰ ৰাজনীতি বিজ্ঞান বিভাগ আৰু আগৰ অৰ্থনীতি বিভাগ দুটা লগ লাগি আমাৰ তেতিয়াৰ শিক্ষকৰ জিৰণি কোঠাটো আছিল। কলা বিভাগৰ সকলোৰেই একেলগে তাত বহিছিলোঁ। বেলেগ বেলেগ বিভাগীয় কক্ষ নাছিল।

প্ৰথম দিনা শ্ৰেণীকোঠালৈ যাওঁতে ল'ৰা-ছোৱালীবিলাকে এনেদৰে মোলৈ চাবলৈ ধৰিলে মোৰ খোজ থৰক-বৰক হোৱাৰ উপক্ৰম হৈছিল। তাৰপাছতে কলেজৰ অলপ উৎপতীয়া ল'ৰা-ছোৱালী কেইজনমানে মোক আগুৰি ধৰি নানাধৰণৰ প্ৰশ্ন সুধিবলৈ ধৰিলে — মই কোন বিভাগৰ, ক'ৰপৰা আহিছোঁ, ইত্যাদি — অৰ্থাৎ সৰু সুৰাকৈ ৰেগিং যেনেই লাগিল। আজি এইবোৰ মিঠা স্মৃতি সুঁৱৰি ভাবিছোঁ কেনেকৈ যে দিনবোৰ পাৰ হৈ গ'ল। সেই সময়ত মহিলা অধ্যাপিকা আছিল সীমিত — ভানু বাইদেউ (বুৰঞ্জী), চন্দ্ৰপ্ৰভা বাইদেউ (গণিত), বিজয়া বাইদেউ (প্ৰাণীবিজ্ঞান), চেনিমাই বাইদেউ (শিক্ষাতত্ব), অপৰ্ণা বাইদেউ (পদাৰ্থবিজ্ঞান), অঞ্জলি বাইদেউ (অৰ্থনীতি)। মই নতুনকৈ যোগদান কৰা সময়ত মোৰ অগ্ৰজ এই বাইদেউসকলৰপৰা যথেষ্ট মৰম-চেনেহ পাইছিলোঁ আৰু মোক সকলো কথাতে সহায়-সহযোগিতা আগবঢ়াইছিল। মোৰ পিছত লাহে লাহে লীলা দাস, মঞ্জুমণি কলিতা, বিভা গোস্বামী আদি আহি যোগদান কৰাত আমাৰ কনিষ্ঠ অধ্যাপিকাসকলৰ এটা দল হ'ল আৰু আমি আজিলৈকে বন্ধুত্বৰ ডোলেৰে বান্ধ খাই আছোঁ। ইতিমধ্যে আমাক শোকৰ সাগৰত পেলাই মঞ্জুমণিয়ে ইহসংসাৰৰপৰা বিদায় মাগিছে।

আমাৰ পুৰণি কমন ৰূমটোত বৰ সুন্দৰ পৰিৱেশ আছিল। কলাবিভাগৰ সকলোবোৰ অধ্যাপক একেলগে বহি লৈ ৰসাল আলোচনা কৰিছিল। বিজ্ঞান বিভাগবিলাকৰ পৰাও ক্লাছ নাথাকিলেই ছাৰসকল আহি কমনৰূম পায়হি। ৰসায়ন বিভাগৰ শ্বাহ আলম ছাৰে মোক দেখিলেই সংস্কৃতৰ শ্লোক এফাঁকি গাই তাৰ অৰ্থ সুধিছিল। মহিম বৰা ছাৰেও কমনৰূমত বহি কিছুমান বুদ্ধিদীপ্ত হাস্যৰসাত্মক কথা কৈ পৰিৱেশ সজীৱ কৰি তুলিছিল। ইংৰাজী বিভাগৰ হবিবুৰ ৰহমান ছাৰ, চালেহ ছাৰ, ভূগোল বিভাগৰ কমল গোস্বামী ছাৰ সকলোৰে নতুনকৈ অহা প্ৰবক্তাসকলক নিজৰ কন্যাৰ দৰে মৰম কৰিছিল। বুৰঞ্জী বিভাগত আছিল ভানু বাইদেউ, ললিত শইকীয়া ছাৰ, অৰুণকান্তি দাস ছাৰ। পৰীক্ষাৰ ডিউটিলৈ আহোতে কেতিয়াবা দেৰি হ'লে অৰুণকান্তি দাস ছাৰে কঠোৰ ভাষাৰে গালি পাৰে — কিন্তু পিছ মুহূৰ্ততে তেখেতৰ মৰমৰ মাতষাৰ পোৱাৰ পিছত আমাৰ মন ফৰকাল হৈ পৰিছিল। অসমীয়া বিভাগত মহিম বৰা ছাৰৰ উপৰি ড° সৰ্বেশ্বৰ ৰাজগুৰু ছাৰ, তাৰিণী শৰ্মা ছাৰ, মনোমোহন দাস ছাৰ, মাণিক বৰা — প্ৰত্যেকেই একোজন বিশিষ্ট শিক্ষাবিদ আছিল। এইদৰে প্ৰতিটো বিভাগতেই বিশেষ পাৰদৰ্শিতা থকা অধ্যাপকসকলৰ দ্বাৰা নগাঁও মহাবিদ্যালয় জিলিকি আছিল। লেখনী দীঘলীয়া হোৱাৰ ভয়ত প্ৰত্যেকৰ বিষয়ে লিখাৰপৰা বিৰত থাকিলো।

দিন, মাহ, বছৰবিলাক বাগৰি গৈছিল। আমিও লাহে লাহে জ্যেষ্ঠা অধ্যাপিকা হৈ পৰিছিলোঁ। ২০০৪ চনত প্ৰথম NAAC ৰ (National Assessment and Accreditation Council) পৰিদৰ্শনৰ কথাবিলাক আৰম্ভ হ'ল। তাৰ আগলৈকে কলেজখন এটা নিৰ্দিষ্ট গতিত চলি আছিল। ২০০৪

চনৰ প্ৰথম ‘নাক’ৰ আগমনৰ সময়ত পতা এখন প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সভাত এগৰাকী প্ৰাক্তন ছাত্ৰী, যি নগাঁও মহাবিদ্যালয়ত তিনিবাৰ একেৰাহে শ্ৰেষ্ঠা গায়িকা আছিল — তেওঁৰ ভাষণত দুখ প্ৰকাশ কৰি কৈছিল যে কলেজখন তেওঁলোকে যিটো পৰ্যায়ত এৰি থৈ গৈছিল (১৯৭২) সেই একে অৱস্থাতে আছে। কিন্তু ২০০৪ ৰপৰা আজিৰ দিনলৈকে কলেজখনৰ যিমান পৰিৱৰ্তন হ’ল সেয়া সকলো প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ লগতে অন্যান্য ব্যক্তিয়েও কলেজখন দেখি স্বীকাৰ কৰে।

মোৰ চাকৰি জীৱনত বহুকেইজন অধ্যক্ষক লগ পোৱাৰ সৌভাগ্য ঘটিছে। তেখেতসকল হ’ল — মুহিৰাম শইকীয়া, প্ৰদীপ শইকীয়া, মহেন্দ্ৰ আহোম, ড° খৰ্গেশ্বৰ ভূঞা আৰু বৰ্তমানৰ অধ্যক্ষ ড° শৰৎ বৰকটকীদেৱ। মুহিৰাম শইকীয়া ছাৰ আছিল ৰাজনৈতিক ক্ষেত্ৰৰ এটা উজ্জ্বল জ্যোতিষ্ক। প্ৰদীপ শইকীয়া আৰু খৰ্গেশ্বৰ ভূঞাৰ পাণ্ডিত্যৰ কথা সকলোৰে জ্ঞাত। ড° বৰকটকীদেৱো এজন বিশিষ্ট কবি, সাহিত্যিক। আমি সঁচাকৈয়ে আমাৰ অধ্যক্ষসকলক লৈ গৌৰৱ কৰিব পাৰোঁ। প্ৰতিষ্ঠাপক অধ্যক্ষ স্বৰ্গীয় যজ্ঞেশ্বৰ শৰ্মা ছাৰৰ কথা ক’বই নালাগে। তেওঁ সমগ্ৰ অসমৰেই বিদ্যায়তনিক জগতৰ ভোটা তৰা। নগাঁৱৰ তিনিখন নামজ্বলা কলেজ — এ ডি পি কলেজ, নগাঁও ছোৱালী কলেজ আৰু ধিং কলেজ — এই সকলোতে নগাঁও কলেজৰ অধ্যাপকে বৰ্তমানৰ অধ্যক্ষৰ আসন শুৱনি কৰি আছে। এয়াও আমাৰ বাবে গৌৰৱৰ বিষয়।

এইখিনিতে মোৰ নিজৰ বিভাগটোৰ বিষয়ে কিছু কথা ক’ব বিচাৰিছোঁ। আমাৰ বিভাগত ভাল ছাত্ৰ-ছাত্ৰী পাবলৈ টান। কাৰণ বেছিভাগ মেধাৱী ছাত্ৰ-ছাত্ৰীয়ে ইংৰাজী, অৰ্থনীতি, ৰাজনীতি বিজ্ঞান আদি বিষয়ত মেজৰ ল’বলৈ আগ্ৰহী। আমি মধ্যমীয়া ছাত্ৰ-ছাত্ৰীখিনিহে পাওঁ। অৱশ্যে মাজে মাজে ব্যতিক্ৰম হয়। দুই-এটা মেধাৱী ল’ৰা-ছোৱালীও আছে। কিন্তু আমাৰ বিভাগত তিনি বছৰ গুৰু পাঠ্যক্ৰম সমাপ্ত কৰি প্ৰতি বছৰে এক বুজন সংখ্যক ল’ৰা-ছোৱালী প্ৰথম শ্ৰেণী লৈ ওলাই যায় আৰু বিশ্ববিদ্যালয়তো তেওঁলোকে ভাল ফল দেখুৱাবলৈ সক্ষম হয়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগৰ অধ্যাপিকা মোৰ এগৰাকী বান্ধৱীয়ে প্ৰায়েই মোক কয় যে নগাঁও কলেজে প্ৰতিবছৰ বহু ভাল ভাল ছাত্ৰ-ছাত্ৰীক বিশ্ববিদ্যালয়লৈ (সংস্কৃত বিভাগলৈ) পঠিয়াই থাকে। এনেবিলাক কথাই আমাক উৎসাহ যোগায়। আমাৰ শ্ৰম সাৰ্থক হোৱা যেন লাগে।

লিখিবলৈ বহু কথাই আছে। কিন্তু দীঘলীয়া কথাই পাঠকক আমনি দিব। গতিকে মোৰ সোঁৱৰণিৰ পাতবোৰ জপাই থ’বলৈ বাধ্য হ’লো। নগাঁও মহাবিদ্যালয় এতিয়াতকৈ আৰু বেছি উন্নতিৰ পথত ধাৱমান হওক। সমগ্ৰ অসমৰ ভিতৰত শ্ৰেষ্ঠ স্থান দখল কৰক। মহাৰজত জয়ন্তীৰ পৱিত্ৰ ক্ষণত ভগৱানৰ ওচৰত তাকেই কামনা কৰিছোঁ। ❑

লেখিকা- নগাঁও মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ প্ৰাক্তন মুৰব্বী আৰু উপাধ্যক্ষা।

# স্মৃতি বিজড়িত নগাঁও মহাবিদ্যালয়

**ৰেখা শৰ্মা**

শিক্ষাৰ বাটকটীয়া প্ৰথম স্থানখনেই হ'ল নগাঁও। নানা ঘাত-প্ৰতিঘাতৰ মাজেদি শিক্ষাৰ পাতনি মেলিছিল মহেন্দ্ৰ কন্দলি, মাধৱ কন্দলিৰ দৰে সুযোগ্য সন্তানে। সেইসকল মানে বিচক্ষণ পণ্ডিত মহেন্দ্ৰ কন্দলিৰ তৎপৰতাত শিক্ষাৰ মূলমন্ত্ৰত দীক্ষিত হৈ শঙ্কৰৰপৰা শঙ্কৰদেৱৰ সৃষ্টি হৈছিল। যিজনাৰ কাপেৰে নিগৰিছিল "কৰতল কমল, কমল দল নয়ন" সেইখন নগাঁৱৰে বহু শিক্ষিত পণ্ডিত, বিদ্বান ছাত্ৰই অসমৰ কটন মহাবিদ্যালয়, কলিকতা বিশ্ববিদ্যালয়ত শিক্ষা লাভ কৰিবলৈ গৈছিল।

স্বাধীনতাৰ বহু বছৰ আগতেই নগাঁৱৰ কিছু বৰেণ্য ব্যক্তি ৰায়চাহাব বৃন্দাবন গোস্বামী, মতিৰাম বৰা, যোগ সিং ছেত্ৰীকে ধৰি অনেকজন সুধাময় পুৰুষে এখন মহাবিদ্যালয়ৰ অভাৱ নগাঁৱত অনুভৱ কৰিছিল। তাৰেই পুৰোধা ব্যক্তিজন হ'ল প্ৰয়াত মতিৰাম বৰা ডাঙৰীয়া। ১৯৪৪ চনত এটা অস্থায়ী ঘৰত নগাঁও মহাবিদ্যালয় প্ৰতিষ্ঠা কৰা হয়। উপযুক্ত এজন অধ্যক্ষৰ বিশেষ প্ৰয়োজন। সকলো চালি-জাৰি চাই শেষত যোৰহাট, জে বি কলেজৰ অধ্যাপক যজ্ঞেশ্বৰ শৰ্মা ছাৰক নিযুক্তি দিয়ে। চুটি-চাপৰ, তীক্ষ্ণ বুদ্ধিদীপ্ত চকুযুৰিৰে ছাৰক মহামন্ত্ৰী চাণক্যৰ দৰে লাগিছিল।

প্ৰথম অৱস্থাত শিক্ষকৰ নাটনি হৈছিল। নতুনকৈ এম এ পাছ কৰা ডেকা ল'ৰা দুজনমানক শিক্ষাদান কৰিবলৈ আমন্ত্ৰণ কৰি আনিছিল। তাৰে এজন প্ৰয়াত মতিৰাম বৰাৰ ভাতৃ দেবেন্দ্ৰ নাথ বৰা, আনজন ফৌজদাৰীপট্টিৰ দ্বীজেন্দ্ৰ মোহন গোস্বামী। খুব কম সময়ৰ বাবে তেওঁলোকে শিক্ষকতা কৰিছিল। তাৰ পিছৰপৰা মহিম বৰা, কোকিল বেজবৰুৱা, সমাদ্দাৰ ছাৰ, কমল গোস্বামী, গণেশ গোস্বামী, চক্ৰৱৰ্তী ছাৰ, চৌধুৰী ছাৰকে ধৰি পৰেশ চেটাৰ্জী বহুজন অধ্যাপকে কাম কৰে। আমি কলেজত ১৯৫৪ৰপৰা ১৯৫৬ চনলৈ আছিলোঁ। আমাৰ সময়ত চামাদ্দাৰ ছাৰ অতি ভদ্ৰ, অমায়িক, ভালকৈ বুজাব পৰা শিক্ষক আছিল। আমাৰ ক্লাছবিলাক বৰদলৈ হলত হৈছিল। অসমীয়াৰ দুয়োটা শ্ৰেণী কলেজ সোমোৱাৰ প্ৰথম কোঠাতেই হৈছিল। মোৰ ৰোল নম্বৰ ৬২ আছিল। তেতিয়া আমাৰ লগৰ ছোৱালী দুলালী, অঞ্জলি, যুতিকা, ৰাণী, আয়েছা, আফতাবা, অঞ্জলি গোহাঁই বহুকেইগৰাকী বান্ধৱী আছিল। তাৰে কে'বাগৰাকীৰ মৃত্যু হ'ল। প্ৰথম দিনা কলেজলৈ যাওঁতে মনত এটা শংকা, ভয় আনহাতে আনন্দও লাগিছিল। কাৰণ কলেজত পঢ়িবলৈ পাম। ছোৱালী কমনৰুমটো বেছি ডাঙৰ নাছিল। জ্যেষ্ঠ বাইদেউসকলক প্ৰায়খিনিকে চিনি পাওঁ। ক্লাচত সোমাওঁতে প্ৰথমতে সংকোচ লাগিছিল। ল'ৰাৰ

সৈতে একেলগে পঢ়িম। পিছলৈ দেখোতে দেখোতে সেই ভাব নোহোৱা হ'ল। মহিম বৰা ছাৰ আৰু গদাধৰ শৰ্মা ছাৰে অসমীয়া পঢ়াইছিল। বৰা ছাৰে অলপ খুহুতীয়া কথা কৈ শ্ৰেণী কোঠাটো ৰসাল কৰি তুলিছিল। এবাৰ ছাৰে কোৱা 'নিৰ্মল ভকত' পাঠ্যপুথিৰ এটা বাক্য আজিও মোৰ কাণত বাজি থাকে। 'চ'ত ফুৰা বামুণটি'। সকলোৱে মোৰ মুখলৈ চালে, কিয়নো ময়ে বামুণ ছোৱালী আছিলোঁ। ছাত্ৰসকলে ছাৰক সুধিছিল, ছাৰে উত্তৰত কৈছিল, চ'ত মাহত পূজা-পাৰ্বণ নাথাকে, সেয়ে তেওঁলোকে দক্ষিণা বিচাৰি ভৰ ৰ'দত যাব লগা হয়। সেই কথাখিনি ইমান বছৰৰ পিছত মোৰ লেখা এটাত প্ৰকাশ কৰিছোঁ। গদাধৰ শৰ্মা ছাৰ খুব গহীন। সাহিত্যখিনি বুজাওঁতে তেওঁ একেই গভীৰ ভাব প্ৰকাশ কৰি বুজাইছিল। কমল গোস্বামী ছাৰে Commercial ভূগোল পঢ়াইছিল। ছাৰে বৰ ৰস লগাকৈ পাঠ্যপুথিৰ বাক্যবিলাক বুজাইছিল। কোকিল বেজবৰুৱা ছাৰে বুৰঞ্জী পঢ়াইছিল। বৰ ৰস পোৱা নাছিলোঁ যদিও মানুহজনক খুব ভাল লাগিছিল। শিক্ষকসকল তেতিয়া সকলো অবিবাহিত আছিল। ছাৰসকল ছাত্ৰীসকলৰ জিৰণি কোঠাৰ পিছফালৰ বাসগৃহত আছিল। কিবা কামত দুগৰাকীমান ছাত্ৰী ছাৰসকলৰ ওচৰলৈ যায়। লগৰ বিলাকে তাকে লৈ গুজব কৰে। অধ্যক্ষ শৰ্মা ছাৰ ধুতীখনৰ আগটো হাতত লৈ ছাত্ৰী কমন ৰুমৰ কাষ পায়গৈ। হুলস্থুল কৰা শুনিলে ছাৰে কয়, 'ইমান ডাঙৰ ছোৱালী বিয়া দিবৰ হ'ল, কিয় চিঞৰ-বাখৰ কৰিছা।' ছাৰ যোৱাৰ পিছত হাঁহিৰে উপচাই পেলায়। যিহেতু গম্ভীৰ মানুহজনৰ মুখেদিও এনে কথা ওলাইছে। আমাৰ নৱাগত আদৰণি সভাত পাঁচগৰাকী ছাত্ৰীয়ে লক্ষ্মীনাথ বেজবৰুৱাৰ 'আমি অসমীয়া নহওঁ দুখীয়া' কবিতাটো কোৰাছ গাইছিলোঁ। খুব ভাল লাগিছিল। আমাৰ প্ৰথম বাৰ্ষিকত সদৌ অসম সংগীত প্ৰতিযোগিতা হৈছিল। উদ্বোধক আছিল বিশিষ্ট শিক্ষাবিদ, সাংসদ হেম বৰুৱাদেৱ। ফুলৰ মালা পিন্ধাই আদৰি আনিছিলোঁ ময়ে। পট্টবৰ্দ্ধন, এছৰাজ বাদক খানসকলৰ অংশগ্ৰহণত সংগীতৰ যি কাৰ্যসূচী, আজিও মনত পৰে। বৰগীত গাই শুভ উদ্বোধন কৰিছিল নিকুঞ্জ মহন্ত বাইদেৱে। 'শ্ৰেষ্ঠ গায়িকা' হিচাবে গুণদা দাসে প্ৰথম পুৰস্কাৰ পাইছিল। বিয়াৰ পিছত গুণদা কৌৰ হৈছিল। এইবিলাক সোঁৱৰণ কৰি আনন্দও লাগে, দুখো লাগে যে ক'ত হেৰাই গ'ল সেই ভাতৃত্ববোধ আৰু মৰম-চেনেহবিলাক! কলেজ এৰাৰ পিছত বিবাহিত জীৱনত সাংসাৰিক মায়া-মোহত সোমাই পৰিলোঁ। কিন্তু শিক্ষাগুৰুসকলক পাহৰা নাছিলোঁ। বিভিন্ন ঠাইত চাকৰি সূত্ৰে ঘূৰি-পকি আকৌ নিজ ঠাই নগাঁও পালোহি। অসমৰ সৰ্ববৃহৎ ছাত্ৰ আন্দোলনৰ নেতৃত্ব লৈছিল তেতিয়াৰ নগাঁও কলেজৰ ছাত্ৰ নেতা প্ৰফুল্ল মহন্ত, গিৰীন বৰুৱা, দিগেন বৰাকে ধৰি অনেকজন। উদ্দেশ্য আছিল অসমৰপৰা বাংলাদেশী বিদেশী নাগৰিকক বিতাৰণ কৰা। ১৯৭৯ চনৰপৰা আৰম্ভ হোৱা এই বিদেশী নাগৰিক আন্দোলনে সমগ্ৰ অসম কঁপাই তুলিছিল। কোনেও কাকো অনুৰোধ কৰিব লগা নাছিল। আছু, গণ সংগ্ৰাম পৰিষদ, কৰ্মচাৰী পৰিষদ সকলোখিনিয়ে আছুৰ পতাকাৰ তলত মিলিত হৈছিল। মহিলাসকলৰ নিজা কোনো সংগঠন নথকাত আছুৰ পৰামৰ্শমতেই সদৌ অসম ভিত্তিত নগাঁও জিলাত মহিলাৰ সংগঠন কৰাৰ বাবে আহ্বান জনায়। সেই মৰ্মে ১৯৮৪ চনৰ ১৪, ১৫ অক্টোবৰত নগাঁও মহাবিদ্যালয়ত এখন অভিৱৰ্তন পতাৰ সিদ্ধান্ত লয়। সেই মৰ্মে ছাত্ৰসন্থাৰ উদ্যোগত অসমৰ প্ৰায় কেইখন জিলাৰপৰা চাৰিগৰাকীকৈ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিছিল। মাজুলী, ধেমাজি, গোৱালপাৰাকে ধৰি প্ৰায় ৩০০ প্ৰতিনিধি নগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ আবাসত থকাৰ ব্যৱস্থা কৰা হৈছিল। অধ্যক্ষ মুহিৰাম শইকীয়াৰ সহযোগৰ বাবে এই কাম সফল হৈছিল। বৰদলৈ হলৰ প্ৰতিনিধি সভাত মহিলাৰ এক শক্তিশালী সংগঠন

'সদৌ অসম মহিলা সমন্বয় পৰিষদ'ৰ জন্ম হয়। এই মহিলা সংগঠনৰ জৰিয়তে ১৯৮৪ চনৰ ডিচেম্বৰ মাহত ১৬ জনীয়া এক মহিলা সঁজাতী দলে প্ৰধান মন্ত্ৰী ৰাজীৱ গান্ধীক এখন তথ্য সম্বলিত স্মাৰক পত্ৰ প্ৰদান কৰা হয়। তাৰ ভিত্তিতেই তেখেত অসমলৈ আহে। ইয়াৰ বাহিৰেও অসমৰ স্থায়ী ৰাজধানী পতাৰ বিষয়ত তেজপুৰৰ বিশিষ্ট সাংবাদিক (মহাজাতি) পূৰ্ণ নাৰায়ণ সিংহৰ সভাপতিত্বত অসমৰ ভালেখিনি প্ৰতিনিধিৰে বৰদলৈ হলত সভা অনুষ্ঠিত হৈছিল। আমি উপস্থিত আছিলোঁ।

যিহওক নগাঁও মহাবিদ্যালয়ে ৭৫ জন্ম জয়ন্তী উদ্‌যাপন কৰি পুৰণা নতুন ছাত্ৰ-ছাত্ৰীক একত্ৰিত কৰাৰ উদ্যোগ লোৱাৰ বাবে কৰ্তৃপক্ষক ধন্যবাদ জনাইছোঁ। জয়তু নগাঁও মহাবিদ্যালয়। ❑

লেখিকা - বিশিষ্ট সমাজ সেৱিকা আৰু প্ৰাক্তন ছাত্ৰী



# স্মৃতিৰ জলঙাইদি
# নগাঁও কলেজৰ চাৰিটা শিক্ষাবৰ্ষ (১৯৬৯-১৯৭৩)

**গুণীন্দ্ৰ গায়ন**

**ঊ**নৈছ শ ঊনসত্তৰ চন। হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ প্ৰাক-বিশ্ববিদ্যালয় শ্ৰেণীত; তেতিয়া প্ৰাক্-বিশ্ববিদ্যালয় শ্ৰেণী এবছৰীয়া আছিল, নাম লগাই যিমানদূৰ মনত পৰে মে' মাহৰ শেষৰ ফালে নে জুন মাহৰ প্ৰথম সপ্তাহত আৰম্ভ হোৱা শিক্ষা বৰ্ষৰ প্ৰথম ক্লাচটো কৰিবলৈ ওলাই গৈছোঁ। দুচকুত অলেখ স্বপ্ন আৰু মনৰ মাজত দুৰন্ত বাসনা। সমুখত সেউজ-সোণোৱালী ভৱিষ্যতৰ ছবি আৰু কঠিন বাস্তৱ।

ঘৰৰপৰা প্ৰায় এমাইল দূৰৰ বাটৰ কলেজখনলৈ ওলাই লাভাৰ ব্ৰীজ নামেৰে খ্যাত শেৱালি কবি ৰত্নকান্ত বৰকাকতি দলং, সেই সময়ত কাঠৰ আছিল। এতিয়াহে ১৯৯৫ চনৰপৰা আৰ চি চি হ'ল। পাৰ হৈ কলঙৰ পাৰৰ ৰাস্তাটোৰে গৈ কলেজৰ সন্মুখ পালোগৈ। প্ৰথম ক্লাচটোৰ সময় আছিল আঠ বাজি চল্লিছ মিনিট। ছহীদ ভৱনৰ সমুখেৰে গৈ চাৰিআলিটো পাৰ হৈ কলেজৰ গেটৰ ফালে খোজ দিয়াৰ সময়তে কলেজ বাউণ্ডেৰীৰ ওখ দেৱালত বহি থকা কেইজনমান যুৱকৰ মাজৰে কোনোবা এজনে কোৱা শুনিলোঁ, 'নিউ কামাৰ হ'বলা'। ইতিমধ্যে মই তেওঁলোকক চেৰাই গৈছোৱেই। তেনেতে এজনে মাত লগালে, 'হেৰা ভাইটি—'। মই দুখোজমান পিছুৱাই আহি তেওঁলোকৰ মুখলৈ চালো। মোলৈ বিৰতিহীন প্ৰশ্নৰ বান আহিল—

কি নাম তোমাৰ?

ঘৰ ক'ত?

গাঁৱৰ পৰা নে ইয়াৰে?

চাইঞ্চ, আৰ্টচ্ নে কমাৰ্চত?

প্ৰি ইউ নে ডিগ্ৰীত?

ডে' চিফ্‌টত নে নাইটত?

মই নিৰুত্তৰ। এজনে তেওঁলোকৰ মাজৰে আন এজনলৈ আঙুলিয়াই দি ক'লে, 'দাদা'। তেওঁ লগে লগে গহীনাই আৰম্ভ কৰিলে, 'মই গোলাম আহমেদ, কলেজৰ পুৰণা ছাত্ৰ। মোৰ লগৰে এজনে এইবাৰ, তেওঁ চায়েঞ্চৰ, এম এছ চি পাছ কৰি আহি কামত জইন কৰিছেহি। মই এতিয়াও, মানে এইবাৰ ডিগ্ৰী ফাষ্ট ইয়েৰতে বৈ আছোঁ। পঢ়া-শুনাত কেঁচা। 'চ' আই এ্যাম দ্যা চিনিয়ৰম'ষ্ট ষ্টুডেণ্ট অফ্ দ্যা কলেজ। সকলোৰে দাদা। বুজিছা নহয়।'

মই বৰ শান্ত-শিষ্ট হৈ তেওঁৰ মুখলৈ চালোঁ। দাদাই এমোকোৱা ধোঁৱা শূন্যলৈ এৰি দি নিৰুদ্বেগ চিত্তেৰে ক'লে, 'কি চাই আছা? ক্লাচলৈ যোৱা। দেৰি হ'ব। পিছে পৰে লগ পাম।' উল্লেখনীয় যে পিচলৈ দাদা (তেওঁক সদায়েই দাদা বুলি সম্বোধন কৰিছিলোঁ। কলেজৰ প্ৰায় সকলো ছাত্ৰ-ছাত্ৰীয়েই) মোৰ ঘনিষ্ঠ বন্ধু হৈ পৰিছিল। আৰু আমি একে বৰ্ষতে ১৯৭৩ চনত স্নাতক ডিগ্ৰী লাভ কৰিছিলোঁ। বৰ্তমান গোলাম আহমেদ ইহসংসাৰত নাই। তেওঁৰ বিদেহী আত্মা শান্তিত থাকক। এয়াই আমাৰ কামনা।

তেওঁলোকৰপৰা আঁতৰি আহি খৰ খোজেৰে গৈ শ্ৰেণীকোঠাৰ সন্ধানত নামি পৰিলোঁ। যিমানদূৰ মনত পৰে, প্ৰথম ক্লাচটো আছিল ন নম্বৰ কোঠাত। সম্ভৱতঃ এতিয়াৰ এক, দুই নম্বৰৰ কোঠা দুটাই (বৰ্তমান এ টি এমৰ পিছফালে থকা কেণ্টিনৰ কাষৰ পুৰণা বিল্ডিঙত) তেতিয়াৰ ন, দহ নম্বৰৰ কোঠা আছিল। এটা নে দুটা ক্লাচ কৰাৰ পিছতে এজন ল'ৰা আহি মোক ক'লেহি, আপোনাক কেণ্টিনলৈ মাতিছে। এতিয়াৰ এ টি এমৰ পিছফালে য'ত চাইকেল ষ্টেণ্ড আছে, সেই ঠাইতে এখন দীঘলীয়া বাঁহৰ হলাৰে বেৰা দিয়া, দুৱাৰখনো বাঁহৰ, এখন টিনৰ চালিৰ কেণ্টিন আছিল। আমাৰ দিনত সেইখনেই আছিল কলেজৰ একমাত্ৰ কেণ্টিন।

মই নিঃশব্দে ল'ৰাজনৰ কথামতে কেণ্টিনলৈ পোনাই খোজ দিলোঁ। পিছত গম পালোঁ, মোক মাতিবলৈ অহা ল'ৰাজন কলেজৰ চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী। মই গৈ কেণ্টিনৰ দুৱাৰমুখ পাওঁতেই শুনিলোঁ, 'নৰকাই, তিনি ফুল, পাঁচ লেংটা। লগত শিঙৰা (চিংৰা) বা খুৰ্মা'।

মই কওঁতাজনৰ মুখলৈ চাব খুজি দেখিলোঁ, তেওঁৰ লগত একেখন বেঞ্চতে দাদা আৰু দুজন ছাত্ৰ বহি আছে। দাদাই চিনাকী কৰি দিলে, 'মোহিত বৰা, ছাত্ৰ হিচাপে মোতকৈ চিনিয়ৰ। চেকেণ্ড ইয়েৰত।'

মই হাতযোৰ কৰি নমস্কাৰ জনালোঁ। মোহিতদাই তেওঁৰ সোঁহাতখন আগবঢ়াই দি কৰমৰ্দন কৰি ক'লে, 'বহা। চাহৰ অৰ্ডাৰ দিছোঁ'। থিক তেনে সময়তে মন কৰিলোঁ কেণ্টিনখনৰ মুঠ দৈৰ্ঘ্যৰ তিনি ভাগৰ এক অংশমান ঠাই বাঁহৰ কাঠিৰ বেৰ এখনেৰে পৃথকাই ৰখা হৈছে। সম্ভৱতঃ ছাত্ৰীৰ বাবে। কাৰণ সেই সময়ত কোঠাটোত তিনিগৰাকী ছাত্ৰী বহি আছিল। তাৰে এগৰাকী উঠি আহি মোক সম্বোধন কৰি ক'লে, 'গুণীন, তুমি এড্‌মিশ্যন লোৱা বুলি গম পাওঁ। ক্লাচৰ পৰা ওলোৱা দেখি ময়ে মতালো। দাদাহঁতৰ লগত চিনাকী কৰি দিবলৈ। আৰু এটা কথা মই আলোচনী সম্পাদক। কবিতা এটা দিবা। আৰু মোহিতদায়ো নাটক লিখে।' তেওঁ বীণা বৰবৰা। ১৯৬৯-৭০ বৰ্ষৰ আলোচনী সম্পাদক। বীণা বৰবৰা সেই সময়ত নগাঁও জিলাৰ বাওঁপন্থী ছাত্ৰ সংগঠন এছ এফ আইৰ সক্ৰিয় কৰ্মী। তেওঁলোকৰ ঘৰখনো বাওঁপন্থী। আৰু বীণা বৰবৰাৰ সম্পৰ্কীয় মানুহ এঘৰ আমাৰ চুবুৰীয়া। সেয়ে আমাৰ চিনাকী যদিও বিশেষ মাতা-বোলা নাছিল।

এইখিনিলৈকে এয়া মোৰ কলেজীয়া জীৱনৰ প্ৰথম দিনাৰ অভিজ্ঞতাৰ স্মৃতিৰ এচেৰেঙা। ইয়াৰ পিছৰ কথাবোৰ অন্যধৰণৰ। কলেজীয়া জীৱনৰ তৃতীয় কি চতুৰ্থ দিনা কলেজলৈ গৈ দেখিলোঁ, গেটত আৰু প্ৰিঞ্চিপালৰ কোঠাত প্ৰকাণ্ড তলা। গেটৰ ভিতৰ ফালে ছাত্ৰ একতা সভাৰ সদস্য আৰু অন্যান্য ছাত্ৰ-ছাত্ৰীৰ ভিৰ আৰু চিঞৰ-বাখৰ। তাৰ মাজতে উচ্চ স্বৰে ঘোষিত হৈছে শ্লগান — 'আমাক স্থায়ী অধ্যক্ষ লাগে। লাগিবই লাগিব। কলেজ পৰিচালনা সমিতি মুৰ্দাবাদ, মুৰ্দাবাদ। ছাত্ৰ একতা সভা জিন্দাবাদ, জিন্দাবাদ।'

মুঠতে এটা হুলস্থূলীয়া পৰিৱেশ। সহস্ৰাধিক ছাত্ৰ-ছাত্ৰীৰ স-দম্ভ ঘোষণা। স্থায়ী অধ্যক্ষৰ নিযুক্তি নোহোৱা পৰ্যন্ত এই আন্দোলন, শ্ৰেণীবৰ্জন চলি থাকিব। চলিয়েই থাকিব। আৰু এনে হুলস্থূলীয়া পৰিৱেশৰ মাজতে কলেজ কৰ্তৃপক্ষই ঘোষণা কৰিলে, 'নগাঁও কলেজ ছাত্ৰ একতা সভাখন ভংগ কৰি দিয়া হৈছে।' যেন জ্বলা জুইতহে ঘিউ ঢালিলে। উপস্থিত ছাত্ৰ-ছাত্ৰীসকল অধিক উত্তেজিত হৈ পৰিল। তৎমুহূৰ্ততে সেই ঠাইতে এখন একশ্যন কমিটি গঠন কৰা হ'ল — যাতে নতুন ছাত্ৰ একতা সভা গঠন নোহোৱালৈকে স্থায়ী অধ্যক্ষ নিযুক্তিৰ দাবীত নৱগঠিত একশ্যন কমিটিখনে ছাত্ৰ একতা সভাৰ কাম চলাই যাব। আৰু নিজে নজনাকৈয়ে ময়ো সেই একশ্যন কমিটিৰ সদস্য হৈ গ'লোঁ। এই প্ৰসংগতে উল্লেখনীয় যে ১৯৬৯-৭০ বৰ্ষটো নগাঁও মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তীবৰ্ষ আছিল যদিও

ৰূপালী জয়ন্তী উদ্‌যাপন নহ'ল।

সময় আগুৱাই গৈ থাকিল। এফালে কলেজৰ স্থায়ী অধ্যক্ষ নিযুক্তিৰ দাবী আন্দোলন, আনফালে সমগ্ৰ অসমজুৰি শোধানাগাৰ আন্দোলন। এনে সময়তে যেন ভূতৰ ওপৰত দানহ পৰিল। খবৰ ওলাল অসমৰ ৰাজধানী চিলং পাহাৰৰপৰা ভৈয়ামলৈ আনিব লাগে। অস্থায়ীভাৱে গুৱাহাটীয়েই হ'ব অসমৰ ৰাজধানী।

স্থায়ী ৰাজধানী অসমৰ মধ্যস্থল নগাঁৱতে হ'ব লাগে বুলি অনেকজন গুণী-জ্ঞানী আৰু নেতৃস্থানীয় ব্যক্তিয়ে (সেইসময়ৰ) মতে প্ৰকাশ কৰিলে। আৰু নীতিগতভাৱে দাবী উত্থাপন কৰিব পৰাকৈ এখন ৰাজহুৱা সমিতি গঠনৰো পোষকতা কৰিলে। সেইমতেই গঠন কৰা হ'ল এখন পাঁচজনীয়া আহ্বায়ক সমিতি। আহ্বায়কৰ দায়িত্ব দিয়া হ'ল দ্বিজেন্দ্ৰ নাৰায়ণ দেৱগোস্বামী আৰু মোক। আৰু তৎকালীনভাৱে নগাঁও জিলাৰ ছাত্ৰ সমাজক একত্ৰিত কৰি এখন সদৌ নগাঁও জিলা ৰাজধানী সংগ্ৰাম সমিতি গঠন কৰা হয়। সভাপতি হিচাপে মনোনীত কৰা হয় মহম্মদ আবু শ্বৰিফক। সম্ভৱতঃ তেওঁ সেই সময়ত আনন্দৰাম ঢেকিয়াল ফুকন কলেজৰ সাধাৰণ সম্পাদক আছিল। বৰ্তমান তেওঁ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা আৰু গুৱাহাটীৰ স্থায়ী বাসিন্দা। সাধাৰণ সম্পাদকৰ দায়িত্ব দিয়া হয় মোহিত বৰাক। মই আৰু লুইত কুমাৰ বৰাই প্ৰচাৰ সম্পাদকৰ দায়িত্ব পাওঁ। কিন্তু সেই সময়ত সদৌ অসম ছাত্ৰ সন্থাৰ অৱস্থা প্ৰায় মৃত। কোনো সাংগঠনিক ভেটি নোহোৱাৰ দৰে। বিপৰীতে, ছাত্ৰ সংগঠন হিচাপে এচ এফ আই ক্ৰমাগতভাৱে শক্তিশালী হোৱাৰ পথত। এন এছ ইউ আই আৰু আৰ এছ এছৰ অৱস্থিতি থাকিলেও ভেটি শক্তিশালী নহয়। এনে অৱস্থাত মই, লুইত বৰা আৰু দ্বিজেন গোস্বামীয়ে স্বাক্ষৰ কৰা এখন পত্ৰ যোগে যোৰহাটৰ জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাক এখন ছাত্ৰ অভিৱৰ্তন আহ্বান কৰিবলৈ অনুৰোধ জনালোঁ। জে বি কলেজেও চাৰিদিনীয়াকৈ ছাত্ৰ অভিৱৰ্তন পাতিলে। যিমান দূৰ মনত পৰে, ১৯৭০ চনৰ ডিচেম্বৰ বা ১৯৭১ চনৰ জানুৱাৰী মাহত। এই অভিৱৰ্তনতে ছাত্ৰসন্থাক পুনৰ উজ্জীৱিত কৰিবৰ কাৰণে সেইসময়ৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ সাধাৰণ সম্পাদকক সভাপতি, কটন কলেজৰ সাধাৰণ সম্পাদকক সাধাৰণ সম্পাদকৰ দায়িত্ব দি লুইত বৰাক সাংস্কৃতিক সম্পাদক, জে বি কলেজৰ সাধাৰণ সম্পাদক (নাম পাহৰিলোঁ) উত্তৰ লখিমপুৰ কলেজৰ সাধাৰণ সম্পাদক মহেন্দ্ৰ কোঁচ (নামটো ভুলো হ'ব পাৰে), দৰং কলেজৰ বৃন্দাবন গোস্বামী, নগাঁও কলেজৰ মোক সাংগঠনিক দিশ চোৱাৰ দায়িত্ব দিয়ে। আৰু নগাঁও জিলা ৰাজধানী সংগ্ৰাম সমিতিখনকে সদৌ অসম ৰাজধানী সংগ্ৰাম সমিতি হিচাপে বাহাল ৰাখি অসমৰ সকলোবোৰ কলেজৰ সাধাৰণ সম্পাদকসকলক সদস্যৰূপে অন্তৰ্ভুক্ত কৰে। অভিৱৰ্তনৰপৰা ঘূৰি আহিয়েই আমি তেতিয়াৰ ভাৰতৰ প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীয়ে নগাঁও (জুবিলি ফিল্ডত) বৰ্তমানৰ নুৰুল আমিন ষ্টেডিয়ামত এখন ৰাজহুৱা সভাত ভাষণ দিব বুলি জানিব পাৰি (সম্ভৱতঃ ১৯৭০ চনৰ ডিচেম্বৰ মাহত) তেওঁক ডাইচত সম্বৰ্ধনা জনোৱাৰ সময়তে আবু শ্বৰিফ, মোহিত বৰা আৰু মোৰ দ্বাৰা স্বাক্ষৰিত এখনি চৈধ্য দফীয়া স্মৰক পত্ৰ প্ৰদান কৰোঁ। য'ত প্ৰথম প্ৰস্তাৱ আছিল অসমৰ স্থায়ী ৰাজধানী নগাঁও জিলাত হ'ব লাগে। দ্বিতীয় ১৯৫০ চনতে ভাষাৰ ভিত্তিত ভাৰতৰ ৰাজ্যসমূহ গঠন কৰাৰ পিছতো এই আইন অসমত যথাযথভাৱে বলবৎ হোৱা নাই। ইয়াক বাস্তৱত ৰূপায়িত কৰিব লাগে। ইয়াৰ পিছত খাদ্য সমস্যা, নিবনুৱা সমস্যা আৰু ছাৰ ছাদুল্লাৰ দিনৰে পৰা চলি থকা লাইন প্ৰথাৰ ভিত্তিত শ্ৰমিক আমদানি বন্ধ কৰা (তেতিয়ালৈকে বাংলাদেশে স্বাধীনতা লাভ কৰা নাই)কে ধৰি সৰ্বমুঠ চৈধ্যটা প্ৰস্তাৱ আগবঢ়োৱা হৈছিল। এইখিনিতে উল্লেখ কৰা উচিত হ'ব যে নগাঁও জিলা ৰাজধানী সংগ্ৰাম সমিতিখন নগাঁও জিলা নাগৰিক সমিতিলৈ উন্নীত

কৰা হয়। জয়শ্ৰী চিনেমা হলৰ কাষৰ, এতিয়াৰ অদিত্যৰ ঠাইত 'নগাঁও জিলা ৰাজধানী সংগ্ৰাম সমিতি'ৰ এটা অস্থায়ী কাৰ্যালয় স্থাপন কৰা হয়। পিছত কেন্দ্ৰই অসমৰ স্থায়ী ৰাজধানীৰ স্থান নিৰ্ণয় কৰিবৰ কাৰণে এখন বিশেষজ্ঞ সমিতি গঠন কৰি দিয়ে। সেই সমিতিয়ে নগাঁও জিলাৰ শিলঘাট আৰু কামৰূপ জিলাৰ চন্দ্ৰপুৰ আৰু এখন ঠাইৰ (নাম পাহৰিলোঁ) নাম উল্লেখ কৰে যদিও ৰাজনীতিৰ মেৰপেছত সকলো ফুটুকাৰ ফেন হ'ল। দিছপুৰতে ৰাজধানী বৈ গ'ল।

এনেবোৰ ঘটনাৰাজিৰে পুষ্ট ছাত্ৰ আন্দোলন চলি থকাৰ মাজতে ১৯৭১ চনত (সময়টো পাহৰিছোঁ) মুহিৰাম শইকীয়া চাৰে নগাঁও কলেজৰ স্থায়ী অধ্যক্ষৰূপে কামত যোগদান কৰে। উল্লেখ্য যে মুহিৰাম শইকীয়া ছাৰে যোগদান কৰাৰ সময়ত কলেজৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰী আৰু নগঞা ৰাইজৰ মাজত দ্বি-মতৰ সৃষ্টি হৈছিল। তথাপি, ছাৰে যোগদান কৰাৰ পিছত পৰিস্থিতি লাহে লাহে সুস্থ হয় আৰু কলেজৰ শৈক্ষিক পৰিৱেশো ক্ৰমাগতভাৱে উন্নত হ'বলৈ আৰম্ভ কৰে। ১৯৭০-৭১ বৰ্ষৰ ছাত্ৰ একতা সভাই কাম কৰিবলৈ সুবিধা পাই। সাধাৰণ সম্পাদক অনিল শৰ্মা। আলোচনী সম্পাদক লুইত কুমাৰ বৰা। আৰু Poor Fund Secy. হিচাপে মই নতুন কাম কৰাৰ কথা চিন্তা কৰি বিভাগীয় তত্ত্বাৱধায়ক শিক্ষকসকলৰ লগত আলোচনা কৰোঁ। একতা সভাৰ বাকীসকল সদস্যৰ নাম পাহৰিছোঁ। এই বৰ্ষৰ ছাত্ৰ একতা সভাৰ উল্লেখনীয় কাম হ'ল, প্ৰথম প্ৰাচীৰ পত্ৰিকাৰ প্ৰচলন। বোধহয়, নগাঁও কলেজেই অসমৰ প্ৰথমনে দ্বিতীয়খন (আনখন কটন কলেজ) কলেজ, য'ত প্ৰাচীৰ পত্ৰিকাৰ যোগেদি ছাত্ৰ-ছাত্ৰীৰ শিল্প চেতনা প্ৰকাশৰ সুবিধা কৰা হৈছিল। এই প্ৰাচীৰ পত্ৰিকাখনৰো সম্পাদক আছিল লুইত কুমাৰ বৰা।

দ্বিতীয়তে, Poor Fund নামটো সলাই শিক্ষাৰ্থী কল্যাণ নিধি (Students' welfare Fund) কৰা হয়। পূৰ্ব্বতে এই বিভাগৰ যোগেদি আৰ্থিকভাৱে দুৰ্বল ছাত্ৰ-ছাত্ৰীক বিশ্ববিদ্যালয়ে পৰিচালনা কৰা পৰীক্ষাসমূহৰ আবেদন পূৰণৰ মাছুল দিয়া হৈছিল। আমাৰ কাৰ্যকালৰপৰাই সেইসকল ছাত্ৰ-ছাত্ৰীক প্ৰতিটো শিক্ষা-বৰ্ষৰ বাবে প্ৰয়োজন হোৱা পাঠ্যপুথিৰো যোগান ধৰাৰ ব্যৱস্থা কৰা হ'ল। উল্লেখ্য যে এই ব্যৱস্থাৰ বাবে প্ৰয়োজনীয় কিতাপৰ বাবে বিভাগীয় শিক্ষক তত্ত্বাৱধায়ক মহম্মদ আলম চাৰ আৰু অধ্যক্ষ মুহিৰাম শইকীয়া ছাৰৰ সৈতে হোৱা আলোচনাৰ পিছত অধ্যক্ষ মহোদয়ে, আমাৰ যিমান দূৰ মনত পৰে, চৌষষ্ঠি হাজাৰ টকাৰ এটা অনুদান বিশ্ববিদ্যালয় অনুদান আয়োগৰপৰা জৰুৰীভাৱে আনি দিয়ে। আৰু গুৱাহাটীৰ লয়াৰ্ছ বুক ষ্টলৰ স্বত্বাধিকাৰী খগেন্দ্ৰ নাৰায়ণ দত্তবৰুৱাই উল্লিখিত পৰিমাণৰ টকাৰ বিনিময়ত প্ৰায় ডেৰ লাখমান টকাৰ মূল্যৰ কিতাপ দি উপকৃত কৰে। আৰু কিতাপখিনি ক্ৰমিক নম্বৰত সজাই ছাত্ৰ-ছাত্ৰীক বিতৰণ কৰিব পৰাকৈ থান থিত লগাই দিয়ে তেতিয়াৰ লাইব্ৰেৰীয়ান ৰেৱকান্ত বৰা আৰু তেখেতৰ সহযোগী টংকেশ্বৰ হাজৰিকাই। আমাৰ দিনত ছাত্ৰ একতা সভাৰ কাৰ্যালয় আছিল বৰ্তমানৰ Women Forumৰ কাৰ্যালয়টো। আৰু শিক্ষাৰ্থী কল্যাণ নিধিৰ কাৰ্যালয় আছিল বৰ্তমানৰ এক, দুই (তেতিয়াৰ ন-দহ) নম্বৰৰ শ্ৰেণীকোঠা আৰু ছাত্ৰ একতা সভাৰ কাৰ্যালয়ৰ মাজৰ কোঠাটো।

এইখিনিতে এটা কথাৰ উল্লেখ নকৰাকৈ নোৱাৰিলোঁ যে আমি পঢ়ি থকা সময়ছোৱাত (হয়তো এতিয়াও কিজানি) নগাঁও কলেজৰ লাইব্ৰেৰীটো অসমৰ সকলোবোৰ কলেজ লাইব্ৰেৰীতকৈ ডাঙৰ আছিল। ডাঙৰ কেৱল আকাৰত নহয়, বা কেৱল কিতাপৰ সংখ্যাৰেও নহয়, অতি মূল্যৱান আৰু কলেজৰ শিক্ষক-শিক্ষাৰ্থীৰ লগতে গৱেষক পণ্ডিতৰ বাবেও লাইব্ৰেৰীটো অতি প্ৰয়োজনীয় বুলি বিবেচিত হৈছিল। এয়া মোৰ নিজৰ কথা নহয়, আমাৰ কলেজ লাইব্ৰেৰীলৈ অহা বহুজন বিজ্ঞ-অভিজ্ঞ লোকৰহে

কথা। আমি গৰ্বেৰে অনুভৱ কৰোঁ, এনে হোৱাটোৱেই স্বাভাৱিক; যিখন কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ হ'ব পাৰে যজ্ঞেশ্বৰ শৰ্মা চাৰৰ দৰে পণ্ডিত প্ৰৱৰে, উপাধ্যক্ষৰ আসন শুৱনি কৰে পণ্ডিত মহেশ চন্দ্ৰ দেৱগোস্বামীৰ দৰে প্ৰজ্ঞাৱান শিক্ষাবিদে। ড° মোহন বৰা, ড° মোহন সিং, হবিবুৰ ৰহমান, কামাখ্যা সভাপণ্ডিত, মহিম বৰা আদি শিক্ষাগুৰুসকলে যিখন কলেজত শিক্ষকতা কৰিছিল, সেইখন কলেজৰ লাইব্ৰেৰী জ্ঞানৰ ভাণ্ডাৰেৰে গধুৰ হোৱাটোৱেই স্বাভাৱিক কথা। আমাৰ মনত লাগি থকা এইখিনি কথাৰ লগতে আৰু এযাৰ কথা উল্লেখ নকৰিলে অকৃতজ্ঞতাৰ দোষে চুব বুলি আমাৰ একান্তই ব্যক্তিগত ধাৰণা। সেয়া হ'ল, তেতিয়াৰ লাইব্ৰেৰীয়ান (তেওঁ আমাৰ সম্পৰ্কীয় মামা হোৱা বাবে কলেজতো 'ৰেব মামা' বুলিয়েই মাতিছিলোঁ) ৰেব মামাই সকলোৰে আগত দুখ প্ৰকাশ কৰি কৈছিল যে, কোনো কোনো ছাত্ৰ-ছাত্ৰীয়ে কিতাপ নি ঘূৰাই দিয়াৰ সময়ত কিছুমান মূল্যৱান পাত আৰু অধ্যায় ফালি ৰাখি (এতিয়াৰ দৰে জেৰক্স মেচিন থকা হ'লে এনে ঘটনা নঘটিলহেঁতেন চাগৈ) কিতাপখন মূল্যহীন কৰি ঘূৰাই দিছিল। তাৰ ভিতৰত এনে কিছুমান কিতাপ আছিল, যিবোৰ নতুনকৈ সংগ্ৰহ কৰাটো আছিল অসম্ভৱ। কিন্তু আচৰিত কথা যে সেই একেখিনি ছাত্ৰ-ছাত্ৰীৰ মাজৰে যি সকলে শিক্ষাৰ্থী কল্যাণ নিধিৰপৰা কিতাপ নিছিল, অকণো নষ্ট নকৰাকৈ যথা সময়ত ঘূৰাই দিছিল। এনেবোৰ কথাৰ সোঁৱৰণে অনেক সময়ত আমাক অনাবিল আনন্দ দিয়ে।

এনেকৈয়ে ১৯৭০-৭১ বৰ্ষৰ ছাত্ৰ একতা সভাৰ কাৰ্যকালৰ অন্ত পৰিল। ১৯৭১-৭২ বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচন হ'ল। নৱ-নিৰ্বাচিত ছাত্ৰ একতা সভালৈ অনিল বৰা সাধাৰণ সম্পাদক, দ্বিজেন্দ্ৰ নাৰায়ণ দেৱগোস্বামী সহকাৰী সাধাৰণ সম্পাদক (আমাৰ দিনত সহঃ সাধাৰণ সম্পাদকজন নৈশ শাখাৰ ছাত্ৰ-ছাত্ৰীৰপৰা, অৱশ্যে নৈশ শাখাত ছাত্ৰী নাছিল), গৌতম বৰা, সংগীত সম্পাদক, আব্দুল

EXECUTIVE COMMITTEE,
NOWGONG COLLEGE STUDENTS' UNION SOCIETY,
SESSION : 1971–72.




1st Row :—

Sitting form L. to R.

Prof. Md. Saleh ( Joint in-charge College Magazine), Prof. Arun Kanti Das (In-charge, Boys—Common Room), Prof. Md. Sah Alam ( Incharge, Students,' Welfare Fund), Principal Muhiram Saikia (President. NCUS), Prof. Tagar Ch. Bora, (Incharge, Literary & Cultural Section), Prof. Arun Barman (Incharge, Music Section), Mr. Dwijendra Narayan Dev Goswami ( General Secy., In-charge), Mr. Gunindra Gayan (Editor, College Magazine),

2nd Row :—

Standing form L. to R. :—

Mr. Abul Kalm Azad (Asstt.. Secy, Games & Sports), Mr. Gautam Kumar Borah (Music Secy,), Mr. Babul Rajkhowa (Asstt. Music Secy), Mr. Probudh Hazarika (Gymnasium Secy.),, Mr. Anil Borah (Late General Secy.), Mr. Lakshmi kanta Das (Secy, Literary & Cultural Section), Mr. Plaban Kr. Baruah (Secy., Games & Sports) Mr. Azizur Rahman (Asstt., Secy. Students' Welfare Fund), Miss Rehana Sultana Ahmed (Secy,. Girls, Common Room), & Mr. Mukut Choudhury (Secy., Students' Welfare Fund).

কালাম আজাদ, সহকাৰী ক্ৰীড়া সম্পাদক (কোৱা বাহুল্য যে, সেই সময়খিনিত ১৯৭১-৭৩ লৈ কালামক কলেজৰ ছাত্ৰ-ৰাজনীতিৰ ষ্টিয়েৰিং হুইল আখ্যা দিয়া হৈছিল) আৰু আলোচনী সম্পাদক হিচাপে মই, গুণীন্দ্ৰ গায়ন। বাকীসকল সদস্যৰ নাম উল্লেখ নকৰি ছাত্ৰ একতা সভাৰ ফটোকপি এটা সংযোগ কৰি দিলোঁ।

আমাৰ দৃষ্টিৰে এইখন ছাত্ৰ একতা সভাৰ কাৰ্যকালটো কেইবাটাও দিশৰপৰা তাৎপৰ্যপূৰ্ণ। প্ৰথম, বাংলাদেশক স্বাধীন ৰাষ্ট্ৰ ঘোষণা। ঘটনাচক্ৰত ভাৰতে বাংলাদেশৰ পক্ষত থিয় যুদ্ধত অংশগ্ৰহণ কৰে। এই কথালৈ লক্ষ্য ৰাখি নগাঁও কলেজৰ বাৰ্ষিক সপ্তাহৰ বঁটা বিতৰণী অনুষ্ঠানৰ বাবে ব্যয় কৰিব লগা সমুদায় ধন কলেজৰ ফালৰপৰা প্ৰতিৰক্ষা পুঁজিলৈ দান কৰা হয়। তাৰোপৰি প্ৰায় বাৰশ ছাত্ৰই ৰক্তদান কৰিবৰ কাৰণে স্থানীয় Blood Bankত নাম ভৰ্তি কৰে। (তথ্য, আমি সম্পাদনা কৰা আলোচনীৰপৰা)।

দ্বিতীয়তে, ১৯৭২ চনৰ মাধ্যম আন্দোলন। এই বছৰৰে তিনি জুন তাৰিখে তেতিয়াৰ অসমৰ মুখ্য মন্ত্ৰী শৰৎচন্দ্ৰ সিংহই কাছাৰত গুৱাহাটী বিশ্ববিদ্যালয়ক বঙালী ভাষাটোক উচ্চ শিক্ষাৰ মাধ্যম হিচাপে গ্ৰহণ কৰিবলৈ মান্তি কৰিব পৰা যাব বুলি কোৱাৰ কাৰণেই মাধ্যম আন্দোলনৰ সূত্ৰপাত হয়। আৰু এই আন্দোলনৰ উৎপত্তি স্থলো হ'ল নগাঁও কলেজ ছাত্ৰ একতা সভাৰ কাৰ্যালয়। যিমানদূৰ মনত পৰে, তিনি জুনৰ দিনা সন্ধিয়া ৰেডিঅ' যোগে বাতৰিটো প্ৰচাৰ হোৱাৰ লগে লগে অনিল বৰা আৰু ককায়েক অজয় বৰা আৰু মই (অনিল আৰু অজয় আমাৰ ঘৰৰ কাষতে মেচ কৰি আছিল) বিষয়টো আলোচনা কৰোঁ। খন্তেক পিছতে অনিল কলেজলৈ যাবলৈ সাজু হৈ ক'লে, 'গুণীনদা, মই এবাৰ কলেজৰপৰা আহোঁ। মোহিতদাক লগ পাব লাগে। কালিলৈ কিবা এটা কৰিব লাগিব।' পিছদিনা ৰাতিপুৱা ন মান বজাৰ পিছত কিজানি, ছাত্ৰ একতা সভাৰ কাৰ্যালয়ত মোহিত বৰা, লুইত কুমাৰ বৰা (প্ৰাক্তন আলোচনী সম্পাদক) দ্বিজেন গোস্বামী, আবুল কালাম মই আৰু অনিল বৰা গোট খাওঁ। তেনেকুৱাতে গৌতম বৰাও আহি উপস্থিত হয়। আলোচনাৰ অন্তত (আগদিনা বাতৰি সম্পৰ্কে) সিদ্ধান্ত লোৱা হয় যে তৎকালীনভাৱে 'জয়শ্ৰী' আৰু 'কৃষ্ণা' চিনেমাহল দুটাত চলি থকা বাঙালী চিনেমাৰ প্ৰচলন সাময়িকভাৱে বন্ধ কৰি দিয়া হওক। আৰু জৰুৰীভাৱে এখন প্ৰচাৰ পত্ৰিকা ছপাই সমগ্ৰ অসমত বিতৰণ কৰি তীব্ৰ আন্দোলন গঢ়ি তুলিব লাগে।

কথা মতে কাম। প্ৰায় শতাধিক ছাত্ৰ-ছাত্ৰীৰ এটা দল কলেজৰপৰা ওলাই আহি দুয়োটা হলতে চিনেমাৰ প্ৰদৰ্শন বন্ধ কৰা হ'ল। তাৰপিছতে মোহিত বৰা, লুইত বৰা, দ্বিজেন গোস্বামী, আবু হানিফা, কালাম, হানিফা, মই আৰু অনিল একগোট হৈ প্ৰচাৰ পত্ৰ ছপোৱাৰ সিদ্ধান্ত লওঁ। আবেলিৰে পৰা নগৰৰ মাজমজিয়াৰ এটা ছপাশালত (নাম উল্লেখ নকৰিলোঁ, অনুচিত বুলি ভাবিছোঁ) এহেজাৰ কপি প্ৰচাৰ পত্ৰ ছপাই সম্ভৱতঃ এশ আৰু পঞ্চাছ খিলাৰ পেকেট কৰি লগে লগে নৈশ বাছৰ (সেই সময়ত কেৱল চকাৰী নৈশ বাছহে চলিছিল) যোগেদি অসমৰ বিভিন্ন স্থানলৈ বিতৰণ কৰিলোঁ। এঘাৰ জুনত বিশ্ববিদ্যালয়ৰ উপাচাৰ্য আৰু শিক্ষা পৰিষদৰ ছাত্ৰৰপৰা চৰম পত্ৰ দিয়া হয়। এই সময়লৈকে অসমৰ ছাত্ৰ সমাজ সদৌ অসম ছাত্ৰ সন্থা ৰূপে চিহ্নিত হোৱা নাই। জিলা ছাত্ৰসভা আৰু বিশ্ববিদ্যালয় ছাত্ৰ একতা সভাৰ যৌথ আলোচনা মৰ্মে আন্দোলনৰ সিদ্ধান্ত লোৱা হৈছিল। পিছলৈ আন্দোলনৰ মাজতে ছাত্ৰ সমাজক 'সদৌ অসম ছাত্ৰ সন্থা' ৰূপে চিহ্নিত কৰা হয়।

দিনে দিনে আন্দোলন তীব্ৰতৰ হৈ উঠে। ছয় অক্টোবৰত মোজাম্মিল হক মাধ্যম আন্দোলনৰ প্ৰথম ছহিদ হয়। ইতিমধ্যে খাৰুপেটীয়া আৰু মঙ্গলদৈ চহৰত সান্ধ্য আইন বলবৎ হয়। সমগ্ৰ অসম উত্তপ্ত। সাত জুনৰ পুৱা চাৰে দহ বজাৰপৰা জুবিলি ফিল্ডত

(বৰ্তমানৰ নুৰুল আমিন ষ্টেডিয়াম) এখন বিৰাট ৰাজহুৱা সভাৰ আৰম্ভ হয়। নগাঁও চহৰৰ সকলোবোৰ স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীৰ সভালৈ আগমন ঘটে। আমাৰ যিমানদূৰ মনত পৰে, মোহিত বৰাই সভাপতিত্ব কৰা সভাখনত সভা চলি থকাৰ মাজতে কোনোবা দুজন ছাত্ৰই (নাম মনত পৰা নাই) আহি খবৰ দিয়ে, হোজাই নীলবাগানত পৰিস্থিতি উত্তপ্ত। অনিল বৰা আৰু এ ডি পি কলেজৰ সাধাৰণ সম্পাদক নৰেন বৰুৱা চলাচল হোটেলৰ সমুখৰ স্বপন হোটেলত (নামটো বোধহয়, স্বপন টি ষ্টল আছিল, এতিয়া নাই) চাহ খাই থকাৰপৰাই এখন এম্বেচাদৰ গাড়ীৰে হোজাইলৈ গৈছে। খবৰটো আপোনালোকক দিবলৈ কৈছে। লগে লগে সভা ভংগ কৰি আমি অধ্যক্ষ মুহিৰাম শইকীয়া চাৰ, ডি চি আৰু এছ পিক কথাটো জনাই এদল ছাত্ৰ হোজাই অভিমুখে যাত্ৰা কৰো। পিছে আমাক পুলিচ প্ৰশাসনে নীলবাগানৰপৰা হোজাইলৈ আগবাঢ়িবলৈ নিদিলে। সন্ধিয়ালৈ খবৰ ওলাল, হোজাইত অনিল বৰাক শিৰচ্ছেদ কৰা হৈছে। কথাৰ সত্যতা স্বীকাৰ কৰিলে, অনিল বৰাৰ সৈতে একেলগে গাড়ীত থকা, আক্ৰমণৰ সময়ত গাড়ীৰপৰা জঁপিয়াই নামি প্ৰাণ ৰক্ষা কৰা নৰেন বৰুৱাই। পিছত জানিব পাৰিলোঁ তেওঁলোকৰ গাড়ীত শিশিৰ ফুকন, ননী বৰপূজাৰী (চিত্ৰশিল্পী) আৰু আনোৱাৰো আছিল। সেই দিনাই, সাত অক্টোবৰত অনিল বৰা হোজাইত দ্বিতীয় ছহিদ হয়। আঠ অক্টোবৰৰপৰা সমগ্ৰ নগাঁও জিলাত সান্ধ্য আইন চলি থকাৰ মাজতে যোল্ল অক্টোবৰত অনিল বৰাৰ মুণ্ডহীন মৃতদেহ হোজাইত উদ্ধাৰ হয়। খবৰটো মুখে মুখে প্ৰচাৰ হোৱাৰ লগে লগে মই আৰু মোৰ বন্ধু আবু হানিফা (এইখিনিতে কৈ থোৱা উচিত হ'ব যে ছাত্ৰ একতা সভাৰ সদস্য নোহোৱাকৈয়ে হানিফা আৰু মোহিত বৰাই সক্ৰিয় সদস্যৰ ভূমিকা পালন কৰি গৈছিল) গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ কাৰ্যালয়ত অনুষ্ঠিত হ'ব লগা কাৰ্যকৰী সভাৰ বৈঠকলৈ কলেজৰপৰা চাপৰমুখলৈকে সান্ধ্য আইনৰ মাজতে খোজকাঢ়ি গৈ চাপৰ মুখৰপৰা পল্টন বজাৰলৈ ৰে'লেৰে যাত্ৰা কৰি তাৰপৰা জালুকবাৰীলৈ খোজকাঢ়ি সন্ধিয়া কাৰ্যকৰী সভাৰ জৰুৰী বৈঠকত মিলিত হৈছিলোঁ। দুৰ্ভাগ্যৰ কথা যে সেইদিনাই ৰাতিলৈ হঠাৎ আমাৰ পিতৃ বিয়োগ হোৱাত মই আন্দোলনৰপৰা আঁতৰি আহিব লগা হ'ল। এইখিনিতে কওঁ যে সান্ধ্য আইনৰ মাজতে নগাঁও চিভিল হস্পিতালত দেউতাৰ মৃত্যু হোৱাত হয়বৰ গাঁৰৰ যি ঠাইত আমাৰ পূৰ্ব্বপুৰুষসকলৰ শ সৎকাৰ কৰা হৈছিল, সেই ঠাইত দেউতাৰ মৃতদেহ সৎকাৰ কৰিবলৈ দিয়া হোৱা নাছিল। চি আৰ পিৰ আবেষ্টনীৰ মাজত মাজৰআটি গাঁৰৰ পশ্চিম দিশত থকা চৰকাৰী গ্ৰেজিং ৰিজাৰ্ভত সৎকাৰ কৰিবলৈ দিছিল। আৰু শ্মশানত প্ৰয়োজন হোৱা চন্দন কাঠ, ঘিউ, ধূনা, মাটি চৰু, টেকেলি আদিৰ যোগান ধৰিছিল কালাম, আজিবুৰ ৰহমান আৰু আবু হানিফাই।

এই দিনটোৰপৰা এমাহৰ বাবে মই আন্দোলনৰপৰা সম্পূৰ্ণৰূপে আঁতৰি থাকিব লগা হ'ল। ইয়াৰ মাজতে আন্দোলন স্থগিত ৰখাৰ কথা ঘোষণা কৰা হ'ল। পিছত, মই সম্পাদনা কৰা ২১ শ সংখ্যাৰ নগাঁও কলেজ আলোচনীত 'মাধ্যম আন্দোলনৰ ইতিবৃত্ত' বুলি লিপিবদ্ধ কৰি ৰখা চমু বিবৰণীখিনি এই লিখাৰ লগত সংযুক্ত কৰি দিলোঁ।

**শিক্ষাৰ মাধ্যম আন্দোলনৰ ইতিবৃত্ত - ১৯৭২ চনৰ তিনি জুনৰপৰা বাৰ নৱেম্বৰলৈকে**

৩ জুন : মুখ্যমন্ত্ৰী শ্ৰীশৰৎচন্দ্ৰ সিংহই কাছাৰত কয়— গুৱাহাটী বিশ্ববিদ্যালয়ক বাঙালী ভাষাটোক উচ্চ শিক্ষাৰ মাধ্যম হিচাপে গ্ৰহণ কৰিবলৈ মান্তি কৰাব পৰা হ'ব।

৬ জুন : গুৱাহাটী বিশ্ববিদ্যালয়ৰ শিক্ষা পৰিষদৰ প্ৰস্তাৱ— শিক্ষাৰ মাধ্যম অসমীয়া আৰু ইংৰাজী হ'ব। কিন্তু

| | | |
|---|---|---|
| | | প্ৰশ্ন-কাকতৰ উত্তৰ অসমীয়া, ইংৰাজী আৰু বাঙালীত কৰিব পাৰিব। |
| ১১ জুন | ঃ | উপাচাৰ্য্য আৰু শিক্ষা পৰিষদৰ সদস্যলৈ ছাত্ৰৰ চৰম-পত্ৰ। |
| ১২ জুন | ঃ | গুৱাহাটী বিশ্ববিদ্যালয়ৰ শিক্ষা পৰিষদৰ প্ৰস্তাৱ-অসমীয়াই শিক্ষাৰ মাধ্যম হ'ব, আৰু ইংৰাজী অনধিক দহ বছৰলৈ বিকল্প মাধ্যম ৰূপে চলি থাকিব। এই ব্যৱস্থা ১৯৭২-৭৩ চনৰপৰা প্ৰাক্ বিশ্ববিদ্যালয় শ্ৰেণীত প্ৰযোজ্য হ'ব। |
| ১৫ চেপ্তেম্বৰ | ঃ | ছাত্ৰৰ দাবী দিৱস। |
| ২৩ চেপ্তেম্বৰ | ঃ | অসম বিধান সভাৰ প্ৰস্তাৱ— বিশ্ববিদ্যালয় পৰ্যায়ত গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অসমীয়া ভাষা শিক্ষাৰ মাধ্যম হ'ব লাগে। অৱশ্যে ইংৰাজীও মাধ্যম হিচাপে অব্যাহত থাকিব লাগে। তদুপৰি ৰাজ্যিক ভাষা আইনৰ মৰ্ম অনুসাৰে কাছাৰ জিলাৰ ভিতৰত আঞ্চলিক ক্ষেত্ৰাধিকাৰ ৰাখি এখন পৃথক বিশ্ববিদ্যালয় পাতিব লাগে আৰু এই বিষয়ে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত আবেদন জনাব লাগে। |
| ২৯ চেপ্তেম্বৰ | ঃ | ছাত্ৰৰ প্ৰতিবাদ দিৱস। মুখ্য মন্ত্ৰীলৈ ছাত্ৰৰ চৰম পত্ৰ। |
| ৫ অক্টোবৰ | ঃ | মাধ্যমৰ দাবীত অসম বন্ধ। খাৰুপেটীয়াত মোজাম্মিল হক আক্ৰান্ত। খাৰুপেটীয়াত সান্ধ্য-আইন। |
| ৬ অক্টোবৰ | ঃ | মোজাম্মিল হক মাধ্যম আন্দোলনৰ প্ৰথম শ্বহীদ। সান্ধ্য-আইনৰ কবলত দ্বিতীয় চহৰ মঙ্গলদৈ। |
| ৭ অক্টোবৰ | ঃ | নগাঁৱত শোক দিৱসৰ হৰতাল। হোজাইত অনিল বৰা মাধ্যম আন্দোলনৰ দ্বিতীয় শ্বহীদ। হোজাই আৰু ডবকা সান্ধ্য-আইনৰ কৱলত ক্ৰমান্বয়ে তৃতীয় আৰু চতুৰ্থ চহৰ। |
| ৮ অক্টোবৰ | ঃ | সান্ধ্য-আইনৰ কৱলত নগাঁও পঞ্চম চহৰ। |
| ৯ অক্টোবৰ | ঃ | চৰকাৰী কাৰ্যালয়ত ছাত্ৰৰ পিকেটিং। ধুবুৰী সান্ধ্য-আইনৰ কৱলত ষষ্ঠ চহৰ। |
| ১১ অক্টোবৰ | ঃ | চৰকাৰী কাৰ্যালয়ত ছাত্ৰৰ পিকেটিং। |
| ১২ অক্টোবৰ | ঃ | চৰকাৰী কাৰ্যালয়ত ছাত্ৰৰ পিকেটিং। তিনিশৰো অধিক ছাত্ৰ-ছাত্ৰী গ্ৰেপ্তাৰ। গুৱাহাটী, ডিব্ৰুগড় সান্ধ্য-আইনৰ কৱলত-ক্ৰমে সপ্তম আৰু অষ্টম চহৰ। |
| ১৪ অক্টোবৰ | ঃ | ফখৰুদ্দিন আলি আহমেদে গুৱাহাটীত কয়— অসমৰ আঞ্চলিক ভাষা অসমীয়া। এই কথাত কাৰো দ্বিমত থাকিব নোৱাৰে। যিসকল অসমত থাকিব খোজে, সেইসকলে এই সত্য স্বীকাৰ কৰি ল'বই লাগিব। কিয়নো ৰাজ্যসমূহ ভাষাৰ ভিত্তিতে গঠন কৰা হৈছে। নৱম চহৰ দুলীয়াজানত সান্ধ্য-আইন। |
| ১৬ অক্টোবৰ | ঃ | অনিল বৰাৰ শিৰহীন মৃতদেহ উদ্ধাৰ। |
| ১৭ অক্টোবৰ | ঃ | অনিল বৰাৰ শৱ-যাত্ৰা আৰু নগাঁও সাহিত্য সভা চৌহদত অন্ত্যেষ্টিক্ৰিয়া। ৰাজ্যজুৰি শোক দিৱস। |
| ১৯ অক্টোবৰ | ঃ | নিগম গাঁৱত প্ৰমোদ বৰা মাধ্যম আন্দোলনৰ তৃতীয় শ্বহীদ। |
| ২০ অক্টোবৰ | ঃ | দশম চহৰ নামৰূপত সান্ধ্য-আইন। |
| ২৩ অক্টোবৰ | ঃ | মুখ্যমন্ত্ৰীৰ দ্বাৰা ঘূৰণীয়া মেজ-মেলত মাধ্যম প্ৰসঙ্গ আলোচনাৰ প্ৰস্তাৱ। |
| ২৫ অক্টোবৰ | ঃ | মাধ্যম সংক্ৰান্তত ৰাজ্যিক অভিৱৰ্তন। শ্ৰীৰাম নিবাস মিৰ্দ্ধাই (গৃহ পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী) দিল্লীত কয়— গুৱাহাটী বিশ্ববিদ্যালয়ৰ শিক্ষা পৰিষদৰ সিদ্ধান্তই ভাষা সমস্যাৰ মীমাংসাৰ ভিত্তি হ'ব পাৰে। |
| ২৬ অক্টোবৰ | ঃ | উচ্চতম ন্যায়ালয়ে শিলচৰৰ গুৰুচৰণ কলেজৰ আবেদন অগ্ৰাহ্য কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ শিক্ষাপৰিষদৰ মাধ্যম সম্পৰ্কীয় বৈধতা স্বীকাৰ কৰে। সান্ধ্য-আইনৰ কৱলত একাদশ চহৰ যোৰহাট। |
| ২৯ অক্টোবৰ | ঃ | মুখ্যমন্ত্ৰীৰ বেতাঁৰ বিবৃত্তি ঃ চৰকাৰে ২৩ চেপ্তেম্বৰৰ প্ৰস্তাৱ কাৰ্য্যকৰী নকৰে। অসমীয়া ভাষা-সাহিত্য সংস্কৃতিৰ বিন্দুমাত্ৰও ক্ষতি হ'ব পৰা ব্যৱস্থা নলয়। মাধ্যম আন্দোলনৰ চতুৰ্থ শ্বহীদ বলীন ৰাজখোৱা। |
| ৩০ অক্টোবৰ | ঃ | দ্বাদশ চহৰ গোলাঘাটত সান্ধ্য-আইন। আভ্যন্তৰীণ নিৰাপত্তা ৰক্ষা অনুযায়ী বিভিন্ন ঠাইত গ্ৰেপ্তাৰ। |
| ৩১ অক্টোবৰ | ঃ | গণ অনশন আৰম্ভ। |
| ১ নবেম্বৰ | ঃ | গণ অনশন। ত্ৰয়োদশ, চতুৰ্দশ আৰু পঞ্চদশ চহৰ ক্ৰমান্বয়ে সৰুপথাৰ, বৰপথাৰ আৰু নাওজানত |

| | | |
|---|---|---|
| | | সান্ধ্য-আইন। |
| ২ নবেম্বৰ | ঃ | গণ অনশন সমাপ্ত। কংগ্ৰেছ সভাপতি শঙ্কৰ দয়াল শৰ্মা আৰু কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী মেহতাৰ আগমন। গুৱাহাটী বিশ্ববিদ্যালয় চৌহদত পুলিচৰ প্ৰৱেশ। |
| ৬ নবেম্বৰ | ঃ | গণ-সত্যাগ্ৰহ আৰম্ভ। প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীৰ চিলং আগমন। শ্ৰীফখৰুদ্দিন আলি আহমেদে গুৱাহাটীত আকৌ কয়— 'আন্দোলন প্ৰত্যাহাৰ কৰক অথবা স্থগিত ৰাখক।' চৰকাৰৰ দ্বাৰা সকলো স্কুল-কলেজ অনিৰ্দিষ্ট কাললৈকে বন্ধৰ ঘোষণা। |
| ৭ নবেম্বৰ | ঃ | গণ সত্যাগ্ৰহ। |
| ৮ নবেম্বৰ | ঃ | প্ৰধান মন্ত্ৰীৰ লগত চিলঙত ছাত্ৰ-নেতাৰ আলোচনা। |
| ৯ নবেম্বৰ | ঃ | কুঁৱৰীটোলত সত্যাগ্ৰহীৰ ওপৰত পুলিচৰ গুলীচালনা। মাধ্যম আন্দোলনৰ পঞ্চম শ্বহীদ নৰেন মহন্ত। |
| ১০ নবেম্বৰ | ঃ | সত্যাগ্ৰহীৰ ওপৰত, হাজোত গুলীচালনা আৰু ওদালগুৰিত লাঠী চালনা। |
| ১১ নবেম্বৰ | ঃ | মুখ্যমন্ত্ৰীৰ সংবাদ বিজ্ঞপ্তি - মাধ্যম আন্দোলনৰ দাবী গ্ৰহণ। |
| ১২ নবেম্বৰ | ঃ | ছাত্ৰ-সন্থাৰ দ্বাৰা মাধ্যম আন্দোলন স্থগিত ঘোষণা। |

এতিয়া আহো মই সম্পাদনা কৰা আলোচনীখনৰ কথালৈ। মই অনুভৱ কৰো, কেইবাটাও কথাৰ কাৰণে নগাঁও কলেজ পৰিয়ালৰ কাৰণে ঐতিহ্য আৰু গৌৰৱৰ বাৰ্তা বহন কৰিব এই সংখ্যাৰ আলোচনীখনে। প্ৰথম কথা, আমি কলেজত নাম লগোৱাৰ সময়লৈকে কলেজৰ কোনো মংগল গীত (Anthem) নাছিল। সেয়ে '৭০-৭১ বৰ্ষৰ ছাত্ৰ একতা সভাৰ কাৰ্যকালৰ শেষৰ ফালে মহেন্দ্ৰ নাথ মৈ হেং দাং ডেকাফুকনদেৱক এটি মংগল গীত ৰচনা কৰিবলৈ অনুৰোধ জনোৱা হয়। তেখেতেও আমাৰ অনুৰোধ ৰক্ষা কৰি গীত এটি ৰচনা কৰি, নিজে সুৰ দি গোৱায়। তেতিয়াৰে পৰা ('৭০-৭৩লৈ) কলেজৰ প্ৰতিষ্ঠা দিৱস, আদৰণি সভা, বাৰ্ষিক উৎসৱ আদিৰ অনুষ্ঠানত গোৱা হৈছিল। আৰু মই সম্পাদনা কৰা 'নগাঁও মহাবিদ্যালয়ৰ আলোচনী' (২১ সংখ্যা)ত ছপোৱা হৈছে। গীতটো ইয়াত সন্নিবিষ্ট কৰা হ'ল।

কি কাৰণত, কেতিয়াৰপৰা এই গীতটো নোহোৱা হ'ল নাজানো। যি নহওক বৰ্তমান গাই থকা, যজ্ঞেশ্বৰ শৰ্মা ছাৰৰ ৰচিত গীতটো উল্লিখিত গীতটোৰ পিছৰ ৰচনা।

দ্বিতীয়, আলোচনীৰ কাম হাতত লৈয়ে ছাত্ৰ-ছাত্ৰীৰ মাজৰপৰা বেটুপাতৰ নক্সা আহ্বান কৰিলোঁ। ছাত্ৰ-ছাত্ৰীৰপৰা ভাল সঁহাৰি পালোঁ। সাত নে আঠখন বেটুপাত পালোঁ। বেটুপাতৰ বাছনিত আমাক সহায় কৰিলে প্ৰণৱদাই (প্ৰখ্যাত চিত্ৰশিল্পী প্ৰয়াত প্ৰণৱ বৰুৱা)। নিৰ্বাচিত বেটুপাতখন ননী বৰপূজাৰীৰ, তেওঁ এতিয়া সকলোৰে পৰিচিত এজন আন্তৰ্জাতিক খ্যাতিসম্পন্ন চিত্ৰশিল্পী। তেওঁ আৰু গায়ত্ৰী গোহাঁই বৰুৱাই গল্পৰ নক্সা আঁকি দিলে। কথাখিনি এই

### জ্ঞান-দাতৃ আই

ধন্য মহাবিদ্যালয় নগাঁও কলেজ,
নোহোৱা সামান্য তুমি শিক্ষা প্ৰতিষ্ঠান।
প্ৰাবৰ সম্পদ ৰূপে ছদ্মবেশী আই,
অকাতৰে যৌৱনক বিতৰিছা জ্ঞান ॥৪
তোমাৰ কোলাতে বহি ডেকা-গাভৰুৱে,
জন্মভূমি-মাতৃভাষা-সেৱা শিক্ষা লৈ।
আনন্দে সাধনা কৰে জ্ঞান কৰ্ম যোগ,
এলাহ-বিলাহ এৰি স্থিতপ্ৰজ্ঞ হৈ ॥৮

তোমাৰ কোলাতে বহি অধ্যক্ষ মহান,
অধ্যাপক অধ্যাপিকা বিজ্ঞ প্ৰিয়জন।
ত্যাগৰ মন্ত্ৰৰে দীক্ষা দিয়ে যৌৱনক,
শিক্ষা দিয়ে জিনিবলৈ জীৱনৰ ৰণ ॥১২
ধন্য তুমি সত্য তুমি জ্ঞান-দাতৃ আই।
তোমাৰ মহিমা যাওঁ মুক্তকণ্ঠে গাই ॥১৪

মহেন্দ্ৰনাথ মৈহাংগ্ৰী ডেকাফুকন।

**Alma Mater**

তাল ঃ ২'৩।২'৩।২.৩।২'৩
নগাওঁ।



কাৰণেই উল্লেখ কৰিলোঁ যে ছাত্ৰ শিল্পী হিচাপে ননী বৰপূজাৰীয়ে নগাঁও কলেজ আলোচনীৰ যোগেদিয়েই মুকলি মঞ্চলৈ ওলোৱাৰ প্ৰথম খোজ পেলাবলৈ সক্ষম হ'ল।

এইখিনিতে প্ৰসংগক্ৰমে উল্লেখ কৰা উচিত হ'ব যে প্ৰণৱদাই গুৱাহাটী ত্যাগ কৰি নগাঁৱৰ নিজাঘৰলৈ গুচি অহাৰ পিছত তেওঁক জন-সমাজলৈ উলিয়াই অনাত আমাৰ (আবু হানিফা, আবুল কালাম, ছত্ৰ দেউৰী, প্ৰয়াত সাংবাদিক প্ৰণৱ বৰা আৰু কেইজনমানৰ নাম পাহৰিলোঁ) কিছু অৱদান আছে। প্ৰথমবাৰৰ বাবে আমি কলেজৰ বাৰ্ষিক সপ্তাহত ছাত্ৰ-ছাত্ৰীয়ে অংকন কৰা চিত্ৰশিল্পৰ প্ৰদৰ্শনী আৰু প্ৰতিযোগিতা আৰম্ভ কৰোঁ। আৰু প্ৰণৱদাক বিচাৰকৰ দায়িত্ব দিওঁ। তদুপৰি আমি কেইজনমান ছাত্ৰই প্ৰয়াত সাংবাদিক প্ৰণৱ বৰা, আবু হানিফা, আবুল কালাম, মই, ছত্ৰ দেউৰী আৰু ভোগেশ্বৰ শইকীয়া লগ লাগি এইখিনি সময়তে 'কল্পনা' নামৰ এখন আলোচনী উলিয়াই ছিলোঁ। আৰু আলোচনীখনৰ কামো কৰিছিলোঁ প্ৰণৱদাৰ ঘৰৰপৰাই।

তৃতীয় কথাটো হ'ল, আলোচনীৰ বাবে ছাত্ৰ-ছাত্ৰীৰ লিখাৰ উপৰি তীৰ্থনাথ শৰ্মা, গিৰিধৰ শৰ্মা, হীৰেন গোহাঁই, হৰেশ্বৰ গোস্বামী আৰু ৰাধিকামোহন গোস্বামীৰ দৰে বিশিষ্ট লিখকে আমি বিচৰা বিষয়বস্তুৰে প্ৰৱন্ধ লিখি দি আমাক উৎসাহিত কৰিছিল।

এই প্ৰসংগত আটাইতকৈ তাৎপৰ্যপূৰ্ণ কথাটো হ'ল 'ৰঙা-জিঁয়া'ৰ কবি ৰূপে খ্যাত মহিম বৰা ছাৰৰ 'ৰঙা-জিঁয়া' কবিতাটো ছাৰে লিখি উলিওৱাৰ পিছদিনাই আমাৰ হাতত দিয়ে। এই কবিতাটোৰ লগতে ছাৰৰ আন দুটা কবিতা 'দুটি তৰাৰ আকাশ' আৰু 'বিয়েট্ৰিচ' কলেজ আলোচনীত ছপাবলৈ লওঁ। লগতে ছাৰৰ 'তিনিৰ তিনি গ'ল' গল্পটোৰ বুৰঞ্জীৰ অধ্যাপক ললিত শইকীয়া ছাৰৰ হতুৱাই ইংৰাজীলৈ (Three minus Three) অনুবাদ কৰোৱাই আলোচনীত প্ৰকাশ কৰো। এইটোৱেই চাৰৰ গল্পৰ প্ৰথম ইংৰাজী অনুবাদ। মন কৰিব লগা কথা যে 'ৰঙা-জিঁয়া' কবিতাটো কলেজ আলোচনীত প্ৰকাশ হোৱাৰ ছমাহৰ পিছত প্ৰখ্যাত সমালোচক ভবেন বৰুৱাই সম্পাদনা কৰা 'সংলাপ' নামৰ আলোচনীখনৰ তৃতীয় খণ্ডতো কবিতাটো প্ৰথম শাৰীৰ 'তীব্ৰ বেদনা' শব্দ দুটা 'গভীৰ ব্যথা' কৰিলে। এইক্ষেত্ৰত হৰেকৃষ্ণ ডেকা আৰু হীৰেন গোহাঁইৰ পৰামৰ্শৰ প্ৰভাৱ বুলি চাৰে কৈছিল।

আন এটা তাৎপৰ্যপূৰ্ণ কথা হ'ল, আলোচনীত প্ৰকাশৰ বাবে যেতিয়া ছাত্ৰ একতা সভাৰ ফটো তুলিবলৈ যো-যা কৰিলো, তেতিয়ালৈ অনিল জীয়াই নাথাকিল। সাধাৰণ সম্পাদক ছহিদ অনিল বৰাৰ দায়িত্ব ল'লে সহকাৰী সাধাৰণ সম্পাদক দ্বিজেন গোস্বামীয়ে। গ্ৰুপ ফটোখন তোলাৰ কেইদিনমান আগত দ্বিজেনে মোক সুধিছিল, 'গুণীন কিবা কৰি অনিলৰ ফটো এখন আমাৰ ইউনিয়ন বডিত লগাই দিব নোৱাৰিনে? সিটো ছহিদ হ'ল। ক'তো তাৰ এখন ফটো নাই। কথাটো মোৰ মনত লাগিল। অজয়ক ফটোৰ কথা সোধোতে ক'লে 'ঘৰৰ গ্ৰুপ ফটো এখন নে দুখন আছে। অকলশৰীয়া ফটো নাই।' অনিলহঁতৰ ঘৰৰপৰা গ্ৰুপ ফটোখন আনি মান্নাদা (অমূল্য মান্না, সকলোৰে পৰিচিত নাম। বৰ্তমান সময়ত সকলোৰে পৰিচিত অৰূপ মান্নাৰ দেউতাক)ৰ কাষ চাপিলোঁ। মই আৰু হানিফা। মান্নাদাই অশেষ কষ্ট কৰি এখন পাছপৰ্ট চাইজৰ ফটো উলিয়াই দিলে। সেইখন ফটোকে ছাত্ৰ একতা সভাৰ গ্ৰুপ ফটোখনত কৌশলেৰে সংযোগ কৰিলোঁ। বৰ্তমান অনিলৰ যিটো আৱক্ষমূৰ্তি আছে, সেইখন ফটোৰপৰাই নিৰ্মাণ কৰা। আমাৰ এই লেখাৰ লগত ছাত্ৰ একতা সভাৰ ফটোখনো সংযোজিত কৰিলোঁ।

অন্তিমটো উল্লেখনীয় কথা হ'ল, আমি সম্পাদনা কৰা ২১ শ সংখ্যাৰ **'নগাঁও মহাবিদ্যালয়ৰ আলোচনী'**খনে নগাঁও কলেজ পৰিয়ালবৰ্গলৈ এটা

# কবিতা

## !! তিনিটি কবিতা !!

( ১ )

### দুটি তৰাৰ আকাশ

শ্ৰীমহিম বৰা এম এ,
অসমীয়া বিভাগ।

বহুতো উজ্বল স্বপ্ন দিগন্ত বিয়পি থকা
কল্পনাৰ মহাসাগৰত
সুনীল অসীম-চুমা অযুত তৰঙ্গ হৈ
জ্বলি জ্বহি গ'ল;
কত গ্ৰহ-উপগ্ৰহ জোন-তৰা লৈ
চকুত চমক তুলি
জ্বলি গ'লি গ'ল;
অধৰী স্বপ্নৰ তন্তু কত উঠি গ'ল
জীৱনৰ যোৱাৰ বাটত,
টিন তাৰ পোত গ'ল
মাটিৰ বুকত।
আজি মোৰ সমুখত উজ্বলিল এখন আকাশ,—
জঁিয়া-পাখি যেন তাৰ ছাঁ-ই
আৱৰিলে দেহ-মন, সমগ্ৰ সত্বাক;
তাৰ সীমান্তত
উজ্বলিল দুটি তৰা
স্নিগ্ধ দীপ্তি ভৰা।

ৰচনা-কাল : ১৭।১০।৫৬

( ২ )

### বিয়েট্ৰিচ

বিয়েট্ৰিচে, মই তোমাক দেখিলোঁ আবেলিৰ পাৰ্কত,
তোমাৰ বন্ধুৰ সতে কাষেদিয়ে পাৰ হৈ যোৱা,
আবেলিৰ ৰংখিনি হঠাতেই হ'ল সেউজীয়া,
আঁচলৰ আজোঁৰত, সেউজী বীহাৰ।
মন মোৰ নীলা হ'ল সেউজীয়া সাপৰ বিষত।
॥ ২৮ ॥
দুৰণিৰ পথাৰেদি সপিল গতিৰে অহা
গুণ গুণ বেদনাৰ এটি বনগীত,
দুচকুৰ সন্মুখত মূৰ্তিমতী হৈ
হঠাতেই হ'লা বিয়েট্ৰিচ!
মন মোৰ নীলা হল সেউজীয়া সাপৰ, খোটত।

ৰচনা-কাল : ১৯৬৫

( ৩ )

### ৰঙা-জিঁয়া

হঠাৎ খলকে বুকু তীব্ৰ বেদনাত
অৱশিষ্ট আৰু এটি ৰ'ল জানো তাত
তাহানিৰ জীয়নীয়া মাছ?

জ্বলিছিল জানো সেই মুখ
ফৰ্মুটি হাকুটিয়ে ঢুকিকে মোপোৰা
সেন্দুৰীয়া আমৰ থোপাত?
—কেন্দুৰ ডালত বহি জেঠৰ দুপৰে
সুহুৰিত সুৰ তোলে ঝিঁয়াও ঝিঁয়াও,
কেৰেঙনিটোত বহি বুঢ়া-ডাঙৰীয়া
লগে লগে তাল ধৰে মহা-আয়মেৰে!

জিলিকিল জানো সেই মুখ
কলঙৰ নিজান ঘাটত
জিঁয়াৰ পাখিয়ে তোলা
বৰশী—পুঙাৰ কঁপনিত?
—সিপাৰৰ দোবোণৰ নিৰ্মম শুভ্ৰতা
চৰহা-পোৰুৱ দৰে সোমাল চকুত,
নাকত চাবুক দিলে দুবৰ বতাহে
ক'ৰবাত কইনা নোওৰা!
হঠাত খলকে বুকু গভীৰ ব্যথাত
অৱশিষ্ট আৰু এটি ৰ'ল জানো তাত
তাহানিৰ জীয়নীয়া মাছ?

দুৰণিৰ দিগন্তত জানোবা নামিছে সন্ধ্যা
চুচুক-চামাক
আজিও আমনি কৰে ৰঙা-জিঁয়াটোৱে মোৰ
মনৰ পুঙাত,
উৰিবনে সিও বাৰু ধোঁৱাৰ লগতে
সেই সন্ধিয়াত?

ৰচনা-কাল : ৩০।৫।৭২

('সংলাপ' তৃতীয় সংখ্যাৰপৰা)

সুখদায়ক বাৰ্তা কঢ়িয়াই আনিবলৈ সক্ষম হ'ল। মংগলদৈৰ 'সুন্দৰম সম্পাদনা গোষ্ঠী'য়ে আয়োজন কৰা 'বিশ্ববিদ্যালয়, মহাবিদ্যালয় পৰ্যায়ৰ 'যোৱা তিনি বছৰৰ আলোচনী প্ৰতিযোগিতা' শীৰ্ষক আলোচনী প্ৰতিযোগিতাত 'বীণা বৰবৰা, লুইত কুমাৰ বৰা আৰু মই সম্পাদনা কৰা আলোচনী কেইখন পঠাইছিলোঁ। ২১ শ সংখ্যাৰ 'নগাঁও মহাবিদ্যালয়ৰ আলোচনী' সৰ্ব্বশ্ৰেষ্ঠ আলোচনী ৰূপে স্বীকৃত হ'ল। বৰ্তমান এইখন আলোচনী আৰু শ্ৰেষ্ঠত্ব প্ৰদান কৰা চাৰ্টিফিকেট নগাঁও কলেজ লাইব্ৰেৰীত ডিজিটেল পদ্ধতিত সংৰক্ষিত হৈ আছে। ইচ্ছুক আৰু কৌতূহলী পঢ়ুৱৈৰ লগতে ছাত্ৰ একতা সভাৰে আলোচনী

সম্পাদক হিচাপে নিৰ্বাচিত হৈ অহা প্ৰতিনিধিসকলে এবাৰ আলোচনীখনত চকু-ফুৰাই চাব পাৰে। প্ৰসংগতে কৈ থোৱা উচিত হ'ব যে আলোচনীখনৰ সম্পাদনা সমিতিৰ সদস্যসকল কেশৰ চন্দ্ৰ শৰ্মা বৰুৱা, লক্ষেশ্বৰ গায়ন, মঞ্জু গোস্বামী আৰু সমিতিৰ বাহিৰৰ সদস্য আবু হানিফা, শিক্ষক তত্ত্বাৱধায়কদ্বয় মহিম বৰা চাৰ আৰু মঃ চালেহ চাৰৰ লগতে বলদেৱ শৰ্মাদেৱ আৰু লাইব্ৰেৰীয়ান ৰেৱকান্ত বৰাৰ কেৱল দিহা-পৰামৰ্শই নহয়, সক্ৰিয় সহযোগিতাৰ কথা ভাবিলে এতিয়া বিস্মিত। অধ্যক্ষ মুহিৰাম শইকীয়া চাৰৰ এইক্ষেত্ৰত সহযোগ, পৰামৰ্শ আৰু অভিভাৱকত্বৰ কথা মনত পৰিলে বিস্মিত নহৈ নোৱাৰি।





সুন্দৰম্

তৰুণ তৰুণীৰ একমাত্ৰ
তিনিমহীয়া আলোচনী

প্ৰতি বছৰে ক্ৰমে
বঙালী
মেঘালী
শেঁৱালি
আৰু
কুঁৱলী
সংখ্যা ৰূপে প্ৰকাশ হয়।

সুন্দৰম সম্পাদনা
লক্ষ্মীনাথ বেজবৰুৱা ৰোড
মঙলদৈ-৭৮৪১২৫

মানপত্ৰ

সুন্দৰম্ সম্পাদনাই আয়োজন কৰা আলোচনী/প্ৰবন্ধ/ৰেখাচিত্ৰ/ফটো প্ৰতিযোগিতাত বঁটা পোৱা বাবে আনন্দেৰে এই মানপত্ৰ প্ৰদান কৰা হ'ল।

বিষয় ........ শাখা ........

প্ৰতিযোগী ........

শিক্ষানুষ্ঠান ........

শ্ৰেণী ........ স্থান ........ তাৰিখ ........

ব্যৱস্থাপক
মুখ্য সহযোগী
সহ সম্পাদক
সম্পাদক

পৰিশেষত বিনম্ৰভাৱে কওঁ, সত্তৰৰ দেওনাত খোজ থৈ কলেজৰ মহাৰজত জয়ন্তীৰ উপলক্ষত স্মৃতিৰ জোলোঙা খুঁচৰি ভুল-শুদ্ধ, বঢ়া-টুটাৰে আমি সম্পাদনা কৰা আলোচনীখনৰ আলমত এই লেখা যুগুতাই নগাঁও কলেজ পৰিয়ালবৰ্গ আৰু পাঠক সমাজলৈ আগবঢ়ালোঁ।

জয়তু নগাঁও কলেজ।

জয়তু অসম।❑

লেখক - নগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন আলোচনী সম্পাদক, বিশিষ্ট গল্পকাৰ আৰু কাৰীকৰি বিজ্ঞানৰ অৱসৰপ্ৰাপ্ত শিক্ষক।

# বয়সৰ হাতোৰাত নগাঁও মহাবিদ্যালয় আৰু মহাবিদ্যালয়ৰ আলোচনীখন

**মুৰুলী কুমাৰ শৰ্মা**

**যে**তিয়া সূৰ্যই মকৰ ৰাশিত প্ৰৱেশ কৰে তেতিয়া ই উত্তৰায়ণ গতি আৰম্ভ কৰে। এই পৃষ্ঠভূমিত ভগৱানক সূৰ্যৰ ৰূপত পূজা কৰা হয়। সূৰ্যই “ষট্ চক্ৰ”ক উদ্ভাসিত কৰি প্ৰত্যেকজন মানুহৰ দেহত পোহৰ বিয়পায়। সূৰ্য অবিহনে পৃথিৱীখনৰ অস্তিত্ব থাকিব নোৱাৰে। সূৰ্যৰপৰাই সৌৰজগতৰ উদ্ভৱ হৈছে। সেই কাৰণেই সূৰ্যক ঐশ্বৰিক শক্তি হিচাপে পূজা কৰা হয়। সেই সূৰ্যৰ স’তে তুলনা কৰিব বিচাৰিছোঁ এখন শিক্ষানুষ্ঠানৰ দৰ্পণ স্বৰূপ আলোচনীখনক। এখন শিক্ষানুষ্ঠানৰ আলোচনীখনে শিক্ষানুষ্ঠানখনৰ স্বৰূপ প্ৰকাশত বহুখিনি অৰিহণা যোগায় আৰু ই শিক্ষাৰ্থীসকলৰ পোহৰৰ থল। নগাঁও মহাবিদ্যালয়ৰ এই আলোচনীখনৰ সম্পাদক হৈ বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱত শ্ৰেষ্ঠত্বৰ সন্মান আৰ্জিবলৈ সক্ষম হোৱাত উপৰোক্ত কথাখিনি গুৰুত্ব দিয়াই আছিল মূল হেতু। পুৰস্কাৰ বিতৰণী সভাত পণ্ডিতপ্ৰৱৰ প্ৰয়াত ড° মহেশ্বৰ নেওগ ডাঙৰীয়াই মোক কৈছিল ‘তোমাৰ সম্পাদনাত নগাঁও মহাবিদ্যালয়ৰ আলোচনী সুন্দৰ হৈছে। ওপৰে ওপৰে চাই মই সন্তুষ্ট — কাৰণ পাতনি দেখিলেই ভিতৰখনৰ পাকস্থলী সুন্দৰ হ’ব বুলি ধাৰণা কৰিব পাৰি। সন্মুখৰ মানুহজনৰ চোলাৰ বুটামকেইটা চালেই গম পাই মানুহজন কেনে।’ সেই মহান ব্যক্তিৰ মহান শব্দকেইটি মৃত্যুপৰ্যন্ত সুঁৱৰি থাকিবৰ মন।

আলোচনী এখন সম্পাদনা কৰাত বহু লোকৰ বহু মত শুনিলোঁ, দেখিলোঁ — কিন্তু মই দেখিলোঁ কিবা এটা কাম কৰিবলৈ ইচ্ছা কৰাৰ আগতে নিজকে যোগ্যৱান কৰি তুলিব লাগিব। বদান্যতা যশস্যা অৰ্জাত সহায়ক হয়। সকলোৰে সহায়-সহযোগিতা আৰু পূজ্যজনৰ আশীৰ্বাদ আদিৰে পৰিপুষ্ট হ’লে এই কাৰ্য সফল হ’বলৈ বৰ কষ্টকৰ নহয়। সেই সময়ৰ অধ্যক্ষ প্ৰয়াত মুহিৰাম শইকীয়া ছাৰ, শিক্ষাগুৰু চালেহ ছাৰৰ নাম নল’লে নহ’ব বুলি ক’ব পাৰি। যেতিয়াই যি সহায়ৰ হাত মেলিছোঁ, অকৃপণতাৰে তেওঁলোকে সহায় কৰিছিল। ধন বুলিলেই অধ্যক্ষ মহোদয়, লিখা-মেলা বুলিলেই যোগাৰ আদিত চালেহ ছাৰৰ সহযোগিতাই মোক বহু অনুপ্ৰাণিত কৰিছিল। আলোচনীখনৰ সাজোন-কাচোনত বহু বন্ধু-বান্ধৱী বিশেষকৈ নৌছাদ আখতাৰ

হাজৰিকা, জয়ন্ত দাস, শুকলাল কানালগু, লীলা বৰা, বান্ধৱী ৰেহেনা চুলতানা, মঞ্জু গোস্বামী, মঞ্জুলা বৰা, চপলা ৰায়, নিমি, নমি, ৰিণি আৰু বহুকেইজনৰ অকৃপণ সহায়ৰ হাত সুঁৱৰি এক গভীৰ তৃপ্তি লাগে। বিগত প্ৰায় ৪০ বছৰ পুৰণি গৰ্ভত বহুকেইজন বন্ধু-বান্ধৱীৰ নাম পাহৰণিৰ সোঁতত বৈ গ'ল; তাৰবাবে সেইসকলৰ ওচৰত ক্ষমাপ্ৰাৰ্থী।

নগাঁও মহাবিদ্যালয়ৰ আলোচনীখন আজিকোপতি সৌভাগ্যবশতঃ মই পাই আছোঁ সম্পাদক অথবা অধ্যক্ষৰ হাতেদি। আলোচনীখন হাতত পৰাৰ লগে লগে মই নষ্টালজিক হৈ পৰোঁ। আৱেগ আনন্দৰ দিনকেইটাৰ প্ৰতিটো পল মানস পটলৈ আহি পৰে।

আলোচনীখন সম্পাদনা কৰিবলৈ মই আৰু নৌচাদ আখতাৰ হাজৰিকাই নগাঁৰৰ সিংহপুৰুষ মহেন্দ্ৰনাথ মৈহেংদাং ডেকাফুকনদেৱৰ ঘৰলৈ গৈছিলোঁ। লিখনী বিচাৰি। তেওঁৰ ভাষা আৰু ভাব যিবোৰ মুখেৰে ফুটি উঠিছিল, সেয়াই মোৰ বাবে লিখনী বুলি ভাবি সম্পাদকীয়ত প্ৰকাশ কৰিছিলোঁ। তেওঁ কৈছিল — "মই নিলিখো, লিখি আৰু লাভ নাই, বহু লিখিলোঁ, বহু ভাষণ দিলোঁ, একো লাভ নাই কোনেও নপঢ়ে কোনেও নুশুনে, চৰাই পাখি গজি উৰি গুচি যায়, কোনো ভ্ৰূক্ষেপ নাই। দেশ গ'ল জাতি গ'ল, কৈ কৈ ভাগৰি গ'লোঁ। কলেজৰ ল'ৰাই সীমাত থকা বেৰৰ ওপৰত বহি আড্ডা দিছিল, মই এইডাল লাঠিৰে কোবাইছিলোঁ, ক'তা কোনো পৰিৱৰ্তন নাই। একেই থাকিল, মই এইবাবেই নিলিখো।" এইজন নিঃস্বাৰ্থ দেশপ্ৰেমিকক এনেকৈ আলোচনীখনৰ যোগেদি লগ পাব পৰাটো মোৰ বাবে এক সৌভাগ্য বুলি ভাবোঁ। সঁচাকৈ পুৰণি ইতিহাসবোৰ বৰ মিঠা, ভাবি ভাল লাগে। সম্পাদক হ'লে নিৰ্বাচন খেলি সম্পাদক হ'ব পৰা মুহূৰ্তবোৰ কথা লিখি ভাল লাগে, কৈ ভাল লাগে। আজিও বৰ ৰোমাঞ্চিত হৈ পৰোঁ। মহাবিদ্যালয়ৰ বছেৰেকীয়া নাট প্ৰতিযোগিতাত শ্ৰেষ্ঠ অভিনেতাৰ সন্মান লাভ কৰাৰ মুহূৰ্তবিলাকে বৰ ৰোমাঞ্চিত কৰে। Schizophenia ৰোগৰ এজন ৰোগীৰ চিকিৎসা কৰিবলৈ চিকিৎসকৰ অভিনয় কৰিবলৈ নগাঁৰৰ প্ৰয়াত ডাঃ খগেন ৰয়ৰ চেম্বাৰত ১০ দিন তেওঁৰ চিকিৎসাৰ আচৰণ আদি শিকি মহাবিদ্যালয়ৰ বৰদলৈ হলত অভিনয় কৰি "শ্ৰেষ্ঠ অভিনেতা" হোৱাৰ কথাটোৱে আজিও আপ্লুত কৰে।

বছৰ বছৰ ধৰি বিকশিত হোৱা নতুন প্ৰজন্মৰ উত্তৰণত প্ৰায় প্ৰতিজন সম্পাদকৰ অৰিহণাই কিছু নহয় কিছু হ'লেও অগ্ৰগতিৰ হাৰ ত্বৰান্বিত কৰে। সমাজ সভ্যতা আদিৰ উত্তৰণত যোগাত্মক প্ৰভাৱ পেলোৱা প্ৰতিখন আলোচনীয়েই আশাৰ বতৰা কঢ়িয়াই আনে বুলি দৃঢ় বিশ্বাস।

নিজৰ জীৱনক গুৰুত্বপূৰ্ণ বুলি গণ্য কৰি সম্পাদক হৈ খেপিয়াই চাইছিলোঁ সাহিত্যৰ সোৱাদ পাওঁ বুলি। ই অতি উল্লেখনীয় যে এগৰাকী সম্পাদক হৈ সমাজ, সাহিত্য, সংস্কৃতি, ৰাজনীতি, ক্ৰীড়াক্ষেত্ৰ সকলো বিষয়তে দৃষ্টি নিক্ষেপ কৰাৰ সুবিধা পোৱা যায়। ই বৰ তৃপ্তিদায়ক আৰু অভিজ্ঞতা প্ৰদায়ক।

নগাঁও মহাবিদ্যালয়ৰ আলোচনীখনৰ প্ৰাক্তন সমূহ সম্পাদকক মই মোৰ শিৰ নত কৰি স্মৰণ কৰিছোঁ। এই সুযোগতে অসমৰ সকলোবোৰ মহাবিদ্যালয়ৰ আলোচনীৰ মাজত নগাঁও মহাবিদ্যালয়ৰ আলোচনীখন যেন সদায় জিলিকি থাকে আৰু জিলিকি থাকিবৰ বাবে মোৰ প্ৰাৰ্থনা থাকিল।

সৰ্বশেষত ৭ আগষ্ট ২০১৮ চনৰপৰা নগাঁও মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তী উদ্‌যাপনৰ লগত সংগতি ৰাখি এখন স্মৃতিগ্ৰন্থ প্ৰকাশৰ প্ৰস্তুতিত দুকলম লিখিবলৈ পাই নিজকে ধন্য মানিছোঁ আৰু স্মৃতিগ্ৰন্থ সম্পাদনা সমিতিলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।❑

---

লেখক - প্ৰাক্তন আলোচনী সম্পাদক

# তাহানিৰ আমাৰ কলেজ

**বিজয় কুমাৰ মঙ্গলুনিয়া**

**১**৯৬২ চনৰ কথা। নগাঁও চৰকাৰী উচ্চতৰ মাধ্যমিক বালক বিদ্যালয়ৰপৰা উত্তীর্ণ হৈ নগাঁও মহাবিদ্যালয়ৰ বি এছ চি প্ৰথম বাৰ্ষিকীত নামভৰ্ত্তি কৰো। ইংৰাজীৰ লগতে অঙ্ক, পদাৰ্থ বিজ্ঞান আৰু ৰসায়ন বিজ্ঞান বিষয়ৰূপে বাছনি কৰো। সেই সময়ত আমাৰ কলেজত বিজ্ঞানৰ কোনো বিষয়তে অনাৰ্চ নাছিল। ১৯৬৪ চনত সম্ভৱ প্ৰথম অঙ্কত অনাৰ্চ আৰম্ভ হয়।

আমাৰ গুৰুসকল আছিল— অঙ্কৰ প্ৰয়াত কামাখ্যা পণ্ডিত ছাৰ, বৰ্তমানেও সুন্দৰ স্বাস্থ্যৰ অধিকাৰী চন্দ্ৰপ্ৰভা দেৱী বাইদেউ (অলপ দিনৰ বাবে পোৱা নেপাল চন্দ্ৰ বণিক ছাৰ), পদাৰ্থ বিজ্ঞানৰ শিক্ষক প্ৰয়াত বিমল চন্দ্ৰ বৰা ছাৰ, প্ৰয়াত উমেশ শৰ্মা ছাৰ আৰু গণেশ বৰুৱা ছাৰ (বৰ্তমান তেখেত যোৰহাটত থাকে বুলি গম পাইছোঁ)। প্ৰয়াত বিমল বৰা ছাৰ পিছলৈ নগাঁও ছোৱালী কলেজৰ অধ্যক্ষ হয়। তেখেতক আমি ভয় কৰিছিলোঁ, শাসনত কঠোৰ আছিল। 'ডেমনষ্ট্ৰেটৰ' ৰূপে প্ৰয়াত খগেন শৰ্মা ছাৰক পাইছিলোঁ। ৰসায়ন বিজ্ঞানৰ শিক্ষক আছিল প্ৰয়াত শ্বাহ আলম ছাৰ। ওখ-ক্ষীণ মানুহজন বৰ অমায়িক আছিল। ড° মনমোহন সিংহ ছাৰ অলপ দিন কাম কৰি ৰাছিয়ালৈ গুচি যায় আৰু তাতেই বসবাস কৰে। ইংৰাজী বিভাগত আমাৰ শিক্ষক আছিল চক্ৰৱৰ্তী ছাৰ। আমি ভাল পাইছিলোঁ প্ৰয়াত হাবিবুৰ ৰহমান ছাৰক। তেখেতে কবিতাবিলাক আবৃত্তি কৰি পঢ়ুৱাইছিল। তেখেত আলিগড় বিশ্ববিদ্যালয়ৰপৰা পাছ কৰা ছাত্ৰ আছিল।

সেই সময়ত ফৰেষ্ট অফিছৰ ফালে থকা একমাত্ৰ আৰ চি চি ঘৰ আছিল। সেই ঘৰতে বিজ্ঞানৰ শ্ৰেণী তথা পৰীক্ষাগাৰ (লেবৰেটৰী) সমূহ আছিল। বৰ্তমান বৰদলৈ হল আৰু পকীঘৰৰ মাজত এটা খেৰিঘৰ আছিল। সেইটো এটা সময়ত নগাঁৰৰ ডাকবাংলা আছিল নেকি? অৱশ্যে পিছলৈ গৈ এই খেৰিঘৰ কলেজৰে এটা অংশ হৈ পৰে। প্ৰথমে কিছুদিন গাৰ্লছ কলেজৰ ক্লাছ সেই ডাকবাংলাতে হৈছিল। সেই সময়ত আমাৰ শ্ৰেণীত ২৭ জন মান ছাত্ৰ-ছাত্ৰীহে আছিল। পঢ়া-শুনাৰ পৰিৱেশ অতি ভাল আছিল। শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত অতি ঘনিষ্ঠ আৰু সু-সম্পৰ্কই বিৰাজ কৰিছিল। যান-বাহনৰ বাহুল্য নাছিল। বেছিভাগ ল'ৰা-ছোৱালীয়ে খোজকাঢ়ি বা চাইকেলেৰে কলেজলৈ আহিছিল। তেতিয়া স্কুটাৰ-মটৰ চাইকেল লৈ কলেজলৈ

তেনেদৰে ছাত্ৰ-ছাত্ৰী অহা নাছিল। বিজ্ঞানৰ পৰীক্ষাগাৰত স্বামীনাথ আৰু প্ৰয়াত ৰাম কুমাৰ নামৰ দুজন বিহাৰী সম্প্ৰদায়ৰ সহায়ক আছিল। তেওঁলোকে পৰীক্ষাগাৰত থকা যন্ত্ৰপাতি তথা ৰাসায়নিক দ্ৰব্যসমূহ ওলোৱা-সোমোৱা কাম কৰিছিল। ৰসায়ন বিজ্ঞান বিভাগৰ স্বামীনাথ ইমানেই নিপুণ আছিল যে তেওঁ যিকোনো ৰসায়ন দ্ৰব্য (Salt) আদি দেখিয়েই কি দ্ৰব্য (Salt) ক'ব পাৰিছিল, যিটো দ্ৰব্য পৰীক্ষা কৰিবলৈ আমাৰ যথেষ্ট সময় লাগিছিল।

বি এছ চি পাছ কৰাৰ পাছত কিছুদিন নগাঁও মহাবিদ্যালয়ত বি কম পঢ়িলোঁ। পিছে বি কম সম্পূৰ্ণ নকৰি গুৱাহাটী বিশ্ববিদ্যালয়ত আইন মহাবিদ্যালয়ত নামভৰ্তি কৰো, তেতিয়া কেৱল গুৱাহাটীৰ জালুকবাৰীৰ বাহিৰে ক'তো আইন মহাবিদ্যালয় নাছিল। তাৰপৰাই এল এল বি পাছ কৰি নগাঁও উকিল সন্থাৰ সদস্য হিচাপে অন্তৰ্ভুক্ত হওঁ।

মই পঢ়ি থকা সময়ত কলেজৰ অধ্যক্ষ আছিল সাহিত্যাচাৰ্য প্ৰয়াত যজ্ঞেশ্বৰ শৰ্মা ছাৰ আৰু উপাধ্যক্ষ আছিল প্ৰয়াত মহেশ চন্দ্ৰ দেৱগোস্বামী ছাৰ। তেখেতে সদায় শঙ্কৰী কৃষ্টিৰ সাধক হিচাপে মূৰত এটা সুন্দৰ পাগুৰী মাৰিছিল। তেখেত অতি প্ৰভাৱশালী ব্যক্তিত্বৰ গৰাকী আছিল।

সকলোৰে বাবে কলেজীয়া জীৱন সুখৰ, আনন্দৰ আৰু মধুময় হয়। আমি সেই সময়ত একেলগে পঢ়া ল'ৰা-ছোৱালীবিলাক সময়ৰ বালিত বেলেগ বেলেগ ঠাইলৈ গুচি গ'ল। কিছুমান চাকৰিসূত্ৰে বহু দূৰলৈ আঁতৰি গ'ল। কিছুমানে স্বৰ্গত থিতাপি ল'লে। কলেজীয়া দিনৰ সময়বিলাক ৰোমন্থন কৰি বৰ ভাল লাগে। কেতিয়াবা পুৰণা কোনোবা বন্ধুক লগ পালে বহু সময় পুৰণা কথাবিলাক পাতি জীয়াই থকাৰ প্ৰেৰণা পাওঁ। সঁচাকৈ, অতীত সদায় মধুৰ...।❏

---

লেখক - প্ৰাক্তন ছাত্ৰ আৰু বিশিষ্ট আইনজীৱী।

# সোণালী সোঁৱৰণি

**প্ৰিয়ম্বদা কাকতী বৰা**

**জা**নি সুখী হ'লোঁ যে অসমৰ উচ্চ-শিক্ষাৰ অগ্ৰণী অনুষ্ঠান নগাঁও মহাবিদ্যালয়ৰ ২০১৯ বৰ্ষৰ সাত আগষ্টৰ পৰা মহাৰজত জয়ন্তীৰ সামৰণি অনুষ্ঠান অনুষ্ঠিত হ'ব। লগতে আয়োজক মণ্ডলীয়ে এই সামৰণি অনুষ্ঠানতে এখন স্মৃতিগ্ৰন্থ প্ৰকাশৰো যো-জা কৰিছে।

আমিও নগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী হোৱাৰ নিমিত্তে আমাৰো কিছু মনোভাব আগবঢ়াইছোঁ।

নগাঁও মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ শুভাৰম্ভ অনুষ্ঠানত উপস্থিত থাকি আমি যথেষ্ট আহ্লাদিত হৈ নগাঁও চহৰৰপৰা প্ৰকাশিত শ্ৰদ্ধাৰ ড° আবু হানিফাদেৰৰ দ্বাৰা সম্পাদিত ''কলংপাৰ'' সাপ্তাহিক কাকতত আমাৰ অনুভৱ ব্যক্ত কৰি একলম লিখিছিলোঁ। ২০১৮ চনৰ ১৯ আগষ্টত আমাৰ লেখাটি “নগাঁও মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ কিছু অনুভৱ'' নামেৰে প্ৰকাশ পাইছিল। সেই লেখাখিনিকে তলত হুবহু আগবঢ়াইছো।

**“নগাঁও মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ কিছু অনুভৱ”—** ঐতিহ্যমণ্ডিত নগাঁও মহাবিদ্যালয়ত চলিত বৰ্ষ ২০১৮ চনৰ ৭ আগষ্টৰপৰা ছয়দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে হোৱা মহাৰজত জয়ন্তীৰ শুভাৰম্ভ অনুষ্ঠানৰ ১২ আগষ্টৰ দিনা সুকলমে সামৰণি পৰে। প্ৰথমতেই নগাঁও মহাবিদ্যালয়খনৰ উন্নয়নৰ বাবে অৰদান আগবঢ়োৱা শ্ৰদ্ধাৰ মতিৰাম বৰাকে প্ৰমুখ্য কৰি বহুজন নগাঁৰৰ গণ্য-মান্য ব্যক্তিয়ে যি বীজ ৰোপণ কৰি থৈ গ'ল তেখেতসকলক শ্ৰদ্ধাৰে সোঁৱৰণ কৰিছোঁ।

নগাঁও মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ উক্ত দিনকেইটাত মহাবিদ্যালয় চৌহদৰ লগতে নগাঁও চহৰখনতে বিৰাজ কৰিছিল এটা আনন্দময় পৰিৱেশ। মহাবিদ্যালয়খনৰ মহাৰজত জয়ন্তীৰ অভ্যৰ্থনা সমিতিৰ বিষয়ববীয়াসকলৰ লগতে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি সকলো অধ্যাপক-অধ্যাপিকা, মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী বিশেষকৈ স্বেচ্ছাসেৱক-সেৱিকা আৰু স্কাউট-গাইডৰ ছাত্ৰ-ছাত্ৰীসকললৈ মোৰ আন্তৰিক অভিনন্দন জনাইছোঁ। তেখেতসকলৰ

ব্যৱহাৰত আমি আপ্লুত হৈছোঁ। আশা ৰাখিম পৰৱৰ্তী কাৰ্যসূচীসমূহতো এনে আনন্দময় পৰিৱেশ বিৰাজ কৰিব।

আমিও মহাবিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰী হোৱাৰ কাৰণতে প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সন্মিলনৰ বাদেও আন আন কাৰ্যসূচীতো অংশগ্ৰহণ কৰাৰ সুযোগ লাভ কৰি ধন্য হ'লোঁ। এয়া মোৰ অনুভৱ। আমি ১৯৭১ চনৰপৰা ১৯৭৪ চনলৈ তিনি বছৰ কাল মহাবিদ্যালয়খনত শিক্ষা লাভ কৰাৰ সুযোগ লাভ কৰিছিলোঁ। বৰ্তমান সুদীৰ্ঘ ৪৪ বছৰৰ পাছত সহপাঠীসকলক লগ পাই মনত আনন্দ লভিলোঁ। দূৰ দূৰণিত থকা দুই-এজনক চিনি পাওঁতে অলপ সময়ৰ প্ৰয়োজন হৈছিল যদিও শেষত মনলৈ আহিছিল। খা-খবৰ লৈ ভাল লাগিছিল। তদুপৰি বহুতো চিনাকি অগ্ৰজ ছাত্ৰ-ছাত্ৰী আৰু অনুজ ছাত্ৰ-ছাত্ৰীকো লগ পাই আনন্দ লাগিল। তাৰ ভিতৰত কেইবাজনো মোৰ মৰমৰ ছাত্ৰ-ছাত্ৰীও আছিল।

বিশেষকৈ ৯ আগষ্টৰ দিনা 'গুৰু প্ৰণাম' অনুষ্ঠানত উপস্থিত থাকি নিজকে ধন্য মানিলোঁ। ৪৭ গৰাকী অৱসৰপ্ৰাপ্ত অধ্যাপক-অধ্যাপিকাক মহাবিদ্যালয়খনৰ বৰ্তমানৰ ছাত্ৰ-ছাত্ৰী আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ তৰফৰপৰা কৰা গুৰু প্ৰণাম অনুষ্ঠানটো ইমানেই গাম্ভীৰ্যপূৰ্ণ হৈছিল যে উপস্থিত সকলো লোকেই নষ্টালজিক হৈ পৰিছিল। অৱসৰপ্ৰাপ্ত অধ্যাপক-অধ্যাপিকাসকলেও সকলো ছাত্ৰ-ছাত্ৰীকে আশীৰ্বাদ কৰিছিল যাতে সকলোৰে জীৱনৰ গতিপথত উন্নতি হয়।

মহাবিদ্যালয়খনত পঢ়ি থাকোতে মোৰ বিষয় আছিল উদ্ভিদ বিজ্ঞান, ৰসায়ন বিজ্ঞান আৰু ভূগোল। এই বিষয়কেইটাত আমাক পঢ়ুৱা ছাৰ-বাইদেউসকলৰ ভিতৰত মাত্ৰ সেইদিনা লগ পালো উদ্ভিদ বিজ্ঞানৰ শ্ৰদ্ধেয়া অসীমা দে' বাইদেউ আৰু শ্ৰদ্ধাৰ আব্দুল হেকিম ছাৰক, ৰসায়ন বিজ্ঞানৰ শ্ৰদ্ধাৰ মুজিবুৰ ৰহমান ছাৰক। তাতে জানিলো শ্ৰদ্ধাৰ অৰুণ বৰ্মন ছাৰ সভাত উপস্থিত থাকিব নোৱাৰিলে। ভূগোল বিষয়ৰ শ্ৰদ্ধাৰ কমল গোস্বামী ছাৰক লগ পালোঁ। তেখেতসকলক লগ পাই আশীৰ্বাদ লৈ ধন্য হ'লো। যিসকল গুৰুৰ বাবে আমি আজি এইখিনি পালোহি, তেখেতসকলৰ ওচৰত আমি চিৰঋণী। যিসকল ছাৰ-বাইদেউ বৰ্তমান ইহ সংসাৰত নাই, আমি তেখেতসকললৈ প্ৰণাম জনালোঁ আৰু প্ৰাৰ্থনা কৰিছোঁ যাতে তেখেতসকলৰ আত্মাই শান্তি লাভ কৰক। লগতে মহাবিদ্যালয়খনৰ আন আন বিভাগৰ শিক্ষাগুৰুসকলকো দেখিবলৈ পাই বৰ সন্তোষ পালোঁ।

১১ আগষ্ট তাৰিখৰ বাৰেৰহণীয়া শোভাযাত্ৰাৰ দিনা বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীৰ উপৰি প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে উবুৰি খাই পৰি যি নিদৰ্শন দেখুৱালে, সেইয়া লেখত ল'বলগীয়া। নগাঁৱৰ কলঙৰ পাৰৰ নেহৰুবালিৰপৰা আৰম্ভ কৰা শিক্ষক, ছাত্ৰ-ছাত্ৰী আৰু লগতে বহুতো গণ্য-মান্য চাৰি হাজাৰমান ব্যক্তিৰ শৃংখলাবদ্ধ শোভাযাত্ৰাই নগাঁও চহৰত খলকনি তুলিলে। আমি শোভাযাত্ৰাত ভাগ লৈ ধন্য মানিলোঁ। বৰ্তমানৰ ছাত্ৰ-ছাত্ৰী আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ এনে উছাহ যেন আগলৈও দেখা পাওঁ, তাকে আশা কৰিলোঁ। সকলোবোৰ কাৰ্যসূচীৰ বৰ্ণনা অৱশ্যে ইয়াত কৰা নহ'ল। দুই-এটা ভাল লগা কথাহে উল্লেখ কৰিবলৈ যত্ন কৰিছোঁ।

মহাবিদ্যালয়খনত সোমায়েই মনলৈ আহিছিল আগৰ কথাবোৰ। তাৰে কি লিখিম, কি নিলিখিম মনৰ মাজত অগা-ডেৰা কৰিছে। ভাষা আন্দোলনৰ ছহিদ অনিল বৰা আছিল আমাৰ সহপাঠী। সেই অনিল বৰাৰ নামেৰেই নতুন প্ৰেক্ষাগৃহটোৰ নাম ৰখা হৈছে। বৰ ভাল লাগিল। সময় আৰু পৰিৱেশৰ পৰিৱৰ্তনত নগাঁও মহাবিদ্যালয়ৰ আন্তঃগাঁথনিয়ে নতুন ৰূপ ল'লে। আমি পঢ়া দিনৰ মহাবিদ্যালয়ৰ চেহেৰাই সলনি হৈ গ'ল। তথাপি সন্মুখৰ পুৰণি ঘৰটো ৰাখি থোৱাৰ বাবে এতিয়াও অতীতৰ ঐতিহ্য বহন কৰি আছে। দেখি

ভাল লাগিল।

আমি পঢ়ি থকা দিনত যি ঠাইত ছাত্ৰী জিৰণি কোঠাটো আছিল, সেই ঠাইতে নতুন প্ৰেক্ষাগৃহটো সাজিলে। এতিয়াও মনত পৰে পুৰণি ঘৰটোলৈ। পকী হাফ ৱালৰ ওপৰত জালনা দিয়া আছিল। তাতেই কেইযোৰমান ডেস্ক-বেঞ্চ আছিল। লগতে এটা টয়লেট। কাষতে প্ৰাণীবিজ্ঞান বিভাগ। তাৰ অলপ দূৰতে ভূগোল বিভাগ। তালৈ যাওঁতে কলেজ লাইব্ৰেৰীটো পাই যোৱা যায়। আনটো কাষে আছিল কলেজ কেণ্টিনখন। তাত অকল চাহ, গজা আৰু চিঁওৰাহে পোৱা গৈছিল। খাবলৈ গ'লে প্ৰথমেই কুপন লৈ খাব লাগে। প্ৰতিটো বস্তুৰ দাম আছিল চাৰি অনা (০.২৫ টকা বা ২৫ পইচা)। এতিয়া কথাবোৰ সাধু যেন লাগে।

বৰ্তমান প্ৰায়বোৰ বিভাগৰে ঠাই সলনি হৈছে। মহাবিদ্যালয়খনৰ পিছফাললৈ ছাত্ৰৰ বাবে হোষ্টেল এটা আছিল। লোকপ্ৰিয় গোপীনাথ বৰদলৈ হলটো প্ৰায় একেদৰেই আছে। মহাবিদ্যালয় চৌহদৰ পৰিষ্কাৰ-পৰিচ্ছন্ন পৰিৱেশ দেখি ভাল লাগিল। বিভিন্ন গছ-গছনিৰে সৈতে চৌহদটো বেচ গাম্ভীৰ্যপূৰ্ণ হৈ আছে। ব'টানিকেল গাৰ্ডেনখনত বহুতো উদ্ভিদে ঠাই পাইছে।

নগাঁও মহাবিদ্যালয়খন আমাৰ ৰাজ্যৰ ভিতৰতে এখন লেখত ল'ব লগা মহাবিদ্যালয়। বৌদ্ধিক আৰু আধ্যাত্মিক দিশত বিশ্ববিদ্যালয়ৰ বিভিন্ন পৰীক্ষা বা প্ৰতিযোগিতামূলক কাৰ্যত এই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে উচ্চ স্থান অধিকাৰ কৰিবলৈ সক্ষম হৈছে। এই মহাবিদ্যালয়ৰ বহুতো প্ৰাক্তন ছাত্ৰই নিজৰ নিজৰ কৰ্মক্ষেত্ৰত দেশে-বিদেশে পাৰদৰ্শিতা দেখুৱাই আহিছে। এনে এখন মহাবিদ্যালয়ত শিক্ষা লাভ কৰিবলৈ যে পাইছিলোঁ কথাটো ভাবিয়েই ভাল লাগিছে।

শেষত আকৌ মহাবিদ্যালয়খনৰ অধ্যক্ষ মহোদয়কে প্ৰমুখ্যে কৰি সকলো অধ্যাপক-অধ্যাপিকা, প্ৰাক্তন অধ্যাপক-অধ্যাপিকাসকল, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে মহাৰজত জয়ন্তীৰ অভ্যৰ্থনা সমিতিৰ সদস্যসকলক আমাৰ আন্তৰিক অভিনন্দন জনাইছোঁ।

মহাবিদ্যালয়খনৰ সুনাম দেশ-বিদেশৰ চুকে-কোণে বিয়পি পৰক। বিশ্ববিদ্যালয়লৈ উন্নীতকৰণৰ যি পৰিকল্পনা কৰিছে, সেয়া যেন সফল হওক। আমি আশা ৰাখিলোঁ। জয় নগাঁও মহাবিদ্যালয়।

এইখিনিয়েই আছিল 'কলংপাৰ' কাকতত প্ৰকাশ হোৱা আমাৰ অনুভৱ। শেষত আশা ৰাখিলোঁ, যাতে মহাবিদ্যালয়খনৰ মহাৰজত জয়ন্তীৰ আৰম্ভণি অনুষ্ঠানৰ দৰেই সামৰণি অনুষ্ঠানটোও সুকলমে পাৰ হৈ যাওক। মহাবিদ্যালয়খনৰ সৰ্বাংগীণ উন্নতি কামনা কৰিলোঁ।❑

লেখিকা - প্ৰাক্তন ছাত্ৰী

# মোৰ নগাঁও কলেজৰ চাৰিটা বছৰ

**ড° যোগমায়া শইকীয়া**

আজিৰ পৰা প্ৰায় ৬০ বছৰ আগতে ইংৰাজী ১৯৫৫-৫৬ চনৰপৰা ১৯৬০ চনৰ ভিতৰত মই নগাঁও কলেজৰ ছাত্ৰী আছিলোঁ। চাওঁতে চাওঁতে সময় যে কেনেকৈ বাগৰি গ'ল, ঠাৱৰেই কৰিব নোৱাৰি। এতিয়া মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তী অন্ত পৰিছেহি।

মহাৰজত জয়ন্তী কেনেধৰণেৰে পতা হ'ব তাৰ সম্পৰ্কে বুজ লওঁতে অধ্যক্ষ ড° শৰৎ বৰকটকীয়ে আমাক (মই আৰু মোৰ ভনী ড° ভানুমতী শইকীয়া পাটোৱাৰীয়ে) পুৰণা অগ্ৰজ ছাত্ৰী হিচাবে সেই সময়ৰ কলেজৰ বিষয়ে লিখিতভাৱে সবিশেষ জনাবলৈ অনুৰোধ কৰাত কলম হাতত লৈছো — পাহৰি যোৱা সুদূৰ অতীতৰ বহু কাহিনী, ভাবধাৰা মনৰপৰা এৰা পৰিছে। যি মনত আছে, সেইখিনি বিৰৰি ক'বলৈ চেষ্টা কৰিছোঁ।

মই পঢ়া কালত ইংৰাজী বিষয়টো অধ্যক্ষ যজ্ঞেশ্বৰ শৰ্মা, অধ্যাপক ৰাধিকা মোহন চৌধুৰী, এস এন চক্ৰৱৰ্তী আৰু হবিবুৰ ৰহমান ছাৰে পঢ়াইছিল। অধ্যক্ষ শৰ্মা ছাৰ যিহেতু বিভিন্ন প্ৰশাসনিক কামত ব্যস্ত থাকিব লগা হৈছিল, তেখেতে নিয়মিতভাৱে ক্লাচ ল'ব নোৱাৰিছিল যদিও Golden Treasury Poetryখন পঢ়াইছিল। তেখেত বৰ মেধাৱী, নিষ্ঠাৱান আৰু প্ৰখৰ স্মৃতিশক্তিৰ অধিকাৰী আছিল। কিতাপৰ সহায় নোলোৱাকৈয়ে কিতাপৰ পৃষ্ঠাৰে সৈতে Golden Treasuryখন মুখস্থ মাতিব পাৰিছিল। অধ্যাপক ৰাধিকা মোহন চৌধুৰীদেৱে Mayar of Caster Bridge পঢ়াওঁতে বৰদলৈ ভৱনটো কাঁহ পৰি জীণ যোৱা যেন নিৰ্জন সন্ধিয়াৰ বনভূমি হৈ আছিল। শ্ৰেণীকোঠাত কেতিয়াও ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি লোৱা নাছিল যদিও তেখেতৰ ক্লাচত প্ৰায় সকলো ছাত্ৰ-ছাত্ৰীয়েই উপস্থিত আছিল। একেদৰে অধ্যাপক এস এন চক্ৰৱৰ্তী আৰু হবিবুৰ ৰহমান চাৰ সকলো ক্ষেত্ৰতে বিচক্ষণ আছিল। তেখেতলোকে শ্ৰেণীকোঠাৰ নিয়মানুৱৰ্তিতা আৰু শৃংখলাবদ্ধতা খুব সুন্দৰভাৱে নিয়ন্ত্ৰণ কৰিছিল। সেই সময়ত বৰদলৈ ভৱনত কলা আৰু বিজ্ঞান শাখাৰ ছাত্ৰ-ছাত্ৰীসকলৰ একেলগে পাঠদান হৈছিল। এই ব্যৱস্থাৰ বাবে দুয়োটা শাখাৰ ছাত্ৰ-ছাত্ৰীৰ মাজৰ ভেদভাব আঁতৰি সকলোৰে মাজত বন্ধুত্বপূৰ্ণ সম্পৰ্ক গঢ় লৈ উঠিছিল।

অসমীয়া বিষয়টো আমাক ড° কিৰণ শৰ্মা, অধ্যাপক তাৰিণী প্ৰসাদ শৰ্মা, মহিম বৰা, ভদ্ৰ বৰা, গদাধৰ শৰ্মা ছাৰে পঢ়াইছিল। বুৰঞ্জী বিষয়টো পঢ়াইছিল অধ্যাপক মঃ আব্দুল হাই, কুকিল বেজবৰুৱা আৰু অধ্যাপক ললিত চন্দ্ৰ শইকীয়া ছাৰে। অৰ্থনীতি বিষয়টো পঢ়াইছিল অধ্যাপক নিৰ্মল ছমাদাৰ আৰু জগত শৰ্মা ছাৰে। কলা শাখাৰ মাধ্যমিক পৰ্য্যায়ৰ বাণিজ্যিক ভূগোল বিষয়টো বাণিজ্য বিভাগৰ

অধ্যাপক কমল চন্দ্ৰ গোস্বামী ছাৰে আৰু দৰ্শন বিষয়টো অধ্যাপক মহেশ চন্দ্ৰ দেৱগোস্বামী ছাৰে পঢ়াইছিল।

পঢ়া-শুনাৰ উপৰি সেই সময়ত কলেজত খেলা-ধূলাৰ এক সুন্দৰ পৰিৱেশ আছিল। ফুটবল, ভলীবল, ওখজাম্প, দীঘল জাম্প আদি বহিঃখেলসমূহ জুবিলী ফিল্ডত (বৰ্তমানৰ নুৰুল আমিন ষ্টেডিয়াম) হৈছিল। অন্য খেলসমূহ জিৰণি কোঠা, পুথিভঁড়াল আদিত অনুষ্ঠিত হৈছিল। খেলৰ বঁটা বিতৰণী সভা জুবিলী ফিল্ডত অনুষ্ঠিত হৈছিল। সংগীত, তৰ্ক আদি প্ৰতিযোগিতাসমূহ বৰদলৈ ভৱনত অনুষ্ঠিত হৈছিল। প্ৰতিযোগিতাসমূহ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ উপৰি বাহিৰৰ মানুহেও উপভোগ কৰিছিল। শ্ৰীশ্ৰীশংকৰদেৱ, শ্ৰীশ্ৰীমাধৱদেৱৰ তিথি, ফাতেহা দোৱাজ দহম আদি উৎসৱসমূহ কলেজত বছেৰেকীয়াভাৱে অনুষ্ঠিত কৰা হৈছিল। এনে উৎসৱসমূহত ছাত্ৰ-ছাত্ৰীৰ লগতে সমূহীয়া ৰাইজে একেখন মঞ্চতে অংশগ্ৰহণ কৰাৰ সুযোগ পাইছিল। সভালৈ বিদগ্ধ পণ্ডিতসকলক আমন্ত্ৰণ কৰিছিল আৰু তেখেতসকলৰ জ্ঞানজ্যোতিয়ে ৰাইজক আপ্লুত কৰিছিল আৰু আমি ছাত্ৰ-ছাত্ৰীসকলেও শুনিবলৈ পাই কৃতাৰ্থ মানিছিলোঁ।

আজিৰ এই মহাৰজত জয়ন্তীৰ সময়টো আমি পঢ়া সময়তকৈ ষাঠি বছৰ আগবাঢ়ি গ'ল। এই ষাঠি বছৰৰ ভিতৰত বিজ্ঞান, কলা, প্ৰযুক্তি, পদ্ধতি আদিৰ বহুতো উন্নতি ঘটিল। সময়, দূৰত্ব, বিভিন্নতা আদিৰ সঙ্কোচন ঘটিছে। যাতায়াত, সংযোগ ইত্যাদিৰ উন্নতিয়ে আমাৰ ভাব প্ৰকাশৰ বাটসমূহ মুকলি কৰি দিছে। আজিৰ এই শুভক্ষণত উঠি অহা প্ৰজন্ম উন্নতিৰ জখলাত সময়ৰ বালিত খোজ পেলাই আগবাঢ়ি যাওক, এয়ে কামনা কৰিছোঁ।

মহাৰজত জয়ন্তীৰ এই শুভক্ষণত সকলোৱে চেষ্টা কৰক যাতে আমাৰ মৰমৰ যাউতিযুগীয়া নগাঁৰৰ মাজমজিয়াত থকা নগাঁও মহাবিদ্যালয়ৰ সৰ্ব্বতো প্ৰকাৰে উন্নতি কৰে। কলেজৰ ছাত্ৰ-ছাত্ৰীসকললৈ এই শুভেচ্ছাৰে আৰু শিক্ষাগুৰুসকলৰ সদ-ইচ্ছাই ব্ৰতী হৈ আশীৰ্বাদ কৰক ছাত্ৰ-ছাত্ৰীসকলৰ সুনাম লাভ কৰিবলৈ, সু-উদ্দেশ্যৰ লগতে পৰম দয়াময় ভগৱানে আপোনাসৱৰ মনোকামনা আৰু উদ্দেশ্য সফল কৰক। এয়ে মোৰ কামনা। মোক লিখিবলৈ অনুৰোধ কৰাত বৰ্তমানৰ অধ্যক্ষ মহোদয়লৈ থাকিল ধন্যবাদ আৰু শুভেচ্ছা।

নগাঁও মহাবিদ্যালয়লৈ শতকোটি প্ৰণাম যাচিলোঁ।

জয়তু নগাঁও মহাবিদ্যালয়।❑

লেখিকা - প্ৰাক্তন ছাত্ৰী

# স্মৃতিৰ মণিকোঠাত চাৰিটা সোণোৱালী বছৰ

**চাৰুপ্ৰভা কাকতি**

**ন**গাঁও কলেজত আমাৰ দিনবোৰ লিখিবলৈ লোৱা মানে নিজৰ ঘৰখনৰ বিষয়ে উজাৰি দিয়াৰ দৰে হ'ব। এই কলেজতে চাৰিটা বছৰ কটালোঁ, সেই সোণোৱালী দিনবোৰত মোৰ সমগ্ৰ জীৱনত আদৰ্শ হৈ ৰোৱা পৰম শ্ৰদ্ধাৰ শিক্ষাগুৰু, অগ্ৰজ আৰু অনুজ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীসকলৰ সৰহখিনিয়ে আমৃত্যু থাকি যাব স্মৃতিৰ মণিকোঠাত।

১৯৭২ চন, ভাষা আন্দোলনৰ ভৰপক সময়। সেই সময়ত মই বিদ্যালয়ৰ নৱম মানৰ ছাত্ৰী আৰু ছাত্ৰী একতা সভাৰ বিষয়ববীয়া, লগতে আলোচনী সম্পাদিকা। সেয়েহে আন্দোলনসমূহৰ কাৰ্য্যসূচীত আগ-ভাগ ল'বলগীয়া হৈছিল। সেই আন্দোলনতে এই কলেজৰে বৰ অমায়িক, সৰবৰহী আৰু আগৰণুৱা ছাত্ৰ অনিল বৰাদেৱে অসমীয়া জাতি আৰু ভাষাৰ বাবে শ্বহীদ হৈছিল। তেওঁ মোৰ দাদাক লগ কৰিবলৈ প্ৰায়ে আমাৰ ঘৰলৈ আহিছিল আৰু চাহ-জলপান খাইহে গৈছিল। মৃত্যুৰ দুদিন আগতেও কলেজৰপৰা পলাশনিৰ ঘৰলৈ যোৱাৰ পথত আমাৰ ঘৰত সোমাইছিল। সেইসময়ত মোৰ দাদা-বাইদেউ এই কলেজৰ স্নাতক বৰ্ষৰ ছাত্ৰ-ছাত্ৰী হোৱা হেতুকেই কেইবাজনো গুণী ছাত্ৰৰ বিভিন্ন পাৰদৰ্শিতা, বাক-পটুতা আৰু অন্যান্য প্ৰতিভা খুউব ওচৰৰপৰা দেখাৰ সৌভাগ্য ঘটিছিল। নগাঁও কলেজত জিলাভিত্তিত অনুষ্ঠিত বিভিন্ন আলোচনা সভা, তৰ্ক-প্ৰতিযোগিতা, সাহিত্য-প্ৰতিযোগিতাত বিদ্যালয়সমূহক আমন্ত্ৰণ কৰা হেতুকে বিদ্যালয়ৰ তৰফৰপৰা দুই-তিনিজনীয়া দল উক্ত অনুষ্ঠানত ভাগ ল'বলৈ গৈছিলোঁ। ইয়াৰ প্ৰকাণ্ড চৌহদ, বিশাল শ্ৰেণীকোঠা, চাৰিওফালে পৰিষ্কাৰ-পৰিচ্ছন্ন মুকলি পথাৰ আৰু সুন্দৰ পৰিৱেশ দেখি মুগ্ধ হৈ পৰিছিলোঁ। তেতিয়াই মই ঠিৰাং কৰি পেলাইছিলোঁ যে মই প্ৰৱেশিকা পাছ কৰি এই কলেজত নাম লগাম। নগাঁও চৰকাৰী ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰপৰা ১৯৭৪ চনত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ নগাঁও কলেজৰ প্ৰাক-বিশ্ববিদ্যালয় কলা শাখাত নাম লগাই তাৰপৰাই স্নাতক ডিগ্ৰী লাভ কৰোঁ। প্ৰথম বৰ্ষতে "নৱাগত আদৰণি সভা"খনৰ স্মৃতি আজিও কিছু কিছু মনত আছে। সেই সভাত এমুখ দীঘল দাড়ি, অপৰিপাটী পোছাক, শৰীৰত ওলোমাই লোৱা জোলোঙা আৰু হাতত লাখুঁটিৰ নিচিনা এডাল টোকোন লৈ 'মন বৈৰাগী' ছদ্মনামেৰে খ্যাত বিপ্লৱ আৰু জাতীয়তাবাদৰ কবিতা লিখা মহেন্দ্ৰ নাথ মৈ হেং দাং ডেকাফুকনদেৱক দেখা আৰু তেখেতৰ উদাত্ত ভাষণ শুনাৰ সৌভাগ্য হৈছিল। সেই অপৰিপাটী পোছাকৰ মাজেদিয়েই তেখেতৰ বুদ্ধিদীপ্ত চকুহাল আৰু এখনি উজ্জ্বল মুখৰ কোমলতা প্ৰকাশ পাইছিল। তাৰ আগলৈকে আমি তেখেতৰ বিষয়ে অৱগত নাছিলোঁ, পিছত শুনিছিলোঁ তেখেতে বোলে পথেৰে গৈ থাকোতে লেতেৰাবোৰ চাফা কৰিবলৈ

লগত কোৰ এখন লৈ ফুৰিছিল আৰু লাগতিয়াল বস্তুবোৰ সকলো সময়তে জোলোঙাত ভৰাই লৈ ফুৰিছিল। এনেকৈয়ে বিভিন্ন সময়ত হৈ থকা সভা-সমিতিবোৰে মোক বাৰুকৈ আকৰ্ষিত কৰিছিল। কাৰণ ইয়াতেই অসমৰ বহুতো বৰেণ্য ব্যক্তিক ওচৰৰপৰা দেখিছিলোঁ আৰু তেওঁলোকৰ বক্তৃতা শুনিবলৈ পাইছিলোঁ।

মই বিদ্যালয়ত থকাৰপৰাই সাহিত্য-কৰ্মৰ লগত জড়িত "দৈনিক অসম" অকণিৰ ৰংঘৰত ভালেমান লিখনি প্ৰকাশ হৈছিল আৰু বিভিন্ন ঠাইত পুৰস্কাৰো পাইছিলোঁ। কলেজলৈ আহিও সাহিত্য-চৰ্চাৰ ক্ষেত্ৰখনত সোমাই পৰিলোঁ। "নগাঁও মহাবিদ্যালয়ৰ আলোচনী"ত প্ৰতিবছৰে মোৰ এটাকৈ চুটিগল্প প্ৰকাশ পাইছিল, সেয়ে মই আজি অত্যন্ত সুখী গল্পটিৰ লগতে মোৰ নামটো চিৰদিনলৈ আলোচনীকেইখনে বহন কৰি যাব। এয়াই মোৰ কলেজখনৰ প্ৰতি মৰমৰ চিন, মোৰ অতি মৰমৰ কলেজখনক মইনো ইয়াতকৈ আৰু কি ডাঙৰ উপহাৰ দিম?

সাহিত্য কৰ্ম আৰু বৌদ্ধিক চিন্তা-চৰ্চাত পঢ়াশলীয়া দিনবোৰৰপৰা লাগি আজি ৩২ বছৰীয়া কৰ্মজীৱনৰ অৱসৰৰ পিছতো প্ৰদেশখনৰ চুকে-কোণে নানান বন্ধু-বান্ধৱী আৰু শুভাকাংক্ষী লগ পোৱা হ'লোঁ, হঠাৎ কোনো ঠাইত তাহানিৰ বন্ধু-বান্ধৱীৰ লগতে আমাৰ অগ্ৰজ আৰু অনুজসকলক লগ পালে ঘৰগোনা আৱেগে চকুহাল সেমেকাই পেলায়। সেইসকল বন্ধু-বান্ধৱী যে দেশে-বিদেশে আছে সিঁচৰতি হৈ, সৰু-বৰ নানান স্থানত নিজৰ পৰিয়াল লৈ।

২০১৮ চনৰ আগষ্ট মাহত মহাবিদ্যালয়খনিৰ "মহাৰজত জয়ন্তীৰ আৰম্ভণি অনুষ্ঠান"ত যোগদান কৰিবলৈ অসুস্থ গাৰেই ঢপলিয়াই আহিছিলোঁ। আকৌ ২০১৯ চনৰ ২১ ডিচেম্বৰৰপৰা ২৩ ডিচেম্বৰলৈকে "মহাৰজত জয়ন্তীৰ সামৰণি অনুষ্ঠান" আয়োজন কৰা খবৰে মনত বহুত আনন্দ দিছে। আপোন মহাবিদ্যালয়খনিৰ ভাল ভাল খবৰবোৰ শুনিলে এনেয়েও মনটো আনন্দত নাচি উঠে। এই শুভক্ষণত নানাজনে অতীতৰ স্মৃতি ৰোমন্থন কৰিব। উভতি যাব অতীতৰ সেই মধুময় দিনবোৰলৈ আৰু কাল্পনিক তৰ্জুৰে জুখি চাব তাহানিৰ আৰু আজিৰ মহাবিদ্যালয়খনিৰ মানদণ্ড।

মহাবিদ্যালয়খনিলৈ বহুত পৰিৱৰ্তন আহিল। অলপতে মহাবিদ্যালয়খনিলৈ গৈছিলোঁ মহাবিদ্যালয়ৰ পুৰণি আলোচনীৰ সন্ধানত। আমাৰ অনুজ, অধ্যক্ষ শৰৎ বৰকটকীৰ কক্ষত বহি বহুতো কথাৰে বুজ ল'লোঁ। ১৯৪৪ চনৰ ৭ আগষ্টত প্ৰতিষ্ঠা হোৱা মধ্য অসমৰ প্ৰাণকেন্দ্ৰ স্বৰূপ নগাঁও মহাবিদ্যালয়খনিয়ে ৭৫ বছৰ অতিক্ৰম কৰিলে। মই লক্ষ্য কৰিলোঁ তেখেতে ঐতিহ্যমণ্ডিত মহাবিদ্যালয়খনি আটকধুনীয়াকৈ সজাই-পৰাই তোলাই নহয় ইয়াৰ শৈক্ষিক দিশটোৰ মানদণ্ডও বহুতখিনি আগুৱাই লৈ গৈছে। তেখেতৰপৰাই গম পালোঁ যে মহাবিদ্যালয়খন এখন 'অট'নমাচ মহাবিদ্যালয়" কৰি গঢ়ি তোলাৰ বাবে যো-জা চলাই থকা হৈছে। পৰীক্ষাৰ ফলাফলৰ ক্ষেত্ৰত প্ৰতিবছৰে ছাত্ৰ-ছাত্ৰীয়ে মহাবিদ্যালয়খনিলৈ সু-নাম কঢ়িয়াই আনিছে। 'নাক'ৰ দ্বাৰা দুবাৰকৈ 'এ' গ্ৰেড লাভ কৰি ৰাষ্ট্ৰীয় পৰ্য্যায়ত জিলিকি উঠিছে। আঠোটা বিভাগত স্নাতকোত্তৰ শ্ৰেণী সুকলমে চলি আছে আৰু বহুতো ছাত্ৰ-ছাত্ৰীয়ে বিশ্ববিদ্যালয়ৰ পৰীক্ষাত উচ্চ স্থান পাবলৈও সক্ষম হৈছে। লাহে লাহে মহাবিদ্যালয়খনৰ কেইটামান বিভাগ চহৰৰ অন্য ঠাইলৈ সম্প্ৰসাৰণ কৰাৰ প্ৰয়োজন হৈছে আৰু এই আঁচনি হাতত লোৱা বুলিও অধ্যক্ষই জানিবলৈ দিয়ে।

তদুপৰি গোটেই চৌহদটোত পৰিপাটীকৈ বিভিন্ন লাগতিয়াল গছ আৰু ফুল-লতাৰে সুন্দৰকৈ সেউজীকৰণ কৰাই এক সুন্দৰ বাৰ্তা বহন কৰিছে। আটকধুনীয়া তোৰণখনেৰে ইয়াত প্ৰৱেশ কৰিলেই প্ৰকৃতি-প্ৰেমৰ নিদৰ্শন চাক্ষুষ হয় আৰু এক গহীন

কোমল ভাবে ৰোমঞ্চিত কৰি তোলে। আগৰ অসম আৰ্হিৰ দীঘলীয়া বাৰাণ্ডাত মাজত মুকলি ঠাইখিনি আজি নাই যদিও পুৰণি ঘৰবোৰ নভঙাকৈয়ে নতুন আৰু আধুনিক আৰ্হিৰ দুমহলীয়া কোঠাবোৰৰ নিৰ্মাণ কাৰ্য্য সঁচাকৈয়ে বৰ প্ৰশংসনীয়। শীতাতপ নিয়ন্ত্ৰিত বৃহৎ “শ্বহীদ অনিল বৰা প্ৰেক্ষাগৃহটো”ৰে মহাবিদ্যালয়ৰ মহান কাৰ্য্য সমাধা কৰাত সহায় কৰিছে। বিজ্ঞানসন্মত “ইনডোৰ ষ্টেডিয়াম”, আধুনিক কাৰুকাৰ্য্যৰে সুকীয়াকৈ ছাত্ৰ আৰু ছাত্ৰীনিবাস, মহাবিদ্যালয়ৰ অন্তৰ্ভাগত আহল-বহল পৰিষ্কাৰ কেন্টিনখনৰপৰাও ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপক সকলো যথেষ্ট উপকৃত হৈছে।

মহাবিদ্যালয়ত পঢ়ি থকাৰ সময়ত মোৰ আটাইতকৈ আকৰ্ষণীয় আমাৰ দিনৰ অসম-আৰ্হিৰ সেই সৰু পুথিভঁৰালটোৰ ঠাইত এতিয়া দুমহলীয়া এটা আহল-বহল পুথিভঁৰাল। তথাপিও মোৰ সেই পুৰণি পুথিভঁৰালটোলৈ মনত পৰে, দেখাত সৰু হ'লেও কিতাপ-পত্ৰ ঠাহ খাই আছিল। পুথিভঁৰালটোৰ প্ৰতি মোৰ আছিল এক এৰাব নোৱাৰা টান, আকৰ্ষণ। ইয়াতেই মোৰ পঢ়া অভ্যাসটো ভালকৈ গঢ়ি উঠিছিল আৰু কিতাপৰ মাজেৰেই মই অন্য এখন ৰাজ্যত প্ৰৱেশ কৰিছিলোঁ। প্ৰতিদিনেই কিতাপ পঢ়িবলৈ আৰু আনিবলৈ যোৱাৰ বাবেই গ্ৰন্থগাৰিক শ্ৰদ্ধাৰ ৰেৱ বৰাদেৱ আৰু অন্য কৰ্ম-কৰ্তাসকলৰ লগত এক আপোন আৰু মধুৰ সম্পৰ্ক গঢ়ি উঠিছিল। অসমীয়াতে লিখা বহুতো জীৱনী-গ্ৰন্থ, ভ্ৰমণ-কাহিনী, নাটক, চুটি গল্প, উপন্যাস আদি পঢ়াৰ নিচাত ডুব গৈ আছিলোঁ। তাৰোপৰি অন্য ভাষাৰপৰা অসমীয়ালৈ অনূদিত প্ৰায়বোৰ কিতাপেই চাৰিটা বছৰত পঢ়ি শেষ কৰিছিলোঁ। ইয়াতেই দুই-এখন বাংলা ভাষাৰ পুথি পঢ়ি সোৱাদ পাই পিচৰ পৰ্যায়ত বাংলা কিতাপ নিয়মীয়াকৈ অধ্যয়ন কৰিবলৈ লৈছিলোঁ। পিচলৈ মোৰ আগ্ৰহৰ বাবেই গ্ৰন্থগাৰিক বৰা আৰু অন্য কৰ্মচাৰী কেইজনমানে মোক উপযাচিয়েই নতুন কিতাপ উলিয়াই দিছিল। এতিয়াৰ গ্ৰন্থগাৰটোৱে এক নতুন ৰূপত ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপকসকলক হয়তো পঢ়া-শুনাত আগতকৈ বহুত বেছি অৰিহণা যোগাইছে।

আমাৰ সৌভাগ্য যে পণ্ডিত ড° সৰ্ব্বেশ্বৰ ৰাজগুৰু, সাহিত্য অকাডেমিৰ বঁটাপ্ৰাপক অধ্যাপক মহিম বৰাৰ দৰে মহান অধ্যাপকৰ ছাত্ৰী আছিলোঁ। শ্ৰেণীত অসমীয়া বিষয়টোৰে নহয় তেখেত-সকলৰপৰা আমি বহুতো ন ন কথা শিকিব পাৰিছিলোঁ। স্নাতক দ্বিতীয় বৰ্ষত থাকোতে এদিন ভয়ে ভয়ে গৈ মহিম বৰা চাৰক মই লিখা গল্প এটা চাই দিবলৈ দিলোঁগৈ। দুদিনমান পিচত মাতি নি ক'লে — “এতিয়া সৰু হৈ আছা, প্ৰথমে জীৱনৰ অভিজ্ঞতা সঞ্চয় কৰা। তেতিয়াহে ভৱিষ্যতে ভাল গল্প লিখিব পাৰিবা।” তেখেতৰ কথাত সেই সময়ত ব্যথিত হৈছিলোঁ, কিন্তু ডাঙৰ হৈ উপলব্ধি কৰিছোঁ চাৰে সজ কথাকে কৈছিলে। উক্ত গল্পটোৱে সেই বছৰতে “অসম সাহিত্য সভা”ৰ অন্তৰ্গত “নগাঁও সাহিত্য সভা”ই আয়োজন কৰা গল্প প্ৰতিযোগিতাত পুৰস্কাৰ লাভৰ বাবে বিবেচিত হৈছিল। মোৰ লগতে সু-গল্পকাৰ, চকু-চিকিৎসক ডাঃ অপূৰ্ব কুমাৰ শইকীয়াইও পুৰস্কাৰ পাইছিল। ইয়াৰোপৰি ৰাজনীতি বিজ্ঞানৰ শ্ৰদ্ধেয় তগৰ বৰা চাৰক আমি খুউব ভয় কৰিলেও তেখেতৰ পাঠদানে সকলোকে আকৰ্ষণ কৰিছিল। চালেহ চাৰৰ ইংৰাজী কবিতা বুজোৱাৰ ধৰণটো মই আজিও পাহৰিব পৰা নাই। প্ৰথমে শব্দবোৰৰ অৰ্থ কৈ যায়, আমি বহীত টুকি লওঁ। তেখেতে পাঠদান কৰোতে নিজে কবিতাটোৰ মাজত সোমাই পৰে আৰু কবিতাটোৰ বিষয়-বস্তু এনেকুৱাকৈ উপস্থাপন কৰে, মোৰ এখন চলচ্চিত্ৰ চাই থকাৰ দৰে চকুৰ আগত ভাহি থাকে। বিশেষকৈ 'William Cowper' ৰ 'John Gilpin' নামৰ কবিতাটোৰ জধলা পোছাক পৰিহিত মূল চৰিত্ৰটো আজিও মোৰ মানস পটত সাঁচ বহি আছে। ইংৰাজী কবি 'William Cowper' নামৰ অস্ত্ৰধাৰী গোটৰ নায়কজনে মানসিক অৱসাদত ভুগি

থকা সময়তে Anna Austen নামৰ মহিলা এগৰাকীৰ পৰা শুনা চৰিত্ৰ 'John Gilpin' ক লৈ লিখা কবিতা এটা প্ৰকাশ পাইছিল ১৭৮২ চনত। ঘোঁৰাৰ পিঠিত উঠি গৈ থকা জধলা পোছাকৰ চৰিত্ৰটোৱে বিশ্বজুৰি প্ৰচাৰ আৰু খ্যাতি লাভ কৰে ১৭৮৫ চনত। উক্ত কবিতাটো মোৰ মনত আজিও সজীৱ হৈ আছে আৰু চালেহ চাৰে কেনেকৈ চিৰদিন মনত ৰেখাপাত কৰিব পৰাকৈ কবিতাটো বুজাব পাৰিছিল, ভাবি আচৰিত হওঁ। এতিয়াও শ্ৰেণীকোঠাত চাৰৰ পাঠদানৰ সেই ছবিখন মোৰ দেখি থকা যেন লাগে। নিজেও এদিন শিক্ষক হ'লোঁ আৰু শ্ৰেণীত সেই অধ্যাপকসকলক অনুকৰণ কৰি ছাত্ৰক শিক্ষাদান কৰিবলৈ চেষ্টা কৰিছিলোঁ। শিক্ষা বিভাগত নৰেন বৰা চাৰ, ইন্দু বৰ্মন বাইদেউ, ভূগোল বিজ্ঞানত কমল গোস্বামী দেৱ আৰু সেইসময়ৰ সকলো অধ্যাপকলৈ শ্ৰদ্ধা নিবেদন কৰিলোঁ। এতিয়া সৰহখিনি অধ্যাপকেই ইহজগতত নাই। ভগৱানৰ ওচৰত তেখেতসকলৰ আত্মাৰ চিৰশান্তি কামনা কৰিলোঁ।

আমাৰ মহাবিদ্যালয়ৰ মধ্যমণি অধ্যক্ষ মুহিৰাম শইকীয়াদেৱ অকল অধ্যক্ষই নাছিল, তেখেত মহাবিদ্যালয়খনৰ অভিভাৱক আছিল। শৈক্ষিক দিশটোৰ প্ৰতি চকু ৰখাৰ উপৰি ছাত্ৰ-ছাত্ৰীক শৃঙ্খলাবদ্ধ কৰি সু-শাসনেৰে পৰিচালনা কৰিছিল। বৰদলৈ হলৰ ওখ বাৰাণ্ডাত তললৈ ভৰি ওলোমাই বহি লগৰীয়াৰ লগত কথা পতাৰ মজাই বেলেগ আছিল। আজি সেই ওখ বাৰাণ্ডাখন নাই, হলটিহে কিছু নতুন ৰূপত আছে। এবাৰ জাননী দিলে যে ক্লাছ নাথাকিলে কোনোৱে বাহিৰত ঘূৰি ফুৰিব নোৱাৰিব, জিৰণি কোঠাত থাকিব লাগিব। আমাৰ জ্যেষ্ঠ দুগৰাকীমানে এদিন ভিতৰতে থকা সৰু কেণ্টিনখনত চাহ-চিংৰা খাই আহি কথাত মছগুল হৈ মহাবিদ্যালয়ৰ সন্মুখৰ ফালে গৈ অহা-যোৱা কৰি আছিল। অধ্যক্ষ মুহিৰাম শইকীয়া চাৰে দেখা পাই চোঁচা লৈ খেদি আহিল, মেখেলা-চাদৰ কোঁচাই তেওঁলোকেও ভিৰাই দিলে দৌৰ জিৰণি কোঠালৈ। তেখেতেও পিচে পিচে খেদি আহি জিৰণি কোঠা পালেহি। তাত থকা সকলে কি হৈছে, একো উৱাদিহ নাপাই ভয়তে পেঁপুৱা লাগিল। কেইজনীমান গৈ পিছফালে লুকালগৈ। পিছে চাৰে খেদি অহা কেইগৰাকীক ক'ত পাব, তেওঁলোক পিছফালৰ দুৱাৰেদি ওলাই সেইফালে বাহিৰলৈ ওলোৱা গেটেৰে পলাই পত্ৰং দিলে। সেইদিনাই গেটখনত তলা লগাই বন্ধ কৰি দিয়া হ'ল। আজিও সেই আমোদজনক কথাবোৰ মনত পৰিলে হাঁহি উঠে।

নিজৰ বৃত্তি আৰু পৰিয়ালৰ ব্যস্ততাৰ বাবে বহুত দিন কলেজখনৰ খবৰৰপৰা আঁতৰি থাকিলেও মৰমৰ শিক্ষানুষ্ঠানখনিৰ খবৰবোৰ যোৱা এটা বছৰে বেছিকৈ পাই আছোঁ, ডিজিটেল মাধ্যমৰ বাবেই এয়া সম্ভৱ হৈছে। এই মহাবিদ্যালয়ৰপৰা স্নাতক হৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অসমীয়া সাহিত্যত স্নাতকোত্তৰ মহলা অতিক্ৰমী প্ৰথমে নগাঁও জিলাৰ আমবাগান উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিষয় শিক্ষক হিচাবে যোগদান কৰোঁ। পৰৱৰ্তী সময়ত গুৱাহাটী দিচপুৰৰ স্থায়ী বাসিন্দা হৈ ৰঙীয়া ছোৱালী উচ্চতৰ মাধ্যমিক আৰু পিচত সোণাৰাম উচ্চতৰ মাধ্যমিক, গুৱাহাটীলৈ বদলি হৈ আহি ২০১৯ চনৰ মাৰ্চ মাহত কৰ্ম-জীৱনৰপৰা অৱসৰ গ্ৰহণ কৰোঁ। আজি এই পৱিত্ৰ বিদ্যা মন্দিৰটোৰ স্মৃতি ৰোমন্থন কৰি আৱেগতে আনন্দৰ চকুপানী ওলাইছে।

পঁয়সত্তৰ বছৰ পূৰ্ণতাৰ দিনত আমাৰ মহাবিদ্যালয়খনিৰ হিত চিন্তকসকলে এনে চিন্তা আৰু পৰিকল্পনা কৰা উচিত যাতে এইখন অসমৰে নহয় ভাৰতবৰ্ষৰ ভিতৰতে জাকতজিলিকা এক অন্যতম উচ্চশিক্ষাৰ শিক্ষানুষ্ঠান হৈ উঠিব পাৰে। শিক্ষাই মানৱ সভ্যতাৰ ভেটি। এই শিক্ষানুষ্ঠানে সুস্থ পৰিৱেশ, সম্প্ৰীতি আৰু আধুনিক প্ৰযুক্তিৰ ৰূপায়ণত অগ্ৰগতি লাভ কৰক, তাকেই আন্তৰিকতাৰে কামনা কৰিলোঁ।❑

লেখিকা - প্ৰাক্তন ছাত্ৰী

# নগাঁও মহাবিদ্যালয়
# পঁইসত্তৰ বছৰীয়া আলোকময় যাত্ৰা

**বসন্ত বৰঠাকুৰ**

**এ**খন সমৃদ্ধিশালী দেশৰ শক্তিশালী বুনিয়াদ গঢ়িবৰ বাবে শিক্ষাৰ উন্নয়ন অপৰিহাৰ্য। নতুন পুৰুষক সুশিক্ষাৰে উপযুক্ত কৰি তুলিব নোৱাৰিলে পৰম আকাংক্ষিত স্বাধীনতাও অৰ্থহীন হৈ পৰিব পাৰে। এই চিন্তাৰেই মধ্য অসমৰ নগাঁও জিলাৰ একাংশ স্বপ্নদ্ৰষ্টা লোকে স্বাধীনতা সংগ্ৰামৰ সমান্তৰালকৈ কঢ়িয়াই নিছিল এখন মহাবিদ্যালয় প্ৰতিষ্ঠাৰ সপোন। এই আলোক সন্ধানী ব্যক্তিসকলৰ অবিৰত প্ৰচেষ্টাৰ ফলত ১৯৪৪ চনৰ ৭ আগষ্টত জন্ম হৈছিল নগাঁও মহাবিদ্যালয়ৰ। বৃটিছ শাসনৰ সেই সময়ছোৱাত অসমৰ শিক্ষা ব্যৱস্থা পূৰ্ণাংগ ৰূপত ঠন ধৰি উঠা নাছিল। জিলা সদৰসমূহৰ উপৰি গাঁৱে-চহৰে বহু ঠাইত সমাজ-সচেতন লোকৰ উদ্যোগত গঢ় লৈ উঠা বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীয়ে দশম শ্ৰেণীলৈকে অধ্যয়নৰ সুবিধা পাইছিল যদিও মহাবিদ্যালয়ৰ অভাৱত উচ্চ শিক্ষা গ্ৰহণ সপোন হৈয়ে ৰৈছিল। এনে এক অসহায় অৱস্থাৰপৰা ছাত্ৰ-ছাত্ৰীৰ বাবে উচ্চ শিক্ষা আহৰণ সহজসাধ্য কৰি তোলাৰ লক্ষ্যৰে অসমৰ বিভিন্ন স্থানত নতুনকৈ কলেজ স্থাপন কৰিবলৈ এচাম সমাজ সচেতন লোকে আত্মনিয়োগ কৰিছিল। দ্বিতীয় মহাযুদ্ধৰ সামৰিক গতি-বিধিয়ে সেই সময়ছোৱাত তেনে চিন্তাক বাস্তৱৰূপ দিয়াটোও জটিল কৰি তুলিছিল। তেনে এক প্ৰতিকূল পৰিৱেশতো উচ্চ শিক্ষাৰ দুৱাৰ মুকলি কৰাৰ বাবে অংগীকাৰবদ্ধ লোকসকলে নেৰানেপেৰা প্ৰচেষ্টাৰে সেই সপোনক বাস্তৱ ৰূপ দিবলৈ সক্ষম হৈছিল। নগাঁৱত এখন মহাবিদ্যালয় স্থাপন কৰাৰ বাবে চলোৱা অভিযানৰ নেতৃত্ব লৈছিল সেই সময়ৰ জিলাখনৰ জননেতা মতিৰাম বৰাই। সক্ৰিয়ভাৱে জড়িত হৈছিল মহীচন্দ্ৰ বৰা, হলধৰ ভূঞা, পূৰ্ণচন্দ্ৰ শৰ্মা, বিমল বৰা, প্ৰতাপ শৰ্মা, ড° ললিত বৰুৱাকে ধৰি গণ্য-মান্য নাগৰিকসকলে। ৰায়বাহাদুৰ বৃন্দাবন গোস্বামীৰ

সভাপতিত্বত ভদ্ৰেশ্বৰ বৰুৱা উপ-সভাপতি, মতিৰাম বৰা আৰু প্ৰিয়নাথ সেনগুপ্তক যুটীয়া সম্পাদকৰ দায়িত্ব দি মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাৰ বাবে গঠন কৰা পৰিচালনা সমিতিয়ে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰি ১৯৪৪ চনৰ শিক্ষাবৰ্ষৰপৰাই শ্ৰেণীসমূহ আৰম্ভ কৰিবৰ বাবে অনুমতি বিচাৰি কলিকতা বিশ্ববিদ্যালয়লৈ আবেদন জনালে। সেই মৰ্মে কলিকতা বিশ্ববিদ্যালয়ৰ অনুমোদন লাভ কৰি সেই বছৰৰপৰাই ইংৰাজী, অসমীয়া, বাংলা, সংস্কৃত, আৰবিক, গণিত, বুৰঞ্জী, ছিভিক্স আৰু লজিক বিষয়ৰ অন্তৰ্ভুক্তিৰে আই এ শ্ৰেণীৰ পাঠদান আৰম্ভ কৰা হয়। প্ৰথম অধ্যক্ষ হিচাপে দায়িত্ব লয় যশস্বী সাহিত্যিক পণ্ডিত যজ্ঞেশ্বৰ শৰ্মাই, উপাধ্যক্ষ হিচাপে যোগদান কৰে দেবেন্দ্ৰ নাথ বৰাই, স্থাপন কালৰ শিক্ষাগুৰুসকল আছিল ফণীন্দ্ৰলাল দত্ত, দেবেশ্বৰ পাঠক, নিৰ্মল চন্দ্ৰ চামাদ্দাৰ, মহেশ চন্দ্ৰ দেৱগোস্বামী, এ ৰ'ফ চৌধুৰী আদি। প্ৰথম বৰ্ষত নামভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আছিল ১৪১জন। ইয়াৰে ১২৩ জন ছাত্ৰ আৰু ১৮ গৰাকী ছাত্ৰী। মহাবিদ্যালয়ৰ নিজা ভৱন নোহোৱা বাবে সেই সময়ত চহৰখনৰ কিছু আওহতীয়া স্থানত অৱস্থিত ডচন স্কুলতেই পাঠদান আৰম্ভ কৰা হয় যদিও মতিৰাম বৰাদেৱৰ তৎপৰতাত কম সময়ৰ ভিতৰতে অধিক সুবিধাজনক স্থান হিচাপে বিবেচিত বৰ্তমানৰ চৌহদলৈ স্থানান্তৰ কৰা হয়। বৰ্তমান মহাবিদ্যালয়খন স্থাপন হোৱা স্থানত সেই সময়ত নগাঁও চৰকাৰী বালক বিদ্যালয়ৰ ছাত্ৰাবাস আৰু পৃথক চৌহদেৰে এটা ডাকবাংলা আছিল। ক্ৰমান্বয়ে সেই সমগ্ৰ এলেকা সামৰি এক বৃহৎ চৌহদত মহাবিদ্যালয়ৰ কামসমূহ চলিবলৈ ল'লে।

১৯৪৮ চনত গুৱাহাটী বিশ্ববিদ্যালয় স্থাপন হোৱাৰ পিচত কলিকতা বিশ্ববিদ্যালয়ৰ অধীনৰপৰা স্বাভাৱিক নিয়ম অনুসৰি মহাবিদ্যালয় ক্ৰমান্বয়ে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনলৈ আহিল। নিজৰ ভৱনলৈ অহাৰ পিছত পূৰ্বৰ অসুবিধাসমূহ দূৰ হ'ল। সময়ৰ লগে লগে শিক্ষাদানৰ বিষয় শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰিলে। ক্ৰমান্বয়ে স্নাতক শ্ৰেণী, বিজ্ঞান আৰু বাণিজ্য শাখাৰ আৰম্ভ কৰা হ'ল। মহাবিদ্যালয়খন নগাঁও জিলাৰ উপৰি বৰ্তমানৰ মৰিগাঁও, হোজাই, কাৰ্বিআংলঙকে ধৰি সমগ্ৰ মধ্য অসমৰ উচ্চ শিক্ষাৰ প্ৰধান কেন্দ্ৰস্থলত পৰিণত হয়। বিদ্যা আহৰণৰ বাবে অসমৰ অন্যান্য স্থানৰপৰাও ছাত্ৰ-ছাত্ৰীৰ আগমন ঘটিবলৈ ল'লে। এই জ্ঞানকুম্ভলৈ। মাত্ৰ ন টা বিষয় অন্তৰ্ভুক্তিৰে ১৪১ জন ছাত্ৰ-ছাত্ৰীৰে পাঠদান আৰম্ভ কৰা মহাবিদ্যালয়খনত বৰ্তমান ২৪ টা বিষয়ত তিনি হাজাৰতকৈও অধিক ছাত্ৰ-ছাত্ৰীয়ে নিয়মীয়াকৈ শিক্ষা গ্ৰহণ কৰিছে। কলেজখনত অসমীয়া, উদ্ভিদ বিদ্যা, ৰসায়ন বিজ্ঞান শিক্ষা, ইংৰাজী, বুৰঞ্জী, দৰ্শন আৰু জীৱবিদ্যা বিষয়ত প্ৰৱৰ্তন কৰা স্নাতকোত্তৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়নৰ সুবিধা পাইছে। পৰম্পৰাগত বিষয়সমূহৰ উপৰি পৰিৱৰ্তিত প্ৰতিযোগিতামূলক পৰিস্থিতিত প্ৰায়োগিক আৰু বৃত্তিমূলক ক্ষেত্ৰসমূহৰ বাবেও ছাত্ৰ-ছাত্ৰীসকলক পাৰদৰ্শী কৰি তোলাৰ লগতে কলেজখনত ট্ৰেভেল এণ্ড ট্যুৰিজিম বায়'টেকনলজী, প্ৰদৰ্শনমূলক কলা (সত্ৰীয়া নৃত্য) আদি বিষয়ৰ পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰা হৈছে। তদুপৰি ফেশ্যন ডিজাইনিং, ক্ৰিয়েটিভ ৰাইটিং আদিৰ লগতে জাৰ্মান, ফৰাচী আৰু চীনা ভাষাৰ পাঠদানৰ ব্যৱস্থা কৰা হৈছে। কলেজখনত ইণ্ডিৰা গান্ধী ৰাষ্ট্ৰীয় মুক্ত বিশ্ববিদ্যালয়, গুৱাহাটী বিশ্ববিদ্যালয়ৰ দূৰৱৰ্তী আৰু মুক্ত অধ্যয়ন প্ৰতিষ্ঠান (১৯০৮) আৰু কৃষ্ণকান্ত ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ নিয়মীয়া অধ্যয়ন কেন্দ্ৰৰ জড়িয়তে পৰম্পৰাগত বিষয়সমূহৰ উপৰি বিভিন্ন বৃত্তিমূলক শিক্ষা আহৰণৰ পথ মুকলি হৈছে।

বিশ্ববিদ্যালয় অনুদান আয়োগৰ অধীনত NACC অৰ মূল্যায়নত নগাঁও মহাবিদ্যালয়ে ২০০৪ চনৰপৰা ক্ৰমাগতভাৱে উন্নত প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে। ২০০৪ চনত B+ গ্ৰেড লাভ কৰাৰ পিছত

২০১১ চনত A গ্ৰেড (CGPA৩.১৮) আৰু ২০১৬ চনত অধিক উন্নত প্ৰদৰ্শনেৰে A গ্ৰেড (CGPA ৩.২৭) লাভ কৰিছে।

পঁইসত্তৰ বছৰ পূৰ্বে অংকুৰণ ঘটা এই জ্ঞানবৃক্ষই আজি ফলে-ফুলে জাতিষ্কাৰ হৈ লক্ষজনৰ জীৱন আলোকিত কৰি তুলিছে। মহাবিদ্যালয়ৰ স্থাপন কালৰপৰা বৰ্তমানলৈকে ৰাজ্যখনৰ লগতে দেশৰ বিভিন্ন প্ৰান্তৰপৰা আহি উৎসৰ্গিত মনোভাবেৰে শিক্ষাদান কৰি অহা শিক্ষকসকলৰ একান্ত প্ৰচেষ্টাৰ ফলত এয়া সম্ভৱ হৈ উঠিছে। নগাঁও মহাবিদ্যালয়ে প্ৰজ্ঞাৰ সাধনাৰ এক মহান কেন্দ্ৰ হিচাপে নগাঁৱকে ধৰি মধ্য অসমৰ শিক্ষা, সমাজ, সংস্কৃতিৰ গুৰিৱ'ঠা ধৰি ৰাজ্যখনকে মহীয়ান কৰি তুলিছে। নগাঁও মহাবিদ্যালয়তে জীৱনৰ ভেটি গঢ়া বহুজনে ৰাজ্যখনৰ লগতে দেশে-বিদেশে বিভিন্ন ক্ষেত্ৰত প্ৰশংসনীয় কাৰ্য সম্পাদন কৰিবলৈ সক্ষম হৈছে।

নগাঁও মহাবিদ্যালয়ৰ প্ৰথম অধ্যক্ষ সাহিত্যাচাৰ্য যজ্ঞেশ্বৰ শৰ্মাই অসম সাহিত্য সভাৰ সভাপতিৰ আসন অলংকৃত কৰাৰ পৰৱৰ্তী কালত মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ সাহিত্যাচাৰ্য মহিম বৰা আৰু ৰং বং তেৰাঙ দেৱেও সেই সন্মানীয় দায়িত্ব পালন কৰিছিল। মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ, অসামান্য প্ৰতিভাধৰ শিল্পী খগেন মহন্তই গীত আৰু সুৰেৰে অসমীয়া সংগীতক চিৰকাললৈ মহীয়ান কৰি থৈ গৈছে। প্ৰাক্তন ছাত্ৰ প্ৰফুল্ল কুমাৰ মহন্তই ঐতিহাসিক অসম আন্দোলনৰ গুৰি ধৰি সকলোৰে গ্ৰহণযোগ্যভাৱে আন্দোলনৰ পৰিসমাপ্তিও ঘটোৱাৰ উপৰি দুবাৰকৈ ৰাজ্যৰ মুখ্যমন্ত্ৰী হিচাপে কাযনিৰ্বাহ কৰে। প্ৰাক্তন ছাত্ৰ দীগেন বৰা, গিৰীন্দ্ৰ কুমাৰ বৰুৱা, গৌতম বৰা, ৰকিবুল হুছেইন আদি সকলে বিভিন্ন সময়ত ৰাজ্যৰ একোজন মন্ত্ৰী হিচাপে ৰাজ্যখনৰ উন্নয়নৰ ক্ষেত্ৰত উল্লেখনীয় অৱদান আগবঢ়াই গৈছে। মহাবিদ্যালয়ৰ আৰম্ভণি বৰ্ষৰ ছাত্ৰ তথা অসমৰ সংবাদজগতৰ অন্যতম পথিকৃৎ তথা বিশিষ্ট ব্যংগ লেখক তিলক হাজৰিকা আৰু পৰৱৰ্তী সময়ত শিৱানন্দ কাকতি, গৱেষক পণ্ডিত ড° যোগেন্দ্ৰনাৰায়ণ ভূঞা, ড° নৱেন কলিতা, ডাঃ প্ৰয়াগ শইকীয়া, ডাঃ অপূৰ্ব কুমাৰ শইকীয়া, ডাঃ দীপক কুমাৰ শৰ্মা, মনোজ কুমাৰ গোস্বামী, নন্দ সিং বৰকলা, মানস কুমাৰ মহন্ত, প্ৰকাশ মহন্ত, পৰাগমণি আদিত্য আদি বহুজনে নিজ বৈশিষ্ট্যৰে ৰাজ্যৰ সাহিত্য আৰু সাংবাদিকতাৰ ক্ষেত্ৰখন চহকী কৰি আহিছে। প্ৰাক্তন ছাত্ৰ উপকূল বৰদলৈ, গুণ মহন্ত, অৰূপ মান্না, বাণী দাস, যতীন বৰা আৰু বিভিন্নজনে অসমৰ মঞ্চ আৰু চলচ্চিত্ৰৰ ক্ষেত্ৰত উল্লেখনীয় প্ৰদৰ্শনেৰে সুনাম অৰ্জন কৰিছে। বিভিন্নজনে নিৰ্বাচিত জনপ্ৰতিনিধি হিচাপে দেশৰ প্ৰতি সেৱা আগবঢ়াইছে। বহুজন প্ৰাক্তন মেধাৱী ছাত্ৰ-ছাত্ৰীয়ে দেশে-বিদেশে বিজ্ঞান-প্ৰযুক্তি, শিক্ষা, গৱেষণা প্ৰতিষ্ঠানত কৃতিত্বপূৰ্ণ সেৱা আগবঢ়াই আহিছে। প্ৰশাসনিক ক্ষেত্ৰতো বহু প্ৰাক্তন ছাত্ৰই দক্ষতা আৰু কৃতিত্বৰে সেৱা আগবঢ়াই মহাবিদ্যালয়খনক গৌৰৱান্বিত কৰিছে। ব্যৱসায়-বাণিজ্য আৰু উদ্যোগৰ ক্ষেত্ৰখনৰ জড়িয়তে ৰাজ্যৰ অৰ্থনৈতিক ভেটি সবল কৰি তোলাত ব্ৰতী হৈছে বহু প্ৰাক্তন ছাত্ৰ।

শিক্ষা-দীক্ষাৰে এক উন্নত আৰু সমৃদ্ধ সমাজৰ সপোন ৰচি প্ৰাকস্বাধীনতা কালৰ অকল্পনীয় সীমাবদ্ধতা আৰু সৰল প্ৰত্যাহ্বানক নেওচি মহাবিদ্যালয় স্থাপন কৰা সেই সময়ৰ দূৰদৃষ্টি ব্যক্তিসকলৰ প্ৰচেষ্টাই আজিৰ অসমক সমৃদ্ধ কৰিছে। বিদ্যায়তনিক ক্ষেত্ৰখনৰ বাহিৰেও নগাঁও মহাবিদ্যালয়ৰ সাহিত্য-সংস্কৃতি, ক্ৰীড়া ক্ষেত্ৰৰ উন্নয়ন সাধনৰ লগতে দায়িত্বশীল নেতৃত্বৰে সমাজক দিক নিৰ্দেশনা দিবলৈ সক্ষম হৈছে। মহাবিদ্যালয়ৰ ছাত্ৰ শক্তিয়ে অসমৰ জাতীয় জীৱনৰ সংকটৰ সময়ত সবল আৰু সামৰ্থ্য নেতৃত্বৰে জাতীয় দায়িত্ব পালন কৰি আহিছে। ছাত্ৰ আন্দোলনসমূহৰ স্নায়ুকেন্দ্ৰ হৈ পৰা নগাঁও মহাবিদ্যালয়ে বহু জটিল সময় অতিবাহিত কৰিব লগা হৈছিল। ১৯৭২ চনৰ মাধ্যম আন্দোলনৰ সেই সময়ৰ

নগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক তথা সদৌ অসম ছাত্ৰ সন্থাৰ সহকাৰী সম্পাদক অনিল বৰাই সাহসেৰে সন্মুখৰপৰা আন্দোলনৰ নেতৃত্ব বহন কৰি দুবৃৰ্ত্তৰ আক্ৰমণত প্ৰাণ হেৰুৱাইছিল। মহাবিদ্যালয়ত প্ৰতিষ্ঠা কৰা বীৰ শ্বহীদজনৰ প্ৰতিমূৰ্তিয়ে এতিয়াও প্ৰতিজন ছাত্ৰ-ছাত্ৰীকে অনুপ্ৰাণিত কৰি আহিছে। ছবছৰীয়া অসম আন্দোলনৰ কালছোৱাত জিলাখনত আন্দোলনৰ কাৰ্যসূচী পৰিচালনাৰ মূল কেন্দ্ৰ হৈ পৰিছিল নগাঁও মহাবিদ্যালয়।মহাবিদ্যালয়ৰ চৌহদতে আৰক্ষীৰ লাঠীচালনাত আহত হৈছিল ছাত্ৰ-ছাত্ৰী। ভাঙি লণ্ড-ভণ্ড কৰিছিল মহাবিদ্যালয়ৰ ছাত্ৰসন্থাৰ কাৰ্যালয়। ছাত্ৰ-ছাত্ৰীৰ প্ৰৱেশ নিষিদ্ধ কৰি শ্ৰেণীকোঠাত চি আৰ পিৰ শিবিৰ স্থাপন কৰিছিল। মহাবিদ্যালয়ৰ শ্ৰেণীকোঠা এৰি থৈ গৈছিল বিধ্বস্ত ৰূপত।

এনে বহু সংকট, সমস্যা আৰু বাধা অতিক্ৰমি নগাঁও মহাবিদ্যালয়ে ৰাজ্যখনৰ বৌদ্ধিক আকাশ পোহৰাই ৰাখিছে। পঁইসত্তৰ বছৰত ভৰি দিয়া মহাবিদ্যালয়খনৰ এই দীঘল পৰিক্ৰমা মহিমামণ্ডিত কৰি তুলিছে মহাবিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীবৃন্দৰ লগত শিক্ষাগ্ৰহণ কৰা অগণন ছাত্ৰ-ছাত্ৰীয়ে।

নগাঁও মহাবিদ্যালয়ৰ আন্তঃগাঁথনি, বিদ্যায়তনিক অভিজ্ঞতা সাংগঠনিক পৰিপক্কতা আৰু সমৃদ্ধ ঐতিহ্য পৰম্পৰাৰ বিষয় বিবেচনা কৰি মধ্য অসমৰ এক বৃহৎ অঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ উচ্চ শিক্ষা আহৰণৰ লগতে অধ্যয়ন, গৱেষণাৰ পৰিৱেশ ৰচনা কৰাৰ স্বাৰ্থত মহাবিদ্যালয়খনক এক স্বতন্ত্ৰীয় বিশ্ববিদ্যালয়লৈ উন্নীত কৰাৰ প্ৰয়োজনীয়তা আজি অনস্বীকাৰ্য বিষয় হৈ পৰিছে। মহাবিদ্যালয়খনৰ মহাৰজত জয়ন্তীৰ বৰ্ষতে সংশ্লিষ্ট কৰ্তৃপক্ষই বিষয়টো গুৰুত্ব সহকাৰে বিবেচনা কৰি সঠিক সিদ্ধান্ত গ্ৰহণ কৰিলে সামগ্ৰিকভাৱে ৰাজ্যখনৰে শৈক্ষিক উন্নয়ন সাধন কৰা হ'ব।❑

**বিশেষ দ্ৰষ্টব্য** - লেখাটো যুগুতাওঁতে নগাঁও মহাবিদ্যালয় আলোচনীত প্ৰকাশিত সাহিত্যাচাৰ্য যজ্ঞেশ্বৰ শৰ্মাৰ 'নগাঁও মহাবিদ্যালয় জন্মলগ্ন সম্পৰ্কত', দেবেন্দ্ৰ নাথ হাজৰিকাৰ 'নগাঁও কলেজৰ ডুখৰীয়া স্মৃতিপৰশ' আজি প্ৰবন্ধৰ লগতে নগাঁও মহাবিদ্যালয়ৰপৰা প্ৰকাশিত পুস্তিকা আদিৰ সহায় লোৱা হৈছে। তৎসত্বেও কোনো বিশিষ্ট ব্যক্তিৰ অৱদান সম্পৰ্কে আন কোনো তথ্যগত আঁসোৱাহ ৰৈ গ'লে সেয়া নিতান্তই অনিশ্চাকৃত।

লেখক - প্ৰাক্তন ছাত্ৰ নেতা।

# নগাঁও কলেজৰ সোণালী স্মৃতি

**জয়ন্ত কুমাৰ বৰা**

*Memories are like antiques,*
*the older they are the more valuable they become.*
*- Marinela Reca.*

কলেজৰ স্মৃতিবোৰ সপোন সপোন লাগে। এতিয়া বয়সৰ বসন্তই পঞ্চাছ বছৰ অতিক্ৰমি সন্তৰ্পণে আগবাঢ়িছে অবিৰাম গতিৰে, অথচ সৌ সিদিনাহে যেন কলেজত ভৰি দিছিলোঁ এনে লাগে। অতীতলৈ উভতি চাই যেতিয়া লিখিবলৈ লৈছোঁ, অলেখ স্মৃতিয়ে আবৰি ধৰিছে। এক আৱেগিক সম্বন্ধই আচ্ছন্ন কৰি তোলে মনটো, আপোন আপোন লগা কলেজখনৰ পুৰণি কথাবোৰ মনলৈ আহিলে।

১৯৮৩ চন। অসম আন্দোলনৰ ভৰপক সময়। আন্দোলনত এটা শৈক্ষিক বৰ্ষ হেৰুওৱাৰ পাছত এই বছৰতে নগাঁও চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়পৰা মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈ নগাঁও কলেজত নাম লগাইছিলোঁ। লগৰ বহুতেই কটন কলেজত এড্‌মিচন লৈছিল উজ্জ্বল ভৱিষ্যতৰ সপোন লৈ। কটন কলেজত পঢ়াৰ হেঁপাহ আছিল যদিও ঘৰুৱা চহৰখনৰ প্ৰতি থকা অকৃত্ৰিম আকৰ্ষণ আৰু ঐতিহ্যপূৰ্ণ নগাঁও কলেজত পঢ়াৰ ইচ্ছাটো প্ৰবল হোৱাৰ বাবে আন বহু সহপাঠীৰ সৈতে মোৰো কলেজীয়া জীৱন আৰম্ভ হৈছিল নগাঁও কলেজৰ দুৱাৰডলিত। বৰদলৈ হলত এড্‌মিচন লোৱা দিনটো, প্ৰথম প্ৰি-ইউনিভাৰচিটি বিজ্ঞানৰ ক্লাছৰ দিনটো আজিও মনত আছে। নৱাগত আদৰণি সভাৰ অনুষ্ঠানত নৱাগত ছাত্ৰৰ হৈ বক্তৃতা দিয়া ৰোমাঞ্চকৰ মুহূৰ্তবোৰ মনত সজীৱ হৈ আছে। প্ৰিন্সিপাল আছিল প্ৰয়াত মুহিৰাম শইকীয়া ছাৰ। '৭২ মাধ্যম আন্দোলনৰ পৰামৰ্শ দাতা। মুহিৰাম শইকীয়া ছাৰৰ খঙাল স্বভাৱ আৰু গুৰু-গম্ভীৰ খোজ-কাটল, গলগলীয়া কণ্ঠস্বৰৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে তেওঁক ভয় আৰু সমীহ কৰিছিল। অসম আন্দোলনৰো তেওঁ আছিল আগশাৰীৰ নেতা। পৰৱৰ্তী সময়ত তেওঁ নগাঁও লোকসভা সমষ্টিৰ সাংসদ হৈ কেন্দ্ৰীয় মানৱ

সম্পদ বিভাগৰ মন্ত্ৰী হৈছিল। অসম আন্দোলনৰ সময়ৰ সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় নেতৃবৰ্গ প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্ত, দীগেন বৰা, গিৰীন্দ্ৰ কুমাৰ বৰুৱা, বৰ্তমান নগাঁও কলেজৰ অধ্যক্ষ ড° শৰৎ বৰকটকী তেওঁৰ ছাত্ৰ আছিল। মুহিৰাম শইকীয়া ছাৰ এনে সাহসী ব্যক্তি আছিল যে মাধ্যম আন্দোলনত আততায়ীৰ হাতত প্ৰাণ আহুতি দিয়া আন্দোলনটোৰ আগশাৰীৰ নেতা নগাঁও মহাবিদ্যালয়ৰ সেই সময়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক ছহিদ অনিল বৰাৰ মৃতদেহ উদ্ধাৰৰ বাবে তেওঁ ঘটনাস্থলী হোজাইলৈ অকলেই ৰাওনা হৈছিল।

মোৰ প্ৰয়াত দেউতাৰ মুখত নগাঁও কলেজৰ প্ৰথমজন অধ্যক্ষ প্ৰয়াত যজ্ঞেশ্বৰ শৰ্মা ছাৰৰ কথা শুনিছিলোঁ। মানুহজনক আমি দেখিছিলোঁ, অৱসৰৰ পিছতো তেওঁ বেচ সক্ৰিয় হৈ আছিল। এজন সাধাৰণ পাণ্ডিত্যপূৰ্ণ ব্যক্তিত্বৰ অধিকাৰী আছিল তেওঁ। তেওঁ যোৰহাটত জে বি কলেজত কৃষ্ণকান্ত সন্দিকৈৰ সৈতে কাম কৰিছিল। যজ্ঞেশ্বৰ শৰ্মা ছাৰৰ সমসাময়িক আন এজন গুণী-জ্ঞানী অধ্যাপকৰ কথা আমি দেউতাৰপৰা শুনিছিলো। তেওঁলোকে নগাঁও কলেজত পঢ়াৰ সময়ত এইজন কলিকতাৰপৰা অহা ভদ্ৰলোক নিজৰ গুণ-গৰিমাৰে সকলোৰে সাদৰ-সন্মানৰ পাত্ৰ হৈছিল। তেওঁ আছিল অৰ্থনীতিৰ প্ৰফেছাৰ চামাদ্দাৰ ছাৰ। অৱসৰৰ পিছত তেওঁ বোলে কলিকতালৈ গুচি গৈছিল। দেউতাই কোৱা শুনিছিলোঁ।

বিজ্ঞানৰ ছাত্ৰ হিচাপে প্ৰথম যিটো বিষয়ে মোক আকৰ্ষণ কৰিছিল, সেইটো আছিল পদাৰ্থ বিজ্ঞান। পদাৰ্থ বিজ্ঞানৰ পাঠবোৰ পঢ়ি মোৰ ভাল লাগিছিল। সৰুতে দেউতাই আনি দিয়া এলবাৰ্ট আইনষ্টাইন, সুব্ৰমণিয়ম চন্দ্ৰশেখৰ, চি ভি ৰমন আদি বিজ্ঞানীৰ জীৱনী পঢ়ি পদাৰ্থ বিজ্ঞানৰ প্ৰতি আকৃষ্ট হৈছিলোঁ। নগাঁও কলেজত পদাৰ্থ বিজ্ঞান বিষয়টোৰ প্ৰতি আকৰ্ষণ বঢ়াৰ মূল কাৰণটো আছিল পদাৰ্থ বিজ্ঞানৰ অধ্যাপক অনুজ বৰকাকতি ছাৰৰ মনোগ্ৰাহী পাঠদান শৈলী। শেৰালি কবি ৰত্নকান্ত বৰকাকতিৰ পুত্ৰ অনুজছাৰ সাহিত্যৰ প্ৰতি আকৃষ্ট নহৈ বিজ্ঞানৰ প্ৰতিহে আকৃষ্ট হ'ল। তাতে আকৌ পদাৰ্থ বিজ্ঞানৰ দৰে জটিল বিষয়ৰ প্ৰতি। অনুজছাৰৰ কথা-বাৰ্তাত কেতিয়াও সাহিত্য সম্পৰ্কে শুনা নাছিলোঁ যদিও পদাৰ্থ বিজ্ঞান কিন্তু তেওঁ সাহিত্যৰ দৰে ৰসালকৈ পঢ়ুৱাইছিল। একেবাৰে সহজ-সৰল ভাষাত। অনুজ ছাৰে পঢ়ুওৱা কিছুমান বিষয় যেনে, মেকানিক্স, পদাৰ্থৰ গতি সম্পৰ্কীয় সূত্ৰসমূহ, গ্ৰেভিটি, গ্ৰেভিটেচন, এট'মিক আৰু নিউক্লিয়াৰ ফিজিক্স, এচট্ৰফিজিক্সৰ বিভিন্ন কথাবোৰ আজিও সজীৱ হৈ আছে। পদাৰ্থ বিজ্ঞানৰ বিষয়ে বৰ্তমানেও প্ৰকাশিত বিভিন্ন লেখা আৰু গৱেষণা সম্পৰ্কে কাকত-আলোচনীত যেতিয়া পঢ়ি বুজিবলৈ চেষ্টা কৰো, অনুজছাৰে সেই তেতিয়াই দিয়া জ্ঞানখিনিয়েই সাৰথি হয়। গুৱাহাটী বিশ্ববিদ্যালয়ত যেতিয়া এম এছ ছি পঢ়িবলৈ যাওঁ, ফিজিক্স ডিপাৰ্টমেণ্টৰ গেলাৰীত ক্লাছ কৰো, তেতিয়াও মোৰ নগাঁও কলেজৰ ক্লাছবিলাকলৈ মনত পৰে। মনটো এটা ভাল লগা আৱেগেৰে ভৰি পৰে। বি এছ ছি মেজৰৰ ক্লাছত হলি হাজৰিকা ছাৰে হিট আৰু থাৰ্মডাইনেমিক্স পঢ়ুৱাইছিল, ৰশ্মি বাইদেউৱে পঢ়ুৱাইছিল কোৱাণ্টাম মেকানিক্স। উমেশ শৰ্মা ছাৰ, খগেন শৰ্মা ছাৰ, বিনয় পাল ছাৰ, গণেশ বৰুৱা ছাৰলৈ মনত পৰে। উমেশ শৰ্মা ছাৰ আৰু খগেন শৰ্মা ছাৰ ইতিমধ্যে স্বৰ্গগামী হৈছে।

মনত পৰে ইংৰাজী অধ্যাপক হবিবুৰ ৰহমান ছাৰলৈ। তেওঁ আমাক ইংৰাজী কবিতা পঢ়ুৱাইছিল। মানুহজন আছিল ক্ষীণ চেহেৰাৰ। কিন্তু তেওঁৰ কণ্ঠস্বৰ আছিল গলগলীয়া আৰু সুস্পষ্ট। উচ্চাৰণ নিখুঁত। তেওঁৰ ক্লাছবোৰ মন দি কৰিছিলোঁ আৰু সকলোৱে তেওঁৰ পাঠ হৃদয়ঙ্গম কৰিব পাৰিছিল। সেই সময়ৰ ইংৰাজীৰ আন দুজন ডেকা গ্লেমাৰাছ অধ্যাপক জোচেফ ছাৰ আৰু কে পি চি (কামাখ্যা প্ৰসাদ চৌধুৰী) ছাৰক কেতিয়াও পাহৰিব নোৱাৰিম।

দুয়োগৰাকীয়েই ইংৰাজীৰ খুব ভাল শিক্ষক আৰু মৰ্যাদাসম্পন্ন ব্যক্তিত্বৰ অধিকাৰী আছিল। আমি সকলোৱে তেওঁলোকক বৰ শ্ৰদ্ধা কৰিছিলোঁ। কে পি চি ছাৰে ইতিমধ্যে উপাধ্যক্ষ হৈ অৱসৰ গ্ৰহণ কৰিছে। জোচেফ ছাৰ অৱসৰৰ পিছত নিজ ৰাজ্য কেৰেলালৈ গৈ বসবাস কৰিছে। আমি বি এছ চি চূড়ান্ত বৰ্ষত থাকোতে লীৰা নেওগ বাইদেউৱে ইংৰাজী ডিপাৰ্টমেণ্টত যোগদান কৰিছিল। বাইদেউৰ সৈতে বৰদলৈ হলত পৰীক্ষাগৃহত চিনাকী হোৱা মুহূৰ্ত এতিয়াও মনত আছে। বাইদেউৰ স্বামী নগাঁও গাৰ্লছ কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যাপক, বিশিষ্ট সাহিত্য সমালোচক লিখক প্ৰভাত বৰা ছাৰক লগ পালে এতিয়াও তেওঁলোকৰ সৈতে আন্তৰিকতাৰে কথা পাতো। বাইদেউৱে ৰগৰ কৰি কেতিয়াবা কয়, 'তুমি যে মোক সুধিছিলা, বাইদেউ, আপুনি নতুনকৈ জইন কৰিছে নেকি? মনত আছেনে?' আমি সকলোৱে হাঁহো। লীৰা নেওগ বাইদেউ হবিবুৰ ৰহমান ছাৰ, জোচেফ ছাৰ আৰু কে পি চি ছাৰৰ উত্তৰসূৰী হিচাপে সকলোৰে সমাদৃত। নগাঁও কলেজৰ ইংৰাজী বিভাগৰ সাফল্যত বাইদেউৰ অৰিহণা সকলোৰে জ্ঞাত।

নগাঁও কলেজত অংকৰ অধ্যাপক হিচাপে নিজৰ কৰ্মজীৱন আৰম্ভ কৰা আৰু আমি তেওঁলোকৰ ছাত্ৰ হোৱাৰ সৌভাগ্য হোৱা দুগৰাকী ছাৰ-বাইদেউৰ কথা সন্মান সহকাৰে মনত পেলাবই লাগিব। তেওঁলোক হ'ল দিলীপ শৰ্মা ছাৰ আৰু হেলেন শইকীয়া বাইদেউ। দুয়োগৰাকীয়েই অতি শান্ত, অমায়িক, গহীন-গম্ভীৰ স্বভাৱৰ ব্যক্তিত্বৰ অধিকাৰী আৰু অসাধাৰণ মেধাসম্পন্ন গণিতজ্ঞ লগতে অতিশয় ভাল শিক্ষক। তেওঁলোকে পঢ়োৱা এনেকুৱা এজন ছাত্ৰ হয়তো পোৱা নেযাব, যি তেওঁলোকে পঢ়োৱা অংকৰ বিষয় বুজি পোৱা নাছিল। দিলীপ শৰ্মা ছাৰ এজন সফল গল্পকাৰো। পৰৱৰ্তী সময়ত তেওঁ কটন কলেজত যোগদান কৰেগৈ। হেলেন বাইদেউৱেও কিছু বছৰ নগাঁও কলেজত কাম কৰাৰ পিছত গুৱাহাটী বিশ্ববিদ্যালয়ত যোগদান কৰে।

ৰসায়ন বিজ্ঞানৰ কথা মনলৈ আহিলে মনত পৰে অৰুণ বৰ্মন ছাৰ, বাবুলাল পাল ছাৰ আৰু দ্বীজেন দাস ছাৰলৈ। আটাইকেইগৰাকীয়েই ৰসায়ন বিজ্ঞানৰ ভাল শিক্ষক আছিল। দ্বীজেন দাস ছাৰ শকত-আৱত, গহীন স্বভাৱৰ হোৱা বাবে তেওঁলৈ কিছু ভয় ভাব আছিল। অৰুণ বৰ্মন ছাৰ আৰু বাবুবাল পাল ছাৰে ৰসায়নৰ ক্লাছবোৰ হাঁহিৰ খোৰাকেৰে অধিক ৰসাল কৰি তুলিছিল। বৰ্মন ছাৰ এজন ভাল অভিনেতা আছিল। তেওঁৰ নাট্যাভিনয় আমি নগাঁও কলামন্দিৰত দেখিছিলোঁ। বাবুবাল পাল ছাৰে আকৌ জ্যোতিষ বিদ্যা চৰ্চা কৰিছিল। মাজে-সময়ে আমি তেওঁক হাত দেখুৱাইছিলোঁ। ভাগ্যত কি আছে সুধিছিলোঁ। ছাৰে সকলোকে কৈছিল, তোৰ ভাগ্য বহুত ভাল যা, ভালকৈ পঢ়িবি। মোৰ বায়'লজি নাছিল যদিও প্ৰাণীবিজ্ঞানৰ ছাৰ বিপুল কটকী আৰু তেওঁৰ পৰিবাৰ বিভা গোস্বামী বাইদেউৰ সৈতে আন্তৰিকতা গঢ়ি উঠিছিল। দুয়োগৰাকীকেই সকলো ছাত্ৰ-ছাত্ৰীয়ে বৰ সাদৰ-সন্মান কৰিছিল। বৰ মনোগ্ৰাহীকৈ তেওঁলোকে পাঠদান কৰিছিল। মোৰ প্ৰতিও তেওঁলোকৰ সদায় আদৰ-মৰম দেখি আহিছোঁ। এতিয়া লগ পালেও বৰ আন্তৰিকতাৰে ছাৰ-বাইদেউৰ লগত এখন্তেক কটাও। বৰ্তমান তেওঁলোকে অৱসৰ গ্ৰহণ কৰিছে। লগ পালে ভাল লাগে। দুয়োৰে সু-স্বাস্থ্য অটুট আছে। বিগত সময়ৰ নগাঁও কলেজৰ এজন স্বনামধন্য অধ্যাপকৰ কথা মনলৈ আহিছে। তেওঁ হৈছে ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক তগৰ বৰা ছাৰ। ছাত্ৰ একতা সভাৰ এটা বৰ্ষৰ তৰ্ক আৰু আলোচনাচক্ৰ বিভাগৰ সম্পাদকৰ দায়িত্বত থকাৰ সুবাদত ছাৰৰ সান্নিধ্যলৈ অহাৰ সুযোগ পাইছিলোঁ। ছাৰ আছিল সেই বিভাগটোৰ শিক্ষক তত্ত্বাৱধায়ক। ৰাজনীতি বিজ্ঞানৰ প্ৰচুৰ জ্ঞানৰ অধিকাৰী খ্যাতিমান শিক্ষক তগৰ বৰা ছাৰৰ পঢ়ুৱা শৈলী সৰ্বজনবিদিত। ধুনীয়া সাজ-পোছাকেৰে বৰ পৰিপাটীকৈ থকা তগৰ

বৰা ছাৰ কলেজৰ গৌৰৱ আছিল।

নগাঁও কলেজত আমি অসমীয়া বিভাগৰ অধ্যাপক মহিম বৰা ছাৰ আৰু মনোমোহন দাস ছাৰক পাইছিলোঁ। মহিম বৰা ছাৰে আমাৰ ক্লাছ পোৱা নাছিল। অসমীয়া সাহিত্যৰ সৃষ্টিশীল ক্ষেত্ৰখনৰ ভোটাতৰা মহিম বৰা ছাৰক আমি দূৰৈৰপৰাই অতি শ্ৰদ্ধাৰে নিৰিক্ষণ কৰিছিলোঁ। 'ৰঙাজিএাৰ' কবি, অসমীয়া সাহিত্যৰ যুগজয়ী গল্প 'কাঠনিবাৰীৰ ঘাট'ৰ স্ৰষ্টা মহিম বৰা ছাৰ আছিল নগাঁও কলেজৰ অমূল্য ৰত্ন। আমাৰ বোধেৰে তেওঁ যদি কেৱল 'কাঠনিবাৰীৰ ঘাট' নামৰ গল্পটিয়েই লিখিলেহেঁতেন, অসমীয়া সাহিত্যত সেই এটা গল্পৰেই তেওঁ অসাধাৰণ কৃতিত্বৰ অধিকাৰী হৈ থাকিলহেঁতেন। অথচ ছাৰৰ প্ৰতিটো গল্পই একো একোটা মাষ্টাৰপিচ্। ছাৰৰ কিঞ্চিত সান্নিধ্য পোৱাৰ মোৰ সৌভাগ্য হৈছিল। মোৰ প্ৰথম গল্পসংকলন 'বিপন্ন নিউক্লিয়াছ'ৰ তেওঁ পাতনি লিখি দিছিল। মোৰ কাৰণে সেয়া আছিল ছাৰৰ অনুপ্ৰেৰণা আৰু আশীৰ্বাদ। ছাৰৰ জীৱন কালৰ শেষ ছোৱাত কেইবাটিও দুৰ্যোগে তেওঁক মনোকষ্ট দিছিল। চকুৰ অসুখে তেওঁক বৰকৈ আমনি দিছিল, যাৰ কাৰণে তেওঁ লিখিবলৈ কষ্ট পাইছিল। কিছু লেখা তেওঁৰ অসম্পূৰ্ণ হৈ থাকি গ'ল। ৰোগাক্ৰান্ত হৈ বাইদেউৰে ইহলীলা সম্বৰণ কৰিলে। মানসিকভাৱে ছাৰ ভাগি পৰিছিল, তেওঁ অকলশৰীয়া হ'ল। তাতোকৈও দুৰ্ভাগ্যৰ কথা ছাৰৰ চিকিৎসক কনিষ্ঠ পুত্ৰ জীৱন চাকি অকালতে নুমাই গ'ল। ইমানবোৰ দুৰ্যোগৰ মুখামুখী হৈও ছাৰে জীৱনটো মানুহৰ সৈতে মানুহৰ বাবেই, সুধী সমাজখনৰ বাবেই জীৱনৰ শেষ মুহূৰ্তলৈকে আগুৱাই লৈ গ'ল। সহজ-সৰল জীৱন যাপন আৰু উচ্চ চিন্তাৰে ছাৰে জীৱনটো পাৰ কৰিলে। আমি সৰু থাকোতে মহৎলোকৰ, ডাঙৰ মানুহৰ জীৱনী পঢ়িছিলো। আজিৰ সৰু সৰু ল'ৰা-ছোৱালীকো মহিম বৰা ছাৰৰ দৰে ব্যক্তিৰ জীৱনৰ কথা আমি ক'ব লাগে। মই উল্লেখ কৰা অসমীয়া বিভাগৰ আনজন অধ্যাপক মনোমোহন দাস ছাৰৰ কথা নিশ্চয় সেই সময়ৰ সকলো ছাত্ৰ-ছাত্ৰীৰে মনত পৰিব। অতিশয় ধেমেলীয়া আৰু মৰমিয়াল স্বভাৱৰ ভদ্ৰ লোক আছিল তেওঁ। ক্লাছত পঢ়াই থাকোতে প্ৰায়ে তেওঁ 'লাষ্ট বেঞ্চ' বুলি কৈ ছাত্ৰ-ছাত্ৰীসকলক কথা নেপাতিবলৈ সকীয়াই দিছিল। ছাৰৰ এই ধেমেলীয়া আচৰণে আমাক বৰ আমোদ দিছিল। তেখেতৰ মৰমিয়াল ব্যৱহাৰৰ বাবেই তেখেতক বেয়া পোৱা ছাত্ৰ-ছাত্ৰী নাছিল।

নগাঁও কলেজৰ ছাত্ৰ হিচাপে আৰু পৰৱৰ্তী সময়ত পদাৰ্থ বিজ্ঞান অংশকালীন শিক্ষক হিচাপে যি কেইজন অধ্যক্ষক পাইছিলো তাৰ ভিতৰত আৰু দুজন স্বনামধন্য ব্যক্তিৰ নাম শ্ৰদ্ধাসহকাৰে ল'বই লাগিব। তেওঁলোক হ'ল প্ৰয়াত প্ৰদীপ শইকীয়া ছাৰ আৰু মহেন্দ্ৰ আহোম ছাৰ। প্ৰদীপ শইকীয়া ছাৰ আছিল বিশিষ্ট শিক্ষাবিদ, সাহিত্যিক, 'ওমৰ খায়াম'ৰ স্ৰষ্টা। তেওঁ আছিল এজন জ্ঞানী লোক আৰু সুবক্তা। ছাৰৰ সৈতে কথা পাতি আৰু তেওঁৰ বক্তৃতা শুনি যথেষ্ট কথা শিকিছিলোঁ। বিশিষ্ট শিক্ষাবিদ মহেন্দ্ৰ আহোম ছাৰ এজন বলিষ্ঠ প্ৰশাসক। সময়ানুবৰ্তিতা, নিয়মানুৱৰ্তিতা আৰু কৰ্মপৰায়ণতা ছাৰৰ মন্ত্ৰ। ছাৰ এজন ন্যায়পৰায়ণ ব্যক্তিও। গুৰু-গম্ভীৰ মাতেৰে প্ৰচুৰ জ্ঞানবিশিষ্ট বলিষ্ঠ বক্তা মহেন্দ্ৰ আহোম ছাৰক অসমৰ শৈক্ষিক জগতখনত সকলোৱে জানে। এইসকল ব্যক্তিৰ সান্নিধ্য পাই আমি গৌৰৱান্বিত। মুহিৰাম শইকীয়া ছাৰৰ সময়ৰ আন এজন ছাৰৰ কথা মনলৈ আহিছে। তেওঁ হ'ল উপাধ্যক্ষ তথা কিছু সময়ৰ বাবে ভাৰপ্ৰাপ্ত অধ্যক্ষৰ দায়িত্বত থকা উদ্ভিদবিদ্যা বিভাগৰ অধ্যাপক প্ৰয়াত বোধেশ্বৰ গোহাঁই ছাৰ। জাতীয়তাবাদী ভাবাপন্ন ব্যক্তি বোধেশ্বৰ গোহাঁই ছাৰ বলিষ্ঠ মতাদৰ্শৰ এজন স্পষ্টবাদী আৰু আপোচহীন সাহসী ব্যক্তি আছিল।

নগাঁও কলেজৰ সেই সোণালী দিনবিলাকতেই মোৰ ব্যক্তিগত এটি অনুৰাগে কিঞ্চিত প্ৰসাৰ

মেলিবলৈ প্ৰয়াস কৰিছিল। সেয়া আছিল সাহিত্যৰ প্ৰতি থকা মোৰ ৰাপ আৰু অনুৰাগ। সৰুৰেপৰা গল্প, কবিতা, প্ৰবন্ধ পঢ়ি ভাল পাইছিলোঁ আৰু লেখাৰ এটা হাবিয়াসে মনত নিৰন্তৰ ক্ৰিয়া কৰিছিল। নগাঁও গৰ্মেণ্ট স্কুলৰ আলোচনী 'উদয়'ৰ পাতত সেই হাবিয়াসৰ ফলশ্ৰুতিত এটা কবিতাই আত্মপ্ৰকাশ কৰিছিল। লগতে স্কুলত অনুষ্ঠিত ফাতেহা-দোৱাজ-দহম উৎসৱত হজৰত মহম্মদৰ জীৱনৰ বিষয়ক এখন ৰচনা লিখি প্ৰথম পুৰস্কাৰ পাইছিলোঁ। স্কুলত পঢ়াৰ দিনৰ সেই লেখাৰ অংকুৰণে পোখা মেলি কিঞ্চিত প্ৰসাৰ হোৱাৰ সুযোগ পালে নগাঁও কলেজৰ সোণালী দিনবোৰত। বিজ্ঞানৰ ছাত্ৰ আছিলোঁ যদিও সাহিত্যৰ প্ৰতি থকা ৰাপটো কমা নাছিল। প্ৰি ইউনিভাৰ্চিটি ক্লাছত থাকোতে নগাঁও কলেজ আলোচনীত প্ৰকাশিত মোৰ 'দুপাহি ৰঙা গোলাপ' শীৰ্ষক গল্পটো সেই সময়ত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত জনপ্ৰিয় হৈছিল। বি এছ ছি পঢ়ি থাকোতে একেৰাহে দুটা বৰ্ষত মই শ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগীৰ বঁটা পাইছিলোঁ। এবাৰ বঁটা দিছিল সেই সময়ৰ মন্ত্ৰী তথা নগাঁও কলেজৰ প্ৰাক্তন ছাত্ৰ উমেশ দাসে। দ্বিতীয়বাৰ বঁটা গ্ৰহণ কৰিছিলোঁ তেতিয়াৰ নগাঁও জিলাৰ জিলা আৰু সত্ৰ ন্যায়াধীশ, খ্যাতনামা গীতিকাৰ অমিত সৰকাৰৰপৰা। নগাঁও কলেজৰ এই স্মৃতিবোৰ মোৰ সদায় মনত থাকিব। সেই সময়ৰ কলেজৰ ছবিখনেও মনত ভুমুকি মাৰেহি। কলেজ লাইব্ৰেৰীৰ কিতাপৰ চেল্‌ফৰপৰা কিতাপ বিচাৰি অনা, ওপৰ মহলাৰ টেবুলত পেপাৰ-আলোচনী পঢ়া, দিলীপ শৰ্মা ছাৰৰ টিউচনৰ বহীৰপৰা অংকবোৰ টুকি লোৱা এই স্মৃতিবোৰ মনত পৰিলে আজিও ভাল লাগে। সেই সময়ৰ নগাঁও কলেজ লাইব্ৰেৰীৰ লাইব্ৰেৰিয়ান প্ৰয়াত ৰেৰ বৰা এজন শান্ত প্ৰকৃতিৰ অসামায়িক ব্যক্তি আছিল। তেওঁলৈ মনত পৰে। তেওঁ আছিল তগৰ বৰা ছাৰৰ জ্যেষ্ঠ ভাতৃ। নগাঁও কলেজৰ বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰীসকলে ৰমেন বৰা চাৰলৈ নিশ্চয় মনত পেলাব। তেওঁ আছিল ৰসায়ন বিজ্ঞান লেবৰেটৰীৰ ডেমনষ্ট্ৰেটৰ। লেবৰেটৰীৰ সমস্ত প্ৰণালী তেওঁৰ নখদৰ্পণত থাকে। অতিকৈ পৰিপাটীকৈ নিখুঁতভাৱে তেওঁ কেমেষ্ট্ৰিৰ (চল্ট এনালাইচিছ, টাইট্ৰেচন আদিৰ) পৰীক্ষাসমূহ ছাত্ৰ-ছাত্ৰীসকলক সম্পাদন কৰি দেখুৱায় আৰু লেবৰেটৰি নোট বুকত গোটেই পৰীক্ষাটোৰ লিখিবলগীয়া কথাখিনি কেনেকৈ লিখিব লাগে সম্পূৰ্ণকৈ দেখুৱাই দিয়ে। সকলো ছাত্ৰ-ছাত্ৰীয়ে তেওঁক বৰ শ্ৰদ্ধা কৰিছিল। কেমেষ্ট্ৰি লেবৰেটৰিৰ লেব্ বিয়েৰাৰ স্বামীনাথন আৰু ফিজিক্সৰ লেব্ বিয়েৰাৰ ৰামকুমাৰলৈ মনত পৰে। বৰ্তমানৰ বহুতো প্ৰতিষ্ঠিত ব্যক্তিৰ শৈক্ষিক জীৱনত এই দুজন স্মৰণীয় ব্যক্তিৰ অৱিহণা যে কিমান তাক ভাষাৰে প্ৰকাশ কৰিবলৈ টান হ'ব। প্ৰেকটিকেল ক্লাছত এই দুজন মানুহে আমাক হাতত ধৰি ধৰি শিকাইছিল। ৰসায়ন আৰু পদাৰ্থ বিজ্ঞান পৰীক্ষাগাৰৰ যন্ত্ৰ-পাতি, সঁজুলিবিলাকৰ সৈতে ভালকৈ পৰিচয় কৰি দিয়া মানুহ আছিল এই দুজনেই। তেওঁলোকক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ।

কলেজীয়া জীৱনৰ মোৰ সোণালী স্মৃতিবিলাকৰ ভিতৰৰে এগৰাকী অগ্ৰজ বাইদেউৰ কথা মই মনত পেলাবই লাগিব। তেওঁ হ'ল মুহিৰাম শইকীয়া ছাৰৰ কন্যা শিল্পী শইকীয়া। তেওঁ বোম্বাইৰ জে জে কলেজ অব্ আৰ্কিটেকচাৰৰ স্নাতক আৰ্কিটেক্ট। আমি প্ৰি ইউনিভাৰচিটি চায়েন্স পঢ়ি থাকোতে তেওঁ জে জে কলেজত স্থপতিবিদ্যা অধ্যয়ন কৰি আছিল। মোৰ হাবিয়াস আছিল চিভিল ইঞ্জিনিয়াৰিং বা আৰ্কিটেকচাৰ পঢ়িবলৈ। এবাৰ ঘৰলৈ আহোতে শিল্পী বাইদেউক লগ পাই মোৰ ইচ্ছাৰ কথা কৈছিলোঁ। তেওঁ সময় মতে মোলৈ এড্‌মিশ্যন ফৰ্ম পঠিয়াই দিছিল। কিন্তু মোৰ সৌভাগ্য নহ'ল, মোৰ হাবিয়াস অনুসৰি আৰ্কিটেকচাৰ বা চিভিল ইঞ্জিনিয়াৰিং পঢ়াৰ। একাণপতীয়াকৈ চেষ্টা কৰাৰ পাছতো মই মোৰ ইচ্ছা অনুসৰি পঢ়িবলৈ চিট নেপালোঁ। সেই সময়ত মনটো বেয়া লাগিছিল।

এতিয়া ভাবো মানুহে ইচ্ছা কৰা মতে বা ভবাৰ ধৰণে জীৱনত সকলো কথা নহয়। জীৱনে কোনফালে আগুৱায় সেয়াও চাগে' নিয়ন্ত্ৰকৰ ভাগ্য, ডেচটিনি। ছাত্ৰ হৈ থাকোতে গুৰুত্বসহকাৰে ভবাই নাছিলোঁ প্ৰশাসনিক সেৱাৰ পৰীক্ষাত বহিম বুলি। নগাঁও কলেজ পদাৰ্থ বিজ্ঞান মেজৰ বিষয় হিচাপে লৈ পঢ়িবলৈ লোৱাটো মোৰ বাবে চাগে', এক টাৰ্ণিং পইণ্ট আছিল। এম এছ ছি পাছ কৰাৰ পিছত মই পদাৰ্থ বিজ্ঞানৰ বিষয় শিক্ষক হিচাপে কামত সোমাইছিলোঁ। কিছুদিন কাম কৰাৰ পিছত গুৱাহাটী বিশ্ববিদ্যালয়ৰ জ্যেষ্ঠ অধ্যাপক ড° হীৰালাল দুৱৰা ছাৰৰ তত্ত্বাৱধানত তাত্ত্বিক জ্যোতিৰ্পদাৰ্থ বিজ্ঞানত গৱেষণা কৰাৰ মানসেৰে প্ৰাৰম্ভিক অধ্যয়নৰ বাবে উপদেশ বিচাৰি ছাৰৰ ওচৰলৈ গৈছিলোঁ আৰু তেখেতৰ পৰামৰ্শমতে অধ্যয়ন আৰম্ভ কৰিছিলোঁ। সেইখিনি সময়তে এখন আলোচনীৰ বাবে এটা সাক্ষাৎকাৰ বিচাৰি পদাৰ্থবিজ্ঞানৰ আন এগৰাকী জ্যেষ্ঠ অধ্যাপক ড° কিশোৰীমোহন পাঠক ছাৰৰ ওচৰলৈ গৈছিলোঁ। তেওঁ মোৰ স্পেচিয়েল পেপাৰ নিউক্লিয়াৰ ফিজিক্সৰ ছাৰ আছিল। তেওঁ মোক সাক্ষাৎকাৰটো দি কৈছিল, 'তুমি চিভিল চাৰ্ভিছ পৰীক্ষাত নবহা কিয়হে? কেৱল শিক্ষকতাৰ কথাই কিয় ভাবা? আমাৰ ফিজিক্সৰ ল'ৰা-ছোৱালীবিলাক সকলো চিভিল চাৰ্ভিচতে যাব লাগে। তোমালোকে পাৰিবা।....' পাঠক ছাৰৰ এই কথাষাৰ গুৰুত্বসহকাৰে মোৰ মগজুত চিভিল চাৰ্ভিচ পৰীক্ষা দিয়াৰ বিষয়ে ভবাই তুলিলে। সেইখিনি সময়ত গৱেষণাৰ চিন্তাটো লাহে লাহে তল পৰিল। ইতিমধ্যে মই গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত নগাঁও আইন মহাবিদ্যালয়ৰপৰা এল এল বি পাঠ্যক্ৰম শেষ কৰিছিলোঁ। কেইটামান বছৰ মই যথেষ্ট কষ্ট কৰিছিলোঁ। এফালে পদাৰ্থ বিজ্ঞানৰ শিক্ষকতা, আনফালে অসম অসামৰিক সেৱাৰ পৰীক্ষাৰ বাবে প্ৰস্তুতি। ১৯৯৯ চনত মই অসামৰিক সেৱাত যোগদান কৰিছিলোঁ। কষ্টোপাৰ্জিত সফলতাৰ ফলশ্ৰুতিত মানুহৰ মাজত বৰ্তমান মই যিটো অৱস্থাত খোজ দিছোঁ, জনসাধাৰণক সাধ্যানুসাৰে কিছু সেৱা কৰাৰ যি সুযোগ পাইছোঁ, প্ৰয়োজন হোৱাজনক কিঞ্চিত হ'লেও ন্যায় প্ৰদান কৰিব পৰাৰ মোৰ যি সৌভাগ্য হৈছে, এই সকলোখিনি সম্ভৱ হৈছে নগাঁও কলেজৰ মোৰ শিক্ষাগুৰুসকলৰ আশীৰ্বাদ, অনুপ্ৰেৰণা আৰু জ্ঞানদানৰ বাবেই। নগাঁও কলেজৰ এই পৱিত্ৰ ভূমি আমাৰ বাবে সদায় পূজ্যভূমি। বিদ্যাৰ এই আলয় আমাৰ বাবে জ্ঞান মন্দিৰ। জীৱনৰ সফলতাৰ ভেটি স্থাপন হয় এই বিদ্যা মন্দিৰতে। বিফলতাৰ সৈতে যুঁজি সফলতাৰ বাট বুলিবলৈও অনুপ্ৰেৰণাৰ থলী এই বিদ্যা মন্দিৰেই।

নগাঁও কলেজৰ এই প্লেটিনাম জুবিলী উদ্‌যাপনৰ সময়খিনিত বহুদিন বিৰতিৰ পিছত আমাৰ সহপাঠীসকল একলগ হৈছে। ১৯৮৩-১৯৮৮ বৰ্ষৰ ছাত্ৰ-ছাত্ৰীসকল এতিয়া একো একোজন দায়িত্বশীল ব্যক্তি হ'ল। সকলো একগোট হৈ সেই সোণালীদিনবোৰ যেন ঘূৰাই পাইছে। বন্ধুত্বৰ এনাজৰীডাল যেন পুনৰ বান্ধিছে। ইজনে সিজনৰ খবৰ লৈছে। বিপদ-সম্পদত ইজনে-সিজনৰ কাষত থিয় দিয়াৰ অঙ্গীকাৰ লৈছে। আজিৰ ব্যস্ততাপূৰ্ণ জীৱনত এয়া বৰ ডাঙৰ কথা। নগাঁও কলেজৰ এই পঁয়সত্তৰ বৰ্ষ জয়ন্তী উদ্‌যাপনে কলেজখনৰ পঁয়সত্তৰ বছৰ স্মৃতি সজীৱ কৰি তুলিছে। সকলোৰে মনলৈ বিমল আনন্দৰ লহৰ আনিছে। এই উচ্ছ্বাস সকলোৰে জীৱনৰ বাবে এক অমূল্য সম্পদ।

এই আনন্দ-উল্লাসৰ মাজতে মনটো কেতিয়াবা বিষাদেৰে ভৰি পৰে, যেতিয়া মনত পৰে অকালতে হেৰাই যোৱা আমাৰ কেইজনমান প্ৰতিভাৱান বন্ধুলৈ। সুন্দৰ গীত গাই সকলোকে আনন্দ দিয়া দামোদৰ কটকী, অভিনেতা আৰু স্থিৰ চিত্ৰশিল্পী আশিষ শইকীয়া, কৌতুক অভিনেতা ক্ষীৰোদ শৰ্মা, মৰমৰ বন্ধু প্ৰকাশ গোস্বামী আজি আমাৰ মাজত নাই।

তেওঁলোক থকা হ'লে কিমান যে ফূৰ্তি কৰিলেহেঁতেন! তেওঁলোক য'তেই আছে শান্তিৰে যেন থাকক।

পুৰণি স্মৃতি কৈ থাকিলে হয়তো ওৰ নপৰিব। আমাৰ সকলো সহপাঠী বন্ধু-বান্ধৱীলৈ নমস্কাৰ জনাইছোঁ। সকলোৰেই নিজ নিজ ক্ষেত্ৰত প্ৰতিষ্ঠা লাভ কৰিছে। নগাঁও কলেজৰ ছাত্ৰ হিচাপে নিজকে পৰিচয় দি গৌৰৱবোধ কৰিছে। সমাজলৈ বৰঙণি আগবঢ়াইছে আমাৰ সহপাঠী বন্ধু ডাঃ বিমল বৰদলৈ, ডাঃ চফিকুল ইছলাম, ডাঃ জলিল, ডাঃ আলহিলাথ, ডাঃ ৰুক্মী বৰঠাকুৰ, ডাঃ প্ৰীতিৰেখা শইকীয়া, ডাঃ নবনীতা বৰা, ডাঃ হিৰণমণি শৰ্মা, এওঁলোক প্ৰত্যেকেই সুচিকিৎসক হিচাপে প্ৰতিষ্ঠা লাভ কৰিছে। জনসাধাৰণলৈ সেৱা আগবঢ়াইছে। ৰেকিব আহমেদ, ৰাজীৱ বৰা, পল্লৱ বৰকাকতী, শুভ্ৰৰঞ্জন চামাদ্দাৰ, চন্দন ডেকা, পাৰ্থপ্ৰতিম বৰা, মঞ্জুল হাজৰিকা, অৰূপ লস্কৰ, কাকু গোস্বামী অভিযন্তা হ'ল। জ্যোতিৰ্ময় কাকতি চাহ বাগিছাৰ জ্যেষ্ঠ কাৰ্যবাহী। ধ্ৰুৱজ্যোতি শৰ্মা, মানসী বৰুৱা, বুলবুলি শৰ্মাই অধিবক্তা হিচাপে প্ৰতিষ্ঠা লাভ কৰিছে। ধ্ৰুৱজ্যোতি চক্ৰৱৰ্তী, প্ৰশান্ত বৰা ৰাজ্যৰ বাহিৰত সাংবাদিকতা বৃত্তিত নিয়োজিত। স্বপ্নজ্যোতি শইকীয়া, ৰাজীৱানন্দ ভট্টাচাৰ্য, শিখা বৰুৱা, ৰঞ্জনা দাস আৰু অনেকে শিক্ষক-শিক্ষয়িত্ৰীৰ বৃত্তিৰে নিজৰ সেৱা আগবঢ়াইছে। ভবেন বৰা ঔষধ কোম্পানীৰ বিষয়া। সত্যজিৎ ভূএঞা কৰ বিভাগৰ বিষয়া হিচাপে নিয়োজিত। দেৱকুমাৰ বৰা পৰিবহণ বিভাগৰ চাকৰিয়াল। দেৱই সম্প্ৰতি অসমীয়া বোলছবিৰ প্ৰযোজক-পৰিচালক হিচাপেও আত্মপ্ৰকাশ কৰিছে। ৰাজীৱ হাজৰিকা গড়কাপ্তানি বিভাগৰ গাণনিক বিষয়া হিচাপে কৰ্মৰত। মনোজ দাস, বন্তি বৰা অধ্যাপনাত ব্যস্ত। দেৱজিৎ বৰুৱা, প্ৰণৱ বৰুৱাই ব্যৱসায়ী হিচাপে সফলতা অৰ্জন কৰিছে। বুদ্ধ কটকী শিক্ষা বিষয়া। এইদৰেই আমাৰ সহপাঠী আন বন্ধুসকলেও নগাঁও কলেজৰপৰাই নিজৰ জীৱনৰ বাট আৰম্ভ কৰি সমাজৰ বিভিন্ন ক্ষেত্ৰত নিজৰ বৰঙণি আগবঢ়াই নিজকে লগতে সমাজক আগুৱাই নিবলৈ সক্ষম হৈছে। আমি সকলো আমাৰ এই মহান শিক্ষানুষ্ঠানটিৰ প্ৰতি চিৰকৃতজ্ঞ।

শৈক্ষিক আৰু বৌদ্ধিক দিশত নগাঁও কলেজ বৰ্তমান অসমৰ এখন আগশাৰীৰ শিক্ষানুষ্ঠান হিচাপে প্ৰতিষ্ঠিত। বৰ্তমান সময়ত অনেক প্ৰতিভাসম্পন্ন যুৱ অধ্যাপক-অধ্যাপিকাই নগাঁও কলেজৰ গৰিমা বৃদ্ধি কৰিছে। এই ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠানখনে অনাগত দিনত সৰ্বতোপ্ৰকাৰে সফলতা অৰ্জন কৰক— এই শুভকামনা আমাৰ সদায় থাকিব।❑

---

লেখক - প্ৰাক্তন ছাত্ৰ, অতিৰিক্ত উপায়ুক্ত, নগাঁও

# সপোন পোহা পুখুৰী

**ড° সোমনাথ বৰা**

**শ্রে**ণীকোঠাত সোমোৱা দহ মিনিটমান পলম হৈছিল। আন একো কাৰণ নাছিল, মাত্ৰ ৰুটিনখন বুজি পোৱা নাছিলোঁ। আৰু ৰমেনৰ সহায়ত ৰুটিনখন বুজি পোৱাৰ পিছত শ্ৰেণীকোঠা বিচাৰি পোৱা নাছিলোঁ। আমি আগফালে, পাছফালে বাৰাণ্ডা নথকা দীঘে মাত্ৰ চাৰিটা কোঠা থকা এখন হাইস্কুলৰপৰা ওলাই গৈছিলোঁ। নগাঁও চহৰলৈ তেনেই কমকৈ অহা গাঁৰৰ মানুহ এজনক জালুকবাৰী চকত নমাই দিলে যি অৱস্থা হ'ব, মোৰ অৱস্থা তেতিয়া তাতকৈ ভাল নাছিল। গতিকে ৰমেনক পাই কণাৰ লাখুঁটি এডাল পালোঁ। দুয়ো লগ হৈ ৰুটিনখন চালোঁ, শ্ৰেণীকোঠা বিচাৰি উলিয়ালোঁ আৰু জীৱনত প্ৰথমবাৰৰ বাবে 'মে' উই কাম ইন ছাৰ' বুলি সুধি ভিতৰলৈ সোমালোঁ। 'ক' শ্ৰেণীৰপৰা দশম শ্ৰেণীলৈকে শিক্ষক থকা অৱস্থাত সোমাবলগীয়া হ'লে— 'ছাৰ সোমাব পাৰোনে' বুলিয়েই সুধিছিলোঁ। এতিয়া কলেজ পালোঁহি যেতিয়া ইংৰাজীত সোধাটোৱেই উত্তম বুলি গণ্য কৰিলোঁ। দুই-এজনে 'টিপ্‌চ' দি পঠাইছিল— 'হোলা-মোলা হৈ নাথাকিবি। কলেজৰ কথা। 'ইচমাৰ্ট' (Smart)হৈ থাকিবি।' গতিকে এই ইংৰাজীত সোধা ব্যৱস্থা গ্ৰহণ কৰা হ'ল।

সোমাই লৈ বহাৰ পাছতে এই কেইষাৰ কথা কাণত পৰিল— 'এই যে তোমালোকৰ উজ্জ্বল মুখবোৰ, এই মুখবোৰে, এই চকুবোৰে একো একোটা সপোন বান্ধি লৈ আহিছে। এই উজ্জ্বল মুখবোৰলৈ তোমালোকৰ মাৰা-দেউতাৰাই বৰ আশাপালি বাট চাই আছে, তোমালোকে ভৱিষ্যতে কিবা এটা ভাল কৰিবা। তোমালোকৰ নিচিনা ডেকা-গাভৰুবোৰ দেখিলে মোৰো বয়স কমি যোৱা যেন লাগে।'

হঠাতে মনটো মুকলি মুকলি লাগিল। এম ভি স্কুলত বাঘ যেন লগা শিক্ষকৰপৰা বেত্ৰাঘাতৰ ভয়, হাইস্কুলত শিক্ষকৰ কাঢ়া শাসনৰ বিপৰীতে এয়া দেখোন আপোন আপোন ভাব, ছাত্ৰ-ছাত্ৰীৰ মাজত গুঞ্জন উঠিল। ক্লাছৰ শেষৰ ফালে ছাৰে ক'লে— 'ডেকা বয়সত খুব খাব লাগে। ৰ'বা, শুনা— এখন গাঁৱত এটা ভোজত বাপেক-পুতেকে একেলগে বহি খাই আছিল। পুতেকে ভাত এগৰাহ খায়, পানী এঢোক খায়, পুতেকে তিনিবাৰ ভাত খুজি খালে। পাছত ঘৰলৈ আহি বাপেকে পুতেকক এচৰ মাৰি ক'লে— ইমানযে পানী খালি, তাতকৈ ভাত অলপ বেছিকৈ কিয় নেখালি? পুতেকে ক'লে — পানী খালে ওপৰত উঠি থকা ভাত তলত বহি যায়। তেতিয়া বেছিকৈ ভাত খাবহে পাৰি। বাপেকে পুতেকক আকৌ এচৰ মাৰি ক'লে— তই যদি কৌশলটো জানই, মোক তাতে নক'লি কিয়?' গোটেই শ্ৰেণীয়ে গিৰ্জনি মাৰিলে আৰু তাৰ মাজতে ছাৰ লাহেকৈ ওলাই গ'ল।

এই যে কলেজীয়া জীৱনৰ প্ৰথম শ্ৰেণীটোৰ কথা অলপ বহলাই ক'লোঁ, ইয়াৰ কাৰণ হ'ল —

Love at first sight-অৰ দৰেই এখন শিক্ষানুষ্ঠানৰ প্ৰথম শ্ৰেণীটোৱেই শিক্ষানুষ্ঠানটোৰ প্ৰতি আকৰ্ষণ, বিকৰ্ষণ বা উদ্বিগ্নতা সৃষ্টি কৰি দিব পাৰে। ছাত্ৰ-ছাত্ৰীয়ে প্ৰথম শ্ৰেণীটোৰ বাবে বুকুত বান্ধি লৈ যোৱা আগ্ৰহ, উৎকণ্ঠা বঢ়াই দিব বা নিৰশন কৰিব পাৰে। আমাৰ শ্ৰেণীকক্ষত প্ৰথম শ্ৰেণীটো কিন্তু এনেদৰেই উপভোগ্য হৈ উঠিছিল আৰু আমাৰ মনত ভাব হৈছিল যে হ'ব, আগন্তুক দিনবোৰ আনন্দৰ মাজেৰে, উপভোগ্য শিক্ষাদান, শিক্ষাগ্ৰহণৰ মাজেৰে পাৰ হ'ব।

বগা পাঞ্জাৰী, বগা চুৰিয়া পিন্ধা, চিকুণকৈ দাড়ি-খুৰোৱা, লিচপিচিয়া মুখৰ ক্ষীণকায় সেই অধ্যাপকজন কোন আছিল বাৰু? সেইজন আছিল শ্ৰদ্ধেয় স্বৰ্গীয় মনমোহন দাস ছাৰ। অসমীয়া বিভাগৰ অধ্যাপক, মোৰ বাবে সৌভাগ্যৰ কথা ২৬/০২/২০০১ তাৰিখৰপৰা তিনিবছৰমানলৈ এইখন মহাবিদ্যালয়তে ছাৰৰ সহকৰ্মী হিচাপে স্নাতকোত্তৰ মহলাত পাঠদান কৰিবলৈ সুবিধা পাইছিলোঁ। কেইবছৰমানৰ আগতে ছাৰ ঢুকাল। মই খবৰ পোৱা নাছিলোঁ। কিন্তু বিশেষ কামত মহাবিদ্যালয়লৈ আহোতে শোকসভা অনুষ্ঠিত হৈ থকা অৱস্থাতে সেই শোকসভাত অংশগ্ৰহণ কৰিবলৈ সুবিধা পালোঁ। কাকতালীয় হ'লেও যেন এয়া আন্তৰিক টান। সেই মুহূৰ্তত ছাৰৰ স্মৃতিবিজড়িত অনেক কথাই মনৰ মাজেদি দৌৰ প্ৰতিযোগিতাত খেলপথাৰত দৌৰা এজাক ডেকাৰ দৰেই ভিৰাই লৰ মাৰিলে। আৰু প্ৰথমে লগ পোৱা সহপাঠীজন হ'ল ৰমেন, পৰুৱাগাঁৱত ঘৰ। বগা খীণ-মিন ধুনীয়া ল'ৰা এটা। বি এ পাছ কৰাৰ পাছত একো খবৰ নাপাওঁ।

প্ৰথম শ্ৰেণীৰপৰা ওলাই আহি দুয়োটাই দ্বিতীয় শ্ৰেণীটো বহা কোঠা বিচাৰি গ'লোঁ। এবছৰ একেটা কোঠাতে বহি বহি পাঠ গ্ৰহণ কৰা আৰু দুপৰীয়া বাৰ বজাত আধাঘণ্টাৰ বাবে 'লেইজাৰ' দিয়া হাইস্কুলীয়া অৱস্থাৰপৰা আহি প্ৰতিটো শ্ৰেণীতে কোঠা সলোৱা আৰু মাজে মাজে 'অফ পিৰিয়ড' থকা কথাটো মোৰ বাবে নতুন আৰু কৌতুকপূৰ্ণ হৈছিল। সন্মুখৰ মতিৰাম বৰা প্ৰশাসনীয় ভৱন আৰু শ্ৰেণীকোঠা থকা দীঘলীয়া ঘৰটোৰ মাজত এটা বহল কৰিড'ৰ। সেই কৰিড'ৰেদি সন্মুখলৈ আহোতেই শিক্ষক জিৰণি কোঠাৰ বাহিৰৰ বেৰৰ কাযত দেখিলোঁ এখন 'প্ৰাচীৰ পত্ৰিকা'। কাঠৰ বহল ফ্ৰেমৰ ওপৰভাগত লিখা আছিল —

প্ৰাচীৰে প্ৰাচীৰে মন যায় মোৰ
লিখিবলে' কিছু কথা
মই যে বেকাৰ পাইছোঁ লিখাৰ
স্বাধীনতা।

— সুকান্ত

ক্ষন্তেকৰ বাবে মোৰ মনৰ তন্ত্ৰী কঁপি উঠিল। এয়া যে একপ্ৰকাৰ মুক্তিৰ আহ্বান। চেপা খোৱা মানসিক অৱস্থাৰ ল'ৰা ওলাই অহাৰ আহ্বান। মনটোৱে যেন কিবা এটা কৰাৰ বাবে প্ৰস্তুত হোৱাৰ আহ্বান শুনিলে।

ৰমেনে মোক এৰি শ্ৰেণীকোঠা বিচাৰি গৈছিল। সি ঘূৰি আহি ক'লে— 'আহক, ৰুমটো বিচাৰি পাইছোঁ।' দ্বিতীয় ক্লাছটো আছিল বুৰঞ্জীৰ। স্বৰ্গীয় অৰুণকান্তি দাস ছাৰে ক্লাছটোত পঢ়াইছিল। পঢ়াইছিল মানে শ্ৰেণীটো ছাৰৰ প্ৰশ্নেৰে পৰিপূৰ্ণ আছিল। বুৰঞ্জী মোৰ এটা প্ৰিয় বিষয়। যি পাৰোঁ উত্তৰ দিছিলোঁ। কিন্তু মৃণাল শৰ্মাই পটাপট উত্তৰ দি সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছিল। পিছদিনা ক্লাছলৈ গৈ আজৰি সময়ত বাৰাণ্ডাৰ খুঁটা এটাতে আঁউজি অকলে ৰৈ আছিলোঁ। তেনেতে খৰ খোজেৰে সন্মুখেৰে মৃণাল পাৰ হৈ গ'ল। যাওঁতে এটা কেঁৰা চাৱনি দি গ'ল। চোকা ল'ৰা, মাতিবলৈ সাহ নহ'ল। বাৰাণ্ডাৰ ইটো মূৰ পাই একে খৰ খোজেৰে উভতি আহি মোৰ ওচৰত ৰ'লহি, সুধিলে— 'ক্লাছ নাই?' 'নাই'— মই চমু উত্তৰ দিলোঁ। 'ব'লা তেন্তে লাইব্ৰেৰীলৈ যাওঁ।' বিনা বাক্যব্যয়ে মৃণালৰ লগে লগে লাইব্ৰেৰীলৈ আগবাঢ়িলোঁ। এয়া মোৰ বাবে অন্য বিস্ময়। ইমান ডাঙৰ লাইব্ৰেৰী জীৱনত এয়ে প্ৰথমবাৰৰ বাবে

দেখিলোঁ আৰু মৃণালৰ যে লগ লাগিলোঁ, পাঁচটা বছৰ একেলগে থাকিলোঁ, বহিলোঁ মাত্ৰ বি এ মহলাৰ 'মেজৰ' ক্লাছকেইটাৰ বাহিৰে।

১৯৮৫ চনত আমি এই মহাবিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষত নাম ভৰ্তি কৰিছিলোঁ। তেতিয়াৰপৰা সুদীৰ্ঘ পঁয়ত্ৰিশ বছৰ পাৰ হৈ গ'ল। কিন্তু এয়া যেন সৌ সিদিনাৰহে কথা— এনেকুৱা লাগে। তেতিয়া মহাবিদ্যালয়ৰ গেটেৰে সোমাই গ'লে প্ৰথম পোৱা যায় অসম আৰ্হিৰ এটা দীঘলীয়া ঘৰ। ক'ৰিডৰৰ সোঁফালে অধ্যাপকৰ জিৰণি কোঠা, উপাধ্যক্ষৰ জিৰণিকোঠা, অধ্যক্ষৰ কোঠা আৰু কাৰ্যালয়। ক'ৰিডৰৰ বাওঁফালে ছাত্ৰ একতা সভাৰ কাৰ্যালয় আৰু শ্ৰেণীকোঠা। ঘৰটোৰে বাওঁফালে এল পেটাৰ্ণ লৈ পূবলৈ আগবাঢ়িছে। পূৰত শ্ৰেণীকোঠা শেষ হোৱাৰ পাছতে আছিল ছাত্ৰাবাসৰ অধীক্ষকৰ বাসগৃহ। তাৰো পূৱলৈ অধ্যক্ষৰ বাসভৱন। এই বাসভৱনটো এতিয়াও ধুনীয়াকৈ ৰখা হৈছে। অধ্যাপকৰ জিৰণিকোঠা আৰু ছাত্ৰ একতা সভাৰ মাজৰ ক'ৰিডৰেৰে সোমাই গ'লে বাওঁফালে আছিল মহাবিদ্যালয়ৰ কেণ্টিনখন। তাৰপৰা পূৱলৈ আছিল ছাত্ৰী জিৰণি কোঠা। ছাত্ৰী জিৰণিকোঠাৰ ওচৰতে এটা দমকল আছিল। ছাত্ৰী জিৰণিকোঠাৰ প্ৰায় সমান্তৰালকৈ দক্ষিণলৈ আছিল তিনিটা সৰু কোঠা। কোঠাৰ বেৰবোৰ বাঁহৰ আছিল আৰু তাত চিমেণ্টৰ প্লাষ্টাৰ আছিল। এতিয়া য'ত প্ৰেক্ষাগৃহটি আছে, তাতে আছিল এইকেইটা ভৱন। এই কোঠাকেইটা লেতেৰা আৰু কিছু পৰিমাণে অস্বাস্থ্যকৰো আছিল। এবাৰ ললিত শইকীয়া ছাৰৰ বুৰঞ্জীৰ শ্ৰেণী এটা তাতে পৰাত টিপ্‌টপ্ ছাৰে কৈছিল — 'নাই, গৰু গোহালিৰ নিচিনা কোঠালিত ক্লাছ কৰিব নোৱাৰি। ব'লা, বেলেগ ৰুমত ক্লাছ কৰিম।'

ছাৰে আমাক বি এ মহলাতহে পঢ়াইছিল। উচ্চতৰ মাধ্যমিক শ্ৰেণীত পঢ়াইছিল অৰুণকান্তি দাস ছাৰ আৰু ভানু বাইদেৱে। ভানু বাইদেউৰ 'The boundary of ancient Kamrup spread upto Karnasubarna, Bengal' বুলি Upto Bengal টো অতি দীঘলীয়াকৈ নাটকীয়ভাৱে কোৱা ভঙ্গীটোত আমি ৰস পাইছিলোঁ। এবাৰ লগৰ এজনক 'কাৰ ক্লাছ আছে' বুলি সোধোঁতে দীঘলীয়াকৈ কৈছিল— Upto Bengal ৰ ক্লাছ। (শ্ৰদ্ধেয় বাইদেউলৈ ক্ষমা প্ৰাৰ্থনাৰে।)

আমি নামভৰ্তি কৰা বছৰতেই (১৯৮৫ চন) অসম চুক্তি সম্পাদন হৈছিল আৰু পোন্ধৰ নে যোল্ল আগষ্ট তাৰিখে চহৰত এটা শোভাযাত্ৰা ওলাইছিল। তাৰে এটা শ্ল'গান আছিল— 'ইমান দিনৰ আন্দোলনৰ— সুফল পালোঁ, সুফল পালোঁ।' তাৰ অলপ দিনৰ পিছতেই অধ্যক্ষ প্ৰয়াত মুহিৰাম শইকীয়াই এখন সভাৰ আহ্বান কৰিছিল। তেখেতে মহাবিদ্যালয়ৰ অধ্যক্ষৰ পদ এৰি লোকসভা নিৰ্বাচনৰ প্ৰাৰ্থী হ'বলৈ ওলাইছিল। ইতিমধ্যে আন্দোলনৰ ফলত শৈক্ষিক পদ্ধতিলৈ কিছু পৰিমাণে শিথিলতা অহা বুলি বহুতে কোৱাকুই কৰিছিল। মুহিৰাম শইকীয়াই অধ্যক্ষৰ পদ এৰি যোৱাৰ কিছুদিনৰ পিছত ভাৰপ্ৰাপ্ত অধ্যক্ষ গোহাঁই ছাৰে শৈক্ষিক পৰিৱেশ ঘূৰাই অনাৰ স্বাৰ্থত এখন সভা আহ্বান কৰিছিল। দুটা বক্তব্যৰ বাবে সভাখনৰ কথা মনত ৰৈ গ'ল। শৈক্ষিক দিশৰ আলোচনা কৰি ছাত্ৰ এজনে কৈছিল— 'সময়মতে শিক্ষক শ্ৰেণীলৈ নাহে। ছাত্ৰই কিবা-কিবি কৰি থাকিলেও চাওঁতা কোনো নাই। এই শাসন নথকা অৱস্থাৰ কাৰণে আমি তেনেকুৱা হৈছোঁ।' ভাৰপ্ৰাপ্ত অধ্যক্ষ মহোদয়ে যথেষ্ট কাঢ়া সুৰত ক'লে— 'আমি গৰু। আমাক এৰাল দিয়া নাই। আমি তাঁতি ভাঙিমেই! জন্তু হ'লে কথাষাৰ মানিব পাৰি। তোমালোক ছাত্ৰ। এটা শিক্ষা ব্যৱস্থাৰ মাজত আছা। শাসন নাই বুলি তোমালোকৰ আত্মশাসনো নাইনে? শাসন আৰু শ্ৰেণী মই চাম। তোমালোকে সহযোগ কৰিবানে?' ভাবিছিলোঁ, সভাখন উত্তপ্ত হৈ উঠিব। ছাৰৰ কথনভঙ্গীয়ে পিছে কাৰোবাৰ মুখত হাঁহিহে বিৰিঙালে আৰু পাছৰ আত্মীয়তাৰ সুৰত কোৱা কথাত সকলো সহমত হ'ল। শৈক্ষিক পৰিৱেশ বহু পৰিমাণে সাধাৰণ

অৱস্থালৈ আহিল।

নগাঁও কলেজ মানেই মোৰ বাবে যৌৱনৰ উদ্দাম সময়। কিন্তু সেই যৌৱনৰ কাল ইয়াত অতিবাহিত কৰিছিলোঁ উৰিপৰুৱা (উঁইপৰুৱা) বা ফৰিং নোহোৱাকৈয়ে। বহুতৰ দৰে আনন্দত উটি ফুৰিবলৈ অৱকাশ নাছিল, নাছিল অৰ্থনৈতিক স্বচ্ছলাৱস্থাও। ঘৰৰপৰা পুৰণিগুদামলৈ সাত কিলোমিটাৰ চাইকেল চলাই আহি এটকা বাছভাড়া দি নগাঁৱলৈ আহিছিলোঁ। সপ্তাহত অহা-যোৱাত বাৰটকা খৰচ হয়। অথচ ঘৰৰপৰা প্ৰতিসপ্তাহে মোক দিছিল পোন্ধৰ বা বিশটকা। নব্বৈ-একানব্বৈ চনত বোধহয় নগাঁৱলৈ ভাড়া দুটকা হৈছিল। গাড়ী আহি ৰাজস্থান হোটেলৰ সন্মুখত জুবিলী ফিল্ডৰ কাষত ৰৈছিল। তেতিয়া আমাৰ ফালে জুবিলী ফিল্ডক 'যোগিনী ফিল্ড' বুলিহে মানুহে কৈছিল। তাৰ পাছতহে ফিল্ডখন 'নুৰুল আমিন ষ্টেডিয়াম' নামেৰে নামকৰণ কৰা হৈছিল। তেতিয়া ফিল্ডখন মুকলি আছিল। পশ্চিমে এটা পকী আৰু এটা কাঠৰ গেলেৰী আছিল। পূবে ভূঞা ব্ৰাদাৰ্চ কিতাপৰ দোকান থকা পকী গেলেৰীটো আছিল। পূবৰ এফাল, উত্তৰ দিশৰ গোটেইফাল আৰু পশ্চিমৰ সৰহভাগ মুকলি আছিল। স্বাধীনতা দিৱস কাপ ফুটবলৰ সময়ত ফিল্ডখন টিনপাতেৰে বেৰি পেলোৱা হৈছিল। তেতিয়া দুবছৰমান মহাবিদ্যালয় সপ্তাহৰ দৌৰা আদি দুই-এবিধ খেল ইয়াতে খেলোৱা হৈছিল। তদুপৰি এতিয়াৰ 'মিছন মাৰ্কেট'খনো নাছিল। ফুটপাথৰ কাষতে দেৱালয় আৰু দেৱালৰ সিপাৰে থকা সৌৰা গছবোৰৰ ডাল-পাতে ফুটপাথৰ ওপৰভাগ ছানি ধৰি আছিল। যান-বাহন আছিল তেনেই কম।

নিৰ্বাচন কৰি লোৱা 'শিক্ষা' বিষয়টি পঢ়িবলৈ ভাল নাপালোঁ। অসমীয়া দ্বিতীয় ভাষা বিষয়টি ল'বলৈ বিভাগীয় মুৰব্বীলৈ এখন আবেদনপত্ৰ লিখি মুৰব্বী মহাশয় জিৰণি কোঠাত বহি থকা অৱস্থাত দাখিল কৰিলোগৈ। তেতিয়া অসমীয়া বিভাগৰ মুৰব্বী আছিল শ্ৰদ্ধেয় মহিম বৰা ছাৰ। ছাৰে একেবাৰতে 'allowed' লিখি চহী কৰি দিলে। সাহ পাই ছাৰক সুধিলোঁ— 'ছাৰ গল্প দুটামান লিখিছিলোঁ, চাই দিব পাৰিবনেকি?' যেন ঢকুৱাৰ বেৰত বাঁহ লৈ থকা খৰিকা বৰলতহে হাত দিলোঁ। ছাৰে আটায়ে শুনাকৈ ক'লে— 'নোৱাৰোঁ গল্প-চল্প চাব। আৰু মুৰব্বী বানান লিখিছা ম-ত ঊ-কাৰ দি, এওঁ আকৌ গল্প লিখে।' কৈ দুখন চকীৰ আঁতৰত থকা আন এজন অধ্যাপকক দেখুৱালে। মোৰ শৰীৰত যেন হেজাৰ খৰিকা বৰলৰ শুঙৰ খোঁচ। যেন পলাব পাৰিলেই ৰক্ষা পাওঁ। কান্দো কান্দো হৈ ওলাই আহিলোঁ।

মহিম বৰা ছাৰ চাইকেল এখন লৈ কলেজলৈ যায়। কেতিয়াবা বগা কেতিয়াবা মুগাৰ পাঞ্জাৰী পিন্ধি ছাৰ কলেজলৈ আহে। চুৰিয়াৰ থোৰ এফালে উৰি আহে। ছাৰৰ অন্যমনস্কতা বা আত্মমগ্নতাৰ দুটা সৰু ঘটনা মনত ৰৈ গৈছে। তেতিয়াৰ উদ্যোগ মন্ত্ৰী স্বৰ্গীয় দিগেন বৰা মহাবিদ্যালয়লৈ আহিছিল। মহিম বৰা ছাৰৰ ভাষণৰ পাল পৰাত ছাৰে ক'লে— 'মাননীয় মুখ্যমন্ত্ৰী মহোদয়...' ভুলৰ উপলব্ধি, শুধৰণি— একো নকৰাকৈ ছাৰে ভাষণ শেষ কৰিলে, সভাখন চলাইছিল অধ্যক্ষ স্বৰ্গীয় প্ৰদীপ শইকীয়া ছাৰে। বোধহয়, মহিম বৰা ছাৰে কৰা ভুলটো শইকীয়া ছাৰে নকৰিবলৈ দৃঢ়প্ৰতিজ্ঞ হৈছিল। ভাষণ আৰম্ভ কৰি অধ্যক্ষ মহোদয়ে ক'লে— 'মাননীয় মুখ্যমন্ত্ৰী... মুখ্যমন্ত্ৰী, দুঃখিত উদ্যোগমন্ত্ৰী মহোদয়...' কোনে কেনেকুৱা পাইছিল ক'ব নোৱাৰোঁ, কিন্তু মই বৰ ৰস পাইছিলোঁ।

আন এবাৰ প্ৰখ্যাত সমালোচক ৰায়হান শ্বাহ ঢুকোৱাৰ উপলক্ষে এখন শোকসভা অনুষ্ঠিত হৈছিল। মহিম বৰা ছাৰৰ লগত ৰায়হান শ্বাহৰ যোগাযোগ আছিল। স্বাভাৱিকতেই মূল কথাখিনি মহিম বৰা ছাৰে ক'বলগীয়া হৈছিল। ছাৰে দহ-পোন্ধৰ মিনিটমান শ্বাহৰ বিষয়ে কৈ এনেদৰে মোখনি মাৰিলে— 'এয়াই হ'ল হাইৰাণ, হাইৰাণ, নহয় কিবা বোলে, অঁ ৰায়হান শ্বাহ।'

ছাৰৰ জীৱনৰ শেষৰ দহ-বাৰ বছৰমান কালত ছাৰৰ অন্তৰঙ্গ হৈ উঠিব পাৰিছিলোঁ। ছাৰৰ ঘৰলৈ যোৱা অলপ কমি গ'লেই ছাৰে অলপ অসন্তোষ কৰিছিল।

এবাৰ 'আমাৰ নগাঁও' কাকতে মহিম বৰা ছাৰৰ বিষয়ে এটা বিশেষ সংখ্যা উলিয়াবলৈ মন কৰি ছাৰৰ লগত যোগাযোগ কৰাত ছাৰে বোলে ক'লে— 'মোৰ বিষয়ে সোমনাথৰপৰাও লেখা এটা আনিবা।' এয়া কাকতখনৰ সম্পাদনাৰ লগত জড়িত ব্যক্তিয়ে কোৱা কথা।

চাইকেল লৈ কলেজলৈ অহা আন অধ্যাপকসকলৰ ভিতৰত অসমীয়াৰ তাৰিণী শৰ্মা ছাৰ, ইংৰাজীৰ আজিজ খান ছাৰ, হবিবুৰ ৰহমান ছাৰৰ কথা ভালকৈ মনত আছে। কিন্তু নগাঁও মহাবিদ্যালয়ৰ আটাইতকৈ বিখ্যাত আৰু ষ্টাইলিষ্ট চাইকেল চলোৱা অধ্যাপকজন আছিল পদাৰ্থ বিজ্ঞান বিভাগৰ সন্মানীয় অনুজ বৰকাকতী ছাৰ। ছাৰৰ জীৱন-যাপন, খাদ্যপ্ৰণালী আদি সকলো ছাত্ৰৰে আগ্ৰহৰ বিষয় আছিল। ব্যায়ামাগাৰত সজোৱা ছাৰৰ আটিল দেহাটোলৈ চাই বোধহয় নগাঁৰৰ ডাঙৰ ডাঙৰ গুণ্ডায়ো ফালৰি কাটি গৈছিল।

মহাবিদ্যালয় চৌহদৰ মাজভাগতে পূৱা-পশ্চিমাকৈ আছিল (এতিয়া আছে) গোপীনাথ বৰদলৈ ভৱনকে ধৰি কেইবাটাও শ্ৰেণীকোঠা। এই বৰদলৈ ভৱনত মহাবিদ্যালয় সপ্তাহ সমাৰোহৰ নাট-গীত প্ৰতিযোগিতা চলিছিল। অসম বিখ্যাত কৌতুক অভিনেতা (এতিয়া স্বৰ্গীয়) ক্ষীৰোদ শৰ্মাই দৰ্শকক হঁহুৱাই মাৰিছিল, উত্তৰ-পূৰ ভিত্তিত পতা তৰ্ক প্ৰতিযোগিতাত মল্লিকা কন্দলিৰ যুক্তি-তৰ্কত হাততালিৰে হল ভৰি গৈছিল, নীলাক্ষি চাংকাকতি, প্ৰাৰ্থনা গায়নহঁতৰ গানৰ সুৰত মতলীয়া হৈছিলোঁ। 'বৰদলৈ হল' বুলিলেই মনত পৰে— তগৰ ছাৰে ৰোল কল কৰি লেকছাৰ দিবলৈ থিয় হৈ পেন্টটো দুহাতেৰে কঁকালৰ অলপ ওপৰলৈ টানি ধুনীয়াকৈ কথা ক'বলৈ আৰম্ভ কৰা অৱস্থাৰ কথা, চুটি-চাপৰ, বগা, তেনেই সৰু মাতত জগত শৰ্মা ছাৰৰ ক্লাছত উপস্থিতি দি দুৱাৰমুখত বহা ল'ৰা বহি বহি লুকাই ক্লাছৰপৰা ওলাই যোৱাৰ কথা, 'A tale of two cities' পঢ়াবলৈ ছাত্ৰ-ছাত্ৰীৰ মাজেৰে ঘূৰি ফুৰি বক্তৃতা দি ফুৰা, গলগলীয়া মাতৰ, সৰু ফুটীয়া ধুনীয়া ইংৰাজীৰ অধ্যাপক হাবিবুৰ ৰহমান ছাৰৰ কথা, অসমৰ কিমান বিশিষ্ট ব্যক্তিৰ এই বৰদলৈ ভৱনত পদাৰ্পণ হ'ল! গোটেই মহাবিদ্যালয়ৰ ভিতৰত যেন 'বৰদলৈ ভৱন' বেছি আপোন, এনে লাগে।

মাছ পোহাসকলে জানে— মাছৰ পোনাবোৰ প্ৰথমে এটা সৰু পুখুৰীত ৰখা হয়। অলপ ডাঙৰ হ'লে পোনা পোহা পুখুৰীত মেলি দিয়া হয়। তাৰপৰা আকৌ এটা ডাঙৰ পুখুৰীত মেলি দিয়া হয়। এই পুখুৰী হয় আহল-বহল আৰু দ। মাছে ইচ্ছামতে তল-ওপৰ কৰিব পাৰে, লাহে-ধীৰে সাঁতুৰি থাকিব পাৰে বা তীব্ৰগতিৰে যাব পাৰে, বিবিধ প্ৰজাতিৰ মাছৰ লগত থাকিব পাৰে, সকলো মাছ পোহা মানুহৰে অৱশ্যে ইমানকেইটা পুখুৰী নাথাকিবও পাৰে। কিন্তু থাকিলে সুবিধা। নগাঁও কলেজখনো মোৰ বাবে সপোন পোহা পুখুৰী। ইয়াত মোৰ সপোনবোৰ জমা হ'ল, মুকলিমূৰীয়া হ'ল। পুখুৰীত মাছে খেলাৰ দৰে সপোনবোৰে খেলিলে, সাঁতুৰিলে, তল-ওপৰ কৰিলে, নিজৰ জীৱন অনুযায়ী এটা আকাৰ ল'লে। বৃহৎ পুথিভঁৰালটো নোপোৱা হ'লে অমূল্য চক্ৰৱৰ্তীয়ে অনুবাদ কৰা 'ইলিয়াদ', 'ওডিছি' তেতিয়াই কেনেকৈ পঢ়িলোঁহেঁতেন। আইভান টুৰ্গেনিভৰ 'প্ৰথম প্ৰেম' উপন্যাসখন, নিকোলাছ গিয়েনৰ কবিতাৰ অনুবাদ, এন্ ফ্ৰাঙ্কৰ ডায়েৰী, এডল্ফ হিটলাৰ, ফৰাছী বিপ্লৱ, নাপলেয়ঁ' বোনাপাৰ্ট আদি কিতাপবোৰ কেনেকৈ পঢ়িবলৈ পালোঁহেঁতেন! জীৱন জুৰি মনত বৈ যোৱা ৰিচাৰ্ড লুৱেলিনৰ 'হাও গ্ৰীণ ৱজ মাই ভেলি' উপন্যাসৰ আবুল লেইছে কৰা অনুবাদৰ সোৱাদ এই পুথিভঁৰালৰ বাবেই লাভ কৰিবলৈ পাইছিলোঁ। আন অসমীয়া গল্প-উপন্যাসৰ কথা নক'লোৱেই বা!

হোষ্টেলত থকাৰ সুবিধা নহ'ল। কিন্তু হোষ্টেলৰ আবাসী বন্ধু নীলমণি ফুকনৰ কোঠালৈ গৈছিলোঁ। তাত বহা আড্ডাবোৰ শুনিছিলোঁ। লগ পাইছিলোঁ চিদা শৰ্মাক। চিদাই মোক জ্যেষ্ঠ ভাতৃৰ সন্মানেই দিছিল। এই চিদানন্দ শৰ্মা এতিয়া গুৱাহাটী আই আই টি-ৰ

পদাৰ্থ বিজ্ঞানৰ অধ্যাপক। চিদা আছিল সাহিত্য-নাটকৰ অনুৰাগী। তেওঁ নাটকত অভিনয়ো কৰিছিল।

আমি হাইস্কুললৈকে নিভাঁজ অসমীয়াভাষী, তাকো তিনিটা সম্প্ৰদায়ৰ (কোঁচ, কেওট, কলিতা) ছাত্ৰ-ছাত্ৰীৰ মাজতে আৱদ্ধ আছিলোঁ। (এই কথাটো উল্লেখ কৰা বাবে সংকীৰ্ণতাবাদী বুলি কোনেও নধৰে যেন।) কলেজত আত্মীয়তা বাঢ়িল বিহাৰী সম্প্ৰদায়ৰপৰা নিভাঁজ অসমীয়া হৈ যোৱা আশোক সিং (মঞ্চাভিনেতা, অসমীয়া চিনেমাৰ অভিনেতা, ৰহা মহাবিদ্যালয়ৰ হিন্দী বিভাগৰ অধ্যাপক), বকলীয়াঘাটৰ ৰাজু ক্ৰ', ৰূপহীৰ হবিবুৰহঁতৰ লগত।

এসময়ত কলেজৰপৰা ওলাই বিশ্ববিদ্যালয় আৰু তাৰ পিছত জীৱিকাৰ সন্ধানত কেইবাঠাইতো কটোৱাৰ পিছত ঘূৰি আহিলোঁ পুৰণিগুদামলৈ। খবৰ পাই মহাবিদ্যালয়ৰ তদানীন্তন অধ্যক্ষ শ্ৰদ্ধেয় শ্ৰীযুত মহেন্দ্ৰ আহোম ছাৰে মতাই নিলে। ছাৰে ক'লে- "অসমীয়াৰ এম এ ৰ ক্লাছ কেইটামান কৰি দিয়া। সপ্তাহত চাৰিটা কৰিলেই হ'ব।" ছাৰৰ কথামতে নিজৰ কলেজৰ ক্লাছৰ মাজত সুৰঙা উলিয়াই কিছুদিন পঢ়ালোঁ। তেতিয়া এম এ শ্ৰেণীত পঢ়াইছিল প্ৰভাত বৰা ছাৰ (ছেগা-চোৰোকাকৈ), কবি জীৱন নৰহ, সমালোচক অৰিন্দম বৰকটকী, বৰ্তমান কটন কলেজৰ অধ্যাপক ড° মহেশ্বৰ কলিতা, মনমোহন দাস ছাৰ আদিয়ে। মহেন্দ্ৰ আহোম ছাৰে কলেজ এৰি তেজপুৰ বিশ্ববিদ্যালয়লৈ যোৱাত আমাৰো ক্লাছ কৰা কমি আহিল আৰু এসময়ত এৰি দিলোঁ। হ'লেও জীৱনৰ হাবিয়াস এটা এনেকৈয়ে পূৰ হ'ল। উচ্চতৰ মাধ্যমিকৰ পৰীক্ষা দিলোঁ। ৰিজাল্ট ওলাল, কলাশাখাত আমি পাঁচজনে প্ৰথম বিভাগ পালোঁ। এইকেইজন হ'ল আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ বৰ্তমানৰ অধ্যাপক ড° সোনাৰাম নাথ, ৰহা কলেজৰ বুৰঞ্জী বিভাগৰ অধ্যাপক মৃণাল শৰ্মা, বিচাৰপতি দিপঙ্কৰ বৰা, ইংৰাজী বিষয়ৰ বিষয় শিক্ষয়িত্ৰী হীমামণি শৰ্মা আৰু এই লেখক। মই অসমীয়া বিষয়টো প্ৰধান বিষয় হিচাপে ল'লোঁ। সেই সময়ৰ এজন বন্ধুৰ কথা নক'লে দোষে চুব, তেওঁ হ'ল নলবাৰী জিলাৰ প্ৰণৱ ডেকা, দেউতাকে কলেজৰ দক্ষিণে থকা পথৰ সিপাৰৰ বন বিভাগৰ অফিচত চাকৰি কৰিছিল। বয়জ কমন ৰূমলৈ যোৱাতকৈ প্ৰণৱহঁত থকা কোৱাৰ্টাৰলৈ বেছিকৈ গৈছিলোঁ। চাহ-ভাতো খাইছিলোঁ। প্ৰণৱে বন্ধুত্বৰ দায়িত্বৰে মোক বিভিন্নপ্ৰকাৰে সহায় কৰিছিল। এই প্ৰণৱৰে ভায়েক অনিল মহাবিদ্যালয় ছাত্ৰ-একতা সভাৰ আলোচনী সম্পাদক হিচাপে (বোধহয় ১৯৯৩-৯৪ চন) নিৰ্বাচিত হৈছিল। তেওঁৰ সম্পাদনাত ওলাবলগীয়া আলোচনীখনৰ বাবে জমা হোৱা গল্প-কবিতা নিৰ্বাচন কৰি দিবলৈ মোক অনুৰোধ কৰিছিল। মোৰ গল্প এটাও নি প্ৰাক্তন ছাত্ৰৰ লেখা হিচাপে প্ৰকাশ কৰিছিল। অনিল ভাল অভিনেতাও আছিল। মহাবিদ্যালয়ৰ নাট প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি পুৰস্কৃতও হৈছিল।

ছাত্ৰ একতা সভাৰ কথা কওঁতে দুটা কথা মনলৈ আহিছে। এবাৰ ছাত্ৰ একতা সভাৰ কাৰ্যালয়ত সোমাওঁতে '৭২ ৰ ভাষা আন্দোলনৰ ছহিদ অনিল বৰাৰ আসনখন ধুনীয়াকৈ ৰখা দেখিছিলোঁ। এনেকৈ সংৰক্ষণ কৰি ৰখা বাবে মনটো ভৰি পৰিছিল। ছহিদক যথাযোগ্য সন্মান কৰা যেন লাগিছিল। আনটো কথা হ'ল এবাৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত ভোট দিবলৈ গৈছোঁ। আমাৰ ক্লাছৰ এজনে ক'লে 'ৰ'বা, এতিয়াই ভোট নিদিওঁ।' মই সুধিলোঁ 'কিয়?' 'সৌৱা দেখা নাই, সিহঁতে কিমান খৰচ কৰিছে। আমাক চাহ খাবলৈ পইচা নিদিলে ভোট নিদিওঁ।' তেনেতে ভোট দিবলৈ ওলালহি মৃণাল শৰ্মা। কথাটো শুনি মৃণালে গেঙেৰি মাৰি উঠিল - "নিজৰ বিবেক নাই নেকি? ভোট নিদিলে নিদিবা, পইচা খুজিবা কিয়? আৰু তুমি যি কৰা কৰা, সোমনাথক লগ ধৰিছা কিয়?' মৃণালে মোক হাতত ধৰি টানি লৈ গ'ল। ইজন ছাত্ৰই সেমেনা-সেমেনি কৰিলে। উচ্চতৰ মাধ্যমিক শ্ৰেণীত

ঘৰৰপৰা অহা-যোৱা কৰোতে বৰ কষ্ট পাইছিলোঁ। ঘৰৰপৰা পুৰণিগুদামলৈ এই সাত কিলোমিটাৰ পথ বাৰিষাৰ কালত প্ৰায় দুৰ্গম হৈ পৰিছিল। সেয়ে নৱাগত আদৰণি সভা, কলেজ 'উইক'-আদিত কলেজলৈ যোৱা নাছিলোঁ। স্নাতক মহলাত নগাঁৱত ঘৰভাড়া কৰি থাকিবলৈ ল'লোঁ। তেতিয়া আৰু এইবোৰ বাদ নপৰিল। স্নাতক প্ৰথম বৰ্ষৰ সপ্তাহ সমাৰোহৰ আগে আগে প্ৰতিযোগিতাৰ বাবে গল্প, কবিতা, প্ৰবন্ধ আহ্বান কৰা জাননী এখন চকুত পৰিল। গাত এটা শিহৰণ অনুভৱ কৰিলোঁ। এটা গল্প আৰু এটা কবিতা লিখি কোনেও নেদেখাকৈ আলোচনীৰ বাকচত সুমুৱাই দিলোঁ। দি চাৰিওফালে চালোঁ। নাই, কোনেও মোক দেখা নাই। লেখা দুটা জমা দি নটিছ ব'ৰ্ডলৈ চাওঁতে আৰু এখন জাননী দেখিলোঁ — মহাবিদ্যালয় সপ্তাহ উপলক্ষে প্ৰথমবাৰৰ বাবে থিতাতে লিখা গল্প আৰু কবিতা প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। মনতে ভাবিলোঁ— নিশ্চয় অংশগ্ৰহণ কৰিম। প্ৰতিযোগিতাৰ দিনা এটা চুকত বহি ল'লোঁ আৰু সময়ত ওলাই আহিলোঁ।

বঁটা বিতৰণী আৰু মুকলি সভালৈ আহিছিল বিশিষ্ট হাস্যৰসিক, অভিনেতা লক্ষ্যধৰ চৌধুৰী। দীঘলীয়া ৰসাল বক্তৃতাৰ পিছত বঁটা বিতৰণ আৰম্ভ হ'ল। প্ৰথমে খেলৰ, পিছত সাংস্কৃতিক অনুষ্ঠানৰ আৰু শেষত সাহিত্য প্ৰতিযোগিতাৰ বঁটা প্ৰদান। খেলৰ বঁটা প্ৰদান অনুষ্ঠানত বঁটাৰ চাপৰি আৰু সমৰ্থকৰ হৰ্ষধ্বনি। অশেষ ধৈৰ্যেৰে বঁটাৰ আশাত বহি আছোঁ। সাহিত্য বঁটা প্ৰদান আৰম্ভ হ'ল। প্ৰবন্ধ প্ৰতিযোগিতাত প্ৰথম, দ্বিতীয় নিৰ্বাচিত নহ'ল।

তৃতীয় হ'ল নীলমণি ফুকন (বৰ্তমান মৰিগাঁও কলেজৰ দৰ্শনৰ অধ্যাপক।)। সমৰ্থনত পাঁচজনমানে হাততালি দিলে। কবিতাতো নীলমণিয়ে ৩ য় পুৰস্কাৰ পালে। কবিতাৰ দ্বিতীয় পুৰস্কাৰত ঘোষণা কৰিলে মোৰ নাম। সেইটো এনে এটা মুহূৰ্ত, যিটোলৈ যেন মই পৰম আগ্ৰহেৰে অপেক্ষা কৰিছিলোঁ। মই আগবাঢ়ি যোৱাৰ সময়ত দেখিলোঁ প্ৰণৱে থিয় হৈ জঁপিয়াই হাততালি মাৰিছে। গল্পত প্ৰথম পুৰস্কাৰৰ বাবে মোৰ নাম, থিতাতে লিখা কবিতা প্ৰতিযোগিতাত প্ৰথম, দ্বিতীয় নিৰ্বাচিত নহ'ল, তৃতীয় হ'লোঁ মই। আকৌ থিতাতে লিখা গল্প প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰত মোৰ নাম ঘোষণা। এইবাৰ দেখিলোঁ, সভাঘৰৰ সৰহভাগেই তালি বজাইছে। মনটোত আনন্দ থ'বলৈ ঠাই নোহোৱা অৱস্থা। বঢ়া আনন্দ দুটোপা চকুলো হৈ ওলাই আহিল। সেই বছৰ অৰ্থাৎ ১৯৮৭ চনৰ মহাবিদ্যালয়ৰ আলোচনীত মই লিখা গল্প 'মৰম' প্ৰকাশ হ'ল। ১৯৮৮ চনৰ আলোচনীত প্ৰকাশ হ'ল 'হত্যাকাৰী' গল্পটো।

পাঁচ বছৰত গোটেই কলেজ ঘূৰিছিলোঁনে? নাই ঘূৰা। বৰদলৈ ভৱনৰ (আৰু লগতে মহাবিদ্যালয়ৰ) দক্ষিণ-পশ্চিম কোণত দুমহলীয়া বিজ্ঞান ভৱন। তাৰ দুটামান কোঠাতহে সোমাইছিলোঁ। পুথিভঁৰালৰ দক্ষিণত থকা ছাত্ৰ জিৰণি কোঠালৈও পাঁচবছৰত দুই-তিনিবাৰৰ অধিক যোৱা নাই। এই ফালটোৰ লগত বিশেষ আত্মীয় হ'ব নোৱাৰিলোঁ।

স্নাতক প্ৰথম বৰ্ষত পঢ়ি থাকোতে অসমীয়া বিভাগলৈ এগৰাকী অধ্যাপিকা আহিল। মাতটোত কোমলতা আৰু দৃঢ়তাৰ মিশ্ৰণ। স্পষ্ট উচ্চাৰণ, খোকোজা নলগা স্বতঃস্ফূৰ্ত প্ৰকাশভঙ্গী। কবিতা পঢ়াওঁতে আবৃত্তি কৰি যোৱা যেন লাগে। তেখেতেই হ'ল কল্পনা হাজৰিকা গায়ন বাইদেউ। বাইদেউৰ লগত সোনকালে আত্মীয়তা বাঢ়ি গ'ল। পঢ়া, শুনা, গল্প লেখাৰ খবৰ লোৱা, অন্যান্য অসুবিধা আদিৰো খবৰ বাইদেৱে ল'বলৈ ধৰিলে। আচলতে এনে অনুপ্ৰেৰণাৰ মোৰ বৰ প্ৰয়োজন আছিল। আজিও প্ৰান্তিক, গৰীয়সী আদিত মোৰ গল্প এটা প্ৰকাশ পালে বাইদেৱে ফোন কৰি শুভেচ্ছা জনাবলৈ নেপাহৰে, মৰম পাইছিলোঁ তাৰিণী শৰ্মা ছাৰ, মানিক বৰা ছাৰেৰো। মানিক বৰা ছাৰে ছাত্ৰ-ছাত্ৰীৰ নাম নেজানে বুলিয়েই ধাৰণা আছিল। কিন্তু এদিন কাযেৰে পাৰ হৈ যাওঁতে

ছাৰে আন এজন ছাৰক কোৱা শুনিলোঁ, 'এই সোমনাথ ল'ৰাটো বেয়া নহয়।'

নিজে কেতিয়াও ভাল বা চোকা ছাত্ৰ নাছিলোঁ। কিন্তু মোৰ বাবে সৌভাগ্যৰ কথা যে মোৰ আঁৰে শিক্ষকসকলৰ একাংশই কৰা প্ৰশংসা যেতিয়াই কাণত পৰেহি, তেতিয়াই যেন আগবাঢ়ি যাবলৈ অনুপ্ৰেৰণা পাওঁ। মোৰ দৰে নিম্নমেধাৰ ছাত্ৰকো বৰ্তমানৰ পৰ্যায়লৈ লৈ অহাত প্ৰাথমিক পৰ্যায়ৰপৰা উচ্চস্তৰলৈকে একাংশ শিক্ষকক শ্ৰদ্ধাৰে সুঁৱৰিম। অসমীয়া বিভাগৰ বাহিৰেও আন দুটা বিষয় বুৰঞ্জীৰ ললিত শইকীয়া ছাৰ, যিজনে লিখিবলৈ দিলে প্ৰথমতে মোৰ বহীখনেই চাব খুজিছিল আৰু বৰ কমদিনৰ বাবে পোৱা ইংৰাজীৰ দিপালী ৰাজখোৱা বাইদেউ— যিগৰাকীয়েও কেতিয়াবা লিখিবলৈ দিলে নাম কাঢ়িয়েই কৈছিল— "সোমনাথ, হ'লনে তোমাৰ ?" এনে কথাই দায়বদ্ধতাৰে বান্ধি পেলাইছিল— 'হয়, কামটো চাগে' আগতে ময়ে কৰিব লাগিব।" এনেদৰেই বছৰে বছৰে নগাঁও মহাবিদ্যালয়ে ছাত্ৰ-ছাত্ৰীক চাগে' অনুপ্ৰাণিত কৰি আহিছে। হেৰাই যাবলগীয়া বহুতকে আচল পথত থিয় কৰাই দিছে। এনে অনুষ্ঠানৰ প্ৰতি কৃতজ্ঞ নহৈ পাৰিনে ?

কিন্তু স্নাতক প্ৰথম খণ্ডৰ পৰীক্ষাৰ সময়তে মোক স্নায়ুৰোগ ধৰিলে। আশা কৰা মতে পৰীক্ষাত ফল দেখুৱাব নোৱাৰিলোঁ। স্নাতক দ্বিতীয় খণ্ডত ৰোগে জটিল পৰ্যায় পোৱাত পৰীক্ষাত অৱতীৰ্ণই হ'ব নোৱাৰিলোঁ। তিনিবছৰীয়া পাঠ্যক্ৰম চাৰিবছৰত শেষ কৰিবলগীয়া হ'ল।

আক্ষেপ নাই। যেনেকুৱা স্বাস্থ্য, যেনেকুৱা কৰ্ম— তেনেকুৱাই ফল। কিন্তু নগাঁও মহাবিদ্যালয়ে জীৱনক বিভিন্ন ধৰণেৰে সমৃদ্ধ কৰিলে। পূৰ্বৰ তুলনাত দৃষ্টিত ভিন্নতা আনি দিলে, কিছু পৰিমাণে প্ৰতিযোগিতা কি বস্তু সেয়াও শিকালে।

আজিও নগাঁও মহাবিদ্যালয়ৰ সমুখেদি গ'লে বা সোমালে অনুভৱ কৰোঁ বহু শিক্ষকৰ উপস্থিতি। সেয়া এশাৰী কথাকে ব্যাখ্যা কৰি কৰি মনোমোহাকৈ ড° সৰ্বেশ্বৰ ৰাজগুৰু ছাৰে পঢ়াইছে, মহিম বৰা ছাৰে দুশাৰী মাতি দুৱাৰেৰে দুই মিনিটমান বাহিৰলৈ চাই ৰৈছে, হাবিবুৰ ৰহমান ছাৰে গলগলীয়া মাতেৰে কবিতা মাতিছে - Tiger Tiger Burning Bright চাইকেলখন লৈ সোমাই আহিছে অনুজ বৰকাকতী ছাৰ, গপচ গপচ খোজ দি বাৰাণ্ডাৰে আগবাঢ়িছে অধ্যক্ষ প্ৰদীপ শইকীয়া ছাৰ, নাটকত, কৌতুকত ক্ষীৰোদ শৰ্মা, ওমপ্ৰকাশ শৰ্মাই হুহুঁৱাই মাৰিছে, শ্ৰেষ্ঠ গায়িকা নীলাক্ষিয়ে গীত জুৰিছে, বাৰাণ্ডাত এজাক ল'ৰাৰ কোলাহল, এজাক গাভৰুৰ চঞ্চল আৰু ডেকাৰ মন কঁপোৱা খোজ। লগত মই সপ্তাহ সমাৰোহৰ সাহিত্য প্ৰতিযোগিতাৰ বাবে লিখা কবিতাৰ শিৰোনামলৈ মনত পৰিছে

- "মোৰ কলেজ।"

মোৰ কলেজ মোৰ হৈ থাকক। সময় আহিব, যাব, পৰিৱৰ্তন হ'ব, পৰিবৰ্ধন হ'ব, মহাবিদ্যালয়ে ৰূপ সলাব। এতিয়া বহুখিনি পৰিৱৰ্তন হ'লেই। হ'বই। তথাপি মহাবিদ্যালয়খনৰ— মই অন্তৰেৰে কামনা কৰোঁ— তিনিটা বস্তু সংৰক্ষিত হৈ থাকক। প্ৰথমটো গোপীনাথ বৰদলৈ ভৱন, দ্বিতীয়টো অসমৰ এটা ঐতিহাসিক ক্ষণৰ সাক্ষী ছহিদ অনিল বৰা বহা চকীখন আৰু সেই সময়ৰ একমাত্ৰ প্ৰাচীৰ পত্ৰিকাখন— য'ত লিখা আছিল—

প্ৰাচীৰে প্ৰাচীৰে মন যায় মোৰ
লিখিবলে' কিছু কথা
মই যে বেকাৰ পাইছোঁ লিখাৰ
স্বাধীনতা।

মোৰ জীৱনৰ এই ৰামধেনুবুলিয়া অনুভৱখিনিকে মহাৰজত জয়ন্তীৰ শুভলগ্নত সহৃদয় পাঠকলৈ দাঙি ধৰিলোঁ।

জয়তু নগাঁও মহাবিদ্যালয়।❑

লেখক - প্ৰাক্তন ছাত্ৰ, বিশিষ্ট গল্পকাৰ আৰু বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ অধ্যাপক।



# নগাঁও কলেজৰ বৰ্তমান আৰু অতীতলৈ এগছি পৱিত্ৰ বন্তি

**মাধৱ চন্দ্ৰ শৰ্মা**

**ম**হাৰজত জয়ন্তী বৰ্ষ গৰকা নগাঁও কলেজৰ জন্মৰপৰা আজি পৰ্যন্ত যিসকল শিক্ষাগুৰু, ছাত্ৰ, কৰ্মচাৰীয়ে ইহসংসাৰৰপৰা বিদায় ল'লে, তেখেতসকলৰ আত্মাই যাতে চিৰশান্তি লাভ কৰে। তাকেই কামনা কৰি ভগৱানৰ শ্ৰীচৰণত প্ৰাৰ্থনা জনালোঁ।

লগতে নগাঁও চহৰৰ মাজমজিয়াত উজ্জ্বল নক্ষত্ৰৰ দৰে জিলিকি থকা নগাঁও কলেজখনৰ, অতীতৰ বিষয়ে কিছু আভাস নগাঁৱৰ বৰ্তমানৰ ছাত্ৰ আৰু ৰাইজক অৱগত কৰিবলৈ আগবাঢ়িছোঁ। ইয়াত যদি কিবা ভুল-ভ্ৰান্তি হয় ক্ষমা কৰে যেন।

নগাঁও কলেজৰ আৰম্ভণি প্ৰথম নগাঁও ডচন হাইস্কুলত আৰম্ভ হৈছিল। সেই সময়ত কলেজৰ ছাত্ৰ-ছাত্ৰীসকলে ৰাতিপুৱা ক্লাছ কৰিবলৈ আহিব লগা হৈছিল। ১৯৪৪ চনৰ ৭ আগষ্টত ডচন হাইস্কুল প্ৰাঙ্গণৰপৰা বৰ্তমান কলেজ থকা স্থানলৈ আহে। সেই দিন ধৰি আজি পৰ্যন্ত এই স্থানতে আছে আৰু আগলৈকো থকাটো আমি সকলোৱে কামনা কৰো।

নগাঁও কলেজৰ গৌৰৱোজ্জ্বল অতীতক আৰু বৰ্তমানক কোনেও যাতে দাগ লগাব নোৱাৰে, লগতে এই কলেজৰ শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰীসকলৰ জীৱন যাতে উজ্জ্বল হয়, তাকে কামনা কৰি যিবোৰ কৰ্ম শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰীসকল এক হৈ কৰি নগাঁও কলেজলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছিল, তাৰ কিছু আভাস পঢ়ুৱৈ সমাজলৈ আগবঢ়ালোঁ।

১৯৫৬ চনত নগাঁও কলেজৰ 'College week'ৰ প্ৰথম দিনা কলেজৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ উপৰি বিভিন্ন স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰুসকলৰ উপস্থিতিত অসমত প্ৰথম নগাঁও কলেজ "অলিম্পিক টৰ্চ" প্ৰজ্বলন কৰি নগাঁও কলেজৰ ক্ৰীড়া প্ৰতিযোগিতা আৰম্ভ কৰে। এই বন্তি প্ৰজ্বলনত আঁত ধৰিছিল কলেজৰ অধ্যক্ষ, ক্ৰীড়া সম্পাদক, অধ্যাপক, অধ্যাপিকা আৰু ইউনিয়ন বডিৰ সদস্যসকলে। এই বন্তি প্ৰজ্বলনেই নগাঁও কলেজলৈ প্ৰথম গৌৰৱ কঢ়িয়াই আনিছিল।

নগাঁও কলেজে "College week" অৰ শেষৰ দিনা নগাঁও জিলাৰ মাজেদি বৈ যোৱা কলং নদীত নগাঁৱৰ বহু দৰ্শকৰ উপস্থিতিত অতি সুন্দৰভাৱে

'সাঁতোৰ প্ৰতিযোগিতা'' উদ্‌যাপন কৰে। অসমৰ ভিতৰত কলেজে সাঁতোৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা এইখনেই প্ৰথম। দ্বিতীয়বাৰলৈ নগাঁও কলেজলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হয় ক্ৰীড়া প্ৰেমীসকলে। এই প্ৰতিযোগিতাত ৩৬ জন প্ৰতিযোগীয়ে (ছাত্ৰই) অংশগ্ৰহণ কৰে আৰু ১৫ জনে পুৰস্কাৰ লাভ কৰে।

নগাঁৰত অনুষ্ঠিত হোৱা আন্তঃকলেজ ক্ৰীড়া প্ৰতিযোগিতা, অসম অলিম্পিক আৰু বয়োজ্যেষ্ঠসকলৰ ক্ৰীড়া প্ৰতিযোগিতাতো ''অলিম্পক শিখা'' প্ৰজ্বলন কৰি খেল আৰম্ভ কৰা হয়।

সদৌ অসম আন্তঃ কলেজ ক্ৰীড়া প্ৰতিযোগিতা, আন্তঃকলেজ ফুটবল প্ৰতিযোগিতা, ক্ৰিকেট প্ৰতিযোগিতা, ভলীবল প্ৰতিযোগিতা আদিত অংশগ্ৰহণ কৰি ক্ৰীড়াবিদ ছাত্ৰসকলে নগাঁও কলেজলৈ সুনাম কঢ়িয়াই অনাত অৰিহণা যোগাইছিল।

সদৌ অসম আন্তঃকলেজ ক্ৰীড়া প্ৰতিযোগিতাত নগাঁও কলেজ একেৰাহে তিনিবাৰকৈ চেম্পিয়ন হৈ নগাঁৰলৈ গৌৰৱ কঢ়িয়াই অনাত গোটেই নগাঁওবাসী আনন্দত মতলীয়া হৈ পৰিছিল লগতে খেলুৱৈ সকলে যাতে এনেদৰেই নগাঁৰলৈ গৌৰৱ কঢ়িয়াই আনি থাকিব পাৰে, তাৰ কাৰণে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছিল।

১৯৫৬ চনৰ ২ মাৰ্চত কলেজৰ মাননীয় অধ্যক্ষ মহোদয় আৰু ইউনিয়ন বডিৰ সদস্যসকলে আলোচনা কৰি প্ৰতিমাহৰ শনিবাৰে ২ বজাৰ পাছত সঙ্গীত প্ৰতিযোগিতা, ২য় শনিবাৰে তৰ্ক প্ৰতিযোগিতা, ৩য় শনিবাৰে আকস্মিক বক্তৃতাৰ প্ৰতিযোগিতা, ৪ৰ্থ শনিবাৰে আৰ্টৰ প্ৰতিযোগিতাৰ ব্যৱস্থা কৰিছিল আৰু মই কলেজত থকাৰ সময়লৈকে সুকলমে এই ব্যৱস্থা চলি আছিল। পাচত এই ব্যৱস্থা বন্ধ হ'ল বুলি জানিব পাৰিলোঁ। এনেধৰণৰ ব্যৱস্থা যাতে পুনৰ নগাঁও কলেজত আৰম্ভ হয়, তাৰ বাবে কলেজৰ সকলোকে অনুৰোধ জনালে।

ইয়াৰ উপৰি কলেজৰ অধ্যক্ষ, অধ্যাপক-অধ্যাপিকাৰ যোগেদি কেইটামান ব্যৱস্থা হাতত লোৱা হৈছিল, যাৰ পৰা কলেজে ৰাইজৰ পৰা যথেষ্ট সহানুভূতি লাভ কৰিছিল। সেই ব্যৱস্থাসমূহৰ ভিতৰত আছিল ১। কলেজৰ যোগেদি জ্ঞান আহৰণ কৰা ভ্ৰমণ ২। বুৰঞ্জীপ্ৰসিদ্ধ মঠ-মন্দিৰ আদি চাবলৈ যোৱা, ৩। বনভোজ খাবলৈ যোৱা, ৪। কলেজৰ অৰ্থৰ অভাৱত পৰা ছাত্ৰ-ছাত্ৰীক আৰ্থিক সাহায্য আগবঢ়োৱা, ৫। কোনো ব্যক্তি বা পৰিয়াল বিপদত পৰি সহায় বিচাৰিলে সহায় আগবঢ়োৱা আদি।

এইখিনিতে মই উল্লেখ নকৰিলে মোক পাপে চুব, সেয়েহে মই আৱেগেৰে জনাওঁ যে নগাঁও কলেজৰ প্ৰাক্তন অধ্যক্ষ প্ৰয়াত যজ্ঞেশ্বৰ শৰ্মা, অধ্যাপক মহেশচন্দ্ৰ দেৱ গোস্বামী, কমল চন্দ্ৰ গোস্বামী, আব্দুল হাই, ললিত শইকীয়াৰ লগতে স্মৃতি শক্তিয়ে ঢুকি নোপোৱা প্ৰয়াত অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰীবৃন্দৰ আত্মাই যাতে শান্তি লাভ কৰি থাকে, তাকেই কামনা কৰিলোঁ। লগতে বৰ্তমান কলেজৰ অধ্যক্ষ, অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰী, কৰ্মচাৰী আদি সুখে-সন্তোষে নিৰাপদে থাকে আৰু নগাঁও কলেজৰ গৌৰৱ বৰ্তমানতকৈয়ো আৰু উন্নত কৰি তোলে তাকেই আন্তৰিক কামনা কৰিলোঁ।

এইখিনিতে এটা কথা পঢ়ুৱৈ সমাজক জনাই মোৰ লেখনী ইমানতে সামৰণি মাৰিম। মই কলেজত পঢ়ি থকা দিনত কলেজৰ সকলো কামত যোগদান কৰিছিলোঁ। ক্ৰীড়া সম্পাদক হৈ থকা কালত কলেজৰ ক্ৰীড়াৰ বাহিৰেও সকলো ক্ষেত্ৰতে আগবাঢ়ি গৈ কলেজৰ গৌৰৱ বঢ়াবৰ কাৰণে চেষ্টা কৰিছিলোঁ। এইক্ষেত্ৰত সফলো হৈছিলোঁ। ইয়াকে অৱগত কৰি মোৰ লেখনী ইমানতে সামৰণি মাৰিলোঁ।❑

---

লেখক - প্ৰাক্তন ছাত্ৰ।



# ডুখৰীয়া স্মৃতি, বাখৰুৱা অনুভৱ

**প্ৰকাশ মহন্ত**

**ন**গাঁও মহাবিদ্যালয়ে প্ৰতিষ্ঠাৰ ৭৫ বছৰ সম্পূৰ্ণ কৰিলে। গুৱাহাটী বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰো পূৰ্বে কলকাতা বিশ্ববিদ্যালয়ৰ অনুমোদনত প্ৰতিষ্ঠা হোৱা দিনৰে পৰা অসমৰ শৈক্ষিক তথা বিদ্যায়তনিক ক্ষেত্ৰখনত নগাঁও মহাবিদ্যালয়ৰ এই দীঘলীয়া পৰিক্ৰমা কিমান প্ৰত্যাহ্বানমূলক আছিল, তাৰ ব্যাখ্যা কৰাটো আমাৰ পক্ষে সম্ভৱপৰ নহয়। এই পৰিক্ৰমাত প্ৰখ্যাত পণ্ডিত-সাহিত্যিক যজ্ঞেশ্বৰ শৰ্মা ছাৰৰপৰা এতিয়াৰ অধ্যক্ষ ড° শৰৎ বৰকটকীৰ লগতে সাধনা আৰু প্ৰজ্ঞাৰে প্ৰাঞ্জল অধ্যাপকসকলৰ অৱদানৰ বিশদ ব্যাখ্যাও মোৰ বাবে সম্ভৱ নহয়। কিয়নো মোৰ জন্মৰো ১৭ বছৰ পূৰ্বে প্ৰতিষ্ঠা হৈছিল নগাঁও মহাবিদ্যালয়। পিতৃ বিবাহপাশত আবদ্ধই হোৱা নাছিল। তেৰোঁ বোলে প্ৰতিষ্ঠা বৰ্ষৰে ছাত্ৰহে আছিল। কিন্তু এটা কথাত মই নিশ্চিত যে ল'ৰালিতেই নগাঁও মহাবিদ্যালয়ৰ চৌহদত ভৰি দিয়াৰ সুযোগ যদি মই নাপালোহেঁতেন, তেনেহ'লে মহাবিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ হিচাপে চিনাকি দিয়া কথাটো বাদেই, মোৰ জীৱন পৰিক্ৰমাৰ পৰিধি হয়তো খেৰৰ চালিৰ ঘৰটোৰ জলঙাৰে দেখা আকাশখনৰ ক্ষুদ্ৰ বৃত্তটোতে সীমাবদ্ধ হৈ ৰ'লহেঁতেন। ৩৫ বছৰৰ আগেয়ে মহাবিদ্যালয়খনৰ শিক্ষা শেষ কৰি ওলাই অহাৰ পিচৰছোৱা সময়ত শিক্ষানুষ্ঠানখনৰ সন্মুখেৰে পাৰ হৈ যাওঁতে সদায় মোৰ মনলৈ আহে এনে বহু কথা। চকুত ভাহি উঠে আমাৰ দিনৰ অধ্যক্ষ প্ৰয়াত মুহিৰাম শইকীয়া ছাৰৰ কোঠাৰ সন্মুখত তেওঁ কলিং বেল বজালেই জ্বলি উঠা ৰঙা লাইটটো। এই লাইটটো শইকীয়া ছাৰে কৰ্মচাৰীক মতাৰ বাবেই জ্বলা নাছিল। মহাবিদ্যালয়খনৰ আগচোতালত অথবা দেৱালৰ সন্মুখৰ ফুটপাথত আড্ডা দি থকা প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ বাবেও আছিল ই এক 'ৱাৰ্নিং বেল'। ক্ৰিং ক্ৰিং কৈ বেলটো বজাৰ সমানে জ্বলা-নুমোৱা কৰাৰ লগে লগে ফৰিংছিটিকা দি সকলো নিজৰ নিজৰ শ্ৰেণীত সোমাইছিলগৈ। সেই একেজন অধ্যক্ষই আকৌ আহৰি সময়ত ছাত্ৰৰ বাবে বন্ধু আৰু সমাজ তথা জাতীয় চিন্তা-চেতনাৰ শিক্ষাৰে ছাত্ৰ সমাজক দেশৰ সম্পদ হ'ব পৰাকৈ দিক্ নিৰ্দেশনা দিয়া এগৰাকী নিৰ্ভৰশীল অভিভাৱক আছিল।

মনত পৰে ল'ৰালিৰ কথা। মহাবিদ্যালয় চৌহদত এটা কোণত আছিল কমল মামা, অৰ্থাৎ মোৰ

শিক্ষাগুৰু কিছুদিন পূৰ্বে মৃত্যু হোৱা কমল গোস্বামী ছাৰৰ আবাস। বৰ্তমানৰ ছাত্ৰাবাসটো তাত নাছিল যদিও ছাত্ৰাবাসৰ অধীক্ষকৰো দায়িত্ব পালন কৰা ভূগোল বিভাগৰ মুৰব্বী অধ্যাপক মামাৰ ঘৰলৈ প্ৰাথমিক বিদ্যালয়ত পঢ়ি থকা অৱস্থাৰে পৰাই সঘনাই অহা-যোৱা কৰিছিলোঁ। ভাইটি মোৰ সমবয়সৰ। সি মোক গোটেই মহাবিদ্যালয়ৰ কোঠাবোৰ প্ৰায়ে দেখুৱাইছিল। শ্ৰেণী বন্ধ থকা সময়ত বিভিন্ন বিভাগৰ কোঠাবোৰৰ বাৰাণ্ডা অথবা বৰদলৈ হলত সোমাই খেলিছিলোঁ। কেতিয়াবা বিজ্ঞান শাখাৰ পৰীক্ষাগাৰৰ খিৰিকীৰ আইনাৰে ভিতৰৰ সা-সামগ্ৰীবোৰ চাই সেইবোৰ চুই চোৱাৰ হেঁপাহো কৰিছিলোঁ। চহৰত কলেজৰ চৌহদতে ডাঙৰ হোৱা আৰু মেধাৰেও মোতকৈও চহকী ভাইটিৰ দুষ্টালিয়ে কেতিয়াবা কেতিয়াবা মোক বিস্মিত কৰিছিল। তাৰ মাজৰে এটা কথা মনত পৰিলে এতিয়াও মোৰ হাঁহি উঠে। এদিন আমি দুটা গৈ ভূগোল বিভাগৰ আহল-বহল কোঠা এটাত সোমাইছিলোঁ। সেই কোঠাটোৰ ফেনখনৰ ছুইচটো দিয়াত ঘৰ ঘৰ শব্দ কৰি প্ৰকাণ্ড ফেনখন চলিবলৈ আৰম্ভ কৰিছিল। মই সিমান ডাঙৰ ফেন তেতিয়ালৈকে দেখাই নাছিলোঁ। আমাৰ গাঁৱলৈ বিদ্যুতৰ লাইনেই যোৱা নাছিল। মোক চকু টেলেকা কৰি ফেনখনলৈ চোৱা দেখি গহীন মাতেৰে সি কৈছিল — 'এইখন দেখিছ, এইখন হ'ল মাষ্টাৰ ফেন। যেতিয়া কলেজৰ আনবোৰ কোঠাত ফেনবোৰ নচলে, তেতিয়া এইখন চলাই দি পাইপেৰে ইয়াৰ পৰা বতাহ দিয়া হয়।' তাৰ কথাত চকু দুটা আৰু ডাঙৰকৈ মেলি পৰম বিস্ময়েৰে ভৌতিক শক্তিসম্পন্ন ফেনখনলৈ মই চাইছিলোঁ। সি যে মোৰ ৰং চাইছে, সেই ধাৰণা কৰিব পৰা শক্তিও মোৰ নাছিল তেতিয়া। ইমান এখন ডাঙৰ কলেজ, তাতে ফেন আছে, লেব'ৰেটৰী আছে, তাৰ কথা সঁচাই হ'ব। এনে এক ধাৰণা লৈয়ে সিহঁতৰ ঘৰলৈ ঘূৰিছিলোঁ। ঘৰত তেতিয়াই তাৰ এটা সৰু লেব'ৰেটৰী আছিল। পটাছিয়াম নাইট্ৰেট, ফ'চ'ফৰাচ, গ্লিচাৰিন আদিৰ কেমিকেলৰ ৰিয়েকচনক লৈ অথবা মেগনেটিক ৰিয়েকচনৰ সি মোক যাদুও দেখুৱাইছিল। কেতিয়াবা এইবোৰ কৰি থাকোতে মামাৰ ধমকত গৈ দুপৰীয়া দুয়োটা বিছনাত উঠিছিলোঁ। আবেলি মামীয়ে বনাই দিয়া পায়স খাইছিলোঁ। মিলনপুৰত ঘৰ বনাবলৈ কিনা মাটিতে মামাই পুহিবলৈ লোৱা গাইৰ গাখীৰত বনোৱা পায়স। যি পায়সৰ সোৱাদ মোৰ জীৱনত আন ক'তো কোনোদিন মই পোৱা নাই। সন্ধিয়া মামু বাইদেউ, ভাইটি, মাইনা আৰু মই গোসাঁইঘৰত প্ৰাৰ্থনা কৰিছিলোঁ। বাৰাণ্ডাত চকী পাৰি বহি লোৱা মামাই গহীন হৈ কি ঘোষা গাব লাগিব, তাৰ নিৰ্দেশ দিছিল। ভয়ে ভয়ে মামু বাইদেউৰ ওঁঠকেইখন কিদৰে লৰিছে, তাৰ সৈতে নিজৰ ওঁঠৰ তাল মিলাবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছিলোঁ। মাত লাহে লাহে সৰু হৈ গৈছিল। কেতিয়াবা আকৌ মামাই মিলনপুৰলৈ লৈ গৈছিল। আধা শিলগুটি, আধা কেঁচা মাটি আৰু বোকাৰে ভৰা গাঁৱৰ দৰে আলিবাট আছিল সেয়া। চাইকেলত গৈ থাকোতে পিচে মামাই জীৱনৰ বাবে কি কি বস্তুৰ প্ৰয়োজন, কিমান প্ৰত্যাহ্বান অতিক্ৰমী বোকা আলিবাটত চলা চাইকেলৰ দৰেই জীৱনক আগুৱাই নিব পাৰি সেইবোৰ গধুৰ কথা ধেমেলীয়া সুৰেৰে কৈ গৈছিল। এইগৰাকী মামা তথা গুৰু অবিহনে পৰৱৰ্তী সময়ত কলেজীয়া শিক্ষা মই হয়তো সম্পূৰ্ণ কৰিব নোৱাৰিলোৱেই হেঁতেন। পঞ্চম শ্ৰেণীত পঢ়ি থাকোতেই মাধ্যম আন্দোলনৰ মাজছোৱাত নগাঁও মহাবিদ্যালয়ৰ ছাত্ৰনেতা অনিল বৰাক হোজাইত মাৰি পেলোৱা হৈছিল। হাইস্কুলৰ জ্যেষ্ঠসকলৰ সৈতে ময়ো প্ৰথমবাৰৰ বাবে প্ৰতিবাদী আন্দোলনৰ কৰ্মী হিচাপে সেই যে ওলাই গৈছিলোঁ, তাৰ পৰৱৰ্তী সময়ত অসমৰ বিদেশী বিতাড়ন আন্দোলনে শিক্ষা ক্ষেত্ৰতকৈ অধিক সক্ৰিয়তাৰে সংগ্ৰামী ক্ষেত্ৰখনৰ সৈতেহে মোক সংযুক্ত কৰি পেলাইছিল। মেট্ৰিক পাছ কৰাৰ বৰ্ষতে আৰম্ভ হৈছিল বিদেশী বিতাৰণ আন্দোলন। নগাঁও মহাবিদ্যালয়ত দেউতাই নাম লগাই দিলে যদিও সেই

বৰ্ষতে মই আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদকৰ দায়িত্ব ল'ব লগা হ'ল। প্ৰাক্-বিশ্ববিদ্যালয়ৰ শিক্ষান্ত পৰীক্ষা দিয়াৰ সময়লৈ জিলা ছাত্ৰ সন্থাৰ কৰ্মসূচীৰ সৈতেও জড়িত হৈ পৰাৰ বাবে শিক্ষান্ত পৰীক্ষা দিম নে নিদিম, সেই লৈ মা গভীৰ চিন্তাত পৰিছিল। সেয়ে মোৰ দায়িত্ব মামা কমল গোস্বামী ছাৰক দিছিল। তেওঁ এদিন হঠাতে মোক ধৰি নি পৰীক্ষাৰ ফৰ্ম পূৰোৱাইছিল। মাই কৈছিল — পৰীক্ষা দিলে তোক এটা ঘড়ী দিম। ঘড়ীৰ আশাতেই আচলতে পৰীক্ষা দিছিলোঁ, আৰু পৰীক্ষা শেষ হোৱাৰ দিনাই মাৰ ওচৰত পইচাকেইটা বিচাৰিছিলোঁ। কিয়নো দুদিন পিচত গুৱাহাটী বিশ্ববিদ্যালয়ত আছুৰ ৰাজ্যিক প্ৰতিনিধি সভা আছিল। সৰলমনা মাই পিছে মই ঘড়ীৰ পইচা বিচৰাৰ অন্তৰ্নিহিত উদ্দেশ্যৰ কথা গম পোৱা নাছিল। সেয়ে পিছদিনা মোক লগত লৈ নগাঁও কো-অপাৰেটিভ এপেক্স বেংকৰপৰা পইচা উলিয়াই মোৰ হাতত তুলি দিছিল এটা ভাল ঘড়ী কিনিবলৈ। সেই পইচাৰেই পিচদিনা প্ৰতিনিধিসকলক লগত লৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ সভাত ভাগ ল'লোঁগৈ। ঘড়ী কিনা নহ'ল। এয়া ৩৭ বছৰৰ আগৰ কথা। মাজত মোৰ বিয়াৰ দিনটোৰ বাহিৰে তেতিয়াৰে পৰা আজিলৈকে মই কোনোদিন ঘড়ী পিন্ধা নাই। কিন্তু মাই দিয়া সেই ঘড়ীটোৰ অৱস্থিতি মোৰ সোঁহাতখনত সদায় মই অনুভৱ কৰোঁ। পৰৱৰ্তী সময়ত যেতিয়া মই স্নাতক বৰ্ষৰ ছাত্ৰ হ'লোঁ, সেই সময়ত মোৰ ওপৰত দায়িত্ব পৰিল জিলা ছাত্ৰ সন্থাৰ সভাপতিৰ। কলেজৰ এডমিছন, প-পত্ৰ পূৰণ, মাহেকীয়া ফিজ দিয়াৰ দায়িত্ব মাৰ অনুৰোধত সদায় কমল গোস্বামী ছাৰে তেতিয়াও পালন কৰি গ'ল। এনেদৰেই কলেজীয়া শিক্ষা শেষ কৰাৰ পিচত এদিন মামাই আটোমটোকাৰিকৈ ভৰাই থোৱা নথি-পত্ৰৰ ফাইলটো মোৰ হাতত তুলি দি ৰগৰ কৰি কৈছিল — তোমাৰ ভঁৰাল ৰখীয়া হৈ বহুদিন পাৰ কৰিলোঁ। এতিয়া আৰু ইয়াৰপৰা মোক মুক্তি দিয়া। সেইজন মামা নোহোৱা হ'লে মোৰ উচ্চ শিক্ষা যে অসম্ভৱ আছিল, সেই কথা প্ৰতি মুহূৰ্তত মোৰ হৃদয়ত সজীৱ হৈ থকা বাবেই মহাৰজত জয়ন্তীৰ কথা লিখিবলৈ গৈ এইখিনি কথা ক'বলগা হ'ল। কিয়নো এয়া কেৱল সম্বন্ধৰে দায়িত্ব নাছিল। মামাৰ কামখিনিৰ মাজেৰে নগাঁও মহাবিদ্যালয়ৰ শিক্ষকসকলৰ ছাত্ৰৰ প্ৰতি দায়বদ্ধতা কি ধৰণৰ তাৰো সুস্পষ্ট এক ছবি উজলি উঠে। মোৰ মনত পৰে ৰাজনীতি বিজ্ঞানৰ দত্ত ছাৰৰ কথা। খঙাল ছাৰজনৰ ক্লাছ থাকিলে সংগ্ৰামৰ আন কাৰ্যসূচীৰ মাজতো যিকোনো প্ৰকাৰে সেই ক্লাছটোত উপস্থিত থাকিবলৈ মনটোৱে টানি নিছিল। একেদৰে টানি নিছিল ইংৰাজীৰ কে পি চি ছাৰ, যোছেফ ছাৰ অথবা ছালেহ ছাৰৰ ক্লাছে। অৰ্থনীতিৰ জগত শৰ্মা ছাৰৰ ডালিম গুটিৰ দৰে দাঁতকেইটা, খুব সৰু সৰুকৈ কোৱা কথাকেইটা এতিয়াও চেৰেং চেৰেংকৈ মনত পৰে। তেওঁ কৈছিল — চিঞৰি কথা ক'লে বোলে স্বাস্থ্য হানি হয়। অৰ্থনীতি বিজ্ঞানৰ অধ্যাপকগৰাকীয়ে শৰীৰৰ অৰ্থনীতিৰো হিচাপ কৰিছিল। 'দ্য আছাম ট্ৰিবিউন'ত তেওঁ লিখিছিলেও। হঠাৎ ছাৰজন দিল্লীৰ ৰাজপথত হেৰাই গৈছিল। বিশ্ববিদ্যালয়ত ৰেকৰ্ড কৰি সোণৰ পদক লাভ কৰা শিক্ষা বিভাগৰ অধ্যাপক ড° সৰ্বেশ্বৰ বৰঠাকুৰ ছাৰলৈ মনত পৰিলেও বেয়া লাগে। এটা সময়ত অনাই-বনাই ফুৰিবলৈ লোৱা অতিকে মেধাৱী ছাৰজন কেতিয়াবা চাইকেল লৈ আমাৰ ঘৰপৰ্যন্ত ওলাইছিলগৈ। তাতে ভাত-পানী খাই আবেলি উভতি আহিছিল। এদিন মানুহৰ ভিৰৰ মাজত অতিকে প্ৰতিভাশালী ছাৰজনো হেৰাই গ'ল। বিজ্ঞান শাখাৰ বিপুল কটকী, প্ৰণৱ শৰ্মা, অনুজ বৰকাকতী, সংস্কৃতৰ গুণ শইকীয়া আদি ছাৰসকলৰ সৈতেও যে কিমান আত্মীয়তা আছিল। মনত পৰে মনমোহন দাস, ৰাজগুৰু ছাৰৰ সৰলতাৰ কথা। কাহানিও পাহৰিব নোৱাৰা স্মৃতি এইবোৰ। মহাৰজত জয়ন্তীৰ মাজৰ এক কাৰ্যসূচী আছিল গুৰু প্ৰণাম। মোৰ বন্ধু তথা বৰ্তমানৰ অধ্যক্ষ ড° শৰৎ বৰকটকীৰ বাবে সেইদিনাৰ কাৰ্যসূচীত

ভাগ লোৱাৰ সুযোগ ময়ো পাইছিলোঁ। প্ৰাক্তন শিক্ষাৰ্থীয়ে প্ৰাক্তন অধ্যাপকক প্ৰণাম জনোৱাৰ এই কাৰ্যসূচীৰ মূল অতিথি আছিল কমল গোস্বামী ছাৰ। সকলোৰে হৈ মঞ্চত ছাৰক মই প্ৰণাম কৰিছিলোঁ। মোৰ শৈক্ষিক জীৱনলৈ সৰ্বাধিক বৰঙণি আগবঢ়োৱা গুৰুজনক প্ৰণাম কৰিবলৈ পাই মই ভিতৰি ভিতৰি শিহৰিত হৈছিলোঁ। যদিও ভবা নাছিলোঁ নগাঁও মহাবিদ্যালয়ৰ মঞ্চত সেই দিনটোৱেই হ'ব ছাৰৰ শেষ দিন। ইয়াৰ কিছুদিনৰ পিচতেই কইনাধৰা পাহাৰৰ দাঁতিত ভাইটিৰ বাসভৱনত মামাৰ নশ্বৰ দেহত সেৱা জনাবলগা হৈছিল। এনেদৰেই এদিন হেৰাই গৈছিল মই অন্তৰৰপৰা ভালপোৱা, ভয় কৰা, ভক্তি কৰা মুহিৰাম শইকীয়া ছাৰো। মহিম বৰা ছাৰৰ নশ্বৰ দেহৰ সৈতে গুৱাহাটীৰপৰা যেতিয়া নগাঁৱলৈ গৈছিলোঁ, চকুপানী সৰসৰকৈ ওলাইছিল। গুৰু প্ৰণামৰ দিনা মহেন্দ্ৰ আহোম ছাৰক দেখিলোঁ যদিও প্ৰদীপ শইকীয়া ছাৰক নেদেখাৰ দুখ থাকি গ'ল।

শিক্ষা, সমাজ আৰু জাতীয় চেতনাৰ উৰ্বৰ ক্ষেত্ৰ এইখনেই নগাঁও মহাবিদ্যালয়। য'ত যজ্ঞেশ্বৰ শৰ্মাৰপৰা মহিম বৰালৈ কতজনাৰ গৌৰৱোজ্জ্বল ইতিহাস সাঙোৰ খায় গৈছে! নগাঁও মহাবিদ্যালয়ৰ এনে বৈশিষ্ট্য অসমৰ আন কোনো মহাবিদ্যালয়ৰ সৈতে নিমিলে। জে এন ইউ অথবা দিল্লী বিশ্ববিদ্যালয়ৰ শিক্ষক-ছাত্ৰ সমাজৰ ৰাজনৈতিক সচেতনতা তথা সামাজিক দায়িত্ববোধৰ বিষয়বোৰ সাধাৰণতে চৰ্চিত হয়। নগাঁও মহাবিদ্যালয়ৰ দৰে বিভিন্ন ৰাজ্যৰ এনেবোৰ ব্যতিক্ৰমী শিক্ষানুষ্ঠান চৰ্চাৰ বাহিৰতে থাকি যায়। আমি এৰি থৈ অহাৰ পিছৰছোৱাত কলেজখনৰ বহু পৰিৱৰ্তন হ'ল। সুন্দৰ সুন্দৰ ভৱন নিৰ্মাণ, আন্তঃগাঁথনিৰ উন্নয়ন হোৱাৰ দৰে শৈক্ষিক মানৰো উন্নতি ঘটিল। নাকৰ মূল্যায়ন অনুসৰি নগাঁও মহাবিদ্যালয়ৰ স্থান এতিয়া 'গ্ৰেড ৱান এ'। এয়া নিশ্চয় আনন্দৰ কথা। ইয়াৰ বেছিখিনি কাম যোৱা ২০ বছৰ মানৰ ভিতৰত হৈছে। ইয়াৰ বাবে দুই অধ্যক্ষ ক্ৰমে খৰ্গেশ্বৰ ভূঞা ছাৰ আৰু শৰৎ বৰকটকী আৰু বৰ্তমানৰ অধ্যাপকসকলক কৃতজ্ঞতা জনাবই লাগিব। এসময়ৰ মোৰ বহুকেইজন বন্ধু তথা সহপাঠী আৰু কনিষ্ঠও এতিয়া মহাবিদ্যালয়খনৰ অধ্যাপক। তাৰে এজন নৱ মহন্ত। বৰ্তমানৰ অধ্যক্ষ ড° শৰৎ বৰকটকী, ভূগোল বিভাগৰ মুৰব্বী অধ্যাপক নৱ মহন্তও সাংবাদিক আছিল। মোৰ জীৱনৰ লক্ষ্য আছিল ভাল খেতিয়ক হোৱাৰহে। পিছে সংগ্ৰামে খেতিপথাৰৰপৰা আনি মোকো সাংবাদিক সজালে। অৱশ্যে সেই লৈ মোৰ কোনো আক্ষেপ নাই। কৃষিক্ষেত্ৰখনতকৈ বহল পৰিসৰৰ এখন সমাজৰ সৈতে নিজকে সংযুক্ত কৰাৰ সুযোগ সাংবাদিকতাই মোক দিছে। যাৰ ভেটি তৈয়াৰ হৈছিল নগাঁও মহাবিদ্যালয়ত। সেয়ে মহাৰজত জয়ন্তীৰ এই শুভক্ষণত নগাঁও মহাবিদ্যালয়লৈ মোৰ শতকোটি প্ৰণাম।

জয়তু নগাঁও মহাবিদ্যালয়।।❑

লেখক - প্ৰাক্তন ছাত্ৰ আৰু বিশিষ্ট সাংবাদিক।

# মহাৰজত জয়ন্তীত নগাঁও মহাবিদ্যালয় ঃ কিছু আৱেগ, কিছু অনুভৱ

**ড° দেৱাশিস বৰুৱা**

(এক)

**ব**য়সৰ লেখেৰে তিনিকুৰি পোন্ধৰ বছৰত ভৰি দিয়াটো এখন শিক্ষানুষ্ঠানৰ বাবে নিসন্দেহে এক গৌৰৱৰ বিষয়। জ্ঞান আৰু প্ৰজ্ঞাৰ সাধনাত এই সুদীৰ্ঘ যাত্ৰাত লাভ কৰা অলেখ অভিজ্ঞতাই, অলেখজন পুৰোধাৰ সান্নিধ্যই, নিতে আহি পৰা ন ন প্ৰত্যাহ্বানে শিক্ষানুষ্ঠানখনিক এক অনন্য মাত্ৰা প্ৰদান কৰে, এক মহান ঐতিহ্যৰ গৰাকী কৰি তোলে। তেনে এক ঐতিহ্যৰেই মহীয়ান হৈ থকা নগাঁও মহাবিদ্যালয়ক মই প্ৰণাম জনাইছোঁ। মহাবিদ্যালয়খনিৰ প্ৰতিষ্ঠাপক অধ্যক্ষ, সাহিত্যাচাৰ্য্য যজ্ঞেশ্বৰ শৰ্মা প্ৰমুখ্যে জন্মলগ্নৰেপৰা বৰ্তমানলৈকে এই শিক্ষানুষ্ঠানখনিৰ লগত জড়িত হৈ পৰা সকলো শিক্ষক-শিক্ষয়িত্ৰী, সকলো কৰ্মচাৰী তথা সকলো প্ৰাক্তন আৰু বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীলৈ আজিৰ এই শুভ মুহূৰ্তত মই অভিনন্দন জ্ঞাপন কৰিছোঁ। কিন্তু আজিৰ এই আনন্দৰ দিনটোত আমি এই কথাও মনত ৰাখিব লাগিব যে এই মহাৰজত জয়ন্তীয়ে আমালৈ অনাবিল আনন্দ কঢ়িয়াই অনাৰ লগতে লৈ আহিছে এক গভীৰ দায়িত্ববোধ। এক সুদীৰ্ঘ ঐতিহ্যৰ ধ্বজাবাহী হিচাপে আমাক অধিক দায়িত্বশীল কৰি তুলিছে, অধিক সজাগ কৰি তুলিছে। এই মুহূৰ্তৰপৰা মহাবিদ্যালয়ৰ উত্তৰণৰ প্ৰতি সমাজৰ তথা সামগ্ৰিকভাৱে ৰাজ্যখনৰেই দৃষ্টি অধিক নিবদ্ধ হৈ থাকিব। সাম্প্ৰতিক কালছোৱাত উচ্চ শিক্ষাৰ ক্ষেত্ৰখনত আহি পৰা বিভিন্ন প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব পৰাকৈ মহাবিদ্যালয়খনিয়ে নিজকে গঢ়ি তুলিব লাগিব। অনাগত কালছোৱাত পূৰ্বতকৈয়ো অধিক উন্নতি, বিকাশ আৰু উত্তৰণৰ বাবে আত্মনিয়োগ কৰিব পাৰিলেহে আজিৰ এই মহাৰজত জয়ন্তীৰ উদ্‌যাপন প্ৰকৃতাৰ্থত সাফল্যমণ্ডিত হ'ব। মহাৰজত জয়ন্তীৰ আনন্দ আৰু উলাহে আমাক এই দায়িত্ববোধ সম্পৰ্কেও সচেতন কৰি তুলিব বুলি মই আশা কৰিছোঁ আৰু এই দায়িত্ব সুচাৰুৰূপে পালন কৰি সমাজ, দেশ তথা জাতিৰ উত্তৰণত নগাঁও মহাবিদ্যালয়ে এক বলিষ্ঠ ভূমিকা গ্ৰহণ কৰিবৰ বাবে মহাবিদ্যালয় পৰিয়ালৰ প্ৰত্যেকগৰাকী সদস্যলৈ আজিৰ এই পৱিত্ৰ দিনটোত মোৰ শুভেচ্ছা জ্ঞাপন কৰিছোঁ।"

নগাঁও মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তী উদ্‌যাপনৰ বৰ্ষজোৰা কাৰ্যক্ৰমণিকাৰ এক অন্যতম কাৰ্যসূচী আছিল যোৱা ইং ১১ আগষ্ট তাৰিখে

অনুষ্ঠিত হোৱা প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলন। প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰে ঠাহ খাই থকা সেই সন্মিলনখনিত ওপৰত উল্লেখ কৰা কথাকেইটা কৈছিল অসম চৰকাৰৰ মাননীয় মন্ত্ৰী, সুবক্তা ড° হিমন্ত বিশ্ব শৰ্মাই সন্মিলনখনি উদ্বোধন কৰি দিয়া তেখেতৰ ভাষণ প্ৰসংগত। ড° শৰ্মা ডাঙৰীয়াৰ স্বভাৱসুলভ বাগ্মিতাৰে প্ৰদান কৰা সেই নাতি-দীৰ্ঘ ভাষণটিয়ে সভাগৃহত উপস্থিত থকা প্ৰত্যেককে যেন স্পৰ্শ কৰিছিল। সভাৰ উপস্থিতিৰ সংখ্যা হাজাৰৰ ঘৰত আছিল যদিও তেখেতৰ ভাষণৰ সমগ্ৰ কালছোৱাতেই সভাগৃহ যেন কাঁহ পৰি জীণ গৈছিল। সভাত উপস্থিত প্ৰত্যেকেই যেন উপলব্ধি কৰিব খুজিছিল তেখেতৰ বক্তব্যৰ গূঢ়াৰ্থ। আমি এইটো কথাত নিশ্চিত যে সেইদিনা সভাগৃহৰপৰা উভতি যোৱা প্ৰত্যেকেই মনৰ মাজত কঢ়িয়াই লৈ গৈছিল কিছু চিন্তা, কিছু প্ৰত্যাহ্বান, কিছু মানসিক আহাৰ। এনে এটি সুমধুৰ, প্ৰাসংগিক আৰু চিন্তা উদ্ৰেককাৰী ভাষণৰ বাবে ড° শৰ্মা ডাঙৰীয়ালৈ আমাৰ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ; সেইদিনাৰ সভাত উপস্থিত থকা এজন শ্ৰোতা হিচাপেও আৰু নগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ হোৱাৰ সুবাদত মহাবিদ্যালয়খনিৰ বৃহৎ পৰিয়ালটিৰ সদস্য হিচাপেও।

**(দুই)**

"দেবু দা, মই এইবাৰ অসম ক্ৰিকেট দলৰ কেপ্তেইন হ'লোঁ। কাইলৈ চেন্নাইলৈ যাম বিজয় হাজাৰে ট্ৰফী খেলিবলৈ। আশীৰ্বাদ কৰিব। আজি বৰদেউতা থকা হ'লে বৰ আনন্দ পালেহেঁতেন।" পুৱাই লাভ কৰা এই ফ'ন কলটো আছিল অমিতৰ। অসম ক্ৰিকেট দলৰ নৱ-নিৰ্বাচিত অধিনায়ক অমিত সিনহাৰ। তাৰ জীৱনৰ এনে এক আনন্দৰ মুহূৰ্তত সিয়ে মোক মনত পেলাইছে, তাক পুত্ৰসম মৰম কৰা আমাৰ প্ৰয়াত দেউতাক সুঁৱৰিছে, সেই কথাই মোক আৱেগিক কৰি তুলিলে। তাৰ ভাল হওক তাকেই অন্তৰৰ পৰা কামনা কৰিলোঁ। আৱেগিক কণ্ঠেৰেই থোকাথুকি মাতেৰে ফ'নতে তেনেকুৱাই কিবাকিবি তাক ক'লো সেই মুহূৰ্তত।

নগাঁও মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ কথা ক'বলৈ গৈ অমিত সিনহাৰ প্ৰসংগ এক বিশেষ উদ্দেশ্যেৰেহে উত্থাপন কৰিছোঁ। স্থানান্তৰত এই উদ্দেশ্যৰ কথা ক'ম। আমাৰ নগাঁৱৰ ঘৰৰ কাষৰ ঘৰটিতেই এসময়ত অমিতহঁতৰ পৰিয়ালটোৱে বাস কৰিছিল। শৈশৱৰে পৰাই ক্ৰিকেট বলিয়া ল'ৰাটোৱে ৰাতি শোৱাৰ সময়খিনিৰ বাহিৰে বোধহয় দিনটোৰ বাকীখিনি সময় ক্ৰিকেটক লৈয়েই নিমগ্ন হৈ আছিল। তাৰ জীৱনৰ প্ৰথমখন খেলপথাৰ আছিল আমাৰ ঘৰৰ চোতালখন আৰু সহ খেলুৱৈ আছিলোঁ মই, মোৰ ভাইটি আৰু ওচৰৰ সৰু সৰু ল'ৰা কেইটামান। মোৰ ভাইটি ইন্দ্ৰাশিসেও ক্ৰিকেট খেলিছিল। ভাইটিয়ে প্ৰথম জিলা পৰ্যায়ৰ খেল খেলিবলৈ যাওঁতে কিনা বেটখনেৰেই অমিতে আৰম্ভ কৰিছিল তাৰ ক্ৰিকেট যাত্ৰা। শিশু অমিত এদিন কিশোৰ হৈছিল আমাৰ চকুৰ আগতেই আৰু ক্ৰিকেটকেই কেৰিয়াৰ হিচাপে ল'বলৈ আশা কৰিছিল। সৰু-ডাঙৰ যিকোনো টুৰ্ণামেণ্টত অংশগ্ৰহণৰ বাবে যোৱাৰ আগমুহূৰ্তত সি সদায় আমাৰ মা-দেউতাক সেৱা কৰি গৈছিল। এনে শিষ্টাচাৰ, কোনো কামৰ প্ৰতি এনে উৎসৰ্গীকৃত মন, এনে সাধনাইহে হয়তো মানুহলৈ সাফল্য কঢ়িয়াই আনে। অমিতো তাৰ যাত্ৰাত সফল হওক, সি আগুৱাই গৈ থাকক তাকেই অন্তৰৰপৰা কামনা কৰিলোঁ।

**(তিনি)**

"১১ আগষ্ট তাৰিখে পুৱা ১০ বজাত শোভাযাত্ৰা আৰম্ভ হ'বই। গতিকে ৯.০০ বজাত সকলো নেহৰুবালিত গোট খাবিহঁত। ল'ৰাবোৰে বগা চাৰ্ট, ক'লা পেণ্ট আৰু ছোৱালীবোৰে চাদৰ-মেখেলা পিন্ধি আহিবি।" এইটো আছিল এটা Whatsapp

মেছেজ। নগাঁও মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তী উপলক্ষে নানানটা Whatsapp গ্ৰুপ খোলা হ'ল, Inbox খুলিবই নোৱাৰি, দিনে শ শ মেছেজ। কোনে কি কৰিব, কাৰ দায়িত্ব কি হ'ব, শোভাযাত্ৰাৰ বেনাৰখন কেনেকুৱা হ'ব .... কিমান যে কথা, কিমান যে পৰিকল্পনা। ছ'ছিয়েল মিডিয়াতো যেন এক উখল-মাখল পৰিৱেশ। আজিৰপৰা একুৰি এঘাৰ বছৰ আগেয়েই আমি নগাঁও মহাবিদ্যালয় নামৰ এই জ্ঞানৰ মন্দিৰটিত প্ৰৱেশ কৰিছিলোঁ। আমাতকৈও ভালেকেইটা বৰ্ষৰ জ্যেষ্ঠ ছাত্ৰ-ছাত্ৰীসকলকো সেইদিনাৰ শোভাযাত্ৰাত লগ পাইছিলোঁ। বৃদ্ধাৱস্থাত উপনীত হোৱা বহু প্ৰাক্তন ছাত্ৰ-ছাত্ৰীক সেইদিনা দেখি আৱেগিক হৈ পৰিছিলোঁ। সকলোৰে মাজত সেই একেই উৎসাহ, সেই একেই উলাহ। প্ৰত্যেকেই যেন আৱেগিক, প্ৰত্যেকেই যেন উদ্দীপিত, স্ব-মহিমাৰে মহিমামণ্ডিত এই শিক্ষানুষ্ঠানৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী হোৱাৰ গৌৰৱেৰে প্ৰত্যেকেই যেন গৌৰৱান্বিত। সেইদিনাৰ সেই ভাষাৰে বুজাব নোৱাৰা পৰিৱেশৰ স্মৃতি আমাৰ প্ৰত্যেকৰে মনৰ মণিকোঠাত আমৃত্যু আপুৰুগীয়া সম্পদ হৈ সংৰক্ষিত হৈ থাকিব।

তাৰ পিছদিনা, অৰ্থাৎ ১২ আগষ্ট তাৰিখে ১৯৮৭ বৰ্ষত মহাবিদ্যালয়খনিত নামভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীসকলৰ সৌজন্যত নগাঁৱৰ এটি নিৰ্দিষ্ট পথত বৃক্ষৰোপণ কৰা হ'ল। এই কথা ক'বলৈ পাই আনন্দিত হৈছোঁ যে সেই নিৰ্দিষ্ট পথছোৱা উক্ত বৰ্ষৰ ছাত্ৰ-ছাত্ৰীসকলে স্থায়ীভাৱে সেউজীয়া আৰু সুন্দৰ কৰি ৰখাৰ দায়িত্বও গ্ৰহণ কৰিছে। সেইদিনাৰ কাৰ্যসূচীত নগাঁও সদৰ সমষ্টিৰ বিধায়ক তথা আমাৰ সতীৰ্থ শ্ৰীযুত ৰূপক শৰ্মাৰ উপস্থিতি আৰু এই কাৰ্যসূচীৰ সৰ্বাংগীণ সফলতাৰ ক্ষেত্ৰত তেখেতে আগবঢ়োৱা সহযোগিতা আমি কৃতজ্ঞতাৰে চিৰদিন স্মৰণ কৰিম। সেইদিনাৰ পিছতো এই সুন্দৰ প্ৰচেষ্টাৰ ধাৰাবাহিকতা ৰক্ষা কৰি বন্ধু-বান্ধৱীসকলে বৃক্ষৰোপণ আৰু প্ৰতিপালন কাৰ্যসূচী নিয়মীয়াভাৱে পালন কৰি আহিছে। এইক্ষেত্ৰত অসমৰ তথা ভাৰতৰো বিভিন্ন ঠাইত নিজ নিজ কৰ্মত ব্যস্ত হৈ থকা বন্ধুসকলৰ দিহা-পৰামৰ্শ তথা সক্ৰিয়তাই নিশ্চয় তেওঁলোকৰ সামাজিক দায়বদ্ধতাকেই প্ৰতিফলিত কৰিছে। এই দায়বদ্ধতা অব্যাহত থাকিব বুলি আমি আশাবাদী।

## (চাৰি)

সমাজৰ সকলো স্তৰৰ, সকলো বয়সৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ নিজে পঢ়ি অহা মহাবিদ্যালয়খনিৰ এনে এক ঐতিহাসিক ক্ষণত এই উৎসাহ, এই উদ্দীপনা, এই উলাহ নিশ্চয় সৰু কথা নহয়। কেৱল অসম বা ভাৰতেই নহয়, সমগ্ৰ বিশ্বৰেই বিভিন্ন কোণত এই মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী কৰ্মৰত হৈ আছে। এই উলাহে তেখেতসকলকো স্পৰ্শ কৰিছে। কৰ্মব্যস্ততাৰ বাবে নিজে আহিব পৰা নাই যদিও, মহাবিদ্যালয়খনিৰ বাবে কিবা এটা কৰাৰ বহুতৰে ইচ্ছা আছে, বহুকেইজনে কৰিছেও। ই নিসন্দেহে মহাবিদ্যালয়খনিৰ বাবে এক আশাপ্ৰদ কথা, এক যোগাত্মক শক্তি।

কিন্তু একে সময়তে এই কথাও বাস্তৱিকভাৱে সত্য যে বৰ্ষজোৰা কাৰ্যসূচীৰ সামৰণি পৰাৰ লগে লগে এই উছাহ, এই উলাহো ক্ৰমে ম্লান পৰি আহিব। সকলোৰে ইচ্ছা থাকিবই, কিন্তু নিজা নিজা কৰ্মব্যস্ততাৰ বাবে বেছিভাগেই হয়তো আজিৰ এই একেটা উৎসাহেৰেই মহাবিদ্যালয়খনিৰ লগত জড়িত হোৱাৰ সুযোগ লাভ কৰিব নোৱাৰিব। শাৰীৰিকভাৱে বা মানসিকভাৱে হ'লেও সকলো এনেধৰণে একেখন মঞ্চত, একেটা উদ্দেশ্যত সমবেত হোৱাত যি এক শক্তিৰ সৃষ্টি হৈছে, সেই শক্তিক কোনো যোগাত্মক, সৃষ্টিশীল কামত নিয়োজিত নকৰাকৈ ম্লান পৰিবলৈ এৰি দিয়াটোতকৈ বোধকৰো বেদনাদায়ক আৰু হতাশজনক কাম আন একোৱেই নাথাকিব। এতিয়া কথা হ'ল এই শক্তিক কিদৰে ব্যৱহাৰ কৰিব পাৰি? এইক্ষেত্ৰত নিশ্চয় সকলোৰে

নিজস্ব মতামত থাকিব। এই আপাহতে মই সকলোকে এই দিশত তেখেতসকলৰ বক্তব্য, দৃষ্টিভংগী তথা পৰামৰ্শ আগবঢ়াবলৈ অনুৰোধ জনালোঁ।

এইক্ষেত্ৰত আমি আমাৰ ব্যক্তিগত মতামত এটি ব্যক্ত কৰিব খুজিছোঁ। মহাবিদ্যালয়খনিৰ জন্মলগ্নৰে পৰা বৰ্তমানলৈকে জীৱিত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ সংখ্যা কিমান বিশাল হ'ব পাৰে সেই কথা সহজেই অনুমেয়। সেই সকলো ছাত্ৰ-ছাত্ৰীকে সামৰি আমি এটি ন্যাস গঠন কৰিব পাৰো নেকি? প্ৰত্যেকগৰাকী প্ৰাক্তন ছাত্ৰ-ছাত্ৰীয়ে ন্যূনতম কিবা এটা অৰিহণা দিয়ক, লাগিলে সেই অৰিহণা এটকাৰ পৰাই আৰম্ভ হওক। তেতিয়াও কিন্তু এক বিশাল ধনৰাশিৰ ন্যাসেই গঠন কৰিব পৰা যাব। ন্যাসৰ পৰিচালনা মহাবিদ্যালয়ৰ কৰ্তৃপক্ষ আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলনৰ বিষয়ববীয়াই দ্বৈতভাৱে কৰিব। এনে কাৰিকৰী কথাবোৰে কোনো সমস্যাৰ সৃষ্টি নকৰে, সময়ত সেইবোৰ ঠিক কৰি ল'ব পৰা যাব। যদি ন্যাস এটি খোলা হয়, তেন্তে মহাৰজত জয়ন্তী উদ্‌যাপিত হৈ থকা এই বৰ্ষটিয়েই তাৰ বাবে উপযুক্ত সময় হ'ব। পূৰ্বতেই কৈছোঁ, মহাৰজত জয়ন্তী উদ্‌যাপনৰ অন্ত পৰাৰ লগে লগে আমাৰ উছাহবোৰো স্বাভাৱিক কাৰণতেই ম্লান পৰি আহিব। তাৰ লগে লগেই যেন আজি সৃষ্টি হোৱা এই প্ৰচণ্ড শক্তিটোৰপৰা মহাবিদ্যালয়খনি বা সামগ্ৰিকভাৱে আমি সকলোৱেই বঞ্চিত হৈ ৰ'ম। তাতকৈ ডাঙৰ ট্ৰেজেদী আৰু একো নাথাকিব বুলি আমি গভীৰভাৱে বিশ্বাস কৰোঁ।

মহাৰজত জয়ন্তী উপলক্ষে আজি বিভিন্ন বৰ্ষৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে নানা সুন্দৰ পদক্ষেপ ইতিপূৰ্বেই গ্ৰহণ কৰিছে। প্ৰতিষ্ঠাপক অধ্যক্ষ সাহিত্যাচাৰ্য শ্ৰীযুত যজ্ঞেশ্বৰ শৰ্মা ছাৰ, প্ৰাক্তন অধ্যাপক সাহিত্যাচাৰ্য শ্ৰীযুত মহিম বৰা ছাৰৰ আবক্ষ মূৰ্তি স্থাপন আদি তেনে সুন্দৰ পদক্ষেপসমূহৰ অন্যতম। কিন্তু এইধৰণৰ কাৰ্যসূচীৰ ধাৰাবাহিকতাৰ বাবে এটি ন্যাসে হয়তো আৰু অধিক সহায় কৰিব পাৰিব। প্ৰতি দুবছৰ বা তিনিবছৰৰ মূৰে মূৰে ন্যাসৰ নামত বেংকত জমা হোৱা ধনেৰে আমি প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে চহৰখনৰ বাবে, সমাজৰ বাবে, জাতিটোৰ বাবে প্ৰয়োজনীয় বিভিন্ন ফলপ্ৰসূ কাৰ্য নিশ্চয় নিয়মীয়া ৰূপত সম্পাদন কৰি যাব পাৰিম।

কোনো বছৰত আমি ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা কোনো ফলপ্ৰসূ গৱেষণা-প্ৰকল্প সম্পন্ন কৰাব পাৰিম, কেতিয়াবা চহৰখনৰ উন্নয়নৰ স্বাৰ্থত হাত উজান দিব পাৰিম, কেতিয়াবা হয়তো আমাৰ কোনো সামাজিক সমস্যা সম্বন্ধে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ কোনো আলোচনা চক্ৰ অনুষ্ঠিত কৰিব পাৰিম, গ্ৰন্থ প্ৰকাশ কৰিব পাৰিম। ভাল কাম কৰিম বুলি ভাবিলে কামৰ কোনো অভাৱ কেতিয়াও নহ'ব।

এইখিনিতে মই পূৰ্বে উল্লেখ কৰি অহা অমিত সিনহাৰ প্ৰসংগ পুনৰ আনিব খুজিছোঁ। আজিৰ অৱস্থা পাবলৈ অমিতে কৰা সংগ্ৰাম মই দেখিছোঁ। তেনেদৰে হিমা দাসৰ জীৱনৰ একালৰ কথাও আমি আজি জানিব পাৰিছোঁ। সমাজৰ চৌদিশে যিকোনো ক্ষেত্ৰতেই তেনে প্ৰতিভা সিঁচৰতি হৈ আছে, নাই মাথোঁ সেই সপোনক বাস্তৱায়িত কৰিব পৰাৰ জোখাৰে অৰ্থনৈতিক ক্ষমতা। এনে বহু প্ৰতিভাৰ কাৰণেও আমাৰ এই প্ৰস্তাৱিত ন্যাস এক আশাৰ বতৰা হ'ব পাৰে।

এনে বহু ভাল কামৰ লগত যেতিয়া উচ্চাৰিত হৈ থাকিব "নগাঁও মহাবিদ্যালয় প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলন"ৰ নাম, মই নিশ্চিত যে আমাৰ প্ৰত্যেকৰে মন আনন্দ আৰু গৌৰৱত ভৰি উঠিব। এনে কৰ্মই আমাক প্ৰকৃতাৰ্থতেই নগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী হোৱাৰ গৌৰৱেৰে চিৰদিন গৌৰৱান্বিত কৰি ৰাখিব। এই লেখাৰ আৰম্ভণিতে উল্লেখ কৰা ড° হিমন্ত বিশ্ব ডাঙৰীয়াই কোৱা সমাজ, দেশ আৰু জাতিৰ প্ৰতি থকা আমাৰ দায়বদ্ধতাৰ স্বৰূপো বোধহয় তেনেকুৱাই হ'ব।❑

---

লেখক - প্ৰাক্তন ছাত্ৰ তথা সহযোগী অধ্যাপক, ফৰকাটিং মহাবিদ্যালয়।

# নগাঁও মহাবিদ্যালয়— নগাঁওৰ শিক্ষাৰ আকৰ

দ্যোতিভা বৰা

নগাঁও মহাবিদ্যালয় আমাৰ মহাবিদ্যালয়। আজি নগাঁও মহাবিদ্যালয়ৰ ৭০ বছৰীয়া জন্ম জয়ন্তীৰ সন্ধিক্ষণত নিজৰ শিক্ষা জীৱনৰ অলেখ স্মৃতিৰ ভাৰখন সকলোৰে মাজত বিলাই দিবলৈ ইচ্ছা গৈছে। নগাঁও চৰকাৰী উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ৰপৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পাছত যেতিয়া বিভিন্নজনে উপদেশ দিলে অসমৰ অন্যান্য স্বনামধন্য অনুষ্ঠানবোৰত নাম ভৰ্তি কৰিবলৈ, সেই সময়ত সিদ্ধান্ত লৈছিলোঁ এইখন মহাবিদ্যালয়ত নামভৰ্তি কৰাৰ। সৰু কালৰে পৰা মাৰ হাতৰ মুঠিত ধৰি নগাঁও মহাবিদ্যালয়ৰ সন্মুখত ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথ পাৰ কৰোতে, নগাঁও চহৰত বিভিন্ন সময়ত বিভিন্ন কাৰণত নগাঁও মহাবিদ্যালয়ৰ সন্মুখেদি অহা-যোৱা কৰোতে নগাঁও মহাবিদ্যালয়খনিৰ প্ৰতি অসীম শ্ৰদ্ধা তথা আগ্ৰহ জন্ম হৈছিল। হেঁপাহ হৈছিল এইখন মহাবিদ্যালয়ত শিক্ষা গ্ৰহণ কৰাৰ। উচ্চ মাধ্যমিক শিক্ষাৰ আৰম্ভণিৰপৰা এ চি এচ (A C S) বিষয়া হোৱাৰ প্ৰতিযোগিতাৰ জীৱন যুদ্ধৰ এই দৌৰত অধ্যৱসায় আৰু ধৈৰ্য্যৰ ইন্ধন যোগাইছিল এইখন মহাবিদ্যালয়ে। যি কি নহওক নগাঁও মহাবিদ্যালয়ত প্ৰথম নামভৰ্তি কৰিলো ১৯৯৯ চনত। সেই সময়ত পোৱা ছাৰ-বাইদেউসকলৰ মাজত শ্ৰদ্ধাৰ গুণ শইকীয়া ছাৰ (সংস্কৃত বিভাগ), বিশ্বজিৎ ভূঞা ছাৰ (অৰ্থনীতি বিভাগ), কামাখ্যা প্ৰসাদ চৌধুৰী ছাৰ (ইংৰাজী বিভাগ), ৰূপাঞ্জলি বাইদেউ (অসমীয়া বিভাগ), এখেতসকলৰ ক্লাছবোৰ কেতিয়াও পাহৰিব নোৱাৰোঁ। ক্লাছৰূমত তেওঁলোকে যি বিষয়েই, যি কথাই নুবুজাওক কিয় প্ৰতিটো বিষয় হৈ পৰিছিল একোখন বোলছবিৰ দৰে, আমি হৈ পৰিছিলোঁ সেই ছবিৰ একোটি পাত্ৰ। গুণ শইকীয়া ছাৰৰ কথা পিচতো লিখিম, কিন্তু মাজতে বিশ্বজিৎ ভূঞা ছাৰক লগ পালোঁ বিশেষ চৰকাৰী দায়িত্ব পালন কৰোতে। মোৰ এতিয়াও মনত আছে মই আৰু মোৰ বান্ধৱী সুস্মিতা দত্তই ছাৰৰ অৰ্থনীতিৰ ক্লাছবোৰ ইমান ভাল পাইছিলোঁ যে দুয়ো ছাৰক ব্যক্তিগত টিউছনৰ বাবে অনুৰোধ কৰিছিলোঁ। দুয়োকে ছাৰে কৈছিল 'মোৰ ক্লাছকেইটা ক্ষতি নকৰিবা, সদায় একমনে ক্লাছত মন দিবা, মোৰ ঘৰ দূৰৈত, তোমালোকৰ কষ্ট হ'ব।' এইজন শিক্ষাগুৰুৰ বাবে ক্লাছবোৰ যেন একোটা ধ্যানৰ স্থল। যোৱা সংসদীয় নিৰ্বাচন ২০১৯ত মৰিগাঁও জিলাৰ হৈ কাৰ্যবাহী দণ্ডাধীশ হিচাপে মই আইন-শৃংখলাৰ দায়িত্ব পালন কৰোতে লাহৰীঘাট ৰাজহ চক্ৰৰ মৈৰাবাৰীত বিশ্বজিৎ ভূঞা ছাৰক নগাঁৱৰপৰা নিৰ্বাচনৰ দায়িত্বত আহোতে লগ পালো। একমনে, নিয়াৰিকৈ কামত

ব্যস্ত হৈ থকা ছাৰে প্ৰথমে মোক চিনি পোৱা নাছিল। ছাত্ৰী হিচাপে ছাৰক নিজৰ পৰিচয় দিলোঁ। সেইদিনা খুব সুচাৰুৰূপে ছাৰে নিজৰ কাম শেষ কৰি ৰাতি নগাঁৱলৈ ঘূৰি নোযোৱা পৰ্য্যন্ত মই মৈৰাবাৰীতে আছিলোঁ। সেইদিনা মোৰ কাৰ্য্যালয়ৰ কৰ্মীসকলক ছাৰক চিনাকি কৰাই দি বহুত গৌৰৱ অনুভৱ কৰিছিলোঁ।

কামাখ্যা প্ৰসাদ চৌধুৰী ছাৰক আমি সকলোৰে কে পি চি ছাৰ বুলি শ্ৰদ্ধাৰে সম্বোধন কৰোঁ, এইজন চাৰৰ বিষয়ে যিমানে নিলিখো কিয়, কম হ'ব। নগাঁও মহাবিদ্যালয় গৰকি যোৱা প্ৰতিজন শিক্ষাৰ্থীৰ জীৱনত তেওঁৰ প্ৰভাৱ অসীম। ইংৰাজী বিষয়ত কথা-বতৰা পতাৰ অভ্যাস কৰিবলৈ উদগনি দিয়া মোৰ প্ৰথম শিক্ষাগুৰুজন কে পি ছি ছাৰ। ইংৰাজী বিষয়ত কথা-বতৰা ক'ব নোৱাৰা মোৰ হীনমন্যতা, জড়তা তেওঁ ভাঙি দিছিল। মোৰ এতিয়াও মনত আছে, উচ্চ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হৈ যেতিয়া নগাঁও মহাবিদ্যালয়ত সংস্কৃত বিভাগত স্নাতক পাঠ্যক্ৰমৰ বাবে নামভৰ্তি কৰিলোঁ, ছাৰে আশা কৰি আছিল মই, জ্যোতিস্মিতা গায়ন আৰু ডেইজীয়ে ইংৰাজী বিষয়তে নামভৰ্তি কৰিম। ছাৰৰ সেই মৃদু আৰু মৰমৰ অভিমানভৰা গালি কেতিয়াও পাহৰিব নোৱাৰোঁ। গুণ শইকীয়া ছাৰক শিক্ষাগুৰু হিচাপে মই সম্পূৰ্ণ পাঁচ বছৰ পালোঁ। ছাৰ এজন স্পষ্টবাদী আৰু সাহসী ব্যক্তি। উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাতো সংস্কৃত বিষয়ত লেটাৰ মাৰ্ক লাভ কৰিলোঁ, তেতিয়া ছাৰৰ মুখত এক আশাৰ ৰেঙণি দেখা পাইছিলোঁ। ইতিমধ্যে মৃতপ্ৰায় হৈ পৰা এই বিভাগটোত মাত্ৰ চাৰিগৰাকী ছাত্ৰীয়ে মই, লখিমী, জ্যোতিকা আৰু মৌচুমীয়ে নামভৰ্তি কৰিছিলোঁ, আমাৰ আগৰ বৰ্ষত মাত্ৰ এগৰাকী নে দুগৰাকী ছাত্ৰী আছিল। মান্ধাতা যুগৰ বিষয় বুলি, পৰিসৰ নথকা বিষয় (Subject without Scope) বুলি যি ঠাট্টা মস্কৰা লাভ কৰিছিলোঁ, সেয়া বুজাই বুজিব। মোৰ মনত আছে এগৰাকী সহপাঠীয়ে 'সংস্কৃত বিষয়'ৰ স্নাতক ডিগ্ৰীধাৰী হিচাপে মই কেতিয়াও প্ৰতিযোগিতামূলক পৰীক্ষাত অংশগ্ৰহণ কৰিব নোৱাৰিম বুলি ভৱিষ্যৎবাণী কৰিছিল। গুণ শইকীয়া ছাৰে মোৰ দৃঢ়তাক বুজিছিল। ছাৰৰ দৰে মোৰ লক্ষ্য হৈ পৰিছিল সংস্কৃত বিভাগটোৰ সন্মান অক্ষুণ্ণ ৰাখিব লাগিব। স্বৰ্ণ বাইদেউ, অপৰাজিতা বাইদেউ সকলো উঠি-পৰি লাগি গৈছিল সংস্কৃত বিষয়টোত যাতে ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তিকৰণ লাহে লাহে বৃদ্ধি হয়। সকলোৰে মোৰ মুখলৈ আশা পালি চাই থাকিছিল। বিশেষকৈ গুণ শইকীয়া ছাৰে মুখ ফুটাই নক'লেও ছাৰৰ গালিৰ সুৰবোৰে সদায় সেইফালেই গতি কৰি থাকিছিল। গুণ শইকীয়া ছাৰৰ মুখত শুনিছিলো নগাঁও মহাবিদ্যালয়ত সংস্কৃত বিষয়ৰ জন্মলগ্ন হৈছে ১৯৪৪ বৰ্ষৰ ৭ আগষ্ট। গুণ শইকীয়াৰ ছাৰে ১৯৭৭ৰ চেপ্তেম্বৰ মাহত নগাঁও মহাবিদ্যালয়ত প্ৰবক্তা হিচাপে কৰ্ম জীৱনৰ পাতনি মেলিছিল। ছাৰে সংস্কৃত বিভাগৰ মুৰব্বী অধ্যাপক হিচাপে মাত্ৰ ৪ বছৰৰ পাছত ১৯৮১ বৰ্ষত পদবী লাভ কৰে। আমি নগাঁও মহাবিদ্যালয়ত নামভৰ্তি কৰাৰ সময়ত গুণ শইকীয়া ছাৰক মুৰব্বী অধ্যাপক হিচাপেই লগ পালোঁ। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰম অনুসৰি সংস্কৃত বিষয়ৰ কিতাপ-পত্ৰ পাবলৈ খুবেই কঠিন। নগাঁও মহাবিদ্যালয়ৰ পুথিভঁৰালত যথেষ্ট তাকৰ সংখ্যক সংস্কৃত বিষয়ৰ কিতাপ আছিল। গুণ শইকীয়া ছাৰে নিজৰ যতনে ৰাখি থোৱা শিলালিপিসমূহৰ ভাঙনিকৰণ, দৰ্শনৰ টোকাসমূহ আমাক দিছিল আৰু আমি সেইবোৰ ফটোষ্টেট কৰি লৈছিলোঁ। বেছিভাগ কিতাপেই আমি দিল্লীৰ 'মতিলাল বানাৰসীদাস' বুক ষ্টলৰপৰা ডাকযোগে অথবা কুৰিয়াৰ যোগে আনি লৈছেলোঁ। কিতাপৰ অভাৱত সেই দিনকেইটাৰ কথাই মনত ৰাখি পৰৱৰ্তীকালত দিল্লী বিশ্ববিদ্যালয়ত পঢ়োতে যিবোৰ কিতাপ-পত্ৰ মতিলাল বানাৰসীদাস, চৌখম্বাৰ পৰা কিনি লৈছিলোঁ অথবা দিল্লী বিশ্ববিদ্যালয়ৰ চেণ্ট্ৰেল

লাইব্ৰেৰীৰপৰা, হিন্দু কলেজৰ লাইব্ৰেৰীৰপৰা ফটোষ্টেট কৰি লৈছিলোঁ, সেইবোৰ কিতাপ-পত্ৰ নগাঁও মহাবিদ্যালয়ত দি দিব পাৰিলে মনত যথেষ্ট সন্তুষ্টি লাভ কৰিম আৰু শিক্ষাৰ্থীসকল উপকৃতও হ'ব। আমি আমাৰ ক্লাছবোৰ কেতিয়াবা মহাবিদ্যালয়ৰ বাণিজ্য শাখাৰ ফালে খালী থকা কক্ষত, কেতিয়াবা কলেজৰ পিছফালে থকা বৰদলৈ ভৱনৰ পাছত থকা নিৰ্মীয়মান ভৱনটোত, কেতিয়াবা ভূগোল বিভাগৰ কক্ষত কৰিছিলোঁ। আমাৰ সংস্কৃত বিভাগটোৰ নিজা ভৱন আমি দেখা পোৱা নাছিলোঁ। ইমান অভাৱৰ মাজতো আমি আমাৰ শিক্ষাগুৰু-সকলৰ মাজত এলাহ তথা অৱহেলাৰ ভাব দেখা পোৱা নাছিলোঁ। সময়মতে ক্লাচবোৰ কৰাৰ উপৰি, আমাৰ চাৰিগৰাকীৰ কোনোবা এগৰাকীয়ে ক্লাছ ক্ষতি কৰিলে সেই ক্লাছটো বন্ধ দিনতো কৰাৰ উদাহৰণবোৰ মনত আছে। গুণ শইকীয়া ছাৰে মাজে মাজে আমাৰ পাঠ্যক্ৰমৰ লগত সংগতি ৰাখি 'সংস্কৃত ভাষাৰ কৰ্মশালা'সমূহত অংশগ্ৰহণ কৰাৰ সুবিধা কৰি দিছিল। ছাৰৰ পৃষ্ঠপোষকতাত মই শিক্ষাগ্ৰহণ কৰাৰ কালছোৱাত সংস্কৃত ভাষাৰ চৰ্চা হৈছিল, সেয়ে বিষয়টোৰ লগত নিজকে একাত্ম কৰি ল'ব পাৰিছিলোঁ। সৌ সিদিনা গুণ শইকীয়া ছাৰে আঁত ধৰা 'নগাঁও জিলা সংস্কৃত ভাষা বিকাশ মঞ্চ'ৰ এক অনুষ্ঠানত আমাৰ অসম অসামৰিক সেৱা (A C S)ৰ এজন সন্মানীয় জ্যেষ্ঠ বিষয়া দীপক শৰ্মা ছাৰক (বৰ্তমান I A S) লগ পালোঁ। ছাৰে নিজৰ ব্যস্ত জীৱনৰপৰা সময় উলিয়াই সেইদিনা সেই অনুষ্ঠানত পদধূলা দিছিল। মোৰ মনত আছে আমাৰ অসম অসামৰিক সেৱাৰ (A C S) প্ৰশিক্ষণৰ কালছোৱাত ছাৰে আমাৰ ৫৯ জন A C S বিষয়াৰ মাজৰপৰা মোক আৰু সূৰ্য্য কমল বৰাক (বৰ্তমান চক্ৰ বিষয়া, চাৰিদুৱাৰ ৰাজহ চক্ৰ, শোণিতপুৰ) সংস্কৃত বিষয়ৰ ছাত্ৰ-ছাত্ৰী হিচাপে অভিনন্দন জনাইছিল। নগাঁও মহাবিদ্যালয়ৰ উৎপজ বুলি জনাৰ পাছত ছাৰে সন্তুষ্টি প্ৰকাশ কৰিছিল। বহুত গৌৰৱ হয় এনেধৰণৰ অভিজ্ঞতা হ'লে। ইয়াৰ আগতে অন্য এটি লেখনীত সেই সময়ত নগাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাপে লগ পোৱা মহেন্দ্ৰ আহোম ছাৰৰ বিষয়ে উল্লেখ কৰিছোঁ। তেওঁৰ সংস্কৃত বিষয়ৰ প্ৰতি যথেষ্ট সদ্ভাৱ আছিল। কেতিয়াবা আমাক ছাৰে মাতি নি সুধিছিল, 'আমাৰ ক্লাছবোৰৰ কথা, সময়মতে কৰিছোঁ নে নাই, ক্ষতি কৰিছোঁ নেকি ইত্যাদি। নগাঁও মহাবিদ্যালয়ৰপৰা প্ৰথম শ্ৰেণীৰ স্নাতক ডিগ্ৰী সংস্কৃত বিভাগতে লাভ কৰিছিলোঁ আৰু 'বুৰঞ্জী বিষয়'ত ডিষ্টিংচন পাইছিলোঁ। আজি মই সঁচাকৈয়ে গৌৰৱান্বিত বুৰঞ্জীপ্ৰসিদ্ধ নগাঁও জিলাৰ মাজমজিয়াত থকা নগাঁও মহাবিদ্যালয়ৰ উৎপজ হিচাপে। জয়তু নগাঁও মহাবিদ্যালয়। শিক্ষাৰ সাধনাৰ যাত্ৰা চিৰঞ্জীৱী হওক।❑

---

লেখিকা - প্ৰাক্তন ছাত্ৰী আৰু প্ৰশাসনীয় বিষয়া।



# গুণ-গৰিমা

**মোহন চন্দ্ৰ তামুলী**

**চ**কুত ডাঠ চশমা আৰু খদ্দৰৰ সাজেৰে অধ্যক্ষ যজ্ঞেশ্বৰ শৰ্মা যেন গুণৰ মন্দিৰ। উপাধ্যক্ষ দেৱগোস্বামী মহেশ চন্দ্ৰও কম নাছিল। শিৰত তিলক আৰু মথুৰা পাগেৰে দেখাত তেওঁক বহুতে 'বুঢ়া ডাঙৰীয়া' জ্ঞানেই কৰিছিল। আব্দুল হাই ছাৰ ক'লা কোটেৰে আছিল জজৰ দৰে আৰু সেইদৰে নিৰ্মল চন্দ্ৰ চামাদ্দাৰ চুটযোৰেৰে এক সাগৰ নীলা পক্ষী। গোস্বামী কমল চন্দ্ৰও সভাশুৱনী পুৰুষ। ফণীলাল দত্ত ছাৰো আছিল ফণীন্দ্ৰ হেন। ভগৱান বৰুৱা ছাৰ যেন মুখত আখৈ ফুটা ইংৰাজীৰে এজন চাহাব। ভলভলীয়া গাঁৱৰ পূৰ্ণেশ্বৰ বৰদলৈ ছাৰ মানে হাঁহিৰ থুন্‌পাক। হবিবুৰ ৰহমান ছাৰ হ'ল নম্ৰতাৰ আলয় আৰু কামাখ্যা পণ্ডিত যেন আছিল নীলাচলবাসিনীৰ মানস পুত্ৰ। ৰেলি চাইকেলত অহা ললিত চন্দ্ৰ শইকীয়া আকৌ ললিত-লৱঙ্গ-লতা প্ৰজাপতি স্বৰূপ। জগত শৰ্মা ছাৰৰ মাত যেন মৌপিয়া আৰু শইকীয়া বিনয় ছাৰৰ বিনয় অনুপম। ৰাধিকা ৰঞ্জন চৌধুৰী ছাৰ হ'ল ৰাধাময় সুৰধ্বনি যমুনা। চন্দ্ৰপ্ৰভা বাইদেউৰ অংকই কিন্তু কাকো নকৰে জংক-পংক। ৰামকৃষ্ণ ছাৰ আছিল গকুলৰ ৰাম-কৃষ্ণৰ দৰে সুকুমাৰ। মহিম বৰা ছাৰৰ কথাই মহিমাময় যাদুকৰী আৰু তাৰিণী শৰ্মা সঁচাই ছাৰৰ ত্ৰাণকৰ্ত্তা। সমৰেন্দ্ৰ নাৰায়ণ চক্ৰৱৰ্ত্তী আৰু সুৰেন্দ্ৰ চন্দ্ৰ ভূঞা ছাৰ যেন সুৰ আৰু সমৰৰ প্ৰতিধ্বনি। সেই সৰ প্ৰতিধ্বনি যেন আজিও শুনো আকাশে-বতাহে, আজিও বাজে হৃদয় বীণাত—

তৱ চৰণ কমল বন্দে ....।❑

বিঃ দ্ৰঃ- স্মৃতিগ্ৰন্থখনিত কবিতাৰ শিতান নথকাত মোহন চন্দ্ৰ তামুলীদেৱৰ প্ৰতি সন্মান জনাই গুৰু প্ৰণাম স্বৰূপে 'গুণ গৰিমা' নামৰ পদ্যটোৰ মূলভাবহে কাব্যধৰ্মীভাৱে প্ৰকাশ কৰা হ'ল।

— সম্পাদক

লেখক - প্ৰাক্তন ছাত্ৰ।

# My Stay at Nowgong College: The Golden Part of my life

**K.P. Chowdhuri**

Life is basically a series of memories stored in mind. There is actually no present or future-everything is in the past. From the moment I joined Nowgong College to the day of my retirement everything is so vivid that I can visualise and relive each and every moment.

The eternal question of whether we have a free will to do or achieve anything has always intricated me a lot. Life has taught me that there is nothing like free will, our life is completely pre-destined. There is some power that shapes and controls us. J. M Barrie has written a drama named - "Dear Brutus". The concept is taken from Shakespeare -

'The Fault, Dear Brutus is not
In our Stars
But in ourselves
That we are underlings'
(Julius Caesar, Act I, Sc-III)

The poet revolves round the fact that hero Lob, a very old man invites eight people to his home for the midsummer night experience in his magic wood. It so happens that the characters who are so discontented with their lives, commit the same mistake when they get a second chance. Nothing has changed. We are all pre destined, actors of a scripted drama written by an unseen hand.

My forethinking is necessary here because I had not the slightest dream of joining this college. After passing out, our then H.O.D. Dr. Amaresh Datta called me and said that he had the wish that I should do a Ph.D on Louis Mac Neice. I could by that time memorise 'Bag Pipe Music' from heart. And I had obtained Junior Research Fellowship.

My sister lived at Nagaon. When I visited her house my brother-in-law and me had a stroll round the college. It was really majestic and impressive. Bigness creates an impression.

After returning to Guwahati, I put an application to the Principal Strangely enough, after some time, the Vice Principal, Prof. Phoni Lal Datta Sir, sent a telegram - 'Come and Join'.

My life entered a new phase. Now I should tell you all how our college looked like at that time. It was a hugely spacious campus, stupendously big, almost rectangular

in shape, the centre being a big empty space. The front part consisted of the Principal's chamber; the Vice-Principal's chamber flanked by the Teachers' Common Room, Students' Union Room, the Office Room, the Accountant's Room and the Cash-Counter.

On the left side of the college, there was our Library with two rooms, then the Commerce Department with the Dept. of Geography ending the block. Just opposite to the Dept. of Geography, there was the Dept. of Statistics. Imagine there was empty space - where the teachers and the students would play games like cricket, badminton. I remember, during Inter College Tournament, track and field events, football were held at the stadium and lawn tennis was played outside our College. Let us come back to our monologue. Our famous litchi tree witnessed the canteen on her left and the gymnasium room and the Examination confidential room stood behind her.

The remaining structure stands as it is now. The two storey library building was constructed during the time of Mahedra Ahom Sir. The Science theoretical class room No. 15 was the most impressive room in the college. The big black board and the gallery made the class room very distinctive. The English classes were held for Humanities in Bordoloi Hall.

The teachers and the students who have taught and attended classes in Bordoloi Hall will feel the immense mesmerizing charm of the great Hall. During our time, there were two shifts-Day and Night. Almost all the students of undivided Nagaon District were the students of our College. Night shift started from 2.30 pm to 8.30 pm. At that time, there was no generator. The students primarily came from agricultural background and some of them were in service. They never missed classes. The teachers had no other occupation except attending classes. No class remained vacant. When electric connection was snapped, there was no unwanted noise - the students lit the candles that they brought with them. During winter, most of them did not have any proper warm clothes. They covered themselves with shawls. They were students in the real sense - we gave them everything that we had.

Day students were comparatively moneyed and meritorious. As I have narrated earlier, classes were full - I had a pleasant experience. When I stood on the dias it was only heads with sincere faces. We never called rolls but all the classes were full- students came to study not for percentage.

I learn a few art of teaching then. I had to teach Shakespeare's 'Twelfth Night' to B.A. students. My first class was abysmal - chalks fall away from the nervous hands. On the second day, I started my chalk and talk method. I drew the Elizabethan stage with its groundlings, the ante-chamber, and the trap door. It worked miracles. Next class had pin-drop silence. I followed this method till the end of my career. My old students will bear testimony to it.

When I turn my attention to my distinguished colleagues, I am at a loss how to speak about them. They were simply mega stars not only in their particular field, but in other fields also. And one thing was common - all of them were masters in English - in writing and in speaking. Our teachers' common room was a temple - when the professors from different streams and subjects discussed on various disciplines,

we young teachers who always sat on the wooden benches were spell bound. Kamakhya Kamal Pandit, the H.O.D. Maths, discussed Swinburne's 'Atlanta In Calydon'. I wondered what branch did he belong to.

English Dept. was headed by Prof. Rahman Sir with an ever lit Cigarette burning between his lips. He was a double MA from Dacca University. When he taught, his baritone voice resounded the entire college. One day Habibur Rahman Sir recited Mark Antony's speech from Julius Caesar, all the teachers listened spell bound. It was really a delectable experience. After Rahman Sir, Saleh Sir, Khan Sir, Joseph and me did our duties. Saleh Sir was a scholastic person - Browning's Rabbi Ben Ezra personified. Khan Sir was a language specialist, Joseph was stylish, versatile, expert in English construction and then I. After sometime Prof Lyra Neog joined. She brought a new life to our Department. With her anglicized accent, Lyra was dear both to the teachers and the students.

The Department of Assamese was a collection of Gems. Actually if we look at our college of the 70's and the 80's we shall find that it was such a rich collection of flowers put into a garland that one would easily find the knowledge personified in our faculty members. Dale Carnegie wrote - 'One of the most tragic things I know about human nature is that all of us tend to put off living. We are dreaming of some magical rose garden over the horizon instead of enjoying the roses that are blooming outside our windows today.'

Dr. Sarbeswar Rajguru was the head. He was scholastic, research oriented teacher. His work 'Medieval Assamese Society' was a classical work. I had the opportunity of proof-reading this book. Prof Mohim Borah Sir, Prof Manik Borah Sir, Prof Mon Mohan Das Sir adorned the Department. All of them were great in their own fields. Dr. Girikanta, Deepak, Dhanada and Kalpana keeping up the rich tradition. Dept. of Bengali was a one man Departmant. Prof Jivan Krishna Devnath was the helmsperson of that Department. He was a poet and published books of poems. Dr. Molay Roy of A.D.P. College acted as Part time teacher. After the arrival of Dr. Sanjay De, Major was introduced in Bengali.

In 1978 Nowgong College had started another shift besides day and Night. This was Day shift that started at 7.00 am. At that time everybody had a dream to get admitted in Nowgong College. Students took pride of being the students of this college. From morning 7.00 to night 8.30 the college was full of activities. It appeared that Nowgong College only slept at night.

The Department of Education with adjacent practical room was with the Department of Statistics. Prof Naren Bora Sir was the H.O.D. Sir was an orator of class. At that time, the Teachers' Council Meeting was the place from where you could have enriched your store-house of knowledge and learnt the art of oratory. When Tagar Borah Sir, Munim Mahanta Sir, Alom Sir, Balin Saikia Sir, Arun Das Sir, took part in debate, this was unique like parliamentarians of class; they could put forward arguments with well-assorted phrases and wide ranging information. When the debate turned a little loud, Prof Naren Borah Sir stood. He had a unique style, summed up arguments of both sides, and

then made an out of the box settlement.

However, speaking about Education Department, besides Naren Borah Sir, Indu Baidau and Prof Chenimai Hazarika ran the Department. Indu Baidau was very social, fond of talking and was very dear to us. Now Prasanta, Dibakar, Afjalur.

After that, comes our Dept. of Political Science. Prof Tagar Bora was the captain of the ship. Prof. P.K. Sarmah and Prof A.M. Faruqui, Prof Minali Baruah were the other teachers. At that time, Tagar Borah Sir was the most active teacher - class room teaching, examination conduct, teachers' council Meeting, public relations he shone everywhere. Faruqui Sir was a very lively person, he was the powerhouse of energy. I remember a time when our college first started Post-Graduate classes - Assamese and Political Science. Dr. Girikanta Goswomi opened Assamese and Faruqui Sir started Political Science. Later on many Departments started Post-Graduate classes. But this was the beginning of the journey.

In humanities, History and Philosophy were very important. Prof Saikia Sir, Bhanu Baidau and Arun Das Sir ran the History Department. In philosophy Prof Bhuyan Sir, Prof Manabendra Nag Sir, Prof Benu Gouswami were the shining stars of the Department. Later on R.P. Powrell, Sirajul Islam and Sirumoni joined in the History Department. All are fine teachers. As I have told earlier our library was the centre of activities from 10 am to 8.30 pm. Reba Bora was the librarian. He was a man of erudition culture and loved the college very much. In 1978, we started a literary club consisting of English, Assamese, Bengali and Sanskrit. Reba Bora took active part in it. I gave a speech on 'Eliot and Modern English Poetry', that was highly appreciated and Reba Bora invited me to read this at local sahitya Sabha Unit. Our college is really indebted to such kind of luminaries.

Montaigne has said - 'The great and glorious masterpiece of men is to live to the point.' The wisdom of life finds expression in the beautiful saying. The great professors that I have met during my stay when I started my teaching career were true to this point. They lived such a life that counted in the overall scheme of life. During that time, we were not compartmentalized into Science, Arts and Commerce. The Common Room was the meeting place of all the teachers. The students respected us as teachers. The relationship between the teachers was based on respect, love and mutual understanding. A glorious time we passed indeed.

The Principals who were at the helms of affairs steered the college at the right direction. Muhiram Saikia Sir, Pradip Saikia Sir, Mahendra Ahom Sir, Bhuyan Sir and then Sri Sarat Borkataky were the permanent Principals of our college. In between Babulal Pal Sir and Manabendra Nag Sir functioned as officiating Principals. They also did justice to their posts. I remember them with respect and admiration. Among them two - Pradip Saikia Sir and Mahendra Ahom Sir were from English Literature. Saikia Sir was very much fond of me and we had talks from the structure of sonnets to the ghost in Hamlet. After the classes were over, we sat in the open space, and had the talks. Ahom Sir was the best administrator I have ever found. Bhuyan Sir was brilliant in his subject - knew rules very well. The present Principal Dr. Sarat Borkataky is a visionary - he is a

poet, he can dream and can materialize his dream. I wish him success.

There are two times - 'cronos time' and 'kyros time'. Times that are the collection of years, months, hours, minutes are cronos time - but some moments do not sink into oblivion. They stay in our minds forever. Life is a garland of such kind of memories.

One of the most cherishable memories during my stays at Nowgong College was my experience as IQAC Co-Ordinator. Dr. Farista Yasmin, Dr. Sanjay De and Prof R.P. Powrell were the Jt. Co-Ordinators. We were a team in real sense, worked in unison. Present Principal Dr. Sarat Borkataky helped us a lot. Principal Bhuyan Sir helped us. With limited resource we braved the constraints of time and were able to bring a 'Grade A' to our college. I cannot explain how happy we were. The teachers, students, college employees, the Governing Body Members, the Principal himself, everybody gave his best.

In 1978, we could arrange the Inter college sports at our college. At that time Gauhati University had a vast jurisdiction I remember some students of Manipur created problem in College Hostel. Hareswar Baruah Sir ran to the spot and solved the problem immediately. Prof Kamal Goswami Sir was a father figure. Geography had Prof Muruli Nath, Dr. M. Kar, Prof Pradeep Sarmah who later joined the Cotton College. Naba, Pulin and Dhruba are ideal teachers.

I should mention here the examination system of our college that was made possible by the dedication, team work of the teachers and the staff. When I joned in 1977 5th July, our college was the biggest college both in student strength and academic brilliance. At that time, we had five centres for running P.U. examination - Nowgong College, Bangali Boys, Bangali Girls High School, Dawson H.S. M.P. School, Motiram Bora H.S. School. The Confidential Examination Room located in our college was controlled by Tagar Bora Sir, Arun Das Sir of History Dept, Jadu Saikia Sir of Statistics, Nirmal Gogoi Sir of Statistics and Naren Borah Sir of Education Department. They were the best in their field. The system devised by them was faultless. To conduct an examination of such a gigantic magnitude is not a matter of less merit. Later on, I had the opportunity of working with them. I have seen their skill, presence of mind and dedication. I salute them.

When memories are overwhelming, they tend to digression. As I was saying about our gems of teachers, I glance at the Statistics Department. Headed by Prof Jadu Saikia Sir, the Dept, had luminaries like Nirmal Gogoi Sir and Prof Prabin Bora and now Deepali and Bidyut.

When I started my career, Physics Department was very much of repute. The Department had such professors like Prof Kailash Chakravorty who came from Presidency College, Calcutta. The Dept was decorated with the photos of Sir Jagadish Bose, Megnath Saha, Prasanta Mahalanabish, Satyen Bose, P.C. Roy, all bright stars in the horizon of Indian Scientific studies. At that time, it was difficult to get admission in Physics Honours. Students had to sit for Entrance Test. Bimal Borah Sir was the Head of the Department. The other professors were as I could remember - Prof Ganesh Baruah Sir, Prof Khagaen Sarmah Sir, Prof Onuz Borkakoti Sir and later Joined by Prof

Holi Hazarika. At that time the new teachers like us used to visit the Department often for discussions and a warm cup of tea from Ramkumar. It was really a glorious time of the College.

Chemistry had also a special niche with such great professors like Arun Barman Sir, Babu Lal Pal Sir, Dwijen Das Sir, Mujibur Rahman Sir and Ramen Borah Sir. On the day of Bhopal Gas Leak Tragedy people asked me about MIC. I asked Babu Lal Sir, he at once told me the entire knowledge about Methyl Iso Cyanide. Such was his knowledge about his subject. That knowledge about subject was very common thing about the then Professors. They could talk about Physics and Philosophy, literature and logic.

Kamakhya Kamal Pandit Sir, the H.O.D of Mathematics was just like a sage. I sometimes wonder what he did not know. From the benefit of ginger to the chanting of mantras perfectly, from Assamese poetry to English One Act play, he had equal command. I am fortunate that I had the opportunity of working with him in Nowgong College. Prof C.P. Devi Baidau, Prof. Karim Sir and later joined by Sirajul Islam and Dilip Borah. As the famous novelist Paul Bowlers once wrote - 'because we don't know (when we will die) we get to think of life as an inexhaustible well … how many more times will you watch the full moon rise? Perhaps twenty. And yet it all seems limitless.' These beautiful moments stay in memory forever. When you stay in a place for a long time of your life, when you stay in a place in the prime hay-days of your life, when you smell rain and raw dust of sitting in a place, when you look at the sun making its journey from the east to the west and enjoy the Queen Moon sitting on her throne among her starry fays, the place ultimately enters into your very core of heart. This practically happens after retirement when you are physically not a part of it anymore. I remember the erudite Professors of our Economics Department. When I joined Prof Jagat Sarmah was the H.O.D. with Prof Anjali Baruah, it was later on joined by Prof Nilakhi Saikia, Prof Sirajul Alom, Bonti Neog and Biswajeet Bhuyan.

We took pride in our Commerce Section. Professors like Prof Prafulla Sarmah Kotoky, Prof R. Bhuyan, Prof C.R. Baidya, Prof Sailen Sarmah, Prof Surajit Bhagawati, Ranjan and Apurba. A few words certainly remain to be said about Prof Apurba Bora. He was one of the brightest brains in our college. I have heard it from the students. In examination conduct, he was an asset. But suddenly he just disappeared. He remains untraced till now. Mind becomes full of limitless sorrow when his memory comes and fills my mind - an irreparable loss to us and his family.

I have ventured to write my account not based on history, or date and years. This is not my historical account. This is lying inside the velvet of my mind. So when I look into it, the fragrant comes of the window.

Facts and figures sink into oblivion. But the loving memories remain. Who of the 70's and 80's will forget Nowgong College. Our Science Block was the centre of learning. Professors like Prof. P.C. kottaky, Prof B.C. Kotoky, Dr. Biva Goswami, Prof Lalit Gogoi, Prof Paban Saikia of the Dept. of Zoology, Prof A. Hakim, Prof Balin Saikia, Prof Sarat Borkataky, Dr. Krishna Medhi, Dr. Farista Easmin of Botany adorned the

Departments. Hakim Sir was a very popular teacher. He became Vice president of this College.

In this connection, I should mention the roles of the Vice Principals of this college. The post of the Vice Principal is always a post that has duties and responsibilities but no recognition. Way back in 1977, I have seen Prof Phani Lal Datta Sir who has set a standard before us. He used to come to college at 8.00 and stayed upto the end of the college at 8.30 pm. What a dedication and efficiency have I seen in him. He used to conduct the examination. The entire seat plan was done by him, and he memorized the students with their roll numbers. I remember other VPS like Prof A. Hakim, Prof Dinesh Datta Sir, Prof Gohain Sir, Prof Bipul Kotoky Sir, Prof C.M. Hazarika and then me. All of them have performed their duties to near perfection.

Our literature Department has always been a pride of our college. Prof Dinesh Datta Sir, Prof Guna Saikia, Prof Aparajita Tamuli Phukan and Swarna Saikia of Sanskrit Department, Prof Hoque of Arabic Dept., Prof Dilip Sarmah, Prof Manju Moni Kalita and Dipa Deka of Hindi Department shouldered the Departments. Datta Sir of Sanskrit knew English so well that I sometimes wondered why he hadn't become the Professor of English. All were and are wonderful teachers.

Coming back to the grade III and Grade IV staff during our time, I pay my respect to them. Narayan Sarmah, Bhatta Da, the two great accountants of our College, Saikia Da the Head Assistant, Lalit Saikia, Chandra Bora and others did their duties very sincerely. Narayan Sarmah wrote the drafts so well that I was astonished at the coustruction of English. Our college can always take pride in audit and accounts. Now Uttam Roy is keeping the tradition intact.

My accounts will be incomplete if I don't mention our Grade IV staff who are the unsung heroes. We cannot forget Daju and Kamal, our Common Room bearers, Swaminath, Ramkumar, Premeswar who knew practicals better than many students. Lakshi, Upen and many others whom we always looked with respect.

At the close of my monologue I remember with love and admiration, the new teachers like Deepshikha, Nivedita, Ananya, Sabreen, Papori, Prasanta, Songita Sirumoni, Dr. Ranjeet Mazindar, Naba Mahanta and Naba Nath, Sanjay, Bappa, Bidyut, Baten, Krishna, Indu, Rashmi, Afzalur and other who are the pride of our College. I have worked with them for some time and confident that our dear college is safe in their hand. Four of my colleagues and students have become Principals - Dr. Sarat Borkataki, Dr. Surajit Bhagawati, Dr. Balin Bhuyan and Dr. Chinta Moni Sarmah. I offer my best wishes to all of them.

On his death bed Show was asked 'What would you do if you could live your life over again?' Show replied - 'I'd like to be the person I could have been but never was'. Life is like that. But if I could get a second chance I would be the teacher of Nowgong College once again. In fine I hope, pray and dream that our Nowgong College grows from strength to strength and blossom into flower and fragrance. ❑

---

The author was the Vice-Principal & Prof. of English Department.



# শ্ৰদ্ধাৰ বৰশৰাই

# স্বপ্নদ্ৰষ্টা মতিৰাম বৰা

ঋত্বিক মজুমদাৰ



**গা**ন্ধীজীৰ নেতৃত্বত সমগ্ৰ ভাৰতবৰ্ষত গঢ়ি উঠা অসহযোগ আন্দোলন তীব্ৰতৰ কৰি তুলিবলৈ বিভিন্ন প্ৰদেশৰ কংগ্ৰেছ কমিটিৰ নেতাসকলে জনসাধাৰণক একত্ৰিত কৰিবলৈ সভা-সমিতি অনুষ্ঠিত কৰিছিল। বিদেশী বস্ত্ৰ বৰ্জন, গৱৰ্ণমেণ্ট স্কুল-কলেজ, আদালত আৰু কাউন্সিল বৰ্জন, অস্পৃশ্যতা নিবাৰণ আদি বিভিন্ন কাৰ্যসূচীৰে ব্ৰিটিছ চৰকাৰৰ বিৰুদ্ধে ভাৰতীয়সকলে সংঘবদ্ধভাৱে আন্দোলন গঢ়ি তুলিবলৈ সক্ষম হৈছিল। মাতৃভূমিক ব্ৰিটিছৰ কবলৰপৰা মুক্ত কৰিবলৈ দেশপ্ৰেমিক ভাৰতীয়সকলে আন্দোলনটোক শক্তিশালী ৰূপ দি কেৱল ভাৰতবৰ্ষই কঁপোৱাই নাছিল, সমগ্ৰ বিশ্বৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল। সকলো শ্ৰেণীৰ লোকে আন্দোলনত জঁপিয়াই পৰিছিল যদিও ছাত্ৰ শক্তিৰ অংশগ্ৰহণে আন্দোলনটোক অনন্য মাত্ৰা প্ৰদান কৰিছিল। এচাম শিক্ষাৰ্থীয়ে স্বাধীন ভাৰতৰ সপোন বাস্তৱায়িত কৰিবলৈ স্কুল, কলেজ ত্যাগ কৰি আন্দোলনত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিল। আনহাতে আন এচাম শিক্ষাৰ্থীয়ে স্কুল-কলেজত নিজৰ অধ্যয়ন অব্যাহত ৰাখি আন্দোলনত অংশগ্ৰহণ কৰি সাধ্যানুসাৰে সহযোগিতা আগবঢ়াইছিল। আন্দোলনত অংশগ্ৰহণ কৰাৰ ক্ষেত্ৰত ভিন্নমতৰ অভিন্ন লক্ষ্যৰ দুই শ্ৰেণীৰ শিক্ষাৰ্থীৰ সৃষ্টি হৈছিল। তেওঁলোক আটাইৰে লক্ষ্য পৰাধীনতাৰ শিকলি ছিঙি ব্ৰিটিছ শাসনৰপৰা ভাৰতবৰ্ষক মুক্ত কৰা। শিক্ষানুষ্ঠানত অধ্যয়ন অব্যাহত ৰাখি নিষ্ঠাৰে অসহযোগ আন্দোলনত যিসকল ছাত্ৰই অংশগ্ৰহণ কৰিছিল, সেইসকলৰ ভিতৰত অসমৰ ছাত্ৰ মতিৰাম বৰা অন্যতম। কটন কলেজৰ বি এৰ চূড়ান্ত বৰ্ষৰ ছাত্ৰ মতিৰাম বৰাই ১৯২১ চনৰ ফেব্ৰুৱাৰী মাহত পণ্ডিত কনকচন্দ্ৰ শৰ্মা, পূৰ্ণচন্দ্ৰ শৰ্মা প্ৰভৃতিলোকৰ নেতৃত্বত নগাঁও জিলাত গঢ়ি উঠা অসহযোগ আন্দোলনত গাঁৱতে থাকি সভা-সমিতিসমূহত অংশগ্ৰহণ কৰি মৰিগাঁৱত আন্দোলনক ব্যাপক ৰূপ দিবলৈ জনসাধাৰণক উদ্বুদ্ধ কৰি তুলিছিল। ছাত্ৰ মতিৰাম বৰাই অসহযোগ আন্দোলনত সম্পূৰ্ণৰূপে আত্মনিয়োগ কৰিব পৰা নাছিল যদিও অধিবক্তা মতিৰাম বৰা আইন অমান্য আন্দোলন আৰু বিয়াল্লিছৰ আন্দোলনৰ এগৰাকী অগ্ৰণী যোদ্ধা আছিল। বিয়াল্লিছৰ সংগ্ৰামৰ ভৰপকৰ সময়ত এইগৰাকী স্বাধীনতা সংগ্ৰামীয়ে ব্ৰিটিছৰ বিৰুদ্ধে মহাত্মা গান্ধীৰ অহিংসা নীতি শিৰোধাৰ্য্য কৰি বীৰত্বেৰে যুঁজ দিয়াৰ উপৰি সমান্তৰালভাৱে নগাঁও জিলাৰ শিক্ষাৰ্থীসকলে যাতে উচ্চ শিক্ষাৰপৰা বঞ্চিত

নহয় তাৰো চিন্তা-চৰ্চা কৰিছিল। সেই চিন্তাৰ ফলশ্ৰুতিত তেখেতৰ নেতৃত্বত ১৯৪৪ চনত জন্ম হৈছিল নগাঁও কলেজ। নগাঁৱৰ উচ্চ শিক্ষা প্ৰসাৰৰ অগ্ৰদূত মতিৰাম বৰাৰ সহপাঠী বিশিষ্ট স্বাধীনতা সংগ্ৰামী, প্ৰাক্তন বিধায়ক, প্ৰাক্তন সাংসদ, গণতন্ত্ৰ কাকতৰ প্ৰতিষ্ঠাপক সম্পাদক পূৰ্ণচন্দ্ৰ শৰ্মাই নগাঁও কলেজৰ প্ৰতিষ্ঠাৰ সন্দৰ্ভত তেওঁৰ এটি প্ৰবন্ধ "স্বৰ্গীয় মতিৰাম বৰা ঃ সোঁৱৰণী"ত এনেদৰে লিখিছে, "এইবাৰ ১৯৪৪ চনত মুক্ত হৈ নগাঁৱত এখন কলেজ স্থাপনৰ উদ্দেশ্যে লোকেল ব'ৰ্ডৰ ভাইচ চেয়াৰমেনৰ ক্ষমতাৰ সুযোগ ল'বলৈ ধৰিলে। হোজাইৰ শান্তিৰঞ্জন দাসগুপ্তাৰ সহযোগিতাৰে দহ হাজাৰ টকা সংগ্ৰহ কৰি নগাঁও কলেজৰ ভেটি স্থাপন কৰিলে, কিন্তু পুনৰ বৰাই ভাৰত প্ৰতিৰক্ষা আইনমতে কাৰাবাস ভুগিব লগা হ'ল। এইবাৰ তেজপুৰ জে'লত একেলগে থকা অৱস্থাত নানান আলোচনাৰ সুযোগ পাইছিলোঁ আৰু তেতিয়াই নগাঁৱৰ উন্নয়নৰ কাৰণে হেঁপাহ আমাতকৈ অধিক বুলি মোৰ বিশ্বাস হৈছিল। সেই কাৰণেই ১৯৪৫ চনৰ জুন মাহত মোৰ কাৰামুক্তিৰ পিছত হ'বলগা লোকেল ব'ৰ্ডৰ নিৰ্বাচনৰ কাৰণে বৰাক প্ৰাৰ্থী কৰিবলৈ বৰাৰ মুক্তিৰ কাৰণে বৰদলৈৰ জৰিয়তে যত্ন কৰি কৃতকাৰ্য হওঁ আৰু ১৯৪৫ চনৰ লোকেল ব'ৰ্ডৰ নিৰ্বাচনত জয় হোৱাৰ পিছত বৰাক চেয়াৰমেন পতা হয়। নানান কৌশলেৰে ধন সংগ্ৰহ কৰি বৰাই নগাঁও কলেজ পাতিলে আৰু আমাৰ সহযোগিতা যদিও সদায় এই কাৰ্যত আছিল, বৰাৰ বুদ্ধি, কৌশল, ধন সংগ্ৰহ আৰু আগ্ৰহৰ বলতে নগাঁও কলেজ প্ৰতিষ্ঠা হয়। কাজেই নগাঁও কলেজৰ প্ৰতিষ্ঠাতা মতিৰাম বৰা।"

নগাঁও কলেজৰ মহাৰজত জয়ন্তী উৎসৱটি বছৰজোৰা কাৰ্যসূচীৰে উলহ-মালহেৰে উদ্‌যাপন কৰি থকাৰ সময়ত কলেজখনৰ প্ৰাণ প্ৰতিষ্ঠাতা মতিৰাম বৰাৰ বৰ্ণাঢ্য জীৱনৰ বিষয়ে বিস্তৃতভাৱে জানিবলৈ ইচ্ছা যোৱাত বিভিন্ন গ্ৰন্থৰ সন্ধান কৰিবলৈ আৰম্ভ কৰিলোঁ, অৱশেষত অসম সাহিত্য সভাৰ মৰিগাঁও অধিৱেশনৰ স্মৃতিগ্ৰন্থ 'পবিতৰা'ত প্ৰকাশ হোৱা মীনাৰাম বৰা আৰু খগেন কলিতাৰ "আধুনিক মৰিগাঁৱৰ নিৰ্মাতা মতিৰাম বৰা" আৰু ১৯৬৩ চনৰ অক্টোবৰ মাহৰ গণতন্ত্ৰ কাকতত প্ৰকাশ হোৱা পূৰ্ণচন্দ্ৰ শৰ্মাই লিখা "স্বৰ্গীয় মতিৰাম বৰা ঃ সোঁৱৰণী" প্ৰবন্ধ দুটা পঢ়াৰ সৌভাগ্য ঘটিল। প্ৰবন্ধ দুটিয়ে আমাক অনুপ্ৰাণিত কৰাত তেখেতৰ বিষয়ে অধিক জানিবলৈ অনুসন্ধিৎসু মনটো তথ্য ভাণ্ডাৰ অসম ৰাজ্যিক অভিলেখাগাৰ, কটন বিশ্ববিদ্যালয়ৰ ড° সূৰ্য্যকুমাৰ ভূঞা পুথিভঁৰাল, গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৃষ্ণকান্ত সন্দিকৈ পুথিভঁৰাল, জিলা পুথিভঁৰাললৈ উৰা মাৰিলে। উক্ত স্থানবোৰত সংৰক্ষিত হৈ থকা বিভিন্ন গ্ৰন্থ আৰু নথিপত্ৰ অধ্যয়ন কৰি পাহৰণি গৰ্ভত লোপ পাবলৈ উপক্ৰম হোৱা তেখেতৰ জীৱনৰ কিছুমান গুৰুত্বপূৰ্ণ বিষয় বুটলি আনি লিখনিটো যুগুত কৰিছোঁ।

**এক**

অবিভক্ত নগাঁও জিলাৰ মৰিগাঁৱৰ বৰঙাবাৰীত কৃষক বদুৰাম বৰাৰ ঔৰষত আৰু ৰূপহী বৰাৰ গৰ্ভত ১৮৯৭ চনত মতিৰাম বৰাৰ জন্ম হৈছিল। উচ্চাকাংক্ষী মতিৰাম বৰাই গাঁৱতে প্ৰাথমিক শিক্ষা সাং কৰি ১৯১০ চনত ঐতিহ্যমণ্ডিত নগাঁও হাইস্কুলত নামভৰ্তি কৰে। তেখেতে নগাঁও হাইস্কুলত অধ্যয়ন কৰি থাকোতে বহুকেইগৰাকী গণ্যমান্য শিক্ষকৰ সান্নিধ্য লাভ কৰিছিল। সেইসকলৰ ভিতৰত অন্যতম আছিল স্বাধীনতা সংগ্ৰামী, সংগীতজ্ঞ কমলানন্দ ভট্টাচাৰ্য, লোকসেৱক হলধৰ ভূঞা, পণ্ডিত কনকচন্দ্ৰ শৰ্মা, আসাম বান্ধৱৰ প্ৰতিষ্ঠাপক সম্পাদক তাৰানাথ চক্ৰৱৰ্তী, শিক্ষাচাৰ্য কমলা শইকীয়া, ৰায়বাহাদুৰ বিষ্ণুচৰণ বৰা, ৰায়বাহাদুৰ ভদ্ৰেশ্বৰ বৰুৱা, ৰায়বাহাদুৰ বৃন্দাবনচন্দ্ৰ গোস্বামী, বিশিষ্ট অধিবক্তা বিদ্যাধৰ বৰুৱা, কৃতী শিক্ষক যোগেন্দ্ৰ নাথ কটকী। তেখেতে দুগৰাকী হেড্‌মাষ্টৰৰ তত্ত্বাৱধানত হাইস্কুলীয়া শিক্ষা আহৰণ

কৰিবলৈ সুবিধা পাইছিল। দুয়োগৰাকী প্ৰধান শিক্ষকৰে অসমত সুকীয়া পৰিচয় আছিল। তেওঁলোক হৈছে— গোপাল গোবিন্দ কৰ আৰু বিশিষ্ট সাহিত্যিক, অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক ৰামেশ্বৰ বৰুৱা। ৰামেশ্বৰ বৰুৱা আছিল স্কুলখনত প্ৰথমগৰাকী অসমীয়া প্ৰধান শিক্ষক। হাইস্কুলত শিক্ষক হিচাপে সান্নিধ্য পোৱা বৃন্দাবনচন্দ্ৰ গোস্বামী, বিষ্ণুচৰণ বৰা, ভদ্ৰেশ্বৰ বৰুৱা, বিদ্যাধৰ বৰুৱা আৰু কমলানন্দ ভট্টাচাৰ্যৰ লগত পৰৱৰ্তী সময়ত মতিৰাম বৰাই নগাঁৱৰ কাছাৰীত সহকৰ্মী অধিবক্তা হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। তেওঁলোকে মতিৰাম বৰাক মৰমতে 'মতি' বুলি সম্বোধন কৰিছিল। নগাঁও হাইস্কুলত পঢ়ি থাকোতে মতিৰাম বৰাই নগাঁৱৰ বিখ্যাত উকিল জখলাবন্ধা সত্ৰৰ সত্যহাস গোস্বামীৰ মাটিত সৰু পঁজা এটি সাজি সোণাৰাম বৰাৰ সৈতে একেলগে বাস কৰিছিল। তেখেতে বাস কৰা ঘৰটোৰ আশে-পাশে পূৰ্ণচন্দ্ৰ শৰ্মা, প্ৰতাপ চন্দ্ৰ শৰ্মা, খগেশ্বৰ গোস্বামী, ভূবন শৰ্মা, নন্দ ডেকা আদি লগৰীয়া কেইগৰাকীমানৰ ঘৰ আছিল। স্কুল ছুটীৰ পিছত আটাইকেইগৰাকী বন্ধুৱে ফুটবল, ভেটা গুটি, গুদু আদি খেল খেলি আনন্দ কৰিছিল। গুণী-জ্ঞানী শিক্ষকৰ তত্ত্বাৱধানত শিক্ষা লাভ কৰি আৰু সৎ প্ৰকৃতিৰ বন্ধু-বান্ধৱৰ সান্নিধ্যত ওমলি-জামলি ডাঙৰ হৈ মতিৰাম বৰাই ১৯১৭ চনত মেট্ৰিকুলেশ্যন পৰীক্ষাত অৱতীৰ্ণ হৈছিল। উক্ত বছৰ নগাঁও হাইস্কুলৰপৰা ২২ গৰাকী পৰীক্ষাৰ্থী হাইস্কুলৰ চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হৈছিল, তাৰে ১৪ গৰাকী সফলতাৰে উত্তীৰ্ণ হৈছিল। আঠগৰাকী পৰীক্ষাৰ্থীয়ে প্ৰথম বিভাগত আৰু ছয়গৰাকী পৰীক্ষাৰ্থীয়ে দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈ বিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই আনিছিল। উক্ত বছৰ মেট্ৰিকুলেশ্যন পৰীক্ষাত প্ৰশ্নকাকত ফাদিল হোৱাত দুবাৰকৈ পৰীক্ষা পিছুৱাই দিবলগা হৈছিল।[১] সেইসময়ত নগাঁও জিলাৰ ছাত্ৰসকলে গুৱাহাটীলৈ গৈ পৰীক্ষা দিব লগা হৈছিল। গুৱাহাটীলৈ যাবলৈ ৰে'লগাড়ীৰ বাহিৰে আন যাতায়াত ব্যৱস্থাৰ বিশেষ সুবিধা নাছিল। চাপৰমুখৰপৰা গুৱাহাটীলৈ দৈনিক এখনকৈ ৰে'লগাড়ী চলিছিল। ৰাতিপুৱা ৰে'লগাড়ীত উঠা যাত্ৰী পিছবেলাহে গন্তব্যস্থান পাইছিল। পৰীক্ষা কেইদিন পৰীক্ষাৰ্থীসকলে গুৱাহাটীত থকাৰ ব্যৱস্থা কৰি ল'ব লগা হৈছিল। কামটো সহজসাধ্য নাছিল। সেইসময়ত ৰাতি কটোৱা হোটেল গুৱাহাটীত নাছিল বুলিবই পাৰি। কিছুসংখ্যক ছাত্ৰই মিতিৰ-কুটুম্বৰ ঘৰত থাকি পৰীক্ষা দিছিল আৰু অধিকাংশ ছাত্ৰই ঘৰ ভাড়া কৰিব লগা হৈছিল। বৰ্তমান সময়ত সকলো সুবিধা থকাৰ পিছতো দশম শ্ৰেণীৰ শিক্ষাৰ্থীসকলে অকলশৰে গুৱাহাটীলৈ গৈ তেওঁলোকৰ দৰে যে মেট্ৰিকুলেশ্যন পৰীক্ষাত অৱতীৰ্ণ হ'ব পাৰিব, তাত সন্দেহৰ অৱকাশ আছে। ইয়াৰ পৰাই অনুমান কৰিব পাৰি যে সেইসময়ৰ পৰীক্ষাৰ্থীসকল বহু প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগা হৈছিল। ভূতৰ ওপৰত দানৱ পৰাৰ দৰে উক্ত বছৰ মেট্ৰিকুলেশ্যন পৰীক্ষাৰ প্ৰশ্নকাকত দুবাৰকৈ ফাদিল হোৱাত পৰীক্ষা পিছুৱাই দিবলগা হৈছিল, যিটো ঘটনাই গুৱাহাটীত বাহৰ পাতি পৰীক্ষা দিয়া নগাঁৱৰ ছাত্ৰসকলক আহুকালত পেলাইছিল। সকলো প্ৰত্যাহ্বানৰ মুখামুখি হোৱাৰ সাহস নগাঁও হাইস্কুলৰ ছাত্ৰসকলৰ আছিল বাবেই তেওঁলোকে পৰিস্থিতিটো চম্ভালি ল'ব পাৰিছিল আৰু আশাব্যঞ্জক ফলাফল প্ৰদৰ্শন কৰিব পাৰিছিল। সেইবছৰ প্ৰফুল্ল কুমাৰ ভূঞাই অসম উপত্যকাৰ ভিতৰত তৃতীয় স্থান দখল কৰি মাহে ১৫ টকা চৰকাৰী বৃত্তি লাভ কৰিছিল।[২] প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা ছাত্ৰসকল হ'ল হৰিপ্ৰসন্ন তামুলী ফুকন, দীননাথ শৰ্মা, মহম্মদ আব্দুল ওৱালী, মতিৰাম বৰা, পূৰ্ণচন্দ্ৰ শৰ্মা, মহম্মদ ৰফিক, ফহিমুদ্দিন আহমেদ। দ্বিতীয় বিভাগত উত্তীৰ্ণ হোৱা ছাত্ৰসকল হৈছে আব্দুল মতলিব, প্ৰেমধৰ বৰুৱা, কুমুদ চন্দ্ৰ গোস্বামী, সন্তোষৰঞ্জন ঘোষ, প্ৰতাপ চন্দ্ৰ শৰ্মা, খগেশ্বৰ গোস্বামী।[৩]

১৯১৭ চনত নগাঁও হাইস্কুলৰপৰা প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা আটাইকেইগৰাকী ছাত্ৰ আৰু দ্বিতীয় বিভাগত উত্তীৰ্ণ হোৱা ছাত্ৰ আব্দুল মতলিব আৰু প্ৰতাপ চন্দ্ৰ শৰ্মাই কটন কলেজত আই এ শ্ৰেণীত নামভৰ্তি কৰিছিল বুলি জনা যায়। আই এ শ্ৰেণীত মতিৰাম বৰাৰ বিষয় আছিল বুৰঞ্জী, ৰসায়ন আৰু তৰ্কবিজ্ঞান।[৪] ১৯১৯ চনত তেখেত প্ৰথম বিভাগত আই এ পৰীক্ষাত উত্তীৰ্ণ হয়। অসম উপত্যকাৰ আই এ পৰীক্ষাৰ্থীসকলৰ ভিতৰত মতিৰাম বৰাই পঞ্চম স্থান দখল কৰিবলৈ সক্ষম হৈছিল। আই এ আৰু আই এচ চি পৰীক্ষাত বিশেষ পাৰদৰ্শিতা প্ৰদৰ্শন কৰা অসম উপত্যকাৰ আঠগৰাকী ছাত্ৰক অসম চৰকাৰে ছিনিয়ৰ স্কলাৰশ্বিপ দিছিল। সেই কৃতীমানসকল হ'ল প্ৰমোদাভিৰাম দাস (আই এচ চি), কবিচন্দ্ৰ মহন্ত (আই এ), জীৱকান্ত শইকীয়া (আই এচ চি), বিষ্ণুচন্দ্ৰ গোস্বামী (আই এ), দেবেন্দ্ৰ কুমাৰ শৰ্মা বৰদলৈ (আই এ), বেট্ৰিছ চন্দ্ৰ গগৈ (আই এচ চি), মতিৰাম বৰা (আই এ) আৰু ময়িদুল ইছলাম বৰা (আই এ)।[৫] উল্লেখ্য যে, প্ৰমোদাভিৰাম দাস আৰু জীৱকান্ত শইকীয়াই চিকিৎসক হিচাপে অসমত বিশেষ সুনাম অৰ্জন কৰিব পাৰিছিল। কবিচন্দ্ৰ মহন্তৰ সংস্কৃত পণ্ডিত হিচাপে এক সুকীয়া পৰিচয় আছে। অসমৰ গণিতৰ জগতখনত দেবেন্দ্ৰ কুমাৰ শৰ্মা বৰদলৈৰ এখন সুকীয়া আসন আছে। ড° ময়িদুল ইছলাম বৰাই সাহিত্য সৃষ্টিৰ দ্বাৰা অসমীয়া ভাষা সাহিত্য সমৃদ্ধিশালী কৰাত যথেষ্ট বৰঙণি আগবঢ়াই থৈ গৈছে। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° ময়িদুল ইছলাম বৰা ঢাকা বিশ্ববিদ্যালয়ৰ এগৰাকী অধ্যাপক আছিল। আই এ পৰীক্ষাত মেধাৰ পৰিচয় দিয়া মতিৰাম বৰাই কটন কলেজতে বুৰঞ্জী বিষয়ত অনাৰ্চ লৈ স্নাতক মহলত নামভৰ্তি কৰে। তেখেতে কটন কলেজত অধ্যয়ন কৰি থাকোতে ফ্ৰেডাৰিক উইলিয়াম ছুডমাৰ্চন কলেজৰ অধ্যক্ষ আছিল। বুৰঞ্জী বিভাগৰ অধ্যাপকদ্বয় বিজয়চন্দ্ৰ সেনগুপ্তা আৰু ভুবনমোহন সেনে বিশেষ কৌশলেৰে শিক্ষাৰ্থীসকলক পাঠদান কৰিছিল বাবে বুৰঞ্জী বিষয়টো অধিকাংশ ছাত্ৰৰে প্ৰিয় আছিল। মাজে সময়ে ইংৰাজীৰ অধ্যাপক আশুতোষ চেটাৰ্জীয়েও বুৰঞ্জী পঢ়ুৱাইছিল। অসমীয়া বিষয়ৰ শিক্ষক হিচাপে মতিৰাম বৰাই অসমীয়া সাহিত্যৰ অন্যতম কাণ্ডাৰী সত্যনাথ বৰাৰ সান্নিধ্য লাভ কৰিছিল। তেখেতে ইংৰাজী শিক্ষক হিচাপে পাইছিল প্ৰফুল্ল চন্দ্ৰ ৰয়, বিশিষ্ট বুৰঞ্জীবিদ অসম গৌৰৱ অধ্যাপক ড° সূৰ্যকুমাৰ ভূঞা আৰু অসমীয়া ভাষাতত্ত্বৰ জগতত অপ্ৰমাদী পণ্ডিত ড° বাণীকান্ত কাকতিক। অসমৰ উচ্চ শিক্ষাজগতখনত জ্ঞানৰ পোহৰ বিলোৱা তপস্বী শিক্ষকসকলৰ তত্ত্বাৱধানত পাঠ গ্ৰহণ কৰি যিসকল অসম সন্তান জিলিকি উঠিছিল, তাৰ ভিতৰত নিশ্চয়কৈ মতিৰাম বৰাৰ নাম নিঃসন্দেহে সকলোৱে একেমুখে উচ্চাৰণ কৰিব। কলিকতা বিশ্ববিদ্যালয়ে ১৯২১ চনত অনুষ্ঠিত কৰা বি এ চূড়ান্ত পৰীক্ষাত মতিৰাম বৰাই কটন কলেজৰপৰা অনাৰ্চত দ্বিতীয় শ্ৰেণী চতুৰ্থ স্থান দখল কৰিবলৈ সক্ষম হৈছিল।[৬] কটন কলেজৰ পৰা যি ছয় গৰাকীয়ে বুৰঞ্জীত অনাৰ্চ লৈ বি এ পৰীক্ষাত উত্তীৰ্ণ হৈছিল, আটায়েই দ্বিতীয় শ্ৰেণী লাভ কৰিছিল। তেওঁলোক আছিল অমূল্যৰঞ্জন বিশ্বাস, মতিৰাম বৰা, অমলচন্দ্ৰ সেন, নাৱাফ ৰফিউল হুছেইন, সত্যেন্দ্ৰ কুমাৰ গুহৰায় আৰু হৰিপ্ৰসন্ন তামুলী ফুকন। ১৯২১ চনত কটন কলেজৰপৰা ১৯ গৰাকী শিক্ষাৰ্থীয়ে অনাৰ্চসহ স্নাতক ডিগ্ৰী লাভ কৰিছিল। অসম চৰকাৰে কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত থকা বিভিন্ন মহাবিদ্যালয়ৰপৰা বিশেষ পাৰদৰ্শিতাৰে স্নাতক ডিগ্ৰী লাভ কৰা অসমৰ শিক্ষাৰ্থীসকলৰ যিসকলে বিশ্ববিদ্যালয়ত স্নাতকোত্তৰ শ্ৰেণীত নামভৰ্তি কৰিব বিচাৰে, তেওঁলোকৰ ভিতৰৰ শ্ৰেষ্ঠ দুগৰাকী স্নাতকক নিৰ্বাচন কৰি মাচুলসহ মাহে ২৫ টকাকৈ স্কলাৰশ্বিপ দিয়াৰ ব্যৱস্থা কৰিছিল। এই স্কলাৰশ্বিপ লাভ কৰাটো সেইসময়ৰ স্নাতকসকলৰ বাবে এক সন্মানৰ বিষয়

আছিল। নগাঁৱৰ সু-সন্তান মতিৰাম বৰাই ১৯২১ চনত এই সন্মান পাবলৈ সক্ষম হৈছিল।[৭] তেখেতে ১৯২১ চনৰপৰা ১৯২৩ চনলৈকে এই সন্মানীয় ছাত্ৰ বৃত্তিটো লাভ কৰিছিল। এই স্কলাৰশ্বিপ পোৱা অসমৰ দুগৰাকীমান স্বনামধন্য ব্যক্তি হৈছে গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠাপক উপাচাৰ্য কৃষ্ণকান্ত সন্দিকৈ, কটন কলেজৰ প্ৰাক্তন অধ্যক্ষ শিক্ষাবিদ উমাকান্ত গোস্বামী, বিশিষ্ট ৰসায়নবিদ যোগেশচন্দ্ৰ শৰ্মা আদি।[৮] এই সন্মান লাভ কৰা প্ৰায়বোৰ কৃতী ছাত্ৰই ভৱিষ্যত জীৱনত বিভিন্ন ক্ষেত্ৰত নিজৰ প্ৰতিভাৰে উজলি উঠা দেখা গৈছিল। মতিৰাম বৰাই স্বাধীনতা আন্দোলনত সক্ৰিয়ভাৱে অংশগ্ৰহণ নকৰা হ'লে নিশ্চয়কৈ ৰাজনীতি নকৰিলে হয়। হয়তো শিক্ষাবিদ হ'লহেঁতেন নহ'লে বা প্ৰশাসনিক বিষয়া হ'লহেঁতেন। জননী জন্মভূমি বঞ্চিতা, লাঞ্ছিতা, অপমানিতা বুলি মৰ্মে মৰ্মে উপলব্ধি কৰা মতিৰাম বৰাই স্বাধীনতা আন্দোলনত অংশগ্ৰহণ কৰাটো তেওঁৰ বাবে বেছি প্ৰয়োজন বুলি অনুভৱ কৰিছিল, সেইবাবে দক্ষতা থকাৰ পিছতো অন্য জীৱিকা-বৃত্তিলৈ নগৈ আইনৰ ব্যৱসায় আৰম্ভ কৰিছিল। স্বাধীনতা আন্দোলনৰ সময়ত বিভিন্ন মেল-মিটিঙত তেখেতে আগবঢ়োৱা ভাষণত এই কথা স্পষ্টকৈ ধৰা পৰিছে। জনতাক উদ্বুদ্ধ কৰিবলৈ স্বাধীনতা আন্দোলনৰ সভাবোৰত তেখেতে প্ৰায় এনেদৰে কৈছিল, "মই মতিৰাম বৰা এম এ, বি এল। মোৰ যিখিনি বিদ্যা আছে, তাৰে হাকিম-মুনছিফ হ'ব পাৰিলোহেঁতেন। কিন্তু নহ'লোঁ। দুখিনী ভাৰতী আইৰ মুক্তিৰ হকে ৰণ কৰি যোৱাৰ কথাই ভাবিলোঁ।[৯] কলিকতা বিশ্ববিদ্যালয়ত দুটা বছৰ অধ্যয়ন কৰাৰ অন্তত ১৯২৩ চনত মতিৰাম বৰাই দ্বিতীয় শ্ৰেণী দ্বিতীয় স্থান দখল কৰি এম এ পৰীক্ষাত উত্তীৰ্ণ হৈছিল। উক্ত বছৰ বিশ্ববিদ্যালয়ৰ পৰা ২৬ গৰাকী পৰীক্ষাৰ্থীয়ে বুৰঞ্জীত এম এ ডিগ্ৰী লাভ কৰিছিল।[১০] ইয়াৰে ছয়গৰাকী শিক্ষাৰ্থীয়ে প্ৰথম শ্ৰেণী পাইছিল। এম এ পঢ়ি থকাৰ সমান্তৰালভাৱে তেখেতে বিশ্ববিদ্যালয়ৰ ল' কলেজত আইনৰ পাঠ গ্ৰহণ কৰি আছিল। সেই সময়ত বি এল পৰীক্ষা বছৰত দুবাৰ অনুষ্ঠিত হৈছিল। প্ৰথমবাৰ জানুৱাৰী মাহত আৰু দ্বিতীয়বাৰ জুলাই মাহত। মতিৰাম বৰাই ১৯২৪ চনৰ জুলাই মাহত অনুষ্ঠিত হোৱা আইনৰ চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হৈ দ্বিতীয় শ্ৰেণীৰ পঞ্চম স্থান দখল কৰি নগাঁৱলৈ গৌৰৱ কঢ়িয়াই আনিছিল।[১১]

**দুই**

১৯২১ চনত আৰম্ভ হোৱা অসহযোগ আন্দোলনৰ জোৱাৰ অসমত কটন কলেজৰ প্ৰাঙ্গণৰ পৰাই সমগ্ৰ প্ৰদেশখনলৈ বিয়পি পৰিছিল। কটন কলেজৰ ছাত্ৰসকলে ধৰ্মঘট কৰাৰ লগতে কলেজ ত্যাগ কৰি অসমত এক জোকাৰণি সৃষ্টি কৰিছিল। ধৰ্মঘটত অংশগ্ৰহণ কৰাৰ জৰিয়তে দেশ মাতৃৰ প্ৰতি থকা কৰ্তব্য পালন কৰি আন্দোলনৰ সুদৃঢ় ভেটি নিৰ্মাণৰ এগৰাকী অন্যতম নিৰ্মাতা মতিৰাম বৰাক অসম ছাত্ৰ সন্মিলনে ১৯২৩ চনৰ ২২ আৰু ২৩ অক্টোবৰত নগাঁও জিলাত অনুষ্ঠিত হ'বলগীয়া অষ্টম অধিৱেশনৰ অভ্যৰ্থনা সমিতিৰ সভাপতিৰ দায়িত্ব অৰ্পণ কৰিছিল।[১২] দীনবন্ধু চি এফ এণ্ড্ৰুজৰ সভাপতিত্বত অনুষ্ঠিত হোৱা অধিৱেশনলৈ অসমৰ বিভিন্ন প্ৰান্তৰপৰা বহুসংখ্যক প্ৰতিনিধি আৰু দৰ্শক আহিছিল। অধিৱেশন অনুষ্ঠিত হোৱা প্ৰাকমুহূৰ্তত চাপৰমুখৰপৰা নগাঁৱলৈ ৰে'লগাড়ী চলাচল আৰম্ভ হোৱাত দূৰণিবটীয়া যাত্ৰীসকলৰ সভাত অংশগ্ৰহণ কৰিবলৈ যথেষ্ট সুবিধা হৈছিল। সেইবাবে বহু হাজাৰ মানুহ অধিৱেশনত সমবেত হৈছিল। অসমৰ বহুকেইগৰাকী বিশিষ্ট ব্যক্তিয়ে অধিৱেশনত অংশগ্ৰহণ কৰিছিল, সেইসকলৰ ভিতৰত উল্লেখযোগ্যসকল হৈছে ডিম্বেশ্বৰ নেওগ, পাৰ্বতী প্ৰসাদ বৰুৱা, সুৰেন্দ্ৰ নাথ ৰাজমেধি, মোহন চন্দ্ৰ মহন্ত, দুৰ্গাপ্ৰসাদ বুজৰবৰুৱা, টংকেশ্বৰ চলিহা, চন্দ্ৰমোহন গোস্বামী, আনন্দিৰাম কলিতা। অভ্যৰ্থনা সমিতিৰ সভাপতি মতিৰাম বৰাই "আজি নগাঁৱৰ বাস্তৱতে বৰ শুভ

দিন” বুলি আৰম্ভ কৰা আদৰণি ভাষণত অসমীয়া জাতিয়ে সন্মুখীন হোৱা সংকটসমূহৰ বিভিন্ন দিশ আঙুলিয়াই দি তাৰ সমাধান সূত্ৰও দাঙি ধৰিছিল। তেখেতে ভাষণৰ জৰিয়তে অসমীয়াৰ জাতীয় চেতনা জাগ্ৰত কৰিবলৈ প্ৰয়াস কৰিছিল। জীৱনৰ ২৫টা বসন্ত অতিক্ৰম কৰা আইনৰ ছাত্ৰ মতিৰাম বৰাই উদাত্ত ভাষণেৰে সকলোকে মোহিত কৰাই নহয়, সাহিত্য চৰ্চাৰে জাতীয় প্ৰেমৰ পৰিচয় দিবলৈ সমাজক আহ্বান জনাইছিল। সাহিত্য সেৱা জাতীয় সংকটমোচনৰ এটি পথ হ'ব পাৰে বুলি নৱ চিন্তাৰ উদ্ৰেক ঘটোৱা মহাপুৰুষ দুগৰাকীৰ আদৰ্শেৰে অনুপ্ৰাণিত মতিৰাম বৰাই তেখেতৰ ভাষণত অসম ছাত্ৰ সন্মিলনক এনেদৰে কৈছিল, “বৰ্তমান দুৰ্দিনৰ সময়ত অসমীয়া জাতীয়তা ৰক্ষা কৰিবলৈ হ'লে সাহিত্য উন্নত হ'ব লাগিব, সাহিত্যৰ দ্বাৰাই সুপ্ত অসমীয়াক কৰ্মৰত কৰি তুলিব লাগিব। অসমৰ ছাত্ৰ সন্মিলনেও কিছু দিনলৈকে সকলো শক্তি আৰু উদ্যম আমাৰ বিবেচনাৰে সাহিত্য সেৱাত অৰ্পণ কৰা উচিত।” প্ৰায় এশ বছৰ পূৰ্বে প্ৰদান কৰা মতিৰাম বৰাৰ ভাষণটোৰ প্ৰাসংগিকতা বৰ্তমানৰ প্ৰেক্ষাপটতো আছে বুলি আমি অনুভৱ কৰোঁ।

১৯২৫ চনত নগাঁৱৰ কাছাৰীত অধিবক্তা হিচাপে কৰ্মজীৱন আৰম্ভ কৰা মতিৰাম বৰাৰ জীৱনৰ বাবে ১৯২৫ চনটো অতি গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। ১৯২৫ চনত নগাঁও জিলাৰ সদৰত অসম সাহিত্য সভাৰ অষ্টম অধিৱেশন অনুষ্ঠিত হৈছিল। উক্ত অধিৱেশনৰ আদৰণি সমিতিৰ সহকাৰী সম্পাদকৰ দৰে গুৰু দায়িত্ব মতিৰাম বৰাই পালন কৰিব লগা হৈছিল।[১৩] তাৎপৰ্য কথা এয়া যে সমিতিখনৰ সম্পাদকদ্বয় আছিল তেখেতৰ শিক্ষাগুৰু ৰামেশ্বৰ বৰুৱা আৰু বিষ্ণুচৰণ বৰা। উক্ত সভাত গ্ৰহণ কৰা প্ৰস্তাৱবোৰৰ ভিতৰত এটা উল্লেখযোগ্য প্ৰস্তাৱ হৈছে, “এই সন্মিলনে সিদ্ধান্ত কৰে যে এতিয়াৰপৰা সাহিত্য সন্মিলনৰ লগতে বুৰঞ্জী বিভাগৰ একোখন সভা বহিব। এই প্ৰস্তাৱটো আগবঢ়োৱা ব্যক্তিগৰাকী আছিল ইতিহাসৰ ছাত্ৰ মতিৰাম বৰা। একেটা বছৰতে তেখেতে ৰহা চাৰ্কোলৰপৰা লোকেল ব'ৰ্ডৰ নিৰ্বাচনত জয়ী হৈ প্ৰত্যক্ষ ৰাজনীতি পথাৰত খোজ দিছিল। লোকেল ব'ৰ্ডৰ সদস্যৰপৰা পৰৱৰ্তী সময়ত তেখেতে দোপতদোপে উন্নত কৰি ১৯৩৮ চনত উপাধ্যক্ষ আৰু ১৯৪৫ চনত অধ্যক্ষৰ পদ শুৱনি কৰিছিল।[১৪]

১৯৩০ চনত মহাত্মা গান্ধীয়ে আইন অমান্য আন্দোলনৰ প্ৰস্তাৱ আগবঢ়োৱাৰ পিছত সমগ্ৰ ভাৰতবৰ্ষৰ মানুহে আন্দোলনত অংশগ্ৰহণ কৰে। নগাঁৱতো কংগ্ৰেছৰ নেতাসকলে আন্দোলনটো তীব্ৰতৰ কৰি তুলিছিল। মতিৰাম বৰাই নগাঁও জিলাৰ বিভিন্ন প্ৰান্তলৈ গৈ বিভিন্ন সভা-সমিতি অনুষ্ঠিত কৰি আইন অমান্য আন্দোলনত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিল। ১৯৩০ চনৰ ২৫ ছেপ্তেম্বৰ তাৰিখে মতিৰাম বৰাক শেনচোৱা অঞ্চলত অনুষ্ঠিত হোৱা এখন সভাত ভাষণ দি থকা অৱস্থাতে পুলিচে গ্ৰেপ্তাৰ কৰে।[১৫] ৰাতি ৮ মান বজাত মতিৰাম বৰাক শেনচোৱা গাঁৱৰ বাসিন্দাসকলে তাল-খোলেৰে সমদল কৰি নগাঁৱৰ কাৰাগাৰলৈ আগবঢ়াই লৈ গৈছিল। মতিৰাম বৰাক চাৰিমাহৰ বাবে কাৰাদণ্ড বিহা হৈছিল।[১৬] সেই চাৰিমাহৰ বাবে জেলৰ কৰ্তৃপক্ষই মতিৰাম বৰাক বাগানৰ চৰ্দাৰৰ দায়িত্ব দিছিল। তেখেতে বাগানত খেতি কৰা কয়দীসকলৰ কামখিনি তদাৰক কৰিবলগীয়া হৈছিল। জেলৰপৰা মুক্তি লাভ কৰি মতিৰাম বৰাই নগাঁও জিলাত কংগ্ৰেছৰ ভেটি মজবুত কৰিবলৈ সংগঠনৰ কামত আত্মনিয়োগ কৰিছিল। ১৯৩৪ চনত মহাত্মা গান্ধীয়ে হৰিজন আন্দোলন আৰম্ভ কৰি ভাৰতবৰ্ষৰ বিভিন্ন ঠাইলৈ গৈছিল। সেই উদ্দেশ্যে তেখেতে এপ্ৰিল মাহত অসমৰ বিভিন্ন ঠাই ভ্ৰমণ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। তেখেতে গুৱাহাটীৰপৰা উজনি অসমলৈ যাওঁতে নগাঁৱতো এখন সভাত অংশগ্ৰহণ কৰিবলৈ সিদ্ধান্ত লৈছিল। গান্ধীজীক আদৰিবলৈ নগাঁওবাসীয়ে এখন

অভ্যৰ্থনা সমিতি গঠন কৰে। সমিতিখনৰ সভাপতিৰ দায়িত্ব মতিৰাম বৰাৰ ওপৰত ন্যস্ত কৰে আৰু সম্পাদকৰ দায়িত্ব পূৰ্ণচন্দ্ৰ শৰ্মাৰ ওপৰত পৰিল।[১৭] মতিৰাম বৰাৰ নেতৃত্বত নগাঁৱত অনুষ্ঠিত হোৱা মহাত্মা গান্ধীৰ সভাখনত অংশগ্ৰহণ কৰিবলৈ জুবিলী পথাৰখন লোকে লোকাৰণ্য হৈ পৰিছিল। বিৰ দি বাট পাবলৈ নাই। গোটেই নগাঁও জিলাৰ ৰাইজ হিলদ'ল ভাঙি ওলাই আহিছিল। সভাখনত অভ্যৰ্থনা সমিতিৰ সভাপতি হিচাপে মতিৰাম বৰা মহাত্মা গান্ধীৰ লগত ছাঁটোৰ দৰে আছিল। সভাখন সাফল্যমণ্ডিত হোৱাত নগাঁও জিলাৰ ৰাইজে মতিৰাম বৰা আৰু পূৰ্ণচন্দ্ৰ শৰ্মাৰ সাংগঠনিক দক্ষতাৰ পৰিচয় পাইছিল।

১৯৩৭ চনত নতুনকৈ অসম বিধান সভা গঠন হৈছিল। বিধানসভাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ মতিৰাম বৰাই কংগ্ৰেছ ত্যাগ কৰি তৰুণৰাম ফুকনৰ নেতৃত্বত গঠন হোৱা মিলিত জনসংঘ দলত যোগদান কৰে।[১৮] মতিৰাম বৰাই মৰিগাঁও সমষ্টিৰ পৰা উক্ত দলৰ প্ৰাৰ্থী হিচাপে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। ১৯৩৭ চনৰ ২১ জানুৱাৰীত অনুষ্ঠিত হোৱা নিৰ্বাচনত মতিৰাম বৰা খুব কম ভোটৰ ব্যৱধানত হলধৰ ভূঞাৰ হাতত পৰাস্ত হয়। কেইমাহমানৰ পিছত তেখেত পুনৰ কংগ্ৰেছ দললৈ ঘূৰি আছে।

১৯৪০ চনৰ ১৭ অক্টোবৰত ব্যক্তিগত সত্যাগ্ৰহ নামৰ মৃদু আন্দোলন গঢ়ি উঠিছিল। মহাত্মা গান্ধীৰ নীতি যিসকলে সম্পূৰ্ণৰূপে পালন কৰিব, সেই সকলকহে সত্যাগ্ৰহ কৰিবলৈ দিয়া হৈছিল। গোটেই ভাৰততে প্ৰায় ২০ হাজাৰ সত্যাগ্ৰহীক গ্ৰেপ্তাৰ কৰা হৈছিল। ১৯৪০ চনৰ জুন মাহত কংগ্ৰেছৰ জিলা কমিটিবোৰক সত্যাগ্ৰহ কমিটিলৈ ৰূপান্তৰিত কৰিছিল। অসমৰ কেইবাহাজাৰো আন্দোলনকাৰীয়ে সত্যাগ্ৰহী হ'বলৈ আবেদন কৰিছিল। ১৯৪১ চনৰ নৱেম্বৰ মাহলৈকে অসমৰ ৭৭৯ জন আবেদনকাৰীৰ আবেদনতহে গান্ধীজীয়ে অনুমোদন জনাইছিল। নগাঁৱৰ সত্যাগ্ৰহী মতিৰাম বৰাক ১৯৪১ চনৰ ২৭ জানুৱাৰীত গ্ৰেপ্তাৰ কৰা হয়। ৬ মাহৰ কাৰাদণ্ড আৰু এশ টকা জৰিমনাৰ হুকুম দিয়া হৈছিল। ৬ মাহ জেলত থকাৰ পিছত ১৯৪১ চনৰ ২৬ জুলাইত তেখেতক মুকলি কৰি দিছিল।[১৯]

জেলৰ পৰা মুক্তি লাভ কৰাৰ পিছতে মতিৰাম বৰাই জিলা কংগ্ৰেছৰ আন আন নেতাৰ সৈতে নগাঁৱত ব্ৰিটিছ চৰকাৰৰ বিপক্ষে এক জাগৰণ আনিবলৈ বিভিন্ন সভা-সমিতিত অংশগ্ৰহণ কৰিছিল। ১৯৪১ চনৰ নৱেম্বৰ মাহত স্বাধীনতা সংগ্ৰাম সংক্ৰান্তত কলিয়াবৰত অনুষ্ঠিত হোৱা প্ৰথমখন ৰাজহুৱা সভাত মতিৰাম বৰাই উদাত্ত কণ্ঠেৰে ভাষণ দিছিল। সেইসভাত উপস্থিত থকা আন আন কংগ্ৰেছী নেতাসকল হ'ল— কামাখ্যা প্ৰসাদ ত্ৰিপাঠী, হলধৰ ভূঞা, মহীচন্দ্ৰ বৰা।[২০]

১৯৪২ চনৰ আগষ্ট মাহৰপৰা আৰম্ভ হোৱা ভাৰত ত্যাগ আন্দোলন নগাঁৱত তীব্ৰতৰ কৰি তুলিবলৈ ৰণকৌশল প্ৰস্তুত কৰাৰ উদ্দেশ্যে ৯ আগষ্টত বঢ়মপুৰত এখন বিৰাট ৰাজহুৱা সভাৰ আহ্বান কৰা হৈছিল। উক্ত সভাত মতিৰাম বৰা, মহীচন্দ্ৰ বৰা, হলধৰ ভূঞা, পূৰ্ণচন্দ্ৰ শৰ্মা, বিমলাকান্ত বৰা, ইছলাম খাঁ, গণেশ বৰঠাকুৰ, নৰেন্দ্ৰ নাথ হাজৰিকা আদি কংগ্ৰেছ সদস্যৰ উপস্থিতিত ভাৰত ত্যাগ আন্দোলনৰ ৰণশিঙা বজোৱা হৈছিল। ইয়াৰ পিছত মতিৰাম বৰাই কংগ্ৰেছৰ সাংগঠনিক ভেটি সুদৃঢ় কৰিবলৈ গাঁৱে-ভূঞে ঘূৰি ফুৰিছিল। ১৩ আগষ্ট তাৰিখে বাৰপূজীয়াৰ এখন বিশাল ৰাজহুৱা সভাত চৰকাৰৰ সকলো আইন অমান্য কৰিবলৈ দি ৰাইজক উত্তেজিত কৰাৰ অপৰাধত মতিৰাম বৰাক পুলিচে ২৪ আগষ্টত গ্ৰেপ্তাৰ কৰে আৰু ৫০০ টকা জৰিমনা বিহে।[২১] ১১ মাহ কাৰাবাস খটাৰ পিছত ১৯৪৩ চনৰ ১৬ জুলাইত তেখেতে মুক্তি লাভ কৰে। পুনৰ ১৯৪৪ চনৰ ২৪ আগষ্টত গ্ৰেপ্তাৰ হৈ প্ৰায় দহ মাহ তেজপুৰ

জেলত থাকিব লগা হৈছিল। ১৯৪৫ চনৰ ১৮ মে'ত মুক্তি লাভ কৰা মতিৰাম বৰাই লোকেল ব'ৰ্ডৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি জয়লাভ কৰিবলৈ সক্ষম হৈছিল। ১৯৪৫ চনৰ ১৯ ছেপ্তেম্বৰত মতিৰাম বৰা লোকেল ব'ৰ্ডৰ অধ্যক্ষ পদত অধিষ্ঠিত হয়। মতিৰাম বৰা লোকেল ব'ৰ্ডৰ অধ্যক্ষ হোৱাৰ পিছত পূৰ্ণ চন্দ্ৰ শৰ্মাই এনেদৰে কৈছিল, "লোকেল ব'ৰ্ডতো বৰাৰ অধ্যক্ষতাত নগাঁও জিলাৰ প্ৰগতিৰ পথ মুকলি দেখিলোঁ...।"

ভাৰতৰ স্বাধীনতা সংগ্ৰামত মতিৰাম বৰাৰ অৱদান সম্পৰ্কে বিশদ আলোচনাৰ প্ৰয়োজন আছে। সোতৰ বছৰীয়া সক্ৰিয় সংগ্ৰামী জীৱনত তেখেত প্ৰায় তিনি বছৰ কাল কাৰাগাৰত বন্দী হৈ আছিল। দেশে স্বাধীনতা লাভ কৰাৰ ক্ষেত্ৰত মতিৰাম বৰাৰ ত্যাগ আৰু অৱদান অনস্বীকাৰ্য।

## তিনি

নগাঁও কলেজৰ প্ৰতিষ্ঠাপক সম্পাদক মতিৰাম বৰা ১৯৪৫ চনত লোকেল ব'ৰ্ডৰ অধ্যক্ষ নিৰ্বাচিত হোৱাত কলেজৰ ভেটি সুদৃঢ় কৰিবলৈ সুবিধা লাভ কৰিছিল। অধ্যক্ষৰ ক্ষমতা প্ৰয়োগ কৰি তেখেতে সপোনৰ কলেজখন সকলো দিশৰপৰা সমৃদ্ধিশালী কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। ১৯৪৫ চনত গোপীনাথ বৰদলৈয়ে নগাঁও জিলালৈ প্ৰস্তাৱিত গুৱাহাটী বিশ্ববিদ্যালয়ৰ বাবে পুঁজি সংগ্ৰহ কৰিবলৈ আহোতে মতিৰাম বৰাই যথেষ্ট সহায় কৰি দিছিল। ধুতী-পাঞ্জাবী পৰিহিত ডাঠ চুলি আৰু পৰিপূৰ্ণ মুখমণ্ডলৰ ওখ মানুহজনৰ কাৰ্যদক্ষতা দেখি গোপীনাথ বৰদলৈ মুগ্ধ হৈছিল। সেই সুবাদতে তেখেতে মতিৰাম বৰাক ১৯৪৬ চনৰ অসম বিধান সভা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ কংগ্ৰেছ দলৰ প্ৰাথিত্ব দিছিল। ১৯৪৬ চনৰ ২১ জানুৱাৰীত অনুষ্ঠিত হোৱা বিধান সভাৰ নিৰ্বাচনত মতিৰাম বৰাই নগাঁও জিলাৰ দক্ষিণ পূব সমষ্টিৰপৰা কংগ্ৰেছ দলৰ প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতা আগবঢ়াই বিপুল ভোটত জয়লাভ কৰিছিল। ১৯৪৬ চনৰ অসম বিধান সভাৰ অধ্যক্ষ পেনেলৰ তেখেত এগৰাকী সদস্য আছিল।[২২] বিধায়ক হৈ তেখেতে নগাঁও কলেজৰ বাবে মাহে ৩৫০ টকা চৰকাৰী সাহায্য আদায় কৰিবলৈ সক্ষম হৈছিল। নগাঁও হাইস্কুলৰ ছাত্ৰাবাসৰ মাটি, গড়কাপ্তানী বিভাগৰ ডাকবাংলাৰ মাটি অসম চৰকাৰে নগাঁও কলেজক পৰ্যায়ক্ৰমে হস্তান্তৰ কৰিছিল। এই ভূমি হস্তান্তৰ প্ৰক্ৰিয়াটোত নেতৃত্ব দিছিল তদানীন্তন মন্ত্ৰী মতিৰাম বৰাই। নগাঁও কলেজ মতিৰাম বৰাৰ মানসপুত্ৰ আছিল। কলেজখনৰ প্ৰসাৰ আৰু প্ৰচাৰৰ চিন্তাটো তেখেতৰ মন-মগজুত অনবৰতে ক্ৰিয়া কৰি আছিল বাবেই দুটা দশকৰ ভিতৰতে পূৰ্ণাংগ কলেজ হিচাপে নগাঁও কলেজে অসমৰ বুকুত প্ৰতিষ্ঠা লাভ কৰিছিল। প্ৰতিষ্ঠাপক অধ্যক্ষ যজ্ঞেশ্বৰ শৰ্মাই নগাঁও কলেজে পূৰ্ণাংগ ৰূপ পোৱাৰ ক্ষেত্ৰত মতিৰাম বৰাৰ ভূমিকাৰ বিষয়ে তেওঁৰ এটি প্ৰবন্ধ "মই দেখা স্বাধীনতাৰ পৰৱৰ্তী নগাঁও"ত এনেদৰে উল্লেখ কৰিছে, "তেওঁৰ বুদ্ধি আৰু কৰ্ম তৎপৰতাৰ কাৰণে নগাঁও মহাবিদ্যালয় অতি শীঘ্ৰে এখন পূৰ্ণাংগ কলেজ হৈ উঠিব পাৰিছিল।" ৰাজহ আৰু বিত্ত মন্ত্ৰী হিচাপে মতিৰাম বৰাই যে কেৱল নগাঁও কলেজৰ শ্ৰীবৃদ্ধিৰ কথাই ভাবিছিল এনে নহয়, তেখেতে সেইসময়ত অসমত জন্মলাভ কৰা বিভিন্ন পৰ্যায়ৰ শিক্ষানুষ্ঠানসমূহ গঢ় দিয়া কাৰ্যত পাৰ্যমানে সহায়-সহযোগিতা আগবঢ়াই অনুপ্ৰাণিত কৰাৰ অলেখ উদাহৰণ আছে। তাৰে মাজৰ এটা হৈছে গুৱাহাটীত ১৯৫৪ চনত স্থাপন হোৱা প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ বিকাশৰ বাবে শান্তিপুৰ অঞ্চলত থকা ২১ বিঘা মাটি তদানীন্তন ৰাজহ মন্ত্ৰী মতিৰাম বৰাই কলেজখনক আবণ্টন দিছিল। এই সন্দৰ্ভত প্ৰাগজ্যোতিষ কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি পণ্ডিত তীৰ্থনাথ শৰ্মাই তেওঁৰ এটি প্ৰৱন্ধ, "The Story of the Pragjyotish College"ত

এনেদৰে উল্লেখ কৰিছে, "A plot of 21 bighas contiguously situated within the municipal areas and that to at a place easily approachable by bus and train from all parts of the town has its own advantages and the committee foresaw the possibility of developing the plot into a beautiful college campus. The Secretary applied for the land. The then Revenue Minister, the late Matiram Bora, who was always eager to help public enterprises in educational matters, readily agreed to the proposal. Accordingly, this plot was settled with Pragjyotish College"।

মতিৰাম বৰা বিধায়ক হৈ থাকোতে ১৯৪৭ চনৰ পৰা ১৯৪৯ চনৰ ভিতৰত অসম বিধান সভাত উত্থাপন হোৱা কেইখনমান গুৰুত্বপূৰ্ণ বিল হৈছে The Gauhati University Bill 1947, The Gauhati High Court Bill 1948, Assam Sales Tax Bill 1947, Assam Pure Food Bill 1947, Assam Management of Estate Bill 1949, Assam State Acquisition of Zamindaris Bill 1948 আদি। আটাইকেইখন বিলৰ তেখেত ছিলেক্ট কমিটিৰ এগৰাকী সন্মানীয় সদস্য আছিল। বিধান সভাৰ মজিয়াত মতিৰাম বৰা এগৰাকী সৰব বিধায়ক আছিল। তেখেতে প্ৰায় সকলোবোৰ বিতৰ্কত অংশগ্ৰহণ কৰি যোগ্যতাৰ পৰিচয় দিবলৈ সক্ষম হৈছিল। "গুৱাহাটী বিশ্ববিদ্যালয় অধিনিয়ম ১৯৪৭" ছিলেক্ট কমিটিৰপৰা ঘূৰি অহাৰ পিছত তদানীন্তন মুখ্য মন্ত্ৰী গোপীনাথ বৰদলৈয়ে বিধান সভাৰ মজিয়াত ১৯৪৭ চনৰ ১২ ছেপ্তেম্বৰত পুনৰুত্থাপন কৰাত বিধায়কদ্বয় মৌলবী আবুয়ান মজিদ জিয়াওচ্ ছামছ্ আৰু আব্দুল হায়ে সংশোধনী প্ৰস্তাৱ আগবঢ়ায়। তেওঁলোকে বিশ্ববিদ্যালয়ৰ কোৰ্টৰ মুঠ সদস্যৰ ২০ শতাংশ সদস্য মুছলমান সম্প্ৰদায়ৰ বাবে সংৰক্ষণ বিচাৰি সংশোধনী প্ৰস্তাৱ আনিছিল।[২৩] এই সন্দৰ্ভত বিধান সভাত দীঘলীয়া আলোচনা হৈছিল। তেওঁলোকে উত্থাপন কৰা প্ৰস্তাৱটো তীব্ৰভাৱে বিৰুদ্ধাচৰণ কৰা বিধায়কসকলৰ ভিতৰত অন্যতম আছিল মতিৰাম বৰা। তেখেতে এই সন্দৰ্ভত বিধান সভাত এক দীঘলীয়া বক্তৃতা দিছিল। বক্তৃতাটোৰ কিয়দাংশ এনেধৰণৰ, "কি আদৰ্শত, কি লক্ষ্যত অনুপ্ৰাণিত হৈ আমি আসাম বিশ্ববিদ্যালয় পাতিবলৈ বিচাৰিছোঁ? আমি এনেকুৱা লক্ষ্য আগত ৰাখিছোঁ যে ভৱিষ্যত আসাম বিশ্ববিদ্যালয় এনেকৈ গঢ়ি উঠিব যে তাত কোনো বৰ্ণ বৈষম্য নাথাকিব, কোনো জাতিয়ে আন কোনো জাতিৰ ওপৰত আধিপত্য বিস্তাৰ কৰিব নোৱাৰিব, আৰু তাত সকলো জাতিৰ সমান সুযোগ সুবিধা থাকিব। এনেকুৱা মহান আদৰ্শ মহান লক্ষ্যত অনুপ্ৰাণিত হৈহে আমি বিশ্ববিদ্যালয় গঢ়িবলৈ ওলাইছোঁ। এই আদৰ্শ দলিয়াই পেলাই যদি তাৰ ঠাইত Communal representation সুমুৱাই দিয়া হয়, তেনেহ'লে আমাৰ বিশ্ববিদ্যালয় সেই মহান আদৰ্শত গঢ়ি নুঠি খোৱা-কামোৰা, বাদ-বিসম্বাদ আৰু গৃহকন্দলৰ বেহুতহে পৰিণত হ'ব। যদি Communal representation আমি মানি লওঁ তেন্তে আসামৰ উন্নতিৰ নিমিত্তে যি বিশ্ববিদ্যালয় আমি বিচাৰিছোঁ তাৰ দ্বাৰা আমাৰ উন্নতি নহৈ দেশৰ ঘোৰ অমঙ্গলহে হ'ব।" উল্লেখযোগ্য যে গুৱাহাটী বিশ্ববিদ্যালয় ১৯৪৮ চনত প্ৰতিষ্ঠা হোৱাৰ পিছত বিশ্ববিদ্যালয়ৰ অধিনিয়ম মতে পাঁচগৰাকী বিধায়ক গুৱাহাটী বিশ্ববিদ্যালয়ৰ কোৰ্টলৈ নিৰ্বাচন কৰা হৈছিল। গুৱাহাটী বিশ্ববিদ্যালয়লৈ নিৰ্বাচিত হোৱা প্ৰথম পাঁচগৰাকী বিধায়ক হৈছে বনেলী খংমেন (বিধানসভাৰ উপাধ্যক্ষা), মতিৰাম বৰা (বিধায়ক), হৰেশ্বৰ দাস (বিধায়ক), বেলিৰাম দাস (বিধায়ক), ৰাজেন্দ্ৰনাথ বৰুৱা (বিধায়ক)। মতিৰাম বৰা অসম পথ যোগাযোগ পৰিষদৰ এগৰাকী সন্মানীয় সদস্য আছিল। বিধায়ক হৈ থাকোঁতে তেখেতে অসম মীন পাম আৰু উদ্যোগ

লিমিটেডৰ এগৰাকী অন্যতম সঞ্চালক আছিল।[২৪]

১৯৪২ চনৰ আন্দোলনত প্ৰাণ আহুতি দিয়া নগাঁৱৰ শ্বহীদসকলৰ স্মৃতি যুগমীয়া কৰিবলৈ মতিৰাম বৰাৰ নেতৃত্বত ১৯৪৮ চনত হেলিডে হল আৰু পাব্লিক লাইব্ৰেৰীৰ ভেটিতে শ্বহীদ ভৱন আৰু পাব্লিক লাইব্ৰেৰীৰ নিৰ্মাণৰ কাম আৰম্ভ হৈছিল।[২৫] ১৯৪৮ চনৰ ৭ মে' তাৰিখে গোপীনাথ বৰদলৈয়ে আধাৰশিলা স্থাপন কৰা শ্বহীদ ভৱনটোৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ হৈছিল ১৯৫০ চনত। বিশিষ্ট লেখক কুমুদচন্দ্ৰ দাসৰ "ৰূপান্তৰৰ ডুখৰীয়া ছবি" শীৰ্ষক প্ৰবন্ধটিত শ্বহীদ ভৱনটোৰ বিষয়ে এনেদৰে লিখা আছে, "মতিৰাম বৰাদেৱৰ চেষ্টাত শ্বহীদ ভৱন আৰু লাইব্ৰেৰী একেলগে নিৰ্মাণ হোৱাত পঢ়া মানুহে পঢ়িবলৈ এটি সুন্দৰ লাইব্ৰেৰী পালে আৰু ৰাইজে মেল-মিটিং পাতিবলৈ মনোৰম পৰিৱেশৰ এটি ঘৰ পালে।"

নগাঁও কলেজ, ডিব্ৰুগড় মেডিকেল কলেজ, গুৱাহাটী বিশ্ববিদ্যালয়, গুৱাহাটী উচ্চ ন্যায়ালয়, শ্বহীদ ভৱন, শ্ৰীমন্ত শঙ্কৰ সংঘ, শ্ৰীমন্ত শঙ্কৰ মিশ্যন আদি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান প্ৰতিষ্ঠাৰ ক্ষেত্ৰত মতিৰাম বৰাই প্ৰদৰ্শন কৰা বিশেষ কৰ্ম তৎপৰতাত মুগ্ধ হৈ অসমৰ তদানীন্তন মুখ্য মন্ত্ৰী গোপীনাথ বৰদলৈয়ে তেখেতক ১৯৫০ চনৰ ১১ মে' তাৰিখে মন্ত্ৰীসভাত স্থান দিছিল।[২৬] ৰাজ্যপাল জয়ৰাম দাস দৌলতৰামে শপত বাক্য পাঠ কৰোৱাৰ পিছত তেখেতে শিক্ষা, যোগান, আসাদন, ভোগ্যপণ্য, সাহায্য আৰু পুনৰ সংস্থাপন আদি দপ্তৰৰ মন্ত্ৰী হিচাপে দায়িত্ব চমজি লৈছিল। অতিৰিক্তভাৱে তেখেতে অসম সংখ্যালঘু পৰিষদৰ অধ্যক্ষৰ দায়িত্ব গ্ৰহণ কৰিবলগীয়া হৈছিল। সেই সময়ত বৰদলৈ মন্ত্ৰীসভাৰ আন আন সদস্যসকল আছিল বিষ্ণুৰাম মেধি, জেমছ জয়মোহন নিকলছ ৰয়, ৰামনাথ দাস, আব্দুল মতলিব মজুমদাৰ, ৰূপনাথ শৰ্মা, আৰু অমিয় কুমাৰ দাস। মন্ত্ৰী হোৱাৰ পূৰ্বে মতিৰাম বৰা নগাঁও জিলা স্কুল ব'ৰ্ডৰ সভাপতি আছিল।

১৯৫০ চনৰ ৫ আগষ্ট তাৰিখে গোপীনাথ বৰদলৈৰ মৃত্যুৰ পিছত ৯ আগষ্ট তাৰিখে বিষ্ণুৰাম মেধিৰ নেতৃত্বত অসমৰ নতুন মন্ত্ৰীসভাই শপত গ্ৰহণ কৰে।[২৭] বিষ্ণুৰাম মেধিয়ে তেখেতৰ হাতত থকা ৰাজহ আৰু বিত্ত বিভাগ মতিৰাম বৰাৰ হাতত অৰ্পণ কৰে। বিত্ত মন্ত্ৰী হিচাপে মতিৰাম বৰাই ১৯৫১ চনৰ ৯ মাৰ্চ তাৰিখে বিধান সভাত ১৯৫১-৫২ চনৰ বাজেট দাখিল কৰে।[২৮] ১৯৫০ চনৰ ১৫ ডিচেম্বৰ তাৰিখে পৰলোকপ্ৰাপ্তি হোৱা স্বাধীন ভাৰতৰ প্ৰথমগৰাকী উপ প্ৰধানমন্ত্ৰী চৰ্দাৰ বল্লভ ভাই পেটেলক গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰি মতিৰাম বৰাই তেখেতৰ প্ৰথমটো বাজেট ভাষণ আৰম্ভ কৰিছিল। তেখেতে ৯৭ লাখ ৮৪ হাজাৰ টকা ঘাটি বাজেট দাখিল কৰি এনেদেৰ কয়, "I regret that I have not been able to present a bright picture for the next year. The budget for the next year threaten a deficit of Trs. 97.84 with a revenue receipt of Trs. 9,62,40 and a revenue expenditure of Trs. 10,60,24." বিত্ত-মন্ত্ৰী গৰাকীৰ বাজেট অধ্যয়ন কৰিলে দেখা যায় যে তেখেতে শিক্ষা, স্বাস্থ্য, আন্তঃগাঁথনি, গ্ৰাম্য উন্নয়ন, পথ আৰু যোগাযোগ আদিৰ দ্ৰুত উন্নয়নৰ বাবে পুঁজি আবণ্টনত কাৰ্পণ্য কৰা নাই। তেখেতে শিক্ষাখণ্ডৰ উন্নতিত অধিক গুৰুত্ব প্ৰদান কৰি নতুন শিক্ষানুষ্ঠান স্থাপন কৰাৰ প্ৰস্তাৱ আগবঢ়াইছিল। সেইবাবে বাজেটত ধাৰ্য কৰা মুঠ ধনৰাশিৰ ১৬ শতাংশ ধন শিক্ষাখণ্ডত ব্যয় কৰাৰ ওপৰত গুৰুত্ব দিছিল। অসম হৈছে কৃষিপ্ৰধান ৰাজ্য। সেইবাবে আমাৰ অৰ্থনীতি কৃষিৰ ওপৰত নিৰ্ভৰশীল, সেই কথা মৰ্মে মৰ্মে উপলব্ধি কৰি তেখেতে কৃষিখণ্ডৰ বিকাশৰ ওপৰত যথেষ্ট গুৰুত্ব দিয়া দেখা গৈছিল। অসমৰ যিবোৰ অঞ্চলত অধিক ধান উৎপাদন হয়, সেইবোৰ অঞ্চলৰপৰা সুবিধাজনকভাৱে ধান সংগ্ৰহ কৰিবলৈ নতুনকৈ পথ নিৰ্মাণ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ

কৰি নগাঁও জিলাত তিনিটা পথ, গোৱালপাৰা জিলাত ১টা পথ, দৰং জিলাত ৩টা পথ, কামৰূপ জিলাত ২টা পথ, কাছাৰ জিলাত ২টা পথ, শিৱসাগৰ জিলাত ১টা পথ আৰু উত্তৰ লখিমপুৰত ১টা পথ বনাবলৈ বাজেটত প্ৰস্তাৱ আগবঢ়াইছিল। নগাঁৱত নিৰ্মাণ হোৱা পথ তিনিটা হৈছে— (১) ডবকা-যমুনামুখ পথ (২) হোজাই ৰে'ল ষ্টেচন পথ (৩) বাচনাঘাট-ভূৰাগাঁও পথ। পথ নিৰ্মাণৰ ক্ষেত্ৰত তেখেতে নগাঁও জিলাক অধিক গুৰুত্ব দিয়া দেখা গৈছিল। যুদ্ধোত্তৰ পথ পুনৰ নিৰ্মাণ প্ৰকল্পৰ অধীনত নগাঁও জিলাত ১০০ মাইল দৈৰ্ঘ্যৰ ৯টা পথৰ কাম ইতিমধ্যে আৰম্ভ কৰা হৈছে বুলি তেখেতে তেখেতৰ বাজেট ভাষণত উল্লেখ কৰে। পথকেইটা হৈছে—

(১) নগাঁও—লাওখোৱা—ভূৰবন্ধা পথ
(২) নগাঁও—ভূৰাগাঁও পথ ধিং বজাৰলৈ
(৩) নখোলা—ভকতগাঁও—ৰাজামায়ং কলঙঘাট পথ
(৪) মৰিগাঁও—ভকতগাঁও পথ
(৫) ধৰমতুল—দন্দুৱা পথ
(৬) পুৰণিগুদাম ৰে'লৱে ষ্টেচন—কে এ পথ
(৭) বৰভগীয়া—মিকিৰভেটা—ধিং পথ
(৮) সৰুপথাৰ—যমুনামুখ পথ
(৯) চামগুৰি—লাইলুৰি পথ।[২৯] তেখেতৰ দিনতে ১৯৫২-৫৩ চনত নগাঁও ৰাষ্ট্ৰীয় ঘাইপথৰ কলং নদীৰ ওপৰত এখন বহল আৰু শক্তিশালী পকী সেতু নিৰ্মাণৰ কাম আৰম্ভ হৈছিল।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্তঃগাঁথনিৰ উন্নয়নৰ বাবে তেখেতে বিত্তমন্ত্ৰী হিচাপে প্ৰত্যেক বিত্তীয় বৰ্ষতে পুঁজি আবণ্টন দিয়া দেখা গৈছিল। ১৯৫১ চনত ৫ লাখ টকা, ১৯৫৪ চনত ১০ লাখ ৭৫ হাজাৰ টকা আদি। ১৯৫৫-৫৬ চনৰ বাজেটত গুৱাহাটী বিশ্ববিদ্যালয়ৰ উন্নয়নৰ এটি খতিয়ান তেখেতে এনেধৰণে দাঙি ধৰিছিল, "The main block of the administrative building and the building for the science laboratories have been completed. A number of residential quarters have also been built. It will now be possible for the university to start post graduate classes in Physics and Chemistry."[৩০]

ৰাজহমন্ত্ৰী মতিৰাম বৰাই ১৯৫৪-৫৫ বিত্তীয় বৰ্ষৰ বাবে যি বাজেট দাখিল কৰিছিল, তাত তেখেতে মৎস্য উৎপাদন বৃদ্ধি কৰিবলৈ চৰকাৰে গ্ৰহণ কৰা মীন পালন আঁচনিৰ অধীনত গুৱাহাটী, ৰহা, শিৱসাগৰ, শিলচৰ, আৰু ডিব্ৰুগড়ত মীনপাম আৰম্ভ কৰাৰ কথা উল্লেখ কৰে। তেখেতৰ বিশেষ উদ্যোগতে নগাঁও জিলাৰ ৰহাত জোঙাল বলহু গড় মীন পাম গঢ়ি উঠিছিল। বীৰ জোঙাল বলহুৰ স্মৃতি যুগমীয়া কৰাৰ স্বাৰ্থত লোৱা পদক্ষেপটোৰ বাবে অসমবাসী সদায়েই তেখেতৰ প্ৰতি কৃতজ্ঞ হৈ ৰ'ব।[৩১]

শিক্ষানুৰাগী মতিৰাম বৰাই ভালদৰে জানিছিল যে অসমীয়া জাতিৰ উন্নতি হ'বলৈ হ'লে প্ৰত্যেকগৰাকী অসমীয়াই শিক্ষাৰ পোহৰ পাব লাগিব। সেইবাবে তেখেতে বিত্তমন্ত্ৰী হিচাপে এই শিতানত প্ৰতিবছৰে বাজেটত পুঁজিৰ পৰিমাণ বৃদ্ধি কৰাৰ লগতে ৰাজহমন্ত্ৰী হিচাপে ৰাইজৰ প্ৰচেষ্টাত গঢ়ি উঠা শিক্ষানুষ্ঠানসমূহক অতি সৰল প্ৰক্ৰিয়াত ভূমি আবণ্টন দি অসমৰ চুকে-কোণে শিক্ষানুষ্ঠানৰ সংখ্যা বৃদ্ধিত সাৰ-পানী যোগাইছিল। শিক্ষাখণ্ডত বিভিন্ন বিত্তীয় বৰ্ষত ধাৰ্য কৰা পুঁজিৰ পৰিমাণ এনেধৰণৰ—১৯৫১-৫২ বৰ্ষত এক কোটি চৌৰাশী লাখ, ঊনান্নবৈ হাজাৰ টকা, ১৯৫২-৫৩ চনত এক কোটি আঠান্নবৈ লাখ বিৰাশী হাজাৰ টকা, ১৯৫৩-৫৪ বৰ্ষত ২ কোটি সোতৰ লাখ দহ হাজাৰ টকা, ১৯৫৪-৫৫ বৰ্ষত ২ কোটি আঠান্নবৈ লাখ সাতান্নবৈ হাজাৰ টকা। নগাঁও পলিটেকনিক, নগাঁৱৰ ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান আদি শিক্ষানুষ্ঠান প্ৰতিষ্ঠাত আগভাগ লৈছিল। প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকসকলক প্ৰশিক্ষণ দিবলৈ শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰিবলৈ স্থিৰ কৰি এই

আঁচনিৰ কাম চতিয়াৰপৰা আৰম্ভ কৰিছিল। স্বাধীনোত্তৰ কালত অসমৰ শিক্ষা ভেটি সুদৃঢ়ভাৱে নিৰ্মাণ কৰি জাতিটোৰ উত্তৰণৰ বাবে যথেষ্ট বৰঙণি আগবঢ়াই গ'ল কাৰণে তেখেতৰ স্মৃতি যুগমীয়া কৰিবলৈ নগাঁও জিলা সদৰত থকা গুণাভিৰাম বৰুৱা স্কুলখনৰ নাম ১৯৬৭ চনত মতিৰাম বৰাৰ নামত নতুনকৈ নামকৰণ কৰা হৈছিল। তেখেতৰ নামত থকা আন দুখনমান বিদ্যালয়ৰ নাম এনেধৰণৰ-- বৰঙাবাৰী মতিৰাম বৰা আদৰ্শ হাইস্কুল, চেণ্ট্ৰেল ধৰমতুল মতিৰাম বৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়।

প্ৰথম পাঁচ বছৰীয়া পৰিকল্পনা অধীনত মতিৰাম বৰাৰ বিত্তমন্ত্ৰীত্বৰ কালত অনুমোদন জনোৱা উমট্ৰো জলবিদ্যুৎ উৎপাদন কেন্দ্ৰটো ১৯৫৭ চনৰ ৯ জুলাই তাৰিখে অসমৰ তদানীন্তন ৰাজ্যপাল ফজল আলীয়ে উদ্বাধন কৰিছিল।[৩২] অনুষ্ঠানত তদানীন্তন অসমৰ গৃহমন্ত্ৰী মতিৰাম বৰাই অংশগ্ৰহণ কৰিছিল।

১৯৫২ চনত অনুষ্ঠিত হোৱা স্বাধীন ভাৰতৰ প্ৰথমটো বিধানসভা নিৰ্বাচনত মতিৰাম বৰাই মৰিগাঁও ধিং সমষ্টিৰপৰা পুনৰ বিধান সভালৈ নিৰ্বাচিত হৈ ২৫ ফেব্ৰুৱাৰীত পুৱা ৯.৩০ বজাত মন্ত্ৰী পদত শপত গ্ৰহণ কৰে।[৩৩] পুনৰ বিত্ত আৰু ৰাজহ দপ্তৰৰ দায়িত্ব লাভ কৰে। মন্ত্ৰীপদ লাভ কৰিয়েই মতিৰাম বৰাই ১৯৫২-৫৩ বৰ্ষৰ বাজেট ১০ মাৰ্চ তাৰিখে বিধানসভাত উত্থাপন কৰে। দুই কোটি চৌৰন্ন লাখ পঁয়ষষ্ঠি হাজাৰ টকা ঘাটি বাজেট উত্থাপন কৰি বিত্তমন্ত্ৰী গৰাকীয়ে ইয়াৰ কাৰণ প্ৰাকৃতিক আৰু অপ্ৰাকৃতিক বিপৰ্যয় বুলি উল্লেখ কৰিছিল। বাজেট ভাষণত তেখেতে কেন্দ্ৰীয় চৰকাৰে অসমক মাহী আইৰ দৰে ব্যৱহাৰ কৰিছে বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য আগবঢ়ায়। ১৯৫২-৫৩ চনৰ বাজেটত মুঠ ৰাজহ সংগ্ৰহৰ পৰিমাণ ১০ কোটি ৫ লাখ ৪৩ হাজাৰ টকা ধাৰ্য কৰিছিল আৰু ব্যয়ৰ পৰিমাণ ১২ কোটি ৬০ লাখ ৮ হাজাৰ টকা নিৰ্ধাৰণ কৰিছিল। পিছত সংশোধিত বাজেটত দেখা গ'ল যে মুঠ ৰাজহ সংগ্ৰহ হয় ১৪ কোটি ২৭ লাখ ৬২ হাজাৰ টকা আৰু ব্যয় হয় ১২ কোটি ৫৮ লাখ ৯ হাজাৰ টকা। উক্ত বিত্তীয় বৰ্ষ শেষ হোৱাত দেখা গ'ল যে, অসম চৰকাৰে ১ কোটি ৬৯ লাখ ৬১ হাজাৰ টকা ৰাহি কৰিবলৈ সক্ষম হৈছিল।[৩৫] বিত্তমন্ত্ৰী হিচাপে মতিৰাম বৰাই দক্ষতাৰ পৰিচয় দিব পাৰিছিল। ইয়াৰ পিছত অৱশ্যে তেখেতে দাখিল কৰা প্ৰত্যেকখন বাজেটেই আছিল ঘাটি বাজেট।

১৯৫৭ চনৰ বিধানসভা নিৰ্বাচনত মতিৰাম বৰাই লাহৰিঘাট সমষ্টিৰপৰা কংগ্ৰেছৰ প্ৰাৰ্থী হিচাপে বিধানসভালৈ নিৰ্বাচিত হয়। ২২ এপ্ৰিলত বিষ্ণুৰাম মেধিৰ নেতৃত্বত ৯ গৰাকী কেবিনেট মন্ত্ৰী আৰু ৮ গৰাকী উপমন্ত্ৰীয়ে শপত গ্ৰহণ কৰে। মতিৰাম বৰাই গৃহ আৰু শিক্ষাৰ দৰে দুটা গুৰুত্বপূৰ্ণ দপ্তৰৰ মন্ত্ৰীপদ লাভ কৰিবলৈ সক্ষম হৈছিল।[৩৬] ১৯৫৭ চনৰ ২৮ ডিচেম্বৰ তাৰিখে বিমলাপ্ৰসাদ চলিহাৰ নেতৃত্বত এখন নতুন মন্ত্ৰীসভাই শপত গ্ৰহণ কৰিছিল। বিষ্ণুৰাম মেধিৰ পন্থীৰ মানুহ বুলি মতিৰাম বৰাৰ এক বিশেষ পৰিচয় আছিল বাবেই চলিহাৰ মন্ত্ৰীসভাত তেখেতে স্থান নাপালে বুলি জনা যায়।

মন্ত্ৰী মতিৰাম বৰাই সফলতাৰে তেখেতৰ চৰকাৰী দায়িত্ব পালন কৰাৰ উপৰি অসমৰ সাহিত্য-সংস্কৃতিৰ প্ৰতি যে তেখেত দায়বদ্ধ, তাৰো পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছিল। বৰদোৱাৰ স্বত্বলৈ নৰোৱা (বৰহিছা) আৰু শলগুৰি (সৰু হিছা)ৰ মাজত বিবাদৰ সূত্ৰপাত হোৱাত, কমলেশ্বৰ সিংহৰ ৰাজসভাত এই বিবাদৰ বিষয়ে আলোচনা হয়। স্বৰ্গদেৱে পূৰ্ণানন্দ বুঢ়াগোহাঁই আৰু ভদৰী বৰবৰুৱাক চৰজমিন তদন্ত কৰি বিবাদ মীমাংসা কৰিবলৈ পঠিয়াইছিল। কোনো প্ৰকাৰে বিবাদ মীমাংসা কৰিব নোৱাৰি থানৰ কীৰ্ত্তন-ঘৰ দীঘে দীঘে দুভাগ কৰি নৰোৱা আৰু শলগুৰিক ভগাই দিয়ে। দুটা ভাগত বিভক্ত বৰদোৱা থান একত্ৰিত কৰা কাৰ্যত অসমৰ যিসকল পুৰোধা ব্যক্তি জৰিত আছিল, তাৰ ভিতৰত মতিৰাম বৰা অন্যতম

আছিল। তেখেতে মন্ত্ৰী হোৱাৰ সুবাদতে বৰদোৱা থানৰ কীৰ্ত্তন-ঘৰটো নতুনকৈ নিৰ্মাণ কৰি দিছিল। ১৯৫৮ চনৰ ১১অক্টোবৰ তাৰিখে বটদ্ৰৱা থানৰ নৱনিৰ্মিত ঘৰৰ দুৱাৰ মুকলি হৈছিল। আইভেটি সত্ৰৰ আত্মনন্দদেৰ অধিকাৰে বৰদোৱাৰ কীৰ্তন-ঘৰ একত্ৰিত হোৱাৰ সম্পৰ্কত 'দত্তবৰুৱাৰ জীৱন কথা'ত এনেদৰে লিখিছে, "আজি অসমৰ সুযোগ্য সন্তান মতিৰাম বৰাদেৱৰ অশেষ যত্নত থানৰ দুটি কীৰ্ত্তন-ঘৰৰ ঠাইত এটা কীৰ্ত্তন-ঘৰ হ'ল।" ড° মহেশ্বৰ নেওগে পৱিত্ৰ অসমত একত্ৰিত সন্দৰ্ভত এনেদৰে লিখিছে, "তেতিয়াৰ বিত্তমন্ত্ৰী মতিৰাম বৰাৰ আদৰ আশাশুধীয়া চেষ্টাত দ্বিখণ্ড বৰদোৱা পুনৰ মিলিত হয়, দুটি কীৰ্ত্তনঘৰ গুচি এটি হয়।" বিশিষ্ট স্বাধীনতা সংগ্ৰামী পূৰ্ণচন্দ্ৰ শৰ্মাই তেখেতৰ আত্মজীৱনীৰ দ্বিতীয় খণ্ডত এনেদৰে লিখিছে, "বটদ্ৰৱা সত্ৰৰ ভিতৰত বিবাদ কঠোৰতাৰে নিষ্পত্তি কৰি বৰাই সত্ৰখন নতুন সাঁচত প্ৰতিষ্ঠা কৰাৰ বাবে বৰাৰ যশস্যা যাউতিযুগীয়া হৈ ৰ'ব। বৰপেটাৰ কীৰ্ত্তন-ঘৰৰ কাৰণে বৰাৰ অৰ্থ-সাহায্য আৰু মহেন্দ্ৰ মোহন চৌধুৰীৰ আপ্ৰাণ চেষ্টা সদায় মহাপুৰুষৰ ভক্তসকলৰে নহয় সদৌ অসমবাসীৰ কৃতজ্ঞতা লাভ কৰিব।" দহ মুকুতৰ থান শ্ৰীশ্ৰীমধুপুৰ সত্ৰৰ উন্নতিৰ বাবে পঞ্চাশ দশকৰ আৰম্ভণিতে এখন পুনৰ নিৰ্মাণ সমিতি গঠন কৰা হৈছিল। এই সমিতিৰ প্ৰতিগৰাকী সদস্যই মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ স্মৃতি যুগমীয়া কৰিবলৈ মধুপুৰ সত্ৰৰ পুনৰ প্ৰতিষ্ঠাৰ কৰ্মত নিজকে আত্মনিয়োগ কৰিছিল। সমিতিখনৰ এগৰাকী সহকাৰী সভাপতি হিচাপে তদানীন্তন অসমৰ বিত্তমন্ত্ৰী মতিৰাম বৰাই যথেষ্ট সহায়-সহযোগিতা আগবঢ়াইছিল। বিষ্ণুৰাম মেধিৰ নেতৃত্বত গঠন হোৱা সমিতিখনত নীলমণি ফুকনে কাৰ্যকৰী সভাপতি আৰু হৰিনাৰায়ণ দত্ত বৰুৱাই সম্পাদকৰ দায়িত্ব পালন কৰিছিল।[৩৭] ফৌজদাৰীপট্টিৰ ঐতিহ্যমণ্ডিত কলা মন্দিৰৰ জন্মলগ্নত যিসকল ব্যক্তি জড়িত আছিল, সেইসকলৰ ভিতৰত মতিৰাম বৰা অন্যতম।

দ্বিতীয় বিশ্বযুদ্ধ, ভাৰত ত্যাগ আন্দোলন, দুৰ্বল প্ৰশাসন আদি বিভিন্ন কাৰণত অসম সাহিত্য সভালৈ দুৰ্দিন নামি আহিছিল। অসম সাহিত্য সভাৰ ৰূপলেখা গ্ৰন্থখনৰ প্ৰণেতা অতুল চন্দ্ৰ হাজৰিকাই গ্ৰন্থখনত এই সময়ছোৱাক শনিৰ দশা বুলি অভিহিত কৰিছে। ১৯৫২ চনত অনুষ্ঠিত হোৱা শ্বিলং অধিৱেশনত অভ্যৰ্থনা সমিতিৰ সভাপতি মতিৰাম বৰাৰ বিশেষ উদ্যোগতহে সাহিত্য সভাৰ ভাল দিন উভতি আহিছিল। এই সন্দৰ্ভত অতুল চন্দ্ৰ হাজৰিকাই উপৰোক্ত গ্ৰন্থখনত এনেদৰে লিখিছে, "অৱশেষত সুদিনৰ ফেঁহুজালি দিলে তেতিয়া সমগ্ৰ অসমৰ ৰাজধানী ছিলং নগৰীত। সেই সুদিন আনিছিল কোনে? ঠোৰতে ক'বলৈ হ'লে পোনতে দুজনৰ নাম ল'ব লাগিব। এজন ছিলং মুকুল সংঘৰ সভাপতি, 'মইনা'ৰ গ্ৰন্থকাৰ হৰিপ্ৰসাদ বৰুৱাদেৱ (প্ৰাক্তন মুখ্য অভিযন্তা) আৰু আনজন তেতিয়াৰ অসমৰ বিত্তমন্ত্ৰী মতিৰাম বৰা ডাঙৰীয়া। সভাপতি বৰুৱা আৰু সম্পাদক শ্ৰীগণেশ চন্দ্ৰ ফুকনৰ (প্ৰাক্তন বিত্ত সচিব) নেতৃত্বত মুকুল সংঘৰ সকলোটি সদস্য আৰু বৰা ডাঙৰীয়াৰ নেতৃত্বত অসম চৰকাৰৰ সৰু-বৰ কৰ্মচাৰীসকল তেনে এটা সংকটৰ সময়ত আগবাঢ়ি নহা হ'লে অসম সাহিত্য সভাৰ ভেটিত কিজানি তিতালাও গজিলহেঁতেন আৰু আজিৰ জয় জয় ময় ময় অৱস্থা সম্ভৱ নহ'লহেঁতেন।"

### চাৰি

অসমৰ তদানীন্তন বিত্ত আৰু ৰাজহমন্ত্ৰীয়ে নগাঁও জিলাত এখন আদৰ্শ নগৰ আৰু এখন আদৰ্শগাঁও গঢ়ি তুলিবলৈ পৰিকল্পনা কৰিছিল। ১৯৫৪ চনত নগাঁৰৰ ফৌজদাৰীপট্টিৰ পুলিচ ৰিজাৰ্ভৰ সমীপত সৰ্পিল গতিত বৈ থকা কলংখনক বান্ধি দক্ষিণ হয়বৰগাঁৱেদি কলংখন বোৱাই নি আদৰ্শ নগৰৰ বাবে ভূমি মুকলি কৰিছিল। ৰাজহমন্ত্ৰী হিচাপে তেখেতে নগাঁও নগৰত বসবাস কৰা নগৰত ভূমি নথকা খিলঞ্জীয় মানুহক ঘৰ বনাই থাকিবলৈ ভূমিখিনি

একচনা পট্টাভুক্ত কৰি আঢ়ৈ কঠাকৈ কেইবাটাও ভূমিখণ্ডত ভগাই আবণ্টন দিছিল। বৰ্তমান সেই অঞ্চলটো মিলনপুৰ আদৰ্শ নগৰ নামেৰে পৰিচিত।[৩৮] ভূমিহীন কৃষকৰ পুনৰ সংস্থাপন দিবলৈ এখন আদৰ্শ গাঁও গঢ় দিয়াৰ পৰিকল্পনা কৰি ১৯৫০ চনত তদানীন্তন ৰাজহমন্ত্ৰী মতিৰাম বৰাই কাকী বনাঞ্চল জনাঞ্চললৈ পৰিৱৰ্তন কৰিছিল। মতিৰাম বৰাই কাকীত আদৰ্শগাঁও গঢ় দিয়াৰ সন্দৰ্ভত বিশিষ্ট অধিবক্তা হেমকান্ত শৰ্মাই “নগাঁও বাৰ-লাইব্ৰেৰীৰ সংক্ষিপ্ত ইতিহাস” নামৰ প্ৰৱন্ধটিত এনেদৰে লিখিছে, “নগএগা খেতিয়কসকলৰ কাৰণে কাকীত মাটি, আবাদ কৰি খেতিৰ উপযোগী কৰি তাত অসমীয়া মানুহক মাটি আবণ্টন দিছিল আৰু সেই মাটি যাতে অসমীয়া মানুহে সহজে বিক্ৰী-হস্তান্তৰ কৰিব নোৱাৰে, তাৰ বাবে মাটিবিলাক একচনা পট্টাভুক্ত কৰি ৰাখিছিল। কালক্ৰমত সেই মাটি বহু অসমীয়া মানুহে ৰাখিব পৰা নাই, বহু মাটি বেআইনীভাৱে বিক্ৰী-হস্তান্তৰ কৰি সোণৰ কণী পৰা হাঁহৰ পেট ফালি এপোৰা কণী উলিওৱা কামত ধৰিছে, তাৰবাবে মতিৰাম বৰাক কোনেও দায়ী কৰিব নোৱাৰে। ইমান প্ৰভাৱশালী মন্ত্ৰী মতিৰাম বৰাৰ মৃত্যুৰ পিছত দেখা গ'ল যে তেওঁ নিজৰ সম্পত্তি বুলিবলৈ উকীল হৈ থাকোতেই কৰা নগাঁও চহৰত এখন ঘৰ আৰু পৰিবাৰসহ তিনিটা ল'ৰা আৰু চাৰিজনী ছোৱালীৰ এখন সংসাৰ।” মতিৰাম বৰাৰ পত্নীৰ নাম আছিল ভোগেশ্বৰী বৰা। তেখেতৰ তিনিগৰাকী পুত্ৰ, ক্ৰমে— হেম বৰা (ভাৰতীয় প্ৰশাসনিক সেৱাৰ উচ্চ-পদস্থ প্ৰাক্তন বিষয়া), অতুল বৰা (প্ৰাক্তন মহাধিবক্তা) আৰু ফণীন্দ্ৰ কুমাৰ বৰা (অধিবক্তা)। চাৰিগৰাকী জীয়াৰী ক্ৰমে সত্যব্ৰতী শইকীয়া, অমিয়া বৰা, অৰুণা বৰা আৰু মীৰা চৌধুৰী।

১৯৫৭ চনত অনুষ্ঠিত হোৱা বিধান সভাৰ নিৰ্বাচনত নগাঁও সদৰ সমষ্টিৰপৰা কংগ্ৰেছৰ টিকেটত প্ৰতিদ্বন্দ্বিতা কৰি দেৱকান্ত বৰুৱা বিধায়ক হিচাপে নিৰ্বাচিত হৈছিল। উক্ত নিৰ্বাচন অবৈধ বুলি উচ্চ ন্যায়ালয়ত গোচৰ দিয়াত দুবছৰ বিৰতিৰ পিছত উচ্চ ন্যায়ালয়ে এক শুনানিৰ জৰিয়তে এই নিৰ্বাচন অবৈধ বুলি ঘোষণা কৰে। ইয়াৰ ফলশ্ৰুতিত ১৯৫৯ চনৰ নৱেম্বৰ মাহত নগাঁও সদৰ সমষ্টিত উপনিৰ্বাচন অনুষ্ঠিত হৈছিল। এই নিৰ্বাচনত কংগ্ৰেছৰ শক্তিশালী প্ৰাৰ্থী দেৱকান্ত বৰুৱা, চি পি আইৰ প্ৰাৰ্থী ফণী বৰাৰ হাতত ৫,৩৩৪ টা ভোটৰ ব্যৱধানত পৰাজয় বৰণ কৰে। কংগ্ৰেছ প্ৰাৰ্থীগৰাকীৰ পৰাজয়ৰ আঁৰত একাংশ কংগ্ৰেছ নেতা জৰিত আছে বুলি সন্দেহ কৰা হৈছিল। অভিযোগৰ আঙুলি উঠিছিল মতিৰাম বৰা, দেবেশ্বৰ শৰ্মা আৰু পূৰ্ণচন্দ্ৰ শৰ্মা আদিলৈ।[৩৯] বিষয়টো তদন্ত কৰিবলৈ তিনিজনীয়া তদন্ত কমিটি এখন গঠন কৰা হৈছিল। ড° ডব্লিউ এছ বাৰ্লিঙ্গৰ নেতৃত্বত গঠন হোৱা কমিটিখনৰ সদস্যদ্বয় আছিল বিজয় চন্দ্ৰ ভাগৱতী আৰু শৰৎ চন্দ্ৰ সিংহ।[৪০] এই অভিযোগটোৰ বাবে দেবেশ্বৰ শৰ্মাই মন্ত্ৰীত্বৰ পদ হেৰুৱাবলগীয়া হৈছিল। তেওঁলোকৰ বিৰুদ্ধে থকা অভিযোগ প্ৰমাণিত নোহোৱাত তিনিওকে দোষমুক্ত কৰিবলৈ কগ্ৰেছ দল বাধ্য হ'ল।

তাৎপৰ্যপূৰ্ণভাৱে ১৯৬২ চনৰ ১৯ ফেব্ৰুৱাৰীত অনুষ্ঠিত হোৱা বিধানসভাৰ নিৰ্বাচনত মতিৰাম বৰাক কংগ্ৰেছ দলে নগাঁও সদৰ সমষ্টিৰপৰা প্ৰাৰ্থিত্ব প্ৰদান কৰে। মতিৰাম বৰাই বিধায়ক ফণী বৰাৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা কৰি ২৫,১০২ টা ভোট লাভ কৰে। চি পি আইৰ প্ৰাৰ্থী ফণী বৰাই ৯৫৮৬ টা ভোট লাভ কৰিবলৈ সক্ষম হৈছিল। মতিৰাম বৰাই ১৫,৫১৬ টা ভোটৰ ব্যৱধানত জয়লাভ কৰে।[৪১] বিষ্ণুৰাম মেধি অসমৰ ৰাজনীতিৰপৰা আঁতৰি যোৱাৰ পিছৰপৰাই মতিৰাম বৰাই কংগ্ৰেছ দলত নিজৰ খোপনি হেৰুৱাবলৈ আৰম্ভ কৰিছিল। কংগ্ৰেছ দলৰ ভিতৰচ'ৰাত থকা মতিৰাম বৰাৰ বিৰোধী চক্ৰটোৱে তেখেতক দলৰপৰা আঁতৰ কৰিবলৈ সুযোগ-সুবিধা বিচাৰি আহিছিল। অৱশেষত, ১৯৬২ চনৰ সাধাৰণ

নিৰ্বাচনৰ পিছত তেখেতক বিভিন্ন অভিযোগেৰে অভিযুক্ত কৰি পাঁচ বছৰৰ বাবে কংগ্ৰেছ দলৰপৰা বহিষ্কাৰ কৰিবলৈ বিৰোধীচক্ৰটো সক্ষম হৈছিল। অসম প্ৰদেশ কংগ্ৰেছ দলে মিছা অভিযোগেৰে মতিৰাম বৰাক দলৰপৰা বহিষ্কাৰ কৰা দিনাৰপৰাই তেখেতৰ স্বাস্থ্যৰ অৱনতি হোৱা বুলি জনা যায়। তেখেতৰ ওপৰত আৰোপ হোৱা অভিযোগসমূহ ভিত্তিহীন আৰু চক্ৰান্তমূলক বুলি কংগ্ৰেছ দলৰ ঊৰ্দ্ধতন কৰ্তৃপক্ষক জ্ঞাত কৰিবলৈ পত্ৰেৰে তেওঁ যোগাযোগ কৰিছিল।[৪২] নিখিল ভাৰত কংগ্ৰেছ কমিটিয়ে বিষয়টোৰ ওপৰত তদন্ত কৰাত তেখেত নিৰ্দোষী প্ৰমাণিত হ'ল। ১৯৬৩ চনৰ ১০ অক্টোবৰ তাৰিখে তেখেতক দলে সকলো ধৰণৰ শাস্তিৰপৰা ৰেহাই দিলে। এই খবৰটো ১৯৬৩ চনত ১১ অক্টোবৰ তাৰিখৰ সকলো বাতৰি কাকতত ডাঙৰ ডাঙৰ হৰফেৰে প্ৰকাশ হৈছিল।[৪৩]

বিধিৰ কি বিধান, ভাল খবৰটো কঢ়িয়াই অনা বাতৰি কাকতখন মতিৰাম বৰাৰ হাতত পৰাৰ আগমুহূৰ্তত তেখেত জ্ঞানশূন্য হৈ পৰে আৰু তাৰ ঠিক আধাঘণ্টাৰ পিছত অৰ্থাৎ বিয়লি ৩.২৭ বজাত তেখেতে বৈকুণ্ঠধামলৈ গতি কৰে। পৰিতাপৰ কথা এইটোৱে যে যিটো খবৰ পঢ়িবলৈ অধীৰ আগ্ৰহেৰে বাতৰিকাকত প্ৰত্যেকদিনাই মেলি লৈছিল, সেই ভাল খবৰটো মতিৰাম বৰাই নপঢ়াকৈয়ে মৃত্যুক আঁকোৱালি ল'ব লগা হ'ল। মতিৰাম বৰাৰ মৃত্যুৰ বাতৰিটো চাৰিওফালে বিয়পি পৰাত অবিসম্বাদী নেতাগৰাকীৰ শেষ দৰ্শনৰ বাবে বহু সংখ্যক মানুহ তেখেতৰ ফৌজদাৰীপট্টিস্থিত বাসগৃহত উপস্থিত হয় আৰু শেষ শ্ৰদ্ধা জ্ঞাপন কৰে।

প্ৰতিটো ক্ষণতে অসমীয়া জাতিৰ কথা চিন্তা কৰা অসম কেশৰী অম্বিকাগিৰী ৰায় চৌধুৰীয়ে মতিৰাম বৰাৰ মৃত্যুত শোক প্ৰকাশ কৰি লিখা চিঠিখনৰ কিয়দাংশ এনেধৰণৰ, "...তেখেতৰ প্ৰতি কেইজনমান ৰাক্ষসধৰ্মী, দেশদ্ৰোহী, কংগ্ৰেছ-আদৰ্শহীন হিংসুক দানৱৰ অন্যায় ব্যৱহাৰেই যে অকালতে হঠাৎ তেখেতৰ আত্মাৰ অন্তৰ্ধান ঘটালে, সেইটোৱে মোক বেছিকৈ যন্ত্ৰণা দিছে।"[৪৪]

১০ নৱেম্বৰ, ১৯৬৩ চনত মতিৰাম বৰাৰ আদ্যশ্ৰাদ্ধ সম্পন্ন হোৱাৰ পিছত ৰাতি তেখেতৰ স্মৃতিত 'স্বৰ্গাৰোহণ' ভাওনা প্ৰদৰ্শন কৰা হৈছিল।[৪৫] নগাঁও মহাবিদ্যালয়ে গৌৰৱোজ্জ্বল ৭৫ টা বছৰ অতিক্ৰম কৰাৰ শুভ ক্ষণত স্বৰ্গত স্থান পোৱা মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাপকগৰাকীক জনাইছোঁ শতকোটি প্ৰণাম।

"জয়তু নগাঁও মহাবিদ্যালয়"❑

OBITUARY

The 14th October 1963

**No.GAG.1/63.**—The Government of Assam have learnt with profound regret the news of the death of Shri Motiram Bora, a member of the Assam Legislative Assembly and a former Minister of Assam in the afternoon of 11th October, 1963 at his residence at Newgong.

Born in 1897, late Shri Bora received his education at Gauhati and Calcutta and after obtaining his Law Degree he joined the Bar where he proved to be a successful Lawyer. He joined the "Non-Co-operation Movement" while he was a student and in later years suffered imprisonment a number of times in connection with his participation as a Congressman in the "Quit India Movement" of 1942. He was elected as a member of the Assam Legislative Assembly in 1946, 1952, 1957 and 1961. He was an able Minister and tackled with conspicuous energy various problems of the State during the tenure of his Ministership.

Shri Bora was held in high esteem and his death is mourned all over the State. The Government of Assam convey their deepest condolence to the members of the bereaved family.

A. N. KIDWAI,
Chief Secretary to the Govt. of Assam.

'আসাম গেজেট'ত প্ৰকাশ হোৱা মতিৰাম বৰাৰ মৃত্যু সংবাদ।

**পাদ-টীকাঃ**

১. হৰেশ্বৰ গোস্বামী (সম্পাদক) ঃ খগেশ্বৰ গোস্বামী, কৃতি আৰু কীৰ্তি, পৃ. ১৩
২. The Assam Gazette, October 31, 1917, p. 1565
৩. University of Calcutta Calendar for the year 1918 & 1919, Part (II), Vol-II, p. 1410 to 1645.
৪. পূৰ্ণচন্দ্ৰ শৰ্মা ঃ স্বৰ্গীয় মতিৰাম বৰা ঃ সোঁৱৰণী (১৯৬৩ চনৰ ১৭ অক্টোবৰ তাৰিখে গণতন্ত্ৰ কাকতত প্ৰকাশিত প্ৰবন্ধ)
৫. The Assam Gazette, July 30, 1919, p. 1279.
৬. University of Calcutta Calendar 1929 (Part-II), Vol-I, p. 597.
৭. The Assam Gazette, September 21, 1921, p. 1072.
৮. The Assam Gazette, August 22, 1917, p. 1238
The Assam Gazette, August 28, 1918, p. 1065
৯. ড° লক্ষ্মীনন্দন বৰা ঃ কাল-বলুকাত খোজ, পৃ. ৪২
১০. University of Calcutta Calendar 1929 (Part-II), Vol-I, p. 239
১১. University of Calcutta Calendar 1924 (Part-II), Vol-II, p. 167
১২. অতুলচন্দ্ৰ হাজৰিকা (সম্পাদক) ঃ 'অসম ছাত্ৰ সন্মিলন' ভাষণ সংগ্ৰহ গ্ৰন্থ 'ভাষণমালা', পৃ. ২৮৬
১৩. যোগেন্দ্ৰ নাৰায়ণ ভূঞা (সম্পাদক) ঃ হীৰক-স্মৃতি, পৃ. ২
১৪. পূৰ্ণচন্দ্ৰ শৰ্মা ঃ স্বৰ্গীয় মতিৰাম বৰা ঃ সোঁৱৰণী
১৫. Report of the Enquiry Committee of Freedom Fighters, 1979, p. 654.
১৬. পূৰ্ণচন্দ্ৰ শৰ্মা ঃ স্বৰ্গীয় মতিৰাম বৰা ঃ সোঁৱৰণী
১৭. নৰেন্দ্ৰ নাথ বৰা ঃ ভাৰতৰ স্বাধীনতা সংগ্ৰামত কলিয়াবৰৰ ভূমিকা
পূৰ্ণচন্দ্ৰ শৰ্মা ঃ মোৰ অতীতৰ সোঁৱৰণী আৰু নগাঁও জিলা মুক্তি সংগ্ৰাম (দ্বিতীয় খণ্ড), পৃ. ২০
১৮. পূৰ্ণচন্দ্ৰ শৰ্মা ঃ স্বৰ্গীয় মতিৰাম বৰা ঃ সোঁৱৰণী
১৯. পূৰ্ণচন্দ্ৰ শৰ্মা ঃ মোৰ অতীতৰ সোঁৱৰণী আৰু নগাঁও জিলা মুক্তি সংগ্ৰাম (দ্বিতীয় খণ্ড), পৃ. ৭৩
২০. নৰেন্দ্ৰ নাথ বৰা ঃ ভাৰতৰ স্বাধীনতা সংগ্ৰামত কলিয়াবৰৰ ভূমিকা, পৃ. ৯৯
২১. PHA File No. 143/1942 Case records Nagaon.
২২. Assam Legislative Assembly, Debates, 1947, September Session
২৩. Assam Legislative Assembly, Debates, 1947, September Session, p. 1380
২৪. Assam Legislative Assembly, Debates, 1949, p. 724
২৫. ইন্দ্ৰেশ্বৰ গোস্বামী (সম্পাদক) ঃ শতবাৰ্ষিকী স্মৃতিগ্ৰন্থ, শ্বহীদ ভৱন আৰু পাব্লিক লাইব্ৰেৰী, পৃ. ১১২
২৫. যুগান্তৰ বাতৰিকাকত, ১২ মে', ১৯৫০, পৃ. ১
২৭. যুগান্তৰ বাতৰিকাকত, ১০ আগষ্ট, ১৯৫০
২৮. Budget Speech, 1951-52
২৯. Budget Speech, 1951-52, p. 54
৩০. Budget Speech, 1955-56, p. 39
৩১. নৰকান্ত বৰদলৈ (সম্পাদক) ঃ পবিতৰা (অসম সাহিত্য সভাৰ যাঠিতম্ মৰিগাঁও অধিৱেশন), পৃ. ১১৭
৩২. Budget Speech, 1955-56, p.5
যুগান্তৰ বাতৰিকাকত, ১০ জুলাই, ১৯৫৭
৩৩. যুগান্তৰ বাতৰিকাকত, ২৬ ফেব্ৰুৱাৰী, ১৯৫২
৩৪. যুগান্তৰ বাতৰিকাকত, ১১ মাৰ্চ, ১৯৫২
৩৫. Budget Speech, 1954-55, p.39
যুগান্তৰ বাতৰিকাকত, ১২ মাৰ্চ, ১৯৫৪
৩৬. The Assam Civil List corrected upto the 1st May, 1957
যুগান্তৰ বাতৰিকাকত, ২৩ এপ্ৰিল, ১৯৫৭
৩৭. দত্তবৰুৱা জীৱন-কথা, পৃ. ১০৯
৩৮. মিলনপুৰ আদৰ্শ নগৰৰ পুৰণি বাসিন্দা তথা বয়োজ্যেষ্ঠ নাগৰিক খৰ্গ সিং ডেকাৰ লগত হোৱা কথোপকথন
৩৯. পূৰ্ণচন্দ্ৰ শৰ্মা ঃ স্বৰ্গীয় মতিৰাম বৰা ঃ সোঁৱৰণী
৪০. দেৱেশ্বৰ শৰ্মা ঃ হেৰাই যোৱা দিনবোৰ, পৃ. ৪৯০
৪১. Statistical Report on General Election 1962 to the Legislative Assembly of Assam, p.84
৪২. পূৰ্ণচন্দ্ৰ শৰ্মা ঃ স্বৰ্গীয় মতিৰাম বৰা ঃ সোঁৱৰণী
৪৩. যুগান্তৰ বাতৰিকাকত, ১১ অক্টোবৰ, ১৯৬৩
৪৪. গণতন্ত্ৰ কাকত, ১৪ নৱেম্বৰ, ১৯৬৩
৪৫. গণতন্ত্ৰ কাকত, ১৪ নৱেম্বৰ, ১৯৬৩

**কৃতজ্ঞতা** - অসম ৰাজ্যিক অভিলেখাগাৰৰ বিষয়া-কৰ্মচাৰী শ্ৰীনৃপেন শৰ্মা, নবীন কৈৱৰ্ত্ত আৰু বাহাৰুল ইছলাম।

---

লেখক - প্ৰাক্তন ছাত্ৰ তথা ডচন উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ বিজ্ঞান শিক্ষক।



# সাহিত্যাচাৰ্য যজ্ঞেশ্বৰ শৰ্মাৰ বিষয়ে আৰু অলপ

**উপেন্দ্ৰ বৰকটকী**

**সা**হিত্যাচাৰ্য যজ্ঞেশ্বৰ শৰ্মাৰ দুটা বিৰল কৃতিত্বৰ এটাৰ বিষয়ে তেওঁ অসম সাহিত্য সভাৰ টিহু অধিৱেশনৰ (১৯৭৫) সভাপতি নিৰ্বাচিত হোৱাৰ পিছত 'অসমবাণী' কাকতত প্ৰকাশ পোৱা আমাৰ এটা প্ৰবন্ধত উল্লেখ কৰা হৈছিল। সেইটো হৈছে — 'Golden Treasury'খনৰ লগতে ৰবীন্দ্ৰনাথৰ 'সঞ্চয়িতা'খনৰো বেছিভাগ কবিতাই তেওঁৰ কণ্ঠস্থ আছিল। প্ৰবন্ধটো পাছত আমাৰ 'ব্যক্তিত্বৰ সংবাদ আৰু সংঘাত' (১৯৮৬) নামৰ গ্ৰন্থখনত সন্নিৱিষ্ট কৰা হৈছে। কিন্তু তেওঁ বি এ পাঠ্যক্ৰমত বিশ্ববিদ্যালয়ৰ পৰা বিশেষ অনুমতি লৈ একেলগতে সংস্কৃত আৰু ইংৰাজী দুয়োটা বিষয়ত অনাৰ্ছ লৈ পাছ কৰাৰ কথা জনা নাছিলোঁ। শইকীয়াই এই বিষয়ে জানিবলৈ দি বিৰল প্ৰতিভাধৰ যজ্ঞেশ্বৰ শৰ্মাৰ আন এটা দিশ উন্মোচিত কৰিলে। এই প্ৰসংগত শইকীয়াৰ পৰাই জানিব পৰা মতে, সাহিত্যাচাৰ্যগৰাকীয়ে উচ্চ শিক্ষা গ্ৰহণ কৰিবৰ সময়ত আমাৰ ৰক্ষণশীল সমাজখনত ইংৰাজী পঢ়িলে জাত যাব বুলি ধাৰণা আছিল। যজ্ঞেশ্বৰ শৰ্মাৰ গাঁৱৰ সমাজখনো তেতিয়া সেই ধাৰণাৰপৰা মুক্ত হ'ব পৰা নাছিল। কিন্তু সেইখন সমাজেই যজ্ঞেশ্বৰ শৰ্মাই ইংৰাজীৰ লগতে সমান্তৰালভাৱে যদি সংস্কৃত পঢ়ে তেতিয়া আপত্তি নাথাকিব বুলি তেওঁক আৰু পৰিয়ালবৰ্গক জনাইছিল। সমাজৰ সেইসকল নিৰক্ষৰ অথচ জ্ঞানী মানুহে এই সিদ্ধান্ত লৈ সাহিত্যাচাৰ্যগৰাকীৰ মহৎ উপকাৰ কৰাৰ লগতে পৰোক্ষভাৱে অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰো উপকাৰ সাধিলে। সাহিত্যাচাৰ্যগৰাকীৰ সাহিত্য কৰ্মই ইয়াৰ উজ্জ্বল নিদৰ্শন।

যজ্ঞেশ্বৰ শৰ্মাৰ জীৱনৰ সৰু-বৰ অলেখ কাহিনীৰ লগত অধ্যয়নক তপস্যা (?) হিচাপে লোৱা মানুহগৰাকীৰ বিশেষত্ব জড়িত আছে। তেওঁৰ বিদুষী পৰিবাৰ ত্যাগ-সহিষ্ণুতাৰ উজ্জ্বল দৃষ্টান্ত ব্ৰজবালা দেৱীৰপৰা জ্ঞান ক্ষুধাতুৰ পণ্ডিত-সাহিত্যিকগৰাকীৰ বিষয়ে কেইবাটাও কথা জানিব পাৰিছিলোঁ। তেনে এটি কাহিনী হ'ল— নগাঞা জোঁৱাই সাহিত্যাচাৰ্য-গৰাকীক বিয়াৰ কেইবছৰমান পাছত চিনেমা চাবলৈ লৈ যোৱা হ'ল। চলচ্চিত্ৰ গৃহত প্ৰৱেশ কৰি খন্তেক থকাৰ পাছত তেওঁ ঘৰলৈ আহি কিতাপৰ মাজত বুৰ গ'ল। কিছু সময় অপেক্ষা কৰি পৰিবাৰ ঘৰলৈ আহি দেখে যে স্বামী কিতাপ পঢ়াত মগ্ন। মৃত্যুৰ এবছৰমান আগলৈকো কিতাপৰ প্ৰতি তেওঁৰ অত্যুগ্ৰ আগ্ৰহ আছিল। সেই সময়ত তেওঁ দৃষ্টিশক্তিও হেৰুৱাইছিল। সেই অৱস্থাৰেই, অথৰ্ব দেহাৰেই এদিন নিশা তেওঁৰ কিতাপ এখন চাবলৈ মন গ'ল। বিছনাৰপৰা উঠি আলমিৰাৰ ওচৰলৈ যাওঁতেই শোৱাকোঠাত ৰখা ডাঙৰ চৰিয়াটোত মানুহজন ঘপ্‌হকৈ বহি পৰিল। শব্দ হোৱাত তেওঁৰ পত্নীয়ে লৰালৰিকৈ আহি প্ৰাণপণে সাহিত্যাচাৰ্যগৰাকীক বিছনাত বহুৱাই দিলে। জ্ঞান-তপস্বী স্বামীক সহনশীল পত্নীয়ে হাড়ে-হিমজুৰে বুজিব পাৰিছিল কাৰণে তেওঁ সকলো ক্ষেত্ৰতে সহায়-সহযোগিতা আগবঢ়াইছিল। সাহিত্যাচাৰ্যগৰাকীয়ে পত্নীৰ সেৱা-শুশ্ৰূষাৰ কথা উল্লেখ কৰি গৈছে।

প্ৰাচ্য বিদ্যাৰ্ণৱ কৃষ্ণকান্ত সন্দিকৈৰ দৰে যজ্ঞেশ্বৰ শৰ্মায়ো অধ্যয়নতে বেছিভাগ সময় অতিবাহিত কৰিছিল। উল্লেখ্য, যোৰহাট কলেজত (পাছলৈ জে বি) যজ্ঞেশ্বৰ শৰ্মাই সন্দিকৈৰ অধীনত অধ্যাপনা কৰিছিল। নগাঁও কলেজ প্ৰতিষ্ঠা কৰাৰ সময়ত (১৯৪৪) শৰ্মাৰ দৰে এজন গুণী অধ্যাপকক প্ৰতিষ্ঠাপক অধ্যক্ষ হিচাপে নিযুক্তি দিয়াত আগ-ভাগ লৈছিল আধুনিক নগাঁৱৰ নিৰ্মাতা প্ৰাক্তন মন্ত্ৰী মতিৰাম বৰা প্ৰমুখ্যে কেইবাজনো বিশিষ্ট লোকে। শৰ্মাই অধ্যক্ষৰ দায়িত্ব লোৱাৰ পাছত মহাবিদ্যালয়খনৰ পুথিভঁৰালটোলৈ ভালেমান বাছকবনীয়া গ্ৰন্থ অনাইছিল। সেই কথা বিদ্বৎ সমাজে এতিয়াও সোঁৱৰে। অধ্যক্ষৰ বাসগৃহ কলেজ চৌহদতে থকা কাৰণে যজ্ঞশ্বৰ শৰ্মাই কলেজ ছুটীৰ পাছত নিষ্ঠাৱান পুথিভঁৰালী, লেখক ৰেৰ বৰাক পুথিভঁৰালৰ চাবিকোছা চকীদাৰক দিবলৈ কয়। সেই মতে বৰাই দি থৈ যায়। পাছত শৰ্মাই পুথিভঁৰাললৈ গৈ অধ্যয়নত তন্ময় হৈ পৰে। কেতিয়াবা ৰাতি বহু সময় কৰাৰ কাৰণে পৰিবাৰে পুতেকহঁতক পঠিয়াই ৰাতিৰ আহাৰৰ কথা মনত পেলাই দিয়ে। অধ্যয়নত গুৰুত্ব দিলেও সাহিত্যাচাৰ্যগৰাকীয়ে প্ৰতিষ্ঠা কালত কলেজখনৰ কাৰণে যথেষ্ট ত্যাগ স্বীকাৰ কৰিছিল। কনিষ্ঠ পুত্ৰ ডাঃ প্ৰমেশ কুমাৰ শৰ্মাক ফৌজদাৰীপট্টিৰ মহেন্দ্ৰ বৰুৱা প্ৰাথমিক বিদ্যালয়ত নামভৰ্তিৰ দিন-বাৰ যজ্ঞেশ্বৰ শৰ্মাই ঠিক কৰি বিদ্যালয়খনলৈ নিজে নিয়াৰ দায়িত্ব লৈ হঠাতে কলেজৰ পুঁজি সংগ্ৰহৰ কামত হোজাইলৈ যাব লগা হ'ল। ভৰ্তিৰ নিৰ্দিষ্ট সময়ৰ আগত সাহিত্যাচাৰ্যগৰাকী নহাৰ কাৰণে ঘৰৰ সকলো উদ্বিগ্ন হৈ পৰিল। তেতিয়া আত্মীয় এজনে পুত্ৰকততাতৈয়াকৈ বিদ্যালয়খনলৈ নি নামভৰ্তি কৰাই দিলে। কলেজৰ কামত গুৰুত্ব দি যজ্ঞেশ্বৰ শৰ্মাই পুত্ৰৰ নামভৰ্তি কৰাৰ কথাকে পাহৰিছিল। কলেজখন তেওঁৰ ইমানেই আপোন আছিল।

অধ্যয়ন আৰু অধ্যাপনাক তপস্যা হিচাপে লোৱা, জীৱিকাত মন-প্ৰাণ সঁপি দিয়া শৰ্মাৰ প্ৰগতিবাদী চিন্তা-চেতনাও উল্লেখ কৰিবলগীয়া। এই প্ৰসংগত যোল্ল বছৰ বয়সতে দশমমানত পঢ়ি থকা যজ্ঞেশ্বৰ শৰ্মাই সমাজত নাৰীৰ মৰ্যাদা ৰক্ষাৰ কাৰণে যুঁজ দিয়া, এক প্ৰতিবাদী সত্তা চন্দ্ৰপ্ৰভা শইকীয়ানীক (১৯০১-১৯৭২) সমৰ্থন কৰি লিখা এখন চিঠিৰ কথা ক'ব পাৰি। চিঠিখন মহেশ্বৰ বৰুৱা সম্পাদিত ডিব্ৰুগড়ৰপৰা প্ৰকাশিত 'সাদিনীয়া অসমীয়া'ত ১৯২২ চনৰ ৩০ এপ্ৰিলত প্ৰকাশ পাইছিল। চিঠিখনৰ সম্ভেদ দিয়া গৱেষক, লেখক, বুৰঞ্জী আৰু পুৰাতত্ত্ব

বিভাগৰ অৱসৰপ্ৰাপ্ত সঞ্চালক ড° জিতেন দাসে ‘চন্দ্ৰপ্ৰভা শইকীয়ানীৰ চাৰিটা বাৰ্তা’নামৰ ‘আমাৰ অসম’ত (২১ ছেপ্টেম্বৰ, ২০১০) প্ৰকাশ পোৱা লেখাটোত এইদৰে উল্লেখ কৰিছে — ‘...২২ বছৰীয়া চন্দ্ৰপ্ৰভাৰ চেতনাক প্ৰথমবাৰৰ বাবে ৰাজহুৱা স্বীকৃতি দিবৰ প্ৰয়াস কৰা মানুহজন আছিল — যজ্ঞেশ্বৰ শৰ্মা।’ চিঠিখনত কালজয়ী চিন্তাৰ চানেকি আছে বুলিও ড° দাসে কৈছে।

যজ্ঞেশ্বৰ শৰ্মাৰ চিন্তা উদ্ৰেককাৰী সেই চিঠিখনত নাৰী স্বাধীনতাৰ (?) প্ৰতি সমৰ্থন থকাৰ লগতে সমাজৰ ৰক্ষণশীলতাৰ কথাও আছে। তেওঁ চিঠিখনৰ শেষত এনেদৰে কৈছে — ‘বৰ্তমান সময়ত যি যুগৰ প্ৰসৱ বেদনাত ভাৰত মাতাই কষ্ট পাইছে, সেই যুগৰ জন্মক লৈ জগতত এনে প্ৰকৃতিৰ ঠাই নহ’ব। তেতিয়া প্ৰকৃত গুণৰহে আদৰ হ’ব। হায় গোসাঁই, হায় ব্ৰাহ্মণ বুলি চিঞৰি ফুৰাসকলক তেতিয়া কোনেও উলটিয়ে নাচাব। সেইবাবেহে কওঁ নিজৰ মান ৰাখিবলৈ চেষ্টা কৰক।’

সত্যৰ হকে এই আষাৰ লিখা হ’ল। এই চোলা যাৰ গাত খায় সেয়ে পিন্ধিব। নাখালে ভালেই। পাছে আৰু ক’বৰ মন থাকিল। শ্ৰীযজ্ঞেশ্বৰ শৰ্মা (পৃঃ৩)।

চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে গোলাঘাট জিলাৰ ধলৰ সত্ৰৰ সত্ৰাধিকাৰ তীৰ্থনাথ গোস্বামীক উদ্দেশ্যে কৰি কেতবোৰ গঠনমূলক পৰামৰ্শ আগবঢ়াইছিল। শইকীয়ানীৰ ‘অসমীয়া’ত প্ৰকাশ পোৱা চিঠিখনৰ সমৰ্থনত শৰ্মাই লিখা চিঠিৰ ভাষাত উদ্যত আৰু উত্থিত ব্যংগ থকাৰ কথা উল্লেখ কৰি ড° দাসে শেষত কৈছে যে অসমৰ সমাজ সচেতন পত্ৰৰ সংকলন যদি কেতিয়াবা কোনোবাই কৰে, তেনেহ’লে এই চিঠিখনে সেই সংকলনত ঠাই পোৱা যুগুত।❑

---

লেখক - বিশিষ্ট বুদ্ধিজীৱী, সাহিত্যিক আৰু লামডিং মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক।



# দাৰ্শনিক পণ্ডিত মহেশ চন্দ্ৰ দেৱগোস্বামী ঃ নগাঁও মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তী বৰ্ষৰ শ্ৰদ্ধাৰ্ঘ্য

**ড° নৰ প্ৰসাদ নাথ**

**ম**ধ্য অসমৰ উচ্চশিক্ষাৰ প্ৰথম প্ৰতিষ্ঠান নগাঁও মহাবিদ্যালয়ে ৭৫ বছৰ অতিক্ৰম কৰিলে। স্বাধীনতা পূৰ্বৰ এই শিক্ষানুষ্ঠানটিয়ে অসম তথা গোটেই বিশ্বৰ প্ৰেক্ষাপটত যোগ্য মানৱ সম্পদ গঢ় দিয়াত বিশেষভাৱে সফল হৈছে। মহাবিদ্যালয়খনে যিসকল মনীষীৰ ত্যাগ, আপ্ৰাণ চেষ্টা তথা দূৰদৰ্শিতাৰ ফলত ইয়াৰ প্ৰথম পুৱা দেখিলে, তেখেতসকললৈ লিখনীৰ আৰম্ভণিতেই মোৰ সশ্ৰদ্ধ প্ৰণিপাত যাচিছোঁ। এইসকল মহামানৱৰ ভিতৰত সেই সময়ৰ বিশিষ্ট ৰাজনীতিবিদ মতিৰাম বৰাদেৱৰ অৰিহণা মহাবিদ্যালয় পৰিয়ালৰ বাবে বিশেষভাৱে স্মৰণীয় হৈ থাকিব।

এতিয়া আহো আমাৰ লিখনীৰ মূল বিষয়লৈ। এটা কথা সহজে অনুমেয় যে এটা শিক্ষানুষ্ঠান ইয়াৰ আৰম্ভণিতেই সকলো বিষয় পাঠ্যক্ৰমৰ সৈতে আগবাঢ়িব নোৱাৰে। নগাঁও মহাবিদ্যালয়ো ইয়াৰ ব্যতিক্ৰম নহয়। মহাবিদ্যালয়ৰ আৰম্ভণি বৰ্ষ অৰ্থাৎ ১৯৪৪ চনত কেৱল ইংৰাজী, অসমীয়া, বঙলা, সংস্কৃত, আৰবিক, গণিত, বুৰঞ্জী, চিভিক্স আৰু ল'জিক— এইকেইটা বিষয় লৈয়েই প্ৰথম শিক্ষাবৰ্ষ আৰম্ভ হয়। এইখিনিতে এটা কথা উল্লেখনীয় যে যিক্ষেত্ৰত ল'জিক (দৰ্শন) এটা বিষয় হিচাবে বৰ্তমানেও বহুত কলেজৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত হোৱা নাই, সেইক্ষেত্ৰত নগাঁও মহাবিদ্যালয়ত ১৯৪৪ চনতেই ইয়াৰ পাঠ্যক্ৰম আৰম্ভ হৈছিল। ইয়াৰ বাবে বিশিষ্ট দাৰ্শনিক পণ্ডিত, সৰ্বপল্লী

ৰাধাকৃষ্ণণৰ ছাত্ৰ, মহাবিদ্যালয়ৰ আৰম্ভণি কালৰ উপাধ্যক্ষ মহেশচন্দ্ৰ দেৱগোস্বামীৰ নাম বিশেষভাৱে উল্লেখযোগ্য। মহেশচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ আৰম্ভণি কালৰ অন্যতম বোধমণ্ডলীৰ এজন আছিল। প্ৰস্তাৱিত লিখনীত অসমত দৰ্শন শিক্ষাৰ বাটকটীয়া, বিশিষ্ট সমাজ সংস্কাৰক, সাহিত্যিক মহেশ চন্দ্ৰ দেৱগোস্বামীৰ সামগ্ৰিক জীৱন পৰিক্ৰমাৰ ওপৰত আলোকপাত কৰিবলৈ বিনম্ৰ প্ৰয়াস কৰা হৈছে।

বিশ্বৰ প্ৰসিদ্ধ দাৰ্শনিক প্লেটোই কৈছিল, "এখন আদৰ্শ ৰাষ্ট্ৰ সঠিক দিশত পৰিচালনা কৰিবলৈ হ'লে সেই ৰাষ্ট্ৰৰ মুৰব্বী এজন দাৰ্শনিক হ'ব লাগিব।" প্লেটোৰ এই ঐতিহাসিক বক্তব্যৰ তাৎপৰ্য হ'ল— দাৰ্শনিক এজন জীৱন আৰু জগতৰ সামগ্ৰিক স্বৰূপৰ জ্ঞাতা আৰু তেওঁৰ চিন্তা সদায় সঠিক দিশত যুক্তিসহকাৰে পৰিচালিত হয়, যাৰ কাৰণে এজন দাৰ্শনিকেহে এখন আদৰ্শ ৰাষ্ট্ৰ তেওঁ দূৰদৰ্শিতা আৰু বিচাৰ-বিবেচনাৰে প্ৰকৃতাৰ্থত পৰিচালনা কৰিব পাৰে। প্লেটোৰ এই বক্তব্য ভাৰতবৰ্ষত বাস্তৱায়িত হৈছিল যেতিয়া এই দেশৰ সৰ্বোচ্চ পদত বিখ্যাত ভাৰতীয় দাৰ্শনিক সৰ্বপল্লী ৰাধাকৃষ্ণণ অধিষ্ঠিত হৈছিল। দৰ্শন বিষয়ৰ অধ্যয়নে আমাৰ চিন্তা বাস্তৱসন্মত, বিজ্ঞানসন্মত তথা সু-সংহত কৰি তোলে। একাংশ লোকে ভবাৰ ধৰণেৰে দৰ্শনে আমাক এক বেলেগধৰণৰ জীৱন বা চিন্তা শৈলী প্ৰদান নকৰে, বৰঞ্চ ই আমাক প্ৰকৃত মানুহৰ শাৰীলৈ উন্নীত কৰে। এইখিনিতে এই কথাটো উল্লেখ কৰা যুগুত হ'ব যে কেৱল দৰ্শন বিষয় অধ্যয়ন কৰিলেই যে এজন ব্যক্তি দাৰ্শনিক হ'ব এনে নহয়। সুস্থ যুক্তিসংগত চিন্তাৰ অধিকাৰী প্ৰত্যেকজন মানুহেই দাৰ্শনিক হ'ব পাৰে।

এতিয়া আহো আমাৰ আলোচ্য মূল বিষয়লৈ। ওপৰত উল্লেখ কৰা ধৰণেৰে ৰাধাকৃষ্ণণে যেনেকৈ নিজৰ কৰ্মৰাজিৰ দ্বাৰা দৰ্শন বিষয়টোৰ ব্যৱহাৰিক তাৎপৰ্য (practical significance) ভাৰতবৰ্ষৰ লগতে গোটেই বিশ্বৰ আগত দাঙি ধৰিছিল, যিটো স্বনামধন্য দাৰ্শনিক প্লেটোৰো সপোন আছিল, সেই একেধৰণেৰে অসমৰ সু-সন্তান, বিশিষ্ট দাৰ্শনিক মহেশচন্দ্ৰ দেৱগোস্বামীয়েও দৰ্শনৰ প্ৰয়োজনীয়তা বা সমাজ গঠনত ইয়াৰ প্ৰভাৱ কি তাক নিজৰ কৰ্মৰাজিৰ দ্বাৰা মানুহৰ মাজত দাঙি ধৰিবলৈ সক্ষম হৈছিল। অসম তথা ভাৰতবৰ্ষৰ এই বিশিষ্ট দাৰ্শনিক পণ্ডিতজনৰ জন্মশতবাৰ্ষিকীৰ শুভক্ষণত তাকেই এবাৰ সশ্ৰদ্ধ সোঁৱৰণ কৰাৰ বিনম্ৰ প্ৰয়াস এই লেখাটিৰ জৰিয়তে কৰা হৈছে।

পণ্ডিত প্ৰৱৰ মহেশ চন্দ্ৰ দেৱগোস্বামীৰ বিষয়ে প্ৰথমবাৰৰ বাবে জনাৰ সুযোগ পাইছিলো মোৰ অতি শ্ৰদ্ধাৰ শিক্ষাগুৰু বেণু গোস্বামী বাইদেউৰ পৰা ১৯৯৯ চনত। সেই চনৰ শিক্ষক দিৱসৰ দিনা আমাৰ দৰ্শনৰ ছাত্ৰ-ছাত্ৰীসকলক নগাঁও মহাবিদ্যালয়ৰ জ্যেষ্ঠ প্ৰবক্তা বেণু গোস্বামী বাইদেউৱে মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগত যে ৰাধাকৃষ্ণণৰ এটা সম্পৰ্ক আছে, তাক বৰ সুন্দৰকৈ দাঙি ধৰিছিল। ৰাধাকৃষ্ণণৰ পোনপটীয়া ছাত্ৰ আছিল মহেশচন্দ্ৰ দেৱ গোস্বামী, দেৱ গোস্বামী ছাৰৰ পোনপটীয়া ছাত্ৰী আছিল বেণু গোস্বামী বাইদেউ নিজে আৰু বাইদেউৰ ছাত্ৰ-ছাত্ৰী আমিবোৰ। কথাটো জানিবলৈ পাই মনটো গৌৰৱেৰে ভৰি পৰিছিল আৰু মহেশ চন্দ্ৰ দেৱ গোস্বামী ছাৰলৈ মনটো শ্ৰদ্ধাৰে উপচি পৰিছিল। লাহে লাহে গোস্বামী চাৰৰ বিষয়ে বিভিন্ন জনৰপৰা আৰু বিভিন্ন লেখাৰপৰা তেওঁৰ বহুমুখী প্ৰতিভাৰ বিষয়ে জানিবলৈ আৰম্ভ কৰিলোঁ।

**মহেশচন্দ্ৰ দেৱগোস্বামীৰ জীৱন পঞ্জী আৰু কৰ্মৰাজিৰ চমু অৱলোকন ঃ**

**জীৱনপঞ্জী ঃ**

**জন্ম** - নগাঁও জিলাৰ বালিসত্ৰ। ১৯১৭ চনৰ ৪ ডিচেম্বৰ।

**পিতৃ** - কন্দৰ্প দেৱগোস্বামী (১৮৭৫-১৯৬০)।

**মাতৃ** - ৰোহিণী দেৱী (অম্বিকাগিৰী ৰায়চৌধুৰীৰ নুমলীয়া ভনী)।

**শিক্ষা ঃ**

(ক) প্ৰাথমিক ঃ বালিসত্ৰ, নগাঁও।

(খ) মাধ্যমিক ঃ আঠগাঁও মজলীয়া স্কুল।

(গ) উচ্চ মাধ্যমিক ঃ গুৱাহাটী কটন কলেজিয়েট স্কুলৰপৰা ১৯৩৬ চনত পাঁচটা বিষয়ত 'লেটাৰ' সহ প্ৰৱেশিকা পাছ।

(ঘ) মহাবিদ্যালয় ঃ গুৱাহাটী কটন কলেজৰপৰা লজিক বিষয়ত 'লেটাৰ' সহ ১৯৩৮ চনত আই এ পাছ আৰু দৰ্শন বিষয়ত অনাৰ্ছসহ ১৯৪০ চনত বি এ পৰীক্ষাত উত্তীৰ্ণ হয়। উক্ত পৰীক্ষাত অসমীয়াত বিশ্ববিদ্যালয়ৰ ভিতৰত সৰ্বোচ্চ নম্বৰ লাভ।

(ঙ) বিশ্ববিদ্যালয় ঃ ১৯৪২ চনত কলিকতা বিশ্ববিদ্যালয়ৰপৰা দৰ্শন বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ। সেই সময়তে বিখ্যাত দাৰ্শনিক ৰাধাকৃষ্ণণৰ সান্নিধ্য লাভ।

**কৰ্মজীৱন ঃ**

গোস্বামীদেৱে ১৯৪৩ চনৰ ফেব্ৰুৱাৰী মাহৰপৰা ১৯৪৪ চনৰ জানুৱাৰী মাহলৈকে ভাৰত চৰকাৰৰ জনসম্পৰ্কৰক্ষী বিভাগৰ দ্বাৰা প্ৰকাশিত 'আমাৰ অসম' আলোচনীৰ সম্পাদনা বিভাগত কাম কৰে। ১৯৪৪ চনত উক্ত চাকৰিৰপৰা পদত্যাগ কৰি চৰকাৰী অন্যান্য চাকৰিৰ মোহ এৰি নগাঁও ডচন হাইস্কুলত শিক্ষক জীৱনৰ পাতনি মেলি সেই চনৰে আগষ্ট মাহত নগাঁও মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক শিক্ষকসকলৰ এজন হৈ পৰিল আৰু পাছলৈ মহাবিদ্যালয়খনৰ উপাধ্যক্ষৰ দায়িত্ব বহন কৰি সেৱা আগবঢ়ায়। ১৯৪৬-৪৭ চনত নগাঁও মহাবিদ্যালয়ত অধ্যাপনাত ব্ৰতী হৈ থাকোতেই গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠাৰ কামত সক্ৰিয় ভূমিকা পালন কৰে।

**অসম কলেজ শিক্ষক সংস্থা (ACTA) ৰ প্ৰতিষ্ঠা ঃ**

দৰ্শনৰ ছাত্ৰ হিচাবে মহেশ চন্দ্ৰ দেৱগোস্বামী অতি দূৰদৰ্শী আছিল। কলেজ প্ৰতিষ্ঠা তথা অধ্যাপনাৰ লগে লগে তেখেতে অনুভৱ কৰিব পাৰিছিল যে কলেজ শিক্ষকসকলৰ অভাৱ-অভিযোগ প্ৰতিফলিত কৰাবৰ বাবে এখন মঞ্চৰ প্ৰয়োজন আছে আৰু সেইকাৰণে সেই সময়ৰ একাংশ স্মৰণীয় ব্যক্তি তথা শিক্ষকৰ সহযোগত কলেজ শিক্ষকৰ এক উমৈহতীয়া মঞ্চ প্ৰতিষ্ঠাৰ বাবে আগভাগ লয়। ফলশ্ৰুতিত ১৯৪৯ চনৰ ২৬ ফেব্ৰুৱাৰীত নগাঁও মহাবিদ্যালয়ত অসম কলেজ শিক্ষক সংস্থা (ACTA) ৰ প্ৰথমখন অধিৱেশন অনুষ্ঠিত হয়। স্বৰ্গীয় মহেশ চন্দ্ৰ দেৱ গোস্বামী এই সংস্থাৰ প্ৰথমজন সম্পাদক আছিল।

নগাঁও মহাবিদ্যালয়ত সাহিত্যচাৰ্য যজ্ঞেশ্বৰ শৰ্মা ছাৰ অধ্যক্ষ হৈ থাকোতে মহেশ চন্দ্ৰ দেৱ গোস্বামী ছাৰে উপাধ্যক্ষৰ লগতে দৰ্শন বিভাগৰ মুৰব্বীৰ দায়িত্বও সুকলমে পালন কৰি মহাবিদ্যালয়খনলৈ কৃতিত্বপূৰ্ণ সেৱা আগবঢ়ায়। তাৰ পাছত ষাঠিৰ দশকত স্থাপিত হোৱা আন এখন উচ্চ শিক্ষা তথা নাৰী শিক্ষাৰ অগ্ৰণী অনুষ্ঠান নগাঁও ছোৱালী মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ হিচাবে কাৰ্যভাৰ গ্ৰহণ কৰেগৈ। ছোৱালী মহাবিদ্যালয়ত সুদীৰ্ঘ ওঠৰ বছৰ কাল অতি দক্ষতাৰে কৰ্তব্য সম্পাদন কৰি ১৯৮০ চনত অৱসৰ গ্ৰহণ কৰে।

**মহেশ চন্দ্ৰ দেৱ গোস্বামীৰ সৃষ্টিৰাজি ঃ**

মহেশ চন্দ্ৰ দেৱ গোস্বামী দৰ্শন শিক্ষাৰে শিক্ষিত আছিল যদিও তেওঁৰ লিখনীত সাহিত্য আৰু সামাজিক দায়বদ্ধতাৰ অভূতপূৰ্ব নিদৰ্শন দেখা যোৱা যায়। দৰ্শন আৰু সাহিত্যৰ সমাহাৰেৰে গোস্বামীদেৱৰ লিখনীয়ে এক বিশেষ ধাৰা বহন কৰিছে। তলত অসমৰ বিশিষ্ট দাৰ্শনিকজনৰ সৃষ্টিৰাজিৰ সম্যক আভাস দিবলৈ প্ৰয়াস কৰা হৈছে।

- ❒ দশম শ্ৰেণীতেই লিখা চাৰিটা সমালোচনামূলক প্ৰবন্ধ 'আৱাহন'ত প্ৰকাশ (১৯৩৫-৩৬)।
- ❒ কবিতাপুথি 'ছঁয়াময়া' প্ৰকাশ (১৯৪১)।
- ❒ আনখন কবিতাপুথি 'স্মৃতি'ৰ প্ৰকাশ (১৯৪৯)।

- গীতৰ সংকলন ‘অময়া’ প্ৰকাশ (১৯৫২)।
- মাধৱ বেজবৰুৱা সম্পাদিত ‘বাঁহী’ৰ (প্ৰতিষ্ঠাপক সম্পাদক লক্ষ্মীনাথ বেজবৰুৱা) সহকাৰী সম্পাদক (১৯৪০-৪১)।
- ‘ব’হাগী মেলা’ শীৰ্ষক ৰচনাৰ কিতাপ প্ৰকাশ (১৯৪৫)।
- কলিকতা এ এছ এল ক্লাবৰ সাহিত্য বিভাগৰ সম্পাদক (১৯৪১) আৰু ক্লাবে প্ৰকাশ কৰা সমালোচনামূলক ৰচনাৰ সংকলন ‘সাহিত্য আৰু সমালোচনা’ৰ সম্পাদক।
- ‘শ্ৰীমধুসূদন’ ছদ্মনামেৰে কটন কলেজিয়েটৰ সপ্তম শ্ৰেণীত থাকোতে প্ৰকাশ পোৱা হাতে লিখা আলোচনী ‘শেৱালি’ত প্ৰৱন্ধ প্ৰকাশ।
- ‘হাঁহি থকা দাৰ্শনিক’ নামে খ্যাত গোস্বামীদেৱৰ ছদ্মনাম কুমাৰ শ্ৰীমধুসূদন। এই ছদ্মনামত প্ৰকাশিত হাস্য-ব্যংগ ৰচনা সংকলনকেইখন হ’ল— কিমাশ্চৰ্য্যম (১৯৫০), মই যে বিয়া কৰাম (১৯৬৬), কৈফিয়ৎ (১৯৭৪)।
- শিবেন্দ্ৰ দেৱ গোস্বামীৰ সৈতে যুটীয়াভাৱে ৰচনা কৰা প্ৰবন্ধ সংকলন ‘গুৰুসেৱা আৰু ভক্তি’ (১৯৫০)।
- আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ জৰিয়তে বহু কথিকা, নাটক প্ৰচাৰ হয়। ছটা খণ্ডত প্ৰচাৰিত ‘আত্মাৰামৰ গুৱাহাটী আগমন’, চাৰিটা খণ্ডত প্ৰচাৰিত ‘বৰমেধিৰ দিন-পঞ্জী’ নামৰ কথিকা, ‘ত্ৰিশ বছৰৰ পাছত’, ‘জোৱাৰ ভাটা’ আদি নাট উল্লেখযোগ্য।
- আকাশবাণী দিল্লী কেন্দ্ৰৰপৰা ১৯৫৮ চনত অসমীয়া নাট্য-সাহিত্যৰ বিষয়ে তেখেতৰ কথিকা ইংৰাজী, হিন্দী আৰু অসমীয়া ভাষাত প্ৰচাৰ হয়।
- ‘অসম বাতৰি’ কাকতত ‘দুৰ্মুখ’ ছদ্মনামেৰে ‘এক কলম’ আৰু ‘এক কলমৰ বেছি’ নামৰ নিয়মীয়া শিতান ৰচনা।
- সম্পাদিত গ্ৰন্থ— সাহিত্য আৰু সমালোচনা (১৯৪২), নিৰন্ধমালা (১৯৫৯), বেজবৰুৱা প্ৰতিভা (১৯৬৮), ন-ঘোষা (১৯৮৬)।
- অনুবাদ গ্ৰন্থ ঃ দাৰ্শনিক ড° ৰাধাকৃষ্ণণৰ ‘An Idealistic View of Life’ গ্ৰন্থৰ অসমীয়া ৰূপান্তৰ ‘জীৱনৰ আদৰ্শবাদ’ (১৯৬৩) আৰু আন এখন অনুবাদ গ্ৰন্থ ‘ৰাধাকৃষ্ণণৰ দৃষ্টিত নেহৰু’ (১৯৬৬)।
- ছাত্ৰ-ছাত্ৰীৰ উপযোগী জীৱনী-সংকলন ‘আদৰ্শ জীৱন’ (১৯৭৫)।
- ‘বিহলঙনি’ কাকতৰ (প্ৰথম প্ৰকাশ ৭ আগষ্ট, ১৯৪৭) প্ৰতিষ্ঠাপক সম্পাদক। কাকতখন ১৯৫৩ চনলৈকে পষেকীয়া হৈ তাৰ পাছত ১৯৫৫ চনলৈকে মাহেকীয়া ৰূপত প্ৰকাশ পায়। বিহলঙনিৰ শেহতীয়া উল্লেখযোগ্য সংখ্যাকেইটা হ’ল— মাধৱ কন্দলি সংখ্যা, ঊনবিংশ শতিকাৰ সাহিত্য সমাজসংখ্যা, মহাপুৰুষ সংখ্যা, ভট্টদেৱ সংখ্যা।
- The Indian P.E.N. পত্ৰিকাত ১৯৪৫-৪৬ চনত অসমীয়া সাহিত্য সম্পৰ্কে দুখনমান ৰচনা প্ৰকাশ পায়।
- সাংবাদিকতা ঃ কলিকতাৰ অমৃত বাজাৰ পত্ৰিকাৰ প্ৰতিনিধি ৰূপে মৃত্যুৰ সময়লৈকে কাৰ্যনিৰ্বাহ কৰে। নগাঁও জিলা সাংবাদিক সন্থাৰ প্ৰতিষ্ঠাপক সভাপতি। ১৯৪৪ চনৰপৰা ১৯৫১ চনলৈ ‘দ্য আসাম ট্ৰিবিউন’ কাকতৰ সংবাদদাতা, The Times of India News Service আৰু United Press of India ৰ সংবাদাতাৰূপে কিছুকাল কাৰ্যনিৰ্বাহ।

(বিঃ দ্ৰঃ — ওপৰত উল্লেখ কৰা তথ্যখিনি মহেশ চন্দ্ৰ দেৱ গোস্বামী স্মৃতিৰক্ষা সমিতি, নগাঁৱৰ দ্বাৰা ২০০৪ চনত প্ৰকাশিত ‘মহেশচন্দ্ৰ দেৱগোস্বামী জীৱন আৰু কৃতি’ শীৰ্ষক গ্ৰন্থখনিৰ সহায়ত পোৱা)

ওপৰৰ তথ্যখিনিৰপৰা মহেশ চন্দ্ৰ দেৱ গোস্বামীৰ অসাধাৰণ বহুমুখী প্ৰতিভাৰ আভাস পোৱা

যায়। এফালে তেওঁ যেনেকৈ শিক্ষানুষ্ঠান প্ৰতিষ্ঠা কৰি অসমত উচ্চ শিক্ষাৰ পথ মোকলাইছে, আনফালে সাহিত্য-সংস্কৃতি সৃষ্টিৰে অসমৰ কৃষ্টি-সংস্কৃতিৰ ভঁড়াল চহকী কৰিছে। সেইবুলি তেওঁ আক্ষৰিক অৰ্থতেই শিক্ষাবিদ বা সাহিত্যিক হৈ থকা নাই। তেওঁ বাস্তৱ সমাজখনক এটা সঠিক দিশ দিবলৈও প্ৰয়াস কৰিছে। তাৰেই প্ৰতিচ্ছবি 'বিহলঙনি' কাকতখন। ১৯৪৭ চনৰ শৰৎ ঋতুৰ কোনোবা এটা দিনৰ ৰাতিপুৱাতে নগাঁৱৰ মানুহৰ হাতে হাতে মাত্ৰ এবেগেত দীঘল এডোখৰ ছপা কাগজে নগৰখনত চাঞ্চল্যৰ সৃষ্টি কৰিলে। এই কাগজডোখৰেই 'বিহলঙনি'। ৰাজহুৱা জীৱনৰ দুৰ্নীতি আৰু ভণ্ডামিৰ দ্বাৰা আক্ৰান্ত ৰোগীসকলক জৰা-ফুকা কৰাৰ উদ্দেশ্যে এই 'বিহলঙনি'ৰ জন্ম। 'বিহলঙনি' গোস্বামীদেৱৰ জীৱনৰ এক প্ৰধান অধ্যায়। সমাজৰ দুৰ্নীতিৰ বিৰুদ্ধে বাতৰি কাকতৰ জেহাদ ঘোষণাৰ অসমত এয়াই পাতনি। 'বিহলঙনি'ৰ লিখনিত অসন্তুষ্ট সেই সময়ৰ চৰকাৰী পক্ষই সম্পাদক গোস্বামীদেৱ আৰু প্ৰকাশক হেমন্ত কলিতাক গ্ৰেপ্তাৰ কৰিলে। কিন্তু 'বিহলঙনি'ৰ সপক্ষে প্ৰবল জনমত গঢ়ি উঠা দেখি শাসন যন্ত্ৰ থৰহৰি কঁপি দুয়ো প্ৰকাশক-সম্পাদকক সসন্মানে এৰি দিলে। তাৰ পিছত গোস্বামীদেৱে লিখিছে— "সঁচাকৈয়ে বিহলঙনি নমৰে। মৰিবই বা কিয়? বাৰী ঢাপত আলুটো-কচুটো থাকিলেই তাত পোখা মেলিবই। সেয়ে ভূত-প্ৰেত, যখ-যখিনী, খেতৰ-খেতৰী খেদিবৰ কাৰণেই 'বিহলঙনি' মুঠি পুনৰ হাতত লৈছো।"

অন্যহাতে 'ছঁয়ামঁয়া' কবিতাপুথিখনৰ জৰিয়তে গোস্বামীদেৱে জীৱনৰ প্ৰতি থকা তেওঁৰ দাৰ্শনিক দৃষ্টিভংগী দাঙি ধৰিবলৈ প্ৰয়াস কৰিছে। আদৰ্শৰ নিৰ্ভুল পূজাৰী ছঁয়ামঁয়াৰ কবি। কবিয়ে বিচাৰিছিল বন্ধু-ইচ্ছা আৰু তেওঁৰ ইচ্ছা মিলি এক হৈ তেওঁৰ আদৰ্শলৈ ধাবিত হওক। অকণমান সহানুভূতি, অকণমান আশাৰ জিলিঙণি দেখিলে কবি বিমল আনন্দত আত্মহাৰা হয়, কিন্তু বাস্তৱত সেয়া নহয়, সেয়াই 'ছঁয়ামঁয়া'। অভিমানী কবি হতাশ হৈ পৰে। ছঁয়ামঁয়া মৰীচিকা খেদি ফুৰিলেও সান্ত্বনা দিবলৈ আছে কবিৰ অন্তৰত থিতাপি লৈ থকা আদৰ্শৰ অনুপ্ৰেৰণা আৰু চিৰ সুন্দৰৰ ওপৰত গভীৰ আস্থা। সেয়ে দিকভ্ৰান্ত নহৈ কবিয়ে 'প্ৰণয়ৰ বাসনাৰ, কামনাৰ তুচছ অভিলাষ' ত্যাগ কৰি লক্ষ্যস্থানলৈ আগবাঢ়ে। আকৌ ইংৰাজ কবি কীট্‌ছৰ নিচিনাকৈ আবেগপ্ৰৱণ কবিৰ মনত হঠাৎ মৃত্যু বিভীষিকাই ক্ৰিয়া কৰে। নৰীয়াপাটীত পৰি থাকি লিখা কবিতাকেইটাত তেওঁৰ অভিজ্ঞতাৰ কৰুণ গভীৰত্ব পোৱা যায়। আকৌ শৰীৰ ভাল হোৱাৰ পিছত কবিয়ে মনৰ ভাব এইদৰে প্ৰকাশ কৰিছে—

"এইবাৰ জীৱন দীঘল
মৰণৰ মিছা ভাবহীন।"

'ছঁয়ামঁয়া' লেখকৰ হিয়াৰ আৱেগত বৈ অহা নিঃসংশয় আদৰ্শৰ বাস্তৱ প্ৰকাশ। যদি আন্তৰিকতা কবিতা প্ৰকাশৰ এটা মূল উৎস, তেন্তে 'ছঁয়ামঁয়া'ই তাৰ বেগ ভালদৰেই অনুভৱ কৰিছে। 'ছঁয়ামঁয়া'ৰ প্ৰত্যেকটি কবিতাই আন্তৰিকতাৰ উমনিত গঢ় লোৱা। তদুপৰি 'ছঁয়ামঁয়া'ই দাঙি ধৰিছে লেখকৰ দেশাত্মবোধৰ অনাবিল চানেকি।

ইতিমধ্যে উল্লেখ কৰা হৈছেই যে গোস্বামীদেৱ আছিল বহুমুখী প্ৰতিভাৰ আকৰ। সাহিত্যচৰ্চা তেওঁৰ বৰ্ণময় জীৱনৰ আজন্ম লগৰী। গীতৰ সংকলন 'অময়া'ৰ মাজেদি তেওঁ অসমীয়া গীতি-সাহিত্যৰ ভেটি চহকী কৰি গৈছে। এই সংকলনটিত গীতিকাৰৰ ভক্তিমূলক গীত, ৰোমাণ্টিক গীত, প্ৰকৃতিৰ বৰ্ণনামূলক গীত, দেশপ্ৰেমমূলক গীত, বনগীত আদিবোৰ সন্নিৱিষ্ট।

গোস্বামীদেৱৰ ছদ্মনামত লিখা ৰচনাসমূহৰ আকাৰেই সুকীয়া। শ্ৰীমধুসুদন নামেৰে তেওঁ লিখি থৈ গৈছে 'কিমাশ্চৰ্য্যম', 'মই যে কৰিম বিয়া', 'কৈফিয়ৎ' ইত্যাদি। প্ৰতিখন ৰচনাৰে সাহিত্যিক গুণ আছে কাৰণেই অন্ততঃ এই ৰচনাসমূহৰ বাবেই তেওঁ সদায় আমাৰ মনোজগত অধিকাৰ কৰি থাকিব পাৰিব।

গোস্বামীদেৱ দুৰন্ত প্ৰতিভাৰ এক শক্তিপুঞ্জ

আছিল। সমাজ সংগঠনতো নিপুণ গোস্বামীদেৱৰ প্ৰতিভাৰ চানেকি তেওঁৰ নেতৃত্বত গঢ় লৈ উঠা 'অসম কলেজ শিক্ষক সংস্থা'ই সদায় বহন কৰি আহিছে। মহেশ চন্দ্ৰ দেৱ গোস্বামীৰ সমসাময়িক বিভিন্ন সামাজিক-সাংস্কৃতিক অনুষ্ঠানৰ লগত নিবিড় সম্পৰ্ক আছিল। এসময়ৰ এ এছ এল ক্লাবৰ উদ্যোগত প্ৰকাশিত 'সাহিত্য আৰু সমালোচনা' নামৰ গ্ৰন্থখনৰ সম্পাদনাই অনুষ্ঠানটোৰ লগত তেখেতৰ আত্মিক সম্পৰ্কৰ কথাকেই বুজায়। ১৯৫৯ চনত অনুষ্ঠিত অসম সাহিত্য সভাৰ দ্বিতীয় নগাঁও অধিৱেশনৰ অভ্যৰ্থনা সমিতিৰ প্ৰধান সম্পাদকৰ দায়িত্ব পালন কৰে আৰু সেই উপলক্ষে প্ৰকাশিত হোৱা স্মৃতিগ্ৰন্থ 'নিবন্ধমালা'ও গোস্বামীদেৱৰ হাতেৰেই সম্পাদিত হয়। আকৌ ১৯৬৮ চনত অসম সাহিত্য সভাৰ দ্বাৰা উদ্‌যাপিত লক্ষ্মীনাথ বেজবৰুৱাৰ জন্ম শতবাৰ্ষিকী উৎসৱৰ স্মৃতিগ্ৰন্থ 'বেজবৰুৱাৰ প্ৰতিভা'ৰো সম্পাদক আছিল গোস্বামীদেৱ। এই উপলক্ষে নগাঁৱত গঠন কৰা উৎসৱ সমিতিৰো কাৰ্যকৰী সভাপতি আছিল গোস্বামীদেৱ।

প্ৰায় দুকুৰি বছৰ ধৰি গোস্বামীদেৱ নগাঁও সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য, সভাপতি, উপদেষ্টা আদি দায়িত্বত থাকি সভাৰ ইতিহাসক সমৃদ্ধ কৰি থৈ গৈছে। নগাঁৱৰ আন দুটা উচ্চশিক্ষাৰ অনুষ্ঠান আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় আৰু নগাঁও বি টি কলেজ (শিক্ষণ মহাবিদ্যালয়) স্থাপন আৰু পৰিচালনাতো গোস্বামীৰ অৱদান উল্লেখনীয়। শিক্ষণ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাতা (অবৈতনিক) অধ্যক্ষ আৰু পিছলৈ পৰিচালনা সমিতিৰ সম্পাদক ৰূপে থাকি যি অৱদান দি গ'ল, সেয়া শিক্ষণ মহাবিদ্যালয়ৰ বুৰঞ্জীৰ এক স্মৰণীয় অধ্যায়। স্বাধীন ভাৰত চৰকাৰৰ দিনত বৰদোৱা থান পুনৰ নিৰ্মাণৰ ক্ষেত্ৰত গোস্বামীদেৱৰ অৱদান এক সশ্ৰদ্ধ সোঁৱৰণ হৈ থাকিব।

অজস্ৰ হেঁপাহ আৰু সপোন বুকুত লৈ মৰমৰ নগাঁও ছোৱালী মহাবিদ্যালয়ৰ গুৰুত্বপূৰ্ণ কামত ব্যস্ত হৈ থকাৰ সময়ত হঠাতে গোস্বামীদেৱৰ জীৱনলৈ অন্ধকাৰ নামি আহিল। মহাবিদ্যালয়ৰ ছাত্ৰী নিবাস এটাৰ আধাৰশিলা স্থাপনৰ কাৰণে তেতিয়াৰ ৰাজ্যপাল বি কে নেহৰুক আমন্ত্ৰণ কৰা হৈছিল। ৰাজ্যপালৰ সন্মানাৰ্থে মহাবিদ্যালয়ত ভোজ-ভাতৰ আয়োজনৰ উপৰি এখনি বিচিত্ৰানুষ্ঠানৰ আয়োজন কৰিছিল। সেই অনুষ্ঠানতেই কোনোবা ল'ৰাই ছোৱালীৰ কাপোৰ টানিছিল বুলি জানি তেওঁ খঙত অগ্নিশৰ্মা হৈ ল'ৰাহঁতক উচ্চস্বৰে গালি-গালাজ পাৰি পাৰি হঠাৎ অসুস্থ হৈ পৰিল। মানসিক ভাৰসাম্য হেৰুৱাই একেটা কথাকেই বাৰে বাৰে কৈ কৈ অচেতন হৈ পৰিল। দুৰন্ত শক্তিপুঞ্জ এই ঘটনাৰপৰাই স্থবিৰ হৈ পৰিল। ডাক্তৰী চিকিৎসাৰ বাবে আৰু মনৰ অফুৰন্ত শক্তিৰ প্ৰভাৱত গোস্বামীদেৱ সুস্থ হৈ উঠিল যদিও আগৰ দৰে সক্ৰিয় হৈ থাকিব নোৱাৰা হ'ল।

১৯৮০ চনত গোস্বামীদেৱে অৱসৰ গ্ৰহণ কৰিলে। দীঘলীয়া কৃতিত্বপূৰ্ণ সেৱা আগবঢ়োৱা বিদায়ৰ মুহূৰ্ত গধুৰ হৃদয়েৰে পাৰ কৰিলে। হাঁহি থকা দাৰ্শনিকে হাঁহিবলৈ পাহৰিলে। দিন যোৱাৰ লগে লগে শাৰীৰিক অসুস্থতাৰ বাবে গোস্বামীদেৱৰ গতি স্তিমিত হৈ আহিবলৈ ধৰিলে। অৱশেষত ১৯৮৯ চনৰ ৩০ মে' তাৰিখে গোস্বামীদেৱৰ বৰ্ণাঢ্য জীৱনৰ যৱনিকা পৰিল। সদায়েই সময়ৰ আগটিকনিত ধৰি দুৰন্ত গতিৰে আগবাঢ়ি যোৱা দুৰন্ত মনৰ মানুহজন হেৰাই গ'ল অসমৰ সমাজ জীৱনৰপৰা, পৰিয়াল পৰিজনৰপৰা।

সত্ৰীয়া পৰিৱেশত ডাঙৰ-দীঘল হোৱা মহেশ চন্দ্ৰ দেৱ গোস্বামীৰ দৃষ্টিভংগী আছিল আপোচবিহীন ধৰ্মনিৰপেক্ষতাৰ। নিয়মানুৱৰ্তিতা আৰু তাৰেই অংগস্বৰূপ সময়ানুৱৰ্তিতা গোস্বামীদেৱৰ এক অঙ্গাংগী দিশ আছিল। নগাঁও মহাবিদ্যালয়ত অধ্যাপনা কৰা কালৰপৰাই তেওঁৰ সমগ্ৰ কৰ্মজীৱনত অসমত তেওঁক নজনা মানুহ নাছিলেই। কাৰণ তেওঁৰ বৰ্ণাঢ্য জীৱনত সামাজিক জীৱনৰ আটাইকেইটা দিশতে তেওঁ সুখ্যাতি অৰ্জন কৰিছিল।

সুন্দৰৰ সেন্দূৰীয়া আলিয়েদি তেওঁ অসমীয়া

সমাজখনক যি উপহাৰ দি গ'ল, সেয়া অসম তথা ভাৰতৰ ইতিহাসত সোণালী আখৰেৰে লিখা ৰ'ব। এইখিনিতে এটা কথা উল্লেখ কৰা যুগুত হ'ব— লব্ধপ্ৰতিষ্ঠ বৰেণ্য সাহিত্যিকসকলে বা গৱেষকসকলে গোস্বামীদেৱৰ সাহিত্য-সংস্কৃতিৰ বিশাল ক্ষেত্ৰখনত এক গভীৰ অধ্যয়নৰ ক্ষেত্ৰ কৰি লোৱাৰ চেষ্টা কৰা হ'লে তেওঁৰ ব্যক্ত-অব্যক্ত হৈ থকা বহুতো প্ৰতিভাৰ ৰহস্যৰ দ্বাৰ খোল খালেহেঁতেন। বাস্তৱ ক্ষেত্ৰত সেয়া হৈ উঠা নাই। এনে হ'ব বুলি তেওঁ হয়তো আগতেই অনুভৱ কৰিছিল, সেইকাৰণে তেওঁ লিখিছিল, "অসমীয়া সাহিত্যিকসকল মৰিয়েই প্ৰায় মৰিছে, তুমি চেষ্টা কৰিবা মই যাতে মৰিয়েই নমৰো অৰ্থাৎ মৰিলেই তুমি মোৰ শ্ৰাদ্ধটো নকৰি শ্ৰাদ্ধৰ দিন সদায় পিছুৱাই থাকিব যাতে পাঠক সমাজে পাহৰি নাযায়।" (১৯৫৪ চনৰ 'বিহলঙনি'ৰ ফেব্ৰুৱাৰী সংখ্যা) বিশিষ্ট দাৰ্শনিক চিন্তাবিদ গোস্বামীদেৱে নিজৰ মৃত্যুৰ পিছত তেওঁৰ সাহিত্য সম্ভাৰৰ প্ৰকৃত মূল্যায়ন নহ'ব বুলি সন্দেহ কৰিয়েই হয়তো এনেকৈ লিখিছিল।

শেষত ক'ব পাৰি, গোস্বামীদেৱে জীৱনে আঁটে মানে অসমৰ সমাজখনৰ প্ৰতিটো ক্ষেত্ৰলৈ অৰিহণা যোগাবলৈ প্ৰয়াস কৰিছিল। এতিয়া আমাৰ দায়িত্ব আৰু কৰ্তব্য তেওঁৰ কৰ্মৰাজিক জীয়াই ৰখাৰ। অসমৰ প্ৰত্যেকজন নাগৰিকৰ এইক্ষেত্ৰত কৰিবলগীয়া আছে। অসম কলেজ শিক্ষক সংস্থাইও নিজৰ জন্মদাতালৈ আশানুৰূপ কৃতজ্ঞতা চিনস্বৰূপে কিছুমান বিশেষ পদক্ষেপ লোৱাৰ প্ৰাসঙ্গিকতা আছে, যিয়ে উত্তৰ-পূৰ্ব ভাৰতৰ এই মহান দাৰ্শনিক পণ্ডিতজনক অমৰ কৰি ৰাখিব।❑

লেখক - প্ৰাক্তন ছাত্ৰ, সহকাৰী অধ্যাপক, দৰ্শন বিভাগ।

**সহায়ক পুথি ঃ**

১। 'জন্ম শতবৰ্ষৰ আলোকত মহেশ চন্দ্ৰ দেৱ গোস্বামী' (২০১৬) জন্ম শতবাৰ্ষিকী উদ্‌যাপন সমিতি, গুৱাহাটীৰ দ্বাৰা প্ৰকাশিত, সম্পাদিকা ড° আল্পনা সৰকাৰ ডেকা।
২। মহেশ চন্দ্ৰ দেৱ গোস্বামী — 'জীৱন আৰু কৃতি' (২০০৪) মহেশ চন্দ্ৰ দেৱ গোস্বামী স্মৃতিৰক্ষা সমিতি, নগাঁৰৰ দ্বাৰা প্ৰকাশিত।

বি.দ্ৰ. ঃ এই লিখনিৰ গুৰু অংশ ২০১৭ বৰ্ষৰ অসম কলেজ শিক্ষক সংস্থাৰ আলোচনীত প্ৰকাশিত। লেখাটো যুগুত কৰোতে দৰ্শন বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা শ্ৰীযুতা বেণু গোস্বামীৰ বিভিন্ন লিখনিৰ সহায় লোৱা হৈছে ঃ লিখক।



# মোৰ পিতৃ যজ্ঞেশ্বৰ শৰ্মা আৰু নগাঁও কলেজ

ডাঃ প্ৰমেশ কুমাৰ শৰ্মা

**মো**ৰ পৰম পূজনীয় পিতৃ সাহিত্যাচাৰ্য যজ্ঞেশ্বৰ শৰ্মাৰ ঘৰ যোৰহাট চহৰৰ তিতাবৰৰ বগাৰগাঁৱত। তেখেতে স্কুলীয়া শিক্ষা লাভ কৰিছিল বগাৰগাঁও নিম্ন প্ৰাথমিক বিদ্যালয় আৰু যোৰহাট চৰকাৰী হাইস্কুলত। প্ৰাথমিক পৰীক্ষাত বৃত্তি লাভ কৰা দেউতাই মধ্য ইংৰাজী স্কুলৰ বৃত্তি পৰীক্ষাত অবিভক্ত শিৱসাগৰ জিলাৰ ভিতৰত ১৯১৯ চনত প্ৰথম স্থান অধিকাৰ কৰিছিল। ১৯২৩ চনত প্ৰবেশিকা পৰীক্ষাত অসমীয়া, সংস্কৃত, অতিৰিক্ত সংস্কৃত আৰু অংক বিষয়ত লেটাৰ লৈ প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা দেউতাই ১৯২৫ চনত অসমীয়া আৰু সংস্কৃত বিষয়ত 'লেটাৰ' লৈ আই এ পৰীক্ষাত অসমৰ কলা বিষয়ৰ পৰীক্ষাৰ্থীসকলৰ ভিতৰত প্ৰথম স্থান পাইছিল। তেতিয়া কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত অসমৰ পৰীক্ষাৰ্থীসকলে পৰীক্ষা দিব লগা হৈছিল। কলিকতাৰ প্ৰেছিডেন্সী কলেজৰপৰা ১৯২৭ চনত দেউতাই ইংৰাজীত অনাৰ্ছ লৈ উচ্চ স্থান অধিকাৰ কৰিছিল। একেটা বিষয়তে তেখেতে দ্বিতীয় শ্ৰেণীৰ উচ্চ স্থান লৈ এম এ পৰীক্ষাত উত্তীৰ্ণ হৈছিল।

দেউতা আৰম্ভণি কালৰ যোৰহাট কলেজ আৰু বৰ্তমানৰ জগন্নাথ বৰুৱা কলেজৰ অন্যতম প্ৰতিষ্ঠাপক অধ্যাপক আছিল। সেই মহাবিদ্যালয়ত তিনিবছৰ বিনা বেতনে অধ্যাপনা কৰা দেউতা কি পৰিস্থিতিত নগাঁও মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষৰ দায়িত্ব গ্ৰহণ কৰিবলগীয়া হ'ল — এইটো এটা তাৎপৰ্যপূৰ্ণ কাহিনী। এই বিষয়ে পিতৃৰ মুখৰপৰা বিভিন্ন সময়ত শুনাৰ আমাৰ সৌভাগ্য হৈছিল।

১৯৪৪ চনৰ আগলৈকে মধ্য অসমৰ কেন্দ্ৰস্থল নগাঁৱত কোনো উচ্চ শিক্ষানুষ্ঠান নাছিল। শিক্ষাৰ ক্ষেত্ৰত অনগ্ৰসৰ জিলাখনত উচ্চ ইংৰাজী বিদ্যালয়ৰ সংখ্যা আঙুলিৰ মূৰত লিখিব পৰা আছিল। প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত আৰ্থিকভাৱে টনকিয়াল মুষ্টিমেয় ছাত্ৰহে কটন মহাবিদ্যালয়ত পঢ়িবলৈ গৈছিল। দুখীয়া মেধাৱী ছাত্ৰ-ছাত্ৰীৰ বাবে উচ্চ শিক্ষা গ্ৰহণ কৰাটো কষ্টসাধ্য আছিল। এনে পৰিস্থিতিত নগাঁৱৰ কেইবাগৰাকী বিদ্যোৎসাহী, প্ৰভাৱশালী ব্যক্তিয়ে মহাবিদ্যালয় এখন প্ৰতিষ্ঠা কৰাৰ কথা চিন্তা কৰে। সেইসকলৰ ভিতৰত এসময়ৰ প্ৰাক্তন মন্ত্ৰী মতিৰাম বৰাদেৱৰ তৎপৰতা বিশেষভাৱে উল্লেখ কৰিবলগীয়া। তেখেতে অবিভক্ত জিলাখনৰ সকলো ঠাইলৈ গৈ নগাঁৱত কলেজ এখনৰ আৱশ্যকতাৰ কথা জনসাধাৰণৰ মাজত ব্যাখ্যা কৰাৰ উপৰি বুজন পৰিমাণৰ ধন সংগ্ৰহ কৰাত আগভাগ লৈছিল। কলেজখনৰ প্ৰস্তুতি পৰ্বৰ লগে লগে অধ্যক্ষ পদৰ বাচনিৰ কথা চিন্তা কৰি আমোলাপট্টি নাট্য মন্দিৰত এখন সাধাৰণ সভা আহ্বান কৰা হৈছিল। সভাখনত নগাঁও চহৰৰ শিক্ষাপ্ৰেমী গণ্য-মান্য প্ৰায় সকলো ব্যক্তি উপস্থিত আছিল। সভাখনত সভাপতিত্ব কৰিছিল ৰায়বাহাদুৰ বৃন্দাবন গোস্বামীদেৱে। তেখেতক সভাপতি আৰু উপসভাপতি হিচাপে ৰায়বাহাদুৰ ভদ্ৰেশ্বৰ বৰুৱাক নিৰ্বাচিত কৰা হৈছিল। সভাত উপস্থিত থকা গৰিষ্ঠসংখ্যক লোকে মোৰ দেউতা অধ্যক্ষ পদৰ বাবে উপযুক্ত বুলি বিবেচনা কৰিছিল। দেউতা আছিল

নগাঁৰৰ জোঁৱাই। মোৰ ককা প্ৰয়াত আনন্দৰাম ভট্টাচাৰ্য নগাঁৰৰ এজন আঢ্যৱন্ত আৰু অন্যতম প্ৰভাৱশালী ব্যক্তি আছিল। তেখেত অসমৰ প্ৰথম পুথি প্ৰকাশক হিচাপে জনা যায়। সভাত দুই-এগৰাকীয়ে অসমৰ বাহিৰৰপৰা বিশেষকৈ কলিকতাৰপৰা কোনো ব্যক্তিক অধ্যক্ষ হিচাপে অনাৰ কথা চিন্তা কৰিছিল যদিও দেউতাকে এই পদৰ বাবে সৰ্বসন্মতিক্ৰমে পিছত নিৰ্বাচিত কৰা হয়। মোৰ মামা প্ৰয়াত প্ৰমোদৰাম ভট্টাচাৰ্যক এই সংবাদটো দেউতালৈ প্ৰেৰণ কৰিবলৈ কলেজ পৰিচালনা সমিতিয়ে অনুৰোধ কৰে। সংবাদটো পাই দেউতাই নগাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ পদৰ নিযুক্তি গ্ৰহণ কৰিবনে নকৰে প্ৰথমে সিদ্ধান্ত ল'ব পৰা নাছিল। কিয়নো যোৰহাটৰ সামাজিক, শৈক্ষিক জীৱনৰ লগত দেউতা বিশেষভাৱে জড়িত আছিল। সাহিত্য জগতখনৰ লগতো দেউতাৰ সম্পৰ্ক আছিল। সেইসকলৰ ভিতৰত গীতিকাৰ-সংগীতজ্ঞ প্ৰয়াত দৰ্পনাথ শৰ্মা আৰু বকুলবনৰ কবি হিচাপে সু-প্ৰসিদ্ধ আনন্দ চন্দ্ৰ বৰুৱা — দেউতাৰ অন্তৰঙ্গ বন্ধু আছিল।

নগাঁও কলেজৰ অধ্যক্ষ পদ গ্ৰহণ কৰিবনে — এই লৈ বিমোৰত পৰাত তেখেতে পণ্ডিতপ্ৰৱৰ কৃষ্ণকান্ত সন্দিকৈদেৱৰ পৰামৰ্শ বিচৰাত তেখেতে দেউতাক এইদৰে কৈছিল — "আপুনি নতুনকৈ এখন মহাবিদ্যালয় গঢ়াৰ দায়িত্ব পাইছে, নিশ্চয় পাৰিব। অৱশ্যে আপুনি ইয়াৰপৰা গ'লে আমাৰেই লোকচান হ'ব। জগন্নাথ বৰুৱা কলেজৰ দুৱাৰ সদায় আপোনাৰ বাবে খোলা থাকিব। নগাঁও কলেজত বেয়া পালে ইয়াত পুনৰ যোগ দিব পাৰিব।" তেতিয়া কৃষ্ণকান্ত সন্দিকৈ জগন্নাথ বৰুৱা কলেজৰ অধ্যক্ষ পদত আছিল। দেউতাৰ তেনে এক দোধোৰমোধোৰ অৱস্থাত মোৰ মা ব্ৰজবালা দেৱীয়ে দেউতা নগাঁৱলৈ অহাত গুৰুত্ব দিলে। মাৰ নিজৰ ঘৰখনো নগাঁৱত। সেইটো এটা সুবিধা। দ্বিতীয়তে দ্বিতীয় মহাসমৰৰ পিছত যোৰহাটৰ জীৱনযাত্ৰা অত্যন্ত ব্যয়বহুল হৈ পৰিছিল। দেউতাৰ সীমিত দৰমহাৰে ভাড়াঘৰত থাকি তিনিটা সন্তানৰে ঘৰ চলোৱা মাৰ পক্ষে কষ্টকৰ হৈছিল। তেতিয়া মোৰ আৰু ভণ্টীৰ জন্ম হোৱা নাছিল। প্ৰসংগক্ৰমে দেউতাৰ জীৱন যাত্ৰাত আৰু সাহিত্যকৰ্মত মোৰ মাতৃয়ে সকলো ক্ষেত্ৰতে সহায়-সহযোগিতা আগবঢ়াইছিল। মোৰ বিদুষী মাৰ বিষয়ে এটা প্ৰবন্ধত আমাৰ পৰিয়ালৰ অতি আপোন প্ৰথিতযশা সাহিত্যিক উপেন্দ্ৰ বৰকটকীয়ে 'ত্যাগ আৰু সহিষ্ণুতাৰ উজ্জ্বল দৃষ্টান্ত' বুলি উল্লেখ কৰিছে।

যিহওক, সকলো ভাবি-চিন্তি দেউতাই ১৯৪৪ চনৰ আগষ্ট মাহত নগাঁও কলেজৰ অধ্যক্ষ হিচাপে যোগ দিয়ে। দেউতাই সেই দায়িত্ব গ্ৰহণ কৰাত নগাঁৰৰ ৰাইজ বৰ সুখী হৈছিল। প্ৰথমে ডচন স্কুলৰ এটা সৰু কোঠাত কলেজৰ কাৰ্যালয় আৰম্ভ কৰা হৈছিল। লগতে দুই-তিনিজন তৃতীয় আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰী থকাৰ ব্যৱস্থা কৰা হৈছিল। ইতিমধ্যে নগাঁও কলেজক আই এ খোলাৰ বাবে কলিকতা বিশ্ববিদ্যালয়ে অস্থায়ীভাৱে অনুমতি দিছিল। দেউতাৰ কলিকতা বিশ্ববিদ্যালয়ৰ বহুতো ব্যক্তিৰ লগত চিনাকি থকা কাৰণে নিজে গৈ স্থায়ী অনুমতি অনাত সহায় হৈছিল। প্ৰথমে সীমিত ছাত্ৰৰে কলেজ আৰম্ভ কৰা হয়। আই-এ পৰীক্ষাৰ ফল সন্তোষজনক হোৱাত বিশ্ববিদ্যালয় কৰ্তৃপক্ষই ১৯৪৭ চনত বি এ শ্ৰেণী খুলিবলৈ অনুমতি দিয়ে। কলেজখনত ছাত্ৰ-ছাত্ৰীৰ সংখ্যাও ক্ৰমান্বয়ে বৃদ্ধি পাবলৈ ধৰে। বহুত দূৰ-দূৰণিৰপৰা ছাত্ৰ আহি নগাঁও কলেজৰ অস্থায়ী ছাত্ৰাবাসত থাকি শিক্ষা লাভ কৰিছিল। জিলাখনৰ বাহিৰৰ ছাত্ৰ আহিও নামভৰ্তি কৰিছিল। কিছুদিনৰ পিছত দেউতাৰ যত্নতে কলেজত বিজ্ঞান শাখা আৰম্ভ কৰা হয়।

সেই সময়ত সমগ্ৰ নগাঁও জিলাত শিক্ষিত মানুহৰ সংখ্যা বেছি নাছিল। সাহিত্যচৰ্চাও এতিয়াৰ দৰে হোৱা নাছিল। প্ৰথম অৱস্থাতে দেউতাৰ লগত 'শেৱালি কবি' হিচাপে ৰত্নকান্ত বৰকাকতীদেৱৰ

লগত সু-সম্পৰ্ক গঢ়ি উঠিছিল। দেউতাই 'শেৱালি' কবিতা পুথিখনৰ পাতনি (?) কবিৰ অনুৰোধতে লিখিছিল। নগাঁও মহাবিদ্যালয় প্ৰতিষ্ঠা হোৱাৰ পিছত জিলাখনত এক শৈক্ষিক পৰিৱেশ গঢ়ি উঠাৰ লগতে শিক্ষিত মানুহৰ সংখ্যাও বাঢ়িবলৈ ধৰিলে। লগতে জিলাখনৰ বেছিভাগ শিক্ষানুষ্ঠানৰ কৰ্মকৰ্তাসকলে দেউতাৰ পৰা সততে দিহা-পৰামৰ্শ ল'বলৈ আহিছিল। বিভিন্ন শিক্ষানুষ্ঠানৰ বছৰেকীয়া অধিৱেশন, বঁটা-বিতৰণী সভা আদিলৈ দেউতাক প্ৰায়ে মুখ্য অতিথি হিচাপে আমন্ত্ৰণ কৰি নিছিল। মই ভাবোঁ দেউতাৰ নগাঁও জিলাত শিক্ষা বিস্তাৰৰ ক্ষেত্ৰত বহুখিনি অৱদান আছে। দেউতাৰ অক্লান্ত চেষ্টাৰ ফলত নগাঁও মহাবিদ্যালয়খন অসমৰ এখন আগশাৰীৰ মহাবিদ্যালয় হিচাপে গঢ়ি উঠিছিল। দেউতা সকলো সময়তে অধ্যয়ন আৰু শিক্ষাজগতৰ লগত ব্যস্ত হৈ থকা কাৰণে ঘৰুৱা কাম-কাজলৈ মন দিবলৈ সময় পোৱা নাছিল। গতিকে ঘৰৰ সকলো দায়িত্ব মায়ে চম্ভালিবলগীয়া হৈছিল। দেউতাৰ সীমিত দৰমহাৰ টকাকেইটাৰে ঘৰখন নিয়াৰিকৈ চলাই নিয়াৰ ক্ষেত্ৰত মাই বিভিন্ন প্ৰকাৰে সহায় কৰিছিল।

"Simple living and high thinking" এয়ে আছিল দেউতাৰ জীৱনৰ আদৰ্শ। ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক উৎকৰ্ষ সাধনৰ কাৰণে দেউতাই যৎপৰোনাস্তি চেষ্টা কৰিছিল। মেধাৱী দুখীয়া ছাত্ৰক নানা প্ৰকাৰে সহায় কৰিছিল। কলেজখনত অধ্যয়নৰ পৰিৱেশ গঢ়ি তুলিবৰ কাৰণে এটা উচ্চমানৰ পুথিভঁড়ালৰ আৱশ্যকতাৰ কথা অনুভৱ কৰি বিভিন্ন বিষয়ৰ বিভিন্ন ভাষাৰ অলেখ কিতাপ সংগ্ৰহ কৰিছিল। নগাঁও মহাবিদ্যালয় পুথিভঁড়ালটোৰ সেয়ে অসমত বিশেষ খ্যাতি আছে। শিক্ষা ক্ষেত্ৰৰ বাহিৰেও দেউতাই পাঠ্যক্ৰম সহযোগী বিষয়তো গুৰুত্ব দিছিল। নগাঁও কলেজে সেই সময়ত ভালেমান সু-সংগীতজ্ঞ আৰু ক্ৰীড়াবিদৰ সৃষ্টি কৰিব পাৰিছিল। তদুপৰি সৰস্বতী পূজা, শঙ্কৰদেৱ-মাধৱদেৱৰ তিথি, নৱাগত আদৰণি সভা, কলেজ সপ্তাহ আদি আড়ম্বৰেৰে উদ্‌যাপন কৰা হৈছিল। কলেজৰ বছৰেকীয়া অনুষ্ঠানবোৰলৈ অসমৰ আগশাৰীৰ শিক্ষাবিদ আৰু বিশিষ্ট সাহিত্যিকসকলক নিমন্ত্ৰণ কৰি অনা হৈছিল। তেখেতসকলৰ ভাষণে যাতে ছাত্ৰ-ছাত্ৰীসকলক অনুপ্ৰাণিত কৰে, সেই উদ্দেশ্য লৈয়ে খ্যাতিসম্পন্ন লোকসকলক নিমন্ত্ৰণ কৰা হৈছিল।

দেউতাৰ ব্যক্তিত্ব, পাণ্ডিত্য, কৰ্মনিষ্ঠা, প্ৰশাসনিক দক্ষতা আদি গুণ থকা বাবে নগাঁও মহাবিদ্যালয়ৰ অসমত সুনাম আছিল। অধ্যক্ষগৰাকীৰ ব্যক্তিত্ব আৰু সুখ্যাতিয়ে কলেজ এখনৰ ভৱিষ্যত বহু পৰিমাণে নিৰ্ভৰ কৰে। মই ভাবোঁ দেউতাৰ সেই গুণখিনি থকা বাবে নগাঁও মহাবিদ্যালয় অগ্ৰণী শিক্ষানুষ্ঠান হিচাপে পৰিগণিত হৈছিল। এইক্ষেত্ৰত তেখেতে সহকৰ্মীসকলৰপৰা সহায়-সহযোগিতা পোৱাৰ কথাও ক'ব লাগিব। ১৯৬৮ চনৰ ছেপ্টেম্বৰ মাহত দেউতাই সুদীৰ্ঘ ২৪ বছৰ কাল অধ্যক্ষ পদৰ দায়িত্ব বহন কৰি অৱসৰ গ্ৰহণ কৰে। অৱসৰৰ পিছতো দেউতা জিলাখনৰে নহয় অসমৰ শিক্ষা জগত আৰু সাহিত্যক্ষেত্ৰত নানা প্ৰকাৰে জড়িত হৈ আছিল। অসম সাহিত্য সভাৰ সভাপতিৰ আসনো দেউতাই অলংকৃত কৰিছিল। মৃত্যুৰ আগলৈকে (১৩ নৱেম্বৰ, ১৯৯৮) দেউতাৰ ওচৰলৈ বহুতো পুৰণি ছাত্ৰ-ছাত্ৰী আৰু তেখেতৰ গুণমুগ্ধ অনেক লোক জ্ঞানৰ সন্ধানত আহি আশীৰ্বাদ লৈছিল আৰু কৃতাৰ্থ হৈছিল। সেয়া আমাৰ পৰিয়ালৰ কাৰণে পৰম সৌভাগ্যৰ কথা।

শেষত ড° লক্ষ্মীনন্দন বৰাদেৱৰ কথাৰে কওঁ — "তেখেতে নগঞা জীৱনত এক নতুন মাত্ৰা দান কৰিছিল। আমি ভাবোঁ, তেখেতহে প্ৰকৃত নগঞা। আমাৰ কাহানিও মনলৈ নাহে যে তেখেতৰ জন্ম তিতাবৰত আৰু নগাঁৱলৈ অহাৰ আগেয়ে তেখেতে যোৰহাটৰ জগন্নাথ বৰুৱা মহাবিদ্যালয়ত শিক্ষকতা কৰিছিল" — (মোৰ দৃষ্টিত সাহিত্যাচাৰ্য যজ্ঞেশ্বৰ শৰ্মা)।❑

লেখক - নগাঁৱৰ বিশিষ্ট চিকিৎসক।

# অধ্যক্ষ মুহিৰাম শইকীয়া ছাৰৰ সান্নিধ্যৰ সুবাস

**হলিৰাম হাজৰিকা**

'**বি**শালতাই গাম্ভীর্যতা সৃষ্টি কৰে, গাম্ভীর্যতাই ভয় সৃষ্টি কৰে আৰু ভয়ে ভক্তি সৃষ্টি কৰে' এই বাক্যষাৰ যদি বাস্তৱ সত্য হয়, তেন্তে অধ্যক্ষ মুহিৰাম শইকীয়া ছাৰৰ ক্ষেত্ৰত এশ শতাংশই প্ৰযোজ্য। বগা ধুতী, খদ্দৰৰ আঁঠুলৈকে পৰা কামিজ ক'লা ফ্ৰেমৰ চচ্‌মা পিন্ধা ওখ-পাখ বহল মুখৰ মানুহজনে, মহাবিদ্যালয়ৰ বাৰাণ্ডাত থিয় হৈ, ৰাস্তাৰ ফালে চাই যেতিয়া চিগাৰেটটোত হোঁপা মাৰিছিল, তেতিয়াই এটা গাম্ভীর্য পৰিৱেশ সৃষ্টি হৈছিল। ছাত্ৰই হওক বা অন্য কোনো ব্যক্তিয়েই হওক, তেনে মুহূর্তত অধ্যক্ষ শইকীয়া ছাৰৰ সন্মুখেৰে উচ্চশিৰে পাৰ হৈ যাবলৈ সমীহ কৰিছিল। হয়তো কেতিয়াবা এই সমীহৰ ফলতে মানুহজনৰ প্ৰতি সদভাব বা ভক্তি জন্ম হৈছিল।

এখন মহাবিদ্যালয়ৰ অধ্যক্ষ হ'বৰ কাৰণে শিক্ষাগত অৰ্হতাৰ উপৰি, যি ব্যক্তিত্বৰ প্ৰয়োজন সেইয়া শইকীয়া ছাৰৰ সম্পূর্ণ আছিল। শাৰীৰিক অৱয়বে তেখেতক ব্যক্তিত্বশালী ব্যক্তিত পৰিগণিত কৰাত বহুলাংশে সহায় কৰিছিল।

শিৱসাগৰ মহাবিদ্যালয়ৰ স্বনামধন্য অধ্যক্ষ পৰাগধৰ চলিহাৰ লগত সহকৰ্মী হিচাপে অধ্যাপনা কৰা আৰু উপাধ্যক্ষ হিচাপে কাম কৰাৰ অভিজ্ঞতাপুষ্ট শইকীয়া ছাৰ, নগাঁও মহাবিদ্যালয়ৰ বাবে উপযুক্ত অধ্যক্ষ হিচাপে বিবেচিত হৈছিল।

জনসাধাৰণ, অভিভাৱক, ছাত্ৰ-ছাত্ৰী, শিক্ষক সকলোৱে তেখেতক সমীহ কৰি চলিছিল। ১৯৭২ চনৰ ভাষা আন্দোলনৰ সময়ত শইকীয়া ছাৰে সঠিকভাৱেই নেতৃত্ব দিছিল ছাত্ৰ সমাজক। এই মহাবিদ্যালয়ৰ ছাত্ৰ অনিল বৰাৰ হোজাইত মৃত্যু হৈছিল। সেইদিনাও অধ্যক্ষ মুহিৰাম ছাৰ ছাত্ৰসকলৰ লগত থাকি আৰু কোনো অপ্ৰীতিকৰ ঘটনা নোহোৱাকৈ সীমাবদ্ধতাত ৰাখিছিল।

নগাঁও মহাবিদ্যালয়ত এটা সুন্দৰ পুথিভঁৰাল আছে। 'মহেন্দ্ৰ নাথ মৈহেংদাং ডেকাফুকন' নামত। দুই লাখতকৈও অধিক কিতাপ থকা আহল-বহল, বহু ছাত্ৰ-ছাত্ৰীয়ে একেলগে পঢ়িব পৰা এটা সুন্দৰ পুথিভঁৰাল। এই পুথিভঁৰাল নিৰ্মাণ হৈছিল অধ্যক্ষ মুহিৰাম শইকীয়া ছাৰৰ নেতৃত্বতে। নগাঁও মহাবিদ্যালয় চৌহদত থকা ছাত্ৰাবাসটোও শইকীয়া ছাৰৰ অধ্যক্ষতাতে নিৰ্মাণ হৈছিল। বিজ্ঞান ভৱনটোৰ এটা অংশ (বৰ্তমানৰ জীৱবিজ্ঞান আৰু উদ্ভিদ বিজ্ঞান বিভাগ আৰু গেলাৰী), তলৰ মহলাটো শইকীয়া ছাৰৰ নেতৃত্বতে নিৰ্মিত হৈছিল। এইখিনি আছিল অধ্যক্ষ হিচাপে ছাৰৰ নগাঁও মহাবিদ্যালয়লৈ অৱদান।

এইখিনিতে, মই অধ্যক্ষ শইকীয়া ছাৰৰ লগত সম্পৰ্ক থকা মোৰ ব্যক্তিগত জীৱনৰ দুটামান লঘু ঘটনা উল্লেখ কৰিব খুজিছোঁ।

১৯৭৩ চনত মেট্ৰিক পাছ কৰাৰ পাছত নগাঁও কলেজত বিজ্ঞান শাখাত নাম ভৰ্তি কৰিবৰ বাবে মনস্থ কৰি, জুলাই মাহৰ কোনোবা এটা দিনত নাম ভৰ্তি ফৰ্ম এখন আনিবলৈ বুলি ওলালোঁ। চাইকেলেৰে

প্ৰধান প্ৰৱেশ পথেদি মহাবিদ্যালয় চৌহদ সোমাইছোঁ, মাত্ৰ তেনেতে চকুত পৰিল বাৰাণ্ডাত ওখ-পাখ, ধুতী-পাঞ্জাৱী পিন্ধা, গুৰু গম্ভীৰ মানুহ এজন বৈ আছে আৰু মহাবিদ্যালয়ৰ চৌহদলৈ প্ৰৱেশ কৰা মানুহবোৰ নিৰীক্ষণ কৰি আছে। মোৰ মগজুৱে তৎক্ষণাৎ বুজি পালে, মানুহজন কলেজখনৰ অধ্যক্ষই হ'ব। হাতেৰে কিবা এটা ইঙ্গিত দি মোক কিবা কোৱা যেন অনুমান কৰিলোঁ। চাইকেলখন ষ্টেণ্ডত থিয় কৰাই চুচুক-চামাককৈ তেখেতৰ কাষ পালোঁ। মহাবিদ্যালয় চলি থকা অৱস্থাত, চৌহদত চাইকেল চলাবৰ বাবে মানা কৰিলে আৰু লগতে অহাৰ কাৰণ সুধিলে। মই ভয়ে ভয়ে ক'লোঁ, 'এইবাৰ মই মেট্ৰিক পাছ কৰিলোঁ আৰু এইখন কলেজতে বিজ্ঞান শাখাত নাম ভৰ্তি কৰিব খুজিছোঁ সেয়েহে নামভৰ্তি ফৰ্ম এখন নিবলৈ আহিছোঁ।' কলেজ অফিচ ৰুমটোলৈ আঙুলিয়াই, তাতে ফৰ্ম পাম বুলি কৈ ধীৰ খোজেৰে মানুহজন আঁতৰি গ'ল। এইয়াই আছিল অধ্যক্ষ মুহিৰাম শইকীয়া ছাৰৰ লগত মোৰ প্ৰথম সাক্ষাৎ।

দুবছৰ প্ৰাক্-বিশ্ববিদ্যালয় শ্ৰেণীত পঢ়াৰ পিছত উত্তীৰ্ণ হৈ ১৯৭৫ চনত এই মহাবিদ্যালয়তে পুনৰ স্নাতক শ্ৰেণীত পদাৰ্থ বিজ্ঞানত (অনাৰ্চ সহ) পঢ়া আৰম্ভ কৰিলোঁ। সেই সময়লৈকে কলেজ ইউনিফৰ্মৰ ব্যৱস্থা নাছিল। ১৯৭৫ চনৰ পিছৰপৰাই নগাঁও কলেজত ছাত্ৰই ইউনিফৰ্ম পিন্ধাটো বাধ্যতামূলক হয়। ইউনিফৰ্ম আছিল ল'ৰাৰ বাবে, নেভি-ব্লু ৰঙৰ পেণ্ট আৰু বগা ৰঙৰ চাৰ্ট। কোনোবা এটা দিন মই ইউনিফৰ্মৰ বগা চাৰ্টৰ পৰিৱৰ্তে এটা ৰঙা চাৰ্ট পিন্ধি কলেজলৈ ওলালোঁ।

পুৱা ৮-৪০ বজাৰপৰাই ক্লাছ আৰম্ভ হয়। প্ৰথম ক্লাছ দুটাই আছিল অনাৰ্চ ক্লাছ। মুখ্য গেটটোৰ মাজেৰে চৌহদত প্ৰৱেশ কৰিছো মাত্ৰ, অধ্যক্ষ শইকীয়া ছাৰৰ সন্মুখতে পৰিলোঁ। মোৰ গাত ৰঙা ৰঙৰ চাৰ্টটো দেখি চাৰ গৰ-গৰাই উঠিল। ইংৰাজী-অসমীয়া দুয়োটা ভাষাতে মোক গালি পাৰি খঙতে অগ্নিশৰ্মা হৈ মোক চৌহদৰপৰা বাহিৰ কৰি দিলে। ভয় আৰু শঙ্কাতে ময়ো বাহিৰ ওলালোঁ। মই ইচ্ছাকৃতভাৱে ৰঙা ৰং চাই পিন্ধা নাছিলোঁ। আগৰ দিনা লগৰ ল'ৰাই মোৰ বগা চাৰ্টটোৰ পিছফালে চিয়াঁহী মাৰি লেতেৰা কৰি পেলাইছিল। মই কিন্তু গম পোৱা নাছিলোঁ। পিছদিনা কলেজলৈ অহাৰ সময়ত গম পালোঁ। আৰু বগা চাৰ্ট নাছিল, অনাৰ্চৰ ক্লাছকেইটা ক্ষতি কৰিবলৈও মন নাই। সেয়েহে ৰঙা চাৰ্ট এটা আছিল, তাকে পিন্ধি কলেজলৈ আহিছিলোঁ।

কলেজ চৌহদৰপৰা বাহিৰ ওলাই ভাবিলো পুৱাই পুৱাই এই ডিচেম্বৰ মাহৰ ঠাণ্ডাত কৰৈয়নীৰপৰা অত দূৰ চাইকেল মাৰি আহিছোঁ। গতিকে ঘৰলৈ উভটি নাযাওঁ। মনতে ভাবিলোঁ পিছফালৰ গেটেৰে গৈ ক্লাছ কৰি থাকিলে অধ্যক্ষই গম নাপাব। অন্ততঃ অনাৰ্চ ক্লাছ দুটা কৰি যাওঁ। এই বুলি মনতে ভাবি, পিছফালৰ গেটটোৰে পদাৰ্থ বিজ্ঞানৰ অনাৰ্চ ক্লাচ চলি থকা ৰুমত প্ৰৱেশ কৰিলো। আধা ঘণ্টা যোৱাৰ পিছত দেখিলোঁ অধ্যক্ষ শইকীয়া ছাৰে, প্ৰতিটো শ্ৰেণীকোঠাত সোমাই ইউনিফৰ্ম নিৰীক্ষণ কৰিছে। পদাৰ্থ বিজ্ঞান চলি থকা শ্ৰেণীকোঠাত যেতিয়া সোমাল মই ভয়তে কঁপিবলৈ ধৰিলোঁ। শৰীৰৰপৰা ঘাম ওলাবলৈ ধৰিলে। মোৰ ফালে আঙুলিয়াই ইউ, ইউ বুলি বৰকৈ চিঞৰি ক'লে, 'তোমাক গেটৰ মুখতে উলিয়াই দিছিলোঁ, আকৌ তুমি কিয় সোমালা?' মই এইবাৰ মনতে কিছু সাহস গোটাই ক'লোঁ 'হয় ছাৰ মোক উলিয়াই দিছিল। কিন্তু মই কৰৈয়নীৰপৰা এই পুৱাতে ৬ মাইল চাইকেল চলাই ক্লাছ কৰিবলৈ আহিছো, চাৰ্ট বুলিবলৈ মোৰ মাত্ৰ ইউনিৰ্ফমৰ বগা চাৰ্টটোৱেই। লগৰ ল'ৰাই কালি চিয়াঁহী মাৰি চাৰ্টৰ পিছফালটো লেতেৰা কৰিলে। আজি ধুই দি আহিছো। গতিকে আপুনি উলিয়াই দিছিল যদিও ভাবিছো অনাৰ্ছ ক্লাছ দুটা কৰি যাওঁ। সেয়েহে পিছফালৰ গেটেৰে আহি শ্ৰেণীকোঠাত সোমালোঁ। মোক ক্ষমা কৰক ছাৰ।' এনেদৰে কোৱাত শইকীয়া ছাৰে একো নামাতি, মোৰ পিঠিখনত এবাৰ

হাতখন থৈ 'থিক আছে, আজি ক্লাছবোৰ কৰা' বুলি কৈ ওলাই গ'ল।

১৯৭৭ চনৰ এপ্ৰিল মাহত BSc Final পৰীক্ষা। পৰীক্ষালৈ মাত্ৰ দুদিন আছে। হঠাৎ মই অসুস্থ হৈ পৰো। অত্যন্ত মূৰৰ বিষ আৰু বমি আৰম্ভ হৈছিল। মূৰৰ বিষ ইমান বেছি হৈছিল যে শেষত নগাঁও চিভিল হস্পিতেলত ভৰ্তি হ'ব লগা হ'ল। প্ৰথম পৰীক্ষা অনাৰ্চৰ প্ৰথম প্ৰশ্ন কাকতৰ দিনা মই চিভিলত হাতত চেলাইন লৈ পৰি আছোঁ। পৰীক্ষাত বহিব নোৱৰা বাবে মই অস্থিৰ হৈ পৰিলোঁ। এই অস্থিৰতাৰ বাবে মই কোনো সময়ত ভুল বকা আৰম্ভ কৰিলোঁ। বহুতে ভাবিলে মোৰ মস্তিষ্কৰ বিকৃতি ঘটিছে বা মই পাগল হোৱাৰ পথত। পৰীক্ষাৰ দিনা মোৰ অনুপস্থিতিৰ কথা পদাৰ্থ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যপক বিমল বৰা ছাৰে গম পালে আৰু কথাটো অধ্যক্ষ শইকীয়া ছাৰক জনালে। সেইদিনা পৰীক্ষা আৰম্ভৰ ঠিক পিছতেই শইকীয়া ছাৰ আৰু বৰা ছাৰ গৈ চিভিল হস্পিতেল ওলাল। মোৰ বিছনাৰ কাষত থিয় হৈ মোক মাত দিয়াৰ লগে লগে মোৰ চকুপানী ওলাবলৈ ধৰিলে। অধ্যক্ষ শইকীয়া ছাৰে মোৰ মূৰত হাত ফুৰাই মোক সান্ত্বনা দিলে, এবছৰ লোকচান হ'লে একো নহয়। পিছৰ বছৰ ভালকৈ পৰীক্ষা দিব পাৰিবা। আগতে সুস্থ হৈ লোৱা। তাৰপিছত ছাৰে মোৰ হাতত লগাই থোৱা চেলাইনৰ বটলটো দেখুৱাই তাত থকা ৰাসায়নিক সূত্ৰটো পঢ়িবলৈ ক'লে, মই সম্পূৰ্ণ শুদ্ধকৈ পঢ়ি দিলোঁ। ছাৰৰ মুখৰপৰা হঠাৎ ওলাই আহিল 'সকলো ঠিকেই আছে, মানুহবোৰে মিছায়ে পাগল হ'ব বুলি ভাবিছে।' দুয়োজন ছাৰে, এজন ডাক্তৰ মোৰ ওচৰলৈ মাতি আনি মোৰ বিষয়ে কিবা ক'লে। ডাক্তৰজনে বৰ ভাল কোৱা শুনিলোঁ, তেওঁৰ একো হোৱা নাই, মাত্ৰ ব্লাড প্ৰেচাৰটো বৰ বাঢ়ি আছিল, সেয়েহে বিষ আৰু বমি হৈছে দৰব দিছো, ভাল হৈ যাব।

অধ্যক্ষ শইকীয়া ছাৰৰ উপস্থিতিৰ বাবে ডাক্তৰৰ ওচৰত মোৰ গুৰুত্ব বাঢ়িল। ডাক্তৰজনে খুউব মৰমেৰে মোক চিকিৎসা কৰিলে। দুদিনতে মই সুস্থ হৈ উঠিলোঁ। কিন্তু মোৰ এটা শিক্ষাবৰ্ষ হেৰুৱালোঁ। এমাহ মানৰ পাছত আমাৰ ঘৰৰ ওচৰৰে এজন চতুৰ্থ শ্ৰেণী কৰ্মচাৰীৰ হতুৱাই মোক অধ্যক্ষ শইকীয়া ছাৰে মাতি পঠিয়ালে। দুদিনৰ পিছত ছাৰক লগ ধৰিলোঁ। যিহেতু মই সেই বছৰ পৰীক্ষাত বহিব নোৱাৰিলোঁ গতিকে বিশ্ববিদ্যালয়, যি মাছুল দিছিলোঁ, সেই মাছুলতে মোক পিছৰ বছৰত (অৰ্থাৎ ১৯৭৮ বৰ্ষ) পৰীক্ষাত বহিবলৈ আৱেদন জনাই এখন দৰ্খাস্ত দিবলৈ ক'লে। ছাৰৰ উপদেশ মতে, মই এখন দৰ্খাস্ত লিখি ছাৰৰ হাতত দি আহিলোঁ। পিছৰ বছৰত পৰীক্ষাৰ ফৰ্ম ভৰ্তিৰ সময়ত ছাৰে আকৌ মোক মাতি জনালে যে বিশ্ববিদ্যালয়ে মোৰ আবেদন মঞ্জুৰ কৰিলে আৰু কোনো ফিজ নিদিয়াকৈ মই ফৰ্ম ভৰ্তি কৰিব পাৰিম। শইকীয়া ছাৰৰ এই উপকাৰৰ কথা জীৱনত সদায় মনত ৰাখিছো।

১৯৭৮ চনত BSc পাছ কৰিলোঁ। পদাৰ্থ বিজ্ঞান(অনাৰ্চ)ত মই আৰু মোৰ সহপাঠী শিখা দাস নামৰ এজনী ছোৱালীয়ে প্ৰথম শ্ৰেণী পালোঁ। সেই বছৰ কলেজত আন কোনো বিভাগতে প্ৰথম শ্ৰেণী পোৱা নাছিল। অধ্যক্ষ শইকীয়া ছাৰক অধ্যক্ষ কোঠাত মাত লগাবলৈ বুলি গ'লোঁ। সোমাই যোৱাৰ লগে লগে, ছাৰে ক'লে MSc কৰি আহ। বিশ্ববিদ্যালয়ৰপৰা ফৰ্ম আনি সোনকালে ভৰ্তি কৰি জমা দে। এইবুলি কৈ ছাৰে আকৌ ক'লে — তোক বাইদেউৱে আমাৰ ঘৰলৈ মাতিছে। মোৰ কোৱাৰ্টাৰৰপৰা আহগৈ যা। আগতে ছাৰে মোক তুমি ব্যৱহাৰ কৰিছিল, কিন্তু সেইদিনা ছাৰে মোক 'তই' ব্যৱহাৰ কৰিছিল। মনটোত আনন্দও লাগিছিল। ছাৰৰ কথা মতে, মই অধ্যক্ষ বাসভৱন পালাগৈ, কলিং বেলত হেঁচা দিয়াত বাইদেউ ওলাই আহিল। মোক দেখি প্ৰশ্ন কৰিলে — কাক বিচাৰিছা? মই ছাৰে পঠোৱা বুলি ক'লো, আৰু লগতে 'আপুনি মোক মাতি পঠাইছে' বুলি কোৱাত মোক প্ৰশ্ন কৰিলে, পদাৰ্থ বিজ্ঞান (অনাৰ্চ)ত প্ৰথম শ্ৰেণী পোৱা ল'ৰাজন

নে কি? মই 'হয়' বুলি কোৱাত মোক ভিতৰলৈ মাতি নিলে। ড্ৰয়িং ৰুমত বহিবৰ বাবে কৈ বাইদেউ ভিতৰ সোমাল। পাঁচ মিনিটৰ পিছত বাইদেউ ওলাই আহি মোক ক'লে, 'ভিতৰলৈকে আহা ঘৰত মোৰ বাদে কোনো নাই।' মুঢ়া এটা পাৰি মোক পাকঘৰতে বহিবলৈ দি বাইদেউ চাহ কৰাত লাগিল। তিলপিঠা এটা, নাৰিকলৰ লাডু এটা আৰু ৰসগোল্লা এটাৰ সৈতে মোলৈ চাহ একাপ আগুৱাই দি ক'লে— চাহকাপ খোৱা।

বাঃ! ৰিজাল্টৰ বাবে অধ্যক্ষৰ ঘৰত চাহ! কথাটো ভাবিলে আজিও ভাল লাগে।

MSc পঢ়িবলৈ গুৱাহাটী বিশ্ববিদ্যালয়ত নামভৰ্তি কৰিলোঁ। বিদেশী বহিষ্কাৰ আন্দোলনৰ বাবে দুবছৰ হেৰুৱালোঁ। ১৯৮০ চনৰ ফাইনেল পৰীক্ষা ১৯৮২ চনৰ মে' মাহত অনুষ্ঠিত হ'ল। ৰিজাল্ট ওলোৱাৰ আগতেই চাকৰিৰ বাবে অনুসন্ধান চলালোঁ। মেঘালয়ৰ চিলং পলিটেকনিকত খালী থকা লেকচাৰাৰ পদৰ বাবে আবেদন জনালোঁ। সময়ত সাক্ষাৎকাৰৰ বাবে আমন্ত্ৰণ পত্ৰ পালোঁ। চিলঙত সাক্ষাৎকাৰ দি আহি পাইছোঁ। দেউতাই ক'লে- কলেজৰপৰা পিয়ন এজন আহিছিল, তোক কলেজলৈ মাতি গৈছে। পিছদিনা কলেজলৈ গ'লো আৰু প্ৰথমে অধ্যক্ষৰ কোঠাত সোমালোঁ। অধ্যক্ষ শইকীয়া ছাৰ তেখেতৰ ৰুমতে বহি আছিল। মোক দেখিয়েই ছাৰে বকিবলৈ আৰম্ভ কৰিলে, ৰিজাল্ট দিয়া এসপ্তাহ হৈ গ'ল, তোৰ দেখাদেখি নাই। পদাৰ্থ বিজ্ঞান বিভাগৰ অৰ্পণা গোস্বামীয়ে মেটাৰনেটি চুটি লৈছে। তই কিছুদিন কলেজত কাম কৰ। মই ছাৰক ক'লোঁ ছাৰ মই কালি চিলঙৰপৰা আহি পাইছোঁ। চিলং পলিটেকনিকত মই লেকছাৰাৰ চাকৰি এটা পাইছোঁ। মই তাতেই যোগদান কৰিম নেকি? এই বুলি ক'বলৈহে পালোঁ ছাৰে গৰগৰাই উঠিল, চিলঙত পলিটেকনিকত যোগদান কৰিলে, সদায় তাতেই থাকিব লাগিব। তই আমাৰ কলেজত যোগদান কৰ। অসমতে লেকচাৰাৰ চাকৰি এটা পাবি। ঠিক সেই সময়তে পদাৰ্থ বিজ্ঞানৰ মুৰব্বী অধ্যপক বিমল বৰা ছাৰ অধ্যক্ষৰ কোঠালৈ আহিল। বৰা ছাৰক দেখি শইকীয়া ছাৰে ক'লে, এই বিমল বৰা, ইয়াক আজিয়েই ক্লাছ কৰিব দিয়ক, মই নিযুক্তি পত্ৰ আজিয়েই দিম। অৰ্পণা গোস্বামীৰ ঠাইত ইয়ে কাম কৰিব। বৰা ছাৰৰ লগত গৈ পদাৰ্থ বিজ্ঞান বিভাগ পালোগৈ। বৰা ছাৰে মোক ১-২০ বজাৰপৰা থকা প্ৰাঃ বিঃ দ্বিতীয় বাৰ্ষিক শ্ৰেণীত সুমুৱাই থৈ আহিলগৈ। সেইদিনাৰ পৰাই নগাঁও কলেজত মোৰ চাকৰি জীৱন আৰম্ভ হ'ল। অধ্যক্ষ শইকীয়া ছাৰৰ ধমকিত, চিলঙৰ চাকৰি মনৰপৰা বাদ দিলোঁ, হৈ পৰিলোঁ সেইদিনাৰ পৰাই নগাঁও মহাবিদ্যালয়ৰ শিক্ষক।

অৰ্পণা গোস্বামী বাইদেউৰ চুটি শেষ হোৱাত মই কলেজৰপৰা আঁতৰিব লগা হ'ল। পাছত মই যোৰহাটৰ 'প্ৰিন্স অৱ ৱেলচ্' পলিটেকনিকত যোগদান কৰিলোঁ। ১৯৮৪ চনত পদাৰ্থ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক বিমল বৰা ছাৰ নগাঁও ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ হৈ যোৱাত পুনৰ নগাঁও কলেজত স্থায়ীভাৱে যোগদানৰ সুবিধা পালোঁ।

নগাঁও মহাবিদ্যালয়ত নগাঁও কলেজ শিক্ষক সন্থাৰ জৰিয়তে সাধাৰণতে জানুৱাৰী মাহত এটা প্ৰীতিভোজ অনুষ্ঠিত হয়। যিহেতু তেতিয়াৰ দিনত নগাঁৱত যথেষ্ট পৰিমাণে সতেজ শাক-পাচলি মাছ-মাংস পোৱা গৈছিল, আৰু সস্তাও আছিল, সেয়েহে ভোজটোত বয়বস্তুৰ উভৈনদী হৈছিল। কলেজৰ ভিতৰ ভাগত থকা ঘাঁহনিতে বহি জানুৱাৰী মাহৰ কোমল ৰ'দত বহি ভীমকলৰ পাতত ভোজ খোৱাৰ ব্যৱস্থা কৰা হৈছিল।

১৯৮৪ চনৰ ছেপ্তেম্বৰ মাহত স্থায়ীভাৱে চাকৰিত যোগদান কৰি ১৯৮৫ চনৰ জানুৱাৰী মাহত অনুষ্ঠিত, শিক্ষক সন্থাৰ দ্বাৰা আয়োজিত, এই প্ৰীতিভোজত অংশ লোৱাৰ সুবিধা পাওঁ।

শিক্ষক-কৰ্ম্মচাৰী, পিয়ন-চকীদাৰ সকলো

একেলগে ঘাঁহনিত বহিছে। সকলোৰে আগত একোখন সেউজীয়া ডাঙৰ ভীমকলৰ পাত। মাজৰ এটা শাৰীত অধ্যক্ষ শইকীয়া ছাৰ। ছাৰৰ কাষত দুখন আসনত কোনো বহা নাছিল। খালী হৈ আছিল। ঠিক সেই সময়তে মই আৰু বাণিজ্য বিভাগৰ শিক্ষক চেনীৰাম বৈদ্য উপস্থিত হ'লোঁ। সকলোৱে অধ্যক্ষ শইকীয়া ছাৰৰ কাষত খালী হৈ থকা আসন দুখনত আমাক বহিবলৈ ক'লে। মই আৰু বৈদ্য দুয়ো ছাৰৰ কাষত বহিলোঁ। খোৱাৰ পৰ্ব আৰম্ভ হ'ল। মাছ-মাংস, ডাইল-ভাজি সকলো উভৈনদী। মই মাত্ৰ মাছৰ এটা টুকুৰাহে খাব পাৰিছোঁ। বৈদ্যই দুটুকুৰা খোৱা দেখিলোঁ। অলপ আঁতৰত সংস্কৃত বিভাগৰ গুণ শইকীয়া আৰু ৰসায়ন বিভাগৰ বাবুলাল পাল ছাৰক দেখা পালোঁ। সকলোৱে আনন্দ-ফূৰ্তিৰে যেয়ে যিমান পাৰে খাইছে। অধ্যক্ষ শইকীয়া ছাৰৰ ফালে ভয়ে ভয়ে চালো। ছাৰেও মাছ কেইবাটুকুৰা খোৱা দেখা পালোঁ। তেনেতে ছাৰে মোৰ ফালে চাই গৰগৰাই উঠিল— ‘এইয়া কি খাইছ? মাছ এটুকুৰা মাত্ৰ খাইছ! ডেকা ল'ৰা, ভালদৰে খাব নোৱাৰ। সেই কাৰণে চেহেৰাটো জেংখৰিৰ নিচিনা। ভালদৰে খোৱা-বোৱা কৰিবি।’ লগতে চেনীৰাম বৈদ্যকো গালি দিয়া আৰম্ভ কৰিলে। এইখিনিতে এটা কথা উল্লেখ কৰো যে— সংস্কৃত বিভাগৰ গুণ শইকীয়া, বাণিজ্য বিভাগৰ চেনীৰাম বৈদ্য আৰু এই অধম অধ্যক্ষ শইকীয়া ছাৰৰ দিনতে এই মহাবিদ্যালয়ৰ ছাত্ৰ আছিলোঁ আৰু তিনিওজনকে ছাৰে ‘তই’ সম্বোধন কৰিছিল। তিনিওজনেই শইকীয়া ছাৰৰ দাবীত নগাঁও কলেজত শিক্ষক পদত যোগ দিছিলোঁ। সেইদিনা অনুভৱ কৰিছিলোঁ ছাৰ এজন ভোজনৰসিক ব্যক্তি আছিল। নিজেও খাইছিল আৰু আনকো খুৱাই ভাল পাইছিল।

এইখিনিতে আন এটা পৰীক্ষা সম্পৰ্কীয় ঘটনা উল্লেখ কৰিব খুজিছোঁ। শইকীয়া ছাৰ অধ্যক্ষ হৈ থকাৰ দিনত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বহুত আছিল। চূড়ান্ত পৰীক্ষাবোৰ সময়ত নগাঁও কলেজৰ উপৰি মতিৰাম বৰা হাইস্কুল, ডচন উচ্চতৰ মাধ্যমিক বিদ্যালয়, বেঙ্গলী বালক বিদ্যালয়, বেঙ্গলী বালিকা বিদ্যালয় আদি স্কুলবোৰত অনুষ্ঠিত কৰিবলৈ ল'বলগীয়া হৈছিল। ১৯৮৫ চনত ডচন উচ্চতৰ মাধ্যমিক বিদ্যালয়ত পৰীক্ষা পাতিবৰ বাবে লোৱা হৈছিল। এটা কোঠাত পৰীক্ষাৰ নিৰীক্ষণৰ দায়িত্বত আছিলোঁ, শিক্ষা বিভাগৰ তেতিয়াৰ মুৰব্বী অধ্যাপক স্বৰ্গীয় নৰেন বৰা চাৰ আৰু লগতে মই। ফাইনেল বেল বজাত প্ৰশ্ন বিতৰণ কৰা হ'ল, বাকী থকা প্ৰশ্নখিনি বৰা চাৰে ৰুমৰ প্লেটফৰ্মখনৰ ওপৰত থকা টেবুলৰ ওপৰত থৈ দিছিল। সেই সময়ত বিদ্যুৎ প্ৰবাহ বিচ্ছিন্ন অৱস্থাত আছিল। মই সেই সময়ত ৰুমটোৰ পিছফালে থিয় হৈ আছিলোঁ। অলপ সময়ৰ পাছতে বিদ্যুতৰ সংযোগ হ'ল। প্ৰশ্ন ৰখা টেবুলৰ ওপৰত থকা ফেনখন ঘূৰিবলৈ ধৰিলে। প্ৰশ্নবোৰ ফেনৰ বতাহত উৰি গ'ল আৰু ৰুমটোৰ মজিয়াত সিঁচৰতি হৈ পৰিল। ঠিক মুহূৰ্ততে অধ্যক্ষ শইকীয়া ছাৰ ৰুমটোৰ দুৱাৰ মুখত উপস্থিত। প্ৰশ্নবোৰ সিঁচৰতি হৈ থকা দেখি শইকীয়া ছাৰ খঙত অগ্নিশৰ্মা হৈ মোক ওচৰলৈ মাতি গালি পাৰিবলৈ ধৰিলে। প্ৰকৃততে মই ৰুমটোৰ পিছফালে ৰৈ আছিলোঁ। প্ৰশ্নবোৰ উৰি যোৱা গম পোৱা নাছিলোঁ। ৰুমটোৰ বাহিৰত নৰেন বৰা ছাৰে মিক্সাৰ এটা হুঁপি হুঁপি মিচিকিয়াই ৰৈ আছিল। মই ছাত্ৰৰ সন্মুখত লাজে-অপমানে ৰঙা-ছিঙা হৈ পৰিলোঁ। মনটো হঠাতে বিমৰ্ষ হৈ পৰিল। তাকে দেখি নৰেন বৰা ছাৰে মোক ওচৰলৈ মাতি নি ক'লে, শইকীয়াই সকলোকে ধমকি দিয়েই। মোৰ তুলনাত তুমি ইমান সৰু ল'ৰা, বেয়া নেপাবা। পিছদিনা কলেজত অধ্যক্ষ শইকীয়া ছাৰে মোক তেখেতৰ ৰুমলৈ মাতি নিলে। তেতিয়াও মোৰ মনটো বিমৰ্ষ হৈয়ে আছিল। ছাৰে ক'লে কালি ঘটনাটোৰ বাবে বেয়া নাপাবা। জানো তোমাৰ দোষ নাছিল। ইমান ছিনিয়ৰ মানুহ নৰেন বৰা; গালি দিব নোৱাৰোঁ। সেয়েহে গালিটো নৰেন বৰাক শুনাই তোমাক দিলোঁ। প্ৰকৃত গালিটো তোমাক দিয়া নাছিলোঁ। মোৰ

পিঠিখনত হাতখন থৈ ক'লে, যোৱা মনটো মাৰি থাকিব নেলাগে। কেতিয়াবা এনে ঘটনা হয়েই। মনটো ছাৰৰ প্ৰতি ভক্তি ভাবেৰে ভৰি পৰিল আৰু অন্তৰতে ছাৰৰ প্ৰতি শ্ৰদ্ধা লৈ ৰুমৰপৰা ওলাই আহিলোঁ।

আন এটা দিনৰ ঘটনা। ১৯৮৪ চনৰ ডিচেম্বৰ মাহৰ। তেতিয়া ক্লাছবোৰ পুৱা ৮-৪০ ৰপৰা আৰম্ভ হয়। ডিচেম্বৰ মাহৰ কুঁৱলী ফালি চাইকেল মাৰি কৰৈয়নীৰপৰা কলেজলৈ গৈছিলোঁ। কলেজৰ মূল প্ৰৱেশ পথেৰে সোমাইছোঁ মাত্ৰ, দেখা পাওঁ অধ্যক্ষ শইকীয়া বাৰাণ্ডাত বৰ বিৰক্তিৰে ঘূৰি ফুৰি আছে। ছাৰে মোক কিবা এটা কোৱা যেন পালোঁ। কিন্তু কি ক'লে ধৰিব নোৱাৰিলোঁ। চাইকেলখন বাৰাণ্ডাৰ কাষতে ষ্টেণ্ডত দি, ছাৰৰ কাষ চাপিলোঁ। ছাৰে দীঘল কামিজটোৰপৰা, ২৫ পইচা এটা উলিয়াই মোৰ ফালে আগুৱাই দি ক'লে, 'মোক মেছ এটা আনি দেচোন।' মই চৌহদৰ বাহিৰলৈ গৈ মেছ এটা আনি দিলোঁ। মেছটো আনি দিয়াত ছাৰে তৎক্ষণাৎ ছিগাৰেট এটা জ্বলালে। ছিগাৰেটো হুঁপি হুঁপি ক'বলৈ ধৰিলে 'এই পিয়ন-চকীদাৰমখা এতিয়াও এটাকো দেখিবলৈ নাই, আহক আজি সকলোকে মজা দিম।' এইবুলি কৈ মোৰ হাতখন ধৰি আকৌ ক'বলৈ ধৰিলে, 'মেছটো তোক আনিবলৈ দিয়াৰ বাবে বেয়া নাপাবি। বৰকৈ চিগাৰেট এটা খাবলৈ মন গৈছে। সেয়েহে বৰ অশান্তিত আছোঁ। আচলতে এজন শিক্ষকক মই মেছ এটা আনিবলৈ পঠাব নেলাগে। কিন্তু কি জান গুণ, চেনীৰাম আৰু তোক, তহঁত তিনিওটাকে মই মোৰ ল'ৰা যেন জ্ঞান কৰো, বেয়া নাপাবি। ক্লাছ কৰগৈ যা।' এই বাক্যষাৰে ছাৰৰ প্ৰতি থকা মোৰ শ্ৰদ্ধা আৰু অলপ বঢ়াই তুলিলে।

অসম আন্দোলনৰ সমাপ্তিৰ পিছত অধ্যক্ষ শইকীয়া ছাৰে, ৰাজনীতিত যোগ দিয়ে আৰু নগাঁও লোকসভা সমষ্টিৰপৰা লোকসভাৰ সদস্য নিৰ্বাচিত হয় আৰু ভাৰতবৰ্ষৰ ৰাজ্যিক শিক্ষা মন্ত্ৰী ৰূপে কাৰ্যনিৰ্ব্বাহ কৰিছিল।

ইতিপূৰ্বে অধ্যক্ষ শইকীয়া ছাৰে ইহসংসাৰৰপৰা বিদায় মাগিছে। কিন্তু অধ্যক্ষ ৰূপে নগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্ম্মচাৰী আৰু নগাঁও জিলাৰ সমাজ জীৱনতেওঁ যিদৰে সকলো স্তৰতে প্ৰভাৱ বিস্তাৰ কৰি থৈ গ'ল, সেইয়া কোনেও পাহৰিব নোৱাৰে।❑

লেখক - প্ৰাক্তন ছাত্ৰ তথা নগাঁও মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক।

# সাহিত্যিক অধ্যক্ষ প্ৰদীপ শইকীয়া

**ড° শৰৎ কুমাৰ দত্ত**

প্ৰখ্যাত শিক্ষাবিদ প্ৰদীপ শইকীয়াদেৱৰ মূল্যবোধসম্পন্ন জীৱন চৰ্যাই তেখেতক অবিস্মৰণীয় কৰি ৰাখিব। বিশেষকৈ নিয়ম-শৃংখলা, কৰ্তব্যনিষ্ঠা, আদৰ্শগত মূল্যবোধ, সময়ানুৱৰ্তিতা আৰু নিয়মানুৱৰ্তিতাই তেখেতৰ জীৱনশৈলীত এক সুকীয়া ছাপ পেলাইছিল। সেয়ে শিক্ষানুষ্ঠানৰ অধ্যক্ষৰ দায়িত্বভাৰ চম্ভালিও তেখেতে কৰ্তব্যনিষ্ঠা, নিয়মশৃংখলাৰ মাজেৰে নিজৰ আত্মবোধ পৰিচয় দিব পাৰিছিল।

অধ্যয়নশীল মনৰ অধিকাৰী শইকীয়াদেৱৰ প্ৰাচ্য আৰু পাশ্চাত্য জগতৰ ইতিহাস, নাটক, কবিতাৰ ওপৰত যথেষ্ট দখল আছিল। ইংৰাজী সাহিত্যৰ ৰোমাণ্টিছিজিম তেখেতৰ অতি প্ৰিয় বিষয় আছিল। অৱসৰৰ পিচত তেখেতে এখন মুক্ত আকাশৰ তলত অধিক জনকল্যাণমূলক অনুষ্ঠান, প্ৰতিষ্ঠানৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হৈ পৰিছিল। অসমৰ মধ্যৱৰ্তী জিলা হিচাপে খ্যাত নগাঁৱৰ বৌদ্ধিক পৰিমণ্ডলৰ লগত শইকীয়াদেৱৰ ঘনিষ্ঠতা আছিল। সেয়েহে প্ৰতিটো অনুষ্ঠান, সভাই-সমিতিয়ে তেখেতৰ উপস্থিতি একান্তভাৱে কামনা কৰিছিল।

শইকীয়াদেৱ এক সামাজিক সহানুভূতিশীল আৰু মানৱদৰদী লোক আছিল। বিপদ-আপদত মাত এষাৰ লগোৱা, দেখা দিয়া আৰু পাৰ্যমানে সহায় কৰাটো তেখেতৰ ধৰ্ম আছিল। সেয়ে নগাঁও জিলাৰ সকলোবোৰ অনুষ্ঠান, প্ৰতিষ্ঠান, মানুহৰ মাজত তেখেত অতি জনপ্ৰিয় ব্যক্তি আছিল। তেখেতৰ বিয়োগ অসমৰ বাবে এক ক্ষতি বুলিব পাৰি।

শৈক্ষিক প্ৰশাসক হিচাপে তেখেতে কঠোৰ নিয়মানুৱৰ্তিতা, আইন-শৃংখলা, নিয়ম-নীতি মানি চলাৰ পোষকতা কৰিছিল। শৈক্ষিক জীৱনত ছাত্ৰ-ছাত্ৰীৰ উচ্চ মূল্যবোধ, নৈতিকতা, সহৃদয়তা আৰু পৰোপকাৰী গুণৰ বিকাশৰ বাবে তেখেত পক্ষপাতী আছিল। কেতিয়াও তেখেতে দুৰ্নীতি, অনীতি আদিত আপোচ কৰা ব্যক্তি নাছিল। নিজৰ জন্মভূমি, কৰ্মভূমি আৰু সামগ্ৰিকভাৱে অসমৰ উন্নতি, সমস্যা আৰু সমাধানত তেখেতে আলোচনা চক্ৰ, সভা আদিত সক্ৰিয় অংশগ্ৰহণ কৰিছিল।

এজন শৈক্ষিক প্ৰশাসক হিচাবে আমি তেখেতক দক্ষ আৰু সফল প্ৰশাসক বুলিব পাৰোঁ। ছাত্ৰ-ছাত্ৰীৰ লগত সৌহাৰ্দ্যমূলক পৰিৱেশ বজাই ৰখা, সহকৰ্মী শিক্ষক-কৰ্মচাৰীৰ লগত নিবিড় সম্পৰ্ক ৰক্ষা কৰা শইকীয়াদেৱ সকলোৰে প্ৰিয়পাত্ৰ আছিল। কেতিয়াও উচচ বাচ্য নকৰা, ধীৰ-স্থিৰ, শান্ত-সৌম্যশীল শইকীয়াদেৱৰ অবিস্মৰণীয় অৱদান নগাঁও মহাবিদ্যালয়, ধিং মহাবিদ্যালয়ে কেতিয়াও পাহৰিব নোৱাৰে।

এইগৰাকী মহান ব্যক্তিয়ে ১৯৩৬ চনৰ ১৪ ছেপ্টেম্বৰ তাৰিখে যোৰহাট জিলাৰ টীয়কৰ গোৱালগাঁৱত জন্মগ্ৰহণ কৰিছিল। তেখেতৰ পিতৃ প্ৰয়াত উমেশ শইকীয়া আৰু মাতৃ প্ৰয়াত জানকী প্ৰিয়া শইকীয়া। তেখেতে টীয়ক হাইস্কুল, ডুমডুমা এম ই স্কুল, শিৱসাগৰৰ আমগুৰি হাইস্কুলত পঢ়ি কটন কলেজৰপৰা স্নাতক ডিগ্ৰী লৈ বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰপৰা ইংৰাজী বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। হাইস্কুলীয়া জীৱনৰপৰা ধাৰাবাহিকভাৱে শৈক্ষিক

সফলতাৰে বিশ্ববিদ্যালয়ৰ উচ্চশিক্ষা সমাপ্ত কৰে। মেধাসম্পন্ন এইগৰাকী ব্যক্তিয়ে শিক্ষাৰ ক্ষেত্ৰখনকে জীৱিকাৰূপে বাছি লৈ অৱসৰৰ সময়লৈকে অসমৰ শৈক্ষিক দিশৰ বিকাশত নিজৰ জীৱন উচৰ্গা কৰে। তেখেতে ১৯৫৬-৫৭ চনত কেইমাহমান টীয়ক হাইস্কুলত আৰু ১৯৫৯ চনত আমগুৰি উচ্চ মাধ্যমিক বিদ্যালয়ত শিক্ষকতা কৰিছিল। ১৯৫৯ চনৰ ৬ জুলাইৰ পৰা শিৱসাগৰ কলেজত ইংৰাজী বিভাগত শিক্ষকতা কৰি ১৯৬৫ চনৰ ২০ ছেপ্টেম্বৰৰপৰা নগাঁও ধিং কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষৰূপে দুই দশকৰো অধিক কাল কাৰ্যনিৰ্বাহ কৰি ০৮/১১/১৯৮৬ ৰ পৰা ১৯৯৬ চনলৈ এক দশক কাল নগাঁও কলেজৰ অধ্যক্ষৰূপে সেৱা আগবঢ়াই অৱসৰ গ্ৰহণ কৰে। অসমৰ ৰাজনৈতিক, সামাজিক জীৱনৰ এক জটিল সন্ধিক্ষণত তেখেতে ৰাজনৈতিক মতামতৰ গুৰিব'ঠা ধৰিছিল। সংগ্ৰামী পৰিষদৰ তেখেতে নেতৃত্ব দিছিল।

শইকীয়াদেৱ বহুতো সামাজিক আৰু শৈক্ষিক প্ৰতিষ্ঠানৰ লগত নিবিড়ভাৱে জড়িত হৈ আছিল। তেখেতে সদৌ অসম অধ্যক্ষ পৰিষদৰ সভাপতি হিচাবে ১৯৮৮ চনৰপৰা ১৯৯০ চনলৈকে কাৰ্যনিৰ্বাহ কৰি আছিল। তেখেত অসম উচ্চ মাধ্যমিক শিক্ষা পৰিষদৰ সদস্য আছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ একাডেমিক কাউন্সিলৰ সদস্য, গুৱাহাটী বিশ্ববিদ্যালয়ৰ ক'ৰ্টৰ সদস্য আৰু অসম উদ্যোগ উন্নয়ন পৰিষদৰ সদস্য হিচাপে থাকি বিদ্যায়তনিক ভাষা-সাহিত্য, সমাজসেৱাৰ বিভিন্ন ক্ষেত্ৰত প্ৰত্যক্ষভাৱে অৰিহণা যোগাইছিল।

নগাঁৱৰ জ্যেষ্ঠ নাগৰিক সংস্থাৰ প্ৰতিষ্ঠাপক সভাপতি হিচাবে তেখেতে ১০ বছৰ কাৰ্যনিৰ্বাহ কৰিছিল আৰু সদৌ অসম জ্যেষ্ঠ নাগৰিক সংস্থাৰ উপ-সভাপতি আছিল। অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কমিটিৰ তেখেত মনোনীত সদস্য আছিল। নগাঁও শ্ৰীমন্ত শঙ্কৰ মিছনৰ কেন্দ্ৰীয় সমিতিৰ তেখেত মনোনীত সদস্য আছিল। তেখেত নগাঁও জিলা সংস্কৃত ভাষা-বিকাশ মঞ্চৰ প্ৰতিষ্ঠাপক সভাপতি আছিল। সংস্কৃত ভাষাৰ ওপৰতো তেখেতৰ অগাধ ব্যুৎপত্তি আছিল।

ইয়াৰ উপৰি তেখেতে নগাঁৱৰপৰা প্ৰকাশিত সাপ্তাহিক 'পূৰ্বাঞ্চল জাগৰণ' কাকতৰ কাৰ্যকৰী সম্পাদক হিচাবে দুবছৰ কাৰ্যনিৰ্বাহ কৰি দৈনিক সম্পাদকীয়ৰ লেখনি আগবঢ়াইছিল। অসমৰপৰা প্ৰকাশিত বহুতো দৈনিক বাতৰি কাকত, আলোচনী বিশেষকৈ 'গৰীয়সী' আদিত তেখেতৰ বহুতো লিখনী প্ৰকাশ পাইছিল।

অসম সাহিত্য সভাৰ বিশ্বকোষ গ্ৰন্থৰ ইতিহাস সম্পৰ্কীয় সপ্তম খণ্ডৰ সম্পাদক প্ৰদীপ শইকীয়াই বিদ্যায়তনিক ক্ষেত্ৰখনত সুদীৰ্ঘ ৩৮ বছৰ কাল গভীৰভাৱে আত্মনিয়োগ কৰাৰ সমান্তৰালভাৱে এগৰাকী নিৰলস সাহিত্য সেৱীৰূপে অশীতিপৰতো সৃষ্টিকৰ্মত নিয়োজিত হৈ আছিল। তেখেতে এগৰাকী গল্পকাৰ, নাট্যকাৰ, ঔপন্যাসিকৰূপে খ্যাতি লাভ কৰিছে। এগৰাকী চিন্তাশীল প্ৰবন্ধকাৰ হিচাবে অসমীয়া আৰু ইংৰাজী ভাষাত অনেক গ্ৰন্থ অনুবাদ কৰিও প্ৰাচ্য আৰু পাশ্চাত্য সাহিত্যৰ সোৱাদ জনতাৰ হৃদয়লৈ বোৱাই এক জাতীয় দায়িত্ব পালন কৰিছে।

এই লেখনীৰ দ্বাৰা প্ৰয়াত প্ৰদীপ শইকীয়াৰ প্ৰকাশিত গ্ৰন্থসমূহৰ বিষয়ে এক চমু বৰ্ণনা তলত দিয়া হৈছে।

১। **মাটিৰ মৰম ঃ** ১৯৬১ চনত প্ৰকাশিত, স্বৰচিত সাতটা চুটি গল্পৰ সংকলন।

২। **লাচিত বৰফুকন (নাটক) ঃ** ১৯৮২ চনত প্ৰকাশিত, সম্পূৰ্ণ ভিন্ন দৃষ্টিকোণৰপৰা লাচিত বৰফুকনৰ অতুলনীয় বীৰত্ব, কাহিনীৰ পুনৰীক্ষণ আৰু তাৰ মঞ্চ সফল নাট্যৰূপ। অসমৰ বহুতো মঞ্চ আৰু ভ্ৰাম্যমাণ থিয়েটাৰৰ দ্বাৰাই বহু অভিনীত গ্ৰন্থ।

৩। **নাৰী যুগে যুগে ঃ** প্ৰথম প্ৰকাশ, ১৯৮৭ চন, ইতিহাস য'ত মূক - সোঁৱৰণিৰ অতীত কালৰ মানৱ সমাজত নাৰীৰ স্থান আছিল অদ্বিতীয়া। তাতেই হৈছে নাৰী যুগে যুগে গ্ৰন্থৰ চৈধ্যটা

বিশ্লেষণাত্মক সুসংবদ্ধ প্ৰবন্ধৰ আৰম্ভণি। এই গ্ৰন্থত বিবৃত হৈছে প্ৰাক্ ঐতিহাসিক যুগৰ আদিম মাতৃপ্ৰধান সমাজৰপৰা বৰ্তমানৰ নাৰী পুনৰ জাগৰণৰ দিনৰ সমাজখনলৈকে ভাৰতীয় নাৰীৰ চিৰন্তন চিৰসমাহিত ৰূপ।

৪। **ওমৰ খায়াম (উপন্যাস)** ঃ প্ৰথম প্ৰকাশ, ১৯৮৭ চন, এই বহুপঠিত ঐতিহাসিক জীৱনীমূলক উপন্যাসৰ কাহিনী মধ্যযুগৰ ফাৰ্চী কবি, গণিতবিদ, জ্যোতিৰ্বিজ্ঞানী ওমৰ খায়ামৰ অৰ্দ্ধ-আলোকিত জীৱনৰ ওপৰত আধাৰিত। এই উপন্যাস প্ৰথমতে স্বৰ্গীয় চন্দ্ৰপ্ৰসাদ শইকীয়াদেৱৰ দ্বাৰাই সম্পাদিত, অসম প্ৰকাশন পৰিষদৰ দ্বাৰাই প্ৰকাশিত বিখ্যাত 'প্ৰকাশ' নামৰ সাহিত্যালোচনীত ১৯৮৩ চনৰ মে' মাহৰ পৰা ১৯৮৫ চনৰ এপ্ৰিল মাহলৈকে মাহে মাহে প্ৰকাশিত হৈছিল ধাৰাবাহিকভাৱে। আমি তেতিয়া বিশ্ববিদ্যালয়ৰ ছাত্ৰ আৰু 'প্ৰকাশ' আলোচনীত ওমৰ খায়ামত সম্পূৰ্ণ নতুন আঙ্গিকত ৰচিত ওমৰ খায়ামৰ ৰহস্যময় ৰোমাঞ্চকৰ জীৱন চিত্ৰিত কৰা ৰচনা ধাৰাবাহিকভাৱে পঢ়িবৰ বাবে ব্যাকুলভাৱে অপেক্ষা কৰিছিলোঁ।

৫। **মন্দিৰত জুই (উপন্যাস)** ঃ ২০০৩ চনত প্ৰকাশিত এই উপন্যাসৰ বিষয়ে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি স্বনামধন্য কবি-সাহিত্যিক মহিম বৰাদেৱে কিতাপখনৰ আগকথাত লিখিছে— 'চকুৰ অসুখ আৰু মূৰৰ বিষৰ মাজতো যিকণেই সময় পাইছোঁ — এই উপন্যাসখনৰ কাষলৈ উভতি গৈছোঁ — ইমানেই দুৰ্দমনীয় মন্দিৰত জুইৰ আকৰ্ষণ। তাহানিতে তেখেতৰ 'ওমৰ খায়াম' উপন্যাস পঢ়ি তেখেতৰ ৰচনাৰ প্ৰতি মই আকৰ্ষিত হৈছিলোঁ আৰু 'ওমৰ খায়াম' পঢ়াৰ সময়ৰ মনৰ সেই উদ্বেলিত অৱস্থাটো আজিও অনুভৱ কৰা যেন লাগে। যদিও কাহিনীটো দুটা পৰিয়ালৰ নায়ক-নায়িকাৰ জীৱনকে কেন্দ্ৰ কৰিয়েই গঢ়ি উঠিছে, ইয়াৰ লগত অসমৰ সামাজিক-সাংস্কৃতিক, মানসিক আৰু ধৰ্মীয় জীৱনটোও স্বাভাৱিকভাৱেই সাঙুৰ খাই পৰাত এইখন অসমৰ বৰ্তমান যুগৰ শ্ৰেষ্ঠ উপন্যাসবোৰৰ এখন হৈ পৰিছে বুলি ভাবোঁ।

৬। **সোণৰ আঁখে (ব্যঙ্গ গল্প সংকলন)** ঃ ২০০১ চনত প্ৰকাশিত, 'সাপ্তাহিক কলংপাৰ' কাকতৰ 'চৰজমিন' শিতানত প্ৰতি সপ্তাহে প্ৰকাশিত হৈ ইতিমধ্যে পাঠক সমাজত সু-পৰিচিত হৈ পৰা জগন্নাথ মাষ্টৰ ছিৰিজৰ ডেৰকুৰি ব্যঙ্গাত্মক গল্পৰ কিতাপ।

৭। **জীৱন নদীৰ বালিচন্দা** ঃ ২০০২ চনত প্ৰকাশিত, পাঁচজন অখ্যাত কিন্তু অসামান্য মানুহৰ বাস্তৱ কাহিনী চিত্ৰিত কৰা পাঁচটি দীঘল গল্প।

৮। **বিশ্বযুদ্ধৰ অগ্নিপথ** ঃ ২০০০ চনত প্ৰকাশিত, দ্বিতীয় বিশ্বযুদ্ধৰ ৰণাঙ্গনৰ কাহিনী। বিধ্বংসী বিশ্বযুদ্ধৰ লোমহৰ্ষক দৃশ্যাৱলীৰ মাজতো, আধুনিক যন্ত্ৰযুদ্ধৰ সৰ্বগ্ৰাসী অসীম ভয়াৱহতাৰ মাজতো, প্ৰকৃত যোদ্ধাৰ বীৰত্ব, দেশপ্ৰেম, বীৰ মহিমাবোধ, অপৰিসীম কষ্টসহিষ্ণুতা আৰু লৌহকঠিন মানসিক দৃঢ়তা মহাকাব্যৰ যুদ্ধৰ দিনৰ দৰেই প্ৰকাশ পায়।

৯। **বিবিধ নিবন্ধ** ঃ ২০০৬ চনত প্ৰকাশিত। সাহিত্য-সংস্কৃতি বিষয়ক যোল্লটা স্বৰচিত প্ৰবন্ধৰ সংকলন।

১০। **এ জয় ৰঘুৰ নন্দন** ঃ ২০০৭ চনৰ ছেপ্টেম্বৰত প্ৰকাশিত, মহৰ্ষি বাল্মীকি ৰামায়ণৰ আধাৰত ৰচিত ৰাম কথা। আদিকাণ্ড, অযোধ্যাকাণ্ড আৰু অৰণ্যকাণ্ড সামৰি লৈছে প্ৰথম খণ্ড।

১১। **এ জয় ৰঘুৰ নন্দন** ঃ দ্বিতীয় খণ্ডত কিষ্কিন্ধ্যা কাণ্ড, সুন্দৰকাণ্ড, যুদ্ধকাণ্ড, উত্তৰাকাণ্ডৰ বিৱৰণ দি সাতকাণ্ড ৰামায়ণ সম্পূৰ্ণ কৰিছে। 'এ জয় ৰঘুৰ নন্দন' গ্ৰন্থৰ বাবে ২০১৬ চনত শইকীয়াদেৱক কবি-সাহিত্যিক, গীতিকাৰ কৈলাশ নাথ শৰ্মা সোঁৱৰণী অখিল ভাৰতীয়

সাহিত্য পৰিষদ, অসম সাহিত্য বঁটা প্ৰদান কৰিছিল।

১২। **ইস্কাপনৰ ৰাণী** ঃ প্ৰথম প্ৰকাশ ১৯৬৫ চন, আলেকজেণ্ডাৰ পুস্কিনৰ 'দ্য কুইন অৱ স্পেড্ছ আৰু দ্য শ্বট্' নামৰ চুটিগল্পৰ অসমীয়া অনুবাদ।

১৩। **চকুৰ ভাষা (কথা কবিতা)** ঃ প্ৰকাশ ১৯৮৪ চন, জৈন ধৰ্মৰ শ্বেতাম্বৰ তেৰাপন্থী মহান ধৰ্মগুৰু আৰু লগতে হিন্দী সাহিত্যৰ বহু বিখ্যাত গ্ৰন্থৰ পণ্ডিতশ্ৰেষ্ঠ সাহিত্যিক, সুবিখ্যাত চিত্ৰকৰ আৰু স্বনামধন্য কবি মুনি বুদ্ধমল্লৰ, আঁখো নে কহা নামৰ ৯৯ টা স্ব-ৰচিত কথা কবিতাৰ সংকলনৰ অসমীয়া অনুবাদ।

১৪। **দ্য টেম্পেষ্ট** ঃ প্ৰথম প্ৰকাশ ২০০২ চন, উইলিয়াম শ্বেইক্সপীয়েৰৰ প্ৰসিদ্ধ ড্ৰামাটিক ৰোমাঞ্চ অৰ্থাৎ ৰমন্যাসিক নাটক দ্য টেম্পেষ্টৰ অসমীয়া অনুবাদ।

১৫। **কথা মহাভাৰত** ঃ প্ৰথম প্ৰকাশ ২০০২ চন, চক্ৰৱৰ্তী ৰাজাগোপালাচাৰীৰ দ্বাৰা ইংৰাজীত ৰচিত আৰু মুম্বাইৰ ভাৰতীয় বিদ্যা ভৱনৰ দ্বাৰাই প্ৰকাশিত 'দ্য মহাভাৰত' গ্ৰন্থৰ অসমীয়া অনুবাদ।

১৬। **কথা ৰামায়ণ** ঃ চক্ৰৱৰ্তী ৰাজাগোপালাচাৰীৰ দ্বাৰা ইংৰাজীত ৰচিত আৰু মুম্বাইৰ ভাৰতীয় বিদ্যা ভৱনৰ দ্বাৰাই প্ৰকাশিত 'দ্য ৰামায়ণ' গ্ৰন্থৰ অসমীয়া অনুবাদ।

১৭। **মেকবেথ** ঃ শ্বেইক্সপীয়েৰৰ 'মেকবেথ'ৰ অনুবাদ। অসমৰ বিভিন্ন মঞ্চত বহুবাৰ অভিনীত।

১৮। **The Palace Maid :** First Edition 2003, An English version of the original Assamese play "Karengar Ligiree" by Jyotiprasad Agarwala. Translate into English by Pradip Saikia.

১৯। **দ্য ৱন্দাৰ ডেট ৱজ ইণ্ডিয়া** ঃ প্ৰথম প্ৰকাশ ২০০৫ চন, বিশ্ববিখ্যাত ঐতিহাসিক আৰু ভাৰত তত্ত্ববিদ আৰ্থাৰ লুৱেলিন বাছাম প্ৰণীত প্ৰসিদ্ধ আৰু সুবৃহৎ গ্ৰন্থ The wonder that was Indiaৰ অসমীয়া অনুবাদ। তেখেতে এই গ্ৰন্থৰ বাবে স্বৰ্গীয় অমূল্য চক্ৰৱৰ্তী স্মাৰক অনুবাদ বঁটা লাভ কৰিছিল।

২০। **Piyoli Phukan :** The famous Assamese drama authored jointly by such celebrities as Late (all) Sharada Kanta Bordoloi, Chandra Phukan, Jugal Kumar Das and Dwijendra Mohan Goswami of Nagaon Dramatic Club, Amolapatty, Nagaon, Assam, Translated into English by Pradip Saikia.

শেহতীয়াকৈ প্ৰকাশিত গ্ৰন্থসমূহ হৈছে—

২১। **প্ৰতিশ্ৰুতি।**

২২। **সুকন্যা** (চুটি গল্প সংকলন)।

২৩। **বিষয় বিবিধ** (প্ৰবন্ধ সংকলন)।

২৪। **ইলিয়াদ** — হোমাৰৰ ইলিয়াদৰ পুনৰ কথন।

২৫। **ওডিছী** — হোমাৰৰ ওডিছীৰ পুনৰ কথন।

২৬। **এলানী প্ৰবন্ধ অলপ ভিন্ন চিন্তা** — স্বৰচিত প্ৰবন্ধ সংকলন।

২০১৭ চনৰ ১০ এপ্ৰিলত স্বৰ্গগামী হোৱা প্ৰদীপ শইকীয়াদেৱৰ পৱিত্ৰ সোঁৱৰণত মুনীন্দ্ৰ শইকীয়া, মিলন নেওগ আৰু হীৰু ডেকাৰ সম্পাদনাত প্ৰকাশ কৰা 'শ্ৰদ্ধাৰ্ঘ্য'ত নগাঁৱৰ সুধী সমাজে তেখেতৰ বিষয়ে লেখা লেখনীত এইজনা মহান ব্যক্তিৰ ব্যক্তিত্ব আৰু সাহিত্যকৰ্মৰ সুন্দৰ বৰ্ণনা প্ৰতিফলিত হৈছে। তেখেতৰ লিখনীৰ এটা ডাঙৰ বৈশিষ্ট্য হৈছে তেখেতে মানুহৰ লগত যেনেদৰে কথা-বতৰা পাতে, লেখনীতো অতি সাৱলীল ভাষাৰে সেইবোৰ প্ৰকাশ ঘটাইছিল। তেখেতৰ বিয়োগে অসমৰ বাবে বিশেষকৈ নগাঁৱৰ সাহিত্য পৰিমণ্ডলৰ যিসকলে তেখেতৰ লগত প্ৰায়ে সাহিত্য সম্বন্ধীয় কথা আলোচনা-বিলোচনা কৰিছিল, তেখেতসকলৰ বাবে এক বৃহৎ ক্ষতি বুলিব পাৰি। লগতে ক্ষতি হৈছিল নগাঁৱৰ সামাজিক পৰিমণ্ডলৰ।❑

লেখক - অধ্যক্ষ, ধিং মহাবিদ্যালয়।

# ৰাজগুৰু ছাৰৰ সোঁৱৰণত

ৰূপাঞ্জলি দেৱী

নিজৰ শ্ৰম আৰু একাগ্ৰতাৰে অসমীয়া সাহিত্য-সংস্কৃতিৰ পথাৰখন কৰ্ষণ কৰি যিকেইগৰাকী মহান ব্যক্তিয়ে নগাঁও কলেজক ধন্য কৰি ৰাখিছে, তাৰ ভিতৰত ড° সৰ্বেশ্বৰ ৰাজগুৰু অন্যতম। বৃহত্তৰ অসম আৰু অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত ইতিহাসৰ যি ভূমিকা অথবা ঐতিহাসিক প্ৰেক্ষাপটে নিৰ্মাণ কৰা অসমৰ বৰ্ণাঢ্য সাংস্কৃতিক পৰম্পৰা— এয়াই আছিল ড° ৰাজগুৰুৰ কৰ্ষণৰ মুখ্য বিষয়। মধ্যযুগৰ অসমৰ (১২২৮-১৮২৬) ৰাজনীতি, সমাজনীতি, জাতি-উপজাতি খাদ্য-বস্ত্ৰ-বাসস্থান, ভৌগোলিক অৱস্থিতি, সামাজিক ৰীতি-নীতি, অৰ্থনৈতিক অৱস্থা, কৃষি ব্যৱস্থা, ব্যৱসায়-বাণিজ্য, শিক্ষা-ব্যৱস্থা, আয়ুৰ্বেদ, জ্যোতিৰ্বিদ্যা, স্থাপত্য-ভাস্কৰ্য, চিত্ৰকলা, খেল-ধেমালি, গীত-নৃত্য, ধৰ্ম আদিৰ সামগ্ৰিক ইতিহাস একত্ৰিত কৰি ৰখা ড° ৰাজগুৰুৰ গৱেষণামূলক গ্ৰন্থখন হ'ল 'Mediaval Assamese Society (1228-(1826)' যিখন গ্ৰন্থ সম্পৰ্কত সেইখিনি সময়ৰ কলকতা বিশ্ববিদ্যালয়ৰ (Calcutta University) প্ৰফেচৰ এমেৰিটাছ ড° নীহাৰ ৰঞ্জন ৰায়ে মন্তব্য কৰিছিল— ...the reconstruction of a fairly comprehensive account of medieval Assamese society বুলি।

গ্ৰন্থখনে ১২২৮ ৰ পৰা ১৮২৬ চনলৈ এই বিস্তৃত সময়ছোৱাৰ অসমৰ সামগ্ৰিক ইতিহাস ইমান পৰিপূৰ্ণতাৰে দাঙি ধৰিলে যে তেওঁৰ তত্বাৱধায়ক, অসমীয়া সাহিত্যৰ নিষ্ণাত পণ্ডিত ড° সত্যেন্দ্ৰনাথ শৰ্মাই এই সম্পৰ্কত গ্ৰন্থখনৰ পাতনিত মন্তব্য দাঙি ধৰিলে এনেদৰে— In fact it is a pioneering work in the subject stray articles on different aspects of social life were attempted in a slipshod manners by a few writers, but no systematic and connected account covering almost all aspects of social and cultural life of undieval Assam was undertaken by any scholar before Dr Rajguru.

'Medieval Assamese Society' সঁচা অৰ্থত প্ৰায় ছশবছৰৰ অসমৰ আৰু অসমীয়াৰ এখন ঐতিহাসিক আৰু সাংস্কৃতিক দলিল। ইতিহাস আৰু সংস্কৃতিৰ যুগপৎ সম্পৰ্কৰ কথা ঘোষণা কৰি থকা এই গ্ৰন্থখন অসমৰ ইতিহাস আৰু সংস্কৃতিৰ গৱেষকসকলৰ বাবে এখন হাতপুথি, এটা অমূল্য কোষ।

১৯২৩ চনত শিৱসাগৰ জিলাৰ চাৰিঙৰ গড়কাষৰীয়া গাঁৱত জন্মগ্ৰহণ কৰা ৰাজগুৰুৱে বজালী কলেজত কিছুদিন অধ্যাপনা কৰি ১৯৫৯ চনৰপৰা নগাঁও কলেজত অধ্যাপনা কৰিবলৈ লয় আৰু ইয়াৰপৰাই ১৯৮৬ চনত অৱসৰ গ্ৰহণ কৰে। ড° ৰাজগুৰু আছিল এগৰাকী প্ৰচাৰবিমুখ আৰু নীৰৱ গৱেষক। অসমীয়া সাহিত্যত তেখেতৰ অৱদানসমূহৰ যথোচিত মূল্যায়ন কৰা হ'ব গুণগত দিশেৰে, সংখ্যাগত লেখেৰে নহয়।

অসমৰ চহা জনসাধাৰণৰ চহকী কথন পৰম্পৰা সংগৃহীত হৈ আছে ড° ৰাজগুৰুৰ 'অসমীয়া প্ৰবাদ' (১৯৭২) নামৰ গ্ৰন্থখনত। প্ৰবাদ পটন্তৰ, ফকৰা

যোজনা, ডাকৰ বচন আদি লোকজীৱনৰ কথন-ভংগীক প্ৰতিনিধিত্ব কৰা গুটীয়া বাক্য, ছন্দোবদ্ধ যুৰীয়া বাক্য বা তাতকৈয়ো দীঘলীয়া ছন্দোবদ্ধ বাক্যসমূহ সংগ্ৰহ কৰি অসমৰ লোক সাহিত্যৰ ভঁৰালটো ড° ৰাজগুৰুৱে সমৃদ্ধ আৰু স্থায়ী কৰি গৈছে। অসমীয়া লোকজীৱনৰ কথনভংগীৰ লেছেৰি বুটলি বুটলি ড° ৰাজগুৰুৱে প্ৰকাশ কৰি উলিওৱা বৃহৎ কলেৱৰৰ 'অসমীয়া প্ৰবাদ' সম্পৰ্কত পণ্ডিতপ্ৰৱৰ কৃষ্ণকান্ত সন্দিকৈয়ে দিয়া মন্তব্য এনেধৰণৰ ঃ 'অসমীয়া প্ৰবাদ' অসমীয়া লৌকিক বচনৰ বিস্তীৰ্ণ সংগ্ৰহ। ইয়াত অসমীয়া সমাজ, ভাষা আৰু মৌখিক সাহিত্যৰ আলোচনা সম্পৰ্কীয় অনেক সঁজুলি নিহিত হৈ আছে। গ্ৰন্থকাৰৰ পৰিশ্ৰম আৰু উদ্যম অত্যন্ত প্ৰশংসনীয়।

'অসমীয়া প্ৰবাদ'ৰ বিস্তৃত পাতনিত সংগ্ৰাহকৰ এইবিধ সাহিত্য সম্পৰ্কত থকা গভীৰ জ্ঞান আৰু প্ৰচুৰ অধ্যৱসায়ৰ কথা প্ৰতিফলিত হৈছে গ্ৰন্থখনৰ অৱতাৰণিকাত। উল্লেখ আছে যে— 'খৃষ্টীয় সপ্তম শতাব্দীৰ অসমৰ (প্ৰাচীন কামৰূপ ৰাজ্যৰ) বৰ্মন বংশৰ প্ৰখ্যাত ৰজা ভাস্কৰবৰ্মাই উত্তৰ ভাৰতৰ সম্ৰাট হৰ্ষবৰ্দ্ধনলৈ তেওঁৰ কটকী হংসবেগৰ হাতত সাঁচি (যথা) পাতত লিখা প্ৰবাদ বাক্যৰ এখন পুথি উপঢৌকন হিচাপে পঠাইছিল। খৃষ্টীয় অষ্টম-নৱম শতিকাৰ সহজীয়া সিদ্ধাচাৰ্যসকলৰ দ্বাৰা ৰচিত 'চৰ্যাপদ' নামৰ গ্ৰন্থত আমাৰ বৰ্তমান অসমীয়া সমাজত প্ৰচলিত কিছুমান অসমীয়া প্ৰবাদ বাক্যৰ ৰূপ দেখিবলৈ পোৱা গৈছে।' প্ৰবাদ পটন্তৰৰ প্ৰাচীনত্ব আৰু পৰম্পৰা দুয়োটাই অসমীয়া সাহিত্যৰ আনুক্ৰমিক পৰম্পৰাৰ জৰিয়তে বিশ্লেষণ কৰি দেখুৱাইছে। প্ৰাক-বৈষ্ণৱ আৰু বৈষ্ণৱ যুগৰ সাহিত্যত সন্নিৱিষ্ট হৈ থকা অসংখ্য প্ৰবাদ-পটন্তৰ উল্লেখ আৰু বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ অধিক প্ৰচলনৰ ফলত আধুনিক যুগত যে প্ৰবাদ পটন্তৰসমূহৰ প্ৰয়োগ কমি আহিছে, সেই কথাও যুক্তিসিদ্ধভাৱে প্ৰতিপন্ন কৰিছে।

গ্ৰন্থখনৰ প্ৰথম খণ্ডত দৃষ্টান্ত বা পটন্তৰসমূহ সন্নিৱিষ্ট কৰা হৈছে বৰ্ণানুক্ৰমিকভাৱে। অ ৰপৰা ক্ষ লৈকে যিমান দৃষ্টান্ত আৰু পটন্তৰ আছে সকলোবোৰ উল্লেখ কৰি প্ৰয়োজনসাপেক্ষে তাৰ অৰ্থনিৰ্দেশ কৰি দিয়া আছে। বুৰঞ্জীমূলক পটন্তৰ, সাধুকথা বা কাহিনীযুক্ত পটন্তৰ বচন, ডাকৰ বচন (বিশিষ্ট ভাগ অনুযায়ী) এই বিষয়খিনিৰ অন্তৰ্ভুক্তিৰে অসমীয়া প্ৰবাদৰ প্ৰথম খণ্ডৰ সামৰণি মাৰিছে।

দ্বিতীয় খণ্ডত ফকৰা আৰু তৃতীয় খণ্ডত ভকতীয়া ফকৰা বা ধৰ্মীয় সাঁথৰ, তাৰ সাধাৰণ অৰ্থ, আধ্যাত্মিক অৰ্থ আৰু ব্যাখ্যা আদি। প্ৰবাদ পটন্তৰ, ফকৰা-যোজনা আদি প্ৰয়োগৰ দ্বাৰা এটা জাতিৰ বাক-বৈদগ্ধ্য, প্ৰকাশ হয়। অসমৰ চহা জনসাধাৰণৰ কথনভংগীৰ চমৎকাৰিত্ব, অত্যুক্তি, ব্যঙ্গোক্তি আদিৰ জৰিয়তে বিস্তৃত ভাব সংক্ষিপ্ত ৰূপত প্ৰকাশ কৰাত এই প্ৰবাদ-প্ৰবচনবোৰৰ বিশেষ ভূমিকা আছে। ড° সৰ্বেশ্বৰ ৰাজগুৰুৰ 'অসমীয়া প্ৰবাদ' অসমীয়া লোকসাহিত্যৰ এক অমূল্য ৰত্নভাণ্ডাৰ। তেখেতৰ আন এখন ব্যতিক্ৰমী গ্ৰন্থ হৈছে 'হেয়ালিৰ ছন্দ'।

ড° ৰাজগুৰুৱে যিটো বিষয়ত চৰ্চা কৰে, সেই বিষয়টোৰ সম্পূৰ্ণৰূপে খুঁতি-নাতি মাৰি অধ্যয়ন কৰি বিষয়টোৰ মন্থনৰ অন্তত ওলোৱা সাৰ অংশ পাঠকৰ সনমুখত দাঙি ধৰে। 'হেয়ালিৰ ছন্দ' তেওঁৰ তেনে এক মন্থনৰ শ্ৰমসাধ্য ফচল। বৰ্তমান লোকসাহিত্যত একপ্ৰকাৰ এলাগী হৈ পৰা সাঁথৰ 'হেয়ালিৰ ছন্দ'ৰ চৰ্চিত বিষয়। ভাৰতবৰ্ষৰ প্ৰাচীনতম সাহিত্য, বৈদিক সাহিত্যৰপৰা আৰম্ভ কৰি উপনিষদ, মহাভাৰত, বৌদ্ধ জাতক, ভাৰতৰ অন্যান্য ভাষাত কেনেদৰে সাঁথৰৰ প্ৰয়োগ হৈ আহিছে, উপযুক্ত তথ্য সহকাৰে গ্ৰন্থখনত বিশ্লেষণ কৰা হৈছে।

সংস্কৃত আৰু ভাৰতৰ আন আন প্ৰাদেশিক ভাষাত ব্ৰহ্মোদ্য, বাদ বা বিবাদ, প্ৰৱহিলকা, প্ৰহেলিকা, হৃদয়লিকা, কুটপ্ৰশ্ন, সমস্যা আদি সাঁথৰৰ সমাৰ্থক শব্দ। বৈদিক সাহিত্যত ব্ৰহ্মোদ্য বুজোৱা শব্দটোৱেই পিছলৈ

সাঁথৰ বুজাবলৈ ল'লে।

ভাৰতীয় আন আন ভাষাৰ সাঁথৰ বুজোৱা শব্দৰ সম্ভেদ দিবলৈ গৈ Durga Bhagwatৰ 'The Riddle in Indian life, lore and literature' গ্ৰন্থৰ উদ্ধৃতি দিছে — সংস্কৃত বা অসমীয়া ভাষাৰ দৰে আন আন প্ৰাচীন আৰু আধুনিক ভাৰতীয় ভাষাত সাঁথৰৰ অনুৰূপ এক বা একাধিক শব্দ আছে। পালিত পঞ্হ (প্ৰশ্ন) আৰু প্ৰাকৃতত হিয়ালিয়া আৰু পহেলি কোৱা হয়। প্ৰাকৃতৰ হিয়ালিয়া আৰু পহেলি সংস্কৃতৰ হৃদয়ালিকা আৰু প্ৰহেলিকা শব্দৰ পৰাই উদ্ভৱ হৈছে। বঙলা ভাষাত সাঁথৰৰ অনুৰূপ শব্দ হৈছে পহেলি, ধামধা, পাই, কড়চা, হেয়ালি। উড়িয়া ভাষাত পহেলি আদি শব্দই সাঁথৰ বুজায়। মাৰাঠী ভাষাত উখানা, আহনা, উমান কোহাড়া, কোড়ে, বয়ানা আদি সাঁথৰৰ অনুৰূপ শব্দ। সিন্ধীত উখানী আৰু পাঞ্জাৱীত পহেলি আৰু ভুজাত শব্দই সাঁথৰ বুজায়। গুজৰাটী ভাষাত উখানু, কোহভ্যা, অখিয়ানু, কোডু আদি সাঁথৰৰ অনুৰূপ শব্দ। (হেয়ালিৰ ছন্দ, পৃঃ ৫, ৬)

ভাৰতীয় সাহিত্যৰপৰা অসমীয়া সাহিত্যত দৃষ্টি দি অসমীয়া ভাষাত সাঁথৰ, ডাকৰ বচন, ভকতীয়া ফকৰা আদি প্ৰতিটো ভাগৰে সুকীয়া সুকীয়া উদ্ধৃতি, বিশ্লেষণ আৰু পাৰ্থক্য দাঙি ধৰিছে। লগতে অংকৰ সাঁথৰ আৰু তাৰ ভাঙনিও সন্নিৱিষ্ট কৰিছে। অসমীয়া ভাষাত সাঁথৰৰ বিভিন্ন ভাগসমূহ প্ৰতিটো ভাগৰ ব্যাখ্যা আৰু সংগ্ৰহ কৰা সাঁথৰসমূহ গ্ৰন্থখনত উদ্ধৃত হৈছে। সাঁথৰৰ ব্যৱহৃত ছন্দ, সামাজিক চিত্ৰ, অসমীয়া সাঁথৰসমূহৰ আদি বিষয়সমূহ সন্নিৱিষ্ট 'হেয়ালিৰ ছন্দ' অসমীয়া লোক সাহিত্যৰ এখন অনন্য গ্ৰন্থ। ড° ৰাজগুৰুৰ আগলৈকে সাঁথৰ এককভাৱে লৈ এনেকুৱা ধৰণৰ চিন্তা-চৰ্চা হোৱা নাছিল।

ড° ৰাজগুৰুৰ **ইতিহাসৰ পাত মেলি অসমীয়া সমাজ আৰু সংস্কৃতি** (১৯৭২) আন এখন মূল্যৱান গ্ৰন্থ। পাৰস্পৰিক আদান-প্ৰদানৰ মাজেৰে নিজস্বতা বজাই ৰাখি সময়ৰ সোঁতত আগবাঢ়ি গৈ থকা অসমীয়া সংস্কৃতিত জীণ গৈ থকা বিভিন্ন উপাদানবিলাকক এই গ্ৰন্থখনত মুখ্যভাৱে বিশ্লেষণ কৰা হৈছে। **অসমৰ সমাজ আৰু সংস্কৃতি**— অসমীয়া জাতি গঠনত অসমীয়া ভাষা-সাহিত্যৰ ভূমিকা, নৱবৈষ্ণৱ ধৰ্মৰ ভূমিকা, কোচৰজাসকলৰ বৰঙনি আৰু অসমীয়া সমাজ-সংস্কৃতিত সৰ্বভাৰতীয় উপাদান কেনেদৰে একাকাৰ হৈ আছে, একো একোটা প্ৰবন্ধৰ জৰিয়তে ইয়াত বিশ্লেষণ দাঙি ধৰা হৈছে। কৰ্মসূত্ৰে নগাঁৱৰ স্থায়ী বাসিন্দা হৈ পৰা ড° ৰাজগুৰুৱে ইতিহাস খুঁচৰি তাৰ বুকুত নগাঁৱৰ স্থান নিৰূপণ কৰিলে 'অসমৰ সামাজিক আৰু সাংস্কৃতিক বুৰঞ্জীত নগাঁৱৰ স্থান' নামৰ প্ৰবন্ধটোত। 'অসমত বসবাস কৰা আৰু অসমীয়া সমাজ তথা জাতিৰ অন্তৰ্ভুক্ত হোৱা বিভিন্ন মানৱ গোষ্ঠীৰ লোকসকলৰ কথা', 'অসমীয়া সমাজ আৰু সংস্কৃতিৰ বিভিন্ন ঐতিহাসিক স্তৰৰ চমু আভাস', শীৰ্ষক ৰচনাসমূহত অসমীয়া সংস্কৃতিৰ বিভিন্ন স্তৰ, আৰু এই স্তৰসমূহক প্ৰভাৱিত কৰা অসমৰ বিভিন্ন জনগোষ্ঠীসমূহৰ কথাও ইয়াত উল্লিখিত হৈছে।

অকল গৱেষক হিচাপেই নহয়, ৰাজগুৰুৰ সাহিত্য প্ৰতিভা অন্য কেইটামান দিশতো প্ৰকাশ হৈছে। তেওঁ বুৰঞ্জীভিত্তিক দুখন শিশু উপযোগী পুথি 'শৰাইঘাটৰ যুদ্ধৰ কাহিনী', 'বুৰঞ্জীৰ কাহিনী', ৰচনা কৰাৰ উপৰি 'হিন্দী শিক্ষা' নামৰ এখন শিশু পাঠ্যৰো প্ৰকাশক।

বংগৰ প্ৰখ্যাত কবি জয়দেৱৰ 'গীত-গোবিন্দ' গ্ৰন্থৰ অসমীয়া অনুবাদক ড° ৰাজগুৰুৱে 'কবি আৰু কাব্যকথা' নামৰ অসমীয়া কবিতা সম্পৰ্কীয় গ্ৰন্থ এখন আৰু শ্ৰীচঞ্চল ছদ্মনামত 'প্ৰথম দেখা' নামৰ এখন কাব্যগ্ৰন্থ প্ৰকাশ কৰে।

অতিশয় প্ৰচাৰবিমুখ এইগৰাকী মহান গৱেষক, সংস্কৃতিবিদ নিজৰ কৰ্মৰাজিৰ দ্বাৰা নগঞা ৰাইজৰ মাজত সদায় থাকিব। অসমীয়া সাহিত্যৰ ইতিহাসে ড° ৰাজগুৰুক যিমান গুৰুত্ব দিব লাগিছিল, সিমান গুৰুত্ব তেওঁ জীৱন বা মৃত্যুকালত ক'তোৱেই নাপালে।

'অসমীয়া সাহিত্যৰ পূৰ্ণ ইতিহাস'ত ড° হৰিনাথ শৰ্মাদলৈয়ে মাথোঁ কেইটামান বাক্যত এইগৰাকী চিন্তাবিদৰ কথা উল্লেখ কৰিছে।

প্ৰাক-ঐতিহাসিক কালৰপৰা তেওঁ জীৱিত অৱস্থালৈকে পুৰাণ-ইতিহাসৰ বুকুত নগাঁৱক অনুসন্ধান কৰা, অসমীয়া সংস্কৃতিৰ বিভিন্ন দিশত নগাঁৱৰ অৱদানৰ কথা সুঁৱৰি নগাঁৱক মহান কৰি যোৱা এইগৰাকী বিশিষ্ট গৱেষকক মহাৰজত জয়ন্তীৰ শুভলগনত নগাঁও কলেজ পৰিয়ালৰ হৈ অসমীয়া বিভাগৰ দ্বাৰা শ্ৰদ্ধাৰে সোঁৱৰণ কৰা হ'ল। অসমীয়া ভাষা-সাহিত্যৰ প্ৰতি থকা যি দায়বদ্ধতাৰ বাবে তেওঁ কঠোৰ শ্ৰম কৰি গ'ল, সেই শ্ৰম, সেই অধ্যৱসায় হওক ভৱিষ্যৎ প্ৰজন্মৰ আদৰ্শ আৰু প্ৰেৰণা।❑

লেখিকা - সহযোগী অধ্যাপিকা, অসমীয়া বিভাগ।

# অধ্যাপক ললিত শইকীয়াৰ ‘কবিতা কুঞ্জ’ — এটি অৱলোকন

চন্দ্ৰমোহন কাকতি

সদ্য প্ৰকাশিত একুঁকি কবিতাৰে সমৃদ্ধ ‘কবিতা কুঞ্জ’ গ্ৰন্থৰে ললিত শইকীয়াই অসমীয়া কাব্যসাহিত্যৰ ইতিহাসত নিজৰ নাম খোদিত কৰি গ’ল। তেওঁৰ বৰ জীয়ৰী পল্লৱী (জুলি) আৰু বৰজোঁৱাই ডাঃ প্ৰজ্ঞান শইকীয়াৰ প্ৰচেষ্টাত ডিব্ৰুগড়ৰ ‘হিয়া প্ৰকাশন’ গোষ্ঠীৰ ফালৰপৰা প্ৰকাশ কৰা হৈছে উক্ত কাব্যগ্ৰন্থখন। শইকীয়াই আশা কৰা মতে, তেওঁৰ জীৱিত কালতে গ্ৰন্থখন দেখা পাই নগ’ল। তাৰ বাবে প্ৰকাশকেও দুখ প্ৰকাশ কৰিছে। কবিতাৰ প্ৰেমত পৰা ললিত শইকীয়াৰ দুৰন্ত প্ৰয়াস সঁচায়ে আদৰণীয়। কবিৰ ভাষাতে জীৱনৰ অপৰাহ্ন কালত কবিতাত হাত দিলেও যথাৰ্থতে কবিতাৰ কুঁকিত ঠাই পোৱা প্ৰায় সকলোবোৰ কবিতাই কাব্যিক সৌন্দৰ্যৰে মহীয়ান হৈ পৰিছে আৰু যেন প্ৰতিটো পংক্তিতে ভাষাৰ লালিত্য আৰু ব্যঞ্জনাময়ী প্ৰকাশত এক সৌন্দৰ্যময়ী সুৰ অনুৰণিত হয়।

প্ৰথম দুটা কবিতা সোঁৱৰণত লিখা হ’লেও এসময়ৰ অসমৰ কুকিলকণ্ঠী গায়িকা প্ৰণতি শইকীয়া আৰু সৰ্বভাৰতীয় স্বীকৃতিৰে বিভূষিত স্বনামধন্য সাহিত্যিক, শিক্ষাবিদ, নিৰ্ভীক সাংসদ হেম বৰুৱালৈ অশ্ৰু-অঞ্জলি যাচি লেখা কবিতা দুটা অপূৰ্ব সুন্দৰ — পঢ়ি গ’লে বাৰে বাৰে পঢ়িবৰ মন যায়। গীতিময়ী প্ৰকাশেৰে ব্যঞ্জনাময়ী ৰূপকাঠিৰে কবিয়ে অশ্ৰু-অঞ্জলি যাচি কৈছে ঃ “বুকুৰ মাদলৰ ছেও ক্লান্ত হৈ পৰি ৰ’ল পাৰত / সেতু বন্ধন এধাৰি চকুলো / ইপাৰ আৰু সিপাৰ / ইপাৰে ‘তোমাৰ খোজৰ ধূলি’ / সিপাৰে ‘শিৰত তুলি ল’লা।” এই কবিতাফাকি পঢ়াৰ লগে লগে কেশৱ মহন্ত ৰচিত, খগেন মহন্ত সুৰাৰোপিত ‘তোমাৰ খোজৰ ধূলি, মোৰেই আশিস বুলি, শিৰত তুলি ল’লো’ সেই সুমধুৰ চিৰসেউজ গীতটো কৰ্ণ-কুহৰত অনুৰণিত হোৱা যেন অনুভৱ হয়। মই আৰু বেছি ‘নষ্টালজিক’ হওঁ এই কাৰণেই যে খগেন মহন্তই আমাৰ আলাপৰ মাজত প্ৰথম এই গীতটোৰ সুৰ দিছিল গুৱাহাটী বিশ্ববিদ্যালয়ৰ মাধৱ বেজবৰুৱা ছাত্ৰাবাসৰ ৩১ নং কোঠাত আৰু সেই ছাত্ৰাবাসৰ কোঠাটোৰ আবাসী আছিলোঁ মই আৰু মোৰ মণিপুৰৰ বন্ধু শ্বেইখ মহম্মদ আব্দুল খালিক (তেওঁক আমি তেওঁৰ সুৰদীকণ্ঠৰ বাবে ৰফী বুলি মাতিছিলোঁ)। মোৰ লগত একেলগে ইতিহাসৰ ছাত্ৰ হোৱাৰ সুবাদত খগেন মহন্ত আমাৰ কোঠালৈ প্ৰায়ে আহিছিল। মহন্তৰ যাদুকৰী সুৰৰ মূৰ্চ্ছনাত সংগীতপ্ৰিয় খালিকেও সন্মোহিত হৈ মহন্তৰ লগত কেবাটাও গীত গাইছিল আৰু বেচেৰা ‘মই’টোৰেও পঢ়াৰ টেবুলত টোকৰ দি ‘তবলা’ৰ লহৰ তুলিছিলোঁ। ওচৰৰ কোঠাৰ কেইবাগৰাকী আবাসী আহি একপ্ৰকাৰ আমাৰ কোঠা গানেৰে, গীতেৰে মুখৰিত কৰি সন্ধ্যাৰ আঁচল খেদি জোনাকৰ ফল্গুধাৰত গংগা স্নান কৰিছিলোঁ আমি সেইদিনা ....! ‘শ্ৰদ্ধাঞ্জলি’ কবিতাটোৰ মাজত সিংহ নিনাদেৰে দিল্লীৰ পাৰ্লামেণ্ট কঁপোৱা হেম বৰুৱাজনক বিচাৰি পাওঁ। কবিতাটোৰ তিনি নম্বৰ স্তৱকৰ শেষৰ

ফালে ঃ “চেকুৰাচেকুৰ বান্ধি/প্ৰতিধ্বনি ৰ’ল অৱশেষ/দ্ৰুততাৰ আস্তাবলত/বান্ধি থোৱা সেই ৰণুৱা ঘোঁৰাৰ হৃৎপিণ্ড এতিয়া/দুৰন্ত গতিত আহি আহি মন্থৰ হোৱা ইঞ্জিনৰ ভাপ/চকুৰ তিৰ্যক তাপত/কালহীন এই বিৱৰ্তন—/ৰৈ যোৱা চিৰদিন/মোৰ এই ক্ষুদ্ৰ বুকুৰ/নিঃকিন প্ৰান্তৰত।”— এই কবিতা কেইফাকিৰ মাজত দেখোন ললিত শইকীয়া নামৰ কাব্য শিল্পীজনক বিচাৰি পোৱাত অকণো অসুবিধা হোৱা নাই।

নাট্যপ্ৰৱৰ সাৰদাকান্ত বৰদলৈৰ ৭৬ সংখ্যক জন্মদিনত শুভেচ্ছা জনাই লিখা ‘চিনাকি খোজ’ৰ শেষৰ পংক্তিতে সাৰদা বৰদলৈৰ সমগ্ৰ সত্তাক বিচাৰি পাইছে কবিয়ে এনেদৰে ঃ “আৰু তোমাৰ দৃষ্টিত আছিল/কলিজা শালি নিয়া এডাল তীড়/আৱিষ্কাৰ;/ সময় পাখিত উৰি অহা স্মৃতিৰ ধমনীত/কাণ দি শুনিলোঁ মোৰ চেতনা/জীয়াই থকা।”

মেহনতী জনতাৰ শ্ৰমক মূল্য নিদিয়া তথাকথিত ভদ্ৰ সমাজখনলৈও কবিয়ে সকীয়নি দিছে ‘শব্দভেদী’ কবিতাটোত। কবি প্ৰাণ উথলি উঠিছে বেদনাত অথবা কবিৰ কোমলপ্ৰাণ আলোড়িত হৈছে বৃদ্ধ শ্ৰমিকজনক হাড়-ভঙ্গা শ্ৰমেও আনি দিব নোৱাৰা ক্ষুধাৰ নিবৃত্তিত — কবিৰ ভাষাত ঃ ‘আৰু দুচকুত?/ স্বপ্নভংগৰ ফুজিয়ামাই/দূৰৰিৰ টোপাল বুটলি/ কথমপি ন্যুব্জ বিয়লিৰ লাখুঁটিত/খামুচি ধৰি মাৰ্গৰুদ্ধ হয়/খিল্‌খিলনিৰ সুবাস আৰ্দ্ৰ পুতৌবিলাকে/হাঁহি হাঁহি তাৰ নিৰৰ্থুক মহাৰ্ণৱত/শামুক খোলাৰ মোহনা পাতে।”

পখীকুলৰ নিধন যজ্ঞৰ হোতাসকল আৰু গছ-বিৰিখৰ ওপৰত অত্যাচাৰ চলোৱা কুলাংগাৰ সকললৈও তিৰ্যক বাক্যবাণ কবিৰ মোহময়ী ভাষাৰ লালিত্যৰে “সেই চৰাইজাক” কবিতাত এনেদৰে ঃ ..... “জ্যোৎস্নাৰ সমুদ্ৰত/সিহঁতে গা ধুইছিল।/হঠাৎ ডাল-পাত ডাঙৰ শব্দ -/এইজাক বতাহ নে ধুমুহা?/ সিহঁত আছাৰ খাই পৰিছিল/বুকুয়েদি পাৰ হৈ গৈছিল/ সেই দোৰোল নোখোৱা জিভাৰ ছায়ামূৰ্তিবিলাক/ আৰু হুংকাৰ ধ্বনি?/(হে ৰাজন! তোমাৰ উন্মত্ততা)”। ‘উভতি যাওঁতে’ মাত্ৰ নটা শাৰীৰ কবিতাটোত কামনাৰ লালসাত নৰপিশাচৰ মানৱতা/সতীত্ব ভু-লুণ্ঠিত কৰা নিলাজ দৃশ্য চিত্ৰিত কৰিছে কবি শইকীয়াই এনেদৰে ঃ “কটনা কটা চোলাটোত/হিয়াভগা দাগ/কাৰ পোহৰ কাৰ তমসা/মস্তিষ্কৰ বেটেৰীত?/(পোত গ’ল নেকি গেৰেকনিত মুখবিলাক?)।” ‘তিনিটা মুহূৰ্তৰ কবিতা’ত কবি ললিত শইকীয়াৰ সংবেদনশীল অনুভূতিপ্ৰৱণ মনটোৱে কথা পাতিছে সংগোপনে। কি যে এক অপূৰ্ব ‘লিৰিক’! উদাহৰণ দিছোঁ চাওক ঃ (১) “মেঘবন্যাৰ পিছত আমি ফুলিম/তুংগী হ’ব এখন অনাচ্ছাদিত আকাশ,/ব’লা সেইফালে আগুৱাওঁ।” (২) “গজি উঠা বন বিলাক গুচাই দিয়া হাড়বিলাকৰ, /মাতৃ সকলে আকৌ উঠাই লওক।” (৩) “তোমালোকৰ পচি যোৱা অঙঠাৰ জটায়ু সম্বাদেৰে /বুকুৰ কাঁইটবিলাকৰপৰা ফাটি ওলোৱা সেউজখিনিত/নতুন মৌ-মাখিবোৰ উৰি আহি পৰিব।” ‘ৰামধেনু’ৰ পাতে পাতে কিছু কবিতা লিখাৰ পিছত ললিত শইকীয়াৰ যাদুকৰী কলমৰ স্পৰ্শই ভালেমান কবিতাৰ সৃষ্টিৰে অসমীয়া আধুনিক কাব্য-বেদীলৈ যোড়শোপচাৰ আগবঢ়াই গ’ল। আগতে উল্লেখ কৰা মতে ‘ৰামধেনু’ত সীমিতসংখ্যক কবিতা প্ৰকাশ হোৱাৰ পিছত কবি শইকীয়াই ‘প্ৰকাশ’কে প্ৰমুখ্য কৰি বহুকেইখন সম্ভ্ৰান্ত আলোচনীত আধুনিক কবিতাৰ সোণালী যাত্ৰাৰে কাব্যপ্ৰেমীসকলক কৃতাৰ্থ কৰিছিল। ‘বৰষুণ’, ‘মই’, ‘দুখন হাত’ আৰু ‘আৱিষ্কাৰ’ আদি কেবাটাও কালজয়ী/যুগজয়ী কবিতাৰ কিছুমান স্তৱকে কাব্যপ্ৰেমীৰ মন-মন্দিৰত গভীৰভাৱে সাঁচ বহুৱাই যোৱাত কবি ললিত শইকীয়া নিঃসন্দেহে সফল হৈছে। ললিত শইকীয়াৰ কবিতাৰ পথাৰখনত সোমাই পৰি মোৰ উপলব্ধি হৈছে, শইকীয়াৰ কবিতাত পশ্চিমীয়া কবিতাৰ প্ৰভাৱ কিছু পৰিছে।

পাঠক সমাজ তথা কাব্যপ্ৰেমীসকলে নিশ্চয়

ভালদৰে জানে যে আধুনিক কবিতা দ্বিতীয় বিশ্ব মহাসমৰৰ পাছৰ কালৰ এক নতুন সৃষ্টি। এইটো অনস্বীকাৰ্য, আধুনিক কবিতাৰ টেক্‌নিক পশ্চিমৰপৰাই আহিছে। সচৰাচৰ জটিল, দুৰ্বোধ্য আধুনিক কবিতা সাধাৰণ পাঠকৰ বাবে বোধগম্য নহয়— সেয়ে হয়তো বিস্তৃত অধ্যয়নৰ লগতে ক্ৰান্তদৰ্শিতাৰ প্ৰয়োজন। Waste Land কবিতাত ইলিয়টে যুদ্ধবিধ্বস্ত পৃথিৱীখনৰ কথা বৰ্ণিলভাৱে চিত্ৰিত কৰিছে।

অসমতো তেনেধৰণৰ ছবিয়ে নতুন চিন্তাৰ সঞ্চাৰ কৰিছিল। আধুনিক কবিতাই মন-হৃদয়তকৈ মগজুক বেছি দোলা দিয়ে। সেয়ে হয়তো এজন প্ৰসিদ্ধ গল্পকাৰ-সাহিত্যিকৰ ভাষাত ঃ "আধুনিক কবিতা বুদ্ধিজীৱীৰ কবিতা"। উদাহৰণ স্বৰূপে বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ কবিতাৰ এই পংক্তিফাকি ঃ 'বিশ্ব যদি চলে যায় কাঁদিতে কাঁদিতে/আমি একা বসে ৰ'ব উদ্দেশ্য সাধিতে'ৰ ঠাইত আমাৰ অসমৰ এজন প্ৰখ্যাত আধুনিক কবিয়ে কৈছে ঃ 'মোক লাগে, লাগে আজি এখন পৃথিৱী/প্ৰতিষ্ঠিত প্ৰাণকেন্দ্ৰ সাম্যৰ বেদীত/য'ত মানুহে কৰিব পাৰে মানুহৰ মংগলৰ বাবে বুদ্ধিৰ বিকাশ।' এয়াই হ'ল ধ্বংসৰ লেলিহান শিখাই বিধ্বস্ত কৰা পৃথিৱীৰ বুকুত আধুনিক কবিয়ে কামনা কৰা আশাৰ ৰেঙনি। ইয়াতেই নিহিত আছে চিন্তাৰ তীক্ষ্ণতা। আমাৰ কবি ললিত শইকীয়াও চিন্তাৰ তীক্ষ্ণতাৰে উদ্ভাসিত। 'নাগৰিক' কবিতাত তেওঁ এনেদৰে কৈছে ঃ 'আধা সজা দালানৰ কামিহাড়ত/পতাকা উৰাদি উৰে তেল-কলীয়া চোলা।/তলৰ আলিৰপৰা মৃতদেহটো দাঙি নিলেই ভাবো/ইটা আৰু তেজৰ ৰং দেখোন একেই ..... মোৰ টাবত এতিয়াও উদ্‌গীৰিত হয় বসন্ত।' আৰু 'দুখন হাত আৰু অসংখ্য হাত' কবিতাত কবি শইকীয়াই আকৌ কৈছে ঃ 'সকলো হাতজুৰি ৰঙা হোৱা/দুখন হাতে বিচাৰে শান দিবলৈ/সেউজীয়া হাতবোৰ ভাঙে/ফেৰেঙণিত আধামেলা কলিৰ আঙঠি লৈ' — ইত্যাদি ইত্যাদি। প্ৰত্যাশিতভাৱেই ললিত শইকীয়াৰ কলমে চুই গৈছিল সামাজিক অৱক্ষয়, শোষণ, দুৰ্নীতি-ভ্ৰষ্টাচাৰ — প্ৰাণীকুলৰ ধ্বংসৰ বিৰুদ্ধেও।

'কবিতা কুঞ্জ'ৰ প্ৰতিটো কবিতাই পঢ়িলোঁ উৰাই ঘূৰাই নীৰলে, কেতিয়াবা মাজনিশাও পঢ়িছিলোঁ ললিত শইকীয়াৰ কবিতা। সুন্দৰ চিত্ৰকল্প, ব্যতিক্ৰমী উপস্থাপন, ভাষাৰ লালিত্য আৰু অপূৰ্ব শব্দ-সম্ভাৰেৰে সজাই তোলা প্ৰতিটো কবিতাই নিৰন্তৰ আলোক সন্ধানী যাত্ৰাৰ ইংগিত দিয়ে। থাউকতে কবিতা লিখাৰ প্ৰয়াস নকৰিলেও 'কবিতা কুঞ্জ'ৰ ৪২ টা কবিতাৰ মাজেৰে ললিত শইকীয়াই পাতনিত উল্লেখ কৰাৰ দৰে "artistry of poetic bliss" ৰ প্ৰৱল হেঁপাহ কৰাত সফল হৈছে। তেখেতৰ কবিতাখিনি আবৃত্তি কৰি কৰি পঢ়ি যাওঁতে অতীতৰ মধুৰ স্মৃতিয়েও মোৰ মনত দোলা দিছে এই কাৰণে যে কলেজত পঢ়াকালত বিশেষকৈ প্ৰাচীন ভাৰতীয় ইতিহাসৰ ওপৰত দখল থকা অধ্যাপক শইকীয়াই পাঠদানতো জটিল ইতিহাসৰ কথাবিলাক কাব্যিক ব্যঞ্জনাৰে ভৰা বক্তৃতাৰ মাজেৰে আমাৰ মন-মগজুত ভৰাই দিছিল। — যেন এক কাব্যিক সুৰহে অনুৰণিত হৈছিল। মহিম বৰাৰ কবিতাৰ ওপৰত নিৰ্মোহ বিশ্লেষণ আগবঢ়োৱা (দ্ৰঃ "মহিম বৰাৰ কবিতাৰ বিষয়ে একেষাৰ" — 'বিহলঙনি', জুলাই ১৯৮১) অধ্যাপক ললিত শইকীয়া বাৰুকৈয়ে কবিতাৰ প্ৰেমত পৰিছিল। শইকীয়াই মহিম বৰাৰ প্ৰতিটো কবিতাৰে ওপৰত কৰা সুন্দৰ অৱলোকনখিনিও কবিতা যেন লাগিছিল।

প্ৰাত্যহিক জীৱনত তথাকথিত ভেমত উফন্দি থকা সমাজখন আৰু শোষকৰ দ্বাৰা শোষিত ভোকাতুৰ জনতাৰ আশা-আকাংক্ষাৰ শুকান অনাদৃত খোলা বিলাক প্ৰত্যক্ষ কৰি কবি শইকীয়াৰ অন্তৰাত্মাই কান্দি উঠিছে আৰু অতি সাৱলীল প্ৰকাশভংগীৰে সজোৱা 'জীৱনে এৰি অহা বালিচৰ' কবিতাৰ প্ৰথম স্তৱকটোৰে অন্তৰ চুই যাব কাব্যপ্ৰেমীৰ ঃ "জীৱনে এৰি অহা বালিচৰত সিহঁতৰ আকাংক্ষাৰ/শুকান খোলাবিলাক সিঁচৰতি হৈ পৰি ৰ'ল;/যেনেকৈ একক

প্ৰদৰ্শনীত শুই-বহি আছে অহৰ্নিশে অনাহাৰে /ৰাজপথ, প্লেটফৰ্ম অথবা নৈৰ ঘাটত হাত মেলি মেলি; সিহঁতে ভাবে সিহঁতৰ উশাহবিলাকে হৎপিণ্ডত/ প্ৰৱেশৰ মৌলিক অধিকাৰকণো হেৰুৱাই পেলাইছে;/এই বিতাড়িত উশাহবিলাকে যদি বেজীৰে সিব পাৰিলোহেতেন/নিশ্চয় এডাল কণ্ঠহাড় হ'লহেঁতেন/কোনোবা পলাশী মনৰ ডিঙিত পিন্ধাবলৈকে ।"

অন্যায়ৰ বিৰুদ্ধে তীব্ৰ বিষোদ্গাৰ কবিৰ কলমত এনেদৰে গৰজি উঠিছে ঃ "পশুশ্ৰম দৌলতাবাদৰ লিপিৰে সাৰটি/ পাৰিব জানো জোৰাব ছিগা-ভগা মূৰ?/এটি মলংগা আশা একুৰা ছাই,/ শুই আছে পল গণি এটি যাদুঘৰ হৈ" ('বিধান নে সংবিধান'- কবিতাত)। কবিৰ সংবেদনশীল মন ভাৰাক্ৰান্ত হয়, মন-প্ৰাণত দুখৰ প্ৰচ্ছায়া, সমুখতে দেখা-শুনা মানৱতাৰ বধ্যভূমিত এপাহি গোলাপৰ উচুপনি। কবিৰ ভাষাত ঃ "নেপথ্যৰ আন্ধাৰুবালিত/ ধৰ্ষণৰ উচুপনি,/কাষত থিয় হৈ থাকে উষ্ণীষধাৰী এটা আয়তন,/বোধহয় স্বামী।" ('ৰাতিৰ বন্দৰ'- কবিতা)

চহৰীয়া জীৱনৰ সচৰাচৰ কোলাহলৰপৰা মুক্ত সেউজীয়া গ্ৰাম্য পৰিৱেশৰ নিভাঁজ চহা জীৱনৰ ছবিখনে ভুমুকি মাৰিছে নিটোল ৰূপত শইকীয়াৰ কবিতাত এনেদৰে ঃ "মোৰ পৰিচয়,/কোনোবা ইটাপৰা গাঁও/ঢেঁকী দিয়া, তাঁত বাটি কঢ়া;/মলখু মাৰিলো, /উৰলত ভাঙিলো জাহিঙা ধান,/ভমকা ফুলীয়া মুগাপাট,/গাত মেৰিয়াই,/উখল-মাখলৰ এখন ঘৰত /সোমাইছিলোঁ সিদিনা সৌদামিনী হৈ।" (এটা নতুন কবিতা)

প্ৰাণোচ্ছ্বল অসমীয়া সমাজখন যেন থানবান হৈ গ'ল আৰু সেয়ে হয়তো কবি শইকীয়াই অসমৰ অধোগতিত গভীৰ আক্ষেপেৰে আকৌ ক'লে ঃ "এতিয়া মই যাবলৈ ওলালোঁ,/যদিওবা সধবা তথাপি বিধবা/কপালত ফোঁট থাকিও উকা/মই স্বামীহাৰা,/ 'আৰু তুমি-/এক পংগু,/এক ভগ্নাংশ, মোৰ জহি যোৱা আত্মাৰ।"('এটা নতুন কবিতা')। গভীৰ আশাবাদী কবি ললিত শইকীয়াই স্বাধীনতাৰ সপোন দেখিছিল এনেদৰে ঃ "কালনেমিৰ সাধ্য নাই বিশল্যকৰণীৰ গতিপথ ৰুধিবলৈ/এখন ছিগি যোৱা পুৰাণৰ বাকলি ভস্মৰে,/গোট মৰা তেজৰ দাঁতিয়ে দাঁতিয়ে/প্ৰহৰী চকুত/আজি এক ঋতুসংহাৰৰ জন্ম হ'ল,/য'ত ভস্ম হ'ল বাঘ ভালুক/যক্ষ দানৱ,/কত ৰক্ষক ভক্ষক/পাখি সৰাল দি চৰাইজাক যেতিয়া টিলাটোত উঠিছিল,/কঁপি থকা নিচানখনত তেতিয়া ফেঁহুজালি দিছিল।" ('এটা মৃত্যুৰ জন্ম')। এই কবিতাটো ১৯৭৪ চনৰ ১৫ আগষ্টৰ দিনা 'দৈনিক অসম' কাকতত প্ৰকাশ হৈছিল।

প্ৰসিদ্ধ কবি ভবেন বৰুৱাৰ 'সোণালী জাহাজ' পঢ়ি ৰচনা কৰা 'চিহ্নিত' নামৰ কবিতাটো ললিত শইকীয়াৰ কবিতাসমূহৰ ভিতৰত এটা অপূৰ্ব সুন্দৰ কবিতা। এই কবিতাটো ১৯৭৯ চনত 'ৰামধেনু'ত প্ৰকাশ হৈছিল। কবিতাটোৰ শেষৰ অৰ্থৱহ স্তৱকটোৱে কাব্যপ্ৰেমীৰ মনত দোলা দি থাকিব নিৰন্তৰ। স্তৱকটো ঃ "জলমগ্ন/অনিদ্ৰিত এজন নাবিক,/জিভাত যাৰ ৰত্নগৰ্ভৰ স্বাদ/চকুত অমৃতমণিৰ তেজ/আৰু হাতত খামুচি সেই/শুভ্ৰ নিচান,/ইঞ্জিনীয়াৰ।"

কবি শইকীয়াৰ 'যৌৱন' কবিতাত ক্ষয়িষ্ণু মানৱ জীৱনৰ শেষকণ সুষমাৰ হৃদয়স্পৰ্শী অপূৰ্ব প্ৰকাশভংগী হৃদয়ংগম কৰকচোন ঃ "হেৰাই যোৱা প্ৰাচীন নীলা স্মৃতিৰ/এচকু গুহাত;/যাৰ চানি পৰা ভগ্নতাৰ স্তৰে স্তৰে/পোত খাই ৰ'লো/মই, তুমি আৰু সেই ৰাতিৰ শেষত আমি/ক্ষয় যোৱা মুদ্ৰাৰ নিষ্ফল প্ৰতিশ্ৰুতিৰে।" দেশ, মাটি আৰু মানুহক ভাল পোৱা কবি ললিত শইকীয়াৰ কবিতাত স্খলিত জন-জীৱনৰ কথাবিলাকে কেনেকৈ আঘাত দিছে, তাৰেই যেন সম্ভেদ পাইছো তেখেতৰ 'মেজি জুইৰ শিখা' নামৰ কবিতাৰ প্ৰথম স্তৱকটোত এনেদৰে ঃ "(ত্ৰস্তমান এখন মেলামুখ/যাৰ দুপাৰি দাঁতৰ মাজত/ আঘোণৰ

সাঁকো নাই,/” আৰু দ্বিতীয় স্তৱকত ঃ “অগ্নিসেৰা হাড়পোৰা গোন্ধত/মনৰ ভঁড়াল উদং হ’ল/ সংযোজক অব্যয়ৰ মৰীচিকা আৰু নেখেদিবা, / সময় থমকি ৰ’ব/তোমাৰ মৰিশালিত/কোনোবা মন্বন্তৰৰ ভোগালী পুৱাত।”

নগাঁও কলেজৰ “স্বৰ্ণযুগৰ কৃতী শিক্ষক” (ৰঞ্জিত কুমাৰদেৱ গোস্বামীৰ মতে) সকলৰ অন্যতম ইতিহাস বিভাগৰ মুৰব্বী অধ্যাপক ললিত শইকীয়া। সেই কালছোৱাত নগাঁও কলেজত কেইবাগৰাকী কৃতী শিক্ষকৰ মণিকাঞ্চন সংযোগ ঘটিছিল; বিশেষকৈ অধ্যাপক মহিম বৰা আৰু অধ্যাপক ললিত শইকীয়াৰ সংযোগে মহিম বৰাৰ গল্প-কবিতাৰ সোণালী যাত্ৰাত নতুন মাত্ৰা প্ৰদান কৰিছিল। প্ৰসংগক্ৰমে উল্লেখ কৰোঁ যে এইলেখকৰ “মোৰ দৃষ্টিত মহিম বৰা ছাৰ আৰু তেওঁৰ সৃষ্টিক বিশ্বদৰবাৰলৈ নিয়া নেপথ্যৰ মানুহজন” (দ্ৰঃ ‘নিয়মীয়া বাৰ্তা’ কাকত, ১১ নৱেম্বৰ, ২০১৬ সংখ্যা) লেখাত বিস্তৃতভাৱে এই সম্পৰ্কে উল্লেখ কৰা হৈছে। আচল কথা, মহিম বৰাৰ কেবাটাও নিৰ্বাচিত গল্প-কবিতা ললিত শইকীয়াই ইংৰাজীলৈ অনুবাদ কৰিছিল আৰু সমান্তৰালভাৱে নিজেও কবিতা ৰচনাত হাত দি অসমীয়া কাব্যজগতৰ সোণালী যাত্ৰাৰ সহযাত্ৰী হৈ নিজক প্ৰতিষ্ঠা কৰি গ’ল।

ইংৰাজীত এম-এ পঢ়ি থকা কালৰ কলিকতা বিশ্ববিদ্যালয়ৰ বৌদ্ধিক প্ৰভাৱেৰে পুষ্ট এইগৰাকী ইতিহাসৰ শিক্ষকৰ প্ৰজ্ঞাসন্ধানী মনটোৰ মাজত সহজে বিচাৰি পাওঁ তেওঁৰ কাব্যিক প্ৰতিভা, যিগৰাকীয়ে তেওঁৰ কবিতাপুথি ‘কবিতা কুঞ্জ’ত ধৰা দিছে এজন সফল কবি হিচাপে। মুঠতে ‘ৰামধেনু’ৰ লগতে চন্দ্ৰপ্ৰসাদ শইকীয়া সম্পাদিত ‘প্ৰকাশ’ত সৰ্বাধিক কবিতা প্ৰকাশ হৈছিল ললিত শইকীয়াৰ। ‘প্ৰতিপদ’, অধুনালুপ্ত ‘গণতন্ত্ৰ’ সাপ্তাহিক আৰু ‘দৈনিক অসম’ কাকতত ললিত শইকীয়াৰ কেবাটাও কবিতা প্ৰকাশ হৈছিল ভিন ভিন সময়ত। কাকতত প্ৰকাশিত-অপ্ৰকাশিত কবিতা সম্ভাৰেৰে ললিত শইকীয়াই কাব্য সাহিত্যৰ বেদীলৈ অনবদ্য অৱদান আগবঢ়াই গ’ল। ‘ৰামধেনু’ যুগৰ কবি হিচাপেও নিজক প্ৰতিষ্ঠিত কৰি গ’ল অধ্যাপক ললিত শইকীয়াই। কাজেই ‘ৰামধেনু’ যুগৰ প্ৰসিদ্ধ কবিসকলৰ অন্যতম কবি বুলি ললিত শইকীয়াকে ক’লে নিশ্চয় বঢ়াই কোৱা নহ’ব। শুনামতে ললিত শইকীয়াই বৰ্তমান অধুনালুপ্ত এসময়ৰ অতি জনপ্ৰিয় ‘বিহলঙনি’ত কবিতা লিখিছিল, কিন্তু বহু চেষ্টাৰ মূৰতো মই ১৯৬০/৬১ চনৰ ‘বিহলঙনি’ৰ সংখ্যাবোৰৰ সন্ধান উলিয়াব নোৱাৰিলোঁ।

আকৌ কওঁ কলং-কপিলীৰ সেউজীয়া নিৰ্যাসত জন্ম গ্ৰহণ কৰা বিদগ্ধ পণ্ডিত, ইতিহাসবিদ, গৱেষক ড° সূৰ্যকুমাৰ ভূঞা, কলঙৰ ঐতিহ্য ড° বিৰিঞ্চি কুমাৰ বৰুৱা, প্ৰখ্যাত ঔপন্যাসিক, সাংবাদিক, সাহিত্যিক ৰাধিকামোহন গোস্বামী, কলং-কপিলীপাৰৰ প্ৰখ্যাত সাহিত্যিক মহীচন্দ্ৰ বৰা, কলঙৰ সেউজীয়া নিৰ্যাসত লালিত-পালিত দেৱকান্ত বৰুৱা, নৰকান্ত বৰুৱা, ভবেন্দ্ৰ নাথ শইকীয়া, মহিম বৰা, কলং-সোণাইৰ অনুপম সন্তান ড° লক্ষ্মীনন্দন বৰা আদিৰ দৰে ললিত শইকীয়াও তাহানিৰ কলংপাৰৰ নৰ্ত্তম গাঁৱৰ সেউজীয়া মসৃণ পথাৰখনৰ গছ-বিৰিখ, চৰাইৰ কাকলিৰে মুখৰিত অনুপম সুবাসেৰে সুবাসিত হৈ অসমীয়া সাহিত্যৰ কাব্যজগতৰ বেদীলৈ ‘কবিতা কুঞ্জ’ৰ দৰে এখন কবিতা পুথিৰে চিৰস্মৰণীয় নৈবদ্য দি থৈ গ’ল— যেনেদৰে দেৱকান্ত বৰুৱায়ো একমাত্ৰ ‘সাগৰ দেখিছা’ৰে অসমীয়া কাব্য জগতত উজ্জ্বল নক্ষত্ৰৰ দৰে জিলিকি আছে। অধ্যাপক ললিত শইকীয়াৰ কবিতা অনিৰ্বাণ শিখাৰ দৰে জ্বলি থাকিব আৰু তেওঁৰ অমৰ কীৰ্তি ‘কবিতা কুঞ্জ’ উত্তৰ পুৰুষৰ কবিসকলৰ বাবে ‘দস্তাবেজ’ হৈ ৰ’ব।

পুনশ্চঃ

(১) মহিম বৰাৰ কবিতাৰ ওপৰত বিস্তৃতভাৱে মননশীল ব্যতিক্ৰমী সমীক্ষা আগবঢ়োৱা প্ৰথম আৰু একমাত্ৰ বৰেণ্য ব্যক্তিজন হ’ল

ললিত শইকীয়া— প্ৰমাণ ‘অনুস্মৃতি’ বোলা সৰু গ্ৰন্থখনিতে পাঠকে সকলোখিনি সমল বিচাৰি পাব।

(২) মহিম বৰা ছাৰৰ সৃষ্টিৰাজি বিশ্বদৰবাৰলৈ নিয়া নেপথ্যৰ প্ৰথম মানুহজন হ'ল ললিত শইকীয়া। এই কথা অসম তথা ভাৰতৰ সাহিত্য জগতৰ বিদ্বৎমহলে একমুখে স্বীকাৰ কৰিব।

(৩) আশাকৰোঁ, অসম সাহিত্য সভাই ললিত শইকীয়াক মৰণোত্তৰভাৱে হ'লেও যথাযোগ্য স্বীকৃতি প্ৰদান কৰিব।

ললিত শইকীয়াৰ সূক্ষ্ম নিৰীক্ষণী আৰু অগতানুগতিক শৈলীৰে ৰচিত কবিতাসমূহে কাব্যপ্ৰেমীসকলক শিখাৰ সন্ধানৰ লগতে শিপাৰ সন্ধানো দিব বুলি নিশ্চয় ক'ব পাৰোঁ।

উল্লেখ্য, কবি ললিত শইকীয়াই প্ৰশাসনীয় দক্ষতা, শিক্ষকৰূপে প্ৰচুৰ অধ্যয়ন আৰু মেধাৰে বিশেষকৈ ইতিহাসৰ ছাত্ৰ-ছাত্ৰীৰ মাজত অতি ‘আদৰৰ ছাৰ’ হৈ পৰিছিল ‘পাইয়ো হেৰুৱাৰ’ বেদনাত কিঞ্চিতো নিৰুৎসাহ নহৈ শিক্ষাদানত ব্ৰতী হৈ থাকিল অৱসৰ পৰ্যন্ত। থোৰতে কওঁ, এটা অনাকাংক্ষিত গোচৰত জড়িত কৰোৱাত (চকুচৰহাৰ কুটিল ষড়যন্ত্ৰ?) চিভিল চাৰ্ভিচ পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ হৈ সহকাৰী আয়ুক্ত পদত নিযুক্তি পায়ো যোগদান কৰিব নোৱাৰিলে। সেয়া এক দীঘলীয়া ইতিহাস। অসমে এজন দক্ষ প্ৰশাসকৰপৰা বঞ্চিত হ'লেও নগাঁও কলেজৰ বিদ্যায়তনিক দিশত নতুন মাত্ৰা প্ৰদান কৰাত সফল হ'ল অধ্যাপক ললিত শইকীয়া। তেতিয়াৰ অসমৰ ‘দ্বিতীয়খন কটন’খ্যাত নগাঁও কলেজৰ অধ্যক্ষ জ্ঞান-তপস্বী যজ্ঞেশ্বৰ শৰ্মা ছাৰে সঠিক মূল্যায়ন কৰি কৈছিল ঃ “Lalit’s command over English is superb.” ❑

---

লেখক - প্ৰাক্তন উপায়ুক্ত আৰু প্ৰাক্তন ছাত্ৰ

# নগাঁও মহাবিদ্যালয়ৰ সাহিত্যিক অধ্যক্ষসকল

ধনদা দেৱী

**অ**সমৰ এখন আগশাৰীৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান নগাঁও মহাবিদ্যালয়ে ইতিমধ্যে বিভিন্নজন অধ্যক্ষৰ অধ্যক্ষতাত পঁয়সত্তৰ বছৰ পূৰ্ণ কৰিছে। সুদীৰ্ঘ এই সময়ছোৱাত মহাবিদ্যালয়ৰ অধ্যক্ষৰ আসন অলংকৃত কৰা অধ্যক্ষসকল যথাক্ৰমে — সাহিত্যাচাৰ্য যজ্ঞেশ্বৰ শৰ্মা, মুহিৰাম শইকীয়া, প্ৰদীপ শইকীয়া, মহেন্দ্ৰ আহোম, ড° খৰ্গেশ্বৰ ভূঞা আৰু ড° শৰৎ বৰকটকী।

পঁয়সত্তৰ বছৰীয়া এই সময়ছোৱাত অধ্যক্ষসকলৰ ভিতৰৰ চাৰিগৰাকী অধ্যক্ষই মহাবিদ্যালয়ৰ প্ৰশাসনিক, শৈক্ষিক দায়িত্ব পালনৰ সমান্তৰালকৈ সাহিত্য চৰ্চাতো নিজকে ব্ৰতী কৰি ৰাখিছে। মহাবিদ্যালয়ৰ এই সাহিত্যিক অধ্যক্ষকেইগৰাকী হ'ল— সাহিত্যাচাৰ্য যজ্ঞেশ্বৰ শৰ্মা, প্ৰদীপ শইকীয়া, ড° খৰ্গেশ্বৰ ভূঞা আৰু ড° শৰৎ বৰকটকী।

**যজ্ঞেশ্বৰ শৰ্মা —**

অজ্ঞানতাৰ নাগপাশ ছিঙি জ্ঞানৰ প্ৰদীপেৰে সকলোৰে অন্তৰ পোহৰ কৰাৰ দায়িত্ব পালনৰ মূলমন্ত্ৰত নিজকে দীক্ষিত কৰি যজ্ঞেশ্বৰ শৰ্মাদেৱে মহাবিদ্যালয়খন গঢ়ি তুলিবলৈ যথেষ্ট কষ্ট স্বীকাৰ কৰিব লগা হৈছিল। ন-কৈ গঢ়ি উঠা মহাবিদ্যালয় এখনক পূৰ্ণাঙ্গৰূপত গঢ়ি তুলিবলৈ যাওঁতে শৰ্মাদেৱ অনেক সমস্যাৰ সন্মুখীন হ'বলগা হৈছিল। তেখেতে তেখেতৰ সন্মুখলৈ অহা সমস্যাসমূহৰ সন্মুখীন হৈছিল সাহসেৰে আৰু সেইবোৰ সমস্যা হেলাৰঙে সমাধা কৰি মহাবিদ্যালয়খনক এখন আগশাৰীৰ প্ৰতিষ্ঠানৰূপে গঢ়ি তুলিছিল।

শৰ্মা এগৰাকী সুদক্ষ শৈক্ষিক আৰু প্ৰশাসনিক বিষয়াই নহয়, তেখেত এগৰাকী সু-সাহিত্যিকো। সাহিত্যৰ প্ৰতি আছিল তেখেতৰ অগাধ ধাউতি। প্ৰশাসনিক কামেও তেখেতৰ এই ধাউতিত বাধা প্ৰদান কৰিব পৰা নাছিল। সাহিত্যৰ প্ৰতি থকা এই ধাউতিৰ বাবেই তেখেতে হাতত কলম তুলি লৈছিল। তেখেতৰ কলমৰপৰা নিঃসৰিত সাহিত্য সম্ভাৰে অসমীয়া সাহিত্যৰ ভঁৰাল টনকিয়াল কৰি থৈ গৈছে। তেখেতৰ সাহিত্য সম্ভাৰৰ ভিতৰত আছে—

**কবিতা পুথি ঃ**

১) 'লেফাফা '৪২ টা কবিতা আৰু ২ টা কথা কবিতাৰ একত্ৰ সংকলন। লয়াৰ্চ বুক ষ্টলে ১৯৭২ চনত প্ৰকাশ কৰে।
২) 'শতপত্ৰ' (সম্পাদিত) প্ৰকাশ হয় ১৯৩৭। ই আধুনিক অসমীয়া খণ্ড কবিতাৰ সংগ্ৰহ।
৩) 'সাহিত্যচাৰ্য যজ্ঞেশ্বৰ শৰ্মাদেৱৰ কবিতাৱলী', সম্পাদক ড° কবীন ফুকন।
৪) 'আজি দুপৰীয়া' লয়াৰ্চ বুক ষ্টলে ১৯৭৯ চনত প্ৰকাশ কৰে। এইখন ২৭ টা কবিতাৰ সংকলন।
৫) 'সেই বাবুটো ক'ত' কবিতা পুথিখনৰ প্ৰকাশ ১৯৮০ চন। 'গুলেস্তাঁৰ সাধু' এই সাধুৰ পুথিখন প্ৰকাশ হয় ১৯৭৪ চনৰ মাঘবিহুত।

**প্ৰবন্ধ পুথি ঃ**

১) 'সাহিত্য সংস্কৃতিৰ প্ৰবাহ' প্ৰথম খণ্ড, প্ৰকাশ

১৯৭৩ চন। এইখন ২৬ টা প্ৰবন্ধৰ সংকলন।

২) 'সাহিত্য সংস্কৃতিৰ প্ৰবাহ' দ্বিতীয় খণ্ড, প্ৰকাশ ১৯৭২ চন। এইখন ১২ টা প্ৰবন্ধৰ সংকলন।

৩) 'সাহিত্য সংস্কৃতিৰ প্ৰবাহ' তৃতীয় খণ্ড, প্ৰকাশ ১৯৮৮ চন। এইখন ৩৬ টা প্ৰবন্ধৰ সংকলন।

৪) 'প্ৰবন্ধাৱলী' প্ৰকাশ হয় ১৯৯৮ চনত।

৫) 'চতুৰ্দিশত দৃষ্টিপাত' অসম আন্দোলনৰ সময় ৰচনা কৰা প্ৰবন্ধ সংকলন। চৰকাৰ আৰু সমাজৰ লোকক সমালোচনা কৰাই এই প্ৰবন্ধৰ মূল বিষয়বস্তু।

৬) 'ফুল আৰু জুই' ২১ টা প্ৰবন্ধৰ সংকলন। প্ৰকাশ হয় ১৯৭৮ চনৰ বুদ্ধ পূৰ্ণিমাত। ইয়াত ৪ টা ফুল বিষয়ক, ১০টা জুই বিষয়ক আৰু বাকীকেইটা ফুল আৰু জুইৰ লগত সম্পৰ্ক ৰহিত বিষয়ৰ।

৭) 'দেৱতা আৰু মানুহ',

৮) 'লক্ষ্মীনাথ বেজবৰুৱা আৰু গাঁৱলীয়া জীৱন' প্ৰকাশ হয় ১৯৭৮ চনৰ মাঘবিহুত।

**অনূদিত গ্ৰন্থ ঃ**

১) 'কণিকা' উপনিষদৰ অনুবাদ। প্ৰকাশ ১৯৭৮ চন।

২) 'এৰিষ্টটলৰ কাব্য জিজ্ঞাসা'। এই গ্ৰন্থৰ মূল উৎস গ্ৰন্থ Poetics। তেখেতে মূল গ্ৰন্থৰ ২১ আৰু ২২ সংখ্যক অধ্যায় দুটা বাদ দি ২৪ টা অধ্যায় অনুবাদ কৰিছে। ২৪ টা অধ্যায়ক শৰ্মাদেৱে ৩২ অধ্যায়ত বিভাজন কৰিছে।

৩) 'স্বাস্থ্য নীতি' ১৯২৩ চনত 'চেতনা' চতুৰ্থ বছৰত প্ৰকাশিত। মহাত্মা গান্ধীৰ Guide to Health গ্ৰন্থৰ অসমীয়া অনুবাদ।

৪) 'নিগ্ৰ' জাতিৰ উদ্ধাৰকৰ্তা'ৰ, ২ টা খণ্ড চেতনাত প্ৰকাশ পাইছিল। ই বুকাৰ ৱাছিংটনৰ Up from Slavery ৰ অসমীয়া ৰূপান্তৰ।

**জীৱন চৰিত ঃ**

শৰ্মাদেৱে কেইখনমান মহৎ লোকৰ জীৱনীও ৰচনা কৰিছে। সেইকেইখন হ'ল—

১) লোকমান্য তিলক,

২) শ্বেইক্সপীয়েৰ,

৩) অৰবিন্দ,

৪) মদনমোহন মালব্য,

৫) চিত্তৰঞ্জন দাস,

৬) জৰ্জ ৱাশ্বিংটন।

৭) 'যাওঁতে যাওঁতে বাটত' শৰ্মাদেৱৰ আধৰুৱা আত্মজীৱনী। 'প্ৰকাশ' আলোচনীত ১৯৯০ চনৰ ডিচেম্বৰৰ পৰা ১৯৯৩ চনৰ নৱেম্বৰলৈকে ধাৰাবাহিকভাৱে প্ৰকাশ হৈছিল। এই লিখনীসমূহৰপৰা শৰ্মাদেৱৰ সাহিত্য চৰ্চাৰ আভাস পোৱা যায়। শৰ্মাদেৱৰ লিখনীৰ বলিষ্ঠতালৈ লক্ষ্য কৰিয়েই তেখেতক সাহিত্যাচাৰ্য উপাধি প্ৰদান কৰিছে।

ছাত্ৰাৱস্থাৰপৰাই তেখেতে সম্পাদনাৰ কাম কৰিছিল। হাতেলিখা আলোচনী 'চুপহি', 'প্ৰতিভা', 'অংকুৰ'ৰ সম্পাদনাৰে তেখেতে যোৰহাট গবৰ্ণমেণ্ট হাইস্কুলতে সাহিত্য চৰ্চাৰ কাম আৰম্ভ কৰিছিল। ১৯৪৪ ৰ পৰা ১৯৬৮ লৈ তেখেতে ২৪ বছৰ কাল নগাঁও মহাবিদ্যালয়ৰ অধ্যক্ষৰ আসনত অধিষ্ঠিত আছিল। শৰ্মা ডাঙৰীয়া এগৰাকী গীতিকাৰো। নগাঁও মহাবিদ্যালয়ৰ 'কলেজ সংগীত'ৰূপে স্বীকৃত 'গাঁও আহা সমনীয়া' শীৰ্ষক গীতটি শৰ্মাদেৱৰে ৰচনা।

**প্ৰদীপ শইকীয়া —**

ইংৰাজী সাহিত্যৰ লগত জৰিত প্ৰদীপ শইকীয়াদেৱে ছাত্ৰাৱস্থাৰপৰাই সাহিত্য কৰ্ম কৰা লক্ষ্য কৰা যায়। 'লাচিত বৰফুকন' নৱৰূপ প্ৰকাশন, নগাঁৱৰপৰা ১৯৫৪ চনত প্ৰকাশিত তেখেতৰ প্ৰথম প্ৰকাশিত নাটক। তেখেতে বহুকেইখন গ্ৰন্থ অনুবাদ কৰিছে। তেখেতৰ অনূদিত গ্ৰন্থসমূহক দুটা ভাগত ভাগ কৰিব পাৰি। অসমীয়াৰপৰা ইংৰাজীলৈ অনূদিত গ্ৰন্থ আৰু ইংৰাজীৰপৰা অসমীয়ালৈ অনূদিত গ্ৰন্থ।

ইংৰাজীৰপৰা অসমীয়ালৈ অনূদিত গ্ৰন্থৰ ভিতৰত উল্লেখনীয় গ্ৰন্থ হ'ল—

১) বাণী মন্দিৰ ডিব্ৰুগড়ৰপৰা প্ৰকাশিত উইলিয়াম শ্বেইক্সপীয়েৰৰ The Tempest ৰ অসমীয়া অনুবাদ 'ডি টেম্পেষ্ট'।
২) 'অজান দেশত এলিছ' ১৯৬৩ চনত উদয়ন প্ৰকাশন, গুৱাহাটীৰ পৰা প্ৰকাশিত Lewis Carrol ৰ Alice in the Wonderland ৰ ভাঙনি।
৩) ২০০২ চনৰ নৱেম্বৰত বনলতাই প্ৰকাশ কৰে শইকীয়াদেৱৰ অনূদিত গ্ৰন্থ 'কথা ৰামায়ণ'। এইখন ৰাজা গোপালাচাৰীৰ ইংৰাজী Ramayan অৰ অসমীয়া ৰূপ।
৪) চক্ৰৱৰ্তী ৰাজা গোপালাচাৰীৰ আন এখন ইংৰাজী গ্ৰন্থ Mahabharatৰ অনূদিত ৰূপ 'মহাভাৰত' প্ৰকাশ হয় ২০০২ চনৰ নৱেম্বৰত।
৫) Puskinৰ The Queen of Spades অৰ অসমীয়া অনুবাদ 'ইস্কাপনৰ ৰাণী' ১৯৬৫ চনত প্ৰকাশিত গ্ৰন্থখনৰ দ্বিতীয় প্ৰকাশ বনলতাই কৰে ২০১৩ চনত।
৬) 'ওডিচি' Homerৰ মহাকাব্য 'The Odyssey'ৰ অনূদিত ৰূপ। ২০১৩ চনত এই গ্ৰন্থখন এই গ্ৰন্থখন প্ৰকাশ হয়।
৭) ২০১৩ চনত প্ৰকাশিত 'ইলিয়াড' Homerৰ মহাকাব্য 'The Iliad'ৰ অসমীয়া ভাঙনি।
৮) 'মেকবেথ' শ্বেইক্সপীয়েৰৰ Mackbeth নাটকৰ অসমীয়া অনুবাদ, বাণীমন্দিৰ গুৱাহাটীয়ে প্ৰকাশ কৰে ২০০৪ চনত।
৯) 'মুনি বুদ্ধমল্ল' যুৱ প্ৰকাশনে ১৯৮৪ চনত প্ৰকাশ কৰা শইকীয়াদেৱৰ আন এখন অনূদিত গ্ৰন্থ।

**অসমীয়াৰপৰা ইংৰাজীলৈ অনূদিত গ্ৰন্থ ঃ**

১) ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'কাৰেঙৰ লিগিৰী'ৰ ইংৰাজী অনুবাদ 'The Palace Maid'। ২০০৩ চনত প্ৰকাশিত।
২) 'পিয়লি ফুকন' তেখেতৰ আন এখন ইংৰাজীলৈ অনূদিত নাটক।

**শইকীয়াদেৱৰ কেইখনমান উপন্যাস হ'ল ঃ**

১) 'ওমৰ খায়াম'। এইখন শইকীয়াদেৱৰ নতুন আঙ্গিকেৰে ৰচনা কৰা ঐতিহাসিক জীৱনীমূলক উপন্যাস। গ্ৰন্থখনৰ প্ৰথম প্ৰকাশৰ চন ১৯৯৭।
২) 'মন্দিৰত জুই'(১৯৯১) শইকীয়াদেৱৰ এইখন সামাজিক উপন্যাস।
৩) প্ৰাক ঐতিহাসিক যুগৰ আদিম মাতৃ প্ৰধান সমাজৰপৰা বৰ্তমানৰ নাৰী পুনৰজাগৰণৰ সময়লৈকে সকলো কালৰ নাৰীৰ স্বৰূপ প্ৰকাশিত শইকীয়াদেৱৰ এখন গ্ৰন্থ 'নাৰী যুগে যুগে' (১৯৬৪)।
৪) তেখেতৰ সামাজিক-ৰাজনৈতিক উপন্যাস 'প্ৰতিশ্ৰুতি' (২০০৯)।

**তেখেতৰ প্ৰৱন্ধৰ পুথি ঃ**

১) 'ভিন্ন চিন্তা' (২০১৪) এলানি ভিন্নসুৰী প্ৰৱন্ধৰ সংকলন।
২) 'বিষয় বিবিধ' (২০১১)

**তেখেতৰ চুটিগল্পৰ পুথি ঃ**

১) 'সোণৰ আখৈ'। ই ২০০১ চনত প্ৰকাশিত শইকীয়াদেৱৰ এখন লেখত ল'বলগীয়া গল্পপুথি।
২) 'জীৱন নদীৰ বালিচন্দা' (২০০২)
৩) 'বিশ্বযুদ্ধৰ অগ্নিপথ' (২০০০)
৪) 'সুকন্যা' (২০১১)

গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰযোগে তেখেতৰ কেইবাটাও 'কথিকা' প্ৰচাৰ হৈছে।

**ৰাম কথা ঃ**

বাল্মীকিৰ ৰামায়ণ মহাকাব্যৰ কাহিনীৰে ৰচনা কৰা 'এ জয় ৰঘুৰ নন্দন'। দুটা খণ্ডত সমাপ্ত কৰা এই ৰামকথাৰ পুনৰকথন গ্ৰন্থখন প্ৰকাশ হয় ২০০৭ চনত। প্ৰথম খণ্ডত সন্নিৱিষ্ট আছে আদিকাণ্ড, অযোধ্যাকাণ্ড আৰু দ্বিতীয় খণ্ডত সন্নিৱিষ্ট কৰিছে কিষ্কিন্ধাকাণ্ড, সুন্দৰাকাণ্ড, যুদ্ধকাণ্ড আৰু উত্তৰাকাণ্ড।

**তেখেতে লাভ কৰা বঁটা ঃ**

১) 'আজীৱন পাৰদৰ্শিতাৰ বঁটা' (Lifetime Achievement Award) তেখেতক প্ৰদান কৰে লায়ন্স ক্লাব নগাঁৱে ২০০৩-২০০৪ বৰ্ষত।

২) তেখেতে 'তিলক দেৱ শৰ্মা স্মাৰক ড° সূৰ্য কুমাৰ ভূঞা সাহিত্য বঁটা' লাভ কৰে নগাঁও জিলা সাহিত্য সভাৰপৰা।

৩) তেখেতে অনুবাদ সাহিত্যৰ বাবে 'অমূল্য কুমাৰ চক্ৰৱৰ্তী সোঁৱৰণী বঁটা' লাভ কৰে ২০০৬ চনত।

৪) 'ভাৰতীয় মহাকাব্য অধ্যয়ন কেন্দ্ৰ'ৰ পৰা ৰামায়ণী সাহিত্যৰ অধ্যয়নৰ বাবে ২০১২ চনত পুৰস্কৃত হয়।

৫) 'অখিল ভাৰতীয় সাহিত্য বঁটা' লাভ কৰে ২০১৬ চনৰ ১৪ নবেম্বৰত 'এ জয় ৰঘুৰ নন্দন'ৰ বাবে।

**ড° খৰ্গেশ্বৰ ভূঞা —**

ৰসায়ন বিজ্ঞানৰ লগত জৰিত ব্যক্তি ড° খৰ্গেশ্বৰ ভূঞা এগৰাকী প্ৰশাসনিক বিষয়াই নহয়, তেখেত এগৰাকী সু-সাহিত্যিকো। তেখেতৰ সাহিত্যৰ এটা বিশেষ বিশেষত্ব হ'ল ধৰ্মীয় বিষয়ত বিজ্ঞানৰ সত্যাসত্য বিচাৰ। ধৰ্মশাস্ত্ৰৰ কথাবোৰ বৈজ্ঞানিক দৃষ্টিভঙ্গীৰে বিশ্লেষণ কৰি তাৰ শুদ্ধাশুদ্ধতা বিচাৰ কৰি জনসাধাৰণক ধৰ্মীয় অন্ধকাৰৰপৰা মুক্ত কৰাই লেখক ভূঞাৰ লিখনীৰ মূল উদ্দেশ্য।

ভূঞাদেৱৰ লিখনীসমূহক কেইটামান শিতানৰ অন্তৰ্ভুক্ত কৰি আলোচনা কৰিব পাৰি। সেইবোৰ এনেধৰণৰ— বিজ্ঞানভিত্তিক গ্ৰন্থ, প্ৰাচীন শাস্ত্ৰ আধাৰিত গ্ৰন্থ, অনূদিত গ্ৰন্থ, অনূদিত পাঠ্যপুথি, উপন্যাস।

**বিজ্ঞানভিত্তিক গ্ৰন্থ ঃ**

১) 'ৰহস্যময় পৃথিৱীৰ প্ৰহেলিকা', প্ৰকাশ ২০০১ চন।

২) 'বিশ্ব ব্ৰহ্মাণ্ডৰ সৃষ্টিত ঈশ্বৰৰ প্ৰয়োজন আছেনে', প্ৰকাশ ২০০৭ চন।

৩) 'বিজ্ঞান, মানুহৰ অস্তিত্ব, অলৌকিকতা আৰু অন্যান্য', প্ৰকাশ ২০০৭ চন।

৪) 'জ্যোতিৰ্বিজ্ঞান ঃ মহাবিশ্বৰ আভাস', প্ৰকাশ ২০১৪

৫) ২০১৪ চনত প্ৰকাশিত আন এখন বিজ্ঞানভিত্তিক গ্ৰন্থ 'চাৰ্লচ ডাৰউইনৰ ক্ৰমবিকাশৰ তত্ত্ব আৰু নৌ অভিযান।

৬) 'জীৱন কি? জীৱন কিয়?' গ্ৰন্থ প্ৰকাশ হয় ২০১৪ চনত, বনলতা, গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা। গ্ৰন্থখনত ৰাসায়নিক, জীৱবিজ্ঞান, প্ৰকৃতি বিজ্ঞান আৰু বিজ্ঞানৰ দৃষ্টিৰে জীৱনক ব্যাখ্যা কৰা আছে।

**প্ৰাচীন শাস্ত্ৰ আধাৰিত গ্ৰন্থ ঃ**

১) 'প্ৰাচীন শাস্ত্ৰৰ ইতিহাসৰ ৰেঙনি', প্ৰকাশ ১৯১৯ চন।

২) 'ধন্য ধন্য কলিকাল', প্ৰকাশ ২০১১ চন।

৩) 'চাৰিবেদৰ পৰিচয়', প্ৰকাশ ২০১৬ চন।

৪) 'বৈজ্ঞানিক দৃষ্টিভংগীৰে ধৰ্ম, আত্মা আৰু জন্মান্তৰবাদ'।

৫) 'অন্ধবিশ্বাসৰ খনি জ্যোতিষ', প্ৰকাশ ২০১৫

৬) 'শকুনিৰ পাশাখেল', প্ৰকাশ ২০১৭

৭) 'কৃষ্ণ যদুমণি', প্ৰকাশ ২০১৮

৮) 'মহাকাব্য গিলগামেচ', প্ৰকাশ ২০১৯

৯) 'দেৱতা আৰু স্বৰ্গৰ অনুসন্ধানত', প্ৰকাশ ২০১৯

**উপন্যাস ঃ**

১) 'যুৱৰাজ', ১৯৯৮। ই এখন মহাকাব্যিক উপন্যাস। মহাভাৰতৰ এটি চৰিত্ৰ যুৱৰাজ দুৰ্যোধনৰ কাহিনীক লৈ উপন্যাসখন ৰচনা কৰিছে।

২) 'যথা দৈৱ তথা জয়', ২০০২ চনত প্ৰকাশিত এইখন এখন ৰামায়ণ ভিত্তিক উপন্যাস।

৩) 'স্যামন্তক মণি', ২০০১

৪) 'কৃষ্ণ বিষ্ণো বাসুদেৱ, ২০০৮

৫) 'ঘোষা-ঘটোৎকচ', ২০১৫ চনত প্ৰকাশিত দুখন উপন্যাসৰ একত্ৰ সংকলন।

৬) 'ৰঘুপতি', ২০১৩ চনত প্ৰকাশিত উপন্যাস।

ৰামায়ণ মহাকাব্যৰ প্ৰধান চৰিত্ৰ ৰামক লৈ ৰচনা কৰা উপন্যাসখন ‘যথা দৈৱ তথা জয়’ উপন্যাসৰ বৰ্দ্ধিত সংস্কৰণ।

৭) ‘পাষাণী অহল্যাৰ খেদ’, ২০১৫

**অনূদিত পাঠ্যপুথি ঃ**

ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় মুক্ত বিদ্যালয়ৰ ‘নাৰী সবলীকৰণ’ পাঠ্যক্ৰমৰ অন্তৰ্গত

১) চি. ডব্লিউ, ডি. এল - ০১-ৰ নাৰী সবলীকৰণ ঃ প্ৰত্যাশা আৰু অভিযান

ক) নাৰীৰ মৰ্যাদা,
খ) নাৰীবাদ,
গ) পিতৃতান্ত্ৰিকতা,
ঘ) লিংগ,
ঙ) নাৰীৰ মৰ্যাদা উন্নীতিকৰণৰ পৰিবেশ

২) চি ডব্লিউ ডি এল -০২-ৰ আত্ম সহায়ক গোট।

ক) গোটৰ প্ৰকৃতি,
খ) আত্ম সহায়ক গোট গঠনৰ পদ্ধতি,
গ) আত্ম সহায়ক গোট ঃ কাৰ্যকৰণ আৰু কাৰ্যসমূহ,
ঘ) পৰিবৰ্তনৰ বাহক হিচাপে আত্ম সহায়ক গোট।

৩) চি. ডব্লিউ. ডি. এল -০৩- আত্ম-সহায়ক গোটৰ যোগেদি বিকাশ।

ক) ক্ষুদ্ৰ উদ্যোগ আৰু ক্ষুদ্ৰ সঞ্চয়ৰ তাৎপৰ্য গ্ৰহণ,
খ) ক্ষুদ্ৰ উদ্যোগ বিন্যাসকৰণ।

৪) চি. ডব্লিউ. ডি. এল -০৪- আত্ম সহায়ক গোটৰ স্থায়িত্ব অভিমুখে

ক) আত্ম-সহায়ক গোটৰ পৰিচালনা,
খ) গোটৰ স্থায়িত্ব

৫) চি. ডব্লিউ. ডি. এল. - ০৫ -আত্মসহায়ক গোটৰ যোগেদি নাৰী সবলীকৰণ শিক্ষাৰ্থীৰ পত্ৰিকা।

ইয়াৰ বাহিৰেও আৰু বহুতো লিখনী আলোচনীত দেখা যায়। সেইবোৰৰ ভিতৰত উল্লেখনীয় হ’ল— ‘পুৰাণৰ কাহিনী আৰু আইনষ্টাইনৰ কাল প্ৰসাৰণ’, ‘সময়ৰ গণনা আৰু মায়া পঞ্জিকাৰ পৃথিৱী ধ্বংসৰ আগজাননী’, ‘দেৱাসুৰৰ কুকীৰ্তিৰ খতিয়ান’।

তেখেতৰ যন্ত্ৰস্থ হৈ থকা এখন গ্ৰন্থ হ’ল “অন্ধবিশ্বাস, কুসংস্কাৰ আৰু বিজ্ঞান মানসিকতা”।

**ড° শৰৎ বৰকটকী —**

উদ্ভিদ বিজ্ঞানৰ লগত জৰিত বৰ্তমানৰ অধ্যক্ষ ড° শৰৎ বৰকটকীদেৱে ছাত্ৰাৱস্থাৰ পৰাই লিখা-মেলা কৰি আহিছে। ছাত্ৰাৱস্থাত কবিতাৰে সাহিত্য জগতত খোজ দিয়া বৰকটকীদেৱে পিছলৈ প্ৰৱন্ধ ৰচনাতো প্ৰবৃত্ত হয়। বৰ্তমানলৈকে প্ৰকাশ হোৱা তেখেতৰ সাহিত্যসম্ভাৰক তলত দিয়া ধৰণেৰে ভাগ কৰিব পাৰি।

**কবিতা পুথি ঃ**

‘কবিতাৰ প্ৰতিটো স্তৰকেই বিস্ফোৰণ’, ১৯৮৩
‘পৰাণ নিগৰে’, ১৯৮৬

**সম্পাদিত কবিতা পুথি ঃ**

‘প্ৰতিবাদৰ দিনলিপি’, ১৯৮৪
সম্পাদিত প্ৰৱন্ধ সংকলন ঃ
‘ফুল আৰু গছ’, ২০০০
‘ভোজন বিচিত্ৰা আৰু ভোজন বিন্যাস’, ২০১১

তেখেতে এতিয়ালৈকে ১০ খনৰো অধিক স্মৃতিগ্ৰন্থ সম্পাদনা কৰিছে আৰু ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ অনেক গৱেষণা পত্ৰ প্ৰকাশ হৈছে।

তেখেতে বৰ্তমান কেইখনমান বাতৰিকাকত আৰু আলোচনীত বিভিন্নধৰণৰ কবিতা, প্ৰৱন্ধ লিখামেলা কৰি আছে। ২০১২ ৰপৰা বৰ্তমানলৈ অধ্যক্ষৰ আসনত অধিষ্ঠিত ড° শৰৎ বৰকটকীদেৱে সাহিত্যৰ ৰচনাৰ বহুতো পৰিকল্পনা কৰি ৰাখিছে বুলি আমাক জানিবলৈ দিয়ে।❑

লেখিকা - সহযোগী অধ্যাপিকা, অসমীয়া বিভাগ।

# ঐতিহ্যমণ্ডিত নগাঁও



# অসমৰ
# সামাজিক আৰু সাংস্কৃতিক বুৰঞ্জীত নগাঁৱৰ স্থান

**ড° সৰ্বেশ্বৰ ৰাজগুৰু**

**অ**সমীয়া জাতিৰ সভ্যতা-সংস্কৃতিৰ ক্ৰমবিকাশ আৰু ক্ৰমোন্নতিৰ বুৰঞ্জীৰ লগত নগাঁৱৰ সম্বন্ধ প্ৰাগৈতিহাসিক যুগৰপৰা ঘনিষ্ঠভাৱে জড়িত হৈ আহিছে। অসমখন বিভিন্ন মানৱ-গোষ্ঠীৰ আবাসভূমি বুলি বিশেষভাৱে পৰিচিত। এই অধিবাসীসকলৰ ভিতৰত তীব্বত-বৰ্মী ফৈদৰ লোক সংখ্যাই অধিক। নগাঁও, বিশেষকৈ ইয়াৰ দক্ষিণ-পশ্চিম অঞ্চল তীব্বত-বৰ্মী ফৈদৰ কছাৰী, মিকিৰ (কাৰবি), লালুং (তিৱা), হাজং আদি লোকসকলৰ আবাসভূমি। নগাঁও জিলাত প্ৰাক্-ঐতিহাসিক যুগৰেপৰা মানৱ সভ্যতাৰ নিদৰ্শন দেখিবলৈ পোৱা গৈছে। মিল চাহাবে গুহাবাসী থকাৰ নিদৰ্শন মিকিৰ পাহাৰ আৰু উত্তৰ কাছাৰত দেখিবলৈ পাইছে। প্ৰাক্-ঐতিহাসিক যুগৰ বৃহৎ প্ৰস্তৰ যুগৰ (Megalithic age) সাংস্কৃতিক নিদৰ্শনেই বেছি। এই বৃহৎ প্ৰস্তৰ সংস্কৃতি (Megalithic culture) অসমৰ জনজাতীয় লোকসকলৰ মাজত আজিও চলি আছে। অসমৰ তীব্বত-বৰ্মী আৰু অষ্ট্ৰ-এচিয়াটিক খাচীয়াসকলৰ মাজত এই সাংস্কৃতিক চৰ্চা বেছি। নগাঁও জিলাৰ মিকিৰ পাহাৰ তথা দক্ষিণ অঞ্চলত বৃহৎ প্ৰস্তৰ সংস্কৃতি আজিও জীৱন্ত গতিত আছে। উল্লেখযোগ্যভাৱে এইবিলাকৰ নিদৰ্শন ডিমাপুৰ, কাছমাৰী, মাইবং, ধনশিৰি আৰু দৈয়াং উপত্যকাত পোৱা গৈছে। কাছমাৰীত যিবিলাক এছটীয়া শিল (Monolith) পোৱা গৈছে, সেইবিলাকৰ বিষয়ে কে, এন, দিক্ষিত ডাঙৰীয়াই কয় যে এইবিলাক (এছটাৰ বাহিৰে সকলো) বৰ্গাকৃতি যুক্ত (Chessman type), চিত্ৰ-বিচিত্ৰ আৰু চেপেটা, মূৰটো জোঙা। আটাইতকৈ ডাঙৰছটা শিল দীঘলে ১০ ফুট। শৈলস্তম্ভবোৰত ওপৰফালে দুই দাঁতিয়ে ঠাৰিৰে সৈতে দুটাকৈ পদুম কলি আৰু মূৰতো এটা পদুম কলি অঙ্কিত। কিছুমান এছটীয়া শিলাস্তম্ভত (Monolith) দুটাকৈ পদুমপাত থাকে, আন কিছুমানত মানুহৰ প্ৰতিকৃতি অঙ্কিত। ধনশিৰি আৰু দৈয়াং উপত্যকাত পোৱা শিলাস্তম্ভবোৰত (Monolith) পণ্ডিতসকলে হিন্দু কলাৰ প্ৰভাৱ দেখিবলৈ পাইছে। পৰৱৰ্তী কালত তীব্বত-বৰ্মী ফৈদৰ বিভিন্ন শাখাৰ ওপৰত, বিশেষকৈ কছাৰীসকলৰ ওপৰত, শাক্ত আৰু প্ৰধানকৈ শৈৱ ধৰ্মৰ প্ৰভাৱ পৰিছিল। শিৱ আৰু পাৰ্বতী কছাৰীসকলৰ উপাস্য দেৱতা 'বুঢ়া' আৰু 'বুঢ়ী' আদিলৈ ৰূপান্তৰিত হৈছিল। কোৱা বাহুল্য যে নগাঁও জিলাত এনেকুৱা বুঢ়াগোসাঁইৰ থান বা বুঢ়া-বুঢ়ীৰ থান বহুত আছে, য'ত শিৱ আৰু পাৰ্বতীয়েই বুঢ়া-বুঢ়ী হৈ উপাস্য দেৱ-দেৱী হৈ আছে।

আৰ্য্য প্ৰব্ৰজনৰ দিন ধৰি, অৰ্থাৎ খৃঃ পূঃ ২য় শতাব্দী মানৰপৰা, অসমৰ ঐতিহাসিক যুগৰ আৰম্ভ হয়। খৃষ্টাব্দ পঞ্চম শতাব্দীৰ সমুদ্ৰগুপ্তৰ এলাহাবাদৰ লিপিত তেওঁৰ ৰাজ্যৰ সীমান্তৱৰ্তী ৰাজ্যবিলাকৰ ভিতৰত সমতট, ডবাক, কামৰূপ আদিৰ উল্লেখ আছে। সমুদ্ৰগুপ্তৰ এই উল্লেখৰপৰা এইটো প্ৰমাণ হয় যে কামৰূপ, ডবাক আদি সেই সময়ৰ শক্তিশালী ৰাজ্য

আছিল। প্ৰথমতে এই ডবাক ৰাজ্যৰ বিষয়ে মতান্তৰ আছিল যদিও এতিয়া এইটো স্থিৰভাৱে সিদ্ধান্ত কৰা হৈছে যে এই ডবাক ৰাজ্য নগাঁও জিলাৰ ডবকা অঞ্চলক কেন্দ্ৰ কৰিয়েই গঢ়ি উঠিছিল। এই ডবাক ৰাজ্যক কপিলী নদীৰ উপত্যকাত থকাৰ কাৰণে কপিলী ৰাজ্যও বোলা হৈছিল। এই ডবাক বা কপিলী ৰাজ্যৰ এজন ৰজাই পঞ্চম শতাব্দীৰ আদি ভাগত চীনৰ সম্ৰাটলৈ কটকী পঠিয়াইছিল বুলি ৰায়বাহাদুৰ কনকলাল বৰুৱাদেৱে লিখিছে ঃ '... এইটো এক প্ৰকাৰ সাব্যস্ত হৈছে যে নগাঁও জিলাৰ ডবকাই সমুদ্ৰগুপ্তৰ প্ৰশস্তিৰ ডবাক ৰাজ্য। এই ৰাজ্যৰ মাজেদি কপিলী নদী প্ৰৱাহিত হৈছিল। সেই কাৰণেই অনুমান এই ৰাজ্যক কপিলী ৰাজ্য বোলা হৈছিল। চীনদেশীয় প্ৰাচীন বৃত্তান্তৰপৰা জনা যায় যে ৪২৮ খৃঃত এই ৰাজ্যৰ চন্দ্ৰপ্ৰিয় বা চন্দ্ৰবল্লভ নামৰ এজন ৰজাই চীনদেশলৈ কটকী পঠিয়াইছিল। বৰ্তমান ত্ৰিপুৰা ৰাজবংশৰ ৰজাসকলৰ ৰাজ্য এই কপিলীৰ পাৰতে আছিল। হেৰম্ব বা কছাৰী ৰাজ্যও তাৰ পূৰ্বত আছিল। কপিলীৰ পাৰৰ প্ৰাচীন ৰাজ্যক অনুমান ডবাক বা কপিলী ৰাজ্য বোলা হৈছিল। কামৰূপৰ ৰজাসকল প্ৰতাপশালী হৈ থকাত এওঁলোক নিশ্চয় কামৰূপৰ তলতীয়া ৰজা আছিল। ত্ৰিপুৰা ৰাজ্যৰ বুৰঞ্জী 'ৰাজমালা'ৰ পৰা জানিব পাৰি যে অনুমান ষষ্ঠ শতিকাত কছাৰী ৰজাই কপিলী ৰাজ্য দখল কৰাত ত্ৰিপুৰা ৰজা পলাই পৰ্বত পাৰ হৈ বৰ্তমান কাছাৰ জিলাৰ বৰাক বা বৰবক্ৰ নদীৰ পাৰত ৰাজ্য পাতিলেগৈ।' মুঠতে প্ৰাচীন ত্ৰিপুৰা ৰাজ্যয়েই ডবাক ৰাজ্য হওক বা নহওক, ডবাক ৰাজ্য যে নগাঁও জিলাৰ ডবকা অঞ্চলকে কেন্দ্ৰ কৰি কপিলী উপত্যকাত আছিল, এইটো এতিয়া সকলোৱে সমৰ্থন কৰিছে।

গুপ্ত সম্ৰাটসকলৰ আৰু গুপ্ত যুগৰ সভ্যতা-সংস্কৃতিৰ প্ৰভাৱ কামৰূপ, ডবাক আদি ৰাজ্যত বাৰুকৈয়ে পৰিছিল। তাৰ প্ৰমাণ কামৰূপ, দৰং আৰু নগাঁও জিলাৰ বিভিন্ন ঠাইত থকা মঠ-মন্দিৰৰ ধ্বংসাৱশেষ আৰু শিলৰ মূৰ্তি আদিয়ে স্পষ্টভাৱে দাঙি ধৰিছে। এইবিলাকত গুপ্ত ভাস্কৰ্যৰ প্ৰভাৱ পৰিলক্ষিত হৈছে বুলি পণ্ডিত ৰাখাল দাস বন্দোপাধ্যায়, কে, এন্, দিক্ষিত আৰু কনকলাল বৰুৱা আদিয়ে দেখুৱাই দিছে। নগাঁও জিলাৰ বড়গঙ্গাত (ডবকাৰ ওচৰত) পোৱা মহাৰাজ ভূতি বৰ্মাৰ লিপি (খৃঃ ষষ্ঠ শতাব্দীৰ আদিভাগ), মিকিৰ পাহাৰৰ হায়ুংথাল নামে ঠাইত পোৱা হৰ্জৰ বৰ্মাৰ তামৰ শাসন (নৱম শতাব্দীৰ আদিভাগ), নগাঁৱৰ পূবে পুৰণিগুদাম অঞ্চলৰপৰা পোৱা বল বৰ্মাৰ তামৰ শাসন (নৱম শতাব্দীৰ শেষভাগৰ) আদিৰপৰা অনুমান হয় যে গুপ্ত সম্ৰাটসকলৰ ক্ষমতা কমি অহাৰ পাছত প্ৰায় ষষ্ঠ শতাব্দী মানত ডবাক ৰাজ্য কামৰূপ ৰাজ্যৰ তললৈ আহে আৰু এই অৱস্থা প্ৰায় নৱম শতাব্দী মানলৈ থাকে। ডক্টৰ চৌধুৰীয়ে কয় যে ভাস্কৰ বৰ্মাৰ শাসন, পশুপতি লিপি, হিউৱেন চাঙৰ জীৱনী, হৰ্জৰ বৰ্মাৰ তেজপুৰৰ পাহাৰগ্ৰাত্ৰ লিপি, হায়ুংথাল শাসন, বল বৰ্মাৰ নগাঁও শাসন আদিৰপৰা কামৰূপ ৰাজ্যৰ অন্তৰ্গত নগাঁও, দৰং আদি জিলা আছিল বুলি অনুমান কৰিব পৰা যায়। এই সময়ছোৱাৰ ভিতৰত নগাঁও জিলাৰ দক্ষিণ আৰু পশ্চিম অঞ্চলত শৈৱ আৰু শাক্ত ধৰ্মই বিশেষভাৱে প্ৰভাৱ বিস্তাৰ কৰে আৰু শৈৱ-শাক্ত ধৰ্মৰ প্ৰভাৱত এই অঞ্চলবোৰত বহুত মঠ-মন্দিৰ আৰু প্ৰতিমূৰ্তি গঢ়া হৈছিল। আৰ্য্যেতৰ গোষ্ঠী (Non-Aryan) বিলাকৰ ভিতৰত অনাবৈষ্ণৱীয় প্ৰভাৱৰ মঠ-মন্দিৰ আৰু প্ৰতিমূৰ্তিও এইবিলাকৰ ভিতৰত আছে। ডক্টৰ চৌধুৰীৰ মতে নগাঁৱৰ এই ধ্বংসাৱশেষ পোৱা বিভিন্ন ঠাইবিলাকৰ ভিতৰত গোঁসাই-জুৰি, আকাশীগঙ্গা, গছতল, মিকিৰ আটি, সীতাজখলা, মহাদেউ শাল, বসুন্ধৰী, মঠৰ বৰি, চাংচকী, কাৱৈমাৰী, যোগীজান, আমতল, মৌদাঙ্গা, ঊৰ্দ্ধগঙ্গা, বড়গঙ্গা, মহামায়াথান, নভঙ্গা, কেন্দুগুৰি আদিয়েই প্ৰধান। অতি দুৰ্ভাগ্যৰ কথা যে এই ধ্বংসাৱশেষবোৰৰ যথাযথ সংৰক্ষণৰ ব্যৱস্থা এতিয়ালৈকে হৈ উঠা নাই। সময়ৰ সোঁতত নিশ্চিহ্ন হৈ যাবৰ উপক্ৰম হৈছে। তাতোকৈ পৰিতাপৰ কথা

হৈছে যে হিন্দু ধৰ্মৰ প্ৰভাৱত গঢ়ি উঠা আৰু বৰ্তমান ধ্বংসমুখী এই মঠ-মন্দিৰবিলাক বৰ্তমান আস্থা নোহোৱা লোকসকলৰ হাতত পৰি আৰু বেছি নিশ্চিহ্ন হৈ যাবৰ উপক্ৰম হৈছে। এইবিলাকৰ কিছুমান স্বৰ্গীয় ৰাজমোহন নাথ ডাঙৰীয়াই উদ্ধাৰ কৰি পোহৰলৈ আনিবলৈ চেষ্টা কৰিছিল। তেখেতৰ চেষ্টাতেই কিছুমান ধ্বংসাৱশেষ স্থানীয় মাৰাৰ পাৰ্কত সংৰক্ষিত হৈছিল। অসংৰক্ষিত অৱস্থাত আৰু অনেক মঠ-মন্দিৰ নগাঁও জিলাৰ চাৰিওফালে এতিয়াও পৰি আছে। উদাহৰণস্বৰূপে, এই লেখকে দেখি অহা যোগীজানৰ কথাকে উল্লেখ কৰিব পাৰি। এই যোগীজান অঞ্চলত এটা বৃহৎ দুৰ্গ আৰু পাঁচটা শিৱৰ মন্দিৰ (পঞ্চৰুদ্ৰ) আছিল বুলি অনুমান হয়। যোগীজানৰ দুয়ো পাৰে অসংখ্য সৰু-ডাঙৰ শিৱলিঙ্গ আছে। এই শিৱলিঙ্গবোৰ কাৰুকাৰ্যৰ পিনৰপৰাও অতুলনীয়। শিৱমন্দিৰকেইটাৰ ডাঙৰকেইটা ধ্বংস হৈ গৈছে। কিন্তু পৰি থকা ধ্বংসাৱশেষবোৰে অসমৰ একালৰ অতুলনীয় ভাস্কৰ্য্য শিল্পৰ অতি নিখুঁত নিদৰ্শন দাঙি ধৰিছে। এইবিলাকৰ সংৰক্ষণ যে ব্যয়বহুল তাত সন্দেহ নাই, কিন্তু সেইবুলি অসম বুৰঞ্জীৰ এই অতীত অধ্যায়বোৰ এইদৰেই নিয়তিৰ গৰ্ভত লীন হৈ যাবলৈ এৰি দিয়া হ'বনে?

আমি আগতেই উল্লেখ কৰি আহিছোঁ যে নগাঁও জিলাৰ এই দক্ষিণ-পশ্চিম অঞ্চলত তীব্বত-বৰ্মী ফৈদৰ লোকৰ সংখ্যা বেছি। বৃহৎ প্ৰস্তৰ যুগতে আৰ্য্য আৰু আৰ্য্যেতৰ (Non-Aryan) সংস্কৃতিৰ যি এটি সংমিশ্ৰণৰ সূচনা হৈছিল, এই ঐতিহাসিক কালছোৱাত (খ্ৰীষ্টাব্দৰ আৰম্ভণিৰপৰা দ্বাদশ শতাব্দীলৈকে) শৈৱ আৰু শাক্ত ধৰ্মৰ যোগেদি, সেই সংমিশ্ৰণ আৰু সমন্বয় বেছি ঘনিষ্ঠ আৰু দৃঢ় হয়। কোনো কোনো পণ্ডিতে ঠাৱৰ কৰা মতে বড়োগোষ্ঠীৰ কোনো এজন ৰজাই (নৱম শতাব্দীৰ আদি ভাগৰ শালস্তম্ভ বংশৰ হৰ্জৰ বৰ্মাই) প্ৰাগ্‌জ্যোতিষপুৰৰপৰা ৰাজধানী তেজপুৰৰ হাৰু-পেশ্বৰলৈ তুলি নিয়ে। (বোধহয় নগাঁও আৰু দৰং অঞ্চলত এওঁলোকৰ সংখ্যাধিক্য আৰু বেছি প্ৰভুত্ব থকাৰ কাৰণেই)। এই ৰজাসকলে হিন্দু ধৰ্মৰ পৃষ্ঠপোষকতা কৰাৰ কাৰণেই এই সময়ছোৱাত এই অঞ্চলত হিন্দু দেৱ-দেৱীৰ অসংখ্য মঠ-মন্দিৰ স্থাপন হয়। প্ৰাচীন কামৰূপৰ হিন্দুৰজাসকলৰ পাছত বড়োগোষ্ঠীৰ হাতলৈ শাসন যোৱাৰ পাছৰ কথা উল্লেখ কৰি ৰাজমোহন নাথ ডাঙৰীয়াই কৈছে — 'তেওঁলোকে ৰাজধানী তেজপুৰলৈ তুলি নিয়ে আৰু নতুন নগৰখনৰ নাম, তেওঁলোকৰ উপাস্য দেৱতাৰ নাম অনুসাৰে হাটকেশ্বৰপুৰ দিয়ে। এই হাটকেশ্বৰপুৰৰ পৰাই পৰিৱৰ্তিত আৰু সংশোধিত হৈ পাছলৈ হাৰূপেশ্বৰ হয়গৈ। ৰজা এতিয়াও ব্ৰাহ্মণ পৰামৰ্শদাতাসকলৰ সম্পূৰ্ণ অনুগামী আছিল আৰু তেওঁলোক অবৈদিক হোৱা সত্ত্বেও ব্ৰাহ্মণ্য সংস্কৃতি ৰাজ্যত অব্যাহত আছিল আৰু দেশৰ চাৰিওফালে ই বেছি ব্যাপক আৰু শক্তিশালী হৈহে উঠিছিল। নগএঞা ৰাইজৰ মাজত আজিও জনপ্ৰবাদ আছে যে মহাভাৰতত বৰ্ণিত প্ৰাচীন হংসধ্বজ ৰজাৰ চম্পাৱতী নগৰখন নগাঁৰৰ চাপানলাৰ ওচৰত আছিল। এই অঞ্চলত কিছুমান ভগ্নাৱশেষ আছিল বুলিও বহুতে অনুমান কৰে।

ভাৰতৰ বিভিন্ন অঞ্চলৰ গীত-মাতত, প্ৰবাদ আৰু বিভিন্ন গ্ৰন্থত কদলি নামৰ যি নাৰী ৰাজ্যৰ উল্লেখ পোৱা যায়, সেই ৰাজ্যখন নগাঁৰৰ কন্দলী অঞ্চলক কেন্দ্ৰ কৰিয়েই আছিল বুলি কোনো কোনো পণ্ডিতে ঠাৱৰ কৰিছে। বিখ্যাত বজ্ৰযানী বৌদ্ধ পণ্ডিত আৰু ৰসায়নজ্ঞ নাগাৰ্জুন কামৰূপৰ লোক, এওঁৰে শিষ্য শৱৰি পা, শবৰি পাৰ শিষ্য লুইপা বা মৎসেন্দ্ৰনাথ। মৎসেন্দ্ৰনাথ আৰু মীননাথ একেজন লোক বুলিয়েই বহুতে ভাবে। 'গোৰক্ষ বিজয়' নামৰ পুথিৰপৰা জনা যায় যে মৎসেন্দ্ৰনাথ কন্দলী নামে নাৰী ৰাজ্যৰ ৰাণী কমলাৰ প্ৰেমত আৱদ্ধ হৈ তেওঁৰ অসাধাৰণ যৌগিক শক্তি হেৰুৱাই পেলাইছিল। মৎসেন্দ্ৰনাথৰ শিষ্য গোৰক্ষনাথে তেওঁক উদ্ধাৰ কৰি নিয়েহি। এই কদলী নামৰ নাৰী ৰাজ্যখন নগাঁৰৰ কন্দলী অঞ্চলত আছিল

বুলি এই কাৰণেই ঠাৰৰ কৰিছে যে কদলী খাচীয়া-জয়ন্তীয়া পাহাৰৰ দাঁতিত। খাচীয়াসকলৰ মাজত দেখা যায় যে তেওঁলোকৰ সমাজ মাতৃস্বত্ব (Matriarchal) প্ৰধান আৰু তিৰোতাই সম্পত্তিৰ মালিক। 'গোৰক্ষ বিজয়'ত উল্লেখ কৰা এই নাৰী ৰাজ্যখনৰ কথা অন্যদেশৰ গীত-মাততো পোৱা যায়। কিন্তু মহাৰাষ্ট্ৰ দেশৰ প্ৰবাদত এই নাৰী ৰাজ্যখনৰ নাম দিয়া হৈছে কামৰূপ। এইফালৰপৰা এই নাৰী ৰাজ্যখন কামৰূপত বুলি ধৰিবৰ অৱকাশ আছে আৰু তেনেহ'লে ই নিশ্চয় কন্দলী অঞ্চলতে হ'ব। ৺ৰাজমোহন নাথ ডাঙৰীয়াই নানান যুক্তিৰে এই সিদ্ধান্তত উপনীত হৈছে। কনকলাল বৰুৱাদেৱেও কন্দলীকে কদলী ৰাজ্য বুলি অভিমত প্ৰকাশ কৰিছে। তেখেতে কয় যে মূল কদলী শব্দটো নগাঁৰৰ মানুহৰ মুখত পৰি কন্দলী হৈছে। কাৰণ নগাঁৰত অনুনাসিক ধ্বনিৰ প্ৰভাৱ বেছি। নগাঁৰত বাদুলীক বান্দুলী, বদুলা আতাক বন্দুলা আতা কোৱা হয়। গতিকে তেখেতে কয় যে কদলীও কন্দলীলৈ ৰূপান্তৰিত হোৱা অস্বাভাৱিক নহয়। বহুতে গোৰক্ষ বিজয়ৰ কাহিনী, মইনামতীৰ গীতৰ বা মাণিক চন্দ্ৰৰ গানৰ লগত আৰু আমাৰ জনা গাভৰুৰ গীতৰ লগত মিলাব খোজে। আমিও ভাবোঁ মৎসেন্দ্ৰনাথ আৰু কমলাৰ কাহিনীকে জনা গাভৰুৰ গীতত অন্যৰূপ দিয়া হৈছে। গীতত জনা গাভৰুৰ ঘৰ আছিল গৰুচৰ বা গৰুবাট ৰাজ্যত, কলিধন নটৰ ঘৰ আছিল কামপুৰ চহৰত আৰু গোপীচনৰ ঘৰ আছিল নগাঁৰত।

আৰিমত্তৰ ফৈদৰ বুলি বিবেচিত হোৱা জোঙাল বলহুৱে (ৰাজমোহন নাথৰ মতে এওঁৰ অন্য নাম বীৰবাহু) পঞ্চদশ শতাব্দীৰ শেষভাগত নগাঁৰৰ পশ্চিমে বৰ্তমান ৰহাৰপৰা প্ৰায় তিনিমাইল দূৰৈত সুদৃঢ় গড় মাৰি এখন নগৰ পাতিছিল। এই ঠাইখন আজিও জোঙাল বলহু গড় নামে জনাজাত। আমাৰ জাতীয় চৰকাৰৰ তত্ত্বাৱধানত এই ঐতিহাসিক স্থানবিলাক সুৰক্ষিত কৰি অধিক ঐতিহাসিক গৱেষণাৰ সুযোগ দিয়া দূৰৰ কথা, বৰং সেইবিলাক ধ্বংসহে কৰিছে। জোঙাল বলহু গড়কো সংৰক্ষণ কৰি অতীত বুৰঞ্জী উদ্ধাৰৰ সুবিধা দিয়াৰ পৰিৱৰ্তে অসম চৰকাৰে এই জোঙাল বলহু গড়টো খান্দি-কুৰি তাত বিখ্যাত জোঙাল বলহু মাছৰ পাম খুলিছে।

প্ৰায় দশম-একাদশ শতাব্দীৰ পালবংশৰ ৰজাসকলৰ পাছত প্ৰাচীন কামৰূপৰ ৰাজনৈতিক শক্তি দুৰ্বল হৈ পৰাৰ লগে লগে আৰু ইয়াৰ লগতে কামৰূপৰ ৰাজধানী কমতাপুৰলৈ তুলি নিয়াৰ পাছত কামৰূপ ৰাজ্যৰ পূৰ্বাঞ্চলত বহুতো সৰু সৰু শক্তিয়ে গা-কৰি উঠিছিল। এইবিলাকৰ ভিতৰত নগাঁৰৰ ভূঞা আৰু কছাৰীসকলৰ কথাও উল্লেখ কৰিবলগীয়া। দ্বাদশ শতাব্দীৰ আৰম্ভণিতে (১২২৮ খৃঃ) আহোম সকলে অসমৰ সৌমাৰ পীঠত আহোম ৰজ্যৰ সূচনা কৰি ক্ৰমান্বয়ে সৰু-সুৱা শক্তিবোৰ দমন কৰি ৰাজনৈতিক ক্ষমতা হস্তগত কৰি নিজ ৰাজ্য বহলাবলৈ আৰম্ভ কৰে। এইবিলাক সৰু শক্তিৰ ভিতৰত কছাৰীসকলেই বিশেষ উল্লেখযোগ্য আছিল, কিন্তু তেওঁলোককো ক্ৰমান্বয়ে পশ্চিমলৈ ঠেলি নি নগাঁও জিলা পোৱাইছিলহি। আহোম ৰজা চুহুংমুঙে (১৪৯৭-১৫৩৯ খৃঃ) শেহত কছাৰীসকলক বিশেষভাৱে দমন কৰি ধনিশিৰি উপত্যকা মুক্ত কৰি আৰু আনহাতেদি চুতীয়া আৰু ভূঞাসকলক পৰাস্ত কৰি, ব্ৰহ্মপুত্ৰ আৰু নগাঁৰৰ উত্তৰ অঞ্চল মুক্ত কৰি আহোম শক্তিক নিগাজীকৈ প্ৰতিষ্ঠা কৰে। তথাপিও চুহুংমুঙৰ দিনত নগাঁৰৰ দক্ষিণ-পশ্চিম অঞ্চল সম্পূৰ্ণ কছাৰী শাসন মুক্ত হোৱা নাছিল। ভূঞাসকলে স্বৰ্গদেউ চুহুংমুঙৰ হাতত ৰাজনৈতিক ক্ষমতা প্ৰত্যৰ্পণ কৰিবলগা হৈছিল যদিও আহোম আৰু কোচ ৰাজ্য তথা গোটেই প্ৰাচীন কামৰূপ ৰাজ্যৰ সীমাৰ ভিতৰত সাংস্কৃতিক ক্ষেত্ৰত তেওঁলোকৰ নেতৃত্ব অটুট আছিল। নগাঁও জিলাৰ ভূঞাসকলৰ এটি ফৈদত জন্ম গ্ৰহণ কৰা মহাপুৰুষ শঙ্কৰদেৱৰ নেতৃত্বত পঞ্চদশ-যোড়শ শতাব্দীত ভাগৱতী বৈষ্ণৱ ধৰ্মৰ যি আন্দোলনৰ আৰম্ভণি হৈছিল, সেয়া সমগ্ৰ অসমতে সুস্থ সাংস্কৃতিক নৱজাগৰণ আনি দিয়াৰ উপৰি এইদেশৰ আৰ্য্য-অনাৰ্য্য

সকলো লোকৰ মাজত এটি বিৰাট সংহতি সাধনৰ পথ মুকলি কৰি দিলে। মহাপুৰুষ শঙ্কৰদেৱৰ প্ৰৱৰ্তিত বৈষ্ণৱ আন্দোলনে সমাজ সংস্কাৰ, সাংস্কৃতিক প্ৰগতি আৰু সামাজিক ঐক্য আদিৰে দেশখনত এক বৈপ্লৱিক পৰিৱৰ্তন আনি দিবলৈ সক্ষম হৈছিল। এইজনা মহাপুৰুষেই তেখেতৰ জন্মস্থান আলিপুখুৰীৰ ওচৰত প্ৰতিষ্ঠা কৰি থৈ যোৱা বৰদোৱা স্থান (নগাঁৰৰ পৰা ৯/১০ মাইল পশ্চিমে) অসমৰ বৈষ্ণৱ বৃন্দৰ আজিও এক প্ৰধান তীৰ্থস্থান আৰু সাংস্কৃতিক কেন্দ্ৰ হিচাপে প্ৰসিদ্ধি লাভ কৰি আছে। কোৱা বাহুল্য যে অসমদেশৰ মাজেদি বৈ যোৱা ৰাজনৈতিক বিপ্লৱ, বহিৰাক্ৰমণ আৰু মাৰি-মৰকে অসমৰ বহুতো সাংস্কৃতিক সম্পদ বিনষ্ট কৰিছে। এতিয়াও নগাঁৰৰ বিভিন্ন অঞ্চলত অনুসন্ধান কাৰ্য চলাব পাৰিলে মধ্যযুগীয় বহুতো আপুৰুগীয়া সম্পদ উদ্ধাৰ হ'ব পাৰে বুলি আমাৰ বিশ্বাস। এতিয়ালৈকে নগাঁৰৰপৰা উদ্ধাৰ হোৱা তেনে সম্পদৰ ভিতৰতঁ হৰিনাৰায়ণ দত্তবৰুৱাই সম্পাদনা কৰি প্ৰকাশ কৰা বালিসত্ৰৰ 'চিত্ৰভাগৱত', নগাঁৰৰ হাতীচোং মৌজাৰপৰা উদ্ধাৰ কৰি অসম সাহিত্য সভাই প্ৰকাশ কৰা 'নীতিলতাঙ্কুৰ' গ্ৰন্থকেইখনেই উল্লেখযোগ্য। বেজবৰুৱাৰ সম্পাদনাত বাঁহীত খণ্ড খণ্ডকৈ প্ৰকাশ হোৱা চৰিতখনো উল্লেখনীয়, কিন্তু এতিয়ালৈকে সি সম্পূৰ্ণ আকাৰত প্ৰকাশ হোৱা নাই।

কামৰূপৰ ৰজাসকল দুৰ্বল হোৱাৰ পাছৰপৰা (খ্ৰীঃ দশম-একাদশ শতাব্দীৰ পৰা) আহোম ৰজাসকল শক্তিশালী হৈ নুঠালৈকে অসম দেশৰ এই সময়ছোৱাৰ বুৰঞ্জী বিক্ষিপ্ত। এই সময়ছোৱাত বহুত সৰু সৰু কছাৰী ফৈদে একোজন নিজ নেতাৰ তলত স্বতন্ত্ৰ হৈ উঠিছিল। এই সময়ছোৱাৰ ভিতৰতে নগাঁও জিলাৰ কেইবাঠাইতো কছাৰীসকলে ৰাজধানী পাতিছিল আৰু তাৰ নিদৰ্শন আজিও দেখিবলৈ পোৱা যায়। ঁৰাজমোহন নাথ ডাঙৰীয়াৰ মতে ঠিক এনে সময়তে কছাৰীসকলৰ এজন নেতা বিচাৰপতি ফাই নগাঁৰৰ পাঁচ মাইল পূবে ব্ৰহ্মপুৰ (বৰ্তমান বৰহমপুৰ) নামে ঠাইত ৰাজধানী পাতে। তেওঁৰ পুতেক বিক্ৰমাদিত্যই উত্তৰ-পূবলৈ আগুৱাই গৈ মিকিৰ পাহাৰৰ দাঁতিত সোণাপুৰ নামে ঠাইত এটি মন্দিৰ নিৰ্মাণ কৰে আৰু দুৰ্গাৰ এটি সোণৰ মূৰ্তি প্ৰতিষ্ঠা কৰি ৰাজধানী পাতে। বৰ্তমান তেতেলিগুৰি নামৰ মিকিৰ গাঁৱৰ পদুম পুখুৰী নামে অভিহিত হোৱা এই ডাঙৰ পুখুৰীটো কছাৰীসকলেই খন্দাইছিল আৰু বানালিঙ্গ শিৱৰ মূৰ্ত্তি প্ৰতিষ্ঠা কৰি বানাপুৰ নামে নগৰ পাতে। নাথ ডাঙৰীয়াৰ মতে, এই অঞ্চলত কছাৰীসকলে পতা তৃতীয়খন নগৰ হ'ল ঊৰ্দ্ধগঙ্গা, যাক মিকিৰসকলে পাৰথোৱা বোলে। মিকিৰসকলৰ ভাষাত 'পাৰক' মানে কছাৰী। গতিকে পাৰথোৱাৰ অৰ্থ হ'ল কছাৰীসকলৰ বাসস্থান। আহোমসকলৰ ক্ষমতা বাঢ়ি অহাত কছাৰীসকলে ক্ৰমে দক্ষিণে পাহাৰৰ ফালে আঁতৰি যাব লগা হ'ল বা আন কিছুমান আহোমৰ তলতীয়া হ'ব লগা হ'ল। আগতে কোৱা হৈছে যে আহোম ৰজা চুহুংমুঙৰ (খৃঃ ১৪৯৭-১৫৩৯) হাতত কছাৰীসকল বিশেষভাৱে পৰাস্ত হয়। স্বৰ্গদেউ প্ৰতাপ সিংহৰ দিনতো (১৬০৩-১৬৪১ খৃঃ) কছাৰীসকলৰ লগত আহোমসকলৰ মনোমালিন্য দূৰ হোৱা নাছিল। অৱশেষত স্বৰ্গদেউ ৰুদ্ৰসিংহৰ দিনতহে (১৬৯৬-১৭১৪ খৃঃ) কছাৰীসকলৰ লগত মিত্ৰতা দৃঢ় হয়। বিশ্বনাথত স্বৰ্গদেউ ৰুদ্ৰ সিংহৰ লগত কছাৰী ৰজা তাম্ৰধ্বজে ব্ৰহ্মপুত্ৰত হাত জুবুৰিয়াই এই বুলি শপত খাই মিত্ৰতা পাশত আৱদ্ধ হৈছিল যে 'কোৱা বগা হ'ব, লাও তল যাব, শিল ওপঙিব, তথাপিও আমাৰ কবুল নছাৰিবে।' নগাঁও জিলাৰ অন্তৰ্গত অনেক সৰু সৰু কছাৰী ৰজা আহোমৰ লগত মিত্ৰভাৱে আছিল। এইবিলাকৰ ভিতৰত ডিমৰুৱা, নেলী, গোভা, চহৰী, দন্দুৱা, বাৰেপূজীয়া, টোপাকুচীয়া, খাইগৰীয়া, স'ৰা, মায়ং, টিং, তেতেলীয়া, শালমৰা আৰু ভুৰবন্ধা। এই ৰজাবিলাকে আহোম ৰজাক কাম কৰি দিবৰ কাৰণে নিৰ্দ্দিষ্ট সংখ্যাৰ পাইক দিব লাগিছিল, কোনো বহিঃশত্ৰুৰ লগত যুদ্ধ লাগিলে প্ৰতিজন ৰজাই তেওঁলোকৰ নিজ নিজ সৈন্য লৈ অসমৰ ৰাজনৈতিক

স্বাৰ্থত আহোম ৰজাক যুদ্ধক্ষেত্ৰত সহায় কৰিব লাগিছিল। নগাঁও জিলাৰ দক্ষিণ অঞ্চলৰ এই কছাৰী ৰজাৰেই বংশধৰ আছিল কছাৰীবীৰ তুলাৰাম সেনাপতি, যাৰ স্বাধীনচিতীয়া মনোভাব, আত্মসন্মান আৰু অসমীয়া জাতীয়-প্ৰীতি আছিল অতুলনীয়। দৃঢ় মনোবল আৰু স্বাধীনচিতীয়া মনোভাব দেখি ডেভিদ স্কট চাহাব স্তম্ভিত হৈ তুলাৰামৰ স্বতন্ত্ৰতা স্বীকাৰ কৰিবলৈ বাধ্য হৈছিল। মোৱামৰীয়া আৰু মান আক্ৰমণত আহোম শক্তি দুৰ্বল হোৱাত কছাৰীসকলে শেহৰ ফালে মণিপুৰী আৰু মানৰ আক্ৰমণত ব্যতিব্যস্ত হ'বলগা হৈছিল। শেহত নগাঁও জিলাৰ অন্তৰ্গত থকা কছাৰী অঞ্চলবোৰ ১৮২৬ খ্ৰীষ্টাব্দৰপৰা বৃটিছৰ হাতলৈ যায়। কাছাৰ জিলা ১৮৫৪ খ্ৰীঃতহে বৃটিছ শাসনভুক্ত হয়।

মহাপুৰুষ শঙ্কৰদেৱে 'পূৰ্ব কবি অপ্ৰমাদী' বুলি যাৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰি থৈ গৈছে, যিজন প্ৰাকশঙ্কৰী কবি মাধৱ কন্দলীয়েই প্ৰাদেশিক আৰ্য্য ভাষাৰ ভিতৰত পোন প্ৰথমে চতুৰ্দশ শতিকাত ৰামায়ণ কাব্যখন অসমীয়ালৈ ৰূপান্তৰিত কৰি অসমীয়া ভাষা-সাহিত্যৰ এটি স্থায়ী মৰ্যাদা দি থৈ গ'ল, বহুতৰ মতে, সেইজনা মাধৱ কন্দলী আছিল নগাঁৱৰে আৰু তেওঁৰ পৃষ্ঠপোষকতা কৰিছিল বৰাহ মাণিক্য নামে কছাৰী ৰজাই। (কোনো কোনোৰ মতে তেওঁ কছাৰী ৰজা নহয়, বৰাহী ৰজাহে আৰু এওঁৰ স্থান আছিল শিৱসাগৰৰ 'সোণাৰী' অঞ্চলত)। কছাৰী ৰজা তাম্ৰধ্বজৰ বৰকুঁৱৰী চন্দ্ৰপ্ৰভাই পুতেক সুৰচন্দ্ৰৰ আমোলত ভুৱনেশ্বৰ বাচস্পতিৰ হতুৱাই বৃহন্নৰদীয় পুৰণি অসমীয়া ভাষাত লিখোৱাই মাতৃ ভাষাৰ উন্নতি সাধন কৰিছিল। পুৰাতত্ত্ব বিভাগত সংৰক্ষিত পুথিখন নগাঁৱৰ ৰহা অঞ্চলৰপৰা উদ্ধাৰ কৰা হৈছিল। গতিকে অনুমান কৰিব পাৰি যে ভুৱনেশ্বৰ বাচস্পতি নগাঁৱৰ লোক।

ইয়াৰ বাহিৰেও নগাঁৱৰ বিভিন্ন অঞ্চলত কছাৰীসকলৰ ভাস্কৰ্য আৰু স্থাপত্য কলাৰ নিদৰ্শন সিঁচৰতি হৈ আছে। কোনো কোনো অঞ্চলৰ কছাৰীলোকৰ মাজত যাদু বিদ্যাৰ চৰ্চা বৰ বেছি বুলি জনা যায়। বিশেষকৈ মায়ং অঞ্চল যাদুবিদ্যাৰ কাৰণে কামাখ্যাৰ পাছতেই প্ৰখ্যাত বুলি পৰিগণিত হয়। অসমত এসময়ত কামাখ্যা বুলিলেই যেনেকৈ যাদুবিদ্যাৰ কথা মনলৈ আহিছিল, আজিকালি ঠিক মায়ং বুলিলেই মানুহৰ মনলৈ তেনে ভাব আহে। পুৰণি বিৱৰণৰপৰাও জনা যায় যে কোনো কোনো কছাৰী ৰজা এই যাদুবিদ্যাত বৰ পাৰ্গত আছিল। উদাহৰণস্বৰূপে, ফ্ৰেঞ্চিচ হেমিলটনে তেওঁৰ "Account of Assam" নামৰ গ্ৰন্থত ডিমৰুৱা ৰজাৰ কথা উল্লেখ কৰি লিখিছে "... the present occupant is supposed to know many powerful incantations by which he can kill his enemies, or at least render them foolish. on this account he is very much respected and the Governor of the province carefully avoids giving him any manner of offence." অৰ্থাৎ 'বৰ্তমানৰ ৰজাজনে বহুত শক্তিশালী মন্ত্ৰ জানে বুলি মানুহে জানে। এই মন্ত্ৰৰ দ্বাৰাই তেওঁ তেওঁৰ শত্ৰুক মাৰিব বা মূৰ্খ কৰিব পাৰে। এই কাৰণেই তেওঁক সকলোৱে সন্মান কৰে আৰু তাত থকা আহোমৰ শাসনকৰ্তাজনেও তেওঁক কোনোপ্ৰকাৰে বেয়া নোপোৱায়।'

নগাঁও জিলাৰ বৰ্তমান ব্যৱহাৰ হোৱা নগাঁও নামটো আহোম ৰজা স্বৰ্গদেউ প্ৰতাপ সিংহৰ দিনতেই হোৱা বুলি বুৰঞ্জীৰপৰা জনা যায়। প্ৰতাপ সিংহৰ সুদক্ষ বিষয়া মোমাই তামুলী বৰবৰুৱাই নখন চহৰক কেন্দ্ৰ কৰি এই নগাঁও চহৰখন পাতিছিল। আহোম ৰজাসকলৰ শাসন কালত নগাঁৱত কেইবাখনো গুৰুত্বপূৰ্ণ প্ৰশাসনীয় চহৰ গঠিত হৈছিল। এইবিলাকৰ ভিতৰত অতি গুৰুত্বপূৰ্ণ আছিল কলিয়াবৰ, চামধৰা, ৰহা, কাজলীমুখ, জাগী আৰু ধিং। আন বহুত গুৰুত্বপূৰ্ণ চকীও পতা হৈছিল। দক্ষিণফালৰ জনজাতীয় লোকসকলৰ লগত থকা ব্যৱসায়ৰ কাৰণে হাওৰাঘাট, মিকিৰহাট আৰু ৰহা আদি গুৰুত্বপূৰ্ণ ব্যৱসায়িক কেন্দ্ৰ

আছিল। আহোম শাসনৰ আদি কালছোৱাত কলিয়াবৰেই তেওঁলোকৰ নামনি অঞ্চলৰ শাসনকৰ্তাৰ সদৰ ঠাই আছিল। পাছতহে পশ্চিমফালে ৰাজ্য বিস্তাৰ হোৱাত আহোম ৰজাৰ প্ৰতিনিধি স্বৰূপ (Viceroy) বৰফুকনৰ সদৰ ঠাই গুৱাহাটীলৈ তুলি নিয়া হয়। এই কালছোৱাত আহোম ৰজাসকলে চামধৰা নামৰ যি গড় আৰু দুৰ্গ সজাইছিল, তাৰ চমৎকাৰ বুৰঞ্জী পাৰ্চী বুৰঞ্জীত জিলিকি আছে। পাৰ্চী বুৰঞ্জীত চামধৰা গড়ক শিমলাগড় বুলি অভিহিত কৰিছে। মীৰজুমলা আৰু মীৰজুমলাৰ দুঃসাহিক সেনাপতি দিলেৰ খাঁই এই দুৰ্গৰ দুৰ্ভেদ্য কাৰ্য-কৌশল দেখি স্তম্ভিত হৈছিল। চাৰ এডৱাৰ্ড গেইট চাহাবে লিখিছে যে — 'মীৰজুমলাই পাছদিনা দুৰ্গৰ ভিতৰত সোমাই ইয়াৰ নিৰ্মাণ-কৌশল আৰু অসমীয়া সৈন্যৰ সাহসিকতা দেখি স্তম্ভিত হৈছিল, এইটো ক'ব পৰা নাযায় কিয় অসমীয়া সৈন্যসকলে দৃঢ়ভাৱে প্ৰতিৰোধ নকৰিলে।' "on entering the place next day, Mirjumlah was surprised at the strength of the fortifications and, in view of the bravery of the Ahom soldiers at this period, it is difficult to explain why a more stubborn defences was not made."

অসমীয়া সৈন্যই কিয় দৃঢ়ভাৱে প্ৰতিৰোধ নকৰিলে সেই কথা অপ্ৰাসঙ্গিক হ'লেও এইখিনিতে কৈ থোৱা উচিত হ'ব যেন বিবেচনা কৰোঁ, কাৰণ বুৰঞ্জীৰ ই এটা ডাঙৰ শিক্ষা। অসমীয়া বিষয়া আৰু সৈন্যসকলে দৃঢ়ভাৱে প্ৰতিৰোধ কৰা হ'লে চামধৰা গড় কিয় মীৰজুমলাই গুৱাহাটীলৈকে দখল কৰিব নোৱাৰিলেহেঁতেন। স্বৰ্গদেউ জয়ধ্বজ সিংহৰ অবিবেচকী কাৰ্য্য আৰু অসমীয়া ডাঙৰীয়াসকলৰ 'সতিনীৰ যাত্ৰা ভঙ্গ কৰি নিজৰ নাক কটা' নীতি গ্ৰহণেই অসমীয়াৰ এই পৰাজয়ৰ মূল কাৰণ। স্বৰ্গদেউ জয়ধ্বজ সিংহই মীৰজুমলাৰ অসম আক্ৰমণৰ কথা বহুত আগতেই গম পাইছিল আৰু তাৰ বাবে সকলো প্ৰকাৰে সম্ভম হৈ আছিল। কিন্তু এটা সাধাৰণ দোষতে জয়ধ্বজ সিংহই গুৱাহাটীত থকা আহোম ডাঙৰীয়াসকলক কায়স্থ মনথিৰ ভঁৰালী বৰুৱাৰ হতুৱাই শাস্তি বিহোৱাৰ কাৰণেই মীৰজুমলা আগুৱাই আহোতে 'কান্ত-কাঠীও' মাৰোঁতা নহ'ল। পাণ্ডু শৰাইঘাটৰপৰা তেওঁলোকে পিছুৱাই গৈ চামধৰা পালোগৈ আৰু তাতো দৃঢ়ভাৱে প্ৰতিৰোধ নকৰিলে। বিষয়াসকলে জয়ধ্বজ সিংহৰ কাৰ্যত আক্ষেপ কৰি ঠেহ পাতিলে, 'বেজদলৈৰ পুতেকহে সজাতি হ'ল, আমি সকলো ফা-ফুকন অসঞ্জাতি হ'লো। ভাল, আনো কথা বেজদলৈয়ে কৰক।' মীৰজুমলা আগুৱাই অহাত ফুকনবোৰে ক'লে — 'আমাৰ ওপৰে বেজদলৈ অজাতি আহিছে, এতিয়া যুঁজকহি। আমি ৰণ নকৰোঁ, হিন্দু পৰ্বতীয়া ফুকনে ৰণ কৰক।' মুঠতে আত্মকলহেই মীৰজুমলাৰ অসম আক্ৰমণত অসমীয়াৰ পৰাজয়ৰ মূল কাৰণ। চামধৰা গড়ৰ বৰ্ণনা দিলেৰ খাঁৰ জীৱন বৃত্তান্তত আছে।

আমি আকৌ নিজ কথালৈ আহো। ৰহাত থকা ৰহীয়াল বৰুৱাই কছাৰী আৰু মিকিৰসকলৰ লগত, জাগীয়লীয়া গোহাঁই আৰু কাজলীমুখীয়া গোহাঁয়ে জয়ন্তীয়াসকলৰ লগত ৰাজনৈতিক সম্বন্ধ অটুট ৰাখি কাৰ্য্য পৰিচালনা কৰিব লাগিছিল। নিজ অঞ্চলৰ প্ৰশাসনীয় দায়িত্বৰ উপৰি ৰহীয়াল বৰুৱাৰ আন এটা গুৰুত্বপূৰ্ণ পৰ্য্যবেক্ষণৰ বিষয়ো আছিল, সেইটো হৈছে আহোম ৰজাসকলৰ আমোলত কোনো বিদেশী লোক ৰজাঘৰীয়া কামত বা কথাত আহিলে ব্ৰহ্মপুত্ৰইদি আহিবলৈ দিয়া নহৈছিল, ত্ৰিপুৰা, জয়ন্তীয়া আদি ৰাজ্যৰ পৰ্বতীয়া বাটেদি আহি কপিলীয়েদি কলং হৈ ব্ৰহ্মপুত্ৰলৈ ওলাই গড়গাঁৱলৈ যাবলৈ দিয়া হৈছিল আৰু এইক্ষেত্ৰত বিদেশী কটকীক ৰহীয়াল বৰুৱায়ে প্ৰথমে অভ্যৰ্থনা কৰিব লাগিছিল। কাছাৰ জিলাৰ বিক্ৰমপুৰ গিৰিপথ আৰু ৰহা চকীৰ মাজতো ব্যৱসায়-বাণিজ্যৰ এটা পথ আহোমৰ আমোলত আছিল বুলি জনা যায়।

নগাঁও চহৰৰ তিনি মাইল পূবে থকা ভোটাইগাঁও নামৰ গাঁৱৰেই ভোটাই ডেকাই শত্ৰুক আগ মঙহ দেখুৱাওঁতা, দেশদ্ৰোহী লালুক সোলা বুঢ়াফুকনক

১৬০২ শকৰ (১৬৮০ খৃষ্টাব্দৰ) আঘোণৰ দহ দিন যাওঁতে শোৱা খাটতে খুঁচি মাৰি দেশবাসীক সকাহ দিছিল। আহোম ৰজা গৌৰীনাথ সিংহ মোৱামৰীয়া বিদ্ৰোহৰ সময়ত পলাই আহি নগাঁৱৰ ৰূপহীৰ ওচৰত বাহৰ কৰি আছিল। গৌৰীনাথে ৰূপহীতো প্ৰজাক অত্যাচাৰ কৰিবলৈ ধৰিলে। তেনে সময়তে সিন্ধুৰা হাজৰিকা নামৰ এজন মানুহৰ নেতৃত্বত ভালেমান নগঞা ৰাইজ ৰজাৰ ওচৰলৈ আগবাঢ়ি অহাত ৰজাই ভয় খাই গুৱাহাটীলৈ পলাই যায়। তেতিয়াৰপৰাই নগঞা ৰাইজ 'ৰজা খেদা নগঞা' বুলি প্ৰসিদ্ধ হৈ আছে।

বৃটিছ শাসনৰ প্ৰাৰম্ভণিতে নগাঁও জিলাক কামৰূপ আৰু দৰঙৰ লগত লগ লগাই নামনি অসম বিভাগ হিচাপে শাসন কৰা হৈছিল। কিন্তু ১৮৩৩ চনত পুৰণিগুদামক সদৰ ঠাই কৰি ইয়াক এখন সুকীয়া জিলা কৰা হ'ল। তাৰপাছত ১৮৩৫ চনত সদৰ ঠাই ৰঙাগড়লৈ অনা হয় আৰু শেহত ১৮৩৯ চনত বৰ্তমানৰ নগাঁৱলৈ সদৰ ঠাই অনা হয়। তেতিয়াৰপৰাই নগাঁৱেই নগাঁও জিলাৰ সদৰ ঠাই হৈ আছে। ১৮৩৯ চনৰ আগতে নগাঁও জিলাৰ অন্তৰ্গত নাগাপাহাৰ, উত্তৰ কাছাৰ আৰু মিকিৰ পাহাৰৰ কিছু অংশ অন্তৰ্ভুক্ত হৈ আছিল। ১৮৬৭ চনত নগাপাহাৰ আৰু মিকিৰ পাহাৰৰ এটা ডাঙৰ অংশ লৈ এখন সুকীয়া জিলা গঠন কৰা হ'ল। কিন্তু ১৮৯৮ চনত মিকিৰ পাহাৰৰ এটা ডাঙৰ অংশ আকৌ নগাঁও জিলাৰ অন্তৰ্ভুক্ত কৰা হ'ল। এই অৱস্থা স্বাধীনতাৰ পৰৱৰ্তী কালৰ ১৯৫১ চনৰ নৱেম্বৰলৈকে আছিল। ১৯৫১ চনত মিকিৰ পাহাৰ অংশ নগাঁও জিলাৰপৰা আঁতৰাই সংযুক্ত মিকিৰ আৰু উত্তৰ কাছাৰ জিলা গঠন কৰা হ'ল। ইয়াৰ ফলত নগাঁৱৰ মুঠ অধিবাসীৰ সংখ্যাৰপৰা ৬১,৭২৮ জন নতুন জিলাৰ অধিবাসীৰ লগত মিহলি হ'ল। ১৯৬১ চনৰ লোক পিয়ল মতে, নগাঁও জিলাৰ আয়তন ৫৬১৩ বৰ্গ কিলোমিটাৰ, লোক সংখ্যা ১২,০৫,৭২৯ জন। শিক্ষিতৰ হাৰ শতকৰা ২৪.৪৯ জন।

বৃটিছ শাসনৰ তললৈ অহাৰ পাছত আমাৰ দেশত বিশেষ পৰিৱৰ্তনীয় বিষয় হ'ল পাশ্চাত্য সভ্যতাৰ সমাগম। এই পাশ্চাত্য সভ্যতা বিভিন্ন দিশেৰে আমাৰ দেশলৈ আহিছিল। এই ক্ষেত্ৰত বঙ্গদেশৰ কলিকতাই সৰবৰাহৰ প্ৰধান কেন্দ্ৰ বুলিব পাৰি। সি যি নহওক, শাসন পদ্ধতি আৰু শিক্ষাৰ মাধ্যমেদিয়েই পাশ্চাত্য সভ্যতা-সংস্কৃতিৰ কণিকা আমাৰ দেশত প্ৰধানকৈ বিয়পি পৰিছিল। গতিকে বৃটিছৰ প্ৰচেষ্টাত এই দেশত গঢ়ি উঠা শিক্ষানুষ্ঠানবিলাকেই আমাৰ প্ৰধান আলোচ্য বিষয়। বৃটিছ শাসনৰ আমোলত প্ৰথমখন হাইস্কুল প্ৰতিষ্ঠা হয় ১৮৩৫ চনত গুৱাহাটীত। ইয়াৰ পাছত শিৱসাগৰত এখন হাইস্কুল প্ৰতিষ্ঠা হয়। বি, চি, এলেন চাহাবে তেওঁৰ অসম জিলা গেজেটিয়াৰৰ ষষ্ঠ খণ্ড নগাঁৱত লিখিছে — 'During the first half of the century, the condition of Education in Bengal was bad, but in Assam it was even worse.' এলেন চাহাবৰ বৰ্ণনাৰপৰা জনা যায় যে ১৮৪৭-৪৮ চনত নগাঁও জিলাত কোনো মাধ্যমিক স্কুল নাছিল। গোটেই জিলাখনৰ ভিতৰত মাত্ৰ ১০ খন প্ৰাথমিক স্কুলহে আছিল। কেইজনমান ভদ্ৰলোকৰ চেষ্টাত ১৮৬৩ চনত এখন হাইস্কুল খোলা হৈছিল যদিও এবছৰতকৈ বেছি দিন নিটিকিল। শেহত চৰকাৰৰ চেষ্টাত ১৮৬৫ চনৰ ১৭ নৱেম্বৰ তাৰিখে নগাঁৱত এখন চৰকাৰী হাইস্কুল প্ৰতিষ্ঠা কৰে। এইখন চৰকাৰী হাইস্কুলে সৌ সিদিনা ১৯৬৫ চনৰ ১৭ নৱেম্বৰত এক শতাব্দী কাল অতিবাহিত কৰিছে। এইখন হাইস্কুল ঁৰামেশ্বৰ বৰুৱা, ঁভৰতচন্দ্ৰ চলিহা, ঁইন্দ্ৰেশ্বৰ বৰঠাকুৰ, ঁপ্ৰাণনাথ শৰ্মা আদি কেইবাজনো কৃতবিদ্য শিক্ষাবিদে প্ৰধান শিক্ষকতা কৰি এই স্কুলৰ বুৰঞ্জী চহকী কৰি ৰাখিছে। তদুপৰি এই স্কুলত শিক্ষালাভ কৰা বা এই স্কুলৰ সংস্পৰ্শইদি যোৱা বহুতো লোকে অসমৰ সাংস্কৃতিকবা ৰাজনৈতিক জীৱনত বিশেষভাৱে ভূমিকা গ্ৰহণ কৰি গৌৰৱ অৰ্জন কৰিছে। সেইসকলৰ ভিতৰত ড° সূৰ্য্যকুমাৰ ভূঞা, ৰত্নকান্ত বৰকাকতী,

ঁমহিচন্দ্ৰ বৰা, ঁমতিৰাম বৰা, ড° হিৰণ্যকুমাৰ ভূঞা, ড° বিৰিঞ্চিকুমাৰ বৰুৱা, ঁকমলানন্দ ভট্টাচাৰ্য্য, ঁজগতচন্দ্ৰ বেজবৰুৱা, শ্ৰীৰাধিকা মোহন গোস্বামী, ঁচন্দ্ৰ ফুকন আৰু সাৰদা বৰদলৈ আদিৰ নাম উল্লেখযোগ্য।

নগাঁও তথা অসমৰ সাংস্কৃতিক অগ্ৰগতিত বৰঙণি যোগোৱা নগাঁৰৰ (হয়বৰগাঁৰৰ) বীণাপাণি নাট্য-মন্দিৰ আৰু নগাঁও নাট্য মন্দিৰৰ কথা উল্লেখ নকৰিলে নগাঁৰৰ বুৰঞ্জী অসমাপ্ত হৈ ৰ'ব। নগাঁৰৰ প্ৰথম নাট্য-মন্দিৰ বীণাপাণি নাট্য-মন্দিৰ ১৮৭০ চনত স্থাপিত হয়। অসমৰ ভিতৰতে ই এটা প্ৰাচীন নাট্য-মন্দিৰ। নগাঁও নাট্য-মন্দিৰ প্ৰতিষ্ঠা হয় ১৯০২ চনত। এই নাট্য-মন্দিৰৰ এটা বিৰাট ঐতিহ্য আছে। অসমৰ অভিনয় তথা নাট্য-কলালৈ ইয়াৰ বিশেষ বৰঙণি আছে। এই নাট্য-মন্দিৰ আৰম্ভ হোৱাৰ দিন ধৰি ভালেকেইজন প্ৰতিভাশালী অসমীয়া শিল্পীয়ে এই নাট্য-মন্দিৰৰ যোগেদি অভিনয় আৰু নাট্য-কলা চৰ্চাত বিশেষ অৰিহণা যোগাই আহিছে। সেইসকলৰ ভিতৰত ঁগুণনাথ বৰুৱা, ঁবৃন্দাবন গোস্বামী, ঁবিমলাকান্ত বৰুৱা, ঁকমলানন্দ ভট্টাচাৰ্য্য, ঁজগৎচন্দ্ৰ বেজবৰুৱা, ঁকুশচন্দ্ৰ শৰ্মা, ঁপ্ৰতাপ শৰ্মা, শ্ৰীযুত গোপালচন্দ্ৰ বৰা, ঁসাৰদাকান্ত বৰদলৈ, ঁচন্দ্ৰ ফুকন আদি শিল্পী আৰু নাট্য-মন্দিৰৰ কৰ্ণধাৰসকলৰ নাম উল্লেখযোগ্য। অসমৰ নাট্যমঞ্চৰ ভোটাতৰা স্বৰূপ ঁজগৎচন্দ্ৰ বেজবৰুৱা ডাঙৰীয়াৰ শিল্পী প্ৰতিভাই এইখন মঞ্চকেই কেন্দ্ৰ কৰি বিকাশ লাভ কৰিছিল। এই নাট্য-মন্দিৰেই বাউলী কবি গীতকাৰ ঁকমলানন্দ ভট্টাচাৰ্যক গীতি-সাহিত্য আৰু নাট্য-চৰ্চা কৰিবলৈ প্ৰেৰণা যোগোৱাৰ উপৰি তেওঁৰ পূৰ্বৱৰ্তী ঁদেৱনাথ বৰদলৈ, ঁৰত্নেশ্বৰ মহন্ত আৰু সমসাময়িক আৰু পৰৱৰ্তী ঁবৃন্দাবন গোস্বামী, শ্ৰীগোপালচন্দ্ৰ বৰা, ঁসাৰদাকান্ত বৰদলৈ, চন্দ্ৰ ফুকন, শ্ৰীকৃষ্ণানন্দ ভট্টাচাৰ্য্য আদি নাট্যকাৰক নাট ৰচনাত প্ৰেৰণা যোগাইছিল। এইবিলাকৰ ভিতৰত ঁদেৱনাথ বৰদলৈৰে জৰাসন্ধ, বৈদেহী বিচ্ছেদ, ঁৰত্নেশ্বৰ মহন্তৰ দ্ৰৌপদীৰ বেণীবন্ধন, হৰিশ্চন্দ্ৰ উপাখ্যান, ঁকমলানন্দ ভট্টাচাৰ্য্যৰ নগাকোঁৱৰ, চিত্ৰাঙ্গদা, মৰাণ জীয়াৰী, খৰিভাৰীৰ ৰাজ্যলাভ, অৱসান, সাবিত্ৰী, ঁবৃন্দাবন গোস্বামীৰ প্ৰায়শ্চিত্ত, থানুবাপু, শ্ৰীগোপাল বৰাৰ শ্ৰীৰামচন্দ্ৰ, মাহী আই, অজ্ঞাতবাস, ঁসাৰদাকান্ত বৰদলৈ আৰু শ্ৰীকৃষ্ণানন্দ ভট্টাচাৰ্য্যৰ যুটীয়া ৰচিত 'মগ্ৰীবৰ আজান' আদিয়েই প্ৰধান। কোৱা বাহুল্য যে নগাঁও নাট্য-মন্দিৰৰ আলমত আৰু ঁচন্দ্ৰ ফুকনৰ নেতৃত্বত ইয়াৰ কেইজনমান শিল্পীৰ যুটীয়া প্ৰচেষ্টাত ৰচিত হোৱা 'পিয়লি ফুকন' নাটকে অসমীয়া নাট্য-সাহিত্যৰ বুৰঞ্জীত এক বৈশিষ্ট্যপূৰ্ণ ঠাই অধিকাৰ কৰি আছে।

অসমৰ মধ্যস্থানত অৱস্থিত নগাঁৰৰ অসমৰ সাংস্কৃতিক প্ৰগতিত প্ৰচুৰ বৰঙণি আছে আৰু শ্ৰীশঙ্কৰদেৱৰ দিন ধৰি সাংস্কৃতিক বুৰঞ্জীৰ যোগসূত্ৰ ই অব্যাহত ৰাখিছে। বৃটিছ আগমনৰ দিন ধৰি ভালেমান নিস্বাৰ্থ সাহিত্যিক আৰু শিক্ষাবিদে অসমীয়া ভাষা-সাহিত্য চহকী কৰি ৰাখিছে। সেইসকলৰ ভিতৰত উল্লেখযোগ্য কেইজনমান হ'ল ঃ আনন্দৰাম ঢেকীয়াল ফুকন, ঁগুণাভিৰাম বৰুৱা, ঁহেমচন্দ্ৰ গোস্বামী, ঁৰত্নেশ্বৰ মহন্ত, ঁকমলানন্দ ভট্টাচাৰ্য্য, ঁৰত্নকান্ত বৰকাকতী, ঁসূৰ্যকুমাৰ ভূঞা, ঁমহিচন্দ্ৰ বৰা, ঁমলিনচন্দ্ৰ বৰা, ড° বিৰিঞ্চি কুমাৰ বৰুৱা, ঁচন্দ্ৰ ফুকন, ঁহিৰণ্য কুমাৰ ভূঞা, ঁসাৰদাকান্ত বৰদলৈ, ঁমহেশচন্দ্ৰ দেৱ গোস্বামী, শ্ৰীৰাধিকা মোহন গোস্বামী, শ্ৰীদেৱকান্ত বৰুৱা, শ্ৰীমহিম বৰা, শ্ৰীনৰকান্ত বৰুৱা ইত্যাদি।❑

প্ৰবন্ধটো 'ইতিহাসৰ পাতমেলি'
(প্ৰথম খণ্ড)ৰ পৰা পুনৰ মুদ্ৰণ কৰা হ'ল
— সম্পাদক

---

লেখক - বিশিষ্ট পণ্ডিত তথা নগাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন অধ্যাপক।






# নগাঁও
# মহাবিদ্যালয়
# বিশেষ

# নগাঁও কলেজৰ উন্নয়নৰ কিয়দংশ — ২০০৪ ৰপৰা ২০১১ চনলৈ

ড° খৰ্গেশ্বৰ ভূঞা

**মা**নৱ সভ্যতাৰ বিকাশত শিক্ষাৰ বিশাল অৱদান অনস্বীকাৰ্য। অতি প্ৰাচীন কালৰে পৰা ঋষি-মুনিসকলে আশ্ৰমত মুখে মুখেই শাস্ত্ৰজ্ঞান দিছিল। সেই সময়ৰপৰা বৰ্তমানলৈকে শিক্ষণ-শিকনৰ পদ্ধতিৰ তিনিটা স্তৰ পাৰ হৈ চতুৰ্থ স্তৰত সোমাইছে বুলি বিশেষজ্ঞসকলে কয়। মুখে মুখে শিক্ষা চলাৰ পিছত লিখাৰ পদ্ধতি আহিল, যিবোৰ আনুষ্ঠানিক শিক্ষানুষ্ঠানত ব্যৱহৃত হ'বলৈ ল'লে। তৃতীয় স্তৰত বিদ্যালয়ৰ মহলা অনুসৰি ভাগ কৰা হ'ল যিটো আধুনিক কালত প্ৰাথমিক, মজলীয়া, মাধ্যমিক, উচ্চ মাধ্যমিক, উচ্চতৰ মাধ্যমিক, মহাবিদ্যালয়, বিশ্ববিদ্যালয়ৰ ৰূপেৰে প্ৰতিভাত হৈছে। এই স্তৰত কম্পিউটাৰৰ ব্যৱহাৰো চলিল। অত্যাধুনিক কালত শিক্ষা ব্যৱস্থাত তথ্য-প্ৰযুক্তিৰ ব্যাপক ব্যৱহাৰ হৈছে, ডিজিটেল পদ্ধতিৰে আৰু দূৰ সংযোগ ব্যৱস্থাৰে শিক্ষক-শিক্ষাৰ্থী পোনপটীয়াকৈ মুখামুখি নহৈও শিক্ষা ল'ব পৰা হৈছে — এয়া হৈছে শিক্ষাৰ চতুৰ্থ স্তৰ। কিতাপৰ জ্ঞান কম্পিউটাৰ, ম'বাইল আৰু আন পদ্ধতিৰে যন্ত্ৰপাতিলৈ আহিল।

অসমৰ কথা বাদেই সমগ্ৰ ভাৰততে চতুৰ্থ স্তৰৰ শিক্ষা পদ্ধতি সীমিত হৈ আছে। প্ৰথম স্তৰৰ পৰা দ্বিতীয় স্তৰলৈ আহোতে হাজাৰ বছৰ লাগিছিল, সেইদৰে দ্বিতীয়ৰপৰা তৃতীয় স্তৰ পাওঁতেও হাজাৰ বছৰ অতিক্ৰম কৰিছিল; কিন্তু তৃতীয়ৰপৰা চতুৰ্থ স্তৰলৈ যাওঁতে শতাধিক বছৰো নেলাগিল। দেখা গৈছে যে এটা স্তৰৰ ভিতৰতো যিমানবোৰ পৰিৱৰ্তন ঘটিছে, সেইবোৰৰ গতি আধুনিক কালত অতি দ্ৰুত হৈছে। অৰ্থাৎ যোৱাটো শতিকাৰ মাজভাগৰপৰা শিক্ষাৰ প্ৰগতি অতি খৰতকীয়া হৈছে, ধ্যান-ধাৰণাৰো সঘনে পৰিৱৰ্তন হৈছে। এনে পৰিৱৰ্তনত অৱশ্যে সকলো শিক্ষানুষ্ঠানে সমানে সঁহাৰি জনাবলৈ সক্ষম হোৱা নাই।

অসমত ১৯০১ চনত স্থাপিত হোৱা কটন কলেজ আছিল সেই পৰ্যায়ৰ প্ৰথম শিক্ষানুষ্ঠান। তাৰ পিছত দ্বিতীয়খন কলেজ সন্দিকৈ ছোৱালী কলেজ হ'বলৈ ৰাইজে ডেৰকুৰিতকৈ অধিক বছৰ অপেক্ষা কৰিব লগা হ'ল। পঞ্চমখন কলেজ হিচাপে নগাঁও কলেজ স্থাপিত হয় ১৯৪৪ চনত। তাৰ পিছত নানা উঠা-নমাৰ মাজেৰে কলেজখনে গতি কৰিছিল, স্থাপনৰ আধাৰৰ পঞ্চম স্থানটো অসমৰ আন কলেজৰ তুলনাত ৰক্ষিত হৈছিল নে নাই সেয়া নিৰ্ণয় কৰা অৱশ্যে কঠিনেই আছিল। তথাপিও কেৱল মধ্য অসমতেই নহয় সমগ্ৰ অসমতেই নগাঁও কলেজৰ নাম আছিল। অধ্যক্ষসকলেও তদানীন্তন পৰিৱেশ-পৰিস্থিতিৰ আধাৰত কলেজখন উঠা-নমাৰ মাজেৰেই চলাই নিছিল।

বিশ্ববিদ্যালয় অনুদান আয়োগে ১৯৯৪ চনত 'নাক' দলৰ যোগেৰে ভাৰতৰ শিক্ষানুষ্ঠানবোৰ পৰিদৰ্শন কৰি বিভিন্ন দিশৰ উন্নয়নৰ আধাৰত 'গ্ৰেড' দিয়াৰ ব্যৱস্থা কৰে। $A^{++}$ ৰ পৰা C লৈ ক্ৰমানুসাৰে

নটা গ্ৰেড আছিল। ২০০৪ চনত অসমৰ ১৯০ খন মান কলেজ 'নাক' দলৰ সন্মুখীন হয়। কেৱল কটন কলেজে তৃতীয় গ্ৰেড A (৮৫% - ৯০%) পায়। সাতখন কলেজে $B^{++}$ (৮০%-৮৫%) গ্ৰেড পোৱাৰ বিপৰীতে নগাঁও কলেজে কোনোমতে $B^{+}$ (প্ৰায় ৭৬%, ৭৫-৮০% ত $B^{+}$) গ্ৰেড লাভ কৰে আৰু নগাঁও কলেজতকৈ বেছি পোৱা $B^{+}$ গ্ৰেডৰ কলেজ বহুত আছিল। অৰ্থাৎ নগাঁও কলেজৰ ষাঠি বছৰীয়া কালত (১৯৪৪-২০০৪ লৈ) কলেজখনৰ স্থান অসমৰ ভিতৰত কিমান আছিল তুলনা কৰাটো টান আছিল যদিও ২০০৪ চনৰ ইউ জি চিৰ পৰিদৰ্শনে দেখুৱাই দিলে যে সমগ্ৰ অসমৰ কলেজবোৰৰ তুলনাত নগাঁও কলেজৰ মানদণ্ডৰ যথেষ্ট অৱনতি ঘটিছে।

এনে সময়তে মই নগাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাপে যোগদান কৰিছিলোঁ। সেই সময়ত অসমৰ ১৮৯ খন ঘাটি মঞ্জুৰী প্ৰাপ্ত কলেজৰ ভিতৰত ৫৬ খনতেই আছিল ভাৰপ্ৰাপ্ত অধ্যক্ষ। ভাৰপ্ৰাপ্ত অধ্যক্ষৰ কাৰ্যকালৰ সীমাবদ্ধতা, প্ৰশাসনীয় অনভিজ্ঞতা, সহকৰ্মী সমপৰ্যায়ৰ প্ৰবক্তাসকলক নিয়ন্ত্ৰণ কৰাৰ অপাৰগতা আদি বিভিন্ন কাৰণত এওঁলোকে সুকলমে কলেজ চলাই উন্নতিৰ দিশলৈ আগুৱাই নিব নোৱাৰে। নগাঁও কলেজৰ ক্ষেত্ৰতেই মই অহাৰ আগতে অধিষ্ঠিত হোৱা ১২ জন অধ্যক্ষৰ মাত্ৰ ৪ জনহে স্থায়ী অধ্যক্ষ আছিল। চতুৰ্থজন স্থায়ী অধ্যক্ষৰপৰা মই যোগদান কৰাৰ (২০/১১/২০০৪) মাজৰ দুবছৰমানৰ ভিতৰতে ৪ জনে ভাৰপ্ৰাপ্ত অধ্যক্ষৰ দায়িত্ব লয়, যাৰ ভিতৰত ১১ দিনীয়া অধ্যক্ষও আছিল, সেইদৰে এমহীয়া, এবছৰীয়া অধ্যক্ষও আছিল। সংগত কাৰণতেই ব্যতিক্ৰম দুই-এটা বাদ দি বাকীসকলে ৰুটীন দায়িত্ব পালনৰ বাদে অন্য প্ৰগতিমূলক কাম কৰিবলৈ সময় নেপাইছিল। অন্যবোৰ কলেজৰ ক্ষেত্ৰতো কথাটো একেধৰণৰেই আছিল।

এইবোৰৰ পৰিপ্ৰেক্ষিতত ইউ জি চিয়ে সতৰ্কবাণী শুনালে যে স্থায়ী অধ্যক্ষ নেথাকিলে পুঁজিৰ আৱণ্টন নহ'ব। সেয়েহে চৰকাৰে কেন্দ্ৰীয়ভাৱে অধ্যক্ষ বাছনিৰ বাবে দুবাৰ সাক্ষাৎকাৰ লৈ আঢ়ৈশতকৈ অধিক প্ৰাৰ্থীৰ বাছনিৰে এখন তালিকা প্ৰস্তুত কৰিলে যিখনৰপৰা সংশ্লিষ্ট কলেজে বেলেগে সাক্ষাৎকাৰ লৈ স্থায়ী অধ্যক্ষৰ নিযুক্তি দিব লাগিব। তালিকাখনত মোৰ নাম চাৰি নম্বৰতে আছিল। পিছত নগাঁও কলেজত লোৱা সাক্ষাৎকাৰত মই প্ৰথম স্থান পাই নিযুক্তি পালোঁ। যিহেতু মই অৰুণাচলৰ চৰকাৰী কলেজত অধ্যাপনা কৰি আছিলোঁ আৰু নগাঁও কলেজ তেতিয়া চৰকাৰী নাছিল, সেয়েহে মই পূৰ্বৰ কলেজ এৰি আহিবলৈ এমাহমান অৰুণাচল চৰকাৰৰ লগত যুঁজিব লগা হৈছিল। আনহাতে নগাঁও কলেজৰো এটা শক্তিশালী চামে মোৰ ঠাইত দ্বিতীয়জনক দিয়াৰ ষড়যন্ত্ৰ কৰিছিল যদিও পৰিচালনা সমিতিৰ তদানীন্তন সভাপতি মন্ত্ৰী ৰকিবুল হুছেইনে প্ৰথমজনকেই নিযুক্তি দিয়াৰ পোষকতা কৰাত মই নিযুক্তি পালোঁ। তেতিয়ালৈকে হুছেইন ডাঙৰীয়াৰ লগত মোৰ চিনাকি হোৱা নাছিল।

অসমৰ প্ৰথম শাৰীৰ কলেজ হোৱা সত্বেও বিভিন্ন কাৰণত কলেজখন দুৰ্বল হৈ পৰিছিল। প্ৰশাসনিক, শৈক্ষিক, আন্তঃগাঁথনি, একাংশ ছাত্ৰ-ছাত্ৰীয়ে সৃষ্টি কৰা বিশৃংখলতা আদিৰ ক্ষেত্ৰত আদৰ্শ স্থানৰপৰা কলেজখন অৱনমিত হোৱা যেন লাগিছিল। তাৰ মাজতে এটা প্ৰশংসনীয় দিশ আছিল পৰীক্ষা অনুষ্ঠিত কৰাৰ বিষয়ত। বিদেশী বিতাড়ন আন্দোলনৰ সময়ত পৰীক্ষা ব্যৱস্থাত অহা শিথিলতাই নগাঁও কলেজকো স্পৰ্শ কৰিছিল। পিছে পূৰ্বৰ স্থায়ী অধ্যক্ষৰ দিনতেই এই ব্যৱস্থা পুনৰ কটকটীয়া হৈছিল আৰু পৰীক্ষাৰ এই সুন্দৰ ব্যৱস্থা মোৰ দিনৰপৰা আজিৰ তাৰিখলৈকে চলি আছে।

মই এইখন কলেজতে ১৯৬৮-৭১ চনৰ ভিতৰত অধ্যয়ন কৰি ৰসায়নৰ অনাৰ্চত আন এজনৰ লগতে প্ৰথম শ্ৰেণী পাইছিলোঁ; এই বিষয়ত প্ৰথম

শ্ৰেণী পোৱা কলেজত আমিয়েই প্ৰথম। ১৯৭১ চনৰ পৰা ২০০৪ চনলৈ এই প্ৰায় তেত্ৰিশ বছৰ কালত কলেজখনৰ আন্তঃগাঁথনিৰ বিশেষ পৰিৱৰ্তন হোৱা নাছিল। পুথিভঁৰালৰ তিনিমহলীয়া ঘৰ, উদ্ভিদ বিজ্ঞান আৰু প্ৰাণীবিজ্ঞানৰ অসম্পূৰ্ণ দুমহলীয়া ঘৰ, ক্ৰীড়াবিভাগৰ বাবে এটা-দুটা কোঠালিৰ ঘৰ ইত্যাদিয়েই আছিল ৩৩ বছৰৰ নতুন সংযোজন। ইয়াৰ পিছত চৰকাৰে বুনিয়াদ আঁচনিৰ নামত দিয়া ১০ লাখ টকাৰে প্ৰশাসনিক ভৱন হিচাপে দুমহলীয়া ঘৰ সজা হৈছিল ২০০৪ চনৰ আগে আগে।

আন্তঃগাঁথনিৰ দুৰাৱস্থাৰ বাবে অৱশ্যে কলেজ কৰ্তৃপক্ষৰ বিশেষ গাফিলতি নাই। প্ৰাদেশিকৃত হোৱাৰ আগতেই হওক বা পিছতেই হওক, চৰকাৰে চাকৰিয়ালসকলৰ দৰমহাৰ দায়িত্বহে লয়, আন্তঃগাঁথনি উন্নয়নৰ আৰু কলেজ পৰিচালনাৰ অন্য কামৰ বাবে ধন নিদিয়ে, ছাত্ৰ-ছাত্ৰীৰ মাচুলৰ একাংশৰ ওপৰতেই ভৰসা। ইউ জি চিয়ে এইবোৰ কামত যথেষ্ট ধন দিয়ে। পিছে মোৰ কাৰ্যকালৰ আৰম্ভণিতেই গুৱাহাটীত হোৱা ইউ জি চিৰ সভালৈ গৈ দেখা গ'ল যে নগাঁও কলেজ সমন্বিতে ১৯ খন কলেজক ইউ জি চিয়ে কৃষ্ণ তালিকাত (Black listed) অন্তৰ্ভুক্ত কৰি থৈছে। কলেজৰ ইউ জি চি ফাইলত এইবোৰৰ বিষয়ে একো নাছিল। অনুসন্ধান কৰি গম পোৱা গ'ল যে দশম আঁচনিৰপৰা লাভ কৰা ৪ লাখ টকাৰ হিচাপ নগাঁও কলেজে দিয়া নাই। লগে লগে কলেজৰপৰা হিচাপ দিয়া হ'ল আৰু সেই আঁচনিৰ বাকী ৭ লাখো কম সময়ৰ ভিতৰতে পাই নিয়ম অনুসাৰে খৰচ কৰা হ'ল।

অন্য কিছু কলেজে ইতিমধ্যেই বিভিন্ন অনুদান ইউ জি চিৰপৰা আনিছিল, নগাঁও কলেজহে এইক্ষেত্ৰত পিছপৰি ৰৈছিল। ধুমুহাৰ গতিৰে কাম কৰি কলেজলৈ বহু অনুদান অনা হ'ল, তাৰ ভিতৰত ছাত্ৰী নিবাসৰ বাবে এক কোটি টকাৰ অনুদান সেই সময়ৰ পৰিপ্ৰেক্ষিতত অতি উল্লেখযোগ্য আছিল, কাৰণ অন্য কোনো কলেজে সিমানখিনি ধনৰ মঞ্জুৰি পোৱা নাছিল। এইক্ষেত্ৰত অন্য কিছুৰ লগতে ৰসায়ন বিভাগৰ মুৰব্বী বলীন কুমাৰ ভূঞাৰ অৱদান শলাগিবলগীয়া।

মই কলেজত যোগদান কৰাৰ আগে আগে ছাত্ৰ একতা সভাৰ নিৰ্বাচনক লৈ গণ্ডগোল হৈছিল, স্কুটাৰ পৰ্যন্ত জ্বলিছিল। ছাত্ৰ-ছাত্ৰীসকলৰ ক্ষোভ প্ৰশমিত কৰি শান্ত পৰিৱেশ ঘূৰাই আনিবলৈ সোনকালেই সক্ষম হৈছিলোঁ। সেইদৰে কলেজ সপ্তাহ আৰু আন উপলক্ষে হোৱা সাংস্কৃতিক অনুষ্ঠানবোৰত বাহিৰৰ ল'ৰা-ছোৱালী আহি কলেজৰ পৰিৱেশ বিনষ্ট কৰিছিল; এশৰ ওচৰ ডেস্ক-বেঞ্চ-চকী আৰু দুৱাৰ-খিৰিকি প্ৰায় সকলোবোৰৰে আয়না ভঙাটো আছিল অৱধাৰিত। এইবোৰ বন্ধ কৰোতে এবছৰমান লাগিল, পিছলৈ কোনো ভঙা-ছিঙা হোৱা নাছিল। এইক্ষেত্ৰত কলেজৰ শিক্ষক-কৰ্মচাৰীসকলে অহোপুৰুষাৰ্থ চেষ্টাৰে অধ্যক্ষক সহায় কৰিছিল। বেছি ভাগ ছাত্ৰ-ছাত্ৰীয়েই কলেজৰ পৰিৱেশ সুস্থ হৈ থকাটো বিচাৰে বাবে কামটো আপেক্ষিকভাৱে সহজ হৈছিল।

নগাঁও কলেজৰ কাৰ্যালয়ৰ কাম-কাজবোৰ সুসংহত হৈ থকা নাছিল। বিভিন্ন নথি-পত্ৰ জমা হৈ থকা পুৰণি কোঠাটো খালী কৰা হৈছিল যদিও মই অহাৰ সময়ত প্ৰায় সকলোবোৰ নতুনকৈ সজা প্ৰশাসনীয় ভৱনত (বুনিয়াদী আঁচনিৰ ধনেৰে সজা) বাৰাণ্ডাত দ'মাই থোৱা হৈছিল। পুৰণি আলমাৰি ভাঙি গৈছিল, নথি-পত্ৰবোৰৰো এক বৃহৎ অংশ পোকে খাই নষ্ট কৰিছিল। সেইবোৰৰপৰা ভাল আৰু লাগতিয়াল নথি-পত্ৰবোৰ বাচি উলিওৱাৰ কামটোও মই নিজে কৰিব লগা হৈছিল। সেই সময়তে নষ্ট হোৱা নথিৰ বাবে পিছলৈ কলেজৰ কিছু অসুবিধাও হৈছিল।

প্ৰতিজন শিক্ষক-কৰ্মচাৰীৰ একোখন 'সেৱা-বহী' (Service-Book) থাকে। দেখা গৈছিল যে প্ৰায় সকলোৰে সেৱা বহীবোৰ তদানীন্তন তত্ত্বাৱধায়ক

সহকাৰী (SA) জনৰ দ্বাৰা ইচ্ছাকৃতভাৱে ভুলকৈ লিখা হৈছিল। ইয়াৰ বাবে অৱসৰৰ সময়ত একো অসুবিধা হোৱা নাছিল, কাৰণ তেতিয়া পেঞ্চনৰ ব্যৱস্থা নাছিল। সেৱা-বহীবোৰ এখন এখনকৈ কাৰ্যালয় সহকাৰীৰ হতুৱাই শুদ্ধ কৰাইছিলোঁ। পুৰণি নথি-পত্ৰৰ সংৰক্ষণ আৰু সেৱা-বহীৰ শুদ্ধকৰণে ২০০৭ চনৰ সময়ত চৰকাৰী পেঞ্চন দিয়াৰ কাৰ্যত যথেষ্ট সহায় কৰিছিল আৰু অসমৰ সকলো কলেজৰ ভিতৰত নগাঁও কলেজৰ সৰ্বাধিক শতাংশ শিক্ষক-কৰ্মচাৰীয়ে প্ৰথম বাৰতে পেঞ্চন লাভ কৰিছিল। কাৰ্যালয়ৰ গতানুগতিক কামবোৰত শৃংখলা অনা হৈছিল আৰু পিছলৈ কম্পিউটাৰ ব্যৱহাৰ কৰি হিচাপ ৰখাকে ধৰি সকলো কাম পৰিপাটী কৰা হৈছিল। নগাঁও কলেজ ২০০৫ চনৰ ডিচেম্বৰৰ আগলৈকে প্ৰাদেশিকৃত নহ'লৈও ধনৰ লেনদেনৰ নিয়মীয়া পৰীক্ষা হিচাপ পৰীক্ষকৰ হতুৱাই কৰোৱাতো বাধ্যতামূলক আছিল যদিও অজ্ঞাত কাৰণত ১৯৯৭ চনৰ পৰা ২০০৫ চনলৈ চৰকাৰীভাৱে হিচাপ পৰীক্ষা (Local Audit) কৰোৱা হোৱা নাছিল। অতি সোনকালেই তেনে পৰীক্ষাৰ ব্যৱস্থা কৰা হ'ল, অৱশ্যে দীঘলীয়া কালৰ হিচাপ কৰাত যথেষ্ট সময় লৈছিল। ইয়াৰ লগতে স্থানীয়ভাৱে প্ৰতি চাৰিমাহৰ অন্তৰে অন্তৰেও হিচাপ পৰীক্ষাৰ নিয়ম কৰি প্ৰতিবেদন পৰিচালনা সমিতিৰ সভাত আলোচনা কৰাৰ ব্যৱস্থা কৰা হ'ল।

কলেজখনত ভালেমান প্ৰবক্তা আৰু অনাশিক্ষক-কৰ্মচাৰীৰ পদ খালী হৈ আছিল। মই অহাৰ আগলৈকে খালী পদ পূৰণৰ বাবে সাক্ষাৎকাৰ, নিযুক্তি আদি পৰিচালনা সমিতিৰ তত্ত্বাৱধানতেই কৰিব পৰা আছিল। তৎসত্ত্বেও কৰ্তৃপক্ষৰ গাফিলতিৰ বাবে খালী হৈ থকা ছটা প্ৰবক্তাৰ পদ চৰকাৰে নগাঁও কলেজৰপৰা আঁতৰাই লৈ গ'ল। নিযুক্তিৰ নতুন নিয়ম মতে উচ্চ শিক্ষাধিকাৰৰপৰা আগতীয়া অনুমতি লোৱাকে ধৰি আন জটিলতাও সংযোগ কৰিলে। তথাপিও যথেষ্ট চেষ্টাৰ পিছত আৰু আগৰে পৰা খালী হৈ থকা পদবোৰত প্ৰবক্তা আৰু অনাশিক্ষক কৰ্মচাৰীৰ নিযুক্তিৰ ব্যৱস্থা কৰা হ'ল। অনাশিক্ষক কৰ্মচাৰীৰ কেবাজনেও অস্থায়ী ভিত্তিত ১০-১৫ বছৰ ধৰি কাম কৰি আছিল।

কলেজখনৰ গৰিষ্ঠসংখ্যক প্ৰবক্তাই আছিল গুণী, জ্ঞানী আৰু কৰ্মতৎপৰ। পিছে মই অনুভৱ কৰিছিলোঁ যে তেওঁলোকৰ কৰ্মোদ্যম আৰু প্ৰতিভাক ভালদৰে কামত লগোৱা হোৱা নাই। পাঁচ বছৰৰ মূৰত আহিব লগা 'নাক'ৰ পৰিদৰ্শনৰ ক্ষেত্ৰত এওঁলোকৰ গুণখিনি কামত লগালেহে ভাল গ্ৰেড পোৱা যাব। সেয়েহে কামবোৰ ভগাই দি প্ৰবক্তাসকলক নিজাববীয়াকৈ কাম কৰিবলৈও দিয়া হ'ল। আশা কৰা মতেই কলেজৰ প্ৰগতিৰ কামবোৰ আগবাঢ়িছিল। আশাৰ বতৰাটো আছিল, খালী হোৱা পদত সাক্ষাৎকাৰৰ যোগেদি নিযুক্তি দিয়া প্ৰবক্তাসকলৰ অধিকাংশই আছিল তৰুণ তেজেৰে উদ্বুদ্ধ, কাম জনা আৰু কাম কৰিবলৈ উন্মুখ ডেকা-গাভৰু। গতিকে সোণতে সুৱগা চ'ৰাৰ দৰে নতুনসকলৰ উপস্থিতিত কলেজৰ ৰূপ-জেউতি ক্ৰমান্বয়ে বৃদ্ধি হ'ব ধৰিলে। নক'লেও হ'ব যে প্ৰবক্তা আৰু অনাশিক্ষক কৰ্মচাৰীসকলৰ ভিতৰৰে মুষ্টিমেয় এচাম আছিল সকলোফালে কৰ্মবিমুখ, এইসকলকো অৱশ্যে কিছু কামত লগোৱা হৈছিল। প্ৰবক্তা আৰু কৰ্মচাৰীৰ অনুপ্ৰেৰণাত ছাত্ৰ-ছাত্ৰীসকলেও নিজৰ আৰু কলেজৰ উন্নতিৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰিবলৈ লৈছিল।

শিক্ষা ব্যৱস্থাৰ অগ্ৰগতিৰ লগত খাপ খুৱাই প্ৰবক্তাসকলে শৈক্ষিক আৰু আন দিশত চাকৰিকালতে উত্তৰণ ঘটোৱাটো ইউ জি চিয়ে বিচাৰিছিল। এম ফিল, পি এইচ ডি ডিগ্ৰী লোৱা, অ'ৰিয়েণ্টেচন, ৰিফ্ৰেচাৰ ক'ৰ্চ আদি কৰা, গৱেষণামূলক গ্ৰন্থ আৰু পেপাৰ উন্নত মানৰ আলোচনীত প্ৰকাশ কৰা, চেমিনাৰ, কৰ্মশালা আদিত

অংশ লোৱাকে ধৰি বিভিন্ন উত্তৰণমূলক কাম কৰিবলৈ অধ্যক্ষৰ ফালৰপৰা উৎসাহ প্ৰদান কৰা হৈছিল। ইয়াৰ বাবে ছাত্ৰ-ছাত্ৰীৰ শিক্ষাত কুপ্ৰভাৱ নপৰাকৈ ছুটীৰ ব্যৱস্থা কৰাটো আছিল প্ৰত্যাহ্বানমূলক। এইবোৰৰ সঞ্চালনিকৈ ব্যৱস্থা কৰাৰ বাবেই অভিলেখ সংখ্যক শৈক্ষিক আৰু আন ক্ষেত্ৰত আত্মোন্নতি কৰিব পাৰিছিল। ইয়াৰ লগতে কলেজখনৰ ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰবক্তা নাৰায়ণ কোঁৱৰে সৰ্বভাৰতীয় অসামৰিক সেৱাৰ পৰীক্ষাত ১১৯ নং স্থান লাভ কৰাৰ কথাটোও উল্লেখ কৰিব পাৰি। প্ৰস্তুতিৰ বাবে অধ্যক্ষৰ ফালৰপৰা তেওঁক পাৰ্যমানে সুবিধা কৰি দিয়া হৈছিল।

মই যোগদান কৰাৰ আগতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত দূৰ সংযোগী পাঠ্যক্ৰমেৰে অনানুষ্ঠানিকভাৱে স্নাতকোত্তৰ পৰীক্ষা দিব পৰা IDOL ৰ ব্যৱস্থা আছিল নগাঁও কলেজতো। অৱশ্যে বিভাগটো বৰ নিশকতীয়া আছিল। পিছত চেনিৰাম বৈদ্যক আইডলৰ ভাৰ দিয়াত ইয়াৰ দ্ৰুতগতিত প্ৰসাৰ হ'বলৈ ধৰিলে। একেদৰে ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় মুক্ত বিশ্ববিদ্যালয়ৰ নগাঁও কলেজৰ শাখাটো ড° শৰৎ বৰকটকীৰ সুযোগ্য পৰিচালনাত ঠন ধৰি উঠিছিল। মোৰ কাৰ্যকালৰ সময়ত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ শাখা কলেজত নতুনকৈ খোলা হৈছিল আৰু ইয়াৰ দায়িত্ব দিয়া হৈছিল ৰঞ্জিত মজিন্দাৰক। তেওঁৰ দক্ষ পৰিচালনাত এইটো শাখাও জাকত-জিলিকা হ'ল। উল্লেখ কৰিব পাৰি যে আইডল আৰু ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ নগাঁও কলেজৰ শাখা দুটাই সংশ্লিষ্ট বিশ্ববিদ্যালয়কেইখনৰ পিছতেই সৰ্ববৃহৎ হিচাপে স্থান লাভ কৰিবলৈ সক্ষম হৈছে। ইগন'ও ৰাজ্যৰ ভিতৰতে লেখত ল'বলগীয়া শাখা। এই শাখা তিনিটা বৰ্তমান কলেজখনৰ উপাৰ্জনৰো ভাল উৎস।

এটা আচৰিত হ'বলগীয়া কথা আছিল কলেজখন অতি পুৰণি হোৱা সত্বেও 'বিকল্প ইংৰাজী'কে ধৰি কেবাটাও বিষয় শিক্ষা সংসদ আৰু গুৱাহাটী বিশ্ববিদ্যালয়ত সহযোগীকৰণ (Affiliation) হোৱা নাছিল, যাৰ কাৰণে ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাৰ প্ৰ-পত্ৰ পূৰণ কৰাৰ সময়ত অতিৰিক্ত মাচুল ভৰিব লগা হৈছিল। এয়া অৱশ্যে পূৰ্বৰ কলেজ কৰ্তৃপক্ষৰে গাফিলতি। তৎকালেই সহযোগীকৰণৰ বাবে লাগতিয়াল কামবোৰ কৰা হ'ল। একেদৰে ১৯৯১ চনৰে পৰা নগাঁও কলেজত অসমীয়া বিভাগত স্নাতকোত্তৰ শ্ৰেণী চলিছিল যদিও ইয়াৰ সহযোগীকৰণ বাদেই স্বীকৃতিও নাছিল। এই কামটোও প্ৰায় লগে লগে কৰা হ'ল। মোৰ কাৰ্যকালৰ সময়তে উদ্ভিদবিদ্যাৰ স্নাতকোত্তৰ শ্ৰেণীৰ বাবে বিশ্ববিদ্যালয়ৰ সন্মতি লাভ কৰা হৈছিল, ইয়াৰ লগতে বুৰঞ্জী আৰু ৰসায়ন বিভাগতো স্নাতকোত্তৰ শ্ৰেণী আৰম্ভ কৰাৰ যো-জা চলিছিল। স্নাতক পৰ্যায়ত জৈৱ প্ৰযুক্তিবিদ্যা, ভ্ৰমণ-পৰ্যটন পৰিচালনা, কম্পিউটাৰ বিজ্ঞান আদি বিভাগ নতুনকৈ খুলি সেইবোৰত কলেজৰ ফালৰপৰা অস্থায়ী প্ৰবক্তা নিয়োগ কৰা হয়। সেইদৰে মাটি-পানীৰ বিশ্লেষণ, ভ্ৰমণ-পৰ্যটন পৰিচালনা, কাঠফুলা উৎপাদন আদি কেবাটাও বৃত্তিমূলক পাঠ্যক্ৰম চলোৱা হৈছিল। কেৰিয়াৰ-গাইডেন্স চেলৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলক ভৱিষ্যতৰ কৰ্ম সংস্থানৰ বিষয়ে নিৰ্দেশনা দিয়াৰ ব্যৱস্থা কৰা হৈছিল।

নগাঁও কলেজৰ পুথিভঁৰালটো যথেষ্ট বুজন আকৃতিৰ। ইয়াতো কিতাপৰ সংখ্যা ৩০ হেজাৰৰ পৰা দুগুণৰ বেছি কৰা হৈছিল মোৰ কাৰ্যকালৰ ভিতৰত। পুথিভঁৰালীজন কম্পিউটাৰৰ বিষয়ত অভিজ্ঞ আছিল যদিও স্বয়ংক্ৰিয় ব্যৱস্থাবোৰ পুথিভঁৰালত সঠিক প্ৰয়োগ নোহোৱাৰ বাবে ২০০৪ চনৰ নাকৰ দল অসন্তুষ্ট হৈছিল। মোৰ কাৰ্যকালৰ ভিতৰত পুথিভঁৰালী আৰু নতুনকৈ নিয়োগ কৰা সহকাৰী পুথিভঁৰালীৰ সহযোগত পুথিভঁৰালটো স্বয়ংক্ৰিয় আৰু আন ব্যৱস্থাৰে জাকত-জিলিকা কৰা হৈছিল, যিখিনিৰ বাবে পিছৰ নাক পৰিদৰ্শনত যথেষ্ট

উচ্চ নম্বৰ পোৱা গৈছিল।

২০০৪ চনৰ পিছত শৈক্ষিক দিশত কলেজৰ ফলাফলত ক্ৰমাগতভাৱে উন্নতি হৈছিল। পূৰ্বতে কেইজনমানে স্নাতকৰ মেজৰত প্ৰথম শ্ৰেণী পোৱাৰ বিপৰীতে ২০১১ চনত ৮০ জনে প্ৰথম শ্ৰেণী পাইছিল, তাৰে ভিতৰত ৫০ জনে ডিষ্টিংশ্যনো পাইছিল। ক্ৰমোন্নতিৰ এই ধাৰা পিছলৈও তীব্ৰগতিত প্ৰবাহিত হৈছিল। শৈক্ষিক দিশৰ লগতে খেলা-ধূলা, নৃত্য-গীত, শিল্প আদি বিভিন্ন বিষয়ত ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিভাৰ স্বাক্ষৰ ৰাখিব পাৰিছিল। কলেজখনৰ ছাত্ৰ-ছাত্ৰীয়ে পিছত বিশ্ববিদ্যালয়তো উন্নত স্থানেৰে নাম উজলাইছিল। কলেজখনত বিজ্ঞান, কলা আৰু বাণিজ্যৰ তিনিটা শাখা আছে। প্ৰতিবছৰেই বিশ্ববিদ্যালয়ৰ পৰীক্ষাৰ আধাৰত শাখাবোৰে সকলো কলেজৰ ভিতৰত প্ৰথমৰ পঞ্চম স্থান পাইছিল। অৰ্থাৎ তিনিওটা শাখাই উল্লেখনীয় সফলতা দেখুৱাইছিল।

কলেজত এটা দুমহলীয়া ছাত্ৰাবাস আৰু এটা সৰু ছাত্ৰীনিবাস আছিল। ছাত্ৰাবাসত ল'ৰা প্ৰায় নথকাৰ বাবে ইয়াৰ অপব্যৱহাৰ হৈছিল। আনহাতে ছাত্ৰীৰ বাবে আবাসৰ প্ৰয়োজনীয়তা বেছি আছিল। সেয়েহে পৰিচালনা সমিতিয়ে ছাত্ৰাবাসটো থান-থিত লগাই ছাত্ৰী নিবাসলৈ পৰিৱৰ্তিত কৰিলে। ইয়াৰ ওপৰত তৃতীয় মহলাটোও সজাত এশৰো অধিক ছাত্ৰী থাকিব পৰা হ'লগৈ। প্ৰভাত পাটৰ ছাত্ৰাবাসটো অসম আন্দোলনৰ এটি কেন্দ্ৰস্থল আছিল বাবে এই পৰিৱৰ্তনত বহুতেই আপত্তি কৰিছিল যদিও অপব্যৱহাৰতকৈ সঠিক ব্যৱহাৰৰ কাৰ্যকাৰিতা আধাৰত আপত্তি গৃহীত নহ'ল। ইউ জি চিৰ অনুদানেৰে সজা তিনিমহলীয়া ভৱনৰো একাংশ ছাত্ৰী নিবাস হিচাপে ব্যৱহৃত হ'ল প্ৰয়োজনীয়তাৰ আধাৰত।

যোৱাটো শতিকাৰ শেহভাগতেই কলেজত এটা ডাঙৰ প্ৰেক্ষাগৃহ নিৰ্মাণৰ যো-জা চলিছিল। পিছে তলৰ গাঁথনি আৰু বেৰ আৰম্ভ কৰাতেই কাম সীমিত হৈ ৰৈছিল। পৰিচালনা সমিতিৰ তদানীন্তন সভাপতি ৰকিবুল হুছেইনৰ তৎপৰতাত ৭০০ দৰ্শক বহিব পৰা পিছফালে বেলকনি থকা বৃহৎ প্ৰেক্ষাগৃহটো সাজি উলিওৱা হয়। হুছেইন ডাঙৰীয়াই নিৰ্মাণৰ ধন সংগ্ৰহত বিশেষভাৱে সহায় কৰিছিল। প্ৰেক্ষাগৃহটো শ্বহীদ অনিল বৰাৰ নামত উছৰ্গা কৰা হয়। সেইদৰে বুনিয়াদ আঁচনিৰ ধনেৰে নিৰ্মাণ কৰা গৃহৰ দ্বিতীয় মহলাৰ কাম শেষ কৰাৰ লগতে কলেজৰ ধনেৰে তৃতীয় মহলা নিৰ্মাণ কৰি প্ৰতিষ্ঠাপক অধ্যক্ষ যজ্ঞেশ্বৰ শৰ্মাৰ নাম দিয়া হয়। প্ৰথম মহলাত অধ্যক্ষৰ কোঠাৰ লগতে চেমিনাৰ কোঠাও সজা হয়। অনিল বৰা প্ৰেক্ষাগৃহ উদ্বোধন কৰিবলৈ তদানীন্তন মুখ্য মন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়া আহিছিল। সদৌ অসম শিক্ষক সন্থাৰ অধিৱেশনতো দ্বিতীয়বাৰৰ বাবে মুখ্য মন্ত্ৰীয়ে কলেজত পদাৰ্পণ কৰিছিল। মোৰ কাৰ্যকালত পৰিচালনা সমিতিৰ আনজন সভাপতি হৈছিল শ্ৰীযুত আলোক গোস্বামী। এখেতেও কলেজখনৰ উন্নয়নৰ বাবে নানা দিহা-পৰামৰ্শ দি সহায় কৰিছিল।

আগতে কোৱাৰ দৰে কলেজ একোখনৰ সৰ্বাংগীণ উন্নতিৰ মানদণ্ড তথা তুলনামূলক বিচাৰ হ'বলৈ লৈছে ইউ জি চিৰ দ্বাৰা প্ৰেৰিত নাকৰ মূল্যায়নৰ যোগেদি। ২০০৪ চনত হোৱা মূল্যায়নৰ পিছত পুনৰ মূল্যায়নৰ বাবে প্ৰতিবছৰে স্বাধ্যয়ন প্ৰতিবেদন (Self Study Report, SSR) 'নাক'লৈ পঠাব লাগে। এই কাম প্ৰথমে গুণ শইকীয়াই আন বহুতৰ সহায়ত সুচাৰুৰূপে কৰিছিল। পিছলৈ ড° বলীন কুমাৰ ভূঞাই IQ AC ৰ সমন্বয়ক হিচাপে এই দায়িত্ব লৈছিল। নাকৰ পৰিদৰ্শনৰ বাবে সকলো ধৰণৰ প্ৰস্তুতি চলোৱা হৈছিল, আনকি 'আৰ্হি নাক দল' এটা গঠন কৰি বিভাগবোৰ, কাৰ্যালয়, পুথিভঁৰাল, ছাত্ৰীনিবাস আদি সকলোতে গৈ সম্ভাব্য প্ৰশ্নবোৰ আলোচনা কৰা হৈছিল। অভিভাৱকসকলৰ লগত যোগাযোগ, আদৰ্শ গাঁও স্থাপন, প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সভা পতা

আদি কৰা হৈছিল। সকলোবোৰ তথ্য-পাতি প্ৰথমে ডিজিটেল ব্যৱস্থাৰে 'নাক' দলক সমন্বয়কে দেখুৱাইছিল। তাৰপিছত অধ্যক্ষৰ লগত নাকৰ আলোচনা চলিছিল আৰু এই আলোচনাই 'নাক' দলক বাৰুকৈয়ে প্ৰভাৱান্বিত কৰিছিল। অধ্যাপক অৰবিন্দ কুমাৰ দাস, অধ্যক্ষ, অধ্যাপক কে কে চিথাম্মা, সদস্য সমন্বয়ক আৰু ড° আৰ গংগা, সদস্যৰে গঠিত 'নাক' দলে নগাঁও কলেজক ৩.১৮ পইণ্টেৰে "A" গ্ৰেড প্ৰদান কৰে। ২০০৪ চনত ন স্তৰীয় গ্ৰেড ব্যৱস্থাত নগাঁও কলেজে কোনোমতে পঞ্চম স্তৰৰ গ্ৰেড পোৱাৰ বিপৰীতে ২০১১ চনৰ (১০-১২ মাৰ্চত পৰিদৰ্শন) মূল্যায়নত কলেজখনে চাৰিস্তৰীয় গ্ৰেড ব্যৱস্থাত সৰ্বোচ্চ "A" গ্ৰেড লাভ কৰে। উল্লেখযোগ্য কথাটো হ'ল নাকৰ দ্বিতীয় মূল্যায়নত সাতখন কলেজে "A" গ্ৰেড পালেও পইণ্টৰ হিচাপত নগাঁও কলেজ কটন কলেজৰ পিছতেই দ্বিতীয় স্থানলৈ আহিল। অৰ্থাৎ ঐতিহ্যমণ্ডিত নগাঁও কলেজে শৈক্ষিক, প্ৰশাসনিক, আন্তঃগাঁথনি, শিক্ষক-ছাত্ৰ-অভিভাৱকৰ সম্বন্ধ, পুথিভঁৰাল, সমাজৰ লগত সম্বন্ধ, অধ্যক্ষৰ পাৰদৰ্শিতা, শিক্ষকৰ আত্মোন্নয়ন ইত্যাদি নানা দিশৰ পৰিপ্ৰেক্ষিতত অসমৰ ভিতৰতে দ্বিতীয় স্থান লাভ কৰিবলৈ সক্ষম হৈছে। মূল্যায়নত অধ্যক্ষৰ পাৰদৰ্শিতাৰ ভাগত সকলোতকৈ বেছি নম্বৰ পোৱা গৈছিল।

খতিয়ান চমুকৈ তলত উল্লেখ কৰা হ'ল —

**ক) আন্তঃগাঁথনিৰ উন্নয়ন ঃ**

(১) বুনিয়াদ আঁচনিৰ অধীনত সজা শৈক্ষিক-প্ৰশাসনিক ভৱনৰ দ্বিতীয় মহলাৰ সম্পূৰ্ণকৰণ আৰু ২০০ জন দৰ্শক বহিব পৰা চেমিনাৰ হল তৃতীয় মহলাত নতুনকৈ নিৰ্মাণ কৰি যজ্ঞেশ্বৰ শৰ্মাৰ নামত উছৰ্গা, (২) শীতাতপ নিয়ন্ত্ৰিত অধ্যক্ষৰ কোঠা আৰু চেমিনাৰ কোঠাৰ নিৰ্মাণ, (৩) ৭০০ দৰ্শক বহিব পৰা শব্দ নিয়ন্ত্ৰিত শ্বহীদ অনিল বৰা প্ৰেক্ষাগৃহ নিৰ্মাণ, (৪) ৩০০০ বৰ্গফুটতকৈ অধিক মজিয়াৰ কালি বিশিষ্ট তিনিমহলীয়া ছাত্ৰী নিবাস নিৰ্মাণ আৰু মুখ্যমন্ত্ৰীৰ দ্বাৰা উদ্বোধন, (৫) উদ্ভিদ বিজ্ঞান বিভাগৰ বাবে সেউজ গৃহৰ প্ৰতিষ্ঠা, (৬) ছটাকৈ ডিজিটেল শ্ৰেণী কোঠা স্থাপন। ২৫ টা মান শ্ৰেণীকোঠাত প্ৰদূষণমুক্ত সেউজ লিখন ফলক (Green Board) ৰ সংযোজন, (৭) মহাবিদ্যালয় চৌহদৰ অধিকাংশ স্থানতে পকী ৰাস্তাৰ নিৰ্মাণ, (৮) শ্ৰেণী কোঠা আৰু পৰীক্ষাগাৰসমূহৰ নবীকৰণ, (৯) দুটা কম্পিউটাৰ পৰীক্ষাগাৰৰ নিৰ্মাণ, (১০) ২০০৪ চনত থকা ৫ টা কম্পিউটাৰৰ সংখ্যা ২০১১ চনৰ ৬০ টালৈকে বৃদ্ধি, (১১) কেন্দ্ৰীয় পুথিভঁৰালত চিচি টিভি, ডিজিটেল ব্যৱস্থা, জেৰক্স মেচিন আদি স্থাপনেৰে নবীকৰণ। গ্ৰন্থৰ সংখ্যা দুগুণলৈ বৃদ্ধি, (১২) গাণনিক আৰু প্ৰশাসনীয় ব্যৱস্থাত কম্পিউটাৰৰ ব্যাপক ব্যৱহাৰ, (১৩) নতুনকৈ জৈৱ-প্ৰযুক্তিবিদ্যাৰ পৰীক্ষাগাৰ আৰু জৈৱ-প্ৰযুক্তি স্নায়ুকেন্দ্ৰ (Biotechnology Hub) নিৰ্মাণ, (১৪) বিভাগীয় কোঠাবোৰৰ সুসজ্জিতকৰণ, বিভাগীয় পুথিভঁৰালৰ ব্যৱস্থা স্থাপন, (১৫) ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-কৰ্মচাৰীৰ বাবে আছুতীয়াকৈ শুদ্ধ পান জলৰ ব্যৱস্থা, (১৬) সম্পূৰ্ণ সুসজ্জিত ছাত্ৰী জিৰণি কোঠাৰ নিৰ্মাণ, (১৭) ইণ্টাৰনেট আৰু ৱাই-ফাইৰ সুবিধা কলেজ পৰিয়ালৰ সকলোলৈকে বিনামূলীয়াকৈ প্ৰদান, (১৮) শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ বাবে অত্যাধুনিক সা-সুবিধাযুক্ত প্ৰসাধন কক্ষ নিৰ্মাণ, (১৯) ছাত্ৰী নিবাসৰ তৃতীয় মহলা নিৰ্মাণেৰে সা-সুবিধা বৃদ্ধি, (২০) দুখনকৈ নতুন কেণ্টিন স্থাপন, (২১) নতুনকৈ বৃক্ষৰোপণেৰে চৌহদৰ সামগ্ৰিক পৰিৱেশৰ সৌন্দৰ্যবৰ্দ্ধন, (২২) আছুতীয়াকৈ কাৰ, চাইকেল আৰু মটৰ চাইকেল ৰখাৰ ব্যৱস্থা স্থাপন, (২৩) চাৰিটাকৈ ডিজেল জেনেৰেটৰ স্থাপন কৰি বিজুলী প্ৰবাহ নিৰবচ্ছিন্নভাৱে চলাই ৰখা, পুথিভঁৰালত আছুতীয়াকৈ এই ব্যৱস্থা দিয়া, (২৪) ১৮ কেভি ট্ৰেন্সফৰ্মাৰ আঁতৰাই ১০০ কেভি শক্তিৰ

ট্ৰেন্সফৰ্মাৰ স্থাপন, (২৫) নতুনকৈ গেট নিৰ্মাণ, (২৬) কম্পিউটাৰ আৰু কেইটামান পৰীক্ষাগাৰৰ লগতে বিভাগ কেইটামানত শীতাতপ নিয়ন্ত্ৰণৰ ব্যৱস্থা, (২৭) চৌহদৰ সকলো ঠাইৰপৰা শুনিব পৰাকৈ বিজুলী ঘণ্টা স্থাপন, (২৮) ছাত্ৰী নিবাসৰ আছুতীয়া অংশত দুটা অতিথি গৃহৰ ব্যৱস্থা, (২৯) কলেজৰ ভূমিত হোৱা বেদখলৰ মুক্তকৰণ, (৩০) শ্বহীদ বেদী আৰু পতাকা উত্তোলন স্থানৰ নবীকৰণ ইত্যাদি।

**খ) প্ৰশাসনিক সংস্কাৰ ঃ**

(১) ফাইল যোগাযোগ ব্যৱস্থাৰ সংস্কাৰ, (২) নথি-সংৰক্ষণৰ সু-ব্যৱস্থা আৰু স্বয়ংক্ৰিয় ব্যৱস্থাৰ প্ৰৱৰ্তন, (৩) গণনা ব্যৱস্থাত সম্পূৰ্ণৰূপে কম্পিউটাৰৰ ব্যৱহাৰ আৰু খৰচ-পাতিৰ নিয়মীয়া হিচাপ পৰীক্ষাৰ ব্যৱস্থা, ১৯৯৭ ৰ পৰা ২০১১ লৈ খৰচৰ চৰকাৰী হিচাপ পৰীক্ষকৰ দ্বাৰা পৰীক্ষা কৰা, (৪) সেৱা-বহীৰ নবীকৰণ আৰু নিয়মীয়াকৰণ, (৫) খালী হৈ থকা পদসমূহ পূৰণ কৰা ইত্যাদি।

**গ) শৈক্ষিক উন্নয়ন ঃ**

(১) শিক্ষান্ত পৰীক্ষাৰ ফলাফলৰ উন্নীতকৰণ, (২) বৰ্ধিত ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ জোৰা মাৰিবলৈ অংশকালীন প্ৰবক্তাৰ নিযুক্তি; কাৰণ ১৯৯৭ চনৰ পিছত চৰকাৰে কোনো নতুন স্থায়ী পদৰ সৃষ্টি কৰা নাছিল, (৩) জৈৱ-প্ৰযুক্তিবিদ্যা, ভ্ৰমণ আৰু পৰ্যটন পৰিচালনা, কম্পিউটাৰ বিজ্ঞান আদি নতুন বিভাগ স্থাপন, (৪) বিভিন্ন বিষয়ৰ বাধ্যতামূলক সহযোগীকৰণৰ ব্যৱস্থা, (৫) অসমীয়া বিভাগৰ স্নাতকোত্তৰ শ্ৰেণীৰ সহযোগীকৰণ আৰু স্বীকৃতিৰ ব্যৱস্থা, (৬) উদ্ভিদ বিজ্ঞানত স্নাতকোত্তৰ খোলাৰ অনুমতি লাভ, আন বিষয়তো এনে শ্ৰেণী খোলাৰ প্ৰচেষ্টা, (৭) আইডল, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় আৰু ইগন'উৰ শাখাৰ উন্নীতকৰণ, (৮) বৃত্তিমূলক বিষয়ৰ শিক্ষাৰ প্ৰচলন, (৯) ১২ টা বিভাগৰ মুৰব্বী সমন্বিতে শৈক্ষিক সমিতি গঠন, এই সমিতিয়ে কলেজৰ শৈক্ষিক দিশৰ নিৰীক্ষণ কৰি দিয়া প্ৰয়োজনীয় উন্নীতকৰণৰ দিহা-পৰামৰ্শ, (১০) পাঠ-আঁচনি, পাঠ্যক্ৰম আগবঢ়া আৰু শ্ৰেণীত পঢ়ুৱাৰ হিচাপ 'লগ বুক' আদিৰ প্ৰচলন, (১১) শিক্ষক-কৰ্মচাৰী বছেৰেকীয়া প্ৰতিবেদন প্ৰদানৰ নিয়মীয়াকৰণ, (১২) বিভাগীয় পুথিভঁৰালৰ নবীকৰণ, অসমীয়া বিভাগৰ যাদুঘৰৰ উন্নীতকৰণ, (১৩) নিয়মীয়াভাৱে বিভাগীয় চেমিনাৰৰ আয়োজন, ইউ জি চি আৰু আন সাহায্যৰে ৰাষ্ট্ৰীয় পৰ্যায়ৰ চেমিনাৰ, কৰ্মশালা আদিৰ ব্যৱস্থা, বিশিষ্ট পণ্ডিতক নিমন্ত্ৰণ কৰি বক্তৃতা প্ৰদান, যজ্ঞেশ্বৰ শৰ্মা আৰু আন সোঁৱৰণী বক্তৃতাৰ আয়োজন ইত্যাদি। বিদেশী পণ্ডিত মিলিগানে প্ৰাণীবিজ্ঞান বিভাগৰ যোগেদি বক্তৃতা প্ৰদান কৰাৰ উদাহৰণ কলেজত প্ৰথম, (১৪) শ্ৰেণীবোৰ নিয়মিতভাৱে অনুষ্ঠিত কৰাত গুৰুত্ব দিয়াৰ বাবে পৰীক্ষাৰ ফলাফলৰ উত্তৰোত্তৰ উন্নতি সাধন হৈছিল, (১৫) কৰ্ম সংস্থাপন সম্পৰ্কে উপদেশ প্ৰদান ইত্যাদি।

**ঘ) ইউ জি চি আৰু অন্যান্য উৎসৰ পৰা পোৱা উল্লেখনীয় অনুদান ঃ**

(১) ছাত্ৰী নিবাসৰ বাবে ইউ জি চিৰপৰা এক কোটি টকাৰ অনুদান, (২) একাদশ বিত্তীয় আঁচনিত ইউ জি চিৰ ১.১১ টকাৰ অনুমোদন, ইয়াৰে অংশ হিচাপে প্ৰাপ্ত ৪০ লাখৰ ব্যৱহাৰ, (৩) বিজ্ঞান শাখাৰ বাবে ডিএচ টিৰ পৰা ৫০ লাখ টকা, (৪) জৈৱ-প্ৰযুক্তি স্নায়ুকেন্দ্ৰৰ বাবে ২৭ লাখ টকা, (৫) কম্পিউটাৰ পৰীক্ষাগাৰ নিৰ্মাণৰ বাবে ১০ লাখ টকা, (৬) আভ্যন্তৰীণ ক্ৰীড়াকেন্দ্ৰৰ বাবে ৯৫ লাখৰ অনুমোদন, এই নিৰ্মাণৰ কাম আৰম্ভ হৈছিল, (৭) তিনিটা বৃত্তিমূলক বিষয়ৰ বাবে ধনৰ অনুমোদন ইত্যাদি।

**ঙ) অন্যান্য ঃ**

(১) গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্তঃকলেজ ক্ৰিকেট

প্ৰতিযোগিতা ২০০৮ সফলতাৰে অনুষ্ঠিত কৰা হৈছিল, (২) সদৌ অসম কলেজ শিক্ষক সন্থাৰ অধিৱেশন ২০১০ চনত শিক্ষকৰ উদ্যোগত, (৩) আদৰ্শ হিচাপে বেৱেজীয়াৰ ওচৰৰ এখন গাঁও লৈ উন্নীতকৰণৰ চেষ্টা কৰা হৈছিল। ইত্যাদি।

প্ৰায়বোৰ দিশতে পূৰ্বৰ তুলনাত কলেজখনে ক্ষিপ্ৰভাৱে উন্নয়নৰ দিশত অগ্ৰসৰ হোৱাৰ বাবে চৰকাৰে মোৰ কাৰ্যকাল ছমাহৰ বাবে ৩১/১২/২০১১ লৈ বৃদ্ধি কৰিছিল। বিভিন্ন দিশত অগ্ৰগতি হ'লেও কিছুমান বিষয়ত দুৰ্বলতাও থাকি গ'ল। ইয়াৰ ভিতৰত কেইটামান হৈছে এনেধৰণৰ —

(১) উচ্চতৰ মাধ্যমিক শাখাটো স্নাতক কলেজৰ লগত সাঙুৰি থকাটো ইউ জি চিয়ে নিবিচাৰে আৰু তাৰ বাবে চৰকাৰেও অতিৰিক্ত শিক্ষক নিদিয়ে। বিভিন্ন কাৰণত এই শাখাটোৰ উন্নতি সন্তোষজনক নহয়।

(২) অভিভাৱক আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ অৱিহণা তথা সহযোগ আদায়ৰ ক্ষেত্ৰত দুৰ্বলতা থাকি গৈছে।

(৩) ছাত্ৰ-ছাত্ৰীৰ খেলা-ধূলাৰ বাবে পৰ্যাপ্ত সা-সুবিধা দিয়া হোৱা নাই; থকাখিনিৰো সদ্ব্যৱহাৰ হোৱা নাছিল।

(৪) কলেজৰ শিক্ষাদান তথা বহুমুখী উন্নয়নৰ ক্ষেত্ৰত এচাম মুষ্টিমেয় শিক্ষক-কৰ্মচাৰীৰপৰা আশা কৰা ধৰণে সহযোগ পোৱা নগ'ল।।

(৫) বৃত্তিমূলক শিক্ষা অধিক কাৰ্যকৰী কৰাৰ দৰকাৰ ইত্যাদি।

কলেজৰ পৰিচালনাত উপাধ্যক্ষগৰাকীৰ অৱদান অনস্বীকাৰ্য। এইক্ষেত্ৰত উপাধ্যক্ষ বিপুল কটকীৰ নাম বিশেষভাৱে উল্লেখ কৰিব পাৰি। তেওঁ উপাধ্যক্ষ হৈ থকা কালত শৈক্ষিক দিশত অধ্যক্ষই চকু নিদিলেও চলিছিল। পূৰ্বতেই লিখাৰ দৰে বেছিভাগ শিক্ষক-কৰ্মচাৰীয়েই কলেজৰ উন্নয়নত সহায় কৰিছিল। তাৰ ভিতৰত থাউকতে কেইজমান জ্যেষ্ঠ অধ্যাপকৰ নামোল্লেখ কৰিছোঁ — বলিন শইকীয়া, হলি হাজৰিকা, বিভা গোস্বামী, কৃষ্ণকান্ত মেধি, অসীমা দে, দিলীপ শৰ্মা, গুণ শইকীয়া, চিৰাজুল ইছলাম (বুৰঞ্জী), লীৰা নেওগ, গিৰিকান্ত গোস্বামী, ললিত গগৈ ইত্যাদি। কিছু কনিষ্ঠ আৰু একেবাৰে নৱাগতসকলৰো বেছিভাগৰে নাম আচলতে উল্লেখনীয়; ইয়াৰ লগতে ওপৰত নাম দিয়াসকলৰ বাদেও আন সহযোগী বহুতে আছে। এনেধৰণে নাম লোৱাৰ ক্ৰম সহযোগিতাৰ পৰিমাণৰ ভিত্তিত নহয়। অনা-শিক্ষক-কৰ্মচাৰীসকলৰো কেবাজনেও প্ৰশংসাযোগ্য কাম কৰিছিল। মূল কথাটো হ'ল ২০০৪-২০১১ চনৰ ভিতৰত যিখিনি উন্নতি কলেজখনত হৈছে, সেইখিনি সম্ভৱ হৈছিল পৰিচালনা সমিতিৰ সভাপতি প্ৰমুখ্যে সদস্যসকল, শিক্ষক আৰু অনাশিক্ষক কৰ্মচাৰীসকল, ছাত্ৰ-ছাত্ৰী, অভিভাৱক, চৰকাৰ আৰু আন বহুতৰে সহযোগিতা তথা আশাশুধীয়া চেষ্টাৰ মাধ্যমেৰে। সেয়েহে নিজৰ নিজৰ অৱদানৰ বাবে সকলোৰেই ধন্যবাদৰ পাত্ৰ।

পূৰ্বৰ বছৰবোৰৰ তুলনাত ২০০৪-২০১১ চনৰ ভিতৰৰ কালছোৱাত কলেজখনৰ দ্ৰুত উন্নয়ন হৈছিল। ২০১২ চনত অধ্যক্ষ হিচাপে যোগদান কৰা ড° শৰৎ বৰকটকীয়ে উন্নয়ন গতি অব্যাহত ৰখাৰ লগতে ইয়াক ত্বৰান্বিতও কৰিব পাৰিছে। সেয়েহে আশা কৰিব পাৰি যে অদূৰ আৰু সুদূৰ ভৱিষ্যতে কলেজখন উন্নতিৰ শিখৰলৈ উঠি দেশৰ ভিতৰতে নাম উজলাব পাৰিব।❑

লেখক - নগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা প্ৰাক্তন অধ্যক্ষ আৰু বিশিষ্ট সাহিত্যিক।

# সংস্কৃত শিক্ষাৰ প্ৰসাৰ-প্ৰচাৰ আৰু নগাঁও কলেজৰ সংস্কৃত বিভাগ

গুণ শইকীয়া

তদানীন্তন অবিভক্ত নগাঁও জিলাৰ প্ৰথমখন উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান নগাঁও কলেজখনক মহিমামণ্ডিত কৰাত কলেজখনৰ সংস্কৃত বিভাগটোৰ যে এক গুৰুত্বপূৰ্ণ অৱদান আছে, সেইটো মধ্য অসমৰ সমগ্ৰ শিক্ষিত সমাজে দ্বিধাহীনভাৱে স্বীকাৰ কৰি অহা কথা। পৰাধীনতাৰ শৃংখল ছিঙি আৰু স্বাভিমান অক্ষুণ্ণ ৰাখি জগত সভাত মূৰ তুলি মুক্তভাৱে থিয় দি থাকিবলৈ উচ্চ শিক্ষাৰ যে আত্যন্তিক প্ৰয়োজন আছে, সেই কথা মৰ্মে মৰ্মে উপলব্ধি কৰা বৃন্দাবন গোস্বামী, মতিৰাম বৰা প্ৰমুখ্যে এচাম দূৰদৃষ্টিসম্পন্ন জ্ঞানাকুল নগঞা সুযোগ্য সন্তানৰ আশাশুধীয়া প্ৰয়াসৰ ফলত প্ৰাক্-স্বাধীন কালতে (আগষ্ট, ১৯৪৪) নগাঁও মহাবিদ্যালয় নামৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানটিৰ জন্ম হয়। কলা বিষয়ক সাতটা বিভাগ সাতজন শিক্ষক আৰু সাতটা বিষয়ৰ পাঠ আৰম্ভৰ যোগেদি কলেজখনত পোনপ্ৰথমে শিক্ষাদান প্ৰক্ৰিয়া আৰম্ভ হয়। ভাবি আচৰিত আৰু পুলকিত হওঁ আৰু লগতে শ্ৰদ্ধা আৰু কৃতজ্ঞতাতো গদ্‌গদ হৈ পৰোঁ, সেইসকল দূৰদৃষ্টিসম্পন্ন জ্ঞানান্বেষী উদ্যেগীৰ প্ৰতি, এই কাৰণেই যে সেই সময়তে তেখেতসকলে ভাৰতীয় ঐতিহ্যৰ ধ্বজাবাহী সংস্কৃত ভাষা-সাহিত্যৰ গুৰুত্ব সুগভীৰভাৱে উপলব্ধি কৰি কলেজখনৰ জন্মলগ্নতে এই বিষয়টোৰ পাঠদান আৰম্ভ কৰায়। সেইকালত অসম বা উত্তৰ-পূৰ্বাঞ্চলত কোনো বিশ্ববিদ্যালয় নথকাৰ কাৰণে বঙ্গৰ কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত নগাঁও কলেজৰ সকলোখিনি বিদ্যায়তনিক তথা প্ৰশাসনিক কাম-কাজ চলিছিল। স্বাধীনতা পোৱাৰ প্ৰায় এবছৰৰ পাছত অৰ্থাৎ ১৯৪৮ চনত অসমত গুৱাহাটী বিশ্ববিদ্যালয়খন আৰম্ভ হোৱাৰ পাছত আমাৰ কলেজখন উক্ত বিশ্ববিদ্যালয়ৰ অধীনলৈ আহে আৰু উচ্চ শিক্ষাৰ যাৱতীয় পৰিক্ৰমাসমূহ তেতিয়াৰপৰা মুক্ত আৰু প্ৰতিশ্ৰুতিপূৰ্ণভাৱে আগবঢ়াই নিয়ে। প্ৰাক্ স্বাধীনতা কালৰ ১৯৩০ চনৰ আগলৈকে বে-চৰকাৰীয়েই হওক বা চৰকাৰীয়েই হওক অসমত কোনো কলেজ নামৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান স্থাপিত হোৱা নাছিল। ১৯৩০ চনত আমেৰিকান মিছনেৰীসকলৰ শৈক্ষিক ভাবাদৰ্শেৰে অনুপ্ৰাণিত এচাম উদ্যোগী ব্যক্তিৰ প্ৰচেষ্টাত অবিভক্ত শিৱসাগৰ জিলাৰ যোৰহাট চহৰত বেচৰকাৰী ৰূপত জগন্নাথ বৰুৱা (জে, বি) কলেজখন পোনপ্ৰথমে স্থাপিত হয়। প্ৰাচ্য বিদ্যাৰ্ণৱ কৃষ্ণকান্ত সন্দিকৈয়ে তাৰ অধ্যক্ষৰ পদ পোনপ্ৰথমে অলংকৃত কৰিছিল। বিশ্ববিশ্ৰুত সংস্কৃত পণ্ডিত উক্ত মহাবিদ্যালয়খনৰ অধ্যক্ষ হোৱাৰ সুবাদতে তাত সংস্কৃত বিভাগটো প্ৰথমৰে পৰা আৰম্ভ হৈছিল। অৱশ্যে, সংস্কৃত সন্মানৰ পাঠ্যক্ৰম মাত্ৰ ১৯৫০ চনতহে আৰম্ভ কৰা হৈছিল। সংস্কৃত বিদ্যালংকাৰ মুকুন্দ মাধৱ শৰ্মাদেৱ তাৰ ১ম বৰ্ষৰ ছাত্ৰ আছিল। এইজন আত্মোৎসৰ্গী বিদ্যাধৰে একেবাৰে চালুকীয়া অৱস্থাত থকা অসমৰ সংস্কৃত শিক্ষাৰ ক্ষেত্ৰখন সমৃদ্ধৰূপত

প্ৰতিষ্ঠা কৰাত অগ্ৰণী ভূমিকা গ্ৰহণ কৰে। এটা কথা দিনৰ পোহৰৰ দৰে স্পষ্ট যে এইখন জে, বি কলেজেই অসমৰ উচ্চ শিক্ষা আৰু সংস্কৃত বিষয়ক শিক্ষাৰ প্ৰচাৰ-প্ৰসাৰত প্ৰথম আৰু প্ৰমুখ ভূমিকা গ্ৰহণ কৰিছিল।

এনেদৰে জে, বি কলেজে উজনিত আৰু নগাঁও কলেজে মধ্য অসমত সংস্কৃত শিক্ষাৰ বাতাবৰণ এটা গঢ়ি তোলাত অনন্য ভূমিকা পালন কৰে। এই দুখন কলেজ স্থাপিত হোৱাৰ আগত সংস্কৃতত উচ্চ শিক্ষা ল'বলৈ আগ্ৰহ কৰা বিদ্যাৰ্থীৰ পুনা বা কলিকতালৈ যোৱাৰ বাহিৰে অন্য কোনো উপায় নাছিল। ইয়াৰপৰা বুজা যায় সেই সময়ত এনেকুৱা কলেজ পতাটো কিমান দূৰদৰ্শী আৰু মহৎ কাম আছিল আৰু সংস্কৃত বিষয় পঢ়া সুবিধাৰ সৈতে থকা সেই দুখন কলেজে অসমৰ সংস্কৃত বিদ্যাৰ্থীক কিমান সকাহ দিলে আৰু উপকাৰ কৰিলে।

কেৱল সংস্কৃতৰ সাধাৰণ পাঠ্যক্ৰম পঢ়াৰ সুবিধা থকা এই কলেজত পঢ়ি অবিভক্ত নগাঁৰৰ লগতে অসমৰ আন বহু ঠাইৰ ছাত্ৰ-ছাত্ৰীৰ বাবে সহজে আৰু কম খৰচতে স্নাতক হোৱাৰ সুযোগ ঘটিল। অৱশ্যে এনেদৰে গুৱাহাটী বিশ্ববিদ্যালয় প্ৰতিষ্ঠা হোৱাৰ পূৰ্বৰ আৰু বিশ্ববিদ্যালয়ত সংস্কৃত বিভাগ আৰম্ভ হোৱা পূৰ্বৰ সংস্কৃত সহ স্নাতক হোৱা বিদ্যাৰ্থীসকল স্নাতকোত্তৰ পৰ্যায়ৰ সংস্কৃত শিক্ষা ল'বৰ কাৰণে কলিকতা, পুনা আদি ঠাইলৈ যাব লগা হৈছিল। ১৯৫৭ চনত যেতিয়া গুৱাহাটী বিশ্ববিদ্যালয়ত সংস্কৃতৰ স্নাতকোত্তৰ শ্ৰেণী আৰম্ভ হ'ল, তেতিয়া সংস্কৃতৰ সাধাৰণ পাঠ্যক্ৰমসহ স্নাতক হোৱা নগাঁও কলেজৰ বহুকেইজন শিক্ষাৰ্থীয়ে তাৰ পৰা অতি সফলতাৰে স্নাতকোত্তৰ ডিগ্ৰী আহৰণ কৰিলে। নগাঁও কলেজ প্ৰতিষ্ঠা হোৱাৰ সমসাময়িক কালত বৰপেটাৰ এম, চি কলেজ (১৯৩৯ চন) প্ৰভৃতি যিকেইখন কলেজ অসমত প্ৰতিষ্ঠা হৈছিল, সেইকেইখনৰ প্ৰায়কেইখনতে গুৱাহাটী বিশ্ববিদ্যালয়ত সংস্কৃত বিভাগটো (১৯৫৭ চন পৰ্যন্ত) আৰম্ভ নকৰাৰ কাৰণে সংস্কৃত বিষয়টো আৰম্ভ কৰা হোৱা নাছিল। অৱশ্যে 'অসমৰ নৱদ্বীপ' নলবাৰীত ১৯৪৫ চনত আৰম্ভ কৰা নলবাৰী কলেজে সংস্কৃত বিষয় আৰম্ভ কৰিছিল। সেইফালৰপৰা চালে নগাঁও কলেজে অসমত সংস্কৃত শিক্ষা প্ৰসাৰ-প্ৰচাৰত এক যুগান্তকাৰী পদক্ষেপ লৈছিল। গুৱাহাটী বিশ্ববিদ্যালয়ত সংস্কৃতৰ স্নাতকোত্তৰ শ্ৰেণী আৰম্ভ নোহোৱালৈকে কলিকতা বিশ্ববিদ্যালয়ত প্ৰচলিত আৰু অনুসৃত স্নাতক পাঠ্যক্ৰমকে সামান্য সাল-সলনিৰে অসমৰ কলেজকেইখনত অনুসৰণ কৰা হৈছিল। যদিও সেইসময়ত (১৯৪৪ চনৰপৰা ১৯৭১ চন পৰ্যন্ত) নগাঁও মহাবিদ্যালয়ত সংস্কৃতত সন্মান পাঠ্যক্ৰম লোৱাৰ বা পঢ়াৰ সুবিধা নাছিল আৰু মাত্ৰ সাধাৰণ পাঠ্যক্ৰম লৈহে পঢ়াৰ সুবিধা আছিল, তথাপি সেইখিনি সুবিধাই সংস্কৃতৰ উচ্চ শিক্ষা প্ৰসাৰত ভাবিব নোৱাৰা ধৰণেৰে অৰিহণা যোগাইছিল। সেই সময়ত নগাঁও কলেজত সংস্কৃত বিষয়ত অধ্যাপনা কৰা দুজন দিগ্‌গজ সংস্কৃত বিদ্বান যথাক্ৰমে (প্ৰয়াত) ফণীলাল দত্ত (০৪/০৮/১৯৪৪— ৩১/০৭/১৯৭৯) আৰু (প্ৰয়াত) দীনেশ চন্দ্ৰ দত্ত (০৫/০৩/১৯৫০— ২৮/০২/৮৫) দেৱ আছিল। যি দুজন বিদ্বান ১৯৭১ চনত নগাঁও কলেজৰ ছাত্ৰ হওঁতে মোৰো শিক্ষাগুৰু আছিল। তেখেতসকলৰ নিৰলস আৰু আন্তৰিকতাপূৰ্ণ অধ্যাপনাই সংস্কৃতত সাধাৰণ পাঠ্যক্ৰমকে লৈ স্নাতক হোৱা আমাৰ সেইসময়ৰ কলেজৰ প্ৰায়বোৰ বিদ্যাৰ্থীয়েই অবিভক্ত নগাঁও তথা অসমৰ আন আন জিলাৰ অনেক চৰকাৰী-বেচৰকাৰী উচ্চ মাধ্যমিক (বৰ্তমান মাধ্যমিক) আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিক্ষক স্বৰূপে যোগদান কৰিছিল আৰু সেইসময়ত মেট্ৰিক পৰ্যন্ত এটা বাধ্যতামূলক বিষয় হিচাপে পঢ়িবলগীয়া সংস্কৃত বিষয়টো ছাত্ৰ-ছাত্ৰীক পঢ়ুৱাই সংস্কৃত শিক্ষাৰ ব্যাপক প্ৰসাৰ-প্ৰচাৰত অমূল্য বৰঙণি যোগাইছিল। পাছলৈ ১৯৫৭ চনত গুৱাহাটী বিশ্ববিদ্যালয়ত আৰম্ভ হোৱা স্নাতকোত্তৰ সংস্কৃত

শ্ৰেণীত পঢ়ি নগাঁও কলেজৰপৰা সংস্কৃতক সাধাৰণ বিষয় হিচাপে লৈ স্নাতক হোৱা বহুকেইজন ন-পুৰণি শিক্ষাৰ্থী এম, এ ডিগ্ৰীধাৰী হয় আৰু সেইসকলৰ কেইজনমানে কলেজত অধ্যাপক আৰু কেইজনমানে উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিষয় শিক্ষক হৈ সংশ্লিষ্ট ছাত্ৰ-ছাত্ৰীক পঢ়ুৱাই সংস্কৃত শিক্ষাৰ সম্প্ৰসাৰণত উদ্যোগী ভূমিকা লৈছিল। এই অৱসৰতে থাওকতে মনলৈ অহা তেনে কেইজনমান ব্যক্তিৰ নাম উল্লেখ কৰিছোঁ— (প্ৰয়াত) ভৱকান্ত শৰ্মা (এ, ডি, পি, ৰ অধ্যাপক), (প্ৰয়াত) কনক তামুলী, (বিষয় শিক্ষক আৰু পাছলৈ অধ্যক্ষ), (প্ৰয়াত) প্ৰসন্ন কুমাৰ শৰ্মা (বিষয় শিক্ষক), (প্ৰয়াত) চন্দ্ৰ শৰ্মা (বিষয় শিক্ষক), ড° ঘন ভাগৱতী (বিষয় শিক্ষক), সুনীল গোস্বামী (বিষয় শিক্ষক), প্ৰভাত বৰা (বিষয় শিক্ষক), হৰিমোহন গোস্বামী (স্কুল শিক্ষক, পাছলৈ অধ্যক্ষ), প্ৰসন্ন কুমাৰ গোস্বামী (স্কুল শিক্ষক, পাছলৈ প্ৰধান শিক্ষক) ইত্যাদি। ১৯৭৭ চনৰপৰা ২০১৩ চন পৰ্যন্ত নগাঁও কলেজৰ সংস্কৃত বিভাগত শিক্ষকতা কৰা এই লিখক নিজেও এই কলেজৰে **সন্মান পাঠ্যক্ৰমৰ ১ম বেটছৰ ছাত্ৰ** আছিল। লিখকৰ লগত একেলগে ১ম শ্ৰেণীৰ ২য় স্থান পোৱা ইতিপূৰ্বে স্বৰ্গগামী হোৱা তীক্ষ্ণ বুদ্ধিৰ দেহেশ্বৰী বণিয়াই পোনতে অলপ দিন ডচন উচ্চতৰ মাধ্যমিক স্কুলত শিক্ষকতা কৰি পৰৱৰ্তী সময়ত এ, ডি, পি কলেজৰ সংস্কৃত বিভাগত অধ্যাপিকা হয় আৰু নিষ্ঠাৰে অধ্যাপনা কৰি বহু ছাত্ৰ-ছাত্ৰীক সংস্কৃতৰ উচ্চ শিক্ষা লোৱাত সহায় কৰে।

এই লিখকে যোগদান কৰাৰ প্ৰায় দুবছৰৰ পাছত বিভাগৰ ১ম জন শিক্ষাগুৰু ফণীলাল দত্তদেৱৰ অৱসৰ সূত্ৰে খালী হোৱা বিভাগৰ পদত উত্তৰ-পূৰ পাৰ্বত্য বিশ্ববিদ্যালয়ৰপৰা **সংস্কৃত বিষয়ত সন্মান** সহ স্নাতক হোৱা আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা স্নাতকোত্তৰ ডিগ্ৰীধাৰী হোৱা তীক্ষ্ণবুদ্ধিৰ অপৰাজিতা তামুলী ফুকনে বিভাগত (ছেপ্তেম্বৰ, ১৯৭৯ চন) যোগদান কৰে। বিভাগটোৰ আৰম্ভণী কালৰ দ্বিতীয়জন শিক্ষাগুৰু দীনেশ চন্দ্ৰ দত্তদেৱৰ অৱসৰসূত্ৰে খালী হোৱা পদটিত নগাঁও মহাবিদ্যালয়ৰ পৰাই **সংস্কৃত সন্মানসহ** স্নাতক হোৱা (১৯৭৮-১৯৭৯) স্বৰ্ণ শইকীয়াই আহি যোগদান কৰেহি। বিশ্ববিদ্যালয়ৰ নিয়ম অনুযায়ী যদিও বিভাগত চাৰিজন স্থায়ী শিক্ষকৰ নিযুক্তি হ'ব লাগিছিল, সেয়া বৰ্তমান পৰ্যন্তও নহ'ল। সেয়া কাৰ দোষত কিয় হ'ল — এইবোৰ বিচাৰ নকৰি অৱসৰ নোলোৱা পৰ্যন্ত বিভাগৰ তিনিওগৰাকী শিক্ষকেই ওপৰঞ্চি দায়িত্ব লৈ বিভাগৰ পাঠাদান নিয়মীয়াকৈ চলাই লৈ যোৱা হ'ল। এই লিখকৰ অৱসৰৰ পাছত সেইবছৰে ডিচেম্বৰত (১২-১২-১৩) ৰশ্মিৰেখা গোস্বামীয়ে যোগদান কৰেহি; পিছে তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ত অধ্যাপিকা হোৱাৰ সুযোগ পোৱা হেতুকে প্ৰায় চাৰে চাৰি বছৰৰ পাছত বিভাগৰ পদ এৰি থৈ যায়।

আমালোকৰ হাতেদি সন্মানসহ স্নাতক হোৱা বিদ্যাৰ্থীৰ সংখ্যা আজিৰ তাৰিখত চাৰিশতকৈও কম নহ'ব। এইসকলৰ প্ৰায়খিনিয়েই বিভিন্ন বিশ্ববিদ্যালয়ৰপৰা স্নাতকোত্তৰ ডিগ্ৰীধাৰী হ'ল বা হৈছে। আৰু তাৰ কেইজনমানে ইতিমধ্যে ডক্টৰেট ডিগ্ৰীও আহৰণ কৰিছে। তেওঁলোক হ'ল — ড° পুষ্পা শইকীয়া, ড° মামণি দেৱী, ড° মনীষা বৰা আৰু ড° দীপা বৰা। কেইজনমান গৱেষক বিদ্যাৰ্থী ডিগ্ৰীপ্ৰাপ্তিৰ সীমনাত আছে। স্বাগতা সেনগুপ্তা, ৰশ্মি দেৱী প্ৰমুখ্যে কেইগৰাকীমানে ইতিমধ্যে এম, ফিল ডিগ্ৰী আহৰণ কৰিছে। আমাৰ বিভাগৰপৰা স্নাতক হোৱা আৰু বিশ্ববিদ্যালয়ৰপৰা স্নাতকোত্তৰ ডিগ্ৰী লোৱা বহুত বিদ্যাৰ্থীয়ে অসমৰ বিভিন্ন ঠাইৰ স্কুল-কলেজত সংস্কৃতৰ শিক্ষক-শিক্ষয়িত্ৰী বা অধ্যাপক-অধ্যাপিকা হৈ নিষ্ঠাৰে পাঠদান কৰি সংস্কৃত শিক্ষাৰ প্ৰসাৰ-প্ৰচাৰত অতি গুৰুত্বপূৰ্ণ আৰু প্ৰশংসনীয় ভূমিকা গ্ৰহণ কৰি আহিছে। বাহুল্য এৰাই চলাৰ স্বাৰ্থত মনলৈ অহাৰ পাছতো তেওঁলোকৰ নাম ইয়াত উল্লেখ কৰা নহ'ল। স্নাতকোত্তৰ ডিগ্ৰী লৈ নগাঁৰৰ বিভিন্ন

ঠাইৰ কনিষ্ঠ (নে কনীয়ান?) মহাবিদ্যালয়ত সংস্কৃতৰ পাঠদান কৰি ছাত্ৰ-ছাত্ৰীক সংস্কৃতমুখী আৰু সংস্কৃত অনুৰাগী কৰাত ব্যস্ত হৈ থকা আমাৰ মহাবিদ্যালয়ৰ বহুত ছাত্ৰ-ছাত্ৰী আছে। আৰু আনন্দ পাব লগা কথা এইয়ে আমাৰ সংস্কৃতৰ বিদ্যাৰ্থী বহুকেইজন, যেনে বিশ্বজিৎ নাথ (কটন কলেজ), পুষ্পা গাঁওখোৱা (ডিব্ৰুগড় কানৈ ছোৱালী মহাবিদ্যালয়) আদি অসমৰ বিভিন্ন ঠাইৰ কলেজৰ অধ্যাপক-অধ্যাপিকা হৈছে আৰু সংস্কৃত শিক্ষাৰ সেৱাত ব্ৰতী হৈ আছে। ১৯৭৭ চনৰপৰা ২০১৩ চন পৰ্যন্ত নগাঁও মহাবিদ্যালয়ত সেৱা আগবঢ়োৱা আমি নিজেও এই মহাবিদ্যালয়ৰে সংস্কৃত সন্মানৰ ছাত্ৰ (১৯৭১-৭৪) আছিলোঁ। সেইদৰে বিভাগৰ আন এগৰাকী স্বৰ্ণ শইকীয়াও এই বিভাগৰে ছাত্ৰী আছিল।

১৯৯৯ চনত (প্ৰয়াত) অধ্যক্ষ প্ৰদীপ শইকীয়াদেৱৰ নেতৃত্বত নগাঁৱত জন্ম পোৱা **নগাঁও জিলা সংস্কৃত ভাষা বিকাশ মঞ্চই** প্ৰতিবছৰে অনুষ্ঠিত কৰা 'সংস্কৃত দিৱস'ৰ সংস্কৃত ভাষাৰ বিভিন্ন কাৰ্যসূচীত আমাৰ বিভাগৰ ছাত্ৰ-ছাত্ৰীক অংশগ্ৰহণ কৰিবলৈ বাধ্য কৰোৱাই সংস্কৃতত কথোপকথন আৰু সংস্কৃতত লিখা-মেলা কৰাৰ বাবে প্ৰোৎসাহন দিয়াৰ লগতে সংস্কৃতৰ গীত গাবলৈ প্ৰশিক্ষণ দিয়া হয়। সেই অনুষ্ঠানত অংশগ্ৰহণ কৰি আত্মবিশ্বাসী হৈ পৰা আমাৰ বিভাগৰ বহুকেইগৰাকী শিক্ষাৰ্থী সংস্কৃত শিক্ষাৰ ক্ষেত্ৰখনত বৰ্তমান সুপ্ৰতিষ্ঠিত হৈছে।

এনেধৰণে নগাঁও কলেজৰ সংস্কৃত বিভাগটোৱে সংস্কৃতৰ ক্ষেত্ৰখনত বটবৃক্ষৰূপে অদ্যাপি বৰ্তি থাকি সংস্কৃত শিক্ষাক নিৰাপদ আশ্ৰয় অৱলম্বন দি সংস্কৃতৰ প্ৰসাৰ-প্ৰচাৰৰ অবিৰত ধাৰাটো অপ্ৰতিহত কৰি ৰাখিছে।

অৱশ্যে, দুঃখ পাবলগীয়া কথা এটা হ'ল এই যে মহাৰজত জয়ন্তী বৰ্ষত ভৰি দিয়া এই প্ৰাণচঞ্চল বিভাগটোত এই লেখাটো প্ৰস্তুত কৰা সময়লৈকে (জুলাই ২০১৯) স্থায়ী বুলিবলৈ এজনো শিক্ষক নাই। হায়! চৰকাৰী শিক্ষা ব্যৱস্থাপনা। কিমধিকমিতি।❑

---

লেখক - প্ৰাক্তন ছাত্ৰ তথা নগাঁও মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক আৰু সাহিত্যিক।

# নগাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগ ঃ এক ৰেঙণি

**দীপক কুমাৰ বৰা**

**বু**ৰঞ্জীৰ পাতে পাতে চিৰ গতিমান
বিপ্লৱৰ ধ্বজাবাহী
পোহৰৰ যাত্ৰীদল চিৰ আগুৱান
বিপুলা ধৰণী আৰু নিৰৱধি কালৰ বুকুত।
যাত্ৰাৰ বাটত ৰ'ল এইখিলা পৰিচয় পাত
তোমালোকলৈ হেৰা ভৱিষ্যৰ যাত্ৰী,
অনাগত শতিকাৰ কাণে কাণে ক'ব কথা
ক'ব ইতিহাস
জনতাৰ বিজয়ী যাত্ৰাৰ।

(পৰিচয়, মহিম বৰা)

নগাঁও মহাবিদ্যালয়, এক ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠান। ই কেৱল মধ্য অসমৰে নহয়, বৰং সমগ্ৰ অসমৰে এক জাকত জিলিকা উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ। দ্বিতীয় বিশ্বযুদ্ধৰ ধামখুমীয়াতে কেইজনমান বিদ্যানুৰাগীৰ প্ৰচেষ্টাত ১৯৪৪ চনৰ ৭ আগষ্টত মহাবিদ্যালয়খনে প্ৰতিষ্ঠা লাভ কৰে। মহাবিদ্যালয়খন স্থাপনৰ ক্ষেত্ৰত আটাইতকৈ আগৰণুৱা ব্যক্তি আছিল তেতিয়াৰ নগাঁও লোকেল ব'ৰ্ডৰ চেয়াৰমেন মতিৰাম বৰা। মহাবিদ্যালয়খন স্থাপন কালৰ সমিতিৰ সভ্যসকল আছিল —

| | |
|---|---|
| সভাপতি | ঃ ৰায়বাহাদুৰ বৃন্দাবন গোস্বামী |
| উপসভাপতি | ঃ ৰায়বাহাদুৰ ভদ্ৰেশ্বৰ বৰুৱা |
| সম্পাদক | ঃ মতিৰাম বৰা |
| সহ-সম্পাদক | ঃ প্ৰিয়নাথ সেনগুপ্ত |

এই সমিতিৰ আবেদন মৰ্মে (জুন, ১৯৪৪ চন) কলিকতা বিশ্ববিদ্যালয়ৰ দুজন পৰিদৰ্শকে আহি পৰিদৰ্শন কৰি যোৱাৰ পিছত মহাবিদ্যালয়ৰ অনুমতি প্ৰদান কৰাত সাহিত্যাচাৰ্য্য যজ্ঞেশ্বৰ শৰ্মাৰ অধ্যক্ষতাত ইতিপূৰ্বে কোৱা ১৯৪৪ চনৰ ৭ আগষ্ট তাৰিখৰ মাহেন্দ্ৰ ক্ষণত মহাবিদ্যালয়খন শুভাৰম্ভ হয়। মহাবিদ্যালয়খনৰ আই এ শ্ৰেণীটো প্ৰথমে ইংৰাজী, অসমীয়া, বাংলা, সংস্কৃত, আৰবী, গণিত, বুৰঞ্জী, পৌৰবিজ্ঞান আৰু দৰ্শন বিষয়েৰে আৰম্ভ হয়। প্ৰথম বৰ্ষতে মহাবিদ্যালয়খনত ১২৩ জন ছাত্ৰ আৰু ১৮ গৰাকী ছাত্ৰীয়ে নামভৰ্তি কৰিছিল।

মহাবিদ্যালয়ৰ জন্মলগ্নৰে অসমীয়া বিভাগটোত পোনতে 'অধ্যাপকালি' (অধ্যক্ষ যজ্ঞেশ্বৰ শৰ্মাৰ সৃষ্ট শব্দ) কৰিছিল অধ্যক্ষ মহোদয় আৰু গদাধৰ শৰ্মা, কিৰণ চন্দ্ৰ শৰ্মা, মহেশ চন্দ্ৰ দেৱগোস্বামী আৰু দিনেশ দত্ত মহোদয়ে। অৱশ্যে এয়া আছিল প্ৰথমে জোৰা মৰাৰ ব্যৱস্থাহে। কাৰণ গদাধৰ শৰ্মা আৰু কিৰণ চন্দ্ৰ শৰ্মাৰ বাহিৰে বাকী অধ্যাপকসকল আছিল অন্য বিভাগৰ আৰু দুয়োগৰাকী শৰ্মা ছাৰ মহাবিদ্যালয়ত বৰ বেছিদিন থকা নাছিল। প্ৰতি বছৰে বিদ্যাৰ্থীৰ সংখ্যা বাঢ়ি অহাত মহাবিদ্যালয়ৰে প্ৰথম দলৰ কীৰ্তিমান ছাত্ৰ মহিম বৰাক ১৯৫৪ চনত অধ্যাপক হিচাবে বিভাগটোত নিযুক্তি দিয়া হয়। ইয়াৰ পিছত ১৯৬৩ চনৰপৰা বিভাগটোত 'সন্মান' (Honours) পাঠ্যক্ৰম আৰম্ভ হয়। সেয়ে বৰা ছাৰৰ পিছত আৰু চাৰিজন অধ্যাপকে বিভাগত নিযুক্তি লাভ কৰে। এইখিনিতে

‘পঞ্চপাণ্ডৱ’ স্বৰূপ অধ্যাপক সকলৰ কৰ্মজীৱনৰ চমু পৰিচিতি দাঙি ধৰা হ’ল —

**মহিম বৰা ঃ** কৰ্তব্যত যোগদান ঃ ১৯৫৪ চন।
অৱসৰ ঃ ১৯৮৭ চন।

**ৰচনাৱলী ঃ**

**গল্পপুথি ঃ**

(১) কাঠনিবাৰী ঘাট (১৯৬১)
(২) দেহা গৰকা প্ৰেম (১৯৬৭)
(৩) মই, পিপলি আৰু পূজা (১৯৬৭)
(৪) বহুভুজী ত্ৰিভুজ (১৯৬৭)
(৫) এখন নদীৰ মৃত্যু (১৯৭২)
(৬) ৰাতি ফুলা ফুল (১৯৭৭)
(৭) বৰযাত্ৰী (১৯৮০)

**কবিতাপুথি ঃ**

(১) ৰঙা জিঞা (১৯৭৮)
(২) হঠাৎ মুখৰা হোৱা কলঙৰ পাৰ (২০০৫)
(৩) জোনামণিৰ হাঁহি (শিশু কবিতা পুথি)

**উপন্যাস ঃ**

(১) পুতলা ঘৰ (১৯৭৩)
(২) হেৰোৱা দিগন্তৰ মায়া (১৯৭৩)
(৩) এধানী মাহীৰ হাঁহি (১৯৯৭)
(৪) বন্দুলি ফুলৰ ৰং (২০০৭)

**প্ৰবন্ধ পুথি ঃ**

(১) চিন্তা বিচিত্ৰা (১৯৭৫)
(২) সাহিত্য বিচিত্ৰা (১৯৮০)
(৩) অন্যান্য প্ৰবন্ধ (এই শিতানত ১৭ টা প্ৰবন্ধ সঙ্কলিত হৈছে।)

**লাহতী ৰচনা (ৰম্য ৰচনা) ঃ**

(১) মোমাইৰ পদূলিত বান্ধিলো ঘোঁৰা

**স্মৃতি কথা ঃ**

(১) পাখি লগা দিন

**সাহিত্যিক জীৱনৰ স্বীকৃতি ঃ** অসম প্ৰকাশন পৰিষদ বঁটা (১৯৯৬), অসম সাহিত্য সভাৰ সভাপতি (ডুমডুমা, ১৯৮৯), ছগনলাল জৈন বঁটা (১৯৯৬), অসম উপত্যকা সাহিত্য বঁটা (১৯৯৮), সাহিত্য অকাডেমি বঁটা (২০০১), সাহিত্যাচাৰ্য্য উপাধি লাভ (২০০৮), পদ্মশ্ৰী সন্মান (২০১১), গণেশ গগৈ বঁটা (২০১৪)

**ড° সৰ্বেশ্বৰ ৰাজগুৰু ঃ**

কৰ্তব্যত যোগদান ঃ ১৯৫৯ চন।
অৱসৰ ঃ ১৯৮৬ চন।

**ৰচনাৱলী ঃ**

**গৱেষণা গ্ৰন্থ ঃ**

Medieval Assamese Society : 1228-1826 A.D.

(১) ইতিহাসৰ পাত মেলি (১৯৭২)
(২) অসমীয়া প্ৰবাদ (১৯৭২)
(৩) অসমীয়া ভাষা সাহিত্যৰ আত্মৰক্ষাৰ সংগ্ৰাম (১৯৭৮)
(৪) বুৰঞ্জীৰ কাহিনী (১৯৮৭)
(৫) হেয়ালিৰ ছন্দ (সাথৰৰ ইতিবৃত্ত আৰু সাহিত্যত ইয়াৰ স্থান, ১৯৮৮)
(৬) চন্দ্ৰমল্লিকা (নগঞা অভিনেতা আৰু নাট্যকাৰ চন্দ্ৰ ফুকনৰ কবিতা সংগ্ৰহ, ১৯৮০)
(৭) গীতগোবিন্দ (জয়দেৱৰ গীত গোবিন্দৰ কাব্যিক অনুবাদ)

**তাৰিণী প্ৰসাদ শৰ্মা ঃ**

কৰ্তব্যত যোগদান ঃ ১৯৫৮ চন
অৱসৰ ঃ ১৯৯২ চন।

শৰ্মা ছাৰে দুটামান প্ৰবন্ধ আৰু গল্প লেখিছিল যদিও গ্ৰন্থাকাৰে প্ৰকাশ নোহোৱাত সেয়া উদ্ধাৰ কৰিব পৰা নগ’ল। তেখেতে নিজৰ প্ৰশাসনিক যোগ্যতাৰ বাবে মহাবিদ্যালয়ৰ উপাধ্যক্ষ আৰু এন চি চিৰ তত্বাৱধায়ক ৰূপে বহুকাল কাৰ্যনিৰ্বাহ কৰিছিল।

**মাণিক চন্দ্ৰ বৰা ঃ**

কৰ্তব্যত যোগদান ঃ ১৯৬১ চন

অৱসৰ ঃ ১৯৯৪ চন

বৰা ছাৰে ৰচনা কৰা দুটামান গহীন প্ৰবন্ধ হ'ল — দ্ৰাবিড়ীয় আৰু অষ্ট্ৰিক ভাষা পৰিয়ালৰ চিনাকি, বৰফ যেতিয়া নামে ইত্যাদি।

**মনোমোহন দাস ঃ**

কৰ্তব্যত যোগদান ঃ ১৯৬২ চন

অৱসৰ ঃ ১৯৯৫ চন

দাস ছাৰ প্ৰচুৰ অধ্যয়নশীল আৰু গ্ৰন্থপ্ৰেমী আছিল। ১৯৯১ চনত এই বিভাগত স্নাতকোত্তৰ পাঠ্যক্ৰম আৰম্ভ কৰাত তেওঁ অগ্ৰণী ভূমিকা লৈছিল।

ইয়াৰ পিছত আহিল বিভাগটোৰ দ্বিতীয় দল অধ্যাপক-অধ্যাপিকাৰ কথা। তেওঁলোক হ'ল —

**ড° গিৰিকান্ত গোস্বামী ঃ**

কৰ্তব্যত যোগদান ঃ ১৯৮৭ চন

অৱসৰ ঃ ২০১৭ চন

**ৰচনাৱলী ঃ**

**গৱেষণা গ্ৰন্থ ঃ**

বৰগীতৰ ভাষা বৈজ্ঞানিক গৱেষণা

**প্ৰবন্ধ পুথি ঃ**

(১) প্ৰবন্ধ চিন্তা (১৯৯৮)

(২) বৰগীত সমীক্ষা (১৯৯৯)

(৩) প্ৰাচীন অসমৰ শিলালিপি পাঠ (২০০১)

(৪) ভটিমা সমীক্ষা (২০১০)

(৫) শংকৰদেৱ ৰচনাৱলীৰ ভাষা বৈজ্ঞানিক অধ্যয়ন (২০১২)

(৬) শ্ৰীৰাম কীৰ্ত্তন (সম্পাদনা-২০১৭)

তদুপৰি তেওঁ কেইবাখনো অঙ্কীয়া নাট আৰু ঝুমুৰা সম্পাদনা কৰিছে। তেওঁৰ সবল নেতৃত্বতেই ১৯৯১ চনত বিভাগটোত স্নাতকোত্তৰ শ্ৰেণী আৰম্ভ হয়।

**কল্পনা হাজৰিকা গায়ন ঃ**

কৰ্তব্যত যোগদান ঃ ১৯৮৭ চন

**ৰচনাৱলী ঃ**

**গল্পপুথি ঃ** গোন্ধ (২০০২)

**উপন্যাস ঃ**

(১) প্ৰেমেৰে সজোৱা ঘৰ (২০০০)

(২) বুটাম খোলা ফ্ৰক (২০০৩)

(৩) বৰণীয়া ৰামধেনু (২০১৬)

**প্ৰবন্ধ পুথি ঃ**

(১) কবিতাৰ বিভাৱন (১৯৯৮)

(২) জুনাগীত আৰু অন্যান্য (২০১৪)

(৩) সাহিত্য আৰু অনুসঙ্গ (২০১৬)

(৪) প্ৰজন্মৰ দুচকুত মহিম বৰা (২০১৮)

(৫) বৰণীয়া ব্যক্তিত্বত মহিম বৰা (সম্পাদনা)

**দীপক কুমাৰ বৰা ঃ**

কৰ্তব্যত যোগদান ঃ ১৯৯৪ চন

**ৰচনা/সম্পাদনা ঃ**

**প্ৰবন্ধ পুথি ঃ**

(১) সাহিত্য সংস্কৃতিৰ সঁফুৰা (২০০৭)

(২) অসমীয়া কথা সাহিত্য (২০১৪)
(ঐতিহ্য, সংস্কৃতি, ইতিহাস, আধুনিকতা)

(৩) অসমীয়া ভক্তি সাহিত্য অধ্যয়ন (২০১৪)

**সম্পাদনা ঃ**

(১) ভক্তি প্ৰদীপ (২০০৫)

(২) ৰাম বিজয় নাট (২০১৪)

(৩) মাধুৰী (২০১৫)

(৪) গিৰিবৰ (২০১৭)

(৫) গদ্য শিল্প (২০১৯)

(৬) গুণমালা (২০১৯)

**ৰূপাঞ্জলি দেৱী ঃ**

কৰ্তব্যত যোগদান ঃ ১৯৯৫ চন

**ৰচনা ঃ**

**একাংকিকা নাট ঃ**

(১) ফুটুকাৰ ফেন
(২) বলুকাত বিয়লি বেলা

তেওঁৰ কিছুমান অসঙ্কলিত প্ৰবন্ধ কাকতে পত্ৰই সিঁচৰতি হৈ আছে।

**ধনদা দেৱী ঃ**

কৰ্তব্যত যোগদান ঃ ১৯৯৭ চন

**ৰচনা ঃ**

**সম্পাদনা ঃ**

(১) সাহিত্য চিন্তা (২০০৯)
(২) বিমৃশা (২০১৬)

**বিভাগটোৰ কীৰ্তিমান শিক্ষাৰ্থীসকল ঃ**

পদ্মশ্ৰী মহিম বৰা
সৰ্বশ্ৰী ৰংবং তেৰাং,
ড° নৰেন কলিতা,
ড° কেশৱানন্দ দেৱগোস্বামী,
ড° যোগেন্দ্ৰ নাৰায়ণ ভূঞা,
ড° সাৰদানন্দ দেৱগোস্বামী,
ড° প্ৰফুল্ল মহন্ত,
ড° দীপক বৰা,
ড° অংশুমান দাস,
দীপক কুমাৰ বৰা,
ড° সোমনাথ বৰা,
পদুম ৰাজখোৱা,
ড° বসন্ত বৰা,
ড° মাধুৰ্য্যমণ্ডিত বৰুৱা,
ড° জ্যোতিৰ্ময় বৰদলৈ,
ড° নিৰ্মালী বৰা
ড° চাহিন জাফ্ৰি

---

লেখক - প্ৰাক্তন ছাত্ৰ তথা নগাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক।

ড° কৰবী দাস
ড° গাৰ্গী দাস
ড° ত্ৰিবেণী শৰ্মা বৰুৱা
ড° নন্দিতা গোস্বামী ইত্যাদি।

**বিভাগটোৰপৰা প্ৰকাশিত পত্ৰিকা ঃ**

সঁচ, নগঞা, চন্দন পত্ৰিকা, নগিয়ান

**বিভাগীয় পুথিভঁড়াল ঃ**

পাঠ্যপুথি ঃ ১৮০ খন, প্ৰসঙ্গ পুথি ঃ ৩৩০০ খন, সাঁচিপতীয়া পুথি ঃ ১০ খন।

**বিভাগীয় সংগ্ৰহালয় ঃ**

**লোক সম্পদ ঃ** ৫০ বিধ
**মাৰ্গীয় সম্পদ ঃ** ৪০ বিধ

সামৰণিত উল্লেখযোগ্য যে বিভাগটো কেৱল মহাবিদ্যালয়খনৰে নহয়, বৰং সমগ্ৰ অসমৰে গৌৰৱময় ইতিহাসৰ সাক্ষী। কাৰণ বিভাগটোৱে যিসকল গণ্য-মান্য লোকৰ সৃষ্টি কৰিছে, তাৰ ভিতৰত সাহিত্যাচাৰ্য মহিম বৰা আৰু ৰংবং তেৰাং, এই দুয়োজন আছিল অসম সাহিত্য সভাৰ সভাপতি। তদুপৰি পদুম ৰাজখোৱাই (২০১৮-২০) বৰ্তমানে অসম সাহিত্য সভাৰ প্ৰধান সম্পাদকৰ গুৰু দায়িত্ব বহন কৰি আছে। অন্যহাতে ১৯৯১ চনৰপৰা সহস্ৰাধিক বিদ্যাৰ্থীয়ে স্নাতকোত্তৰ ডিগ্ৰী লৈ সুখ্যাতি আৰ্জিছে।

সদ্যহতে বিভাগৰ এটা পদ খালী হৈ আছে। আশা কৰা হৈছে যে তৃতীয় প্ৰজন্মৰ উপযুক্ত অধ্যাপকৰ জৰিয়তে বিভাগটোৰ সুনাম বাঢ়িব।

জয়তু নগাঁও মহাবিদ্যালয়।
জয়তু অসমীয়া বিভাগ।❑

# ১৯৮৪ৰ পিছৰ নগাঁও মহাবিদ্যালয়

**ড° দিলীপ শৰ্মা**

**ন**গাঁও জিলাৰ মধ্যম প্ৰান্তত উচ্চ শিক্ষাৰ প্ৰসাৰৰ অৰ্থে অতি গভীৰভাৱে চিন্তা-চৰ্চা কৰি যিসকল শিক্ষাবিদ, সমাজসেৱক আৰু ৰাজনীতিবিদে প্ৰাক্ স্বাধীনতা কালতেই জিলাখনৰ উচ্চ শিক্ষাৰ প্ৰসাৰৰ চিন্তা আগত ৰাখি অৰ্থাৎ ১৯৪৪ চনৰ ৭ আগষ্ট তাৰিখে জন্ম দিয়া নগাঁও মহাবিদ্যালয়ে ইতিমধ্যে ৭৪ টা বৰ্ষ অতিক্ৰম কৰি ৭৫ বৰ্ষত অতি সাৱলীলভাৱে উপস্থিত হৈছেহি। এই কাৰ্য সঁচাকৈয়ে জিলাখনৰ বাবে গৌৰৱ। এনে এটি অনুষ্ঠানত আমি নিজকে এগৰাকী অধ্যাপক হিচাপে নিয়োজিত কৰিবলৈ পাই অত্যন্ত গৌৰৱান্বিত। কিয়নো যিখন মহাবিদ্যালয়ত আমি প্ৰায় ৬০-৭০ দশকতেই দেখি চমক খাইছিলোঁ, ১৯৭৬ চনত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ এই মহাবিদ্যালয়ত পঢ়াৰ হাবিয়াস আছিল যদিও ইতিমধ্যে নকৈ গঢ় লৈ উঠা কামপুৰ মহাবিদ্যালয়খনিৰ ছাত্ৰ-ছাত্ৰীৰ হাৰ বঢ়োৱাৰ মানসিকতাক ত্যাগ কৰিব নোৱাৰি প্ৰাক স্নাতক কক্ষত এগৰাকী কামপুৰীয়া হিচাপে নাম লিখালোঁ।

পিছে নগাঁও মহাবিদ্যালয়ৰ মোহ তেতিয়াও মনৰপৰা একেবাৰে মচ খোৱা নাছিল। স্নাতক পঢ়াৰ বাবে সেই সময়ৰ গুৱাহাটীৰ প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ৰ 'হিন্দী বিভাগ' অসমৰ ভিতৰতে শ্ৰেষ্ঠতৰ বুলি সকলোৰে মুখত শুনি তাতেই পুনৰ নাম ভৰ্তি কৰিলো আৰু ১৯৮০ চনত তাৰে পৰাই হিন্দীত মেজৰসহ স্নাতক ডিগ্ৰী লাভ কৰি পোনে পোনে গুৱাহাটী বিশ্ববিদ্যালয়ত স্নাতকোত্তৰ ডিগ্ৰীৰ বাবে আবেদন জনালোঁ আৰু উক্ত বিশ্ববিদ্যালয়ৰপৰা ১৯৮২-৮৪ চনত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰাৰ পূৰ্বেই নগাঁও মহাবিদ্যালয়ত খালী হোৱা অস্থায়ী হিন্দী অধ্যাপকৰ পদৰ বাবে আবেদন কৰি ১৯৮৪ চনৰ ডিচেম্বৰ মাহৰ ১ তাৰিখে অস্থায়ীভাৱে কৰ্মত যোগদান কৰি ১৯৮৬ চনৰ পহিলা জানুৱাৰীত নিয়মীয়াকৰণ হোৱা পদত বৰ্তমানেও কৰ্মৰত। আমাৰ যোগদানৰ সময়ৰপৰা আজিলৈকে মহাবিদ্যালয়খনে যিখিনি দিন বিভিন্ন ঘাত-প্ৰতিঘাতৰ মাজেৰে কিদৰে পাৰ কৰিলে তাৰেই এটি থূলমূল আভাস দাঙি ধৰাৰ চেষ্টা কৰিছো এই প্ৰবন্ধৰ মাজেৰে।

১৯৮৪ চনৰ কথা। তেতিয়াৰ অধ্যক্ষ বৰ্তমান প্ৰয়াত মাননীয় মুহিৰাম শইকীয়া ছাৰ। ছাৰৰ নামটো যেন নগাঁৱৰ এটি ঠিকনা। কাৰণ ছাৰ কেৱল অধ্যক্ষই নাছিল। তেখেত একাধাৰে সামাজিক আৰু ৰাজনৈতিকভাৱে অতিশয় সক্ৰিয় ব্যক্তিও আছিল। যাৰ বাবে ছাৰক অসমৰ প্ৰায়বোৰ লোকেই চিনি পাইছিল। ১৯৭৯ চনৰপৰা চলা বিদেশী বহিষ্কাৰ আন্দোলনৰ মহাশয় এগৰাকী সক্ৰিয় অংশীদাৰ আছিল, সেয়ে হয়তো ১৯৮৫ চনৰ লোকসভা নিৰ্বাচনত তেখেত নগাঁও সদৰ সমষ্টিৰপৰা বহুখিনি ভোট লৈ বিজয়ী হৈ ভাৰতৰ কেন্দ্ৰ চৰকাৰত অসমৰপৰা প্ৰতিনিধিত্ব কৰিবলৈ সক্ষম হৈছিল। শ্ৰীযুত শইকীয়া ছাৰ স্বভাৱত অতি স্পষ্টবাদী, নিৰ্ভীক আৰু দয়ালু ব্যক্তি আছিল। অধ্যক্ষ হিচাপে তেখেত এগৰাকী দক্ষ অধ্যক্ষ যে আছিল তাৰ বহু প্ৰমাণ আছে। তেতিয়াৰ দিনত আজিৰ দৰে যান-যঁটৰ ইমান পয়োভৰ নাছিল বাবেই মহাবিদ্যালয়ৰ সমুখৰ দেৱালত

প্ৰায়বোৰ ছাত্ৰই আড্ডা মাৰিছিল, কিন্তু শইকায়া ছাৰে মহাবিদ্যালয়ত প্ৰৱেশ কৰাৰ আগে আগে সকলো ছাত্ৰ-ছাত্ৰীয়ে আড্ডা এৰি কলেজ চৌহদত প্ৰৱেশ কৰিছিল, কাৰণ যদি কোনো ছাত্ৰ-ছাত্ৰীক আড্ডা মাৰি থকা অৱস্থাত ছাৰে পাই তেওঁৰ অৱস্থা কাঢ়িল হোৱাটো স্বাভাৱিক। মহাবিদ্যালয় চলি থকা সময়ত তেখেতে দুই-তিনিবাৰ বাহিৰত বহা আড্ডাবোৰ খেদাৰ প্ৰয়াস কৰিছিল। ছাৰৰ দিনতেই আমি মহাবিদ্যালয়ত যোগদান কৰো, মোৰ পদটি একেবাৰেই অস্থায়ী আছিল। তেতিয়া আমাৰ এম-এ চূড়ান্ত পৰীক্ষাৰ ফলাফলো ঘোষণা নকৰাৰ পৰিপ্ৰেক্ষিতত আমাক মাহিলি বেতন মাত্ৰ দুশ টকাকৈ প্ৰদান কৰিছিল। আমাৰ ৰিজাল্ট মে' মাহত ঘোষণা কৰা হৈছিল আৰু পূৰ্বস্বত্ব অনুসৰি ফলাফল ঘোষণাৰ পিচত আমাক বেতন ২০০ টকাৰপৰা ৬০০ টকালৈ বৃদ্ধি কৰাৰ আদেশ আছিল। সেয়ে আমাৰ ফলাফলটো মাননীয় ছাৰক দিবৰ কাৰণে ১০ বজাত ছাৰৰ কোঠাত প্ৰৱেশ কৰাৰ বাবে গৈছিলোঁ, কিন্তু যেতিয়া ছাৰক তেখেতৰ কোঠাত প্ৰৱেশ কৰাৰ অনুমতি বিচাৰিছিলোঁ ছাৰে তেতিয়া এনেদৰে গৰজি উঠিছিল যে মোৰ লগত যোৱা বাকী দুগৰাকী অধ্যাপক ছাৰৰ কোঠাৰ সন্মুখৰপৰা লগে লগে গুচি আহিছিল। মই কিন্তু আঁকোৰগোজ। মই ছাৰৰ গৰজনিলৈ ভয় কৰিছিলোঁ যদিও সাহস গোটাই ছাৰক ক'লো ছাৰ আমি অধ্যাপকহে, আমাৰ এম এ পৰীক্ষাৰ ৰিজাল্ট দিলে, ৰিজাল্টটো আপোনাক জনাবৰ বাবে আহিছিলোঁ। 'এ হয় নেকি? আহা আহা' বুলি ছাৰে নিজৰ সুৰ সলনি কৰি ভিতৰলৈ মাতিলে। তেতিয়া আমি তিনিও ছাৰৰ কোঠাত থকা চকীত বহি বৰ সন্তৰ্পণে আমি আমাৰ বাৰ্তাখিনি দিলোঁ। ছাৰে লগে লগে কলিং বেল বজাই চকীদাৰজনক মাতিলে আৰু আমাক প্ৰত্যেককে চাহ-মিঠাইৰ বাবে ১০০ টকাকৈ চকীদাৰজনক দিবলৈ ক'লে। আমিও কোনোধৰণৰ ওজৰ-আপত্তি নকৰি ১০০ টকাকৈ উলিয়াই চকীদাৰৰ হাতত দিলো আৰু ছাৰক ক'লো 'ছাৰ আমাৰ ৰিজাল্টৰ পিচত দৰমহাটো ৬০০ টকালৈ বঢ়োৱাৰ কথা আছিল।' লগে লগে ছাৰে নিজৰ টেবুলৰ কলিং বেল বজালে, চকীদাৰ হাজিৰ। আদেশ কৰিলে আনন্দ প্ৰসাদ কাকতি দাক মাতি অনাৰ বাবে। কাকতিদা উপস্থিত। পুনৰ কাকতিদাক আদেশ জাৰি কৰিলে এওঁলোক তিনিওজনৰ দৰমহাটো ২০০ টকাৰপৰা ৬০০ টকাকৈ এই মাহৰপৰা দিয়াৰ ব্যৱস্থা কৰিব। কিমান যে ততাতৈয়া কামত। সেয়াই আছিল মুহিৰাম শইকীয়া ছাৰ। নগাঁও কলেজৰ দ্বিতীয়গৰাকী অধ্যক্ষ।

**মহাবিদ্যালয়ৰ অফিচ ঃ** নগাঁও মহাবিদ্যালয়ৰ কাৰ্যালয়টো বৰ্তমানৰ হিন্দী, গণিত, আৰবিক আৰু মহিলা কোষৰ কোঠাকেইটা জুৰি আছিল। তাৰেই অফিচটো তিনিটা ভাগত বিভক্ত। বৰ্তমানৰ মহিলা কোষৰ কাৰ্যালয়ত সেই সময়ত বহিছিল প্ৰয়াত আনন্দ প্ৰসাদ কাকতি। পদবী মহাবিদ্যালয়ৰ বৰবাবু। গণিত আৰু হিন্দী বিভাগৰ কোঠাত পৰীক্ষা সম্পৰ্কীয় আৰু নামভৰ্তি সম্পৰ্কীয় কাম-কাজবোৰ হৈছিল। এই কোঠাত প্ৰয়াত ললিত শইকীয়া, প্ৰয়াত ৰজনী বৈশ্য শইকীয়া, গজেন বৰা আৰু শেষৰ ফালে দিলীপ শইকীয়া, জীৱন শইকীয়া আদি বহিছিল। আৰবিক বিভাগত আছিল মহাবিদ্যালয়ৰ গাণনিক কাৰ্যালয়। ইয়াত চন্দ্ৰ বৰা, ফণী শৰ্মা, বিদ্যা গোস্বামী, ত্ৰৈলোক্য শৰ্মা, ভট্ট দা আদি বহিছিল। তেতিয়াৰ অফিচৰ কৰ্মচাৰীসকলৰ লগত আমাৰ ইমান মিলা-প্ৰীতি যে বৰ্ণনা কৰিব নোৱাৰি।

**মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰ ঃ** মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰত আমাৰ সময়ত গ্ৰন্থাগাৰিক ৰূপে কাৰ্যনিৰ্বাহ কৰিছিল শ্ৰীযুত ৰেৱ বৰাদেৱে আৰু লীলাম নাথ, নাজনিন চুলতানা, টংকেশ্বৰ শইকীয়া, হাজৰিকা আৰু লক্ষী শইকীয়াই চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী ৰূপে কাৰ্যনিৰ্বাহ কৰিছিল যদিও আমাৰ লগত বৰ ঘনিষ্ঠ আছিল। তেতিয়াৰ গ্ৰন্থাগাৰলৈ যেতিয়াই হিন্দী কিতাপবোৰ আহে, বৰা দাই মোক মতাই লৈ যায় আৰু বৰ মৰমেৰে

মোক কিতাবোৰৰ নামখিনি কিতাপৰ ওপৰতে ইংৰাজীত লিখি দিবৰ বাবে অনুৰোধ কৰে। ময়ো বৰাদাৰ কথা পেলাব নোৱাৰি মোৰ Class খিনি শেষ কৰি ডেৰ-দুই ঘণ্টাকৈ বহি হিন্দী কিতাপত ইংৰাজীৰে নামবোৰ লিখাৰ কাম কৰি দিওঁ। বৰাদাই মাজে মাজে বিভিন্ন দিশৰ ৰসাল কথাবোৰ কৈ থাকে আৰু তাৰ মাজতেই একোকাপ চাহৰ যোগান ধৰে। এনেদৰে দুই-তিনিদিনৰ ভিতৰতে মই প্ৰায় ১০০-১৫০ কিতাপৰ নাম লিখি দিওঁ। টংকেশ্বৰ শইকীয়াৰ খুহুতীয়া কথাত হাঁহিৰ ৰগৰ উঠে। এনে পৰিৱেশটোৰে আমাৰ পৰিশ্ৰম লাঘৱ কৰি পেলাইছিল।

**মহাবিদ্যালয়ৰ কেণ্টিন ঃ** ‘সোৱাদ’ কেণ্টিনৰ আমেজ চিংৰা, চাহৰ জুতি, বালুচা, কচুৰি আৰু লাল চাহৰ যি আমেজ আছিল, বৰ্তমান সেইবোৰে আমাক নষ্টালজিক কৰি তোলে। তেতিয়াৰ সোৱাদ কেণ্টিনখন আছিল বৰ্তমানৰ ৯ নং কোঠাৰ স্থানত, আমাৰ ক্লাছবোৰ ৬-৪০ ৰ পৰাই আৰম্ভ হৈছিল, কাৰণ বাণিজ্য বিভাগৰ ক্লাছবোৰ মৰনিং শ্বিফটত আছিল। ‘সোৱাদ’ কেণ্টিনৰ সোৱাদে এতিয়াও আমাক এক সাংঘাতিক আমোদ প্ৰদান কৰি আছে। বৰ্তমান শইকীয়া কেণ্টিন, বৰা কেণ্টিন আৰু জলপানৰ পৰিবেশে আমাক বাৰে বাৰে পূৰ্বৰ সোৱাদলৈ মনত পেলাই থাকে। মাজতে আকৌ ফৰেষ্ট গেটৰ ফালে বৰুৱা কেণ্টিন এখনো হ’ল। পিচে বেছিদিন তিষ্ঠিব নোৱাৰিলে। যা-কি নহওক মহাবিদ্যালয়ৰ আটাইবোৰ কেণ্টিনেই মাননীয় পৰিচালনা সমিতিৰ অনুমোদন ক্ৰমে গঢ়ি উঠিছে আৰু প্ৰতিখন কেণ্টিনতে প্ৰতিবিধ খাদ্য সামগ্ৰী একো একোটা ৰিজনেবল দামত পাব পাৰি। বিশেষভাৱে কেণ্টিনকেইখন ছাত্ৰ-ছাত্ৰীৰ বিশেষ সুবিধানুসৰি চলোৱাৰ দিহা কৰা হৈছে।

**অধ্যাপক-অধ্যপিকাসকল ঃ** আমি মহাবিদ্যালয়ত যোগদান কৰা সময়ত থকা অধ্যাপক-অধ্যাপিকাসকলৰ ভিতৰত আছিল ইংৰাজী বিভাগত হবিবুৰ ৰহমান, ড° আজিজ খান, আবু নছৰ ছালেহ, কামাখ্যা প্ৰসাদ চৌধুৰী, এন ডি যোচেফ আৰু আমাৰ সমসাময়িক লীৰা নেওগ।

অসমীয়া বিভাগত যথাক্ৰমে মহিম বৰা, মাণিক বৰা, ড° সৰ্বেশ্বৰ ৰাজগুৰু, মনমোহন দাস, তাৰিণী প্ৰসাদ শৰ্মা ছাৰ আৰু ড° গিৰিকান্ত গোস্বামী আদি।

দৰ্শন বিভাগত বসন্ত ভূঞা, মানবেন্দ্ৰ নাগ, বেনু গোস্বামী আৰু শশীন্দ্ৰ কাকতি ছাৰ।

বুৰঞ্জী বিভাগত যথাক্ৰমে ললিত শইকীয়া, ভানু দেৱী, অৰুণ কান্তি দাস আদি।

ৰাজনীতি বিভাগত তগৰ বৰা, প্ৰণৱ শৰ্মা, আব্দুল মান্নান ফাৰুকী, ড° লীলাৱতী দাস। পৰৱৰ্তী সময়ত ৰঞ্জিত কুমাৰ মজিন্দাৰ।

অৰ্থনীতি বিভাগত জগৎ শৰ্মা, ভগৱান বৰুৱা, নীলাক্ষি শইকীয়া, জয়শ্ৰী শইকীয়া আৰু বন্তি নেওগ।

শিক্ষা বিভাগত নৰেন বৰা, সৰ্বেশ্বৰ বৰঠাকুৰ, ইন্দু দাস, চেনীমাই হাজৰিকা বাইদেউ আৰু ড° চমিৰ উদ্দিন আহমেদ।

পৰিসংখ্যা বিভাগত যদু নাথ শইকীয়া, নিৰ্মল গগৈ আৰু প্ৰবীণ কুমাৰ বৰা আদি।

গণিত বিভাগত চন্দ্ৰপ্ৰভা দেৱী, আব্দুল কৰিম, দিলীপ শৰ্মা, চিৰাজুল ইছলাম আদি।

ৰসায়ন বিভাগৰ মঃ ছাহ আলম, মুজিবুৰ ৰহমান, অৰুণ বৰ্মন, দ্বিজেন দাস, বাবুলাল পাল আৰু ৰমেন বৰাদা।

পদাৰ্থ বিজ্ঞান বিভাগত খগেন শৰ্মা, অনুজ বৰকাকতী, বিনয় ভূষণ পাল, হলিৰাম হাজৰিকা আদি।

প্ৰাণী বিজ্ঞান বিভাগত প্ৰভাত কাকতি, বিপুল কটকী, বিজয়া ৰায় চৌধুৰী, পৱন শইকীয়া, বিভা গোস্বামী আদি।

উদ্ভিদ বিজ্ঞান বিভাগৰ বুদ্ধেশ্বৰ গোহাঁই, গণেশ গোস্বামী ছাৰ, হেমিল ছাৰ, অসীম দেৱ, বলিন

শইকীয়া এই সকল পুৰোধা ব্যক্তিৰ সান্নিধ্যত থাকি আমি ধন্য হৈছিলোঁ। পৰৱৰ্তী সময়ত ড° শৰৎ দত্ত, শৰৎ বৰকটকী, কৃষ্ণকান্ত মেধি আদি। মুঠতে নগাঁও মহাবিদ্যালয়ৰ সেইসময়ৰ প্ৰতিগৰাকী শিক্ষকেই নিজ নিজ কৰ্তব্য পালনত অকণো হেমাহি কৰা আমাৰ দৃষ্টিগোচৰ হোৱা নাছিল; যিটো বৰ্তমানেও একেই ৰূপত চলি আছে। বাণিজ্য আৰু হিন্দী বিভাগৰ মাজত প্ৰায় ১৯৯৪ চনৰপৰা এক নিবিড় সম্পৰ্ক গঢ় লৈ উঠিছিল, কিয়নো ১৯৯৪ চনত পোন প্ৰথমবাৰৰ বাবে কলা আৰু বাণিজ্য বিভাগৰ বাবে সুকীয়া কোঠাৰ দিহা কৰা হৈছিল। সেই সময়ত হিন্দী আৰু বাণিজ্য বিভাগৰ শিক্ষক জিৰণি কোঠা, সেই সময়ৰ দৰ্শন বিভাগ আৰু বৰ্তমান নতুনকৈ তৈয়াৰ কৰা কোঠা নং ১ অত একেলগে আছিল। আমাৰ ক্লাছবোৰ প্ৰায় ৪ বজালৈকে আছিল যদিও বাণিজ্য বিভাগৰ ক্লাছ ১টা মান বজাতেই অন্ত হৈছিল, কিয়নো সেই শ্ৰেণী পুৱা ৬-৪০ৰপৰা আৰম্ভ হৈছিল।

এইখনেই নগাঁও মহাবিদ্যালয়। য'ত বহু দূৰ-দূৰণিৰপৰা অহা ছাত্ৰ-ছাত্ৰীয়ে উচ্চ শিক্ষা গ্ৰহণ কৰাৰ সুযোগ পাইছিল। আমিও একাদিক্ৰমে ১৯৮৪ চনৰপৰা বিভিন্নধৰণৰ ছাত্ৰ-ছাত্ৰীৰ লগত থাকি শিক্ষা দান কৰা কাৰ্য বৰ্তমানেও কৰি আছোঁ। পিছে বৰ্তমান সময় পূৰ্বৰ তুলনাত অতি কঠিন হৈ আহিল।

বঙালী বিভাগত ড° জীৱন কৃষ্ণ দেৱনাথ, পৰৱৰ্তী সময়ত ড° সঞ্জয় দে আৰু পাপৰি বিশ্বাস আহি যোগদান কৰি বিভাগটি চলাই আছে।

বাণিজ্য বিভাগত ড° জিতেন্দ্ৰ নাথ বৰা ছাৰ, ৰূপদা কান্ত ভূঞা, চেনিৰাম বৈদ্য, অপূৰ্ব বৰা, ড° ৰঞ্জন ভড়ালী আদিৰ উপৰি থোলেন শৰ্মা, সুৰজিত ভাগৱতী আদি অধ্যাপকসকলে সুকলমে বিভাগটি চলায় আছে। হিন্দী বিভাগত প্ৰয়াত অজিত চন্দ্ৰ ডেকা, প্ৰয়াত মঞ্জুমণি কলিতা, ড° দিলীপ শৰ্মা আৰু ড° দীপা ডেকাৰ উপৰি বৰ্তমান কৰবী দেৱী আৰু কাবেৰী শৰ্মাই পাঠদান কৰ্ম চলাই ভাষা আৰু সাহিত্যৰ সেৱাত ব্ৰতী হৈ আছে।

যি কি নহওক মহাবিদ্যালয়খনে অসমৰ শিক্ষাজগতখনত এটা চমকপ্ৰদ ফলাফল আজি পৰ্যন্ত আগবঢ়াই আহিছে। প্ৰতিবছৰে প্ৰায় তিনি-চাৰিশ শিক্ষাৰ্থীয়ে বিভিন্ন বিষয়ত সুখ্যাতিৰে স্নাতক ডিগ্ৰী গ্ৰহণ কৰি উচ্চ শিক্ষা গ্ৰহণৰ বাবে দেশে-বিদেশে যাত্ৰা আব্যাহত ৰাখিছে। সঁচাই এইবোৰ কথাই আমাৰ মনত বৰ আনন্দ প্ৰদান কৰে।

পৰিৱৰ্তন সমাজৰ স্বাভাৱিক নিয়ম, এই নিয়মৰ ব্যতিক্ৰম নগাঁও মহাবিদ্যালয়ো নহয়, সেয়ে শিক্ষা নীতিৰো পৰিৱৰ্তন ঘটিছে আৰু পৰিৱৰ্তিত শিক্ষা ব্যৱস্থাটোক মহাবিদ্যালয়খনে যথোচিতভাৱে আঁকোৱালি লৈ শৈক্ষিক যাত্ৰাত অগ্ৰগামীও হৈছে। আজি পুৰণিকলীয়া শিক্ষাব্যৱস্থা বিলুপ্তি ঘটিছে আৰু এক নতুন প্ৰগতিমূলক শিক্ষাই প্ৰসাৰ লাভ কৰিছে। মহাবিদ্যালয়খনে এই নিয়ম-নীতিক সাৱোগত কৰিয়েই আগবঢ়াৰ চেষ্টা অব্যাহত ৰখাৰ ফলতেই ৰাজনীতি বিজ্ঞান আৰু অসমীয়া বিষয়তে সৰ্বপ্ৰথমে স্নাতকোত্তৰ শ্ৰেণী আৰম্ভ কৰি শিক্ষাৰ প্ৰসাৰ ঘটোৱাৰ চেষ্টা অব্যাহত ৰাখিছে। ইয়াৰোপৰি পূৰ্বৰ দুটা বিষয়ত খোলা স্নাতকোত্তৰ শ্ৰেণীসমূহ আজি বৰ্ধিত হৈ মুঠ আঠোটা বিষয়লৈ বৰ্ধিত হৈছে। স্নাতকোত্তৰ শ্ৰেণী থকা বিষয়কেইটা যথাক্ৰমে বিজ্ঞান শাখাত উদ্ভিদ বিজ্ঞান, প্ৰাণী বিজ্ঞান আৰু ৰসায়ন বিজ্ঞান, কলা শাখাত অসমীয়া, শিক্ষা, দৰ্শন, ইতিহাস আৰু ইংৰাজী।

ইতিমধ্যে ৰাজনীতি বিজ্ঞানৰ স্নাতকোত্তৰ শ্ৰেণীৰ ব্যৱস্থাটো বন্ধ কৰা হ'ল, পৰৱৰ্তী সময়ত মহাবিদ্যালয়খনৰ নতুন নতুন বিষয়ত স্নাতকোত্তৰ শ্ৰেণীসমূহ চলাই নিয়াৰ চিন্তা-চৰ্চা কৰি আছে।

আমি অতি গৌৰৱেৰে উল্লেখ কৰিব বিচাৰিছোঁ যে আমাৰ অধ্যাপক মণ্ডলীৰ বহুকেইজনে গৱেষক ছাত্ৰ-ছাত্ৰীক গাইড কৰিব পৰা অৰ্হতাও অৰ্জন কৰিছে আৰু এই কাৰ্য বৰ্তমানে নিয়মীয়াভাৱে চলাই

থকা হৈছে।

এইখন মহাবিদ্যালয়ৰপৰা সুখ্যাতিৰে ডিগ্ৰী লৈ অসমৰ বিভিন্ন স্থানত গৈ উচ্চ শিক্ষা গ্ৰহণ কৰি ভাৰত তথা ভাৰতৰ বাহিৰত বিভিন্ন কাৰ্যালয়, শিক্ষানুষ্ঠান আদিত ব্ৰতী হৈ দেশ তথা জাতিৰ সেৱাত নিজকে বৰ্তাই আমাৰ মহাবিদ্যালয়ৰ গৌৰৱ বৃদ্ধি কৰিছে। আমাৰ প্ৰায় ১০০-১৫০ শিক্ষাৰ্থী ভাৰতৰ বাহিৰত প্ৰতিষ্ঠিত হৈ আমাৰ মহাবিদ্যালয়ৰ সুনাম চতুৰ্দিশে উজলাই আছে।

মহাবিদ্যালয়খনে এই দীৰ্ঘদিনীয়া শৈক্ষিক যাত্ৰা কালত বহুবোৰ শিক্ষাৰ্থীক সংগীত, নাটক, ফাইন আৰ্ট, বাদ্যযন্ত্ৰী, গায়ক-গায়িকা, শ্ৰেষ্ঠ সমাজ সেৱক, সুদক্ষ প্ৰশাসনিক বিষয়া আদি তৈয়াৰ কৰিব পৰা কাৰ্য সঁচাই শলাগ ল'বলগীয়া।

মহাবিদ্যালয়ত এন চি চি, এন এচ এচ আদিৰ দৰে ৰাষ্ট্ৰীয় মঞ্চও আছে, যাৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলক উপযুক্ত প্ৰশিক্ষকৰ দ্বাৰা প্ৰশিক্ষণ প্ৰদান কৰি দেশ তথা জাতিৰ বাবে কৰ্ম কৰিব পৰা এক ব্যক্তিত্বৰ অধিকাৰী কৰি তুলিছে।

মহাবিদ্যালয়খনে নিয়মীয়া পাঠদানৰ উপৰি অসম তথা ভাৰতৰ নাম থকা তিনিখন বিশ্ববিদ্যালয়ৰ অধীনত মুক্ত আৰু দূৰসংযোগ শিক্ষাৰ প্ৰসাৰ ঘটাইছে। তাৰ ভিতৰত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়, ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় মুক্ত বিশ্ববিদ্যালয় আৰু মুক্ত আৰু দূৰসংযোগ শিক্ষা প্ৰতিষ্ঠান (IDOL) আদিৰ জৰিয়তে ৰাজ্যখনৰ চাহিদা থকা ছাত্ৰ-ছাত্ৰীক শিক্ষা প্ৰদান কৰি আহিছে। এই সকলোবোৰ কাম প্ৰকৃততে মহাবিদ্যালয়খনৰ অধ্যক্ষগৰাকীৰ তৎপৰতাত এচাম অধ্যাপকে নিঃস্বাৰ্থভাৱে অহৰ্নিশে কৰি থকা সেৱাৰ নিদৰ্শন মাথোন।

মহাবিদ্যালয়খনে সদায় নতুন নতুন বিষয়বোৰ পাঠ্যক্ৰমত সংযোগ কৰি ছাত্ৰ-ছাত্ৰীসকলক আগুৱাই নিয়াৰ চেষ্টা অব্যাহত ৰাখিছে। উদাহৰণস্বৰূপে প্ৰশাসনিক বিষয়ৰ প্ৰাৰম্ভিক শিক্ষা প্ৰদানৰ বাবে মহাবিদ্যালয়ত এটি Study Centre (ALS) খোলা হৈছে, আধুনিক চিকিৎসা বিজ্ঞানৰ প্ৰসাৰতাৰ প্ৰতি লক্ষ্য ৰাখি BMLT Course খোলা হৈছে, লগতে Bio Technologyৰ দৰে বিষয় সংযোগ কৰি শিক্ষাৰ প্ৰায়োগিক প্ৰসাৰ ঘটোৱাৰ চেষ্টা কৰি আহিছে। এই সকলোবোৰৰ আঁৰত ড° শৰৎ বৰকটকীৰ দৰে এগৰাকী উদীয়মান আৰু উচ্চ চিন্তাসম্পন্ন অধ্যক্ষৰ লগতে মহাবিদ্যালয়ৰ শিক্ষকসকলৰ সক্ৰিয় সহযোগ।

আমি আমাৰ কাৰ্যকালত পোৱা অধ্যক্ষসকল আছিল যথাক্ৰমে প্ৰয়াত প্ৰদীপ শইকীয়া, শ্ৰীযুত মহেন্দ্ৰ আহোম, ড° খৰ্গেশ্বৰ ভূঞা আৰু বৰ্তমানৰ অধ্যক্ষ ড° শৰৎ বৰকটকী।

প্ৰতিগৰাকী অধ্যক্ষই নিজ নিজ কৰ্মদক্ষতা আৰু জ্ঞানৰ পৰিসৰেৰে কলেজখনৰ শৈক্ষিক, আবাসিক আদি বাতাবৰণ উন্নীত কৰাৰ প্ৰয়াস কৰিছিল। যাৰ ফলশ্ৰুতিত মহাবিদ্যালয়খনে প্ৰাণ পাই উঠিছিল।

আমাৰ মহাবিদ্যালয়ৰপৰা ইতিমধ্যে ডিগ্ৰী গ্ৰহণ কৰি ওলাই যোৱা বহুখিনি কীৰ্তিমান ছাত্ৰ-ছাত্ৰীয়ে দেশ আৰু বিদেশত ৰাজনীতি, শিক্ষা, প্ৰশাসন, বাণিজ্য, বিজ্ঞান আৰু কলাৰ ক্ষেত্ৰত প্ৰতিষ্ঠিত হৈ নিজৰ লগতে ৰাজ্য আৰু জিলাখনলৈ সুনাম কঢ়িয়াই অনাটোৱে আমাৰ গঠনমূলক পৰামৰ্শ আৰু মহাবিদ্যালয়খনৰ শৈক্ষিক বাতাবৰণৰ উন্নতিৰ কথাকো দৰ্শায়।

যি কি নহওক মই চাকৰিত যোগদান কৰা সময়ৰপৰা (১৯৮৪) মহাবিদ্যালয়খনৰ আন্তঃগাঁথনি আৰু শৈক্ষিক দিশত দোপতদোপে আগবাঢ়ি বৰ্তমান ই এখন স্বতন্ত্ৰ বিশ্ববিদ্যালয় পৰ্যায়ৰ মানদণ্ডলৈ পৰ্যবসিত হ'ব খোজা কাৰ্য সঁচাই গৌৰৱ বুলি ভবাৰ স্থল আছে। যিটো কথা আমাৰ নগাঁও জিলাৰ বাবেও এক গৌৰৱৰ বিষয়।

জয়তু নগাঁও মহাবিদ্যালয়

জয় আই অসম❑

---

লেখক - নগাঁও মহাবিদ্যালয়ৰ হিন্দী বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক।

# ছাত্ৰ আন্দোলন— নেতৃত্বৰ পৃষ্ঠভূমি নগাঁও মহাবিদ্যালয়

**মানস কুমাৰ মহন্ত**

**সা**ম্ৰাজ্যবাদে তেতিয়া বিদায় লৈছিল। তথাপি যেন সাম্ৰাজ্যবাদৰ প্ৰভাৱেৰে প্ৰভাৱান্বিত হৈ আছিল দেশৰ নতুন ৰাজনৈতিক নেতৃত্ব। ১৯৪৭ চনৰ ১৫ আগষ্টত ব্ৰিটিছৰাজে মেলানি মাগিলে যদিও এচাম দেশীয় নেতা ব্ৰিটিছৰাজেৰে মোহাবিষ্ট হৈ আছিল। সেয়ে স্বাধীন ভাৰতৰ মাটিতো পালিত হৈছিল ৰাণী দ্বিতীয় এলিজাবেথৰ অভিষেক উৎসৱ। কিন্তু এই কথা মানি ল'ব পৰা নাছিল নগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ সমাজে। সেয়ে নগাঁৱত সংগঠিত হৈছিল প্ৰতিবাদী সভা। সেয়া ১৯৪৮ চনৰ কথা। দিনটো আছিল ৯ জুন। নগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ কেহোৰাম হাজৰিকা আৰু মণি বৰাই এই প্ৰতিবাদৰ নেতৃত্ব ল'লে। কমিউনিষ্ট ভাবাদৰ্শৰ এই দুই ছাত্ৰ নেতা আছিল নগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ। নগাঁও মহাবিদ্যালয়ৰ চৌহদতে আলচ কৰি দুই ছাত্ৰ নেতাই সংগঠিত কৰিলে এক বৃহৎ প্ৰতিবাদী সভা। জুবিলি খেলপথাৰত অনুষ্ঠিত হৈ যোৱা সেই প্ৰতিবাদী সভাই দেশৰ ৰাজনৈতিক নেতৃত্বকো ভবাই তুলিছিল। অৱশ্যে এই প্ৰতিবাদৰ সৈতে জৰিত হৈছিল জিলাখনৰ আন কেইবাজনো কমিউনিষ্ট ভাবাদৰ্শৰ ছাত্ৰ। অন্যতম আছিল বানেশ্বৰ শইকীয়া। শইকীয়াও পিছলৈ নগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ হৈছিল। কেহোৰাম হাজৰিকা আৰু বানেশ্বৰ শইকীয়া পৰৱৰ্তী সময়ত অসম বিধানসভালৈ নিৰ্বাচিত হৈছিল। সেয়াও ছাত্ৰ আন্দোলনৰ দীঘল ইতিহাস। এইখন মহাবিদ্যালয়ৰ ছাত্ৰ দেবেন্দ্ৰ নাথ বৰাই যমুনামুখ সমষ্টিক প্ৰতিনিধিত্ব কৰি বিধানসভালৈ নিৰ্বাচিত হৈছিল। সেয়া ১৯৭২ চনৰ কথা। সেইবাবেই মন্ত্ৰীসভাৰ সম্প্ৰসাৰণত মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহই বিধায়ক বৰাক মন্ত্ৰীসভাত অন্তৰ্ভুক্ত কৰিছিল। সমাজবাদী আন্দোলনেৰে জড়িত অতুল চন্দ্ৰ গোস্বামীৰ ৰাজনীতিৰ চেৰাশালি আছিল এই মহাবিদ্যালয়। গোস্বামীও বিধায়ক হৈছিল। বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ নেতা ছামছুল হুদাৰ ৰাজনীতিৰ পৃষ্ঠভূমি এই মহাবিদ্যালয়ৰ চৌহদ। একালত সাংবাদিক হিচাপেও উজলি উঠা ছামছুল হুদা বিধান সভালৈ নিৰ্বাচিত হৈছিল দুবাৰকৈ। এনে লোকৰ নামৰ তালিকা চুটি নহয়। বিধান সভালৈ নিৰ্বাচিত হোৱা কেহোৰাম হাজৰিকা, মুছাব্বিৰ চৌধুৰী, গুণেন্দ্ৰনাথ পণ্ডিত, জগদীশ দাস, আব্দুল হুছেইন মীৰ, প্ৰসাদ চন্দ্ৰ দলে, লক্ষীপ্ৰসাদ হাজৰিকা, ৰমেশ ফুকনৰ নামো এই তালিকাত সন্নিৱিষ্ট হৈ আছে। ৰাজনৈতিক আদৰ্শ আৰু দৰ্শন সুকীয়া সুকীয়া হ'লেও এইসকল জনপ্ৰতিনিধিয়ে ৰাজনীতিৰ আদিপাঠ গ্ৰহণ কৰিছিল এই মহাবিদ্যালয়ৰ চৌহদতেই। ধিং সমষ্টিক প্ৰতিনিধিত্ব কৰি বিধানসভালৈ নিৰ্বাচিত হোৱা মুজিবুৰ ৰহমান নগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ হোৱাৰ লগতে পৰৱৰ্তী সময়ত এই মহাবিদ্যালয়তেই তেখেতে অধ্যাপনা কৰিছিল। ধিং সমষ্টিক প্ৰতিনিধিত্ব কৰা আন এজন বিধায়ক ড° ইদ্ৰিছ আলিও আছিল এই মহাবিদ্যালয়ৰে ছাত্ৰ।

মহাবিদ্যালয়ৰ ছাত্ৰ আৰু প্ৰাক্তন ছাত্ৰই তেতিয়াৰেপৰা আজিলৈকে বিভিন্ন দিশত নেতৃত্ব গ্ৰহণ কৰি আহিছে। এইখন মহাবিদ্যালয়ৰ একালৰ ছাত্ৰ প্ৰফুল্ল কুমাৰ মহন্তই দুবাৰকৈ ৰাজ্যখনৰ মুখ্যমন্ত্ৰীৰ আসন শুৱনি কৰিলে। মহাবিদ্যালয়খনৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক গৌতম বৰাই ১৯৭৪ চনৰ একৈশ দফীয়া দাবী চনদৰ আন্দোলনত নগাঁও জিলাকেই নহয়, সমগ্ৰ ৰাজ্যখনৰ ছাত্ৰ সমাজক নেতৃত্ব দিছিল। সেই সময়ত বৰা আছিল সদৌ অসম ছাত্ৰ সন্থাৰো সহকাৰী সাধাৰণ সম্পাদক। পিছলৈ কংগ্ৰেছত যোগদান কৰি দুবাৰকৈ মন্ত্ৰী হ'ল গৌতম বৰা। নগাঁও মহাবিদ্যালয়ৰ একালৰ ছাত্ৰ, বিদেশী বিতাৰণ আন্দোলনৰ অন্যতম নেতা দীগেন বৰাও অগপৰ দুয়োটা আমোলত মন্ত্ৰী হৈছিল। দুটা কাৰ্যকালৰ বাবে বিধানসভাৰ সদস্য হোৱা গিৰীন্দ্ৰ কুমাৰ বৰুৱা অগপৰ প্ৰথমটো কাৰ্যকালত মন্ত্ৰী হৈছিল। নগাঁও মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক গিৰীন্দ্ৰ কুমাৰ বৰুৱাই সদৌ নগাঁও জিলা ছাত্ৰ সন্থাৰ নেতৃত্ব দিছিল সাধাৰণ সম্পাদক হিচাপে। সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰো সাধাৰণ সম্পাদক হৈছিল গিৰীন্দ্ৰ কুমাৰ বৰুৱা। ৰহা সমষ্টিক প্ৰতিনিধিত্ব কৰি বিধান সভালৈ নিৰ্বাচিত হোৱা উমেশ চন্দ্ৰ দাস প্ৰফুল্ল কুমাৰ মহন্তৰ মন্ত্ৰীসভাৰ স্বতন্ত্ৰ দায়িত্বৰে ৰাজ্যিক মন্ত্ৰী হৈছিল। এইজন ৰাজনীতিকো নগাঁও মহাবিদ্যালয়ৰে ছাত্ৰ। একেটা সমষ্টিক প্ৰতিনিধিত্ব কৰি বিধানসভালৈ যোৱা গহীন চন্দ্ৰ দাসো আছিল নগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ। একালত নগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ আছিল আব্দুল আজিজ। আজিজো ৰূপহী সমষ্টিক প্ৰতিনিধিত্ব কৰি এদিন বিধানসভালৈ গৈছিল। তৰুণ গগৈৰ মন্ত্ৰীসভাত তিনিবাৰকৈ মন্ত্ৰীৰ খিতাপ পোৱা ৰকিবুল হুছেইনো আছিল নগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ। এইখন মহাবিদ্যালয়ৰ ছাত্ৰ তথা একালৰ সংগীত বিভাগৰ সম্পাদক ৰূপক শৰ্মা চতুৰ্দশ অসম বিধানসভাৰ সদস্য হ'ল। নগাঁও মহাবিদ্যালয়ৰ একালৰ অধ্যক্ষ মুহিৰাম শইকীয়া আন্দোলনৰ বোকোচাত উঠিয়েই কেন্দ্ৰীয় মন্ত্ৰী হৈছিল। এনেদৰেই ৰাজ্যখনৰ ৰাজনীতি আৰু আন্দোলনত নগাঁও মহাবিদ্যালয়ে এক উল্লেখযোগ্য ভূমিকা সদায়ে গ্ৰহণ কৰি আহিছে।

১৯৪৮ চনৰ সেই প্ৰতিবাদী সভাৰ পিছৰে পৰা অসমত সংগঠিত প্ৰায় প্ৰতিটো আন্দোলন সফলভাৱে পালিত হৈছিল নগাঁও জিলাতো। নেতৃত্ব লৈছিল নগাঁও মহাবিদ্যালয়ৰ ছাত্ৰই অথবা আন্দোলন পৰিচালিত হৈছিল নগাঁও মহাবিদ্যালয়ৰ চৌহদৰপৰা। অসমত প্ৰথমটো তেল শোধনাগাৰৰ স্থাপনৰ আন্দোলনে জিলাখনকো কোবাই গৈছিল। সেই আন্দোলনৰ সৈতে জড়িত হৈছিল কমিউনিষ্ট আৰু সমাজবাদী দলৰ নেতৃবৰ্গ। সেই সময়ছোৱাত নগাঁও মহাবিদ্যালয়ৰ ছাত্ৰসকলেই অধিক সক্ৰিয় হৈছিল। ১৯৬০ চনত সমগ্ৰ ৰাজ্যখনতে সংগঠিত হৈছিল ভাষা আন্দোলন। অসমীয়া ভাষা ৰাজ্য ভাষা হওক, এই দাবীৰে সংগঠিত হোৱা আন্দোলনটোত নগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ সমাজো সক্ৰিয় হৈছিল। সেই আন্দোলনত নেতৃত্বৰে জড়িত হৈছিল নগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ শিশিৰ নাগ। বাঙালী সম্প্ৰদায়ৰ এইজন ছাত্ৰ নেতাক আন্দোলন বিৰোধী শক্তীয়ে হত্যা কৰিছিল। দিনটো আছিল ১৯৬০ চনৰ ৭ জুলাই। ৰাজ্য ভাষা দাবী পৰিষদৰ নগাঁও জিলা সমিতিৰ যুটীয়া সম্পাদক শিশিৰ নাগ শ্বহীদ হ'ল।

১৯৬৬ চনত সংগঠিত হোৱা খাদ্য আন্দোলনৰ নেতৃত্বৰে জৰিত হৈছিল তেতিয়াৰ ছাত্ৰ নেতা ক্ৰমে ছাকিৰাম বৰা, সুৰেন ভূঞা, কেহোৰাম হাজৰিকা, ৰাজেন শইকীয়া, জ্ঞানদাভিৰাম শইকীয়া, উপেন বৰুৱা আৰু বহুজন। ভিন্ন ৰাজনৈতিক মতাদৰ্শৰ এইসকল নগাঁও মহাবিদ্যালয়ৰ নিয়মীয়া ছাত্ৰ আছিল আৰু আন্দোলনটো পৰিচালিত হৈছিল নগাঁও মহাবিদ্যালয়ৰ চৌহদৰ পৰা। ৰাজ্যখনৰ লগতে নগাঁৱতো চোৰাং ব্যৱসায়ী আৰু মজুতকাৰীৰ বিৰুদ্ধে

অভিযান চলিছিল। ব্যৱসায়ীৰ ভঁৰালৰপৰা বলপূৰ্বকভাৱে উলিয়াই অন্য হৈছিল নিত্য ব্যৱহাৰ্য সামগ্ৰী। সেইদিনা নগাঁৱত যিকেইজন ছাত্ৰ নেতা আৰু কৰ্মী গ্ৰেপ্তাৰ হৈছিল তেওঁলোক আটায়ে আছিল নগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ। সেয়া ১৯৬৬ চনৰ ২২ জুনৰ কথা।

১৯৬৯ চনত অসমত সংগঠিত হৈছিল দ্বিতীয় তেল শোধনাগাৰ স্থাপনৰ দাবীৰ আন্দোলন। সেই আন্দোলনৰ সৈতেও জৰিত হৈছিল বাওঁপন্থী আৰু সমাজবাদী ভাবাদৰ্শৰ এছাম ছাত্ৰ। এইসকল ছাত্ৰই 'দ্বিতীয় তেল শোধনাগাৰ আন্দোলন দাবী পৰিষদ' নামেৰে এটা উমৈহতীয়া মঞ্চ গঢ়ি তুলিছিল। সেই আন্দোলনৰ নেতৃত্বৰ সৈতে অৰাজনৈতিক ব্যক্তি জৰিত হোৱা নাছিল। সেয়ে নগাঁও মহাবিদ্যালয়ৰ কেইজনমান ছাত্ৰই এটা অৰাজনৈতিক সংগঠন গঢ়ি তোলাৰ চিন্তা কৰিলে। কথা মতেই কাম, অৰাজনৈতিক সেই ছাত্ৰসকলে গঢ়ি তুলিলে 'দ্বিতীয় তেল শোধনাগাৰ আন্দোলন পৰিচালনা সমিতি'। নেতৃত্ব ল'লে নগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ ফণীন্দ্ৰ বৰা আৰু মোহিত বৰাই ক্ৰমে সভাপতি আৰু সাধাৰণ সম্পাদক হিচাপে। তাৰ আগলৈকে আন্দোলনটো পৰিচালনা হৈছিল 'পৰিষদ'ৰ নেতৃত্বত। ৰাজনৈতিক 'পৰিষদ' বৈ গ'ল যদিও নেতৃত্বৰে জৰিত হ'ল অৰাজনৈতিক 'সমিতি'। ইয়াৰ পিছত সংগঠিত হৈছিল মাধ্যম আন্দোলন। ১৯৭২ চনত শিক্ষাৰ মাধ্যম অসমীয়া কৰাৰ দাবীত সদৌ অসম ছাত্ৰ সন্থাই আন্দোলনৰ জন্ম দিছিল। সেইখিনি সময়ত অসমত প্ৰতিখন জিলাত ছাত্ৰ সন্থাৰ শাখা গঠন হোৱা নাছিল। তাৰ পূৰ্বে ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সহকাৰী সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত হৈছিল নগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ অনিল বৰা। মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰো সাধাৰণ সম্পাদক অনিল বৰাৰ লগতে একেখন মহাবিদ্যালয়ৰ ছাত্ৰ লুইত বৰাও ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকলৈ মনোনীত হৈছিল সাংস্কৃতিক সম্পাদক হিচাপে। সেইখন কাৰ্যনিৰ্বাহকত নগাঁৱৰ ছাত্ৰ নেতা শিশিৰ ফুকন অন্তৰ্ভুক্ত হৈছিল উপ-সভাপতি হিচাপে। শিশিৰ ফুকন অৱশ্যে নগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ নাছিল। আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক নৰেন বৰুৱাও ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকলৈ মনোনীত হৈছিল ক্ৰীড়া সম্পাদক হিচাপে। উল্লেখ কৰা ভাল যে মাধ্যম আন্দোলন পৰিচালনা কৰাৰ বাবে নগাঁৱত গঠিত হৈছিল 'সদৌ নগাঁও জিলা ছাত্ৰ-ছাত্ৰী কাৰ্যকৰী সমিতি'। ছাত্ৰ সন্থাৰ জিলা শাখা তেতিয়ালৈ গঠন হোৱা নাছিল। '৭২ ৰ মাধ্যম আন্দোলন কিমান সফল হ'ল সেই কথা নিলগাই থ'লেও এটা কথা ক'বই লাগিব যে আন্দোলনটো গঢ়ি উঠাত নগাঁৱৰ ছাত্ৰৰ ভূমিকা আছিল সৰ্বাধিক। তাৰ মাজতে নেতৃত্বৰে জৰিত হৈছিল নগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ। আন্দোলনটোৰ নেতৃত্ব লোৱা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক তথা সদৌ অসম ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক অনিল বৰাক হত্যা কৰা হৈছিল হোজাই চহৰৰ মাজমজিয়াত। অনিল বৰা শ্বহীদ হৈছিল। দিনটো আছিল '৭২ৰ ৭ অক্টোবৰ।

ৰাজ্য পুনৰ গঠন আইনৰ অধীনত মেঘালয় গঠন হ'ল ১৯৭১ চনত। সেয়ে অসমৰ ৰাজধানী ভৈয়ামলৈ নমাই অনাৰ দাবীৰ লগতে ৰাজ্যখনৰ মধ্যস্থল নগাঁৱত ৰাজধানী স্থাপনৰ দাবীত আন্দোলন সংগঠিত হ'ল। প্ৰথম অৱস্থাত উক্ত আন্দোলনৰ সৈতে ছাত্ৰ সমাজ জৰিত নাছিল। জিলাখনৰ সৰ্বজন শ্ৰদ্ধেয় ব্যক্তি জালিৰাম শইকীয়া, মুহিধৰ ৰাজখোৱা, ৰূপৰাম সুত আৰু বহুজনে গঢ়ি তুলিলে ৰাজধানী সংস্থাপন দাবী সমিতি। কিছুদিন পিছত এই দাবী সমিতিত এচাম ছাত্ৰৰো অন্তৰ্ভুক্তি ঘটিল। সেইসকল ছাত্ৰ আটাইকেইজনে আছিল নগাঁও মহাবিদ্যালয়ৰ। সেইকেইজন ছাত্ৰৰ ভিতৰত দ্বীজেন গোস্বামী, লুইত বৰা, গৌতম বৰা, নৌচাদ আখতাৰ হাজৰিকা,

ডিম্বেশ্বৰ বৰা, বিভু ভঁৰালী, আবু হানিফা আছিল অন্যতম। সময়ত আন্দোলনে গতি ল'লে আৰু উত্তাল হ'ল নগাঁও মহাবিদ্যালয়ৰ চৌহদো।

মাধ্যম আন্দোলনৰ পিছত নগাঁৱত গঠন হৈছিল সদৌ নগাঁও জিলা ছাত্ৰ সন্থা। ১৯৭৩ চনৰ ২৭, ২৮ আৰু ২৯ ডিচেম্বৰত নগাঁও মহাবিদ্যালয়ৰ 'বৰদলৈ হল'ত অনুষ্ঠিত ছাত্ৰ অভিৱৰ্তনত সদৌ নগাঁও জিলাৰ ছাত্ৰ সন্থা গঠন হৈছিল। নেতৃত্বত মহাবিদ্যালয়খনৰ কেইবাজনো জ্যেষ্ঠ ছাত্ৰ আছিল। অৱশ্যে সভাপতি আৰু সাধাৰণ সম্পাদক মহাবিদ্যালয়খনৰ ছাত্ৰ নাছিল। এনেদৰেই জিলাখনত সংগঠিত ছাত্ৰ আন্দোলনসমূহৰ নেতৃত্বৰ সৈতে নগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ জৰিত হৈছিল আৰু তেনে আন্দোলন পৰিচালিত হৈছিল নগাঁও মহাবিদ্যালয়ৰ চৌহদৰপৰাই।

১৯৭৪ চনত ২১ দফীয়া দাবী চনদৰ আন্দোলন পৰিচালিত হৈছিল নগাঁও মহাবিদ্যালয়ৰ চৌহদৰ পৰাই। অৱশ্যে নগাঁও চহৰৰ মাজমজিয়াত থকা ইউনাইটেড বেংকৰ পুৰণি কাৰ্যালয় গৃহত জিলা ছাত্ৰ সন্থাৰ অস্থায়ী কাৰ্যালয় স্থাপন কৰা হৈছিল। তথাপি আন্দোলনৰ চৌহদ বুলিবলৈ মহাবিদ্যালয়ৰ চৌহদটোৱেই পৰিগণিত হৈছিল। সেই আন্দোলনৰ কেন্দ্ৰীয় নেতৃত্বৰে জৰিত হৈছিল নগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক গৌতম বৰা। পিছলৈ মন্ত্ৰী হোৱা গৌতম বৰা সদৌ অসম ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক আছিল।

ইয়াৰ পিছতে আহিছিল বিদেশী বহিষ্কৰণৰ সাত বছৰীয়া আন্দোলন। এই আন্দোলন পৰিচালনা হৈছিল নগাঁও মহাবিদ্যালয়ৰ চৌহদৰপৰাই। নেতৃত্বৰেও জৰিত হৈছিল এইখন মহাবিদ্যালয়ৰ ছাত্ৰ প্ৰতিনিধি। নগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক গিৰীন্দ্ৰ কুমাৰ বৰুৱা ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সহকাৰী সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত হৈছিল। সেই কথা উল্লেখ কৰি আহিছো। আন্দোলনটোৰ নেতৃত্বৰে জৰিত আছিল মহাবিদ্যালয়খনৰ কেইবাজনো ছাত্ৰ নেতা। এইখন মহাবিদ্যালয়ৰ ছাত্ৰ শংকৰ কটকী, পৰোজ বৰা শ্বহীদ হৈছিল। আন্দোলনটোত শ্বহীদ হৈছিল নগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ প্ৰভাত পাটৰ আৰু চন্দন সিং। নিৰ্যাতিতৰ সীমা-সংখ্যাও নাছিল। ১৯৪৪ চনত নগাঁও মহাবিদ্যালয়ৰ স্থাপন হোৱাৰ পিছৰে পৰা অসমত সংগঠিত প্ৰতিটো আন্দোলনত নগাঁও মহাবিদ্যালয়ে দেখুৱাই আহিছে নেতৃত্বৰ দক্ষতা। ঐতিহ্যমণ্ডিত এইখন মহাবিদ্যালয়ৰ ময়ো প্ৰাক্তন ছাত্ৰ আছিলোঁ। সেয়ে ময়ো গৌৰৱান্বিত। ভৱিষ্যতেও এইখন মহাবিদ্যালয়ৰ ছাত্ৰই সম্ভাব্য বিভিন্ন আন্দোলনৰ নেতৃত্ব ল'ব, সেই কথা ধুৰুপ।

জয়তু নগাঁও মহাবিদ্যালয়।❑

---

লেখক - প্ৰাক্তন ছাত্ৰ।

# শ্বহীদ অনিল বৰা

**প্ৰীতিৰেখা বৰা**




**ন**গাঁও সাহিত্য সভা ভৱনৰ সন্মুখত থকা শ্বহীদ অনিল বৰাৰ স্মৃতিসৌধটোৱে আগেয়ে বৰ জিজ্ঞাসা জন্মায়। তেতিয়া আমাৰ জন্মই হোৱা নাছিল যদিও দেউতাৰপৰা তেওঁৰ বিষয়ে শুনি বহু কথাই জানিবলৈ মন গৈছিল। স্মৃতিসৌধটোৱে তেওঁৰ বিষয়ে বহু কথা কোৱাৰ দৰে বহুতৰে হয়তো মনত দোলা দি যায়। কেতিয়াবা সেই মহান আত্মাকো আন বহু মহান মানুহৰ লগত মনত পেলাবলৈ মন যায় — যিসকলে দেশৰ বাবে ঘৰৰপৰা ওলাই গৈ আৰু কেতিয়াও উভতি ঘৰমুৱা নহ'ল। হেৰাই যায় জাতীয়তাবাদী উদাত্ত সংগ্ৰামী সত্তাৰ বিপ্লৱী কণ্ঠ।

১৯৫১ চনৰ ২ অক্টোবৰ। এই দিনটোতেই জন্ম হৈছিল শ্বহীদ অনিল বৰাৰ। সেইদিনা আছিল ১৬ আহিন, দেওবাৰ, অমাৱস্যা। ৰাতি ১২ বজাত নগাঁৱৰ পলাশনী গাঁৱত মাণিকী বৰাই এটি ল'ৰা সন্তান প্ৰসৱ কৰে। সেইদিনা মাণিকী বৰাৰ স্বামী চন্দ্ৰচৰণ বৰাও ঘৰত নাছিল। প্ৰাথমিক স্কুলৰ প্ৰধান শিক্ষক চন্দ্ৰচৰণ বৰা স্বাধীনতা আন্দোলনৰ এজন যুঁজাৰু আছিল আৰু মহাত্মা গান্ধীৰ অনুৰাগী আছিল।

এখোজ, দুখোজ কৰি, লাহে লাহে 'অনিল' নামৰ শিশুটি ডাঙৰ হৈ আহিছিল। ১৯৫৬ চনত কৰৈয়নীৰ প্ৰাইমাৰী বিদ্যালয়ত নামভৰ্তি কৰে আৰু ১৯৬০ চনত সেই বিদ্যালয়ৰপৰাই চতুৰ্থ শ্ৰেণীৰ বৃত্তি লাভ কৰে। তাৰ পিছতে তেওঁ কৰৈয়নী হাইস্কুলত ১৯৬৪ চনলৈকে অৰ্থাৎ অষ্টম শ্ৰেণীলৈকে পঢ়ি ১৯৬৫ চনত নগাঁও চৰকাৰী বালক বিদ্যালয়ত নৱম শ্ৰেণীৰপৰা পঢ়ি উচ্চতৰ মাধ্যমিকৰ বিজ্ঞান বিভাগৰপৰা সুখ্যাতিৰে উত্তীৰ্ণ হৈ নগাঁও মহাবিদ্যালয়ত প্ৰাণীবিদ্যা বিভাগত অনাৰ্ছ লৈ স্নাতক মহলাত পঢ়িছিল।

সৰুৰেপৰাই স্পষ্টবাদী অনিল বৰা আছিল নাট্যপ্ৰেমী, সমাজসেৱক আৰু সংগীতপ্ৰেমী। দেউতাক সমাজৰ প্ৰতি থকা আৰু দেশৰ প্ৰতি থকা জাতীয় প্ৰেমে অনিল বৰাক সৰুৰেপৰাই আপ্লুত কৰিছিল। নগাঁও কলেজত নামভৰ্তি কৰাৰ বছৰেই কলেজৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত সাধাৰণ সম্পাদকৰূপে নিৰ্বাচিত হৈছিল। তদুপৰি সদৌ অসম ছাত্ৰ সন্থাৰ নগাঁও জিলা শাখাৰ সহঃ সাধাৰণ সম্পাদক হৈছিল। তেওঁৰ বন্ধু মহলত তেওঁৰ ব্যৱহাৰ আৰু নিয়মানুৱৰ্তিতাৰ বাবে তেওঁ জনপ্ৰিয় নেতা আছিল।

তেওঁলোকে নগাঁও কলেজত পঢ়ি থকাৰ সময়ত অসমত এক উত্তপ্ত পৰিস্থিতিয়ে বিৰাজ কৰিছিল। কাৰণ আছিল দুয়োখন বিশ্ববিদ্যালয়ত (গুৱাহাটী আৰু ডিব্ৰুগড়) বেলেগ ভাষাৰ প্ৰচলন। অসমীয়াৰ দাবী আছিল দুয়োখন বিশ্ববিদ্যালয়ত

অসমীয়া ভাষাৰ ব্যৱহাৰ আৰু অসমৰ ৰাজধানী সুনির্দিষ্টকৈ নিৰ্দ্ধাৰণ কৰা। ১৯৭২ চনৰ ১৫ ছেপ্টেম্বৰ, সদৌ অসম ছাত্ৰ সন্থাই শিক্ষাৰ মাধ্যম অসমীয়া ভাষা হ'ব লাগে বুলি কৰা দাবীত ধৰ্ণা কাৰ্যসূচী পালন কৰিছিল। সমগ্ৰ অসমেই সেই দিনত ধৰ্ণা দিৱস পালন কৰিছিল যদিও হোজাইত এক বিশেষ ভাষাৰ গোষ্ঠীৰ ছাত্ৰ-ছাত্ৰী সেই দিৱস পালন কৰাৰপৰা বিৰত থাকিল। তাৰ পিছতেই বিধানসভাত ২৩ ছেপ্টেম্বৰত প্ৰস্তাৱ গ্ৰহণ কৰা হয় যে বিশ্ববিদ্যালয় দুখনৰ ভাষাৰ মাধ্যম অসমীয়া হোৱাৰ লগে লগে ব্ৰহ্মপুত্ৰ উপত্যকাৰ মহাবিদ্যালয়বোৰৰ ভাষা অসমীয়া হ'ব, বিকল্প মাধ্যম হিচাপে সমান্তৰালকৈ ইংৰাজী ভাষাও ১০ বছৰলৈ চলি থাকিব। লগতে কাছাৰৰ বাবে আৰু এখন পৃথক বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰিব। যিখন অসমত সেই সময়ত ভাষাৰ সংকট চলি আছিল, সেই সময়তেই আন এখন বিশ্ববিদ্যালয় কাছাৰত উপস্থাপন কৰোঁতেই যদি ভাষাৰ মাধ্যমো অসমীয়া কৰিলেহেঁতেন, তেনেহ'লে অসমীয়া ভাষাৰ ইমান সংকট নহ'লহেঁতেন। কাছাৰৰ ছাত্ৰক গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা পৃথক কৰি বেলেগ এখন বিশ্ববিদ্যালয় অসমতে প্ৰতিষ্ঠা কৰি বেলেগ এটা ভাষাক প্ৰাধান্য দিয়াটোৱে কি বুজাইছিল? এখন ৰাজ্যত দুটা ভাষাৰ ব্যৱহাৰ? সদৌ অসম ছাত্ৰ সন্থাই এনে প্ৰস্তাৱৰ বিৰুদ্ধে সমগ্ৰ অসমতেই সেই সময়ত আন্দোলন গঢ়ি তুলিছিল। এই আন্দোলনত নগাঁৱত অনিল বৰাই সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছিল। বিধানসভাত লোৱা সেই প্ৰস্তাৱটো পুনৰ বিবেচনা কৰি চাবলৈ সদৌ অসম ছাত্ৰ সন্থাই ৩ অক্টোবৰলৈকে এক সময়সূচী নিৰ্ধাৰণ কৰিছিল আৰু ইয়াৰ বিৰুদ্ধে শান্তিপূৰ্বকভাৱে সমগ্ৰ অসমতে আন্দোলন চলিবলৈ ধৰিলে। সময় উকলি যোৱাত ৫ অক্টোবৰত ছাত্ৰ সন্থাই 'অসম বন্ধ' ঘোষণা কৰিছিল। সেইদিনা অসমৰ সকলো ঠাইতেই অসম বন্ধ পালন কৰা হৈছিল যদিও হোজাইত বন্ধৰ প্ৰতিবাদ জনাই বন্ধ অসফল কৰিবলৈ বিচাৰিলে। তেতিয়া বহুকেইজন ছাত্ৰ নগাঁৱৰপৰা হোজাই অভিমুখে গতি কৰা বুলি শুনি অনিল বৰা প্ৰমুখ্যে কেইবাজনেও তেওঁলোকক ঘূৰাই আনিবলৈ হোজাইলৈ যাত্ৰা কৰিলে। যাতে ক'তো অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি নহয়। খাৰুপেটীয়াত এজাক সৰু ল'ৰাৰ ওপৰত আক্ৰমণ চলাই মোজাম্মিল নামৰ দশম শ্ৰেণীৰ ছাত্ৰজনৰ প্ৰাণ কাঢ়ি নিলে। এই বাতৰিয়ে সমগ্ৰ অসমত গভীৰ শোকৰ ছাঁ পেলায় আৰু ৭ অক্টোবৰৰপৰা ১৩ অক্টোবৰলৈকে ক'লা দিৱসৰ দিন ধাৰ্য কৰি মোজাম্মিল হকৰ মৃত্যুৰ তদন্ত কৰিবলৈ চৰকাৰক দাবী জনালে। মৃদুভাষী অনিল বৰাৰ উদাত্ত ভাষণে সকলোৰে অন্তৰ জয় কৰিছিল। অসমীয়া ভাষাক প্ৰধান মাধ্যম হিচাপে গ্ৰহণ কৰাত আন্দোলন সমৰ্থন কৰিবলৈ অনুৰোধ জনাইছিল। সকলোৱে তেতিয়া অনিল বৰাক বিচাৰিছিল।

৭ অক্টোবৰ এক অভিশপ্ত দিন। পলাশনীৰ বকুলজোপাৰ মাজেদি নিয়ৰসনা সূৰ্যৰ পোহৰে আনিছিল এক গোমোঠা আৱৰণ। পুৱতি নিশাই অনিল বৰাৰ বন্ধুকেইজন অনিল বৰাক নিবলৈ আহিছিল। মোজাম্মিল হকৰ বিচাৰৰ বাবে নগাঁও জুবিলী খেলপথাৰত অনুষ্ঠিত হ'ব এখন বিৰাট ৰাজহুৱা সভা। তাৰবাবেই প্ৰয়োজন উদাত্ত কণ্ঠৰ বিপ্লৱী যুৱকজনক। বৰাই মাক-দেউতাকৰ ভৰি চুই সেৱা জনাই যাবলৈ ওলাল। বকুলজোপা লৰি উঠিছিল, যেন ক'ব বিচাৰিছিল 'আজি তই পলাশনি এৰি নাযাবিচোন'! জপনাখন খুলি অনিল বৰাই মাকৰ মুখনলৈ ঘূৰি চালে। কিয় আজি আহিনৰ এই গোমোঠা ৰূপ? অতি দৃঢ়তাৰে সেই হাজাৰ হাজাৰ জনতাৰ ওচৰত শ্ল'গান দি শ্বহীদবেদীত মোজাম্মিল হকৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰি নগাঁৱৰ চুকে-কোণে হত্যাৰ বিচাৰৰ দাবী তুলিছিল। সেই সময়তেই আন কিছুমান ছাত্ৰই গাড়ী লৈ হোজাইলৈ যোৱা বুলি শুনি তেওঁলোকক ঘূৰাই আনিবলৈ অনিল বৰাই যো-জা চলাওঁতেই অধ্যক্ষ প্ৰয়াত মুহিৰাম শইকীয়াই

যাবলৈ মানা কৰাত অনিল বৰাই নিৰ্ভীকভাৱে কৈছিল, 'ছাৰ মই সিহঁতক ঘূৰাই আনিবই লাগিব।' অধ্যক্ষয়ো অলপো পলম নকৰি, অনিল বৰা, শিশিৰ, নৰেন প্ৰমুখ্যে আন বহু ছাত্ৰৰ লগত হোজাই অভিমুখে যাত্ৰা কৰিলে, কিন্তু নীলবাগান পাওঁতেই তেওঁলোকক পুলিচে বাধা দিলে। ইফালে, ল'ৰাবোৰো আঁকোৰ-গোঁজ। যাবই। শেষত উপায়বিহীন হৈ অফিচাৰৰ পৰা অনুমতি লৈ তেওঁলোক হোজাইলৈ গ'ল। কিন্তু তাত এক বেলেগ পৰিস্থিতিয়ে তেওঁলোকলৈ অপেক্ষা কৰি আছিল। তাত উন্মত্ত জনতা সুসজ্জিত হৈ ৰৈ আছিল। কথা বেয়া হোৱাৰ আভাস পাই অনিল বৰাই সকলোকে গাড়ী ঘূৰাবলৈ নিৰ্দেশ দি নিজে গাড়ীৰপৰা নামি গৈ সকলোকে গাড়ীত উঠাবলৈ ধৰিলে। শেষত সকলোকে গাড়ীত উঠাই গাড়ীবোৰ পঠিয়াই দি নিজে গাড়ী নাপাই উপায়বিহীন হৈ তেওঁ জনৈক নৰেন আৰু আনোৱাৰ হুছেইনে খোজকাঢ়িয়েই ঘূৰি আহিবলৈ ধৰিলে। অলপ দূৰ অহাৰ পিছত হুছেইনকো বিদায় দি নৰেন বোলাজনৰ লগত আহি থাকোতেই এদল লোক ওলাই আহি অতৰ্কিতে তেওঁলোকক আক্ৰমণ কৰিলে। নৰেন বোলাজন পলাই সাৰিলে যদিও অনিল বৰাক সকলোৱে আগুৰি ধৰিছিল আৰু এজন ভূতপূৰ্ব সাধাৰণ সম্পাদকে তেওঁক ৰডেৰে মূৰত মাৰিছিল আৰু তেওঁ মাটিত ঢলি পৰিছিল। তাৰ পিছতেই অনিল বৰা নিৰুদ্দেশ হৈ পৰিছিল। এই ঘটনা হোজাইৰ এডিচনেল এচ পিৰ সন্মুখতেই কেনেকৈ হ'বলৈ পাইছিল সিও এক অবুজ সাঁথৰ। সেই যে মাটিত ঢলি পৰিছিল, তাৰ পিছৰপৰা অনিল বৰাৰ একো খবৰে পোৱা নগৈছিল। সেইদৰে ১০ দিন পাৰ হৈ গৈছিল। শ্বিলঙৰপৰা উচ্চ পদস্থ অনুসন্ধানকাৰী দল আহিছিল। স্নীফাৰ ডগৰ সহায়ত ১০ দিনৰ পিছত অনিল বৰাৰ মৃতদেহ কঢ়িওৱা গাড়ীখন আৰু তিনিটা গাত চিনাক্ত কৰি এটা গাতৰপৰা পুতি থোৱা নাড়ী-ভুৰুবোৰ উদ্ধাৰ কৰিছিল। তাৰ পিছত ১৭ অক্টোবৰত হোজাইৰপৰা তিনি কিলোমিটাৰ দূৰৈত নদীত এটা বস্তাৰ ভিতৰত অনিল বৰাৰ মুণ্ডহীন মৃতদেহ আৱিষ্কাৰ কৰিছিল। পেটত মাটি ভৰাই থোৱা আছিল। তেওঁৰ মূৰটো বিচাৰি পোৱা নগৈছিল। ইমান অমানুষিক অত্যাচাৰ এজন জীৱিত মানুহক কেনেকৈ কৰিব পাৰে ভাবিলেই গা শিয়ৰি উঠে। ৰাতি ১০ বজামানত মৃতদেহ আহি নগাঁও চিভিল পায়হি আৰু মৃতদেহ চিনাক্ত কৰিবলৈ ঘৰৰ মানুহক মাতে। অনিল বৰাই হাতত এডাল ষ্টিলৰ খাৰু পিন্ধিছিল। সেই ডাল তেতিয়াও মৃতকৰ হাতত আছিল। অনিল বৰাৰ মুণ্ডহীন মৃতদেহটো সেই খাৰুপাতৰ বাবেই চিনাক্ত কৰিব পাৰিছিল। অনিল বৰা নিৰুদ্দেশ হোৱাৰ দিনৰ পৰাই সমগ্ৰ নগাঁও জিলাত শোকৰ ছাঁ পৰিছিল। মৃতদেহ অহাৰ লগে লগে সমগ্ৰ অসমতেই তোলপাৰ লাগিছিল। ফুলেৰে সজ্জিত ট্ৰাকখনত তুলি মৃতদেহ তেওঁৰ মৰমৰ কলেজলৈ নিয়া হৈছিল। তাৰ পিছত জুবিলী খেলপথাৰলৈ লৈ যোৱা হৈছিল। তাত ছাত্ৰ-ছাত্ৰী আৰু লোকে লোকাৰণ্য হৈ পৰিছিল। চাৰিওফালে কান্দোনৰ ৰোল উঠিছিল। ভাষা আন্দোলনৰ বীৰ শ্বহীদ অনিল বৰাৰ মৃতদেহ তাৰপৰা লৈ যোৱা হৈছিল পলাশনীলৈ। তাৰ পিছতে নগাঁও সাহিত্য সভা ভৱনৰ চৌহদত শ্বহীত অনিল বৰাৰ শেষকৃত্য সমাপন কৰা হৈছিল।

শ্বহীদ অনিল বৰাৰ কেঁচা তেজেৰে ফাকু খেলা সেই পিশাচবোৰক হয়তো অনিল বৰাই চিনি পাইছিল। কিন্তু আমাৰ বাবে এক নুবুজা সাঁথৰ হৈ ৰ'ল। সেই মহান নায়কসকলৰ ত্যাগৰ বিনিময়ত আজি অসমীয়া ভাষা মহাবিদ্যালয়ৰ শিক্ষাৰ মাধ্যম হ'ল। নিজৰ ভাষাক নিজৰ জাতীয় সত্তাক আৰু নিজৰ দেশক ভাল পোৱাজন সদায় শ্ৰেষ্ঠ।❑

লেখিকা - প্ৰাক্তন ছাত্ৰী, লেখাটো 'দৈনিক অসম' কাকতৰ সম্পাদকৰ অনুমতি সাপেক্ষে ২৩ নৱেম্বৰ, ২০১৯ সংখ্যাৰ পৰা লোৱা হৈছে।

# স্মৃতি আৰু ৰূপান্তৰৰ বৰ্ণিল যাত্ৰাত নগাঁও মহাবিদ্যালয়

ড° প্ৰদ্যুম্ন গোস্বামী

২০০০ চনৰ আগষ্টৰ এটা পুৱা। গেটখনেৰে সোমায়েই চকুত পৰিল মানুহজন। প্ৰায় ছয় ফুট ওখ, মিঠাবৰণীয়া এজন মানুহ। বয়স পঞ্চাছৰ ঊৰ্দ্ধত। পিন্ধনত ক'লা পেণ্ট, বগা ছাৰ্ট আৰু এযোৰ কাপোৰৰ জোতা। ডাঠ ক'লা ভ্ৰূ-কোছা কোঁচাই নাকৰ পাহিলৈকে নমোৱা চছমাযোৰৰ ওপৰেদি চাৰিওফালে চাই আছে। চাই আছে মানে, মহাবিদ্যালয়খনৰ চৌহদৰ ভিতৰত প্ৰৱেশ কৰা প্ৰতিজন ব্যক্তিৰে গতিবিধি লক্ষ্য কৰি আছে। মোৰ লগত বন্ধু বিক্ৰমজিৎ বড়া। হাইস্কুলীয়া জীৱনত সহপাঠী নাছিল যদিও বিক্ৰম আৰু মোৰ আত্মীয়তা বহু সৰু কালৰ। পেছাত তেওঁ এতিয়া অইল ইণ্ডিয়া লিমিটেডৰ এজন জ্যেষ্ঠ অভিযন্তা। আমি দুয়ো চুচুক-চামাককৈ গেটখনেৰে সোমাই গ'লো। কোনফালে বা হৈ আছে? ক'লৈবা যাব লাগে? কি কৰিম কোনফালে যাম ভাবি থাকোতেই সেই প্ৰায় ছয় ফুট মধ্য বয়সীয়া ব্যক্তিজনে হাত বাউল দি মাতিব ধৰিলে। 'কি বিচাৰিছা তোমালোকে?' মানুহজনক চিনি পোৱা নাছিলোঁ যদিও তেখেতৰ ব্যক্তিত্বই সহজেই বুজাই দিছিল যে তেখেত মহাবিদ্যালয়খনৰ এজন জ্যেষ্ঠ আৰু কৰ্তৃত্বশীল অধ্যাপকেই হ'ব। অলপ ভয়, শংকা আৰু কৌতূহল মিহলি কণ্ঠেৰে সুধিলোঁ — 'ছাৰ, ফাষ্ট ইয়েৰৰ এডমিশ্বন ক'ত হৈ আছে?' ছাৰৰ দিক্‌নিৰ্দেশ অনুসৰি এডমিশ্বন হলত উপস্থিত হোৱাৰ কিছু সময়ৰ পিছতেই আমাৰ ভেদ ভাগিল। গুৰু-গম্ভীৰ কণ্ঠেৰে ছয় ফুটৰ সেই মিঠাবৰণীয়া মানুহজন আন কোনো নহয়, নগাঁও মহাবিদ্যালয়লৈ নতুনকৈ অহা অধ্যক্ষ, আমাৰ সকলোৰে শ্ৰদ্ধাৰ মহেন্দ্ৰ আহোম ছাৰ। স্কুলত পঢ়ি থাকোতেই শুনিছো ছাৰৰ কথা। এজন অতি দক্ষ প্ৰশাসক হিচাপে সমগ্ৰ নগাঁও জিলাৰ লগতে অসমতো জনপ্ৰিয় আছিল ছাৰ। নতুনকৈ অহা এই অধ্যক্ষজনে মহাবিদ্যালয়খনৰ চেহেৰাই সলনি কৰি পেলাইছিল। এডমিশ্বনৰপৰা আৰম্ভ কৰি শৈক্ষিক, প্ৰশাসনিক সকলো দিশতে তীক্ষ্ণ নজৰ ৰাখে তেখেতে। সকলো অভিভাৱকৰে অগাধ বিশ্বাস ছাৰৰ ওপৰত। ২০০০ চনৰ আগষ্টৰ সেই দিনটোৰ পৰাই নগাঁও মহাবিদ্যালয়ৰ শৈক্ষিক আৰু প্ৰশাসনিক বান্ধোনৰ মাজত সোমাই পৰিছিলোঁ। লাহে লাহে এই বান্ধোন গাঢ় হৈ পৰিছিল আৰু কালক্ৰমত ই এক এৰাব নোৱাৰা আত্মিক বান্ধোনলৈ পৰিৱৰ্তিত হৈ পৰিল।

মহাবিদ্যালয়খন এৰা আজি প্ৰায় তেৰ বছৰ হ'ল। চকুৰ আগতেই এই তেৰ বছৰত মহাবিদ্যালয়খনৰ কল্পনাতীত পৰিৱৰ্তন দেখিলোঁ। নগাঁও চহৰৰ একেবাৰে মাজমজিয়াত অৱস্থিত মহাবিদ্যালয়খনৰ চমৎকাৰী আন্তঃগাঁথনি আৰু শৈক্ষিক উত্তৰণে বুকুখন এহাতমান ফুলাই তোলে। ৰাষ্ট্ৰীয় মূল্যায়ন আৰু প্ৰত্যায়ন পৰিষদৰ (NAAC) দৃষ্টিত ঐতিহ্যমণ্ডিত কটন মহাবিদ্যালয়ৰ পিছতেই স্থান লাভ কৰা নগাঁও মহাবিদ্যালয়খনৰ এই উত্তৰণত কিমানৰ যে কিমান অৱদান আছে।

ত্ৰিছৰ শেষৰ চল্লিছ দশকৰ আগৰ ফালৰ কথা। এফালে সমগ্ৰ ভাৰতত স্বাধীনতা সংগ্ৰামৰ জোৱাৰ,

আনফালে দ্বিতীয় বিশ্বযুদ্ধৰ ৰণদুন্দুভি। এনে এক ক্ষণত দেশৰ বহু শিক্ষানুষ্ঠানৰ না জল না থল অৱস্থা। অসমৰ ঐতিহ্যমণ্ডিত কটন মহাবিদ্যালয়ৰ পৰীক্ষাগাৰ আৰু লাইব্ৰেৰীৰ বাহিৰে প্ৰায় সকলোখিনিয়ে সামৰিক বাহিনীয়ে অধিগ্ৰহণ কৰিছিল। এখন ৰভা পাতি ক্লাছ কৰাৰ ব্যৱস্থা কৰিবলগীয়া হৈছিল হেনো। গুৱাহাটীৰ অ'ত-ত'ত ঘৰ ভাড়া কৰি থাকিবলগীয়া হোৱা ল'ৰাবোৰৰ বহুতেই মহাবিদ্যালয় এৰি ঘৰমুৱা হৈছিল। সেই সময়তে আকৌ অসমত মাধ্যমিক শিক্ষাৰ অলপ উল্লেখনীয় প্ৰসাৰ ঘটিছিল। গাঁৱে-চহৰে বহুতো হাইস্কুল প্ৰতিষ্ঠা হোৱাত মেট্ৰিকুলেচন পাছ কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বাঢ়িব ধৰিছিল। নগাঁৱতো একেই অৱস্থা। কিন্তু দুৰ্ভাগ্যজনকভাৱে মাধ্যমিক শিক্ষাৰ পিছত ছাত্ৰ-ছাত্ৰীৰ বাবে উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানৰ অভাৱ। এনে এক সময়তেই জিলাখনৰ কেইজনমান বিদ্যোৎসাহী ব্যক্তিয়ে নগাঁৱত এখন মহাবিদ্যালয় খোলাৰ সপোন দেখিলে। নগাঁও মহাবিদ্যালয়খনৰ প্ৰথমজনা অধ্যক্ষ সাহিত্যাচাৰ্য যজ্ঞেশ্বৰ শৰ্মাই মহাবিদ্যালয়খনৰ জন্মলগ্ন সম্পৰ্কত এইদৰে লিখি গৈছে— "প্ৰায় ১৯৩৮ চনত মই এবাৰ নগাঁৱলৈ আহোতে এদিন খুব সম্ভৱ ৰাজহুৱা লাইব্ৰেৰীত সেই সময়ৰ নগাঁৱৰ নেতা মতিৰাম বৰা প্ৰভৃতি কেইজনমান লোকৰ লগত মোৰ দেখা হয়। তেওঁলোকে মোক সুধিলে— 'আমি নগাঁৱত এখন কলেজ স্থাপন কৰিব খুজিছোঁ। আপুনি আহি পাতি দিব পাৰিবনে?' নগাঁৱত এখন কলেজ হোৱাৰ কথা তেতিয়া মোৰ মনত আলাসত চাং পতা যেন লাগিছিল। মই উত্তৰ দিলোঁ— বাৰু আপোনালোকে পাতকচোন। সিমানতে শেষ। গ'ল কথা গুচিল।"

কথাটো কিন্তু নগঞা ৰাইজে তেনেকৈ যাবলৈ নিদিলে। জিলাখনত উচ্চ শিক্ষাৰ তথৈবচ অৱস্থাটোৱে সমগ্ৰ নগাঁওবাসীকে একত্ৰিত কৰিলে। যিয়ে যেনেকৈ পাৰে মহাবিদ্যালয় স্থাপনৰ বাবে টকা-পইচা যোগাৰ কৰাত লাগিল। নগাঁৱৰ এজন চাউল বেপাৰীয়ে মহাবিদ্যালয় স্থাপন হ'লে ২০ হাজাৰ টকা দিবলৈ গাত ল'লে আৰু দিলেও। এইদৰে পোৱা টকা ৪০-৫০ হাজাৰমান হ'লগৈ আৰু এই সাহসতে ৰাইজে মহাবিদ্যালয় স্থাপন কৰিবলৈ আগবাঢ়িলে। এখন প্ৰতিকায় সমিতি গঠন কৰা হ'ল। সভাপতি আছিল ৰায়বাহাদুৰ বৃন্দাবন গোস্বামী, উপ-সভাপতি ৰায়বাহাদুৰ ভদ্ৰেশ্বৰ বৰুৱা আৰু যুটীয়া সম্পাদকদ্বয় মতিৰাম বৰা আৰু প্ৰিয়নাথ সেনগুপ্ত। নগাঁৱৰ প্ৰায় সকলো সম্প্ৰদায়ৰ লোককে সামৰি লোৱা এই পৰিচালনা সমিতিখনৰ অনুৰোধ মৰ্মে ১৯৪৪ চনৰ জুন মাহৰ এটা আবেলি কলিকতা বিশ্ববিদ্যালয়ৰপৰা দুজন শিক্ষাবিদ ৰাইজৰ আবেদনৰ তদন্ত কৰিবলৈ নগাঁৱত উপস্থিত হ'ল। ঐতিহ্যমণ্ডিত ডচন স্কুলৰ আগফালৰ চোতালতে তদন্তকাৰী সমিতিৰ সৈতে পৰিচালনা কৰা সমিতিৰ বৈঠক অনুষ্ঠিত কৰা হ'ল। কিন্তু এইখিনিতে এটা সমস্যা আহি পৰিল। ডচন স্কুলৰ ঠিক কাষতেই নগৰ কমিটীতে আৱৰ্জনা পেলোৱা ঠাই আছিল। তাৰপৰা অহা দুৰ্গন্ধই আবেলি পৰত স্কুলৰ চৌহদত প্ৰৱেশ কৰে। এনে দুৰ্গন্ধময় বতাহত বিদেশী বিশিষ্ট শিক্ষাবিদক সম্বৰ্ধনা জনোৱা যায় কেনেকৈ? তৎক্ষণাৎ (প্ৰয়াত) মতিৰাম বৰা ডাঙৰীয়াই শকত ধূপ অনাই লগোৱালে। অতিথিয়ে ভাবিলে তেওঁলোকক ধূপ জ্বলাই সম্বৰ্ধনা জনোৱা হৈছে। সেই সভাত নগাঁৱৰ বাহিৰৰ-ভিতৰৰ বহুখিনি বিদ্যোৎসাহী লোক উপস্থিত হৈছিল। ৰাইজে বিশ্ববিদ্যালয়ৰ অতিথি দুজনক জনাই দিলে মহাবিদ্যালয় স্থাপনৰ নামত ৰাইজে ইতিমধ্যে ৪০-৫০ হাজাৰ টকা সংগ্ৰহ কৰিছে আৰু মহাবিদ্যালয়খনৰ নিজা ঘৰ হয় মানে ডচন স্কুলৰ ঘৰতে পুৱাবেলা মহাবিদ্যালয়ৰ ক্লাছ হ'ব। ৰাইজৰ আতিথ্য, টকা আৰু ঘৰৰ বন্দৱস্ত দেখি কলিকতা বিশ্ববিদ্যালয়ে অস্থায়ীভাৱে নগাঁও মহাবিদ্যালয়ক স্বীকৃতি দি আই এ ক্লাছ কৰাৰ অনুমতি প্ৰদান কৰিলে আৰু ১৯৪৪ চনৰ ৭ আগষ্ট তাৰিখটোতেই আজিৰ ঐতিহ্যমণ্ডিত নগাঁও মহাবিদ্যালয়খনক আনুষ্ঠানিকভাৱে প্ৰতিষ্ঠা কৰা হ'ল।

ইতিমধ্যে কলিকতা বিশ্ববিদ্যালয়ে কলিকতাৰ বাতৰিকাকতত অধ্যক্ষ আৰু অধ্যাপকৰ বাবে বিজ্ঞাপন দিলে। সেই বিজ্ঞাপনৰ ভিত্তিতেই মহাবিদ্যালয়ৰ

সঞ্চালন কমিটীয়ে সংস্কৃত আৰু বাংলাৰ বাবে ফণীন্দ্ৰলাল দত্ত, গণিতৰ বাবে দেৱেশ্বৰ পাঠক, বুৰঞ্জী— দেৱেন্দ্ৰ নাথ বৰা, ছিভিক্স — নিৰ্মল চন্দ্ৰ চামাদ্দাৰ, ল'জিক— কোশচন্দ্ৰ গোস্বামী আৰু আৰবিকত— এ ৰ'ফ চৌধুৰীক অধ্যাপক নিযুক্তি দিয়ে। কোশচন্দ্ৰ গোস্বামীয়ে অস্বীকাৰ কৰাত মহেশচন্দ্ৰ দেৱগোস্বামীক সেই পদ দিয়া হ'ল। অধ্যক্ষৰ বাবে কোনো কোনোৱে অনা অসমীয়া ব্যক্তিক নিযুক্তি দিয়াৰ পোষকতা কৰিছিল যদিও সঞ্চালন সমিতিয়ে সাহিত্যাচাৰ্য্যা যজ্ঞেশ্বৰ শৰ্মাৰ নামটোকে শেষত অধ্যক্ষ পদৰ বাবে মনোনীত কৰিলে। বুৰঞ্জীৰ অধ্যাপক দেবেন্দ্ৰ নাথ বৰাক উপাধ্যক্ষৰ দায়িত্ব অৰ্পণ কৰি মহাবিদ্যালয়খনৰ শৈক্ষিক-প্ৰশাসনিক কামবোৰ আৰম্ভ কৰা হ'ল (তথ্য উৎস ঃ নগাঁও মহাবিদ্যালয় আলোচনী, ৪৫ সংখ্যক সংখ্যা, 'নগাঁও মহাবিদ্যালয়ৰ জন্মলগ্ন সম্পৰ্কত'— সাহিত্যাচাৰ্য্যা যজ্ঞেশ্বৰ শৰ্মা, পৃষ্ঠা- ১, ২, ৩)।

এইখিনিতে দুজন ব্যক্তিৰ নাম আৰু অৱদান উল্লেখ নকৰিলে কথাবোৰ অসম্পূৰ্ণ হৈ ৰ'ব, সেয়া হৈছে কৃতবিদ্য পুৰুষ, অগাধ পণ্ডিত, দৰ্শনৰ অধ্যাপক মহেশ চন্দ্ৰ দেৱগোস্বামী আৰু মহাবিদ্যালয়খনৰ হেড এছিষ্টেণ্ট গংগা শইকীয়া। দুখৰ কথা মহেশ চন্দ্ৰ দেৱগোস্বামীয়ে সেই সময়ত অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ বিকাশৰ লগতে ন ন চামক সামৰি শিক্ষাৰ আলোকেৰে যি বৌদ্ধিক আন্দোলনৰ নেতৃত্ব লৈছিল, সেয়া হয়তো বহু অসমীয়াই পাহৰিয়েই পেলাইছে। এইজন কৃতবিদ্য ব্যক্তিয়েই পৰৱৰ্তী সময়ত নগাঁও মহাবিদ্যালয়ৰ উপাধ্যক্ষৰ দায়িত্বও বহন কৰে। আনহাতে, হেড এছিষ্টেণ্ট গংগা শইকীয়াৰ অক্লান্ত শ্ৰমৰ ফলতেই মহাবিদ্যালয়খনে প্ৰশাসনীয় দিশত কম সময়ৰ ভিতৰতেই গতি লাভ কৰিবলৈ সক্ষম হৈছিল।

আজি মহাবিদ্যালয়খনে ৭৫ টা বছৰ গৰকিলে। ১৯৪৪ চনৰ ৭ আগষ্টৰ সেই দিনটোৰপৰা আজিলৈ কিমান যে পৰিৱৰ্তন হ'ল। সাহিত্যাচাৰ্য যজ্ঞেশ্বৰ শৰ্মাৰ (১৯৪৪-১৯৬৮) পিছৰ পৰ্যায়ত ফণীন্দ্ৰলাল দত্ত (১৯৬৮-১৯৭১), মুহিৰাম শইকীয়া (১৯৭১-১৯৮৫), বুদ্ধেশ্বৰ গোহাঁই (১৯৮৫-১৯৮৬), প্ৰদীপ শইকীয়া (১৯৮৬-১৯৯৬), মহম্মদ আব্দুল হাকিম (ডিচেম্বৰ, ১৯৯৬), গণেশ চন্দ্ৰ বৰুৱা (জানুৱাৰী ১-১৭, ১৯৯৭), মহেন্দ্ৰ আহোম (১৯৯৭-২00২), বাবুলাল পাল (২00২-২00৩), মানবেন্দ্ৰ নাগ (২00৩-২00৪), অসীমা দেৱ (মাৰ্চ-নৱেম্বৰ, ২00৪), ৰূপদাকান্ত ভূঞা (১১-১৯ নৱেম্বৰ, ২00৪), ড° খৰ্গেশ্বৰ ভূঞা (২00৪-২0১১) আদি অধ্যক্ষসকলৰ সবল নেতৃত্বই মহাবিদ্যালয়খনক আজিৰ পৰ্যায় পোৱালেহি। এইসকলৰ ভিতৰত সাহিত্যাচাৰ্য্যা যজ্ঞেশ্বৰ শৰ্মাৰ পিছতেই মহাবিদ্যালয়খনৰ সামগ্ৰিক উন্নয়নত নগাঁও লোকসভা সমষ্টিৰ প্ৰাক্তন সাংসদ তথা প্ৰাক্তন কেন্দ্ৰীয় শিক্ষামন্ত্ৰী প্ৰয়াত মুহিৰাম শইকীয়া, বিশিষ্ট সাহিত্যিক ড° খৰ্গেশ্বৰ ভূঞা আৰু লেখাৰ প্ৰথমেই উল্লেখ কৰা তেজপুৰ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন পঞ্জীয়ক মহেন্দ্ৰ আহোম ছাৰৰ ভূমিকা অলপ ব্যতিক্ৰম। প্ৰাক্তন অধ্যক্ষসকলৰ সুদূৰপ্ৰসাৰী চিন্তা আৰু কামক আৰু এখোপ ওপৰলৈ লৈ যায় বৰ্তমানৰ অধ্যক্ষ ড° শৰৎ বৰকটকী ছাৰে। তেখেতৰ বলিষ্ঠ নেতৃত্বত মহাবিদ্যালয়খনৰ আন্তঃগাঁথনিৰ চমকপ্ৰদ উন্নতি হোৱাৰ লগতে অধ্যাপকসকলৰ নেৰানেপেৰা প্ৰচেষ্টাই মহাবিদ্যালয়খনক দুবাৰকৈ 'নাক'ৰ 'এ' গ্ৰেড পাবলৈ সক্ষম কৰি তোলে। উল্লেখ্য, অসমত 'নাক'ৰ মূল্যায়নত ঐতিহ্যমণ্ডিত কটন মহাবিদ্যালয়ৰ পিছতেই নগাঁও মহাবিদ্যালয়ে সৰ্বাধিক নম্বৰ (৩.২৭/৭) লাভ কৰে। এই সাফল্যত দুজন ব্যক্তিৰ নাম উল্লেখ নকৰিলে কৃতঘ্নতা প্ৰকাশ পাব। তেওঁলোক হ'ল অসম চৰকাৰৰ প্ৰাক্তন মন্ত্ৰী তথা মহাবিদ্যালয় পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি ৰকিবুল হুছেইন আৰু বৰ্তমান নগাঁও বিধান সভা সমষ্টিৰ বিধায়ক তথা মহাবিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ সন্মিলনৰ সভাপতি ৰূপক শৰ্মা। এই দুজন ব্যক্তিৰ সহযোগিতাই যে মহাবিদ্যালয়খনৰ আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰত যথেষ্ট সাৰ-পানী যোগাইছিল, তাক প্ৰত্যেকজন নগাঁওবাসীয়ে স্বীকাৰ কৰিব।

মাত্ৰ ১১৫-১২০ জন ছাত্ৰ-ছাত্ৰীৰে আৰম্ভ হোৱা

মহাবিদ্যালয়খনত আজি ছাত্ৰ-ছাত্ৰীৰ সংখ্যা তিনি হাজাৰৰো অধিক। মাত্ৰ সাতটা বিভাগেৰে আৰম্ভ হোৱা মহাবিদ্যালয়খনত আজি পঁচিছটাৰো অধিক বিভাগ। সকলো বিভাগতে স্নাতক পৰ্যায়ৰ, পাঠ্যক্ৰম থকাৰ লগতে অসমীয়া, উদ্ভিদ বিজ্ঞান, প্ৰাণী বিজ্ঞান, ৰাসায়ন বিজ্ঞান, শিক্ষা, ইংৰাজী, বুৰঞ্জী, দৰ্শন আদি আঠটা বিষয়ত স্নাতকোত্তৰ পাঠ্যক্ৰম খোলা হ'ল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ গতানুগতিক পাঠ্যক্ৰমৰ লগতে মহাবিদ্যালয়খনে নিজৰ উদ্যোগত ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় মুক্ত বিশ্ববিদ্যালয়, গুৱাহাটী বিশ্ববিদ্যালয়ৰ আইডল, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় আদি বিভিন্ন শিক্ষা প্ৰতিষ্ঠানৰ মুক্ত শিক্ষাৰ পাঠ্যক্ৰম আৰম্ভ কৰে। তদুপৰি মহাবিদ্যালয়খনত ফ্ৰান্স, জাৰ্মান আদি ভাষাৰ চাৰ্টিফিকেট পাঠ্যক্ৰমৰ লগতে সত্ৰীয়া নৃত্য, পৰ্যটন আদিৰ ব্যতিক্ৰমী পাঠ্যক্ৰমো আৰম্ভ কৰা হয়।

নগাঁও মহাবিদ্যালয় আজি কেৱল নগাঁওবাসীৰেই হৈ থকা নাই। অসমৰ বিভিন্ন প্ৰান্তৰ ছাত্ৰ-ছাত্ৰীয়ে ভিৰ কৰিছেহি নগাঁও মহাবিদ্যালয়ৰ চৌহদ। মহাবিদ্যালয়খনৰ কৃতী ছাত্ৰৰে ভৰি পৰিল দেশ-বিদেশ। অসমৰ কিমানজন স্বনামধন্য ব্যক্তিয়ে এই মহাবিদ্যালয়খনৰ পৰাই শিক্ষা লৈ গ'ল! সেইসকলৰ ভিতৰত অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতিদ্বয় 'কাঠনীবাৰীৰ ঘাট' খ্যাত মহিম বৰা আৰু পদ্মশ্ৰী ৰংবং তেৰাং, খ্যাতনামা গৱেষক ড° প্ৰফুল্ল মহন্ত আৰু ড° যোগেন্দ্ৰ নাৰায়ণ ভূঞা, শংকৰী কলা-কৃষ্টিৰ সাধক তথা গৱেষক ড° নৱেন কলিতা, অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্ত, প্ৰাক্তন কেন্দ্ৰীয় শিক্ষামন্ত্ৰী মুহিৰাম শইকীয়া, অসম চৰকাৰৰ প্ৰাক্তন মন্ত্ৰী ৰকিবুল হুছেইন, সন্মানীয় উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ (প্ৰয়াত) বি এল হাঞ্চাৰী, জ্যেষ্ঠ সাংবাদিক তথা ডি ৱাই ৩৬৫ নামৰ ইলেক্ট্ৰ'নিক গণ মাধ্যমৰ মুখ্য সম্পাদক মনোজ কুমাৰ গোস্বামী, 'নিউজ-১৮ অসম নৰ্থ-ইষ্ট'ৰ মুখ্য সম্পাদক পৰাগমণি আদিত্য, বিশিষ্ট সমাজকৰ্মী মীৰা বৰঠাকুৰ, খ্যাতনামা গায়ক পদ্মশ্ৰী (প্ৰয়াত) খগেন মহন্ত, কুইন দাস আৰু কৃষ্ণমণি নাথ, অভিনেতা যতীন বৰা, ভাৰত হকী ফেডাৰেশ্যনৰ কোষাধ্যক্ষ তপন দাস, প্ৰাক্তন ৰাষ্ট্ৰীয় বাস্কেট বল খেলুৱৈ ৰমেশ আগৰৱাল, মাছাছুছেট ইনষ্টিটিউট অৱ টেকন'লজীৰ প্ৰাক্তন ছাত্ৰ তথা বৰ্তমান বিশ্বৰ এজন আগশাৰীৰ বিজ্ঞানী ড° হেমন্ত কুমাৰ বৰুৱা, লণ্ডনৰ ৰয়েল মেডিকেল মহাবিদ্যালয়ৰ ছাইক্ৰেটিক বিভাগৰ মুৰব্বী অধ্যাপক ড° জিষ্ণু দেৱনাথ, নেশ্বনেল টাইৱান বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° সঞ্জীৱ সূত্ৰধাৰ, অষ্ট্ৰেলিয়াৰ ছিডনী অভিযান্ত্ৰিক বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° ৰুক্মি দাস, জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ অধ্যাপিকা ড° নন্দিতা শইকীয়া, তেজপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপিকা ড° মন্দাকিনী বৰুৱা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপিকা ড° গায়ত্ৰী গোস্বামী, ড° পাৰ্থপ্ৰতিম বৰুৱা আদিৰ নাম উল্লেখ কৰিব পাৰি (ইয়াৰ বাহিৰেও মহাবিদ্যালয়খনৰ লগত জড়িত খ্যাতনামা অনেক ব্যক্তি বা উল্লেখনীয় বহু কাহিনীৰ কথা ৰৈ গৈছে। শব্দ আৰু জ্ঞানৰ সীমবদ্ধতাৰ বাবে সকলো কথা উল্লেখ কৰিব পৰা নগ'ল)।

পৰিশেষত এটা কথা দৃঢ়তাৰে ক'ব পাৰি যে যি সময়ত তথৈবচ আন্তঃগাঁথনিৰ দোহাই দি বহুসংখ্যক চৰকাৰী উচ্চশিক্ষাৰ প্ৰতিষ্ঠানে ইয়াক ছাত্ৰ-ছাত্ৰীৰ নিম্নগামী ফলাফলৰ এক কাৰণ হিচাপে প্ৰচাৰ কৰিব বিচাৰে, সেই সময়ত নগাঁও মহাবিদ্যালয়ে ঈৰ্ষণীয় ফলাফল আৰু আন্তঃগাঁথনিৰ জৰিয়তে ৰাজ্যখনত উচ্চশিক্ষাৰ ক্ষেত্ৰত এক সুকীয়া মাত্ৰা প্ৰদান কৰিবলৈ সক্ষম হৈছে। নগাঁও মহাবিদ্যালয়ৰ ৭৫ বছৰীয়া এই দীঘলীয়া পৰিক্ৰমাত অজস্ৰজনৰ অক্লান্ত শ্ৰম আৰু ত্যাগ নিহিত হৈ আছে। মূল্যবোধৰ শিক্ষা প্ৰদানৰ জৰিয়তে সমাজখনৰ প্ৰগতি আৰু বিকাশৰ গুৰুত্বপূৰ্ণ ভূমিকা লোৱা নগাঁও মহাবিদ্যালয়খনৰ উত্তৰণৰ এই দীঘলীয়া পৰিক্ৰমাত সহযোগ কৰা প্ৰতিজন ব্যক্তিকে আজি শ্ৰদ্ধাৰে সোঁৱৰোঁ।❑

লেখক - প্ৰাক্তন ছাত্ৰ তথা চৰকাৰী আয়ুৰ্বেদিক মহাবিদ্যালয়ৰ অধ্যাপক।

# মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী সংখ্যা আলোচনীৰ কথাৰে নগাঁও মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তী

**শিৱানন্দ কাকতি**

কটন মহাবিদ্যালয়ত পঢ়াৰ যোগ্যতা অনুসাৰে প্ৰৱেশিকা পৰীক্ষাৰ ফলাফল আছিল যদিও যিকোনো কাৰণত প্ৰবল ইচ্ছা আৰু আগ্ৰহ থকা সত্ত্বেও গুৱাহাটীলৈ নগৈ ১৯৭৪ চনৰ মাজভাগত তেতিয়াৰ প্ৰাক বিশ্ববিদ্যালয়ৰ বিজ্ঞান শাখাত নগাঁও মহাবিদ্যালয়ত মোৰ নাম ভৰ্তি। আমাৰ দেউতা এই মহাবিদ্যালয়খনৰ দ্বিতীয় নে তৃতীয় চামৰ ছাত্ৰ আছিল। কলেজখন, অধ্যাপকমণ্ডলী আৰু বিশেষকৈ পণ্ডিতপ্ৰৱৰ, সাহিত্যাচাৰ্য অধ্যক্ষ যজ্ঞেশ্বৰ শৰ্মা ছাৰৰ প্ৰশংসাত সদায় আছিল মোৰ দেউতা সভক্তিক আৰু পঞ্চমুখ।

নগাঁও চহৰখনলৈ আহি, নগাঁও কলেজখনত নামভৰ্তি কৰি, নগাঁৱৰ সামাজিক আৰু ৰাজহুৱা জীৱনত লাহে লাহে খোজ পেলাই ক্ৰমে অনুধাৱন কৰিব পাৰিলোঁ চহৰখনৰ গাম্ভীৰ্য আৰু ঐতিহ্যৰ কথা। চহৰখনক শিক্ষাদায়িনী কৰি এক শৈক্ষিক যাত্ৰা কঢ়িয়াই লৈ যোৱা পুৰোধা ব্যক্তিসকলৰ কথা, তেওঁলোকৰ জীৱন আৰু কৃতি লাহে লাহে জানিব পাৰিলোঁ। চহৰখনৰ প্ৰাচীন শিক্ষানুষ্ঠানসমূহ, নগাঁও চৰকাৰী বালক, উচ্চতৰ বিদ্যালয়খন বা নগাঁও কলেজৰ প্ৰতিষ্ঠা কালতে এই বিদ্যাৰ আলয়বোৰৰ বিশাল বিশাল শ্ৰেণীকোঠাবোৰ দেখিলেই অনুমান কৰিব পাৰি কিমান দূৰদৃষ্টিসম্পন্ন আছিল সেইসকল সমাজসেৱক। শিক্ষাৰ পৰিৱেশ তেতিয়া নিঃসন্দেহে সিমান প্ৰশস্ত নিশ্চয় নাছিল। নগাঁও ছোৱালী মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা কালত শ্ৰদ্ধেয় মহেশ চন্দ্ৰ দেৱগোস্বামীয়ে শ শ পোষ্ট কাৰ্ড নিজ হাতে লিখি সদ্য প্ৰৱেশিকা উত্তীৰ্ণ ছাত্ৰীসকলৰ অভিভাৱকলৈ পঠিওৱা এতিয়া যেন এক কিংবদন্তি। ইয়াৰো পূৰ্বে নগাঁও মহাবিদ্যালয়ে প্ৰতিষ্ঠা লাভ কৰে স্বাধীনতাৰ তিনি বছৰ আগেয়ে। সেই সময়ত সদৌ অসমজুৰি কুৰিখনো মহাবিদ্যালয় নাছিল। তেতিয়াই এই নগাঁও মহাবিদ্যালয়ৰ বাবে নগাঁও চহৰৰ মাজমজিয়াত বিশাল ভূমি খণ্ড আছিল আৰু ভৰিষ্যৎ প্ৰজন্মৰ ছাত্ৰ-ছাত্ৰীৰে কোঠাবোৰ ভৰি পৰিব বুলি আশা কৰি পৰিকল্পনা কৰিছিল মহাবিদ্যালয়ৰ বিশাল বিশাল শ্ৰেণী কোঠাবোৰ।

১৯৪৪ চনৰ ৭ আগষ্টত প্ৰতিষ্ঠা লাভ কৰা এইখন নগাঁও মহাবিদ্যালয় মহাৰজত জয়ন্তী পঁয়সত্তৰ বৰ্ষপূৰ্তিত উপনীত হৈছে। এই কলেজখনতে আছিল মোৰ নামভৰ্তি। এই মহাবিদ্যালয়খনতেই হৈছিল মোৰ কৈশোৰৰ শেষ আৰু যৌৱনৰ উন্মেষ। দেউতাৰ প্ৰজন্মই দেখা বা পঢ়া কলেজখন কেনে আছিল সেইটো অনুমান কৰিব নোৱাৰিলেও আমি প্ৰৱেশ কৰা সময়ৰ কলেজখনৰ সামগ্ৰিক পৰিৱেশ আছিল সত্তৰৰ ভাৰতবৰ্ষজুৰি আৰম্ভ হোৱা প্ৰগতিশীল বৌদ্ধিক জয়যাত্ৰাৰ মাজৰ এখন গতিশীল কলেজ। বিদ্বান অধ্যাপকসকলৰ জ্ঞান কেৱল পাঠ্যপুথিতেই সীমাবদ্ধ নাছিল। তেখেতসকল আছিল একোজন সমাজ সচেতন নাগৰিক। পথদ্ৰষ্টা। তেতিয়ালৈকে

অসম আন্দোলনে ঠন ধৰি উঠা নাই। প্ৰগতিশীল পৰিৱেশ এটাত মোৰ প্ৰৱেশ আৰু স্নাতক পৰীক্ষাত এবছৰ নবহাৰ বাবে নগাঁও মহাবিদ্যালয়খনত মুঠ পাঁচ বছৰ কাল অতিক্ৰম কৰি ১৯৭৯ চনত অসম আন্দোলনৰ সূচনাৰ এক জাতীয়তাবাদী ভৰপক পৰিৱেশৰ মাজত কলেজৰপৰা মোৰ প্ৰস্থান। মোৰ ব্যক্তিগত জীৱনৰ ই এক গুৰুত্বপূৰ্ণ পৰিক্ৰমা।

এই পাঁচটি বছৰ মোৰ আনুষ্ঠানিক শিক্ষাগ্ৰহণৰ সমানে সমানে নগাঁও মহাবিদ্যালয়খনৰ আত্মাৰ আভ্যন্তৰত আছিল মোৰ প্ৰায় সামগ্ৰিক সমৰ্পণ। মোৰ প্ৰাথমিক ৰাজনীতি, সমাজনীতি, সাংস্কৃতিক জ্ঞানোন্মেষৰ লগতে আমাৰ গাঁও শেতালিৰ শৈশৱত আৰু কুঁজীডাহ হাইস্কুলত আৰম্ভ হোৱা মোৰ সামান্য লেখা-মেলাৰ আভাস এই কলেজখনৰ চৌপাশত মোৰ বাবে যেন লাহে লাহে জাতিষ্কাৰ হ'বলৈ আৰম্ভ কৰিছিল। কলেজখনৰ বহল বহল দীঘল কৰিড'ৰবোৰত, বিজ্ঞান শাখাৰ গেলাৰীবোৰত, ভৰা শ্ৰেণীকোঠাবোৰত, প্ৰেক্ষাগৃহটোৰ মজিয়া বা মঞ্চত, হোষ্টেলৰ বিশাল বহল ছাদখনত — ক'ত নাছিল মোৰ প্ৰাণ, ক'ত নাছিল মোৰ সন্ধান! সেইবাবেই চাগে' কলেজখনৰ আনুষ্ঠানিক পাঠবোৰত, শ্ৰেণীকোঠাবোৰত, পঢ়া-শুনাত যিমান মন থাকিব লাগে তাতোকৈ অধিক মনোনিৱেশ আছিল আন কাম-কাজবোৰত। সেইবোৰে প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে মোৰ মনোজগতত প্ৰৱেশ কৰিছিল আৰু মোক সমৃদ্ধ কৰি তুলিছিল মই নিজে নজনাকৈয়ে। কলেজৰ আনটো জীৱন মোৰ বাবে অনন্য গভীৰ হৈ পৰিছিল। এইবোৰৰ বিস্তাৰিত বৰ্ণনা একাষৰীয়াকৈ ৰাখি থ'ব পাৰি। কালক্ৰমত কলেজখনৰ সেই কালছোৱাতেই কেইবাখনো একাংকিকা নাটক, গল্প, কবিতা, ইংৰাজী কবিতা, প্ৰবন্ধ, আলোচনা আদি লিখাৰ উপৰি এই কালছোৱাতে মই হৈ পৰিছিলোঁ ক্ৰমে সাংস্কৃতিক সম্পাদক, আলোচনী সম্পাদক আৰু শেষলৈ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক।

সৌভাগ্যক্ৰমে মই সম্পাদনা কৰা আলোচনীখন আছিল নগাঁও মহাবিদ্যালয় আলোচনীৰ ৰূপালী জয়ন্তী সংখ্যা, পঁচিশতম প্ৰকাশ, ১৯৭৫-৭৬ চন।

'নগাঁও মহাবিদ্যালয় আলোচনী'ৰ জন্ম হৈছিল নগাঁও মহাবিদ্যালয় হিন্দু ছাত্ৰাৱাসত 'শেৱালি' নাম লৈ। সেই ১৯৪৪ চনত কেইজনমান উদ্যোগী ডেকাৰ উৎসাহত হাতেলিখা হিচাপে প্ৰকাশিত হোৱা 'শেৱালি'ৰ সময়ত 'শেৱালি' নাম লোপ পাই আৰু 'নগাঁও মহাবিদ্যালয় আলোচনী' হিচাপে প্ৰকাশ পায়। গৌৰৱৰ বিষয় তেতিয়াৰ হাতেলিখা পকাবন্ধা এই 'শেৱালি'ৰ প্ৰথম সম্পাদক আছিল আমাৰ সকলোৰে শ্ৰদ্ধাৰ মহিম বৰা আৰু দেৱেন হাজৰিকা।

মই সম্পাদনা কৰা ৰূপালী জয়ন্তী সংখ্যাৰ প্ৰকাশৰ সময়ত নগাঁও মহাবিদ্যালয় আলোচনীৰ শিপা সন্ধান প্ৰচেষ্টাত 'শেৱালি'ৰ সংখ্যা এটা উদ্ধাৰ হয় শ্ৰদ্ধেয় মহিম বৰা ছাৰৰ সৌজন্যত। হাতেলিখা পকাবন্ধা বহী এখনত আটোমটোকাৰিকৈ লিখা আৰু অংগসজ্জা কৰা সেই শেৱালি আলোচনীৰ স্পৰ্শৰ সৌভাগ্য মোৰ হৈছে। মহিম বৰা ছাৰৰ প্ৰখ্যাত গল্প 'ডফলাকাঁইট'ৰ হাতেলিখা প্ৰথম প্ৰকাশ সেই সংখ্যাৰ 'শেৱালি'ত।

ৰূপালী জয়ন্তী সংখ্যাত প্ৰকাশিত মহিম বৰাৰ 'শেৱালিৰ সুবাস' শীৰ্ষক প্ৰবন্ধটিত ছাৰৰ সুবাস অন্বেষণ আছিল এনেধৰণৰ — '... আমি দুজনমানে এদিন প্ৰস্তাৱ আগবঢ়ালোঁ যে হোষ্টেলৰপৰা এখন হাতেলিখা আলোচনী উলিওৱা হওক। সকলোৰে একেবাক্যে সমৰ্থন জনালে। সৰ্বসন্মতিক্ৰমে স্থিৰ হ'ল, আলোচনীৰ নাম 'শেৱালি' হ'ব, সকলোপ্ৰকাৰ দলীয় ৰাজনীতিৰপৰা মুক্ত থাকিব। দেৱেন হাজৰিকা আৰু মোক সম্পাদক নিৰ্বাচিত কৰা হ'ল।

সেইদিনা ফুৰিবলৈ অহা কবি ৰত্নকান্ত বৰকাকতীক হোষ্টেলৰ সন্মুখত লগ পাই আমি

কেইবাজনেও আমাৰ 'শেৱালি' আলোচনী প্ৰকাশৰ সিদ্ধান্ত জনালোঁ। কবি আনন্দত উৎফুল্ল হৈ পৰিল। হোষ্টেলটো এসময়ত তেওঁলোকৰ বাসভৱন আছিল, দুৰ্যোগত পৰি বিক্ৰী কৰি দিব লগা হ'ল। সেই কথা আমাকো জনালে। পদূলিত থকা শেৱালি গছজোপালৈ দেখুৱাই ক'লে— সেই শেৱালিজোপাই কবিক দিছিল 'শেৱালি'ৰ কবিতা লেখাৰ প্ৰেৰণা।'

সেই শেৱালিৰ সুবাস আৰু প্ৰেৰণা যিমান পাৰি অক্ষমভাৱে কৰিবলৈ যত্ন কৰিছিলোঁ, ৰূপালী জয়ন্তী সংখ্যাৰ আলোচনীখন বিশেষভাৱে সজাবলৈ অপৰিসীম চেষ্টা কৰিছিলোঁ। (পৰৱৰ্তী সময়ত কেইবাঠাইতো পুৰস্কৃত হৈছিল।) আজি মহাবিদ্যালয়খনৰ সম্পাদকীয় পৃষ্ঠাৰ পূৰ্ণ পাঠৰ উদ্ধৃতি তুলি ধৰিলোঁ। সেই সত্তৰ দশকৰ আৰম্ভণিৰ প্ৰগতিশীল বাতাবৰণৰ প্ৰভাৱ, ১৯৭৫ চনৰ জৰুৰীকালীন অৱস্থাৰে ৰাজনৈতিক বিৱৰ্তন, জাতীয়তাবাদী আন্দোলনৰ উন্মেষ, সমাজ সচেতনতাৰ দ্ৰুত উত্থান-পতন, এই সকলোবোৰ এজন ক্ষুদ্ৰ সমাজক ভালপোৱা, সমাজখনৰ প্ৰতি কিবা এটা কৰাৰ আগ্ৰহ থকা যুৱকৰ মনোজগতত এইবোৰৰ তদানীন্তন প্ৰভাৱ এই সম্পাদকীয়টোৰ জৰিয়তে হয়তো পুনৰাৱিস্কৃত হ'ব পাৰে। ই ছ'চিয়েল হিষ্ট্ৰীৰ এক অংশ বুলি দাবী কৰাটো নিঃসন্দেহে অবান্তৰ হ'ব পাৰে কিন্তু এইবোৰ ভাবনা কেৱল মোৰ নিজৰ কথা নাছিল। এই যে বিশাল কলেজখনৰ উল্লেখ কৰা অ'ৰ-ত'ৰ ঠাইবোৰ, যিকোনো ঠাই, যিকোনো কোঠা, যিকোনো আকাশ-বতাহ — এই সকলোতে লগ পোৱা মোৰ প্ৰাণৰ কলেজখনৰ বহু আত্মীয় সহপাঠীৰ এইবোৰ, মোৰ সম্পাদকীয়ৰ কথা আৰু ভাষাবোৰ, তেওঁলোকৰ সমবেত কথা, ভাব আৰু ভাষাৰ এক ছন্দোবদ্ধ কোৰাছ —

**সম্পাদকীয়—**

... টেবুলখনৰ সোঁমাজত থকা 'এছট্ৰে'টোত কেইবাটাও আধাপোৰা চিগাৰেটৰ টুকুৰা — কমদামী ব্ৰেণ্ড। কাষত এখন দৈনিক বাতৰিকাকত — Situation vacantৰ কাষত ৰঙা চিগ্ৰাহীৰ দাগ। বহল পেণ্ট, প্ৰয়োজনতকৈ কিছু দীঘল চুলি-মুখত কেইডালমান কেইবাদিনো নুখুৰোৱা দাড়ি।

ঃ পৃথিৱীত বোধহয় এটাই বৰ অসহ্য অৱস্থা আছে — সেইটো হ'ল Middle class familyত জন্মগ্ৰহণ কৰাটো।

ঃ মই এখন উপন্যাস লিখিছোঁ।

ঃ উপন্যাস —? কাৰ জীৱন লৈ?

ঃ That is, - with so called your, I mean our middle class family

ঃ হাঃ হাঃ হাঃ —।

ঃ এটা মানুহে মোক কি কৈছিল জান? Our morality is mainly based on economy — আমাৰ নৈতিকতা বোলে অৰ্থনীতিৰ দাস।

ঃ জীৱন নাটত আমাৰ roleটো বৰ tragic নহয়? খুব ভালদৰে acting কৰিলে কিজানি Best actor হৈ যাব পাৰোঁ।

ঃ অৱশ্যে নাটক ভাঙি যোৱাৰ পাছত।

ঃ কেইকাপমান চাহ খোৱাহেঁতেন কেইকাপমান চাহ। ...চিয়াৰ্চ...

ঃ ধুৎ চাহৰ চিয়াৰ্চ?

ঃ বাহিৰেদি এজনী ছোৱালী গৈছে—

ঃ যাওক

ঃ এখন ৰঙা শাড়ী পিন্ধিছে—

ঃ পিন্ধক, ৰংটো ভাল লাগিব।

ঃ আমি এটা কাম কৰোঁ— এটা কম্প্ৰ'মাইজ কৰোঁ।

ঃ জীৱনৰ লগত?

ঃ নহয় সময়ৰ লগত...

ঃ এখন সৰু কবিতাৰ আলোচনী উলিয়াও...।

ঃ আমি বোলে নিৰ্ভীক কাপুৰুষতাহীন নতুন

**পুৰুষ**

ঃ জীনৰ তল ফাটিযোৱা পেণ্ট পিন্ধি, দীঘল চুলিৰে সন্তীয়া ৰেষ্টোৰাঁত বহি দৈনিক বাতৰিকাকতৰ 2nd page চোৱা নতুন পুৰুষ—

ঃ তথাকথিত নতুন পুৰুষ...

ঃ হাঃ হাঃ হাঃ

এইটো এটা সম্পাদকীয়ৰ পাতনি হ'লনে? নহ'লেও ক্ষতি নাই— 'সম্পাদকীয়'ত মই লিখা নাই— নিলিখোঁ। এটা provision আছে বাবে মনৰ অসংযত ভাব কিছুমান লিখিছোঁ।

**আমি বাৰু এতিয়া ক'ত**

কিছুমান আশা, কিছুমান হতাশাৰে আমি কিছুমান তথাকথিত নতুন পুৰুষে কিবা এটা বিচাৰিছোঁ... বিপ্লৱ-Change ইত্যাদি বহুতো। কিন্তু এইবোৰৰ লগত আমি আমাৰ আদৰ্শ বা নীতিক কিমান কি কৰিব পাৰিছোঁ সেইটোহে ডাঙৰ কথা। আমাৰ এই নিম্ন মধ্যবিত্তীয় চৰিত্ৰই জানো প্ৰায়ে আমাৰ আদৰ্শৰ প্ৰতিকূলে যোৱা নাই? আমি জানো প্ৰায়েই পিঞ্জৰাবদ্ধ বান্দৰৰ দৰে কাৰাৰুদ্ধ অথচ আনন্দিতৰ ভাও ধৰা নাই? আমি পঢ়া সমাজবাদী দৰ্শন, প্ৰগতিশীল ভাবধাৰা এইবোৰ কিছুমান 'সুবিধা'ৰ বিপৰীতে প্ৰায়ে ম্লান হৈ পৰে কিয়? বিপ্লৱৰ কথা কোৱা বা বিপ্লৱৰ কিতাপ পঢ়া এইবোৰ কেতিয়াবা প্ৰকাশৰ হাথিয়াৰ হিচাপে ব্যৱহৃত হয় কিয়? হায় আমাৰ মানসিকতা। হায় আমাৰ প্ৰগতিশীল চিন্তাধাৰাৰ...।

দেশত জনসংখ্যা বহুত — শিক্ষিত-অশিক্ষিত নিবনুৱা বহুত, দাৰিদ্ৰ্য সীমাৰেখাৰ তলত থকা নাগৰিক (?) বহুত, সমস্যা বহুত। কিন্তু আজি আমাৰ দেশৰ এই বহুতবোৰৰ মাজত অন্য কিছুমান 'বহুত' সোমাই আছে — যিবোৰৰ সমস্যা এই অন্যবোৰ সমস্যাতকৈ অনেক ডাঙৰ। সেইটো হৈছে আমাৰ ভ্ৰষ্ট মানসিকতা, আমাৰ আত্মকেন্দ্ৰিকতা, আমাৰ স্বাৰ্থপৰতা বা আমাৰ কলপ লগোৱা বৌদ্ধিকতা। আজি আমি স্বাৰ্থপৰ, আত্মকেন্দ্ৰিক, আজি আমি Darwinৰ survival of the fittest theoryৰ দাস। আমি নিজৰ Survival বিচাৰোঁ— যিহেতু আমি স্বাৰ্থপৰ। কিন্তু সেইবোৰ মানুহৰ কথা ভবা নাই যিবোৰ মানুহে Fittest হৈ Survive কৰিব নোৱাৰিলে, সেই বুজন পৰিমাণৰ শতাংশৰ কথা ভবা নাই যিবোৰে — সভ্যতাৰ দৌৰ প্ৰতিযোগিতাত পাছ পৰি ৰৈছে। ভবা নাই, সিহঁতে দৌৰিব পৰা নাই কিয়? দৌৰাৰ শক্তিৰ অভাৱ নে সেই শক্তিৰ উৎসৰ অভাৱ? — এইবোৰ ভাবিবলৈ আজি সচেষ্ট সক্ষম মানসিকতাৰ অভাৱ। আমি সকলোকে equal right of survival দিব পৰা নাই কিয়? অৱস্থিতিৰ সমঅধিকাৰৰ পৰা এক শ্ৰেণী বঞ্চিত হ'ব কিয়?

আমি সময়ৰ দাস হ'ব নিবিচাৰোঁ — নহওঁ। সময় আমাৰ দ্বাৰা পৰিচালিত হওক।

**অনুশাসন ঃ ইয়াৰ বাস্তৱতা**

কিছুমান এনেকুৱা সাৰ্বজনীন সত্য আছে যাক বিশ্বৰ কোনো চৰকাৰী বা বিৰোধী দল হওক বা যিকোনো সুস্থ চিন্তাধাৰাৰ মানুহ হওক কেতিয়াও অস্বীকাৰ কৰিব নোৱাৰে। অনুশাসনৰ প্ৰয়োজনীয়তা ঠিক তেনেকুৱা শাশ্বত বাস্তৱ সত্য। অনুশাসনৰ প্ৰয়োজনীয়তাক কোনো ৰাজনৈতিক দৃষ্টিকোণৰপৰা নাচাই যদি সামাজিকভাৱেও লক্ষ্য কৰা যায় — তেনেহ'লে দেখা যাব অনুশাসন কোনো ৰাজনৈতিক দলৰ হাথিয়াৰ বা অস্ত্ৰ হ'ব নোৱাৰে, ই এটা social demand। কোনো জৰুৰীকালীন অৱস্থাই অনুশাসনক স্থায়ী কৰিব নোৱাৰে। সমাজ সচেতন হ'ব লাগিব— চৰকাৰী অনুশাসনতকৈ নৈতিক অনুশাসনত প্ৰত্যয় নিয়াৰ সুস্থ পৰিৱেশ বা বৌদ্ধিক মানসিকতা সমাজত সৃষ্টি হ'ব লাগিব। সেই পৰিৱেশৰ নিতান্ত প্ৰয়োজন আমাৰ দেশত।

**এই সংখ্যা ঃ ৰূপালী জয়ন্তী**

একুৰি চাৰিজন সম্পাদকৰ পাছত এয়া মই একুৰি পাঁচ নং সম্পাদক। আলোচনীৰ প্ৰয়োজনীয়তা বা প্ৰভাৱৰ বিষয়ে লিখাৰ ইচ্ছা নাই। ই সকলোৰে অনুভূত এটা সাধাৰণ অনুভূতি। কিন্তু সাহিত্যৰ বিষয়ে এটা কথা ক'বলৈ মন গৈছে — সাহিত্য যেতিয়া জনতাৰ সাহিত্য হয় তেতিয়া সি জীৱন্ত হয়। আৰু এই জীৱন্ত গতিশীল (dynamic) সাহিত্যই সমাজক গতিশীলতা আনি দি পাৰে। ন-লিখকৰ সাহিত্য, জীৱন্ত সাহিত্য হওক — গতিশীলতা সকলোৰে প্ৰিয়।

সম্পাদকে আলোচনী কিমান সুন্দৰ কৰিব পাৰে বা নোৱাৰে মই নাজানো — কিন্তু এটা কথা জানো আলোচনীক ভাল (standard) কৰে ইয়াৰ অন্তৰ্ভুক্তিসমূহে। আলোচনীখন কেনেদৰে দিছোঁ ক'ব নোৱাৰোঁ— ভাল হৈছে যদি অন্তৰ্ভুক্ত লেখক-লেখিকাৰ কৃতিত্ব আৰু যদি বেয়া হৈছে তেন্তে মই অনভিজ্ঞ, দুৰ্বল মোৰ সম্পাদনা। এটা কথা কৈ থওঁ এই সংখ্যা আলোচনীৰ (৭৫-৭৬) সম্পাদনাৰ ভাৰ মোৰ হাতত পৰে ১৯৭৭ চনৰ জানুৱাৰী মাহৰ ৭ তাৰিখে। যৎপৰোনাস্তি চেষ্টা কৰি আলোচনীখন যিমান পাৰো সিমান সোনকালে দিবলৈ চেষ্টা কৰিছোঁ। যদি পলম হৈছে ক্ষমা বিচাৰিম জানো?

নগাঁও মহাবিদ্যালয়ৰ বৰ্তমানৰ ক্ৰমবৰ্ধমান উন্নতিয়ে অদূৰ ভৱিষ্যতে এই মহাবিদ্যালয়ক অসমৰ অগ্ৰণী পূৰ্ণাংগ মহাবিদ্যালয়ত পৰিণত কৰিব এই বিষয়ে নিঃসন্দেহে ভৱিষ্যৎবাণী কৰিব পাৰি। সেই শিক্ষা, সংস্কৃতি ইত্যাদি সকলো বিষয়তে পূৰ্ণাংগ অৱস্থাৰ সমাগত দিনটোৰ প্ৰতীক্ষাৰে।

জয়তু নগাঁও মহাবিদ্যালয়।❑

লেখক - প্ৰাক্তন ছাত্ৰ তথা বিশিষ্ট গল্পকাৰ আৰু চিন্তাবিদ।

# সাহিত্য, ছাত্ৰ আন্দোলন, ৰাজনীতি আৰু নগাঁও মহাবিদ্যালয়

**শৈলেন শইকীয়া**

ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পিছত এখন প্ৰগতিশীল ৰাষ্ট্ৰ হিচাপে প্ৰতিষ্ঠা লাভৰ বাবে প্ৰয়োজন হৈছিল বিজ্ঞানী, অভিযন্তা, চিকিৎসক, অধ্যাপক, প্ৰশাসনিক বিষয়াৰ উপৰি বহুসংখ্যক উচ্চ শিক্ষিত মানুহৰ। দেশৰ নতুন প্ৰজন্মক উচ্চ শিক্ষাৰে শিক্ষিত কৰি তোলাৰ বাবে ৰাইজৰ প্ৰচেষ্টাত বিভিন্ন স্থানত গঢ়ি উঠিছিল অনেক মহাবিদ্যালয়। এই শিক্ষানুষ্ঠানসমূহে বিগত সময়ত দেশলৈ আগবঢ়াই দিছে বিভিন্ন বৃত্তি নিয়োজিত অলেখ উচ্চ শিক্ষিত ব্যক্তি। সমগ্ৰ দেশৰ লগতে অসমতো এনেধৰণৰ অনেক শিক্ষানুষ্ঠান আছে, যিবোৰৰ কেৱল শিক্ষাৰ্থীৰ শৈক্ষিক কেৰিয়াৰ গঢ় দি বিভিন্ন বৃত্তিত নিয়োজিত এচাম পৰিপক্ক ব্যক্তি সৃষ্টিতে সীমাবদ্ধ নাথাকি জাতীয় জীৱনলৈ বিভিন্নধৰণেৰে অৱদান আগবঢ়াব পৰা একাংশ যোগ্য লোক গঢ়ি তুলি সমাজলৈ বৰঙণি আগবঢ়াই আহিছে।

দেশৰ স্বাধীনতাৰ প্ৰাকমুহূৰ্তত প্ৰতিষ্ঠা হোৱা অসমৰ এখন অগ্ৰণী শিক্ষানুষ্ঠান হৈছে নগাঁও মহাবিদ্যালয়। নগাঁও মহাবিদ্যালয় বুলিলেই মানুহৰ মনলৈ আহে সাহিত্যাচাৰ্য্য যজ্ঞেশ্বৰ শৰ্মা, প্ৰসিদ্ধ সাহিত্যিক মহিম বৰা, পদ্মশ্ৰী ৰংবং তেৰাং, অধ্যাপক সৰ্বেশ্বৰ ৰাজগুৰু, পদ্মশ্ৰী গণশিল্পী খগেন মহন্ত, মাধ্যম আন্দোলনৰ শ্বহীদ অনিল বৰা, বিদেশী বহিষ্কাৰ আন্দোলন আৰু এসময়ৰ সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি প্ৰফুল্ল কুমাৰ মহন্তকে ধৰি অসমৰ ৰাজনীতিৰ কেইবাগৰাকী নেতা।

১৯৪৪ চনৰ ৭ আগষ্টত কলংপৰীয়া চহৰ নগাঁৰৰ বুকুত জন্ম হৈছিল নগাঁও মহাবিদ্যালয়। অসমত প্ৰথমখন উচ্চ শিক্ষাৰ অনুষ্ঠান কটন কলেজ ১৯০১ চনত গুৱাহাটীত স্থাপন কৰা হয়। তাৰ পূৰ্বে উচ্চ শিক্ষা গ্ৰহণৰ বাবে অসমৰ মেধাৱী ছাত্ৰসকল ঘাইকৈ কলিকতালৈ গৈছিল। কটন কলেজ প্ৰতিষ্ঠাৰ পিছত অসমৰ একাংশ মেধাৱী ছাত্ৰৰ উচ্চ শিক্ষাৰ সপোন পূৰণ হ'ল। কিন্তু যোগাযোগ ব্যৱস্থা সুচল নোহোৱা বাবে মধ্য আৰু উজনি অসমৰ বহু ছাত্ৰই উচ্চ শিক্ষা আহৰণৰ অভিলাষ পূৰণ কৰিব পৰা নাছিল। কটন কলেজত নামভৰ্তি কৰা নগাঁৰৰ ছাত্ৰই উচ্চ শিক্ষা আহৰণৰ আকাংক্ষাত কান্ধত কিতাপ, কাপোৰ, খাদ্যৰ ভাৰ লৈ খোজকাঢ়ি গৈ দুদিনৰ পিছত গুৱাহাটীত উপস্থিত হৈছিলগৈ।

কুৰি শতিকাৰ দ্বিতীয় দশকত উজনি অসমৰ ছাত্ৰৰ বাবে যোৰহাটৰ এখন কলেজ পতাৰ চিন্তাই ৰাইজৰ মাজত প্ৰাণ পাই উঠিছিল। তাৰ ফলশ্ৰুতিত ১৯৩০ চনত যোৰহাটত জগন্নাথ বৰুৱা মহাবিদ্যালয় প্ৰতিষ্ঠা হয়। যোৰহাটত এই মহাবিদ্যালয়খন প্ৰতিষ্ঠাৰ পিছত নগাঁৰৰ এখন উচ্চ শিক্ষাৰ অনুষ্ঠান স্থাপনৰ বাবে চিন্তাৰ পাতনি মেলে। স্বাধীনতা সংগ্ৰামী মতিৰাম বৰাকে ধৰি একাংশ অগ্ৰণী ব্যক্তিয়ে। চতুৰ্থটো দশকতে এই সম্পৰ্কত চিন্তা-চৰ্চা আৰম্ভ হয় যদিও দ্বিতীয় বিশ্বযুদ্ধ আৰু স্বাধীনতা আন্দোলনৰ ব্যাপকতাই সেই চিন্তাত স্থবিৰতা আনে।

নগাঁও মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ যজ্ঞেশ্বৰ শৰ্মাই শিক্ষানুষ্ঠানখনৰ প্ৰতিষ্ঠা সম্পৰ্কত এনেদৰে উল্লেখ কৰি গৈছে। 'প্ৰায় ১৯৩৮ চনত মই এবাৰ নগাঁৰলৈ আহোতে এদিন খুব সম্ভৱ ৰাজহুৱা লাইব্ৰেৰীত সেই সময়ত নগাঁৰৰ নেতা মতিৰাম বৰা প্ৰভৃতি কেইজনমান লোকৰ লগত দেখা হয়।

তেওঁলোকে মোক সুধিলে— 'আমি নগাঁৱতে এখন কলেজ স্থাপন কৰিব খুজিছোঁ। আপুনি আহি পাতি দিব পাৰিবনে? নগাঁৱত এখন কলেজ হোৱাৰ কথা তেতিয়া মোৰ মনত আলাসত চাং পতা যেন লাগিছিল। মই উত্তৰ দিলোঁ, বাৰু আপোনালোকে পাতকচোন।'

দেশৰ স্বাধীনতাৰ পূৰ্বে গাঁৱে-ভূঞে হাইস্কুল স্থাপন হোৱাত মেট্ৰিক পাছ কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰে যদিও উচ্চ শিক্ষাৰ অনুষ্ঠানৰ অভাৱত সেইসকলৰ শিক্ষা সিমানতে সামৰণি পৰে। ৰাইজে নগাঁৱত এখন মহাবিদ্যালয় স্থাপনৰ সিদ্ধান্ত গ্ৰহণ কৰি ৰায়বাহাদুৰ বৃন্দাবন গোস্বামীক সভাপতি, ৰায়বাহাদুৰ ভদ্ৰেশ্বৰ বৰুৱাকে উপ-সভাপতি, মতিৰাম বৰা আৰু প্ৰিয়নাথ সেনগুপ্তক যুটীয়া সম্পাদক হিচাপে লৈ প্ৰস্তাৱিত শিক্ষানুষ্ঠানখনৰ এখন পৰিচালনা সমিতি গঠন কৰি দিয়ে। এই সমিতিয়ে কলা শাখাৰ কেইটামান বিষয়ৰ আই এ শ্ৰেণী খোলাৰ অনুমতি বিচাৰি কলিকতা বিশ্ববিদ্যালয়ত আবেদন কৰে। বিশ্ববিদ্যালয়ৰ সন্মতি লাভ কৰি যোৰহাটৰ জগন্নাথ বৰুৱা কলেজৰ অধ্যাপক যজ্ঞেশ্বৰ শৰ্মাক অধ্যক্ষ ৰূপে নিযুক্তি দি ছগৰাকী শিক্ষক সহ নগাঁও মহাবিদ্যালয় মুকলি কৰা হয়। নতুনকৈ স্থাপন হোৱা মহাবিদ্যালয়খনৰ নামভৰ্তি কৰে ১১৫-১২০ গৰাকীমান ছাত্ৰ-ছাত্ৰীয়ে। প্ৰথম অৱস্থাত ডচন স্কুলত ৰাতিপুৱাৰ ভাগত পাঠদানেৰে মহাবিদ্যালয়ৰ শ্ৰেণীসমূহ আৰম্ভ হয়।

নগাঁও মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাবৰ্ষত নামভৰ্তি কৰা ছাত্ৰৰ ভিতৰত আছিল মহিম বৰা। সাহিত্যাচাৰ্য মহিম বৰাই, নগাঁও মহাবিদ্যালয়ত জন্মলগ্নৰে পৰা কেনেদৰে সাম্প্ৰদায়িক সম্প্ৰীতিৰ নিদৰ্শন দাঙি ধৰিছে, সেয়া এক প্ৰবন্ধত এনেদৰে উল্লেখ কৰিছে, 'সেই সময়ত কোনো সাপ্তাহিক কাকতত নগাঁও কলেজ প্ৰতিষ্ঠাৰ বাতৰি ওলাইছিল, লগতে এই বাতৰিও সংযোজিত হৈছিল ঃ এগৰাকী মুছলমান ছাত্ৰীয়ে সংস্কৃত আৰু এজন হিন্দু ছাত্ৰই আৰবী ভাষা বিষয় হিচাপে লৈছিল। ছাত্ৰীগৰাকী ৰাশ্চিমা ৰহমান আৰু ছাত্ৰজন শ্ৰীযুত কমলেশ্বৰ বৰা (ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হৈ অৱসৰপ্ৰাপ্ত)।'

আই এ শ্ৰেণীৰে আৰম্ভ হোৱা নগাঁও মহাবিদ্যালয় সময় বাগৰাত লগে লগে এজোপা বৃক্ষৰ দৰে বাঢ়ি গৈ ফুলে-ফলে জাতিষ্কাৰ হৈ পৰিল। শৈক্ষিক মান আৰু উন্নত আন্তঃগাঁথনিৰ বাবে মহাবিদ্যালয়খনে বিগত সময়ত ৰাষ্ট্ৰীয় প্ৰত্যায়ন আৰু মূল্যায়ন পৰিষদ, 'নাক'ৰ 'এ' গ্ৰেড লাভ কৰিছে। মহাবিদ্যালয়খনত বৰ্তমান উচ্চতৰ মাধ্যমিক শ্ৰেণী, স্নাতক মহলাৰ সকলো বিষয়ৰ লগতে আছে স্নাতকোত্তৰ শ্ৰেণীৰ কেইবাটাও বিভাগ। বিগত পঁয়সত্তৰটা বছৰত নগাঁও মহাবিদ্যালয়ে সৃষ্টি কৰিলে বহু বিদ্বান লোকৰ, যিসকলে পৰৱৰ্তী সময়ত বিজ্ঞানী, অধ্যাপক, চিকিৎসক, অভিযন্তা, প্ৰশাসনিক বিষয়া আদি হৈ দেশে-বিদেশে নিজ নিজ কৰ্মক্ষেত্ৰত সফলতাৰে মহাবিদ্যালয়ৰ নাম উজলাইছে।

নগাঁও মহাবিদ্যালয়ে বহুসংখ্যক বিভিন্ন ক্ষেত্ৰৰ পেছাদাৰী লোকৰ উপৰি ভাষা-সাহিত্য, সংস্কৃতি, সামাজিক ক্ষেত্ৰৰ একাংশ ব্যক্তি সৃষ্টি কৰি জাতীয় জীৱনলৈকো অৱদান আগবঢ়াইছে। মহাবিদ্যালয়ৰ বুকুত সাহিত্যচৰ্চাৰ বীজ অংকুৰিত হোৱা বহুজনে পৰৱৰ্তী সময়ত অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰিছে। নগাঁও মহাবিদ্যালয়ৰ তিনিগৰাকী ব্যক্তিয়ে অসম সাহিত্য সভাৰ সন্মানীয় সভাপতিৰ আসন শুৱনি কৰিছে, তাৰে দুগৰাকীয়ে সাহিত্য সভাৰ সৰ্বোচ্চ সন্মান 'সাহিত্যাচাৰ্য' আৰু দুগৰাকীয়ে সাহিত্যকৃতিৰ বাবে ভাৰত চৰকাৰ 'পদ্মশ্ৰী' সন্মান লাভ কৰিছে। তেওঁলোক হৈছে সংস্কৃত আৰু ইংৰাজী সাহিত্যৰ বিদগ্ধ পণ্ডিত সাহিত্যাচাৰ্য যজ্ঞেশ্বৰ শৰ্মা, মহাবিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ তথা প্ৰাক্তন অধ্যাপক পদ্মশ্ৰী, সাহিত্যাচাৰ্য মহিম বৰা আৰু প্ৰাক্তন ছাত্ৰ পদ্মশ্ৰী ৰংবং তেৰাং। এই মহাবিদ্যালয়ৰ বুকুৰ পৰাই বহু শিল্পী, সাহিত্যিক, অভিনেতা, নাট্যকাৰ, চলচ্চিত্ৰ পৰিচালকৰ আৱিৰ্ভাৱ ঘটি অসমীয়া সাহিত্য-সংস্কৃতিৰ ভেটি টনকিয়াল কৰাত অৰিহণা আগবঢ়াইছে।

কেৱল বৌদ্ধিক ক্ষেত্ৰতে নহয়, অসমৰ জাতীয় সমস্যাৰ ক্ষেত্ৰতো এই মহাবিদ্যালয়ৰ শিক্ষক-ছাত্ৰই ত্যাগৰ নিদৰ্শন দাঙি ধৰিছে। ১৯৭২ চনৰ মাধ্যম আন্দোলনত নগাঁও মহাবিদ্যালয়ৰ ছাত্ৰই অগ্ৰণী ভূমিকা

গ্ৰহণ কৰিছিল। তাৰ পৰিণামত মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক অনিল বৰাই অসমীয়া ভাষা বিৰোধী চক্ৰৰ হাতত প্ৰাণ বলিদান দিবলগীয়া হৈছিল। অসমৰ বিদেশী বহিষ্কাৰ আন্দোলনৰ এইখন মহাবিদ্যালয় হৈ পৰিছিল শক্তিশালী কেন্দ্ৰ। মহাবিদ্যালয়ৰ ছাত্ৰাবাসত থাকি ছাত্ৰই আন্দোলন পৰিচালনা কৰিছিল। আন্দোলনত অংশগ্ৰহণ কৰা বাবে ছাত্ৰ-ছাত্ৰী, শিক্ষকক মহাবিদ্যালয়ৰ ভিতৰতে প্ৰহাৰ কৰিছিল নিৰাপত্তা বাহিনীয়ে। আন্দোলনত প্ৰাণ হেৰুৱাইছিল মহাবিদ্যালয়খনৰ ছাত্ৰই। আনকি চৰকাৰী পক্ষক সন্তুষ্ট কৰিবৰ বাবে মহাবিদ্যালয়খনৰ ছাত্ৰ কূটাঘাতত লিপ্ত হোৱাৰ কথাও জনা যায়। এইখন মহাবিদ্যালয়ৰপৰা গৈ প্ৰফুল্ল কুমাৰ মহন্ত আছুৰ সভাপতি পদত অধিষ্ঠিত হৈ ছবছৰীয়া অসম আন্দোলনক দক্ষতাৰে নেতৃত্ব প্ৰদান কৰে। ছাত্ৰ নেতা দীগেন বৰা, গিৰীন্দ্ৰ কুমাৰ বৰুৱাকে ধৰি বহুকেইজন অসম আন্দোলনৰ নেতা এই মহাবিদ্যালয়ৰ ছাত্ৰ আছিল। নগাঁও মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক গৌতম বৰা ১৯৭৫ চনত সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক হয়। পৰৱৰ্তী সময়ত কংগ্ৰেছ দলত যোগদান কৰি কেইবাবাৰো বিধায়ক নিৰ্বাচিত হৈ গৌতম বৰা অসম চৰকাৰৰ মন্ত্ৰীও হয়।

নগাঁও মহাবিদ্যালয়ৰ বুকুৰ পৰাই জন্ম হৈছে বহুসংখ্যক ৰাজনীতিকৰ। মহাবিদ্যালয়খনৰ ছাত্ৰ-শিক্ষকৰ ৰাজনীতি কোনো এটা নিৰ্দিষ্ট দৰ্শনতে সীমাবদ্ধ হৈ থকা নাই। ১৯৮৫ চনৰ নিৰ্বাচনত এই মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ প্ৰফুল্ল কুমাৰ মহন্ত বিধায়ক হৈ মুখ্য মন্ত্ৰী হোৱাৰ লগতে দীগেন বৰা, উমেশ দাস, গিৰীন্দ্ৰ কুমাৰ বৰুৱা বিধায়ক নিৰ্বাচিত হৈ মন্ত্ৰী হয়। মহাবিদ্যালয়খনৰ অধ্যক্ষ মুহিৰাম শইকীয়া সাংসদ নিৰ্বাচিত হৈ পৰৱৰ্তী সময়ত কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰী হয়। ১৯৫৫ চনত নগাঁও মহাবিদ্যালয়ৰপৰা বি এ পাছ কৰা অতুল চন্দ্ৰ গোস্বামীয়ে পৰৱৰ্তী সময়ত ছচিয়েলিষ্ট পাৰ্টীত যোগদান কৰে। তেওঁ ১৯৬৭ আৰু ১৯৭২ চনত কলিয়াবৰ সমষ্টিৰপৰা দুবাৰ বিধায়ক নিৰ্বাচিত হয়। প্ৰাক্তন ছাত্ৰ চামছুল হুডাই বিপ্লৱী কমিউনিষ্ট পাৰ্টীৰ জৰিয়তে ৰাজনীতিত জড়িত হৈ ১৯৬৭ আৰু ১৯৭৮ চনৰ বিধান সভা নিৰ্বাচনত ধিং সমষ্টিৰপৰা বিধায়ক নিৰ্বাচিত হয়। মহাবিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ কেহোৰাম হাজৰিকাই চি পি আই দলত যোগদান কৰি ১৯৬৭ আৰু ১৯৭২ চনত বঢ়মপুৰ সমষ্টিৰপৰা দুবাৰ বিধায়ক নিৰ্বাচিত হয়। প্ৰাক্তন ছাত্ৰ বানেশ্বৰ শইকীয়া আৰ চি পি আই দলৰ প্ৰাৰ্থিত্বেৰে ১৯৭৮ চনৰ বটদ্ৰৱা সমষ্টিৰ পৰা বিধায়ক নিৰ্বাচিত হয়। মুচাবিৰ চৌধুৰী নামৰ প্ৰাক্তন ছাত্ৰজন ১৯৬৭ চনত নিৰ্বাচনত ৰূপহীহাট সমষ্টিৰপৰা বিধায়ক নিৰ্বাচিত হয়। নগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ গুণেন্দ্ৰ নাথ পণ্ডিতে ৰহা সমষ্টিৰপৰা ১৯৭২ চনত, জগদীশ দাসে ১৯৭২ চনত বুকনি নামৰ সমষ্টি (পিছলৈ লুপ্ত হয়) পৰা, প্ৰয়াত চন্দ্ৰ দলৈয়ে ১৯৭৮ চনত জাগীৰোড সমষ্টিৰপৰা, ৰমেশ ফুকনে ১৯৮৩ চনত বঢ়মপুৰ সমষ্টিৰ পৰা কংগ্ৰেছ দলৰ প্ৰাৰ্থিত্বেৰে বিধান সভা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি বিধায়ক নিৰ্বাচিত হয়। মহাবিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ আৰু অধ্যাপক মজিবুৰ ৰহমান ১৯৯১ চনৰ নিৰ্বাচনত সমাজবাদী দলৰ প্ৰাৰ্থিত্বেৰে ধিং সমষ্টিৰ পৰা বিধায়ক নিৰ্বাচিত হয়। প্ৰাক্তন ছাত্ৰ গৌতম বৰা ১৯৯১, ২০০১, ২০০৬ আৰু ২০১১ চনত চাৰিবাৰ বটদ্ৰৱা সমষ্টিৰপৰা কংগ্ৰেছ দলৰ প্ৰাৰ্থিত্বেৰে বিধায়ক নিৰ্বাচিত হৈ অসম চৰকাৰৰ শিক্ষামন্ত্ৰী হয়। মহাবিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ ৰকিবুল হুছেইনে কংগ্ৰেছৰ ছাত্ৰ সংগঠন এন এছ ইউ আইক দীৰ্ঘদিন নেতৃত্ব প্ৰদান কৰাৰ পিছত কংগ্ৰেছ দলৰ প্ৰাৰ্থিত্বেৰে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি ২০০১ চনৰপৰা চাৰিবাৰ চামগুৰি সমষ্টিৰ বিধায়ক নিৰ্বাচিত হৈ প্ৰায় পোন্ধৰ বছৰ মন্ত্ৰী হৈ থাকে। নগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ ড° ইদ্ৰিছ আলী ২০০১ চনত ধিং সমষ্টিৰপৰা আৰু ডাঃ দুৰ্লভ চমুৱাই ২০১১ চনত নগাঁও সমষ্টিৰপৰা কংগ্ৰেছ দলৰ প্ৰাৰ্থিত্বেৰে বিধায়ক নিৰ্বাচিত হয়। ২০১৬ চনৰ বিধান সভা নিৰ্বাচনত মহাবিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ ৰূপক শৰ্মা বিজেপি দলৰ প্ৰাৰ্থিত্বেৰে নগাঁও সমষ্টিৰপৰা বিধায়ক নিৰ্বাচিত হয়। প্ৰফুল্ল কুমাৰ মহন্ত ১৯৮৫ চনৰপৰা মুঠ সাতবাৰ, গিৰীন্দ্ৰ

কুমাৰ বৰুৱা চাৰিবাৰ বিধায়ক নিৰ্বাচিত হয়। এইসকল ৰাজনীতিকৰ অধিকাংশৰে ৰাজনীতিৰ পাঠ আন্দোলন আৰু ছাত্ৰ ৰাজনীতিৰ পৰাই আৰম্ভ হৈছিল। মন্ত্ৰী-বিধায়ক নোহোৱা কেইবাজনো ৰাজনৈতিক নেতাও এই মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ। গতিকে অসমৰ ৰাজনৈতিক ক্ষেত্ৰলৈকো নগাঁও মহাবিদ্যালয়ৰ অৱদান উল্লেখনীয়।

ছাত্ৰৰ শৈক্ষিক কেৰিয়াৰ গঢ় দিয়াটোতে এখন শিক্ষানুষ্ঠানৰ প্ৰধান দায়িত্ব যদিও এখন সুস্থ সমাজ, এখন প্ৰগতিশীল ৰাজ্য-দেশ গঢ়াৰ বাবে বিভিন্ন ক্ষেত্ৰত নিপুণ ব্যক্তিৰ উপৰি লাগিব শিল্পী-সাহিত্যিক, ৰাজনীতি আৰু সমাজকৰ্মী। এই ক্ষেত্ৰত সফলতাৰে বিগত সময়ত নগাঁও মহাবিদ্যালয় ৰাজ্যৰ এখন আগশাৰীৰ শিক্ষানুষ্ঠান হিচাপে পৰিগণিত হৈছে। নগাঁও মহাবিদ্যালয়ে গৌৰৱেৰে ৭৫ টা বছৰ অতিক্ৰম কৰিলে। ২০১৮ বৰ্ষৰ ৭ আগষ্টৰপৰা বিস্তৃত আৰু বৰ্ণাঢ্য কাৰ্যসূচীৰে মহাবিদ্যালয়খনৰ মহাৰজত জয়ন্তী বৰ্ষৰ আৰম্ভণী অনুষ্ঠান অনুষ্ঠিত হয়। এই কাৰ্যসূচীত দেশে-বিদেশে থকা কেইবা হাজাৰ প্ৰাক্তন ছাত্ৰ উবুৰি খাই পৰে। কলেজীয়া দিনৰ কথা সুঁৱৰি স্মৃতিকাতৰ হৈ পৰে সকলো। ন-পুৰণি ছাত্ৰ-ছাত্ৰী, অধ্যাপকৰ সমাবেশেৰে প্ৰাণোচ্ছ্বল হৈ পৰে ৭৫ বছৰীয়া নগাঁও মহাবিদ্যালয়।

মহাৰজত জয়ন্তী উদ্‌যাপনে নগাঁও মহাবিদ্যালয়ক নতুন গতিৰে আগবঢ়াৰ নতুন শক্তি যোগালে। নগাঁও মহাবিদ্যালয় নিজৰ জ্যোতিৰে অনন্ত কাললৈ উজ্জ্বল হৈ ৰওক — এয়ে কামনা কৰিলোঁ।❑

---

লেখক - প্ৰাক্তন ছাত্ৰ, সাংবাদিক আৰু সাহিত্যিক।

# নগাঁও মহাবিদ্যালয়ত নাটক ঃ কিছু আভাস

**সপোনটি বৰদলৈ**

**অ**সমৰ নাট্য ইতিহাসত নগাঁৰৰ এটা সুকীয়া স্থান আছে। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে ১৪৬৮ খ্ৰীষ্টাব্দতে সৃষ্টি কৰা 'চিহ্নযাত্ৰা'ৰ জৰিয়তে এই নগাঁও জিলাৰপৰাই আৰম্ভ হৈছিল নিজস্ব শৈলীৰ অসমীয়া নাটৰ এক সুদৃঢ় যাত্ৰা। সেই ঐতিহ্যকে সাৰোগত কৰি পৰৱৰ্তী সময়ত অসমৰ প্ৰথমখন আধুনিক প্ৰ'চেনিয়াম (Proscenium) মঞ্চ নগাঁৰৰ হয়বৰগাঁও বীণাপাণি নাট্যমন্দিৰত ১৮৭০ চনত উপস্থাপন হোৱা প্ৰথম অসমীয়া মৌলিক নাট নাট্যকাৰ ৰুদ্ৰৰাম বৰদলৈৰ 'বঙাল বঙালনী', প্ৰথম অসমীয়া লিখিত মৌলিক নাট গুণাভিৰাম বৰুৱাৰ 'ৰাম নৱমী', যুগান্তকাৰী বুৰঞ্জীমূলক নাট 'পিয়লি ফুকন'ৰ সৃষ্টি আদিৰে নগাঁৰৰ নাট্য ইতিহাস চিৰকাল প্ৰোজ্জ্বল হৈ ৰ'ব।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ দ্বাৰা সৃষ্ট অনন্য শৈলীৰ অংকীয়া নাট-ভাওনা চৰ্চাৰ ধাৰাবাহিকতাৰ মাজতে ঊনবিংশ শতিকাৰ দ্বিতীয়াৰ্দ্ধৰপৰা পৌৰাণিক, আধুনিক তথা ঐতিহাসিক নাটকৰ ক্ষেত্ৰত বিভিন্ন নাট্যকাৰ, নাট্যানুষ্ঠান তথা নাট্যকৰ্মীৰ নাট্যচিন্তাৰ ফলশ্ৰুতিত পৰৱৰ্তী সময়ত নগাঁও জিলাত এই চিন্তা-চৰ্চাও প্ৰচুৰ পৰিমাণে বৃদ্ধি পাই আহিছে।

ঐতিহ্যমণ্ডিত 'নগাঁও মহাবিদ্যালয়' তেতিয়াৰ অবিভক্ত নগাঁও জিলাৰ (নগাঁও, মৰিগাঁও) প্ৰথমখন উচ্চশিক্ষাৰ অনুষ্ঠান। গতিকে বিভিন্ন ক্ষেত্ৰত প্ৰতিভাসমূহ প্ৰকাশৰ এক বিশেষ স্থান আছিল এই নগাঁও মহাবিদ্যালয়। জন্মলগ্নৰে পৰা সাহিত্য-সংস্কৃতি, ক্ৰীড়া তথা নাট্যক্ষেত্ৰত বহু ছাত্ৰ-ছাত্ৰীয়ে নিজস্ব প্ৰতিভাৰে সময়ে সময়ে মহাবিদ্যালয়ৰ নাম উজলাই আহিছে।

আমাৰ এই লেখা নগাঁও মহাবিদ্যালয়ৰ নাট্য পৰম্পৰাৰ সম্পৰ্কে। ই সম্পূৰ্ণ ইতিহাস নহয়। অ'ত-ত'ত লাভ কৰা কিছু তথ্যৰ (ধাৰাবাহিক তথ্যৰ অভাৱ হেতুকে) ভিত্তিত তথা নিজে নাট্যক্ষেত্ৰত জড়িত হোৱাৰ সূত্ৰে ইয়াৰ এটি আভাস দিবলৈহে চেষ্টা কৰা হৈছে। আনুষ্ঠানিক পাঠ্যক্ৰম অধ্যয়নৰ লগতে প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ ৰুচি-অভিৰুচিৰ আদিপ্ৰকাশ ঘটে কলেজীয়া জীৱনত। ইয়ে এজন ব্যক্তিৰ ভৱিষ্যতৰ ইংগিত বহন কৰে। গৌৰৱৰ কথা যে আজি অসম তথা ৰাষ্ট্ৰীয় পৰ্যায়ৰ বহুকেইজন নাট্যশিল্পী নগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী। নগাঁও মহাবিদ্যালয়ত প্ৰতিবছৰে কলেজ সপ্তাহৰ লগত সংগতি ৰাখি একাংকিকা নাট প্ৰতিযোগিতা অনুষ্ঠিত হোৱাৰ পৰম্পৰা আজিকোপতি চলি আছে। তদুপৰি মাজে সময়ে বছৰেকীয়া সাংস্কৃতিক অনুষ্ঠানত একাংক নাট প্ৰদৰ্শন কৰা হৈছিল।

বিগত শতিকাৰ ৫০ৰ দশকৰ আৰম্ভণিতে প্ৰয়াত প্ৰাক্তন ছাত্ৰ পদ্ম বৰা ৰচিত একাংকিকা নাট 'ওখনা ওখনি' মহাবিদ্যালয়ৰ বছৰেকীয়া সাংস্কৃতিক অনুষ্ঠানত মঞ্চস্থ কৰিছিল। পৰৱৰ্তী সময়ৰ অসমৰ কেইগৰাকীমান স্বনামধন্য নাট্যশিল্পী যথাক্ৰমে 'শকুন্তলা' কথাছবিৰ সুদৰ্শন নায়ক দুষ্মন্ত খ্যাত পবিত্ৰ বৰকাকতী, নাট্যকাৰ-পৰিচালক গোলাপ বৰা, বলিষ্ঠ অভিনেতা বীৰেণ মহন্ত, 'নাগৰদোলা', ওপৰমহলা খ্যাত প্ৰবীণ নাট্যকাৰ ৰাম কুমাৰ ভট্টাচাৰ্য আদিয়ে।

এই দলটিয়ে সেই সময়ত নগাঁৰত চাকৰিসূত্ৰে থকা ‘চামেলী মেমচাব’ৰ স্ৰষ্টা আব্দুল মজিদৰ পৰিচালনাত উপস্থাপন কৰিছিল ৰাম কুমাৰ ভট্টাচাৰ্যৰ ৰচিত ‘দুখন দেৱাল এখন ছবি’ আৰু ‘এক্সৰে’। সেই সময়ৰে ‘বলিয়া হাতী’ খ্যাত নাট্যকাৰ-পৰিচালক নেত্ৰকমল বৰঠাকুৰ আৰু পৰৱৰ্তী সময়ত অসমৰ কথাছবি জগতৰ জনপ্ৰিয় খলনায়ক দীনেশ দাসৰ নাট্যাভিনয়ো উল্লেখযোগ্য। নাটকসমূহ মঞ্চস্থ কৰিবৰ বাবে নগাঁও মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ সাহিত্যাচাৰ্য্য যজ্ঞেশ্বৰ শৰ্মা ছাৰৰ অনুমতি আগতীয়াকৈ লোৱাটো বাধ্যতামূলক আছিল। অধ্যাপক ভদ্ৰ বৰা, ভগৱান বৰুৱা ছাৰে ছাত্ৰ-ছাত্ৰীসকলক নাটক কৰাৰ ক্ষেত্ৰত পৰামৰ্শদাতা হিচাবে যথেষ্ট উৎসাহ যোগাইছিল। নাৰী চৰিত্ৰত অভিনয় কৰা এগৰাকী ছাত্ৰী আছিল তুলসী দত্ত।

৬০ৰ দশকৰ আৰম্ভণিতে অসমৰ এগৰাকী অন্যতম নাট্যকাৰ আৰু সেই সময়ৰ নগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ দেৱ কুমাৰ শইকীয়াৰ ‘মৰা সুঁতিৰ জীয়া সাঁকো’ নাটক মঞ্চস্থেৰে আলোড়ন সৃষ্টি কৰিছিল বলিষ্ঠ অভিনেতা-পৰিচালক কানু বেজবৰুৱা, মঞ্জুল শইকীয়া, পদুম চান্দ কোঠাৰী আদি শিল্পীসকলে। সেইসকল শিল্পীৰো তত্ত্বাৱধায়ক হিচাবে দায়িত্ব লৈছিল ভগৱান বৰুৱা ছাৰে। সেই সময়ৰ এগৰাকী অভিনেত্ৰী হ’ল প্ৰয়াত স্মৃতিৰেখা শইকীয়া। একেই দশকৰে শেহৰফালে ড° ভবেন্দ্ৰনাথ শইকীয়াৰ ৰচিত ‘বাওনা’ নামৰ একাংকিকাখন মহাবিদ্যালয়ৰ বছৰেকীয়া সাংস্কৃতিক অনুষ্ঠানত মঞ্চস্থ কৰা ছাত্ৰসকল আছিল পৰৱৰ্তী সময়ত নগাঁও নাট্য সমিতিৰ সম্পাদকৰ দায়িত্ব পালন কৰা ভবেশ বেজবৰুৱা, দেয়াজ আহমেদ, ফণী শৰ্মা, প্ৰমোদ বৰা, উপেন হাজৰিকা ইত্যাদি।

বিংশ শতাব্দীৰ ৭০ দশকৰ আৰম্ভণিতে ‘ছন্দপতন’ আৰু অন্যান্য দুখনমান একাংকিকাৰে নগাঁও মহাবিদ্যালয় মঞ্চ কঁপাই তোলা নাট্যদলটিৰ ছাত্ৰ-ছাত্ৰীসকল আছিল— পৰৱৰ্তী সময়ত নগাঁৰৰ ‘কল্লোল সাংস্কৃতিক গোষ্ঠী’ৰ সভাপতি মুৰুলী শৰ্মা (মহাবিদ্যালয়ৰ সেই বছৰৰ শ্ৰেষ্ঠ অভিনেতা), সম্পাদক নৌচাদ আখতাৰ হাজৰিকা, প্ৰবীৰ বেজবৰুৱা, বিশিষ্ট ছাত্ৰনেতা মোহিত বৰা, লুইত বৰা, ‘কল্লোল’ৰ সদস্য প্ৰয়াত ভৱানন্দ শৰ্মা আৰু বলিষ্ঠ পৰিচালক-অভিনেতা আমজাদ হুছেইন (এখেত দুবছৰমান কহিনুৰ থিয়েটাৰতো আছিল)। দলটিৰ মহিলা সদস্য আছিল অভিনেত্ৰী চপলা ৰায়।

১৯৭৩-৭৪ চনত মহাবিদ্যালয়ত অধ্যয়নৰত উপকূল বৰদলৈ, ইমদাদুল হাজৰিকা, অৰূপ মান্না আদিয়ে নাটকত অংশগ্ৰহণ কৰিছিল। আজি প্ৰতিজনেই নাট্যজগত তথা চলচ্চিত্ৰ জগতত সুদৃঢ়ভাৱে প্ৰতিষ্ঠিত। এইসকলৰ প্ৰায় সমসাময়িকভাৱে দ্বিপন গোস্বামী, প্ৰদান গোস্বামী, পল্লৱ গোস্বামী, অভিনেত্ৰী ৰুণু দাস আদিয়ে মহাবিদ্যালয়ৰ নাট প্ৰদৰ্শনত অংশগ্ৰহণ কৰে। ৭০ দশকৰ শেষৰফালে বৰ্তমান অসমৰ এগৰাকী প্ৰতিষ্ঠিত গল্পকাৰ তথা নাট্যকাৰ শিবানন্দ কাকতিয়ে এক নতুন আঙ্গিকেৰে প্ৰায় ব্ৰেখ্‌টিয়ান শৈলীৰে ‘এমব্ৰাইঅ’, ‘কেন্দ্ৰবিহীন বৃত্ত’ ইত্যাদি নাট্য ৰচনাৰে আৰু বন্ধুবৰ্গৰ সহযোগত উপস্থাপনেৰে এক আলোড়নৰ সৃষ্টি কৰে।

পৰৱৰ্তী সময়ত ঐতিহাসিক অসম আন্দোলনৰ সমান্তৰালভাৱে নগাঁও মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সাহিত্য, সংস্কৃতি তথা নাট্যচৰ্চা অব্যাহত আছিল। সেই সময়ৰ ছাত্ৰ সাৰংগ বৰাই পাছলৈ নাট্যক্ষেত্ৰত সুদৰ্শন অভিনেতা হিচাবে সুনাম অৰ্জন কৰিছিল। এই লেখকৰ লগতে জ্যোতি গায়ন, বসন্ত বৰঠাকুৰ, ধৰ্ম ভট্টাচাৰ্য্য, পবিত্ৰপ্ৰাণ শৰ্মা, বাণী দাস (বৰ্তমান জনপ্ৰিয় চলচ্চিত্ৰ পৰিচালক), কমলেশ শইকীয়া আদিয়ে মহাবিদ্যালয়ৰ নাট্যানুষ্ঠানত অংশগ্ৰহণ কৰিছিল। ইয়াৰে কেইবাজনো আজিৰ তাৰিখত প্ৰতিষ্ঠিত নাট্যকৰ্মী। প্ৰয়াত নাট্যকাৰ আলি

হাইদৰদেৰৰ 'অহৈতুকী স্বদেশ-প্ৰীতি' নাটৰ উপস্থাপনা সেই সময়ৰ এক উল্লেখযোগ্য নাট্য প্ৰযোজনা। উল্লেখযোগ্য তেতিয়া নগাঁও মহাবিদ্যালয়ত অধ্যয়নৰত বিশিষ্ট গল্পকাৰ-সাংবাদিক মনোজ কুমাৰ গোস্বামীয়ে লিখি উলিয়াইছিল 'মই ক্লীৱ'ৰ দৰে উৎকৃষ্ট মানদণ্ডৰ একাংকিকা নাটক। আমাক সততে উৎসাহিত কৰিছিল কৌতুক অভিনেতা অধ্যাপক অৰুণ বৰ্মন চাৰ আৰু সংস্কৃত বিভাগৰ অধ্যাপক অভিনেতা গুণ শইকীয়াদেৰে।

আমাৰ সময়তে ঠিক পিছৰ শ্ৰেণীৰ এটি সবল নাট্যদলে নগাঁও মহাবিদ্যালয়ত নিজৰ অস্তিত্ব প্ৰতিপন্ন কৰিলে। নাট্যকাৰ বিৰিঞ্চি ভট্টাচাৰ্য্যৰ 'পথৰ মানচিত্ৰ' নাটকেৰে কলেজ সপ্তাহত শ্ৰেষ্ঠ নাট্যদলৰ সন্মান কাঢ়ি নিবলৈ সক্ষম হোৱা অভিনয়-শিল্পীসকল আছিল — প্ৰাণজিৎ গোস্বামী (বৰ্তমানে প্ৰতিষ্ঠিত অভিনেতা), মুকুট ৰঞ্জন শইকীয়া (বলিষ্ঠ অভিনেতা), জ্ঞানজ্যোতি শৰ্মা, নৱজিৎ মহন্ত, তপন বৰুৱা, সঞ্জীৱ মুদৈ, জ্যোতিৰ্ময় চক্ৰৱৰ্ত্তী (বিশিষ্ট কবি-লেখক) আৰু প্ৰয়াত পুষ্পেন্দ্ৰ কাকতি। নাৰী চৰিত্ৰত উৎপলা বৰুৱা।

৮০ দশকৰ প্ৰথমাৰ্ধত অধ্যয়নৰত অজিত বৰঠাকুৰে যদিও মহাবিদ্যালয়ত থকা অৱস্থাত ব্যক্তিগতভাৱে নাটক কৰা নাছিল, পিছৰ পৰ্যায়ত ১৯৮৮ চনৰপৰা ধাৰাবাহিকভাৱে মঞ্চ-সফল বহু একাংকিকা নাটকৰ ৰচনা তথা পৰিচালনাৰে নিজকে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হয়। বৰঠাকুৰৰ ৰচিত 'মহোৎসৱ' নাটক মঞ্চস্থ কৰি প্ৰয়াত বলিষ্ঠ অভিনেতা-পৰিচালক বিক্ৰম হাজৰিকা, ৰাজীৱ বৰা, ত্ৰিদিব শইকীয়া, আলোকজ্যোতি শইকীয়া (ভ্ৰাম্যমাণৰ বলিষ্ঠ অভিনেতা), ভাস্কৰ বৰা (বিশিষ্ট মঞ্চ তথা চলচ্চিত্ৰ অভিনেতা), শুক বৰকাকতী, তৃষা শইকীয়া, ৰশ্মি শৰ্মা আদিয়ে গুৱাহাটী বিশ্ববিদ্যলয়ৰ 'যুৱ মহোৎসৱ'ত শ্ৰেষ্ঠ দল, শ্ৰেষ্ঠ পৰিচালক, শ্ৰেষ্ঠ অভিনেতাকে ধৰি কেইবাটাও পুৰস্কাৰেৰে নগাঁও মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনে। উল্লেখযোগ্য যে এইসকলৰ সমসাময়িক ছাত্ৰ যতীন বৰা আজি অসমৰ আটাইতকৈ জনপ্ৰিয় মঞ্চ তথা চলচ্চিত্ৰ অভিনেতা। তদুপৰি পিংকু তামুলী, দিব্যজ্যোতি শইকীয়াই পাছলৈ কৌতুক অভিনেতা হিচাবে বিশেষকৈ 'টেটোন তামুলীৰ ভাওনা' আদিৰে যথেষ্ট জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হয়। ১৯৮৯ ৰপৰা ১৯৯৩ চনলৈকে নগাঁও মহাবিদ্যালয়ত ছাত্ৰ হিচাবে থকা মৃণাল কুমাৰ বৰা আজি ৰাজ্যিক তথা ৰাষ্ট্ৰীয় পৰ্যায়ত স্বীকৃত নাট্যকাৰ-পৰিচালক।

যতীন বৰা, বিক্ৰম হাজৰিকা আদিৰ কিছু আগতে নগাঁও মহাবিদ্যালয়ত এটি নাট্যদলৰ সবল আত্মপ্ৰকাশ ঘটিছিল। সদস্যসকল আছিল বিশিষ্ট ভূ-তত্ত্ববিদ জয়ন্ত কুমাৰ বৰুৱা, বৰ্তমান নগাঁও মহাবিদ্যালয়ৰ অধ্যাপক ধ্ৰুৱজ্যোতি বৰুৱা, মঞ্চ আৰু চলচ্চিত্ৰ জগতৰ বলিষ্ঠ অভিনেতা প্ৰয়াত আশীষ শইকীয়া, এসময়ৰ সু-অভিনেত্ৰী ইলোৱা শৰ্মা, এসময়ৰ জনপ্ৰিয় কৌতুক অভিনেতা ক্ষীৰোদ শৰ্মা, অভিনেত্ৰী ৰেছমিন চুলতানা আহমেদ (ইবি), প্ৰয়াত উত্তম বৰা (টুকু), সৌৰভ মহন্ত, ফৰিস্তা ইয়াছমিন, ধনঞ্জয় ভূঞা, সীমান্ত কুমাৰ কাশ্যপ, গীতুমণি ইত্যাদি। এওঁলোকৰ গাইড হিচাবে আছিল 'হস্তীৰ কন্যা' খ্যাত প্ৰবীণ হাজৰিকা আৰু অভিনেতা-পৰিচালক আমজাদ হুছেইন।

৮০ দশকৰ শেহাৰ্ধৰপৰা ৯০ দশকৰ আৰম্ভণিলৈ নগাঁও মহাবিদ্যালয়ত নাট্য-পৰম্পৰাক সজীৱ কৰি ৰাখিছিল বৰ্তমানৰ এগৰাকী চিন্তাশীল নাট্যকৰ্মী শংকৰজিৎ ভূঞা (বিপ্লৱজ্যোতি), পূৰ্ণানন্দ গোস্বামী, পদুম প্ৰসাদ শইকীয়া, মুৰুলী বৰুৱা, পৱিত্ৰ কলিতা (অভিনেতা-পৰিচালক), ৰুলী শৰ্মা, কল্পনা ডেকা আদিয়ে। এওঁলোকৰ সমসাময়িক আন এটা নাট্যদল 'ঈশ্বৰৰ সন্ধানত ছজন ডেকা ল'ৰা' নাটকেৰে পুৰস্কৃত হৈছিল। ছাত্ৰ-ছাত্ৰীসকল আছিল — অভিনেতা ৰঞ্জন তামুলী, তুৰা দূৰদৰ্শনত কৰ্মৰত

নৰজ্যোতি মহন্ত, গুৱাহাটী আই আই টিত কৰ্মৰত চিদানন্দ শৰ্মা, অভিনয় শিল্পী ৰবীন বৰদলৈ আৰু মেঘালী দেৱী।

৯০ দশকৰ দ্বিতীয়াৰ্ধত নাটকত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিল কেইজনমান নাট্যকৰ্মী ছাত্ৰ-ছাত্ৰীয়ে। পৰৱৰ্তী সময়ত প্ৰতিগৰাকীয়েই নাট্যজগতত প্ৰতিষ্ঠিত। সেইসকল হ'ল — প্ৰয়াত নাট্যকাৰ-পৰিচালক নৰেন বৰা, অভিনেতা মনোজ বৰদলৈ, মনীষ গোস্বামী, সৰু পৰ্দাৰ পৰিচালক ইন্দ্ৰমোহন দাস, বলিষ্ঠ অভিনেত্ৰী অশ্ৰুমণি বৰা ইত্যাদি।

নগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ব্যৱস্থাপনাত আৰু সেই সময়ৰ মহাবিদ্যালয়ৰ অধ্যক্ষ প্ৰয়াত প্ৰদীপ শইকীয়াৰ তৎপৰতাত ১৯৯০ আৰু ১৯৯২ চনত দুখনকৈ ভাওনা অনুষ্ঠিত কৰা হৈছিল। ১৯৯০ চনত 'ৰাম-বিজয়' নাট মঞ্চস্থ কৰা হৈছিল। নাটখনি পৰিচালনা কৰিছিল নৰকুমাৰ মহন্তই। ড° গিৰিকান্ত গোস্বামী, অধ্যাপক গুণ শইকীয়া, নৰকুমাৰ মহন্ত, জিতেন শইকীয়া, প্ৰয়াত হেমন্ত বৰা, কবিন ভাগৱতী প্ৰমুখ্যে বহুকেইগৰাকী শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীয়ে অভিনয় কৰিছিল। ইয়াৰোপৰি সেই ভাওনাখনত অমৰজিৎ গোস্বামী, লুলু চৌধুৰী, অবিনাশ ৰায়, হিৰণ্য মহন্ত, ধ্ৰুৱ চক্ৰৱৰ্ত্তী, গৌৰাংগ ৰায়, প্ৰাৰ্থনা গায়ন, ৰীতা মিশ্ৰ, ৰশ্মি শৰ্মা, সোণজিৰা হাজৰিকা আদি বিভিন্নজন শিক্ষাৰ্থীয়ে অভিনয় কৰি ভাওনাখন সাফল্যমণ্ডিত কৰিছিল। সেই বৰ্ষত নগাঁও মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক আছিল অমৰজিৎ গোস্বামী। ভাওনাখন সুকলমে অনুষ্ঠিত কৰাত সকলো দিশৰপৰা সহায় কৰিছিল সেইসময়ৰ ছাত্ৰ দীপমণি বৰাই।

১৯৯২ চনত পুনৰবাৰ 'দক্ষ-যজ্ঞ' নাট মঞ্চস্থ কৰা হৈছিল। ১৯৯২ চনত নগাঁও মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক আছিল দীপু হাজৰিকা। দক্ষ-যজ্ঞ ভাওনাখনৰ মূল ভূমিকা দক্ষৰ ভাও কৰিছিল অধ্যাপক নৰকুমাৰ মহন্ত আৰু শিৱৰ ভাও কৰিছিল অধ্যাপক গুণ শইকীয়াই। ইয়াৰোপৰি ভাওনাখনৰ আন আন ভূমিকাত ভাও দিয়াসকলৰ ভিতৰত ৰুলী শৰ্মা, কৃষ্ণ বৰা, নৰজ্যোতি শইকীয়া, ৰাজীৱ বৰা, ধ্ৰুৱ শইকীয়া, শৈলেন শৰ্মা, সেইসময়ৰ কেণ্টিনৰ মেনেজাৰ আদি উল্লেখনীয়। কচলুখোৱাৰ দুগৰাকী গায়ন-বায়নে নচুৱাইছিল আৰু মৰিগাঁও জিলাৰ দলৈচুবা কালশিলা সত্ৰৰ গায়ন-বায়নে ভাওনাখনত খোল-তাল সংগত কৰিছিল। সূত্ৰধাৰ আছিল দলৈচুবা কালশিলা সত্ৰৰে। ভাওনা পৰিচালনা কৰিছিল নৰকুমাৰ মহন্ত আৰু গুণ শইকীয়াই। দুয়োখন ভাওনাৰ স্মৃতি আজিও সজীৱ হৈ আছে।

একবিংশ শতিকাৰ আৰম্ভণিৰপৰা আজিকোপতি নগাঁও মহাবিদ্যালয়ত নাটক কৰাৰ পৰম্পৰা অব্যাহত আছে। কেতিয়াবা খুবেই উজ্জ্বল অথবা কেতিয়াবা স্মিত। এই শতিকাৰ আৰম্ভণিতে অধ্যয়নৰত ছাহিদুল হকে গুৱাহাটী বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱৰ (২০০৫-০৬) নাট প্ৰতিযোগিতাত শ্ৰেষ্ঠ অভিনেতা আৰু কাকলি শইকীয়া নামৰ ছাত্ৰী গৰাকীয়েও শ্ৰেষ্ঠ অভিনেত্ৰী হোৱাৰ গৌৰৱ অৰ্জন কৰিছিল। নাটকখনৰ নাম আছিল 'অৱশেষত কি হ'ল!'। শ্ৰেষ্ঠদলৰ সন্মান অৰ্জন কৰা নাট্যদলটিৰ অন্যান্য সদস্যসকল আছিল — জিতু শইকীয়া, দিব্যজ্যোতি গোস্বামী ইত্যাদি। ছাহিদুলে পাছত নাটককে পেছা হিচাবে লৈ হিমাচল প্ৰদেশৰ N.S.D.ৰ স্বীকৃত নাট্যবিদ্যালয়ৰপৰা সুখ্যাতিৰে উত্তীৰ্ণ হৈ বৰ্তমানে নতুন দিল্লীৰ ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ 'Theatre in Education' বিভাগত কৰ্মৰত। এওঁলোকৰ কিছু আগত নগাঁও মহাবিদ্যালয়ত পঢ়া জ্যোতিপ্ৰসাদ ভূঞাই পাছলৈ নিজকে অভিনেতা-পৰিচালক হিচাপে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হয়। অলপতে তেওঁৰ নিজস্ব অভিযোজনা তথা পৰিকল্পনাৰে কলেজৰ বৰ্তমানৰ অসমীয়া বিভাগৰ অধ্যাপিকা কল্পনা হাজৰিকা গায়নৰ 'গোন্ধ' গল্পটিৰ

সুন্দৰ নাট্য উপস্থাপনা আগবঢ়ায়।

২০০৭-০৮ বৰ্ষত নগাঁও মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ নাট্যদলটিৰ সদস্যসকল আছিল— ৰিণ্টু বৰা, ভৰত কলিতা, অৰূপ কুমাৰ বৰা, ৰত্নপ্ৰাণ শইকীয়া, মুস্তাক হাছান সৰকাৰ, মানস দাস, নিবেদিতা গায়ন আৰু যুতিকা বৰা।

২০০৮-০৯ বৰ্ষত মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ অভিনেতা আছিল বৰ্তমান এগৰাকী সক্ৰিয় নাট্যকৰ্মী, সুনিপুণ মঞ্চ-সজ্জাকৰ শোণিত কুমাৰ বৰা। সেই একেই বৰ্ষতে নৱজ্যোতি বৰাৰ 'এ ভৰ গহন বন' মঞ্চস্থ কৰি নগাঁও মহাবিদ্যালয়ৰ নাট্যদলটিয়ে আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱৰ নাট প্ৰতিযোগিতাত ২য় শ্ৰেষ্ঠ দল, অভিজিৎ বৰাই ২য় শ্ৰেষ্ঠ অভিনেতা, শোণিত কুমাৰ বৰাই শ্ৰেষ্ঠ সহ-অভিনেতা, ভৰত কলিতা আৰু মনময়ূৰী মেধিয়ে বিচাৰকৰ বিশেষ পুৰস্কাৰ লাভ কৰে। নাটকৰ পৰিচালনা আছিল অৰূপ কুমাৰ বৰাৰ। তদুপৰি ব্যংগ নাটক শিতানত দলটিয়ে ৩য় শ্ৰেষ্ঠ দলৰ সন্মান অৰ্জন কৰে। দলৰ অন্যান্য সদস্যসকল হ'ল বৰ্তমানৰ এখনি জনপ্ৰিয় দূৰদৰ্শনৰ ধাৰাবাহিক 'বেহাৰবাৰী আউটপ'ষ্ট'ৰ অভিনেতা তথা কেইটামান খণ্ডৰ ৰচনা কৰা নাট্যকাৰ ৰিণ্টু বৰা, সেই একেই ধাৰাবাহিকৰ 'মোহন' খ্যাত দীপজ্যোতি কেওট (নাটকখনৰ সংগীত পৰিচালনা) আৰু দীপজ্যোতি বৰা।

২০১১-১২ বৰ্ষত নগাঁও মহাবিদ্যালয়ক প্ৰতিনিধিত্ব কৰি শ্ৰেষ্ঠ পৰিচালক তথা শ্ৰেষ্ঠ সহ-অভিনেতাৰ সন্মান অৰ্জন কৰিছিল বৰ্তমান অসমৰ এগৰাকী জনপ্ৰিয় কৌতুক অভিনেতা হিৰু কাশ্যপে। ২০১২-১৩ চনৰ মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ অভিনেতা আছিল বৰ্তমানেও অভিনয় প্ৰতিভা অব্যাহত ৰখা হিৰকজ্যোতি বৰা, শ্ৰেষ্ঠ অভিনেত্ৰী সুকন্যা কৌশিক আৰু শ্ৰেষ্ঠ সহ-অভিনেত্ৰী আছিল স্বৰগম মেধি।

উল্লেখযোগ্য যে বৰ্তমান নগাঁও মহাবিদ্যালয়ৰ সংস্কৃতিৱান অধ্যক্ষ ড° শৰৎ বৰকটকীৰ একক প্ৰচেষ্টাত এই লেখক আৰু N.S.D.ত কৰ্মৰত প্ৰাক্তন ছাত্ৰ ছাহিদুল হকৰ তত্ত্বাৱধানত ২০ দিনীয়া এটি নাট-কৰ্মশালা ২০১৪ চনৰ গ্ৰীষ্মবন্ধত অনুষ্ঠিত কৰা হয়। অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰীসকল আছিল — অদিতি ভূঞা, বৰষা খাটনিয়াৰ, চিন্তামণি বৰা, হিৰকজ্যোতি বৰা, হিমাশ্ৰী শইকীয়া, নিতুমণি দেৱী, সুমিত দাস, শিখা দাস, গোবিন টক্‌বি, ঐশিক কাশ্যপ, ৰঞ্জন, বন্তি দাস, বিশ্বজ্যোতি ইত্যাদি। কৰ্মশালাৰ অন্তত ছাহিদুল হকৰ পৰিচালনাৰে ছাত্ৰ-ছাত্ৰীসকলে সুন্দৰ উপস্থাপনেৰে দৰ্শকক মোহিত কৰে 'ৰং' আৰু 'বুঢ়ী আইতা' নাট দুখনিৰে।

ঠিক একেদৰেই ২০১৭ চনতো ৰাষ্ট্ৰীয় নাট্যবিদ্যালয়, চিকিম শাখাৰ অধীনত প্ৰশিক্ষণপ্ৰাপ্ত অঞ্জন বৰাৰ তত্ত্বাৱধানত পুনৰ এটি নাট্য-কৰ্মশালা অনুষ্ঠিত কৰা হয়। অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰীসকল হ'ল — গৌৰাংগ বৰা, ধ্ৰুৱজ্যোতি দাস, অৰ্চনা বৰা, দিপাংকৰ দাস, বিৰিণা গোস্বামী, ছন্দামিতা শইকীয়া, অংকুৰ বৰা, জ্যোস্তিনা গোহাঁই আদি। কৰ্মশালাৰ অন্তত তেওঁলোকে সফলতাৰে মঞ্চস্থ কৰে প্ৰাক্তন ছাত্ৰ মৃণাল কুমাৰ বৰাৰ ৰচিত নাট 'হাঁহিৰ আঁৰৰ বাঁহী'।

সেইখিনি সময়ৰপৰা বৰ্তমানলৈকে যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে নাটকত অংশগ্ৰহণ কৰা দেখা গৈছে। হিৰকজ্যোতি বৰা, হিৰক বৰা, বিকাশ বেজবৰুৱা (এবাৰ শ্ৰেষ্ঠ সহ-অভিনেতা আৰু আনবাৰ শ্ৰেষ্ঠ অভিনেতা), নীলাঞ্জনা দাস (নিজে ৰচনা কৰা নাটৰ উপস্থাপন), চন্দ্ৰালী শৰ্মা (শ্ৰেষ্ঠ অভিনেত্ৰী), গৌৰাংগ বৰা (শ্ৰেষ্ঠ অভিনেতা, বৰ্তমানেও নাট্যৰচনা আৰু অভিনয়ত ব্যস্ত), ভাস্কৰ কলিতা, অম্লানদ্বীপ শইকীয়া, ধ্ৰুৱজ্যোতি বৰা, জ্যোতিস্মান বৰা, অংগৰাগ চাণ্ডিল্য, যুতৃষ্ণা গোহাঁই, চন্দ্ৰামিতা শইকীয়া, জ্যোতিস্মিতা বৰা, হিৰক বৰা, যতীন বৰা, পৱন কুমাৰ বৰা, অৰ্চনা বৰা, মনোজ শৰ্মা ইত্যাদি।

এই খিনিতে উল্লেখযোগ্য যে নগাঁও মহাবিদ্যালয়ত পঢ়ি থকা অৱস্থাত নাটকৰ লগত

সক্ৰিয়ভাৱে জড়িত নাথাকিলেও পাছৰ পৰ্যায়ত নাট্যক্ষেত্ৰত বহুকেইজন প্ৰাক্তন ছাত্ৰ সক্ৰিয়ভাৱে জড়িত হৈ আছে। তেনে দুই-একৰ কথা আগতে উল্লেখ কৰি আহিছো। এইসকলৰ উপৰি বিশিষ্ট তবলাবাদক মুনীন গোস্বামী (সম্প্ৰতি নাট্যকাৰ-পৰিচালক হিচাবে প্ৰতিষ্ঠিত), দেৱজিৎ ভূঞা, মুকুল প্ৰসাদ বৰঠাকুৰ, বিজিত নাথ, ধনঞ্জয় বৰদলৈ, যুগল হাজৰিকা, অশোক সিং, সঞ্জীৱ মিশ্ৰ, প্ৰণৱ বৰুৱা, পুলক মণি বৰা আদি সক্ৰিয় নাট্যকৰ্মী তথা অভিনেতা। লগতে হীৰকজ্যোতি দাস বৰ্তমানে গুৱাহাটী শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত কৰ্মৰত হৈ সক্ৰিয়ভাৱে নাট্যচৰ্চা অব্যাহত ৰাখিছে।

বৰ্তমান সময়ত নাটকৰ গুৰুত্ব যথেষ্ট বৃদ্ধি পাইছে। বিভিন্ন বিশ্ববিদ্যালয়ে নাট্য বিষয়ক 'Performing Art'ৰ অন্তৰ্ভুক্ত কৰিছে। গুৱাহাটী বিশ্ববিদ্যালয়ে ইতিমধ্যে B.Ed. পাঠ্যক্ৰমত ইয়াক Compulsory বিষয় হিচাবে অন্তৰ্ভুক্ত কৰিছে। সেয়ে নগাঁও মহাবিদ্যালয়তো 'নাট্য' বিষয়ক পাঠ্যক্ৰমৰ অন্তৰ্ভুক্তিৰে নিয়মিত চৰ্চা কৰিব পাৰি নেকি, সেয়া সংশ্লিষ্ট কৰ্তৃপক্ষৰ দৃষ্টিগোচৰ কৰিলো।

পুনৰ দোহাৰিছো আমাৰ এই লেখা কোনো বিস্তৃত ইতিহাস নহয়। সেয়ে তথ্য তথা যোগাযোগৰ অভাৱত বহুতৰে নাম বাদ পৰি যোৱাটো নুই কৰিব নোৱাৰি। সেইসকলৰ ওচৰত আমি ক্ষমাপ্ৰাৰ্থী।

বিঃ দ্ৰঃ - যিসকল সদাশয় ব্যক্তি তথা বন্ধু-বান্ধৱে তথ্য আদি যোগান ধৰিলে সেইসকলৰ ওচৰত আমি চিৰকৃতজ্ঞ।❑

লেখক - প্ৰাক্তন ছাত্ৰ, নাট্যকাৰ তথা বিশিষ্ট নাট্যকৰ্মী।

# সমাজ-সাহিত্য-ইতিহাস আৰু অন্যান্য প্ৰসঙ্গ

# ভৱিষ্যতৰ দৃষ্টিৰে শিক্ষা

**ড° নগেন শইকীয়া**

**।। এক ।।**

প্ৰাচীন ভাৰতবৰ্ষত বিশুদ্ধ জ্ঞানৰ শিক্ষাক দুভাগত বিভক্ত কৰা হৈছিল— পৰাবিদ্যা আৰু অপৰাবিদ্যা। পৰাবিদ্যাৰ লক্ষ্য আছিল ব্ৰহ্মজ্ঞান দিয়া; অপৰাবিদ্যাৰ লক্ষ্য বেদাঙ্গৰ জ্ঞান দিয়া। বেদাঙ্গৰ সংখ্যা হ'ল ছটা-শিক্ষা, কল্প, ব্যাকৰণ, ছন্দ, নিৰুক্ত আৰু জ্যোতিষ। গুৰুগৃহত থাকি শিষ্যই এই দুয়োবিধৰ জ্ঞান লাভ কৰিবৰ বাবে অধ্যয়ন কৰিবলগীয়া হৈছিল। এই শিক্ষাৰ লগত জীৱন-যাপনৰ বাবে প্ৰয়োজনীয় কাৰিকৰী বিদ্যাৰ শিক্ষা বা বৃত্তিমুখী শিক্ষাৰ কোনো সম্পৰ্ক নাছিল। ইয়াৰ অৰ্থ এইটো নহয় যে প্ৰাচীন ভাৰতবৰ্ষত কাৰিকৰী বিদ্যাৰ চৰ্চা আৰু অনুশীলন হোৱা নাছিল। বৰং ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত মাটিৰ ওপৰত থিয় হৈ থকা আৰু মাটিৰ তলত পোত গৈ থকা মন্দিৰ, প্ৰসাদ, দুৰ্গ, অজস্ৰ ভাস্কৰ্য বহু হাজাৰ বছৰৰ আগতে অজন্তা, ইলোৰা, ভীমবাটিকা আদিৰ গুহাত অংকিত চিত্ৰাৱলী, বিভিন্ন ঠাইত খনন কাৰ্যৰ যোগেদি লাভ কৰা পোৰা মাটি আৰু শিলৰ বিভিন্ন সঁজুলি এইবিলাকে এক উন্নত কাৰিকৰী বিদ্যাৰ অৱস্থিতিৰ কথা ঘোষণা কৰি আহিছে। বিভিন্ন বৃত্তিজীৱী একো একোটা ফৈদ প্ৰায় সকলো অঞ্চলতে গঢ় লৈ উঠিছিল। বংশানুক্ৰমিকভাৱে এনে বৃত্তিজীৱীসকলে মানুহৰ প্ৰয়োজন পূৰ্ণ কৰিবৰ বাবে কাম কৰি আহিছিল। এনেবোৰ বৃত্তিৰ বাবে আনুষ্ঠানিক কোনো শিক্ষা দানৰ ব্যৱস্থা নাথাকিলেও প্ৰতিটো বিদ্যাৰ অভিজ্ঞ বিশেষজ্ঞই তেওঁৰ গোটৰ লোকসকলক পাৰ্গত কৰি তুলিবলৈ শিক্ষা দিছিল। ভাৰতবৰ্ষত চৌষষ্ঠি কলাৰ কথা কওঁতে বিভিন্ন প্ৰকাৰৰ কাৰিকৰী আৰু জীৱিকাৰ লগত জড়িত বিষয়ৰ পদ্ধতিসমূহকো সামৰি লোৱা হৈছিল। হালবোৱা, গুটি সিঁচা, সূতা কটা, কাপোৰ বোৱা, মাছ ধৰা, চিকাৰ কৰা, ঘৰ সজা, ঘৰ সজোৱা, খাদ্য প্ৰস্তুত কৰা, বিভিন্ন প্ৰকাৰৰ সঁজুলি তৈয়াৰ কৰা, অলংকাৰ নিৰ্মাণ কৰা আদি সকলো কামেই চৌষষ্ঠি কলাৰ ভিতৰত অন্তৰ্ভুক্ত হৈছিল। তাৰে কিছু কাম আছিল বৃত্তিমুখী, কিছু কাম আছিল নিজৰ প্ৰয়োজন নিজে পূৰণ কৰিব পৰাকৈ লাভ কৰা শিক্ষাৰ ফল। ভাৰতবৰ্ষত বৃত্তিজীৱীসকলে একো একোটা সম্প্ৰদায় স্বৰূপে চিহ্নিত হৈছিল। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে বেদাধ্যয়নৰ অধিকাৰ থকা ব্ৰাহ্মণসকলে শাৰীৰিক পৰিশ্ৰম কৰিবলগীয়া নহৈছিল। পৰৱৰ্তী কালত এনে এটা ভ্ৰান্ত সামাজিক ধাৰণাৰ সৃষ্টি হ'ল যে শাৰীৰিক পৰিশ্ৰম কৰিবলগীয়া নোহোৱাটোৱে সামাজিক স্তৰৰ উচ্চতাও নিৰ্দেশ কৰে। ইয়াৰ ফলস্বৰূপে বৃত্তিজীৱী সম্প্ৰদায়সমূহৰ স্থান নিম্নস্তৰত ধাৰ্য হ'বলৈ ধৰিলে। কিন্তু, মানুহে নিজৰ প্ৰয়োজনত আৰু সমাজৰ প্ৰয়োজনত শ্ৰমনিৰ্ভৰ বৃত্তিমুখী শিক্ষা পৰম্পৰাগতভাৱে গ্ৰহণ কৰি আহিছিল। এতিয়াও তেনে অনানুষ্ঠানিক বৃত্তিমুখী শিক্ষা লোকজীৱনত চলি আছে।

**।। দুই ।।**

ভাৰতবৰ্ষত শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্যৰ আমূল পৰিৱৰ্তন ঘটে ব্ৰিটিছে ভাৰত অধিকাৰ কৰাৰ

পিছত। ব্ৰিটিছ্ শক্তিৰ আগমনৰ লগে লগে খ্ৰীষ্টান ধৰ্ম প্ৰচাৰ কৰিবৰ বাবে মিছনেৰীসকলৰ আগমন ঘটিল। মিছনেৰীসকলে ধৰ্ম প্ৰচাৰৰ সুবিধাৰ্থে প্ৰত্যেক ৰাজ্যৰ স্থানীয় ভাষা শিকি লৈছিল। তদুপৰি ধৰ্ম প্ৰচাৰৰ উপৰি সাধাৰণ জ্ঞান আৰু পশ্চিমত আৱিষ্কৃত বিজ্ঞানৰ বিভিন্ন জ্ঞান দিবৰ বাবেও তেওঁবিলাকে যত্ন কৰিছিল। একপ্ৰকাৰ ক'বলৈ গ'লে ধৰ্ম প্ৰচাৰ কৰিবলৈ আহিও তেওঁবিলাকে ধৰ্ম নিৰপেক্ষ বিষয়ৰ জ্ঞান দিবৰ বাবেও পথ মুকলি কৰিছিল। কিন্তু তেওঁবিলাকৰ শিক্ষাৰ মাজতো কাৰিকৰী শিক্ষা দানৰ কোনো কাৰ্যসূচী নাছিল।

শাসক ব্ৰিটিছসকলৰ শিক্ষানীতি আছিল সম্পূৰ্ণৰূপে ঔপনিবেশিক শিক্ষানীতি। এইক্ষেত্ৰত Lord Macaulayৰ মন্তব্যই শিক্ষানীতিৰ প্ৰকৃত চৰিত্ৰটো দাঙি ধৰিছে। তেওঁ কৈছিল— "We must at present do our best to form a class who may be interpreters between us and the millions whom we govern; a class of persons, Indian in blood and colour, but English in tastes, in opinions, in morals and in intellect." এতেকে ব্ৰিটিছৰ এটা মধ্যজীৱী শ্ৰেণী সৃষ্টি কৰাৰ ঠেক আৰু সীমাবদ্ধ লক্ষ্য অতিক্ৰম কৰাৰ কোনো চেষ্টা নাছিল। ১৮৫৪ খ্ৰীষ্টাব্দত Sir Charles Woodৰ টোকাটোৱে ব্ৰিটিছ শাসকৰ শিক্ষানীতিৰ পূৰ্বঘোষিত লক্ষ্য আৰু অধিক স্পষ্ট কৰি তোলে। তেওঁ চৰকাৰক এইবুলিও পৰামৰ্শ দিছিল যে প্ৰাথমিক স্তৰৰপৰা বিশ্ববিদ্যালয়ৰ স্তৰলৈকে এটা সঠিকভাৱে নিৰূপিত শিক্ষা পদ্ধতি প্ৰয়োগ কৰিব লাগে। অৱশ্যেই ইয়াৰ উদ্দেশ্য উচ্চস্তৰৰ বৌদ্ধিক যোগ্যতাসম্পন্ন মানুহ সৃষ্টি কৰা নহয়, বৰং চৰকাৰক আৱশ্যকীয় সেৱা দিবলৈ নৈতিক শক্তি উন্নত কৰাৰ উদ্দেশ্যহে চকুৰ আগত ৰাখিব লাগে। বিষয়ৰ শিক্ষাও দিব লাগে। এতেকে এই ঔপনিৱেশিক দৃষ্টিভংগীৰে প্ৰস্তুত কৰা শিক্ষা-নীতিৰ আঁৰত মানৱ সম্পদ বিকাশৰ যোগেদি দেশৰ সামগ্ৰিক বিকাশৰ উপায় উলিওৱা নাছিল; বৰং ভাৰতীয় মানুহক তেনে শিক্ষাহে দিয়াৰ সিদ্ধান্ত কৰা হৈছিল যাৰ দ্বাৰা ইংলেণ্ডৰ স্বাৰ্থ পূৰণ হয়। এনে শিক্ষাৰে উচ্চ স্তৰৰ শিক্ষা গ্ৰহণ কৰা ভাৰতীয়সকলৰ মাজৰপৰা ওলাই অহা মেধাৱী ছাত্ৰসকলৰ একাংশই নিজৰ স্বতন্ত্ৰ পথ উলিয়াই ল'বলৈ সক্ষম হ'লেও সেইটো সকলোৰে বাবে সম্ভৱ নাছিল। এচাম উচ্চশিক্ষিতই আনকি ব্ৰিটিছসকলে ইংলেণ্ডৰ কথা কওঁতে "Home" বুলি উল্লেখ কৰাৰ অনুকৰণ কৰি তেওঁবিলাকেও বিলাতক "Home" বুলি কৈছিল। ব্ৰিটিছৰ শিক্ষানীতিয়ে কেনেকৈ দাসত্বৰ মনোভাব মজ্জাগত কৰি তুলিছিল তাৰ পৰিচয় এনেবোৰ সৰু-সুৰা বিষয়ৰ মাজতো ফুটি উঠিছিল। তদুপৰি ভাৰতীয় মানুহৰ মনত নিজৰ মাতৃভাষাতকৈ ইংৰাজী ভাষাৰ মৰ্যাদা অধিক, এই মনোভাবো এনেভাৱে সুমুৱাই দিলে যে সকলো বিষয়তে ইংৰাজী ব্যৱহাৰ কৰাটো সম্ভ্ৰান্ত ৰুচিৰ পৰিচায়ক বুলি ভাবিছিল। এই কথাও প্ৰণিধানযোগ্য যে বৃত্তিজীৱী অথবা শ্ৰমজীৱী মানুহৰ প্ৰতি মৰ্যাদা পোষণ নকৰা যিটো মনোভাব প্ৰাচীন ভাৰতবৰ্ষত গঢ় লৈ উঠিছিল সেই মনোভাব ব্ৰিটিছ ভাৰতবৰ্ষত অধিক সুদৃঢ় হৈ পৰে। এনেকৈয়ে সমগ্ৰ ভাৰতবৰ্ষ এটা ঔপনিৱেশিক শিক্ষানীতিৰ দ্বাৰা পৰিচালিত তথা নিয়ন্ত্ৰিত হৈ আহিল। বিষয়ৰ বিশুদ্ধ জ্ঞানৰ বাহিৰে বৃত্তিমুখী জ্ঞানৰ প্ৰতি আৰু ব্যৱহাৰিক তথা প্ৰায়োগিক শিক্ষাৰ প্ৰতি গঢ় লৈ উঠিবলগীয়া মৰ্যাদাৰ ভাবো গঢ় লৈ নুঠিল।

**।। তিনি।।**

স্বাধীনতা লাভৰ পিছতো ভাৰতীয় শিক্ষানীতি সম্পূৰ্ণকৈ ব্ৰিটিছ শিক্ষানীতিৰ প্ৰভাৱৰপৰা আঁতৰি আহিব পৰা নাছিল। গান্ধীজীয়ে স্বাধীনতা লাভৰ আগতেই শিক্ষা-নীতিৰ পৰিৱৰ্তনৰ কথা কৈছিল। তেওঁৰ 'নয়ী তালিম' আছিল হাতে-কামে শিক্ষা গ্ৰহণৰ পদ্ধতি। স্বাধীনতা লাভৰ পিছত প্ৰাথমিক স্তৰত

গ্ৰহণ আৰু প্ৰয়োগ কৰিবলৈ যত্ন কৰা বুনিয়াদী শিক্ষা-পদ্ধতিৰো অকাল মৃত্যু ঘটিল। এই পদ্ধতিৰ মৰ্মাৰ্থ শিক্ষক, অভিভাৱক তথা বিষয়া আৰু ৰাজনীতিসকলেও অনুধাৱন কৰিব নোৱৰাত ভাৰতবৰ্ষৰ মানুহৰ মনত ব্ৰিটিছে সুমুৱাই দিয়া 'White Colour Job'ৰ প্ৰতি আকৰ্ষণ স্বাধীনতা লাভৰ পিছতো নকমিল; বৰং কোনো কোনো ক্ষেত্ৰত বাঢ়িল। ফলত স্বাধীনতা লাভৰ পিছত শিক্ষা-নীতিৰ সংস্কাৰ সাধন কৰিবলৈ আৰু পৰিৱৰ্তন ঘটাবলৈ গঠন কৰা কেইবাটাও আয়োগৰ পৰামৰ্শৱলীৰ প্ৰয়োগো সৰহ ক্ষেত্ৰত কাৰ্যকৰী হৈ নুঠিল। সন্দেহ নাই লাহে লাহে ভাৰতবৰ্ষত অনেক কাৰিকৰী শিক্ষানুষ্ঠান গঢ়ি তোলা হৈছে। বেলেগ বেলেগ স্তৰৰ আৰু বেলেগ বেলেগ বিষয়ৰ এই শিক্ষানুষ্ঠান বিলাকৰপৰা ওলোৱা লাখ লাখ যুৱক-যুৱতীয়ে কৰ্মসংস্থাপন লাভ কৰিছে, আৰ্থিকভাৱে স্বচ্ছল হৈছে। বৃত্তিগতভাৱে নিজক প্ৰতিষ্ঠা কৰাৰ অনেকৰ স্বপ্ন ফলিয়াইছে বুলি তেওঁবিলাক প্ৰত্যয়ো গৈছে। কিন্তু গৰিষ্ঠসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে বৰ্তমানৰ সাধাৰণ শিক্ষা লাভ কৰাৰ পিছত জীৱিকা অৰ্জনৰ কোনো বাট বিচাৰি নাপাই হতাশ হৈছে। তাৰ প্ৰধান কাৰণ আমাৰ বৰ্তমানৰ শিক্ষা ব্যৱস্থা আৰু পাঠ্যক্ৰম কাগজে-কলমে নতুন হ'লেও ই এতিয়াও ঔপনিৱেশিক শিক্ষা-নীতিয়ে সুমুৱাই থৈ যোৱা বীজাণুৰপৰা মুক্ত হ'ব পৰা নাই। এতেকে সাধাৰণ শিক্ষা, আনকি কাৰিকৰী শিক্ষা লাভ কৰা ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতীয়ে লঘু শ্ৰমৰ চাকৰি বিচাৰি হাবাথুৰি খায়। আমাৰ শিক্ষা-নীতি আৰু শিক্ষা-পদ্ধতিয়ে তেওঁবিলাকৰ চকুৰ আগত লক্ষ্য আৰু আদৰ্শ দাঙি ধৰিব পৰা নাই। প্ৰমাণ-পত্ৰ এখন দিয়াৰ পিছত আমাৰ শিক্ষা ব্যৱস্থাই নিজে দায়মুক্ত হোৱা বুলি ভাবি আহিছে। চকুৰ আগত যদি এটা লক্ষ্য আৰু আদৰ্শ নাথাকে, আগবাঢ়ি যোৱাৰ পথ বিচাৰি পোৱা আৰু বিচাৰি লোৱা সম্ভৱ নহয়। লক্ষ্য আৰু আদৰ্শৰ বাট পাঠ্যক্ৰমে দেখুৱাই দিব লাগিব। লঘু শ্ৰম নাইবা শ্ৰমহীন কামৰ প্ৰতি থকা আগ্ৰহ পৰিকল্পিত পাঠ্যক্ৰমেৰেই কমোৱাৰ ব্যৱস্থা কৰিব পাৰিব লাগিব। তাৰ বাবে প্ৰতিটো বিষয়ৰ প্ৰায়োগিক শিক্ষা দিয়া ব্যৱস্থা উচ্চ স্তৰলৈকে ক্ৰমাৎ বৃদ্ধি কৰি গৈ থাকিব লাগিব। প্ৰশ্ন হ'ব পাৰে, কলা বিষয়ক পাঠ্যক্ৰমত প্ৰায়োগিক শিক্ষা কেনেকৈ দিয়া হ'ব? যিদৰে বিজ্ঞান-বিষয়ৰ ক্ষেত্ৰত বিজ্ঞানাগাৰত পৰীক্ষা কৰাৰ সুযোগ দিয়া হয়, কলা বিষয়ৰ ক্ষেত্ৰতো কেৱল পৰীক্ষাত উত্তীৰ্ণ হ'বলৈ প্ৰস্তুত কৰি দিয়া প্ৰশ্নাৱলীৰ উপৰি শিক্ষণীয় পাঠৰ ব্যৱহাৰিক দিশ য'ত আছে, তাত তাৰ প্ৰয়োগ কৰিব পৰা উপায় সহজেই উলিয়াব পৰা হয়।

।। চাৰি।।

এই সকলো কথা একপ্ৰকাৰ সাধাৰণীকৰণ কৰি কোৱা কথা। মানুহৰ সভ্যতাৰ দ্ৰুত পৰিৱৰ্তনৰ পটভূমিত সাধাৰণীকৰণৰপৰা প্ৰতিটো বিষয়ত বিশেষীকৰণলৈ যাব লাগিব। মানুহৰ নিৰলস অনুসন্ধানৰ সাধনাই সভ্যতাক প্ৰতি মুহূৰ্ততে নতুন আয়তন দান কৰিছে। উনবিংশ শতিকাৰপৰা বিজ্ঞানে লাভ কৰা অগ্ৰগতি তাৰ আগলৈকে অভাৱনীয় আছিল। জাৰ্মান বৈজ্ঞানিক মেক্স প্লাংক (১৮৭১-১৯৪৭), আপেক্ষিকতাবাদৰ প্ৰতিষ্ঠাপক এলবাৰ্ট আইনষ্টাইন (১৮৭৯-১৯৯৫), ৱাৰ্নাৰ হাইজেন বাৰ্গ (১৯০১-১৯৭৬), জেমছ ক্লাৰ্ক মেক্সৱেল (১৮৩১-১৮৭৯), ইলেকট্ৰনিকৰ আৱিষ্কৰ্তা জে. টমছন (১৮৯৭-১৯৪০), ৰিচাৰ্ড ফাইনমেন (১৯১৮-১৯৮৮) আৰু বৰ্তমান বিশ্বৰ সৰ্বাধিক আলোচিত বিজ্ঞানী ষ্টিফেন হকিং এইসকলৰ আৰু তেওঁবিলাকৰ অনুগামীসকলৰ নিৰলস সাধনাই পদাৰ্থ বিজ্ঞানক যি অভাৱনীয় মাত্ৰা দান কৰিছে, সি মানুহৰ সভ্যতাক এক দ্ৰুত পৰিৱৰ্তনৰ পথেদি আগবঢ়াই আনিলে। কেৱল অনুমান কৰিব পৰা ক্ষুদ্ৰাতিক্ষুদ্ৰ মৌলিক কণাৰ পৰা বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টি, স্থিতি আৰু লয়ৰ তত্ত্বলৈকে অনুসন্ধান আৰু ব্যাখ্যা কৰা বিজ্ঞান, আৰু বিজ্ঞানৰ

তত্ত্বৰ ভিত্তিত গঢ়ি তোলা প্ৰযুক্তি এই দুয়োটাই অতি কম সময়ৰ ভিতৰত মানুহৰ মনোজগতত আৰু সভ্যতাত এক অকল্পনীয় পৰিৱৰ্তন সাধন কৰিছে। বিশুদ্ধ জ্ঞান আৰু প্ৰযুক্তি এই দুয়োটাই হাতত ধৰাধৰিকৈ আগবাঢ়ি আহিছে। মানুহৰ মনৰ জগত বহল হৈছে, বাহিৰৰ জগত মানুহৰ বাবে সৰু হৈ আহিছে। তাৰ আধাৰত Global Village অৰ ধাৰণা গঢ় লৈ উঠিছে। যথাৰ্থতে জ্ঞানৰ যিদৰে বিস্ফোৰণ ঘটিছে, তেনেদৰে জ্ঞানৰ প্ৰয়োগেও এতিয়ালৈকে সৰ্বাধিক মাত্ৰা লাভ কৰিছে। ক্ষুদ্ৰতম প্ৰযুক্তি কৌশলৰ পৰা বৃহত্তম চালিকা যন্ত্ৰলৈকে প্ৰযুক্তিৰ আটাইবোৰ সমলে মানুহৰ বিশ্বক মানুহৰ বাবেই অবাক হৈ উঠিবলগীয়া ৰূপ দান কৰিছে। বিংশ শতিকাৰ বিখ্যাত ঐতিহাসিক আৰ্নল্ড টয়নবীৰ মানুহৰ সভ্যতাৰ ব্যাখ্যাত তেওঁ বিজ্ঞান আৰু প্ৰযুক্তি নিৰ্ভৰ পশ্চিমীয়া সভ্যতাৰ সৰ্বগ্ৰাসী প্ৰভাৱৰ কথা উল্লেখ কৰিছে। তেওঁ ভৱিষ্যৎবাণী কৰিছিল যে এই সভ্যতাৰ লগত নিজকে খাপ খুৱাই আগবাঢ়ি নগ'লে সমৃদ্ধিশালী পুৰণি সভ্যতাও এদিন অৱলুপ্ত হ'বলৈ বাধ্য হ'ব। তেওঁৰ সেই ভৱিষ্যত বাণী এতিয়া আখৰে আখৰে ফলিয়াইছে। পশ্চিমৰ কথা নকওঁৱেই, এতিয়া আমাৰ দেশত আমি যিবোৰ প্ৰযুক্তি দৈনিক জীৱন-যাপনত ব্যৱহাৰ কৰিবলৈ লৈছোঁ, দহ বছৰৰ আগতে তেনেবোৰ প্ৰযুক্তিৰ অনেক আছিল আমাৰ বাবে সম্পূৰ্ণ অপৰিচিত। বিজ্ঞান আৰু প্ৰযুক্তিৰ এই অৱদানবিলাকৰ পিছফালে আছে মানুহৰ মস্তিষ্কৰ কৰ্ষণৰ যোগেদি বস্তু জগতৰ মাজত থকা বিভিন্ন উপাদানবোৰ বিচাৰি উলিওৱা, এই উপাদানবোৰৰ প্ৰকৃতি আৰু ক্ষমতা নিৰ্ধাৰণ কৰি সিহঁতৰ যোগেদি প্ৰয়োজনীয় নতুন উপাদান সৃষ্টিৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা। এক কথাত ক'বলৈ গ'লে ঔপনিৱেশিক যুগৰ ভাটৌৰ দৰে মুখস্থ কৰা শিক্ষাৰ প্ৰয়োজন কেতিয়াবাই শেষ হৈছে। এতিয়া বিশুদ্ধ জ্ঞান, কাৰিকৰী জ্ঞান, এই দুয়োৰে মাজত থকা পাৰ্থক্যও নাইকিয়া হৈছে। তাৰ লগত যোগ হৈছে বিশুদ্ধ জ্ঞান আৰু কাৰিকৰী জ্ঞানৰ সহায়ত মানুহৰ সভ্যতাক দ্ৰুত অগ্ৰগতি দিবৰ বাবে কেনেভাৱে প্ৰয়োগ কৰি নতুন কি উপাদান সৃষ্টি কৰিব পৰা হ'ব, তাৰ অন্বেষণৰ শিক্ষা। মানুহৰ ক্ষেত্ৰত আৰু জীৱ-জগত, জড়-জগতকে ধৰি সমগ্ৰ বিশ্বব্ৰহ্মাণ্ডৰ অজস্ৰ সৰু-বৰ বিষয়ত এতিয়া মানুহ নিৰন্তৰ অনুসন্ধানত ব্যস্ত; ব্যস্ত, এনে অনুসন্ধানৰপৰা লাভ কৰি ফল প্ৰয়োগৰ যোগেদি মানুহৰ সভ্যতাক নতুন মাত্ৰা দান কৰাত। সভ্যতাক নতুন মাত্ৰা দান কৰাটো এটা যান্ত্ৰিক প্ৰক্ৰিয়া নহয়, ই হ'ল মানুহৰ সাৰ্বিক বিকাশ আৰু মংগলৰ বাবে আগবঢ়াই নিয়া এটা মানৱীয় প্ৰক্ৰিয়া। এসময়ত মানুহে ভাবিছিল ঈশ্বৰে এই পৃথিৱীখন মানুহৰ বাসোপযোগী কৰি সৃষ্টি কৰিছে মানুহৰ মংগলৰ বাবে। আমাৰ কবি চন্দ্ৰকুমাৰ আগৰৱালাই লিখিছিল ঃ

"মানুহৰ প্ৰীতি সাধিবলৈ চোৱাঁ
বিশ্ব জগত কল্পনা,
আল ধৰিবলৈ সহস্ৰ প্ৰদীপ
আৰতিৰ ধূপ-ধূনা।
ফল ফুল জল চন্দন ভূষণ,
মলয়াৰ শীতলী বা,
মানুহ সন্তোষ হক বুলি চোৱাঁ
আছে যত লাগে যিবা।"

মানুহ এতিয়া সেই ভাবনা আৰু কল্পনাত সন্তুষ্ট হৈ থকা নাই। বৰং মানুহৰ মংগল সুখ আৰু আনন্দৰ বাবে, মানুহৰ জীৱন-যাপনৰ সুবিধা আহৰণৰ বাবে মানুহে নিৰন্তৰ প্ৰয়াস কৰিছে। তাৰ বাবে বিশ্বব্ৰহ্মাণ্ডক নতুনকৈ আৱিষ্কাৰ কৰিবলৈ যত্ন কৰিছে। মহাকাশ যাত্ৰাৰ দৰে কাৰ্যসূচীও এনে কল্পনা আৰু পৰিকল্পনাৰ অংশ। বিশ্বত আজি চাৰিওফালে জ্ঞান-বিজ্ঞান আৰু প্ৰযুক্তিৰ এনেভাৱে উৎকৰ্ষ সাধিত হৈছে আৰু প্ৰয়োগ নিৰ্ণীত হৈছে যে সাধাৰণ জ্ঞানেৰে ভাবিলে অবাক হ'বলগীয়া হয়। এই উৎকৰ্ষ সাধনে এতিয়া মানুহৰ সভ্যতাক অভাৱনীয় দ্ৰুততাৰে ক্ৰমাৎ সলনি কৰি গৈ

আছে। যদিও প্ৰকৃতিৰ ৰহস্য উদ্‌ঘাটন কৰাটো সৰ্বাংশে সম্ভৱ হ'ব বুলি কোনেও কল্পনা কৰিব নোৱাৰে, তথাপি প্ৰকৃতিৰ ৰহস্য উদ্‌ঘাটন কৰাৰ প্ৰয়াসেৰে আৰু প্ৰকৃতিক জয় কৰাৰ অবিৰাম যত্নেৰে মানুহে এটাৰ পিছত এটাকৈ সভ্যতাৰ সৌধ গঢ়ি তুলিছে। মানুহৰ জীৱনৰ আৰু জীৱন-যাপনৰ লগত জড়িত এনেকুৱা কোনো এটা ক্ষুদ্ৰতম বিষয় নাই যিটো নতুনকৈ আৱিষ্কাৰ, অধ্যয়ন আৰু বিশ্লেষণ কৰি তাক নতুন মাত্ৰা দিয়া নাই। তাৰ বাবে আনুষ্ঠানিক শিক্ষাৰ নতুন নতুন বিষয়ৰ পাঠ্যক্ৰম প্ৰস্তুত হৈছে, শিক্ষাদানৰ বাবে অজস্ৰ নতুন অনুষ্ঠান-প্ৰতিষ্ঠান মানুহে গঢ়ি তুলিছে আৰু নতুন যুগৰ উপযোগীকৈ মানুহৰ সৃষ্টিশীল প্ৰতিভাৰ বিকাশ সাধনৰ ক্ষেত্ৰ প্ৰস্তুত কৰি উলিয়াইছে। সমগ্ৰ বিশ্বজুৰি বিপুল জ্ঞান-যজ্ঞ চলিব লাগিছে। মানুহৰ সভ্যতাৰ এই পটভূমিতেই আমাৰ দেশৰ বিশেষকৈ অসমৰ দৰে ৰাজ্যৰ শিক্ষাৰ কথা গুৰুত্বসহকাৰে বিবেচনাযোগ্য।

**।। পাঁচ ।।**

আমাৰ ৰাজ্যখনৰ শিক্ষা-নীতি, শিক্ষা-ব্যৱস্থা, শিক্ষা-পদ্ধতি আৰু পাঠ্যক্ৰম সময়তকৈ কিমান পিছ পৰি আছে ভাবিলে দুঃশ্চিন্তাগ্ৰস্ত হ'বলগীয়া হয়। প্ৰাথমিক স্তৰৰপৰা বিশ্ববিদ্যালয়ৰ স্তৰলৈকে এতিয়াও ঔপনিৱেশিক পদ্ধতিৰ পুথিগত জ্ঞানৰ আধাৰতে আমাৰ শিক্ষা-নীতি বৰ্তি আছে। আমাৰ ৰাজহুৱা খণ্ডৰ বিশ্ববিদ্যালয়ৰ যিটো আন্তঃগাঁথনি সি এতিয়াও বাঞ্ছা কৰা মতে হৈ উঠা নাই। পাঠ্যক্ৰম আৰু পাঠ্যক্ৰমৰ লগত জড়িত আধুনিক শিক্ষাৰ বাবে গুৰুত্বপূৰ্ণভাৱে প্ৰয়োজনীয় সঁজুলিৰ কথা দূৰতে থাকক, ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ বাবে শ্ৰেণীকোঠাৰ আৱশ্যকীয় সঁজুলিও পৰ্যাপ্তভাৱে নাই। আৱশ্যকীয় ঘৰ-দুৱাৰ, পুথিভঁৰাল, বিজ্ঞানাগাৰ আদিৰ অভাৱ; আৰু থাকিলেও তাৰ প্ৰতিপালনৰ অভাৱৰ ফলত স্বাভাৱিকতেই অনাকৰ্ষণীয়, অসুবিধাজনক আৰু শিক্ষাদান আৰু গ্ৰহণত প্ৰতিবন্ধক স্বৰূপ। শিক্ষানুষ্ঠানসমূহ ঘৰ-দুৱাৰৰপৰা আৰম্ভ কৰি আৱশ্যকীয় সঁজুলিলৈকে সকলো সমলেৰে সম্পূৰ্ণ আৰু আকৰ্ষণীয় কৰি তোলাৰ প্ৰয়োজন আছে। প্ৰাথমিক স্তৰৰপৰা বিশ্ববিদ্যালয়ৰ স্তৰলৈকে সকলোতে এই ছবিখন দেখা পোৱা যায়। কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা পৰিচালিত অনুষ্ঠানবোৰ অৱশ্যে উন্নততৰ। আমাৰ দেশখনৰ ৰাজ্য চৰকাৰসমূহে বছৰেকীয়া বাজেটত শিক্ষাৰ বাবে ধাৰ্য কৰা ধনৰ পৰিমাণ দেখিলেই গম পোৱা যায় শিক্ষাৰ ক্ষেত্ৰখনক কিমান গুৰুত্ব প্ৰদান কৰা হয়। আমাৰ ৰাজ্যখনৰ কলেজসমূহৰ কথা নকওঁৱেই বিশ্ববিদ্যালয়ৰ বিভিন্ন বিভাগৰ বাবেও ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় গৱেষণা পত্ৰিকাসমূহ ক্ৰয় কৰিবলৈ ধনৰ অভাৱ। গুৰুত্বপূৰ্ণ গৱেষণাৰ ফলসমূহৰ লগত অবিৰতভাৱে পৰিচিত হৈ থাকিব নোৱাৰিলে সেই বিষয়ৰ শেষ অগ্ৰগতিৰ কথা ছাত্ৰ আৰু শিক্ষকসকলে জানিব কেনেকৈ? ইণ্টাৰনেট সেৱাৰ যোগেদি এতিয়াও আমাৰ ৰাজ্যত দহ শতাংশ ছাত্ৰ-ছাত্ৰীয়েও প্ৰয়োজনীয় জ্ঞান আহৰণৰ সুযোগ লাভ কৰা নাই। শিক্ষাৰ এই পৰিৱেশত বিজ্ঞান-মনস্কতা গঢ়ি উঠিব কেনেকৈ? এনে মানসিকতা গঢ়ি নুঠিলে বিজ্ঞান আৰু প্ৰযুক্তিৰ লগত পৰিচয় স্থাপন কৰি মানুহৰ সভ্যতাৰ অগ্ৰগতি সাধনত অংশগ্ৰহণ কৰিব কেনেকৈ? দূৰলৈ নগৈয়ো ক'ব পাৰি, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ শিক্ষা নোহোৱাকৈ এতিয়া জীৱন-যাপনৰ বাবে নিজকে উপযুক্ত কৰি তোলাটোও আনকি অসম্ভৱ হৈ উঠিছে।

প্ৰসংগক্ৰমে উল্লেখযোগ্য যে আমাৰ ছাত্ৰ-ছাত্ৰীৰ আধুনিক কালৰ উপযোগীকৈ নিজকে গঢ়ি তোলাৰ প্ৰতিভা যে নাই এনে নহয়; বৰং দেখা গৈছে ৰাজ্যখনৰ বাহিৰলৈ গৈ উন্নত কোনো শিক্ষা প্ৰতিষ্ঠানত শিক্ষা গ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীয়ে নিজৰ প্ৰতিভা বিকাশ কৰাৰ আৰু প্ৰতিভাৰ বলতে আত্ম-প্ৰতিষ্ঠিত হোৱাৰ সুযোগ লাভ কৰিছে। এনে

উদাহৰণসমূহে ৰাজ্যখনৰ সৰহ সংখ্যক মেধাৱী ছাত্ৰ-ছাত্ৰীক বাহিৰলৈ টানি নিছে। অনেক অভিযন্তা, চিকিৎসক আৰু কাৰিকৰী বিদ্যাৰ লোক বিদেশত গৈয়ো প্ৰতিষ্ঠিত হৈছে। ৰাজ্যখনৰপৰা এনেভাৱেই মস্তিস্কৰ বহিৰ্গমন ঘটিবলৈ ধৰিছে। ই আমাৰ ৰাজ্যখনৰ শৈক্ষিক পৰিৱেশৰ অনুপযোগিতা আৰু দুৰ্বলতাকে সূচায়। এই কথাও মনত ৰাখিবলগীয়া যে আত্মপ্ৰতিষ্ঠা লাভ কৰাটোৱেই শিক্ষা গ্ৰহণৰ শেষ লক্ষ্য হ'ব নালাগে। আহৰণ কৰা শিক্ষাৰে নিজে জীৱন নিৰ্বাহ কৰাৰ উপৰি মানুহৰ সাৰ্বিক মংগল আৰু সভ্যতাৰ বিকাশত নিজৰ ক্ষমতাৰে অংশগ্ৰহণ কৰিবলৈ যত্ন কৰাটো ঘাই লক্ষ্য হ'ব লাগে। আমাৰ ছাত্ৰ-ছাত্ৰীক এই শেষ লক্ষ্যৰ প্ৰতি আগ্ৰহান্বিত কৰি তুলিবলৈ আমাৰ পৰিৱেশ স্বাস্থ্যকৰ আৰু পাঠ্যক্ৰম যুগোপযোগী কৰি তুলিব লাগিব।

মানুহৰ সভ্যতা বহুমুখী। কেৱল শৰীৰৰ বিকাশেই মানুহক মানুহ কৰি নোতোলে, যদি মানৱীয় মেধা আৰু সৃষ্টিশীল প্ৰতিভাৰ বিকাশ সাধিত নহয়। সৃষ্টিশীল প্ৰতিভাৰ সম্পৰ্ক কলা বিষয়ৰ লগতহে থকা বুলি ভাবিলে ভুল কৰা হ'ব; বিজ্ঞান, প্ৰযুক্তি, ব্যৱসায়-বাণিজ্য সকলো বিষয়ৰ লগতে কল্পনা আৰু সৃষ্টিশীল প্ৰতিভাৰ সম্পৰ্ক অবিচ্ছেদ্যভাৱে জড়িত। কল্পনা আৰু সৃষ্টিশীল প্ৰতিভা নাথাকিলে বিজ্ঞান আৰু প্ৰযুক্তিৰ অথবা বিশ্বজুৰি ব্যৱসায়, বাণিজ্য, উদ্যোগৰ বিকাশ আৰু সম্প্ৰসাৰণ সাধিত নহ'লহেঁতেন।

মানুহৰ সৃষ্টিশীল প্ৰতিভা, কল্পনা, সৌন্দৰ্যবোধ আৰু কল্পনা ৰূপায়ণৰ দক্ষতাৰ লগত কাৰুশিল্পৰ সম্পৰ্ক যিদৰে অবিচ্ছেদ্য সেইদৰে কল্পনা, প্ৰতিভা, সৌন্দৰ্যবোধ আৰু দক্ষতাৰ মানৱীয় ভাবাৱেগ তথা ভাবানুভূতিৰ সম্পৰ্কও চাৰুকলা সৃষ্টিৰ ক্ষেত্ৰত অবিচ্ছেদ্য। মানুহৰ সভ্যতা গঢ়ি তোলা কাৰ্যক যদি কাৰুশিল্প ৰচনাৰ লগত তুলনা কৰিব পাৰি, মানুহৰ সংস্কৃতি গঢ়ি তোলাৰ কাৰ্যক কাৰুশিল্পৰ লগত চাৰুশিল্পৰ সংযুক্তি সাধনৰ যোগে কৰা কাৰ্য বুলি ক'ব পাৰি। খুব সংক্ষেপে ক'বলৈ গ'লে সভ্যতা যদি শৰীৰ, সংস্কৃতি হ'ল প্ৰাণ। প্ৰাণ অবিহনে শৰীৰ আৰু শৰীৰ অবিহনে প্ৰাণৰ স্থিতি নাথাকে। এতেকে সমগ্ৰ মানৱীয় কাৰ্য এনেভাৱে ইটোৰ লগত সিটো জড়িত হৈ আছে যে তাক সম্পূৰ্ণ বিশ্লেষণ কৰিব নোৱাৰি। মানুহে কেৱল নিজৰ নিজৰ সুবিধাৰ বাবে মানৱীয় কাৰ্যবোৰৰ শ্ৰেণীবিভাগ কৰি লৈছে।

মানৱীয় সভ্যতা আৰু সংস্কৃতিৰ প্ৰতিটো বিষয়ৰ অজস্ৰ শাখা-উপশাখাৰ প্ৰতিটোৰে অধ্যয়ন-অনুসন্ধানৰ পাঠ্যক্ৰম উন্নত আৰু উন্নয়নশীল দেশবিলাকতো ৰচিত হৈছে আৰু তেনে পাঠ্যক্ৰমৰ শিক্ষানুষ্ঠান গঢ়ি তোলা হৈছে। এনে শিক্ষাৰ বিস্তাৰে— বৃত্তিমুখী শিক্ষাৰ পূৰ্বে অকল্পনীয় এখন বিশাল ক্ষেত্ৰ মুকলি কৰি দিছে। ফলত, শিক্ষা এতিয়া সাধাৰণভাৱে কোনো বিষয়ৰ জ্ঞানাৰ্জনৰ বাবেই নহৈ তাৰ প্ৰয়োগ-বিদ্যা শিক্ষাৰ বাবেও অধিক গুৰুত্বপূৰ্ণ হৈ পৰিছে। এনে একোটা শাখা বিষয়ক বা উপবিষয়ক তাৰ সংশ্লিষ্ট বিষয়ৰ পটভূমিত থৈ গভীৰ অধ্যয়নৰ যোগে সেই বিষয়ৰ বিশেষজ্ঞ স্বৰূপে শিক্ষাৰ্থীয়ে নিজকে গঢ়ি তোলাটো আৱশ্যক হৈ পৰিছে। মস্তিষ্কৰ কৰ্ষণ আৰু প্ৰয়োগবিদ্যাত পাৰ্গত হৈ উঠাটো শিক্ষাৰ্থীৰ বাবে এতিয়া বাধ্যতামূলক হৈ পৰিছে। সভ্যতা আৰু সংস্কৃতিৰ বিকাশত কোনো পৃথক ভূমিকা নোলোৱাকৈ কেৱল জীৱিকা নিৰ্বাহৰ বৃত্তি বাছি ল'বৰ বাবেও যিকোনো এটা বিষয়ত দক্ষতা অৰ্জন কৰাটো এতিয়া এটা প্ৰাথমিক চৰ্ত হৈ পৰিছে। জীৱিকাৰ বৃত্তি বাছনি কৰা আৰু তাত দক্ষতা অৰ্জন কৰাৰ বাবে শিক্ষানুষ্ঠান বাছি লোৱাৰ বাবে আজিকালি তথ্যযোগান কেন্দ্ৰও অনেক ঠাইত গঢ় লৈ উঠিছে। শিক্ষাৰ প্ৰধান বিষয়সমূহ এৰিও এনে বৃত্তিমুখী শিক্ষাই বা প্ৰশিক্ষণে মানুহৰ জীৱনৰ সকলো দিশ সামৰি লৈছে। খোৱা-বোৱা, পিন্ধা-উৰা, ঘৰ-দুৱাৰ, সাজ-সজ্জা, আনন্দ-উৎসৱ, খেল-ধেমালি, নৃত্য-গীত-বাদ্য-অভিনয়, ৰন্ধা-বঢ়া, প্ৰসাধন, মডেলিং ইত্যাদি

ইত্যাদি সকলো বিষয়ৰ লগত জড়িত প্ৰতিটো অংশৰ অধ্যয়ন, শিক্ষণ, অনুশীলনৰ যোগে আহৰণ কৰা দক্ষতাই বৃত্তিমুখী অজস্ৰ পথ মুকলি কৰি দিছে।

।। ছয়।।

সভ্যতাৰ দ্ৰুত পৰিৱৰ্তন আৰু বৰ্দ্ধিত জনসংখ্যা তথা বৰ্দ্ধিত শিক্ষিত নিবনুৱাই সন্মুখীন হোৱা জীৱিকাৰ বৃত্তিৰ অভাৱৰ পটভূমিত আমাৰ শিক্ষা-নীতি, শিক্ষা-ব্যৱস্থা আৰু পাঠ্যক্ৰমৰ আমূল সংশোধনৰ প্ৰয়োজন আছে। প্ৰসাধনমুখী সংশোধনেৰে উদ্দেশ্য পূৰ্ণ কৰিব নোৱাৰি। দেশৰ তথা ৰাজ্যৰ অৰ্থনৈতিক পৰিকল্পনাৰ লগত পৰিকল্পনা ৰূপায়ণৰ বাবে প্ৰয়োজনীয় মানৱ-সম্পদ সৃষ্টি কৰাৰ পৰিকল্পনা যদি সংযুক্ত কৰি লোৱা নহয়, লক্ষ্যত উপনীত হোৱাও সম্ভৱ নহয়। এতেকে পৰিকল্পনাৰ লগত খাপ খোৱাকৈ আৱশ্যকীয় মানৱ সম্পদ গঢ়ি তুলিবৰ বাবে উপযুক্ত পাঠ্যক্ৰম প্ৰণয়ন কৰি ল'ব লাগিব। এই পাঠ্যক্ৰমৰ প্ৰকৃতিৰ বিষয়ে প্ৰণেতাসকল নিজেই প্ৰত্যয়জনকভাৱে স্পষ্ট হৈ ল'ব লাগিব। সামগ্ৰিকভাৱে যিদৰে ক্ৰমপৰিৱৰ্তিত মানৱ সভ্যতাৰ ৰূপ আৰু প্ৰকৃতি চকুৰ আগত ৰাখিব লাগিব, ঠিক তেনেদৰে প্ৰত্যেক ৰাজ্যৰ জনসাধাৰণৰ ন্যূনতম প্ৰয়োজন পূৰ্ণ কৰাৰ প্ৰাথমিক চৰ্ত পূৰণ কৰি সমাজ জীৱনক উন্নত সমাজৰ স্তৰলৈ নিয়াৰ লক্ষ্যও হেৰুৱাব নালাগিব।

(১) আমাৰ স্কুলীয়া পাঠ্যক্ৰমে ল'ৰা-ছোৱালীক ভাষা-জ্ঞান আৰু সাধাৰণতে বিজ্ঞান, গণিত, কলা, বাণিজ্য, সমাজ বিজ্ঞান, আমাৰ পৃথিৱীখন আৰু বিশ্বজগত সম্পৰ্কে প্ৰাথমিক ধাৰণা দান কৰিব পৰিব লাগিব।

(২) স্কুলীয়া শিক্ষাৰ কালতে প্ৰতিজন ল'ৰা বা প্ৰতিগৰাকী ছোৱালীৰ কোন বিষয়ৰ প্ৰতি আগ্ৰহ অধিক তাক চিনাক্ত কৰাৰ আভ্যন্তৰীণ ব্যৱস্থা থাকিব লাগিব।

(৩) স্কুলীয়া শিক্ষাৰ কালতে ল'ৰা-ছোৱালীক বিষয়ৰ ব্যৱহাৰিক তথা প্ৰায়োগিক জ্ঞান দিব পৰাৰো আৱশ্যকীয় প্ৰাথমিক সুবিধা থাকিব লাগিব। কেৱল বিজ্ঞানৰ ক্ষেত্ৰতে যে এনে কৰাটো সম্ভৱ এনে নহয়, কলা শাখাৰ বিষয়তো প্ৰায়োগিক দিশ পাঠ্যক্ৰমত সংযুক্ত কৰি লোৱা সম্ভৱ।

(৪) স্কুলীয়া শিক্ষাৰ সমাপ্তিৰ পিছৰ দুটা বছৰত যিটো প্ৰধান বিষয়ৰ প্ৰতি এজন ছাত্ৰ বা ছাত্ৰীৰ আগ্ৰহ বেছি, তেনে বিষয়ত গুৰুত্ব দি অন্যান্য প্ৰয়োজনসমূহ শিকাৰ সুযোগ দিব লাগিব।

(৫) স্নাতক পৰ্যায়ত প্ৰধান বিষয় প্ৰয়োগিক দিশেৰে সৈতে সম্পূৰ্ণকৈ আয়ত্ত কৰাৰ বাবে পাঠ্যক্ৰম হ'ব লাগিব সময়োপযোগীকৈ গতিশীল। সভ্যতাৰ বিকাশত যে প্ৰত্যেকেই এটা ভূমিকা ল'ব পাৰে, সেই প্ৰত্যয় পাঠ্যক্ৰমে দান কৰিব পাৰিব লাগিব।

(৬) স্কুলীয়া শিক্ষাৰ অন্ত পৰাৰ পিছত যিবিলাক ছাত্ৰ-ছাত্ৰীয়ে কোনো এটা বৃত্তিমুখী বিদ্যা আহৰণ কৰিব খোজে তেনে ছাত্ৰ-ছাত্ৰীৰ আগ্ৰহ আৰু প্ৰতিভাৰ ভিত্তিত তেনে শিক্ষা গ্ৰহণৰ সুযোগ দেশে দিব পাৰিব লাগিব।

আমাৰ পাঠ্যক্ৰমসমূহ বাস্তৱমুখী কৰি তোলাৰ ওপৰত ছাত্ৰ-ছাত্ৰীৰ আৰু দেশৰো ভৱিষ্যত নিৰ্ভৰ কৰিছে। তদুপৰি বিষয়ৰ জ্ঞান আৰু প্ৰয়োগ কৌশল দান কৰাই শিক্ষাৰ শেষ লক্ষ্য হ'ব নালাগিব। কেৱল এই দুই লক্ষ্যৰে দান কৰা শিক্ষাৰ যান্ত্ৰিক প্ৰয়োগে এটা স্তৰলৈহে কৃতকাৰ্যতা লাভ কৰিব পাৰে। এতেকে সমাজ তথা মানুহৰ সৰ্বাধিক মংগল আৰু উন্নয়নৰ প্ৰতি দায়বদ্ধ হ'ব পৰাকৈ পাঠ্যক্ৰমে প্ৰত্যেক ছাত্ৰ-ছাত্ৰীৰ মানৱীয় হৃদয় বৃত্তিৰ বিকাশতো গুৰুত্বপূৰ্ণ ভূমিকা ল'ব পাৰিব লাগিব। মানুহৰ প্ৰতি মমত্ব অনুভৱ কৰিব নোৱাৰিলে কোনো মানুহেই কৰিবলগীয়া কামৰ লক্ষ্য আৰু উদ্দেশ্যও বিচাৰি নাপায়। বিজ্ঞান আৰু প্ৰযুক্তিয়ে অতি দ্ৰুততাৰে অবিৰতভাৱে পৰিৱৰ্তন

সাধন কৰা মানুহৰ সভ্যতা আৰু সংস্কৃতিৰ লগত যুক্ত হৈ দায়বদ্ধতাৰে কাম কৰাৰ লক্ষ্য এটা চকুৰ আগত ৰাখিব নোৱাৰিলে কোনো মানুহেই এটা অৰ্থপূৰ্ণ জীৱন-যাপন কৰিব নোৱাৰে। এতেকে ভৱিষ্যতৰ লগত মুখামুখি হ'ব পৰাকৈ জ্ঞান, বিদ্যা আৰু হৃদয়বৃত্তি সমান কৰ্ষণৰ সুযোগ শিক্ষাই তথা পাঠ্যক্ৰমে দিব পাৰিব লাগে। শিক্ষাই ল'ৰা-ছোৱালীক যন্ত্ৰত পৰিণত কৰাটো বাঞ্ছনীয় নহয়। সকলো জ্ঞান আহৰণ কৰিও মানুহ যথাৰ্থতে মানুহ হৈ থাকিব লাগিব। আমি নাজানো কেনেকুৱা এটা ভৱিষ্যতৰ সন্মুখীন হ'বলৈ আমি আগবাঢ়ি গৈ আছোঁ। এলভিন-ট্ৰফলাৰে যোৱা শতিকাতে ৰচনা কৰা 'The Future Shock' নামৰ গ্ৰন্থখনত মানুহৰ ভৱিষ্যত সম্পৰ্কে কৰা ভৱিষ্যৎবাণী ফলিয়াবলৈ লৈছে। বিজ্ঞান আৰু প্ৰযুক্তিৰ সম্ভাব্য বিকাশৰ আধাৰতে তেওঁবিলাকে এই ভৱিষ্যতবাণী কৰিছিল। আমাৰ শিক্ষাৰে তেনে নেদেখা ভৱিষ্যতৰ মুখামুখি হ'ব পৰাকৈ আমাৰ ছাত্ৰ-ছাত্ৰীক গঢ়ি তুলিব লাগিব। এনে প্ৰয়োজনৰ আধাৰতে আমাৰ পাঠ্যক্ৰমসমূহৰ পুনৰবিন্যাস আৰু পুনৰ গঠন অতিশয় প্ৰয়োজনীয় হৈ পৰিছে। তাৰবাবে কেৱল বিষয়-শিক্ষকসকলেই নহয়, কলা, বিজ্ঞান, বাণিজ্য, কাৰিকৰী শিক্ষা, প্ৰযুক্তি, সমাজতত্ত্ব, অৰ্থনীতি, ভূগোল, জ্যোতিৰ্বিদ্যা আদি বিষয়ৰ বিশেষজ্ঞ, ভৱিষ্যৎদ্ৰষ্টা বুদ্ধিজীৱী তথা চিন্তাশীলসকলৰ পৰামৰ্শৰলীক আধাৰ কৰি ল'ব লাগিব। নতুন পাঠ্যক্ৰমে বিজ্ঞান আৰু প্ৰযুক্তিৰ দ্ৰুতবিকাশৰ লগত তথা সভ্যতাৰ দ্ৰুত পৰিৱৰ্তনশীল বিকাশৰ লগত পৰিচয় কৰাই দিলেই নহ'ব, 'বিশ্বমান'ৰ অধিকাৰী হ'ব পৰা শিক্ষাও দিব পাৰিব লাগিব। বিশ্বায়নে অনা Consumerism বা ভোগবাদ পাঠ্যক্ৰমৰ লক্ষ্য হ'ব নোৱাৰে; লক্ষ্য হ'ব লাগিব সকলো সংকীৰ্ণতা আৰু সীমাবদ্ধতাৰ উৰ্ধ্বত মানসিকভাৱে মানুহৰ প্ৰতি দায়বদ্ধ আৰু ব্যৱহাৰিকভাৱে নিজৰ বৃত্তিত দক্ষ মানুহ গঢ়ি তোলাটো।

সেই দিন যেন শীঘ্ৰে আহে তাৰ বাবে বাট চালোঁ।❑

লেখক - বিশিষ্ট চিন্তাবিদ, সাহিত্যিক তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি।



## বিশেষ সাক্ষাৎকাৰত সাহিত্যাচাৰ্য মহিম বৰা

# "ছাত্ৰ অবিহনে শিক্ষক হ'ল পানীৰপৰা তোলা মাছ"

*('কাঠনিবাৰী ঘাট'ৰ প্ৰখ্যাত গল্পকাৰ, ৰঙাজিঞাৰ কবি, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীমহিম বৰাদেৱে নগাঁও কলেজত শিক্ষকতা কৰাটোও নগাঁও কলেজৰ কাৰণে গৌৰৱজনক কথা। শ্ৰীযুত বৰাদেৱে জীৱনৰ সুদীৰ্ঘ সময় নগাঁও কলেজত শিক্ষকতা কৰি পাৰ কৰিলে। এগৰাকী গল্পকাৰ, কবি হোৱাৰ উপৰি শ্ৰীযুত বৰাদেৱ আছিল এগৰাকী সুযোগ্য শিক্ষক। আমি শ্ৰীযুত মহিম বৰাদেৱৰ ওচৰলৈ গৈছিলোঁ নগাঁও কলেজত শিক্ষকতা কৰা দিনবোৰৰ স্মৃতি বিচাৰি, আৰু বৰ্তমান অৱসৰ লোৱাৰ পিছত হৃদয়ত যি অনুভৱ, উপলব্ধি তাৰ বিষয়ে জানিবৰ বাবে। শ্ৰীবৰা ছাৰে আমাক অকপটে প্ৰায়বোৰ কথা কৈ গ'ল। নগাঁও কলেজৰ আলোচনীৰ পাঠক সমাজলৈ শ্ৰীযুত বৰা ছাৰৰ মনৰ কথাখিনি আগবঢ়ালোঁ।)*

*— সম্পাদক*

মোৰ শিক্ষকতাৰ জীৱনত তিনিটা স্মৰণীয় ঘটনা আছে। কিন্তু তিনিওটাই শিক্ষকতাৰ লগত জড়িত নহয়।

প্ৰথম ঃ Inter College Music Competion যুটীয়া সম্পাদকৰ দায়িত্ব (অধ্যাপক কমল চন্দ্ৰ গোস্বামী, এম, কম,) কলেজত যোগ দিয়েই এই দায়িত্ব ল'ব লগা হয় আৰু সেই সময়ত ছাত্ৰ-ছাত্ৰীৰ লগত ঘনিষ্ঠ হৈ পৰিছিলোঁ আৰু অত্যধিক পৰিশ্ৰমৰ ফলত মোৰ দুৰ্বল স্বাস্থ্য আৰু দুৰ্বল হৈ পৰিছিল।

দ্বিতীয় ঃ অসম সাহিত্য সভাৰ নগাঁও অধিৱেশনৰ কাৰ্য্যনিৰ্বাহকৰ সহকাৰী সম্পাদক হিচাপে মহেশ চন্দ্ৰ গোস্বামীদেৱৰ লগত দায়িত্ব পালন।

তৃতীয় ঃ নগাঁও মহাবিদ্যালয়ৰ কলেজ পৰিচালনা সমিতিক ছাত্ৰৰ দ্বাৰা ঘেৰাও কৰা অভাৱনীয় ঘটনা। ফণীন্দ্ৰ দত্ত ছাৰ সেই সময়ত অস্থায়ী অধ্যক্ষ হৈ আছিল আৰু শ্ৰীযুত মুহিৰাম শইকীয়াদেৱ তেতিয়াও অধ্যক্ষ

হৈ অহা নাছিল। এইটোক নগাঁও কলেজৰ অভাৱনীয় ঘটনা বুলি কৈছো আৰু মই যদিও সদস্য নহয় তথাপিও আমি কলেজৰ প্ৰায়বিলাক শিক্ষকেই সেই সময়ত অধ্যক্ষদেৰক নৈতিক সমৰ্থন দিবৰ বাবেই শিক্ষকৰ কমন ৰূমত বহি থাকিবলগীয়া হৈছিল আৰু এই তিনিটা ঘটনাৰে বিশেষ তাৎপৰ্য্য আছে বুলি মই ভাবোঁ আৰু কেতিয়াবা বহলাই সেই বিষয়ে লিখিব পাৰো। বিশেষকৈ তাৰ যোগেদি বহুত মানুহৰ 'স্ব'ৰূপটো দেখিবলৈ পাইছিলোঁ আৰু তথাকথিত শিক্ষিত সমাজৰ মানসিকতা মোৰ আগত স্পষ্ট হৈ পৰিছিল। এই বিষয়ে মই বহলাই ক'ব নোখোজো এতিয়া। বাকী অন্যান্য সৰু-বৰ ঘটনা নিশ্চয় আছে যেনে ঃ

আনন্দৰাম ঢেকিয়াল ফুকন কলেজৰ প্ৰতিষ্ঠা, সেইটো এটা গুৰুত্বপূৰ্ণ ঘটনা, কাৰণ নগাঁও কলেজৰ শিক্ষকসকলেই (১০ জন মান) মাহে একুৰি পাৰিশ্ৰমিক লৈ এই কলেজৰ প্ৰতিষ্ঠা কৰিছিল অংশকালীন অধ্যাপক হিচাপে। এইক্ষেত্ৰত আগৰণুৱা ললিত শইকীয়া, জগত শৰ্মা, প্ৰাক্তন এম, এল, এ, ছামচুল হুদা চাহাব আৰু আমাৰ মাজৰপৰা নেতা পাতি লৈছিলোঁ বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক আব্দুল হাই ডাঙৰীয়াক। অধ্যাপক শইকীয়া, শৰ্ম্মা আৰু মই দিনে-ৰাতিয়ে ঘূৰি কাৰ্য্যনিৰ্বাহকৰ সদস্যসকলক মান্তি কৰাইছিলোঁ, তেওঁক অধ্যক্ষ পাতিবলৈ। ইয়াতো এক দীঘলীয়া কাহিনী আৰু বহুত শিক্ষিত মানুহৰ 'স্ব'ৰূপটো আমি আৱিষ্কাৰ কৰিব পাৰিছিলোঁ। কিন্তু tragedy এইখিনিতেই যে ইয়াৰ পাছলৈ আমি পাতি দিয়া অধ্যক্ষ শুকদেৱ গোস্বামী ডাঙৰীয়াই এই অংশকালীন শিক্ষককেইজনক আঁতৰ কৰিবলৈ আপ্ৰাণ চেষ্টা কৰিছিল। সেই সময়তে Deputy Commissioner তথা President তে আমাক কোনো জাননী নিদিয়াকৈ এমাহৰ বানচ (পিছলৈ ১০০.০০ টকা) প্ৰত্যেককে দি বিদায় দিলে। আমি president D.C. মহোদয়ৰ ওচৰলৈ যোৱাত তেওঁ অত্যন্ত আঘাত অনুভৱ কৰিছিল কাৰণ তেওঁক কোৱা হোৱা নাছিল যে আমিয়েই আছিলোঁ ইয়াৰ প্ৰতিষ্ঠাপক অধ্যাপক।

ইয়াৰ পাছত Nagaon Girls' College প্ৰতিষ্ঠা কৰাৰ বাবে আমাৰ সহায় বিচৰাত আমি প্ৰথমতে আধা বানচেৰে (৫০ টকা) পিছৰ কেইমাহমান ১০০ টকা বানচেৰে অংশকালীন অধ্যাপনা কৰিছিলোঁ। দুখৰ বিষয় এইক্ষেত্ৰত বিদায়ৰ সময়ত আমাক কোনোধৰণৰ ধন্যবাদ জনোৱা নহ'ল, আনকি অলপতে হৈ যোৱা ৰূপালী জয়ন্তীত আমাক বিশেষভাৱে স্মৰণ কৰা নহ'ল। উল্লেখনীয় যে আমি A.D.P. College অৰ সেই (১০০ টকা) বানচ গ্ৰহণ নকৰিলোঁ। তেতিয়া কলেজ শিক্ষকৰ দৰমহা আছিল ১৮০ টকা। নগাঁও মহাবিদ্যালয়ত মোৰ আৰু এটা স্মৰণীয় ঘটনা নগাঁও সাহিত্য সভাৰ পুনৰ উদ্ধাৰ। তেতিয়াৰ অধ্যক্ষ আৰু পূজনীয় শিক্ষাগুৰু শ্ৰীযুত যজ্ঞেশ্বৰ শৰ্ম্মা ছাৰে মোক এই কাম কৰিবলৈ আদেশ দিয়ে আৰু মই সেই মতেই সপ্তাহত এদিনকৈ নগাঁও সাহিত্য সভাৰ একোখনকৈ বৈঠক Nowgong College অত বহুৱাইছিলোঁ, দিনে উপস্থিতিৰ সংখ্যা ৫ জন। কবিবৰ বৰকাকতী ডাঙৰীয়া, গল্পকাৰ মহীচন্দ্ৰ বৰা ডাঙৰীয়া, গল্পকাৰ ৰাধিকা মোহন গোস্বামী ডাঙৰীয়া আৰু কেতিয়াবা তৰুণ ফুকন উকীল ডাঙৰীয়া আৰু মই। হোষ্টেলৰপৰা 3rd year অৰ দুই-তিনিজন ছাত্ৰক জোৰ কৰি আনি সংখ্যা বঢ়াইছিলোঁ।

সাহিত্য সম্পৰ্কীয় আন এটা স্মৰণীয় ঘটনা হ'ল "অৰুণাচলৰ" প্ৰকাশ। পুথিঘৰ প্ৰেছৰ মালিক শ্ৰীযুত কমল বৰা ডাঙৰীয়াক বৰকৈ পেৰি ধৰাত তেখেতে প্ৰকাশ কৰিবলৈ গাত লৈছিল। সম্পাদনা সমিতিত নগাঁও কলেজৰ কেবাজনো অধ্যাপক থকাৰ উপৰি পৃষ্ঠপোষক যুগল কুমাৰ দাস ডাঙৰীয়াক লোৱা হৈছিল। আৰু তেখেতৰ যোগেদি মই বিজ্ঞাপন সংগ্ৰহ কৰিব পাৰিছিলোঁ। আৰু তেখেতে অলঙ্কৰণৰ কাম কৰিছিল আৰু এই অৰুণাচলেই প্ৰথম লিখক পৰিচিতি

বিভাগ আগবঢ়াইছিল আৰু এটি গীতৰ বিভাগো ইয়াত আছিল। গুৱাহাটীত সূৰ্য্য কুমাৰ ভূঞাৰ যোগেদি ইয়াৰ উন্মোচন কৰা হৈছিল আৰু শ্ৰদ্ধেয় হেম বৰুৱা, শ্ৰদ্ধেয় মহেশ্বৰ নেওগ চাৰ আৰু কেবাজনো বিশিষ্ট সম্পাদকে সেই সময়ৰ মৰামুজা অৱস্থাত থকা অসমীয়া সাহিত্যৰ ক্ষেত্ৰত "অৰুণাচল"ৰ প্ৰকাশ এটা তাৎপৰ্য্যপূৰ্ণ ঘটনা বুলি অভিহিত কৰে। ইয়াৰ লগতো বহুতো কাহিনী আছে। কেতিয়াবা লিখিম।

আমাৰ দিনত ছাত্ৰসকলৰ লগত শিক্ষকসকলৰ সম্পৰ্ক সদায় সৌহাৰ্দ্যপূৰ্ণ আছিল যদিও যি কাৰণতেই নহওক মোৰ ধাৰণা হৈছিল মোৰ লগত তেনে সম্পৰ্ক নহৈছিল। কেইজনমানৰ বাহিৰে। মোৰ হুঁটা মাত, অমাৰ্জিত ব্যৱহাৰেই প্ৰধান কাৰণ বুলি বৰ পলমকৈ জানিব পাৰিছোঁ। নগাঁৱত সাহিত্যৰ সমাদৰ বৰ কম আছিল গতিকে কেতিয়াবা ক'ৰবাত মোৰ গল্প-কবিতা ওলালেও মাত্ৰ-দুজন মানেহে আলোচনা কৰিছিল। ফলত মই কেনোধৰণৰ প্ৰেৰণা পোৱা নাছিলোঁ। পাছলৈ অৱশ্যে এই অৱস্থাৰ উন্নতি হৈছিল। ১৯৭৮ চনত গোলাঘাটত অসম সাহিত্য সভাৰ কবি সন্মিলনত সভাপতি নিৰ্বাচিত হোৱাটো আন এটা গুৰুত্বপূৰ্ণ ঘটনা আৰু তাৰবাবে অধ্যাপক আব্দুল হেকিম চাহাবে (শিক্ষক গোটৰ সম্পাদক, নগাঁও কলেজ) সম্বৰ্ধনা সভা পাতি মোক অভিনন্দিত কৰিছিল। এইটো মোৰ বাবে অতি আনন্দৰ বিষয়। নগাঁও কলেজৰ Friends Mutual Aids গঠনৰ ক্ষেত্ৰত অধ্যাপক হেকিম আৰু মই আগভাগ লৈছিলোঁ আৰু এই fund এতিয়াও চলি আছে।

আন এটা জাতীয় জীৱনৰ লগত জড়িত ঘটনা হ'ল চীনৰ আক্ৰমণ। তেজপুৰৰপৰা ভাগি অহা শৰণাৰ্থীয়ে নগাঁৱত এক অৰাজক অৱস্থা সৃষ্টি কৰে। D.C. অসহায়, প্ৰাক্তন মন্ত্ৰী লক্ষ্মী প্ৰসাদ গোস্বামীদেৱক লগত লৈ প্ৰফুল্ল কটকী, অধ্যাপক জগত চন্দ্ৰ শৰ্মা, অধ্যাপক ললিত শইকীয়া আৰু মই (শয্যাগত অৱস্থাৰপৰা প্ৰথম বাহিৰ হৈ) ডি, চিৰ ওচৰলৈ গৈ কৰ্তব্যৰ নিৰ্দেশ বিচাৰিছিলোঁ। তেখেতে ক'লে তিৰোতা আৰু ল'ৰা-ছোৱালীক নিৰাপদ ঠাইলৈ নিবলৈ আৰু ভগনীয়াক ৰাখিবৰ বাবে স্কুল-কলেজবিলাক ঠিক কৰিবলৈ আৰু নিজৰ নিজৰ দায়িত্বত প্ৰত্যেকেই কাম কৰি যাবলৈ। শুকদেৱ গোস্বামী ডাঙৰীয়াই মলটভ ককটে'ন তৈয়াৰ কৰাৰ কথা আমাক ৰাজহুৱাভাৱে জনাইছিল আৰু ভিতৰুৱাভাৱে আমাৰ দুজনমানক কৈছিল তেওঁৰ হাতত এনেধৰণৰ ৰাইফল আছে যে বহুত আঁতৰতেই চীনৰ টেঙ্ক (tank) ৰাখিব পাৰি আৰু তেখেতে অধ্যাপকসকলৰ পৰিয়ালৰ বাবে খোৱা বস্তু যোগান ধৰিছিল। নগাঁও কলেজৰ ছাত্ৰ আৰু শিক্ষকে অসীম সাহসেৰে প্ৰথম সপ্তাহ নগাঁও চহৰত সামান্য আইন-শৃঙ্খলা নভঙাকৈ এক পইচা বস্তুৰ দাম নবঢ়াকৈ ৰখাটো নগাঁও কলেজৰ বুৰঞ্জীতেই এক গৌৰৱজনক অধ্যায়। মোৰ মনত এইখিনিয়েই কথা আছে আৰু আছে কিন্তু জনাব নোখোজো। এইখিনি কথাও জনাব খোজা নাছিলোঁ; তোমালোকৰ পেৰাপেৰিতহে জনালোঁ।

ছাত্ৰ হিচাপেও মোৰ নগাঁও কলেজৰ বহু অভিজ্ঞতা আছিল। নগাঁও কলেজৰ দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰ হিচাপে আমি কেইজনমানে মেচ পাতি আছিলোঁ। কলেজৰ দ্বাৰাও সেইটো স্বীকৃত হৈছিল আৰু নাম দিছিলোঁ "শেৱালি"। সেই মাটি আৰু ঘৰ বৰকাকতীদেৱৰ আছিল। সন্মুখতে এজোপা শেৱালি গছ আছিল। আৰু ইয়েই তেওঁক "শেৱালি" কবিতা লিখিবলৈ প্ৰেৰণা দিছিল। আৰু তাৰপৰা হাতে লিখা আলোচনী শেৱালি উলিয়াওঁ।

দেশ তেতিয়া উখল-মাখল। ছাত্ৰ কংগ্ৰেছ আৰু ছাত্ৰ federation অৰ মাজত ঘোৰ কাজিয়া। প্ৰায় হতাহতি, প্ৰায় মৰামৰি। মই একমাত্ৰ ছাত্ৰ কংগ্ৰেছৰ কৰ্মী হিচাপে "শালৰ মাজত শিঙি" হৈ আছিলোঁ। যদিও ব্যক্তিগতভাৱে আমাৰ বন্ধুত্ব অক্ষুণ্ণ আছিল। আমাৰ সহপাঠী ফৌজদাৰীপট্টিৰ শ্ৰীযুত কমলেশ্বৰ ডাঙৰীয়াই হোষ্টেলৰ ছাত্ৰক দেহচৰ্চা

কৰিবলৈ পৰামৰ্শ দিলে। তেখেতে বাৰবেল, দামবেল, গোটাই দিলে আৰু আমি কেইজনমানে তেখেতৰ লগত দেহচৰ্চা কৰিছিলোঁ আৰু মোৰ যথেষ্ট উন্নতি হৈছিল। কিন্তু এবাৰ বাৰবেল দাঙোতে ডিঙি সিৰিকৰ্কৈ উঠাত এসপ্তাহৰ পাছত ভাল পাইছিলোঁ। তাৰপিছত free hand execise কৰিবলৈ লৈছিলোঁ।

হাতে লিখা আলোচনীখনৰ যুটীয়া সম্পাদক দেবেন হাজৰিকা আৰু মই। আলোচনীখনে যথেষ্ট আলোড়নৰ সৃষ্টি কৰিছিল। মহেশ চন্দ্ৰ দেৱ গোস্বামীদেৱে প্ৰতিটো সংখ্যাকেই ক্লাছত দুই-মিনিট সময় (তেখেতে ক্লাছৰ এক মিনিট সময়ো খৰচ নকৰে) খৰচ কৰি প্ৰশংসাসূচক বাক্যৰে বাখ্যা কৰিছিল। আৰু মই বেকবেঞ্চাৰ ছদ্মনামেৰে লিখা ব্যংগ বিদ্ৰূপাত্মক ৰচনাৰ বাবে যথেষ্ট প্ৰশংসা কৰিছিল আৰু তেখেতে প্ৰথমে শ্ৰীযুত তিলক হাজৰিকাদেৱক ইয়াৰ লেখক বুলি ভাবি আছিল আৰু মই এম, এ, পাছ কৰাৰ পাছতহে ভুল ভাগে।

নগাঁও কলেজৰ ছাত্ৰ হৈ থাকোতেই মোৰ বন্ধু, পিছত সখী শ্ৰীযুত দেবেন গগৈ আৰু মই দুয়ো মিলি কলিয়াবৰত Girls School স্থাপন কৰো আৰু কিছুদিন অবৈতনিক হিচাপে শিক্ষকতাও কৰিছিলোঁ। পাছলৈ সেইখন হাইস্কুললৈ উন্নীত হয়। কিন্তু স্কুলৰ কৰ্মকৰ্তাসকলে মই গুৱাহাটীত থাকোতেই স্কুলৰ কাষৰ আমাৰ চাৰিবিঘা মাটি স্কুলৰ নামত অধিগ্ৰহণ কৰি লয়। স্কুলৰ কাষৰ অন্য মাটি নোলোৱাত এইটোৱেই আমাৰ পৰিয়ালৰ মৰ্মান্তিক আঘাত দিয়ে। তাৰোপৰি কনকলতা পুথিভঁৰাল আৰু ভাস্কৰ নাট সংঘ স্থাপন কৰি অস্থায়ী মঞ্চত থিয়েটাৰ কৰিছিলোঁ।

মোৰ "পাখি লগা দিন"খনত মোৰ সৰুকালৰ কিছু ঘটনা প্ৰকাশিত হৈছে। সাহিত্য সভাৰ সভাপতিত্বৰ কাহিনীও দীঘলীয়া। বিশ্বনাথ চাৰিআলিত দিয়া মোৰ বিদায়ৰ ভাষণত (যাওঁ বোলা বিদায়ৰ বাণী)ত চমুকৈ কিছু কথা দিয়া আছে। অৱসৰ লোৱা শিক্ষকৰ জীৱন অতি দুখৰ কাৰণ ছাত্ৰ অবিহনে শিক্ষক হ'ল "পানীৰ পৰা তোলা মাছ"। ছাত্ৰ-ছাত্ৰীৰ মুখবিলাকেই আমাক জীৱন দি আহিছে আৰু অৱসৰ লোৱাৰ পিছৰপৰাই সেই জীৱন হেৰাই যায় আৰু তেতিয়া সমাজৰ আন শ্ৰেণীৰ লগত নিজকে খাপ খুৱাব নোৱাৰে কাৰণ ছাত্ৰ-ছাত্ৰীৰ লগত থকা সম্পৰ্ক বাবেই।

আৰ্থিক অৱস্থা কৰুণ কাৰণ আমাৰ পেঞ্চন নাই আৰু (Gratuity) গ্ৰেচুইটি নাপাওঁ। গতিকে যি বিলাক শিক্ষকৰ উপাৰ্জনৰ আন উপায় নাথাকে তেওঁলোকৰ অৱস্থা পানীত হাঁহ নচৰাৰ দৰেই। মই সাহিত্য সভাৰ দ্বাৰা পৰিকল্পনা কৰা "বহল অসমীয়া অভিধান"ৰ মুখ্য সম্পাদক নিৰ্বাচিত হৈছিলোঁ। এই অভিধানৰ মুখ্য উদ্দেশ্য আছিল বিভিন্ন জনগোষ্ঠীৰ ভাষাৰ প্ৰতিশব্দ দিয়া অসমীয়া শব্দাৱলীৰ ব্যুৎপত্তি নিৰ্ধাৰণ কৰা আৰু বিভিন্ন ব্যৱহাৰ দেখুওৱা। তাৰ উপৰি হিন্দী আৰু ইংৰাজীৰ প্ৰতিশব্দ দিয়াৰ। ই এটা ব্যয়বহুল প্ৰচেষ্টা। এই বহল অসমীয়া সমাজখনক একগোট কৰি ৰখাতো অৰিহণা যোগাব। ধনৰ অভাৱত বৰ্তমান এই কাম বন্ধ হৈ আছে। আৰু ব্যক্তিগতভাৱে দুকুৰি বছৰ ধৰি মই নানান সংকট আৰু বিপদ-বিপৰ্যয়ৰ মাজেদি সাংসাৰিক জীৱন কটাবলগীয়া হোৱাত আৰু প্ৰায়েই স্বাস্থ্যজনিত দুৰ্বলতাৰ বাবে মোৰ সকলো কাম আধখনীয়া হৈ আছে। মোৰ কিছুমান অভিজ্ঞতা আছে। যিবিলাক প্ৰতিক্ৰিয়াই মোক মানসিকভাৱে পঙ্গু কৰি পেলাইছে; যাৰ ফলত মই একো লিখিব নোৱাৰোঁ। একো কল্পনা নহা হ'ল। কলম চুবলৈকো ভয় লগা হ'ল। মই মোৰ এটা সাক্ষাৎকাৰত কৈছিলোঁ "মানুহ জীয়াই থাকে প্ৰেমেৰে" মোৰ মতে, সেই প্ৰেমো এই স্বপ্নৰে তলতীয়া। কিন্তু স্বপ্ন এদিন ভঙ্গ হয়েই, এজন মানুহৰ জীৱন স্বপ্ন-ভঙ্গৰেই সমষ্টি।❑

লেখাটো নগাঁও মহাবিদ্যালয়ৰ আলোচনীৰ পৰা সংগৃহীত।



# মহিম বৰা ছাৰৰ আৱক্ষ প্ৰতিমূৰ্তি উন্মোচনী ভাষণ

**পদ্মশ্ৰী ৰংবং তেৰাং**

আমাৰ সকলোৰে শ্ৰদ্ধাৰ মহিম বৰা ছাৰৰ মই এজন সাধাৰণ ছাত্ৰহে। পাহাৰৰ মাটিৰপৰা জ্ঞান অন্বেষণৰ আশাৰে কলঙৰ পাৰত আহি মহিম বৰা ছাৰক লগ পাইছিলোঁ। ১৯৫৮ চনৰপৰা ১৯৬২ চনলৈকে কলেজৰ ছাত্ৰ ৰূপে থাকি, মহিম বৰা ছাৰৰ 'জীৱন আৰু কৃতি' বিষয়ক ভাষণ দিয়াটো, কলঙৰ ঘাটত সাঁতুৰি পাৰ হ'ব নোৱাৰা কথাহে হ'ব। সেই বছৰ চাৰিটাত মহিম বৰা ছাৰৰ মই ছাত্ৰহে। ছাত্ৰ অৱস্থাত শিক্ষকৰ প্ৰতি যি শ্ৰদ্ধা আৰু সন্মান সহকাৰে চাব লাগে, তাতকৈ তেখেতৰ 'জীৱন আৰু কৃতি' সম্পৰ্কে চিন্তা-চৰ্চা কৰিবলৈ আমাৰ অৱকাশেই নাছিল। নগাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ আমি অনাৰ্ছৰ প্ৰথম ছাত্ৰ হোৱা হেতুকে মহিম বৰা ছাৰক নিচেই কাষতে পাইছিলোঁ যদিও কলংপাৰৰ সাহিত্যৰ সাধকগৰাকীৰ প্ৰতি শ্ৰদ্ধাৰ দৃষ্টিৰে চোৱাৰ বাহিৰে, তেখেতৰ জীৱন আৰু বৰ্ণাঢ্য সাহিত্য সম্পদৰ বিষয়ে ধ্যান দিব পৰা নাছিলোঁ। মহিম বৰা ছাৰৰ প্ৰতি আমাৰ যি দৃষ্টিভংগী, সেই একেই দৃষ্টিভংগী শ্ৰদ্ধাৰ অধ্যক্ষ যজ্ঞেশ্বৰ শৰ্মা, উপাধ্যক্ষ মহেশ চন্দ্ৰ দেৱগোস্বামী, সৰ্বেশ্বৰ ৰাজগুৰু ছাৰৰ প্ৰতি আছিল বুলি মোৰ অন্তৰে বিশ্বাস কৰে। সেই চাৰিটা বছৰৰ সান্নিধ্যৰে আমাৰ শ্ৰদ্ধাৰ শিক্ষকসকলৰ বিষয়ে ক'বলৈ যিদৰে মোৰ জ্ঞান সীমিত, সেইদৰেই মহিম বৰা ছাৰৰ 'জীৱন আৰু কৃতি' সম্পৰ্কে ক'বলৈ যোৱাটো মোৰ ধৃষ্টতাহে হ'ব।

মহিম বৰা ছাৰৰ মনটোযে সহজ-সৰল, এই কথাটোৰ উমান পাইছিলোঁ অসম সাহিত্য সভাই আয়োজন কৰা প্ৰথম লেখক শিবিৰত। গুৱাহাটীৰ কটন কলেজত লেখক শিবিৰটো অনুষ্ঠিত হৈছিল। ১৯৭৩ চনৰ ২৬ ডিচেম্বৰৰপৰা শিবিৰটো মুকলি কৰিছিল। ড° নগেন শইকীয়া তেতিয়া প্ৰধান সম্পাদক। শিবিৰত যোগ দিয়াৰ সৌভাগ্য হৈছিল। সন্ধিয়া বিছনাখন ঠিক-ঠাক কৰোঁতে আঁঠুৰাখন ঘৰতে

এৰি অহাত, বিমোৰত পৰিছিলোঁ। মহিম বৰা ছাৰে 'গঙ্গা চিলনীৰ পাখি, গঙ্গা চিলনীৰ পাখি ক'ত'? বুলি লক্ষ্মীনন্দন বৰাক বিচাৰি হলটোত ঘূৰি ফুৰিছিল। মোৰ কাষলৈ আহি, মোৰ অৱস্থা গম পাই, ছাৰে ধেমালিতে কৈছিল— 'তেৰাং আহা। মোৰ আঁঠুৰা আছে। গুৰু-শিষ্যই আজি একেলগে শয়ন কৰোঁ। কি কোৱা?' কথাখিনি কৈ 'গঙ্গা চিলনীৰ পাখি ক'ত' বুলি লক্ষ্মীনন্দন বৰাক বিচাৰি ওলাই গৈছিল। নগাঁও কলেজত শিক্ষক ৰূপে সান্নিধ্য লাভ কৰা মোৰ ভয়াৰ্ত মনৰ ভয় নিমিষতে আঁতৰাই, মোক অবাক কৰি তুলিছিল, ছাৰৰ সৰল হৃদয়ৰ মনটোৱে।

'কাঠনিবাৰী ঘাট'ৰ লেখক বুলিয়েই মহিম বৰা ছাৰলৈ বিস্ময়ভৰা দৃষ্টিৰে চাই, শ্ৰদ্ধা কৰিছিলোঁ। ছাৰৰ গল্প, উপন্যাস, ৰম্য ৰচনা, প্ৰৱন্ধ আদিয়ে আনৰ ওপৰত কিদৰে প্ৰভাৱ পেলাইছে, মই নাজানো। মোৰ ওপৰত কিন্তু বাৰুকৈয়ে প্ৰভাৱ পেলাইছে বুলি ক'লে ভুল নহ'ব। উদাহৰণ স্বৰূপে ছাৰৰ কবিতাই কিদৰে মোক খেদি ফুৰিছিল, তাৰেই এটি চমু আভাস দিব বিচাৰিছোঁ।

দিনটো আছিল ১৯৯০ চনৰ জুন মাহৰ ১৫ তাৰিখ। শুকুৰবাৰ। ইম্ফল চহৰৰ জৱাহৰলাল নেহৰু ডেন্স একাদেমীৰ প্ৰেক্ষাগৃহত সাহিত্য অকাদেমিয়ে পূৰ্বাঞ্চলীয় লোক-সাহিত্য আলোচনা চক্ৰৰ আয়োজন কৰিছিল। আমি ডিফুৰপৰা ডিমাপুৰ-ক'হিমা হৈ ইম্ফললৈ যাত্ৰা কৰিছিলোঁ। ক'হিমা চহৰখন অতিক্ৰম কৰোঁতে বাৰে বাৰে ধৰা দিছিল চহৰখনে। লগতে ধৰা দিছিল হেলিপেড্‌টোত ৰৈ থকা অকলশৰীয়া ৰঙচুৰা হেলকপ্টাৰখন। ঠিক যেন এটি জীৱন্ত জিএঞা হে! ছাৰে বাৰু ৰঙা-জিএঞা এটিৰে কেনেকৈ কবিতা লিখিব পাৰে? ৰঙা-জিএঞাটোৱে ছাৰক কিন্তু বাৰুকৈয়ে আমনি দিছিল।

ছাৰৰ সাহিত্যই সেইদৰেই ধৰা দিছিল ইম্ফল যাত্ৰাৰ লগৰীয়া হৈ। 'কাব্য তেখেতৰ জিৰণিৰ মাজুলী মাথোন' বুলি ড° মহেন্দ্ৰ বৰাই ক'লেও ৰঙা-জিএঞাৰে কলংপাৰৰ কবিতাৰ ঘাটবোৰক কিন্তু জীপাল কৰি থৈ গ'ল, কাজিৰঙা কিম্বা ডবকাৰ সৌন্দৰ্যৰে।

ছাৰৰ আবক্ষ প্ৰতিমূৰ্তি উন্মোচনৰ পৰত, 'কলংপৰীয়া গল্প' পুথিলৈ মনত পৰিছে। গল্প পুথিৰ সম্পাদক শ্ৰীঅতুল শৰ্মাই ক'বৰ দৰে, মোৰো ক'বৰ মন গৈছে, — 'কলং এটি মাত্ৰ নাম নহয়। ই মাত্ৰ এটা সুঁতিও নহয়। কলং ইতিহাস। কলংপৰীয়াৰ সুখ-দুখৰ নীৰৱ সাক্ষী এই কলং। এই কলং সৃষ্টিৰ উৎস।'❑

---

লেখক - প্ৰাক্তন ছাত্ৰ, সু-সাহিত্যিক আৰু অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি।

# ভক্তি আন্দোলন
# শ্ৰীমন্ত শঙ্কৰদেৱ আৰু সমাজ-সংস্কৃতি

**তিলকচন্দ্ৰ মজুমদাৰ**

তত্ত্বজ্ঞ দাৰ্শনিকসকলে এক পৰমসত্য পৰমব্ৰহ্মাৰ সত্তা উপলব্ধি কৰি শ্ৰৱণ মননৰ দ্বাৰা আত্মাক পৰমাত্মাত অনুভৱ কৰিব পাৰিছে আৰু সত্য পথৰ সন্ধান জগতত বিলাই গৈছে। মানৱৰ মন আৰু আত্মাৰ উৎকৰ্ষ সাধন কৰি পৰমজনক হৃদয়বেদীত স্থাপন কৰিবলৈ ভক্তসকলে একান্তচিত্তে সাধনা কৰে।

বেদ-বেদান্তাদিত সৃষ্টি ৰহস্য উদ্ঘাটন কৰি ঈশ্বৰতত্ত্বৰ বহুল ব্যাখ্যা দাঙি ধৰা হৈছে। ঈশ্বৰতত্ত্বৰ নামত যাগ-যজ্ঞ, বলি-বিধান, পূজা-পাতলৰ আড়ম্বৰতাই গা-কৰি উঠাত এক শ্ৰেণীৰ লোকক ঈশ্বৰৰ অস্তিত্বৰ প্ৰতি সন্দিহান কৰি তুলিলে। যাৰ ফলত অস্তিত্ব স্বীকাৰ কৰা আৰু নকৰা দুটা মতবাদৰ সৃষ্টি হ'ল। বেদ নমনা বা ঈশ্বৰৰ অস্তিত্ব স্বীকাৰ নকৰাসকলে নাস্তিক আখ্যা পালে। আনহাতে, নানা যুক্তি-তৰ্কেৰে ঈশ্বৰৰ অস্তিত্ব স্বীকাৰ কৰা আস্তিকসকলৰ মতবাদেৰে সৃষ্টি হ'ল ষড়দৰ্শন। মহৰ্ষিসকলৰ ষড়দৰ্শন হ'ল— গৌতমৰ ন্যায়, কনাদৰ বৈশেষিক, কপিলৰ সাংখ্য, পতঞ্জলিৰ যোগ, জৈমিনীৰ পূৰ্ব মীমাংসা আৰু বাদৰায়নৰ উত্তৰ মীমাংসা বা বেদান্ত দৰ্শন। আত্মা আৰু ঈশ্বৰৰ ভেদজ্ঞান, সপ্ত পদাৰ্থৰ জ্ঞান, প্ৰকৃতি পুৰুষ অৰ্থাৎ ঈশ্বৰ আৰু জগতৰ ভেদজ্ঞান, সুখ-দুখৰ তত্ত্ব বুজি চিত্ত-শুদ্ধিৰ জ্ঞান, যজ্ঞাদি আনুষ্ঠানিক ক্ৰিয়া-কৰ্মৰ জ্ঞান, জীৱন আৰু ব্ৰহ্ম মূলত একে বস্তু--এইকেইটা তত্ত্বজ্ঞান ষড়দৰ্শনত যুক্তিৰে ফঁহিয়াই দেখুৱা হৈছে। বেদান্ত সূত্ৰৰ মতবাদ হ'ল একমাত্ৰ সনাতন ব্ৰহ্মহে সত্য বা শাশ্বত; আন সকলো মিছা, জৰীক সৰ্পজ্ঞান কৰাৰ লেখীয়া।

ব্ৰহ্ম ব্যতিৰেকে যত দেখা মিছা আন।
জৰীত ওপজি যেন আছে সৰ্পজ্ঞান।।

(দ্বাদশ স্কন্ধ, ভাগৱত)

দাৰ্শনিক মতবাদ বা তত্ত্বজ্ঞান সৰ্বজনৰ বোধগম্য নহয়। তদুপৰি শৰীৰক ৰক্ষা কৰিবলৈ যিসকলে খাই-বৈ থকাটোৱেই জীৱনৰ উদ্দেশ্য বুলি নেদেখাজনৰ ওপৰত সকলো সমৰ্পি চলে, সেইসকলে সৃষ্টি তত্ত্ব, জীৱনৰ ৰহস্য বিষয়ক কথাত মূৰ ঘমোৱাৰ প্ৰয়োজনবোধ নকৰাটো স্বাভাৱিক। বেদ-বেদান্ত, উপনিষদৰ মতবাদ তত্ত্বজ্ঞসকলৰ মাজতেই চলি থাকিল আৰু তাৰ মাজৰেই এটা চামে বেদৰ যাগ-যজ্ঞ, পূজা-পাতলৰ একমাত্ৰ কৰ্ত্ৰী হৈ পৰিল। প্ৰথমে ৰজাৰ ঘৰ, তাৰ পাছত ৰাজকৰ্মচাৰী, প্ৰতিপত্তিশালী লোকৰ মাজত বিভিন্ন ক্ৰিয়াকাণ্ড চলি পাছলৈ সাধাৰণ শ্ৰেণীৰ মাজতো গা-কৰি উঠিল। ইয়াৰ ফলতে ভগৱন্তই 'চাতুৰ্বৰ্ণ্যং ময়া সৃষ্টং গুণকৰ্ম বিভাগশঃ'— বুলি 'গীতা'ত কোৱা কথাষাৰ পাছলৈ সমাজত জাতভিত্তিক হৈ পৰিল। এয়া জ্ঞানান্বেষী সত্যদৰ্শী মতবাদৰ ওপৰত বুদ্ধিৰ্ষি বা একশ্ৰেণী সুবিধাভোগী বুদ্ধিজীৱীৰ অস্ত্ৰোপচাৰৰহে পৰিণাম বুলিব পাৰি।

জাতি বিভাগ কটকটীয়া হৈ পৰাত ভগৱানৰ মুখৰ নিঃসৃত বাণী বুলি সাধাৰণক বিশ্বাস জন্মোৱা বেদৰ অধিকাৰী পুৰোহিত শ্ৰেণীয়ে ৰাজকীয় ক্ষত্ৰিয়

যাগ-যজ্ঞত পশু বলি দিয়াৰ প্ৰকোপ চৰোৱাৰ ফলত, যজ্ঞাৰ্থে পশুপালকে সমূহীয়াভাৱে চৰি ৰখা পশু কোনো বিনিয়োগ নোহোৱাকৈ বা মূল্য নিদিয়াকৈ বলিৰ কাৰণে দি থাকিবলগীয়া হোৱাত বৈশ্য আৰু শূদ্ৰসকলৰ উৎপাদনৰ যথেষ্ট ক্ষয়-ক্ষতি হৈছিল। যাগ-যজ্ঞ, পূজা-পাতলে শাসকীয় ৰজা, সামন্ত প্ৰভু, ধনী বেপাৰীসকলৰহে প্ৰয়োজন সাধন কৰিছিল, পশু লালন-পালন কৰা আৰু উৎপাদনকাৰী সাধাৰণ লোকৰ কোনো প্ৰয়োজনত নালাগিছিল; বৰঞ্চ এই শ্ৰেণীক শোষণহে কৰা হৈছিল। (Dr. D. D. Kosambi: An Introduction to the Study of Indian History) গতিকে শাসিত আৰু শোষিতৰ অন্তৰ্দ্বন্দ্ব চলি থকাটো স্বাভাৱিক।

সবলে নিৰ্বলৰ ওপৰত, চতুৰে অজ্ঞৰ ওপৰত; সশস্ত্ৰই নিৰস্ত্ৰৰ ওপৰত অত্যাচাৰ-উৎপীড়ন, শাসন-শোষণ, লুণ্ঠন-হননৰ ফলত একেই মানৱ সমাজৰ সংখ্যাগৰিষ্ঠ চামৰ অধিকাৰ তথা জীয়াই থকাৰ অধিকাৰ খৰ্ব কৰা হৈছে। সামাজিক, ৰাজনৈতিক প্ৰভুত্ব বিস্তাৰৰ কাৰণে ধৰ্মৰ নামত কত কিমান যে অমানৱীয় কাণ্ড চলি অহা নাই, যাৰ কাৰণে বৈষম্যহীন সমাজ আৰু মানৱৰ সমঅধিকাৰ সাব্যস্ত কৰাৰ পথ কণ্টকাকীৰ্ণ হৈ থাকিল।

ধৰ্মৰ নামেৰে এটা শ্ৰেণীয়ে আন এটা শ্ৰেণীৰ ওপৰত শোষণ আৰম্ভ কৰাত সাধাৰণ শ্ৰেণীৰ লোকসকল বিপৰ্য্যস্ত হৈ পৰিল। বৈদিক যাগ-যজ্ঞৰ নামত পেট-প্ৰৱৰ্তন কৰি আনৰ মূৰত ৰাম-টাঙোন সোধোৱা কাৰ্যৰ প্ৰতি বহুতৰ বিৰাগ জন্মিল। যজ্ঞ বা বলি-বিধানৰ দ্বাৰা ইহকাল-পৰকালৰ সুখ-সমৃদ্ধি লাভ হ'ব, এনে ধাৰণাক গুৰুত্ব দিয়া বাবে দয়া, মমতা, মানৱতা জনসমাজৰপৰা যেন আঁতৰি গ'ল। সৎ চৰিত্ৰ আৰু সৎ কাৰ্যৰ অনুষ্ঠানাদি স্তব্ধ হৈ পৰিল। সেয়েহে আৰ্যসকলৰ সত্য-অন্বেষী জনমঙ্গলকামী এটা চামে ধৰ্মৰ নামত চলা অত্যাচাৰ-উৎপীড়ন, অমানৱীয় কাৰ্য্যত বিতুষ্ট হৈ সত্য আৰু মানৱীয় মৰ্য্যদা ৰক্ষা কৰিবলৈ আগবাঢ়ি আহিল। ভাৰতত সেই সময়তে বিশেষকৈ বুদ্ধদেৱ আৰু মহাবীৰ জৈনে কৰ্মকাণ্ডৰ ঈশ্বৰ অবিশ্বাস কৰি কাম, ক্ৰোধ, হিংসা, বিদ্বেষ আদিৰ পৰিৱৰ্ত্তে সৎ চিন্তা, ন্যায়, দয়া, অহিংসা, দান, প্ৰভৃতি আদৰ্শ জনসমাজত দাঙি ধৰিলে। মহাবীৰৰ অহিংস জৈন ধৰ্মও উত্তৰৰপৰা দক্ষিণলৈ বিস্তাৰিত হ'ল। যাৰ ফলত, হিংসাশ্ৰয়ী ধৰ্মাচৰণৰ লগত নৈতিক আৰু মানৱতাবাদী ধৰ্মৰ সংঘৰ্ষৰ সূত্ৰপাত হ'ল।

উল্লেখযোগ্য যে কেই শতিকামানৰ পাছত বৌদ্ধ আৰু জৈন ধৰ্মী লোকসকলৰ বিৰূপ আচৰণতো ঘুণে ধৰিলে। এনে দুৰ্দশাৰ সন্ধিক্ষণতেই দক্ষিণৰ পৰা ক্ৰমান্বয়ে উত্তৰলৈ ঈশ্বৰ ভক্তিৰ সোঁত নামি আহিল। 'গীতা'ত বৰ্ণনা কৰা ধ্যান, জ্ঞান, কৰ্ম আৰু ভক্তি যোগৰ ভিতৰত ভক্তিক প্ৰাধান্য দি ভক্তিমাৰ্গ জনসমাজত প্ৰচাৰিত হ'ল। ভগৱানৰ ভক্তি কোনো জাতি বিশেষৰ সম্পত্তি হৈ নাথাকিল। স্ত্ৰী-পুৰুষ, পণ্ডিত-অপণ্ডিত, জ্ঞানী-অজ্ঞানী, ৰজা-প্ৰজা, ধনী-নিৰ্ধনী সকলোৰে বাবে ইয়াৰ দুৱাৰ মুকলি হ'ল। বাহ্যিকতা আৰু আড়ম্বৰতা সম্পূৰ্ণ পৰিহাৰ কৰি পৱিত্ৰ হৃদয়েৰে ভগৱানক ভজনা বা উপাসনা কৰি পূৰ্ণ শান্তি লাভ কৰাৰ ওপৰত গুৰুত্ব দিয়া হ'ল।

সেই সময়ত এক ভগৱান সৃজিত সকলো লোকৰ বাবে দেৱ ভাষাত ৰচিত বেদ-বেদান্ত আদি ধৰ্ম শাস্ত্ৰৰ শিক্ষা উন্মুক্ত নাছিল। নানা জাতি-উপজাতিৰ লোকক অজ্ঞান অন্ধকাৰত ৰাখি সুবিধাভোগী শ্ৰেণীটোৱে শোষণ নিষ্পেষণ চলাইছিল। বিশেষকৈ বৈদিক ধৰ্মাৱলম্বী এই শ্ৰেণীটোৱে বেদ-উপনিষদ, যজ্ঞ-পূজাদিৰ সৰ্বময়কৰ্তা হৈ সেইবোৰৰপৰা সৰ্বসাধাৰণক অস্পৃশ্য কৰি ৰাখিছিল। একে প্ৰাকৃতিক, ভৌগোলিক পাৰিপাৰ্শ্বিকতাত জীৱন ধাৰণ কৰা মানুহৰ মাজৰ এনে ব্যৱধান বা অসমতা লাহে লাহে এচাম মনীষীৰ অসহনীয় হৈ উঠিল। এই আৱৰণ ভেদ কৰিবলৈ মধ্য যুগত সমগ্ৰ ভাৰততে এক আলোড়নৰ সৃষ্টি হ'ল। ভাৰতৰ ইমূৰৰপৰা সিমূৰলৈ

সৰ্বত্ৰতে ভিন্ ভিন্ অঞ্চলৰ সমাজ সংস্কাৰক আৰু প্ৰচাৰকসকলে শোষিত জনগণক পৰম সত্য পথৰ সন্ধান দিবলৈ ভক্তি আন্দোলনত জঁপিয়াই পৰিল। দাক্ষিণাত্যত আলোৱাৰসকল, ৰামানুচাৰ্য্য; উত্তৰ ভাৰতত ৰামানন্দ, কবীৰ, বল্লভাচাৰ্য্য; বংগদেশত শ্ৰীচৈতন্য; পঞ্জাৱত গুৰু নানক প্ৰভৃতিয়ে জনগণক মুক্তি-পথৰ সন্ধান দি সম অধিকাৰ সাব্যস্ত কৰিবলৈ একেশ্বৰবাদী ভক্তি-আন্দোলনৰ গুৰি ধৰে।

ভাৰতৰ দক্ষিণৰ পৰা উত্তৰলৈ বিভিন্ন ৰাজ্যৰ ভক্তি-ধৰ্মই আলোড়ন কৰা সময়ত অসমত আৱিৰ্ভাৱ হয় শ্ৰীমন্ত শঙ্কৰদেৱৰ। অসমৰ ধৰ্ম-সমাজ-সংস্কৃতিৰ ইতিহাসত শঙ্কৰদেৱৰ আৱিৰ্ভাৱৰ পূৰ্বৰে পৰা কামৰূপ-অসমত সকলো দিশতে বিশৃংখলতা, অস্থিৰতা, অসমতা-বৈষম্য বিৰাজ কৰাৰ উপৰি অন্যায়-অনীতি, অধৰ্ম, কু-সংস্কাৰ, পাশৱিকতা, অত্যাচাৰ-উৎপীড়নত জনসাধাৰণ জৰ্জৰিত হৈছিল। প্ৰাচীন অসমত অতীতৰে পৰা নানা অলৌকিক পূজা, মদ-মাংস-মৎস্য-মৈথুন-মুদ্ৰা— এই পাঁচবিধ উপাচাৰেৰে পতা পঞ্চমকাৰ পূজা, বৌদ্ধাচাৰ, পশু বলিৰ উপৰি কামাখ্যা আৰু তাম্ৰেশ্বৰী মন্দিৰত নৰবলি পৰ্য্যন্ত চলিছিল। আজিকালি নৰবলি বন্ধ হৈছে যদিও পশুবলি-বিধান চলি আছে। আনকি ধৰ্মৰ নামত জাত-পাতৰ বৈষম্য আৰু শোষণৰ ফলত অজ্ঞ জনসাধাৰণ মূৰ দাঙি উঠাৰ সকলো পথ ৰুদ্ধ আছিল।

মধ্যযুগত শঙ্কৰদেৱৰ আৱিৰ্ভাৱৰ পূৰ্বৰে পৰা বিভিন্ন জাতি-উপজাতিয়ে নিজ নিজ কৰ্ম আৰু শ্ৰম বৃত্তিৰে জীৱিকা নিৰ্বাহ কৰিছিল। শ্ৰমজীৱি জনসাধাৰণৰ মন আৰু আত্মাৰ উৎকৰ্ষ বা বিকাশৰ অৱকাশ নাছিল। উচ্চবৰ্ণ-হীনবৰ্ণৰ প্ৰাচীৰখন বৰ কটকটীয়া আছিল। যাৰ যি জাতি, কুল বা বৃত্তি সেই ভাগে সমাজ চলিছিল। ৰাজ আজ্ঞা আৰু উচ্চ জাত বুলি সমাজত প্ৰাধান্য পোৱা পুৰোহিতৰ সিদ্ধান্ত মতে ধৰ্ম-কৰ্ম, ৰীতি-নীতি, আচাৰ-বিচাৰ চলিছিল। ৰাজশক্তিবোৰৰ সংঘৰ্ষ, উত্থান-পতন, সুবিধাবাদী শ্ৰেণীৰ শোষণ-নিষ্পেষণত সাধাৰণ প্ৰজাসকলৰ জীয়াই থকাৰ সংগ্ৰাম অৰ্থাৎ শ্ৰমৰ বাহিৰে আন কোনো ধৰ্মাধৰ্মৰ চেতনা বা মানসিক উৎকৰ্ষৰ চিন্তাই স্থান নাপাইছিল। পূৰ্বৰ প্ৰচলিত ৰীতিমতে শাক্ত-তান্ত্ৰিক-বৌদ্ধ-বামাচাৰী মতৰ ধৰ্মৰ বিভীষিকাই জনজীৱন অস্থিৰ আৰু সমাজ-জীৱন কলুষিত কৰি তুলিছিল। প্ৰত্যেক জাতি-উপজাতি বা জনজাতি নিজৰ নিজৰ মাজতে সীমাবদ্ধ আছিল। অসমৰ সামাজিক আৰু সাংস্কৃতিক ইতিহাসৰপৰা শঙ্কৰদেৱৰ সময়ৰ অসমীয়া সমাজখন অজ্ঞানতাৰ অটল গহ্বৰত নিমজ্জিত হৈ থকা নাছিল বুলি কোৱা হৈছে যদিও শঙ্কৰদেৱে হৰিগৃহ বা নামঘৰ প্ৰতিষ্ঠা কৰি ধৰ্ম প্ৰৱৰ্তন আৰু প্ৰচাৰ কৰাৰ পূৰ্বৰেপৰা অসমত ধৰ্মৰ নামেৰে নানা তন্ত্ৰ-মন্ত্ৰ, বামাচাৰী পূজা-আচৰণ, বলি-বিধানত জনসাধাৰণ নিমজ্জিত হৈ যে আছিল তাক নুই কৰিব নোৱাৰি।

ইদেশত পূৰ্বকালে নাছিল ভকতি।
নানা ধৰ্ম-কৰ্ম লোকে কৰিল সম্প্ৰতি।।
নানা দেৱ পূজয় কৰয় বলিদান।
হংস ছাগ পাৰ কাটে অসংখ্য প্ৰমাণ।।
...          ...
হৰিকথা নামগুণ নকৰয় কেৱ।
হংস ছাগ কাটি মাত্ৰ পূজে অন্যদেৱ।।
(দৈত্যাৰি ঠাকুৰ)

শিৱ শিৱ বুলি মাত্ৰ কৰয় উৎসৱ।।
নপূজে হৰিক নকৰয় হৰিকৰ্ম।
ভৈৰৱক পূজে মাত্ৰ বুলি শ্ৰেষ্ঠ ধৰ্ম।।
কৰম ছাগৰ তেজ বঢ়ায়া আগত।
প্ৰসাদ বুলিয়ে পিয়ে হুয়া উন্মত্ত।।
(ৰমানন্দ দ্বিজ)

সমাজৰ সংকট-দুৰ্যোগৰ মুহূৰ্তত ভূঞা ৰাজ্যৰ বটদ্ৰৱা বা বৰদোৱা-আলিপুখুৰীত সামন্ত পৰিয়ালত শঙ্কৰদেৱৰ আবিৰ্ভাৱ হয় আৰু তাত তেওঁ ডাঙৰ-

দীঘল হৈ খেলা-ধূলাৰ মাজেৰে শৈশৱ-কৈশোৰ অতিবাহিত কৰি বাল্যকালত শিঙৰীৰ বিদগ্ধ ব্ৰাহ্মণ পণ্ডিত মহেন্দ্ৰ কন্দলীৰ টোল (গৃহ-শিক্ষালয়)ত শিক্ষা গ্ৰহণ কৰি নানা শাস্ত্ৰত নৈপূণ্যৰ পৰিচয় দি গৃহলৈ ঘূৰি আহি পুথি-পাঁজি অধ্যয়ন-চৰ্চা কৰি আধ্যাত্মিক-নৈতিক-মানবীয়-সামাজিক জ্ঞান-আহৰণ কৰি চকুৰ আগত দেখা বৈষম্যময় সমাজখনলৈ মন কৰিলে। জন-সমাজ ভিন ভিন মতবাদ, জাত-কুল-ধৰ্মৰ এনে কিছুমান ৰীতি-নীতিৰ বান্ধোনত আৱদ্ধ আছিল, ক্ৰমোন্নতিৰ পথত আগুৱাৰ কোনো পথৰ সন্ধান পোৱা নাছিল। শঙ্কৰদেৱৰ আৱিৰ্ভাৱৰ পূৰ্বে অসমত সামাজিক মৃত্যুৰ অৱস্থা আছিল, শঙ্কৰদেৱে মৃত-সঞ্জীৱনী মন্ত্ৰেৰে অসমত আকৌ প্ৰাণ দিলে।

শঙ্কৰদেৱে সকলো শ্ৰেণীৰ লোকক ঐক্যবদ্ধ কৰিবলৈ এক উমৈহতীয়া ক্ষেত্ৰ বা থান উদ্ভাৱন কৰিলে। নানা জাতি-উপজাতি, ধৰ্ম-বৰ্ণ-সম্প্ৰদায়ৰ লোকক এক ক্ষেত্ৰত সমবেত কৰাই এক সত্যধৰ্মৰ সন্ধান দিবলৈ শঙ্কৰদেৱ আৰু ধৰ্মগুৰুসকলে যি থান বা হৰিগৃহ স্থাপন কৰিলে সেয়াই জনসমাজৰ মনৰ, হৃদয়ৰ অতি পৱিত্ৰ অনুষ্ঠান সত্ৰ। “যি সময়ত পূবে আহোমসকলে, পশ্চিমে কোচ শাসকসকলে আৰু মাজে মাজে বিক্ৰমী মোগল সেনাবাহিনী সোমাই কামৰূপ ৰাজ্য বহুধা-বিভক্ত কৰি সমাজ উৎপাটন কৰাৰ সূত্ৰপাত কৰে, তেনে সঙ্কটকালতো শঙ্কৰদেৱৰ নৱবৈষ্ণৱ আন্দোলনে ঐক্যবদ্ধ কৰা সমাজ তথা জাতীয় জীৱন নৱ-প্ৰতিষ্ঠিত সত্ৰবোৰক কেন্দ্ৰ কৰি ‘নিৱাত-নিষ্কম্প ইৱ প্ৰদীপঃ’- বতাহ নলগা, নকঁপা চাকিটিৰ দৰে জ্বলি থাকিল। (বাণীকান্ত কাকতি)

শঙ্কৰদেৱে জাতি-উপজাতি-গোষ্ঠী-বৰ্ণ-সম্প্ৰদায়ৰ বিভিন্নতা বৈষ্ণৱ ধৰ্মৰ মহান বাণীৰে মথিমূৰ কৰি সমন্বয় স্থাপনত গুৰুত্ব আৰোপ কৰি সকলোৰে বিষ্ণু-ভকতৰ সঙ্গত পৱিত্ৰ হৈ ‘ভকতি লভিয়া সংসাৰ তৰিয়া সুখে বৈকুণ্ঠ চলয়।’— বুলি কৈছে। সমাজে অস্পৃশ্য বুলি বিদূৰ কৰা জনো যে গুণ-কৰ্মত সমাজত উচ্চ আসনত অধিষ্ঠিত জনতকৈ ওপৰত থাকে তাক শঙ্কৰদেৱে বৰদোৱাত টেম্বুৱানী জান বন্ধা কৈৱৰ্ত্ত ভাৰ্যা তৰাৱতী বা ৰাধিকাৰ অলৌকিক কাৰ্যৰ উদাহৰণেৰে সমজুৱাক জনাইছিল। শঙ্কৰদেৱে মন কৰিছিল পৰ্বত-ভৈয়ামৰ স্পৃশ্য-অস্পৃশ্য, জাতি-অজাতিৰ জনতাৰ ঐক্য-সমন্বয়ৰ দ্বাৰাই গঠন হোৱা সমাজৰ দ্বাৰাহে জাতীয় ঐক্য সম্ভৱপৰ হ’ব পাৰে।

উল্লেখযোগ্য যে শঙ্কৰদেৱে সৰ্বসাধাৰণৰ আশা-আকাঙ্খা, চিন্তা-ধাৰণা, প্ৰতিভাৰ বিকাশ আৰু সামাজিক ঐক্য সাধনত মনোনিবেশ কৰি তাক কাৰ্যকৰী কৰিবলৈ সংস্কৃতিৰ বৰঘৰ সজাই-পৰাই তুলিলে— বিভিন্ন জনজাতীয় থলুৱা উপাদানৰ লগত আৰ্য-সংস্কৃতিৰ সংমিশ্ৰণ ঘটায়। বিভিন্ন ‘চৰিত-পুথি’ৰ পৰা পোৱা তথ্যমতে গাৰোৰ গোৱিন্দ, নগাৰ নৰোত্তম, মিকিৰ (কাৰ্বি)ৰ বলাই, কছাৰীৰ ৰমাই, মিৰিৰ পৰমানন্দ, ভোটৰ জয়ৰাম-দামোদৰ, জয়ন্তীয়াৰ কুমাৰ মাধৱ, মিচিঙৰ পৰমানন্দ, কৈৱৰ্ত্তৰ পূৰ্ণানন্দ (শ্ৰীৰাম), আহোমৰ নৰহৰি, কোচৰ মুৰাৰি, বনিয়াৰ হৰিদাস, মুছলমানৰ চান্দসাই প্ৰভৃতিক শৰণ দি বৈষ্ণৱ সমাজৰ অন্তৰ্ভুক্ত কৰি বৃহত্তৰ অসম তথা অসমীয়া সমাজ গঢ়ি তুলিছিল।

মাধৱদেৱৰ অন্যতম ধৰ্মাচাৰ্য গোপাল আতাৰ আজ্ঞাপৰ মায়ামৰা সত্ৰৰ প্ৰতিষ্ঠাপক অনিৰুদ্ধদেৱে মুছলমান লোককো ভক্তিধৰ্মত শৰণ দিয়াৰ কথা জনা যায়। এই প্ৰসঙ্গত লক্ষীমপুৰৰ বিষ্ণুবালিকুছিৰ ধেলী দৰ্জিৰ নাম উল্লেখযোগ্য। (সূৰ্যকুমাৰ ভূঞা) যবন বংশৰ ধেলী দৰ্জিয়েও আহি অনিৰুদ্ধদেৱৰ ওচৰত শৰণ লৈ ধ্যানপতি নাম লৈ হিন্দু হৈ আহোম বংশৰ অন্তৰ্ভুক্ত হয়। নৱবৈষ্ণৱ সনাতন ধৰ্মৰ বাণী আৰু বৈষ্ণৱ সত্ৰসমূহৰ প্ৰভাৱত আহোম, কছাৰী, বড়ো, ডিমাচা, ৰাভা, কোচ, চুতীয়া, নগা, মিৰি প্ৰভৃতিৰ অনেকে জড়োপাসনা, কুসংস্কাৰ, ঐন্দ্ৰজালিকতা আদি পৰিহাৰ কৰি বৈষ্ণৱ ধৰ্ম-

সংস্কৃতিৰ প্ৰভাৱত অসমীয়া সমাজ তথা জাতীয়তাৰ ভেটি কটকটীয়া কৰাত সহায় কৰে। বৈষ্ণৱ ভক্ত আচাৰ্যৰ আহ্বানত 'স্ত্ৰী-শূদ্ৰ বৈশ্য আদি' 'ব্ৰাহ্মণ-ক্ষত্ৰিয় ৰাজঋষি' 'মিৰি-অসম-কছাৰী' সকলোৱে সমভাৱে ভগৱানৰ প্ৰতি ভক্তি নিবেদন কৰি পৰমানন্দ লাভ কৰে।

চৌষষ্ঠি কলা-বিশাৰদ শঙ্কৰদেৱ আৰু ধৰ্মাচাৰ্যসকলে বিভিন্ন জনসমষ্টিক পূৰ্বৰ পৰাই আকৰ্ষণ কৰি অহা লোক-কলা আৰু জনকৃষ্টিৰ উপাদানৰ লগত শাস্ত্ৰীয় উপাদানৰ যোগ-বিয়োগ তথা সংমিশ্ৰণেৰে নব্য-সংস্কৃতিৰ ৰূপদান কৰিলে। তেনে সমন্বয়-সংস্কৃতিৰে সকলো শ্ৰেণীৰ লোকৰ মন আকৰ্ষণ কৰি অন্তৰৰ পৰিশুদ্ধতাৰে পৰমজনাক লাভ কৰাৰ পথ দেখুৱালে। সেই সাংস্কৃতিক উপাদানসমূহৰ ভিতৰত সত্ৰ-নামঘৰ, নাম-কীৰ্ত্তন, ভাগৱত পাঠ, বৰগীত, গায়ন-বায়ন, ভাওনাৰ সাজ-পাৰ, মুখা, নৃত্য-গীত, বিভিন্ন উৎসৱ, অনুষ্ঠান আৰু বাঁহ-বেত-কাঠৰ চাৰু-কাৰু-শিল্প আদি উল্লেখযোগ্য। প্ৰাচীন যুগত হিন্দুৰ মঠ-মন্দিৰ, দেৱালয়াদি শিল-ইটাৰে সজোৱা হৈছিল আৰু সেইবোৰত ৰাজকীয় পৃষ্ঠপোষকতাও থকাৰ কথা জনা যায়। কিন্তু সৰ্বসাধাৰণৰ কলা-সংস্কৃতিৰ লগত সম্পৰ্ক ৰক্ষা কৰিবলৈ শঙ্কৰদেৱ আৰু ধৰ্মাচাৰ্যসকলে সাধাৰণ লোকৰ ঘৰ-দুৱাৰ, বেৰ সজোৱা উপকৰণেৰে হৰিগৃহ বা নামঘৰ, বহাঘৰ, নাটঘৰ, ভাওনা, নৃত্যৰ আচবাব আদি কাঠ, বাঁহ, বেত, খেৰ আদিৰে সজাইছিল। পৱিত্ৰ অসম যাৰ ফলত, কৃষিজীৱী সাধাৰণ দৰিদ্ৰ ৰাইজে সেই সমলবোৰ সংগ্ৰহ কৰি ৰাজহুৱা সত্ৰ-নামঘৰ, নৃত্য, ভাওনা, বহা আসন আদি ব্যৱহাৰ্য সামগ্ৰীৰে সামাজিক আৰু সাংস্কৃতিক কাৰ্য সহজে কৰাৰ ব্যৱস্থা হ'ল। আজিকালিৰ দৰে সেই কালত ইটা, চিমেণ্ট, বালি, শিলগুটিৰে পকাকৈ সত্ৰ-নামঘৰ, বাটচ'ৰা বন্ধোৱা নাছিল। নাম-প্ৰসঙ্গ, নৃত্য-গীত-ভাওনাদিত উপযুক্ততাৰ ভিত্তিত অংশগ্ৰহণ কৰাৰ সুবিধা দিয়া হৈছে। জাত-পাতৰ ওপৰত গুৰুত্ব নিদি গুণাগুণৰ বিচাৰ কৰি সত্ৰ-সমাজত গণতান্ত্ৰিক প্ৰক্ৰিয়া আৰম্ভ হোৱাত বিভিন্ন জনগোষ্ঠীৰ মাজত থকা বৈষম্য দূৰ হ'ল। সত্ৰ-নামঘৰৰ নাম-কীৰ্ত্তন, সভা-ভাওনা-থলী আদিত বহা আসনৰ ওখ-চাপৰৰ ব্যৱস্থা নাই। সকলোৱে মাটিত পাৰি দিয়া কঠ, ঢাৰি বা পাটীত বহে। অসমীয়াৰ কৃষি কাৰ্যত সততে পোৱা মগুমাহ, চাউল, আদা, কল, নাৰিকল, তিয়ঁহ কেইবিধমান ফল ভগৱন্তৰ প্ৰসাদ বুলি আগবঢ়োৱা হয়, যাক অৰ্থনৈতিকভাৱে দুৰ্বলজনেও দিবলৈ সক্ষম হয়। ইয়াৰ কাৰণে কোনো ধৰা-বন্ধা পৰিমাণ নাই।

বাৰেবৰণীয়া উমৈহতীয়া সংস্কৃতিৰ সংমিশ্ৰণত অসমত বসবাস কৰা জনগোষ্ঠী, বিভিন্ন ধৰ্ম-বৰ্ণ-সম্প্ৰদায়, ভাষা-উপভাষাৰ লোকক মনৰ বিদ্বেষ-হিংসা, দন্দ্ব-খৰিয়াল, কুসংস্কাৰ আৰু জাতিভেদৰ ঠেকগণ্ডীৰ পৰা উত্তৰণ কৰি মানৱীয় অধিকাৰ আৰু সামাজিক ঐক্য প্ৰতিষ্ঠা কৰি সত্ৰই এখন বহল তথা সংস্কৃতিপূৰ্ণ সমাজ গঠন কৰি সুস্থ-সবল জাতীয় সংস্কৃতি গঢ়ি তোলে।❑

---

লেখক - বৈষ্ণৱ ধৰ্ম-সাহিত্য-সংস্কৃতিৰ বিশিষ্ট পণ্ডিত আৰু নগাঁও ছোৱালী কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যাপক।

# অসম বুৰঞ্জীৰ উৎস স্বৰূপে যোগিনীতন্ত্ৰ আৰু কালিকাপুৰাণ

**ড° ৰক্তিম ৰঞ্জন শইকীয়া**

যোগিনীতন্ত্ৰ আৰু কালিকাপুৰাণ মধ্যযুগৰ অসমৰ দুখন উল্লেখযোগ্য গ্ৰন্থ। ধৰ্মগ্ৰন্থ ৰূপেই মূলতঃ পৰিচিত যদিও এই দুখন পুথি বহুক্ষেত্ৰত মধ্যযুগৰ অসমৰ সঠিক তথ্যৰ বাবে অন্ধকাৰত আলোক স্বৰূপ। সঠিক ব্যাখ্যাৰ অভাৱৰ বাবে আৰু নীলাচল পাহাৰৰ নৰক তথা কামাখ্যাৰ কাহিনীত সময় (Time) সম্পৰ্কীয় কিছুমান পৰস্পৰ বিৰোধী তথ্যই যোগিনীতন্ত্ৰ আৰু কালিকাপুৰাণক ইতিহাস মৰ্যাদা দিয়াত বাধা প্ৰদান কৰিছে। সঠিক ব্যাখ্যাৰ যোগেদি কিন্তু যোগিনীতন্ত্ৰ আৰু কালিকাপুৰাণৰ পৰা বহুখিনি ঐতিহাসিক সমল আহৰণ কৰিব পৰা যায়। যোগিনীতন্ত্ৰ ১৫৪০ চন মানত ৰচিত হৈছিল। এই গ্ৰন্থত কোচসকলৰ (কুবাচ নামেৰে যোগিনীতন্ত্ৰত অভিহিত হৈছে) প্ৰথম ৰজা বিশ্বসিংহৰ ক্ষমতালাভ (১৫১৫ চনত), কোচ আৰু আহোমসকলৰ (যোগিনীতন্ত্ৰত সৌমাৰ নামে অভিহিত হৈছে) প্ৰথম সংঘাতৰ কথা উল্লেখ আছে (১৫৩৭চনত)। কিন্তু ১৫৪৭চনত আহোমসকলৰ হাতত কোচসকলৰ পৰাজয় আৰু ১৫৬৫ চনৰ কামাখ্যা মন্দিৰৰ পুনৰ নিৰ্মাণৰ দৰে গুৰুত্বপূৰ্ণ ঘটনাৰ বিষয়ে একো উল্লেখ নাই। সেয়েহে যোগিনীতন্ত্ৰৰ ৰচনা কাল ১৫৪০ চনৰ আগে-পাছেই হ'ব লাগিব। কালিকা পুৰাণত উল্লেখিত কামাখ্যা ধৰ্ম সম্প্ৰদায়টো অসমলৈ বঙ্গ বা উৰিষ্যাৰপৰা একাদশ শতিকাত আহিছিল। গতিকে কালিকা পুৰাণৰ ৰচনা দ্বাদশ শতিকাৰ আগলৈ যাব নোৱাৰে। 'অসমৰ সম্পূৰ্ণ জাতীয় ইতিহাস' ৰচনাৰ প্ৰক্ৰিয়া আগবঢ়াই নিয়াৰ মুহূৰ্ততে আমাৰ অনুভৱ হয় যে বিজ্ঞানসন্মতভাৱে যোগিনীতন্ত্ৰ আৰু কালিকাপুৰাণত দৃষ্টিপাত কৰাটো নিতান্তই প্ৰয়োজনীয়। যোগিনীতন্ত্ৰ আৰু কালিকাপুৰাণক আধাৰ কৰি নীলাচল পাহাৰ, কামাখ্যা দেৱী আৰু নৰকাসুৰৰ বিভিন্ন কাহিনীসমূহৰ স্থান কাল-পাত্ৰৰ সুমীমাংসা কৰিবলৈ এই প্ৰবন্ধৰ যোগেদি যত্ন কৰা হৈছে।

নৰকাসুৰৰ কিম্বদন্তী মতে, অসম ভূখণ্ডৰ পশ্চিমফালৰপৰা (মিথিলা) অহা এদল অভিযাত্ৰীৰ নেতা ৰাজকুমাৰ জনে (নৰক) স্থানীয় নেতা জনক (মহীৰংগ বংশৰ ঘটকাসুৰ) যুদ্ধত পৰাজিত কৰি হত্যা কৰে আৰু ৰাজপাট দখল কৰে। এই কাহিনীয়ে অসমৰ পশ্চিমফালৰপৰা অহা ইণ্ডো-ইউৰোপীয় ভাষী লোকসকলৰ কিৰাট ভূমিত আগ্ৰাসনকে সূচিত কৰে বুলি এটা সৰ্বসন্মত ধাৰণা এটাৰ প্ৰচলন আছে। উত্তৰ আৰু পূৱ ভাৰতৰ মানুহৰ বাবে ব্ৰহ্মপুত্ৰ উপত্যকাইদি ম্যানমাৰ তথা ইণ্ডোচীনলৈ থকা পথটোৰ কথা পূৰ্বৰেপৰা জ্ঞাত আছিল। ৰাজকুমাৰ সমুদ্ৰই এই পথেদিয়েই বৰ্তমানৰ ম্যানমাৰলৈ এটি অভিযান চলাইছিল (A History of Assam, Edward Gait pp.9) । পশ্চিমফালৰপৰা অহা অভিযাত্ৰীসকলৰ নেতাজনক আমি এতিয়াপৰা আমি নৰক নামেৰে সূচিত কৰিম। কিন্তু মহাকাব্য আৰু অন্য শাস্ত্ৰ সমূহত

কেইবাজনো নৰকৰ নাম পোৱা যায়, যিসকল কোনো মতেই একেজন হ'ব নোৱাৰে।

প্ৰকৃততে নৰক নামটো বিশেষ্য নহৈ বিশেষণহে। ভাৰতীয় পৰম্পৰাত ৰজাই বিক্ৰমাদিত্য ধৰ্মপাল নাম লোৱা দেখা যায়। কিন্তু নৰক? জানি-শুনি 'নৰক' নাম কোনো পিতৃ ৰজাই পুত্ৰক নিদিয়ে। প্ৰকৃততে কেইবাজনো ৰজাক বিভিন্ন সময়ত বিৰোধীসকলে নৰক নামেৰে অভিহিত কৰিছিল। সেয়েহে নৰকৰ কাহিনীসমূহত কালৰ বিভ্ৰান্তি আহে।

কালিকাপুৰাণৰ নৰকৰ জন্ম ৰহস্যতে এই পশ্চিমফালৰপৰা অহা (মিথিলা) ৰজাজন 'নৰক'লৈ ৰূপান্তৰিত হোৱা বিশেষ ঘটনাটিৰ ইংগিত আছে। তেখেতৰ মতে, ভূমিদেৱীয়ে সন্তানটি জনকৰ যজ্ঞভূমিত (বলিভূমিত?) জন্ম দি তাৰ মূৰটো প্ৰথমতে মানুহৰ লাওখোলাত ৰাখিলে (The Mother Goddess Kamakhya, p. 26)। বাস্তৱক্ষেত্ৰত কেঁচুৱাৰ মূৰটো লাওখোলত ৰখা সম্ভৱ নহয়। এটা লাওখোলাত গোটেই কেঁচুৱাটোও ৰাখিব নোৱাৰি। আমাৰ ধাৰণা, এয়া কালিকাপুৰাণৰ নৰকৰ জন্মৰ কাহিনীৰ ভুল ব্যাখ্যাহে। আমি সমস্ত ঘটনাটিৰ ব্যাখ্যা নিম্নোল্লিখিত ধৰণেৰেহে কৰিম। পশ্চিমফালৰপৰা অহা ৰাজকুমাৰ আৰু তেওঁৰ অনুগামীসকল বিষ্ণু আৰু কাত্যায়নীৰ (ভূমিদেৱী) অনুগামী আছিল। কালিকা পুৰাণৰ মতে, বিষ্ণু আৰু কাত্যায়নীৰ অনুগ্ৰহত নতুন ৰজাই অতি সোনকালেই নিজৰ ৰাজ্যত সুপ্ৰতিষ্ঠিত হৈ ভৌম ৰাজবংশৰ (যি ভূমিৰপৰা উদ্ভৱ) আৰম্ভণি কৰিছিল। নতুন ৰজাই বৰ্তমান নীলাচল নামেৰে প্ৰসিদ্ধ বৰাহ পৰ্বতত নিজৰ দুৰ্গ স্থাপন কৰিছিল (Assam-Bengal Relation,-P.C. Choudhury, p-62)। নতুন ৰজাই কিছুদিনৰ পাছতে স্থানীয় জনতাক আপোন কৰি লোৱা আৰম্ভ কৰিলে (আহোম ৰজা চুকাফাৰ দৰে)। মুৰু নামৰ অসুৰে (এই নামে মহীৰংগ বংশৰ বুলি ইংগিত দিয়ে) মূল দুৰ্গ নিৰ্মাণৰ দৰে অতি গুৰুত্বপূৰ্ণ দায়িত্ব পাইছিল। এনে কাৰ্যই নিশ্চয়কৈ নতুন ৰজাৰ পূৰ্বৰ অনুগামীসকলৰ মাজত অসন্তুষ্টিৰ সৃষ্টি কৰিছিল। এই অসন্তুষ্টিয়ে সেইদিনাই বিস্ফোৰণৰ ৰূপ ল'লে, যিদিনা নতুন ৰজা 'নৰক'লৈ ৰূপান্তৰিত হ'ল। ঘটনাটো তেন্তে কি আছিল? কীৰাটসকল (তিব্বতৰপৰা অসমলৈ অহা প্ৰথমচাম প্ৰব্ৰজনকাৰী তিব্বত বৰ্মী ভাষীসকল) আছিল শিৱৰ উপাসক। তেওঁলোকে এই শিৱক তিব্বতৰপৰাই লগত লৈ আহিছিল। এতিয়াও তিব্বত ভূটানৰ যিকোনো মঠৰ দুৱাৰত জঁটা ডম্বৰুধাৰী 'দেমচোদ' (Demsod) নামৰ শিৱ সদৃশ দেৱতাৰ মূৰ্তি পৰিলক্ষিত হয়। (বাণীকান্ত কাকতিয়ে অসমত শিৱ দেৱতাৰ পূজা নৰকাসুৰৰ আগমনৰ আগৰে পৰা চলি আছিল বুলি উল্লেখ কৰিছে। কিন্তু এই শিৱ তেখেতৰ মতে, আৰ্যসকলৰ জড়িয়তেহে আহিছিল। (The Mother Goddess Kamakhya, p.29) নতুন ভৌম ৰজাই প্ৰথমে শিৱ পূজা নিষিদ্ধ কৰি বিষ্ণু আৰু কাত্যায়নীৰ পূজাৰ প্ৰচলন কৰিছিল (কালিকা পুৰাণ)। শিৱ বিশ্বাসী কিৰাটসকল পূৱ সাগৰৰ ফালে হুঁহুকি গ'ল। কিন্তু পাছলৈ নতুন ৰজাই স্থানীয় ৰীতি-নীতি গ্ৰহণ কৰা আৰম্ভ কৰিলে। এই গ্ৰহণ কৰাৰ নীতিয়ে এদিন চৰমসীমা পালে, যি দিনা ৰজাজন 'নৰক'লৈ ৰূপান্তৰিত হ'ল। বাস্তৱ যুক্তিয়ে কয় নৰকৰ জন্মৰ ঘটনা আচলতে এক ধৰ্ম-সম্প্ৰদায়ৰ প্ৰতি আনুগত্য সলনি কৰি, বেলেগ ধৰ্ম-সম্প্ৰদায়ৰ প্ৰতি আনুগত্য গ্ৰহণহে। 'নৰক' শব্দটিয়ে এক বিশেষ ধৰ্ম-সম্প্ৰদায়ৰ প্ৰতি আনুগত্যক সূচিত কৰে। ভৌম ৰজাই বিণুকাত্যায়নীৰ পূজা কৰিবলৈ এৰি কাপালিক শৈৱ ধৰ্ম আঁকোৱালি ল'লে। কাপালিক শৈৱ ধৰ্মত লাওখোলা আগত ৰাখি উপাসনা কৰা হয়। লাওখোলাত মূৰ থোৱাৰ ৰহস্য এয়ে। নৰকৰ জন্ম মানে এজন সৎ ৰজা (অনুগামীসকলৰ দৃষ্টিত) সলনি হৈ 'নৰক' অৰ্থাৎ বিধৰ্মী হোৱা। নৰকৰ জন্মৰ পাছত অৰ্থাৎ ৰজাই পূৰ্বপুৰুষৰ ধৰ্ম ত্যাগ কৰি স্থানীয় ধৰ্ম তথা ৰীতি-নীতি লোৱাত ৰজাৰ পূৰ্বৰ বৈষ্ণৱ

অনুগামীসকল বিদ্ৰোহী হৈ উঠিল আৰু পশ্চিমৰ কোনো বৈষ্ণৱ ৰজাৰ সহায়ত (কৃষ্ণ) নতুন শৈৱ মত লোৱা ৰজাক (নৰকক) হত্যা কৰে। এয়া হ'ল প্ৰথম নৰকৰ কাহিনী।

এইখিনিলৈকে কামাখ্যাৰ লগত নৰকাসুৰৰ কোনো সম্পৰ্কৰ কথা অহাই নাই। আহিব নোৱাৰেও। কাৰণ কামাখ্যা ধৰ্ম-সম্প্ৰদায়টোৰ উৎপত্তিহে হৈছিল দশম-একাদশ শতিকাত। কামাখ্যা মন্দিৰৰ বৰ্তমানৰ চৌহদ অতি প্ৰাচীন (২২০০ বছৰ), কিন্তু যোনি পীঠ (অৰ্থাৎ কামাখ্য উপাসনা) অতি নতুন আৰু পাচত প্ৰতিষ্ঠা কৰা। এই সত্যটোক সহজেই প্ৰমাণ কৰিব পাৰি। কালিকা পুৰাণে কৈছে—

'সত্যাস্তু পতিতম্ তত্ৰ বিশীৰ্ণম্ যোনীমণ্ডলম্।
শিলাত্বমগমচ্ছৈলে কামাখ্যা তত্ৰ সংস্থিতা।।
(দ্বিষষ্টিতম অধ্যায়, শ্লোক নং ৭৬, পৃষ্ঠা-৬১৪)

শ্লোকটোৰ পোনপটীয়া অৰ্থ হ'ল 'সত্য এয়ে যে য'ত কামাখ্যাৰ অৱস্থিতি আছিল, তাতে সতীৰ শীৰ্ণ হৈ যোৱা যোনি অংশ পৰি শিলীভূত হৈ ৰ'ল'। অৰ্থাৎ কামাখ্যাৰ স্থিতি আগৰেপৰা আছিল। যোনিপীঠহে নতুনকৈ প্ৰতিষ্ঠা কৰা হৈছিল। যোগিনীতন্ত্ৰইও বাৰে বাৰে নৰযোনি শব্দটোৰ ব্যৱহাৰ কৰিছে।

'নৰযোনিঃ সমাখ্যাতা কামাখ্যা যোনিমণ্ডলম্।
(একাদশ পটল, শ্লোক ২৮, পৃষ্ঠা-১৫০)

এই সমূহ তথ্য-প্ৰমাণে এটি পুৰণি মন্দিৰত যোনিপূজাৰ এটি নতুন ধৰ্মীয় ধাৰা প্ৰতিষ্ঠাৰ ইংগিত বহন কৰে। সম্পূৰ্ণ প্ৰাসঙ্গিক নহ'লেও উল্লেখ কৰা ভাল হ'ব যে বাণীকান্ত কাকতিৰ গাৰো-খাচীসকলৰ মাজত কামাখ্যা দেৱীৰ যোনিপূজাৰ উৎস সন্ধানৰ তত্ত্বক নৃতাত্ত্বিক প্ৰমাণে সমৰ্থন নকৰে বুলিহে আমাৰ অনুভৱ হয়। খাচী-গাৰোসকলৰ ওপৰত হোৱা অসংখ্য নৃতাত্ত্বিক গৱেষণাৰ কোনো এটাটো গাৰো খাচীসকলৰ মাজত যোনিপূজাৰ প্ৰচলন আছিল বুলি পোৱা নাযায় (অন্ততঃ আমাৰ চকুত পৰা নাই)। সাধাৰণ যুক্তি মতেও যদি মাতৃতান্ত্ৰিক সমাজবোৰ যোনিপূজাৰ হয়, তেন্তে সকলো পিতৃতান্ত্ৰিক সমাজ লিংগপূজক হ'ব লাগিব। বিজ্ঞানসন্মত গৱেষণাত এনে কল্পনা আৰু ভাববিলাসৰ স্থান নাই। অসমৰ এজন বিখ্যাত লোকসংস্কৃতিৰ বিশেষজ্ঞক এইখিনি কথা কোৱাত তেওঁ ক'লে যে খাচী মোগালিথবোৰত লিংগ আৰু তাৰ ভূমি অংশই যোনিক বুজায়। অৱশ্যে আমি 'হটন'ৰ 'নেচাৰ' পত্ৰিকাত প্ৰকাশিত খাচীসকলৰ স্ত্ৰী আৰু পুৰুষ মোগালিথৰ বিশদ বৰ্ণনালৈ আঙুলিয়াই দিয়াত বিশেষজ্ঞজনে একো মন্তব্য নিদিলে। আমিও খাচীপাহাৰৰ অতি ভিতৰুৱা ঠাইত তিনিবছৰ ধৰি গৱেষণাৰ কাম কৰিছিলোঁ। এতিয়াও খ্ৰীষ্টান ধৰ্মৰ সলনি প্ৰাচীন ধৰ্মকে সাৱটি থকা কোনো খাচীলোকে যোনিপূজা কৰা বুলি কোনো তথ্য দিব নোৱাৰিলে। ক্ষেত্ৰ অধ্যয়নৰ পৰিৱৰ্তে অধিক তাত্ত্বিক গৱেষণাই এনে বিভ্ৰান্তিৰ জন্ম দিয়ে। খাচী নৃতাত্ত্বিক অধ্যয়নৰ 'বাইবেল' স্বৰূপ P R T Gurdon ৰ লিখিত The Khasis (Macmillan and Co. Limited, St Martins Street, London, 1914) নামৰ বিখ্যাত গ্ৰন্থখনত বহুতো খাচী দেৱী আৰু দেৱতাৰ উল্লেখ থাকিলেও যোনি পূজাৰ কোনো উল্লেখ নাই। Religion of The Khasi, (S S Khongkliam, DVS Publishers. H B Road, Panbazar, Guwahati-781001,2012) নামৰ প্ৰাচীন খাচী ধৰ্ম সম্পৰ্কীয় উল্লেখযোগ্য আধুনিক গৱেষণা গ্ৰন্থখনিয়েও যোনি পূজা সম্পৰ্কে কোনো তথ্য আগবঢ়োৱা নাই। 'কামেইখা' নামৰ এগৰাকী দেৱীৰ নাম পোৱা গ'লেও যোনি পূজাৰ লগত এই দেৱীৰ কোনো সম্পৰ্কৰ উল্লেখ আমি নাপালোঁ।

ইয়াৰ পাচতে আহিল নৰকাসুৰে কামাখ্যা দেৱী বিয়া কৰাব বিচৰা আৰু বশিষ্ঠ মুনিক কামাখ্যাৰ মণ্ডলত প্ৰৱেশ কৰিবলৈ নিদিয়াৰ কাহিনী। প্ৰথম নৰকৰ লগত সম্পৰ্ক নথকা এয়া হ'ল দ্বিতীয় নৰকৰ কাহিনী। এইজন ৰজাকো ৰীতি-নীতি নমনা উদ্ধত

স্বভাৱৰ বাবে 'নৰক' গালিৰে বিভূষিত কৰা হৈছিল। নিশ্চয়কৈ এইজন দশম-একাদশ শতিকা বা তাৰ কিছু পাচৰ কামৰূপৰ ৰজা হ'ব (কামাখ্যা ধৰ্ম সম্প্ৰদায়ৰ আগমনৰ পাচৰ) এজন মৰ্ত্যৰ বাসিন্দা হৈ এগৰাকী দেৱীক বিয়াৰ প্ৰস্তাৱ আগবঢ়োৱাৰ স্পৰ্ধা কৰা ঘটনাটো বিৰলৰো বিৰল বুলিব পাৰি। দেৱীয়েও নিজ মন্দিৰলৈ শিলৰ খটখটি একে ৰাতিতে বন্ধাই দিয়াৰ চৰ্তসাপেক্ষে বিবাহত সন্মতিহে জনালে (প্ৰকৃততে মেৰামতিহে হ'ব। এই খটখটি দুই সহস্ৰাধিক বছৰ পুৰণি প্ৰাচীন খটখটি। এৰাতিৰ কাম নহয়)। ৰজাই খটখটি মেৰামতিৰ কামটো ৰাতিৰ ভিতৰতে সমাপ্ত কৰি অনাত দেৱীয়ে ভয় খাই এটা মায়া কুকুৰা সৃজন কৰি মাজনিশাই পুৱাৰ ডাক দিয়াই দিলে। ৰাতি পুৱাল বুলি ৰজাই কাম বন্ধ কৰিলে যদিও পাচত প্ৰতাৰণা বুজিব পাৰি কুকুৰাটোক খেদি খেদি তেওঁৰ ৰাজ্যৰ পশ্চিম সীমান্তত (বৰ্তমানৰ কলীয়াবৰ নগৰৰ ওচৰত) কুকুৰাটোক কাটি বধ কৰিলে। তাৰ পাছত ৰজা আৰু দেৱীৰ সম্পৰ্কৰ বিষয়ে কিংবদন্তি নিমাত যদিও যোগিনীতন্ত্ৰই এক অবিশ্বাস্য ঘটনাৰহে ইংগিত দিয়ে। যোগিনীতন্ত্ৰৰ শ্লোককেইটালৈ মন কৰক—

'পৰজ্যোৰ্তিৰ্ম্মুখং ভদ্ৰে নৰকেশেন চুম্বিতং।
ভবপাশবিনাশায় কেবলং তদ্বিতাবয়েৎ।।'

(যোগিনীতন্ত্ৰ, পৃষ্ঠা- ৪৪৯)

(হে ভদ্ৰে, নৰকাসুৰ চুম্বিত পৰম জ্যোতিমুখ মানৱসকলে কেৱল ভৱবন্ধ বিনাশৰ কাৰণে ধ্যান কৰিব।)

'ৰচ্চ বৈ লোহিতং চাস্যং সুব্যক্তকজ্জলপ্ৰভম্।
ত্ৰিপুৰেশী সমাখ্যাতং ত্ৰৈলোক্যনিলয়ং পৰম্।।
সম্ভুক্তং নৰকেশেন পূৰ্ববক্ত মনুত্তম্।
মৃত্তিকায়াং মহেশানি লক্ষ্মীকামো বিভাবয়েৎ।।'

(যোগিনীতন্ত্ৰ, পৃষ্ঠা- ৪৪৭)

(যাৰ ৰঙা বৰণৰ মুখ, সুবক্ত কাজল শোভাকৰা চকু, হে ত্ৰিপুৰেশী। তেওঁ পৰম ত্ৰৈলোক্যনিলয় মুখ নামে প্ৰখ্যাত হৈ আছে। সেই অতি উত্তম পূৰ্বকালত নৰকাসুৰে সম্ভোগ কৰিছিল। হে মহেশ্বৰী, লক্ষ্মীকামনা কৰি মৃত্তিকাস্থিত মুখৰ কথা চিন্তা কৰি পূজা কৰিব।)

'অব্যক্তং ৰুচিৰং দিব্যং কুব্জিকা-বদনোত্তম্
নৰকেশেন সম্ভুক্তং ধ্যেয়ং বিজয়কাংখিতিঃ'

(যোগিনীতন্ত্ৰ, পৃষ্ঠা-৪৪৮)

(বিজয়াকাংখীলোকে সেই অব্যক্ত, ৰুচিৰ দিব্য, নৰকাসুৰৰ দ্বাৰা সম্ভোগ হোৱা কুব্জিকা নামৰ বদনৰ ধ্যান কৰিব।)

এই কিংবদন্তিটো হিন্দুধৰ্মীয় কাহিনীসমূহৰ ভিতৰত সঁচাকৈয়ে একক আৰু অনন্য। প্ৰচলিত ধাৰণা মতে, তথাকথিত দেৱতা বা স্বৰ্গীয় পুৰুষসকলে যি কোনো মনুষ্য ৰমণীক বিনাবাধাই উপভোগ কৰিব পাৰে কিন্তু অপ্সৰাৰ দৰে তলখাপৰ দেৱৰমণীৰ বাদে কোনো দেৱৰমণী মনুষ্যৰ বাবে নিষিদ্ধ আছিল। কিন্তু নৰকাসুৰৰ কাহিনীত এজন মৰণশীল পাৰ্থিৱ পুৰুষে এগৰাকী স্বৰ্গীয় দেৱীক বিবাহৰ প্ৰস্তাৱ দিয়াৰ স্পৰ্ধা কৰিছে। আচৰিতভাৱে দেৱীয়েও ৰজাজনক শাপ দি ভস্ম কৰাৰ বা বজ্ৰপাত ঘটাই নৰকক বধ কৰাৰ সলনি মন্দিৰলৈ শিলৰ খটখটি একে ৰাতিতে বন্ধাই দিয়াৰ চৰ্তসাপেক্ষে বিবাহত সন্মতিহে জনালে আৰু সদৌশেষত দেৱী হৈ পৰিল 'নৰকেশেন সম্ভুক্তম্'। এই অদ্ভুত ঘটনাৰ ব্যাখ্যা ড° প্ৰণৱজ্যোতি ডেকাই তেখেতৰ আন্তঃৰাষ্ট্ৰীয়ভাৱে সমাদৃত গ্ৰন্থ Nilacala kamakhya Her History and Tantraত অতি সুন্দৰভাৱে দাঙি ধৰিছে। প্ৰকৃততে কামাখ্যা-কামেশ্বৰী ধৰ্ম সম্প্ৰদায়টোৰ একাধিক দেৱী আছিল। তাৰে এগৰাকী হ'ল ঈশ্বৰী বা মৰিছি আৰু মৰণশীল মানৱে ঢুকি পোৱাৰ উৰ্ধ্বত স্বৰ্গীয় দেৱী। আনগৰাকী হ'ল 'বিদ্যা' বা বজ্ৰৱাহী বা জীৱন্ত দেৱী। এওঁ হ'ল এগৰাকী জীৱন্ত মানৱী যাক তন্ত্ৰত ডাকিনী বুলি উল্লেখ কৰা হয়। তেওঁ মন্দিৰৰ চৌহদত বাস কৰিছিল আৰু জীৱনজুৰি কুমাৰী হৈ থাকিব লাগিছিল। এইগৰাকী দেৱীতেই

ৰজাৰ চকু পৰিছিল পত্নী ৰূপে পাবৰ বাবে। নিশ্চয় কোনো চুটি বুদ্ধিৰ পুৰোহিত বা দেৱীয়ে নিজেই ৰজাৰ আগ্ৰহৰ সুযোগ লৈ মন্দিৰৰ পদপথটো মেৰামতি কৰাই ল'ব খুজিলে (দ্বিতীয় নৰকৰ দিনত একে ৰাতিতে খটখটি নিৰ্মাণ সম্ভৱ নহয়। এই পদপথটো দ্বিতীয় নৰকৰ এহাজাৰ বছৰৰ আগৰ প্ৰথম নৰকৰ দিনৰপৰাই আছিল)। কিন্তু পুৰোহিত আৰু দেৱীয়ে নিজৰ কথা নৰখাত ক্ৰোধান্বিত ৰজাই প্ৰতিশোধ ল'বলৈ মনস্থ কৰিলে। তেতিয়া পুৰোহিত আৰু দেৱীয়ে ৰাজ্যৰ সীমাত অৱস্থিত কলিয়াবৰৰ ওচৰৰ কামাখ্যা ধৰ্মমতৰ অন্য এটি মন্দিৰত আশ্ৰয় লৈছিল। এই শিলঘাট কলিয়াবৰৰ ওচৰৰ কামাখ্যা মন্দিৰ এতিয়াও বিদ্যমান। ৰজাই পুৰোহিতক ইয়াতে গৈ হত্যা কৰিছিল। যাৰ ফলত ৰজা হৈ পৰিল নৰক। জীৱন্ত দেৱীৰ ভাগ্যৰ বিষয়ে জনা নগ'লেও এইটো খাটাং যে ৰজাই কামাখ্যা ধৰ্মমত বা জীৱন্ত দেৱী কাকোৱেই পৰিত্যাগ কৰা নাছিল। কাৰণ তেতিয়াৰপৰা দেৱীক 'নৰকেশেন সম্ভুক্তম্' বুলি বৰ্ণনা কৰা হৈছে। ৰজাই 'বশিষ্ঠ'ৰ দ্বাৰা কামাখ্যা শাপিত হোৱাৰ সময়লৈকে কামাখ্যা ধৰ্মমতৰ পৃষ্ঠপোষকতা কৰি থাকিল।

এতিয়া আহো বশিষ্ঠ-কামাখ্যা আৰু নৰকাসুৰৰ কাহিনীটোলৈ। যোগিনীতন্ত্ৰত উল্লেখ কৰিছে যে তাৰা দৰ্শনৰ বাবে অহা বশিষ্ঠমুনিক কামাখ্যা মণ্ডলৰ দুৱাৰমুখতে নৰকাসুৰে বাধা দিলে (যোগিনীতন্ত্ৰ)—

'ব্ৰহ্মণো মানসঃ পুত্ৰো বশিষ্ঠোহতীব সদ্যতিঃ।
তাৰামাৰধয়ামাস তদা নীলাচলে মুনিঃ।।
তত্ৰৈবৈকদিনে দেৱী পূজয়ীতুং সুৰেশ্বৰীম্।
কামাখ্যামণ্ডলে তাৰাং পৰদ্বাৰে সমাগমঃ।
তত্ৰ তং বাৰয়ামাস নৰকো ব্ৰহ্মসম্ভৱম্।।'

(যোগিনীতন্ত্ৰ, পৃষ্ঠা- ১৬০)

ইয়াত স্পষ্টকৈ কৈছে যে বশিষ্ঠমুনি তাৰাৰ আৰাধনাৰ বাবেহে আহিছিল। আৰু চাওক—

'বশিষ্ঠো ব্ৰহ্মণঃ পুত্ৰস্তাৰামাৰাধিতুং মুনিঃ।
মদ্যোনিমণ্ডলে নাথ দ্বাৰং মে সমুপাগতঃ।।

(যোগিনীতন্ত্ৰ, পৃষ্ঠা - ১৬৪)

অৰ্থাৎ বশিষ্ঠমুনিয়ে কামাখ্যা দৰ্শনৰ বাবে অহাই নাছিল। তেওঁ আহিছিল কামাখ্যা মণ্ডলত তাৰা দেৱীৰ আৰাধনাৰ বাবে। প্ৰকৃততে ঘটনাটো আছিল তাৰা উপাসক আৰু কামাখ্যা উপাসকসকলৰ সংঘাত। পূৰ্বৰ তাৰা দেৱীৰ মন্দিৰত কামাখ্যাক স্থাপন কৰা হৈছিল। যোগিনীতন্ত্ৰৰ মতে বশিষ্ঠমুনিক কামাখ্যাপূজা চলি থাকোতেহে কামাখ্যামণ্ডলৰ ভিতৰত (চৌহদত) প্ৰৱেশত বাধা দিয়া হৈছিল। অৰ্থাৎ আন সময়ত তেওঁ প্ৰৱেশ কৰিব পাৰে। বশিষ্ঠই তাৰাৰ অনুগামীসকলক প্ৰতিনিধিত্ব কৰিছে। ৰাজপৃষ্ঠপোষকতাত তাৰাক উৎখাত কৰি কামাখ্যাক প্ৰতিষ্ঠাপন কৰাৰ পাছত তাৰাৰ অনুগামী (পুৰোহিত) সকলৰ বাবে স্থানীয় নৃপতি হৈ পৰিল 'নৰক'। কামাখ্যা ৰূপী জীৱন্ত দেৱীক শয্যাসংগীনী কৰাৰ ঘটনাৰ পাছত প্ৰজাৰ মাজত অপ্ৰিয় হৈ পৰা ৰজাক আখ্যা দিয়া হ'ল নৰক নামেৰে। এইজনাৰ লগত প্ৰথমজনা ভৌম ৰজা 'নৰক'ৰ কোনো সম্পৰ্কই নাই। প্ৰথমজনাৰ সময়ত কামাখ্যা ধৰ্ম সম্প্ৰদায় টোৰ উৎপত্তি হোৱা নাছিল। এই দ্বিতীয় জনা নৰক নিশ্চয়কৈ কামাখ্যা ধৰ্ম সম্প্ৰদায়টোৰ উৎপত্তিৰ সময়ৰ হ'ব। ইয়াৰ পাছত বশিষ্ঠৰ শাপত কামাখ্যাধাম দেৱ-দেৱীৰ বাবে পৰিত্যক্ত হয় (মন কৰক, বশিষ্ঠই নৰকক নহয়, কামাখ্যাকহে শাপ দিলে) আমি সমগ্ৰ ঘটনাচক্ৰ ব্যাখ্যা কৰিব পাৰো, এইদৰে, তাৰাৰ স্থানত কামাখ্যাক স্থাপন কৰিবৰ সময়ত স্থানীয় জনসাধাৰণ কামাখ্যাক গ্ৰহণ কৰিবলৈ প্ৰস্তুত নাছিল, যাৰ বাবে কামাখ্যাৰ পৃষ্ঠপোষক ৰজাই নাম পালে নৰক। ইয়াৰ উপৰি নীলাচলৰপৰা কামাখ্যাদেৱী কৈলাসলৈ আঁতৰি যাবলগীয়া হ'ল অৰ্থাৎ জনসাধাৰণে এই সময়ছোৱাত ক্ষমতাবিহীন (মানৱৰ কামনা বলি হোৱা) কামাখ্যাদেৱীৰ পূজা বৰ্জন কৰিছিল। দুটা ধৰ্মীয়

সম্প্ৰদায়ৰ কাজিয়া আৰু বঙ্গদেশৰপৰা হোৱা ইছলাম ধৰ্মীসকলৰ আক্ৰমণ আদিৰ ফলত এই সময়ত ৰাজ্য ভাগি পৰিছিল। যোগিনীতন্ত্ৰৰ মতে পৰিত্যক্ত মূল কামাখ্যা মন্দিৰ ভূমি স্খলনত ভাগি পৰিল আৰু কোচ ৰজা বিশ্বসিংহই সংস্কাৰ নকৰালৈকে ইয়াৰ পাছৰ সময় ছোৱা (১২৫০-১৫২৫) কামাখ্যাধামত জৈনধৰ্মী সকলৰ পূজা-অৰ্চনা চলিছিল। আচলতে ১২৫৫ চনত মালিক উজবেক টুঘ্ৰিল খানৰ আক্ৰমণৰ পাছত কামৰূপৰ অধিপতিয়ে (সন্ধ্যা) ৰাজধানী গোৱালপাৰলৈ (গোসাঁনীমাৰী) তুলি নিয়ে। এই সময়ত আহোমসকলে পূৰত ধীৰে ধীৰে শক্তি সংহত কৰিবলৈ আৰম্ভ কৰিছে। মধ্য অসমত কছাৰীসকলৰ সুদৃঢ় স্থিতি আছিল। কিন্তু মধ্য পশ্চিম অসমত (নগাঁও-কামৰূপ জিলা) কোনো শক্তিশালী কেন্দ্ৰীয় শাসন নাছিল। কিছুসংখ্যক শক্তিশালী ভূস্বামী (ভূঞা) আৰু যুদ্ধবীৰে (Warlord,ৰাই) অল্পসংখ্যক বিশ্বাসী যোদ্ধাৰ সহায়ত অঞ্চলটো নিয়ন্ত্ৰণ কৰিছিল। এই লোকসকল ভ্ৰাম্যমাণ আছিল (সেয়ে এওঁলোকক যোগিনীতন্ত্ৰই প্লৱ বুলি উল্লেখ কৰিছে) আৰু তেওঁলোকৰ কোনো স্থায়ী কৃষিভূমি নাছিল (শংকৰদেৱৰ ভ্ৰাম্যমাণ জীৱনলৈ মন কৰক)। এই যোদ্ধাসকলৰ এটা দল নিশ্চয় জৈনধৰ্মত বিশ্বাসী আছিল। হিন্দু দেৱ-দেৱীৰ দ্বাৰা পৰিত্যক্ত নীলাচল এইসকলে এটি জৈন মন্দিৰ নিৰ্মাণ কৰি পূজা-অৰ্চনা কৰিছিল। এই জৈনসকল নিঃশব্দে আহি নিঃশব্দেই বুৰঞ্জীৰপৰা হেৰাই গ'ল। সাক্ষীমাত্ৰ থাকি গ'ল যোগিনীতন্ত্ৰৰ দুইশাৰীৰ এটা শ্লোকত

'এবং বৰ্ষত্ৰয়ং ৰাজ্যং কৃত্বা দণ্ডী দ্বিজো নৃপঃ।
ভবিষ্যতি মহামায়ে যোনিগুলসন্নিধৌ।।
(যোগিনীতন্ত্ৰ, পৃষ্ঠা-১৭১)

যোগিনীতন্ত্ৰৰ অসমীয়া অনুবাদকে 'দণ্ডীদ্বিজ' শব্দৰ অসমীয়া ভাঙনি দণ্ডীব্ৰাহ্মণ কৰিছে যদিও যোগিনীতন্ত্ৰই ব্ৰাহ্মণৰ সমাৰ্থক ৰূপে বিপ্ৰ শব্দহে ব্যৱহাৰ কৰিছে। গতিকে 'দণ্ডীদ্বিজ' মানে দণ্ডীব্ৰাহ্মণ নহৈ দণ্ডীক্ষত্ৰিয়হে হ'ব। তদুপৰি ভাৰতৰ সাংস্কৃতিক পৰম্পৰাত দণ্ডীব্ৰাহ্মণ নামৰ কোনো ব্ৰাহ্মণ সম্প্ৰদায়ৰ নাম পোৱা নাযায়। অন্যহাতে যিকোনো উচ্চ বংশজাত ক্ষত্ৰিয় লোকক দ্বিজ বোলা হয়। দণ্ডীমানে জৈনসকলক বুজোৱা হয়। এই জৈনসকলে অতি কম সময়ৰ (তিনিবছৰ) বাবে হ'লেও এখন ক্ষুদ্ৰৰাজ্য পাতিছিল। তাৰপাছত জৈনসকল তাৰপৰা আঁতৰি যাব লগা হয় আৰু কামাখ্যাধাম কোচসকল অহাৰ সময়লৈকে পুনৰ পৰিত্যক্ত হয়। নীলাচলৰ দুই-এটা জৈন ভাস্কৰ্যই কামাখ্যাধামত জৈনধৰ্মী সকলৰ পূজা-অৰ্চনাৰ প্ৰমাণ দিয়ে।

২২০০ বছৰ ধৰি কামাখ্যাধামত সলনা সলনিকৈ বিভিন্ন দেৱ-দেৱীৰ উপাসনা চলি আহিছে। আজিৰ কামাখ্যাধামত বিভিন্ন সময়ৰ আৰু বিভিন্ন ধৰ্ম সম্প্ৰদায়ৰ শিলামূৰ্ত্তিসমূহে অসমৰ ৰাজনৈতিক আৰু ধৰ্মীয় বুৰঞ্জীৰ পৰিৱৰ্তনৰ সাক্ষ্য বহন কৰিছে।❑

লেখক - জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ অধ্যাপক।

**তথ্য সূত্ৰ ঃ**

১. Nilacala Kamakhya, Her History and Tanta, Pranav Jyoti Deka, Guwahati, Assam, 2004
২. A History of Assam Edward Gait, Thacker, Spink & Co, 1906.
৩. The Mother Goddess Kamakhya, Dr Banikanta Kakati, Publication Board, Assam, 1989.
৪. Assam Bengal Relation, P.C. Chaudhury, Spectrum Publication, New Delhi, 1988.
৫. The Khasis, P R T Gurdon, Macmillan and Co. Limited, St Martin's Street, London, 1914.
৬. Religion of The Khasi, S S Khongkliam, DVS Publishers, H B Road, Panbazar, Guwahati-781002, 2012.
৭. কালিকা পুৰাণ, সম্পাদনা ঃ পঞ্চানন তৰ্কৰত্ন, নৱভাৰত পাবলিশাৰ্স, কোলকাতা ৭০০০০৯।
৮. যোগিনীতন্ত্ৰ, দত্তবৰুৱা এণ্ড কোম্পানী, গুৱাহাটী, অসম, দ্বিতীয় প্ৰকাশ, ১৯৯৪।

# মহিম বৰা সম্পাদিত
# ‘অৰুণাচল’ সম্পৰ্কে কিছু কথা

**কল্পনা হাজৰিকা গায়ন**

১৯৮৭ চনৰ ১ জুলাই তাৰিখে মই জামুগুৰিহাটৰ ত্যাগবীৰ হেম বৰুৱা কলেজৰ প্ৰবক্তাৰ চাকৰি এৰি আহি নগাঁও কলেজৰ প্ৰবক্তা হিচাপে যোগদান কৰোঁ। অসমীয়া বিভাগৰ এই পদটো মহিম বৰা ছাৰে অৱসৰ পোৱাত খালী হোৱা পদ আছিল। ছাৰৰ প্ৰায় সকলো লেখা পঢ়িছিলোঁ আৰু ছাৰক মাজে-সময়ে লগ পাইছিলোঁ যদিও এইবাৰ ছাৰক সঘনাই কাষত পোৱাৰ সৌভাগ্য ঘটিল। আবেলি পৰত ছাৰৰ ওচৰলৈ এপাক যোৱাটো নিয়মৰে ভিতৰুৱা হৈ পৰিল। বিশেষকৈ ২০০৪ চন মানৰপৰা ২০০৭ চন মানলৈকে সন্ধিয়া এক-ডেৰঘন্টা ছাৰৰ সান্নিধ্যত কটাবলৈ সুযোগ পালোঁ।

এনেকুৱা এটা দিনত ছাৰে ‘অৰুণাচল’ৰ কথা ক’লে। লগতে ক’লে যে সেই সময়ত এখন আলোচনী উলিওৱা আৰু বিক্ৰী কৰাটো কিমান কঠিন কাম আছিল সেই সম্পৰ্কে ছাৰৰ লিখিবলৈ মন আছে। কিন্তু স্বাস্থ্যজনিত কাৰণত ছাৰে সেই কাম কৰিবলৈ অপাৰগ। গতিকে ছাৰে কৈ যাব, মই লিখি দিব লাগে। মই লগে লগে মান্তি হ’লোঁ আৰু প্ৰায় এসপ্তাহ অহা-যোৱা কৰি ছাৰৰ ইচ্ছা পূৰণ কৰিবলৈ চেষ্টা কৰিলোঁ। দুদিনতে হোৱা কামটো এসপ্তাহ লগাৰ কাৰণটো হ’ল কোনোবা দিনা ছাৰৰ আলহী থাকে, কোনোবা দিনা তেওঁৰ গাটো ভালে নাথাকে। ‘অৰুণাচল’ৰ বিষয়ে কওঁতে ছাৰে যদিও আলোচনী বুলি উল্লেখ কৰিছিল ‘অৰুণাচল’ত কিন্তু ‘সচিত্ৰ সাহিত্য সংকলন’ বুলিহে লিখা আছে। যি হওক এই সাহিত্য কৰ্ম আছিল তিনিশ পৃষ্ঠাতকৈয়ো অধিক কলেৰৰৰ। সম্পাদক আছিল যুগল দাস, মহিম বৰা আৰু ভবেন্দ্ৰ নাথ শইকীয়া। প্ৰকাশক আছিল নগাঁৰৰ কমল চন্দ্ৰ বৰা। মূল্য আছিল তিনি টকা। ‘অৰুণাচল’ প্ৰকাশ হৈছিল ১৯৫৬ চনৰ এপ্ৰিল মাহত। সেই সময়ৰ বৰেণ্য লিখকৰ ভিন্ন স্বাদৰ, ভিন্ন লেখনীৰে ‘অৰুণাচল’ৰ বুকু সমৃদ্ধ হৈছিল।

ছাৰৰ আজ্ঞা পালন কৰি মই লিপিবদ্ধ কৰি ৰখা ‘অৰুণাচল’ প্ৰকাশৰ অভিজ্ঞতা ছাৰে কৈ যোৱা ধৰণেৰে প্ৰথম পুৰুষত প্ৰকাশ কৰাৰ লগতে বেটুপাত আৰু অৰুণাচল সমৃদ্ধ কৰা লেখকৰ সূচী এখনৰ ফটোকপি লগত সংযোজিত কৰা হ’ল।









"১৯৫৪ চনৰ অক্টোবৰ মাহত মই নগাঁও কলেজত যোগদান কৰোঁ। ৫৫ চনত পুথিঘৰ আৰু পুথিঘৰ প্ৰেছৰ ঁকমল চন্দ্ৰ বৰাদেৱক মান্তি কৰাই এখন বছৰেকীয়া সাহিত্য সংকলন নগাঁৰৰপৰা প্ৰকাশ কৰিবলৈ আগবাঢ়িলোঁ। (প্ৰেছটো আছিল নে নাই পাহৰিলোঁ) ১৯৫০ চনত 'ৰংঘৰ' (গুৱাহাটীৰ) আলোচনীৰ ছপা কাম নগাঁৰৰ শেৰালি প্ৰেছত হৈছিল আৰু ছপা কামৰ দায়িত্ব মোৰ হাতত পৰিছিল। তেতিয়াৰপৰা তেখেতৰ লগত মোৰ ঘনিষ্ঠতা বাঢ়ে।

তেখেত মান্তি হোৱাৰ লগে লগেই মই নগাঁও কলেজত শ্ৰদ্ধেয় যজ্ঞেশ্বৰ শৰ্মা ছাৰক লগ ধৰি নিৰ্বাচিত শিক্ষকসকলৰ এখন সভা আহ্বান কৰিলোঁ। তাতে এখন সম্পাদনা সমিতি গঠন কৰা হ'ল। ছাৰক সভাপতি হিচাপে লৈ বাকী কেইবাজনো শিক্ষকক সভ্য কৰা হ'ল। কলেজৰ কাম শেষ কৰাৰ লগে লগে মই পুথিঘৰ পাওঁগৈ আৰু পেড ছপা কৰা, লিখা-পঢ়া আদি কাম দোকানতে বহি কৰোঁ। ৰাতি ন-মান অৰ্থাৎ দোকান বন্ধ কৰালৈকে মই কাম কৰিবলৈ ল'লো আৰু মোৰ পৰিকল্পনা মতে সংকলনটো প্ৰকাশ



কৰিবলৈ মালিক আৰু সম্পাদনা সমিতিয়ে সম্পূৰ্ণ দায়িত্ব দিলে। মই প্ৰবন্ধ, কবিতা, গীত, গল্প, ৰম্য ৰচনা-- আদি ভাগ কৰি লৈ সেই সময়ৰ প্ৰায় প্ৰত্যেকজন লিখকলৈ চিঠি পঠিয়ালোঁ। প্ৰবন্ধৰ ক্ষেত্ৰত বিষয়বস্তু বাছি দিছিলোঁ। অধ্যাপক শ্ৰীযুত কমল চন্দ্ৰ গোস্বামীদেৱে (সম্পাদনা বিভাগ) উপযাচি স্বৰ্গীয় মিত্ৰদেৱ মহন্তৰপৰা এটা গীত আনি দিয়াৰ দায়িত্ব ল'লে। মই এই প্ৰথমবাৰৰ বাবে অৰুণাচলৰ লিখকসকলৰ জীৱনপঞ্জী আৰু ফটো


গল্প

অন্তৰ্ভুক্ত কৰিবলৈ এটা বেলেগ শিতানৰ আঁচনি ল'লো। তাৰ আগতে অৱেশ্যে সংকলনটোৰ নামকৰণ সম্পৰ্কে খৰতকীয়াকৈ চিন্তা কৰিব লগা হৈছিল। কেইবাজনেও আগবঢ়োৱা নামকৰণ বিবেচনা কৰা হ'ল যদিও বৰা আৰু মোৰ মনঃপুত নহ'ল। হঠাৎ এদিন বাতৰিকাকতত চিলেটৰ ফালৰ 'অৰুণাচল' আশ্ৰম নামৰ এখন আশ্ৰমৰ নাম পালোঁ। মই লগে লগে জাঁপ মাৰি উঠিলোঁ। কাৰণ মই নগাঁও কলেজত আই এ পঢ়ি থকা অৱস্থাতে কলিয়াবৰৰ হাটবৰত 'অৰুণ সেৱা সমিতি'ৰ নাম দি এটা সমিতি গঠন কৰিছিলোঁ। সমিতিখনৰ এটা নাট্য শাখা মুকলি কৰি আমি 'Benefit night' পতাৰ ৰিহাৰ্চেল আৰম্ভ কৰিছিলোঁ। সি এটা বেলেগ অধ্যায়। 'অৰুণাচল'


প্ৰবন্ধ আৰু ৰচনা

নামটো লগে লগে বৰাই সমৰ্থন জনালে (তেতিয়া নেফাৰ নাম অৰুণাচল হোৱা নাছিল) আৰু সেইমতে পেড ছপালে।

আমাৰ চিঠিৰ আচৰিত ধৰণে সঁহাৰি পালোঁ। অধ্যক্ষ আৰু সভাপতি শৰ্মা ছাৰে নিজে চিঠি লিখি কলিকতা বিশ্ববিদ্যালয়ৰ তেখেতৰ চিনাকি এজন উড়িয়া অধ্যাপকৰপৰা লোক সাহিত্য সম্পৰ্কে সেই ভাষাতে লিখা এটা দীঘল প্ৰবন্ধ আনি দিলে। মই নিজে গুৱাহাটীলৈ গৈ হেম বৰুৱা ছাৰৰ এটা কবিতা, সূৰ্যকুমাৰ ভূঞা ছাৰৰ 'অসমত কানি' এই শিতানৰ এটা দীঘল প্ৰবন্ধ, প্ৰফুল্ল দত্ত গোস্বামী ছাৰৰ 'অসমীয়া উপন্যাস সাহিত্য' শীৰ্ষক এটা প্ৰবন্ধ, নৰকান্ত বৰুৱাদেৱৰ এটা কবিতা (আবেলি), নাৰায়ণ বেজবৰুৱাদেৱৰ 'অনাতাঁৰ নাট ৰচনাৰ কিটিপ' শীৰ্ষক এটা প্ৰবন্ধ আৰু ৰেডিঅ' ষ্টেচনৰ উচ্চ পদস্থ বিষয়া (উত্তৰ-পূব সীমান্তৰ ভগনীয়া হিন্দু) দেৱৰপৰা এটা

ইংৰাজী ভাষাত লিখা আলোচনা আৰু সম্ভৱ শ্ৰীযুত তিলক হাজৰিকাদেৱৰ পৰাও কিবা এটা আনিছিলোঁ।

এইদৰে বহুত প্ৰবন্ধ-পাতি এমাহমানৰ ভিতৰতে গোট খোৱাত মোক সম্পাদনাত অকলে লাগিবৰ কাৰণে মালিকে ঢাকাইপট্টিতে সৰু কোঠা এটা ভাড়া কৰি দিলে। ৰুমটো অতি ঠেক আৰু বতাহ চলাচলৰ সুবিধা নাছিল। দুৱাৰ মেলি থ'ব লাগে। এই সময়তেই নগাঁও কলেজৰ কমাৰ্চ বিভাগৰ ফাইনেল ইয়েৰৰ সাহিত্যপ্ৰেমী ছাত্ৰ শ্ৰীমান ব্ৰজেন বৰঠাকুৰে মোক উপযাচি সহায় কৰিবলৈ আগবাঢ়ি আহিল (তেওঁ পিছৰ জীৱনত বেঙ্কৰ ওখ কৰ্মচাৰী হৈ অৱসৰ লৈ বৰ্তমান নিজ ঘৰ জাগী ভকতগাঁৱত আছে)। Class আৰম্ভ হোৱাৰ আগতেই আহি তেওঁ ১, ১½ ঘন্টা নিতৌ লিখা-মেলা, চিঠি পঠিওৱা আদি কামত সহায় কৰিলে। ৰাতি ন-মান বজালৈকে মই অকলেই সম্পাদনাৰ কাম কৰি গ'লোঁ। উড়িয়া প্ৰবন্ধটো সেই সময়ৰ নগাঁও কলেজৰ এজন উড়িয়া অধ্যাপকে অসমীয়া আৰু ইংৰাজীত ভাঙনি কৰি গৈছিল আৰু মই অসমীয়াত লিখি গৈছিলোঁ। আৰু ব্ৰজেনে প্ৰেছৰ উপযোগী কৰি লিখি গৈছিল। প্ৰায় ডেৰমাহ কাল অত্যধিক পৰিশ্ৰম কৰি মই কাতৰ হৈ পৰিলোঁ। ৰাতিপুৱা ন বজাত ওলায়ে ৰাতি ন বজাত কলেজ আৰু আলোচনীৰ কাম কৰি মই সময়ত থাকিবলৈ লোৱা আত্মীয়ৰ ঘৰ ওলাওঁগৈ। মোৰ মাতৃ তেতিয়া জীৱিত আছিল আৰু মোৰ পৰিশ্ৰমৰ কথা কেনেবাকৈ জানিব পাৰি নগাঁৱলৈ আহি মোৰ স্বাস্থ্যৰ খবৰ লৈছিল। মালিক বৰাদেৱে মাক লগ ধৰি উচ্ছ্বাস দিছিল কিন্তু ব'হাগ বিহুলৈ আৰু কুৰি দিনমানহে বাকী।

সেই সময়ত শ্ৰদ্ধেয় যুগল দাস ডাঙৰীয়া নগাঁৱত সম্ভৱ Sales Tax বিষয়া হৈ আছিল। তেখেত নগাঁৱৰ সাহিত্য-সংস্কৃতিৰ জগতখনৰ লগতো জড়িত আছিল। তেখেতক 'অৰুণাচল'ৰ শিল্প নিৰ্দেশক কৰি লোৱা হ'ল। সম্ভৱ অসমৰ লোককলা সম্পৰ্কে তেখেতে এটা প্ৰবন্ধ দিছিল। তেখেতৰ নাম লৈ মই চহৰ আৰু জিলাখনৰো কেইবাটাও এশ টকীয়া বিজ্ঞাপন যোগাৰ কৰিলোঁ। সম্পূৰ্ণ পৃষ্ঠা ১০০/-, আধা পৃষ্ঠাত ৫০/- আৰু এক চতুৰ্থাংশত ২৫/- টকা। বিজ্ঞাপনৰ কথাবোৰোময়ে লিখি দিব লগা হৈছিল।

মই ভাগৰি পৰা দেখি বৰাদেৱ চিন্তিত হ'ল আৰু মোক ক'লে যে নগাঁৱৰে এজন বৰ চোকা ল'ৰা এম এছ ছি পৰীক্ষা দি ঘৰলৈ আহিছে। তেওঁক অনুৰোধ কৰিলে আমাক সহায় কৰি দিব পাৰে। তেওঁৰ ককাইদেউকৰ লগত বৰাৰ ভাল। সেইদিনা সন্ধিয়া আমি ফৌজদাৰীপট্টিৰ শ্ৰদ্ধেয় স্বৰ্গীয় ভবেন্দ্ৰনাথ শইকীয়াৰ ঘৰ ওলালোঁগৈ। আমাক দেখি সকলোৰে আলহ-উলাহৰ সীমা নাইকিয়া হ'ল। মই বৰ সংকুচিত হৈ পৰিলোঁ। কিন্তু শইকীয়া আৰু ককায়েকে মোৰ সংকোচ ভাঙিলে আৰু আমাৰ প্ৰস্তাৱত শইকীয়া লগে লগে ৰাজী হ'ল। আৰু পিছদিনাই আমি দুয়ো (সম্ভৱ কলেজ বন্ধ আছিল) যুগল দাসদেৱৰ নিৰ্দেশমতে পাণবজাৰত থকা তেখেতৰ ঘৰত উঠিলোঁগৈ আৰু আমাৰ পৰিচয় শ্ৰদ্ধেয়া দাসক দিলোঁ। লগে লগেই বোধহয় আগতেই ঠিক কৰি থোৱা এটা কোঠালৈ আমাৰ দুজনক লৈ গ'ল। দুকাষে দুখন বিছনা, আলনা, মাজত এখন টেবুল। আমি সম্ভৱ চাহ খায়ে পাণবজাৰৰপৰা পাণ্ডু পালোঁগৈ। তাৰপৰা ওলোৱা দৈনিক কাকতখনৰ শান্তিদূত প্ৰেছ পালোঁগৈ। তেওঁলোকে কেইটামান প্ৰবন্ধ মাত্ৰ ছপাই সোনকালে উলিয়াই দিয়াৰ দায়িত্ব ল'লে। সেইমতেই তেওঁলোকক ভগাই দি বাহিৰে বাহিৰে 'নিউ প্ৰেছ' পালোঁহি। ইমান কম দিনৰ ভিতৰত ছপোৱাৰ দায়িত্ব তেওঁলোকেও ল'ব নোৱাৰে। তথাপি বহুখিনি ছপোৱাৰ দায়িত্ব ল'লে। তাৰ পিছত আহি আমি উজানবজাৰৰ গৌৰীকান্ত তালুকদাৰৰ প্ৰেছত কাওঁ-বাওঁকৈ ধৰিলোঁহি। তেওঁলোকৰ চাৰ্জ আনতকৈ বেছি। বোধহয় Small paika ত আৰু ছপাব লগা হোৱা কাৰণে। অৰ্থাৎ

লিখকৰ জীৱন পঞ্জীবোৰ Small পাইকাত ছপাই দিলে। বিজ্ঞাপনবোৰ মালিক বৰাই নিজে ছপাই দিয়াৰ দায়িত্ব লৈছিল। কিন্তু প্ৰেছবোৰৰ দাবী হ'ল আমি লগে লগে প্ৰুফ চাই দিব লাগে। সেইমতে আমি দুয়ো পুৰা ছাৰে সাতৰ পৰা ৰাতি ন-বজালৈ তিনিটা প্ৰেছত প্ৰুফ চাই-চিটি বাছত অহা-যোৱা কৰিবলৈ ধৰিলোঁ। ফলত ছপা কাম খৰকৈ আগবাঢ়িল। আৰু সদৌ শেষত বেলেগ বেলেগ প্ৰেছৰ ছপা কাগজ আনি বাইণ্ডাৰৰ তাত দিলোঁহি। বৰাদেৱে নিজে নিৰ্দেশনা দি নগাঁৱৰ এজন শিল্পীৰ হতুৱাই অঁকোৱা বেটুপাতৰ ছবিটো লৈ গুৱাহাটী পালোঁহি। লগত আনিলে ছপা বিজ্ঞাপনবোৰ। সম্ভৱ আমি ট্ৰিবিউন প্ৰেছত গৈ বেটুপাত আৰ্ট পেপাৰত ছপোৱাৰ ব্যৱস্থা কৰিলোঁ।

প্ৰায় চাৰে তিনিশ পৃষ্ঠাৰ ডাঙৰ ভলিউমৰ 'অৰুণাচল' বন্ধাওঁতে সময় লাগিছিল আৰু যিমানখিনি মনত পৰিছে চেনিকুঠীৰ কোনো এটা ভেৰোণীয়া ঘৰত য'ত তেতিয়া শ্ৰদ্ধেয় যোগেশ দাস আছিল (বন্ধুবৰ) আৰু তাতেই আমি আলোচনীবিলাক আনি গোটালোঁহি।

ব'হাগ বিহুৰ ছটা দিন পাৰ হ'ল। বিহু কেনি গ'ল আমি ক'ব নোৱাৰোঁ। সম্ভৱ সপ্তম দিনা আমি উন্মোচনাৰ ব্যৱস্থা কৰিলোঁ। কোনে উন্মোচন কৰিব? মই ক'লো যে ড° ভূঞা ছাৰে মোক যথেষ্ট উৎসাহ দিছিল আৰু মই বিহুৰ সাত দিনৰ ভিতৰতে উলিয়াম বুলি কথা দিওঁতে তেখেতে কেতিয়াও নোৱাৰিবা বুলি দৃঢ়তাৰে কৈছিল। গতিকে তেখেতৰ ওচৰলৈ যোৱাৰ সাহস ময়েই কৰিব লাগিব বুলি সহমত সিদ্ধান্ত কৰিলে--প্ৰকাশক বৰা, জগত শইকীয়া (ফৌজদাৰীপট্টি, নগাঁও), যোগেশ দাস ইত্যাদিয়ে। মই বলিৰ পঠাৰ দৰে আগবাঢ়িলোঁ। তেখেত সম্ভৱ ড্ৰইংৰুমতে আছিল। মই যোৱাৰ লগে লগে উলাহেৰে আদৰি নিলে। মই মোৰ উদ্দেশ্যৰ কথা ক'লোঁ।

"উন্মোচন?"

ঃ হয় ছাৰ-অৰুণাচলৰ

ঃ অৰুণাচল? ছপা-বন্ধা হৈ গ'ল?

মই মূৰ দুপিয়াই সমৰ্থন জনোৱাৰ লগে লগে বৰ আচৰিত ধৰণে খৰখোজেৰে বহাৰপৰা উঠি আহি মোক সাৱটি ধৰি ভিতৰলৈ চাই শ্ৰদ্ধেয়া বাইদেউক চিঞৰিলে--

ঃ হেৰা ক'ত আছা, ওলাই আহা।

তেখেত চাগে' কাষৰ কোঠাতে আছিল। লগে লগেই ওলাই আহিল।

ঃ চোৱা। চোৱা এয়াহে আমাৰ নগঞা ডেকা। এয়াহে আমাৰ লাচিতৰ দেশৰ ডেকা। এওঁলোকে 'অৰুণাচল' উলিয়ালে।

তেখেতে সোধা মতে মই পাণবজাৰৰ গুৱাহাটী Diary ৰ ওপৰ মহলাত দিনৰ ২ বজাত বুলি কোৱাৰ লগে লগে তেখেতে মোৰ গাৰপৰা হাত এৰুৱাই 'নিশ্চয় যাম, মোৰ নিজৰ গাড়ীৰেই যাম' বুলি নিজৰ ঠাইত বহিলগৈ। মই বাকীসকলক নিমন্ত্ৰণ দিব লাগে বুলি দুয়োকে নমস্কাৰ জনাই ওলাই আহিলোঁ। ছবি আঁকিব জনা হ'লে ছাৰৰ সেই দৃশ্যটো মই এতিয়াও আঁকি দিব পাৰিলোঁহেঁতেন। ইমানেই উজ্জ্বল আৰু সুস্পষ্ট সেই দৃশ্য। তেখেতৰ হাত দুখনৰ স্পৰ্শ আজিও অনুভৱ কৰিব পাৰোঁ।

যথা সময়ত উন্মোচনী সভা আৰম্ভ হ'ল। সভাপতি বোধহয় ড° নেওগ ছাৰ আছিল। কেইবাজনেও প্ৰশংসা কৰি বক্তৃতা দিলে। বৰাদেৱে ফটোও তোলালে। সেই সময়ৰ এখন দৈনিক কাকতত ছপাও হ'ল।

(জীৱনপঞ্জীবিলাক গোটাই লৈ বহুখিনি নগাঁও আৰু কিছু গুৱাহাটীত লিখি পেলাইছিলোঁ, সেই ব্যস্ততাৰ মাজতে। প্ৰত্যেকজন লিখকৰ বিষয়ে মোৰ নিজা মন্তব্যও দিছিলোঁ। এটা উদাহৰণ হ'ল, আবেলিৰ কবিতা লিখিলেও নৰকান্ত বৰুৱা চফল ডেকা। দুৰ্বাৰ বিষয়ে লিখিছিলোঁ, আমাৰ কবিতাৰ আকাশত অকলশৰীয়া তৰা ইত্যাদি। কিন্তু শইকীয়াদেৱে ড° ভূপেন হাজৰিকাদেৱৰ জীৱনপঞ্জী

লিখিম বুলি কোৱাত তেখেতক লিখিবলৈ দিলোঁ। আৰু সম্পাদকীয়বিলাকৰো কিছু অংশ গুৱাহাটীত লিখা মনত পৰে)।

পিছদিনা প্ৰতিখন কাকতৰ সম্পাদক আৰু গুৱাহাটীৰ লিখক প্ৰত্যেককে আমি দুয়ো গৈ হাতে হতে কপি দিলোঁগৈ। সম্ভৱ সেইদিনাই বা তাৰ পিছদিনাই আমি নগাঁৱলৈ আহিলোঁ। তাৰ পিছতেই বন্ধ পোৱাত পূৰ্ণ বৰা (নগাঁৱৰ উকীল) আৰু মই এটোপোলা আলোচনী লৈ চিলঙলৈ ৰাওনা হ'লোঁ। বৰাই আমাক পঠিয়াই দিলে। চেক্ৰেটেৰীয়েটত বিক্ৰী কৰিবলৈ। আমি গৈ 'চেনেট'ৰিয়াম'ত থাকিলোঁ (অসমীয়া হোটেল)। পিছদিনা যথাসময়ত চেক্ৰেটেৰীয়েটত কেইখনমান বিক্ৰী কৰিলোঁ। যিমানখিনি মনত পৰিছে মোৰ প্ৰিয় গল্পকাৰ শ্ৰদ্ধেয় ৺ৰমা দাসক সেই প্ৰথম দেখিবলৈ পালোঁ। বোধহয়, তেখেতে একপি কিনিছিল। তেনেকৈ কেইখনমান বিক্ৰী কৰি আমি গুচি আহিলোঁ।

এইখিনিতে এটা ঘটনাৰ কথা মনত পৰে। বৰাদেৱে বেটুপাতৰ ছবিখন নগাঁৱৰ এজন শিল্পীৰ হতুৱাই তিনি-ৰঙত অঁকাই গুৱাহাটীত মোক নি দেখুৱালে। এটা শিলাময় পাহাৰত শিল্পী এজনে শিল কাটি কাটি বেজবৰুৱাৰ আবক্ষ মূৰ্তি এটা গঢ়ি তুলিছে। আৰু ফিনিছিঙৰ মুহূৰ্ততেই ছবিখন শেষ হৈছে। কিন্তু হাতুৰীটো ইমান ওখকৈ দাঙি লৈছে যে পাঠকৰ ধাৰণা হ'বলৈ--মূৰ্তিটো ভাঙিবলৈহে চেষ্টা কৰিছে। মোৰ চকুত অখজা লাগিল। বৰাৰ মিচিকিয়া হাঁহিটো শেষ হোৱা নাছিল। ক'লে, শিলাকুটিজন আপুনি। মনতে ভাবিলোঁ তেওঁ যেই-সেই এজন হ'ব পাৰে। ছবিত পিছফালটোহে দেখা গৈছে। যি নহওক উপায় নাছিল। আমি ট্ৰিবিউন প্ৰেছত ছবি ছপালোঁ।

কিন্তু এসপ্তাহৰ ভিতৰতে বাতৰি ওলাল 'অৰুণাচল'-এ বেজবৰুৱাৰ বুকুত হাতুৰি মাৰিছে--ঠিক মই ভয় কৰাৰ মতে। মই সম্পাদকলৈ চিঠি লিখিলোঁ যে মূৰ্তিটো গঢ়াহে হৈছে। সেইমতে সম্পাদকে নিজা মন্তব্য দি প্ৰতিবাদ বন্ধ কৰিলে। কাকতখন বোধহয় অসম বাণী আছিল নেকি!

ইয়াৰ পিছতেই মই দৰং জিলাৰ বাঘমাৰি বাগানত কাম কৰি থকা দেউতাৰ ওচৰলৈ যাওঁ। মাও তাতে আছিল। লগতে দহখনমান অৰুণাচল বিক্ৰীৰ বাবে নিওঁ। ওচৰৰ দুখনমান বাগানত আৰু চতিয়া আদি ঠাইৰ স্কুলত বিক্ৰী কৰি যাওঁ। মুঠতে বৰাৰ অন্ততঃ মূলখিনি উলিয়াই দিয়াৰ চেষ্টা মোৰ আছিল। তেতিয়া ৩ টকা দি এখন আলোচনী কিনিবলৈ আমাৰ পাঠক সমাজ প্ৰস্তুত নাছিল। যি কি নহওক, বৰাদেৱ মোৰ কামত সন্তুষ্ট হৈ মোক জাৰকালি পিন্ধিবলৈ এটা দামী কোট প্ৰেছৰ সন্মুখৰ ৰামলাল দুৰ্গা দত্তৰ দোকানৰপৰা কাপোৰ কিনি চিলাই দিলে। ইয়াৰ পিছতেই মোৰ মাতৃ টান নৰিয়াত পৰে আৰু নগাঁৱৰপৰা শ্ৰীযুত জগত শইকীয়া, শ্ৰীযুত বৰা, কমল গোস্বামী প্ৰায়ে খবৰ কৰিবলৈ যায়। শইকীয়া আৰু গোস্বামীয়ে দুৰাতি আমাৰ ঘৰত থাকি মাক পৰ দিছিল। টাউনৰপৰা চাৰিজন ডাক্তৰ নিও মাক আৰোগ্য কৰিব পৰা নগ'ল। মোৰ হাততেই তেওঁ শেষ নিশ্বাস ত্যাগ কৰিলে। অৰুণাচল প্ৰকাশৰ আনন্দটো মায়ে পাই গ'ল।"❑

---

লেখিকা - নগাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপিকা আৰু সু-সাহিত্যিক।

# দেৱকান্ত বৰুৱাৰ কবিতাত 'কলং'

ড° বিপুল মালাকাৰ

'সাগৰ দেখিছা'ৰ কবি দেৱকান্ত বৰুৱাৰ জন্ম হয় ১৯১৪ চনত নগাঁৱত। তেওঁৰ একমাত্ৰ কবিতা পুথি 'সাগৰ দেখিছা' প্ৰকাশ হয় ১৯৪৫ চনত। গ্ৰন্থখনত প্ৰকাশিত পঁয়ত্ৰিশটা কবিতাই মনোৰম। এই কবিতাকেইটি বিংশ শতিকাৰ তৃতীয় দশকত ৰচিত। ইয়াৰে বেছিভাগ কবিতাই 'আৱাহন' কাকতত প্ৰকাশিত। দেৱকান্ত বৰুৱা 'আৱাহন' যুগৰ শ্ৰেষ্ঠ কবি। তেওঁ অসমীয়া ৰমন্যাসিক কবিতাৰ শেষৰজন আৰু আধুনিক অসমীয়া কবিতাৰ বাটকটীয়া।

'নদী' জনজীৱনৰ প্ৰাণ। নদীয়ে সৃষ্টি কৰে, নদীয়ে ধ্বংসও কৰে। নদীয়ে গঢ়ে, নদীয়ে ভাঙে। নদী মানৱ সভ্যতাৰ আয়ুস ৰেখা। অপৰূপ সৌন্দৰ্যেৰে নদীৰ পাৰতেই গঢ় লৈ উঠিছে আধুনিক সভ্যতাৰ সুষমা। প্ৰকৃতিৰ অনন্য অৱদান নদীক লৈ সৃষ্টি হৈছে বিশ্বসাহিত্যৰ বহুতো অমৰ সৃষ্টি। বহুতো গল্প, উপন্যাস, নাটক, কবিতা আদি সৃষ্টি হৈছে নদীক কেন্দ্ৰ কৰি। দেৱকান্ত বৰুৱাৰো কবিতা সৃষ্টিৰ অন্তৰালত 'কলং'-এ এক মুখ্য ভূমিকা লোৱা দেখা যায়। তেওঁৰ কবিতাত কলঙৰ প্ৰসংগ কেইবাবাৰো উত্থাপিত হৈছে। 'সাগৰ দেখিছা' কাব্যগ্ৰন্থখনত 'কলঙ-পাৰত' আৰু 'কলঙ-পাৰত মাজনিশা' শিৰোনামেৰে কবিয়ে দুটা উৎকৃষ্ট কবিতা ৰচনা কৰিছে। কলঙক কেন্দ্ৰ কৰিয়েই কবিৰ প্ৰেম, ভালপোৱা আৰু কবিতাৰ উৎপত্তি।

কলঙৰ নিজান পাৰত বহি কবিয়েই সপোন দেখিছে। সিপাৰৰ এজাৰৰ ৰূপৰ বহ্নিশিখা আৰু সোণাৰুৰ সোণালী যৌৱন কবিৰ আপোন যেন লাগিছে। কলঙত উটি অহা মেটেকাৰ বনৰীয়া বিহফুল পাহিয়ে কবিক যেন দুখৰ কাহিনী হাঁহি হাঁহি ক'ব। কবিয়ে বিদায় মগাৰ আগতে এই বিনন্দীয়া পৃথিৱীখনৰ নতুন ৰূপ শোভা চাই ল'ব।

ভাবিছোঁ অকলে কোন দিনা কোন ম্লান
সন্ধিয়া পৰত
মাগিম বিদায়,
বিনন্দীয়া পৃথিৱীৰ নিতউ নতুন শোভা ল'ম
বাৰু শেষবাৰ চাই।
(কলঙ-পাৰত)

বিৰহত দগ্ধ হৈ দেৱকান্ত বৰুৱাই 'কলঙ-পাৰত' কবিতাটিত দুখ প্ৰকাশ কৰিছে। কবিৰ দৰে ব্যথাহত দুৰ্ভগীয়াই আকুল গীতেৰে কলঙৰ দুয়োটি পাৰ কোমল কৰুণ কৰিলেও কবিতাৰ পূৰ্ণতাৰে প্ৰকাশ কৰিব নোৱাৰিলে। সময়ৰ সোঁতত কবিৰ লগতে আৰু বহুতো যাবগৈ আৰু বহুতো হয়তো আহিব—

আহিব নতুন কবি কলঙ-পাৰত বহি যৌৱনৰ
আৰতি শুনাব।
হয়তো গানত তাৰ কান্দিব বাৰিষা-মেঘ চকুলোৰ
বৰষি অমৃত;
হয়তো ছন্দত তাৰ ধৰা দিব বুদ্ধ-কণ্ঠ শতাব্দীৰ
উদ্দাম সংগীত।
(কলঙ-পাৰত)

কলঙক বুৰঞ্জীয়ে দিব জীৱনৰ জয়মালা, সভ্যতাই আদৰি ল'ব। পাহৰি যাব অনাগত ভৱিষ্যতে, মানুহৰ মিছা ইতিহাসে। আনকি পাহৰি যাব প্ৰভাতৰ পূবেৰুণে, সন্ধিয়াৰ সুন্দৰ আকাশে—

আমাক পাহৰি যাব অনাগত ভৱিষ্যই, মানুহৰ

মিছা ইতিহাসে,
আমাক পাহৰি যাব প্ৰভাতৰ পূবেৰুণে, সন্ধিয়াৰ
সুন্দৰ আকাশে।

(কলঙ-পাৰত)

'কলঙ-পাৰত মাজনিশা' দেৱকান্ত বৰুৱাৰ আন এটি শ্ৰেষ্ঠ কবিতা। কবি দেৱকান্ত বৰুৱা মূলতঃ প্ৰেমৰ কবি। ৰমন্যাসিক যুগৰ প্ৰেমৰ কবিসকলৰপৰা আঁতৰি আহি এক নিজা শৈলীৰে গঢ় লৈ উঠিছে তেওঁৰ কবিতা। অম্বিকাগিৰী ৰায়চৌধুৰী, যতীন্দ্ৰনাথ দুৱৰা, ৰত্নকান্ত বৰকাকতি, গণেশ গগৈ আদি কবিসকলতকৈ দেৱকান্ত বৰুৱা অধিক বাস্তৱ। সেই কাৰণে কবিয়ে ক'ব পাৰিছে এনেদৰে—

তোমাৰ বিয়ালৈ আৰু কেইদিন বাকী?
দহদিন? মাথোঁ দহদিন আছে?
এনে দহ নিশা, তুমি যাবা তোমাৰ বাটেদি,
মই যাম মোৰ বাটে বাটে।

(কলঙ-পাৰত মাজনিশা)

কলঙ-পাৰত মাজনিশা লগ ধৰা মনোৰমাক কবিয়ে নিঃসংকোচে কৈছে— কলঙৰ নিজান পাৰত আজি মাথোঁ তুমি আৰু মই। আহা মোৰ ওচৰতে বহা। 'কলঙ-পাৰত মাজ নিশা' কবিতাটি কবিৰ বিদায়ৰ কবিতা হোৱা হেতুকে বিৰহৰ ছবি এখন প্ৰকাশ পাইছে—

আহাছোঁ ওচৰ চাপি, সঙ্কোচৰ ব্যৱধান
নেৰাখিবা বিদায় নিশাত,
ভাগৰ লাগিছে যদি, নকৰিবা একো লাজ,
থোৱা মূৰ মোৰেই কোলাত।

কবি দেৱকান্ত বৰুৱাই লুকাই অহা প্ৰেয়সীক কাষত বহুৱাই দ্বিধাহীনভাবে কৈছে—

এতিয়াই যাবা ঘৰলৈ? কিয় কেনেবাকে
কোনোবাই যদি সাৰ পায়?
তুমি গোলাপৰ আজি লভিছোঁ পৰশ প্ৰিয়া
কাঁইটৰ শঙ্কা মোৰ নাই।

(কলঙ-পাৰত মাজনিশা)

প্ৰেয়সী মনোৰমাৰ জোন যেন মুখখনি আৰু মায়াসনা চকুহালি চাই লৈ অধিক বাস্তৱবাদী হৈ মনৰ কথা প্ৰকাশ কৰিছে। দহদিন পাছত বিয়া হৈ নতুন ঘৰখনত মনোৰমাই চেনেহৰ শলিতাৰে চাকি জ্বলাব। ন-চাকিৰ পোহৰত জীয়ৰী কালৰ আশা-আকাংক্ষা, সুখ-দুখ দিনে দিনে মচ খাব—

নতুন ঘৰত তুমি চেনেহৰ শলিতাৰে
জ্বলাবা যি
ন চাকি গছি,
তাৰ পোহৰত যাব জীয়ৰী কালৰ আশা,
সুখ, দুখ
দিনে দিনে মচি।

(কলঙ-পাৰত মাজনিশা)

সময়ত প্ৰেয়সীয়ে কবিৰ সকলো দোষ, গুণ, ভালপোৱা পাহৰি পেলাব। আনকি কলংপাৰত মাজনিশাৰ অন্তিম স্মৃতিকণো পাহৰি পেলাব। হয়তো প্ৰিয়জনৰ লগত 'কোনোবা নিশা' কলঙৰ পাৰত বহোতে বকুলৰ সুগন্ধিয়ে অতীত স্মৃতি মনত পেলাব। প্ৰেয়সীয়ে পুৰণা স্মৃতি মনত পেলালেও পেলাব, নেপেলালেও নেপেলাব; কবিৰ তাত কোনো খেদ নাই। কিয়নো কবিৰ জীৱনৰ বাবে প্ৰেমে দি গৈছে এক সম্পদ, এক অহংকাৰ। কবিয়ে স্পষ্টকৈ কৈছে—

মোৰ অহঙ্কাৰ
প্ৰথম জগালোঁ ময়ে তন্দ্ৰালসা গাভৰুক মনোৰমা!
হিয়াৰ তোমাত।

(কলঙ-পাৰত মাজনিশা)

ইন্দ্ৰিয়গ্ৰাহ্য প্ৰেমক স্বীকাৰ কৰি, প্ৰাচীন ছন্দ-ৰীতি-পৰিহাৰ কৰি এক নব্য শৈলীৰে নাটকীয় ঠাঁচত কথ্য ভাষাৰ সহজ প্ৰয়োগ, স্পষ্টবাদিতা, প্ৰগতিবাদ আৰু অতি বাস্তৱবাদ আদি গুণৰ বাবে দেৱকান্ত বৰুৱা সদায় পাঠক-শ্ৰোতাৰ হৃদয়ত সজীৱ হৈ জীয়াই থাকিব। শেষ 'কবিৰ কামনা'ৰে সামৰিলোঁ—

কলঙ-পাৰৰ এই দূৱৰিত আকাশৰ
বিচাৰোঁ তুলনা।।❑

---

লেখক - নগাঁও ছোৱালী মহাবিদ্যালয়ৰ অধ্যাপক।

# মহাত্মা গান্ধীৰ দৃষ্টিত হিটলাৰ

**ময়ূৰ বৰা**

মহাত্মা গান্ধী আৰু এডলফ হিটলাৰ। ঊনৈশ শতিকাত জন্মগ্ৰহণ কৰি বিংশ শতিকাত অস্বাভাৱিকভাৱে মৃত্যুক সাবটি লোৱা দুয়োজনেই আধুনিক ইতিহাসৰ অত্যন্ত গুৰুত্বপূৰ্ণ ব্যক্তি। কেৱল ব্যক্তি বুলিলে হয়তো ভুল হ'ব। কাৰণ মতাদৰ্শৰ তীব্ৰ ভিন্নতা সত্ত্বেও দুয়োজনৰে ৰাষ্ট্ৰ, ৰাজনীতি আৰু মানৱ জীৱন সম্পৰ্কীয় চিন্তা-চৰ্চা আৰু কৰ্মৰাজিৰ প্ৰভাৱ ইমান গভীৰ আৰু ব্যাপক আছিল যে দুয়ো হৈ পৰিছিল দুটা বৃহৎ অনুষ্ঠানৰ নিচিনা। তেওঁলোকৰ চিন্তাৰাজিৰ প্ৰভাৱ আজিৰ মানুহৰ মনোজগততো স্পষ্ট। আধুনিক কোনোবা আৱেগপ্ৰৱণ আৰু সংবেদনশীল মানুহৰ মনত যদি এই দুজনা ব্যক্তিৰ প্ৰভাৱ বোৱঁতী সুঁতিৰ দৰে, আন কাৰোবাৰ মনত সময়ভেদে সেই প্ৰভাৱে উত্তাল তৰংগৰো সৃষ্টি কৰে।

গান্ধী আৰু হিটলাৰৰ চিন্তা আৰু কৰ্মপদ্ধতি আছিল সম্পূৰ্ণৰূপে সুকীয়া। জীৱন কালতেই 'মহাত্মা' উপাধিৰে বিভূষিত হোৱা গান্ধী আছিল ভাৰতৰ স্বাধীনতা পিয়াসী, সংগ্ৰামী ৰাইজৰ অধিকাংশৰে নয়নৰ মণি। অহিংসা আৰু সত্যৰ ওপৰত প্ৰতিষ্ঠিত গান্ধীৰ নেতৃত্বত গঢ় লোৱা ভাৰতৰ স্বাধীনতা আন্দোলনে সাম্ৰাজ্যবাদী ব্ৰিটিছৰ শোষণমূলক শাসনৰ অন্ত পেলাইছিল। একে সময়তে বিশ্বত হিটলাৰে জাৰ্মান ৰক্তৰ শ্ৰেষ্ঠতা প্ৰতিপন্ন কৰিবলৈ গৈ এনে কিছু অমানুষিক আৰু পৈশাচিক কাৰ্যপন্থা গ্ৰহণ কৰিছিল, যাৰ ফলত নিধন হৈছিল প্ৰায় ষাঠি লাখ ইহুদী আৰু আশী-নব্বৈ লাখ অন্যান্য জাতিৰ লোক। অকালতে মৃত্যুবৰণ কৰিছিল বহু লাখ জাৰ্মান লোকে। অৱধাৰিতভাৱে হিটলাৰৰ নিজৰ জীৱনলৈকো আহিছিল সেই ধ্বংসযজ্ঞৰ বিৰূপ প্ৰভাৱ। শেষ মুহূৰ্তত সকলোফালে নিজৰ মতাদৰ্শৰ পৰাজয় সহ্য কৰিব নোৱাৰি হিটলাৰে প্ৰেয়সী ইভা ব্ৰাউনৰ লগত একেলগে আত্মহত্যা কৰিছিল। আখ্যা পাইছিল 'শতিকাটোৰ কুখ্যাত ব্যক্তি' হিচাপে।

সকলো মানুহকে সমদৃষ্টিৰে চাবলৈ প্ৰয়াস কৰা মহাত্মা গান্ধীৰ হিটলাৰ সম্পৰ্কীয় ধাৰণা আছিল অত্যন্ত স্পষ্ট। ধূসৰতাৰ কুঁৱলী তাত খুব কমেই দেখা পোৱা যায়। হিটলাৰৰ কৰ্ম সম্বন্ধে গান্ধীৰ মনোভাৱ উমান পোৱাৰ বাবে মুখ্য উৎস হ'ল গান্ধীয়ে হিটলাৰলৈ লিখা দুখন চিঠি। প্ৰথমখন চিঠি লিখিছিল ১৯৩৯ চনৰ ২৩ জুলাইত আৰু দ্বিতীয়খন ১৯৪০ চনৰ ২৪ ডিচেম্বৰত। কিন্তু তেতিয়াৰ ব্ৰিটিছ চৰকাৰে দুয়োখন চিঠি প্ৰেৰণৰ ক্ষেত্ৰত বিধি-পথালি দিছিল। আধুনিক ইতিহাস চৰ্চাত গান্ধীৰ হিটলাৰ সম্পৰ্কীয় দৃষ্টিভংগী বিশেষতঃ দুটা কাৰণৰ বাবে মানুহৰ আগ্ৰহৰ কেন্দ্ৰবিন্দু হৈ পৰা পৰিলক্ষিত হয়।

প্ৰথম কাৰণটো হ'ল, হিটলাৰে ১৯৩৮ চনত ব্ৰিটিছ চৰকাৰক ভাৰতৰ স্বাধীনতা আন্দোলন দমন কৰা সন্দৰ্ভত প্ৰদান কৰা পৰামৰ্শসমূহৰ বিষয়ে গান্ধী অজ্ঞ নাছিল। লৰ্ড হেলিফেক্সৰ আগত ৰখা হিটলাৰৰ বক্তব্যৰ মাজত কোনো দ্বিধা বা দ্বন্দ্বৰ বিষয়ে গম পোৱা নাযায়। কাৰণ হিটলাৰৰ পৰামৰ্শ আছিল সূৰ্যৰ পোহৰৰ দৰেই স্পষ্ট। গান্ধীক হত্যা কৰিব পাৰিলেই ব্ৰিটিছ সাম্ৰাজ্যবাদ সুৰক্ষিত হ'ব আৰু ভাৰতৰ স্বাধীনতা আন্দোলনৰ তীব্ৰতা ম্লান হৈ পৰিব। হিটলাৰ

অৱশ্যে সেইখিনিতে ক্ষান্ত হোৱা নাছিল। তেওঁ ব্ৰিটিছক কংগ্ৰেছৰ অন্যান্য গুৰুত্বপূৰ্ণ নেতাসকলকো হত্যা কৰিবলৈ কৈছিল। তথাপি যদি স্বাধীনতা আন্দোলনৰ চোক নকমে, তেনেহ'লে দুশমান সংগ্ৰামী ভাৰতীয়ক হত্যা কৰাৰ উপদেশো হিটলাৰে হেলিফেক্সক দিছিল।

মানুহৰ আগ্ৰহৰ দ্বিতীয় কাৰণটো আছিল মহান বিজ্ঞানী আইনষ্টাইনে গান্ধীৰ চিন্তাৰ ওপৰত প্ৰকাশ কৰা নিজৰ মতামতসমূহ। প্ৰায়বোৰ কথাতে গান্ধীৰ মতাদৰ্শক সন্মান কৰা আইনষ্টাইনে কিন্তু গান্ধীৰ সত্য আৰু অহিংসাৰ নীতিৰ ওপৰত নিৰ্ভৰশীল কাৰ্যপন্থাক হিটলাৰৰ নাজীবাহিনীৰ বিপৰীতে সফলকাম হ'ব নোৱাৰে বুলি ভাবিছিল। আধুনিক বিজ্ঞানে মানৱ জীৱনলৈ অনা যন্ত্ৰচালিত সামগ্ৰীৰ প্ৰতি গান্ধীৰ স্বভাৱজাত অনীহাক সমালোচনা কৰাৰ লগতে আইনষ্টাইনে কৈছিল যে গান্ধীৰ আন্দোলনৰ পন্থা ব্ৰিটিছৰ বিৰুদ্ধেহে প্ৰযোজ্য কৰিব পাৰি, কিন্তু হিটলাৰ বাহিনীৰ বিপক্ষে নহয়। এই দুয়োটা কাৰণৰ বাবে গান্ধীৰ হিটলাৰ সম্পৰ্কীয় মতামত বৌদ্ধিক মহলৰ বাবে সৰ্বদা আকৰ্ষণীয়। একে সময়তে পত্ৰৰ যোগেদি হিটলাৰক অহিংস নীতিৰ সমৰ্থক কৰিবলৈ লোৱা গান্ধীৰ প্ৰয়াসক বাঘক তৃণভোজী কৰাৰ সমাৰ্থক এক অবাস্তৱ পদক্ষেপ বুলিও কিছুসংখ্যক বাওঁপন্থী আৰু উগ্ৰ হিন্দুত্ববাদী চিন্তাবিদে সমালোচনা কৰিছে। তথাপি কিন্তু আগ্ৰহী ব্যক্তিৰ মনত গান্ধীৰ এই দুয়োখন চিঠিৰ সন্দৰ্ভত অনুসন্ধিৎসাৰ অন্ত নাই। কি আছেনো এই চিঠি দুখনত?

গান্ধীয়ে দুয়োখন পত্ৰতে হিটলাৰক 'বন্ধু' বুলি সম্বোধন কৰিছিল। তেওঁ হয়তো লেখাৰ সময়তে উপলব্ধি কৰিব পাৰিছিল যে 'বন্ধু' বুলি সম্বোধন কৰাৰ কাৰণটোও আৰম্ভণিতে জনাই থোৱা ভাল। গান্ধীয়ে আগবঢ়োৱা যুক্তিত কোনো বৌদ্ধিক চল-চাতুৰিৰ প্ৰলেপ দেখা পোৱা নাযায়। জাতি, বৰ্ণ, ধৰ্ম, ভাষা নিৰ্বিশেষে সকলো মানুহক সমান দেখা গান্ধীয়ে চিঠিখনত কৈছিল যে তেওঁৰ কোনো শত্ৰু নাই। গোটেই মানৱ জাতিয়েই তেওঁৰ বন্ধু। লগতে এইটো কথাও সোঁৱৰাই দিবলৈ পাহৰা নাছিল যে অহিংস বিশ্বভাতৃত্বৰ ডোলেৰে বান্ধ খোৱা পৃথিৱীৰ অন্যান্য সাধাৰণ মানুহেও হয়তো হিটলাৰৰ কাৰ্যপন্থাক তেওঁৰ দৃষ্টিৰেই মূল্যায়ন কৰিব।

প্ৰথম চিঠিখন লেখাৰ আগতে গান্ধীয়ে ঠিকেই অনুমান কৰিব পাৰিছিল যে হিটলাৰৰ তীব্ৰ স্বাৰ্থান্বেষী আৰু স্বেচ্ছাচাৰী কাৰ্য বন্ধ নহ'ল। এখন বিশাল যুদ্ধ পৃথিৱীৰ সন্মুখত অৱশ্যম্ভাৱী। সেই যুদ্ধৰ ৰক্তক্ষয়ী প্ৰভাৱৰ পৰা মানুহক বচাবলৈ কিছু অনিচ্ছাসত্ত্বেও গান্ধীয়ে তেওঁৰ অন্যান্য কেতবোৰ বন্ধুৰ অনুৰোধত চিঠিখন লিখিছিল। চুটি চিঠিখনত তেওঁ এটা কথা কৈছিল যে হিটলাৰে ইচ্ছা কৰিলে বিশ্ববাসীক তেনে এখন যুদ্ধ সংঘটিত হোৱাৰ পৰা ৰেহাই দিব পাৰে। কাৰণ যুদ্ধ এখন হ'লে মানৱ জাতিৰ ওপৰত পৰিব পৰা তাৰ ধ্বংসাত্মক প্ৰভাৱৰ কথা গান্ধীয়ে খুব সুন্দৰকৈ ধৰিব পাৰিছিল। যুদ্ধোত্তৰ কালত বহুতো সমালোচকে তেওঁৰ এই আশাক মূৰ্খামিৰ পৰিচায়ক বুলি অভিহিত কৰিবলৈও কুণ্ঠাবোধ কৰা নাছিল। আনকি কিছু সমালোচকে কৈছে যে যুদ্ধখন বন্ধ কৰাত হিটলাৰে কিছু দৃঢ় পদক্ষেপ লোৱাটোহে গান্ধীয়ে বিচাৰিছিল আৰু তাৰ বাহিৰে হিটলাৰৰ অন্যান্য অমানৱীয় কাৰ্যাৱলীত গান্ধীয়ে নিৰৱতাৰ যোগেদি মান্যতা প্ৰদানহে কৰিছিল। কিন্তু নিৰপেক্ষ আৰু নিৰ্মোহ যুক্তিৰ আগত এনেবোৰ সমালোচনা সুস্থ আৰু সন্তুলিত চিন্তাৰ বহিঃপ্ৰকাশ বুলি কেতিয়াও আখ্যা পাব নোৱাৰে। কাৰণ ইহুদী নিধনকে আদি কৰি অধিকাংশ নৃশংস কাম হিটলাৰে কৰিছিল দ্বিতীয় বিশ্বযুদ্ধৰ আৰম্ভণিৰ পাছতহে। যুদ্ধৰ অছিলা লৈয়েই বহুতো জাৰ্মান লোকৰ সমৰ্থনো হিটলাৰে নানা কৌশলেৰে আদায় কৰিবলৈ সক্ষম হৈছিল। শান্তিৰ সময়ত ইমানবোৰ দানবীয় কাম হিটলাৰে কেতিয়াও কৰিব নোৱাৰিলেহেঁতেন। সেই কথাৰ প্ৰমাণ হিটলাৰে

যুদ্ধৰ আৰম্ভণিতে নিজৰ দেশত ল'ব খোজা আন এক জঘন্য কাৰ্যসূচীৰ সময়ত পোৱা যায়। জাৰ্মান লোকসকলৰ দাবীৰ ওচৰত সেও মানি মদমত্ত হিটলাৰে শাৰীৰিকভাৱে অক্ষম লোকসকলক ইচ্ছামৃত্যু দিব বিচৰা চিন্তা মনৰ পৰা পৰিহাৰ কৰিবলগীয়া হৈছিল। গতিকে এইটো ঘটনাৰ পৰাও উপলব্ধি কৰিব পাৰি যে গান্ধীৰ প্ৰথম চিঠিখনত হিটলাৰক কৰা অনুৰোধক নিতান্তই অপ্ৰয়োজনীয় বুলি ক'ব নোৱাৰি। বৰং ইয়াৰ মাজত অন্তৰ্নিহিত হৈ আছিল এক শান্তিকামী দূৰদৃষ্টি।

গান্ধীয়ে হিটলাৰলৈ লিখা দ্বিতীয় চিঠিখন আছিল কিছু দীঘলীয়া। মূলতঃ অহিংস আন্দোলনৰ অনন্য বৈশিষ্ট্যসমূহৰ কথা উল্লেখ কৰি গান্ধীয়ে যিকোনো সংগ্ৰামতে শত্ৰুপক্ষক শাৰীৰিকভাৱে পৰাভূত কৰাতকৈ মানসিকভাৱে জয় কৰাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছিল। তদুপৰি হিটলাৰৰ নিজৰ দেশৰ প্ৰতি থকা মোহ আৰু সন্মানক গান্ধীয়ে স্বীকৃতিও দিছিল। কিন্তু হিটলাৰৰ অযুক্তিকৰ জেদভাব, গোড়ামি আৰু অমানুষিক আচৰণক শাণিত ভাষাৰে সমালোচনা কৰিবলৈও তেওঁ এৰা নাছিল। হিটলাৰে পোলেণ্ড, চেকশ্লোভাকিয়া আৰু ডেনমাৰ্কৰ বিৰুদ্ধে দেখুওৱা মিলিটেৰী আগ্ৰাসনক দানৱীয় বুলি ক'বলৈও গান্ধীয়ে ইতস্ততঃ কৰা নাই। শক্তিশালীয়ে শক্তিহীনৰ ওচৰত দেখুওৱা বীৰত্ব বা পৰাক্ৰমক তেওঁ কঠোৰ ভাষাৰে সমালোচনা কৰিছিল। নাজীবাদৰ দৰে ব্ৰিটিছ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে গান্ধীয়ে গ্ৰহণ কৰা মতামত উক্ত পত্ৰখনৰ মাজতে পোৱা যায়।

গান্ধীয়ে বিশ্বাস কৰিছিল যে নাজীবাদ আৰু ব্ৰিটিছ সাম্ৰাজ্যবাদৰ পাৰ্থক্য আছে মতাদৰ্শ দুটাৰ বিৰূপ প্ৰভাৱৰ প্ৰাবল্যৰ ক্ষেত্ৰতহে। তাৰ বাহিৰে শোষণ, লুণ্ঠন আৰু অৱদমন কৰি ৰাখিব বিচৰা প্ৰৱণতাটোৰ ক্ষেত্ৰত দুয়োটাৰে মাজত বিশেষ প্ৰভেদ দৃষ্টিগোচৰ নহয়। তদুপৰি ভাৰতৰ অধিকাংশ স্বাধীনতা আন্দোলনকাৰীয়ে সৰ্বসাধাৰণ ব্ৰিটিছ লোকৰ কোনো অহিত চিন্তা কৰা নাছিল। গান্ধীয়ে কৈছিল— 'আমি তেওঁলোকক পৰাভূত কৰিবলৈ চেষ্টা নকৰোঁ, আমি চেষ্টা কৰিম কেৱল তেওঁলোকৰ মনোভাব সলনি কৰিবলৈ। আৰু যদিহে আমি তেওঁলোকৰ মনৰ ভাব সলনি কৰিবলৈ সক্ষম নহওঁ, তেনেহ'লে আমাৰ অহিংস অসহযোগিতাৰ সহায়েৰে তেওঁলোকৰ শাসন অসম্ভৱ কৰি তুলিম।' উক্ত বাক্যকেইশাৰীতে গান্ধীৰ মনৰ মতাদৰ্শগত স্পষ্টতা, আত্মবিশ্বাস আৰু জয়ৰ অৱশ্যম্ভাৱিতাৰ কথা বুজিব পাৰি। তথাপি ইয়াত কোনো অযুক্তিকৰ তথা অত্যধিক গৌৰৱ আৰু অহংকাৰৰ লেশ দেখা পোৱা নাযায়। ভাৰতৰ মাটি, ভাৰতীয় মানুহৰ শৰীৰ আৰু ভাৰতীয় মানুহৰ অন্তৰাত্মা সকলোকে গান্ধীয়ে ভিন্ন ৰূপত চিহ্নিত আৰু মূল্যায়ন কৰিছিল। তেওঁ হিটলাৰক কৈছিল যে ব্ৰিটিছে আমাৰ মাটি বা শৰীৰ লৈ ল'ব পাৰে, কিন্তু কোনো ভাৰতীয়ৰে অন্তৰাত্মা জয় কৰিব নোৱাৰে। মানুহৰ হৃদয় জয় কৰিবলৈ অসমৰ্থ কোনো শক্তিকে গান্ধীয়ে হয়তো প্ৰকৃতাৰ্থত শক্তিশালী বুলি ভবা নাছিল। সেয়েহে সত্য আৰু অহিংসাৰ ওপৰত তেওঁৰ আস্থা আছিল সদায় অটল।

গান্ধীয়ে হিটলাৰক আৰু কৈছিল যে অহিংস পন্থাৰে উদ্বুদ্ধ অলেখ ভাৰতীয় লোকে ব্ৰিটিছৰ প্ৰতি কোনো বিৰূপ মনোভাব পোষণ নকৰি নিজৰ দেশৰ বাবে প্ৰাণ উছৰ্গা কৰিব পাৰে। ইয়াৰ জৰিয়তে অহিংস মতাদৰ্শৰ মাজত অন্তৰ্নিহিত হৈ থকা সীমাহীন সাহস আৰু স্বাৰ্থহীন দেশপ্ৰেমৰ দৃষ্টান্ত তেওঁ সজোৰে দাঙি ধৰিছিল। অন্যান্য কিছু সতীৰ্থৰ নিচিনাকৈ গান্ধীয়ে জাৰ্মান শক্তিৰ সহায়ত ব্ৰিটিছ সাম্ৰাজ্যবাদক ওফৰাব বিচৰা নাছিল। সেই বিষয়েও তেওঁ দ্বিধাহীনভাৱে স্পষ্ট ভাষাত হিটলাৰক জনাই দিছিল। তেওঁ বিশ্বাস কৰিছিল যে বিশ্বৰ হিংসাশ্ৰয়ী শক্তিসমূহৰ সন্মিলিত প্ৰচেষ্টাকো অহিংস সংগ্ৰামে সেও মনাবলৈ সক্ষম হ'ব। কাৰণ অহিংস ৰণত জয় বা পৰাজয়ৰ কোনো কথা থাকিব নোৱাৰে। গান্ধীৰ মতে ভাৰতৰ

স্বাধীনতা সংগ্ৰাম শেষ সময়ত পৰ্যবসিত হৈছিল কেৱল 'do or die' পৰ্যায়লৈ, কিন্তু কাকো হত্যা কৰি বা কাকো আঘাত দি নহয়। তেওঁ আৰু কৈছিল যে অহিংস সংগ্ৰামৰ বাবে টকা-পইচা বা হিটলাৰে প্ৰদৰ্শন কৰা ৰাজনৈতিক মতাদৰ্শৰ কোনো প্ৰয়োজন নাই।

গান্ধীয়ে পত্ৰখনত লিখা ইয়াৰ পিছৰ কথাখিনিত দ্বিতীয় মহাসমৰৰ সম্ভাব্য ফলাফল আৰু হিটলাৰৰ শেষ অৱস্থাৰ কথা ভৱিষ্যদ্বাণীৰ দৰে পৰিস্ফুট হয়। মূলতঃ সেই সময়ৰ বিশ্বৰ বিভিন্ন শক্তিৰ মাজত থকা সম্পৰ্কবোৰৰ মাত্ৰাক সূক্ষ্ম দৃষ্টিকোণেৰে বিশ্লেষণ কৰিব পৰা ক্ষমতা আৰু নিজৰ মতাদৰ্শৰ যুক্তিযুক্ততাৰ ওপৰত গভীৰ বিশ্বাস ৰখা গান্ধীৰ দৰে এজন ব্যক্তিৰ কাপৰপৰা উক্ত কথাখিনি হয়তো অত্যন্ত অৱধাৰিতভাৱে ওলাই আহিছিল। হিংসাৰ মূল সীমাবদ্ধতা হ'ল ই আমন্ত্ৰণ কৰি অনা সৰ্বতোপ্ৰকাৰৰ ধ্বংসলীলা। কিন্তু একে সময়তে সেই হিংসাশ্ৰয়ী যুদ্ধ আৰম্ভ কৰা পক্ষটোৰ দুৰ্বলতাও শত্ৰুপক্ষই বুজি পোৱা হয় আৰু উচিত সময়ত শত্ৰুপক্ষই প্ৰথম পক্ষক পৰাভূত কৰিবলৈ সক্ষম হ'ল হয়। গান্ধীয়ে সেই কথা সঠিকভাৱেই উপলব্ধি কৰিছিল আৰু হিটলাৰক জনাইছিল যে এদিন হয়তো ব্ৰিটিছ বা আন শক্তিয়ে হিটলাৰে সূচনা কৰা খেলখনত অধিক পাকৈত হৈ উঠিব আৰু জাৰ্মান শক্তিক পৰাভূত কৰিব।

দ্বিতীয় মহাযুদ্ধৰ শেষ পৰিণামো প্ৰায় তেনেধৰণেৰেই হৈছিল আৰু হিটলাৰ বাহিনী মিত্ৰশক্তিৰ হাতত পৰাভূত হৈ বিধ্বস্ত হৈ পৰিছিল। কিন্তু অত্যন্ত পৰিতাপৰ বিষয় আছিল যে বিধ্বংসী হত্যালীলাৰ ব্যাপ্তি আৰু গভীৰতাৰ ক্ষেত্ৰত দ্বিতীয় মহাসমৰ পৃথিৱীৰ বুৰঞ্জীৰ এক দুখজনক অধ্যায় হিচাপে চিহ্নিত হৈ ৰ'ল। প্ৰায় পাঁচ কোটিতকৈও অধিক মানুহে প্ৰাণ হেৰুওৱা এই যুদ্ধই সমগ্ৰ বিশ্বৰ বহুতো অঞ্চলত ধ্বংসৰ তাণ্ডৱলীলা চলাইছিল। মৃত্যুবৰণ কৰাতকৈও অধিকসংখ্যক মানুহ জীৱনৰ কাৰণে ঘৃণীয়া হৈছিল। যুদ্ধত লিপ্ত দেশসমূহৰ অৰ্থনীতি হৈ পৰিছিল সম্পূৰ্ণৰূপে বিধ্বস্ত। নানা গুৰুত্বপূৰ্ণ উদ্যোগ আৰু সেইবোৰ স্থাপনৰ বাবে কৰা লাখ লাখ মানুহৰ শ্ৰম, কষ্ট আদি ধূলিৰ লগত মিহলি হৈ গৈছিল। তাতকৈও দুৰ্ভাগ্যজনক কথা আছিল দ্বিতীয় বিশ্বযুদ্ধত প্ৰথমবাৰৰ বাবে ব্যৱহৃত হৈছিল এটম বোমা। জাপানৰ হিৰোচিমা আৰু নাগাচাকিত আমেৰিকাই নিক্ষেপ কৰা এটম বোমাৰ প্ৰভাৱত তাৎক্ষণিকভাৱে মৃত্যু হোৱা অলেখ মানুহৰ বাহিৰেও আৰু এক গৰিষ্ঠসংখ্যকে পাছৰ জীৱনত অৱৰ্ণনীয় কষ্ট খাই জীয়াতু ভুগিছিল। অৱশ্যে দ্বিতীয় বিশ্বযুদ্ধৰ দৰে পৃথিৱীৰ ইমানবোৰ দেশ জড়িত থকা এক সংঘাতত কেৱল হিটলাৰকে জগৰীয়া কৰাটো সমীচিন নহয়। তৎসত্বেও সেই বিভীষিকাময় পৰিস্থিতিৰ মূল কাৰণৰ বিষয়ে চিন্তা কৰিলেই হিটলাৰৰ অবিবেচক, চূড়ান্ত স্বাৰ্থপৰ আৰু হিংসাশ্ৰয়ী পথৰ ওপৰত অত্যধিক আস্থাশীল কাৰ্যাৱলীৰ কথাই সকলোৰে মনলৈ আহে।

ইয়াৰ বিপৰীতে গান্ধীৰ মতাদৰ্শৰ সুস্থিৰতাৰ কথা নাজীবাদবিৰোধী সংগ্ৰামৰ ক্ষেত্ৰতো সুন্দৰভাৱে পৰিলক্ষিত হয়। নাজীবাহিনীৰ হিংসাক তেওঁ যিদৰে বিৰোধিতা কৰিছিল, সেই একেই তীক্ষ্ণতাৰে তেওঁ নাজীবাদবিৰোধী হিংস্ৰ পন্থাটোকো বিৰোধিতা কৰিছিল। তদুপৰি ধ্বংস কৰাতকৈ গান্ধীয়ে সদায় গুৰুত্ব আৰোপ কৰিছিল মত পৰিৱৰ্তনৰ বাবে লোৱা আন্তৰিকতাপূৰ্ণ প্ৰচেষ্টাক। তেওঁৰ এই মতৰ বাবে বিভিন্ন ব্যক্তিয়ে বিভিন্ন সময়ত ক্ষুৰধাৰ সমালোচনাও কৰিছিল। কিন্তু মহাত্মা গান্ধী নিজ বিশ্বাসত সদায় অটল হৈ আছিল।

তদুপৰি বহুসময়ত নিজৰ মতাদৰ্শগত গোড়ামিৰ বাবেও গান্ধী সমালোচিত হৈছিল। কিন্তু কোনো সমালোচনাই সত্য আৰু অহিংসাৰ নীতিৰ ওপৰত তেওঁ পোষণ কৰা আস্থাক টলাব পৰা নাছিল। বহুতে যদিও এইক্ষেত্ৰত গান্ধীৰ ইগ' বা আত্মবোধৰ

কথাও উনুকিয়াব বিচাৰে, কিন্তু আমাৰ বোধেৰে যিকোনো প্ৰকাৰৰ হিংসাৰ বিৰুদ্ধে তেওঁ ৰখা মনোভাব আছিল হৃদয়ৰ নিভৃততম কোণৰপৰা সৃষ্ট এক স্বতঃস্ফূৰ্ত প্ৰকাশহে। কোনোধৰণৰ কৃত্ৰিমতা বা ভণ্ডামিৰ আৱৰণৰপৰা সেয়া আছিল সম্পূৰ্ণভাৱে মুক্ত।

সাম্প্ৰতিক সময়ত এচাম পণ্ডিতে প্ৰায় আলোচনা কৰা দেখা যায় যে গান্ধীৰ অহিংস নীতি আৰু আত্মত্যাগী আদৰ্শয়ো স্বাধীনতাৰ সময়ত আমাৰ দেশখনক বিভাজিত কৰাৰ পৰা ৰক্ষা কৰিব নোৱাৰিলে। কিন্তু সুস্থ আৰু বস্তুনিষ্ঠ ইতিহাস চৰ্চাৰ লগত জড়িত সকলো লোকে হয়তো এইটো কথা মানি ল'ব বিশ্ব ইতিহাসৰ যিকোনো গুৰুত্বপূৰ্ণ ঘটনাৰ বাবে কেৱল এজন মানুহৰ চিন্তা-চৰ্চা আৰু কৰ্মৰাজি একমাত্ৰ কাৰণ হ'ব নোৱাৰে। নিজৰ মতাদৰ্শৰ সীমাবদ্ধতাৰ বিষয়ে গান্ধী নিজেও জ্ঞাত আছিল। তথাপি এই কথা অনস্বীকাৰ্য যে গান্ধীৰ মতাদৰ্শৰ মাজত পৃথিৱীৰ অধিকাংশ মানুহৰ কল্যাণ সাধন কৰিব পৰা এক বিপুল সম্ভাৱনীয়তা আজিও লুকাই আছে। কিন্তু সেই প্ৰত্যাহ্বানক গ্ৰহণ কৰি বিশ্ববাসীক এক শান্তিময়, সমৃদ্ধিময়, অৰ্থবহ আৰু গভীৰ অন্তৰ্দৃষ্টিসম্পন্ন পথৰ সন্ধান দিবলৈ আজি গান্ধীৰ দৰে মহামানৱৰ বাৰুকৈয়ে অভাৱ। গান্ধীয়ে হিটলাৰলৈ লিখা দুয়োখন পত্ৰৰ মাজতে হিটলাৰৰ কাৰ্যপন্থা সম্পৰ্কে তেওঁ পোষণ কৰা দৃঢ় বিৰোধিতাৰ লগতে সত্য আৰু অহিংসাৰ ওপৰত প্ৰতিষ্ঠিত সংগ্ৰামৰ শ্ৰেষ্ঠত্বৰ অনুৰণন শুনা যায়।❑

লেখক - বিশিষ্ট বুদ্ধিজীৱী, সমালোচক আৰু সাহিত্যিক।

# ডিব্ৰুগড়ৰ দুটা ছপাখানা

**ড° সঞ্জীৱ পল ডেকা**

'টাইমছ অভ আছাম'(১৮৯৫-১৯৪৭) ৰ প্ৰতিষ্ঠাপক সম্পাদক আৰু প্ৰকাশক ৰাধানাথ চাংকাকতি(মৃত্যু ১৯২৩)ৰ মনত এখন কাকত উলিওৱাৰ কথা পোনতে ১৮৮০-৮১ চনতে খেলাইছিল আৰু এইক্ষেত্ৰত তেওঁ বিশেষ উৎসাহ পাইছিল বেংগল আৰ্মীৰপৰা অৱসৰ গ্ৰহণ কৰি উজনি অসম চৰকাৰৰ সামৰিক আৰু অসামৰিক প্ৰধান চিকিৎসকৰূপে কৰ্মৰত ডাঃ জন বেৰী হোৱাইট (১৮৩৪-১৮৯৬)ৰ পৰা। লক্ষ্মীনাথ ফুকনে লিখা মতে,'অকল মুখৰ কথাৰে উৎসাহ নিদি ডাক্তৰ বেৰী হোৱাইটে আনকি বিলাতৰ পৰা চাংকাকতিলৈ বুলি ৰে'ল কোম্পানীৰ চীফ ইঞ্জিনীয়াৰৰ ঠিকনাত পঠিয়াই দিছিল সকলো সা-সৰঞ্জামেৰে সৈতে এখন ছপাশাল; পিছে ছপাশালখনৰ চাংকাকতিক নিদি ৰে'ল কোম্পানীৰ নতুন মেনেজাৰজনে ৰে'লৰ টিকট আদি ছপাবৰ কাৰণে লৈ থ'লে।' (পৃঃ ৯৫, *মহাত্মাৰপৰা ৰূপকোঁৱৰলৈ*) উল্লেখ, বেৰী হোৱাইটৰ তৎপৰতাতে ঊনবিংশ শতিকাৰ সত্তৰৰ দশকৰ শেষৰফালে গঠিত হৈছিল 'অসম ৰেইলৱেজ এণ্ড ট্ৰেডিং কোম্পানী'(চমুকৈ এ আৰ এণ্ড টি কোম্পানী) আৰু ডাঃ হোৱাইট এই কোম্পানীৰ সঞ্চালক আছিল। চাংকাকতিয়ে এই ঘটনাৰ পিছত ১৮৮১ চনত কলিকতাৰ পৰা ফুলস্কেপ আকাৰৰ কাঠৰ ছপাশাল এটা আনি আমোলাপট্টিৰ সৰু খেৰীঘৰ এটাত পাতি সৰু-সুৰা ছপাৰ কাম আৰম্ভ কৰিছিল। ফুকনে লিখিছে — দুবছৰমান হওঁতে নৌহওঁতেই এদিন ৰাতি কোনোবাই জুই লগাই দিয়াত ঘৰ আৰু ছপাশাল জুইত জাহ গ'ল... তথাপি হতাশ নেমানি চাংকাকতিয়ে অ'ৰ ত'ৰ পৰা কিছু টকা যোগাৰ কৰি আগৰ ঠাইতে ডিমাই আকাৰৰ এখন লোহাৰ ছপাশাল পাতিলে(ঐ)। এই ছপাশালৰপৰা ১৮৯৫ চনৰ ৫ জানুৱাৰীৰপৰা প্ৰকাশ পায় অসমৰ প্ৰথমখন ইংৰাজী ভাষাৰ বাতৰি কাকত (সাপ্তাহিক)। ইপিনে যদিও বেৰী হোৱাইটে চাংকাকতিলৈ পঠিয়াই দিয়া ছপা যন্ত্ৰটো 'ৰে'লৰ টিকট ছপাবৰ বাবে' ৰে'লৱে কোম্পানীয়ে ৰাখি থৈছিল, ঊনবিংশ শতিকাৰ শেষৰপৰা আৰম্ভ কৰি বিংশ শতিকাৰ দ্বিতীয় দশকলৈ এই ছপাশালৰপৰা ভালেমান পুথি প্ৰকাশ হোৱা খবৰ পোৱা যায়। ঔপনিৱেশিক অসমৰ বেছিভাগ ছপাশাল স্থাপন হোৱাৰ মূলতে আছিল কাকত প্ৰকাশৰ উদ্দেশ্য। ক্ৰমবৰ্ধমান ছপাপুথিৰ চাহিদা পূৰাব পৰাকৈ ছপাযন্ত্ৰ তেতিয়া নাছিল। আৰু এই চাহিদা ভালেখিনি পূৰাইছিল ডিব্ৰুগড়ৰ এ আৰ টি কোম্পানীৰ ছপাশালে। ঊনবিংশ শতিকাৰ একেবাৰে শেষ আৰু বিংশ শতিকাৰ আৰম্ভণিতে অসমৰ অন্যান্য প্ৰান্তৰ তুলনাত ডিব্ৰুগড়ৰপৰাই সৰ্বাধিক অসমীয়া কিতাপ ছপা হৈছিল। মন কৰিব পাৰি, গ্ৰন্থ ব্যৱসায়ৰ ক্ষেত্ৰত এই সময়ছোৱাৰ দুগৰাকী সফল লোক আছিল ডিব্ৰুগড়ৰ। তেওঁলোক ক্ৰমে শিৱনাথ ভট্টাচাৰ্য্য (পিছলৈ ভট্টাচাৰ্য্য এজেঞ্চীৰ প্ৰতিষ্ঠাপক) আৰু নন্দেশ্বৰ চক্ৰৱৰ্তী (১৮৮৫-১৯৬৮; ১৯০৫ চনত এজেঞ্চী কোম্পানীৰ প্ৰতিষ্ঠাপক)। সি যি কি নহওক, 'ডিব্ৰুগড়ৰ বুৰঞ্জী' গ্ৰন্থত ১৮৯৮ চনত ৰে'লৱে ছপাশালৰপৰা প্ৰকাশিত এখন গ্ৰন্থৰ উল্লেখ পোৱা

গৈছে ঃ ১৮৯৮ চনতে ডিব্ৰুগড়ৰ মোহনাঘাটৰ মুহিৰাম দাস নামৰ এজন লেখকে প্ৰথমে 'হৰি দেউ কানীয়াৰ কথা' নামৰ এখন উপন্যাস লিখিছিল। পুথিখনৰ প্ৰকাশকৰ নামৰ ঠাইত লিখা আছে এ আৰ টি কোম্পানীৰ নাম। (পৃঃ ২৫৫) অৱশ্যে এ আৰ টি কোম্পানী প্ৰকাশক হোৱাৰ সম্ভাৱনা নাই, মুদ্ৰক হোৱাৰহে সম্ভৱ। এই একে সময়ৰে বিহুৰাম গোহাঁই (বি আৰ গোহাঁই) নামৰ চিৰিং চাপৰিৰ লেখক এগৰাকীৰ পদত লিখা 'আই দেউ অচল' নামৰ আমোদজনক পুথিখনৰ শেষ পৃষ্ঠাত এ আৰ টি কোম্পানীৰ প্ৰেছত মুদ্ৰিত হোৱা উল্লেখ পোৱা যায় ঃ printed at the A.R. & T Co. Ltd. Press by D.C Ghose. ঊনবিংশ শতিকাৰ শেষ আৰু বিংশ শতিকাৰ আৰম্ভণিতে এই ছপাখানাত ছপা হোৱা আন গ্ৰন্থকেইখনমান হ'ল–ৰঙ্গলাল দাসৰদ্বাৰা প্ৰকাশিত 'ৰঙ্গ ও ধেমালি' (১৮৯৯, পৃষ্ঠা সংখ্যা ২২), 'ভেকুলী বিয়া'(প্ৰকাশৰ চন, লেখক আৰু প্ৰকাশকৰ নাম নাই, মুঠ পৃষ্ঠা সংখ্যা ১৪), এজেঞ্চী কোম্পানীৰদ্বাৰা প্ৰকাশিত 'শিপিনী কীৰ্তন' (লিখোতা শ্ৰীবিনন্দৰাম গগৈ,১৯০৭, পৃষ্ঠা সংখ্যা২৩), 'বাৰভনী বিষালী মন্ত্ৰ'(১৯০৭, পৃষ্ঠা সংখ্যা৩৬), 'ডাক চৰিত্ৰ'(১৯০৭, মুঠ পৃষ্ঠা সংখ্যা১৯৩১) আৰু উদ্ভৱ সংবাদ ও কুকুৰ চৰিত, কাকচৰিত ও দিক ভণিতা(১৯০৭, শ্ৰীবিষ্ণুৰাম দাসৰদ্বাৰা সংগৃহিত, মুঠ পৃষ্ঠা সংখ্যা ৭১)। ইয়াৰে ১৮৯৯ চনত প্ৰকাশিত 'ৰঙ্গ ও ধেমালি'ৰ 'বকলা পিঠিত বস্ত্ৰ হৰণ' নামৰ কোনো পুথিৰ বিজ্ঞাপনো প্ৰকাশ হৈছে এনেদৰে—

**নতুন পুথি ! নতুন পুথি !! নতুন পুথি !!!**

**গোপীৰ বস্ত্ৰ হৰণ**

**শ্ৰীকৃষ্ণয় গোপীসকলেৰে কেনেকৈ কেলি কৰিছিল আকবস্ত্ৰ কি উপায়েৰে হৰণ কৰিলে সকলো ভালকৈ লিখা হৈছে এবাৰ পঢ়িলে জানিব পাৰিব।**

**শ্ৰীদি দুৱৰা এন্দ কোং**

**ডিব্ৰুগৰ**

বিজ্ঞাপনটিত 'নতুন পুথি' আৰু 'গোপী বস্ত্ৰ হৰণ'ৰ মাজত ৰে'ল গাড়ী ছবি এখনো দিয়া হৈছে হয়তো পঢ়ুৱৈক আকৰ্ষণ কৰিবলৈকে এই ব্যৱস্থা। দি দুৱৰা বা দিবাকৰ দুৱৰাই ১৯০৩ চনত প্ৰকাশ কৰা 'থূপৰি চৰিত' নামে এখন সোতৰ পৃষ্ঠা পদ পুথি পোৱা গৈছে। অৱশ্যে এই সৰু পুথিখন কলিকতা সাম্য প্ৰেছত ছপাই আনিছিল। এই পুথিখনৰ বকলা পিঠিতো দি দুৱৰাই ৬ খন কিতাপৰ জাননী দিছে। লগতে লিখিছে— মোৰ ওচৰত তলত লিখা পুথিবিলাক পাব। এজেণ্ট হ'বৰ ইচ্ছা থাকিলে মোলৈ লিখিলেই সকলো জানিব পাৰিব। কিতাপকেইখন হৈছে—'বড়-বেজালী'(মাজ আৰু শেহচোৱা), 'গোপিনী কিৰ্তন', 'লক্ষণ চৰিত', 'থূপৰি চৰিত', 'গোপী বস্ত্ৰ হৰণ' আৰু 'জুমকী'।

আনহাতে, প্ৰকাশৰ চন নথকা 'ভেকুলী বিয়া'ৰ বকলা পিঠিত 'ৰঙ্গ ও ধেমালি'ৰ প্ৰকাশক ৰঙ্গলাল দাসে কিতাপৰ জাননী এখন দিছে। গুৱাহাটীৰ কামাখ্যা পুস্তকালয়ৰ কালিৰাম বৰুৱাৰ পিছতেই ডিব্ৰুগড়ৰ ৰঙ্গলাল দাসৰ এই বিজ্ঞাপনটি ঊনবিংশ শতিকাৰ একেবাৰে শেষৰ অসমীয়া গ্ৰন্থৰ ইতিহাসৰ বাবে গুৰুত্বপূৰ্ণ বুলিব পাৰি। মুঠ দহখন গ্ৰন্থৰ কথা বিজ্ঞাপনটিত আছে— 'জুমকি', 'হৰিনাম সত্য', 'তিৰোতাৰ লক্ষণ চৰিত', 'তিৰীপাঠ', 'হৰমোহন', 'প্ৰসঙ্গীয়া কীৰ্তন'(যন্ত্ৰস্থ), 'গোপিনী কীৰ্তন', 'ওভটা শুকৰতি পুথি', 'যদুমণি'(জিৰণী পুথি), 'গোপী বস্ত্ৰ হৰণ'। এইধৰণৰ গ্ৰন্থৰ বজাৰ চাহিদা প্ৰতি লক্ষ্য কৰিয়েই হয়তো বাঙালী সম্প্ৰদায়ৰ দাসে এই পুথিখন ছপাই উলিয়াইছিল। দিবাকৰ দুৱৰা আৰু ৰঙ্গলাল দাসৰ বেছিভাগ এ আৰ টি কোম্পানীৰ প্ৰেছতেই ছপা হোৱাটো সম্ভৱ। আনহাতে, ডিব্ৰুগড়ৰ দুগৰাকী সফল গ্ৰন্থৰ ব্যৱসায়ী ক্ৰমে শিৱনাথ ভট্টাচাৰ্য্য আৰু নন্দেশ্বৰ চক্ৰৱৰ্তীয়ে ১৯০৭ চনত নিজাববীয়াকৈ ছপাযন্ত্ৰ

(গৌৰীশংকৰ যন্ত্ৰ) অনাৰ আগলৈকে এই আৰ টি কোম্পানীৰ প্ৰেছতেই প্ৰায় সকলো কিতাপ ছপাই আনিছিল। 'কৰ্মযোগী নন্দেশ্বৰ চক্ৰৱৰ্তী' (১৯৭৫) গ্ৰন্থৰ লেখক শ্ৰীনন্দ গোস্বামীয়ে লিখিছে - 'আনৰ কিতাপ আনি বিক্ৰী কৰাৰ উপৰি নিজে (চক্ৰৱৰ্তীয়ে) ভালেখিনি কিতাপ ছপা কৰি উলিয়ালে। প্ৰথমতে তেওঁ এ আৰ এন টি কোম্পানীৰ প্ৰেছত কিতাপ ছপাই আনিছিল।' (পৃ.-১৮) ১৯০৭ চনত চক্ৰৱৰ্তীৰ কবিতাপুথি 'কবিতা পাঠ' এই প্ৰেছতে ছপাই আনিছিল। (ঐ) একেটা চনতে প্ৰকাশিত বিনন্দ ৰাম গগৈয়ে 'শিপিনি কীৰ্তন' বকলাপিঠিত এজেন্সি কোম্পানীৰ ৩৮ খন কিতাপৰ জাননী প্ৰকাশ কৰিছে। একেটা চনৰে 'উদ্ধৱ সম্বাদ'ৰ বকলাপিঠিতো ৪৩ খন কিতাপৰ বিজ্ঞাপন প্ৰকাশ হৈছে। এই কিতাপসমূহ হৈছে - 'কাণখোৱা', 'সামন্ত হৰণ', 'লীলামালা', 'ভীম চৰিত', 'লক্ষ্মী চৰিত্ৰ', 'ধৰ্ম্ম সংবাদ', 'ৰাধা হৰণ', 'অশোক চৰিত্ৰ', 'গুপ্তমণি', 'বহুৱা চৰিত্ৰ', 'প্ৰেম কুঁহি', 'শিপিনী কীৰ্ত্তন', 'বিলাহী বেজিনী', 'অসমীয়া ভক্তিতত্ত্ব', 'সীতাৰ বনবাস', 'অনাদি পাতন', 'বিযালি মন্ত্ৰ', 'হুঁচৰি কীৰ্ত্তন', 'হাচতি কীৰ্ত্তন', 'ফুলকোঁৱৰ', 'মনি কোঁৱৰ', 'দৈব্যকোষ', 'পাৰ্ব্বতী চৰিত্ৰ', 'লাওফলা', 'উদ্যোগপৰ্ব', 'অগ্নিপুৰাণ', 'বৰকৰতি', 'গু কৰতি', 'বৰগীত', 'ভটিমা', 'গুণমালা', 'বৰগীত ভটিমা', 'গুণমালা' (একত্ৰি)', 'পাতালী কাণ্ড ৰামায়ণ', 'কুলাচল বধ' পকাবন্ধা, 'সপ্তকাণ্ড ৰামায়ণ অসমীয়া', 'সচিত্ৰ বৃহৎ মহাভাৰত', 'সচিত্ৰ কীৰ্ত্তন ঘোষা' পকাবন্ধা, 'দশম স্কন্ধ ভাগৱত', 'পদ্মপুৰাণ', 'অসমীয়া পদ্যগীতা' পকাবন্ধা, 'মহীৰাৱণ বধ', 'সিন্ধুৰা পৰ্ব', 'নামঘোষা' ইত্যাদি। যিহেতু নন্দেশ্বৰ চক্ৰৱৰ্তীয়ে নিজাকৈ প্ৰেছ অনাৰ আগেয়ে এইসমূহ গ্ৰন্থ প্ৰকাশিত, ইয়াৰে প্ৰায়সমূহ গ্ৰন্থৰে এ আৰ টি কোম্পানীৰ প্ৰেছত ছপোৱা সম্ভৱ।

লেখক - তেজপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক।

অসম কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰী (১৮৮৫-১৯৬৭)ৰ প্ৰথম কাব্যপুথি 'তুমি' (১৯১৬)ও এই যন্ত্ৰতেই ছপা কৰাৰ কথা লেখকে কৈছে - ডাঃ উমেশ দাস আৰু সংগীত সহবন্ধু কীৰ্তিনাথ শৰ্মাৰ কিছু অৰ্থ সাহায্য আৰু মই ঘৰুৱা শিক্ষকতা কৰি, গান শিকাই পোৱা ধনেৰে ইং ১৯১৬ চনত ডিব্ৰুগড়ৰ ৰে'লৰে প্ৰেছত পোনপ্ৰথমতে 'তুমি'খন একহাজাৰ ছপা কৰাওঁ। ছপাত প্ৰকাশ হৈ ৰাইজৰ আগত ওলোৱা কবিতা বা কাব্যপুথি এয়ে মোৰ প্ৰথম। (পৃ.- ৪০, মোৰ জীৱন ধুমুহাৰ এছাতি) কুৰি শতিকাৰ প্ৰথম দশকৰ শেষৰ ফালে (১৯০৯) প্ৰকাশিত গুৰুত্বপূৰ্ণ আলোচনী 'আসাম বান্ধৱ' এ আৰ টি কোম্পানীৰ প্ৰেছতেই ছপা হৈছিল। উল্লেখযোগ্য প্ৰথমেই তেজপুৰৰ 'বান্ধৱ সমিতি'ৰ পৰা তাৰানাথ চক্ৰৱৰ্তীৰ সম্পাদনাত 'আসাম বান্ধৱ' প্ৰকাশ হৈছিল। চাৰিটা সংখ্যা তেজপুৰৰ পৰা ওলোৱাৰ পিছত পৰৱৰ্তী সংখ্যাবোৰ ডিব্ৰুগড়ৰ পৰা প্ৰকাশ হ'বলৈ ধৰে। ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত 'বান্ধৱ'ৰ উদ্দেশ্যও বেলেগ হৈ পৰে আৰু এইবাৰ পৃষ্ঠপোষকতা কৰে ডাঃ হৰিকৃষ্ণ দাস, কালিৰাম মেধি, ভাৰতচন্দ্ৰ দাস, গঙ্গাৰাম চৌধুৰী আদি নামনি অসমৰ বুদ্ধিজীৱীসকলে। আলোচনীখনৰ ১৯১৫ ৰ পৰা ১৯১৭ চনৰ সহকাৰী সম্পাদক অম্বিকাগিৰী ৰায়চৌধুৰীয়ে জনোৱা মতে 'আসাম বান্ধৱ' এ আৰ এন কোম্পানীৰ প্ৰেছতেই ছপোৱা হৈছিল - ডিব্ৰুগড়ত ৰে'লৰে প্ৰেছ আছে। তাতে 'আসাম বান্ধৱ' ছপায়। (পৃ.-৬০, ঐ) ❑

'লেখক আৰু গ্ৰন্থৰ নামৰ বানান মূলৰ মতে কৰা হৈছে। এই গ্ৰন্থবোৰৰ কিছু সংখ্যক জামুগুৰিৰ বঢ়মপুৰ গাঁৱৰ বীণাপাণি পুথি ভঁৰালত পোৱা যায় - লেখক)

# অমিতাভ ঘোষৰ
# নৱতম উপন্যাস গান আইলেণ্ড ঃ এক আলোচনা

ড° লক্ষীপ্ৰিয়া গগৈ

ইংৰাজী ভাষাত সাহিত্য চৰ্চা কৰা ভাৰতীয় লিখকসকলৰ ভিতৰত বিশেষভাৱে জনপ্ৰিয় অমিতাভ ঘোষৰ প্ৰায় নখন উপন্যাসৰে মূল বিষয়বস্তু ইতিহাস, নৃতত্ত্ব আৰু পৰিৱেশ অধ্যয়ন। ১৯৮৬ চনত **দ্য চাৰ্কল অৱ ৰিজন** শীৰ্ষক উপন্যাসেৰে সাহিত্যিক জীৱন আৰম্ভ কৰা ঘোষৰ প্ৰায় সকলোবোৰ উপন্যাসৰে ভেটি মূলতঃ এই তিনিটা বিষয়বস্তুৰ গৱেষণামূলক অধ্যয়নৰ ফচল। এক বিশাল কেনভাচ সামৰি চৰিত্ৰসমূহৰ গতিশীলতা (mobility) আৰু আন্তঃসম্পৰ্কৰ চমৎকাৰ উপস্থাপনেৰে ঘোষে সততে আলোচিত নোহোৱা ইতিহাসৰ পেৰা খুঁচৰি উলিয়াই আনে ভৱিষ্যতৰ গৱেষণাৰ বাবে প্ৰয়োজনীয় ন ন উপাদান। এনে কৰিবলৈ যাওঁতে তেওঁ কোনোধৰণৰ খৰখেদা কৰাতো বাদেই, সামগ্ৰিকভাৱে গ্ৰহণযোগ্য এক ঐতিহাসিক সংৰচনাৰ তাগিদাত কোনো কোনো পাঠকৰ বাবে বিৰক্তিকৰ হৈ উঠাকৈ বৰ্ণনা কৰি যায় পঠিত বিষয়ৰ আনুষংগিক আন বহুতো তথ্য। এনে কাৰণতেই বোধহয় তেওঁৰ নৱতম উপন্যাস 'গান আইলেণ্ড' (জুন, ২০১৯)ৰ প্ৰতি মিশ্ৰিত সঁহাৰি দেখা যায়।

পূৰ্বতে উল্লেখ কৰাৰ দৰে ইতিহাস আৰু নতুন অধ্যয়নৰ নিচা আৰু ইয়াৰ বাবে প্ৰয়োজনীয় ধৈৰ্য, সমল আৰু নতুন ইতিহাসৰ উৎসৰ প্ৰতি সতৰ্ক দৃষ্টিয়ে ঘোষৰ প্ৰথম কেউখন উপন্যাসক প্ৰভাৱিত কৰাৰ বিপৰীতে তেওঁৰ শেহতীয়া লিখনীসমূহত ঘাইকৈ চকুত পৰা বিষয়টো হৈছে পৰিৱেশ অধ্যয়ন। তেওঁৰ ২০১৬ চনত প্ৰকাশিত গ্ৰন্থ **দ্য গ্ৰেট ডিৰেঞ্জমেণ্টঃ ক্লাইমেট চেঞ্জ এণ্ড দা আনথিংকেবল** এই ধাৰাৰ এক উল্লেখযোগ্য পাতনি। অন্যান্য পৰিৱেশ সংৰক্ষণ সম্পৰ্কীয় কিতাপৰ দৰে কেৱল তথ্যগত আলোচনা আৰু একধৰণৰ সতৰ্কতা বাণী প্ৰেৰণ কৰাৰ পৰ্যায়তে সীমাবদ্ধ নাথাকি ঘোষে জলবায়ু পৰিৱৰ্তন সম্পৰ্কীয় আমাৰ উদাসীনতাক একধৰণৰ গুৰুতৰ বিসংগতি হিচাপে উপস্থাপন কৰিছে। আধুনিক সাহিত্যত এই সম্পৰ্কীয় চিন্তা-চৰ্চাৰ অভাৱৰ ওপৰত বিশেষভাৱে আলোকপাত কৰা এই গ্ৰন্থখনিত তেওঁৰ শেহতীয়া দৰ্শনৰ এক আভাস লাভ কৰা যায়। এই দৰ্শনত বিজ্ঞানসন্মত আলোচনা আৰু কৰণীয় বিষয়ৰ লগতে একধৰণৰ ৰহস্যবাদী ভাবধাৰাৰ প্ৰভাৱ সুস্পষ্ট। বিজ্ঞান আৰু বিশ্বাসৰ এক সমন্বয়ৰে পূৰ্ণ প্ৰতিফলন অনুভূত হয় 'গান আইলেণ্ড' শীৰ্ষক তেওঁৰ শেহতীয়া উপন্যাসত।

জলবায়ু পৰিৱৰ্তনৰ দৰে এক জটিল বিষয়বস্তুক উপস্থাপনৰ বাবে ঘোষে সম্পূৰ্ণৰূপে ইয়াৰ যুক্তিনিৰ্ভৰ দিশটোতে ক্ষান্ত নাথাকি পৰম্পৰাগত বিশ্বাস, অতি প্ৰাকৃতিক অলৌকিকতা আৰু অনুপ্ৰৱেশৰ দৰে ৰাজনৈতিক-ঐতিহাসিক সমস্যাৰ দিশটোও সাঙুৰি লৈছে। তেওঁৰ আন এখন উপন্যাস **দ্য হাংগৰী টাইড** (২০০৪)ৰ কিছু চৰিত আৰু ঘটনাৰ পিছৰ পৰ্যায়ৰ কাহিনী হিচাপে এই নতুন উপন্যাসৰ

ঘটনাৱলী কিছু পৰিমাণে জড়িত হ'লেও মইনা, পিয়া আৰু টিপুৰ পিছৰ জীৱনৰ কাঠামো কেৱল সুন্দৰবনতে আবদ্ধ হৈ ৰোৱা নাই। বৰং তিনিওৰে জীৱনৰ গতি একৈশ শতিকাৰ জ্বলন্ত সমস্যাৰ স্বৰূপ জলবায়ু পৰিৱৰ্তন আৰু অনুপ্ৰৱেশৰ সমস্যাৰ সৈতে এৰাব নোৱাৰাকৈ সংপৃক্ত হৈ আছে। **গান আইলেণ্ডৰ** কেন্দ্ৰীয় বিষয় হিচাপে চাবলৈ গ'লে এই দুয়োটা বিষয়ৰে সমান্তৰাল আৰু সংযোগীভাৱে চিত্ৰিত হৈছে বংগকে ধৰি উত্তৰ ভাৰতৰ অন্যান্য ঠাইত সিঁচৰতি হৈ থকা লোকবিশ্বাস আৰু অবাস্তৱ যেন লগা প্ৰাচীন মিথৰ এক মেটমৰা ভঁৰাল। উপন্যাসৰ মূল কাহিনী আগবাঢ়িছে দীন দত্ত নামৰ এজন দুষ্প্ৰাপ্য গ্ৰন্থ সংগ্ৰহকাৰী আৰু এইসমূহৰ বিক্ৰীৰ বৃত্তিৰ সৈতে জড়িত এজন বেংগলী ভদ্ৰলোকে কাকতালীয়ভাৱে উদ্ঘাটন কৰি উলিওৱা বিশ্বাস আৰু বিজ্ঞানৰ যোগসূত্ৰসমূহৰ দ্বাৰা।

গ্ৰন্থৰ শিৰোনামে যদিও এক দ্বীপৰ আভাস দিয়ে, য'ত বন্দুক বা 'গান'ৰ ৰূপক এক সাংকেতিক চিহ্ন হিচাপে ব্যৱহৃত হৈছে, অথচ কাহিনীৰ শেহৰফালে পাঠকে বিস্মৃত হৈ আৱিষ্কাৰ কৰিছে যে এই ৰূপকৰ সৈতে 'বন্দুক'ৰ কোনো সম্পৰ্ক নাই। বৰং সুন্দৰবনৰ 'বন্দুকী সদাগৰ' নামৰ লোককথাৰ নায়কৰ এক অসম্ভৱ যেন লগা যাত্ৰাৰ কাহিনীৰ শেষ গন্তব্যস্থল 'ভেনিচ' চহৰৰ প্ৰতীক হিচাপে এই শীৰ্ষকে বংগৰপৰা ভেনিচলৈ সামৰি লোৱা বিশাল পটভূমিৰ কথাহে সূচাইছে। বিস্ময়াৱহ এই যাত্ৰাৰ সাংকেতিক চিহ্নাৱলীৰ পাঠোদ্ধাৰে পুৰণিৰপৰা নতুনৰ সময়লৈকে নিৰৱচ্ছিন্নভাৱে বৈ থকা সাংস্কৃতিক যোগসূত্ৰৰ সৈতে পাঠকক অৱগত কৰাইছে। বন্দুকী সদাগৰৰ এই যাত্ৰাৰ আঁৰত থকা মনসা দেৱীৰ ৰোষ আৰু পৰৱৰ্তী কালৰ তুষ্টিকৰণে সুন্দৰবনৰপৰা ভেনিচলৈকে কেৱল সদাগৰকেই নহয়, বৰং নায়ক দীন দত্তকো যেন পুনৰাবৃত্তিৰ ইতিহাস সোঁৱৰাই দিছে। দীন দত্তইও সচেতনভাৱে নহ'লেও একেধৰণৰ আন এক যাত্ৰাৰ পথিক হৈ পৰিছে, যাৰ বিভিন্ন পৰ্যায়ত উন্মোচিত হৈছে জলবায়ু সম্পৰ্কীয় গৱেষণাৰ গুৰুত্ব আৰু অনুপ্ৰৱেশে প্ৰান্তীয় মানুহৰ জীৱনলৈ কঢ়িয়াই অনা অস্তিত্বৰ সংকট। এইসমূহ সমস্যা অথবা পৰিঘটনাৰ বাস্তৱ জীৱনত সহজ সমাধান সম্ভৱ নহ'লেও ঘোষ এইক্ষেত্ৰত আশাবাদী আৰু যোগাত্মক সমাপ্তিৰ এই কথকতাত তেওঁৰ ৰহস্যবাদী চিন্তাই পাঠকৰ বাবে আগবঢ়াই দিছে চিন্তাৰ নতুন খোৰাক।

হাস্যকৰভাৱে কাকতলীয় বুলি বহুতো পাঠক/সমালোচকৰ আক্ৰমণৰ বলি হ'লেও এক আধিভৌতিক মুহূৰ্তৰ অভিজ্ঞতাৰে উপৰোক্ত কেউবিধ সমস্যাকে এক বিন্দুত কেন্দ্ৰীভূত কৰি ঘোষে যেন পাঠকলৈ আগবঢ়াই দিছে নতুন বিশ্বাসৰ আশ্ৰয় গ্ৰহণ কৰাৰ প্ৰয়োজনীয়তা। বন্ধু ৰফিৰ সন্ধানত ভেনিচলৈ যাত্ৰা কৰি অনুপ্ৰৱেশৰ ৰাজনীতিত আৱদ্ধ হৈ পৰা টিপু, ৰহস্যবাদী ইটালীয়ান অধ্যাপিকা-গৱেষক চিন্তা আৰু ইৰাৱতী নদীৰ ডলফিনৰ উদ্বেগজনক ভৱিষ্যত সম্পৰ্কে সদাসতৰ্ক পিয়া এই তিনিওকে ভূমধ্য সাগৰ পৃষ্ঠৰ মাজত একেলগে উপনীত কৰোৱাই অমিতাভ ঘোষে কেৱল কাকতালীয় সোঁতত থকা তেওঁৰ বিশ্বাস (যি তেওঁৰ আগৰ কেইবাখনো উপন্যাসতো দেখা যায়) ৰেই প্ৰমাণ দিয়া নাই। বৰঞ্চ ইয়াৰ গভীৰত লুকাই আছে ঘোষৰ নতুন দৰ্শনক য'ত বাস্তৱবাদক চেৰাই ৰহস্যবাদৰ জগতত তেওঁ সন্ধান কৰিছে এইসমূহ মানৱসৃষ্ট সমস্যাৰ সমাধানৰ দুৱাৰ। তেওঁৰ এই দৰ্শন যুক্তিবাদী পাঠকৰ বাবে অস্বস্তিকৰ হ'লেও ঘোষৰ দৰে লেখকৰ এনে অৱস্থিতি, যাৰ প্ৰতিফলন দ্য গ্ৰেট ডিৰেঞ্জমেণ্ট গ্ৰন্থতো দেখা যায়, সেয়া নিশ্চয় সহজে উলাই কৰিব পৰা বিধৰ নহয়।

অলৌকিক-অতিবাস্তৱ ঘটনাৰাজিক বাদ দিও এই উপন্যাসে সামৰি লোৱা আন কিছু পৰিঘটনা যেনে ছুনামি আৰু সাগৰীয় ধুমুহাৰ বৰ্ধিত হাৰ, জাকে জাকে মৃত্যুবৰণ কৰা ডলফিনকে ধৰি অন্য সাগৰীয় জীৱ আদি ব্যাখ্যাৰ ঊৰ্দ্ধত থকা অথচ দৈনন্দিন

ঘটনালৈ পৰিণত হোৱা অভিজ্ঞতাসমূহৰ সম্পৰ্কে সাহিত্যিকৰ কৰণীয়ৰ বিষয়টো এইক্ষেত্ৰত প্ৰণিধানযোগ্য। যুদ্ধ বা সন্ত্ৰাস আদিৰ দৰে বিশ্বজনীন সমস্যাৰ প্ৰতিফলন তথা প্ৰতিৰোধ যিদৰে সৃষ্টিশীল সাহিত্যৰ পাতত উচ্চাৰিত হৈছে, তেনেদৰে পৰিৱেশ সম্পৰ্কীয় এইসমূহ বিকাশ তথা এইসমূহৰ প্ৰতিবাদো নিশ্চয় সাহিত্যৰ লক্ষ্য হোৱা উচিত। এনে এক দৃষ্টিভংগীৰে চালে গান আইলেণ্ড বহুপৰিমাণে প্ৰাসংগিক আৰু সফল। ২০১৮ বৰ্ষৰ জ্ঞানপীঠ বঁটা বিজয়ী ঘোষৰ এনেধৰণৰ সাহিত্যিৰাজি ভৱিষ্যতৰ পাঠক-গৱেষকৰ বাবে ‘বিকল্প ইতিহাস’ ৰূপে স্বীকৃত হৈ উঠাৰ পূৰামাত্ৰা থল আছে। আৰু ইয়াতেই লুকাই আছে তেওঁৰ সাৰ্থকতা।❑

---

লেখিকা - সহকাৰী অধ্যাপিকা, ইংৰাজী বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়

# ছাত্ৰ-ছাত্ৰীৰ কেৰিয়াৰ গঠনত ছাত্ৰ সংগঠন, শিক্ষক আৰু অভিভাৱকৰ ভূমিকা

ড° বুলজিৎ বুঢ়াগোহাঁই

বৰ্তমান অসমৰ শিক্ষানুষ্ঠানসমূহত বিভিন্ন বিষয়ৰ পাঠ্যক্ৰম অধ্যয়নৰ সুবিধা আছে যদিও হাইস্কুল শিক্ষান্ত পৰীক্ষাত কৃতকাৰ্য হোৱাৰ পিছত ছাত্ৰ-ছাত্ৰীৰ নিজৰ পচন্দৰ পাঠ্যক্ৰম লৈ উচ্চ শিক্ষা লাভৰ বাবে পৰ্যাপ্ত সংখ্যক শিক্ষানুষ্ঠান আমাৰ ৰাজ্যখনত নাই। নতুন নতুন পাঠ্যক্ৰমৰ সকলোবোৰ বিষয়ো অসমৰ শিক্ষানুষ্ঠানসমূহত উপলব্ধ নহয়। ফলস্বৰূপে অসমৰ বহু সংখ্যক ছাত্ৰ-ছাত্ৰী প্ৰত্যেক বছৰে অসমৰ বাহিৰৰ শিক্ষানুষ্ঠান সমূহত উচ্চ শিক্ষা লাভৰ বাবে যাব লগা হয়। কিন্তু হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত কোনবোৰ বিষয় অধ্যয়ন কৰিব পাৰি, অসম তথা দেশ-বিদেশৰ বিভিন্ন শিক্ষানুষ্ঠানসমূহত কি কি বিষয়ৰ পাঠ্যক্ৰম অধ্যয়নৰ সুবিধা আছে, প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে কেনেদৰে প্ৰস্তুতি চলাব লাগে, বিভিন্ন শিক্ষানুষ্ঠানসমূহত শিক্ষা লাভ কৰিবলৈ অথবা বিভিন্ন চাকৰিৰ বাবে কেনেধৰণৰ অৰ্হতাৰ প্ৰয়োজন, বিভিন্ন চাকৰিবোৰৰ বিজ্ঞাপন তথা প্ৰতিযোগিতামূলক পৰীক্ষাবোৰৰ বিতং তথ্য ক'ৰ পৰা সংগ্ৰহ কৰিব পাৰি, ইণ্টাৰনেটৰ জৰিয়তে কেনেকৈ শুদ্ধ তথ্য সংগ্ৰহ কৰিব পাৰি ইত্যাদিৰ বিষয়ে বহুসংখ্যক ছাত্ৰ-ছাত্ৰী জ্ঞাত নহয়। কিন্তু এই অজ্ঞতাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক জগৰীয়া কৰিব নোৱাৰি। কাৰণ, এনেবোৰ বিষয়ে আলোচনাৰ বাবে বিদ্যালয়/মহাবিদ্যালয়বোৰত সাধাৰণতে কোনোধৰণৰ সুবিধা প্ৰদান কৰা দেখা নাযায়। বিদ্যালয়/মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীবোৰত কেৰিয়াৰ বিষয়ক লেখা প্ৰকাশৰ উপৰি 'বিদ্যালয়/মহাবিদ্যালয় সপ্তাহ'ৰ লগত সংগতি ৰাখি কেৰিয়াৰ সম্পৰ্কীয় কৰ্মশালা আয়োজন কৰিলেও ছাত্ৰ-ছাত্ৰীসকল যথেষ্ট উপকৃত হ'ব। কেৰিয়াৰ সম্পৰ্কীয় গ্ৰন্থ আৰু আলোচনী নিয়মীয়াকৈ পঢ়িলেও ছাত্ৰ-ছাত্ৰীসকলৰ নিজ কেৰিয়াৰ গঠনৰ ক্ষেত্ৰত সহায় হ'ব।

ইণ্টাৰনেটৰ জৰিয়তেও কেৰিয়াৰ সম্পৰ্কীয় বহু তথ্য সংগ্ৰহ কৰিব পাৰি। কিন্তু আমাৰ ৰাজ্যখনৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে ইণ্টাৰনেট ব্যৱহাৰ কৰাৰ সুবিধা লাভ কৰা নাই আৰু যিসকলে ইণ্টাৰনেট ব্যৱহাৰ কৰি আছে, ইয়াৰ মাজৰ বহুতেই ইয়াৰ সুপ্ৰয়োগ কৰিবলৈ শিকা নাই। ইণ্টাৰনেটৰ জৰিয়তে কেনেকৈ কেৰিয়াৰ সম্পৰ্কীয় শুদ্ধ তথ্য লাভ কৰিব পাৰি, সেই বিষয়েও ছাত্ৰ-ছাত্ৰীসকলক শিক্ষা দিয়াৰ প্ৰয়োজন আছে। ইণ্টাৰনেটত চাৰ্চ-ইঞ্জিন (Search Engine) ৰ জৰিয়তে কেৰিয়াৰ বিষয়ৰ তথ্য সংগ্ৰহ কৰিব পাৰি কিন্তু কেনেকৈ শুদ্ধ আৰু শেহতীয়া তথ্য পোৱা যাব, সেই বিষয়েও জানিব লাগিব। কোনো শিক্ষানুষ্ঠান, অনুষ্ঠান-প্ৰতিষ্ঠান, বিভাগ আদিৰ তথ্যৰ বাবে জানিব বিচাৰিলে সেই শিক্ষানুষ্ঠান, অনুষ্ঠান-প্ৰতিষ্ঠান, বিভাগবোৰৰ অফিচিয়েল ৱেবচাইটবোৰ চাব লাগিব যিহেতু অফিচিয়েল ৱেবচাইটবোৰতহে শুদ্ধ আৰু শেহতীয়া তথ্য পোৱা যায়। যিবোৰ শিক্ষানুষ্ঠান, অনুষ্ঠান-প্ৰতিষ্ঠান, বিভাগৰ নিজস্ব ৱেবচাইট নাই,

সেইবোৰৰ বিষয়ে জানিবলৈ বেলেগ অফিচিয়েল ৱেবচাইটবোৰৰ অধীনত থকা তথ্য সংগ্ৰহ কৰিব লাগিব।

যিকোনো বিশ্ববিদ্যালয়/মহাবিদ্যালয়ত নামভৰ্তি কৰাৰ পূৰ্বে শিক্ষানুষ্ঠানসমূহৰ বৈধতা/ডিগ্ৰীৰ মৰ্যাদা/ব্যৱস্থা/স্বীকৃতিপ্ৰাপ্তিৰ মৰ্যাদা আদিৰ বিষয়ে জানি ল'ব লাগে। এই তথ্যবোৰৰ বিভিন্ন শিক্ষা বিষয়ক পৰিষদ/সংস্থা আদিৰ ৱেবচাইটৰ পৰা লাভ কৰিব পাৰি। যেনে— মানৱ সম্পদ উন্নয়ন মন্ত্ৰণালয় (http://mhrd.gov.in), বিশ্ববিদ্যালয় অনুদান আয়োগ (https://www.ugc.ac.in), ভাৰতীয় চিকিৎসা পৰিষদ (https://www.mciindia.org/CMS/), ৰাষ্ট্ৰীয় মূল্যাংকন আৰু স্বীকৃতি পৰিষদ (https://www.naac.gov.in), নিখিল ভাৰত কাৰিকৰী শিক্ষা পৰিষদ (https://www.aicte-india.org), ভাৰতীয় বিশ্ববিদ্যালয় সংস্থা (https://www.aiu.ac.in), দূৰ শিক্ষা পৰিষদ (https://www.ugc.ac.in/deb/), ভাৰতীয় নাৰ্ছিং পৰিষদ (https://www.indiannursingcouncil.org), আৰ্কিটেকচাৰ পৰিষদ (https://www.coa.gov.in), ভাৰতীয় বাৰ পৰিষদ (https://www.barcouncilofindia.org) আদি। শিক্ষানুষ্ঠানসমূহ এই পৰিষদ বা সংস্থাবোৰৰ স্বীকৃতিপ্ৰাপ্ত হোৱাৰ উপৰি যি বিভাগত অধ্যয়ন কৰিব বিচাৰে, সেই বিভাগটোও স্বীকৃতিপ্ৰাপ্ত হ'ব লাগিব। তদুপৰি উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকল কেনেদৰে প্ৰতিষ্ঠিত হৈছে, তাৰো এটা সম্যক ধাৰণা লোৱা উচিত। সেইদৰে শিক্ষানুষ্ঠানখনৰ শিক্ষণ ব্যৱস্থা, উত্তীৰ্ণৰ হাৰ, নামভৰ্ত্তিৰ প্ৰক্ৰিয়া, পুথিভঁৰাল, ইণ্টাৰনেট সেৱা, থকাৰ সা-সুবিধা, আৰ্থিক সাহায্য লাভৰ সুবিধা আছে নে নাই তথা বিভিন্ন মাচুলৰ পৰিমাণৰ বিষয়েও জানি লোৱা উচিত। ইয়াৰ উপৰি জানিব লগা আন দিশবোৰৰ কিছুমান হ'ল— শিক্ষানুষ্ঠানখন চৰকাৰী নে বেচৰকাৰী আৰু সুৰক্ষিত স্থানত অৱস্থিত হয় নে নহয়, শিক্ষানুষ্ঠানখনৰ আকাৰ কেনেকুৱা অৰ্থাৎ ছাত্ৰ আৰু শিক্ষকৰ অনুপাত কিমান, ঘৰৰ পৰা শিক্ষানুষ্ঠানৰ দূৰত্ব, কেম্পাচ ইণ্টাৰভিউ হয় নে নহয়, খেলা-ধূলাকে আদি কৰি অন্যান্য extra-curricular activities কৰিবৰ বাবে সুবিধা আছে নে নাই ইত্যাদি। লগতে প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সংগঠন (Alumni Network) কিমান শক্তিশালী, সেই বিষয়েও জানি লোৱাটো উচিত যিহেতু এই সংগঠন শক্তিশালী হ'লে শিক্ষাৰ্থীসকলৰ চাকৰি লাভ কৰাটো সুবিধা হয়।

হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত সাধাৰণতে প্ৰায়বোৰ ছাত্ৰ-ছাত্ৰীয়ে উচ্চতৰ মাধ্যমিকৰ কলা, বিজ্ঞান নে বাণিজ্য শাখাত নাম ভৰ্তি কৰিব নতুবা বৃত্তিমুখী (vocational) শিক্ষা গ্ৰহণ কৰিব, সেইটো সিদ্ধান্ত লওতে বিবুদ্ধিত পৰে আৰু উচ্চতৰ মাধ্যমিকৰ কোনটো শাখা নিৰ্বাচন কৰিলে সোনকালে চাকৰি পোৱা যাব, সেই বিষয়েও জানিব বিচাৰে। কলা, বিজ্ঞান বা বাণিজ্য যিকোনো শাখাতে ভালদৰে উত্তীৰ্ণ হৈ নিজৰ দক্ষতা প্ৰকাশ কৰিব পাৰিলে ছাত্ৰ বা ছাত্ৰীগৰাকীয়ে সংস্থাপনৰ সুবিধা লাভ কৰিব পাৰে। সাধাৰণতে, হাইস্কুল শিক্ষান্ত পৰীক্ষাত ভাল নম্বৰসহ উত্তীৰ্ণ হ'লেই ছাত্ৰ-ছাত্ৰীসকলে বিজ্ঞান শাখাত নামভৰ্তি কৰাৰ বাবে নিজে সিদ্ধান্ত গ্ৰহণ কৰে অথবা কোনো ক্ষেত্ৰত অভিভাৱকসকলেও জোৰ কৰি উচ্চতৰ মাধ্যমিকৰ বিজ্ঞান শাখাত নাম ভৰ্তি কৰিবৰ বাবে বাধ্য কৰায়, কিন্তু এনে হোৱা উচিত নহয়। ছাত্ৰ-ছাত্ৰীসকলৰ কোনো বিষয়ৰ প্ৰতি থকা ৰাপ তথা আত্মবিশ্বাসৰ ওপৰত ভিত্তি কৰিহে উচ্চতৰ মাধ্যমিকৰ বিজ্ঞান, কলা নে বাণিজ্য শাখাত নাম ভৰ্তি কৰিব তাৰ সিদ্ধান্ত গ্ৰহণ কৰিব লাগে, নম্বৰৰ ওপৰত ভিত্তি কৰি নহয়। যিহেতু বিভিন্ন কাৰণত আগ্ৰহ থকা বিষয়বোৰত ছাত্ৰ বা ছাত্ৰীগৰাকীয়ে আশা কৰা মতে নম্বৰ লাভ নকৰিবও পাৰে। যদি ছাত্ৰ বা ছাত্ৰীগৰাকীৰ গণিত বিষয়ত ৰাপ আছে তেন্তে বিজ্ঞান অথবা বাণিজ্য শাখাত নাম ভৰ্তি

কৰিব পাৰে। সেইদৰে সাহিত্যৰ বিষয়ত আগ্ৰহীসকলে কলা শাখাত নাম ভৰ্তি কৰিব পাৰে। আকৌ, কোনো ছাত্ৰ-ছাত্ৰীয়ে যদি গণিত আৰু সাহিত্য দুয়োটা বিষয়তে ৰাপ আছে, তেন্তে গণিত বিষয়সহ কলা শাখাত নাম ভৰ্তি কৰিব পাৰে। সেইদৰে, গণিতত ৰাপ থকা ছাত্ৰ-ছাত্ৰীয়ে বিজ্ঞান শাখাৰ জীৱবিজ্ঞান বিষয়টি নোলোৱাকৈ উচ্চতৰ মাধ্যমিকৰ বিজ্ঞান শাখাত নাম ভৰ্তি কৰিব পাৰে। কিন্তু এইখিনিতে এটা কথা উল্লেখ কৰা ভাল হ'ব যে বিজ্ঞান শাখাত নাম ভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীসকলে গণিত তথা জীৱবিজ্ঞান দুয়োটা বিষয় নিৰ্বাচন কৰিলেহে ভৱিষ্যতে বহুক্ষেত্ৰত সুবিধা লাভ কৰিব। ইয়াৰ উপৰি কোনটো শাখাত কি কি বিষয় অন্তৰ্ভুক্ত হৈ আছে তথা সেইবোৰ বিষয় অধ্যয়ন কৰিলে ভৱিষ্যতে কেনেধৰণৰ কেৰিয়াৰ গঢ়াৰ সুবিধা লাভ কৰিব, সেই সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলে এক সম্যক ধাৰণা যুগুতাই ল'ব পাৰিলে শাখা নিৰ্বাচন কৰা ক্ষেত্ৰত যথেষ্ট সুবিধা হ'ব। ইয়াৰ উপৰি শাখা নিৰ্বাচন কৰোতে ছাত্ৰ-ছাত্ৰীসকলৰ হবি (hobby) বোৰকো গুৰুত্ব প্ৰদান কৰিব লাগে। কিয়নো এই হবিসমূহেই ছাত্ৰ জীৱন, কৰ্ম জীৱন তথা অৱসৰ জীৱনত বিভিন্ন ধৰণেৰে সহায় কৰিব পাৰে। কোনো ব্যক্তিৰ ভৱিষ্যত জীৱনত হয়তো হবিয়েই এদিন কেৰিয়াৰ হ'ব পাৰে। ছাত্ৰ-ছাত্ৰীসকলৰ শাখা নিৰ্বাচন কৰাৰ ক্ষেত্ৰত অভিভাৱকসকলৰ আৰ্থিক অৱস্থায়ো এক বিশেষ ভূমিকা গ্ৰহণ কৰে। যিসকল ছাত্ৰ-ছাত্ৰীয়ে সোনকালে উপাৰ্জন কৰিব বিচাৰে, তেওঁলোকে বৃত্তিমুখী শিক্ষা গ্ৰহণ কৰিব পাৰে।

হাইস্কুল শিক্ষান্ত চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত —

১। ঔদ্যোগিক প্ৰশিক্ষণ কেন্দ্ৰ বা আই টি আইৰ বিভিন্ন ট্ৰেডত

২। পলিটেকনিকৰ বিভিন্ন বিভাগত

৩। উচ্চতৰ মাধ্যমিকৰ বিভিন্ন শাখাত (কলা/বাণিজ্য/বিজ্ঞান) পঢ়িব পাৰে।

**ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান বা আই টি আই ঃ**

ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান বা আই টি আইৰ বিভিন্ন ট্ৰেডত পঢ়িবলৈ শিক্ষাগত অৰ্হতা বেলেগ বেলেগ হয়। আই টি আইত নামভৰ্তিৰ বাবে আবেদন অনলাইন যোগেদি কৰিব লাগে। ইয়াৰ ৱেবচাইট ঠিকনাটি হ'ল— www.itiassam.nic.in। আবেদন কৰোতে এটা ই-মেইল আই ডি আৱশ্যক হয়। গতিকে, প্ৰাৰ্থীসকলে এটা ই-মেইল আই ডি খোলা প্ৰয়োজন আছে। হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ নোহোৱা সকলে ইঞ্জিনিয়াৰিং ট্ৰেডৰ এবছৰীয়া পাঠ্যক্ৰম ৱেল্ডাৰ আৰু দুবছৰীয়া পাঠ্যক্ৰম ৱায়াৰমেন ট্ৰেডত অধ্যয়নৰ বাবে নামভৰ্তি কৰিব পাৰে। হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা সকলে তলত উল্লেখ কৰা ট্ৰেডত অধ্যয়নৰ বাবে নামভৰ্তি কৰিব পাৰে।

ইঞ্জিনিয়াৰিং ট্ৰেডৰ দুবছৰীয়া পাঠ্যক্ৰমঃ ফিটাৰ, টাৰ্নাৰ, মেচিনিষ্ট, ইলেকট্ৰিচিয়ান, মটৰ ভেহিকল মেকানিক, ইলেকট্ৰনিকচ মেকানিক, ইনষ্ট্ৰুমেণ্ট মেকানিক, ইনফৰমেচন কমিউনিকেচন টেকন'ল'জি চিষ্টেম মেইনটেনেন্স্, ড্ৰাফটমেন মেকানিক, এগ্ৰিকালচাৰেল মেচিনাৰি মেকানিক, ৰিফ্ৰিজেৰেচন এণ্ড এয়াৰ কণ্ডিচনাৰ মেকানিক, অ'ট বডি পেইণ্টিং মেকানিক, অ'ট বডি ৰিপেয়াৰ মেকানিক, কেমিকেল প্লান্ট মেইনটেনেন্স মেকানিক।

ইঞ্জিনিয়াৰিং ট্ৰেডৰ এবছৰীয়া পাঠ্যক্ৰম ঃ ডিজেল ইঞ্জিন মেকানিক, ট্ৰেক্টৰ মেকানিক, ছাৰ্ভেয়ৰ, প্লাষ্টিক প্ৰচেছিং অপাৰেটৰ, পাম্প অপাৰেটৰ কাম মেকানিক, প্লাষ্টিক প্ৰচেছিং, কনষ্ট্ৰাক্চন এণ্ড উড ৱৰ্কছ, ইনফৰমেচন টেকন'লজী, ফেব্ৰিকেচন (ফিটিং এণ্ড ৱেলডিং), প্লাম্বাৰ।

নন ইঞ্জিনিয়াৰিং ট্ৰেডৰ এবছৰীয়া পাঠ্যক্ৰম ঃ ষ্টেন'গ্ৰাফী এণ্ড চেক্ৰেটেৰিয়েল প্ৰেকটিচ, চেক্ৰেটেৰিয়েল প্ৰেকটিচ্, ছুয়িং টেকন'লজি, ড্ৰেছ মেকিং, বেচিক ক'চমেট'ল'জী, কম্পিউটাৰ অপাৰেটৰ এণ্ড প্ৰগ্ৰেমিং এছিচ্টেণ্ট, ফটোগ্ৰাফী, এমব্ৰইডাৰী।

নন ইঞ্জিনিয়াৰিং ট্ৰেডৰ এটা চেমিষ্টাৰ পাঠ্যক্ৰম ঃ বড়ো টাইপৰাইটিং।

ইয়াৰ উপৰি আই টি আইবোৰত হ্ৰস্বম্যাদী পাঠ্যক্ৰম আছে। যেনে— ট্ৰেভেল এজেণ্ট এণ্ড ট্যুৰ অপাৰেটৰৰ তিনিমহীয়া পাঠ্যক্ৰম, ফল-মূল আৰু শাক পাচলি সংৰক্ষণৰ তিনিমহীয়া পাঠ্যক্ৰম, ষ্টীল ফাৰ্ণিচাৰ মেকিঙৰ তিনিমহীয়া পাঠ্যক্ৰম, গ্ৰীল এণ্ড এলাইড প্ৰডাক্ট মেকিঙৰ তিনিমহীয়া পাঠ্যক্ৰম, কাৰ ছাৰ্ভিচিঙৰ ছয় সপ্তাহৰ পাঠ্যক্ৰম, ৰেফ্ৰিজাৰেটৰ এণ্ড এয়াৰ কণ্ডিচনাৰৰ ৰিপেয়াৰিঙৰ তিনিমহীয়া পাঠ্যক্ৰম, পাম্প ৰিপেয়াৰিঙৰ তিনিমহীয়া পাঠ্যক্ৰম আদি আছে।

হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হ'লে নম্বৰ ভিত্তিত পোনপটীয়াকৈ নামভৰ্তিৰ সুবিধা আছে আৰু হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ নহ'লেও অষ্টম শ্ৰেণী উত্তীৰ্ণ হোৱা নম্বৰ ভিত্তিত নামভৰ্তিৰ সুবিধা আছে।

'ডাইৰেক্টৰেট অৱ এমপ্লয়মেণ্ট এণ্ড ট্ৰেইনিঙ'ৰ অধীনত অসমত ২৮ খন ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান বা চমুকৈ আই টি আই আছে। ইয়াৰে ৫খন আই টি আই মহিলাৰ বাবে সংৰক্ষিত। এইখিনিতে এটা কথা উল্লেখ কৰা ভাল হ'ব যে বাকী আই টি আইবোৰতো মহিলাই প্ৰশিক্ষণ গ্ৰহণ কৰিব পাৰে।

অসমত থকা ঔদ্যোগিক প্ৰশিক্ষণ কেন্দ্ৰ বা আই টি আইকেইখনৰ নাম হ'ল —

১। আই টি আই কৰিমগঞ্জ,
২। আই টি আই কোকৰাঝাৰ,
৩। আই টি আই গড়গাঁও,
৪। আই টি আই গোৱালপাৰা,
৫। আই টি আই গুৱাহাটী,
৬। আই টি আই ডিব্ৰুগড়,
৭। আই টি আই তেজপুৰ,
৮। আই টি আই তিনিচুকীয়া,
৯। আই টি আই দক্ষিণ শালমাৰা,
১০। আই টি আই নগাঁও,
১১। আই টি আই বঙাইগাঁও,
১২। আই টি আই বৰপেটা,
১৩। আই টি আই যোৰহাট,
১৪। আই টি আই শিলচৰ,
১৫। আই টি আই ধনশিৰি,
১৬। আই টি আই ধেমাজি,
১৭। আই টি আই নলবাৰী,
১৮। আই টি আই ভেৰগাঁও,
১৯। আই টি আই মৰিগাঁও,
২০। আই টি আই হাইলাকান্দি,
২১। আই টি আই মাজুলী,
২২। আই টি আই ডিফু,
২৩। আই টি আই হাফলং।

মহিলাৰ বাবে সংৰক্ষিত আই টি আইকেইখন হ'ল—

১। আই টি আই শিলচৰ,
২। আই টি আই গুৱাহাটী,
৩। আই টি আই তিনিচুকীয়া,
৪। আই টি আই মাজবাট আৰু
৫। আই টি আই উত্তৰ লখিমপুৰ

**পলিটেকনিক ঃ**

পলিটেকনিকবোৰত তিনি বছৰীয়া ডিপ্ল'মা পাঠ্যক্ৰম প্ৰদান কৰা হয়। পলিটেকনিক এডমিচন টেষ্ট (Polytechnic Admission Test (PAT)) নামৰ এটি প্ৰৱেশ পৰীক্ষাৰ জৰিয়তে এই পাঠ্যক্ৰমত নামভৰ্তিৰ সুবিধা আছে। এই পৰীক্ষাত বহিবৰ বাবে সাধাৰণ শ্ৰেণীৰ প্ৰাৰ্থীয়ে হাইস্কুল শিক্ষান্ত পৰীক্ষাত গণিত আৰু বিজ্ঞান বিষয়ত ন্যূনতম ৪০ শতাংশ, অনুসূচিত জাতি প্ৰাৰ্থীয়ে ৩৫শতাংশ আৰু জনজাতিৰ প্ৰাৰ্থীয়ে ৩৩শতাংশ নম্বৰসহ উত্তীৰ্ণ হ'ব লাগিব আৰু পৰীক্ষা অনুষ্ঠিত হোৱা বৰ্ষৰ ১ আগষ্টত সাধাৰণ শ্ৰেণীৰ প্ৰাৰ্থীৰ বয়স ২০ বছৰৰ ভিতৰত হ'ব

লাগে আৰু অনুসূচিত জাতি আৰু জনজাতিৰ প্ৰাৰ্থীৰ বয়স ২৩ বছৰৰ ভিতৰত হ'ব লাগে। এই প্ৰৱেশ পৰীক্ষা অনলাইন পদ্ধতিত আৱেদন কৰিব লাগে। ইয়াৰ ৱেবচাইট ঠিকনাটি হ'ল- www.dteassam.in। এই প্ৰৱেশ পৰীক্ষাত গণিত আৰু বিজ্ঞান বিষয়ৰ মুঠ নম্বৰ ১০০ থাকে আৰু প্ৰশ্নসমূহ বস্তুনিষ্ঠ ধৰণৰ।

অসমত থকা পলিটেকনিক কেইখন হ'ল—

১। অসম ইঞ্জিনিয়াৰিং ইন্সষ্টিটিউট, গুৱাহাটী,
২। গাৰ্লচ পলিটেকনিক, গুৱাহাটী,
৩। বঙাইগাঁও পলিটেকনিক,
৪। শিলচৰ পলিটেকনিক,
৫। নগাঁও পলিটেকনিক,
৬। প্ৰিন্স অৱ ৱেলচ ইনষ্টিটিউট অব্ ইঞ্জিনিয়াৰিং এণ্ড টেকন'লজি, যোৰহাট,
৭। ডিব্ৰুগড় পলিটেকনিক,
৮। গাৰ্লচ পলিটেকনিক, গোলাঘাট,
৯। অসম টেক্সটাইল ইনষ্টিটিউট, গুৱাহাটী,
১০। ডিফু পলিটেকনিক, ডিফু।

২০১৭-১৮ শিক্ষাবৰ্ষৰপৰা নতুনকৈ আৰম্ভ হোৱা পলিটেকনিক কেইখন হ'ল—

১। বাক্সা পলিটেকনিক,
২। বৰপেটা পলিটেকনিক,
৩। ধেমাজি পলিটেকনিক,
৪। কৰিমগঞ্জ পলিটেকনিক,
৫। লখিমপুৰ পলিটেকনিক,
৬। গোলাঘাট পলিটেকনিক,
৭। গোৱালপাৰা পলিটেকনিক,
৮। নলবাৰী পলিটেকনিক,
৯। কামৰূপ পলিটেকনিক,
১০। শিৱসাগৰ পলিটেকনিক আৰু
১১। শোণিতপুৰ পলিটেকনিক।

পলিটেকনিকবোৰত পঢ়াৰ সুবিধা থকা বিভিন্ন বিভাগবোৰ হ'ল ঃ এগ্ৰিকালচাৰ, চিভিল, মেকানিকেল, কেমিকেল, ইলেকট্ৰিকেল, ইলেকট্ৰনিকছ্ এণ্ড টেলিকমিউনিকেচনছ্, কম্পিউটাৰ ইঞ্জিনিয়াৰিং, ইনষ্ট্ৰুমেনটেছন, টেক্সটাইল টেকন'লজি, ফেছন টেকন'লজি, গাৰমেণ্ট টেকন'লজি, এগ্ৰিকালছাৰ, আৰ্কিটেক্ট এছিষ্টেন্ট্ আদি।

**উচ্চতৰ মাধ্যমিক বা দ্বাদশ শ্ৰেণীৰ পিছত কলা শাখাঃ**

উচ্চতৰ মাধ্যমিক বা দ্বাদশ শ্ৰেণী কলা শাখাত উত্তীৰ্ণ হোৱাৰ পিছত কি কি পঢ়িব পাৰি ঃ সাধাৰণ স্নাতক পাঠ্যক্ৰম, মেজৰসহ (যেনে- সমাজশাস্ত্ৰ, অৰ্থনীতি, সাহিত্য (ইংৰাজী, অসমীয়া, হিন্দী, বঙালী ইত্যাদি), মনোবিজ্ঞান, বুৰঞ্জী, ৰাজনীতি বিজ্ঞান, শিক্ষা, পৰ্যটন, পৰিৱেশ কলা, নৃতত্ত্ব বিজ্ঞান, আইন ইত্যাদি) স্নাতক পাঠ্যক্ৰম।

স্নাতক পাঠ্যক্ৰমত উত্তীৰ্ণ হোৱাৰ পিছৰ পাঠ্যক্ৰম হ'ল— স্নাতকোত্তৰ (এম এ) আৰু পি এইচ ডি।

কলা শাখাত অধ্যয়ন কৰি মনোবৈজ্ঞানিক, সমাজবিজ্ঞানী, সমাজ কৰ্মী, বুৰঞ্জীবিদ, নৃতত্ত্ববিদ, লেখক, সাংবাদিক, অধিবক্তা, বিদ্যালয়/ মহাবিদ্যালয়/ বিশ্ববিদ্যালয়ৰ শিক্ষক হিচাবে কেৰিয়াৰ গঢ়িব পাৰে।

কলা শাখাৰ যিকোনো স্নাতক উত্তীৰ্ণ শিক্ষাৰ্থীয়ে অসম লোকসেৱা আয়োগ (এ পি এছ চি)ৰ পৰীক্ষা, কেন্দ্ৰীয় লোকসেৱা আয়োগ (ইউ পি এছ চি)ৰ পৰীক্ষা, বেংকিং খণ্ডৰ পৰীক্ষা আৰু অন্যান্য ইন্সিউৰেঞ্চৰ পৰীক্ষাত অৱতীৰ্ণ হ'ব পাৰে।

দ্বাদশ শ্ৰেণীৰ যিকোনো শাখাত উত্তীৰ্ণ শিক্ষাৰ্থীয়ে পাঁচ বছৰীয়া সংযুক্ত আইনৰ স্নাতক পাঠ্যক্ৰম আৰু হোটেল পৰিচালনা (হোটেল মেনেজমেণ্ট) পাঠ্যক্ৰম অধ্যয়ন কৰিব পাৰে।

দ্বাদশ শ্ৰেণীৰ যিকোনো শাখাত উত্তীৰ্ণ শিক্ষাৰ্থীয়ে পাঁচ বছৰীয়া সংযুক্ত ইংৰাজী/ গণসংযোগ/ বিদেশী ভাষাৰ স্নাতকোত্তৰ পাঠ্যক্ৰম অধ্যয়ন কৰিব পাৰে।

অবিবাহিত ভাৰতীয় নাগৰিকে ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা শিক্ষা প্ৰতিষ্ঠান (এন ডি এ)ত নামভৰ্তি কৰিব পাৰে যদিহে ভাৰতীয় সেনাবাহিনীত যোগদানৰ ইচ্ছা থাকে। যিকোনো শাখাত দ্বাদশ শ্ৰেণীৰ উত্তীৰ্ণসকলে ইউপি এছ চিৰ অধীনত অনুষ্ঠিত এন ডি এ পৰীক্ষাত বাছনি হৈ এই প্ৰতিৰক্ষা শিক্ষা প্ৰতিষ্ঠানত নামভৰ্তি কৰিব পাৰে।

যিকোনো শাখাত দ্বাদশ শ্ৰেণীৰ উত্তীৰ্ণসকলে ফাইন আৰ্টছ, দৃশ্য কলা (ভিজুৱেল আৰ্টছ), আভ্যন্তৰীণ সজ্জা (ইনটেৰিঅ'ৰ ডিজাইন), প্ৰায়োগিক কলা (এপ্লাইড আৰ্ট), ফেশ্বন ডিজাইন, অলংকাৰ সজ্জা (জুৱেলাৰী ডিজাইন) ইত্যাদি পাঠ্যক্ৰম অধ্যয়ন কৰিব পাৰে।

যিসকল শিক্ষাৰ্থীৰ নৃত্য-গীত, নাটকৰ প্ৰতি আসক্তি আছে বা ইয়াক আনুষ্ঠানিক পাঠ্যক্ৰম হিচাপে ল'ব বিচাৰে, তেনে শিক্ষাৰ্থীয়ে পৰিৱেশ্য কলা স্নাতক পাঠ্যক্ৰম(বি এফ এ)ত নামভৰ্তি কৰিব পাৰে।

দ্বাদশ শ্ৰেণীৰ যিকোনো শাখাত উত্তীৰ্ণ যিসকল শিক্ষাৰ্থীয়ে নিজকে এগৰাকী শাৰীৰিক শিক্ষাৰ শিক্ষক, ক্ৰীড়া প্ৰশিক্ষক অথবা ফিটনেছ ট্ৰেইনাৰ হিচাবে কেৰিয়াৰ গঢ়িব বিচাৰে, তেওঁলোকে “শাৰীৰিক শিক্ষা” বিষয়ৰ স্নাতক পাঠ্যক্ৰম অধ্যয়ন কৰিব পাৰে।

উচ্চতৰ মাধ্যমিক বা দ্বাদশ শ্ৰেণীৰ পিছত ঃ বাণিজ্য শাখা

উচ্চতৰ মাধ্যমিক বা দ্বাদশ শ্ৰেণী বাণিজ্য শাখাত উত্তীৰ্ণ হোৱাৰ পিছত কি কি পঢ়িব পাৰি ঃ সাধাৰণ স্নাতক পাঠ্যক্ৰম, মেজৰসহ (যেনে— ইঞ্চিউৰেন্স, কম্পিউটাৰ, বৈদেশিক বাণিজ্য, বেংকিং আৰু ইঞ্চিউৰেন্স, একাউন্টিং আৰু বিত্ত, ই-বাণিজ্য, অৰ্থনীতি আৰু একাউন্টিং ইত্যাদি) স্নাতক পাঠ্যক্ৰম।

স্নাতক পাঠ্যক্ৰমত উত্তীৰ্ণ হোৱাৰ পিছৰ পাঠ্যক্ৰম হ'ল— স্নাতকোত্তৰ (এম কম) আৰু পি এইচ ডি।

বাণিজ্য শাখাৰ যিকোনো স্নাতক উত্তীৰ্ণ শিক্ষাৰ্থীয়ে অসম লোকসেৱা আয়োগ (এ পি এছ চি)ৰ পৰীক্ষা, কেন্দ্ৰীয় লোকসেৱা আয়োগ (ইউ পি এছ চি)ৰ পৰীক্ষা, কেন্দ্ৰীয় লোকসেৱা আয়োগ (ইউ পি এছ চি)ৰ পৰীক্ষা, বেংকিং খণ্ডৰ পৰীক্ষা আৰু অন্যান্য ইঞ্চিউৰেঞ্চৰ পৰীক্ষাত অৱতীৰ্ণ হ'ব পাৰে।

**চি এ (চাৰ্টাৰ্ড একাউটেন্সি)ঃ**

ভাৰতীয় চাৰ্টাৰ্ড একাউটেণ্ট প্ৰতিষ্ঠানে চাৰ্টাৰ্ড একাউণ্টেন্সিৰ শিক্ষা আগবঢ়ায়।

কষ্ট একাউন্টেণ্ট ঃ ইন্সটিটিউত অৱ কষ্ট এণ্ড ৱৰ্কছ একাউটেণ্টছ অৱ ইণ্ডিয়াই এই পাঠ্যক্ৰম আগবঢ়ায়।

কোম্পানী ছেক্ৰেটাৰীঃ ইনষ্টিটিউট অৱ কোম্পানী ছেক্ৰেটাৰিজ অৱ ইণ্ডিয়াই এই পাঠ্যক্ৰম আগবঢ়ায়।

**উচ্চতৰ মাধ্যমিক দ্বাদশ শ্ৰেণীৰ পিছত বিজ্ঞান শাখাঃ**

উচ্চতৰ মাধ্যমিক দ্বাদশ শ্ৰেণী বিজ্ঞান শাখাত উত্তীৰ্ণ হোৱাৰ পিছত কি কি পঢ়িব পাৰি ঃ সাধাৰণ স্নাতক পাঠ্যক্ৰম, মেজৰসহ (যেনে— পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান, গণিত, অৰ্থবিজ্ঞান, জীৱবিজ্ঞান, প্ৰাণীবিজ্ঞান, পৰিৱেশ বিজ্ঞান ইত্যাদি) স্নাতক পাঠ্যক্ৰম।

স্নাতক পাঠ্যক্ৰমত উত্তীৰ্ণ হোৱাৰ পিছৰ পাঠ্যক্ৰম হ'ল— স্নাতকোত্তৰ (এম এছ ছি) আৰু পি এইচ ডি।

বিজ্ঞান শাখাৰ যিকোনো স্নাতক উত্তীৰ্ণ শিক্ষাৰ্থীয়ে অসম লোকসেৱা আয়োগ (এ পি এছ চি)ৰ পৰীক্ষা, কেন্দ্ৰীয় লোকসেৱা আয়োগ (ইউ পি এছ চি)ৰ পৰা বেংকিং খণ্ডৰ পৰীক্ষা আৰু অন্যান্য ইঞ্চিউৰেঞ্চৰ পৰীক্ষাত অৱতীৰ্ণ হ'ব পাৰে।

ষ্টাফ চিলেকচন কমিছন ঃ কম্বাইণ্ড গ্ৰেজুৱেট লেভেল পৰীক্ষাত অৱতীৰ্ণ হ'ব পাৰে।

উচ্চতৰ মাধ্যমিক বা দ্বাদশ শ্ৰেণী বিজ্ঞান শাখাত উত্তীৰ্ণ হোৱাৰ পিছত বি চি এ, বি বি এ, বি টেক/বি ই, বি আৰ্ক, এম বি বি এছ, বি ডি এছ, বি ফাৰ্ম, বি এছ চি, আয়ুৰ্বেদিক, হোমিঅ'পেথিক, পশুপালন আৰু পশু চিকিৎসাৰ, কৃষি, মীন, গাৰ্হস্থ্যবিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নামভৰ্তি কৰিব পাৰে।

ইঞ্জিনীয়াৰিং কলেজত বি টেক/বি ই পাঠ্যক্ৰম পঢ়াৰ সুবিধা থকা বিভিন্ন বিভাগবোৰ হ'ল ঃ

কেমিকেল, চিভিল, মেকানিকেল, ইলেকট্ৰিকেল, ইলেকট্ৰনিকছ এণ্ড টেলিকমিউনিকেচনছ, এৰ'স্পেচ, কম্পিউটাৰ ইঞ্জিনিয়াৰিং, ইনষ্ট্ৰুমেনটেছন, টেক্সটাইল টেকন'লজি, এগ্ৰিকালছাৰ, পেট্ৰ'লিয়াম আদি।

উচ্চতৰ মাধ্যমিক দ্বাদশ শ্ৰেণী বিজ্ঞান শাখাত উত্তীৰ্ণ হোৱা সকলে পেৰামেডিকেলৰ বিভিন্ন বিভাগত (Medical Laboratory Technology, Media & Radiographic Technology, Cardiac Care Technology, Physiotherapy, ICU Technology, Physician Assistance Course, Emergency & First Aid, O.T.Technology (O.T.+ Anaesthesia+Endoscopy), Dialysis Technician Course) ডিপ্লমা শিক্ষা গ্ৰহণ কৰিব পাৰে। ইয়াৰ বাবে উচ্চতৰ মাধ্যমিক (বিজ্ঞান শাখা) চূড়ান্ত পৰীক্ষাত পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান আৰু জীৱ বিজ্ঞান বিষয়ত ৫০ শতাংশ নম্বৰৰ সৈতে উত্তীৰ্ণ হ'ব লাগে।

বেংক প্ৰবেচেনাৰী অফিচাৰ পদৰ বাবে যিকোনো স্বীকৃতিপ্ৰাপ্ত বিশ্ববিদ্যালয়ৰপৰা যিকোনো শাখাত নিম্নতম শিক্ষাগত অৰ্হতা স্নাতকসকলে আৱেদন কৰিব পাৰে।

বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষা তথা নিযুক্তিৰ বাবে আয়োজন কৰা সাক্ষাৎকাৰবোৰত সাধাৰণ জ্ঞানৰ পৰীক্ষা লোৱা হয়। সাধাৰণ জ্ঞান দুই প্ৰকাৰত ভাগ কৰিব পৰা যায়। পৰম্পৰাগত সাধাৰণ জ্ঞান (Traditional General Knowledge) আৰু সাম্প্ৰতিক ঘটনা প্ৰবাহ (Current Affairs)। সাধাৰণ জ্ঞান যিহেতু একেদিনাই গোটোৱা সম্ভৱ নহয় ইয়াৰ বাবে ছাত্ৰ-ছাত্ৰীসকলৰ দীঘলীয়া প্ৰস্তুতিৰ প্ৰয়োজন। পৰম্পৰাগত সাধাৰণ জ্ঞান আহৰণ কৰিবলৈ বিদ্যালয়ৰ প্ৰথম শ্ৰেণীৰপৰা দশম শ্ৰেণীলৈকে সকলো বিষয়ৰ পাঠ্যপুথি আৰু এই সকলোবোৰ বিষয়ৰ আনুষংগিক প্ৰসংগ পুথি অধ্যয়ন কৰিব লাগিব। সাম্প্ৰতিক ঘটনা প্ৰৱাহৰ জ্ঞান আহৰণ কৰিবৰ বাবে দৈনিক বাতৰি কাকত তথা বিভিন্ন আলোচনী নিয়মীয়াকৈ পঢ়াৰ অভ্যাস গঢ়ি তুলিব লাগিব। যিহেতু, দৈনিক বাতৰি কাকত এখনৰ প্ৰথম পৃষ্ঠাৰ পৰা শেষৰ পৃষ্ঠালৈ জানিবলগীয়া বহুত কথা থাকে। সেইদৰে নিয়মীয়াকৈ ৰেডিঅ'ৰ বাতৰি অনুষ্ঠান শুনি আৰু টেলিভিচনৰ বাতৰি অনুষ্ঠানবোৰৰপৰা আহৰণ কৰা জ্ঞানবোৰ লিপিবদ্ধ কৰি ৰাখিব লাগে। তাৰোপৰি, সাংখ্যিক হিচাপ-নিকাচৰ সক্ষমতা (Numerical Ability), বিচাৰ-বুদ্ধিৰ ক্ষমতা (Reasoning) আদি বিষয়সমূহৰ অনুশীলনো স্কুলীয়া দিনৰপৰাই আৰম্ভ কৰাটো দৰকাৰ।

ছাত্ৰ-ছাত্ৰীসকলে সাধাৰণ জ্ঞান আহৰণ কৰিবৰ বাবে ইণ্টাৰনেট (Internet)ৰো সহায় ল'ব পাৰে। তদুপৰি ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাৰ সাধাৰণ জ্ঞানৰ আৰ্হি প্ৰশ্নবোৰ সংগ্ৰহ কৰিব লাগে। এইক্ষেত্ৰত শিক্ষক তথা অভিভাৱকসকলে ছাত্ৰ-ছাত্ৰীসকলক সজাগতা অনাত সহায় কৰিব পাৰে। স্কুল পৰ্যায়ৰ পৰীক্ষাসমূহৰ সমান্তৰালভাৱে ভৱিষ্যতে বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে ছাত্ৰ-ছাত্ৰীসকল প্ৰস্তুত হ'ব পৰাকৈ সেই পৰীক্ষাসমূহৰ সাধাৰণ জ্ঞানৰ আৰ্হি প্ৰশ্নবোৰ বিদ্যালয়ৰ শিক্ষকসকলেও দেখুৱাব পাৰে। সাধাৰণতে বহুসংখ্যক অভিভাৱকে নিজৰ সন্তান চিকিৎসক অথবা অভিযন্তা হোৱাটোৱে কামনা কৰে আৰু

এইক্ষেত্ৰত কেতিয়াবা সন্তানৰ অনিচ্ছাসত্ত্বেও চিকিৎসক অথবা অভিযন্তা হিচাপে কেৰিয়াৰ গঢ়িবলৈ জোৰ কৰা দেখা যায়। কিন্তু ছাত্ৰ-ছাত্ৰীসকলৰ বাবে অন্যান্য বহুতো সুন্দৰ কেৰিয়াৰ আছে, যিবোৰৰ গুৰুত্ব সমাজত এজন চিকিৎসক অথবা অভিযন্তাতকৈ কোনো গুণে কম নহয়। সেয়েহে, শিক্ষকসকলৰ লগতে অভিভাৱকসকলেও অযথা মানসিক হেঁচা প্ৰয়োগ নকৰি নিজ সন্তানক অন্যান্য কেৰিয়াৰৰ প্ৰতিও আকৰ্ষিত কৰিবৰ বাবে চেষ্টা কৰিব লাগে।

সৰ্বভাৰতীয় পৰ্যায়ৰ প্ৰতিযোগিতামূলক পৰীক্ষাসমূহত অন্যান্য ৰাজ্যৰ তুলনাত অসমৰ ছাত্ৰ-ছাত্ৰীৰ উত্তীৰ্ণৰ হাৰ সাধাৰণতে কম হোৱা পৰিলক্ষিত হয়। প্ৰতিযোগিতামূলক পৰীক্ষাসমূহত উত্তীৰ্ণ হ'ব পৰাকৈ মেধাৱী হোৱা সত্ত্বেও ছাত্ৰ-ছাত্ৰীসকল সঠিক ৰূপত প্ৰস্তুত নোহোৱাৰ বাবেই এইসমূহ পৰীক্ষাত অসমৰ ছাত্ৰ-ছাত্ৰীৰ উত্তীৰ্ণৰ হাৰ আন ৰাজ্যৰ তুলনাত কম হোৱা দেখা যায়।

কেন্দ্ৰীয় লোকসেৱা আয়োগে পৰিচালনা কৰা সৰ্বভাৰতীয় পৰ্যায়ৰ পৰীক্ষাসমূহ হ'ল—

১। ভাৰতীয় বন সেৱা পৰীক্ষা (Indian Forest Service Examination),
২। অভিযান্ত্ৰিক সেৱা পৰীক্ষা (Engineering Services Examination),
৩। চিকিৎসা সেৱা পৰীক্ষা (Combined Medical Services Examination),
৪। সংযুক্ত প্ৰতিৰক্ষা সেৱা পৰীক্ষা (Combined Defence Services Examination),
৫। সংযুক্ত ভূ-বিজ্ঞানী আৰু ভূতত্ত্ববিদ পৰীক্ষা (Combined Geo-Scientist and Geologists' Examination),
৬। ভাৰতীয় অৰ্থনীতি/পৰিসংখ্যা সেৱা পৰীক্ষা (Indian Economic Service / Indian Statistical Service Examination),
৭। ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা আৰু নৌ একাডেমী পৰীক্ষা (National Defence Academy & Naval Academy Examination),
৮। বিশেষ শ্ৰেণী ৰে'লৰে শিক্ষানবিচ পৰীক্ষা (Special Class Railway Apprenctices Examination), ইত্যাদি।

ইয়াৰোপৰি আন কিছুমান সৰ্বভাৰতীয় পৰ্যায়ৰ প্ৰতিযোগিতামূলক পৰীক্ষা হ'ল— GATE অৰ্থাৎ Graduate Aptitude Test in Engineering, ষ্টাফ চিলেকচন্ কমিছনৰ কম্বাইণ্ড গ্ৰেজুৱেট লেভেল আৰু মেট্ৰিক লেভেলৰ পৰীক্ষা, বিভিন্ন মণ্ডলৰ ৰে'লৰে ৰিক্ৰুইটমেণ্ট ব'ৰ্ডে বিভিন্ন পদৰ বাবে পতা পৰীক্ষা, বেংকিং খণ্ড আৰু অন্যান্য ইঞ্চিউৰেঞ্চ কোম্পানীৰ পৰীক্ষা বিভিন্ন পদৰ বাবে পতা পৰীক্ষা, National Eligibility Test (NET), মেনেজমেণ্ট টেষ্ট (MAT, CAT আদি), লগতে NEET, JEE আদি।

প্ৰতিযোগিতামূলক পৰীক্ষাসমূহত উত্তীৰ্ণ হ'বলৈ কোচিং লোৱাটো প্ৰয়োজনীয় বুলি বহুতৰে মনত এক ভুল ধাৰণা থকা দেখা যায়। কিন্তু এনেবোৰ পৰীক্ষাত উত্তীৰ্ণ হ'বৰ বাবে কোচিং ল'বই লাগিব বুলি কোনো কথা নাই। ছাত্ৰ-ছাত্ৰীসকলে চিলেবাছ অনুসৰি নিয়মীয়াকৈ অধ্যয়নৰ উপৰি পুৰণি প্ৰশ্নকাকতসমূহ কম আৰু নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত সমাধান কৰিবলৈ চেষ্টা কৰিলেও উত্তীৰ্ণ হোৱাত সহায় হ'ব। ছাত্ৰ-ছাত্ৰীসকলে ইণ্টাৰনেটৰপৰা সহায় লোৱাৰ উপৰি প্ৰতিযোগিতামূলক পৰীক্ষাসমূহত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলৰপৰা দিহা-পৰামৰ্শ গ্ৰহণ কৰিলেও উপকৃত হ'ব। ছাত্ৰ-ছাত্ৰীসকলে দীঘলীয়া সময়ৰ প্ৰস্তুতিৰ লগতে নিয়মীয়া অনুশীলন অব্যাহত ৰাখি এইসমূহ পৰীক্ষাৰ বাবে প্ৰস্তুতি চলালে আমাৰ ৰাজ্যৰপৰাও সৰ্বভাৰতীয় পৰ্যায়ৰ প্ৰতিযোগিতামূলক পৰীক্ষাত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি হ'ব বুলি আশা কৰিব পাৰি।

ৰাজ্যিক, ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ

বিভিন্ন বিষয়ৰ বৃত্তি প্ৰদান কৰা অনুষ্ঠান-প্ৰতিষ্ঠানসমূহে নিজস্ব 'বেৱচাইট'ত প্ৰচাৰ কৰা বৃত্তিসমূহৰ সবিশেষ খবৰ ছাত্ৰ-ছাত্ৰীসকলে ৰাখিব লাগে। বৃত্তিপ্ৰাপ্তসকলৰ বিষয়ে বাতৰি কাকত, আলোচনী আদিত প্ৰকাশ কৰা হয়। তেনে ব্যক্তি, ছাত্ৰ-ছাত্ৰীসকলে ব্যক্তিগতভাৱে সাক্ষাৎ কৰিলেও বিশেষভাৱে লাভান্বিত হ'ব।

অসমত সাধাৰণতে হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত বিশেষভাৱে কৃতিত্ব অৰ্জন কৰা শিক্ষাৰ্থীসকলক আনুষ্ঠানিকভাৱে অভিনন্দন জ্ঞাপন কৰাৰ লগতে বিভিন্ন উপহাৰ দিয়া দেখা যায়। উপহাৰস্বৰূপে শিক্ষাৰ্থীসকলক নিৰ্বাচিত কিতাপৰ টোপোলা প্ৰদান কৰিব পাৰে, যিবোৰ কিতাপৰ দ্বাৰা শিক্ষাৰ্থীসকলৰ মানসিক তথা বৌদ্ধিক বিকাশত সহায় হোৱাৰ লগতে সামাজিক দায়বদ্ধতাৰ কথাও মনলৈ আহে। কিন্তু কৃতি ছাত্ৰ-ছাত্ৰীৰ অভিনন্দন অনুষ্ঠানসমূহ দীৰ্ঘ সময় ধৰি অনুষ্ঠিত নকৰি ফলাফল ঘোষণা কৰাৰ এমাহৰ ভিতৰতে সমাপ্ত কৰিব লাগে। মহকুমা, জিলা আৰু ৰাজ্যিক এই তিনিটা পৰ্যায়তে অভিনন্দন অনুষ্ঠান আয়োজন কৰি বিভিন্ন দল, সংগঠন, অনুষ্ঠান, প্ৰতিষ্ঠানে কৃতি ছাত্ৰ-ছাত্ৰীক অভিনন্দন জনাব লাগে। কিয়নো দীঘলীয়া সময়ৰ বাবে অভিনন্দন অনুষ্ঠান আয়োজন কৰি থাকিলে অযথা সময়, অৰ্থ ব্যয়ৰ লগতে ছাত্ৰ-ছাত্ৰীৰ পঢ়া-শুনাতো যথেষ্ট ক্ষতি সাধন হয়।

আনহাতে দেখা যায় যে পৰীক্ষাবোৰৰ ফলাফল ঘোষণা কৰা লগে লগে কৃতিত্ব অৰ্জন কৰি উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলৰ খবৰ সংবাদ মাধ্যমত ভৰি থাকে, কিন্তু পৰৱৰ্তী সময়ত ছাত্ৰ-ছাত্ৰীসকল ক'ত অধ্যয়ন কৰি কেনেদৰে নিয়োজিত হৈ আছে, নিজ নিজ লক্ষ্যত উপনীত হ'ব পাৰিছে নে নাই অথবা তেওঁলোকে পঢ়ি যোৱা বিদ্যালয়/মহাবিদ্যালয়খন বা নিজৰ অঞ্চল আৰু জন্মভূমিৰ প্ৰতি কিবা অৰিহণা যোগাইছে নে নাই এনেবোৰ খবৰ সাধাৰণতে জনা নাযায়। এই খবৰসমূহ লৈয়ো সংবাদ মাধ্যমে প্ৰতিবেদন প্ৰস্তুত কৰিব পাৰে।

বিভিন্ন সময়ত যুৱ সংগঠনসমূহে অসমত থকা কেন্দ্ৰীয়, অৰ্ধ-কেন্দ্ৰীয়, চৰকাৰী, বে-চৰকাৰী আৰু ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানসমূহত ১০০ শতাংশ থলুৱা লোকৰ বাবে সংস্থাপনৰ দাবী কৰা দেখা যায়। কিন্তু এনেবোৰ দাবীৰ সলনি যুৱ সংগঠন সমূহে অসমৰ থলুৱা পৰীক্ষাৰ্থীসকলক ১০০ শতাংশ উত্তীৰ্ণ হ'ব পৰাকৈ প্ৰশিক্ষণ প্ৰদানৰ ব্যৱস্থাহে গ্ৰহণ কৰিব লাগে। কিয়নো অসমত অন্যান্য ৰাজ্যৰ তুলনাত নিয়োগৰ সুবিধা বহুত কম হোৱাৰ বাবে বহুসংখ্যক যুৱক-যুৱতী অন্য ৰাজ্যত নিয়োজিত হৈ আছে আৰু অসমৰ দৰে আন ৰাজ্যসমূহতো থলুৱা লোকৰ নিযুক্তিৰ দাবী কাৰ্যকৰী হ'লে অসমৰ প্ৰাৰ্থীসকলো অন্য ৰাজ্যত নিযুক্তি লাভৰ পৰা বঞ্চিত হ'ব।

যিসকলে আমাৰ ৰাজ্যখনৰ বিভিন্ন অঞ্চলৰ বিদ্যালয়ৰপৰা উত্তীৰ্ণ হৈ বিভিন্ন ক্ষেত্ৰত প্ৰতিষ্ঠা লাভ কৰি সমাজ জীৱনৰ বিভিন্ন ক্ষেত্ৰলৈ অৰিহণা যোগাইছে, সেইসকলক যুৱ-সংগঠনসমূহে নিজ নিজ অঞ্চললৈ আমন্ত্ৰণ কৰি ছাত্ৰ-ছাত্ৰীৰ লগত অন্তৰংগ আলাপ আয়োজন কৰিলে ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক তথা বৌদ্ধিক বিকাশত সহায় হোৱাৰ লগতে সামাজিক দায়বদ্ধতাৰ কথাও মনলৈ আহিব। আশা কৰিছোঁ, যুৱ সংগঠনবোৰে এনেধৰণৰ অন্তৰংগ আলাপ আয়োজন কৰিব।

তদুপৰি, শিক্ষাগত অৰ্হতা তথা দক্ষতা থাকিলেও বৰ্তমান সময়ত ছাত্ৰ-ছাত্ৰীসকল বিভিন্ন কাৰণত নিজৰ পচন্দৰ বিভাগত কেৰিয়াৰ গঢ়িবলৈ সক্ষম নহয়। গতিকে, ছাত্ৰ-ছাত্ৰীসকলে কেৱল এটা বিষয়ক নিৰ্বাচন কৰি কেৰিয়াৰ গঢ়াৰ কথা ভাবি থকা উচিত নহয়। ছাত্ৰ-ছাত্ৰীসকলে দুই বা ততোধিক বিষয় কেৰিয়াৰ গঠনৰ বাবে নিৰ্বাচন কৰি ৰখা উচিত যাতে নিৰ্বাচিত বিভাগৰ যিকোনো এটা বিভাগতে কেৰিয়াৰ গঢ়িব পাৰে। তদুপৰি, পচন্দৰ বিষয়তে অধ্যয়ন কৰা সত্ত্বেও কোনো ব্যক্তিকেই কৰ্মক্ষেত্ৰত ১০০ শতাংশ

সন্তুষ্টি লাভ কৰা দেখা নাযায়। কোনোবাজনে হয়তো দৰমহাক লৈ সন্তুষ্ট নহ'ব পাৰে, কোনোজনে হয়তো কৰ্মস্থলী অথবা সহকৰ্মীক লৈ সন্তুষ্ট নহ'ব পাৰে ইত্যাদি।

চাকৰিৰ দ্বাৰা নিবনুৱা সমস্যা সমাধান কৰা কেতিয়াও সম্ভৱ নহয়। কিন্তু চাকৰিৰ বাহিৰেও সৰু-বৰ উদ্যোগ গঢ়ি বা ব্যৱসায়-বাণিজ্য কৰি নিজে জীৱিকা উপাৰ্জন কৰা লগতে আনকো নিয়োগৰ সুবিধা দিব পাৰি। এই বিষয়ে চৰকাৰী অনুষ্ঠান, বে-চৰকাৰী অনুষ্ঠান, স্বেচ্ছাসেৱী অনুষ্ঠান আৰু ছাত্ৰ সংগঠনবোৰে ছাত্ৰ-ছাত্ৰী তথা যুৱক-যুৱতীসকলক ৰাজ্যখনৰ সকলো অঞ্চলতে সজাগতা সভা আৰু কৰ্মশালা আয়োজন কৰি কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ বিভিন্ন আঁচনি আৰু সা-সুবিধাবোৰৰ বিষয়ে ভালদৰে বুজাই দিয়াৰ লগতে বিভিন্নধৰণৰ ঋণ আগবঢ়োৱা বিত্তীয় অনুষ্ঠানবোৰৰ বিষয়ে বিতংকৈ জনাব লাগে। বাতৰিকাকত আৰু আলোচনীবোৰেও সামাজিক দায়বদ্ধতাৰে সমাজ আৰু ৰাজহুৱা স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি 'স্বনিয়োজন'ৰ বিভিন্ন দিশ সামৰি নিয়মীয়াকৈ লেখা প্ৰকাশ কৰিলে ভাল হয়। চৰকাৰী চাকৰি অবিহনেও সৰু-বৰ উদ্যোগ গঢ়ি বা ব্যৱসায়-বাণিজ্য কৰিও সন্মানীয় জীৱন আৰু জীৱিকা নিৰ্বাহ যে কৰিব পাৰি, সেই কথা উপলব্ধি কৰি কিছু সংখ্যক যুৱক-যুৱতীয়ে স্বনিয়োজনৰ পথ বাচি ল'লে নিবনুৱা সমস্যা অলপ হ'লেও কমিব বুলি আশা কৰিব পাৰি।

লেখক - ড° বুলজিৎ বুঢ়াগোহাঁই, অধ্যক্ষ, জি.আই.এম.টি., তেজপুৰ।

ব্যক্তিগত খণ্ডত সৎভাৱে চাকৰি কৰি বা ব্যৱসায়-বাণিজ্য কৰি জীৱন ধাৰণ কৰি থকা সকলে চৰকাৰী খণ্ডত নিযুক্তি লাভ কৰা নাই বুলি হীনমন্যতাত ভোগা উচিত নহয়। তদুপৰি, ব্যক্তিগত খণ্ডৰ চাকৰিয়াল তথা ব্যৱসায়-বাণিজ্য কৰা ব্যক্তিসকলক চৰকাৰী খণ্ডৰ চাকৰিয়ালসকলৰ দৰে সম দৃষ্টিৰে নোচোৱাৰ মানসিকতা পৰিহাৰ কৰিব পাৰিলেহে সমাজৰ প্ৰত্যেকজন ব্যক্তিৰে যিকোনো কৰ্মৰ প্ৰতি আগ্ৰহ বৃদ্ধি হ'ব। উদ্যোগীসকলে নিজে উপাৰ্জন কৰাৰ লগতে আনকো নিয়োগৰ সুবিধা প্ৰদান কৰিব পাৰে। চাকৰিয়ালৰ উপাৰ্জন সীমিত কিন্তু উদ্যোগীৰ নহয়। উদ্যোগীসকলে যিমানেই যত্ন কৰে সিমানেই উপাৰ্জনো বৃদ্ধি হয় আৰু নতুন নতুন দিশত কাম সম্প্ৰসাৰিত কৰিব পাৰে। চাকৰিয়ালসকল সদায় সীমাৰ মাজত আবদ্ধ। চাকৰিয়ালসকলৰ দিনটোৰ বাবে নিৰ্দিষ্ট কৰ্মৰ সময় থাকে কিন্তু উদ্যোগীসকলৰ ক্ষেত্ৰত কৰ্মৰ কোনো সময় সীমা নাথাকে। সাধাৰণতে, সৎ উপায়েৰে চাকৰিৰ দ্বাৰা উপাৰ্জিত ধনেৰে এজন ব্যক্তি ধনী হোৱাটো সম্ভৱপৰ নহ'লেও কিন্তু সৎ উপায়েৰে উদ্যোগ স্থাপনৰ জৰিয়তে অথবা ব্যৱসায় কৰি এজন ব্যক্তি ধনী হোৱাটো সম্ভৱ।❑

বিঃদ্ৰঃ- কেৰিয়াৰ বিষয়ৰ বিভিন্ন কথা কোনো আগ্ৰহী শিক্ষাৰ্থীয়ে জানিব বিচাৰে, তেন্তে প্ৰত্যেক শনিবাৰে বিয়লি ৬-৯ বজাৰ ভিতৰত ফোনত যোগাযোগ কৰিব পাৰে।

# বৈজ্ঞানিক মানসিকতাৰ স্ৰজন, সংবৰ্ধন আৰু সংৰক্ষণ

**ড° পল্লৱী গোস্বামী**

অতি সৰলভাৱে ক'বলৈ হ'লে বিজ্ঞান হ'ল নজনাক জনাৰ, নুবুজাক বুজাৰ এক শৃংখলাবদ্ধ প্ৰয়াস। বিজ্ঞান শিক্ষাই ছাত্ৰ-ছাত্ৰীসকলৰ ঘাইকৈ বিজ্ঞানসন্মত বোধশক্তি সৃষ্টিৰ লগতে সমালোচনামূলক দৃষ্টিভংগী সৃষ্টি কৰি যিকোনো সমস্যা সমাধান কৰিবলৈ যুক্তিপূৰ্ণভাৱে আগবাঢ়ি যাবলৈ লগতে যিকোনো বিস্ময়, ৰহস্যঘন বিষয়ত নিজস্ব বিবেক-বিবেচনাৰে সৃষ্টিশীল সমাধান উলিয়াই নিজৰ লগতে সমাজ জীৱনকো সমৃদ্ধ কৰিবলৈ উদগনি জনাই। ছাত্ৰ-ছাত্ৰীক বিজ্ঞান শিক্ষাৰ দ্বাৰা বিজ্ঞানৰ প্ৰতি ধনাত্মক ভাবাৱেগেৰে আকৃষ্ট কৰি সৃষ্টিশীলতাৰ পাঠ শিকোৱাই বিজ্ঞান শিক্ষাৰ অন্যতম উদ্দেশ্য। যদিও সকলো স্তৰৰ ব্যক্তিয়েই বিজ্ঞানৰ সুফল আৰু কুফলসমূহ ভোগ কৰে তথা বিজ্ঞানৰ অৱদানসমূহৰ জৰিয়তে নিজৰ জীৱন ধাৰণৰ মান উন্নীত কৰে, তথাপি বিজ্ঞানৰ অৱদানসমূহৰ আঁৰত লুকাই থকা একো একোজন বিজ্ঞানীৰ চিন্তা-চৰ্চাৰ প্ৰতি আগ্ৰহী নহয়। বহু কম ব্যক্তিকহে বিজ্ঞানে নিজস্ব জ্ঞান-সম্ভাৰেৰে বিস্ময়াভিভূত কৰে। পাৰ্থিৱ জগতত বিজ্ঞানৰ ব্যৱহাৰিক দিশটো লৈহে আমি গদ্ গদ্।

কিন্তু সৌভাগ্যপূৰ্ণভাৱে বিজ্ঞানে প্ৰায়োগিক দিশটোৰে আমাৰ জীৱন যেনেদৰে ধন্য কৰে, থিক তেনেদৰে মানসিক ক্ষেত্ৰখনো বৈজ্ঞানিক ভাবাৱেগেৰে জীপাল কৰি আমাৰ ব্যক্তিগত তথা সামাজিক জীৱন সুখময় কৰি তুলিব পাৰে।

বৈজ্ঞানিক মানসিকতাই ব্যক্তিক কৰি তোলে বহল অন্তৰৰ লগতে যিকোনো পৰিস্থিতিতে কেৱল সত্যৰ পক্ষে থাকিব পৰাকৈ সৎ আৰু সাহসী। বিজ্ঞান হ'ল যিকোনো পৰিস্থিতিতে কেৱল সত্যৰ পক্ষে থাকিব পৰাকৈ সৎ আৰু সাহসী। বিজ্ঞান হ'ল যিকোনো বিষয়ৰ পুঙ্খানুপুঙ্খ অধ্যয়ন। বিজ্ঞানী এজনৰ যিকোনো বৈজ্ঞানিক অনুসন্ধানৰ পদ্ধতি লক্ষ্য কৰিলে আমাৰ চকুত পৰে যে তেনে অনুসন্ধানে সদা এক নিৰ্দিষ্ট পৰিক্ৰমা মানি চলে। প্ৰথমে উপযুক্ত তথ্যৰ আহৰণ, দ্বিতীয়তে আহৰিত তথ্যৰ পৰিকল্পিত শৃংখলাবদ্ধ মূল্যায়ন, পৰিশেষত নিজস্ব মতামত অথবা সিদ্ধান্ত প্ৰদান। ইয়াৰ পিছত আহে নিজস্ব সিদ্ধান্ত অথবা মূল্যায়নৰ ফলাফল সমূহ জনসমাজলৈ বিনিময় কৰা। সম্পূৰ্ণ তথ্যভিত্তিক তথা পৰীক্ষালব্ধ জ্ঞানেৰে বিজ্ঞানীয়ে কোনো বিষয়ত নিজস্ব মতবাদ দাঙি ধৰে। এনে মতবাদ প্ৰকৃত বিজ্ঞানীৰ নিজস্ব ধৰ্মীয় অথবা ৰাজনৈতিক বিশ্বাসৰ বিপৰীতে গ'লেও তেওঁলোক সত্য প্ৰকাশৰপৰা বিৰত নাথাকে। বিজ্ঞানৰ এনে সৎ প্ৰচেষ্টাই সমাজক ধন্য কৰে। ঠিক তেনেদৰে বৈজ্ঞানিক মনোভাবাপন্ন ব্যক্তি সদায়েই যুক্তিৰে পৰিচালিত হয়। ফলত অসৎ সমাজ বিৰোধী যিকোনো কাৰ্যাৱলীকে তেওঁলোকে যুক্তিৰে প্ৰতিহত কৰিব পাৰে। সমাজ এখনৰ শ্ৰীবৃদ্ধিৰ বাবে সেয়ে বৈজ্ঞানিক মনোভাবাপন্ন ব্যক্তি হ'ল সম্পদ।

বহু সময়ত দেখা যায় প্ৰচলিত বিজ্ঞানৰ স্বীকাৰ্য

সমূহ অথবা ধাৰণাসমূহ সাধাৰণ জনগণৰ মতৰ বিপৰীতে। বিজ্ঞানৰ ধৰ্মীয়কৰণ তথা ৰাজনীতিকৰণে বহু সময়ত সাধাৰণ জনতাক বিভ্ৰান্ত কৰে। কিন্তু দৰচলতে প্ৰকৃত বিজ্ঞান অথবা বিজ্ঞানী অথবা বৈজ্ঞানিক ধ্যান-ধাৰণা কোনো বাহ্যিক শক্তিৰ ওপৰত নিৰ্ভৰশীল নহয়। ব্যক্তিগত বিশ্বাস, ধৰ্মীয় বা ৰাজনৈতিক সকলো ধ্যান-ধাৰণাৰ ঊৰ্ধ্বলৈ গৈ বিজ্ঞানে সদায় প্ৰকৃত সত্য দাঙি ধৰে।

বিজ্ঞানৰ মতবাদসমূহ পৰীক্ষানিৰ্ভৰ। বহু সময়ত কোনো এক নিৰ্দিষ্ট সময়ত শুদ্ধ বুলি বিবেচিত সূত্ৰও পৰৱৰ্তী পৰ্য্যায়ত ভুল বুলি প্ৰমাণিত হ'ব পাৰে। বৈজ্ঞানিক মানসিকতাই ব্যক্তিক নিজস্ব মততে খোপনি পুতি নাথাকি প্ৰয়োজনসাপেক্ষে, নতুন মত ল'বলৈ সাহস যোগায়।

ভাৰতবৰ্ষ এখন বিশাল দেশ। নানান ভাষা-ভাষী লোকেৰে ভৰপূৰ এনে এক ৰাষ্ট্ৰত প্ৰতি পদে পদে মানুহৰ বিশ্বাসৰ ভেটি লৰিব পাৰে। তেনে বাতাবৰণত বৈজ্ঞানিক মনোবৃত্তি গ্ৰহণে আমাক নানান বিপদৰপৰা বচাই ৰাখিব পাৰে।

কোনো এটি বিষয় সংৰক্ষণৰ আওতালৈ আহিব তেতিয়াহে, যেতিয়া বিষয়টো দুৰ্বল হয়, অথবা সংখ্যালঘু হয়, নতুবা দুষ্প্ৰাপ্য অন্যথা অপৰিহাৰ্য্য হয়। বিজ্ঞান অথবা বিজ্ঞান মানসিকতা নিজে দুৰ্বল নহয়, কিন্তু যিহেতু বৰ্তমান সময়ত ব্যক্তিগত স্বাৰ্থৰ ঊৰ্দ্ধত গৈ সামূহিক চিন্তা কৰি বিজ্ঞানৰ জৰিয়তে সমগ্ৰ বিশ্বৰ জনসাধাৰণৰ উত্তৰোত্তৰ উন্নতিৰ হকে কাম কৰিব পৰা বৈজ্ঞানিক মানসিকতা থকা ব্যক্তিৰ সংখ্যা কম। সেয়ে ই সংখ্যালঘু হোৱাৰ লগতে দুষ্প্ৰাপ্য। তদুপৰি বিজ্ঞান বৰ্তমান সময়ত আমাৰ বাবে অপৰিহাৰ্য্য। সেয়েহে যুক্তিপূৰ্ণভাৱে, পৰিষ্কাৰকৈ, কোনো আগতীয়া ধাৰণা নোলোৱাকৈ কোনো বিষয়ে চিন্তা কৰিব শিকাটোৱে ব্যক্তিক বৈজ্ঞানিক মানসিকতাৰে পুষ্ট কৰি তুলিব। প্ৰমাণ নোহোৱাকৈ অযথা কোনো কথাকে বিশ্বাস নকৰা অভ্যাসে আমাক বহু দুৰ্ঘটনা নোহোৱাকৈ ৰাখিব। বিজ্ঞান সদায়ে সকলো আৱেগৰপৰা মুক্ত, বিজ্ঞানৰ উচাত্মিকা ভাবো নাই অথবা ই সাধাৰণ জনগণৰ স্বাৰ্থৰ বিপৰীতেও নাই, বিজ্ঞান সদায়ে বৌদ্ধিক জ্ঞানৰ চূড়ান্ততম্ সত্য উপলব্ধি। বৈজ্ঞানিক মানসিকতাৰ সংৰক্ষণ আৰু বৰ্ধনৰ দ্বাৰাহে সেয়ে সমাজৰ জীৱনৰ শ্ৰীবৃদ্ধি সম্ভৱপৰ।

ৰাজনৈতিক আৱহাৱাৰপৰা মুক্ত তথা কোনো ধৰণৰ আপোচলৈ নহাকৈ বিজ্ঞান তথা বিজ্ঞানীয়ে কাম কৰি যাব পৰা পৰিৱেশ সৃষ্টি কৰাটো এখন দেশৰ চৰকাৰৰ প্ৰধান কৰ্তব্য হোৱা উচিত। বিজ্ঞানৰ ক্ষেত্ৰত লোৱা তথ্যমূলক তথা সামাজিকভাৱে স্বচ্ছ নিয়ম-নিৰ্দেশনাই দেশ এখনৰ জনসাধৰণক উপকৃত কৰাৰ লগতে আমাৰ পৰিৱেশ প্ৰকৃতিকো সুৰক্ষা দিয়ে। কিন্তু যদিহে জনসাধাৰণক প্ৰতিনিধিত্ব কৰা শাসনাধিষ্ঠিত প্ৰতিনিধিসকলে যেতিয়া অবৈজ্ঞানিক মনোবৃত্তি গ্ৰহণ কৰে, তেতিয়া ই এক সুদূৰপ্ৰসাৰী ঋণাত্মক ঘটনাৰাজিৰ সূচনা কৰে।

২০১৭ চনৰ ২২ এপ্ৰিলত ধৰিত্ৰী দিৱসৰ দিনাখন আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৱাচিংটন ডিচিত বিজ্ঞান আৰু বৈজ্ঞানিক মানসিকতা সৃষ্টি আৰু সংৰক্ষণৰ হেতু এক বিশাল সমদল উলিওৱা হয়। বিজ্ঞানৰ অগ্ৰগতিত হেঙাৰ হোৱা বাধাসমূহ আঁতৰাবৰ নিমিত্তে আয়োজিত এই চিন্তাধাৰাৰ প্ৰতি সমৰ্থন জনাই বিশ্বৰ প্ৰায় প্ৰতিখন দেশে আজি বিজ্ঞানৰ সাধনাৰ হকে তথা জনসাধাৰণৰ হিতৰ হকে কোনো ৰাজনৈতিক লাভালাভ অথবা ধৰ্মীয় অনুশাসনেৰে পংগু কৰি বিজ্ঞানৰ অৱদানসমূহৰপৰা কাকো বঞ্চিত নকৰিবলৈ মাত মাতিবলৈ সকলোকে আহ্বান কৰে। এই কাৰ্যসূচীৰে দ্বিতীয় পৰ্যায়ৰ বিশ্বব্যাপি বিজ্ঞানৰ হেতু যাত্ৰা ১৪ এপ্ৰিল ২০১৮ তাৰিখত আহ্বান কৰা হৈছে য'ত আন আন দেশৰ লগতে ভাৰতবৰ্ষৰ বিজ্ঞানী সমাজেও আগভাগ লৈছে। বিজ্ঞানৰ হেতু এই যাত্ৰাৰ সমৰ্থকসকলে মত পোষণ কৰে যে বিজ্ঞান হ'ব লাগে

দলীয় দৃষ্টিভংগী তথা ধৰ্মৰ ঊৰ্দ্ধত। উপযুক্ত তথ্য সমৃদ্ধ তথা পুংখানুপুংখ গৱেষণালব্ধ স্বচ্ছ আঁচনিহে কোনো এখন দেশৰ জনসাধাৰণৰ বাবে প্ৰযোজ্য হোৱা উচিত। কু-সংস্কাৰ, অপ-সংস্কাৰ আদিৰ বিপৰীতে বৈজ্ঞানিক মানসিকতাৰ প্ৰয়োজনীয়তাৰ বিষয়ে জনসাধাৰণক অবগত কৰোৱাও এই কাৰ্য্যক্ৰমৰ এক উল্লেখনীয় দিশ।

বিজ্ঞান নিজে যিমান প্ৰাচীন, বিজ্ঞানৰ ধৰ্মীয়কৰণ অথবা তাৰ দলীয়কৰণো সিমানেই প্ৰাচীন। গেলিলিওৱে পৃথিৱী সূৰ্যৰ চৌপাশে ঘূৰা বুলি কৰা মন্তব্যক কেথলিক চাৰ্চৰ উপৰি সেই সময়ৰ শাসনাধিষ্ঠিত ব্যক্তিসকলে বিৰোধিতা কৰিছিল। ছোভিয়েত সংঘত প্ৰৱৰ্তিত বাম ৰাজনীতিৰ পৰিপ্ৰেক্ষিতত বিজ্ঞানী লিছেংকোৱে বংশীয় গুণৰাজি বহনত ক্ৰম'চম'ৰ কাৰ্য্যপন্থা সম্বলিত গৱেষণা প্ৰকাশ কৰিবলৈ অপাৰগ হৈছিল। দক্ষিণ আফ্ৰিকাৰ ৰাষ্ট্ৰপ্ৰধান থাবো মাবেকিৰ AIDS সম্পৰ্কীয় ভুল ধাৰণাৰ পৰিপ্ৰেক্ষিতত HIV আক্ৰান্ত ব্যক্তিৰ চিকিৎসা বিজ্ঞান থমকি গ'ল, যাৰ পৰিপ্ৰেক্ষিতত ১৯৯৯ ৰ পৰা ২০০৮ লৈকে প্ৰায় ৩,৩০,০০০ লোক বিনা চিকিৎসাত মৃত্যুমুখত পৰিল। বহু বিজ্ঞজনৰ মত অনুসৰি বৰ্তমানৰ আমেৰিকা যুক্তৰাষ্ট্ৰৰ লেখীয়া দেশতো বিজ্ঞান তথা বৈজ্ঞানিক মানসিকতা বিপদাপন্ন। জলবায়ু তথা গোলকীয় উষ্ণতা বৃদ্ধিৰ পৰিপ্ৰেক্ষিতত ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ মন্তব্য আৰু তেখেতৰ কাৰ্য্যকালত লোৱা শাসকীয় আঁচনিসমূহে বিজ্ঞানী সমাজত ভীতিৰ সৃষ্টি কৰিছে। সৌ কিছুদিন আগতে ভাৰতৰ মানৱ সম্পদ বিকাশ মন্ত্ৰী সত্যপাল যাদৱদেৱে ডাৰৱিনৰ তত্ত্বক বিতৰ্কৰ মজিয়ালৈ টানি আনিছে। এনে পৰিপ্ৰেক্ষিতত যুক্তিবাদী মনত শুদ্ধ পথ দেখুৱাই প্ৰকৃত সত্যত উপনীত কৰাব পাৰে একমাত্ৰ বৈজ্ঞানিক মানসিকতাই।

সেয়েহে বিজ্ঞানৰ প্ৰতি শ্ৰদ্ধাপূৰ্ণ ভাবাৱেগ, যুক্তিপূৰ্ণ আচৰণ, ধৰ্ম অথবা ব্যক্তিগত স্বাৰ্থৰ ঊৰ্দ্ধত চিন্তা কৰিব পৰা বৈজ্ঞানিক মানসিকতাৰ সৃষ্টি তথা ৰক্ষণাবেক্ষণ দিয়াটো আমাৰ প্ৰতিজন ব্যক্তিৰ মৌলিক দায়িত্ব।❑

লেখিকা - সহযোগী অধ্যাপিকা, ৰাসায়ন বিজ্ঞান বিভাগ।

# অভ্যাসৰ গঠন,
# পুনৰ গঠন আৰু আত্মোৎকৰ্ষৰ সাধনা

ড° নিৰ্মলা দেৱী

যিকোনো দীৰ্ঘম্যাদী সফলতাৰ বাবে প্ৰয়োজন সঠিক অভ্যাসৰ। বহুক্ষেত্ৰত অভ্যাস প্ৰবল ইচ্ছাশক্তিতকৈও অধিক শক্তিসম্পন্ন। অভ্যাসৰ মানৱ জীৱন পৰিচালনাৰ ক্ষেত্ৰত আছে প্ৰচণ্ড শক্তি আৰু লগতে দীৰ্ঘম্যাদিত্ব। ইচ্ছাশক্তিৰ কিন্তু দীৰ্ঘম্যাদিত্ব নাই। বাৰে বাৰে ৰিচাৰ্জ কৰি থাকিবলগা হয়। দীৰ্ঘম্যাদী বা জীৱনজোৰা সফলতাৰ বাবে প্ৰথম প্ৰয়োজন হয় কেতবোৰ নিজে বাচি লোৱা সঠিক অভ্যাসৰ। নিজস্ব অগ্ৰাধিকাৰ অনুযায়ী বাছি লোৱা অভ্যাসে সকলোবোৰ কঠিন কাম অতি সহজে একো নভবাকৈয়ে নিয়াৰিকৈ কৰি যোৱাত সহায় কৰিব পাৰে। এই অভ্যাসবোৰৰ কাৰণেই পুৱা উঠাৰে পৰা সকলোবোৰ কাম বহু সময়ত একো বিশেষ নভবাকৈয়ে কৰি যাব পাৰো। উদাহৰণাৰ্থে, গাড়ী বা বাহন একোখন চলোৱাটো একেকোবে বৰ সহজ কাম নহয়। প্ৰথমবাৰ শিকোতে দুয়োখন হাত, ভৰি, চকু আৰু মগজু— এই সকলোবোৰকে একক মনোযোগ কেন্দ্ৰত নিবদ্ধ কৰি লোৱাৰ প্ৰয়োজন হয়। সকলো অংগৰ সঠিক সময়ত সঠিক ব্যৱহাৰৰ জৰিয়তেহে গাড়ী এখন চলাব পৰা যায়। যিকোনো মানুহে যদি প্ৰথমে গাড়ী শিকাৰ বা অকলে গাড়ী চলোৱাৰ প্ৰথম দিনটো ৰোমন্থন কৰে, এই কথা বুজিবলৈ নিশ্চয় অসুবিধা নহ'ব। কিমান শ্বাসৰুদ্ধকৰ বহুতৰ কাৰণে এই সময়!

কেৱল এক্সিলাৰেটৰ, ক্লাচ্ছ, ব্ৰেক, গীয়েৰ, ষ্টীয়েৰিঙেই নহয়— বেক গীয়েৰ, সন্মুখ আৰু পিছফালৰ আইনা, সোঁ-বাওঁ-সন্মুখ ছিগনেল; আৰু লগতে মূৰৰ ওপৰত প্ৰচণ্ড চাপ—ট্ৰেফিক চিগনেল, লেন সলনি, জেব্ৰা ক্ৰচিং, ৰাস্তাৰ ভিৰ— এক মাইক্ৰ'চেকেণ্ডৰ খেলিমেলিয়েও ঘটাব পাৰে ভয়ংকৰ দুৰ্ঘটনা। প্ৰচণ্ড চাপত গাড়ীৰ ছিটতেই যেন বহা নহয়গৈ, হাতখনে বাৰে বাৰে যেন প্ৰয়োজনতকৈ বেছি হেঁচা দিয়ে ষ্টীয়েৰিঙত! কিন্তু, সেই একেজন শিকাৰুৱে এটা সময়ত দক্ষ চালকৰ ৰূপত একো নভবাকৈয়ে, কথা পাতি পাতি বা গান শুনি নিয়াৰিকৈ সুন্দৰকৈ গাড়ী চালনা কৰিব পৰা হয়। কিহৰ বলত!! নিশ্চয়কৈ গাড়ী চলোৱাত বহু বেছি দক্ষতা বা জ্ঞান বা বুদ্ধিৰ প্ৰয়োজন নহয়। তেন্তে প্ৰয়োজন কিহৰ? নিশ্চয়কৈ অভ্যাসৰ। এবাৰ অভ্যাস হৈ গ'লে গাড়ী চলোৱাৰ দৰেই যিকোনো এটা পৰ্যায়ৰ কঠিন কাম অতি সহজ হৈ পৰে। গাড়ী চলোৱাৰ কথাটো এটা সামান্য উদাহৰণহে— অভ্যাসে কেতিয়াবা বুদ্ধি বা স্মৃতিতকৈ ডাঙৰ কাম কৰিব পাৰে। হয়তো আমি ভবাতকৈ বহু বেছি ডাঙৰ!! সেইবাবেই নেকি বহু সময়ত অভ্যাস জ্ঞানতকৈও শক্তিবানৰ (Habit is more powerful than knowledge) ৰূপত থিয় হোৱা দেখা যায়।

মেছাছ্যুছেটছ্ ইনষ্টিটিউট অৱ টেকন'লজি (MIT) ৰ এদল মগজুৰ গৱেষকে এজন প্ৰায় সম্পূৰ্ণ স্মৃতিশক্তি হেৰাই যোৱা মানুহৰ ওপৰত অধ্যয়ন কৰিছিল। বিজ্ঞানীসকলৰ দলে এই অধ্যয়নৰ কালত বৰ সাৱধানে লক্ষ্য কৰিছিল যে এই মানুহজনে নিজৰ

নাম, মাকৰ নাম বা জন্মস্থান সম্পৰ্কে ক'ব নোৱাৰিলেও বৰ্তমান সময়ত একেটা সময়ত সদায় একে ৰাস্তাৰে খোজকাঢ়ি আহি ঘৰ সোমাবগৈ পাৰিছিল। ঘৰৰ ভিতৰতে 'পাকঘৰ ক'ত' দেখুৱাই দিব নোৱৰা বা উত্তৰ দিব নোৱৰা মানুহজনে ভোক লাগিলে আচৰিত ধৰণে সদায় কৰাৰ দৰেই নিজে গৈ পাকঘৰৰ পৰাই কাঠ বাদামৰ টেমা উলিয়াই খাব জানিছিল।

মানুহৰ জীৱন পৰিক্ৰমাত নতুন বা ভাল অভ্যাসৰ গঠন অৱশ্যে গাড়ী চলোৱা অভ্যাসৰ দৰে সহজ নহয়। লক্ষণীয়ভাৱে প্ৰত্যেক মানুহেই ইতিমধ্যে কেতবোৰ অভ্যাসেৰে পৰিপূৰ্ণ হৈ থাকে। নতুনকৈ আহৰণ কৰিবলগীয়া অভ্যাসৰ লগত আগৰ পুৰণা, ইতিমধ্যে খোপনি পুতি থোৱা অভ্যাসে সংঘাতৰ সৃষ্টি কৰে, আউল লগায়। পুৰণা অভ্যাস হেৰাই যাব নোখোজে, বাৰে বাৰে প্ৰস্ফুটিত হ'ব খোজে (কাৰণ, এই পুৰণা অভ্যাসবিধো এটা সময়ত বাঞ্ছিত বা অবাঞ্ছিতভাৱেই হওক— বহুদিনৰ প্ৰয়াসৰ জৰিয়তেই গঢ় লোৱা অভ্যাস)। সেইবাবেই মূলতঃ নতুন অভ্যাস আহৰণৰ বাবে পুৰণা অভ্যাসত ভাঙোন আনিবলগীয়া হয়। যেন— নতুন এণ্টিভাইৰাছ ইনষ্টল কৰাৰ আগতে পুৰণিটোক আঁতৰ কৰাৰ দৰে, পুৰণি অভ্যাসসমূহ কম্পিউটাৰত ব্যৱহাৰ কৰা default settingৰ দৰেই আমাৰ মজ্জাত নিহিত হৈ থাকে। সেইবাবেই নতুন অভ্যাস গঠনৰ বাবে পোনতেই প্ৰয়োজন নিশ্চিত পূৰ্ব ছেটিং আঁতৰাই পেলোৱা।

যেতিয়া ইচ্ছাশক্তি কমি যাব, তেতিয়াই পুনৰ আগৰ অভ্যাসে উক দিবলৈ চেষ্টা কৰে। মানুহৰ জীৱন আকৌ ঠিক কম্পিউটাৰৰ ছেটিঙৰ দৰেও একে নহয়। মানুহৰ অভ্যাস গঠনৰ বাবে প্ৰথম প্ৰয়োজন হয় প্ৰবল ইচ্ছাশক্তি আৰু নিজৰ সক্ষমতাৰ ওপৰত অগাধ বিশ্বাসৰ। মানুহে নিজৰ ভৱিষ্যত থিৰাং কৰিব নোৱাৰে সঁচা, কিন্তু নিজৰ বাঞ্ছিত অভ্যাস অৱশ্যেই থিৰাং কৰিব পাৰে; আৰু এই অভ্যাসেই ৰচনা কৰে, থিৰাং কৰে মানুহৰ ভৱিষ্যতৰ ৰূপৰেখা। অৰ্থাৎ পোনপটীয়াকৈ মানুহে নিজৰ অভ্যাস গঠন কৰে আৰু অভ্যাসে থিৰাং কৰে মানুহজনৰেই ভৱিষ্যৎ।

নৈতিকভাৱে নিজে স্পষ্ট হৈ থাকিলে নতুন উচ্চতাৰ অভ্যাসৰ গঠন সহায় হয়। নৈতিক স্পষ্টতা নাথাকিলে বা ধূসৰ হ'লে অতি সহজেই সমাজ, বন্ধুত্ব, সংস্কৃতিৰ দ্বাৰা বিচ্ছুৰিত হৈ পুনৰ আগৰ পুৰণি অভ্যাসতেই নিমজ্জিত হোৱাৰ প্ৰবল সম্ভাৱনা থাকে।

নৈতিক স্পষ্টতাৰ আৱৰ্তত থাকে সমাজৰ বাবে ধনাত্মক আৰু ভিন্ন কিবা কৰাৰ প্ৰবল আগ্ৰহ; নিজৰ ঠাই, গাঁও-চহৰ বা দেশৰ বাবে কাম; কাম হ'ব পাৰে সমগ্ৰ মানৱ জাতিৰ বাবে, শুৱনি এই ধৰাৰ বাবে বা আন কিবা স্বকীয় সূক্ষ্ম অথচ বিশেষ। প্ৰত্যেকৰ বাবেই ই হ'ব পাৰে ভিন্ন; আৰু এই বিষয়ে ভিন্নতাৰ সূত্ৰ নিজেই প্ৰত্যেকেই নিৰ্ণয় কৰিব।

দৈনন্দিন নিয়মীয়া ডায়েৰী লিখা কামে নতুন অভ্যাস গঠনত সহায় কৰে। অথবা দৈনিক 'checklist'ৰ ব্যৱহাৰ কৰিও বহু নতুন বা ভাল অভ্যাস গঠন কৰিব পাৰি। 'চেক্ লিষ্ট'ৰ ব্যৱহাৰ কেৱল প্ৰত্যেক মানুহৰ বাবেই নহয়— এখন দেশ, সমাজ, অনুষ্ঠান-প্ৰতিষ্ঠান অথবা মানৱ জাতিৰেই মংগলৰ বাবে কাম কৰে। হাৰ্ভাৰ্ডৰ T.H,Chan School of Public Healthৰ Health Policy and Managementৰ অধ্যাপক তথা হাৰ্ভাৰ্ড মেডিকেল স্কুলৰ শল্য চিকিৎসক তথা বিশ্ব স্বাস্থ্য সংস্থাৰো উপদেষ্টা আৰু The New Yorker ৰ নিয়মীয়া লেখক আৰু ব'ষ্টনৰ বাসিন্দা অতুল গাৱাণ্ডে (Professor Atul Gawande)ৰ ২০০৯ চনত প্ৰকাশিত 'The Checklist menifesto' এখন বিশ্বৰ সৰ্বপঠিত অতুলনীয় গ্ৰন্থ। নিউয়ৰ্ক টাইমছৰ বেষ্ট চেলাৰ এইখন গ্ৰন্থত কেনেকৈ মাত্ৰ এটা চেকলিষ্টৰ ব্যৱহাৰে সমগ্ৰ পৃথিৱীত মানুহৰ মৃত্যুৰ হাৰ ৩৫ শতাংশ হ্ৰাস কৰি আনিব পাৰে, তাৰ জ্বলন্ত জীৱন্ত উদাহৰণ গৱেষণাৰ তথ্যৰে দাঙি ধৰিছে। কেৱল শল্য চিকিৎসাতেই নহয়, গাড়ী, ৰে'ল, আকাশীযান আদি পৰিচালনালৈকে চেকলিষ্টৰ ব্যৱহাৰে দুৰ্ঘটনা হ্ৰাস বা

নাইকিয়া কৰিব পাৰে। মানুহ যিমানেই বিশেষজ্ঞ, জ্ঞানী-গুণী বা স্মাৰ্ট নহওক কিয়, শুদ্ধ আৰু সুন্দৰকৈ ডিজাইন কৰা এখন তালিকাই সদায় ভাল ফল দিয়ে। সাধাৰণ লোকৰ দৰেই যিকোনো বিশেষজ্ঞ, প্ৰতিভাশালী বা অসাধাৰণ ব্যক্তিৰ বাবেও মানসিক চাপ, আৱেগ-অনুভূতি বা কামৰ মুহূৰ্তত মানসিক স্থিতিৰ সালসলনি আদি বিভিন্ন কাৰণত ভুল কৰাৰ সম্ভাৱনা থাকে। তেওঁ লাগিলে প্ৰতিভাশালী শল্য চিকিৎসকেই নহওক বা দক্ষ পাইলটেই নহওক কিয়! অতুল গাৱাণ্ডেই তেওঁৰ বিশেষজ্ঞ দলৰ লগত আলোচনা কৰি আৰু সম্পূৰ্ণ পৰীক্ষা-নিৰীক্ষাৰ অন্তত শল্য চিকিৎসকৰ বাবে এটি Safe Surgery Checklist প্ৰস্তুত কৰি উলিয়ালে। এই চেকলিষ্টখন পাছত ভাৰতবৰ্ষ, আমেৰিকা যুক্তৰাষ্ট্ৰ, কানাডাকে আদি কৰি প্ৰায় দহখন দেশত পৰীক্ষামূলকভাৱে প্ৰয়োগ কৰা হ'ল। এবছৰৰ পাছত দেখা গ'ল যে হাস্পতালৰ অপাৰেচনত মানুহৰ মৃত্যুৰ হাৰ পূৰ্বতকৈ ৩৫ শতাংশ কমি গ'ল।

চিকিৎসক, লেখক অতুল গাৱাণ্ডেৰ 'The Checklist Menifesto' নামৰ কিতাপখন The New York Times, Wall Street Journal, USA, Today, Washington Post আদিৰ বেষ্ট চেলাৰ। ইফালে, সততেই চেকলিষ্টৰ প্ৰতি আমাৰ বহুতৰে বিমোহ। এই বিষয়ে লেখক, অৰ্থনীতিবিদ Steven Leuitt য়ে এটা বৰ মনোমোহা কথা কৈছে, 'If there is one topic that I have no natural offinity for, it is Checklists. I don't use Checklists. I am not interested in Checklists. Yet against all odds, I read Atul Gawande's new book about Checklists, the Checklist Menifesto in one sitting yesterday, which is an amazing tribute to the book that Gawande has crafted. Not only is the book loaded with facinating stories but is honestly changed the way I think about the world. It is the best book I've read in ages.'— এই গ্ৰন্থখনৰ উপৰি অতুল গাৱাণ্ডেই আৰু তিনিখন বহুপঠিত গ্ৰন্থ বিশ্ববাসীক উপহাৰ দিছে, যাৰ প্ৰত্যেকখনেই বেষ্ট ছেলাৰ। গ্ৰন্থকেইখন হ'ল— Being Mortal (2014), Better (2009)আৰু Complications (2002)।

কেতবোৰ নতুন অভ্যাস গঠনৰ বাবে বহু সময়ত 'Time Blocking' ৰ প্ৰয়োজন হয় অথবা টাইম ব্লকিঙে সহায় কৰে। সাধাৰণতে আনুষ্ঠানিক পদ্ধতিত, কাৰ্যালয়-কাছাৰী, স্কুল-কলেজ আদিত ৯-৫ টাইম ব্লকিং সম্পৰ্কে আমি পৰিচিত। তদুপৰি বিভিন্ন বিশেষ সভা-সমিতি, ৰেডিঅ'-টেলিভিছন-চিনেমা-নাটকৰ প্ৰ'গ্ৰাম, বিশেষ ব্যক্তিৰ স'তে এপইণ্টমেণ্ট, অতিথিৰ আগমনৰ সময় আদিৰ বাবেও সময় নিৰ্ধাৰণ বা 'টাইম ব্লক' কৰা থাকে। কিন্তু নিজৰ বাবে নহয়!!

সাম্প্ৰতিক সময়ত ম'বাইল ফোনকল, whatsappৰ দৰে অত্যাধুনিক এপসমূহ, ফেইচবুক, টুইটাৰ আদিৰ ফলত যেনেকৈ নিমিষতে সকলোধৰণৰ খবৰ, বাতৰি, ফাইল ইত্যাদি প্ৰেৰণ কৰাটো অতি সহজ হৈছে; ঠিক একেদৰে অতি তীব্ৰগতিত হ্ৰাস হৈছে মানুহৰ নিজস্ব সময়। নিজস্ব সময় মানে হ'ল এই সকলোধৰণৰ distraction বাদ দি নিজে বিচৰা বা ধাৰ্য কৰি লোৱা নতুন অভ্যাসবিধ, যেনে— কোনো নতুন ব্যায়ামৰ চৰ্চা, শাৰীৰিক স্বাস্থ্য সাধন, পুৱা-গধূলি নিৰ্দিষ্ট সময়ত পঢ়া-শুনা, সঠিক সময়ত সদায় বিছনালৈ যোৱা আদি। শেহতীয়া এটা গৱেষণাৰ তথ্যমতে কেৱল ম'বাইল ফোন ব্যৱহাৰ কৰাই নহয়, ম'বাইল ফোনটো একো নকৰাকৈ যদি টেবুলৰ ওপৰতো থৈ দিয়া হয়, তেতিয়াও সেই টেবুলত বহি কাম কৰা মানুহজনৰ distraction হ'ব পাৰে।❑

লেখিকা - সহকাৰী অধ্যাপক, ৰাষ্ট্ৰীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান (NIT) নাগালেণ্ড।

# সত্ৰ আৰু ঔপনিৱেশিক যুগৰ অসমীয়া সমাজ

**ড° মিলন নেওগ**

১৮২৬ চনত ইয়াণ্ডাবু সন্ধিৰ জৰিয়তে অসমত ব্ৰিটিছ ঔপনিৱেশিক শাসন সূচনা হ'ল।[১] ইয়াৰ লগে লগে মায়ামৰীয়া বিদ্ৰোহ আৰু মানৰ অত্যাচাৰে অনা সুদীৰ্ঘ অস্থিৰতা-অনিশ্চয়তাৰ শেষত অসমৰ ৰাজনৈতিক আৰু সামাজিক জীৱনলৈ এক সুস্থিৰ পৰিৱেশ ঘূৰি আহিল। এক মুমূৰ্ষু অৱস্থাত অসমৰ ৰাইজক নিৰাপত্তা প্ৰদান কৰা ব্ৰিটিছ ঔপনিৱেশিক শক্তিক ৰাইজে শ্ৰদ্ধা আৰু কৃতজ্ঞতাৰে আদৰি ল'লে। ব্ৰিটিছ প্ৰশাসকসকলেও কিছুসংখ্যক প্ৰভাৱশালী লোকক সা-সুবিধা দি আনুগত্যশীল শ্ৰেণী সৃষ্টি কৰি ঔপনিৱেশিক শাসনৰ পাতনি তৰিলে। পূৰ্বৰ পাইক প্ৰথাৰ ঠাইত নগদ ধনেৰে ভূমি ৰাজহ দিয়া ব্যৱস্থা, দাসপ্ৰথা বিলোপ, ডাক-তাঁৰ, ৰে'ল, পঢ়াশালি স্থাপনেৰে সম্পূৰ্ণ এটা নতুন প্ৰশাসনিক ব্যৱস্থাৰ সূচনা হ'ল। এই নতুন ব্যৱস্থাত ব্ৰিটিছ আমোলত আহোম ডা-ডাঙৰীয়াসকলে পূৰ্বৰ সুবিধা হেৰুৱালে। নতুন আইন-কানুন, নগদ ধনেৰে খাজানা তোলা পদ্ধতি আদি প্ৰচলন হোৱাৰ লগে লগে "নতুন শাসনতন্ত্ৰৰ আহোম ডা-ডাঙৰীয়াৰ বিশেষ গুণ কামত নহা হ'ল আৰু তেওঁলোকৰ ঠাই ল'লে লেখা-পঢ়া জনা কাকতী শ্ৰেণীৰ মানুহে"।[২] পূৰ্বৰ শাসন ব্যৱস্থাত আমোলা বা কাকতী কাম কৰা, লেখা-পঢ়া জনা এই লোকসকলৰ লগতে বিত্তৱান ঘৰৰ মুষ্টিমেয় নব্য শিক্ষিত লোকসকলেও ব্ৰিটিছ শাসনৰ অধীনত সা-সুবিধা আদায় কৰি ব্ৰিটিছৰ অনুগত হৈ ৰ'ল। ইয়াৰ লগতে সত্ৰাধিকাৰসকলৰ প্ৰতিও কৌশলগত কাৰণতে ব্ৰিটিছ শাসকপক্ষ যথেষ্ট সদয় আৰু উদাৰ আছিল। কাৰণ তৎকালীন পৰিৱেশত সত্ৰসমূহ আছিল গ্ৰাম্য জীৱনপ্ৰবাহত ধৰ্মীয় আৰু সামাজিক শৃংখলাৰ প্ৰধান নিয়ন্ত্ৰণক— The non-resident disciples of a Gosain are scattered all over the Valley, but to them he is the ultimate authority in religious and social matter[৩]

সেইবাবে ব্ৰিটিছ প্ৰশাসনে আহোম ৰাজত্বত সত্ৰই লাভ কৰা ভূমি সম্পত্তিত হাত নিদিলে।[৩(ক)] যি যি সত্ৰই ভূমিদানৰ তামৰ ফলি দেখুৱাব পাৰিছিল, সেইবোৰ সত্ৰই সেই ভূমি নিজৰ দখলত ৰাখিব পাৰিছিল। ঔপনিৱেশিক শাসকসকলৰ ভূমি-নীতিৰ মূল উদ্দেশ্য আছিল উৎপাদন বৃদ্ধি আৰু সমান্তৰালভাৱে ৰাজহ বৃদ্ধি। ইয়াৰ বাবে সঘনাই ভূমি ৰাজহ বৃদ্ধি কৰা হৈছিল। নগদ টকাৰে ৰাজহ দি নোপোৱা সাধাৰণ কৃষক প্ৰজাই বৰ্ধিত হাৰত ৰাজহ দিব নোৱৰা হ'লে চিৰস্তাদাৰ, তহচিলদাৰ, সাধনিদাৰ টেকেলাই খাজনাত মাৰি সোণ-ৰূপৰ অলংকাৰ, মুগা কাপোৰ, কাঁহী-বাটি আদি ঘৰ লুৰুকি কাঢ়ি লৈ গৈছিল।[৪] বহু কৃষকে স্বেচ্ছাই আনৰ দাসত্ব গ্ৰহণ কৰিছিল আৰু আন বহুতে মাটি-ভেটি এৰি যেনি-তেনি গুচি যাব লগা হৈছিল।[৫] আনহাতে, চাহখেতিৰ বাবেও

হাজাৰ হাজাৰ একৰ মাটি ব্ৰিটিছে অধিকাৰ কৰিছিল। ১৯৩৮ চনত পতিত মাটি আইন (Waste land Rules) অনুসৰি — Any tract of waste land, from 100 to 10,000 acres, might be taken up on a fortyfive years lease, with a rent free period of from five to twenty years.[৬]

এনেদৰে ১৮৭২ চনলৈ ব্ৰহ্মপুত্ৰ উপত্যকাতে ২৭,০০০ একৰ ভূমিত চাহ খেতি কৰিবলৈ পাইছিল; ১৮৫৯ চনত এই পৰিমাণ আছিল মাত্ৰ ৪,০০০ একৰ।[৭]

ব্ৰিটিছ প্ৰশাসনৰ এনে ভূমি নীতিৰ পিছতো সত্ৰসমূহৰ হাতত এক বিশাল পৰিমাণৰ ভূমি বিনা কৰে এৰি দিছিল। আনহাতে, খ্ৰীষ্টানধৰ্মী ব্ৰিটিছসকলে সত্ৰসমূহৰ ধৰ্মীয় কাম-কাজতো কোনো ধৰণৰ হস্তক্ষেপ কৰা নাছিল। গতিকে আহোম শাসনৰ তুলনাত ঔপনিৱেশিক যুগত সত্ৰসমূহে আধুনিক আইন ব্যৱস্থা, ধৰ্মীয় স্বাধীনতা, অৰ্থনৈতিক সুস্থিৰতা আৰু সম্পত্তিৰ স্থায়িত্বৰে এক সন্তোষজনক পৰিৱেশ লাভ কৰিবলৈ সমৰ্থ হৈছিল। কিন্তু সত্ৰসমূহে সেই অনুসৰি সামাজিক দায়িত্ববোধ প্ৰদৰ্শন কৰিব নোৱাৰিলে। আনহাতে, অসমৰ জনজীৱনত সত্ৰৰ প্ৰভাৱত কিন্তু ঔপনিৱেশিক শাসনে কোনো পৰিৱৰ্তন আনিব নোৱাৰিলে। গ্ৰাম্য জনতাৰ বাবে গোসাঁই মানেই ভগৱান। গাঁৱৰ নামঘৰকেন্দ্ৰিক খেলবোৰ আজিও বহুক্ষেত্ৰত সত্ৰ একোখনৰে শাখা। কৃষ্ণ শৰ্মাই তেওঁৰ ডায়েৰীত এটা বৰ গুৰুত্বপূৰ্ণ ঘটনা দাঙি ধৰিছে—

‘সেইদিনা চৰাইবাহীৰপৰা কোনোবা এজন গোসাঁই বাৰপূজীয়ালৈ আহিব। চৰাইবাহীৰপৰা হেজাৰ ডেৰহেজাৰ মানুহে গোসাঁইক দোলাৰে লৈ আহিছে। ইফালে বাৰপূজীয়াৰ পৰা প্ৰায় হেজাৰ-ডেৰহেজাৰ মান মানুহ গৈ মাজবাটৰপৰা গোসাঁইক দোলাৰে আগবঢ়াই আনিবলৈ গৈছে।..... যথা সময়ত গোসাঁই আহি পোৱাত ৰাইজে তেখেতক বেহুত তামুলী পীৰাত বহুৱাই চৰণ ধুলেগৈ আৰু তেখেতৰ চৰণ ধুৱা পানী ঘৰে ঘৰে একো একোটা বাঁহৰ চুঙাত ভৰাই লৈ গ’ল।[৮]

এয়া ১৯২১ চনৰ স্বদেশী আন্দোলনৰ সময়ৰ ঘটনা। গোসাঁইৰ প্ৰতি ৰাইজৰ এনে দৈবিক মনোভাবৰ বিপৰীতে কিন্তু প্ৰায় সকলো গোসাঁয়েই ৰাইজৰ সপক্ষে কোনো গুৰুত্বপূৰ্ণ স্থিতি লোৱা নাছিল।

এই সময়ত সত্ৰৰ সংখ্যা যথেষ্ট বৃদ্ধি পালে, বিশেষকৈ পাৰিবাৰিক বিভাজন আৰু অন্যান্য কাৰণত একেখন মূল সত্ৰৰ কেইবাখনলৈও শাখা সত্ৰ বিস্তাৰিত হ’ল। সত্ৰৰ বিস্তাৰৰ অন্যতম কাৰণ আছিল ব্যক্তিগত কন্দল। কমলাবাৰী সত্ৰৰ বিভাজন হৈ ১৯৩৫ চনত নতুন কমলাবাৰী সত্ৰ প্ৰতিষ্ঠাৰ মূলতে এটা সৰু কথাক কেন্দ্ৰ কৰি সৃষ্টি হোৱা ব্যক্তিগত দ্বন্দ্ব।[৮(খ)]এনে বিভাজন আজিও অব্যাহত আছে। কিন্তু সত্ৰৰ সংখ্যা বৃদ্ধি পালেও মহাপুৰুষীয়া ধৰ্ম-সংস্কৃতি প্ৰচাৰ-প্ৰসাৰত কোনো নতুন উদ্যম আৰু গতি দেখা নগ’ল। বৰং অসমৰ জাতীয় ঐতিহ্যৰ গতিশীল সত্তাৰ প্ৰতীকস্বৰূপ সত্ৰানুষ্ঠানসমূহ প্ৰায়ভাগ ক্ষেত্ৰতে সত্ৰাধিকাৰসকলৰ পাৰিবাৰিক সম্পত্তি স্বৰূপ হৈ পৰিল। ইয়াৰ সমান্তৰালভাৱে সত্ৰসমূহৰ মাজত উপাসনাপ্ৰধান ধৰ্মীয় দিশৰ আনুষংগিক সৃষ্টিশীল আৰু পৰিৱেশ্য শিল্পকলাৰ সাধনা তেনেই স্তিমিত হৈ পৰিল। একশৰণ ভক্তি আদৰ্শৰ ওপৰত ব্ৰাহ্মণ্যধৰ্মৰ প্ৰভাৱ পৰিল।[৯] সত্ৰৰ গণতান্ত্ৰিক মানৱীয় চেতনাক বৰ্ণবৈষম্যই আক্ৰান্ত কৰিলে, মানৱ চৈতন্যৰ আধ্যাত্মিক মুক্তিৰ কেন্দ্ৰস্বৰূপ সত্ৰসমূহ কিছুক্ষেত্ৰত ধৰ্মীয় আৰু সামাজিক শোষণৰো কেন্দ্ৰ হৈ পৰিল। ১৯৩৪ চনত ধলৰ সত্ৰৰ সত্ৰাধিকাৰ তীৰ্থনাথ গোস্বামীয়ে দিহীয়াল সত্ৰৰ পৃষ্ঠপোষকতাত, আউনীআটি আৰু দক্ষিণপাট সত্ৰৰ অনুমোদনেৰে খৰ্গেশ্বৰ শৰ্মাই লিখা ‘ৰিপুঞ্জয় স্মৃতি’ নামৰ গ্ৰন্থ প্ৰকাশ কৰে। গ্ৰন্থত অনাৰ্যসকলক অন্ত্যজ আৰু অস্পৃশ্য হিচাপে প্ৰতিপন্ন কৰিবলৈ বিচৰা হৈছিল।[১০] এই কাৰ্যই অসমৰ জনগোষ্ঠীসমূহৰ মনত অত্যন্ত দুখ দিছিল। কৃষ্ণ শৰ্মাই লিখিছে যে কৈৱৰ্ত বণিয়া আৰু নিম্নবৰ্ণৰ লোকসকলে সত্ৰ আৰু মন্দিৰত প্ৰৱেশাধিকাৰ বিচাৰি

আন্দোলন কৰিবলগীয়া হৈছিল।[১১] সত্ৰাধিকাৰৰ ভৰি ধুউৱা পানী শিষ্যৰ মাজত পৱিত্ৰ জল ৰূপে বিতৰণ কৰা হৈছিল।[১২] যি সময়ত প্ৰাকৃতিক দুৰ্যোগৰ বাবে ব্ৰিটিছ চৰকাৰেও ৰায়তসকলক খাজনা ৰেহাই দিছিল, তেনে সময়তো আউনীআটী সত্ৰই খাজনা ৰেহাই নিদিয়াত মিচিং ৰায়তসকল বিদ্ৰোহী হৈ উঠাৰ বাতৰি পোৱা যায়।[১৩] অথচ আউনীআটী সত্ৰৰ অধিকাৰ দত্তদেৱ গোস্বামীৰ ৫০ তম আৰু ৬০ তম জন্মতিথি এনে ৰাজকীয়ভাৱে পতা হৈছিল যে ই কেৱল 'ৰাণী ভিক্টোৰিয়াৰ সোণালী জয়ন্তী সমাৰোহৰ লগতহে তুলনীয়'।[১৪] ইয়াৰ মাজতো মহাপুৰুষীয়া ভক্তি আদৰ্শৰ নিষ্ঠাৱান ধাৰা এটা তলসুঁতিৰে প্ৰবাহিত হৈ আহিছিল। পীতাম্বৰ দেৱগোস্বামী, গহন চন্দ্ৰ গোস্বামী আদি ব্যতিক্ৰমী সত্ৰাধিকাৰৰ প্ৰগতিশীল চিন্তা আৰু কৰ্মৰাজি স্মৰণীয়। কিন্তু এওঁলোকেও নিজৰ গঠনমুখী কাৰ্যত ৰক্ষণশীল শ্ৰেণীৰপৰা তীব্ৰ বাধা পাইছিল। পীতাম্বৰ দেৱগোস্বামীয়ে জীৱনৰ অভিজ্ঞতাৰে লিখিছে—

'অসমৰ হিন্দুসমাজৰ শিৰোমণি স্বৰূপ ব্ৰাহ্মণ আৰু গুৰুসকলে সমাজৰ ভাল-মন্দলৈ ভ্ৰূক্ষেপ নকৰি কেৱল ফাঁকি দি দি সমাজৰপৰা নিজ স্বাৰ্থ পূৰাবলৈ সমৰ্থ্য হোৱাটোকে জীৱনৰ চৰম লক্ষ্য বুলি ধৰি লৈছে। অসমৰ অগণন গুৰু-গোসাঁয়ে আমাৰ সমাজ-হিতজনক কাৰ্যতঃ সাধ্যানুসাৰে বাধাহে জন্মাবলৈ চেষ্টা কৰে।'[১৫]

অষ্টাদশ শতিকা মানতে আহোম ৰাজপৃষ্ঠপোষকতা পোৱা সত্ৰসমূহত বঙ্গীয় শাক্তধৰ্মৰ প্ৰভাৱ আৰু ইয়াৰ সমান্তৰালভাৱে হিন্দু স্মৃতিশাস্ত্ৰপ্ৰধান কঠোৰ ৰীতি-নীতি সোমাবলৈ ধৰে। লাহে লাহে ৰাজপৃষ্ঠপোষকতাৰে ঐশ্বৰ্যশীল আৰু ক্ষমতাশালী হৈ সত্ৰসমূহ আৰ্থিকভাৱে অস্বচ্ছল আৰু ৰাজপৃষ্ঠপোষকতা নোপোৱা সত্ৰসমূহৰ তুলনাত বেছি মৰ্যাদাসম্পন্ন হৈ পৰিল। জনসাধাৰণৰ ওপৰতো ঐশ্বৰ্যশীল আৰু ৰাজপৃষ্ঠপোষকতা পোৱা সত্ৰসমূহৰ চূড়ান্ত কৰ্তৃত্ব প্ৰতিষ্ঠা হ'বলৈ ধৰিলে। ঐতিহাসিকভাৱেই প্ৰতিকূল ব্যৱস্থাৰ মাজত আদৰ্শচ্যুতি নঘটা সত্ৰসমূহেও ক্ৰমান্বয়ে নিজকে খাপ খুৱাই ল'বলৈ বাধ্য হৈ পৰিল। মন কৰিবলগীয়া যে প্ৰাক্-ঔপনিৱেশিক যুগত উজনি অসমত কৌমুদীশাস্ত্ৰ নিৰ্দেশিক আচাৰ-ৰীতিৰ কঠোৰতা নামনি অসমৰ দৰে ব্যাপক আৰু কঠোৰ নাছিল। যিখিনি আছিল সেয়াও উচ্চ বৰ্ণৰ মাজতে সীমাবদ্ধ আছিল। কিন্তু ঔপনিবেশিক যুগত এফালে সত্ৰৰ সংখ্যা কম দিনতে বৃদ্ধি পালে আৰু আনহাতে স্মৃতিশাস্ত্ৰৰ কঠোৰ আচাৰ-নীতি অজনজাতি হিন্দুৰ মাজতো ক্ৰমাৎ প্ৰসাৰ লাভ কৰিলে।

ঔপনিৱেশিক যুগতো প্ৰজাৰ ওপৰত প্ৰবল কৰ্তৃত্ব থকা সত্ৰসমূহেই শাসকপক্ষৰ অনুগত হৈ নানা সা-সুবিধা আদায় কৰিবলৈ পোৱাত এই অৱস্থান সলনি নহ'ল, বৰং বেছি দৃঢ়হে হ'ল। সত্ৰাধিকাৰসকল আছিল স্বৰূপাৰ্থত সত্ৰখনৰ পাৰ্থিৱ সম্পত্তিৰো গৰাকী। এই সত্ৰাধিকাৰসকলৰ কোনো কালে গোসাঁই আদি উপাধি নাছিল, বৰঞ্চ সন্মানসূচক বিশেষণ তথা সম্বোধনহে আছিল। মহন্ত শব্দটোও আগতে বংশানুক্ৰমিক উপাধি নাছিল। ঔপনিবেশিক যুগত এইবাৰ সত্ৰাধিকাৰ মহন্তহঁতেও নিজে নিজে বংগ আৰু উত্তৰ ভাৰতৰ মঠ-মন্দিৰৰ মঠাধিকাৰসকলৰ আৰ্হি লৈ গোস্বামী, দেৱগোস্বামী আদি উপাধি ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰিলে।[১৬] ভক্তিধৰ্মৰ আদিস্তৰৰ মহান সন্তসকলৰ উদাৰ গণতান্ত্ৰিক মানৱীয় আদৰ্শ সত্ৰসমূহৰ হাতত এনেদৰেই ক্ৰমশঃ বৰ্ণবৈষম্যমূলক আচাৰ-বিচাৰৰ মাজত হেৰাই যোৱাৰ উপক্ৰম হ'ল— গোস্বামী শব্দৰ ব্যৱহাৰে ব্ৰাহ্মণ বংশোদ্ভৱ সত্ৰাধিকাৰসকলক পাছলৈ এক বিশেষ শ্ৰেণীভুক্ত কৰি শূদ্ৰ বংশোদ্ভৱ সত্ৰাধিকাৰসকলৰ পৰা পৃথক কৰিলে।[১৭]

ব্ৰাহ্মণ সত্ৰাধিকাৰসকলক অনুসৰণ কৰি ক্ৰমান্বয়ে অনেক শূদ্ৰ বংশোদ্ভৱ সতৰীয়া (অধিকাৰ) সকলেও গোস্বামী উপাধি লিখিবলৈ ল'লে। ইয়াৰ

সমান্তৰালভাৱে নৱবৈষ্ণৱ আদৰ্শত নথকা বা অসমীয়া সংস্কৃতিৰ ঐতিহ্যত নথকা নানা ক্ষতিকৰ প্ৰথা অসমৰ জনজীৱনত সত্ৰৰ মাজেদিয়েই সোমাই খোপনি পুতিলে।[১৮]

প্ৰাক্ স্বাধীনতা কালত সত্ৰসমূহৰ আচৰণে অসমৰ জনজীৱনত বহুবাৰ দুৰ্ভাগ্যজনক পৰিস্থিতিৰ সৃষ্টি কৰিছিল। ১৯২০ চনত আউনীআটী, কমলাবাৰী, গড়মূৰ আৰু দক্ষিণপাট সত্ৰই বৰলাট চেমচ্‌ফ'ৰ্ডক সম্বৰ্ধনা পত্ৰ সোণৰ চুঙাত ভৰাই প্ৰদান কৰিছিল। জনসাধাৰণৰ ব্ৰিটিছ বিৰোধী আৱেগক তাচ্ছিল্য কৰা এই কাৰ্যই ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল।[১৯]

১৮১৪-৪২ চনত মেজৰ নৰ্থব্ৰুকে টিপুক মায়ামৰীয়া সত্ৰৰ সত্ৰাধিকাৰ নৰভুজ গোসাঁইক কানি, বন্দুক আৰু নগদ ১৫০০ টকা দি ডিব্ৰু'চ-দিৰাক অঞ্চলটো চাহ-খেতিৰ বাবে আদায় কৰিছিল। ফলত সেই ঠাইৰ মৰাণসকল নতুন ঠাইলৈ আঁতৰি যাবলৈ বাধ্য হৈছিল।[২০]

তাৎপৰ্যপূৰ্ণ কথা, অসমৰ সমাজ জীৱনত সত্ৰসমূহৰ প্ৰগতিশীল ভূমিকা শেষ হৈ অত্যন্ত ৰক্ষণশীল হৈ পৰাৰ পিছতো প্ৰাক্ স্বাধীনতা কাললৈকে সমাজৰ মাজত কোনো বিশেষ প্ৰতিবাদ হোৱা নাছিল। অনুন্নত অৰ্থনীতি, বহিৰ্জগতৰ লগত প্ৰায় সম্বন্ধহীন গ্ৰাম্য জীৱনৰ জনসাধাৰণে ধৰ্মীয় অনুশাসনক অৱজ্ঞা কৰাটো পাপ ৰূপে গণ্য কৰিছিল। গোসাঁই তেওঁলোকৰ বাবে ভগৱন্তৰে প্ৰতিৰূপ। তদুপৰি সমাজচ্যুত হোৱাৰ ভয়তো ক্ষোভ প্ৰকাশৰ সাহস নোহোৱা হৈছিল—

সত্ৰৰ শৃংখলা ভংগৰ সৰ্বোচ্চ শাস্তি হ'ল সামাজিকভাৱে বৰ্জন। পুৰণি কালত জুই, পানীকে ধৰি লাগতিয়াল বস্তুবোৰ গাইগুটিয়াকৈ নিজৰববীয়াকৈ গোটাই লোৱা প্ৰায়বোৰৰে সম্ভৱপৰ নাছিল আৰু ৰাজহুৱা বা ওচৰ-চুবুৰীয়া ৰাইজৰ সহযোগ লাগিছিল। আনহাতে সত্ৰৰ মাটিৰ পৰাও খেদা খাবলগীয়া হৈছিল।[২১]

ব্ৰহ্মপুত্ৰ উপত্যকাত খ্ৰীষ্টান মিচনেৰীসকলৰ ধৰ্মপ্ৰচাৰ চেষ্টা সফল নোহোৱাৰ ক্ষেত্ৰত এইধৰণৰ সামাজিক অৱস্থাই ক্ৰিয়া কৰিছিল। হেৰম্বকান্ত বৰপূজাৰীয়ে এই দিশটো তথ্যসহ আলোচনা কৰি দেখুৱাইছে যে সত্ৰৰ প্ৰভাৱতে গাঁওবোৰত থকা সত্ৰৰ শিচসকলে মিছনেৰী কিতাপপত্ৰ পাপ হ'ব বুলি স্পৰ্শ নকৰিছিল।[২২] জাতচ্যুত হোৱাৰ ভয়তো বহুতে খ্ৰীষ্টধৰ্মৰ প্ৰতি আকৰ্ষণ আৰু আনুগত্য ব্যক্ত কৰা নাছিল। সত্ৰৰ পৰাই 'আসাম বিলাসিনী' কাকত প্ৰকাশৰ পটভূমিও আছিল এয়ে। 'অৰুণোদই' কাকতত সঘনে সত্ৰৰ দোষ-ত্ৰুটি আৰু অধঃপতনৰ বাতৰি প্ৰকাশ হোৱা দেখি আউনীআটী সত্ৰই 'আসাম বিলাসিনী' উলিয়াইছিল। অসমীয়া সাহিত্য জগতত সেয়ে আসাম বিলাসিনীয়ে কোনো মহত্বপূৰ্ণ স্থান পাব নোৱাৰিলে। ই বিশুদ্ধ ৰূপতে ধৰ্মীয় আলোচনী।

আনহাতে, জনজাতি লোকসকলেও বৃহত্তৰ সমাজখনৰ অৱহেলা-বঞ্চনাৰপৰা হাত সাৰিবলৈ সত্ৰত শৰণ লৈছিল। কটন কলেজত পঢ়াৰ সময়ত কোনো সত্ৰাধিকাৰৰ 'শৰণ' লোৱাৰ প্ৰমাণপত্ৰ নথকাৰ বাবে ভীমবৰ দেউৰীক আন অশৰণীয়া ছাত্ৰেৰে সৈতে ছাত্ৰাবাসৰ 'দ্বিতীয় মেচ'তহে (Second Mess) খোৱা-বোৱা কৰিবলৈ বাধ্য কৰোৱা হৈছিল।[২৩]

এনেকৈ ধৰ্মীয়-সামাজিক পৰিৱেশত অসমৰ জনজাতিসকলৰ মনত বৰ্ণহিন্দুসকলৰ প্ৰতি আৰু বৈষ্ণৱ পৰম্পৰাটোৰ প্ৰতি আস্থা ক্ৰমশঃ হেৰাবলৈ লৈছিল। তাৰ মাজতো পীতাম্বৰ দেৱগোস্বামী, পদ্মেশ্বৰ দেৱগোস্বামী, গহনচন্দ্ৰ গোস্বামী আদি প্ৰগতিশীল মনৰ সত্ৰাধিকাৰৰ প্ৰচেষ্টা আৰু ঘাৰমৰা সত্ৰ, চলিহা বাৰেঘৰ সত্ৰ আদি মুষ্টিমেয় কেইখনমান সত্ৰৰ বহল দৃষ্টিভংগীৰ ফলত ঔপনিৱেশিক যুগতো জনজাতিসকলৰ মাজত বৈষ্ণৱধৰ্ম প্ৰসাৰিত হৈ আছিল। কিন্তু কোনো এগৰাকী বহলমনা সত্ৰাধিকাৰৰ সময়ত এনে গঠনমুখী প্ৰচেষ্টা গ্ৰহণ কৰাৰ পিছত একেখন সত্ৰৰে এনে প্ৰচেষ্টা পুনৰ ৰক্ষণশীল

গোড়ামিৰ মাজত হেৰাই গৈছিল। সত্ৰৰ জাত্যাভিমান কি পৰ্যায়লৈ নামিছে অন্য এটা প্ৰসঙ্গেৰে দাঙি ধৰিব পাৰি। মহেশ্বৰ নেওগে ঘাৰমৰা সত্ৰৰ সেই সময়ৰ অধিকাৰৰ টোকাৰ ভিত্তিত কৈছে যে আধলীয়া যদুমণিয়ে ঘাৰমৰা সত্ৰ প্ৰতিষ্ঠা কৰিছিল (পৱিত্ৰ অসম; পৃ. ৬৯)। কিন্তু ঘাৰমৰা সত্ৰৰ ডেকা সত্ৰাধিকাৰ প্ৰেমকৃষ্ণ গোস্বামীয়ে শেহতীয়াকৈ মন্তব্য কৰিছে যে বঙ্গদেশৰ কোনোবা শংকৰীসেন নামে ব্ৰাহ্মণেহে সত্ৰখন প্ৰতিষ্ঠা কৰিছিল।[২৪] এই কথাত সত্ৰখন শূদ্ৰ শঙ্কৰদেৱ পৰম্পৰাৰপৰা আঁতৰাই বঙ্গীয় ব্ৰাহ্মণৰপৰা টনাৰ প্ৰৱণতা স্পষ্ট হৈ পৰিছে। সত্ৰৰ জৰিয়তে বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰা জনজাতিলোক সকলক মানৱীয় উদাৰতাৰে তেওঁলোকৰ জীৱনৰ দিক্-দৰ্শন কৰোৱাৰ সলনি শিচৰ সংখ্যাৰ লেখতে সত্ৰৰ সামাজিক কাম-কাজ সীমাবদ্ধ হৈ ৰৈ গৈছিল।[২৫] কোনো ক্ষেত্ৰত গুৰুকৰৰ বিষয়টোৱেহে অত্যধিক গুৰুত্ব পাইছিল।

ইতিমধ্যে জনগোষ্ঠীসকলৰ মাজত মধ্যবিত্ত শিক্ষিত শ্ৰেণী এটাৰ বিকাশ ঘটিছিল। এওঁলোকৰ নেতৃত্বত 'আহোম সভা'ৰ দৰে আন কেবাটাও সংগঠনৰ জন্ম হৈছিল আৰু অসমীয়া বৰ্ণহিন্দু প্ৰধান মধ্যবিত্ত শ্ৰেণীৰ লগতে সত্ৰসমূহৰো বৈষম্যমূলক দৃষ্টিভঙ্গীৰ প্ৰতিবাদত জনগোষ্ঠীয় সমাজৰ মাজত স্বাধিকাৰ চেতনা জগাই তুলিছিল। এনেদৰেই বিভিন্ন জাতি-জনগোষ্ঠীৰ সমন্বয়ৰ মাজেদি বৃহৎ অসমীয়া জাতিগঠনৰ প্ৰক্ৰিয়াটো ব্যাহত হৈ পৰিছিল।

'শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘ'ৰ জন্ম প্ৰক্ৰিয়াৰ মাজতো সত্ৰৰ সামাজিক তাৎপৰ্য বিচাৰ কৰিব পাৰি। ঊনবিংশ শতিকাৰ শেষৰ ফালে অসমীয়া মধ্যশ্ৰেণীয়ে বঙালীসকলৰ সৈতে সীমিত সা-সুবিধাৰ বাবে কৰিবলগীয়া হোৱা অ-সম প্ৰতিদ্বন্দ্বিতা আৰু অসমীয়া ভাষাৰ প্ৰতিষ্ঠাৰ বাবে কৰা প্ৰযত্নৰ অংশ হিচাপে গৌৰৱময় ঐতিহ্যানুসন্ধানৰ যি নতুন উৎসাহ সঞ্চাৰ কৰিলে, তাৰ মাজেদি ধৰ্মপ্ৰচাৰক গুৰু-আতাসকলৰ জীৱন আৰু আদৰ্শৰ উপৰি ভক্তিধৰ্মৰ আধ্যাত্মিক তত্ত্বসমূহ নতুন দৃষ্টিৰে চোৱাৰ পৰিৱেশ এটা গঢ়ি উঠিছিল। অসমৰ সত্ৰকেন্দ্ৰিক সমাজ জীৱনত ইতিমধ্যেই প্ৰভাৱ বিস্তাৰ কৰা জাতি-বৰ্ণগত সামাজিক বৈষম্য আৰু স্মাৰ্ট বিধি-ব্যৱস্থাৰ লগত শঙ্কৰদেৱ চৰ্চাৰ নতুন ধাৰাটোৰ সম্পৰ্ক স্বাভাৱিকতে বিৰোধমূলক আছিল। শঙ্কৰদেৱ সঙঘৰ জন্মৰ লগত এই নতুন ধাৰাৰ ওচৰ সম্পৰ্ক আছিল।

'শঙ্কৰ সঙঘ'ৰ জন্ম হয় ১৯৩০ চনত নগাঁৱৰ পলাশনিত।[২৬] এই অনুষ্ঠানটো প্ৰতিষ্ঠাৰ আঁৰতো প্ৰথাপুষ্ট সামাজিক বৈষম্যৰ প্ৰতি তীব্ৰ ক্ষোভ লক্ষণীয়। 'শঙ্কৰ সঙঘৰ মেম্বাৰ সকলে' লিখা মতে—

উচ্চবৰ্ণৰ লোকসকলৰ অত্যাচাৰৰ ভাৰ, অসহনীয় হোৱাত নমাই থোৱাৰ উপায় বিচাৰি বাং ১৩৩৯ চনৰ ৩০ কাতি তাৰিখে ধৰ্ম্মসভা নাম দি সভা পতা হয়... বাং ১৩৪০ চনৰ ২৪ ব'হাগ তাৰিখৰপৰা উক্ত সভাক 'শঙ্কৰ সঙঘ' নাম দি মহাপুৰুষৰ প্ৰকাশিত শাস্ত্ৰৰপৰা উক্ত মৰ্যাদা অক্ষুণ্ণ ৰাখিবলৈ সংকল্প কৰা হয়।[২৭]

'শঙ্কৰ সঙঘ'ৰ প্ৰতিষ্ঠা আৰু পৰিচালনাত আগভাগ লোৱা প্ৰায় আটাইকেইগৰাকী বিশিষ্ট ব্যক্তিয়েই প্ৰত্যক্ষ বা পৰোক্ষভাৱে স্বাধীনতা সংগ্ৰামতো ভাগ লৈছিল। 'শঙ্কৰ সঙঘ' প্ৰতিষ্ঠাৰ প্ৰধান উদ্যোক্তা আছিল সুতৰাম বৰা, ৰমাকান্ত মুক্তিয়াৰ, সেই সময়ত 'নগাঁৱৰ গান্ধী' বুলি পৰিচিত স্বাধীনতা সংগ্ৰামী নেতা হলধৰ ভূএঞা আদি। পীতাম্বৰ দেৱগোস্বামী, হলিৰাম মহন্ত, গহনচন্দ্ৰ গোস্বামী— এই তিনিওগৰাকীয়েই আছিল বিশিষ্ট স্বাধীনতা সংগ্ৰামী। মনকৰিবলগীয়া যে সামগ্ৰিকভাৱে প্ৰতিপত্তিশালী সত্ৰাধিকাৰসকলে স্বাধীনতা সংগ্ৰামত ভাগ লোৱা নাছিল বা এই সংগ্ৰামৰ বিৰুদ্ধাচৰণহে কৰিছিল।[২৮] সঙঘৰ লগত জড়িত সত্ৰপৰম্পৰাৰ পৰা অহা উচ্চবৰ্ণৰ ব্যক্তিসকলৰ প্ৰগতিশীল কাম-কাজত ৰক্ষণশীল সত্ৰাধিকাৰসকলে প্ৰতিবন্ধকতাহে জন্মাইছিল। কোচ জাতিৰ হলধৰ ভূএঞাই অস্পৃশ্যতাৰ অভিজ্ঞতা এনেদৰে

লিখিছে—

হাইস্কুল ষষ্ঠ শ্ৰেণীত পঢ়োতে এবাৰ বৰদোৱাৰ দৌল যাত্ৰা উৎসৱ চাবলৈ গৈছিলোঁ। তাত আমাক কীৰ্ত্তন ঘৰত সোমাবলৈ নিদিছিল।.... মোক অস্পৃশ্যৰ দৰে ব্যৱহাৰ কৰি প্ৰসাদ দিলে।

দ্বিতীয়তে মোৰ মেলেৰিয়া জ্বৰ হৈ বৰ কষ্ট পাইছিলোঁ।.... মই জ্বৰৰ গাৰেই বহালৈ খোজ ল'লো। কিন্তু প্ৰৱল জ্বৰৰ প্ৰকোপত প্ৰায় খোজ কাঢ়িব নোৱাৰা হৈ পৰিলোঁ। তেতিয়া মোৰ কাষেদি যোৱা দুঠাইত দুজন লোকক কাতৰভাৱে মোক ধৰিবলৈ কোৱা সত্ত্বেও কোনোজনে মোক নুচুলে।[২৯]

'শঙ্কৰ সঙ্ঘ' প্ৰতিষ্ঠাৰ অন্যতম উদ্যোক্তা বৰদোৱা সত্ৰৰ মুক্তিয়াৰ ৰমাকান্ত আতাইও দক্ষিণপাট সত্ৰই শঙ্কৰদেৱ-মাধৱদেৱক অপমান কৰা কাৰ্য সহ্য কৰিব নোৱাৰি প্ৰতিবাদ কৰাৰ কথা পোৱা যায়।[৩০] পৰৱৰ্তী সময়ত শঙ্কৰদেৱ সঙ্ঘৰ নেতৃত্ব লোৱা সোণাৰাম চুতীয়াইও একে কাৰণতে দক্ষিণপাট সত্ৰত শৰণ নলৈ ঘূৰি আহিছিল।[৩১]

'শঙ্কৰ সঙ্ঘ'ই ব্ৰাহ্মণ-পুৰোহিত বৰ্জন কৰি শূদ্ৰসকলেও এঘাৰ দিনত (প্ৰচলিত ৰীতি মতে শূদ্ৰৰ অশৌচ এমাহত) মৃত্যু-অশৌচ[৩২] পালন কৰাৰ ব্যৱস্থা কৰাত 'কাল সংহতি সন্মিলনে' ইয়াৰ দুৰ্ঘোৰ প্ৰতিবাদ কৰি প্ৰস্তাৱ লৈছিল আৰু 'অসম সন্ত সন্মিলনী'য়েও এই প্ৰস্তাৱলৈ সমৰ্থন জনাইছিল।[৩৩] 'অসম সন্ত সন্মিলনী'ৰ অন্যতম উদ্যোক্তা তীৰ্থনাথ গোস্বামী 'শঙ্কৰ সঙ্ঘ'ৰ ১৯৫৭ চনৰ টীয়ক অধিৱেশনৰ সভাপতি আছিল। সভাপতিৰ অভিভাষণত তেখেতে কোৱা নিম্নলিখিত কথাখিনি এই প্ৰসঙ্গত উল্লেখযোগ্য—

বৰ্তমান সময়ৰ সোঁতত শঙ্কৰ সঙ্ঘই বিশেষ শক্তিৰে অস্পৃশ্যতা বৰ্জন আগবঢ়াই নিব লাগিব। সেই বুলি হীন জাতিৰ লগত উচ্চ জাতিয়ে আদান-প্ৰদান, অন্নাদি ভোজন বা সহভোজন নহয়। ইয়াত উঠন-পতন আছে। গঙ্গাৰ জল খালত পৰিলে সি গঙ্গা নহয়। খালৰ জল যদি গঙ্গাত পৰে সি পৱিত্ৰ হয়। হীন জাতিক শৰণ ভজন ভক্তি আচাৰ ব্যৱহাৰ ৰীতি-নীতিৰ যোগে উচ্চ জাতিৰ লগত মিলি যাব পৰা কৰিব পাৰিলে অস্পৃশ্যতা দূৰ হ'ব, তেতিয়া সেইসকলো পৱিত্ৰ হ'ব।[৩৪]

গতিকে দেখা যায়, ব্ৰহ্মসংহতিৰ চাৰিসত্ৰৰ উপৰি এসময়ত জনজাতিসকলকো বুকুত সামৰি লৈ 'নিন্দিত' হোৱা কালসংহতিকে ধৰি সৰহভাগ সত্ৰলৈকে বৰ্ণবৈষম্য আৰু অস্পৃশ্যতাৰ বাষ্প বিয়পিছিল। (পীতাম্বৰ দেৱগোস্বামী বা হলিৰাম মহন্ত আদি কেইগৰাকীমান সত্ৰাধিকাৰ ব্যক্তিগতভাৱে সন্মানজনক ব্যতিক্ৰম মাথোঁ)। 'শঙ্কৰ সঙ্ঘই' জন্মলগ্নৰ পৰা সত্ৰসমূহৰ দ্বাৰা প্ৰচাৰিত বৰ্ণবাদী আচাৰ ৰীতি আৰু স্মাৰ্ত ব্যৱস্থাৰ বিপৰীতে সকলোৰে বাবে একে আচাৰ-ৰীতিৰ পোষকতা কৰিছিল। হোমৰহিত বিবাহ, ব্ৰাহ্মণ পুৰোহিতৰ ঠাইত যিকোনো যোগ্য ব্যক্তিয়ে অসমীয়া ভাষাৰ মাধ্যমেৰে বিবাহ পৰিচালনা, কৰা, মুণ্ডণ আৰু পিণ্ড নোহোৱাকৈ এঘাৰ দিনত সকলোৰে নাম-কীৰ্ত্তন কৰি মৃতকৰ শ্ৰাদ্ধ কৰি 'শুদ্ধ' হ'ব পৰা ব্যৱস্থা কৰি সংস্কাৰ সাধিছিল। ফলত অসমৰ বিভিন্ন মংগোলীয় জনগোষ্ঠীৰ লোক সঙ্ঘৰ প্ৰতি আকৰ্ষিত হৈ স্বতস্ফূৰ্তভাৱে মহাপুৰুষীয়া সংস্কৃতিৰ পৰিমণ্ডললৈ সোমাই পৰিছিল।[৩৫]

'শঙ্কৰ সঙ্ঘ'ৰ নীতি-আদৰ্শই তৎকালীন জনগোষ্ঠীয় সংগঠন আৰু নেতৃস্থানীয় ব্যক্তিসকলক প্ৰভাৱিত কৰিছিল। ১৯৩৬ চনত 'আহোম সভা'ই গোসাঁই, ব্ৰাহ্মণ তথা বামুণীয়া আচাৰ-অনুষ্ঠান বৰ্জন কৰিবলৈ আৰু মৃত্যুৰ এঘাৰ দিনত নাম-কীৰ্ত্তনেৰে শ্ৰাদ্ধ পাতিবলৈ সিদ্ধান্ত লৈছিল।[৩৬] ভীমবৰ দেউৰীৰ উদ্যোগত ১৯৩২ চনৰপৰা দেউৰীসকলৰ প্ৰতিটো পৰিয়ালেই শিক্ষাৰ বাবে ধন সঞ্চয় কৰিবলৈ পৰিয়ালৰ প্ৰতিসাজৰ এমুঠি চাউল নিলগাই ৰাখিছিল।[৩৭] হলধৰ ভূঞাই 'শঙ্কৰ সঙ্ঘ' প্ৰতিষ্ঠাৰ আগৰেপৰা ৰাজহুৱা কামৰ বাবে পৰিয়ালৰ প্ৰতিসাজৰ এমুঠি চাউল

নিলগাই ৰখাৰ ব্যৱস্থা কৰিছিল আৰু 'শঙ্কৰ সঙঘ' প্ৰতিষ্ঠা কালৰপৰা 'মুষ্টিদান' হিচাপে এই ব্যৱস্থা চলি আহিছে।

মনকৰিবলগীয়া, মহাপুৰুষীয়া ভক্তিধৰ্মক নতুন ৰূপত ন-গতি দিয়াৰ পিছতো শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘত জনজাতীয় লোকৰ অন্তৰ্ভুক্তি এতিয়াও অতি সীমিত। আনহাতে সঙ্ঘৰ তুলনাত ৰক্ষণশীল হোৱা সত্বেও সত্ৰৰ জনজাতীয় শিচ এতিয়াও বহু বেছি। প্ৰথম কথা, সত্ৰসমূহৰ মাজেদি হিন্দু সমাজ-শৃংখলাত জনজাতিসকল ইমান দৃঢ়ভাৱে সোমাই পৰিছিল যে সেই শৃংখলাৰপৰা তেওঁলোক সতকাই ওলাই আহিব নোৱাৰে। সম্প্ৰতি ৰাজনৈতিকভাৱে জনজাতীয় স্বাধিকাৰ আন্দোলন প্ৰৱলতৰ হৈ অহাৰ বাবে সমান্তৰালভাৱে স্বকীয় সংস্কৃতিলৈ ঘূৰি যোৱাৰ (retribalization) এক প্ৰৱণতাও দেখা পোৱা হৈছে। তৎসত্বেও জনজাতিসকলৰ মাজত হিন্দু-শৃংখলা ভাগি পৰা নাই। ইয়াত অৰ্থনৈতিক বিকাশৰ প্ৰশ্ন জড়িত থাকিলেও সত্ৰৰ ঐতিহ্যবাহী প্ৰবাহটোকো অস্বীকাৰ কৰিব নোৱাৰি।

মুঠৰ ওপৰত ঔপনিৱেশিক আমোলত অসমৰ সাংস্কৃতিক জীৱন প্ৰবাহক সত্ৰই উপযুক্ত পথেৰে আগুৱাই নিব নোৱাৰিলে। ইয়াৰ কাৰণ হিচাপে দুটা কথাই ক'ব পাৰি— প্ৰথম, সত্ৰৰ অৰ্ধ সামন্ততান্ত্ৰিক ব্যৱস্থা, দ্বিতীয়তে, ঔপনিৱেশিক শাসনে দিয়া আধুনিক শাসনৰ প্ৰতি সত্ৰৰ অনীহা। আনহাতে, স্বাধীনতা আন্দোলনৰ সময়ছোৱাত ঔপনিৱেশিক শাসকপক্ষই দিয়া সা-সুবিধা হেৰুৱাৰ ভয়ত সৰহভাগ সত্ৰাধিকাৰেই জনজাগৰণটোক অৱজ্ঞা কৰিছিল। ফলত এই জনজাগৰণৰ আধাৰতে সত্ৰই নিজৰ ঐতিহ্যপ্ৰবাহী স্থিতিৰে জনগোষ্ঠীয় সমন্বয়ৰ এক দৃঢ় সৌধ নিৰ্মাণ কৰিব পৰা মহৎ সুযোগ হেৰুৱাই পেলালে। সাম্প্ৰতিক অসমৰ জনগোষ্ঠীয় স্বাধিকাৰ চেতনাৰ আন্দোলনবোৰত বহু পৰিমাণে ৰাজনৈতিক আকাংক্ষা জড়িত হ'লেও তাৰ উঁহটোত ঔপনিৱেশিক যুগৰ সত্ৰসমূহৰ নিষ্ক্ৰিয়তা তথা ৰক্ষণশীল অহমিকাৰ প্ৰভাৱো আছে বুলি ভাবিব পাৰি।❑

**পাদটীকা**

১) ১৮২৬ খ্ৰীষ্টাব্দত মানৰ হাতৰ পৰা আহোম ৰাজ্য ইংৰাজৰ হাতলৈ যায় যদিও প্ৰথম অৱস্থাত কেৱল নামনি অসমৰ ক্ষমতাহে (উত্তৰে ভৰলী আৰু দক্ষিণে ধনশিৰীক সীমা কৰি) ইংৰাজে নিজৰ হাতত ৰাখিছিল। উজনি অসমৰ শাসনভাৰ ৫০,০০০ টকা লালবন্দী কৰি পুৰন্দৰ সিংহক গতাই দিছিল। ১৮৩৮ চনতহে ব্ৰিটিছে উজনি অসমৰ শাসনভাৰ নিজৰ অধীনলৈ আনে।

২) হীৰেন গোহাঁই ঃ *সাহিত্য আৰু চেতনা,* পৃ. ১৭

৩) *Census of Assam,* 1911, Report I, Voll-III, Chap XI

৩)(ক) শিৱসিংহই গড়মূৰ সত্ৰক ১০,০০০ পূৰা আৰু ১২০০ পাইক দিছিল। মহেশ্বৰ নেওগ ঃ *পবিত্ৰ অসম,* পৃ. ৬৩ দেৱব্ৰত শৰ্মাই *'অসমীয়া জাতি গঠন প্ৰক্ৰিয়া আৰু জাতীয় জনগোষ্ঠীগত সংগঠনসমূহ'* (পৃ. ৬০) গ্ৰন্থত সত্ৰৰ ভূ-সম্পত্তিৰ এখন তালিকা দিছে।

৪) লীলা গগৈ ঃ *বেলি মাৰ গ'ল,* পৃষ্ঠা ঃ ২৫৬-৬৭, পদ্মনাথ গোহাঞি বৰুৱাৰ 'গাঁওবুঢ়া' নাটকত ইয়াৰ জীয়া ছবি আছে।

৫) Amalendu Guha : *Planter-Raj to Swaraj, p. 87*

৬) Gait, p. 340

৭) ibid, p. 336

৮) কৃষ্ণ শৰ্মা ঃ *কৃষ্ণ শৰ্মাৰ ডায়েৰী, পৃ.* ১৫৩

৮) (ক) মণিৰাম দেৱানে সত্ৰসমূহৰ শৰণ ব্যৱস্থা আৰু অন্যান্য আচাৰ-ৰীতিৰ বৰ্ণনা কৰিছে। এই বৰ্ণনাৰ পৰা সত্ৰত মূৰ্তি পূজা, পিণ্ডদান, জাত-পাত বিচাৰৰ শিক্ষা, শৰণদাতা সত্ৰাধিকাৰ পৰম ভগৱন্ত ৰূপে প্ৰক্ষেপ কৰা আদি কথা জানিব পাৰি। *বুৰঞ্জী বিবেকৰত্ন,* পৃ. ৫৬-৮১

৯) নাৰায়ণ চন্দ্ৰ গোস্বামী ঃ *সত্ৰীয়া সংস্কৃতিৰ স্বৰ্ণৰেখা,* পৃ. ৯৯৩-৪

১০) A.C. Bhuyan, (ed.) : *political History of Assam,* Vol II, p. 298

১১) কৃষ্ণ শৰ্মা ঃ *পূৰ্বোক্ত,* পৃ. ২২৯

১২) উক্ত, পৃ. ১৫৮

১৩) *'অসমীয়া,* ২০এপ্ৰিল, ১৯৪০

১৪) তীৰ্থনাথ শৰ্মা ঃ *আউনীআটী সত্ৰৰ বুৰঞ্জী,* পৃ. ২৫৯

১৫) '*অসমীয়া*', ১৮৫৪ শক, ২১শ বছৰ ৮ম সংখ্যা, আঘোণ, (উদ্ধৃতি, সোণাৰাম চুতীয়া, *বিযোদ্গাৰৰ বিচিত্ৰ কাহিনী,* পৃ. ২)

১৬) ধ্ৰুৱজ্যোতি বৰা ঃ ঊনবিংশ শতিকাৰ অসমৰ সত্ৰসমূহৰ সামাজিক ভূমিকা আৰু তাৰ ফলাফল, গৰীয়সী, চেপ্তেম্বৰ, ২০০৪

১৭) ডম্বৰুধৰ নাথ ঃ *আধুনিকতাৰ উন্মেষত শ্ৰীশ্ৰী আউনীআটী সত্ৰ,* পৃ. ১৭

১৮) 'সমাজত গৌৰী বা কুমাৰী বিয়া— আগ বিয়াৰ প্ৰচলন হ'ল। জন্ম, মৃত্যু, বিবাহ এই তিনিটা গুৰুত্বপূৰ্ণ ক্ষণত আগৰ প্ৰচলিত সহজ প্ৰথাবোৰৰ ঠাইত ব্ৰাহ্মণ্যবাদী সনাতনী আচাৰ-ৰীতি বেছি কঠোৰকৈ মানিবলৈ আৰম্ভ কৰিলে। আঁউসী-পূৰ্ণিমা, একাদশী, ব্ৰত উপবাস আৰু কেতবোৰ কাষৰীয়া পূজা পাৰ্বণো আহি সোমালহি।' ধ্ৰুৱজ্যোতি বৰা, *পূৰ্বোক্ত,* পৃ. ২৮

১৯) A.C Bhuyan (ed.) : op, cit, p. 11.

২০) দেৱব্ৰত শৰ্মা ঃ *অসমৰ জাতিগঠন প্ৰক্ৰিয়া আৰু জাতীয় জনগোষ্ঠীগত অনুষ্ঠানসমূহ,* পৃ. ৪৬৮

২১) অনিল ৰায়চৌধুৰী ঃ *অসমীয়া সমাজ আৰু নববৈষ্ণৱবাদ,* পৃ. ৩৩

২২) H.K Barpujari : *The Americam Missionaries and North-East India, 1836-1900 A.D., p. 209.*

২৩) ইন্দিবৰ দেউৰী ঃ *জনগোষ্ঠীয় সমস্যা-অতীত বৰ্তমান ভৱিষ্যত, পৃ. ৮৫*

২৪) প্ৰদীপ হাজৰিকা (সম্পা.) ঃ *শ্ৰীমন্ত শঙ্কৰদেৱ আৰু উত্তৰ-পূৰ্বাঞ্চলৰ জনগোষ্ঠী,* (বৈষ্ণৱ সত্ৰৰ প্ৰচাৰত শ্ৰীশ্ৰীঘাৰমৰা সত্ৰৰ ভূমিকা, প্ৰেম কৃষ্ণ গোস্বামী), পৃ. ৫৩

২৫) অসমৰ মহাপুৰুষসকলৰ তিৰোভাৱৰ পাছত পৰৱৰ্তী গুৰুসকলে ভাগৱতী ধৰ্ম প্ৰচাৰ হ'বৰ নিমিত্তে নিজৰ কৰ্তব্য কাম অলপো নকৰিলে। যি যি ঠাইত কোনো সম্প্ৰদায়ৰ মাজত অলপ চেষ্টা কৰা দেখা গৈছিল সেই চেষ্টাও দেশত ধৰ্মভাৱ বৃদ্ধি হওক বুলি কৰা নাছিল। নতুন শিষ্য কৰি লৈ সিহঁতৰপৰা সৰহীয়াকৈ কৰ বৰঙনি পোৱাৰ আশাৰেহে তেনে যত্ন কৰা হৈছিল। (পীতাম্বৰ দেৱ গোস্বামী, 'মহাপুৰুষীয়া ধৰ্ম', *ভকতি প্ৰসাদ* (স্মৃতিগ্ৰন্থ), মুখ্য সম্পা— জীৰকান্ত নাথ, পৃ. ৫১)

২৬) হৰিপ্ৰসাদ হাজৰিকা, 'শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ পঁয়সত্তৰ বছৰ ঃ অতীত, বৰ্তমান আৰু ভৱিষ্যৎ, পৃ. ১, প্ৰসন্ন চহৰীয়া (মুখ্য সম্পা.), *আকাশী গঙ্গা* (স্মৃতি গ্ৰন্থ), সোণাৰাম চুতীয়া, ব্যক্তিগত সাক্ষাৎকাৰ, ১২মে', ২০০৮

২৭) ৰমাকান্ত মুক্তিয়াৰ ঃ *আই কনকলতা চৰিত, জীৰকান্ত নাথ আৰু ৰণুমনি শইকীয়া (সম্পা.),* প্ৰথমবাৰৰ প্ৰকাশকৰ ক'বলগীয়া, পৃ. ১

২৮) কৃষ্ণ শৰ্মা ঃ *পূৰ্বোক্ত,* পৃ. ১৫৪; তীৰ্থনাথ শৰ্মা ঃ *আউনীআটী সত্ৰৰ বুৰঞ্জী,* পৃ. ৩১৮; বেনুধৰ শৰ্মা ঃ দক্ষিণপাট সত্ৰ পৃ. ১৯

২৯) হলধৰ ভূঞা ঃ পদাধিকাৰৰ অভিভাষণ, ১৯৬২ চন, *শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ পদাধিকাৰসকলৰ অভিভাষণ,* (সম্পাদনা- জীৰকান্ত নাথ), পৃ. ৭৯

৩০) সোণাৰাম চুতীয়া ঃ *সাক্ষাৎকাৰ, পৰম্পৰা আৰু প্ৰতিবাদ* (সংকলন-দেৱব্ৰত শৰ্মা, জয়ন্ত মাধৱ দত্ত), পৃ. ৪২

৩১) সোণাৰাম চুতীয়া ঃ *পূৰ্বোক্ত,* ভূমিকা (পৃ. সংখ্যা নাই)

৩২) ত্ৰিশ দিনৰ ঠাইত ১১ দিনত অশৌচান্তৰ আন্দোলনৰ আৰম্ভণি হয় ঊনবিংশ শতিকাৰ শেষ দশকতে। এই আন্দোলন অবিভক্ত গোৱালপাৰাত উচ্চ বৰ্ণৰ অৱহেলা, বৈষম্যৰ প্ৰতিবাদত ১৮৯১ৰ পৰা চলা ৰাজবংশী ক্ষত্ৰিয় আন্দোলনৰে এটা অংশ আছিল বুলি অমলেন্দু গুহই মন্তব্য কৰিছে (অমলেন্দু গুহ ঃ *জমিদাৰকালীন গোৱালপাৰা জিলাৰ আৰ্থ সামাজিক ইতিহাস,* পৃ. ৭০

৩৩) ৰমাকান্ত মুক্তিয়াৰ ঃ *পূৰ্বোক্ত,* পাতনি পৃ. ১৫

৩৪) তীৰ্থনাথ গোস্বামী ঃ পদাধিকাৰ অভিভাষণ, ১৯৫৭ চন *শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ পদাধিকাৰ সকলৰ অভিভাষণ,* পৃ. ৬৩

৩৫) যোৰহাট গন্ধীয়া মিচিং গাঁৱত ১৯৬৪ চনতে সঙ্ঘৰ প্ৰাথমিক গঠন হয়। (সংবাদ দাতা— এনেক্স পাওগাম (৬৪) গন্ধীয়া মিচিং গাঁও, টিয়ক) গহপুৰৰ ৰাউণ্ডমুখৰ বলবীৰ পাটগিৰিয়ে (৫৩) কোৱা মতে ককাকৰ দিনৰপৰা তেখেতসকলৰ সঙ্ঘৰ সঙ্গী হৈ আছে। বিশ্বনাথ চাৰিআলিৰ ডি চি ৰি গাঁৱৰ বড়োসকলো ১৯৫৯ চনতে সঙ্ঘভুক্ত হয় (সংবাদ দাতা-যোগেন গয়াৰী (৬০), বিশ্বনাথ চাৰিআলি)। ১৯৬৪ চনতে ধূপধৰাৰ ধনুভঙা অঞ্চলত মাচলীম প্ৰাথমিকখন গঠন হয়।

৩৬) দেৱব্ৰত শৰ্মা ঃ *পূৰ্বোক্ত,* পৃ. ৪৫১

৩৭) ইন্দিবৰ দেউৰী ঃ *পূৰ্বোক্ত,* পৃ. ৮৩

---

লেখক - আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ অধ্যাপক।

# নিদ্ৰাহীনতা

ডাঃ পাৰ্থসাৰথি ভূঞা

আমাৰ পেথ'লজী লেবত বিভিন্ন অত্যাধুনিক যন্ত্ৰপাতি আছে। মই লেবত নথকা সময়ত এনে কোনো যন্ত্ৰই কিবা অসুবিধা দিলে, টেকনিছিয়ানসকলে মোলৈ ফ'ন কৰে। মই সদায় মেচিনটো কিছু সময়ৰ বাবে বন্ধ কৰি থৈ তাৰপিছত আকৌ ৰিষ্টাৰ্ট কৰিবলৈ কওঁ আৰু প্ৰায় ক্ষেত্ৰতে অসুবিধা দূৰ হয়। আজিকালি আমাৰ সকলোৰে ব্যৱহাৰ কৰা ম'বাইল ফ'নৰ ক্ষেত্ৰতো একেই কথা, সাধাৰণ ভাষাত ম'বাইলটোৱে হেং মাৰিলে, এবাৰ ছুইটছ অফ কৰি আকৌ অন কৰিলে ভাল হৈ যায়।

আমাৰ মানৰ দেহকো ভালদৰে কাম-বন কৰি যাবলৈ এইদৰে ছুইটছ অফ কৰি আকৌ ৰিষ্টাৰ্ট কৰাৰ প্ৰয়োজন আৰু সেয়াই হৈছে নিদ্ৰা। সুস্বাস্থ্যৰ বাবে সুনিদ্ৰাৰ খুবেই প্ৰয়োজন। বয়স ভেদে এজন ব্যক্তিৰ বাবে কিমান সময় ভালদৰে টোপনি যোৱা প্ৰয়োজন সেয়া বেলেগে বেলেগ হ'লও‌ে, এজন প্ৰাপ্তবয়স্ক ব্যক্তিৰ বাবে অতি কমেও সাত ঘণ্টা ভালদৰে শোৱা দৰকাৰী।

আমেৰিকাৰ এটা 'এন জি অ', নেচনেল শ্লীপ ফাউণ্ডেছনে বহু বছৰৰ পৰাই মানুহৰ প্ৰয়োজনীয় নিদ্ৰাৰ সময় তথা নিদ্ৰাহীনতাৰ বাবে হোৱা উপসৰ্গ বিলাকৰ ওপৰত অধ্যয়ন কৰি আছে। তেওঁলোকৰ কেইবাজনো বিশেষজ্ঞই শেহতীয়াকৈ এখন তালিকা প্ৰস্তুত কৰিছে, কিমান বয়সত কিমান সময়ৰ নিদ্ৰা, সুস্বাস্থ্যৰ বাবে প্ৰয়োজনীয় তাৰ বিষয়ে। সেই তালিকাৰ মতে..

- নৱজাতকৰ বাবে (জন্মৰপৰা ৩ মাহলৈ) ১৪ৰ পৰা ১৭ ঘণ্টা।
- ১ বছৰৰ পৰা ২ বছৰীয়া শিশুৰ বাবে ১১ৰ পৰা ১৪ ঘণ্টা।
- ৩ বছৰৰপৰা ৫ বছৰীয়া শিশুৰ বাবে ১০ ৰপৰা ১৩ ঘণ্টা।
- স্কুললৈ যোৱা ৬ বছৰৰ পৰা ১৩ বছৰীয়া শিশুৰ বাবে ৯ৰ পৰা ১১ ঘণ্টা।
- কিশোৰ অৱস্থাত (১৪ৰপৰা ১৭ ছৰীয়া) ঃ ৮ৰ ঘণ্টাৰ পৰা ১০ ঘণ্টা।
- ১৮ বছৰৰপৰা ৬৪ বছৰলৈকে প্ৰাপ্তবয়স্ক লোক ঃ ৭ পৰা ৯ ঘণ্টা। আৰু
- ৬৫ বছৰৰ ওপৰ জ্যেষ্ঠ লোকৰ বাবে ঃ ৭ৰ পৰা ৮ ঘণ্টা।

যদিও এই তালিকাখন দিয়া হৈছে, প্ৰতিজন ব্যক্তিয়ে নিজেও এটা অনুমান কৰি ল'ব লাগে যে, কিমান সময় ভালদৰে শুলে তেওঁ দিনটো সপ্ৰতিভ অনুভৱ কৰে আৰু সেই সময়খিনি তেওঁ নিয়মিতভাৱে শুবলৈ যত্ন কৰিব লাগে। টোপনিৰ ক্ষেত্ৰতো যদি আগদিনা এজন মানুহৰ টোপনি কম হৈছিল, তেন্তে সেইদিনা তেওঁক আগদিনাতকৈ বেছি সময় শোৱাৰ প্ৰয়োজন হয়, ক্ষতিপূৰণ কৰিবলৈ। গৰ্ভৱতী মহিলাক প্ৰথম তিনিমাহত আন সময়তকৈ বেছি সময় নিদ্ৰাৰ প্ৰয়োজন।

**পৰ্য্যাপ্ত নিদ্ৰা নোহোৱাৰ ফলত হ'ব পৰা কুফল ঃ**

ভাল টোপনি নোহোৱাৰ ফলত মানুহৰ নানা অসুবিধাই দেখা দিব পাৰে। তাৰে কিছুমান লগে লগে দেখা দিয়ে আৰু বাকীবোৰ দীৰ্ঘদিনীয়া নিদ্ৰাহীনতাৰ বাবে হয়। লগে লগে দেখা দিয়া বিলাকৰ ভিতৰ —

দৈনন্দিন কৰ্মত নিষ্প্ৰতিভ অনুভৱ কৰা, বৰকৈ

কথা পাহৰা, মানুহৰ লগত কথা পাতোতে খিংখিঙীয়া হোৱা। সামাজিক কামত ওলাই যাবলৈ বা মানুহৰ লগত মিলামিছা কৰিবলৈ মন নোযোৱা আৰু মনটো সপ্ৰতিভ হৈ নথকাৰ বাবে, সতৰ্কতা কমি, যান-বাহনৰ দুৰ্ঘটনা আদি ঘটোৱাৰ সম্ভাৱনা বৃদ্ধি হোৱা ইত্যাদি। দীৰ্ঘদিন পৰ্য্যাপ্ত নিদ্ৰাৰপৰা বঞ্চিত হ'লে বহু গুৰুতৰ উপসৰ্গ দেখা দিব পাৰে, তাৰ ভিতৰত উচ্চ ৰক্তচাপ, ডায়েবেটিচ, হাৰ্ট ফেইল, হাৰ্ট এটেক আৰু ষ্ট্ৰ'ক, মেদবহুলতা, শৰীৰৰ চালৰ সজীৱতা নষ্ট হোৱা ইত্যাদি। ইয়াৰ বাহিৰেও নিদ্ৰাহীনতাৰ ফলত বহুলোক 'ডিপ্ৰেছন'লৈ গতি কৰে, যিয়ে তেওঁলোকক শাৰীৰিক আৰু মানসিকভাৱে ৰুগীয়া কৰাৰ লগতে কেতিয়াবা আত্মহত্যাৰ প্ৰৱণতা বৃদ্ধিৰ দৰে গুৰুতৰ সমস্যাৰ সৃষ্টি কৰে। বিবাহিত লোকৰ ক্ষেত্ৰত শাৰীৰিক সম্বন্ধৰ প্ৰতি অনীহা আনি পৰস্পৰৰ মাজত ভুল বুজাবুজিৰো সৃষ্টি কৰে।

**ভাল টোপনিৰ বাবে কৰণীয় ঃ**

১। প্ৰথমেই প্ৰতি দিনাই এক নিৰ্দিষ্ট সময়ত শুবলৈ অভ্যাস কৰাটো ভাল। যত্ন কৰিব লাগে যাতে কেতিয়াবা বিশেষ কিবা কাৰণত খেলিমেলি হ'লেও সদায় একেটা সময়তে বিছনালৈ যোৱা হয়।

২। শোৱাৰ আগতে দহ বা পোন্ধৰ মিনিট মানৰ বাবে, কিবা সৰু-সুৰা যোগাভ্যাস কৰিব পাৰিলে ৰাতি টোপনি ভাল হয়।

৩। দিনত অলপ সময়ৰ বাবে শুৱাটো ভাল, কিন্তু দিনত বেছি সময় শুই বহুতে ৰাতি বিছনাত চটফটাই থকা দেখা যায়, সেয়ে দিনত বেছি শুব নালাগে আৰু অলপ শুলেও যদি ৰাতি সোনকালে টোপনি নাহে, তেন্তে দিনত শোৱা একেবাৰে বাদ দিয়া ভাল।

৪। ভাল টোপনিৰ বাবে বেডৰুমটো আৰামদায়ক হোৱা প্ৰয়োজন। বেছি পোহৰ, বাহিৰা হুলস্থূল আদি টোপনিত ব্যাঘাত জন্মাব পৰা কাৰকবোৰ দূৰ কৰিবলৈ চেষ্টা কৰিব লাগে।

৫। শোৱাৰ আগতে কফি বা চিগাৰেট আদি খাব নালাগে, কফি ছয় মান বজাৰ পাছত নোখোৱাই ভাল। মদ্যপানে টোপনি ভাল কৰে বোলা কথাটোও মিছা, ইয়ো গভীৰ টোপনি অহাত ব্যাঘাত জন্মায়।

৬। দৈনিক শাৰীৰিক কষ্ট বা ব্যায়াম কৰা মানুহৰ টোপনি ভাল হয়, সেয়ে নিয়মিত ব্যায়াম কৰাৰ অভ্যাস গঢ়া ভাল।

৭। অত্যধিক ম'বাইল ফ'নৰ ব্যৱহাৰৰ ফলতো নিদ্ৰাহীনতাই দেখা দিয়ে। আজিকালি বহুতে টোপনি নহালৈকে ম'বাইলটো চাই থাকে, পিছে ই টোপনি অহাত আৰু দেৰিহে কৰে। সেয়ে বিছনাত পৰাৰ আগেয়েই মবাইল ফ'নটো আঁতৰাই ৰখাই মঙ্গল। ইয়াৰ উপৰিও শোৱাৰ আগেয়ে সকলো ইলেকট্ৰনিক উপকৰণ (লেপটপ, টেবলেট আদি) বন্ধ কৰি দিয়াটো ভাল।

৮। শেষত, শোৱা বিছনাখন, গাৰুটো যাতে আৰামদায়ক হয়, তাৰ প্ৰতিও বিশেষভাৱে লক্ষ্য ৰখাটো দৰকাৰী।

গতিকে দেখা গ'ল, নিদ্ৰাহীনতাৰ ফলত মানুহৰ সুস্থ জীৱন-যাপনত বিৰূপ প্ৰভাৱ পৰে। কোনো ব্যক্তিৰ যদি দিনটো কৰ্মক্ষেত্ৰত টোপনিৰ ভাব আহি থাকে, সতেজ লাগি নাথাকে, ভৰি হাত কুটকুটাই থকাৰ দৰে লাগে আৰু তেওঁ নিজেও অনুভৱ কৰে যে তেওঁৰ ৰাতি টোপনি ভাল নহয়, তেন্তে উপৰোক্ত নিয়মখিনি মানি চলিবলৈ চেষ্টা কৰিব লাগে। তাৰপিছতো যদি কোনো লোক নিদ্ৰাহীনতাত ভুগিয়েই থাকে, সোনকালে চিকিৎসকৰ পৰামৰ্শ লোৱাটো জৰুৰী, কাৰণ দীৰ্ঘদিনীয়া নিদ্ৰাহীনতাই পিছলৈ গুৰুতৰ ৰোগৰ জন্ম দিব পাৰে।❑

লেখক - এগৰাকী বিশিষ্ট চিকিৎসক।

বিহঙ্গম দৃষ্টিত

# বিভাগীয় বতৰা

# বিহঙ্গম দৃষ্টিত বিভাগীয় তথ্য

## কলা শাখা

### — স্নাতকোত্তৰ অসমীয়া বিভাগ —

প্ৰতিষ্ঠা ১৯৪৪ চন

| প্ৰাক্তন অধ্যাপকসকল - | কাৰ্যকাল |
|---|---|
| ১। ড° কিৰণ চন্দ্ৰ শৰ্মা | - |
| ২। গদাধৰ শৰ্মা | - |
| ৩। ভদ্ৰ বৰা | - |
| ৪। মহিম বৰা | ২৩/০৮/১৯৫৪ - ২৮/০২/১৯৮৭ |
| ৫। তাৰিণী প্ৰসাদ শৰ্মা | ১৪/০৮/১৯৫৮ - ১৯/০২/১৯৯২ |
| ৬। ড° সৰ্বেশ্বৰ ৰাজগুৰু | ১৪/০৯/১৯৫৯ - ০১/০৪/১৯৮৬ |
| ৭। মাণিক চন্দ্ৰ বৰা | ১৩/১১/১৯৬১ - ৩১/০৩/১৯৯৪ |
| ৮। মনোমোহন দাস | ১৫/০৯/১৯৬২ - ৩১/১০/১৯৯৫ |
| ৯। ড° গিৰিকান্ত গোস্বামী | ০১/০৯/১৯৮৬ - ৩১/০৭/২০১৭ |
| বৰ্তমানৰ অধ্যাপক-অধ্যাপিকাসকল - | |
| ১। কল্পনা হাজৰিকা গায়ন | ০১/০৭/১৯৮৭ |
| ২। দীপক কুমাৰ বৰা | ০৯/১২/১৯৯৪ |
| ৩। ৰূপাঞ্জলি দেৱী | ১২/০১/১৯৯৫ |
| ৪। ধনদা দেৱী | ২০/০১/১৯৯৭ |
| ৫। মানসজ্যোতি নিৰ্মলীয়া | ০৪/১০/২০১৯ |

### — আৰবী বিভাগ —

প্ৰতিষ্ঠা ঃ ১৯৪৪ চন

| প্ৰাক্তন অধ্যাপক/অধ্যাপিকাসকল - | কাৰ্যকাল |
|---|---|
| ১। এ. ৰ'ফ চৌধুৰী | - |
| ২। আচমত উল্লাহ | ১২/০৭/১৯৮১ - ৩১-০৩/১৯৭৭ |
| ৩। আব্বাছ আলি মোল্লা | ০১/০৫/১৯৭৭ - ৩১/১২/১৯৮১ |
| ৪। আইনুল হক | ০৬/০২/১৯৮২ - ৩১/০১/২০১৫ |
| বৰ্তমান অধ্যাপক/অধ্যাপিকাসকল - | |
| ১। আব্দুল বাতেন | ০১/০৮/১৯৯৪ |

## — বাংলা ৰিভাগ —

প্ৰতিষ্ঠা ঃ ১৯৪৪

| প্ৰাক্তন অধ্যাপক/অধ্যাপিকাসকল - | কাৰ্যকাল |
|---|---|
| ১। ড° জীবনকৃষ্ণ দেবনাথ | ০১/০৯/১৯৭১ - ৩০/০৯/২০০০ |
| বৰ্তমান অধ্যাপক/অধ্যাপিকাসকল - | |
| ১। ড° সঞ্জয় দে | ১৯৯৫ |
| ২। ড° পাপৰি বিশ্বাস | ২০০৩ |

## — অৰ্থনীতি বিভাগ —

প্ৰতিষ্ঠা ১৯৪৪ চন

| প্ৰাক্তন অধ্যাপক/অধ্যাপিকাসকল - | কাৰ্যকাল |
|---|---|
| ১। নিৰ্মল চন্দ্ৰ চামাদ্দাৰ | ০৭/০৮/১৯৪৪ - ০৬/১২/১৯৭২ |
| ২ ভগৱান বৰুৱা | ২৬/১১/১৯৫৪ - ২৮/০২/১৯৮৭ |
| ৩। জগত চন্দ্ৰ শৰ্মা | ১২/১১/১৯৫৭ - ৩১/০৩/১৯৮৯ |
| ৪। ড° নীলাক্ষি শইকীয়া | ০১/১০/১৯৮১ - ৩১/০৮/২০১৭ |
| ৫। ড° জয়শ্ৰী শইকীয়া | ০১/০১/১৯৮৪ - ৩১/১২/২০১৬ |
| ৬। চিৰাজুল ইছলাম | ১১/০২/১৯৮৮ - ৩০/১১/২০১৫ |
| বৰ্তমানৰ অধ্যাপক/অধ্যাপিকাসকল - | |
| ১। বন্তি নেওগ | ১৯৮৭ |
| ২। বিশ্বজিৎ ভূঞা | ১৯৯২ |
| ৩। মৃদুপৱন চিন্তে | ২০১৭ |
| ৪। ড° টিকেন দাস | ২০১৯ |
| ৫। ড° ডিম্পল ডেকাৰজা | ২০১৯ |

## — স্নাতকোত্তৰ শিক্ষা বিভাগ —

প্ৰতিষ্ঠা ১৯৬৫ চন

| প্ৰাক্তন অধ্যাপক/অধ্যাপিকাসকল - | |
|---|---|
| ১। অনুৰাধা শইকীয়া | ০১/০৮/১৯৬৫ - ০২/০৯/১৯৬৬ |
| ২। লাহৰি দাস | ১৭/১০/১৯৬৬ - ১৫/০২/১৯৬৯ |
| ৩। নৰেন্দ্ৰ নাথ বৰা | ১৬/১১/১৯৬৭ - ০৩/০৭/১৯৯৩ |
| ৪। ড° সৰ্বেশ্বৰ বৰঠাকুৰ | ২১/০৯/১৯৭০ - ৩১/০৭/২০০২ |
| ৫। ইন্দু দাস | ২৫/০৯/১৯৭০ - ৩১/০৮/২০০৯ |
| ৬। চেনীমাই হাজৰিকা | ১৭/০৯/১৯৭৫ - ৩১/০৩/২০১১ |
| ৭। ড° সমীৰউদ্দিন আহমেদ | ১৬/১১/১৯৯৩ - ৩০/১১/২০১৫ |
| ৮। ড° দুলুমণি গোস্বামী | ২৯/০১/২০০৩ - ২৬-০১-২০০৫ |

বৰ্তমান অধ্যাপক/অধ্যাপিকাসকল

| | |
|---|---|
| ১। ড° প্ৰশান্ত খনিকৰ | ৩১/১২/২০০৮ |
| ২। ড° আফাজালুৰ ৰহমান | ১৩/০৫/২০১০ |
| ৩। দিবাকৰ বৰদলৈ | ২৮/১২/২০১১ |
| ৪। ড° দিপালী হাফলংবাৰ | ২০১৭ |

## — স্নাতকোত্তৰ ইংৰাজী বিভাগ —

প্ৰতিষ্ঠা ১৯৪৪ চন

| প্ৰাক্তন অধ্যাপক/অধ্যাপিকাসকল - | কাৰ্যকাল |
|---|---|
| ১। যজ্ঞেশ্বৰ শৰ্মা | ১৯৪৪-১৯৬৯ |
| ২। এচ এন চক্ৰৱৰ্তী | ২৮/১১/১৯৪৮ - ৩১/০৩/১৯৭৭ |
| ৩। হবিবুৰ ৰহমান | ০১/০৭/১৯৫৮ - ২৮/০২/১৯৮৭ |
| ৪। আবু নাচেৰ মঃ চালেহ | ১৭/১০/১৯৬৬ - ২৮/০২/২০০৫ |
| ৫। ড° আব্দুল আজিজ খান | ০২/১২/১৯৬৯ - ০৩/০৪/২০০৬ |
| ৬। এন ডি যোচেফ | ০১/০২/১৯৭৭ - ৩০/০৪/২০০৬ |
| ৭। কামাখ্যা প্ৰসাদ চৌধুৰী | ০৭/০৫/১৯৭৭ - ৩০/০১/২০১৫ |
| ৮। দিপালী ৰাজখোৱা | ০১/০৭/১৯৮৭ - ০৭/০৯/১৯৯৬ |
| বৰ্তমান অধ্যাপক/অধ্যাপিকাসকল - | |
| ১। লীৰা নেওগ | ১৯৮৪ |
| ২। নিবেদিতা দাস পাল | ১৯৯৮ |
| ৩। ড° অনন্যা হিলৈদাৰী | ২০০৩ |
| ৪। ড° চাবৰিন আহমেদ | ২০০৮ |
| ৫। ড° দীপশিখা চহৰীয়া | ১৯৯৪ |
| ৬। জয়শ্ৰী শইকীয়া | ২০১৬ |

## — হিন্দী বিভাগ —

প্ৰতিষ্ঠা ১৯৭৮ চন

| প্ৰাক্তন অধ্যাপক/অধ্যাপিকাসকল - | কাৰ্যকাল |
|---|---|
| ১। অজিত চন্দ্ৰ ডেকা | ০১/০৭/১৯৭৮ - ৩১/০৮/২০০৭ |
| ২। মঞ্জুমণি কলিতা | ০১/০১/১৯৮৩ - ১২/০৮/২০১৩ |
| বৰ্তমান অধ্যাপক/অধ্যাপিকাসকল - | |
| ১। ড° দিলীপ শৰ্মা | ০১/১২/১৯৮৫ |
| ২। ড° দীপা ডেকা | ০১/০৪/১৯৯২ |
| ৩। কৰবী দেৱী | ৩১/১২/২০০৮ |
| ৪। ড° কাবেৰী শৰ্মা | ২২/০৯/২০১৪ |

## — স্নাতকোত্তৰ বুৰঞ্জী বিভাগ —

প্ৰতিষ্ঠা ১৯৪৪ চন

| প্ৰাক্তন অধ্যাপক/অধ্যাপিকাসকল - | কাৰ্যকাল |
|---|---|
| ১। দেবেন্দ্ৰনাথ বৰা | ০৭/০৮/১৯৪৪ |
| ২। মঃ আব্দুল হাই | ১১/০৯/১৯৪৮ |
| ৩। কুকিল বেজবৰুৱা | |
| ৪। ললিত চন্দ্ৰ শইকীয়া | ১০/১১/১৯৫৬ - ৩১/১২/১৯৮৯ |
| ৫। ভানু দেৱী | ০৪/১২/১৯৬১ - ০১/১০/১৯৮৯ |
| ৬। অৰুণকান্তি দাস | ১৭/১০/১৯৬৬ - ৩১/১০/২০০০ |
| ৭। কিশোৰ গোস্বামী | ২৮/০৫/২০১১ - ১০/০২/২০১৬ |
| **বৰ্তমান অধ্যাপক/অধ্যাপিকাসকল -** | |
| ১। ড° চিৰাজুল ইছলাম | ১৯৮৯ |
| ২। ড° ৰামপ্ৰসাদ পাওৰেল | ১৯৯০ |
| ৩। হেম শৰ্মা | ১৯৯০ - ১০/০৯/২০০৯ |
| ৪। শিৰোমণি হাজৰিকা | ২০০৩ |
| ৫। ড° অৰণি শইকীয়া | ২০১৯ |

## — স্নাতকোত্তৰ দৰ্শন বিভাগ —

প্ৰতিষ্ঠা - ১৯৪৪ চন

| প্ৰাক্তন অধ্যাপক/অধ্যাপিকাসকল | কাৰ্যকাল |
|---|---|
| ১। মহেশ চন্দ্ৰ দেৱগোস্বামী | ১৯৪৪ - ১৯৬৪ |
| ২। বসন্ত কুমাৰ ভূঞা | ০৭/১২/১৯৫৪ - ০১/০৪/১৯৮৬ |
| ৩। শশীন্দ্ৰ কাকতি | ২৩/০৭/১৯৬৩ - ২৮/০২/১৯৯৮ |
| ৪। মানৱেন্দ্ৰ নাগ | ১৪/১১/১৯৬৬ - ২৯/০২/২০০৪ |
| ৫। বেণু গোস্বামী | ২৯/০১/১৯৮৭ - ৩০/০৬/২০০৯ |
| **বৰ্তমান অধ্যাপক/অধ্যাপিকাসকল** | |
| ১। ভূপাল কলিতা | ১৯৯৫ |
| ২। বাপ্পাৰঞ্জন দাস | ২০০১ |
| ৩। ড° নৰপ্ৰসাদ নাথ | ২০০৭ |
| ৪। ড° ৰমলা শৰ্মা | ২০১০ |

## — ৰাজনীতি বিজ্ঞান বিভাগ —

প্ৰতিষ্ঠা - ১৯৬১ চন

| প্ৰাক্তন অধ্যাপক/অধ্যাপিকাসকল | কাৰ্যকাল |
|---|---|
| ১। তগৰ চন্দ্ৰ বৰা | ১০/০৮/১৯৬১ - ৩১/০৩/১৯৮৯ |
| ২। উমা বৈশ্য | |
| ৩। প্ৰণৱ কুমাৰ শৰ্মা | ১২/০৮/১৯৬৫ - ২৮/০২/২০০২ |
| ৪। অমূল্য প্ৰসাদ হাজৰিকা | |
| ৫। দেৱ্ৰাতা শৰ্মা | |
| ৬। ড° অনুৰাধা শইকীয়া | |
| ৭। মিনতি বৰুৱা | |
| ৮। আব্দুল মান্নান ফাৰুকী | ০১/১১/১৯৭১ - ২৮/০২/২০০৬ |
| ৯। ড° লীলাৱতী দাস | ০৫/১১/১৯৮৩ - ৩১/০৮/২০১৫ |
| ১০। নাৰায়ণ কোঁৱৰ (আই এ এছ) | |
| ১১। ড° মনোজ কুমাৰ নাথ | ২৫/০১/২০০৩ - ১৩/০৮/২০১৯ |

বৰ্তমান অধ্যাপক/অধ্যাপিকাসকল

| | |
|---|---|
| ১। ড° ৰঞ্জিত কুমাৰ মজিন্দাৰ | ১৯৯০ |
| ২। ড° সংগীতা বৰা | ২০১১ |
| ৩। দেৱাশীষ নাথ | ২০১৬ |

## — সংস্কৃত বিভাগ —

প্ৰতিষ্ঠা - ১৯৪৪ চন

| প্ৰাক্তন অধ্যাপিকা/অধ্যাপিকাসকল - | কাৰ্যকাল |
|---|---|
| ১। ফণীলাল দত্ত | ১৯৪৪ - ১৯৭৯ |
| ২। দীনেশ চন্দ্ৰ দত্ত | ১৯৫০ - ১৯৮৫ |
| ৩। গুণ শইকীয়া | ১৯৭৭ - ২০১৩ |
| ৪। অপৰাজিতা তামুলীফুকন | ১৯৭৯ - ২০১৭ |
| ৫। স্বৰ্ণ শইকীয়া | ১৯৮৫ - ২০১৮ |
| ৬। ৰশ্মিৰেখা গোস্বামী | ২০১৩ - ২০১৮ |

বৰ্তমান অধ্যাপক/অধ্যাপিকাসকল -

| | |
|---|---|
| ১। ড° পুষ্পা শইকীয়া | ২০১৯ |
| ২। ড° চন্দন হাজৰিকা | ২০১৯ |

# Commerce Stream

Former Faculties - Date of Estd - 1952

| | |
|---|---|
| 1. Kamal Ch. Goswami | 17/11/1952 - 31/3/1985 |
| 2. Prafulla Ch. Sarma Kataky | 23/11/1952 - 2/5/1984 |
| 3. Praneswar Bordoloi | 5/10/1955 - 18/5/1977 |
| 4. Surendra Ch. Bhuyan | 4/12/1956 - 11/1/1986 |
| 5. Jitendra Nath Bora | 3/11/1967 - 31/10/2002 |
| 6. Rupada Kt. Bhuyan | 23/11/1970 - 20/2/2004 |
| 7. Cheniram Baidya | 14/5/1979 - 31/7/2015 |
| 8. Apurba Kr. Bora | 1/1/1985 - 30/6/2007 |
| 9. Dr. Surajit Bhagawati | 23/3/1993 |

Present Faculties :

| | |
|---|---|
| 1. Dr. Ranjan Bharali | 1985 |
| 2. Sailen Sarma | 1992 |
| 3. Simson Mochaary | 2008 |
| 4. Dr. Dipankar Baidya | 2004 |
| 5. Rishi Bhargav Das | 2014 |
| 6. Rita Marak | 2016 |

# Science Stream

## — Post Graduate Department of Botany —

Date of Establishment - 1953

Total Course U.G., P.G., Ph.D.,

Formar Faculties : Period

| | | |
|---|---|---|
| 1. | Dr. Niharika Das | |
| 2. | Madhab Ch. Das | |
| 3. | Dr. Likhan Ch. Kakoti | |
| 4. | Bipin Ch. Nath | |
| 5. | Tarun Ch. Sarma | |
| 6. | Ganesh Ch. Goswami | 29/9/1958 - 30/9/1987 |
| 7. | Md. Abdul Hakim | 9/9/1961 - 31/12/1996 |
| 8. | Dr. Baladev Sarma | 6/3/1969 - 26/5/2003 |
| 9. | Balin Ch. Saikia | 27/8/1968 - 31/1/2006 |
| 10. | Mrs. Ashima Dev | 1/9/1969 - 31/12/2008 |
| 11. | Dr. Sarat Kr. Dutta | 4/4/1988 - 28/2/2005 |
| 12. | Dr. Sarat Borkataki | |

**Present Faculties**

| | | |
|---|---|---|
| 1. | Dr. Krishna Kt Medhi | 1/11/1988 |
| 2. | Dr. Farishta Yasmin | 16/7/1998 |
| 3. | Dr. Siba Sahariya | 12/1/2006 |
| 4. | Dr. Kumud Das | 7/12/2016 |
| 5. | Dr. Prantik Sarmah Baruah | 4/10/2019 |
| 6. | Dr. Niet Teranpi | 4/10/2019 |

## — Post Graduate Department of Chemistry —

Year of Estrablishment - 1953

Former Faculty -

| | |
|---|---|
| 1. M. Shah Alam | 10/5/1963 - 5/9/1996 |
| 2. Arun Kr. Barman | 28/9/1966 - 28/2/2002 |
| 3. Babulal Paul | 29/9/1966 - 31/10/2003 |
| 4. Dwijen Das | 4/9/1967 - 29/9/2000 |
| 5. Munidra Nath Mahanta | 14/11/1966 - 30/3/1999 |
| 6. Mujibur Rahman | 16/7/1970 - 31/8/2003 |
| 7. Ramendra Nath Bora | 4/9/1964 - 29/2/2004 |

**Present Faculty -**

| | |
|---|---|
| 1. Dr. Balin Kr. Bhuyan | 19/9/1992 |
| 2. Dr. R. Sanjay Kr. Sing | 16/7/1997 |

| | |
|---|---|
| 3. Dr. Chintamoni Sarma | 10/1/2001 |
| 4. Dr. Nilotpal Kr. Brahma | 18/1/2001 |
| 5. Dr. Pallabi Goswami | 22/1/2003 |
| 6. Dr. Lakhya Jt. Borthakur | 12/9/2007 |
| 7. Dr. Parikshit Gogoi | 1/8/2011 |

## — Geography Department —

Date of Establishment : 1952.

| Former Faculty : | Period |
|---|---|
| 1. Kamal Ch. Goswami | 17/11/1952 - 31/03/1985 |
| 2. Hareswar Boruah | 01/02/1962 - 30/04/1994 |
| 3. Murulidhar Nath | 4/10/1964 - 31/10/2001 |
| 4. Dr. Pradip Sarmah | 7/5/1978 - 7/10/1987 |
| 5. Dr. Manik Kar | 10/10/1983 - 31/03/2016 |
| 6. Dr. Toshewar Nath | 1/9/1987 - 30/4/2018 |
| Present Faculty : | |
| 1. Naba Kr. Mahanta | 4/3/1989 |
| 2. Dr. Pulin Ch. Bora | 10/9/1992 |
| 3. Dhurbajyoti Baruah | 8/12/1994 |
| 4. Manalisa Milli | 20/9/2017 |
| 5. Dinki Mishra | 1/11/2019 |

## — Mathematics Department —

Year of Estd. 1944

| Former Faculties : | Period |
|---|---|
| 1. Prof. Debeswar Pathak | |
| 2. Prof. Kamakhya Kamal Pandit | 11/7/1947 - 31/12/1978 |
| 3. Prof. Chandra Prava Devi | 6/5/1958 - 28/2/1995 |
| 4. Budha Prasad Chetia | |
| 5. D. Nath | |
| 6. Nepal Banik | |
| 7. Atul Barkakoti | |
| 8. Abdul Karim | 14/11/1968 - 31/3/2003 |
| 9. Dilip Sarmah | |
| 10. Meena Choudhury | |
| 11. Helen K. Saikia | |
| 12. Bubul Borah | 22/7/1992 |

Present Faculties :

| | |
|---|---|
| 1. Sirajul Islam | 19/9/1988 |
| 2. Dilip Kr. Bora | 28/10/1995 |
| 3. Padmeswar Senapati | 22/2/2008 |

## — Physics Department —

Year of Establishment : 1953

| Former Faculty - | Period |
|---|---|
| 1. Kailash Chakraborty | 1953 - 1957 |
| 2. Binoy Saikia | 1961 |
| 3. Bimal Bora | 1/1/1962 - 15/07/1981 |
| 4. Mohon Bora | 1963 - 1962 |
| 5. Bhupen Saikia | 1962 |
| 6. Ganesh Boruah | 20/4/1963 - 28/2/1999 |
| 7. Umesh Sharma | 18/7/1963 - 31/12/1999 |
| 8. Dr. Binoy Bhushan Pal | 28/11/1966 - 28/2/2003 |
| 9. Khagen Ch. Sharma | 1/9/1969 - 30/4/2001 |
| 10. Arpana Goswami | Resigned 1987 |
| 11. Anuj Bokakti | 1/1/1973 - 31/1/2009 |
| 12. Holiram Hazarika | 15/9/1984 - 31/5/2017 |
| 13. Utpal Sharma | 1/2/2001 - Resigned |
| 14. Pranjal Bhuyan | 3/2/2001 - Resigned |
| 15. Dr. Subir Sarkar | 1/2/2003 - Resigned |

Present Faculty -

| | |
|---|---|
| 1. Roshmi Borthakur | 2/2/1987 |
| 2. Indu Bhushan Roy | 7/5/2003 |
| 3. Dr. Rasmi Rekha Bora | 15/2/2011 |
| 4. Dr. Banashree Saikia | 2/8/2011 |

## — Statistics Department —

Date of Establishment :1971

Former Faculty

| | |
|---|---|
| 1. Jadu Nath Saikia | 1/9/1971 - 31/1/2004 |
| 2. Nirmal Ch. Gogoi | 1/1/1973 - 5/2/2006 |
| 3. Prabin Kr. Bora | 1/2/1979 - 31/1/2014 |

Present Faculty

| | |
|---|---|
| 1. Dipali Devi | 20/1/1988 |
| 2. Bidyut Das | 10/5/2007 |
| 3. Pinky Baruah | 25/6/2014 |

## — Post Graduate Department of Zoology —

Date of Establishment : 1970

Former Faculties :

| | |
|---|---|
| 1. P.C. Kakati | 1/9/1970 - 29/2/2004 |
| 2. B.C Kakati | 1/1/1973 - 31/3/2010 |
| 3. B Roychowdhury | 1/9/1974 - 31/12/2009 |
| 4. Dr. B. Goswami | 1/1/1983 - 31/3/2014 |
| 5. P. C. Saikia | 20/5/1986 - 30/9/2012 |

Present Faculty :

| | |
|---|---|
| 1. L. Gogoi (HOD) | 15/3/1989 |
| 2. Dr. L.M. Goswami | 7/8/2010 |
| 3. Dr. B.C. Chutia | 21/8/2010 |
| 4. Dr. J. Das | 28/3/2013 |
| 5. Dr. P Sarma | 29/1/2016 |

## — Bio-Technology Department —

Date of Establishment : 2008

Faculty member : NA

Present Faculty : 1

## — TTM Department —

Date of Establishment : 2010

Faculty member : NA

Present Faculty : 1

## — Satriya Dance Department —

Date of Establishment : 2017

Former Faculty : NA

Present Faculty : 1

## — Sociology Department —

Date of Establishment : 2017

Former Faculty : NA

Present Faculty : 1

## — Psychology Department —

Date of Establishment : 2018

Faculty member : NA

Present Faculty : 1

মহাবিদ্যালয়

# কার্যালয় সেবা

# নগাঁও মহাবিদ্যালয় আৰু অনাশিক্ষক-কৰ্মচাৰীসকল

সোণাৰাম শইকীয়া

অবিভক্ত নগাঁও জিলাৰ উচ্চ শিক্ষানুষ্ঠানৰ কথা ক'বলৈ গ'লে প্ৰথমেই নাম ল'ব লাগিব ৭৫ বছৰ পাৰ কৰা নগাঁও চহৰৰ মাজমজিয়াত অৱস্থিত নগাঁও মহাবিদ্যালয়ৰ। ১৯৪৪ চনৰ আগলৈকে অসমত কলেজ স্থাপিত হৈছিল মাত্ৰ চাৰিখন। ১৯৪৪ চনৰ ৭ আগষ্টত অসমৰ পঞ্চম কলেজৰূপে প্ৰতিষ্ঠা কৰা হয় নগাঁও মহাবিদ্যালয়। বৰ্তমান কুৰি শতিকাৰ শেষত অসমত প্ৰতিষ্ঠিত প্ৰাদেশিকৃত মহাবিদ্যালয়ৰ সংখ্যা হ'ল ১৮৯ খন।

**নগাঁও মহাবিদ্যালয়ৰ জন্মলগ্ন ঃ** নগাঁৰৰ কেইগৰাকীমান সমাজ সচেতন শিক্ষাপ্ৰেমী লোকৰ অশেষ প্ৰচেষ্টাত গঢ় লৈ উঠে নগাঁও মহাবিদ্যালয়ে। তাৰ ভিতৰত এগৰাকী ব্যক্তিৰ নাম চিৰস্মৰণীয়। তেখেত হ'ল বৰ্তমান মৰিগাঁও জিলাৰ অন্তৰ্গত অনুন্নত হাবিবৰঙাবাৰী অঞ্চলৰ মতিৰাম বৰাদেৱ। তেখেত তেতিয়া নগাঁও লোকেল ব'ৰ্ডৰ চেয়াৰমেন আছিল। তেতিয়া তেখেতে নগাঁৰৰ দুখীয়া ছাত্ৰ-ছাত্ৰীসকলৰ কাৰণে এখন উচ্চ শিক্ষানুষ্ঠান স্থাপন কৰাৰ চিন্তা-চৰ্চা কৰিবলৈ ধৰিলে। তেখেত ইয়াৰ বাবে অতি শীঘ্ৰে মহীচন্দ্ৰ বৰা, বিমলা বৰা, প্ৰিয় সেন, জগবন্ধু দাস, মঃ ইদ্ৰিছ আলী আদি স্বনামধন্য ব্যক্তিসকলক পৰামৰ্শ আগবঢ়ায়। মতিৰাম বৰাদেৱৰ নেতৃত্বত অগ্ৰণী ব্যক্তিসকলে নগাঁও চহৰত এখন মহাবিদ্যালয় স্থাপন কৰিবলৈ প্ৰবল জনমত গঠন কৰিবলৈ ধৰিলে। তেখেতসকলে ৰাইজৰ অকুণ্ঠ সহযোগ লাভ কৰিলে। মতিৰাম বৰাদেৱে লোকেল ব'ৰ্ডৰ চেয়াৰমেন হিচাপে বিভিন্ন উৎসৰপৰা দান-বৰঙণি সংগ্ৰহ কৰিবলৈ ধৰিলে।

এনেকৈ কিছু অৰ্থ সংগ্ৰহ কৰা হ'ল। কিন্তু কলেজ এখন প্ৰতিষ্ঠা কৰিবলৈতো নিজা মাটি লাগিব। তথাপিও হতাশ নহ'ল। সকলো গুণা-গঁথা কৰি পুৰণি ডচন হাইস্কুলত কলেজৰ শ্ৰেণী আৰম্ভ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। সেই সিদ্ধান্তমৰ্মে মতিৰাম বৰাক সভাপতি হিচাপে লৈ এখন পৰিচালনা সমিতি গঠন কৰা হয়। এনেকৈ ১৯৪৪ চনৰ ৭ আগষ্টৰ দিনা এক পবিত্ৰ ক্ষণত নগাঁও মহাবিদ্যালয়ৰ প্ৰথম শ্ৰেণীসমূহ আৰম্ভ কৰা হয়।

**নগাঁও মহাবিদ্যালয়ৰ প্ৰথম অধ্যক্ষজন ঃ** মতিৰাম বৰাদেৱে নগাঁৰৰ জ্যেষ্ঠ নাগৰিকসকলৰ লগত আলোচনা কৰি মহাবিদ্যালয়ৰ গুৰুদায়িত্ব বহন কৰিবলৈ বাছনি কৰিলে অসমৰ দ্বিতীয়খন মহাবিদ্যালয় যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়ত ইংৰাজী সাহিত্যৰ অধ্যাপকৰূপে কাৰ্যনিৰ্বাহ কৰি থকা (চফল ডেকা) যজ্ঞেশ্বৰ শৰ্মাদেৱক। তেখেতৰ ঘৰ যোৰহাট জিলাৰ তিতাবৰ থানাৰ অন্তৰ্গত বগাৰ গাঁৱত। তেখেত ইংৰাজী তথা অসমীয়া সাহিত্যৰ এজন অগাধ পণ্ডিত আছিল। প্ৰথম দল ছাত্ৰৰ ভিতৰত আছিল ৰঙাজিঞাৰ কবি অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীমহিম বৰাদেৱ, 'ৰংমিলিৰ হাঁহি'ৰ স্ৰষ্টা (আৰু বৰ্তমান) সাহিত্য সভাৰ সভাপতি শ্ৰীৰংবং তেৰাংদেৱ, আনন্দৰাম বৰুৱা বঁটা লাভ কৰা ড° যোগেন্দ্ৰ নাৰায়ণ ভূঞা, লণ্ডন বিশ্ববিদ্যালয়ৰ ডক্টৰেট ড° মোহন বৰা, প্ৰখ্যাত চিকিৎসক ডাঃ জিতেন গোহাঁই, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য

কমলেশ্বৰ বৰা, বৰ্তমানৰ অধ্যক্ষ তথা সু-সাহিত্যিক ড° খৰ্গেশ্বৰ ভূঞা আৰু বহুতো খ্যাতনামা লোক নগাঁও মহাবিদ্যালয়ৰ লেখত ল'বলগীয়া ছাত্ৰ।

ইয়াৰ পিছত নগাঁও মহাবিদ্যালয়ত ক্ৰমান্বয়ে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰে। তেতিয়া মতিৰাম বৰাদেৱে মহাবিদ্যালয়খনৰ নিজা ভূমি আৰু এটা সুস্থ-সবল আন্তঃগাঁথনিৰ বিষয়ে চিন্তা কৰিবলৈ ধৰিলে। তদানীন্তন শিক্ষাবিদ, সমাজকৰ্মী বিশিষ্ট ব্যক্তি বৃন্দাবন গোস্বামী, পূৰ্ণ চন্দ্ৰ শৰ্মা, প্ৰতাপ চন্দ্ৰ শৰ্মা, যোগ সিং ছেত্ৰী, হলধৰ ভূঞা প্ৰমুখ্যে সদাশয় ব্যক্তিসকলে নগাঁও চৰকাৰী বালক হাইস্কুলৰ সু-সংস্থাপিত হিন্দু-মুছলমান হোষ্টেলৰ বৃহৎ ভৱনকেইটা ভূমিসহ নগাঁও মহাবিদ্যালয়ৰ দখললৈ আনিবলৈ কষ্ট কৰে। ইতিমধ্যে নগাঁও সমষ্টিৰপৰা নিৰ্বাচিত হোৱা জননেতা মতিৰাম বৰাদেৱ ভূমি আৰু ৰাজহ মন্ত্ৰী হোৱাত সমগ্ৰ নগাঁওবাসীৰ লগতে নগাঁও মহাবিদ্যালয়ৰ ভাগ্যদেৱী সুপ্ৰসন্ন হ'ল। জনা যায় যে এটকা ৰূপত বৰ্তমানৰ স্থানত থকা ছাত্ৰাবাসৰ ভূমি নিজৰ কৰি লোৱা আৰু বৰদলৈ ভৱন নিৰ্মাণত কৌশল ৰচনা কৰি মতিৰাম বৰাদেৱ নগাঁও মহাবিদ্যালয়ৰ পিতৃস্বৰূপ হৈ পৰে। বৰ্তমানৰ প্ৰশাসনিক ভৱনৰ সন্মুখত থকা অসম আৰ্হিৰ দীঘলীয়া ভৱনকেইটা নগাঁও চৰকাৰী বালক বিদ্যালয়ৰ ছাত্ৰাবাস আছিল বুলি জনা যায়। সম্প্ৰতি নগাঁও মহাবিদ্যালয়ৰ আন্তঃগাঁথনিৰ আমূল পৰিৱৰ্তন সাধন হৈছে। শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বহুগুণে বাঢ়িল। লগতে শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীসকলৰ জীৱনৰ মানদণ্ডও বহুত উন্নত হ'ল।

এখন মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতি অকল অধ্যক্ষ, শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ ওপৰতেই নিৰ্ভৰ নকৰে, ইয়াৰ আঁৰত এক শ্ৰেণীৰ অনা শিক্ষক-কৰ্মচাৰীৰ ত্যাগো যে জড়িত হৈ আছে তাক বহুতে নাজানে। অনা শিক্ষক-কৰ্মচাৰীসকলৰ ভিতৰত চকীদাৰজনৰপৰা আৰম্ভ কৰি তদাৰকী সহায়কজনলৈকে থাকে। এইসকল লোকৰ কিছুসংখ্যকে মহাবিদ্যালয়ৰপৰা দিয়া অতি সামান্য দৰমহাতে গোটেই চাকৰি জীৱন পাৰ কৰিছে, কিছুসংখ্যক কৰ্মচাৰীৰ আকৌ অৱসৰ গ্ৰহণৰ এবছৰ বা দুবছৰ আগতেহে চাকৰি নিয়মীয়াকৰণ হৈছে। কিন্তু এওঁলোকৰ অবিহনে মহাবিদ্যালয়ৰ কাম-কাজ কোনোমতে সুচাৰুৰূপে চলাব নোৱাৰি। কিন্তু তেওঁলোক সদায় অৱহেলিত ৰূপেই পৰিগণিত হৈ আহিছে।

নগাঁও মহাবিদ্যালয়ত জন্মলগ্নৰে পৰা ডেৰ দশক কাল ধৰি পূৰ্ণাংগ পৰ্যায়ৰ সীমিতসংখ্যক অধ্যাপকেহে শিক্ষাদান কৰিছিল। ইয়াৰ লগতে কাৰ্যালয়ৰ কাম সুচাৰুৰূপে চলাবলৈ এজন কাৰ্যালয় সহায়ক আৰু এজন অফিচ পিয়ন নিযুক্তি দিয়া হৈছিল। তেওঁলোক ক্ৰমে কাৰ্যালয় সহায়ক গংগাধৰ শইকীয়া আৰু অফিচ পিয়ন জগত চন্দ্ৰ বৈশ্য। তেওঁলোকৰ মহাবিদ্যালয়খনৰ প্ৰতি ত্যাগৰ কথা আজিও স্মৰণীয়। পিছলৈ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি পোৱাৰ লগতে শিক্ষক-শিক্ষয়িত্ৰীৰ সংখ্যাও বাঢ়ি আহিবলৈ ধৰাত অনা শিক্ষক-কৰ্মচাৰীৰ আৰু অধিক প্ৰয়োজন হৈ পৰিল। প্ৰয়াত গংগাধৰ শইকীয়া আৰু প্ৰয়াত জগত চন্দ্ৰ বৈশ্যৰ পিছতে মহাবিদ্যালয়খনৰ সৰ্বাংগীন উন্নতিকল্পে নিযুক্তি পোৱা নাৰায়ণ শৰ্মা, মহেশ ভট্ট, দুৰ্লভ শইকীয়া, ফিৰোজ বৰুৱা (মনোৰম), ফুলেশ্বৰ ৰবিদাস, শশী শইকীয়া, দল বাহাদুৰ থাপা আদি তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীসকলৰ ঐকান্তিক সেৱাই মহাবিদ্যালয়খনৰ উন্নতিত প্ৰভূত বৰঙণি যোগ দিছিল। তেখেতসকলৰ এজনো বৰ্তমান জীৱিত নাই যদিও তেখেতসকলৰ কৰ্মৰাজিয়ে আজিও মহাবিদ্যালয়খনৰ পৰিয়ালবৰ্গৰ জনমানসত সোঁৱৰাই দিয়ে।

ইতিমধ্যে কলা, বিজ্ঞান আৰু বাণিজ্য বিভাগত বিভিন্ন বিভাগ খোলা হয় আৰু প্ৰায়বোৰ

বিভাগতে অনাৰ্চৰ শ্ৰেণী খোলা হয়। শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে আকৌ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰীও নিযুক্তি দিয়া হ'ল। তাৰ লগে লগে অধ্যক্ষ প্ৰয়াত যজ্ঞেশ্বৰ শৰ্মাদেৱে এটা গ্ৰন্থাগাৰ খুলিলে আৰু এজন গ্ৰন্থাগাৰিক নিযুক্তি দিলে। তেখেত হ'ল প্ৰয়াত ৰেৱ বৰা। বৰ্তমান সময়ত নগাঁও মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰটো সমগ্ৰ অসমৰ ভিতৰতে এটা লেখত ল'বলগীয়া গ্ৰন্থাগাৰ হৈ পৰিল। কাৰণ অধ্যক্ষ শৰ্মাদেৱ আৰু গ্ৰন্থাগাৰিক ৰেৱ বৰা দুয়োজনেই আছিল কিতাপ ভাল পোৱা ব্যক্তি। বৰ্তমান গ্ৰন্থাগাৰৰ কৰ্মচাৰীৰ সংখ্যা হ'লগৈ সাতজন। চলিত বৰ্ষত গ্ৰন্থাগাৰটো সম্পূৰ্ণ স্বয়ংক্ৰিয় গ্ৰন্থাগাৰ হৈ পৰে। বৰ্তমান সকলো কাম-কাজ কম্পিউটাৰৰ দ্বাৰা কৰা হয়।

**তথ্য-প্ৰযুক্তিৰ দিনত ঃ** সমগ্ৰ অসমৰ লগতে নগাঁও মহাবিদ্যালয়তো শিক্ষাৰ ক্ষেত্ৰত আমূল পৰিৱৰ্তন ঘটিছে। কিন্তু তাৰ লগত ফেৰ মাৰিব পৰাকৈ কৰ্মচাৰীসকলৰ কোনো প্ৰশিক্ষণৰ ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই। বহু ক্ষেত্ৰত কৰ্মচাৰী নিযুক্তিৰ ক্ষেত্ৰত যোগ্যতাই স্থান পোৱা দেখা নাযায়। ফলত কিছুমান কাম-কাজ চলোৱাত অসুবিধাৰ সৃষ্টি হোৱা দেখা যায়।

পৰিৱৰ্তিত সমাজ ব্যৱস্থাত শিক্ষকসকলে শিক্ষাদানৰ গুৰুত্ব বহন কৰাৰ লগে লগে কৰ্মচাৰীসকলৰো দায়িত্ব বহুখিনি বাঢ়িল। সময়মতে সকলো শ্ৰেণীৰ ৰেজিষ্টাৰ বহীত নাম, ৰোল নং লিখি সাজু কৰা, সময়মতে দৰমহাৰ মঞ্জুৰি অনা, দৰমহা দিয়া, মহাবিদ্যালয়খন চাফ-চিকুণকৈ স্বাস্থ্যসন্মত কৰি ৰখা, ঋতুকালীন ফুলপুলি ৰোৱা আৰু তাক পৰিচৰ্যা কৰা, পৰীক্ষাৰ কাম নিৰ্ভুল তথা সময়মতে কৰা, পঞ্জীয়নৰ কাম, পেঞ্চনৰ কাম, ছাত্ৰ-ছাত্ৰীৰ বৃত্তিৰ কাম ইত্যাদি নিয়াৰিকৈ তথা শুদ্ধকৈ কৰা মহাবিদ্যালয় এখনৰ অনা শিক্ষক-কৰ্মচাৰীসকলৰ দায়িত্বত পৰে। ইয়াৰ উপৰি ছাত্ৰ-ছাত্ৰীসকলক গ্ৰন্থাগাৰৰ সকলো সুযোগ-সুবিধা দিয়াটো এটা গ্ৰন্থাগাৰৰ কৰ্মচাৰীসকলৰ গুৰুদায়িত্ব।

কৰ্মচাৰীসকলে আৰম্ভণিৰপৰা ষাঠিৰ দশকলৈ মহাবিদ্যালয় পৰিচালনা সমিতিয়ে নিৰ্ধাৰণ কৰি দিয়া নামমাত্ৰ মজুৰি ত্ৰিশ টকাৰপৰা পঞ্চাশ টকালৈকে লাভ কৰিছিল। '৭০ দশকত এশ দহ টকাৰপৰা তিনিশ টকাকৈ লাভ কৰিছিল। সেই সময়ত নৈশ শ্ৰেণী থকাৰ কাৰণে অতিৰিক্ত পঁয়সত্তৰ, পঞ্চাশ আৰু চল্লিশ টকাকৈ লাভ কৰিবলৈ সক্ষম হৈছিল।

ষাঠিৰ দশকত অসমৰ প্ৰতিখন জিলাত দুই-তিনিখনলৈ মহাবিদ্যালয় স্থাপন হৈছিল। সেই মহাবিদ্যালয়সমূহৰ স্বনামধন্য কেইজনমান কৰ্মচাৰীয়ে অতি কষ্টেৰে সদৌ অসম কলেজ কৰ্মচাৰী সংস্থা নামেৰে সংস্থা এটা প্ৰতিষ্ঠা কৰিছিল। এই সংস্থাৰ আপ্ৰাণ প্ৰচেষ্টাত ১৯৬৫ চনত তৃতীয় বৰ্গৰ আৰু ১৯৭০ চনত চতুৰ্থ বৰ্গৰ কৰ্মচাৰীসকল ঘাটি মঞ্জুৰিৰ অন্তৰ্ভুক্ত হৈ চৰকাৰী নিৰিখত দৰমহা ল'বলৈ সক্ষম হয়। সুখৰ কথা এয়ে যে অসম অধ্যক্ষ পৰিষদ, অসম কলেজ শিক্ষক সংস্থা, সদৌ অসম কলেজ কৰ্মচাৰী সংস্থা, কলেজ গ্ৰন্থাগাৰিক সংস্থা— সকলোৰে একগোট হৈ এখন মঞ্চৰপৰা চৰকাৰৰ ওচৰত হেঁচা প্ৰয়োগ কৰি অৱশেষত পেঞ্চনকে আদি কৰি আন সা-সুবিধা লাভ কৰিবলৈ সক্ষম হয়।

আশা কৰা যায় নগাঁও মহাবিদ্যালয় কৰ্মচাৰীসকলে নিজৰ দায়িত্ব সুকলমে সমাপন কৰি মহাবিদ্যালয়খন এখন জাকত-জিলিকা মহাবিদ্যালয়ৰূপে পৰিচিত হ'বলৈ সহায়ৰ হাত আগবঢ়াব। শেষত আদিৰে পৰা নগাঁও মহাবিদ্যালয়ৰ যিসকল অনা শিক্ষক-কৰ্মচাৰীয়ে সততাৰে সেৱা আগবঢ়াই অৱসৰগ্ৰহণ কৰিছিল, সেইসকলৰ নাম আৰু নগাঁও মহাবিদ্যালয়ৰ অনা শিক্ষক-কৰ্মচাৰীৰ গোট প্ৰতিষ্ঠা কৰি ঐক্যবদ্ধ হৈ কৰ্তৃপক্ষৰ লগত সহযোগ আগবঢ়াই ন্যায্য প্ৰাপ্য আদায় কৰিবলৈ সংগ্ৰাম কৰি অহাসকলৰ ভিতৰত সভাপতি-

সম্পাদকৰ নামৰ এখন তালিকা যুগুত কৰি নগাঁও মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গলৈ আগবঢ়োৱা হ'ল।

**১৯৬০ চনৰ পৰা ২০১৯ চনলৈকে অনা শিক্ষক-কৰ্মচাৰী গোটৰ সভাপতি-সম্পাদসকলৰ নামৰ তালিকা —**

| চন | সভাপতি | সম্পাদক |
|---|---|---|
| ১৯৬০-১৯৬৫ | অধ্যক্ষ যজ্ঞেশ্বৰ শৰ্মা | গংগাধৰ শইকীয়া |
| ১৯৬৫-১৯৭০ | অধ্যাপক ড° সৰ্বেশ্বৰ ৰাজগুৰু | নাৰায়ণ শৰ্মা |
| ১৯৭০-১৯৭৫ | ঐ | গংগাধৰ শইকীয়া |
| ১৯৭৫-১৯৮২ | অধ্যাপক বসন্ত কুমাৰ ভূঞা | ৰেৱ বৰা |
| ১৯৮২-১৯৮৩ | ঐ | ত্ৰৈলোক্য নাথ শৰ্মা |
| ১৯৮৩-১৯৮৮ | অধ্যাপক নৰেন্দ্ৰ নাথ বৰা | ফণীধৰ শৰ্মা |
| ১৯৮৮-১৯৯০ | ঐ | প্ৰেমেশ্বৰ শইকীয়া |
| ১৯৯০-১৯৯২ | ঐ | সোণাৰাম শইকীয়া |
| ১৯৯২-১৯৯৩ | ঐ | সোণাৰাম শইকীয়া |
| ১৯৯৩-১৯৯৫ | অধ্যাপক বলিন শইকীয়া | পূৰ্ণকান্ত শইকীয়া |
| ১৯৯৫-১৯৯৭ | ঐ | সোণাৰাম শইকীয়া |
| ১৯৯৭-১৯৯৯ | ঐ | সোণাৰাম শইকীয়া |
| ১৯৯৯-২০০১ | অধ্যাপক আব্দুল মান্নান ফাৰুকী | সোণাৰাম শইকীয়া |
| ২০০১-২০০৫ | ঐ | সোণাৰাম শইকীয়া |
| ২০০৫-২০০৬ | অধ্যাপক গুণ শইকীয়া | ৰজনীকান্ত বৈশ্য |
| ২০০৬-২০১০ | ঐ | চন্দ্ৰকান্ত বৰা |
| ২০১০-২০১৪ | সোণাৰাম শইকীয়া | নাজবীন চুলতানা |
| ২০১৪-২০১৭ | ৰত্নেশ্বৰ শইকীয়া (জ্যেষ্ঠ) | ঐ |
| ২০১৭-২০১৯ | ড° ৰঞ্জিত কুমাৰ মজিন্দাৰ | জীৱন চন্দ্ৰ কলিতা |

**অৱসৰপ্ৰাপ্ত তৃতীয় বৰ্গৰ কৰ্মচাৰীসকল —**

| নাম | কাৰ্যকাল |
|---|---|
| নাৰায়ণ শৰ্মা | ১৫/১১/১৯৪৯—৩১-১২-১৯৭৭ |
| গঙ্গাধৰ শইকীয়া | ১/৭/১৯৪৪—৩১-১২-১৯৭৮ |
| মহেশ চন্দ্ৰ ভট্টাচাৰ্য | ৭/৮/১৯৫০—২৯-২-১৯৮০ |
| আনন্দ প্ৰসাদ কাকতি | ১৯/১১/১৯৫৩—২৯-২-১৯৯৬ |
| বিদ্যাধৰ গোস্বামী | ৬/৮/১৯৫৯—৩০-৬-১৯৯৬ |
| ত্ৰৈলোক্য নাথ শৰ্মা | ১০/৭/১৯৬৩—৩১-৭-১৯৯৯ |
| ফণীধৰ শৰ্মা | ৩/৮/১৯৬৪— ৩১-৮-২০০০ |
| ললিত চন্দ্ৰ শইকীয়া | ১/৮/১৯৬৩— ৩১-৭-২০০৫ |
| ৰজনী কান্ত বৈশ্য | ৮/১০/১৯৭৯— ২৫-১২-২০০৬ |
| চন্দ্ৰকান্ত বৰা | ১/৭/১৯৮১— ২৯-২-২০১২ |
| ৰত্নেশ্বৰ শইকীয়া | ২০/৫/১৯৭৬— ৩০-৬-২০১৫ |

| | |
|---|---|
| প্ৰদীপ শইকীয়া | ১৬/৬/১৯৮২— ৩১-৩-২০১৫ |
| ৰত্নেশ্বৰ শইকীয়া (কনিষ্ঠ) | ১/৭/১৯৮৭— ৩১-১২-২০১৬ |
| নাজবীন চুলতানা | ২৯/৮/১৯৭৮— ৩১-৭-২০১৭ |

**বৰ্তমান কৰ্মৰত তৃতীয় বৰ্গৰ কৰ্মচাৰীসকল—**

উত্তম কুমাৰ ৰয়
জীৱন চন্দ্ৰ কলিতা
দিলীপ চন্দ্ৰ শইকীয়া
আবুল বাছাৰ

মানস কুমাৰ বৈশ্য
কৃষ্ণ কোঁৱৰ
সৰ্বানন্দ শইকীয়া

**অৱসৰপ্ৰাপ্ত চতুৰ্থবৰ্গৰ কৰ্মচাৰীসকল —**

জগত চন্দ্ৰ বৈশ্য
কমল চন্দ্ৰ কলিতা
প্ৰিয়ৰাম শইকীয়া
সোমেশ্বৰ শইকীয়া
ফুলেশ্বৰ ৰবিদাস,
দলবাহাদুৰ থাপা
ফণীধৰ শইকীয়া
শশীকান্ত শইকীয়া
গুণেশ্বৰ শইকীয়া
মনোৰাম বৰুৱা
সুমন শইকীয়া
ৰজনী কান্ত বৰা
মুখলাল ৰবিদাস
অকন চন্দ্ৰ বৰা
যোগীলাল ৰবিদাস
স্বামীনাথ ৰবিদাস
ৰাম কুমাৰ ৰবিদাস
হেম কান্ত বৰা
প্ৰেমেশ্বৰ শইকীয়া
উপেন চন্দ্ৰ বৰুৱা
তুৰা কান্ত শইকীয়া
লক্ষীৰাম শইকীয়া
সোণাৰাম শইকীয়া
পূৰ্ণ কান্ত শইকীয়া
টঙ্কেশ্বৰ হাজৰিকা
নৰকান্ত শইকীয়া
শুভলাল ৰবিদাস
সৰুলৰা কেওট
নন্দলাল ৰবিদাস

**বৰ্তমান কৰ্মৰত চতুৰ্থবৰ্গৰ কৰ্মচাৰীসকল—**

পূৰ্ণকান্ত শইকীয়া
নাথনি ৰবিদাস
ভৱ কৈৱৰ্ত
কণলৰা বৰা
ৰঞ্জিত শৰ্মা
যুগল চন্দ্ৰ দাস
নগেন ৰবিদাস
কাতিৰাম শইকীয়া
আজিজ আহমেদ আনচাৰী
অবোধ কিশোৰ ৰবিদাস
প্ৰেমেশ্বৰ শইকীয়া
ধৰ্মেশ্বৰ শইকীয়া
ৰত্নেশ্বৰ শইকীয়া
ৰামৰতন ৰবিদাস
বীৰেন বৰুৱা

---

লেখক এই মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী। লেখাটো নগাঁও মহাবিদ্যালয় আলোচনী সোণালী জয়ন্তী বৰ্ষৰপৰা লোৱা হৈছে। অৱশ্যে কৰ্মচাৰীৰ তালিকাখনৰ অৰ্দ্ধেক মহাবিদ্যালয়ৰ তৃতীয় বৰ্গৰ কৰ্মচাৰী শ্ৰীজীৱন চন্দ্ৰ কলিতাৰ পৰা পোৱা। — সম্পাদক।

# ক্ৰমবিৱৰ্তনত
# নগাঁও মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰ ঃ এটি অৱলোকন

**কুলৰঞ্জন ভূঞা**

৭ আগষ্ট, ১৯৪৪ চন। ব্ৰিটিছ আমোলতেই মধ্য অসম নগাঁৱৰ পুৰোধা ব্যক্তিসকলৰ আশাশুধীয়া প্ৰচেষ্টাৰ ফলশ্ৰুতিত নগাঁও মহাবিদ্যালয় প্ৰতিষ্ঠা হৈছিল। মধ্য অসমত শিক্ষাৰ বাটকটীয়া হিচাপে জনমানসৰ হৃদয়ত বৰপীৰা পাৰি বহিবলৈ সক্ষম হোৱা শিক্ষানুষ্ঠানটিয়ে, এদেও-দুদেওকৈ পঁইসত্তৰ বছৰ অতিক্ৰম কৰিলেহি। তিনিকুৰি পোন্ধৰ বছৰীয়া জীৱন পৰিক্ৰমাত উপলব্ধ হোৱা ঘাত-প্ৰতিঘাতৰ খতিয়ান পুঙ্খানুপুঙ্খভাৱে দাঙি ধৰাটো সম্ভৱ নহয়। তৎসত্ত্বেও নগাঁও মহাবিদ্যালয়ৰ প্ৰাণ সদৃশ, আপুৰুগীয়া গ্ৰন্থাগাৰটোৰ এক চমু আভাস ব্যক্ত কৰিবলৈ প্ৰয়াস কৰা হৈছে। য'ত হয়তো অনিচ্ছাকৃত তথা তথ্যৰ অভাৱত কিছু ভুল-ত্ৰুটি ৰৈ যোৱাটো অস্বাভাৱিক নহয়, যাৰ বাবে ক্ষমা মাৰ্জনীয়।

বিশ্বৰ বৰেণ্য ব্যক্তিসকলৰ অভিমত, শিক্ষানুষ্ঠান এটাৰ বাবে গ্ৰন্থাগাৰটো আত্মাসদৃশ। যাৰ অস্তিত্ব অবিহনে এক সত্তাৰ পৰিচয় অৰ্থহীন। সেয়ে নগাঁও মহাবিদ্যালয় ইয়াৰ ব্যতিক্ৰম হ'ব নোৱাৰে। তদুপৰি অনুষ্ঠান এটিৰ জন্মলগ্নত অত্যাৱশ্যকীয় সকলো দিশতে মনোনিৱেশ কৰাটো সম্ভৱপৰ নহয়। যিহেতু সকলোবোৰ কাম-কাজ অস্থায়ীভাৱে পৰিচালনা কৰিবলগীয়া হয়। কিন্তু এইক্ষেত্ৰত নগাঁও মহাবিদ্যালয়ৰ এক ব্যতিক্ৰমী বৈশিষ্ট্য আছে। নগাঁও মহাবিদ্যালয়ৰ শুভাৰম্ভৰপৰাই নিয়মীয়া পাঠদানৰ লগতে ছাত্ৰাবাস আৰু গ্ৰন্থাগাৰেও প্ৰতিষ্ঠা লাভ কৰিছিল।

নগাঁও মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ সাহিত্যাচাৰ্য্য যজ্ঞেশ্বৰ শৰ্মাৰ বদান্যতাত, পাঠদানৰ সমান্তৰালভাৱে আৰম্ভণিৰে পৰাই গ্ৰন্থাগাৰৰ বাবে গ্ৰন্থ সংগ্ৰহৰ অভিযানো আৰম্ভ কৰিছিল। তথ্য অনুসৰি ১৯৪৫ চনৰ ২৫ নৱেম্বৰতেই নগাঁও মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰত ৯০৪ খন কিতাপ একচেচন ৰেজিষ্টাৰত সংযোজিত হৈছিল। ইয়াৰপৰা আমি অনুমান কৰিব পাৰো যে নগাঁও মহাবিদ্যালয় প্ৰতিষ্ঠা বৰ্ষতেই অতি কমেও ৫০০ খন গ্ৰন্থ সংগ্ৰহ অথবা ক্ৰয় কৰা হৈছিল। যিটো কাম সেই সময়ত সম্পাদন কৰাটো সহজসাধ্য নাছিল। এগৰাকী অধ্যয়নস্পৃহাসম্পন্ন তথা দূৰদৰ্শী অধ্যক্ষৰ আশাশুধীয়া প্ৰচেষ্টাৰ ফলশ্ৰুতিতেই নগাঁও মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰটোৱে শিক্ষিত সমাজৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল। দুৰ্ভাগ্যবশতঃ আৰম্ভণিৰ ৯০৩ খন গ্ৰন্থৰ সবিশেষ তথ্য উদ্ধাৰ কৰিব পৰা নগ'ল। ১৯৪৫ চনৰ ২৪ নৱেম্বৰলৈ ৯০৩ খন গ্ৰন্থৰ কোনো লিখিত তথ্য নগাঁও মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰত পাবলৈ নাই।

আৰম্ভণিতে নগাঁও মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰ পৰিচালনা কৰিবলৈ সুকীয়া কৰ্মচাৰী নিয়োগ নকৰা হেতুকে, প্ৰাৰম্ভিক অৱস্থাত শ্ৰদ্ধেয়, সংস্কৃত বিভাগৰ প্ৰবক্তা ফণীলাল দত্তদেৱক গ্ৰন্থাগাৰটো চোৱা-চিতাৰ

দায়িত্ব প্ৰদান কৰিছিল। গ্ৰন্থাগাৰৰ কামৰ পৰিসৰ বৃদ্ধি পোৱাত, মহাবিদ্যালয়ৰ কাৰ্যালয় সহায়ক তথা হিচাব-ৰক্ষক মহেশ চন্দ্ৰ ভট্টদেৱক গ্ৰন্থাগাৰ পৰিচালনাৰ অতিৰিক্ত দায়িত্ব অৰ্পণ কৰা হৈছিল। তেখেতৰ তত্ত্বাৱধানত এখন পকা-বন্ধা ৰেজিষ্টাৰ বহীত, যিমান দূৰ সম্ভৱ পদ্ধতিগতভাৱে সংগৃহীত গ্ৰন্থসমূহ নথিভূক্ত কৰা হৈছিল। মহাবিদ্যালয় প্ৰতিষ্ঠা হোৱাৰ দুই-তিনি বছৰ পিছৰেপৰা গ্ৰন্থাগাৰৰ কিতাপ শিক্ষকসকলৰ মাজত আদান-প্ৰদান কৰা হৈছিল। অতি কম সময়ৰ ভিতৰতে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা দ্ৰুতগতিত বৃদ্ধি পোৱাৰ উপৰি কিতাপ আদান-প্ৰদান ব্যৱস্থা ছাত্ৰ-ছাত্ৰীসকললৈ সম্প্ৰসাৰণ কৰিবলগীয়া হোৱাত গ্ৰন্থাগাৰত স্থায়ী কৰ্মচাৰীৰ প্ৰয়োজন জৰুৰী হৈ পৰিছিল। ইতিমধ্যে নগাঁও মহাবিদ্যালয় কলিকতা বিশ্ববিদ্যালয়ৰ এফিলিয়েশ্বন (অন্তৰ্ভুক্তি) পাবলৈ সক্ষম হোৱাত, বিশ্ববিদ্যালয়, অনুদান আয়োগৰ চৰ্তাৱলী পূৰণ কৰিবলগীয়া হৈছিল। সেই চৰ্ত অনুসৰি ১৯৬০ চনত শ্ৰদ্ধেয় ৰেৱ বৰাক নগাঁও মহাবিদ্যালয়ৰ স্থায়ী গ্ৰন্থাগাৰিক হিচাপে নিযুক্তি দিয়া হৈছিল। স্নাতক ডিগ্ৰীধাৰী বৰাই চাকৰিত যোগদান কৰাৰ পিছত গ্ৰন্থাগাৰ বিজ্ঞানৰ শিক্ষা গ্ৰহণৰ বাবে বেনাৰস হিন্দু বিশ্ববিদ্যালয়লৈ এবছৰৰ বাবে গৈছিল। সেই সময়ছোৱাত মঃ ইনামুল হকে গ্ৰন্থাগাৰৰ কাম-কাজৰ তদাৰক কৰিছিল।

কলা শাখাৰ পাঠদানেৰে আৰম্ভ হোৱা নগাঁও মহাবিদ্যালয়ত ১৯৫৮ আৰু ১৯৬০ চনত ক্ৰমান্বয়ে বিজ্ঞান আৰু বাণিজ্য শাখাৰ পাঠদান কাৰ্য অন্তৰ্ভুক্ত কৰা হৈছিল। সেই অনুপাতে গ্ৰন্থাগাৰৰ পৰিসৰ বৃদ্ধিৰ বিবেচনাৰে, বৃটিছ আমোলৰ মহাবিদ্যালয়ৰ সন্মুখ ভাগত অৱস্থিত অসম আৰ্হিৰ ভৱনটোৰ, বৰ্তমানো বাহাল থকা এক আৰু দুই নম্বৰ, দুয়োটা কোঠা মিলাই নগাঁও মহাবিদ্যালয় গ্ৰন্থাগাৰটো নতুন ৰূপত প্ৰতিষ্ঠা কৰা হৈছিল। পিছলৈ ইয়াৰেই এচুকত ছাত্ৰ-ছাত্ৰীৰ বাবে সুকীয়া অধ্যয়ন কোঠাৰো ব্যৱস্থা কৰা হৈছিল। ১৯৮৩ চনলৈকে এই গ্ৰন্থাগাৰটোৱে সকলোৰে পৰিচিত আছিল।

১৯৬৩ চনৰ নৱেম্বৰ মাহত শ্ৰীযুত লীলাম চন্দ্ৰ নাথক নগাঁও মহাবিদ্যালয় গ্ৰন্থাগাৰত গ্ৰন্থাগাৰ সহায়ক হিচাপে চাকৰিত মকৰল কৰা হৈছিল। সমসাময়িকভাৱে শ্ৰীযুত টংকেশ্বৰ হাজৰিকাক গ্ৰন্থাগাৰ বাহক পদত নিযুক্তি প্ৰদান কৰা হৈছিল। তদুপৰি গ্ৰন্থাগাৰৰ আন দুগৰাকী কৰ্মচাৰী শ্ৰীযুত সোণাৰাম শইকীয়া আৰু নাজবীন চুলতানাক ক্ৰমান্বয়ে ১৯৭০ আৰু ১৯৭৭ চনত গ্ৰন্থাগাৰৰ কৰ্মচাৰী হিচাপে নিয়োগ কৰা হৈছিল। কালক্ৰমত লীলাম চন্দ্ৰ নাথ, নাজবীন চুলতানা আৰু সোণাৰাম শইকীয়াই ক্ৰমান্বয়ে সহকাৰী গ্ৰন্থাগাৰিক, গ্ৰন্থাগাৰ সহায়ক আৰু গ্ৰন্থাগাৰ বাহক ৰূপে স্থায়ীভাৱে নিযুক্তি লাভ কৰিছিল।

প্ৰতিষ্ঠাতা অধ্যক্ষ, সাহিত্যাচাৰ্য্য যজ্ঞেশ্বৰ শৰ্মাই অৱসৰ গ্ৰহণ কৰাৰ পাছত, শ্ৰদ্ধেয় মুহীৰাম শইকীয়াই নগাঁও মহাবিদ্যালয়ৰ অধ্যক্ষৰ পদ অলংকৃত কৰিছিল। তেখেতৰ কাৰ্যকালতেই বৰ্তমানৰ গ্ৰন্থাগাৰ ভৱনটো, বিশ্ববিদ্যালয় অনুদান আয়োগৰ অৰ্থ সাহায্যৰে নিৰ্মাণ কৰা হৈছিল। নৱ-নিৰ্মিত গ্ৰন্থাগাৰ ভৱনটো অসমৰ সকলোৰে পৰিচিত জ্বলন্ত স্ফুলিঙ্গ, স্বাভিমানী সংগ্ৰামী সত্তা, মহেন্দ্ৰনাথ মৈহেংদাং ডেকাফুকনৰ নামেৰে নামকৰণ কৰাৰ উপৰি ১৯৮৩ চনত উক্ত ভৱনলৈ পূৰ্বৰ নগাঁও মহাবিদ্যালয় গ্ৰন্থাগাৰটো স্থানান্তৰিত কৰা হৈছিল। তেতিয়াৰে পৰাই নগাঁও মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰটোৰ নাম 'মহেন্দ্ৰনাথ মৈহেংদাং ডেকাফুকন গ্ৰন্থাগাৰ' হিচাপে পৰিগণিত হৈ আহিছে।

১৯৯২ চনত গ্ৰন্থাগাৰিক ৰেৱ বৰাই চাকৰিৰপৰা অৱসৰ গ্ৰহণ কৰাত, সহকাৰী গ্ৰন্থাগাৰিক শ্ৰীযুত লীলাম চন্দ্ৰ নাথক ভাৰপ্ৰাপ্ত গ্ৰন্থাগাৰিকৰ দায়িত্ব প্ৰদান কৰা হৈছিল। ১৯৯৫ চনৰ ৮ আগষ্টলৈকে, তিনি বছৰৰো অধিক কাল নাথে ভাৰপ্ৰাপ্ত গ্ৰন্থাগাৰিকৰ দায়িত্ব সুচাৰুৰূপে পালন কৰিছিল। অৱশ্যে এই

সময়ছোৱাত ইংৰাজী বিভাগৰ বিভাগীয় প্ৰধান, অধ্যাপক মঃ চালেহ ছাৰক গ্ৰন্থাগাৰৰ তত্ত্বাৱধায়কৰ অতিৰিক্ত দায়িত্ব দিয়া হৈছিল।

১৯৯৫ চনৰ ৯ আগষ্ট তাৰিখে ঐতিহ্যমণ্ডিত নগাঁও মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক হিচাপে এই নিবন্ধৰ লেখকে যোগদান কৰে। তেতিয়া অধ্যক্ষৰ আসনত উপবিষ্ট আছিল, সু-সাহিত্যিক প্ৰদীপ শইকীয়া। গ্ৰন্থাগাৰিক পদত যোগদান কৰাৰ চৈধ্য মাহ পাছতেই অধ্যক্ষই চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল। এই সময়ছোৱাত তেখেতৰ ছত্ৰছায়াতেই নগাঁও মহাবিদ্যালয়ৰ আভ্যন্তৰীণ দিশ সমূহৰ বিষয়ে খৰচি মাৰি জানিব পৰাৰ বাবেই, আমাৰ ভৱিষ্যত কাৰ্যপন্থা নিৰ্ধাৰণত যথেষ্ট সুবিধা হৈছিল।

১৯৯৫ চনত বিদ্যালয় অনুদান আয়োগে ভাৰতবৰ্ষৰ আগশাৰীৰ মহাবিদ্যালয়সমূহলৈ তথ্য-প্ৰযুক্তিৰ ক্ষেত্ৰখন সম্প্ৰসাৰণ কৰাৰ উদ্দেশ্যে ১৫০,০০০/- (এক লাখ পঞ্চাশ হাজাৰ) টকাৰ এককালীন অৰ্থ সাহায্য আগবঢ়াইছিল। উক্ত তালিকাত নগাঁও মহাবিদ্যালয়ৰ নামো সন্নিৰিষ্ট হৈছিল। সৰ্বমুঠ অৰ্থ সাহায্যৰ ১২৫,০০০/- টকা এটা কম্পিউটাৰ ক্ৰয় কৰাৰ লগতে ২৫,০০০/- টকা, কম্পিউটাৰটো সঠিককৈ ৰখাৰ বাবে এটা সু-সজ্জিত কোঠালি নিৰ্মাণৰ বাবে ধাৰ্য্য কৰা আছিল। অধ্যক্ষই তথ্য-প্ৰযুক্তি অনুদানৰ সমুদায় ধন গ্ৰন্থাগাৰত ব্যয় কৰিছিল। সম্ভৱতঃ নগাঁও মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰতেই, অসমৰ মহাবিদ্যালয় গ্ৰন্থাগাৰসমূহৰ ভিতৰত প্ৰথমেই কম্পিউটাৰ সংযোজিত কৰা হৈছিল।

জ্ঞান-পিপাসু, প্ৰতিষ্ঠাপক অধ্যক্ষ যজ্ঞেশ্বৰ শৰ্মাৰ বদান্যতাৰ কাৰণেই নগাঁও মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰটোৱে বৌদ্ধিক সমাজৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰিছিল। বিশ্বৰ আপুৰুগীয়া গ্ৰন্থসমূহৰ সবিশেষ তথ্য আৰু প্ৰকাশকসকলৰ নাম-ঠিকনা তেখেতৰ নখদৰ্পণত আছিল। সেই হেতুকে প্ৰাচ্য-পাশ্চাত্যৰ বিশ্ব বৰেণ্য মনীষীসকলৰ জীৱনজোৰা সাধনাৰ ফলশ্ৰুতিত সৃষ্টি হোৱা অমূল্য গ্ৰন্থসমূহে নগাঁও মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰ অলংকৃত কৰিবলৈ সক্ষম হৈছিল। এই অমূল্য গ্ৰন্থসমূহৰ ভিতৰত মেক্সমূলাৰ, পি ভি কানে, এম আৰ কালেৰ উপৰি বিশ্বৰ প্ৰখ্যাত চিত্ৰ-ভাস্কৰ্য্য শিল্পীসকলৰ কালজয়ী সৃষ্টি সমূহে গ্ৰন্থাগাৰটোক এক সুকীয়া মাত্ৰা প্ৰদান কৰিবলৈ সক্ষম হৈছে। উপৰিউক্ত গ্ৰন্থসমূহৰ বাহিৰেও গৱেষণা তথা জ্ঞান অন্বেষণৰ প্ৰয়োজনমূলক উৎসসমূহৰ লগতে প্ৰসঙ্গ-পুথিৰ আকৰ হিচাপে আমাৰ গ্ৰন্থাগাৰটো চিহ্নিত কৰিব পাৰি।

তদানীন্তন গ্ৰন্থাগাৰিক, শ্ৰদ্ধেয় ৰেৱ বৰাদেৱে নগাঁও মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰটো পৰিকল্পিতভাৱে শৃংখলিত কৰিছিল যদিও গ্ৰন্থাগাৰ আৰু তথ্য বিজ্ঞানৰ আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ বৰ্গীকৰণ/সূচকাংক ক'ড প্ৰয়োগ কৰা নাছিল। সেইহেতুকে এই নিৱন্ধৰ লেখকে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছত, ইতিমধ্যে সংগৃহীত প্ৰায় চল্লিশ হাজাৰ কিতাপ ডিইউ ডেচিমেল ক্লাচিফিকেশ্বন ক'ড (সংস্কৰণ ২১) অনুসৰি বৰ্গীকৰণ তথা পুনৰবিন্যাস কৰাৰ প্ৰয়োজন হৈছিল।

১৯৯৭ চনৰ প্ৰাৰম্ভতে শ্ৰীযুত মহেন্দ্ৰ আহোম নগাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ পদত অধিষ্ঠিত হৈছিল। অধ্যক্ষ আহোম ছাৰৰ কৰ্ম-সংস্কৃতি কিছু ব্যতিক্ৰমধৰ্মী আছিল। তেখেতে গ্ৰন্থাগাৰত থকা কম্পিউটাৰটোৰ সদ ব্যৱহাৰৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছিল। ফলস্বৰূপে মহাবিদ্যালয়ৰ টাইপ মেচিনৰ দ্বাৰা কৃত সকলো কাম এই লেখকৰ জড়িয়তে সম্পন্ন কৰিছিল। আনকি মহাবিদ্যালয়ৰ পৰীক্ষাৰ প্ৰশ্ন কাকত গ্ৰন্থাগাৰতেই প্ৰস্তুত কৰা হৈছিল। ইয়াৰ ফলত মহাবিদ্যালয়ৰ কাম-কাজৰ গতিশীলতা বঢ়াৰ উপৰি এক নব্য ধাৰণাৰ উন্মেষ ঘটিছিল। সমান্তৰালভাৱে ১৯৯৭-২০০১ চনৰ ভিতৰত, নগাঁও মহাবিদ্যালয় গ্ৰন্থাগাৰত তথ্য-প্ৰযুক্তিৰ প্ৰয়োগৰ প্ৰাৰম্ভিক তথা কাৰ্য্যকৰী জ্ঞান আহৰণৰ বাবে নিৰন্ধ লেখকক অসমৰ বাহিৰত প্ৰশিক্ষণ ল'বলৈ প্ৰেৰণ কৰিছিল। যিয়ে নগাঁও মহাবিদ্যালয় গ্ৰন্থাগাৰত তথ্য-প্ৰযুক্তিৰ শেহতীয়া

কৌশল প্ৰয়োগ কৰাত যথেষ্ট সহায়ক হৈছিল।

আনহাতে অধ্যক্ষ আহোম ছাৰৰ কাৰ্যকালত গ্ৰন্থাগাৰৰ বেংক একাউন্টত প্ৰায় ওঠৰ লাখ টকা সঞ্চয় কৰা হৈছিল। উপৰোক্ত সঞ্চিত ধনেৰে প্ৰয়োজনীয় হাৰ্ডৱেৰ আৰু চফ্টৱেৰ ক্ৰয়েৰে গ্ৰন্থাগাৰৰ অটোমেশ্চনৰ এক সু-পৰিকল্পিত পৰিকাঠামো প্ৰস্তুত কৰা হৈছিল। ইতিমধ্যে সহকাৰী গ্ৰন্থাগাৰিক শ্ৰীযুত লীলাম চন্দ্ৰ নাথে চাকৰিৰপৰা অৱসৰ গ্ৰহণ কৰাত, তেখেতৰ স্থানত শ্ৰীমতী অনুৰাধা দেৱীয়ে সহকাৰী গ্ৰন্থাগাৰিক হিচাপে যোগদান কৰে।

আহোম ছাৰে পদত্যাগ কৰাৰ প্ৰায় তিনি বছৰ পাছত, ড° খৰ্গেশ্বৰ ভূঞা ছাৰে নগাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰিছিল। ২০05 চনৰপৰা ২০১১ চনলৈ, অধ্যক্ষ ভূঞা ছাৰৰ কালছোৱাত নগাঁও মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰটোৱে তথ্য-প্ৰযুক্তিৰ নৱ-সংযোজনেৰে সমৃদ্ধিশালী হৈ পৰিছিল। এই কালছোৱাত গ্ৰন্থাগাৰৰ সকলোধৰণৰ কাম-কাজ নিৰ্ধাৰিত চফ্টৱেৰৰ জৰিয়তে সম্পন্ন কৰিব পৰা হৈছিল।

২০১২ চনৰ প্ৰথম দিনটোতেই বৰ্তমানৰ অধ্যক্ষ ড° শৰৎ বৰকটকী ছাৰে নগাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ পদ অলংকৃত কৰে। এখেতৰ কাৰ্যকালৰ প্ৰথম বৰ্ষতেই গ্ৰন্থাগাৰ খোলা ৰখাৰ নিৰ্ধাৰিত সময়ৰ উপৰি অতিৰিক্ত তিনি ঘন্টা সময় পঢ়ুৱৈৰ বাবে খোলা ৰখাৰ ব্যৱস্থা কৰা হৈছিল। ডিজিটেল লাইব্ৰেৰী, গ্ৰন্থাগাৰত ব্যৱহৃত হাৰ্ডৱেৰ আৰু চফ্টৱেৰ উন্নীতকৰণ, ডেলনেট, ট্ৰেকিং চিষ্টেম ইত্যাদিৰ সংযোজন, অধ্যক্ষ বৰকটকী ছাৰৰ কাৰ্যকালৰ এক উল্লেখনীয় দিশ।

নগাঁও মহাবিদ্যালয় গ্ৰন্থাগাৰৰ আন এটা বৈশিষ্ট্য হ'ল - পাঠ্য-পুথিৰ তুলনাত প্ৰসঙ্গ পুথিৰ সংখ্যা অধিক। 'অপেন একচেচ' পদ্ধতিত গ্ৰন্থাগাৰ পৰিচালিত হোৱা বাবে ছাত্ৰ-ছাত্ৰীসকলে বিনাদ্বিধাই নিজৰ পচন্দ তথা প্ৰয়োজন অনুসৰি গ্ৰন্থৰ আদান-প্ৰদান কৰিব পাৰে। কোনোধৰণৰ বাধ্য-বাধকতা আৰোপ নকৰি, গ্ৰন্থাগাৰটোৰ ক্ষতি নোহোৱাকৈ নিৰ্ধাৰিত কাৰ্ডৰ বিপৰীতে কিতাপ-পত্ৰৰ আদান-প্ৰদান কৰা হয়।

একচেচন ৰেজিষ্টাৰ অনুসৰি বৰ্তমান গ্ৰন্থাগাৰৰ সৰ্বমুঠ কিতাপৰ সংখ্যা হ'ল ৫৯,২০৯ খন। আঞ্চলিক, ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ৰ, বিভিন্ন ভাষাৰ আলোচনী (সাধাৰণ তথা গৱেষণামূলক) আৰু বাতৰিকাকতৰ সংখ্যা ক্ৰমান্বয়ে ১৬ আৰু ১৮ খন নিয়মীয়াকৈ ক্ৰয় কৰা হয়। গুৰুত্ব অনুযায়ী কিছু সংখ্যক আলোচনী আৰু বাতৰিকাকত পঢ়ুৱৈৰ বাবে সংৰক্ষিত কৰি ৰখা হৈছে। ইয়াৰ উপৰি ১৯৬৮ চনৰ পৰা নগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ সমাজৰ দ্বাৰা প্ৰকাশিত বছৰেকীয়া আলোচনী সংঘবদ্ধ ৰূপত পকা-বন্ধা কৰি ৰখা হৈছে।

বিশ্ববিদ্যালয় অনুদান আয়োগৰ সহযোগত, উচ্চ শিক্ষাৰ মানদণ্ড ত্বৰান্বিত কৰাৰ অৰ্থে স্থাপিত স্বতন্ত্ৰ বিধিসন্মত সংস্থা, 'ইনফলিবনেট'ৰ দ্বাৰা পৰিচালিত "এন-লিষ্ট"ৰ নগাঁও মহাবিদ্যালয় গ্ৰন্থাগাৰ নিয়মীয়া সদস্য। ইয়াত লক্ষাধিক 'ই-বুক' আৰু গৱেষণামূলক আলোচনী আদিৰ অফুৰন্ত ভাণ্ডাৰ সংৰক্ষিত হৈ আছে। এই সদস্যভুক্ত ছাত্ৰ-ছাত্ৰী তথা শিক্ষক সমাজে নিৰ্ধাৰিত 'পাচৱৰ্ড'ৰ মাধ্যমেৰে অনায়াসে প্ৰয়োজনীয় শৈক্ষিক সমল আহৰণ কৰিব পাৰে। তদুপৰি ২০১৬ চনৰপৰা নগাঁও মহাবিদ্যালয় গ্ৰন্থাগাৰ 'ডেলনেট'ৰ নিয়মীয়া সদস্য হিচাপে অন্তৰ্ভুক্ত হৈ আছে। ডেলনেটৰ ডাটাবেচত সংগৃহীত যিকোনো তথ্যৰ প্ৰতিলিপি ন্যূনতম মাচুল আদায়ৰ মাধ্যমেৰে সংগ্ৰহ কৰিব পাৰি।

বৰ্তমান নগাঁও মহাবিদ্যালয় গ্ৰন্থাগাৰটো তিনিটা চাৰ্ভাৰ, পোন্ধৰটা ডেক্সটপ কম্পিউটাৰ, দহটা টাৰ্মিনেল, এটা ওভাৰহেড স্কেনাৰ, লেন সংযুক্ত প্ৰিন্টাৰ, বাৰ ক'ড প্ৰিন্টাৰ তথা স্কেনাৰ, ডিজিটেল ফটোষ্টেট সহিতে, তথ্য-প্ৰযুক্তিৰ শেহতীয়া সঁজুলিৰে সমৃদ্ধ। এই সকলোবোৰ সমল "চ'ল", "ডি-স্পেচ", ইত্যাদি চফ্টৱেৰৰ সহায়ত, "লেন" আৰু "ৱাই-ফাই"ৰ উপৰি "ষ্টেটিক আই পি"ৰ সমন্বয়ত গ্ৰন্থাগাৰ

অটোমেশ্বন, ডিজিটেল লাইব্ৰেৰী আৰু ইন্টাৰনেট সেৱাৰ কাম-কাজ পৰিচালনা কৰা হৈছে।

১৩০ খন আসনেৰে সমৃদ্ধ নগাঁও মহাবিদ্যালয় গ্ৰন্থাগাৰৰ অধ্যয়ন কোঠা বেচ আহল-বহল। অধ্যয়ন কোঠাত বাতৰিকাকত, আলোচনী ইত্যাদিৰ উপৰি প্ৰসঙ্গ-পুথিৰ বিভাগটোও সন্নিৱিষ্ট। তদুপৰি একলগে পোন্ধৰ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে ইন্টাৰনেট চাৰ্ফিং কৰাৰ সুবিধাও অধ্যয়ন কোঠাত বিদ্যমান। গ্ৰন্থাগাৰত ইন্টাৰনেট সেৱা গ্ৰহণৰ বিপৰীতে কোনোধৰণৰ অতিৰিক্ত মাচুল প্ৰদান কৰিব নালাগে।

মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰটো উচ্চ শিক্ষা আৰু গৱেষণাৰ প্ৰাণকেন্দ্ৰ ৰূপে আৰু আগবাঢ়ক; তাকে কামনা কৰিলোঁ। ❑

লেখক - গ্ৰন্থাগাৰিক, নগাঁও মহাবিদ্যালয়।

# মহাবিদ্যালয় প্রশাসন

# নগাঁও মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষসকল

| নাম | কাৰ্যকাল |
|---|---|
| যজ্ঞেশ্বৰ শৰ্মা | ১/৮/১৯৪৪ - ৪/৯/১৯৬৮ |
| ফণীলাল দত্ত (ভাৰপ্ৰাপ্ত) | ৫/৯/১৯৬৮ - ২২/১১/১৯৭১ |
| মুহিৰাম শইকীয়া | ২৩/১১/১৯৭১ - ১/১২/১৯৮৫ |
| বুদ্ধেশ্বৰ গোহাঁই (ভাৰপ্ৰাপ্ত) | ২/১২/১৯৮৫ - ৩০/১০/১৯৮৬ |
| প্ৰদীপ শইকীয়া | ৩১/১০/১৯৮৬ - ৩০/১১/১৯৯৬ |
| আব্দুল হেকিম (ভাৰপ্ৰাপ্ত) | ১/১২/১৯৯৬ - ৩১/১২/১৯৯৬ |
| গণেশ চন্দ্ৰ বৰুৱা (ভাৰপ্ৰাপ্ত) | ১/১/১৯৯৭ - ১৭/১/১৯৯৭ |
| মহেন্দ্ৰ আহোম | ১৮/১/১৯৯৭ - ১৬/১২/২০০২ |
| বাবুলাল পাল (ভাৰপ্ৰাপ্ত) | ১৭/১২/২০০২ - ৩১/১০/২০০৩ |
| মানৱেন্দ্ৰ নাগ (ভাৰপ্ৰাপ্ত) | ১/১১/২০০৩ - ২৯/২/২০০৪ |
| অসীমা দেৱ (ভাৰপ্ৰাপ্ত) | ১/৩/২০০৪ - ১০/১১/২০০৪ |
| ৰূপদা কান্ত ভূঞা (ভাৰপ্ৰাপ্ত) | ১১/১১/২০০৪ - ১৯/১১/২০০৪ |
| ড° খৰ্গেশ্বৰ ভূঞা | ২০/১১/২০০৪ - ৩১/১২/২০১১ |
| ড° শৰৎ বৰকটকী | ১/১/২০১২ |

# নগাঁও মহাবিদ্যালয় পৰিচালনা সমিতিৰ মাননীয় সভাপতি আৰু সম্পাদকসকল

| সভাপতি | সম্পাদক | কাৰ্যকাল |
|---|---|---|
| বৃন্দাবন চন্দ্ৰ গোস্বামী | মতিৰাম বৰা, যজ্ঞেশ্বৰ শৰ্মা | ১/৮/৪৪ - ৪/৮/৬৮ |
| মতিৰাম বৰা | ফণীলাল দত্ত | ৫/৯/৬৮ - ২২/১১/৭১ |
| লক্ষেশ্বৰ হাজৰিকা | মুহিৰাম শইকীয়া | ২৩/১১/৭১ - ১/১২/৮৫ |
| ৰত্নকান্ত বৰা | বুদ্ধেশ্বৰ গোহাঁই | ২/১২/৮৫ - ৩০/১০/৮৬ |
| বীৰেন্দ্ৰ নাথ গোহাঁই | প্ৰদীপ শইকীয়া | ৩১/১০/৮৬ - ৩০/১১/৯৬ |
| পাত্ৰেশ্বৰ বসুমতাৰী | আব্দুল হেকিম | ১/১২/৯৬ - ৩১/১২/৯৬ |
| নৃপেন গোস্বামী | মহেন্দ্ৰ আহোম | ১৮/১/৯৭ - ১৬/১২/০২ |
| ৰকিবুল হুছেইন | বাবুলাল পাল | ১৭/১২/০২ - ৩১/১০/০৩ |
| ৰকিবুল হুছেইন | মানবেন্দ্ৰ নাগ | ১/১১/০৩ - ২৯/২/০৪ |
| ৰকিবুল হুছেইন | অসীমা দেৱ | ১/৩/০৪ - ১০/১১/০৪ |
| আলোক গোস্বামী | ড° খৰ্গেশ্বৰ ভূঞা | ২০/১১/০৪ - ৩১/১২/১১ |
| আলোক গোস্বামী, আলিমুজ জামান | ড° শৰৎ বৰকটকী | ১/১/১২ |
| ড° শৰৎ কুমাৰ দত্ত | ড° শৰৎ বৰকটকী | ১/১/১৯ |

# বৰ্তমান পৰিচালনা সমিতিৰ সদস্যসকল

1. Sjt. A. Zaman (President G.B.)
2. Dr. Sarat Borkataki (Principal, Secretary)
3. Rupak Sarma (Hon'ble MLA, Sadar, Nagaon)
4. Alok Goswami (Hon'ble Member, G.B.)
5. Dr. Naren Kalita ((Hon'ble Member G.B.)
6. Partha Sarathi Laskar (Member G.B.)
7. Nabanita Bora (Member G.B.)
8. Dr. Ram Prasad Powrel (Member G.B.)
9. Dr. Shirajul Islam (Member G.B.)
10. Mr. K.R. Bhuyan (Member G.B.)
11. Mr. Uttam Kumar Rai (Member G.B.) N.C.

# নগাঁও মহাবিদ্যালয় শিক্ষক পৰিষদৰ সভাপতি আৰু সম্পাদকসকল

| সভাপতি | সম্পাদক | কাৰ্যকাল |
|---|---|---|
| যজ্ঞেশ্বৰ শৰ্মা (সাহিত্যাচাৰ্য) | মহেশচন্দ্ৰ দেৱ গোস্বামী | ১৯৪৪-১৯৬৪ |
| যজ্ঞেশ্বৰ শৰ্মা | ফণীলাল দত্ত | ১৯৬৪-৬৫ |
| ফণীলাল দত্ত | তগৰ চন্দ্ৰ বৰা | ১৯৬৮-৬৯ |
| মুহিৰাম শইকীয়া | জগত চন্দ্ৰ শৰ্মা | ১৯৭০-৭১ |
| মুহিৰাম শইকীয়া | বসন্ত কুমাৰ ভূঞা | ১৯৭২-৭৩ |
| মুহিৰাম শইকীয়া | আব্দুল হেকিম | ১৯৭৪-৭৫ |
| মুহিৰাম শইকীয়া | ললিত শইকীয়া | ১৯৭৫-৭৬ |
| মুহিৰাম শইকীয়া | অৰুণকান্তি দাস | ১৯৭৯-৮০ |
| মুহিৰাম শইকীয়া | অৰুণ কুমাৰ বৰ্মন | ১৯৮৩-৮৪ |
| মুহিৰাম শইকীয়া | গণেশ গোস্বামী | ১৯৮৪-৮৫ |
| বুদ্ধেশ্বৰ গোহাঁই | মুজিবুৰ ৰহমান | ১৯৮৫-৮৬ |
| প্ৰদীপ শইকীয়া | এন ডি যোচেফ | ১৯৮৬-৮৭ |
| প্ৰদীপ শইকীয়া | বিপুল চন্দ্ৰ কটকী | ১৯৮৭-৮৮ |
| প্ৰদীপ শইকীয়া | যদুনাথ শইকীয়া | ১৯৮৮-৮৯ |
| প্ৰদীপ শইকীয়া | খগেন্দ্ৰ নাথ শৰ্মা | ১৯৮৯-৯০ |
| প্ৰদীপ শইকীয়া | আব্দুল মান্নান ফাৰুকী | ১৯৯০-৯১ |
| প্ৰদীপ শইকীয়া | হৰেশ্বৰ বৰুৱা | ১৯৯১-৯২ |
| নৰেন্দ্ৰ নাথ বৰা | হলিৰাম হাজৰিকা | ১৯৯২-৯৩ |
| গণেশ বৰুৱা | গুণ শইকীয়া | ১৯৯৩-৯৪ |
| শ্বাহ আলম | বলিন শইকীয়া | ১৯৯৪-৯৫ |
| শচীন কাকতি | বিশ্বজিত ভূঞা | ১৯৯৬-৯৭ |
| অৰুণ কান্তি দাস | কামাখ্যাপ্ৰসাদ চৌধুৰী | ১৯৯৭-৯৮ |
| অৰুণ কুমাৰ বৰ্মন | দিলীপ শৰ্মা | ১৯৯৮-৯৯ |
| আব্দুল মান্নান ফাৰুকী | বিশ্বজিত ভূঞা | ১৯৯৯-২০০০ |
| বলিন শইকীয়া | বিশ্বজিত ভূঞা | ২০০০-০১ |
| বলিন শইকীয়া | বিশ্বজিত ভূঞা | ২০০১-০২ |

| | | |
|---|---|---|
| কামাখ্যা প্ৰসাদ চৌধুৰী | শৰৎ বৰকটকী | ২০০৩-০৪ |
| কামাখ্যা প্ৰসাদ চৌধুৰী | শৰৎ বৰকটকী | ২০০৪-০৫ |
| বিজয়া ৰায় চৌধুৰী | ৰঞ্জন ভৰালী | ২০০৫-০৬ |
| আইনুল হক | তোৰ্যেশ্বৰ নাথ | ২০০৬-০৭ |
| চেনীমাই হাজৰিকা | বিশ্বজিত ভূঞা | ২০০৭-১০ |
| গুণ শইকীয়া/ ড° বিভা গোস্বামী | নৰ কুমাৰ মহন্ত | ২০১০-১১ |
| ড° বিভা গোস্বামী/চিৰাজুল আলম | নৰকুমাৰ মহন্ত | ২০১১-১২ |
| চিৰাজুল আলম | ৰাম প্ৰসাদ পওৰেল | ২০১২-১৩ |
| কামাখ্যা প্ৰসাদ চৌধুৰী | ড° মনোজ কুমাৰ নাথ | ২০১৩-১৪ |
| বিশ্বজিত ভূঞা | ড° চিন্তামণি শৰ্মা | ২০১৪-১৫ |
| হলিৰাম হাজৰিকা | ড° চিন্তামণি শৰ্মা | ২০১৫-১৬ |
| ড° দিলীপ শৰ্মা | ড° সঞ্জয় দে | ২০১৬-১৭ |
| ড° দিলীপ শৰ্মা | ড° সঞ্জয় দে | ২০১৭-১৮ |
| ড° ৰঞ্জন ভৰালী | শৈলেন শৰ্মা | ২০১৮-১৯ |

# নগাঁও মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত/অব্যাহতি লোৱা অধ্যাপক/অধ্যাপিকাসকল

| নাম | কাৰ্যকাল |
|---|---|
| সাহিত্যচাৰ্য যজ্ঞেশ্বৰ শৰ্মা (অধ্যক্ষ) | ১/৮/১৯৪৪ - ৪/৯/১৯৬৮ |
| আব্দুল হাই | ১১/৯/১৯৪৮ - ৫/১/১৯৬৫ |
| নিৰ্মল চন্দ্ৰ চামাদ্দাৰ | ৭/৮/১৯৪৪ - ৬/১২/১৯৭২ |
| সমৰেন্দ্ৰ নাৰায়ণ চক্ৰৱৰ্তী | ৩/৯/১৯৪৫ - ৩১/১/১৯৭৭ |
| আচমত উল্লাহ | ১২/৭/১৯৫১ - ৩১/৩/১৯৭৭ |
| ৰাধিকা ৰঞ্জন চৌধুৰী | ২৮/১১/১৯৪৮ - ৩১/৩/১৯৭৭ |
| পূৰ্ণেশ্বৰ বৰদলৈ | ৫/১০/১৯৫৫ - ১৮/৫/১৯৭৭ |
| কামাখ্যা পণ্ডিত | ১১/৭/১৯৪৭ - ৩১/১২/১৯৭৮ |
| ফণীলাল দত্ত (উপাধ্যক্ষ) | ৪/৮/১৯৪৪ - ৩১/৭/১৯৭৯ |
| প্ৰফুল্ল চন্দ্ৰ শৰ্মা কটকী | ২৩/১১/১৯৫২ - ২/৫/১৯৮৪ |
| বিমল চন্দ্ৰ বৰা | ১/১১/১৯৬২ - ১৮/৭/১৯৮৪ |
| দিনেশ চন্দ্ৰ দত্ত (উপাধ্যক্ষ) | ৫/৮/১৯৫০ - ২৮/২/১৯৮৫ |
| কমল চন্দ্ৰ গোস্বামী (উপাধ্যক্ষ) | ১৭/১১/১৯৫২ - ৩১/৩/১৯৮৫ |
| মুহিৰাম শইকীয়া (অধ্যক্ষ) | ২৩/১১/১৯৭১ - ১/১২/১৯৮৫ |
| সুৰেন্দ্ৰ চন্দ্ৰ ভূঞা | ৪/১২/১৯৫৬ - ১১/১/১৯৮৬ |
| ড° সৰ্বেশ্বৰ ৰাজগুৰু | ১৪/১/১৯৫৯ - ১/৪/১৯৮৬ |
| বসন্ত ভূঞা | ৭/১২/১৯৫৪ - ১/৪/১৯৮৬ |
| হবিবুৰ ৰহমান | ১/৭/১৯৫৮ - ২৮/২/১৯৮৭ |
| ভগৱান বৰুৱা | ২৬/১১/১৯৫৪ - ২৮/২/১৯৮৭ |
| সাহিত্যাচাৰ্য মহিম বৰা | ২৩/৮/১৯৫৪ - ২৮/২/১৯৮৭ |
| ড° প্ৰদীপ শৰ্মা | ৭/৫/১৯৭৮ - ৬/৯/১৯৮৭ |
| গণেশ চন্দ্ৰ গোস্বামী | ২৯/৯/১৯৫৮ - ৩০/৯/১৯৮৭ |
| বুদ্ধেশ্বৰ গোহাঁই (উপাধ্যক্ষ) | ২৩/১১/১৯৫৩ - ২৯/২/১৯৮৮ |
| জগত চন্দ্ৰ শৰ্মা | ১২/১১/১৯৫৭ - ৩১/৩/১৯৮৯ |
| তগৰ চন্দ্ৰ বৰা | ১০/৮/১৯৬১ - ২৮/৬/১৯৮৯ |
| ভানু দেৱী | ৪/১২/১৯৬১ - ১/১০/১৯৮৯ |
| ললিত চন্দ্ৰ শইকীয়া | ১০/১১/১৯৫৫ - ৩১/১২/১৯৮৯ |
| তাৰিণীপ্ৰসাদ শৰ্মা | ১৪/৮/১৯৫৮ - ২৯/২/১৯৯২ |

| | |
|---|---|
| নৰেন্দ্ৰ নাথ বৰা | ১৬/১১/১৯৬৭ - ৩/৭/১৯৯৩ |
| মানিক চন্দ্ৰ বৰা | ১৩/১১/১৯৬১ - ৩১/৩/১৯৯৪ |
| হৰেশ্বৰ বৰুৱা | ১/২/১৯৬২ - ৩০/৪/১৯৯৪ |
| চন্দ্ৰপ্ৰভা দেৱী | ৬/৫/১৯৫৮ - ২৮/২/১৯৯৫ |
| মনমোহন দাস | ১৫/৯/১৯৬২ - ৩১/১০/১৯৯৫ |
| শ্বাহ আলম | ১০/৫/১৯৬৩ - ৫/৯/১৯৯৬ |
| দীপালি ৰাজখোৱা | ১/৭/১৯৮৭ - ৭/৯/১৯৯৬ |
| ড° আজিজ খান | ২/১২/১৯৬৯ - ২১/১১/১৯৯৬ |
| প্ৰদীপ শইকীয়া (অধ্যক্ষ) | ৩১/১০/১৯৮৬ - ৩০/১১/১৯৯৬ |
| আব্দুল হেকিম (উপাধ্যক্ষ) | ৯/৯/১৯৬১ - ৩১/১২/১৯৯৬ |
| শচীন কাকতি | ২৩/৭/১৯৬৩ - ২৮/২/১৯৯৮ |
| গণেশ চন্দ্ৰ বৰুৱা | ২০/৪/১৯৬৩ - ২৮/২/১৯৯৯ |
| মুনীন্দ্ৰনাথ মহন্ত | ১৪/১১/১৯৬৬ - ৩০/৩/১৯৯৯ |
| উমেশ চন্দ্ৰ শৰ্মা | ১৮/৭/১৯৬৩ - ৩১/১২/১৯৯৯ |
| দ্বিজেন দাস | ৪/৯/১৯৬৭ - ২৯/৯/২০০০ |
| ড° জীৱন কৃষ্ণ দেৱনাথ | ১/৯/১৯৭১ - ৩০/৯/২০০০ |
| অৰুণকান্তি দাস | ১৭/১০/১৯৬৬ - ৩১/১০/২০০০ |
| খগেন চন্দ্ৰ শৰ্মা | ১/৯/১৯৬৯ - ৩০/৪/২০০১ |
| মুৰুলীধৰ নাথ | ৪/১০/১৯৬৪ - ৩০/১০/২০০১ |
| অৰুণ কুমাৰ বৰ্মন | ২৯/৯/১৯৬৬ - ২৮/২/২০০২ |
| প্ৰণৱ কুমাৰ শৰ্মা | ১২/৮/১৯৬৫ - ২৮/২/২০০২ |
| ড° সৰ্বেশ্বৰ বৰঠাকুৰ | ২১/৯/১৯৭০ - ৩১/৭/২০০২ |
| জিতেন্দ্ৰ নাথ বৰা | ৩/১১/১৯৬৭ - ৩১/১০/২০০২ |
| মহেন্দ্ৰ আহোম (অধ্যক্ষ) | ১৪/১/১৯৯৭ - ১৬/১২/২০০২ |
| ড° বিনয় ভূষণ পাল | ২৮/১১/১৯৬৬ - ২৮/২/২০০৩ |
| আব্দুল কৰিম | ১৪/১১/১৯৬৮ - ৩১/৩/২০০৩ |
| ড° বলদেৱ শৰ্মা | ৬/৩/১৯৬৯ - ২৬/৫/২০০৩ |
| মুজিবুৰ ৰহমান | ১৬/৭/১৯৭০ - ৩১/৮/২০০৩ |
| বাবুলাল পাল (উপাধ্যক্ষ) | ২৯/৯/১৯৬৬ - ৩১/১০/২০০৩ |
| যদুনাথ শইকীয়া | ১/৯/১৯৭১ - ৩১/১/২০০৪ |
| মানৱেন্দ্ৰ নাগ (উপাধ্যক্ষ) | ১৪/১১/১৯৬৬ - ২৯/২/২০০৪ |
| ৰমেন্দ্ৰ নাথ বৰা | ৪/৯/১৯৬৪ - ২৯/২/২০০৪ |
| প্ৰভাত চন্দ্ৰ কাকতি | ১/৯/১৯৭০ - ২৯/২/২০০৪ |
| ড° শৰৎ কুমাৰ দত্ত | ৪/৪/১৯৮৮ - ২৮/২/২০০৫ |
| মঃ চালেহ | ১৭/১০/১৯৬৬ - ২৮/২/২০০৫ |

| | |
|---|---|
| বলিন চন্দ্ৰ শইকীয়া | ২৭/৮/১৯৬৮ - ৩১/১/২০০৬ |
| নিৰ্মল চন্দ্ৰ গগৈ | ১/১/১৯৭৩ - ২৮/২/২০০৬ |
| আব্দুল মান্নান ফাৰুকী | ১/১১/১৯৭১ - ২৮/২/২০০৬ |
| এন ডি যোচেফ | ১/২/১৯৭৭ - ৩০/৪/২০০৬ |
| ৰূপদাকান্ত ভূঞা | ২৩/১১/১৯৭০ - ২৮/২/২০০৭ |
| অপূৰ্ব কুমাৰ বৰা | ১/১/১৯৮৫ - ৩০/৬/২০০৭ |
| অজিত চন্দ্ৰ ডেকা | ১/৭/১৯৭৮ - ৩১/৮/২০০৭ |
| অনুজ বৰকাকতী | ১/১/১৯৭৩ - ৩১/১/২০০৮ |
| অসীমা দেৱ (উপাধ্যক্ষ) | ১/৯/১৯৬৯ - ৩১/১২/২০০৮ |
| বেণু গোস্বামী | ২৯/১/১৯৮৭ - ৩০/৬/২০০৯ |
| ইন্দু দাস | ১/৯/১৯৭১ - ৩১/৮/২০০৯ |
| বিজয়া ৰায় চৌধুৰী | ১/৯/১৯৭৪ - ৩১/১২/২০০৯ |
| বিপুল চন্দ্ৰ কটকী (উপাধ্যক্ষ) | ১/১/১৯৭৩ - ৩১/৩/২০১০ |
| হেম শৰ্মা | ১৫/১০/১৯৯০ - ১০/৯/২০১০ |
| চেনীমাই হাজৰিকা (উপাধ্যক্ষ) | ১/৭/১৯৭৭ - ৩১/৩/২০১১ |
| ড° খৰ্গেশ্বৰ ভূঞা (অধ্যক্ষ) | ২০/১১/২০০৪ - ৩১/১২/২০১১ |
| পৱন চন্দ্ৰ শইকীয়া | ২০/৫/১৯৮৬ - ৩০/৯/২০১২ |
| গুণ শইকীয়া | ৬/৯/১৯৭৭ - ৩১/৩/২০১৩ |
| মঞ্জুমণি কলিতা | ১/১/১৯৮৩ - ১২/৮/২০১৩ |
| প্ৰবীণ কুমাৰ বৰা | ১/২/১৯৭৯ - ৩১/১/২০১৪ |
| ড° বিভা গোস্বামী | ১/১/১৯৮৩ - ৩১/৩/২০১৪ |
| আইনুল হক | ৬/২/১৯৮২ - ৩১/১/২০১৫ |
| কামাখ্যা প্ৰসাদ চৌধুৰী (উপাধ্যক্ষ) | ৭/৫/১৯৭৭ - ৩১/১/২০১৫ |
| চেনীৰাম বৈদ্য (উপাধ্যক্ষ) | ১৪/৫/১৯৭৯ - ৩১/৭/২০১৫ |
| ড° লীলাৱতী দাস | ৫/১১/১৯৮৩ - ৩১/৮/২০১৫ |
| ড° সমীৰুদ্দিন আহমেদ | ১/২/১৯৭৯ - ৩০/১১/২০১৫ |
| চিৰাজুল আলম | ১১/২/১৯৮৮ - ৩০/১১/২০১৫ |
| ড° মানিক কৰ | ১/১/১৯৮৪ - ৩১/৩/২০১৬ |
| ড° জয়শ্ৰী শইকীয়া | ১/১/১৯৮৪ - ৩১/১২/২০১৬ |
| অপৰাজিতা তামুলী ফুকন (উপাধ্যক্ষ) | ১২/৯/১৯৭৯ - ২৮/২/২০১৭ |
| হলিৰাম হাজৰিকা | ১৫/৯/১৯৮৪ - ৩১/৫/২০১৭ |
| ড° গিৰিকান্ত গোস্বামী | ১/৯/১৯৮৬ - ৩১/৭/২০১৭ |
| ড° নীলাক্ষি শইকীয়া | ১/১০/১৯৮২ - ৩১/৮/২০১৭ |
| স্বৰ্ণ শইকীয়া | ২৬/৪/১৯৮৫ - ৩১/১/২০১৮ |
| ড° তোষেশ্বৰ নাথ | ১৬/১১/১৯৮৮ - ৩১/৩/২০১৮ |

# নগাঁও মহাবিদ্যালয়
# ছাত্ৰ একতা সভাৰ উপ-সভাপতিসকল

| নাম | বৰ্ষ |
|---|---|
| ধৰ্মপ্ৰসাদ ভট্ট | ১৯৮১-৮২ |
| পবিত্ৰ প্ৰাণ শৰ্মা | ১৯৮২-৮৩ |
| বিজয় বৰঠাকুৰ | ১৯৮৩-৮৪ |
| ত্ৰিলোচন বৰা | ১৯৮৪-৮৫ |
| সুৰজিৎ গোস্বামী | ১৯৮৫-৮৬ |
| আশীষ কুমাৰ শৰ্মা | ১৯৮৬-৮৭ |
| প্ৰাঞ্জল ভৰালী | ১৯৮৭-৮৮ |
| ৰাজু গোস্বামী | ১৯৮৮-৮৯ |
| হিৰণ্য মহন্ত | ১৯৮৯-৯০ |
| ৰাজীব কুমাৰ বৰা | ১৯৯১-৯২ |
| দীপাংকৰ ৰায় | ১৯৯২-৯৩ |
| নৱজ্যোতি শইকীয়া | ১৯৯৩-৯৪ |
| অৰুণ কুমাৰ সিং | ১৯৯৪-৯৫ |
| ভাস্কৰজ্যোতি গোস্বামী | ১৯৯৫-৯৬ |
| ইক্ৰাম হুছেইন | ১৯৯৭- ৯৮ |
| ভাস্কৰজ্যোতি বৰুৱা | ১৯৯৯-২০০০ |
| অঞ্জনমণি বৰুৱা | ২০০০-০১ |
| সুনীল বৰা | ২০০১-০২ |
| লক্ষ্যজ্যোতি শইকীয়া | ২০০২-০৩ |
| কৰুণা সিনহা | ২০০৩-০৪ |
| ৰাহুলদেৱ গোস্বামী | ২০০৫-০৬ |
| দীপমণি বৰা | ২০০৬-০৭ |
| হেমন্ত মাধৱ বৰা | ২০০৭-০৮ |
| জ্যোতিস্মান বৰা | ২০০৮-০৯ |
| সুমন শইকীয়া | ২০০৯-১০ |
| মৃদুপৱন গায়ন | ২০১০-১১ |

| | |
|---|---|
| পাৰ্শ্বজ্যোতি দাস | ২০১১-১২ |
| দেবব্ৰত হাজৰিকা | ২০১২-১৩ |
| অৰূপজ্যোতি নাথ | ২০১৩-১৪ |
| পংকজ শইকীয়া | ২০১৪-১৫ |

## নগাঁও মহাবিদ্যালয়
## ছাত্ৰ একতা সভাৰ সভাপতিসকল

| নাম | বৰ্ষ |
|---|---|
| অক্ষয়জ্যোতি কটকী | ২০১৫-১৬ |
| গৌতম বৰা | ২০১৬-১৭ |
| বিটু সৰকাৰ | ২০১৭-১৮ |
| আইয়াছ আহমেদ (মহাৰজত জয়ন্তী বৰ্ষ) | ২০১৮-১৯ |
| অংগৰাগ শাণ্ডিল্য | ২০১৯-২০ |

# নগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকসকল

| নাম | বৰ্ষ |
|---|---|
| প্ৰবোধ বৰা | ১৯৬৯-৭০ |
| অনিল শৰ্মা | ১৯৭০-৭১ |
| শ্বহীদ অনিল বৰা (মাধ্যম আন্দোলন) | ১৯৭১-৭২ |
| ভূৱন চন্দ্ৰ কাকতি | ১৯৭২-৭৩ |
| গৌতম বৰা | ১৯৭৩-৭৪ |
| ধৰণি বৰা | ১৯৭৪-৭৫ |
| বিভু ভৰালী (ভাৰপ্ৰাপ্ত) | ১৯৭৫-৭৬ |
| বিশ্বজিত বৰদলৈ (মনোনীত), শিৱানন্দ কাকতি (ভাৰপ্ৰাপ্ত) | ১৯৭৬-৭৭ |
| অহিদুৰ জামান | ১৯৭৭-৭৮ |
| গিৰিন্দ্ৰ কুমাৰ বৰুৱা | ১৯৭৮-৭৯ |
| শৰৎ বৰকটকী | ১৯৭৯-৮১ |
| অজিত সিংহ | ১৯৮১-৮২ |
| বিজয় কুমাৰ বৰঠাকুৰ | ১৯৮২-৮৩ |
| চিমল দেউৰী | ১৯৮৩-৮৪ |
| সুৰজিৎ গোস্বামী | ১৯৮৪-৮৫ |
| পীতাম্বৰ শইকীয়া | ১৯৮৫-৮৬ |
| ৰঞ্জিত নাথ | ১৯৮৬-৮৭ |
| অভিজিৎ শৰ্মা | ১৯৮৭-৮৮ |
| অমৰজিৎ গোস্বামী | ১৯৮৮-৮৯ |
| ভৱেশ কুমাৰ শইকীয়া | ১৯৮৯-৯০ |
| ৰাতুল কুমাৰ নাথ (ভাৰপ্ৰাপ্ত) | ১৯৯০-৯১ |
| দীপু হাজৰিকা | ১৯৯১-৯২ |
| ৰঞ্জন বৰকাকতী (সোণালী জয়ন্তী বৰ্ষ) | ১৯৯২-৯৩ |
| মহেন্দ্ৰ কোঁৱৰ (সোণালী জয়ন্তী বৰ্ষ) | ১৯৯৩-৯৪ |
| মানৱজ্যোতি ভট্টাচাৰ্য | ১৯৯৪-৯৫ |

| | |
|---|---|
| চন্দ্ৰভানু ভূঞা | ১৯৯৫-৯৬ |
| অংকুৰ বৰা | ১৯৯৭-৯৮ |
| বেদব্ৰত শৰ্মা | ১৯৯৯-২০০০ |
| চন্দ্ৰশেখৰ শৰ্মা | ২০০০-০১ |
| বিমলেশ তালুকদাৰ | ২০০১-০২ |
| মুন কুমাৰ বৰা, (হীৰক জয়ন্তী বৰ্ষ) | |
| বিৰিঞ্চি বৰা (ভাৰপ্ৰাপ্ত) (হীৰক জয়ন্তী বৰ্ষ) | ২০০২-০৩ |
| মৌচুম দাস | ২০০৩-০৪ |
| হৰেন দলে | ২০০৫-০৬ |
| ৰজত বৰদলৈ | ২০০৬-০৭ |
| অভিজিৎ বৰা | ২০০৭-০৮ |
| ৰাজপল্লৱ সাহা | ২০০৮-০৯ |
| হৃদয়জিৎ বৰা | ২০০৯-১০ |
| যুক্তিসিদ্ধ বৰকাকতি | ২০১০-১১ |
| নৰজ্যোতি ডেকা | ২০১১-১২ |
| সুৰুজ ফুকন | ২০১২-১৩ |
| ৰুবুল কাকতি | ২০১৩-১৪ |
| হীৰকজ্যোতি বৰা | ২০১৪-১৫ |
| লক্ষীৰঞ্জন কাকতি | ২০১৫-১৬ |
| দ্বীপজ্যোতি মণ্ডল | ২০১৬-১৭ |
| দীপাঙ্কৰ দাস | ২০১৭-১৮ |
| কীৰ্তিকমল বৰা (মহাৰজত জয়ন্তী বৰ্ষ) | ২০১৮-১৯ |
| নিৰঞ্জন বৰা (মহাৰজত জয়ন্তী বৰ্ষ) | ২০১৯-২০ |

# Platinum Jubilee Celerabration Committee
# Nowgong College

**Chief Patron :**

Sjt. Sarbananda Sonowal, Honourable Chief Minister of Assam

**Patron :**

1. Sjt. Rajen Gohain, Honourable Former MoS, Railway, Gvt. Of India
2. Dr. Himanta Biswa Sarma, Honourable PWD Minister, Gvt of Asasm
3. Sjt. Siddhartha Bhattacharya, Honourable Education Minister, Gvt of Asasm
4. Sit Keshab Mahanta, Honourable Minister, Water Resource Deptt, Assam
5. Sjt. Hitendra Nath Goswami, Honourable Speaker, Assam Legislative Assembly
6. Sjt. Gaurav Gogoi, Member of Parliament, Koliabor Constituency
7. Sjt Prafulla Kumar Mahanta, Former Chief Minister of Assam & MLA Barhampur Constituency
8. Sjt. Rockybul Hussain, MLA, Samaguri Constituency
9. Sjt. Nurul Huda, MLA, Rupahi Constituency
10. Smt. Angurlata Deka, MLA, Batadroba Constituency
11. Sjt. Aminul Islam, MLA, Dhing Constituency
12. Sjt. Dimbeswar Das, MLA Raha Constituency.
13. Dr. Mridul Kumar Hazarika, Vice Chancellor, Gauhati University
14. Dr. Kandarpa Deka, Vice Chancellor, Mahapurush Srimanta Shankadev University.
15. Dr. Hitesh Deka, Vice Chancellor KKHSO University
16. Honourable Director, Higher Education, Assam
17. Honourable Deputy Commissioner, Nagaon
18. Honourable Superintendent of Police, Nagaon
19. Honourable Inspector of Schools, Nagaon
20. Dr. Naren Kalita, Member Governing Body
21. Sjt Girish Bhuyan, Member Governing Body
22. Smt. Sewali Bora, Member Governing Body
23. Smt. Nabanita Saikia Bora, Member Governing Body
24. Sjt. Gautam Bora

**Advisors :**

1. Sjt. Hrishikesh Goswami, Press Advisor to Chief Minister of Assam
2. Sjt. Rangbong Terrang, Former President Assam Sahitya Sabha
3. Sjt. Mahendra Ahom, Former Principal Nowgong College
4. Dr. Khargeswar Bhuyan, Former Principal Nowgong College

5. Sjt. Abdul Hekim, Rtd Teacher Nowgong College
6. Sjt. Ganesh Ch. Baruah, Rtd Teacher Nowgong College
7. Sjt. Manabendra Nag, Rtd Teacher Nowgong College
8. Smt. Ashima Dev, Rtd Teacher Nowgong College
9. Smt. Chandra Prabha Devi, Rtd Teacher Nowgong College
10. Smt. Chenimai Hazarika, Rtd Teacher Nowgong College
11. Sjt. Bipul Chandra Kataki, Rtd Teacher Nowgong College
12. Sjt. N.D. Joseph, Rtd Teacher Nowgong College
13. Sjt. Abdul Karim, Rtd Teacher Nowgong College
14. Sjt. Abdul Mannan Faruque, Rtd Teacher Nowgong College
15. Sjt. Ainul Haque, Rtd Teacher Nowgong College
16. Smt. Aparajita Tamuli Phukan, Rtd Teacher Nowgong College
17. Smt. Benu Goswami, Rtd Teacher Nowgong College
18. Sjt. Guna Saikia, Rtd Teacher Nowgong College
19. Dr. Manik kar, Rtd Teacher Nowgong College
20. Sjt. Cheniram Baidya, Rtd Teacher Nowgong College
21. Sjt. Rupada Kanta Bhuyan, Rtd Teacher Nowgong College
22. Sjt. Prabhat Kakati, Rtd Teacher Nowgong College
23. Sjt. Onuj Borkataki, Rtd Teacher Nowgong College
24. Sjt. Balin Chandra Saikia, Rtd Teacher Nowgong College
25. Dr. Girikanta Goswami, Rtd Teacher Nowgong College
26. Dr. Jayshree Saikia, Rtd Teacher Nowgong College
27. Dr. Bibha Goswami, Rtd Teacher Nowgong College
28. Dr. Nilakshi Saikia, Rtd Teacher Nowgong College
29. Sjt. Sirajul Alom, Rtd Teacher Nowgong College
30. Dr. Lilawati Das, Rtd Teacher Nowgong College
31. Dr. Jiban Krishna Debnath. Rtd Teacher Nowgong College
32. Sjt. Prabhat Chandra Kakati, Rtd Teacher Nowgong College
33. Sjt. Sachindra Kakati, Rtd Teacher Nowgong College
34. Sjt. Paban Saikia, Rtd Teacher Nowgong College
35. Sjt. Haliram Hazarika, Rtd Teacher Nowgong College
36. Smt. Swarna Saikia, Rtd Teacher Nowgong College
37. Sjt. Shah Alom, Rtd Teacher Nowgong College
38. Sjt. Kamakhya Prasad Chaudhury, Rtd Teacher Nowgong College
39. Sjt. Mujibur Rahman, Rtd Teacher Nowgong College
40. Sjt. Prabin Bora, Rtd Teacher Nowgong College
41. Sjt. Nirmal Chandra Gogoi, Rtd Teacher Nowgong College
42. Dr. Samiruddin Ahmed, Rtd Teacher Nowgong College
43. Sjt. Sahajananda Oja.
44. Sjt. Chandamohan Kakati.

45. Sjt. Swapnanil Baruah.
46. Sjt. Sushil Sarma, Judge CBI court
47. Sjt. Prasanta Saikia, Judge
48. Sjt. Ghanashyam Hazarika.
49. Sjt. Shankar Prasad Kakati Borah, IAS
50. Sjt. Sorhab Ali, IAS
51. Dr. Hiranya Chaliha Principal Koliabor College
52. Dr. Lonamoni Boara, Pincipal Samaguri College
53. Dr. Bhubanananda Pattanayak, Principal Rupahi College
54. Dr. Sarat Dutta, Principal Dhing College
55. Dr. Balin Kumar Bhuyan, Principal Nowgong Girls College
56. Dr. Beda Kumar Chaliha, Principal Raha College
57. Dr. Hasmot Ali, Principal Juria College
58. Sjt. Khairul Islam, Principal Katahaguri College
59. Sjt. Luit Hazarika, Principal Hatichong College
60. Principal Nonoi College
61. Dr. Harekrishna Deva Sarma, Principal Kampur College
62. Sjt. Gautam Bora, Former Minister & MLA
63. Sit. Girindra Kr. Baruah, Former MLA
64. Dr. Durlabh Chamua, Former MLA Nagaon Sadar constituency
65. Dr. Debobrata Das, Professor Tezpur University
66. Dr. Partha Pratim Baruah, Professor Gauhati University
67. Dr. Gayatri Goswami, Professor Gauhati University
68. Sjt. Dhruba Kumar Saikia
69. Sjt. Pradyut Borah
70. Sjt. Madhab Sarma
71. Dr. Dhiren Borkataki
72. Sjt. Debabrata Sarma, Advocate
73. Sjt. Prahlad Rai Tudi
74. Dr. Abu Hanifa
75. Sjt. Dhanapad Gharabat
76. Sjt. Shiben Mazumder
77. Sjt. Deben Singh Sahani
78. Sjt Shubhadra Dasgupta
79. Sjt. Mahibuddin Ahmed
80. Sjt. Jakir Hussain
81. Dr. Rajen Saikia.
82. Prof. Tilak Mazumber
83. Sjt. Upen Borkataki
84. Dr. Basanta Saikia

85. Sjt Mukut Bhuyan
86. Sjt. Mukul Saikia
87. Dr. Keshabananda Goswami
88. Sjt. Rajen Sarma
89. Sjt. Kanu Bezbaruah
90. Sjt. Jagya Bezbaruah
91. Sjt. Ratimohan Nath
92. Smt. Najnin Faruque
93. Smt. Rekha Sarma
94. Sjt. Jibeswar Goswami, Rtd Teacher, Gvt. Boys
95. Dr. Saradananda Deva Goswami
96. Dr Chawcharia
97. Sjt. Dipak Mour
98. Sjt. Rajesh Jaiswal
99. Sjt. Sitaram Agarwala
100. Sjt. Pradip Agarwala
101. Sjt. Rajat Bora
102. Dr. Partha Sarathi Baruah
103. Sjt. Manoj Goswami
104. Sjt. Amarendra Bora
105. Sjt. Dilip Saikia
106. Sjt. Nanda Singh, IPS
107. Smt. Dipika Laskar, Principal Gvt. Boys H.S. School
108. Sjt. Narayan Konwar, IAS, Former Teacher Nowgong College
109. Sjt. Dilip Kr.Bora, Principal Ramanuj Junior College
110. Sjt. Parthajit Baruah, Principal Renaissance Junior College
111. Sjt. Mahesh Das
112. Sjt. Sarat Khaund
113. Dr. Arup Saikia, Professor IIT, Guwahati
114. Smt. Bijaya Rai Chaudhuri
115. Smt. Mondakini Baruah, Tezpur University
116. Sjt. Bimal Bora
117. Sjt. Surjit Bhagawati
118. Sjt. Surjit Goswami
119. Sjt. Jyotindra Mohan Goswami
120. Sjt. Surendra Mohan Goswami
121. Sjt. Saumarendra Goswami
122. Sjt. Balin Saikia
123. Sjt. Arun Barman
124. Sjt. Bibhu Bharali

125. Md. Ahidur Jaman
126. Sjt. Ranjit Das
127. Sjt. Trideep Goswami. Jorhat
128. Prashanta Saikia, Retd. Judge,Guwahati High Court

**President**

Sjt. Rupak Sarma, Honourable MLA, Nagaon and President, Alumni Association, Nowgong College.

**Working President**

1. Sjt. Alimuz Zaman, Honourable President, GB, Nowgong College
2. Sjt. Alok Goswami, Honourable Member, GB, Nowgong College

**Vice President**

1. Dr. Ranjan Bharali, VP Nowgong College
2. Dr. Dilip Sarma
3. Dr. Tosheswar Nath, Academic VP Nowgong College
4. Naushad Akhtar Hazarika
5. Muruli Kr. Sarma
6. Luit Bora
7. Luhit Kalita
8. Arup Manna
9. Pitambar Saikia
10. Digen Mahanta
11. Biraj Bordoloi
12. Pranjit Nath
13. Pradip Hazarika
14. Ranjit Tamuli Phukan
15. Padum Rajkhowa
16. Gunada Mahanta
17. Deba Mahanta
18. Bina Sarma
19. Abha Bora
20. Dipti Baruah
21. Dr. Thunu Kalita
22. Arati Devi
23. Pranab Sarma
24. Dharma Kanta Bhattacharjee
25. Sunil Bora
26. Prakash Mahanta

27. Prakash Bora
28. Mohan Bora
29. Palash Pratim Bora
30. Jayanta Borah, ACS
31. Satyajit Bhuyan
32. Gita Bhuyan
33. Palit Borah
34. Rita Gohaign
35. Jyotshna Goswami
36. Doli Bora
37. Rumi Mahanta Bora
38. Rupashree Bora
39. Munindra Goswami
40. Uttam Kr. Rai, Accountant, Nowgong College
41. Ruli Sharma
42. Basanta Barthakur
43. Chandra Hazarika
44. Dilip Bharati
45. Tapan Das
46. Bijay Kr. Borthakur
47. Chimal Deuri
48. Pitambar Saikia
49. Ranjit Nath
50. Dharma Prasad Bhattacharya
51. Prabitra Pran Sarmah
52. Bijay Borthakur
53. Trilochan Bora
54. Surajit Goswami
55. Raju Goswami
56. Hiranya Mahanta
57. Rajib Kr. Bora
58. Dipankar Rai
59. Nabajyoti Saikia
60. Arun Kr. Singh
61. Bhaskar Goswami
62. Md. Ikram Hussain
63. Bhaskar Jyoti Baruah
64. Anjan Moni Baruah
65. Sunil Bora
66. Laksyajyoti Saikia
67. Karuna Sinha
68. Rahul Dev Goswami
69. Dipmoni Bora
70. Hemanta Madhab Bora
71. Jyotisman Bora
72. Suman Saikia
73. Mridupawan Gayan
74. Parshwajyoti Das
75. Debabrata Hazarika
76. Arun Jyoti Nath
77. Pankaj Saikia

**General Secretary :**

Dr. Sarat Borkataki, Principal, Nowgong College

**Trasurer :**

Dr. Krishna Kanta Medhi

**Joint Secretaries :**

1. Dr. Ranjit Kr. Mazinder
2. Biswajit Bhuyan
3. Dr. Chinta Moni Sharma
4. Sapunti Bordoloi
5. Sailen Saikia
6. Mridupawan Bora

**Assistant Secretaries :**

1. Dr. Afjalur Rahman
2. Rishi Vargav Das
3. Jayshree Saikia
4. Mausum Das
5. Pranjit Bora
6. Parthajit Saikia
7. Pankaj Pratim Mahanta
8. Jiten Borkataki
9. Rajib Bora
10. Salini Bagaria
11. Bibek Todi
12. Shikha Bagish
13. Mridupawan Chintey

14. President NCSU
15. General Secretary, NCSU
16. Abhijit Sharma
17. Dipu Hazarika
18. Manab Jyoti Bhattacharya
19. Mahendra Konwar
20. Ankur Bora
21. Bedabrata Sarmah
22. Chandra Shekhar Sharma
23. Bimalesh Talukdar
24. Moon Kr. Bora
25. Birinchi Bora
26. Mousum Das
27. Rajat Bordoloi
28. Abhijit Bora
29. Hridyjyoti Bora
30. Juktisiddha Borkokati
31. Nabajyoti Deka
32. Suruj Phukan
33. Rubul Kakati
34. Hirak Jyoti Bora
35. Dipjyoti Mondal
36. Chandra Bhanu Bhuyan

**Sub Committee**
**Finance**
President: Dr. Naren Kalita, Member GB
Vice President : Girish Bhuyan
Secratary : Dr. Krishna Kanta Medhi
**Members :**
1. Holi Hazarika
2. Sailen Sarma
3. Biraj Bordoloi
4. Achinta Baruah
5. Mukul Borthakur
6. Ruli Sarma
7. Bani Das
8. Ajit Bora
9. Ikram Hussain
10. Ramesh Agarwala

**Platinum Jubilee Publication (Book)**
Adviser : Dr. Naren kalita
Chief Editor : Dr. Sarat Borkataki
Editor : Dr, Naba Prashad Nath,
Ritwik Mazumdar
Members :
Ananya Hilodari

**Souvenir :**
President : Nava Kumar Mahanta
Vice President : Mihir Deuri
Secratary/Editor : Dipak Kr. Bora,
Dr. Lakhyajyoti Borthakur
Publisher : General Secretary & Principal
Nowgong College
Members :
1. Pankaj Neog
2. Manab Bora
3. Papul Bora
4. Dr. Madhurjya Madnit Baruah
5. Siba Prasad Bora
6. Manash Mahanta
7. Dr. Sabreen Ahmed
8. Dr. Sangita Bora
9. Dr. Jyotismita Das
All the joint secretary are special invitee.
**Exhibition**
President : Naushad Akhtar Hazarika
Secratary : Dr. Farishta Yasmin
Asstt. Secratary : Dr. Kumud Das
Members :
1. Dr. Nandan Kr. Borthakur
2. Dr. Siba Ranjan Mahanta
3. Sailen Das
4. Amitabh Dasgupta
5. Dr. Dipa Deka
6. Swarna Saikia

7. Bidya Sagar Kakati
8. Sailen Sarma
9. Pratul Ch. Sarmah
10. Angshuman Sharma
11. Aminur Rahman
12. Ashadul Hoque
13. Taslima Begum
14. Sumi Bhuyan
15. Sharif Ahmed
16. Faziz Aktar Ahmed
17. Umme Habiba
18. Jiabur Rahman
19. Suruj Phukan
20. Arunabh Konwar
21. Nabajyoti Bora
22. Kamal Ch. Hazarika
23. Jagaty Ch. Saikia
24. Balindra Kr. Hazarika
25. Mandeep Mahanta
26. Angshuman Hazarika
27. Adil Sheikh
28. Nilkamal Saikia
29. Gautam Borah
30. Gunadhar Nath, Rtd, Teacher, Khutikatia, Nagaon

**Cultural**

Advisors :
1. Jatin Bora
2. Ariful Haque
3.Soponti Bordoloi

President : Lyra Neog

Vice President : Bappa Ranjan Das

Secratary : Dhruba Jyoti Boruah

Joint Secretaties :
1. Dr. Pallabi Goswami
2. Karabi Devi
3. Krishna Moni Nath
4. Ranjit Bora

Members :
1. Kalpana Hazarika Gayan
2. Dipali Devi
3. Rupanjali Devi
4. Guna Saikia
5. Phoni Sarmah
6. Madhab Sarma
7. Trishna Saikia
8. Shirumoni Hazarika
9. Dr. Lalit Mohan Goswami
10. Dr. Bhuban Ch. Chutia
11. Dr. Santanu Sarmah, B.N. College, Dhubri
12. Jayamoni Neog
13. Puja Bora
14. Pompy Devi
15. Sanchita Sarma
16. Mridusmita Borah
17. Dipshikha Das
18. Ananya Saikia
19. Dikhita Devi
20. Parishmita Sarma
21. Meenakshi Devi
22. Jayamoni Gayan
23. Gunajit Gayan
24. Thaneswar Saikia
25. Dul Ahmed
26. Muruli Kr. Sarmah
27. Madhab Sarmah
28. Ranjit Nath
29. Ratneswar Bora
30. Munindra Saikia

**Food:**

President : Shirajul Islam (Math)

Vice President : Dr. Ram Prasad Powrel.

Secretary : Lalit Gogoi

Members :
1. Krishna Konwar
2. Kularanjan Bhuyan

3. Sarbanand Saikia
4. Pranjal Saikia
5. Bireswar Dey
6. Abul Bashar
7. Pakija Begum
8. Tapan Saikia
9. Meena Bairagi
10. Beauty Das
11. Padumi Bordoloi
12. Mitali Gogoi
13. Purna Kanta Saikia
14. Kanlora Bora
15. Nathani Rabidas
16. Ranjit Kumar Sarma
17. Bhaba Kaibarta
18. Nirmal Chandra Saikia
19. Jugal Chandra Das
20. Nagen Rabidas
21. Nandalal Rabidas
22. Katiram Saikia
23. Aziz Ahmed Ansari
24. Abodh Kishore Rabidas
25. Premeswar Saikia
26. Ratneswar Bora
27. Ram Ratan Rabidas
28. Biren Chandra Baruah
29. Rajib Patar
30. Ranjit Saikia
31. Tapan Saikia
32. Dimbeswar Bayan
33. Abdul Rahman
34. Upanandra Rajkhowa
35. Jitumoni Saikia
36. Rupa Saikia
37. Momi Saikia
38. Bipul Nath

**Publicity:**

President : Jiten Borkataki

Secretary : Dr. Lakhyajyoti Barthakur

Members :

1. Bipul Kataki
2. Mahesh Ch. Das, Advocate
3. Tusan Dev Goswami
4. Uttam Kr. Rai
5. Dr. Aruni Saikia
6. Amarendra Rajkhowa
7. Sanjeev Kr. Nath
8. Pranjit Bora
9. Akbar Hussain
10. Aminur Rahman
11. Beauty Das
12. Bipul Ch. Nath
13. Mridupawan Bora
14. Apurba Kr. Borah
15. Kangkan Bora
16. Pranjal Borah
17. Lakhi Ranjan Kakati
18. Tikendra Nath Saikia
19. Moushom Das
20. Mantu Bora
21. Dr. Monju Rani Bora, Tezpur

**Decoration & Arrangement**

President : Rashmi Barthakur

Vice President : Anwar Parvez

Secretary : Dr. Rana Sanjay Singh

Members :

1. Dr. Kumud Das
2. Dilip Chandra Saikia
3. Priyanki Sharma
4. Rita Marak
5. Debasish Nath
6. Monalisha Mili
7. Nilakshi Saikia
8. Mridusmita Neog
9. Anwar Pervez
10. Ashim Kar

**Office:**
President : Dilip Bora
Vice President : Abdul Baten
Secretary : Nivedita Das Paul
Members :
1. Padmeswar Senapati
2. Dr. Banashree Saikia
3. Dr. Jyotismita Das
4. Priyanki Sharma
5. Dr. Dipalee Halflongber
6. Dilip Ch. Saikia
7. Jiban Chandra Kalita
8. Manash Kumar Baishya
9. Anuradha Devi

**Volunteer**
President : Bhupal Kalita
Vice President : Dr. Nilotpal Brahma
Secretary : Dr. Prasanta Khanikar
Members :
1. Dr. Siba Saharia
2. Dr. Dipankar Baidya
3. Dr. Ramala Sarma
4. Bidyut Das
5. Dr. Deepshikha Saharia

**Seminar**
Advisors :
1. Dr. Bedabrata Das
2. Sibananda Kakati
President : Dr. Sanjoy De
Vice President : Dr. Mondakini Bora
Secretary : Dr. Bhuban Chutia
Members :
1. Ajit Sarma, ACS
2. Dr. Tinkumoni Bora, ACS
3. Mondakini Das
4. Mikut Borthakur
5. Indra Mohan Bora
6. Dr. Parikhit Gogoi
7. Dr. Pulin Chandra Borah
8. Dr. Kaveri Sharma
9. Dr. Nilotpal Kumar Brahma
10. Dr. Ram Prasad Powrel
11. Dr. Papri Biswas
12. Dr. Rashmi Rekha Bora
13. Dr. Banashree Saikia
14. Bidyut Das
15. Simson Mochahary
16. Padmeswar Senapati
17. Indu Bhushan Ray
18. Dibakar Bardoloi
19. Pinky Baruah
20. Mukul Ch. Saikia

**Reception**
President : Dr. Shirajul Islam
Vice President :
Secretary : Dr. Dipa Deka
Members :
1. Krishna Kinkar Khataniar
2. Hiralal Roy
3. Dilip Ch. Saikia
4. Abul Bashar
5. Dhrubajyoti Baruah
6. Shirumoni Hazarika
7. Shirajul Islam
8. Diponjit Bora
9. Pinku Tamuli
10. Moyur Kr. Bora
11. Rajib Bora
12. Diganta Ranjan Raja
13. Shikha Laskar
14. Tripti Hazarika
15. Podumi Bordoloi
16. Tarun Baidya
17. Sudipta Ranjan Baruah

18. Udipta Narayan Raja
19. Raj Kumar Bordoloi
20. Pankaj Saikia
21. Anita Devi
22. Geetanjali Devi
23. Ajoy Kr. Singh
24. Yakub Ali
25. Sirajul Hoque
26. Jugal Hazarika
27. Ritwik Mazumder
28. Saranga Goswami
29. Devid Nath
30. Biraj Bordoloi
31. Sanjib Kr. Mishra
32. Ratneswar Saikia
33. Pranjal Pratim Borah
34. Bhagwati Prasad Jhanwar
35. Pulin Barua
36. Pranab Saikia
37. Raju Kalita
38. Ajit Saikia
39. Md. Samsur Rahman
40. Md. Sahadul Islam
41. Balin Chandra Saikia
42. Ghanshyam Hazarikia
43. Naren Kalita
44. Arun Kumar Barman
45. Bimal Ch. Bora
46. Achim Kr. Ganguly
47. Alok Goswami
48. Amarjit Goswami
49. Raju Goswami
50. Surajit Goswami

**Felicitation**

President : Bonti Neog
Vice President : Dhanada Devi
Secretary : Dr. Rashmi Rekha Bora
Members :

1. Birinchi Bora
2. Prasenjit Bora
3. Manab Jyoti Bora
4. Khusida Alom Siddique
5. Atabur Rahman
6. Monuj Kalita
7. Phatsan Deka
8. American Rabidas
9. Simanta Das
10. Dibyajyoti Saikia
11. Priyanki Sharma
12. Sabina Yesmin
13. Pingki Dev
14. Lipika Saikia
15. Ashad Madani
16. Koustav Kaushik Saikia
17. Luit Kumar Saikia
18. Ujjal Kr. Ligira
19. Jiten Borkataki
20. Chandra Borah
21. Simanta Borah
22. Biki Borah
23. Rongon Kashyap Sarmah
24. Orcina Rimim
25. Raihana Begum
26. Hirak Jyoti Bora
27. Bhaskar Jyoti baruah
28. Pabitra Kalita
29. Laksha Deep Adhikari

# List of Donars and Amount of Donation for Celebration of Platinum Jubilee

| Sl. No. | Name & Address | Amount |
|---|---|---|
| 1. | Sushil Kr. Sarma<br>Nagaon Civil Court, Member MACT, Nagaon | 10,000.00 |
| 2. | Arun Kr. Barman, Fauzdaripatty, Nagaon | 14,000.00 |
| 3. | Cheniram Baidya, Nowgong College | 10,000.00 |
| 4. | Mugdha Jyoti Dev Mahanta, Milanpur | 10,000.00 |
| 5. | Alumni Association Hindi Deptt.<br>Nowgong College | 10,000.00 |
| 6. | Parthajit Baura, Renaissance Academy | 10,000.00 |
| 7. | Deep Jyoti Bora, Puranigudam | 10,000.00 |
| 8. | Alumni Association English Deptt.<br>Nowgong College | 10,000.00 |
| 9. | Non-Teaching Unit, Nowgong College | 40,000.00 |
| 10. | Dr. Bhanu Saikia Patowary<br>Bhangagarh, Ghy. | 25,000.00 |
| 11. | Dr. Sarat Borkataki, Principal<br>Nowgong College | 35,000.00 |
| 12. | Guna Saikia<br>Khutikatia, Nagaon | 5,000.00 |
| 13. | Swarna Saikia<br>Khutikatia, Nagaon | 5,000.00 |
| 14. | Secretary, Concept Junior College | 10,000.00 |
| 15. | Uttam Ch. Nahata<br>Itachali, Nagaon | 50,000.00 |
| 16. | Abhijit Bhuyan | 1,00000.00 |
| 17. | Xatirtha 2002-05<br>Nowgong College | 50,000.00 |
| 18. | Padum Bora<br>Ahatguri | 5,000.00 |
| 19. | Padum Bora<br>Ahatguri | 5,000.00 |
| 20. | Padum Bora<br>Ahatguri | 5,000.00 |

| | | |
|---|---|---|
| 21. | Sujit Das<br>Haibargaon | 5,000.00 |
| 22. | M/s Jagdamba Stone Crusher Industry | 5,000.00 |
| 23. | Biju Phukan<br>Kampur | 5,000.00 |
| 24. | Prasanta Borthakur<br>Nagaon | 5,000.00 |
| 25. | Ranju Saikia<br>Kampur | 5,000.00 |
| 26. | A B Industry<br>Kaliabor | 5,000.00 |
| 27. | Jiaur Rahman<br>Jamunamukh | 5,000.00 |
| 28. | Mandakini Baruah<br>Tezpur University | 5,000.00 |
| 29. | Md. A.M. Faruqui<br>Retd. Teacher, Nowgong College | 5,000.00 |
| 30. | Sweety Bezbaruah<br>Beltola, Ghy | 50,000.00 |
| 31. | Sanjukta Dutta<br>Guwahati | 60,000.00 |
| 32. | Chandan Das<br>Kushal Nagar, Haibargaon | 10,000.00 |
| 33. | Girindra Kr. Barua<br>Nagaon | 5,000.00 |
| 34. | Shymal Pd. Saikia | 50,000.00 |
| 35. | Pomi Gogoi | 20,000.00 |
| 36. | Md. Abu Hanifa<br>MD Road, Nagaon | 5,000.00 |
| 37. | Bipul Ch. Kataki<br>Poly Road, Panigaon | 5,000.00 |
| 38. | Biva Goswami<br>Poly Road, Panigaon | 5,000.00 |
| 39. | Rita Mishra, Morigaon | 5,000.00 |

এই তালিকাখনত ২০/৫/২০১৯ লৈকে যিসকল দাতাই বৰঙনি আগবঢ়াইছিল, তেওঁলোকৰ নামহে অন্তৰ্ভুক্ত কৰা হৈছে। পৰৱৰ্তী সময়ৰ দাতাসকলৰ নাম কাৰিকৰী কাৰণত অন্তৰ্ভুক্ত কৰিব নোৱাৰি দুখিত।

— সম্পাদক

# আলোকচিত্ৰৰ সঁফুৰা

# মহাৰজত জয়ন্তী উদ্‌যাপন অনুষ্ঠানৰ কৰ্ণধাৰ সমিতি তথা বিভিন্ন উপ-সমিতিসমূহৰ একাংশ



**বহি থকা (বাওঁফালৰ পৰা)** - ড° দিলীপ শৰ্মা, ড° ৰামপ্ৰসাদ পাওৰেল, ড° ৰঞ্জন ভৰালী, ড° শৰৎ বৰকটকী (অধ্যক্ষ), শ্ৰীযুত ৰূপক শৰ্মা, শ্ৰীযুত আলিমুজ জামান, শ্ৰীযুত নৌচাদ আখতাৰ হাজৰিকা, শ্ৰীযুত সপোনটি বৰদলৈ, শ্ৰীযুত চিমল দেউৰী, শ্ৰীযুত বিশ্বজিৎ ভূএগ্ৰা, ড° চিৰাজুল ইছলাম।

**থিয় হৈ থকা (বাওঁফালৰ পৰা)** - শ্ৰীঅলংকৃতা বৰুৱা, শ্ৰীসঞ্জীৱ বৰা, শ্ৰীনৱজ্যোতি দাস, ড° ৰশ্মিৰেখা বৰা, শ্ৰীঅমৰ বৰা, শ্ৰীমুকুল প্ৰসাদ বৰঠাকুৰ, শ্ৰীমৌচুম দাস, শ্ৰীলক্ষীমা হাজৰিকা, শ্ৰীপীতাম্বৰ শইকীয়া, শ্ৰীসুৰজিৎ গোস্বামী, শ্ৰীউত্তম ৰয়, শ্ৰীনয়ন কমল শইকীয়া, শ্ৰীৰাজীৱ বৰা, শ্ৰীসত্যেন শইকীয়া।



ওপৰৰ ছবিত স্মৃতিগ্ৰন্থ উপসমিতিৰ সদস্য সকলক দেখা গৈছে।

**(বাওঁফালৰ পৰা)** - ড° লক্ষ্যজ্যোতি বৰঠাকুৰ, ড° শৰৎ বৰকটকী, শ্ৰীযুত দীপক কুমাৰ বৰা, শ্ৰীযুত নৱকুমাৰ মহন্ত

# মহাৰজত জয়ন্তী উদ্‌যাপন অনুষ্ঠানৰ বিভিন্ন উপ-সমিতিসমূহৰ বিষয়ববীয়া আৰু সদস্য-সদস্যাসকলৰ একাংশ




**বহি থকা (বাওঁফালৰ পৰা)** - শ্ৰীযুত গুণ শইকীয়া, শ্ৰীযুতা কল্পনা হাজৰিকা গায়ন, শ্ৰীযুতা লীৰা নেওগ, ড° নৰেন কলিতা, শ্ৰীযুত আলোক গোস্বামী, ড° শৰৎ বৰকটকী, শ্ৰীযুত আৰিফুল হক, শ্ৰীযুত ৰঞ্জীত বৰা, শ্ৰীযুত কৃষ্ণমণি নাথ।

**থিয় হৈ থকা (দ্বিতীয় শাৰী, সোঁফালৰ পৰা)** - শ্ৰীযুত অতুল মহন্ত, শ্ৰীযুত দুল আহমেদ, শ্ৰীযুতা শিৰোমণি হাজৰিকা, শ্ৰীযুতা কৰবি দেৱী, শ্ৰীযুতা দীপ্তি বৰা, ড° পল্লবী গোস্বামী, শ্ৰীযুত ধ্ৰুৱজ্যোতি বৰুৱা, ড° শান্তনু শৰ্মা আদি।

**থিয় হৈ থকা (তৃতীয় শাৰী, সোঁফালৰ পৰা)** - ড° ললিত মোহন গোস্বামী, ড° লক্ষ্যজ্যোতি বৰঠাকুৰ, ড° ভুৱন চুতীয়া



**বহি থকা (বাওঁফালৰ পৰা)** - শ্ৰীযুত দিলীপ শইকীয়া, শ্ৰীযুত জীৱন কলিতা, ড° ৰঞ্জিত মজিন্দাৰ, ড° শৰৎ বৰকটকী, ড° নৰেন কলিতা, শ্ৰীযুত আলোক গোস্বামী, শ্ৰীযুতা নৱনীতা বৰা, শ্ৰীসৰ্বানন্দ শইকীয়া, শ্ৰীপাকিজা বেগম আদিকে ধৰি কলেজৰ কৰ্মচাৰী সকল।



**বহি থকা (বাওঁফালৰ পৰা)** - শ্ৰীযুত দীপক কুমাৰ বৰা, শ্ৰীযুতা ৰূপাঞ্জলি দেৱী, ড° ৰামপ্ৰসাদ পওৰেল, ড° শৰৎ বৰকটকী, শ্ৰীযুত ৰূপক শৰ্মা, শ্ৰীযুত আলিমুজ জামান, ড° চিৰাজুল ইছলাম, শ্ৰীযুত নৱ কুমাৰ মহন্ত, ড° ৰাণা সঞ্জয় কুমাৰ সিং, ড° নীলোৎপল কুমাৰ ব্ৰহ্ম, শ্ৰীযুত বিশ্বজিৎ ভূএগ্ৰা।

**থিয় হৈ থকা (বাওঁফালৰ পৰা)** ড° পৰীক্ষিত গগৈ, ড° ৰঞ্জন ভৰালী, ড° ভুৱন চুতীয়া, ড° নৱ প্ৰসাদ নাথ, ড° ৰশ্মিৰেখা বৰা।

## তলৰ প্ৰথমখন ছবিত নগাঁও কলেজ ইতিহাস গ্ৰন্থৰ সম্পাদনা সমিতিৰ সদস্যক মূল সমিতিৰ সভাপতিৰ সৈতে দেখা গৈছে



(বাওঁফালৰ পৰা) - ড° শৰৎ বৰকটকী, শ্ৰীযুত ৰূপক শৰ্মা, শ্ৰীযুত আলিমুজ জামান, শ্ৰীযুত ঋত্বিক মজুমদাৰ, ড° নৰপ্ৰসাদ নাথ



মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ অন্যতম কাৰ্য্যসূচী পুৰণিগুদামৰ ৰাধা কান্ত বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত গ্ৰাম্য বিজ্ঞান মেলাত প্ৰদৰ্শনী দ্বাৰ মুকলি মুহূৰ্তত মহাবিদ্যালয়ৰ পৰিচালনা সিমিতৰ সভাপতি আলিমুজ জামান, সদস্য আলোক গোস্বামী আৰু নগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তনছাত্ৰ তথা গুৱাহাটীৰ উচ্চ ন্যায়লয়ৰ অৱসৰ প্ৰাপ্ত ন্যায়ধীশ শ্ৰীযুত প্ৰশান্ত শইকীয়া।




(বাওঁফালৰ পৰা) - শ্ৰীযুত মানস জ্যোতি নিৰ্ম্মলীয়া, শ্ৰীযুত দীপক কুমাৰ বৰা, শ্ৰীযুতা কল্পনা হাজৰিকা গায়ন (বহি থকা), শ্ৰীযুত অচ্যুৎ কুমাৰ শইকীয়া, শ্ৰীযুতা ৰূপাঞ্জলি দেৱী, শ্ৰীযুতা ধনদা দেৱী




মহাবিদ্যালয়ৰ শিক্ষকসকলৰ অনুদানেৰে নিৰ্মিত 'মহাৰজত জয়ন্তী স্মাৰক' মূল তোৰণ আৰু অধ্যক্ষ ড° শৰৎ বৰকটকী সমন্বিতে দাতা সদস্য তথা কৰ্মৰত অধ্যাপক-অধ্যাপিকা সকল।




মহাবিদ্যালয়ৰ ১৯৮২-১৯৮৭ বৰ্ষৰ সতীৰ্থসকলৰ দ্বাৰা নিৰ্মিত তোৰণ




মহাৰজত জয়ন্তী বৰ্ষ উদ্‌যাপন উপলক্ষে আয়োজিত সাধাৰণ সভাত ভাষণৰত অৱস্থাত অধ্যক্ষ ড° শৰৎ বৰকটকী আৰু সোঁফালৰ পৰা ক্ৰমে ড° খৰ্গেশ্বৰ ভূঞা, ড° নৰেন কলিতা, শ্ৰীযুত আলোক গোস্বামী, শ্ৰীযুত ৰাজেন গোহাঁই, শ্ৰীযুত ৰূপক শৰ্মা আৰু থিয় হৈ শ্ৰীযুত বিশ্বজিৎ ভূঞা, ড° চিন্তামণি শৰ্মা, শ্ৰীযুত আনোৱাৰ পাৰভেজ আদি।




'নাক'ৰ মূল্যায়ণ সম্পৰ্কে আয়োজিত অনুষ্ঠানত 'নাক'ৰ উপদেষ্টা ড° এম, এছ, শ্যামসুন্দৰ, বাওঁফালে অধ্যক্ষ ড° শৰৎ বৰকটকী আৰু সোঁফালে ড° চিন্তামণি শৰ্মা।



অসম চৰকাৰৰ উচ্চ শিক্ষাৰ উপদেষ্টা অধ্যাপক মিহিৰ কান্তি চৌধুৰী, বাওঁফালে ড° শৰৎ বৰকটকী আৰু সোঁফালে শ্ৰীযুত বিশ্বজিৎ ভূঞা আৰু অন্যান্য সকল



আমেৰিকা যুক্তৰাষ্ট্ৰৰ অধ্যাপক দিলীপ দত্তক সম্বৰ্ধনা জনোৱা অৱস্থাত মহাবিদ্যালয়ৰ দুই উপাধ্যক্ষ ড° দিলীপ শৰ্মা আৰু ড° ৰঞ্জন ভৰালী



মহামহিম ৰাজ্যপাল জগদীশ মুখীদেৱৰ দ্বাৰা মহাৰজত জয়ন্তী উদ্‌যাপন অনুষ্ঠানৰ বন্তি প্ৰজ্জ্বলন, লগতে বাওঁফালৰ পৰা শ্ৰীযুত কেশৱ মহন্ত, শ্ৰীযুত ৰূপক শৰ্মা, শ্ৰীযুত আলিমুজ জামান, ড° শৰৎ বৰকটকী আৰু শ্ৰীযুতা ৰশ্মি বৰঠাকুৰ।




'মহাৰজত জয়ন্তী'ৰ মুকলি সভাত মুখ্য অতিথি হিচাপে মাননীয় মুখ্যমন্ত্ৰী শ্ৰীযুত সৰ্বানন্দ সোণোৱাল মহোদয় আৰু সোঁফালৰ পৰা ভাষণ ৰত অৱস্থাত ড° শৰৎ বৰকটকী, শ্ৰীযুত মহেন্দ্ৰ আহোম, শ্ৰীযুত আলোক গোস্বামী, (মুখ্যমন্ত্ৰী মহোদয়), শ্ৰীযুত ৰূপক শৰ্মা, শ্ৰীযুত কেশৱ মহন্ত আদি সন্মানীয় ব্যক্তিসকল।



'মহাৰজত জয়ন্তী' উপলক্ষে আয়োজিত প্ৰাক্তন ছাত্ৰ সন্মিলনিৰ উদ্বোধনী অনুষ্ঠানত মাননীয় মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক বিধায়ক শ্ৰীযুত ৰূপক শৰ্মাৰ দ্বাৰা সম্বৰ্ধনা জ্ঞাপনৰ মুহূৰ্ত।



'গুৰুবন্দনা' অনুষ্ঠানত অৱসৰপ্ৰাপ্ত শিক্ষকসকল আৰু প্ৰাক্তন ছাত্ৰ তথা ভূতপূৰ্ব মুখ্যমন্ত্ৰী শ্ৰীযুত প্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়া



প্ৰতিষ্ঠাপক অধ্যক্ষ যজ্ঞেশ্বৰ শৰ্মাদেৱৰ স্মৃতি গ্ৰন্থ উন্মোচনীৰ মূহুৰ্ত্তত বাওঁফালৰ শ্ৰীযুত ৰূপক শৰ্মা, শ্ৰীযুত উপেন্দ্ৰ বৰকটকী, ডাঃ প্ৰমেশ কুমাৰ শৰ্মা, ড° ৰাজেন শইকীয়া, ড° শৰৎ বৰকটকী, শ্ৰীযুত অশ্বিনী শৰ্মা, শ্ৰীযুতা লক্ষীমা হাজৰিকা আদি।




মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তী বৰ্ষৰ আলোচনী উন্মোচনীৰ মূহুৰ্ত্তত বাওঁফালৰ পৰা ড° দিলীপ শৰ্মা, ড° ৰঞ্জন ভৰালী, ডাঃ দীপক শৰ্মা, শ্ৰীযুত বিশ্বজিৎ ভূঞা, শ্ৰীযুত আলিমুজ জামান, অধ্যাপক মিহিৰ কান্তি চৌধুৰী, ড° শৰৎ বৰকটকী, ড° বলিন কুমাৰ ভূঞা।

डाक अधीक्षक
नगाँव मंडल
नगाँव – ७८२००१
दूरभाष –०३६७२–२५४५९६
फैक्स – ०३६७२–२३१४७४

**K. Mahato**
Superintendent Posts,
Nagaon Division,
Nagaon- 782001,
Phone- 03672 - 254596
Fax- 03672 - 231474
email- donagaon.as@indiapost.govin.

D.O. No. G-1/Special-Cover/Corr/Ngg
Dated at Nagaon, the 3" August, 2018

Dear Sir(s)/Madam,

I take this opportunity to invite you all at the "SPECIAL COVER" release ceremony to be held on 06-08-2018 (Monday) at 12-00 hours in Nagaon Head Post Office premises, on the occasion of Platinum Jubilee Celebration of Nowgong College, an institute of excellence for imparting quality education since 1944, with a mission of man-making.

Your benign presence is considered substantial to grace the occasion.

With all the best wishes,




**Dr. Sarat Borkotoki,**
Principal

বিঃ দ্রঃ - মহাৰজত জয়ন্তী উপলক্ষে ভাৰতীয় ডাক বিভাগে প্ৰকাশ কৰা ডাক টিকট আৰু ইয়াৰ উন্মোচনী অনুষ্ঠানলৈ নিমন্ত্ৰণ জনাই ডাক বিভাগৰ নগাঁও মণ্ডলৰ অধীক্ষকে প্ৰেৰণ কৰা পত্ৰ।

**(K. Mahato)**





মহাৰজত জয়ন্তী উদ্‌যাপন অনুষ্ঠানৰ সাংস্কৃতিক শোভাযাত্ৰাৰ কিয়দাংশ



মহাৰজত জয়ন্তী শুভাৰম্ভণিৰ পতাকা উত্তোলন অনুষ্ঠান




অসমৰ মাননীয় মুখ্যমন্ত্রী শ্রীযুত সর্বানন্দ সোণোৱাল দেৱক মহাবিদ্যালয়ৰ চৌহদত
অসম আৰক্ষীৰ দ্বাৰা জনোৱা অভিবাদনৰ মুহূর্ত।



মাননীয় মন্ত্রী ড° হিমন্ত বিশ্ব শর্মাদেৱক মহাবিদ্যালয়ৰ
এন.চি.চি. কেডাৰসকলৰ অভিবাদন আৰু শ্রীযুত ৰূপক শর্মা আদি ব্যক্তিসকল।



মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ প্ৰাক্তন সভাপতি / উপসভাপতি / সাধাৰণ সম্পাদক সকলৰ একাংশ



২০১৮-১৯ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সদস্যবৃন্দ



মহাৰজত জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতিৰ সৈতে ২০১৯-২০ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সদস্যবৃন্দ

নগাঁও মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তী উপলক্ষ্যে অসম কলেজ শিক্ষক সংস্থাৰ আহ্বানত ৰাজ্যৰ মহাবিদ্যালয়সমূহে হাতত লোৱা বৃক্ষৰোপণ কাৰ্যসূচীৰ দৃশাংশত প্ৰথমে অসম কলেজ শিক্ষক সংস্থাৰ সাধাৰণ সম্পাদক শ্ৰীযুত হিমাংশু মৰল ডাঙৰীয়া













BNCTA Dhubri
07/08/2018














Plantation by Jorhat Kendriya Mahavidyalaya Teachers' Unit, Jorhat